শ্রীশ্রীমাধবপেবল

বাক্যামৃত

শ্রীপূর্ণচন্দ্র গোস্বামী

MANGALDAI COLLEGE
LIBRARY

Book No → 5 AF 4995
Rs. 10 Ana
Total page - 360

SAF/4995

শ্রীশ্রীমাধবদেবৰ বাক্যামৃত

অধ্যাপক
ডক্টৰ শ্রীমহেশ্বৰ নেওগৰ ভূমিকা সম্বলিত

SAF/4995

সম্পাদক
শ্রীপূর্ণচন্দ্র গোস্বামী

MANGALDAI COLLEGE LIBRARY

প্রথম প্রকাশ
১৯৫৯

SAF4995
MANGALDAI COLLEGE CENTRAL LIBRARY

MANGALDAI COLLEGE LIBRARY
Accesion No ....
Clas: No 891.45
Book No .... GOS ....

—জ্যোতি প্রকাশ—
গুৱাহাটি, অসম

প্রকাশক
শ্রীপূর্ণচন্দ্র গোস্বামী
জ্যোতি প্রকাশ
গুৱাহাটি, অসম

মূল্য ১৷৷০ অনা।

প্রিণ্টাৰ
শ্রীদেৱপ্রসাদ মিত্র
এল্‌ম প্রেছ
৬৩ নং বিডন ষ্ট্রীট, কলিকতা

ভূমিকা

খ্রীষ্টীয় ১৪৮৯ ছনত বর্ত্তমানৰ উত্তৰ লখীমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ কাচিকটা নৈৰ পাৰত হৱশিঙা ৰৰাৰ ঘৰত গোৰিন্দগিৰী ভূঞাৰ পত্নী মনোৰমাৰ গর্ভত মাধৱদেৱৰ জন্ম হয়। মাধৱৰ চৈধ্য বছৰমান বয়সত দেশত আকাল পৰাত তেওঁ পিতৃ-মাতৃৰে অনাথিতি হৈ ঘূৰি ফুৰি হাবু অঞ্চলৰ ঘাঘৰ নৈৰ পাৰৰ ঘাঘৰ মাজিৰ ঘৰত বহুৱদিয়েকলৈ বয়। ইয়াত জন্ম হোৱা তেওঁৰ ভনীয়েক উর্ব্বশীক বিয়া দিবৰ হ'লত সকলো ভটীয়াই আহি ৰৌতাত বয়হি আৰু উর্ব্বশীক গয়াপাণি (পিছত ৰামদাস ভক্ত) ভূঞালৈ বিয়া দিয়ে। গোৰিন্দগিৰীয়ে মাধৱক লৈ তেওঁৰ আগৰ ঠাই বাঙুকালৈ (বর্ত্তমান পূব পাকিস্তানৰ ৰংপুৰত) যায়। ইয়াত মাধৱৰ বিদ্যা-শিক্ষা হয়, গোৰিন্দগিৰীও ঢুকায়। মাধৱে তাত ককায়েক দামোদৰৰ লগত কিছুদিন থাকে আৰু বাঙুকাৰ বজাৰ ঘৰত বিষয়া খাটে। ইয়াৰ পিছত তেওঁ পাণ-তামোলৰ বেহাত হাত দিয়ে, আৰু ভঁৰালী-ডুবিৰ ৰামদাসৰ ঘৰলৈ ঘূৰি বিয়াৰ মনেৰে নেঘেৰীটিঙত এজনী ছোৱালীক জোৰোণ পিন্ধালে। কিন্তু মনোৰমা আইৰ হৈ গোসানীলৈ ছাগ আগ কৰাৰ কথা লৈ ১৫২২ খ্রীষ্টাব্দত শাক্ত মাধৱ বেলগুৰিত বৈষ্ণৱ শঙ্কৰদেৱৰ সম্মুখীন হ'ব লগীয়া হয়, আৰু তুমুল তর্কযুদ্ধত পিছত ভক্তিধর্ম্মৰ শৰণ লয় আৰু জোৰোণৰ কন্যা পৰিত্যাগ কৰি ধর্ম্মৰ হকে জীৱন উছর্গা কৰে। সুপণ্ডিত আৰু সুগায়ক মাধৱদেৱৰ শঙ্কৰদেৱৰ প্রধান সহায়-স্বৰূপ হ'ল। এই সময়ত বৈষ্ণৱ-বিদ্বেষীসকলৰ উচটনিত দিহিঙীয়া ৰজাই মাধৱক ৰংপুৰ ৰাজধানীলৈ ধৰাই নিয়ে আৰু আঠমাহ কাল নজৰ-বন্দী কৰি ৰাখে। শঙ্কৰদেৱে আহোম ৰাজ্য এৰি নৰনাৰায়ণৰ কামৰূপ ৰাজ্যলৈ যাওঁতে (১৫৪৬ ছন) মাধৱদেৱো তেওঁৰ লগত যায়। বাটতে কপলাৰ ৰৰিত মনোৰমা আই ঢুকায়। মাধৱদেৱে ৰৰপেটা অঞ্চল পাই পোনতে ৰাৰাদিত ৰয়, পিছত গণককুছিত ঘৰ কৰি লৈ তাৰেপৰা শঙ্কৰ গুৰুৰ থানলৈ অহা-যোৱা কৰি থাকে ; শঙ্কৰ-দেৱৰ দ্বিতীয়বাৰ পুৰীভ্রমণৰ সময়ত তেওঁ প্রধান সঙ্গী আছিল। ১৫৬৮ ছনত এওঁৰ ওপৰতে পন্থৰ সর্ব্ব ভাৰ দি শঙ্কৰদেৱ বৈকুণ্ঠী হয়। ইয়াৰ অলপ দিন পিছত মাধৱদেৱ পাটবাউসীত এবছৰমান থাকি সুন্দৰীদিয়াত স্থায়ী সত্র পাতে আৰু শাস্ত্র-ৰচনা আৰু নামধর্ম্ম-প্রচাৰত আত্ম-নিয়োগ কৰে, আৰু মাজে মাজে কামৰূপৰ নানা ঠাইত ভ্রমণ কৰি প্রচাৰৰ কাম কৰে। ইয়াৰ পিছত তেওঁ তাঁতী-কুছি গাঁৱলৈ গৈ ৰৰপেটা সত্র থাপনা কৰি ৰয়। সুন্দৰীদিয়াত থকাৰেপৰা ভক্তি-বিদ্বেষীসকলে মাধৱদেৱৰ বিৰুদ্ধে কোচ কামৰূপৰ ৰজাক উচটাবলৈ যত্ন কৰিছিল। ইয়াৰ ফলত তেওঁ ৰজাৰ আদেশমতে হাজোত গৈ থাকিব লগা হয়। তাত আকৌ তেওঁ হয়গ্রীৱ মাধৱতকৈও অধিক লোক আকর্ষণ কৰাত কথা বেগতিক ভাবি ভৃগু নামৰ এজন ব্রাহ্মণৰ যত্নত সোণকোষৰ চকী এৰাই কোচবেহাৰলৈ পলাই যায়। তাত ৰাজকোঁৱৰ-কুঁৱৰী, ৰাজমাও, নানা বিষয়াসকলে তেওঁত শৰণ লয়। বিৰূপাক্ষ নামে ৰজাৰ কাজীয়ে কিছুদিন মাধৱক নানা আহুকাল দিছিল। কিন্তু লক্ষ্মী-

নাৰায়ণ বজাই মাধৱদেৱৰ ধৰ্ম্মক একপ্ৰকাৰ ৰাজধৰ্ম্ম-ৰূপে ঘোষণা কৰিলে। ১৫৯৬ চনত কোচ-বেহাৰত মাধৱদেৱ বৈকুণ্ঠী হয়।

শঙ্কৰদেৱৰ প্ৰধান শিষ্য আৰু ধৰ্ম্মৰ উত্তৰাধিকাৰী-ৰূপে মাধৱদেৱে সেই ধৰ্ম্ম প্ৰতুলভাৱে প্ৰচাৰ কৰে আৰু সেই ধৰ্ম্মৰ শাস্ত্ৰৰ থূলটি পূৰণ কৰে। সাহিত্য আৰু ভক্তিদৰ্শন-মূলক ৰচনা হিছাপে মাধৱদেৱৰ নামঘোষা আদি অতি উচ্চ খাপৰ। তেওঁ সাহিত্যিক জীৱনত গুৰুজন থকাৰ ভিতৰতে বহুতোখিনি আগ বাঢ়ে। "জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ" আদি গুৰু-ভটিমাটি "প্ৰাতস সময়ে যশোৱা জননী" ভটিমা (তীৰ্থ-ভ্ৰমণৰ বেলা), দুই এটি ৰৰগীত তেওঁ গণককুছিত থকাতে বিভিন্ন সময়ত ৰচনা কৰে। ৰৰপেটাৰ কমলা গায়নে শঙ্কৰদেৱৰ পোনতে ৰচা বাৰ কুৰি ৰৰগীতৰ পুথি আওৰাবলৈ নিওঁতে ঘৰপোৱা জুয়ে পোৱাত, গুৰুৰ আদেশমতে মাধৱে পুথি কৰি ৰৰগীত লিখাত ধৰে। অনন্ত কন্দলিয়ে মাধৱ কন্দলিৰ ৰামায়ণ 'ঢাকি তুচকৈ গুচাৰৰ মন দিলত' গুৰুৰ উপদেশত গুৰুৰ উত্তৰাকাণ্ডৰ সমকৈ আদিকাণ্ড ৰামায়ণ ভাঙিলে। অনন্ত কন্দলিৰ মধ্য দশমৰ ভাঙনিত 'ভক্তিপৰ হ্ৰস্ব, যুদ্ধ দীৰ্ঘ' হোৱাত ৰাজসূয় ৰচিলে; আৰু চিলাৰায়ে শঙ্কৰদেৱক অনুৰোধ কৰাতে 'জন্ম-ৰহস্য' লিখি উলিয়াই ৰচনা-চাতুৰ্য্যৰ বাবে গুৰুৰ প্ৰশংসা লাভ কৰিলে। বেজৰুৱা ডাঙৰীয়াই লিখিছে, মাধৱদেৱৰ দধিমথন (অৰ্জ্জুন-ভঞ্জন) নাটৰ ভাওনাত শঙ্কৰদেৱে নন্দৰ আৰু মাধৱদেৱে উপনন্দৰ ভাও দিছিল। গতিকে দেখা যায়, শঙ্কৰদেৱৰ জীৱৎকালতে মাধৱদেৱৰ প্ৰায়খিনি গীত-ভটিমা, অন্ততঃ এখনি নাট আৰু ৰাজসূয়, আদিকাণ্ড ৰামায়ণ আৰু জন্ম-ৰহস্য ৰচিত হয়। শঙ্কৰদেৱে ভাৰ দিয়ামতে মাধৱদেৱে দুটি ডাঙৰ কাৰ্য্য সম্পন্ন কৰে সুন্দৰীদিয়াত থকাত; সেই দুটি কাৰ্য্য হ'ল নামঘোষা ৰচনা আৰু ভক্তি-ৰত্নাৱলীৰ ভাঙনি। বিষ্ণুপুৰী সন্ন্যাসীৰ মূল ভক্তিৰত্নাৱলীখন হাজোৰ দ্বিজ কণ্ঠভূষণে ৰাৰাণসীৰপৰা কিনি আনি শঙ্কৰদেৱক দিয়ে। শঙ্কৰদেৱে অচিনাকি সন্ন্যাসীৰ জ্ঞান-প্ৰধান পুথি বুলি পোনতে চাবলৈকে হেলা কৰিছিল; কিন্তু পুথিখনে শঙ্কৰী পন্থৰ দৰেই শেষ বিৰচনত এক-শৰণ নিৰূপণ কৰাত তেওঁ "বিষ্ণুপুৰী মোৰ সঙ্গ" (অৰ্থাৎ একেধৰণৰ এক শৰণীয়া) বুলি পুথিখনৰ ভাঙনি কৰিবলৈ মন দিয়ে; কিন্তু সেই কাম "ৰৰা-পোত হস্তেহে হ'ব পাছত" বুলি কালিন্দী আইক পুথিখনি সামৰি থ'বলৈ দিয়ে। এই 'মহাবিচক্ষণ ভকতৰ সৰ্ব্বস্ব শাস্ত্ৰ' সুন্দৰীত ভাঙিবলৈ আৰম্ভ কৰোঁতে হাথীয়া দলৈয়ে ইতিকিং কৰাত পিছৰ বিৰচন কেইটা চমুৰাই ভাঙি কণ্ঠভূষণক দেখুৱায়; তেৱোঁ 'পণ্ডিতে মুখ দিব নুৱৰা বিচক্ষণ' হৈছে বুলি আনন্দ প্ৰকাশ কৰে। সুন্দৰীত থাকোঁতে মাধৱদেৱে চোৰধৰা, পিম্পৰা গুচুৰা, ভোজন ব্যৱহাৰ, আৰু ভূমি লুটিৱা নাট ৰচে। 'ৰাস-ঝুমুৰা', 'ভূষণ-হেকৰা' আৰু 'কোটোৰা খেলোৱা' নাট কোনোৰ মতে মাধৱদেৱৰ ৰচিত হ'লেও সেই বিষয়ত সন্দেহৰ যথেষ্ট স্থল আছে। এই সময়তে মাধৱদেৱে গোৱৰ্দ্ধন-যাত্ৰা, নৃসিংহ-যাত্ৰা আৰু ৰাম-যাত্ৰা নামে ভাওনা কৰাইছিল; কিন্তু তাৰ নাট আজি পাবলৈ নাই। ১৫৯৫-৬ ছনত কোচবেহাৰত থকা ঘটনাপূৰ্ণ কালৰ ভিতৰতে মাধৱদেৱে নামঘোষাক চূড়ান্ত ৰূপ দিয়ে। কাজীৰ অনুৰোধত নাম-মালিকাৰ পদ কৰে আৰু ভাগিন ৰামচৰণৰ হতুৱাই কীৰ্ত্তন-ঘোষা সঙ্কলন কৰায়। মাধৱদেৱৰ ভণিতা-যুক্ত ধ্যান-বৰ্ণনৰ তৃতীয় কীৰ্ত্তন এটি পোৱা গৈছে। তেনে ভণিতা থকা অমূল্য-ৰত্ন, গুপ্তমণি, আদি চৰিত আৰু অলেখ দেহবিচাৰৰ গীত খাটাংকৈ তেওঁৰ ৰচিত নহয়। ভক্তি-অনুভূতিৰ তীক্ষ্ণতা, দাৰ্শনিক গাঢ়তা, একশৰণৰ একনিষ্ঠতা, প্ৰতি শ্ৰীশঙ্কৰগুৰুৰ পৰম অনুৰাগ, বালক-চৰিত্ৰৰ আহ্লাদদায়ক চিত্ৰণ, আৰু প্ৰকাশৰ তীব্ৰতা মাধৱদেৱৰ ৰচনাৱলীৰ কেইটামান বিশেষ লক্ষণ।

নাম-ঘোষা পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ছন্দোময় প্ৰকাশ। এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমানৰ মূলস্বৰূপে কোনো বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা যাব পাৰে। কিন্তু সেইবোৰ মূলৰ কথাখিনিয়ে মাধৱদেৱৰ অনুভূতি আৰু ভাষাৰ মাজেদি কেনেকৈ নতুন জন্ম লাভ কৰিছে আৰু যেনেভাৱে পটল-বিভাগৰ যোগে সুসংশ্লিষ্ট কৰা হৈছে, সিহে মাধৱ-দেৱৰ চিন্তা-জীৱনৰ ৰূপটো প্ৰকাশ কৰে।

ভক্তি-তত্ত্ব-নিৰূপক গ্ৰন্থ হিছাপে নামঘোষা নিৰুপম। অৱতাৰবাদ; প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ; মায়া-তৰণৰ উপায়-স্বৰূপে সকলো ধৰ্ম্মৰ ভিতৰত, জ্ঞান-কৰ্ম্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা; ভক্তিৰ পুৰুষোত্তম-প্ৰেম-স্বৰূপতা; ভক্তিৰ অহৈতুকিতা বা অনি-মিত্ততা; ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন-প্ৰধানতা; সৎসঙ্গ-মাহাত্ম্য; দাস্য; জড়-ৰূপী অন্য দেৱ-সেৱা নিবাৰণ-পূৰ্ব্বক চৈতন্য-স্বৰূপ একদেৱ আৰু একনামৰ বিশ্বাসেৰে একশৰণবাদ,—মহাপুৰুষীয়া ধৰ্ম্মৰ (অসমৰ ভক্তি-সম্প্ৰদায়) এই মূল সূত্ৰবোৰ নাম-ঘোষাৰ নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে।

নামঘোষাৰ দাৰ্শনিক ভিত্তি বেদান্ত; ভাগৱত-পুৰাণ হ'ল "সমস্ত-বেদান্ত-সাৰ।" ভাগৱতে সত্য তত্ত্বক (নিৰ্ব্বিশেষ) ব্ৰহ্মৰূপে (জগৎ-প্ৰপঞ্চৰ অতীত) পৰমাত্মা-ৰূপে আৰু (শক্তিৰ গৰাকী) ভগৱন্ত-ৰূপে নিৰূপণ কৰিছে। এফালে সেই তত্ত্ব 'চৈতন্য-স্বৰূপ নিত্য সত্য শুদ্ধ জ্ঞান অখণ্ডিত অচিন্ত্য', 'নিত্য শুদ্ধ বুদ্ধ' নিৰ্গুণ, নিৰঞ্জন, নিৰাকাৰ পৰমব্ৰহ্ম; আনফালে সেয়ে পৰম-পুৰুষ, পৰম ঈশ্বৰ, পুৰুষোত্তম, বাসুদেৱ, নাৰায়ণ, কৃষ্ণ। ভগৱন্ত প্ৰকৃতি আৰু পুৰুষ দুইতকৈও ওপৰত, দুইৰো কাৰণ, দুইৰো নিয়ামক। হৃষীকেশৰূপে তেওঁ ইন্দ্ৰিয়ৰ প্ৰৱৰ্ত্তক, অন্তৰ্য্যামী ৰূপে জীৱৰ সুখ-দুখ-ভুঞ্জাওঁতা আৰু নিয়ামক, সৰ্ব্বসাক্ষীৰূপে সমস্তৰে বুদ্ধি-চিত্তৰ দ্ৰষ্টা। ভগৱন্ত চৈতন্য-শক্তিযুক্ত; ব্ৰহ্মাদেৱকে আৰম্ভ কৰি সকলো জীৱ জড়। কাল, মায়া আদি তেওঁৰ শক্তি, তেওঁৰ অধীন; জীৱ সিবোৰ শক্তিৰ বশ। জীৱ ঈশ্বৰৰ অংশ হ'লেও মায়াত বন্দী হৈ সংসাৰত নানা ক্লেশ ভোগ কৰে। জীৱই শৰ-তুল্য অনাত্ম শৰীৰক মই বুলি মানে অবিদ্যাৰ হেতুকে ('দেহাদিষু অনাত্মসু অস্মীত্যাত্মবুদ্ধিৰৱিদ্যা'—শঙ্কৰাচাৰ্য্য; ঘোষা ৭৫১)। আৱৰণ আৰু বিক্ষেপ শক্তিৰ প্ৰভেদেই প্ৰকৃতি দুবিধ হয়,—আৱৰণ-শক্তিৰে জীৱৰ উপাধি-স্বৰূপা অৱিদ্যা, বিক্ষেপ-শক্তিৰে সেয়ে পৰমেশ্বৰী মায়া। পুৰুষো সেইদৰে দুবিধ,—প্ৰকৃতিক নাজানি যি সংসাৰত (জন্মমৃত্যুচক্ৰ) আবদ্ধ হৈ থাকে, সেয়ে জীৱ; সি প্ৰকৃতিক বশ কৰি বিশ্ব-সৃষ্টি আদি কৰে, সেয়ে ঈশ্বৰ। এই প্ৰকৃতি আৰু পুৰুষৰ গৰাকী পৰমেশ্বৰ পৰমভজনীয়। পৰমেশ্বৰৰ ভক্তিৰ দ্বাৰা তত্ত্ব-জ্ঞান ওপজে, সেই

জ্ঞানৰ দ্বাৰা মায়াক অতিক্রম কৰি জীৱ মুক্তিৰ যোগ্য হয় আৰু আত্মা-ঈশ্বৰক প্রত্যক্ষে সততে পায়।

অসমৰ বৈষ্ণৱ ধর্ম্মৰ 'চাৰি পুথি'ৰ ভিতৰত মাধৱদেৱৰ নামঘোষা আৰু ভক্তি-ৰত্নাৱলীৰ তাঙনি দুইখনিকেই ধৰা হয়। ভক্তি-ৰত্নাৱলীখনি ইমান লোকপ্রিয় আৰু সর্ব্বজনসম্মানিত হৈ পৰে যে সর্ব্বসাধাৰণে তাক চমুকৈ ৰত্নাৱলী বুলিয়ে জানে আৰু 'ক বুলিৰ নেজানে ৰত্নাৱলী পঢ়ে' বুলি পণ্ডিতম্মন্যতাৰ ধৃষ্টতাক ইতিকিং কৰে। বুৰঞ্জীত পোৱা যায়, ৰণলৈ যাবৰ সময়ত বীৰসকলে জন্মভূমিৰ প্রতি একানুগত্যৰ শপথ গ্রহণ কৰিছে ৰত্নাৱলী পুথি আগত থৈ; বা কোনো লোকে মৰণৰ হাত সাৰিবলৈ বুকুত ৰত্নাৱলী বান্ধি ঘাতকৰ সমুখত দেখা দিছে। এই পুথিখনিৰ মূল বিষ্ণুপুৰী সন্ন্যাসীৰ কান্তিমালা-টীকা-সম্বলিত 'শ্রীভক্তি-ৰত্নাৱলীখন কণ্ঠভূষণ বিপ্রই আনি শঙ্কৰদেৱৰ হাতত দিয়ে। শঙ্কৰদেৱে তাৰ অনুবাদৰ ভাৰ মাধৱদেৱৰ ওপৰত দিয়ে; কিন্তু মাধৱদেৱে গুৰুজনৰ বৈকুণ্ঠ-প্রয়াণৰ পিছত গণককুছিত এবছৰ আৰু সুন্দৰীদিয়াত এবছৰ থকাৰ পিছত সোন্দৰাত ৰামচৰণ ঠাকুৰৰ ঘৰত থকাতহে সেই কাম আৰম্ভ কৰে। কিন্তু তেওঁ পুথিখনিৰ সমস্ত শ্লোকৰ ভাঙনি দিয়া নাই। কিয় নিদিলে, কথা-গুৰু-চৰিতত তাৰ কাৰণৰ ইঙ্গিত দিয়া আছে,—"তিনি বিৰোচনা লিখিছে; তেনেতে হাথীয়া গৈ দেখি বোলে, 'অ, তুমিও শাস্ত্র কৰিব ধৈলা মোৰ শ্রীশঙ্কৰদেৱক দেখি! তাৰাৰ গ্রন্থ আনেকে আদৰকৈ চাৱ, পঢ়িব, শুনিব। তোমাৰ চাৱ-গাৱ কোনে?' এনেকৈ বুইলতে খতৰ কষ্ট পাই মনে চুটকৈ ছয়, সাত, বাৰ, ষোল, কুৰি, চৰিশ, পঞ্চিশ টুটাই দিলে বিৰোচন। গুৰুজনৰ চিতে আগে শৰণ-ভজন ভক্তি দেখাই জীৱক দেহৰ বাজ কৰিবৰ মন দিছিল।" গতিকে, মাধৱদেৱৰ নিজৰ ধাৰণামতে ভক্তি-ৰত্নাৱলীখনি সম্পূর্ণ কৰা নহ'ল। সি যি হওক, বিশেষকৈ প্রথমৰ ভাগত তেওঁ ভাগৱত-পুৰাণৰপৰা সংগৃহীত শ্লোকৰ বিষ্ণুপুৰী-কৃত টীকাৰ কথাও গ্রহণ কৰিছে। বিষ্ণুপুৰীয়ে আকৌ নিজেই কৈছে, তেওঁ পৰা পক্ষত শ্রীধৰস্বামীৰ টীকাৰপৰা আঁতৰি অহা নাই। মুঠতে, শঙ্কৰদেৱৰ বৈষ্ণৱসম্প্রদায়ৰ ভাগৱত-চর্চ্চাৰ মূল ধাৰাকে মাধৱদেৱে তেওঁৰ অনুবাদত ৰক্ষা কৰিছে। অনুবাদখিনি মূলগত যদিও প্রাঞ্জল।

জন্ম-ৰহস্য পুথিখনিত মাধৱদেৱে শ্রীমন্ত শঙ্কৰক 'সাক্ষাতে কৃষ্ণৰ অংশ' বুলি বর্ণাই কৈছে,

তেন্তে মোৰ মহা- গুৰু পিতৃ হুয়া
উদ্ধাৰিলা নৰকৰ।
দিয়া ভক্তি-দান পালন্ত পোষন্ত
পুত্রত কৰি বিস্তৰ॥

সেই 'মহাগুৰু পিতৃ'ৰ 'অনুমতি' অনুসৰি তেওঁ জন্ম-ৰহস্যৰ কথা বিৰচিলে। ইয়াৰ মূল জন্ম-পুৰাণৰ সম্ভেদ আমি এতিয়াও পোৱা নাই। কথা-গুৰু-চৰিতত আছে—

"আৰু ছোট দেৱানে জন্ম-পুৰাণৰ শ্লোক পালে। পাই শ্রীশঙ্কৰদেৱৰ হাততে দিলে, বোলে, 'বাপ ভাঙ্গি পদকৈ দিয়ক।' গুৰু বোলে, 'মহাৰাজ, অ'ত কৰিব নপাৰিম। ত'ৰতে

কৰি দিম বাৰু।' এই বুলি বিদায় লৈ আহিল। গুৰুজন আহিবৰ শুনি চোট আতা, ঠাকুৰ আতা, আনো ভক্তসৱ গৈ সেৱাকৈ বার্ত্তা-বিদ সুধিছে। গুৰুজনে বোলে, 'ৰৱা-পো, জন্ম-পুৰাণৰ শ্লোকখানি ৰাজা দিছে। পদ কৰি দিয়া যক।' বোলে, 'বাপ কিকৈ কৰিম?' বোলে, 'কিয়, আমি দহো কৰো একা?' বোলে, 'আপুনি কৰে ঈশ্বৰ-শক্তি।' বোলে, 'তোমাৰ জানো নহয় ঈশ্বৰ-শক্তি? নিয়া; পাৰিবা।' তেহে গুৰু-বাক্য শিৰে ধৰি আনি কৰিলে। মৎস্য-মাধৱৰে পদ তিনিশ কৈলে। ইদিকি কৈলে তিনিশ। দিলেনি। গুৰুজনে চাই বোলে, 'তেওঁ বোলা, মোৰ ঈশ্বৰ-শক্তি নাই।' তেহে খোজা ৰাজা, বচ্ছি পাত্র ভুকুকাত হাতী ভৰোৱা আহিঁ কৈছে পুৰাণৰ পুৰাতন আর্হি—বোলে, 'আমি বঢ়াবহে পাৰো" টুটাৰ নোৱাৰো। তুমি হ্রস্ব-দীর্ঘ সৰে পাৰা দহো?'

মাধৱ কন্দলিয়ে ৰামায়ণৰ মাজৰ পাঁচ কাণ্ডৰ অসমীয়া পদ কৰিছিল। তেওঁ আদিকাণ্ড আৰু উত্তৰকাণ্ডৰ ভাঙনি কৰাৰ বিশেষ প্রমাণ হোৱা নাই। সাঁচিপতীয়া পুথিত লঙ্কাকাণ্ডৰ শেষতে সপ্তকাণ্ড ৰামায়ণ পদবন্ধে বিৰচন কৰা বুলি পোৱা যায় যদিও কন্দলিৰ আদি আৰু উত্তৰকাণ্ড কছাৰী-আক্রমণত হেৰোৱা বুলি কোনো পুৰণি উল্লেখ পোৱা নাযায়; সি আজিৰ যুগৰ লেখক দুই-এজনৰ কল্পনা মাথোন। সি যি হওক, মাধৱদেৱে আদিকাণ্ড আৰু শঙ্কৰদেৱে উত্তৰাকাণ্ড আগে-পিছে যোগ দি কন্দলিৰ ৰচনাই সৈতে অসমীয়া ৰামায়ণখনি সপ্তকাণ্ড কৰিলে। যি মাধৱদেৱে শিশু-কৃষ্ণৰ চৰিত্র বর্ণনাতে অশেষ আহ্লাদ লাভ কৰিছিল, তেওঁ এইদৰে ৰামায়ণৰ বালকাণ্ডৰ অনুবাদৰ ভাৰ লোৱাটোৱেই অর্থপূর্ণ। অনুবাদটিত সংস্কৃত ৰামায়ণৰ মূলকথাখিনি কৰিয়ে এনেভাৱে আপোন কৰি গ্রহণ কৰিছে যে মনোৰম পদখিনি কৰিৰ মৌলিক ৰচনা যেনেই লাগে।

নাম-মালিকা বা হৰি-নাম-মালিকাৰ মূল সংস্কৃত পুথিখনি উৰিষ্যাৰ গজপতি ৰাজবংশৰ ৰজা পুৰুষোত্তমৰ আজ্ঞাক্রমে সিদেশৰ দ্বিজসকলে 'পুৰাণ, ভাৰত, স্মৃতি আগমক চাই' কৃষ্ণ-নাম-মহিমা-মূলক কথাৰ 'নানা গ্রন্থ সংগ্রহ কৰিল এক ঠাই।' মাধৱদেৱে ভক্তি-পৰায়ণ লক্ষ্মীনাৰায়ণ ৰজাৰ বিষয়া মহাভক্ত বিৰূপাক্ষ কাজীৰ অনুৰোধত পুথিখনিৰ পদ কৰে; কিন্তু নিজে হ'লে মূল ৰচনাটি শৃঙ্খলাহীন বাবে বৰ ভাল বোলা নাই।

নাহিকে শৃঙ্খল গ্রন্থ আতি নিৰণ্ঠুক।
আৰ পদ কৰি কোনে মিলাইবে কৌতুক॥
তথাপিতো বিৰূপাক্ষ কাজীৰ বচনে।
বিৰচিবো পদ যেন লোৱে মোৰ মনে॥

পদ্ম-পুৰাণৰ স্বর্গখণ্ডৰ নামাপৰাধ-বিষয়ক শ্লোকখিনি মূল নাম-মালিকাত নোহোৱাতো মাধৱদেৱে তাৰ বহল ভাঙনি সন্নিৰিষ্ট কৰিছে; আৰু আন 'গ্রন্থ-বহিভূত বঢ়া' কথাও কিছু প্রসঙ্গ অনুসৰি দি গৈছে। নাম-মালিকাত ভাগৱত-পুৰাণৰ প্রাধান্য সমূলি নাই। ইয়াত পুৰাণ, উপপুৰাণ, তন্ত্র, স্মৃতি, সংহিতা, সকলোবেপৰা সমভাৱে উদ্ধৃতি দিয়া হৈছে। মাধৱদেৱে পুথিখনি ভাল নোপোৱাৰ ইও এটি কাৰণ হ'ব পাৰে। বৈষ্ণৱ-সমাজত ইয়াৰ আদৰো সেইদৰে কম।

মাধৱদেৱৰ ৰাজসূয়-যজ্ঞ কাব্যখনিৰ ৰচনাৰ প্ৰসঙ্গ আগতে উল্লেখ কৰা হৈছে। এইখনি মাধৱদেৱৰ এটি প্ৰশস্ত কাব্য-প্ৰচেষ্টা আৰু অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াত মাধৱদেৱৰ মৌলিক কাব্য-প্ৰতিভাই বিশেষ স্ফুৰণ লাভ কৰিছে; তেওঁ শ্ৰীকৃষ্ণৰ লীলাময় মহিমা আৰু ভক্ত পাণ্ডৱসকলৰ গৌৱৱক ৰৱ উলাহেৰে বৰ্ণনা কৰিছে। জৰাসন্ধ-বধত যুদ্ধৰ বৰ্ণনা আৰু শিশুপাল-বধ-প্ৰসঙ্গত পাপীৰ বাক্-বীৰত্ব এইখনি কাব্যৰ বিশেষ আকৰ্ষণ। "ইয়াৰ ভাষা প্ৰাঞ্জল, আৰু অসমীয়া ভাষা আৰু সংস্কৃতিৰ পৰিচায়ক। পদৰ লালিত্য, অলঙ্কাৰৰ মাধুৰ্য্য, ভাৱৰ গাম্ভীৰ্য্য, চিত্ৰৰ সৌন্দৰ্য্য আৰু ভক্তিৰ প্ৰাচুৰ্য্যই ইয়াক বাস্তৱিকে মনোৰম কৰিছে।" (মেধি।) পুথিখনি ভাগৱত-পুৰাণৰ দশম স্কন্ধৰ উত্তৰাৰ্দ্ধৰ অৱলম্বনত লিখা হৈছে। এই খণ্ডৰ অনন্ত কন্দলিয়ে কৰা ভাঙনিত শঙ্কৰদেৱ তুষ্ট নোহোৱাত মাধৱদেৱে ভাগৱতৰ লগতে আন স্থানৱপৰা কথাৰ জোৰণি দি ইখনি ভক্তিপৰ কাব্য কৰি ৰচনা কৰে। সম্ভৱতঃ, শঙ্কৰদেৱৰ জীৱৎকালতেই এইখনিৰ ৰচনা সম্পূৰ্ণ হয়।

সংস্কৃত নাট্য-বিধি আৰু স্থানীয় উপাদান সংগ্ৰহ কৰি শঙ্কৰদেৱে একশ্ৰেণী অসমীয়া নাটক প্ৰতিষ্ঠা কৰে। এই শ্ৰেণী নাটকক নাট, যাত্ৰা, নাটক বা নৃত্য বোলা হৈছে, চৰিত-পুথিৰ যুগত বোলা হৈছিল অঙ্ক আৰু ঝুমুৰা, আৰু লৌকিক ভাষাত অঙ্কীয়া নাট। বাৰ নাট বা বাৰ অঙ্ক বুলি এটি কথা আমাৰ দেশত প্ৰচলিত আছে, আৰু এই কথাই শঙ্কৰদেৱৰ আৰু মাধৱদেৱৰ নাট কেইখনি সামৰে। এই নাটবোৰৰ গীতপদ, কথা-ভটিমাৰ ভাষা ব্ৰজবুলি, বা ব্ৰজাৱলী ভাষা। শঙ্কৰদেৱৰ নাটত ব্ৰজবুলি অংশৰ বাহিৰেও নাটকৰ সংস্কৃতত নান্দী, প্ৰৰোচনা আৰু নাটকীয় কাহিনী-সূচক আন শ্লোক থাকে। মাধৱদেৱৰ নাটকৰ প্ৰায়খিনি শ্লোকেই বিঘ্নমঙ্গলৰ শ্ৰীকৃষ্ণ-স্তোত্ৰ আদিৱপৰা গৃহীত। নাটকীয় কৌশলৰ ফালৱপৰা মাধৱদেৱৰ নাটক কেইখন শঙ্কৰদেৱৰ পদ্ধতিৰ-পৰা কিছু পৃথক। প্ৰকৃততে, শঙ্কৰদেৱৰ আহিত মাধৱদেৱৰ অৰ্জ্জুন-ভঞ্জনখনিকহে পূৰ্ণাঙ্গ নাট একপ্ৰকাৰে বুলিব পাৰি। সাধাৰণতে এইখনিৰ বাহিৰে বাকী কেইখনিক ঝুমুৰাহে বোলা হয়। ঝুমুৰাৰ সংজ্ঞা এতিয়াও দিয়া হোৱা নাই; কিন্তু ই একধাৰা গীত-প্ৰধান নাট, য'ত শঙ্কৰী নাটৰ সকলো অঙ্গ দেখা নাযায়। ঝুমুৰা কেইখনি অন্ততঃ ঘটনা-প্ৰধান বুলিব নোৱাৰি। একোটি সামান্য পৰিস্থিতি লৈ নাটকৰ কাহিনীটি সজোৱা হৈছে। এই বিষয়ত ইবোৰে আধুনিক একাঙ্কিকাৰ কথা সোঁৱৰায়। মাধৱদেৱৰ এখনি নাটতো প্ৰস্তাৱনা, প্ৰৱেশশ্লোক, পয়াৰ আৰু মুক্তিমঙ্গল ভটিমা নাই। ভোজন ব্যৱহাৰ নাটতহে মাথোন এটি ভটিমা দিয়া হৈছে। নাটকৰ মাজভাগৰ কাহিনীসূচক শ্লোক অৰ্জ্জুন-ভঞ্জনত তিনটি, চোৰধৰা আৰু ভোজন-ব্যৱহাৰত এটি এটি আৰু ভূমিলুটিৰাত এটি থাকিলেও সি নান্দীৰ ধৰণৰহে। পিম্পৰা-গুচোৱাত প্ৰৱেশৰ গীত নাই, আৰু ইয়াত এই গীতকে কেইবাভাগো কৰি দ্বৈত গীতৰ আৰ্হি দিয়া হৈছে। এই বিলাকৱপৰা দেখা যায় মাধৱদেৱে শঙ্কৰদেৱৰ নাটকৰ লক্ষণবোৰ সম্পূৰ্ণৰূপে মানিবলৈ যত্নই কৰা নাছিল। আৰু এই কাৰণতে তেওঁ ঝুমুৰা নামে এক শ্ৰেণী নতুন অঙ্কৰ সৃষ্টি কৰিলে। শঙ্কৰদেৱৰ সূত্ৰ, কথা, গীতৰ ভাষা ব্ৰজবুলি, মাত্ৰ বিলাপৰ পয়াৰবোৰতহে প্ৰাচীন অসমীয়া দেখা যায়। কিন্তু মাধৱদেৱে

গীতবোৰো প্ৰাচীন অসমীয়াতে ৰচিছে, আৰু তাতো 'মোৰে', 'কাৰে' আদি প্ৰাচীন অসমীয়াতো অপ্ৰচলিত বৈয়াকৰণ ৰূপ ব্যৱহাৰ কৰিছে। আনফালে তেওঁৰ নাটকৰ সাধাৰণ ভাষাত অসমীয়া ঘৰুৱা গঢ়ৰ প্ৰভাৱ শঙ্কৰদেৱৰ নাটকতকৈ বেছি।

শঙ্কৰদেৱৰ দৰেই মাধৱদেৱৰ নাটক উদ্দেশ্যমূলক; মাধৱদেৱৰ উদ্দেশ্য সৰল শিশু-প্ৰীতিৰ মাজেদি মোক্ষৰ পথ নিৰ্দ্দেশ কৰা। শঙ্কৰদেৱৰ নাটত কৃষ্ণৰ অতিমানবীয় শক্তি প্ৰকাশ পাইছে। মাধৱদেৱৰ নাটত বুঢ়া অৰ্জ্জুন গছ দুজোপা উৰল লগাই ভঙাৰ নিচিনা সাধাৰণ শিশুৰ অসাধ্য কাম দেখুৱালেও মানুহৰ সাধ্যাতীত কাৰ্য্য-কলাপেৰে পাঠক-দৰ্শকৰ চকুত চমক লগাই ভক্তিপন্থলৈ আনিবৰ প্ৰয়াস নাই। ইয়াত শ্ৰীকৃষ্ণৰ শিশু-কৌতুকতে নাট্যকাৰৰ স্বতঃস্ফূৰ্ত্ত আনন্দ। তাৰপৰা যুক্তি-তৰ্কেৰে কৃষ্ণৰ ঐশ্বৰিকতা প্ৰতিপন্ন কৰা হোৱা নাই। মাধৱদেৱৰ নাটৰ বৈশিষ্ট্য এটি ৰহস্যত,—সাধাৰণ গুৱালৰ ঘৰৰ গৰখীয়া ল'ৰা হৈও দুষ্ট, মাখন-চো�ৰ কৃষ্ণ অখিল ব্ৰহ্মাণ্ডৰ গৰাকী। এই ভাবটোৱেহে নাট্যকাৰক চৰম আনন্দ যোগাইছে আৰু সেই আনন্দ-ৰসকে পাঠক-দৰ্শকৰ মনত উদ্ৰেক কৰিবলৈ তেওঁ প্ৰয়াস কৰিছে। এই বিস্ময়-ভাবেই তেওঁৰ নাট্য-সৃষ্টিৰ মূল অনুপ্ৰেৰণা। ভক্তিৰ পথ সৰল—সি সহজ বিশ্বাসৰ পথ। দৰ্শন-বিজ্ঞানৰ তৰ্ক-জাল তাত নাই। বেদ, জ্ঞান-কৰ্ম্মৰ পথ যেন জটিল অৰণ্য; মাধৱদেৱৰ কাৰণে শ্ৰীকৃষ্ণ পৰমব্ৰহ্মৰ প্ৰতীক কৌতুকময় এটি শিশু।

কহয় মাধৱ বেদ-বন পৰিহৰা।
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা॥

শিশুচৰিত্ৰ আৰু শিশুৰ লগত মাতৃ-হৃদয়ৰ সম্বন্ধই মাধৱদেৱৰ নাটৰ ঘাই বিষয়বস্তু। দাস্য তেওঁৰ পৰমেশ্বৰৰ প্ৰতি দৃষ্টি কোণ। মাধৱদেৱৰ কৃষ্ণৰ চৰিত্ৰত চিৰন্তন শিশুৰ লক্ষণবোৰ প্ৰকাশ পাইছে। খা বুলিলে নোখোৱা, ক'লৈকো নাযাবি বোলা হাক-বচন নুশুনা আৰু নিষিদ্ধ কাম বা বস্তুৰ কাৰণে হাবিয়াহ শিশুৰ স্বাধীন স্বভাৱ-সিদ্ধ। সকলো ক্ষেত্ৰতে নিজৰ প্ৰাধান্য বা গুৰুত্ব ক্ষুণ্ণ হ'বলৈ নিদিয়া তেনে আন এটি লক্ষণ; শিশুৱে লোকৰ আওকাণ বা নিজতকৈ আনক বেছিকৈ দিয়া মৰম সহ্য কৰিব নোৱাৰে। ল'ৰাই কান্দি বণ জিকে বাৰে বাৰে; ঘৰৰ বস্তুক পৰক দি আনন্দ লাভ কৰে। দুষ্টালি কৰি অভিভাৰকলৈ শিশুৰ ভয় লাগে। আৰু সেই কাৰ্য্য ঢাকিবলৈ নতুন দুষ্টালি যোগ দিয়ে, ইয়াৰ বাবে আৰিষ্কাৰশীল মনেৰে নিৰ্দ্দোষ, আমোদজনক ফাকিৰো সৃষ্টি কৰে। মাক-বাপেকে ল'ৰাৰ দোষ উলিয়ালে সিহঁতৰ আত্ম-সম্মান ক্ষুণ্ণ হয়, সিহঁতে ঠেহ পাতে, সকলোতকৈ সহজ প্ৰতিশোধ হিছাপে মাকক গালি পাৰে। মাধৱদেৱৰ শ্ৰীকৃষ্ণৰ গাত এই আটাইবোৰ লক্ষণ ধৰা পৰিছে। শিশু কৃষ্ণই কামতে ধেমালি উলিয়ায়—নানা ভঙ্গি ধৰি গৰু খেদে, বাঁহী সুহুৰিব সুৰেৰে কাজলী-ধৰলী গাইহঁতক মাতে, গৰু চৰাবলৈ যাওঁতে নিয়া দৈ-ভাতেৰে বালি-ভোজ পাতে। কৃষ্ণই লগৰীয়াৰ লগত কাজিয়া কৰে, বা ধেমালিতে তেওঁৰ কান্দোন ওলায়; তেতিয়া বিৰোধী ল'ৰাৰ অভিভাৰকক লগাই বা নিজৰ ঘৰতে গোচৰ দি কোনোমতে নিজৰ জিত কৰিবলৈ বিচাৰে। মাখন বা লাকৰ লোভত নচা, গীত গোৱা কৃষ্ণও শিশু। নটুৱা টনাক

পিন্ধি দিনটো বননিয়ে কাঁইটনিয়ে গৰু চৰাই আহি তাৰ বাবে প্ৰশংসা নাপালে 'ভাত নাখাওঁ, গা নোধোওঁ' কৰাটোও শিশুৰে লক্ষণ।

আনফালে যশোদাৰ চৰিত্ৰত চিৰন্তন মাতৃত্বৰ ছবি ফুটি উঠিছে। সন্তান পিতৃ-মাতৃৰ অস্তিত্ব বা ব্যক্তিত্বৰ এটি নতুন বিকাশ মাথোন। কৃষ্ণ যশোদাৰ প্ৰাণ, দেহ-লাও। শিশুৰ মঙ্গলেই পিতৃ-মাতৃৰ চিন্তা আৰু সাধনা। শিশুৰ ভালৰ চিন্তাত আঁতৰত থাকিলে মাক-বাপেক উদ্বিগ্ন হয় আৰু ওচৰত থাকিলে দোষ ধৰে, ডাবি-হুকি মাৰে, শাসন কৰে। আনে ল'ৰাৰ দোষ ধৰিলে মাকে সহ্য নকৰে, কিন্তু নিজে হ'লে মাক-বাপেকে ল'ৰাক গুৰুলা-গুৰুলকৈ কিলায়। কৃষ্ণৰ কাৰণে যশোদাই গোপীহঁতক গালি-শপনি পাৰে, কিন্তু নিজে পাছে পাছে লৰি ধৰি আনি ঘৰত যত জৰী আছে, তাৰে বান্ধে, আনৰ হাক-বচনো নুশুনে। আন মাকৰ দৰেই যশোদায়ো কৃষ্ণক দোষৰ বাবে মাৰিবলৈ যায়, আৰু ল'ৰাৰ চকুপানী দেখি স্নেহত পমি যায়। মুঠতে মাধৱদেৱে যশোদাৰ মাতৃ-চৰিত্ৰৰ সুন্দৰকৈ বিকাশ দিছে। কিন্তু যশোদাৰ চৰিত্ৰত এটা ডাঙৰ অসামঞ্জস্য— তেওঁ গোৱালী, কিন্তু তেওঁ 'ত্ৰিজগতপতি হৰি ৰাখোৱাল পাইলা।' আকৌ সেই ৰহস্য! এই ৰহস্যতে নাট্যকাৰ মাধৱদেৱৰ নাট্য-কলাৰ বিকাশ।

শঙ্কৰদেৱে পোনতে প্ৰসঙ্গৰ বাবে বাৰ কুৰি গীত ৰচনা কৰিছিল পুথি কৰি। পুথিখনি কমলা নামে গায়নে আওৰাবলৈ নিওঁতে চ'তমহীয়া বন-পোৱা জুয়ে ঘৰ পোৰাত পুৰিলে। গুৰুজনে খেদ কৰি 'গীত আৰু নকৰোঁ' বুলি মাধৱদেৱকে গীত ৰচিবলৈ ক'লে। "তেহে শ্ৰীমাধৱদেৱে গুৰুবাক্য ধৰি কৰিছে। আতৈ সৱৰ মুখত ৰোৱা আগে-গুৰি বিহা-গাৰি ক্ৰমে দি মাজত ছোট আতা গীত কৈলে নকুৰি-এঘাৰটা ৰবগীত, ছয় ৰসে চোৰ চাতুৰী।" বিহাগাৰি আৰু আগে-গুৰিয়ে গাৰিয়লি বিহাৰ ধুনীয়া কেঁচৰ দৰে গুৰুজনৰ গীত মুঠতে ৩৪টি ; ৰবগীতৰ পুথিৰ ১৯১-টি গীতৰ ১৫৭-টি গীতেই হ'ল মাধৱদেৱৰ ৰচনা। গীত-সমূহৰ 'ছয় ৰস' অৰ্থাৎ ছটি বিষয় হ'ল—লীলা, পৰমাৰ্থ, 'চোৰ', চাতুৰী, বিৰহ আৰু বিৰক্তি। লীলা হ'ল বিশেষকৈ শ্ৰীকৃষ্ণৰ বাল্য-লীলা, ভুটিমানতহে মাথোন ৰামচন্দ্ৰ অৱতাৰৰ কথা আছে। পৰমাৰ্থ হ'ল ভক্তি-তত্ত্ব বা আত্মতত্ত্ব ; এয়ে গীতখিনিৰ মূল লক্ষ্যৰ দৰে। শিশু শ্ৰীকৃষ্ণৰ 'চোৰ-চাতুৰী' অৰ্থাৎ মাখন চুৰ কৰা কাম আৰু গোপীসকলৰ লগত খেলা ধেমালিয়ে মাধৱদেৱক কবিৰূপে অশেষ আনন্দদায়ক অনুপ্ৰেৰণা যোগাইছে ; ভূষণ হেৰোৱা প্ৰসঙ্গত ৰাধাৰ লগত হোৱা 'প্ৰেম-চাতুৰী অনুৰাগো' ইয়াৰ অন্তৰ্গত। ভক্তিৰ আদৰ্শনীয়া-ব্ৰজ গোপীসকল 'প্ৰেম-চাতুৰী অনুৰাগো' ইয়াৰ অন্তৰ্গত। এই গোপীসকলৰ কৃষ্ণ-বিৰহৰ বৰ্ণনাও মৰ্ম্মস্পৰ্শী! 'কামিনী-কনক' আৰু 'ৰূপ-ৰস-পৰশ-শবদ-গন্ধে আকুল' মনক বিষয়ৰপৰা প্ৰত্যাহাৰ কৰি বৈৰাগ্যত লগাবৰ চেষ্টা ভক্তসকলৰ অন্তৰ আৰু বাহ্য সাধন। এই কেয়োটি বিষয় মাধৱদেৱৰ গীত-সমূহত মধুৰভাৱে বিকশিত হৈ উঠিছে।

ভটিমাখিনি মাধৱদেৱৰ অতি মধুৰ ভাবৰ উচ্চ শ্ৰেণীৰ ৰচনা। গুৰু-ভটিমাত শ্ৰীশঙ্কৰ-দেৱৰ মধুৰ মূৰ্ত্তি স্পষ্টভাৱে বিকশিত হৈছে। কৃষ্ণদেৱৰ গুণানুকীৰ্ত্তন কৰিয়েই প্ৰায়বিলাক ভটিমা লিখা হৈছিল।

'ভটিমা' শব্দটোৰ অৰ্থ, স্তুতি বা প্ৰশস্তি। ই ভাটৰ গীত। শ্ৰীশঙ্কৰদেৱৰ ৰচনাৰ অন্তৰ্গত তিনি শ্ৰেণীৰ ভটিমা দেখা পাওঁ—নাটকীয় ভটিমা, নাটকৰ বাহিৰৰ দেৱ-ভটিমা আৰু ৰাজ-ভটিমা। শ্ৰীমাধৱদেৱে ইয়াৰ লগত আৰু এক শ্ৰেণী যোগ দিয়ে—গুৰু-ভটিমা। ছন্দ আৰু শব্দ সংযোজনৰ চাতুৰ্য্য আৰু গাম্ভীৰ্য্য, অনুপ্ৰাসৰ ধ্বনি প্ৰতিধ্বনি ভটিমাসমূহৰ বিশিষ্ট লক্ষণ। ভটিমাৰ ভাষা ৰবগীতৰ মাধ্যমৰ দৰে ব্ৰজবুলি। শ্ৰীমাধৱদেৱৰ গুৰু-ভটিমাৰ মধুৰ ছন্দৰ যোগেদি যোৱা চাৰি পাঁচ শ বছৰ কাল ভক্ত-বৈষ্ণৱসকলে শ্ৰীশঙ্কৰ গুৰুৰ ৰূপ-গুণৰ মনোৰম ধ্যান কৰি আহিছে।

শ্ৰীশঙ্কৰদেৱৰ 'ধৰাৰ পো' আৰু 'প্ৰাণৰ বান্ধৱ মাধৱ'ৰ ৰচনাৱলী অসমীয়া সাহিত্যৰ কৰ্ণাৰতংস-স্বৰূপ। একে থুপতে ইয়াৰ প্ৰকাশ যে সৰ্ব্বজন সমাদৃত হ'ব, সন্দেহ নাই।

মহেশ্বৰ নেওগ

সম্পাদকৰ একাষাৰ

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ সকলোখিনি গ্ৰন্থ একেলগে ছপাই উলিয়াবৰ প্ৰয়াস এটি বহুত দিনৰপৰা আছিল। বহুত অসুবিধাৰ কাৰণে এই কাম পিছ পৰি গৈ আছিল। পৰমেশ্বৰৰ কৃপাত কিতাপখনি প্ৰকাশ কৰিব পৰা হলগৈ কিন্তু ইতিমধ্যে কাগজৰ দাম বেছি ৰকমে বঢ়াত আৰু সেই অনুপাতে অন্য খৰচো বাঢ়ি যোৱাত যেনে ৰকমে উলিয়াবৰ ইচ্ছা আছিল সেইমতে নহলগৈ।

শ্ৰীশ্ৰীমাধৱদেৱৰ গ্ৰন্থ-সমূহ অতি অনুপম। ঘোষাখনিৰ প্ৰতিটি কথাই অতি মধুৰ আৰু সকলো শাস্ত্ৰৰ তত্ত্ব-সন্বিহিত। ইয়াৰ প্ৰতি শাৰীয়ে শৰীৰত পুলক জগায়। বাকী কেইখনি গ্ৰন্থৰ ভক্তিমূলক তত্ত্বখিনিও অতি হৃদয়-ৰঞ্জক। গুৰুজনাৰ নাট-সমূহৰ ভাব অতি উচ্চ আৰু ভাষা শ্ৰুতিমধুৰ। ব্ৰজাৱলী ভাষাত লিখিলেও তাত বহুত ঘৰুৱা অসমীয়া শব্দ প্ৰযোজিত আছে; কিন্তু ভাৱতৰ প্ৰায় সকলো ঠাইতে এই ভাষা সকলোৱে বুজিব পৰা। ৰৱগীত আৰু ভটিমাখিনিৰো অপূৰ্ব্ব শক্তি আছে। ইয়াৰ সুৰ-সঞ্চাৰ ভাব-ভাষাই মানুহক ভক্তি-ৰসত বুৰাই আপ্লুত কৰি তোলে। এনেহেন অমৃতময় গ্ৰন্থ-সমূহ এইদৰে গোটাই প্ৰকাশ কৰি ৰাইজৰ আগলৈ উলিয়াব পাৰি আমি নিজকে ধন্য মানিছো।

আদি চৰিত, অমূল্যৰত্ন আৰু গুপ্তমণি নামৰ গুৰুজনৰ ভণিতা থকা তিনিখন গ্ৰন্থ ইয়াত দিয়া হোৱা নাই, কিয়নো পুথি কেখনৰ ভাব-ভাষালৈ চাই আৰু পণ্ডিতসকলৰ লগত আলাপ-আলোচনা কৰি ভণিতা থাকিলেও গ্ৰন্থ কেখনি মাধৱ-পুৰুষে লিখা নহয় বুলি আমাৰ দৃঢ় বিশ্বাস। এসময়ত অনেক লেখকে নিজৰ লিখিত পুথি চলিবৰ হকে আনৰ ভণিতা দিছিল বুলিও অনেক বিজ্ঞ লোকে কয়। এনেবিলাক কাৰণতে সেই কেখনি পুথি এই গ্ৰন্থাৱলীত দিয়া নহল।

বৈষ্ণৱ সাহিত্যৰ বিখ্যাত প্ৰকাশক শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱাদেৱে এই কিতাপখনি এইদৰে প্ৰকাশ কৰিবলৈ আমাক উৎসাহ উদগনি দি আছিল আৰু তেখেতে প্ৰকাশ কৰা জগতগুৰু শ্ৰীশ্ৰীশঙ্কৰদেৱৰ গ্ৰন্থ-সমূহৰ সংগ্ৰহক "শ্ৰীশঙ্কৰ-বাক্যামৃত" নাম দিয়াকে লক্ষ্য কৰি আমিও এইখনি "শ্ৰীশ্ৰীমাধৱদেৱৰ বাক্যামৃত" নামে প্ৰকাশ কৰিলো।

গ্রন্থখিনিৰ সম্পাদন আৰু মুদ্রণত জ্ঞানী-সকলে অনেক ভুল-ত্রুটি পাব পাৰে। অনুগ্রহ কৰি যদি সেইখিনি আমাক জনায়, আমি নথৈ উপকৃত হ'ম। দোষৰ ভাগ বাদ দি সুধী-সমাজে যেন কিতাপখনি চেনেহৰ চকুৰে চায়, তাৰ বাবে সকলোলৈকে বিনীত নিৱেদন জনালো। গুৰুজনৰ লিখনিৰ আগ-পাছ বঢ়া-টুটা আদিৰ যদি কিবা অপৰাধ হৈছে তাৰ বাবেও গুৰুজনাৰ ওচৰত নতজানু হৈ এইখিনিতে ক্ষমা প্ৰাৰ্থনা কৰিলো।

ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ ডাঙৰীয়াই অনুগ্রহ কৰি ভূমিকা এখনি দি আমাক উৎসাহিত কৰিছে। দুজনা গুৰুৰ গ্রন্থ-সমূহ অধ্যয়ন কৰি তেখেতে অনেক পাণ্ডিত্যপূর্ণ প্রবন্ধাদিৰে অসমীয়া ভাষাৰ সৌষ্ঠৱ বঢ়াইছে। দুজনা গুৰুৰ মহিমা-প্রচাৰৰ কাৰণে ভগৱন্তে তেখেতক শক্তিমন্ত কৰক, এয়ে ভগৱন্তৰ চৰণত প্রাৰ্থনা। ইতি।

বিনয়াৱনত—

শ্ৰীপূর্ণচন্দ্র গোস্বামী

গোলাঘাট

৮।১১।৫৮

সূচীপত্র

ভূমিকা	।০
সম্পাদকৰ একাষাৰ	॥৶০
ঘোষা	১
ভক্তি-ৰত্নাৱলী	৪২
জন্ম-ৰহস্য	১১০
ৰামায়ণ	১২৮
নাম-মালিকা	২১১
ৰাজসূয়	২৪৫
অর্জ্জুন-ভঞ্জন	২৯০
চোৰধৰা	২৯৮
ভূমি লেটোৱা	৩০২
পিম্পৰা গুচোৱা	৩০৫
ভোজন-ব্যৱহাৰ	৩০৮
ৰাস-ঝুমুৰা	৩১১
কোটোৰা খেলোৱা	৩১৩
ভূষণ হেৰোৱা	৩১৫
ৰৰগীত	৩১৮
ভটিমা	৩৫৪

——×——

শ্রীশ্রীমাধৱদেৱৰ বাক্যামৃত

ঘোষা

=ছবিছন্দ=

ভজন

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৱসময় মাগোহো ভকতি।
সমস্ত মস্তকমণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি॥ ১
যাৰ বাম কৃষ্ণ নাম নাৱে ভৱসিন্ধু তৰি
পাৱে পৱম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৱোহো হৃদয়ত॥ ২

নমস্কাৰ

মৎস্য কূর্ম্ম নৱসিংহ বামন পৱশুৰাম
হলিৰাম ৰঘুনাথ শ্রীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৱোহো প্রণাম॥ ৩

উপদেশ

একান্ত ভকত সৱে নিগুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৱো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত॥ ৪
অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাক
ব্যাপকত কিবা বিসর্জ্জন।
এতাৱন্ত মূর্ত্তি শূন্য কেন মতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥ ৫
কর্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি
অতিশয় দূৰ হোন্ত তাৰ, দূৰতো বিদূৰ হোন্ত তাৰ।
অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্রৱণ কীর্ত্তন ধর্ম্ম যাৰ॥ ৬
যিটো জনে শুদ্ধ ভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্রসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গায়া নাচে॥ ৭
সকল নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণ নাম চৈতন্য স্বৰূপ।
সুমধুৰ সুমঙ্গল শ্রদ্ধায়ে হেলায়ে লৈয়া
নৰ মাত্রে তৰে ভৱকূপ॥ ৮
যিটো জনে কৃষ্ণ কথা বিচাৱে সময় মনে
ধৈর্য্য ধৰি ক্ষণেক থাকয়।
যত তীর্থ স্নান দান দেৱ পিতৃ যজ্ঞ যাগ
যোগাদিৱো ফলক পাৱয়॥ ৯
যাৰ পুত্র সৱে ঐত হৰিত শৰণ লৈয়া
হৰি গুণ গাৱে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে॥ ১০
সেহি সে সকল শাস্ত্র পঢ়িলে শুনিলে সি সি
অনুষ্ঠান সমস্তে কৰিল।
নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাক সমুখ ভৈল
আশাক যিজনে পিঠি দিল॥ ১১
অপৱিত্র যিটো আতি পৱিত্র হোৱে বা যদি
সমস্ত অৱস্থা আছে পায়া।
কমললোচন যিটো সুমৰে তাৰে সে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া॥ ১২
সেহি সে চতুৰ সিটো পুণ্যৰ নিদান ভূত
নাৰায়ণ নামক সুমৰে।
অচতুৰ সি সি অতি পাপৰ নিদান ভূত
নামে অর্থবাদ যিটো কৰে॥ ১৩

মহেশে বোলন্ত মোব ৰকাৰাদি নাম শুনি
পৰম প্রসন্ন হোৱে মন।
শুনিয়ো পার্ব্বতী মই মনত শঙ্কবো ৰঙ্গে
ৰাম বুলিবেক ইটো জন ॥১৪
কর্ণপথে ভকতব হিয়াত প্রবেশি হবি
দুর্ব্বাসনা হবে সমস্তয়।
জলৰ যতেক মল যেহেন শৰতকালে
স্বভাৱত নির্ম্মল কৰয় ॥ ১৫
হয়া দেৱ দিগম্বব ভস্মে বিভূষিত অঙ্গ
শিৱত ধৰিয়া জঁটা ভাব।
মহেশো সেৱন্ত যাক হেন হবি বিনে আন
কোন শ্রেষ্ঠ দৈৱ আছে আব ॥ ১৬
ব্রহ্মা আদি দেৱগণে নিশ্চল সম্পত্তি মনে
লক্ষ্মীক সেৱন্ত তপ কবি।
লক্ষ্মীয়ো সেৱন্ত যাক হেন মহেশ্বব বিষ্ণু
আন কোন দেৱ তাক সাবি ॥ ১৭
সমস্ত বেদান্ত সাব শ্রীভাগৱত শাস্ত্র
ইহাব অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যি জনে তাব
অন্যত্র ৰসত ৰতি নাই ॥ ১৮
মহাভাগৱত ৰস মাধৱব নাম যশ
আক পান কৰিল যি জনে।
কৃষ্ণব চৰণে চিত্ত দিয়া মোক্ষ আদি ৰসে
ৰতি আন নকৰয় মনে ॥ ১৯
কৃষ্ণৰ নামক সদা কীর্ত্তন কৰয় যিটো
মনে দৃঢ় কৰিয়া নিশ্চয়।
নিষ্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয় ॥ ২০
চণ্ডাল পর্য্যন্ত কবি জগতব উপকাৰী
নাহি নাম গুণ বিনে আন।
সেহি সে কাৰণে হবি নিজ যশ প্রিয় ভৈল
ভগৱন্ত ভকতব প্রাণ ॥ ২১
যিহেতু চৈতন্যপূর্ণ পৰমাত্মা ৰূপে হবি
হৃদয়ত আছন্ত প্রকাশি।
তাতে সে ইন্দ্রিয়গণ ভূত প্রাণ বুদ্ধি মন
প্রৱর্ত্তে যতেক জড় ৰাশি ॥ ২২
ৰাম কৃষ্ণ হবি নাম সর্ব্ব ধর্ম্ম অনুপাম
সকল নিগম তত্ত্ব সাব, যাত পৰে ধর্ম্মে নাহি আব।
হেন নাম মুসুমবি কমন ভাৱসা কবি
ৰৈয়া আছা ভৱ তবিবাব ॥ ২৩
বিষ্ণু-পাদোদকী গঙ্গা মহেশে সহিতে ইটো
জগতকে পৱিত্র কৰয়।

হেন কৃষ্ণ বিনে কোন ভগৱন্ত হেন ইটো
শৱদব স্বৰূপ আছয় ॥ ২৪
পূণ্য অৰণ্যব মাজে মাধৱব নাম সিংহ
প্রকাশ কৰয় অতি বড়ে।
যাব ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলাই অতি ভ্রাসত লৱড়ে ॥ ২৫
আপুনি আপোন বন্ধু আপুনি আপোন শত্রু
আপুনি আপোন ৰাখে মাৰে।
হবিক নভজি নৰ আপুনি হোৱয় নষ্ট
হবি ভজি আপোনাক তাৰে ॥ ২৬
দুর্ল্লভ মনুষ্য জন্ম লভিয়া পশুব যোগ্য
বিষয়ব আশা পৱিহৰা।
সন্তব সঙ্গত বসি সুখে হবি গুণ গায়া
সন্তোষে অমৃত পান কৰা ॥ ২৭
বিষয় সমন্ধ সুখ সমস্ত যোনিত পায়
হবি সেৱা একো স্থানে নাই।
হবিব সেৱাব যোগ্য কেৱল মনুষ্য তনু
জানি ফুৰা হবি গুণ গাই ॥ ২৮
হবিনাম কীর্ত্তনত নাহি কাল দেশ পাত্র
নিয়ম সংযম একো বিধি।
হবিত শৱণ লৈয়া কেৱল হবিৰ নাম
কীর্ত্তন কৰন্তে হোৱে সিদ্ধি ॥ ২৯
মৃত্যুব মুখত পড়ি আছে যিটো সিটো নৰে
হবি গুণ কীর্ত্তন নকৰে।
মৃত্যু তবিবাৰ জানা নাহিকে উপায় আন
হবি নাম কীর্ত্তনত পৰে ॥ ৩০
মৃত্যু তবিবাব আন আছয় উপায় যত
বিঘিনি দূষিত নিৰন্তবে।
বিঘিনি ৰহিত যত মাধৱব গুণ কর্ম্ম
কীর্ত্তন কৰিয়া সুখে তবে ॥ ৩১
লুব্ধমতি মনুষ্যব হবি কীর্ত্তনত পৰে
নাহিকে ৰহস্য বিত্ত আৰ।
আন আশা পৱিহবি মাধৱক মনে ধৰি
হৰিৰ কীর্ত্তন কৰা সাৰ ॥ ৩২
শুনা পৰমার্থ তত্ত্ব শ্রীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।
হবিব কীর্ত্তন কবি সুখে সংসাৰক তবি
পাইবা ভক্তি পৰম নির্ম্মল ॥ ৩৩
শুনা সভাসদচয় নেড়িবা শাস্ত্রৰ নয়
হবি গুণ ভাগৱত সাৰ।
সাধু-সঙ্গ অনুসৰা শ্রৱণ কীর্ত্তন কৰা
পৱিহৰা পাষণ্ড আচাৰ ॥ ৩৪

বৈৰাগ্যত পৰে ভাগ্য নাহি প্রবোধত পৰে
সুখ আৰ নাহি পুৰুষব।
হবি বিনে পৱিত্রাণ কর্ত্তা আৰ নাহি জানা
বিপু নাহি সংসাৰত পৰ ॥ ৩৫
লক্ষ্মীপতি ভগৱন্ত যাহাৰ প্রসন্ন ভৈল
তাহাৰ দুর্ল্লভ কিছু নাই।
নাৰায়ণপৰ ভৈলে তথাপি কিঞ্চিতো আন
নবাঞ্ছয় সেৱা সুখ পাই ॥ ৩৬
কৃষ্ণব হৃদয় চাক লক্ষ্মীৰ নিবাস স্থান
মুখ নয়নব পান পাত্র।
দিকপাল সমস্তব আশ্রয় কৃষ্ণব বাহু
ভকতৰ পাদপদ্ম মাত্র ॥ ৩৭
পৰম ঈশ্বব দেৱ কৃষ্ণক নাপায় লাগ
তপ জপ যাগ যোগ দানে।
একান্ত ভক্তব পদ ৰেণু শুদ্ধচিত্তে মাথে
অভিষেক নকৰৱ মানে ॥ ৩৮
গ্রাম্য-কথা বিনাশন উত্তম শ্লোকৰ গুণ
প্রসৱয় সাধুৰ সঙ্গত।
তাক অনুদিনে যিটো সেৱে তাৰ সতী মতি
হোৱে বাসুদেৱ চৰণত ॥ ৩৯
সেহি সে দিনক ভাই দুর্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্নে নোহয় দুর্দ্দিন।
হবি কথা অমৃতব সম্যকে আলাপ ৰসে
যিটো দিন হোৱয় বিহীন ॥ ৪০
আত্মা ঈশ্বৰক লাগ প্রত্যক্ষে সততে পায়
নপায় জানা তাক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পায় জানা
কণ্ঠলগ্ন বস্তুক সাক্ষাত ॥৪১

নিন্দা

নাৰায়ণ হেন ইটো শৱদ আছন্ত মুখে
বশবর্ত্তী বচন আছয়।
তথাপি অদ্ভুত কিনো ঘোৰ নৰকত মজি
মলমতি মনুষ্য মৰয় ॥ ৪২
তর্কশাস্ত্র মহাব্যাঘ্রী তাহাৰ নিপুণ পতি
তাৰ শিষ্য ভৈল পুত্র প্রায়।
সংসাৰ বনত পশি পতি পুত্র সমন্বিতে
উপনিষৎ ধেনু ধৰি খায় ॥ ৪৩
সর্ব্ব শ্রুতি শিৰোৰত্ন ভাগৱত বন মাজে
হবি নাম সিংহ প্রকাশয়।
তাৰ মহাধ্বনি শুনি নিজ পৱিবাৰ সমে
তর্কব্যাঘ্র পলায় হুয়া ভয় ॥ ৪৪

স্মৰহু গোবিন্দ মূঢ় বোলহো গোবিন্দ মূঢ়
ভজহু গোবিন্দ সর্ব্বক্ষণে।
মৰণ সন্নিত পাইলে গোবিন্দে সে ৰাখিবন্ত
নৰাখিবে ডুকুঞ কৰণে ॥ ৪৫
ঈশ্বব কৃষ্ণক যিটো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ়মতি।
চৌৰাশী নৰক ভুঞ্জি পাপব যোনিত সিটো
অৱশ্য হৈবেক উতপতি ॥ ৪৬
মায়া আদি কবি যত সমস্ত জগত জড়
কৃষ্ণে সে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এড়ি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ ॥ ৪৭
তপ জপ তীর্থ ব্রত যাগ যোগ যজ্ঞ দান
কাকো মুসুমৰে মৃত্যু বেলা।
মৰন্তা জনক বেড়ি বোলে সবে ৰাম বোল
হেন নাম এতিক্ষণে হেলা ॥ ৪৮
পৰলোক সময়ব বান্ধৱ হবিৰ নাম
সৱ এড়ি যিহেতু মুসুমৰে।
এতিক্ষণে কি কাৰণে হেনয় হবিৰ নাম
মলমতি নৰে মুসুমৰে ॥ ৪৯
দুর্ঘোৰ সংসাৰ ইটো ব্যাধিৰ ঔষধ মহা
তেজি হবি নামক সম্প্রতি।
কমন উপায়ে আন পণ্ডিত সকলে আৰে
লভিবেক আপোন মুকুতি ॥ ৫০
লভিয়া মনুষ্য তনু যিসৱ পণ্ডিত নৰে
নসাধিলে গতি আপোনাৰ।
কোটি জনমক লাগি সংসাৰ সাগৰে মজি
ফুৰিবেক ভুঞ্জিয়া নিকাৰ ॥ ৫১
গোবিন্দক নাৰাধিয়া কোন কালে কদাচিত
সুখী হুয়া আছে কোন জন।
হেন শিক্ষা মনে ধৰি ডাউকে বোলয় সদা
কোবা কোবা কুবাক্য বচন ॥ ৫২
শঙ্কৰে সে শুদ্ধমত ঈশ্বব ভক্তিৰ তত্ত্ব
প্রচাৰিল শাস্ত্র সাৰ জানি।
ইহাক নজানি নৰে জীৱিকাৰ অর্থে ফুৰে
আপোনাৰ মহত্ত্ব বাখানি ॥ ৫৩
শঙ্কৰে সংশয় ছেদি শাস্ত্রৰ তত্ত্বক ভেদি
প্রচাৰিলা কৃষ্ণৰ ভকতি।
তাক এড়ি কি কাৰণে আনক বোলয় গুরু
কিনো লোক মহা মূঢ়মতি ॥ ৫৪
নাজানে শাস্ত্রৰ লয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।

গুৰু বোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয়॥ ৫৫
বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়॥
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নোহয়॥ ৫৬
আগম নিগম তৰ্ক পুৰাণ ভাৰত যত
ইতিহাস তন্ত্ৰ-মন্ত্ৰচয়।
হে হৰি তোমাতে সে খেলাৱে কেৱল বাদ
তোমাৰ তত্ত্বক নজানয়॥ ৫৭
ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈল যিটোজন।
যেন জীৰ্ণ গাই অতি দুৰ্গোৰ সংসাৰ মহা
পঙ্কে পড়ি হোৱয় মগন॥ ৫৮
হৰি নাম ধ্বজ কৰি বেদ পথ পৰিহৰি
ফুৰে অতি পাষণ্ড সকল।
ইহ পৰলোক ভ্ৰষ্ট হুয়া পেট পুষি মাত্ৰ
ফুৰিবেক পৰম নিষ্‌খল॥ ৫৯

প্ৰাৰ্থনা

তুমি চিত্তবৃত্তি মোৰ প্ৰবৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছাঁয়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত॥ ৬০
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লওঁ যিমতে সেৱাত ৰওঁ
দিয়ো মোক সেহি উপদেশ॥ ৬১
তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ॥ ২
তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰু ৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হোক॥ ৬৩
হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত স্থিতিক লভয়।
তোমাৰ কৃপাত তেবে সমস্তে সাধনা শ্ৰম
এড়াই সুখী হুইবোহো নিশ্চয়॥ ৬৪
হে প্ৰভু নৰহৰি তোমাৰ চৰণ দুইক
প্ৰেম ভাৱে স্মৰণ দুৰ্ল্লভ।
যথা• কথঞ্চিত কপে অহর্নিশে প্ৰভু মোৰ
সুমৰণে হওক সুলভ॥ ৬৫
হে প্ৰাণ বন্ধু কৃষ্ণ কৃপাৰ সাগৰ হৰি
কৃপাদৃষ্টি চাহিয়োক মোক।
সহজ বাসনাৰূপে শৰণ দিয়োক নাথ
মোৰ অহঙ্কাৰ দূৰ হোক॥ ৬৬
নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকী দয়াদ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ॥৬৭
ব্ৰহ্মা হৰ পুৰন্দৰ আদি দেৱ নিৰন্তৰ
যাত সদা পশয় শৰণে আৰ আন নাহি ত্ৰিভুবনে।
ভকত জনৰ বন্ধু কেৱলে কৰুণাসিন্ধু
মোৰ গতি তোমাৰ চৰণে॥ ৬৮
মায়াৰ নিগ্ৰহে মই পৰম আতুৰ ভৈলো
প্ৰাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰ নাহি আন গতি॥ ৬৯
হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যত
আছে পাপী তাৰ মই সীমা।
চৰণে থাপিয়ো মোক পতিত পাৱন নিজ
দেখায়োক নামৰ মহিমা॥ ৭০
তোমাত বিমুখ হৰি হৈবাৰ লাগিয়া মায়া
মোৰ মতি কৰিলে মোহিত।
এবে হৰি তযু পদে সেৱাত যিমতে ৰহো
হেন কৃপা কৰিতে উচিত॥ ৭১
নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াক নিৰ্যান।
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ॥ ৭২
তোমাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মুহি আছে আমাক সমূলি।
গুচায়োক মায়া স্বামী তোমাৰ চৰণে আমি
ভজিলোহো জয় জয় বুলি॥ ৭৩
মই অনাথক দয়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত, থৈয়ো নিজ ভৃত্যৰ সঙ্গত।
আঙ্গুলি মুখত কৰো দান্তে তৃণ তুলি ধৰো
কেশ ছিণ্ডি দিওঁ চৰণত॥ ৭৪
অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলো শৰণে, আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে॥ ৭৫

হে কৃষ্ণ হে বাসুদেৱ দৈৱকী নন্দন হৰি
নমো নন্দগোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ নমস্কাৰ॥ ৭৬
পদ্ম সম নাভি যাৰ প্ৰণামোহো বাৰম্বাৰ
নমো দিব্য পদ্মমালাধাৰী।
নমো পদ্মসম নেত্ৰ পদ যাৰ শতপত্ৰ
নমো ভকতৰ ভয়হাৰী॥ ৭৭
বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চাণুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন॥ ৭৮
মোৰ সম পাপীলোক নাহিকে ই তিনিলোকে
তুমি সম নাহি পাপহাৰী।
ই জানি গোবিন্দ মোক যেন জুৰাই কৰিয়োক
তযু পদে কৰোহো গোহাৰী॥ ৭৯
সহস্ৰ সহস্ৰ অতি অপৰাধ দিনে ৰাতি
কৰো মই মহামূঢ় জন।
আমি প্ৰভু তযু দাস আকে জানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন॥ ৮০
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মতো নিবৃত্তি নোহয়।
হৃদিস্থিত হুয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেনয়॥ ৮১
নজানোহো আৱাহন নজানোহো বিসৰ্জ্জন
পূজামন্ত্ৰ নজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস তৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত॥ ৮২

অনুনাথনা

তোমাৰে সে অবিদ্যাই আমাক মুহিলে হৰি
নজানোহো তোমাৰ তত্ত্বক।
তোমাৰ চৰণে হৰি শৰণ পশিয়া সাৰ
কৰিলোহো তোমাৰ নামক॥ ৮৩
হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৱৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত॥ ৮৪
তযু গুণ নাম হৰি কেৱল নিৰ্গুণ মাত্ৰ
আৱৰ সমস্তে গুণময়।
এতেকে জানিয়া হৰি তোমাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময়॥ ৮৫

মহিমা

কৃষ্ণ পদ পঙ্কজৰ সেৱাৰ মহিমা কথা
শুনি বড় আনন্দ মিলয়।
যাৰ ভকতৰ সঙ্গে সৰ্ব্ব পুৰুষাৰ্থ ৰঙ্গে
চৰি অতি কৌতুক কৰয়॥ ৮৬
যদি ভৱভয় সঙ্গ মনে ইচ্ছা কৰা ভাই
সাধুসঙ্গ সদা কৰা সাৰ।
একক্ষণ মান মাত্ৰ কেৱল সাধুৰ সঙ্গ
হোৱে নাৱ ভৱ তৰিবাৰ॥ ৮৭
হৰি কীৰ্ত্তনত মহা আনন্দ সুখক আশে
কতো কতো সব মহাজনে!
মুকুতি সুখকো তেজি মহন্ত জনৰ সঙ্গ
খোজে অতি কৃষ্ণৰ চৰণে॥ ৮৮
কিন্তু ইটো মহাধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
বেদে যাৰ নজানে মহিমা।
হৰিনাম কীৰ্ত্তনত মিলে মোক্ষ আদি যত
কীৰ্ত্তন সুখৰ নাহি সীমা॥ ৮৯
মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকে সে মুকুতিকো ত্যজি হৰিগুণ গায়া
ফুৰে মহা মহন্ত সকল॥ ৯০
পৰম নিপুণ সৰো বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰি পদ-পঙ্কজে ভজিয়া।
হৰি কীৰ্ত্তনৰ মহা নির্ভয় আনন্দে মজি
থাকে সুখে মুকুতি তেজিয়া॥ ৯১
গোবিন্দৰ নাম গুণ কীৰ্ত্তন কৰন্তে জানা
কিঞ্চিতেকো নাহিকে প্ৰয়াস।
গুণলুব্ধ প্ৰভু হৰি কীৰ্ত্তন কৰন্তে আসি
হৃদয়ত হোৱন্ত প্ৰকাশ॥ ৯২
যিসৱ চতুৰ নৰে মাধৱৰ নাম গুণ
কীৰ্ত্তন কৰন্ত সাৱধানে।
দেৱৰ দেৱতা হৰি তাহাৰ হৃদয় এড়ি
যাইবাক নাপাৱে আন স্থানে॥ ৯৩
যিটো দেৱ ভগৱন্ত বেদে যাক নজানন্ত
তেন্তে নিজ কীৰ্ত্তনত বশ্য।
জানি মাধৱৰ নাম কীৰ্ত্তন কৰিয়ো সদা
ইটো সৱে শাস্ত্ৰৰ ৰহস্য॥ ৯৪
হৰি ভক্তি সৰোবৰে সন্তোষ অমৃত জলে
কৃষ্ণ পাদপদ্ম প্ৰকাশয়।
ৰাম নাম ৰাজহংস ছানিয়া আৰাৱ কৰে
শুনি অতি কৌতুক মিলয়॥ ৯৫

সমস্তে তীর্থত স্নান কৰিলেক সর্ব্ব যজ্ঞে
দীক্ষিত ভৈলেক সিটো জন।
সমস্ত দানৰ ফল সি সি জনে পাইল অতি
যিটো কৰে হৰিৰ কীর্ত্তন ॥ ৯৬
মাধৱে বোলন্ত মোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সদায়ে সুমৰে যিটো জনে।
জল হন্তে যেন পদ্ম নৰকৰ পৰা তাক
আপুনি উদ্ধাৰো ৰঙ্গ মনে ॥ ৯৭
যদ্যপি দুর্জ্জন কলি হৰিৰ ভকতি পথ
কৰিলেক বিৰল প্রচাৰ।
একান্ত শৰণে যিটো শ্রৱণ কীর্ত্তন কৰে
ওচৰো নচাপে কলি তাৰ ॥ ৯৮
পৰম পুৰুষ হৰি পৰম কাৰণ প্রভু
পৰম ঈশ্বৰ ভগৱন্ত।
সদানন্দ সদাশিৱ সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত ॥ ৯৯

আত্ম উপদেশ

হে জিহ্বা সদা তোৰ মধুৰে সে মাত্র প্রিয়
জান তই বসৰ সাৰক।
আন তেজি নিৱন্তৰে কৰিয়োক মাত্র পান
নাৰায়ণ নাম অমৃতক ॥ ১০০
হে জিহ্বা সদা তই আমাত নির্দ্দয়া ভৈলি
কেনে নোবোলস ৰাম বাণী।
সংসাৰ সাগৰ ইটো হৰি সে সুদৃঢ় নাৱ
জানি হৰি বুলিয়ো কল্যাণি ॥ ১০১
হে কর্ণ সদা তোৰ শব্দে সে মাত্র প্রিয়
তই শব্দ মধুৰ জানস।
কোটি অমৃততোধিক পৰম মধুৰ শব্দ
শুন সদা কৃষ্ণ নাম যশ ॥ ১০২
হে মন তোৰ কাম সঙ্কল্প বিকল্প ধর্ম্ম
তেজি মিছা কামনা সকল।
সদায় সঙ্কল্প মাত্র কৰিয়ো সুহৃদ মন
কৃষ্ণ নাম পৰম মঙ্গল ॥ ১০৩
শুনিয়ো হৃদয় হেৰ ব্রহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোৰয়।
তাক তেজি কৃষ্ণ নাম অক্ষয় অমৃত পিয়া
সন্তোষক লভিয়ো হৃদয় ॥ ১০৪
শুনিয়োক বুদ্ধি তোৰ কেৱল নিশ্চয় ধর্ম্ম
তেজি সবে বিনাশী বিষয়।
সদা শুদ্ধ সুমঙ্গল অক্ষয় কৃষ্ণৰ নাম
তাকে মাত্র কৰিয়ো নিশ্চয় ॥ ১০৫
শুন হেৰ অহঙ্কাৰ নিচিন্ত আপোন মাৰ
মিছা অহন্মমক তেজিয়ো।
পৰম ঈশ্বৰ কৃষ্ণ হুয়োক তাহান দাস
সাধু সঙ্গে কৃষ্ণক ভজিয়ো ॥ ১০৬
শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তই শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নছাড়িয়ো তাহান আশ্রয় ॥ ১০৭
কৃষ্ণ নিজ ইষ্টদেৱ আত্মা প্রিয়তম গুৰু
সুহৃদ সোদৰ বন্ধুজন।
কৃষ্ণে মোৰ মতি গতি কৃষ্ণত ভকতি ৰতি
কৃষ্ণ পাৱে নিমজ্জোক মন ॥ ১০৮

আত্ম নিন্দা

সান্ত চিদানন্দ শুদ্ধ অনন্ত মহিমা নিত্য
নির্ম্মল তৰঙ্গচয় হীন।
হেনয় পৰমানন্দ অমৃত সাগৰে মজি
আছন্ত নকৰে বুদ্ধি ক্ষীণ ॥ ১০৯
হে হৰি সাৰ শূন্য মৃগতৃষ্ণার্ণৱ জলে
শ্রান্ত হুয়া মহা মোহ পাওঁ।
স্নান পান আচমন কৰোহোঁ ৰমণ তাত
কতোহো ওপঙো তল যাওঁ ॥ ১১০

বস্তু প্রকাশ

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল ॥ ১১১
হৰিনাম প্রেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সর্ব্বজনে ॥ ১১২
হৰি নাম গুপ্ত ভৈল মনুষ্যত পূজা ৰৈল
বুলি ৰঙ্গ কৰে দেৱ সর্ব্ব।
হেন হৰি নাম ধর্ম্ম শঙ্কৰে বিদিত কৰি
চূৰ কৈলা দেৱতাৰ গর্ব্ব ॥ ১১৩

প্রশংসা

বেদৰ বিহিত যত আছে ধর্ম্ম সংসাৰত
সৰে হৰি নামৰ কিঙ্কৰ।
হেন জানি যিটো জনে নামৰ কীর্ত্তন কৰে
সেহি সে পৰম সাধু নৰ ॥ ১১৪

অনুধিতা

হৰিৰ গৃহৰ দ্বাৰে বেত্রৰ প্রহাৰ যোগ্য
ব্রহ্মা ইন্দ্র আদি দেৱ জাক।
হেনয় দ্বাৰত বেত্র প্রহাৰ পাইবাৰ যোগ্য
হওঁ আমি কমন বৰাক ॥ ১১৫

নাম

অচ্যুত কেশৱ বিষ্ণু হৰি সত্য জনার্দ্দন
হংস নাৰায়ণ অষ্ট নাম।
পৰম মঙ্গল রূপ যিটো অহর্নিশে লৱে
তাৰ পূর্ণ হোৱে মনস্কাম ॥ ১১৬

পৰমার্থ

মাধৱ মাধৱ নাম বচনত উচ্চাৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৱন্তৰে সাধু সবে মাধৱ মাধৱ নাম
উচ্চাৰয় সমস্ত কার্য্যত ॥ ১১৭
পৰম মঙ্গল রূপ মাধৱ মাধৱ নাম
যিটো মহাজনে উচ্চাৰয়।
তাৰ অমঙ্গল রূপ গুচয় সংসাৰ ভয়
মাধৱৰ নিকট পাৱয় ॥ ১১৮
দুস্বপ্ন নাশন ইটো মাধৱ মাধৱ নাম
দুষ্ট গ্রহ ভয় বিনাশন।
পৰম সম্পদ রূপ জানি মাধৱৰ নাম
সর্ব্বদায়ে কৰিয়ো কীর্ত্তন ॥ ১১৯
মাধৱে সে আত্মা নিজ মাধৱে সে ইষ্টগুৰু
মাধৱে সে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ ইসে শ্রেষ্ঠ ধর্ম্ম ॥ ১২০
পৰম চতুৰ সি সি বুদ্ধিত কুশল আতি
যিটো মাধৱৰ গুণ গাৱে।
মিছা কলেৱৰ গোট মুকুতি বাণিজ্য কৰি
ভৱ তৰি মাধৱক পাৱে ॥ ১২১
যি জনে একান্ত চিত্তে মাধৱক ভজি নিতে
ফুৰে মাধৱৰ গুণ গাই।
দুর্ল্লভ অমৃত যেন যি জনে কৰিলে পান
মধুৰ পিবাক আৰ নাই ॥ ১২২
ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।
নিচিন্তি আপোন মাৰ সুখে আপোনাক তাৰ
হৈয়ো ভাই পৰম নিপুণ ॥ ১২৩

সাৰ নির্ণয়

ভগৱন্ত ঈশ্বৰৰ গুণ সমুহক যিটো
শুনিতে উত্তম কৰে নৰ ॥
তেখনৰে পৰা সিটো জানিবা নিশ্চয় কৰি
ভৈল অতি শুদ্ধ নির্ম্মৎসৰ ॥ ১২৪
ঈশ্বৰ কৃষ্ণে সে নিষ্ঠ পৰম আৰাধ্য দেৱ
মোৰ তান নামে নিজ গতি।
হেনয় নিশ্চয় যিটো কৰিলেক নিতে আতি
সি সি জন পৰম প্রকৃতি ॥ ১২৫
সংসাৰৰ ইন্দ্র কৃষ্ণ তাহান নামক যিটো
অজ্ঞানতো চণ্ডালে লৱয়।
হেন সে পৱিত্র সিটো জানিবা যজ্ঞত আনি
পাত্র পাতিবাৰ যোগ্য হয় ॥ ১২৬
ৰাম ৰাম ৰাম ধ্বণী পৰম মঙ্গল রূপ
যাৰ মুখে প্রকাশ কৰয়।
চিৰকাল মহাতীর্থ কৰিয়া পৱিত্র হুয়া
তাক কদাচিতো তুল্য নয় ॥ ১২৭
জগত আশ্রয় কৃষ্ণ তাহান অব্যয় স্থান
তাক প্রতি আছে যেবে মন।
ভগৱন্ত ঈশ্বৰৰ চৰণ পঙ্কজে সদা
হুয়ো তেবে একান্ত শৰণ ॥ ১২৮
পৰম নির্ম্মল ধর্ম্ম হৰি নাম কীর্ত্তনত
সমস্ত প্রাণীৰ অধিকাৰ।
এতেকে সে হৰিনাম সমস্ত ধর্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্রৰ বিচাৰ ॥ ১২৯
বর্ণাশ্রম ধর্ম্ম যত যাৰ যেন বিধি আছে
তাৰে সে কেৱলে অবিকাৰ।
হৰিনাম কীর্ত্তনৰ নাহিকে নিয়ম একো
এতেকে সে ধর্ম্ম মাজে সাৰ ॥ ১৩০

হৰবাৰ

অধমে কেৱলে দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ ॥ ১৩১
দোষৰ সাগৰ কলি তাকে পৰীক্ষিত ৰাজা
গুণ দেখি কৰিলা ৰক্ষণ।
মহাপাপী অন্ত্যজাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীর্ত্তন ॥ ১৩২
অবিদ্যা জনিত সুখে সত্যলোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।

কেৱলে চিদাঙ্গ শুদ্ধি কৰণে সে মাত্ৰ জানা
পুৰুষার্থ মুমুক্ষু জনৰ ॥ ১৩৩
বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হয়া
কৰিল আপোন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকল জগত ইটো
পুৰুষার্থ জানিবা জ্ঞানীৰ ॥ ১৩৪
সমস্ত সুখক তেজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকত সবৰ এহি পুৰুষার্থ মনোনীত
আনো সুখ অধিকে পায় ॥ ১৩৫
মুমুক্ষু জনৰ যেবে অবিদ্যা জনিত সুখে
বিৰকতি ভৈল আতিশয়।
কেৱল আত্মাত মাত্ৰ সদায়ে ৰমণ কৰে
তেবে বিধি কিঙ্কৰ গুছয় ॥ ১৩৬
জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেবে ॥
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুছে তেবে ॥ ১৩৭
পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন ॥
শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন ॥ ১৩৮
ভাৰত ৰত্নৰ দ্বীপ মনুষ্য শৰীৰ নৌকা
ৰাম নাম মহাৰত্ন সাৰ।
হেনয় বাণিজ্য পাই যিটো জনে নকৰয়
তাত পৰে দুখী নাহি আৰ ॥ ১৩৯

নামান্বয়

কৃষ্ হেন শব্দ ইটো পৃথিবী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয় ॥ ১৪০
ঈশ্বৰৰ পদ সেৱা কৰন্তে জীৱৰ যত
কৃষতা গুচয় নিৰন্তৰ।
এহি হেতুতেসে জানা ঈশ্বৰক বুলি কৃষ্ণ
প্ৰসিদ্ধ অন্বয় মনোহৰ ॥ ১৪১
নিৰন্তৰে নিজানন্দ সুখ পৰিপূৰ্ণ ৰূপ
অখণ্ড আনন্দ সুগুচয়।
এতেকে সে সদানন্দ নিত্যানন্দ নাম ইটো
ঈশ্বৰক বোলয় নিশ্চয় ॥ ১৪২
ক ঈ শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ
প্ৰতি প্ৰতি তিনিৰো অন্বয়।
ৰ পদে নাৰায়ণে তিনিকো আছয় ছান্দি
এহি হেতু কেশৱ বোলয় ॥ ১৪৩
ঈশ্বৰ কৃষ্ণৰ পদ সেৱন্তে জীৱৰ চ্যুতি
গুচয় সংসাৰ অদভুত।
এহি হেতুতেসে জানা যতেক মহন্ত সৱে
ঈশ্বৰক বোলয় অচ্যুত ॥ ১৪৪
ঈশ্বৰ কৃষ্ণৰ পদ ভজিয়া অধম সবো
আতিশয় হোৱয় উত্তম।
এহি হেতুতেসে জানা লোকত প্ৰসিদ্ধ ভৈল
ঈশ্বৰৰ নাম নৰোত্তম ॥ ১৪৫
ঈশ্বৰক জানি নৱে ভজিয়া মায়াক তৱে
সিংহ যেন ভ্ৰময় নিৰ্ভয়।
এতেকে সে ঈশ্বৰৰ নাম নৰসিংহ ভৈল
মহাজন সকলে কহয় ॥ ১৪৬
ঈশ্বৰৰ পাদপদ্ম ভজি শুদ্ধ চিত্ত হয়া
অধমো তেজয় বাগানয়।
এহি হেতুতেসে থাকি নিৰন্তৰে মহাজনে
ঈশ্বৰক বামন বোলয় ॥ ১৪৭
মোক্ষ আদি কৰি সুখে ঈশ্বৰ সেৱাৰ জানা
অণু একো নুহি সমসৰ।
এহি হেতু মহাজনে জানিবা পৰমানন্দ
নাম ধৰি আছন্ত ঈশ্বৰ ॥ ১৪৮
যিহেতু কৃষ্ণে সে আত্মা এতেকে সে জীৱ ৰাশি
নিৰন্তৰে আনন্দ লভয়।
এহি হেতু সৰ্ব্বানন্দ নাম ধৰি আছা হৰি
মহাজনে জানিবা নিশ্চয় ॥ ১৪৯
যি কাৰণে নাৰায়ণে পঞ্চভূতে পঞ্চবৰ্ণ
মালা পিন্ধি প্ৰকাশ কৰন্ত।
এহি হেতু নিৰন্তৰে জানিবাহা বনমালী
নাম ধৰি আছা ভগৱন্ত ॥ ১৫০
ঈশ্বৰ সেৱাৰ সুখ লভিয়া ইন্দ্ৰিয় জন্য
সুখ জীৱে অধস্কৃত কৰে।
এহি কাৰণত সবে জানিবাহা অধোক্ষজ
নাম ধৰি আছা দামোদৰে ॥ ১৫১
চৈতন্যত কৰি পৰ মায়াত উপজি যত
আছে তাক ৰমাৱন্ত হৰি।
এহিসে কাৰণে জানা পৰম ঈশ্বৰ প্ৰভু
পৰ্ণ্ডৰাম নাম আছা ধৰি ॥ ১৫২
চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম্ম অনুৰূপে।
এতেকে সে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আৰু জানিবা স্বৰূপে ॥ ১৫৩

অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগী জনে সদায়ে ৰময়।
এহি হেতু ৰাম পদে পৰম ব্ৰহ্ম স্বৰূপত
কহে ৰাম নামৰ অন্বয় ॥ ১৫৪

ভক্তৰ তত্ত্ব

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা ইহাক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয় ॥ ১৫৫

গীতাৰ সাৰ নিৰ্ণয়

ভগৱন্ত ভক্তি যুক্ত পুৰুষৰ আত্ম বোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত সুখে গুছয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয় ॥ ১৫৬

দুলড়ী-ছন্দ

নামান্বয়

স্মৰণ মাত্ৰকে যিহেতু দুৰ্যোৰ
সংসাৰ দুঃখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত ॥ ১৫৭
আত্মা ৰূপে জানা ইটো জগতত
আছন্ত হুয়া প্ৰবেশ।
এহি হেতুতেসে ঈশ্বৰক বিষ্ণু
বুলিয়া নাম বিশেষ ॥ ১৫৮
ইন্দ্ৰিয় বৰ্গত যিহেতু ঈশ্বৰ
আছন্ত হুয়া প্ৰবেশ।
এতেকে মহন্ত সকলে বোলয়
ঈশ্বৰক হৃষীকেশ ॥ ১৫৯
অন্তৰ্য্যামী ৰূপে যিহেতু ঈশ্বৰ
সুখ দুখ ভুঞ্জাৱন্ত।
এতেকে সে পৰ- মাত্মা নাম ধৰি
আছা প্ৰভু ভগৱন্ত ॥ ১৬০
পৰম ঈশ্বৰ স্বৰূপে জীৱৰ
আছন্ত হুয়া আশ্ৰয়।
এতেকে সে তাক বুলি নাৰায়ণ
নামৰ দিব্য অন্বয় ॥ ১৬১
অহঙ্কাৰ আদি একোৱে উপাধি
কৰিতে নপাৰে ছন্ন।
এহিসে কাৰণে মহন্ত সকলে
বোলে তাক নিৰঞ্জন ॥ ১৬২
সত্ত্ব-ৰজ-তম তিনি গুণ বৃত্তি
লুপ্ত তাক নকৰয়।
সেহিসে কাৰণে বেদ শাস্ত্ৰগণে
বোলে তাক নিৰাময় ॥ ১৬৩
যতেক প্ৰকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি ॥ ১৬৪
মা পদে লক্ষ্মী দেৱীক বোলয়
তাহান স্বামী ঈশ্বৰ।
এতেকে সে তাক বোলয় মাধৱ
মহাজনে নিৰন্তৰ ॥ ১৬৫
জনা পদে মায়া দেৱীক বোলয়
ভক্তৰ মায়া মৰ্দ্দন্ত।
এহি হেতুতেসে জনার্দ্দন নাম
ধৰি আছা ভগৱন্ত ॥ ১৬৬
মধুমতী মায়া উন্মত্ত কৰায়া
আছে যত জীৱগণ।
ভক্তৰ মায়াক পীড়ন নিমিত্তে
বোলয় মধুসূদন ॥ ১৬৭
গো পদে বেদ ইন্দ্ৰিয়ক বুলি
কৰন্ত তাক পালন।
এতেকে সে তাক বোলয় গোপাল
জানিবাহা মহাজন ॥ ১৬৮
ইন্দ্ৰ আদি দেৱে গোৰ ইন্দ্ৰ পাতি
কৰিলন্ত অভিষেক।
পৰম প্ৰসিদ্ধ গোবিন্দ নামক
ধৰিলা হৰি প্ৰত্যেক ॥ ১৬৯
দেশে কালে তাক একোৱে প্ৰকাৰে
কৰিতে নপাৰে অন্ত।
এহি হেতুতেসে ঈশ্বৰৰ নাম
প্ৰসিদ্ধ ভৈল অনন্ত ॥ ১৭০
যত বেদবাদী বেদক বিচাৰি
কৰিতে নপাৰে আদি।
এতেকে সে তান পৰম প্ৰখ্যাত
হুয়াছে নাম অনাদি ॥ ১৭১
অধম পুৰুষো হোৱয় উত্তম
ভজিয়া যাৰ চৰণে।
পুৰুষোত্তম নামক ধৰিয়া
আছন্ত এহি কাৰণে ॥ ১৭২
ক্ষৰ পদে ইটো দেহক বোলয়
অক্ষৰ শবদে ব্ৰহ্ম।

দুইত কবি হবি উত্তম নিমিত্তে
প্রখ্যাত পুৰুষোত্তম ॥ ১৭৩
কৰ্ম্ম অনুসাৰে ইটো জগতক
পালন্ত হবি সাক্ষাত।
এহি হেতুতেসে জগন্নাথ নাম
আছন্ত হয়া প্রখ্যাত ॥ ১৭৪
প্রকৃতি পুৰুষ দুইতো কবি পৰ
দুহানো নিজ কাৰণ।
পৰম ঈশ্বৰ নামক ধৰিয়া
আছা তাতে নাৰায়ণ ॥ ১৭৫
ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্রম।
ব্রহ্মপদে শুদ্ধ জীৱক বুলিয়া
ঈশ্বৰক পৰম্ ব্রহ্ম ॥ ১৭৬
অন্তর্য্যামী ৰূপে জীৱ আদি কবি
নিয়মন্ত সমস্তক।
এহি হেতুতেসে পৰমাত্মা পদে
বুলি জানা ঈশ্বৰক ॥ ১৭৭
ব্রহ্ম পৰমাত্মা কৰিয়া যিহেতু
ঐশ্বর্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্ত সকলে
বোলে তাক ভগৱন্ত ॥ ১৭৮
নিজ ভক্ত পদে গৰুড়ক ধ্বজ
কৰিলা হবি যিহেতু।
সেহি সে কাৰণে মহন্তে হবিক
বোলয় গৰুড়কেতু ॥ ১৭৯
কাল মায়া আদি যাহাৰ মনক
কৰিতে নপাৰে কুণ্ঠ।
এহি সে কাৰণে ঈশ্বৰৰ নাম
প্রসিদ্ধ ভৈল বৈকুণ্ঠ ॥ ১৮০
জগতত কবি আছন্ত নিবাস
জগতে তাতে ৰময়।
এতেকে সে তাক বুলি বাসুদেৱ
নামৰ ইটো অন্বয় ॥ ১৮১
সদানন্দ আত্মা চৈতন্য অনন্তে
যিহেতু যোগী ৰময়।
এতেকে সে ৰাম পদে পৰমব্রহ্ম
ৰূপক বুলি নিশ্চয় ॥ ১৮২
চৈতন্য স্বৰূপে যিহেতু সদায়
ৰমাৱন্ত জগতক।
এতেকে সে ৰাম সুমধুৰ পদে
বুলি জানা ঈশ্বৰক ॥ ১৮৩

শৰণ

হৰি পদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৱে।
তাৰত মায়াক নকৰে ৰহিত
শৰণ নলয়ে যাৱে ॥ ১৮৪
মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হবি লৈয়ো দাস কবি
পশিলো হেৰা শৰণ ॥ ১৮৫
হে কৃষ্ণ স্বামী তযু পাৱে আমি
কেৱলে শৰণ চাওঁ।
কৰা অনুগ্রহ মায়াৰ নিগ্রহ
তেৰেসে প্রভু এড়াওঁ ॥ ১৮৬
হে যদুপতি মই মূঢ়মতি
নাজানো সেৱা তোমাৰ ॥
কেৱলে তোমাৰ চৰণ পঙ্কজে
শৰণ কৰিলো সাৰ ॥ ১৮৭
পুৰুষ উত্তম পৰম পুৰুষ
পৰম আনন্দ স্বামী।
তযু পাদপদ্ম মকৰন্দ আশে
শৰণ পশিলো আমি ॥ ১৮৮
প্রভু ভগৱন্ত অনন্ত ঈশ্বৰ
প্রপন্ন জন তাৰণ।
তুমি প্রিয়তম পৰম দেৱতা
জানিয়া লৈলো শৰণ ॥ ১৮৯

ভজন

জয় জয় জয় কৃষ্ণ কৃপাময়
ভজিলো তোমাৰ পাৱে।
তোমাৰ চৰণ পঙ্কজত মন
মজোক মোৰ স্বভাৱে ॥ ১৯০
জয় জয় ৰাম জগত কাৰণ
জগত জীৱন স্বামী।
পৰম দে তা জানিয়া তোমাৰ
চৰণে ভজিলো আমি ॥ ১৯১
অনাদি অনন্ত হে ভগৱন্ত
ভজো কবি প্রণিপাত।
মুকুতি ৰসকো তেজি মহাজনে
শৰণ লয়ে তোমাত ॥ ১৯২

নমস্কাৰ

নমো কৃষ্ণদেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয়।

পতিত পাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্রয় ॥ ১৯৩
নমো হবিপদ পঙ্কজ যুগল
বিমল সুখ সাগৰ।
অনাদি অনন্ত সন্ত সদাশিৱ
ভগৱন্ত ভয় হৰ ॥ ১৯৪
মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ।
যি গুৰু জনত ইসৱ নাথাকে
প্রণামো তাহান পাৱ ॥ ১৯৫
জয় যদুপতি গোপাল গোবিন্দ
যাদৱ মাধৱ ৰাম।
ভকতৰ ধন জীৱৰ জীৱন
কৰোহো পাৱে প্রণাম ॥ ১৯৬
নমো নিত্যানন্দ জগত কাৰণ
বাসুদেৱ ভগৱন্ত।
নিত্য শুদ্ধ বুদ্ধ কাম অনিৰুদ্ধ
পুৰুষ প্রভু অনন্ত ॥ ১৯৭
ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন দেৱ।
তুমি সি পৰম গুৰু নাৰায়ণ
তুৰা পাৱে কৰো সেৱ ॥ ১৯৮

উপদেশ

ৰাম কৃষ্ণ নাম ধর্ম্ম অনুপাম
হৃদয়ে যিটো সুমৰে।
যত মহাপাপ নাম অপৰাধ
সবে মষিমূৰ কৰে ॥ ১৯৯
ঘোৰ সংসাৰৰ ঔষধ হৰিৰ
নামক তেজি সম্প্রতি।
আৱৰ কমন উপায়ে পণ্ডিতে
লভিবে আপোন গতি ॥ ২০০
মোৰ ভক্তিযুক্ত যোগীৰো জানিবা
মোতে সে চিত্ত যাহাৰ।
জ্ঞান কর্ম্ম বিনে কেৱল ভক্তিত
পাৱয় সংসাৰ পাৰ ॥ ২০১
কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৱে।
জ্ঞানকর্ম্ম তাৱে তাৰিতে নপাৰে
ভকতি নপাৱে যাৱে ॥ ২০২
দুষ্ট কলিসর্পে সবাকো দংশিল
হৰাইল চেতন জ্ঞান।
ইহাৰ ঔষধ সুধা ৰাম নাম
বিনে নাহি নাহি আন ॥ ২০৩
সকল পুণ্যৰ অবিনাশী ফল
হৰি গুণ নাম সাৰ।
হৰিক সন্তোষ কৰাইবাৰ হেতু
নাম বিনে নাহি আৰ ॥ ২০৪
বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অবসানে।
হৰিকে সে মাত্র কহয় নিশ্চয়
জানা তত্ত্ব এহি মানে ॥ ২০৫
সত্য অসত্যৰ জড় চৈতন্যৰ
মাজত যিটো প্রকাশে।
তাকে বুলি মন সেহি সিটো পাৱে
যি জনে যাক উপাসে ॥ ২০৬
মায়া আদি কবি সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।
হৰি মাত্র সত্য চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নির্ণয় ॥ ২০৭
বাসুদেৱ বাসু- দেৱ বাসুদেৱ
বুলিয়া যিটো সুমৰে।
সিটো পুৰুষৰ জানা যম-ৰাজা
লিখন মার্জ্জন কৰে ॥ ২০৮
দিব্য সহস্রেক নাম তিনিবাৰ
পঢ়ি পাৱে যিটো ফল।
একবাৰ কৃষ্ণ নাম উচ্চাৰিলে
পাৱয় তাক সকল ॥ ২০৯
যতেক অনর্থ আছে সংসাৰত
তাতে তিনি বিধ সাৰ।
কাম ক্রোধ লোভ আপোন নাশন
জানি কৰা পৰিহাৰ ॥ ২১০
আত্মা নাশ হেতু কাম ক্রোধ লোভ
নৰকৰ তিনি দ্বাৰ।
জানি আক তেজি কেৱল কৃষ্ণৰ
ভকতিক কৰা সাৰ ॥ ২১১
কাম ক্রোধ লোভ তেজি যিটো জনে
ভজয় কৃষ্ণৰ পাৱে।
কৃষ্ণৰ কৃপাত হোৱয় কৃতার্থ
সুখে মুকুতিক পাৱে ॥ ২১২
কৃষ্ণকে সে মাত্র ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি- ক্রমি ব্রহ্মৰূপ
পাৱে, সিটো মহামতি ॥ ২১৩

তিনি গুণময় যত জ্ঞান কৰ্ম্ম
কেৱল বন্ধ কাৰণ।
জানি তাক তেজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ ॥ ২১৪
ৰজো গুণ তমো- গুণময় বৃত্তি
কেবল আসুৰি ভাৱ।
শুদ্ধ সত্ত্ব বৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ পাৱ ॥২১৫
মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক জিনিয়ো ভাই।
মায়াক তৰিয়া হৰিক পাইবাৰ
উপায় আৱৰ নাই ॥ ২১৬
হৰি গুণ নাম শ্ৰৱণ কীৰ্ত্তনে
ভজিয়ো হৰি চৰণ।
মনুষ্য হুইবাৰ এহি মানে মাত্ৰ
জানা নিজ প্ৰয়োজন ॥ ২১৭
যাহাৰ জিহ্বাত থাকয় সতত
হৰিৰ নাম মঙ্গল।
সেহি সে মহন্ত তাহাৰে সে মাত্ৰ
সিজয় ধৰ্ম্ম সকল ॥ ২১৮
সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিয়া
নেড়য় নাম মুখত।
সিটো মহাজনে অপ্ৰয়াসে তৰে
সংসাৰ ঘোৰ দুখত ॥ ২১৯
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।
শাস্ত্ৰ আচাৰ্য্যক উপাসা কৰিয়া
বাসনা কৰা বিনাশ ॥ ২২০
হৰিৰ কীৰ্ত্তন যিজনে নকৰে
তাত পৰে নাহি দুখী।
হৰি গুণ নাম সন্তোষ অমৃত
পিয়ে যিটো সিটো সুখী ॥ ২২১
হৰি সে চৈতন্য আত্মা জ্ঞানময়
আৱৰ সমস্তে জড়।
বেদ বেদান্তৰ সমস্ত শাস্ত্ৰৰ
এহি সে বিচাৰ বড় ॥ ২২২
দেৱৰো দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতি সে কৰে বশ্য।
আগম নিগম গীতা ভাগৱত
শাস্ত্ৰৰ ইটো ৰহস্য ॥ ২২৩
যম কাল মায়া মৃত্যুৱে বেঢ়িয়া
আছে বাঘজালী কৰি।
হেনয় জীৱক কোনে ৰাখিবেক
বিনে কৃপাময় হৰি ॥ ২২৪
পাপ সাগৰত তল নিয়াইলেক
বলে কলি দুৰাচাৰ।
ৰাম নাম বিনে পাপ এড়াইবাৰ
উপায় নাহিকে আৰ ॥ ২২৫
হৰিত শৰণ লৈয়া যিটো জন
সদা ৰাম নাম গাৱে।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষে নপাৱে ॥ ২২৬
হৰি গুণ নাম অমৃত সাগৰে
মজায়ো মন নিপুণ।
সুখে সংসাৰৰ তাপ এড়াইবাহা
নছাড়িবা হৰি গুণ ॥ ২২৭
সদায়ে ভাবিয়ো ৰাম নাৰায়ণ
আলাস কেনে কৰস।
মুখ মাজে হৰি নামৰ নিবাস
ভুলিয়া কেনে মৰস ॥ ২২৮
গোপাল গোপাল গোপাল গোপাল
গোপাল গোবিন্দ হৰি।
ৰাম কৃষ্ণ ৰাম ৰাম কৃষ্ণ ৰাম
বুলিয়ো আনন্দ কৰি ॥ ২২৯
আলাস তেজিয়া বোলা ৰাম হৰি
বিলম্ব নকৰা ভাই।
কোননো নায়ক যমৰ দায়ক
হৰিক সুহৃদ পাই ॥ ২৩০
নমো নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন ৰাম।
গোপাল গোবিন্দ মুকুন্দ মুৰাৰি
বোল ভাই অবিশ্ৰাম ॥ ২৩১
হৰি পদে ধৰ অন্যায় নকৰ
দুৰ্জ্জন মন পামৰ।
সাক্ষী হুয়া হৰি হিয়াৰ ভিতৰে
আছে দেৱ দণ্ডধৰ ॥ ২৩২
সদা ৰাম কৃষ্ণ হৰি বোল ভাই
তেজিয়া মনে কপট।
হৰিৰ তলৰ লৈয়া যমদূত
চাপিয়া আছে নিকট ॥ ২৩৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
নামে নকৰিয়ো হেলা।
হৰিৰ নামৰ মাজত সমস্তে
ভকতি সুখৰ মেলা ॥ ২৩৪

ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ভাবিয়ো ভাৱক ভাই।
ৰাম কৃষ্ণ হৰি গোবিন্দ বুলিয়া
বঞ্চিয়ো যমৰ দায় ॥ ২৩৫
ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি বুলিয়া তেজিয়ো
ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥ ২৩৬
অজ্ঞান আন্ধাৰে পড়িয়া জীৱৰ
জ্ঞান পথ ভৈল নাশ।
নাম অঞ্জনীয়া বিনে আন মতে
নপাৱে হৰিৰ পাশ ॥ ২৩৭
ৰাম কৃষ্ণ নাম অমৃত সাগৰে
যিটো জনে কৰে কেলি।
তৃণ সম কৰি সিটো মহাজনে
মুকুতিকো থৱে ঠেলি ॥ ২৩৮
হৰি পদ মহা থালি ৰাম নাম
অমৃত আছে ভৰিয়া।
কপট ঢাকন ভাঙ্গি আৱে ভাই
সন্তুষ্ট হুয়োক পিয়া ॥ ২৩৯
মহন্ত সৱৰ সঙ্গে ৰাম নাম
লৈয়ো অঞ্জণীয়া কৰি।
কপট দুৱাৰ চুৰিয়া হৃদয়
ভাণ্ডাৰে দেখিয়ো হৰি ॥ ২৪০
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ
ৰাম কৃষ্ণ ৰাম হৰি।
আলাস তেজিয়া জপিয়ো হৰিত
জানি এক মন কৰি ॥ ২৪১
মহন্তৰ সঙ্গে সদায়ে মুখত
নছাড়িবা হৰি বাণী।
তেবেসে চঞ্চল দুৰাচাৰ মন
হৈবে আসি এক জানি ॥ ২৪২
বোলা ৰাম হৰি গোপাল গোবিন্দ
মুকুন্দ যদু মুৰাৰি।
নিত্য নিৰঞ্জন যাৰ এক নামে
ভৱ তৰিবাক পাৰি ॥ ২৪৩
ৰাম কৃষ্ণ হৰি বোল শুনা ভাই
অন্যায় নকৰ মনে।
চৈধ্য সাক্ষী সমে যমৰ দেৱান
দেখিয়োক সৰ্ব্বক্ষণে ॥ ২৪৪
ভজিয়ো হৰিৰ চৰণ পঙ্কজে
তেজিয়ো অন্যত্ৰ কাম।
সমস্ত ধৰ্ম্মৰ ফল ৰূপ জানি
নেৰিবা হৰিৰ নাম ॥ ২৪৫
পীয়ু পীয়ু ভাই ভাৱক সকল
হৰি নাম ৰস সাৰ।
যাক পায়া মহা মহন্তে কৰয়
মুকুতিকো পৰিহাৰ ॥ ২৪৬
শুনিয়ো সজ্জন ভজা নাৰায়ণ
এৰিয়া বিষয় ৰাগ।
হৰি মুষ্মমৰে আন সে আচৰে
সেহি সে যমৰ ভাগ ॥ ২৪৭
গোপাল গোবিন্দ মুকুন্দ শ্ৰীৰাম
জয় সনাতন হৰি।
নিগম নিগূঢ় শ্ৰীহৰিৰ নাম
লৈয়োক যতন কৰি ॥ ২৪৮
কৰ কোন কাম বোলা ৰাম ৰাম
তেজিয়ো মুখে আলাস।
ভকতৰ সঙ্গে হৰি গুণ গাই
বৈকুণ্ঠে কৰিয়ো বাস ॥২৪৯
আন ধৰ্ম্ম যত হৰিৰ নামৰ
ৰেণুকো নোহে সমান।
হেন হৰি নাম অমৃত সাগৰ
সন্তোষে কৰিয়ো পান ॥ ২৫০
হৰিক আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুঃখৰ কাৰণ
জানিবা নিষ্ঠ বচন ॥ ২৫১
বিধিৰ কিঙ্কৰ যতেক সাধন
তাক পাশ কৰি থৈয়ো।
বিধিৰ ঈশ্বৰ হৰি গুণ নাম
তাহাতে শৰণ লৈয়ো ॥ ২৫২
মুকুত সকলো গাৱে ৰাম নাম
ৰসত অধিক জানি।
মৃত্যুৰ মুখত পৰি ৰাম নাম
নলৈবেক কোন প্ৰাণী ॥ ২৫৩
ৰাম নাম বিনে মৃত্যু এড়াইবাৰ
আৱৰ উপায় নাই।
মৃত্যু তৰিবাৰ ইচ্ছা আছে যাৰ
ফুৰা ৰাম নাম গাই ॥ ২৫৪
শাস্ত্ৰ গুৰু উপ- দেশে শিষ্য সবে
ঈশ্বৰক নেদেখয়।
বুদ্ধিক সত্ত্বস্থ কৰিয়া আপোন
আত্মাক দেখে নিশ্চয় ॥ ২৫৫

শাস্ত্র গুরু উপ- দেশ ক্রম ৰাম
ব্যৱস্থা মাত্র পালন।
কেৱলে শিষ্যৰ শুদ্ধ বুদ্ধি মাত্র
জ্ঞানৰ হোৱে কাৰণ ॥ ২৫৬
গুরু উপদেশ- লব্ধ শিষ্য সৱে
উপদেশ সাৰ ধৰা।
যেবে ঈশ্বৰক গাইবা যত্ন কৰি
বুদ্ধিক সুস্থ কৰা ॥ ২৫৭
শাস্ত্র গুরু সৱে শিষ্যক কৃপায়ে
শুদ্ধ উপদেশ দিব।
শিষ্য সৱে শুদ্ধ ভাৱে নাচৰিলে
তাৰা সৱে কি কৰিব ॥ ২৫৮
শিষ্য সবে যেবে মহা শুদ্ধ ভাৱে
উপদেশ আচৰয়।
শাস্ত্র গুরু আপো- নাকো সিটো শিষ্য
তিনিকো ৰক্ষা কৰয় ॥ ২৫৯
হৃদয় স্তম্ভত কৃষ্ণ চৰণক
প্রেম জৰী দিয়া ছান্দা।
পৰম সুদৃঢ় ৰাম কৃষ্ণ নাম
কৰচ গলত বান্ধা ॥ ২৬০
ৰাম কৃষ্ণ নাম অভেদ কৰচ
সদায়ে যিটো পিন্ধয়।
তিনি গুণ বৃত্তি অস্ত্রৰ প্রহাৰ
তাক আৰ নিবিন্ধয় ॥ ২৬১
হিৰণ্যকশিপু প্রহ্লাদ পুত্রক
নানান দুর্গতি দিল।
হৰি নাম মহা কৰচ প্রভাৱে
তান নোম নলৰিল ॥ ২৬২
একান্ত শৰণে যিটো নাম লয়ে
ফুৰে হৰি তাক ৰাখি।
ইহাতে যদ্যপি সঙ্গাত নযোৱা
লোৱা প্রহ্লাদত সাক্ষী ॥ ২৬৩
জ্ঞানে বা অজ্ঞানে মাধৱৰ নাম
যিজনে ফুৰে সুমৰি।
তাক মোৰ বুলি হাতে চক্র তুলি
ৰাখিয়া ফুৰন্ত হৰি ॥ ২৬৪
গ্রাহগ্রস্ত হয়া গজেন্দ্রে শৰণ
লৈলা ত্রাহি হৰি বুলি।
তাহাক তেখনে ৰাখিলন্ত আসি
হাতে হৰি চক্র তুলি ॥ ২৬৫
কাল গ্রাহে ধৰি সৰাকে গিলয়
চেতন নাহিকে মন।
ত্রাহি হৰি বুলি পশিয়ো শৰণে
অভয় হৰি চৰণে ॥ ২৬৬
ভৃত্য ভয়হাৰী অপৰ দেৱতা
নাহি হৰি সমসৰ।
প্রপন্ন জনৰ জানিবাহা হৰি
বজ্রৰ যেন পিঞ্জৰ ॥ ২৬৭
হৰিৰ সেৱাত নাহিকে প্রয়াস
জানিবা নিশ্চয় কৰি।
নাম মাত্র লৈলে হোৱন্ত সন্তুষ্ট
কিনো কৃপাময় হৰি ॥ ২৬৮
শুনিয়ো চতুৰ মহন্ত সকল
ফুৰা হৰি গুণ গাই।
দুর্ঘোৰ কলিত হৰি নাম বিনে
আন মতে গতি নাই ॥ ২৬৯
ঘোৰ কলিযুগে যত ধর্ম্ম কর্ম্ম
সৱ কৰিলেক দূৰ।
যি জনে কেৱল হৰি নাম লয়ে
পুৰুষ সিটো চতুৰ ॥ ২৭০
বিষয় সম্বন্ধ ইন্দ্রিয়ৰ সুখ
সমস্ত যোনিতে পাই।
পৰম দুর্ল্লভ হৰিৰ ভকতি
মনুষ্যত পৰে নাই ॥ ২৭১
মনুষ্য জনৰ লভিবাৰ ফল
হৰিৰ কীর্ত্তন মাত্র।
হৰিৰ কীর্ত্তন কৰি মহা সুখে
হোৱে ভকতিৰ পাত্র ॥ ২৭২
হৰি গুণ নাম শ্রৱণ কীর্ত্তনে
কৰয় চিত্ত নির্ম্মল।
হৰিৰ চৰণে কেৱলে ভকতি
লভিবাহা সুমঙ্গল ॥ ২৭৩

খেদ

কালগ্রস্ত হয়া ভৈলো অচেতন
বয়স গোৱাইলো হেলে।
বান্ধৱ কৃষ্ণৰ নামক নলৈলো
হৰি ভকতৰ মেলে ॥ ২৭৪
তুমি নিত্য নিৰ- ঞ্জন নাৰায়ণ
আমিয়ো অংশ তোমাৰ।
তবু সেৱা চোৰ পায়া মহামায়া
মুহিলে মন আমাৰ ॥ ২৭৫
কিনো অপৰাধ কৰি আছো আমি
বান্ধৱ মাধৱ প্রাণ।

নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সমিধান ॥ ২৭৬

নিন্দা

মহন্ত সৱৰ কেৱলে জীৱন
হৰিৰ নাম মঙ্গল।
হেন হৰি নাম নলৈয়া কলিত
কৰিল জন্ম বিফল ॥ ২৭৭
হৰিৰ পৰম প্রিয়তম নাই
হৰি ভকতত পৰে।
হেন ভকতক যিজনে নিন্দয়
হৰিকে সে নিন্দা কৰে ॥ ২৭৮
হৰি ভকতৰ দোষ নধৰয়
যম কাল আৰু কলি।
ইসব কথাক যিটো নমানয়
তিনিতো কৰিয়া বলী ॥ ২৭৯
হৰি ভকতৰ ছিদ্র নধৰয়
দুষ্ট শিৰোমণি কলি।
হেন ভকতৰ কিঞ্চিৎ ছিদ্রক
সজ্জনে থাকে আকলি ॥ ২৮০
হৰিৰ চৰণ সদা আৰাধন্ত
ব্রহ্মা হৰ পুৰন্দৰ।
হেন হৰি পদে শৰণ নলয়ে
কিনো বুদ্ধিহীন নৰ ॥ ২৮১
মৃত্যুৰ মুখত সদায়ে পৰিয়া
আছয় যিসব নৰে।
সিটো নিদাৰুণ হৰি নাম গুণ
কীর্ত্তন কেনে নকৰে ॥ ২৮২
ভাৰত ভূমিত জনম লভিয়া
নভজে হৰি চৰণে।
সিটো জ্ঞান শূন্য পশুতো অধম
জনম লভিল কেনে ॥ ২৮৩
মুকুতি সুখকো তেজি মহাজনে
সদা ৰাম নাম ধৰে।
হেন ৰাম নাম সুখক তেজিয়া
কুমতি মনুষ্য মৰে ॥ ২৮৪
মুকুতি সুখকো তেজি মহাজনে
ৰাম নামে কৰে আশা।
হেন হৰি নাম নলৈয়া কেমনে
মৰে মলমতি নাশা ॥ ২৮৫
মুখ ভৰি ভৰি বোলা ৰাম হৰি
অক্ষয় পুণ্যক সাঞ্চা।
ৰাম নাভাবিয়া আন আচৰিয়া
কেনে আপোনাক বঞ্চা ॥ ২৮৬
হৰি কীর্ত্তনৰ সময়ে যিজনে
থাকে আন কথা পাতি।
অন্তকালে নিয়া যমদূতে ধৰি
কৰে তাক উগ্র শাস্তি ॥ ২৮৭
বেদৰ ৰহস্য হৰিৰ কীর্ত্তন
শুশুনিলে সাৱধানে।
যমৰ কিঙ্করে তপত শলাক
বাহৱে তাহাৰ কাণে ॥ ২৮৮
আনন্দ সমুদ্রে হৰিৰ কীর্ত্তনে
যিটো জনে নেদে চিত্ত।
সিটো মূঢ়মতি হৰিৰ দুর্ল্লভ
প্রসাদে ভৈল বঞ্চিত ॥ ২৮৯
মুকুত সকলো হৰিৰ কীর্ত্তনে
কৰন্ত সদায়ে ৰতি।
হেন কীর্ত্তনত যিটো চিত্ত নেদে
যাইবে সিটো অধোগতি ॥ ২৯০
কলিত জনম লভিয়া হৰিৰ
নামত নকৰে ৰতি।
সিটো মূঢ়মতি আন কেন মতে
সাধিবে আপোন গতি ॥ ২৯১
শৱদ ব্রহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ মাত্র শ্রম শ্রমে মাত্র ফল
যেন ৰাখে বাজী গাই ॥ ২৯২
ৰাজা প্রজা জানি- লেক ভক্তি পথ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত এড়ি আন আছৱয়
পৰম সিটো মুগুৰ ॥ ২৯৩
আপোনো পণ্ডিত হুহি মহন্তকো
নুপাসিলে কদাচিত।
তথাপিতো গুরু বোলাৱে কৃষ্ণৰ
মায়ায়ে হয়া মোহিত ॥ ২৯৪
নজানে শাস্ত্রক শিষ্যৰ সংশয়
নপাৰে দূৰ কৰিত।
তাৰ উপদেশে আনো নতৱয়
আপুনি ভৈল বঞ্চিত ॥ ২৯৫
শাস্ত্র মত এড়ি যি কথা কহয়
কেৱল পাষণ্ড নয়।
আছোক কৃষ্ণক পাইবে কদাচিত
হুগুচে সংসাৰ ভয় ॥ ২৯৬

অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি কুল ভৈল ভ্রষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পথ কৰি নষ্ট॥ ২৯৭
হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ পথত কপট
পাতিলেক অমঙ্গল॥ ২৯৮
শাস্ত্ৰৰ বিচাৰ নজানে ভকতি
পৰমার্থ মতি মূঢ়।
হৰি কথা ছলে কৰ্ণত কুমন্ত্ৰ
কহয় কৰিয়া গূঢ়॥ ২৯৯
চাৰিয়ো জাতিৰ নিজ পিতৃ কৃষ্ণ
জানিয়া যিটো নভজে।
এহি পাপে নিজ ধৰ্ম্ম ভ্রষ্ট হুয়া
ঘোৰ নৰকত মজে॥ ৩০০
হৰিৰ চৰণ নভজি নকৰে
আপোনা দুঃখ খণ্ডিত।
পৰমার্থ তত্ত্ব বিচাৰি কহিয়ো
কেমন সিটো পণ্ডিত॥ ৩০১
মনুষ্য জনম ভাৰত ভূমিত
লভিলেক যিটো নৰ।
হৰিক নভজি কৰিল বিফল
সিটো শোচ্য সমস্তৰ॥ ২০২
হৰিৰ চৰণ নভজি কেৱল
পোষে পুত্ৰ ভার্য্যা মাত্ৰ।
যম ৰাজা বুলি- লস্ত সেহি জন
যম যাতনাৰ পাত্ৰ॥ ৩০৩
হৰিৰ চৰণ নিচিন্তি চিন্তয়
বিষয়ক দিনে ৰাতি।
শাস্ত্ৰৰ সম্মতে জানা সেই জন
ভৈল নিজ আত্মঘাতী॥ ৩০৩
হৰিৰ চৰণ প্ৰকাশ কৰয়
বেদ শিৰোমণি মাজে।
হেনয় হৰিৰ ভকতক নিন্দা
কৰয় কোন নিলাজে॥ ৩০৫

প্ৰাৰ্থনা

তুমি সৰ্ব্বসাক্ষী আত্মা হৃষীকেশ
জানাহা মোৰ চিত্তক।
শৰণাগতক মই আতুৰক
উপেক্ষা কৰা কিসক॥ ৩০৬
হে কৃষ্ণ দেৱ মই আতুৰক
চৰণে কৰা উদ্ধাৰ।
তিনি তাপময় সংসাৰ নিকাৰ
সহিতে নপাৰো আৰ॥ ৩০৭
বাহিৰে ভিতৰে তুমি হৰি গুৰু
আছাহা চৈতন্য ৰূপে।
দিয়োক সুমতি তুমি বিনে গতি
নাহিকে কৈলো স্বৰূপে॥ ৩০৮
হৰি ও হৰি ককণাসাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক॥ ৩০৯
হে হৰি মোক দুৰাচাৰ বুলি
নকৰিবা পৰিহাৰ।
তুমি বিনে মহা পতিতপাৱন
কোন দেৱ আছে আৰ॥ ৩১০
নমো নমো ৰাম কৃষ্ণ প্ৰভু দেৱ
তুমি মোৰ নিজ গতি।
হুয়োক সদয় যিমতে ৰহয়
তোমাত নির্ম্মল ৰতি॥ ৩১১
চৰণত ধৰো কাতৰ কৰোহো
ইৰাৰ নেৰিবা হৰি।
পতিতপাৱন দেৱ নাৰায়ণ
নাহিকে তোমাৰ সৰি॥৩১২
নমো নমো কৃষ্ণ তোমাৰ ভকতি
মুকুতিকো কৰি বলে।
মোৰ তাকে মন দিয়োক শৰণ
অকণ চৰণ তলে॥ ৩১৩
এভৱ সাগৰে মজি নাৰায়ণ
আতুৰ ভৈলো অপাৰ।
দীন অনাথক তুমি কৃপাময়
চৰণে কৰা উদ্ধাৰ॥ ৩১৪
হে হৰি তযু মায়ায়ে আমাক
ভাণ্ডিছে কৰি কপট।
দূৰ কৰা মায়া চাপোহো তোমাৰ
চৰণ ছত্ৰ নিকট॥ ৩১৫
পতিতপাৱন ৰাম নাৰায়ণ
চৰণে মোক উদ্ধাৰা।
আমি পতিতক পতিতপাৱন
নামৰ পৰীক্ষা কৰা॥ ৩১৬
পতিতপাৱন প্ৰভু নাৰায়ণ
প্ৰসিদ্ধ সমস্ত জনে।

আমি মহাপাপী শৰণ পশিলো
ৰাখিয়ো নিজ চৰণে॥ ৩১৭
হে হৰি মই অনাথক দয়া
কৰিয়োক একবাৰ।
কৃপা ৰসে তিতি অকণ বৰণ
চৰণ ভৈল তোমাৰ॥ ৩১৮
কৃপাৰ সাগৰ দৈৱকী নন্দন
পূৰিন্নো মনৰ কাম।
ভকতৰ সঙ্গে সদা নুগুচোক
মুখে তুৱা গুণ নাম॥ ৩১৯
কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো আমি দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়॥৩২০
অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ
তুমি সে নিত্য নির্ম্মল।
গুছায়ো কুমতি ভজোহো কেৱল
তোমাৰ পদকমল॥ ৩২১
হে ভগৱন্ত ভজোহো তোমাৰ
অভয় পদকমলে।
মই অনাথক ৰাখিয়ো ঈশ্বৰ
অকণ চৰণ তলে॥ ৩২২
হে কৃষ্ণ কৃপা- ময় প্ৰভু মোক
কৰা কৃপা এহিমান।
তোমাৰ চৰণে ৰহোক আমাৰ
সদায়ে নির্ম্মল জ্ঞান॥ ৩২৩
জয় জগবন্ধু জগত কাৰণ
নাৰায়ণ নিৰাকাৰ।
কেৱল তোমাৰ চৰণ পঙ্কজে
ৰহোক মতি আমাৰ॥ ৩২৪
দীন দয়াশীল দেৱ দামোদৰ
দীনক নেড়িবা মোক।
হেন কৃপা কৰা তযু পদে মোৰ
সহজ ৰতি মিলোক॥ ৩২৫
তোমাৰ চৰণ সেৱাৰ গোবিন্দ
নাজানো একো উপায়।
যিমতে সেৱাত ৰহিবো ককণা
কৰিতে হৰি যুৱায়॥ ৩২৬
হে প্ৰাণ হৰি দান্তে তৃণ ধৰি
মাগোহো তোমাৰ পাৰে।
মোৰ মন মজি তোমাৰ নামত
ৰহোক হৰি স্বভাৱে॥ ৩২৭
জ্বৰ তাপ পীড়া মৰণ সময়ে
কৰা হৰি কৃপা মোক।
তযু গুণ নাম শ্ৰৱণ স্মৰণ
ৰচন গোচৰ হোক॥ ৩২৮
গোপিনীৰ ধন ব্ৰজৰ জীৱন
মোহন ৰাম গোবিন্দ।
পৰম সাদৰে শিৰে তুলি ধৰো
তযু পদ অৰৱিন্দ॥ ৩২৯

নাম মহিমা

কৃষ্ণ পৰম নির্ম্মল উদাৰ
কথাৰ যৈত প্ৰকাশ।
গঙ্গা আদি কৰি যত তীর্থ আছে
তৈতে সে কৰে নিবাস॥ ৩৩০
শ্ৰীৰাম নাম ভকত জনৰ
মহা ধন হীৰা বিত্ত।
সংসাৰ সাগৰ তাৰ দুর্গ পাৰ
শ্ৰীৰাম নাম নিশ্চিত॥ ৩৩১
শ্ৰীৰাম নাম মল অৰণ্যৰ
বাড়ৱ অগ্নি সম।
শ্ৰীৰাম নাম মনৰ উৎসৱ
ভদ্রতো ভদ্র উত্তম॥ ৩৩২
নাৰায়ণ নাম নৰ সমস্তৰ
প্ৰসিদ্ধ চৌৰ বিশেষ।
অনেক জন্মৰ সঞ্চিত পাতক
স্মৰণে হৰে নিঃশেষ॥ ৩৩৩
ৰাম শৱদৰ 'ৰা' পদ ভৈল
প্ৰচণ্ড বহ্নি নিশ্চয়।
'ম' বায়ু সমে অধর্ম্ম অৰণ্য
দহিয়া ভস্ম কৰয়॥ ৩৩৪
কুকথা পাষণ্ড সংবাদ বিবাদ
পৰ্ব্বত অতি নিষ্ঠুৰ।
ৰাম কৃষ্ণ নাম বজ্ৰক প্ৰহাৰি
কৰা তাক মসিমূৰ॥ ৩৩৫
অপাৰ আনন্দ ৰস ৰাম নাম
মুখত থাকে যাহাৰ।
মুকুতি সুখকো থৱে পাছ কৰি
আন সুখ কোন ছাৰ॥ ৩৩৬
যিটো মহাজনে ঈশ্বৰ কৃষ্ণৰ
ভজয় পদ কমল।
কুল উদ্ধাৰিল আপোনো তৰিল
তাৰে সে জন্ম সফল॥ ৩৩৭

সুদৃঢ় বিশ্বাস কৰি যিটো জন
সদা ৰাম নাম গাৱে।
তাক বাপদায় দিয়া দুষ্ট কলি
দূৰতো দূৰ পলাৱে॥ ৩৩৮
অলপ অক্ষৰ ৰাম কৃষ্ণ নাম
কোমলতো সুকোমল।
ৰাম কৃষ্ণ নাম সবাৰো সুহৃদ
মঙ্গলৰো সুমঙ্গল॥ ৩৩৯
মুকুত সৱৰো মনক টানিয়া
আনয় হৰিৰ গুণে।
এক প্ৰাণ হয়া মহন্ত সকলে
গায়ন কহয় শুনে॥ ৩৪০
হৰিৰ নামৰ অনন্ত প্ৰভাৱ
কোনে কহি পাৱে সীমা।
সংসাৰ বিনাশে হৰিকো প্ৰকাশে
নামৰ মহা মহিমা॥ ৩৪১
হৰিৰ নামৰ অনন্ত মহিমা
জানি মহাজনে গান্ত।
আপোন নামৰ মহিমাক হৰি
আপুনি অন্ত নপান্ত॥ ৩৪২
হৰিৰ নামত একোৱে বিধিনি
নাহিকে জানা নিশ্চয়।
আনো যত ধৰ্ম্ম তাহাৰ বিধিনি
নামে সে দূৰ কৰয়॥ ৩৪৩
ৰাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি ৰিণি ৰিণি।
পাপ ময়মত্ত মাতঙ্গ পলায়
মিলিল হেৰা বিধিনি॥ ৩৪৪
ৰাম কৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি।
অসুৰ ৰাক্ষস পাষণ্ড পিশাচ
পলায় দশদিশে ভাগি। ৩৪৫
জয় জগজ্জীৱ জগত কাৰণ
জয়তি জগনিবাস।
তোমাৰ ভকতি ৰসে মুকুতিকো
কৰে আতি উপহাস॥ ৩৪৬
কৃষ্ণ নাম ইটো পৰম মঙ্গল
যাহাৰ থাকে বাক্যত।
সিটো পুৰুষৰ ভস্ম হয়া যায়
মহা পাপ কোটি শত॥ ৩৪৭
পৰম উজ্জ্বল হৰি নাম ৰত্ন
কণ্ঠত যিটো পিন্ধয়।
তাহাৰ পুৰুষ যতেক আছয়
সভাকে শোভা কৰয়॥ ৩৪৮
পৰম প্ৰশান্ত নাৰায়ণপৰ
মুক্তৰ মাজে বিৰল।
এহি মানে মাত্ৰ পুৰুষাৰ্থ সাৰ
হৰিৰ সেৱাৰ বল॥ ৩৪৯
ধৰ্ম্মে পৃথিবীৰ আগত কহিলা
মহা ভাগৱত ধৰ্ম্ম।
মুকুতি সুখৰ কেৱল আশ্ৰয়
জানা মাধৱৰ কৰ্ম্ম॥ ৩৫০
কৃষ্ণ গুণ নাম ধৰ্ম্মে সে পৰম
মঙ্গলৰো সুমঙ্গল।
কৃষ্ণৰ কীৰ্ত্তন ৰসে সে কেৱল
মুকুতি সুখৰ ফল॥ ৩৫১
যিহেতু কৃষ্ণৰ কীৰ্ত্তন ধৰ্ম্মত
নাহিকে পাত্ৰ নিয়ম।
কেৱল কৃষ্ণৰ কীৰ্ত্তনে কৰয়
সমস্তকে নৰোত্তম॥ ৩৫২
অন্যত্ৰ সাধনে কোনো বিচক্ষণ
জনক মোক্ষ দিয়য়।
কৃষ্ণৰ জন্মৰ কৰ্ম্মৰ কীৰ্ত্তনে
মুকুতিকো বিড়ম্বয়॥ ৩৫৩
ৰাম হেন ইটো দুগুটি অক্ষৰ
বলৰ নাহিকে সীমা।
মুকুতি সুখকো কৰিল অধীন
আছোক আন মহিমা॥ ৩৫৪
যিটো কদ্ৰদেৱে পৰম লীলায়ে
জগতকে সংহাৰন্ত।
ৰামৰ নামৰ তেহোঁ হুয়া বশ্য
দিনে ৰাতি সুমৰন্ত॥ ৩৫৫
নাৰদ সনত- কুমাৰ অনন্ত
শুক মুনি আদি কৰি।
মুকুতি সুখক ঠেলি ৰাম নাম
সদায়ে ভুৰে সুমৰি॥ ৩৫৬
ইটো ৰাম নামে আপোনাৰ গুণে
ঈশ্বৰকো কৰে বশ্য।
এতেকে জানিবা ৰাম নাম ৰিনে
শাস্ত্ৰৰো নাহি ৰহস্য॥ ৩৫৭
চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈল প্ৰকাশ।
কালমেঘ প্ৰায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ॥ ৩৫৮

ভালুক বানৰ ৰাক্ষস তৰিল
ৰামক কৰিয়া সেৱ।
হেনয় পৰম কৃপালু দেৱতা
ৰাম বিনে নাহি কেৱ॥ ৩৫৯
নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ কীৰ্ত্তন কৰি মহা সুখে
পাণীয়ে সংসাৰ তৰে। ৩৬০
পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিষা কেৱলে
শঙ্কৰে মাত্ৰ জানন্ত॥ ৩৬১

নাম

ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ
মুকুন্দ মধু মুৰাৰি।
ভকতকৰ ধন হৃদয় ৰঞ্জন
ব্ৰজ জন অধিকাৰী॥ ৩৬২
শ্ৰীৰাম অনন্ত প্ৰভু ভগৱন্ত
ভকত ভয় ভঞ্জন।
নিত্য নিৰঞ্জন দানৱ গঞ্জন
সজ্জন জন ৰঞ্জন॥ ৩৬৩
ৰাম কৃষ্ণ নাম কৃষ্ণ ৰঘুপতি
ৰাঘৱ ৰঘু-নন্দন।
অনাদি অনন্ত শিৱ সনাতন
অচ্যুত জগবন্দন॥ ৩৬৪
দৈৱকীনন্দন ৰাম নাৰায়ণ
জগত কাৰণ ৰাম।
সৰ্ব্বদেৱ শিৰো- মণি নাৰায়ণ
সমস্ত সুখৰ ধাম॥ ৩৬৫
নিৰাকাৰ নিৰ্ৱা- ময় নৰোত্তম
নাৰায়ণ নিৰঞ্জন।
মুকুন্দ মুৰাৰি ভৱ ভয়হাৰী
ভকত জন ৰঞ্জন॥ ৩৬৬
মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে তাক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে ধান্ত॥ ৩৬৭

প্ৰশংসা

তাৰা সৱে পূজ্য তাৰা সৱে ধন্য
তাৰা সে সুহৃদ জন।
কলিযুগে হৰি আনকো বোলাৱে
আপুনি কৱে কীৰ্ত্তন॥ ৩৬৮
হৰিক বান্ধৱ বুলিয়া যি জন
কৰয় হৰি কীৰ্ত্তন।
সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিল
জানা সেহি মহাজন॥ ৩৬৯
যেবে হৰি পদে শৱণ পশিয়া
হৰি নাম লৱে মুখে।
হৰিৰ প্ৰসাদ পায়ন্ত সিজনে
মায়কো তৰয় সুখে॥ ৩৭০
ধন্য কলিযুগ ধন্য ৰাম নাম
ধন্য ধন্য নৰ কায়া।
ভাগ্যহীন জনো জপি ৰাম নাম
তৰয় দুস্তৰ মায়া॥ ৩৭১
কলিৰ লোকৰ ভাগ্যৰ মহিমা
কোনে কহি পাৱে পাৰ।
হৰি গুণ নাম কলিৰ স্বধৰ্ম্ম
সমস্ত শাস্ত্ৰৰ সাৰ॥ ৩৭২
হৰি কথা ৰস নিৰ্ম্মল অমৃত
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সি সি জন মাত্ৰ
সফল জনম ধৰে॥ ৩৭৩

বস্তু প্ৰকাশ

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥ ৩৭৪
গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিঝৰা
হৰি নামে মূল ধাৰা॥ ৩৭৫
হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু॥ ৩৭৬
হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বেহায়া জগত
চলয় বৈকুণ্ঠ পুৰী॥ ৩৭৭
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।

তাহান্ত বিনাই নাই নাই
আমাৰ পৱম গুৰু ॥ ৩৭৮

নিবেদন

কতনো আমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা সুবুদ্ধি
কৃপাৰ হয়া ঠাকুৰ ॥ ৩৭৯
যিহেতু তোমাৰ চৰণ পঙ্কজে
নভজিলো নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিল জ্ঞান উচ্ছন্ন ॥ ৩৮০
তুমি নিজ পিতৃ গুৰু ইষ্টদেৱ
নভজো তোমাৰ পাৱে।
এহি দোষে মোক যমদূতে ধৰি
যাতনা দুঃখ ভুঞ্জাৱে ॥ ৩৮১
তুমি প্ৰিয় আত্মা পৱম দেৱতা
তোমাত ভৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুঃখ ॥ ৩৮২

কলিধৰ্ম্ম নিৰ্ণয়

সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছা কৱে নিৰন্তৰ।
হৰি গুণ গায়া নিশ্চয় কলিত
হৈব নাৰায়ণপৰ ॥ ৩৮৩
ঘোৰ কলিযুগে পাইলে সৰ্ব্ব ধৰ্ম্ম
বৰ্জ্জিত ভৈল নিশ্চয়।
নাৰায়ণপৰ ভৈলে কৃতকৃত্য
হোৱয় নাহি সংশয় ॥ ৩৮৪
হৰি গুণ নাম কীৰ্ত্তনে কলিৰ
কল্মষ কৰি বিনাশ।
অনায়াসে ঘোৰ সংসাৰ তৰিয়া
পাৱয় হৰিৰ পাশ ॥ ৩৮৫
সমস্ত শাস্ত্ৰৰ পৱম নিৰ্ণীত
হৰি গুণ নাম মাত্ৰ।
কলিৰ পৱম মলিন মনুষ্য
সি ধৰ্ম্মৰ ভৈল পাত্ৰ ॥ ৩৮৬
কলিৰ লোকক পৱম কৃপালু
কৃষ্ণে কৰিলন্ত দয়া।
মোৰ গুণ নাম গায়া মহা সুখে
তৰোক দুস্তৰ মায়া ॥ ৩৮৭

কলিৰ মনুষ্য ভৈল ভাগ্যহীন
পাপ সাগৱত মজি।
হেন পাপী সৱো কৃষ্ণ গুণ গায়া
তৰয় কৃষ্ণক ভজি ॥ ৩৮৮
কলিৰ লোকৰ যি ভাগ্য মিলিল
কহিয়া অন্ত নাপায়।
নিৱন্তৱে লোক নাৰায়ণপৰ
হোৱে হৰি গুণ গাই ॥ ৩৮৯
মুকুতি কোটিৰ মাজত দুৰ্ল্লভ
জানা নাৰায়ণপৰ।
কলিযুগে হেন নাৰায়ণপৰ
হৈব লোক নিৱন্তৰ ॥ ৩৯০
কলিত হৰিৰ কীৰ্ত্তনত সুখে
সৰ্ব্ব পুৰুষাৰ্থ পায়।
হৰিৰ কীৰ্ত্তন বিনাই কলিত
আন মহা লাভ নাই ॥ ৩৯১
কলিৰ মলত মজিলো গোবিন্দ
গতি মোৰ নাহি আন।
তোমাৰ নামত কৰিলো আশ্ৰয়
জানিয়া ধৰ্ম্ম প্ৰধান ॥ ৩৯২

হৰবাৰ

চৈতন্য আদিত্য হৃদয় আকাশ
সৰ্ব্বদায়ে প্ৰকাশয়।
উদয়াস্ত নাই সন্ধ্যা উপাসনা
কৰিবো কোন সময় ॥ ৩৯৩
যিহেতু গোবিন্দ নিজ যশ প্ৰিয়
ভকতবৎসল হৰি।
সিহেতু সদায়ে নাম গুণ শুনি
থাকন্ত আনন্দ কৰি ॥ ৩৯৪
পৱম নিৰ্ম্মল ধৰ্ম্ম হৰি যশ
জগত পাৱনকাৰী।
তাতে সে আপোন যশত সন্তুষ্ট
ঈশ্বৰ প্ৰভু মুৰাৰি ॥ ৩৯৫

ঈশ্বৰৰ পুৰুষ লক্ষণ

ঈশ্বৰ কৃষ্ণৰ শুনিয়োক মহা
পুৰুষ লক্ষণ সাৰ।
ত্ৰিগম্ভীৰ সপ্ত ৱক্ত পঞ্চ দীৰ্ঘ
উন্নত ছয় প্ৰকাৰ ॥ ৩৯৬
গমন গম্ভীৰ বচন গম্ভীৰ
গম্ভীৰ নাভিকমল।

এহি ত্ৰিগম্ভীৰ স্মৰণে কৃষ্ণৰ
মিলয় মহা মঙ্গল ॥ ৩৯৭
অৰুণ নয়ন অৰুণ অধৰ
অৰুণ কৰ চৰণ।
নখ ৰেখাচয় অৰুণ কৃষ্ণৰ
স্মৰণে দুঃখ তৰণ ॥ ৩৯৮
সুদীৰ্ঘ নয়ন গ্ৰীবা বাহু পদ
আৱৰ আঙ্গুলিচয়।
এহি পঞ্চ দীৰ্ঘ স্মৰণে কৃষ্ণৰ
মিলে মহা মহোদয় ॥ ৩৯৯
কন্ধ যে উন্নত ভ্ৰুৱ নাসা পদ
উন্নত নখ হৃদয়।
এহি ছয় স্থান উন্নত কৃষ্ণৰ
স্মৰণে মোক্ষ মিলয় ॥ ৪০০

যুগধৰ্ম্ম নিৰ্ণয়

মিনতি বচন বোলো সৰ্ব্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম্ম।
আপোন কুশল চাৱা যেবে তেবে
নেৰিবাহা যুগধৰ্ম্ম ॥ ৪০১
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৱৰ নাহিকে দুজা ॥ ৪০২
কলিত হৰিৰ কীৰ্ত্তন বিনাই
অন্যত্ৰ ধৰ্ম্ম অ'চৰে।
মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোৱে ফল নধৰে ॥ ৪০৩
কলিত হৰিৰ কীৰ্ত্তন এড়িয়া
আন মতে চাহে গতি।
যেন কুলবধূ নিজ স্বামী তেজি
ভজে গৈয়া উপপতি ॥ ৪০৪
সংসাৰ তৰিতে ইচ্ছা আছে যাৰ
কৰিয়ো হৰি কীৰ্ত্তন।
পৱম নিৰ্ম্মল গতি পায়া সুখে
ছিণ্ডিয়ো কৰ্ম্ম-বন্ধন ॥ ৪০৫

উপদেশ

সকল নিগম কল্পতৰু তাৰ
ফল মহা ভাগৱত।
সেই ফল ৰস হৰি গুণ যশ
পিয়োক সাধু সঙ্গত ॥ ৪০৬

পৱম কৃপালু শ্ৰীমন্ত শঙ্কৰ
লোকক কৰিয়া দয়া।
হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া ॥ ৪০৭

=পদ-ছন্দ=

ঈশ্বৰ নিৰ্ণয়

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৱম বান্ধৱ ॥ ৪০৮

শৰণ

হে কৃষ্ণ তযু পাৱে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ ॥ ৪০৯

ভজন

নাৰায়ণ হৰি ৰাম গোপাল গোবিন্দ।
ভজোহো তোমাৰ দুই পদ অৰবিন্দ ॥ ৪১০

নমস্কাৰ

নমো হৰি নাৰায়ণ ৰাম ৰাম ৰাম।
সৰ্ব্ব ধৰ্ম্ম শিৰোমণি তুৱা গুণ নাম ॥ ৪১১
বন্দোহো গোবিন্দ ৰাম মুকুন্দ মাধৱ।
যাক স্মৰণে তৰি পাপ পৰাভৱ ॥ ৪১২
নমো কি নমো ৰাম নমো নাৰায়ণ।
অনাদি অনন্ত সন্ত শিৱ সনাতন ॥ ৪১৩
জয় নমো নাৰায়ণ দৈৱকী নন্দন।
পৱম পুৰুষ সদাশিৱ সনাতন ॥ ৪১৪

উপদেশ

হৰি বোল হৰি বোল কৰি মন স্থিৰ।
তেবে সে সফল হোৱে মনুষ্য শৰীৰ ॥ ৪১৫
হৰি গুণ গাৱ ভাই কৰিয়া উৎসৱ।
গুণতে সে তুষ্ট গুণ লুবুধ মাধৱ ॥ ৪১৬
আনন্দ কৰিয়া হৰি গুণ গাইবা যেবে।
ভৱসিন্ধু তৰিয়া হৰিক পাইবা তেবে ॥ ৪১৭
হৰি গুণ নাম গাৱ আনন্দ কৰি মনে।
চিন্তামণি তনু ভাই বিফল কৰ কেনে ॥ ৪১৮
আন পৰিহৰিয়া হৰিক মনে ধৰ।
হৰি গুণ গায়া ভাই জন্ম সাফল কৰ ॥ ৪১৯
লৈয়ো হৰি নাম সাতে পাঞ্চে হুয়া সাজু।
আপোনহুৱে পলাইবেক কালমায়া বাজু ॥ ৪২০

চেতন লভিয়া ভাই ভজিয়ো হৰিক।
আন পৰিহৰি হুয়ো ভকতি ৰসিক ॥ ৪২১
লৈয়ো নাম গুণ বিঘিনি বিহীন।
আনন্দে ভাবিয়ো ৰাম কিবা ৰাত্রি দিন ॥ ৪২২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই মুখে।
ৰাম কৃষ্ণ সুমৰি বসিয়া থাক সুখে ॥ ৪২৩
ৰাম কৃষ্ণ হৰি বোল তেজি ভয় লাজ।
হৈবন্ত বেকত হৰি হৃদয়ৰ মাজ ॥ ৪২৪
যিটো ৰাম কৃষ্ণ বোলয় সর্ব্বথা।
তাৰ সঙ্গ এড়ি হৰি যাইব আৰ কোথা ॥ ৪২৫
ৰাম কৃষ্ণ বোল ভাই ৰাম কৃষ্ণ বোল।
কোটি কোটি ব্রহ্মাণ্ড নামৰ নোহে মোল ॥ ৪২৬
ৰাম কৃষ্ণ ভাবিতে ছুটয় কালপাশ।
সদা ৰাম হৰি বোল তেজিয়া আলাস ॥ ৪২৭
হৰি গুৰু পদ সেৱা খাণ্ডা ডাঠি ধৰা।
মন বৈৰি কাটি সুখে ভৱনদী তৰা ॥ ৪২৮
ৰাম কৃষ্ণ নিৰঞ্জন নিৰাময় হৰি।
সদা ৰাম কৃষ্ণ ভাবি যায়ো ভৱ তৰি ॥ ৪২৯
ভজিয়ো হৰিক যেবে চেতন আছয়।
তেবে সে এড়াইবা সুখে সংসাৰৰ ভয় ॥ ৪৩০
ৰাম কৃষ্ণ ভাবিয়ো সিলোক মহাভাগ।
ৰাম কৃষ্ণ ভাবিতে কৃষ্ণক পাইবা লাগ ॥ ৪৩১
হৰিৰ নামৰ ভাই নেড়িয়ো ভৰসা।
সকল ধর্ম্মৰ হৰি নাম মাজে বাসা ॥ ৪৩২
সন্ত উপদেশে হৰি চৰণে ভজিয়ো।
হৰি নাম নিৰমল আনন্দে মজিয়ো ॥ ৪৩৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
জনম সফল হোক জপ অবিশ্রাম ॥ ৪৩৪
মাধৱৰ বঙা দুই চৰণে ধৰিয়া।
ৰাম নাম ৰস পিয়ো অঞ্জলি ভৰিয়া ॥ ৪৩৫
গুণময় সাধ্য সাধনক পৰিহৰি।
কৃষ্ণ কথা ৰস পিয়ো কর্ণাঞ্জলি ভৰি ॥ ৪৩৬
যত জীৱৰাশি ফুৰে কুশলক চাই।
হৰি নাম বিনে তাৰ মহা লাভ নাই ॥ ৪৩৭
হৰি নাম গাৱন্তে কিঞ্চিতো নাহি দুঃখ।
গুচে ভয়ে মিলয় পৰমানন্দ সুখ। ৪৩৮
হৰি কীর্ত্তনত যাৰ মিলয় সন্তোষ।
সর্ব্ব সুখভাগী হোৱে হৱে কলি দোষ ॥ ৪৩৯
লৈয়ো হৰি নাম ভাই তেজিয়া আলাস।
মিলিবে মঙ্গল গুচিবেক ভৱ-পাশ ॥ ৪৪০
যিটো জনে ফুৰে সদা হৰি নাম গায়া।
হৰিৰ কৃপাত সিটো সুখে তৰে মায়া ॥ ৪৪১

ৰাম নাম লৈয়ো ভাই আলাস নকৰ।
নিকট চাপিয়া আছে যমৰ কিঙ্কৰ ॥ ৪৪২
কৃষ্ণ কথা শুনে গাৱে যিটো শ্রদ্ধা কৰি।
অল্প কালে হিয়াত প্রবেশ হোন্ত হৰি ॥ ৪৪৩
অপাৰ আনন্দ ৰস ৰাম কৃষ্ণ বাণী।
ৰাম কৃষ্ণ নাম মুখে নছাড়িবা জানি ॥ ৪৪৪
জপ ৰাম নাম ভাই ভাৱক সকল।
ৰাম নাম বিনে নাই পৰম মঙ্গল ॥ ৪৪৫
ভাবিয়ো ভাৱক ভাই ৰাম নাম সাৰ।
নিগমে নকহে ৰাম নাম বিনে আৰ ॥৪৪৬
কৃষ্ণ পদ সেৱা সুখ পৰম দুর্ল্লভ।
হৰি সেৱা বিনে আন নাহিকে সুলভ ॥ ৪৪৭
কৃষ্ণ পাদপদ্ম ভৈল যাহাৰ আশ্রয়।
তাহাৰে সে গুচয় নিঃশেষ দুঃখচয় ॥ ৪৪৮
হৰি কীর্ত্তনত ভাই নকৰিয়ো হেলা।
এহিসে ৰাখিব ঘোৰ সঙ্কটৰ বেলা ॥ ৪৪৯
হৰি পদ পঙ্কজত পশিয়ো শৰণে।
দিয়োক একান্ত চিত্ত কৃষ্ণৰ কীর্ত্তনে ॥ ৪৫০
দুর্ল্লভতো দুর্ল্লভ হৰিৰ গুণ নাম।
জানিয়া কীর্ত্তন কৰা তেজি আন কাম ॥ ৪৫১
হৰি গুণ কীর্ত্তন কলিৰ নিজ ধর্ম্ম।
জানিবাহা সমস্ত শাস্ত্রৰ তত্ত্ব মর্ম্ম ॥ ৩৫২
ৰাম নাম লৈয়া পাপী তৰে মহা সুখে।
হেন ৰাম নামৰ ভাণ্ডাৰ ভৈল মুখে ॥ ৪ ৩
যি মুখে বুলিবা ৰাম সি মুখে ভাণ্ডাৰ।
সদায়ে ভাবিয়ো ৰাম ক্ষয় নাহি আৰ ॥ ৪৫৪
ভাবিতে ভাবিতে ৰাম ৰস চড়ে আতি।
আনন্দে ভাবিয়ো ৰাম কিবা দিবা বাতি ॥ ৪৫৫
অনন্ত ৰসৰ নিধি ৰাম কৃষ্ণ নাম।
মুখ ভৰি ডাকিয়া সদায়ে বোলা ৰাম ॥ ৪৫৬
সদায়ে ভাবিতে ৰাম যাৰ ৰস বাঢ়ে।
ৰাম কৃষ্ণ নামে জানা তাহাক নাছাড়ে ॥ ৪৫৭
হৰিসেৱা বিনে আন সকলো অসাৰ।
এহি মানে মাত্র সর্ব্ব শাস্ত্রৰ বিচাৰ ॥ ৪৫৮
নামৰ ভাণ্ডাৰ মুখে ভৈল কত ভাগে।
আনন্দে ভাবিয়ো ৰাম যাৰ যত লাগে ॥ ৪৫৯
মনে মুখে এক কৰি সদা বোলা ৰাম।
লভিবা পৰমানন্দ দূৰ হৈব কাম ॥ ৪৬০
ৰাম কৃষ্ণ নাম যাৰ মুখে ভৈল গীত।
নামৰ প্রসাদে সিটো ভৈল কৃত্যকৃত ॥ ৪৬১
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই ঝাণ্টে।
নচলিবা তেবে সে দুর্ঘোৰ যম বাটে ॥ ৪৬২

ৰাম কৃষ্ণ নাম ৰসে চিত্তক ভিজাৱ।
বোলা ৰাম কৃষ্ণ হৰি তেজি লাজ ভাৱ ॥ ৪৬৩
ৰাম কৃষ্ণ নামে সে স্বধর্ম্ম ভৈল যাৰ।
যম কাল মায়াৰ গুচিল অধিকাৰ ॥ ৪৬৪
ৰাম কৃষ্ণ নাম যাৰ থাকয় মুখত।
যম যমদূতক নেদেখে সপনত ॥ ৪৬৫
ৰাম কৃষ্ণ নাম সদা লৱে যিটো নৱে।
যমৰাজা তাহাৰ লিখন দূৰ কৰে ॥ ৪৬৬
ৰাম কৃষ্ণ নাম সদা ফুৰে যিটো গাই।
তাহাৰে সে সমস্ত বিঘিনি ভৈল ছাই ॥ ৪৬৭

মহিমাযুক্ত উপদেশ

ৰাম কৃষ্ণ নাম যাৰ মুখত থাকয়।
তাহাৰে সে জানিবা মিলিল মহোদয় ॥ ৪৬৮
ৰাম কৃষ্ণ কীর্ত্তনে স্বভাৱ ভৈল যাৰ।
সিয়ো ভৈল হৰিৰ হৰিয়ো ভৈল তাৰ ॥ ৪৬৯
ৰাম কৃষ্ণ নামক সততে যিটো গাৱে।
তাক হৰি ৰাখিয়া ফুৰন্ত সর্ব্বভাৱে ॥ ৪৭০
ৰাম কৃষ্ণ নাম যিটো সততে সুমৰে।
হৰিৰ পৰম প্রিয় ভৈল সিটো নৱে ॥ ৪৭১

নিন্দা

ৰাম বুলি তৰে মহা মহা অন্ত্যজাতি।
যিটো নাম নলৱে হীনতো হীন আতি ॥ ৪৭২
ৰাম কৃষ্ণ বুলিয়া সংসাৰ সুখে তৰে।
ৰাম কৃষ্ণ দুবুলি জনম ঝুণ্টা কৰে ॥ ৪৭৩
ৰাম কৃষ্ণ দুবুলি তৰিবা কিসে সমে।
ৰাম নাম নলৈলে ধৰিয়া নিব যমে ॥ ৪৭৪
হৰিকো প্রকাশ কৰে ৰাম কৃষ্ণ নামে।
হেন নাম নলৈয়া মৰয় কোন কামে ॥ ৪৭৫
গাৱো ভোট যৱনে হৰিৰ নাম লয়।
হেনয় হৰিৰ নাম সজ্জনে নিন্দয় ॥ ৪৭৬
হৰি নামে কৰে অন্ত্যজাতিকো মুকুত।
সজ্জনে নামক নিন্দে কিনো অদভূত ॥ ৪৭৭
মহা পাপী তৰে হৰি নামৰ কীর্ত্তনে।
হেন নাম নলৈয়া সজ্জন ভৈল কেনে ॥ ৪৭৮
দুঃখময় ক্ষুদ্র বিষয়ক আশা কৰি।
একান্তে নভজে পূর্ণানন্দ মহা হৰি ॥ ৪৭৯
আপুনি নলৱে নাম আনকো নিন্দয়।
কোটি জনমক লাগি পাপৰ সঞ্চয় ॥ ৪৮০
হৰি নামে কৰে সংসাৰৰ বন্ধ ছেদ।
হেন নামে নাহি ইচ্ছা কিনো ভৈল খেদ ॥ ৪৮১

ৰাম কৃষ্ণ হৰি নাম নিগম নিগূঢ়।
সদা দুসুমৰে কেনে পাপমতি মূঢ় ॥ ৪৮২
হৰি পদ সেৱা সুখ ভকতে জানয়।
আন জনে আৰ গন্ধ মাত্রো নপায়য় ॥ ৪৮৩
হৰি পদে শুদ্ধ ভাৱে যিজনে ভজয়।
হৰি নাম লৈয়া সুখে দুর্গতি তৰয় ॥ ৪৮৪
মানৱী জনম পাই হৰি নভজিলা।
অৱশ্যে হৈবাহা ভাই তৃণ তরু শিলা ॥ ৪৮৫
হৰি কীর্ত্তনক যিটো জনে হেলা কৰে।
আপোনাক আপুনি বঞ্চিলে সিটো নৱে ॥ ৪৮৬
মনুষ্য শৰীৰ পাই হৰিক নভজে।
এহিমান দোষে ঘোৰ নৰকত মজে ॥ ৪৮৭
মৃত্যুৰ মুখত পড়ি নভজে হৰিক।
সিটো অধমৰ জীৱনত ধিক ধিক ॥ ৪৮৮
হৰি পদে নভজে শাস্ত্রৰ সাৰ বুজি।
বেঙ্কা মুৱা যমদূতে তাক ফুৰে খুজি ॥ ৪৮৯
নৰতনু পায়া হৰি নভজে যি নৱে।
সংসাৰৰ অনন্ত যোনিত ভ্রমি মৱে ॥ ৪৯০
দুর্ল্লভ শৰীৰ পাই হৰি নভজিল।
দুর্ঘোৰ সংসাৰে সিটো চিত্ত নিমজিল ॥ ৪৯১
কলিযুগে হৰি নাম নকৰে কীর্ত্তন।
আপোনাক আপুনি বঞ্চিল সিটো জন ॥ ৪৯২
হৰি ভজি হৰি নাম নলৱে সাক্ষাত।
আপোনাক আপুনি কৰিল আত্মাঘাত ॥ ৪৯৩
ব্রহ্মাৰ প্রার্থনী ইটো নৰতনু পায়া।
নভজিলে হৰিক বঞ্চিলে বিষ্ণুমায়া ॥ ৪৯৪
একান্ত শৰণে যিটো নভজিলে হৰি।
দুর্ঘোৰ যাতনা ভুঞ্জিবেক মৰি মৰি ॥ ৪৯৫
হৰি পদ সেৱা সর্ব্ব শাস্ত্রৰ নির্ণয়।
মূঢ়মতি মনুষ্যে ইহাক নাজানয় ॥ ৪৯৬
হৰিকো কৰয় বশ কীর্ত্তন ভকতি।
হেন নাম নধৰিয়া যায় অধোগতি ॥ ৪৯৭

মহিমা

ৰাম কৃষ্ণ হৰি নাম মুখে থাকে যাৰ।
সেহি সে হৰিৰ প্রিয় হৰি ভৈল তাৰ ॥ ৪৯৮
ৰাম কৃষ্ণ হৰি যিটো সততে বোলয়।
সিটো মহাজনে মুকুতিকো নগণয় ॥ ৪৯৯
ৰাম কৃষ্ণ নাম ভকতৰ মহা ধন।
সদা নাম লৱয় আনন্দ কৰি মন ॥ ৫০০
অনন্ত নাৰদ শুক সনতকুমাৰ।
তাৰা গাৱে হৰি যশ জানি যোগ সাৰ ॥ ৫০১

হৰি নাম কীৰ্ত্তনৰ শৱদ তুমুল।
আনন্দৰ ভৱে হোৱে ভকত আকুল ॥ ৫০২
ৰাম কৃষ্ণ নামৰ দেখিয়ো কেনে বল।
অধমকো কৱে নামে পৱম নির্ম্মল ॥ ৫০৩
হৰিনামে নাহিকে নিয়ম অধিকাৰী।
ৰাম বুলি তৱে মিৰি অসম কছাৰি ॥ ৫০৪
ৰাম কৃষ্ণ নাম সম নাহিকে বান্ধৱ।
ৰাম কৃষ্ণ নামে মিলে পৱম উৎসৱ ॥ ৫০৫
ভকত জনৰ হৰি নামে সে সর্ব্বস্ব।
মুকুতিকো ঠেলি আগ হোৱে হৰি যশ ॥ ৫০৬
ৰাম কৃষ্ণ নামে সে ছিণ্ডয় কর্ম্মবন্ধ।
মিলয় সমস্ত সুখ পৱম আনন্দ ॥ ৫০৭
ৰাম কৃষ্ণ ভাবিতে তেজয় কাল সাপে।
হৰি ভকতক দুঃখ দিবে কাৰ বাপে ॥ ৫০৮
হৰিৰ কীৰ্ত্তন শুনি হুয়া মহা ভয়।
কাল মৃত্যু দুয়ো থৱথৱিয়া কাম্পয় ॥ ৫০৯
কেমনে জানিব হৰি নামৰ মহিমা।
ব্রহ্মা হৱ অনন্তে নপাস্ত যাৰ সীমা ॥ ৫১০
হৰি গুণ নাম যশ ভকতি উত্তম।
যাৰ ধ্বনি শুনি কম্পে কলি কাল যম ॥ ৫১১
হৰি নামে যত পাপ সংহৰিতে পাৱে।
ততেক পাতকী পাপ কৰিতে নপাৱে ॥ ৫১২
ৰাম কৃষ্ণ গোপাল গোবিন্দ যদুমণি।
ৰাম কৃষ্ণ নাম মহা পাপৰ অগনি ॥ ৫১৩
ৰাম কৃষ্ণ নামৰ মহিমা অদভুত।
নিকট চাপিয়া কি কৰিবে যমদূত ॥ ৫১৪
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ সাৰ।
ভাবিতে পৱম সুখ ভয় নাহি আৰ ॥ ৫১৫
ৰাম কৃষ্ণ নাম সর্ব্ব সুখৰ নিবাস।
ৰাম কৃষ্ণ ভাবিতে কৃষ্ণৰ পায় পাশ ॥ ৫১৬
আপোন নামৰ সঙ্গ নছাড়ন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ঠ কৰি ॥ ৫১৭
ৰাম নাম সম ধর্ম্ম নাহিকে নিগমে।
যিটো সদা বোলে ৰাম কি কৰিবে যমে ॥ ৫১৮
হৰি চৰণত প্রেম মিলিল যাহাৰ।
আন কোন সম্পত্তি হৰিয়ো ভৈল তাৰ ॥ ৫১৯
কর্ণাঞ্জলি পিয়া হৰি চৰণ অমৃত।
হৰিৰ নিকট পাৱে হোৱে কৃত্যকৃত ॥ ৫২০
মাধৱৰ নাম গুণ কীৰ্ত্তন কৰিয়া।
হৰিক পাৱয় সুখে মৃত্যুক তৰিয়া ॥ ৫২১
হৰি নাম কীৰ্ত্তনত নাহি একো হানি।
শুনন্তে অমৃত স্রৱে ৰাম কৃষ্ণ বাণী ॥ ৫২২

যাৰ মুখে ৰাম বাণী আসে সৱসৱি!
জানিবা নিশ্চয় তাৰ বশ্য ভৈল হৰি ॥ ৫২৩
হৰি যাৰ বশ্য ভেল তাৰ কিবা ৱৈল।
হৰিৰ কৃপাৰ পাত্র সি সি জন ভৈল ॥ ৫২৪
ৰাম কৃষ্ণ নামৰ কল্লোল ৰোল শুনি।
বেঙ্কামুৱা যমদূত পলায়ে আপুনি ॥ ৫২৫

আত্ম উপদেশ

হৰি নাম এড়ি মন কি কাম কৰস।
মায়া মোহ জালে পৰি মিছাত মৱস ॥ ৫২৬
হৰি নাম ধৱ মন আলাস নকৰ।
আশা নাম নদী মাজে মিছাতে নমৱ ॥ ৫২৭
ৰাম নাম লৈয়ো মন ৰাম নাম লৈয়ো।
মিছা আশা লাজ কাজ পাছ কৰি থৈয়ো ॥ ৫২৮
ৰাম কৃষ্ণ বোল মন ৰাম কৃষ্ণ বোল।
অসাৰ সংসাৰ সুখ তাৰ আশা তোল ॥ ৫২৯
হৰি পদে ভজ মন হৰি পদে ভজ।
ঘোৰ আশা নদী মাজে মিছাত নমজ ॥ ৫৩০
ৰাম নাম লৈয়ো মন তেজ আশা আন।
ভকতৰ সঙ্গে পাতা নামৰ দেৱান ॥৫৩১
ভজ মন কপট তেজিয়া হৰি পায়।
সর্ব্বসাক্ষী হৰিত কপট ন্যুযুৱায় ॥ ৫৩২
গোপাল গোয়িন্দ ৰাম বোল পাপী মন।
অন্যায় নকৰ লগে সাক্ষী চৈধ্য জন ॥ ৫৩৩
ৰাম কৃষ্ণ হৰি মন বুলিয়ো যতনে।
ব্রহ্মাৰ দুর্ল্লভ নাম তাৰে হেলা কেনে ॥ ৫৩৪
মন বোল ৰাম কৃষ্ণ পৱম আনন্দে।
মুকুতি তেজিয়া জপে সনক সনন্দে ॥ ৫৩৫

প্রার্থনা

হে প্রাণবন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ।
অণু এক কৰা দয়া মায়া হোক দূৰ ॥ ৫৩৬
পতিত পাবন হৰি পতিত পাবন।
পতিতক নেতাৰিলে নাম কি কাৰণ ॥ ৫৩৭
পতিত পৰিয়া ৰৈলে এভৱ সাগৱে।
পতিত পাবন নাম ভৈল কিবা তৱে ॥ ৫৩৮
অকৃণ চৰণে মই পাপীক তাৰিয়ো।
পতিত পাবন নাম সাফল কৰিয়ো ॥ ৫৩৯
আতুৰ ভৈলোহো হৰি বিষয়ে বিকল।
কৰিয়ো উদ্ধাৰ মোক চৰণে কমল ॥ ৫৪০
হৰি লৈলো হৰি লৈলো শৱণ ইবেলি।
মই অধমক পাৱে নেপেলাইবা ঠেলি ॥ ৫৪১

পতিত পৰিয়া ৰৈলো এভৱ কুপত।
ভকতি প্রসাদ মাগো তযু চৰণত ॥ ৫৪২
নাম ধন দিয়া মোৰে কিনা বনমালী।
দাস পাই নলৱা কমন ঠাকুৰালি ॥ ৫৪৩
মোক কিনা কিনা হৰি মোক কিনা কিনা!
আন ধন নলগায় নাম ধন বিনা ॥ ৫৪৪
জয় জয় ৰাম কৃষ্ণ শৱণ তোমাৰ।
কৃপাৰ সাগৱ কৃপা কৰা একবাৰ ॥ ৫৪৫
দিয়ো দৱশন পাৱে পশিলো শৱণ!
ভকত জনৰ ধন তুমি নাৰায়ণ ॥ ৫৪৬

নিবেদন

যাদৱ যাদৱ যাদৱ যাদৱ দেৱ।
তুমি বিনে সুহৃদ বান্ধৱ নাহি কেৱ ॥ ৫৪৭
কেমনে ভজিবো হৰি চৰণ তোমাৰ।
দুর্ঘোৰ মায়ায়ে মন মুহিলে আমাৰ ॥ ৫৪৮
ৰাম বুলি তৰিবে দটাই আছো মন।
তুমি হৰি দীনবন্ধু পতিতপাৱন ॥ ৫৪৯
পতিতপাৱন ৰাম কৃষ্ণ কৃপাসিন্ধু।
আমি পতিতক নছাড়িবা দীনযন্ধু ॥ ৫৫০
হা হৰি মোৰে প্রাণ জীৱন মুৰাৰি।
অনাথৰ নাথ ভকতৰ ভয়হাৰী ॥ ৫৫১

প্রশংসা

শ্রীৰাম নামে ৰতি মিলিল যাহাৰ।
সিটো ভাগ্যৱন্তে পাইলে সংসাৰৰ পাৰ ॥ ৫৫২
হৰি গুণ ভকতৰ কর্ণৰ ভূষণ।
যিটো সদা লৱে নাম সি সি মহাজন ॥ ৫৫৩
নিত্যানন্দময় ৰাম ভকতৰ ধন।
হৰি বিনে আন ধন সৱে অকাৰণ ॥ ৫৫৪
আন ধর্ম্ম নাহি হৰি নামক উপাম।
হৰিৰ বল্লভ যিটো সদা বোলে ৰাম ॥ ৫৫৫
কৃষ্ণ নাম সদায়ে আনন্দে যিটো ধৱে।
বংশ সমে তৰয় হৰিকো বশ্য কৱে ॥ ৫৫৬
হৰি গুণ গাৱে যিটো কৰিয়া নিশ্চয়॥
হৰিক সুহৃদ পাৱে মৃত্যু কোন ভয় ॥৫৫৭
যাৰা সৱে হৰি গুণ গাৱয় হৰিষে।
তাপ দূৰ হোৱে যেন অমৃত ৰবিষে ॥ ৫৫৮
ৰাম কৃষ্ণ হৰি নাম পৱম অমৃত।
যিটো মহাজনে লৱে হোৱে কৃত্যকৃত ॥ ৫৫৯
কিনো ভাগ্য কিনো ভাগ্য কলিৰ প্রজাৰ।
হৰিগুণ কীৰ্ত্তনে সে ধর্ম্ম ভৈল যাৰ ॥ ৫৬০

হৰি গুণ নামক কীৰ্ত্তন যিটো কৱে।
কলিৰ দোষক বঞ্চিলেক সিটো নৱে ॥ ৫৬১
ৰাম নাম লৈয়া পাপী জনো তৱে সুখে।
হেন হৰি নামৰ ভাণ্ডাৰ ভৈল মুখে ॥ ৫৬২
যিসৱ চতুৰ নৱে বিষ্ণুক ভজয়।
পৱম কৃতার্থ ভৈল সিটো মহাশয় ॥ ৫৬৩

কলি ধর্ম্ম

ৰাম কৃষ্ণ নাম ভকতৰ নৱ নিধি।
কলি যুগে কেকত কৰিল কোন বিধি ॥ ৫৬৪
ধন্য ধন্য কলিৰ লোকৰ মহাভাগ।
সর্ব্ব ধর্ম্ম ঠেলি ৰাম নাম ভৈল আগ ॥ ৫৬৫
কলিত কীৰ্ত্তন যিটো কৱে হৰি নাম।
তাৰ আৰ আচৰিবে নথাকিল কাম ॥ ৫৬৬
নাহিকে কলিত ধর্ম্ম কীৰ্ত্তনৰ সম।
যিটো গাৱে হৰি গুণ সি সি নৱোত্তম ॥ ৫৬৭
কলিত কীৰ্ত্তনে মিলিবেক মহাভাগ।
সংসাৰক তৰি মাধৱক পাইবা লাগ ॥ ৫৬৮

নাম

কেশৱ কমলাকান্ত অনন্ত অনাদি।
নিত্য নিৰঞ্জন শুদ্ধ বুদ্ধ বেদবাদী ॥ ৫৬৯
জয় জয় জগত জনক জগজীৱ।
অনন্ত অচ্যুত সনাতন সদাশিৱ ॥ ৫৭০
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ নাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥ ৫৭১
গোপাল গোবিন্দ ৰাম কৃষ্ণ নাৰায়ণ।
কমললোচন হৰি পতিতপাৱন ॥ ৫৭২
ৰাম নাৰায়ণ হৰি ৰাম নাৰায়ণ!
ৰাম কৃষ্ণ নাৰায়ণ শিৱ সনাতন ॥ ৫৭৩
গোপাল গোপীনাথ গোবিন্দ মাধৱ।
জীৱৰ জীৱন যদু নন্দন যাদৱ ॥ ৫৭৪

তাৎপর্য্য

বৈকুণ্ঠৰ কল্পতক ভাগৱত শাস্ত্র।
ইহাৰ উত্তম ফল হৰি নাম মাত্র ॥ ৫৭৫
হৰি নামে হৰি নামে হৰি নামে গতি।
হৰি নামে ভকতৰ কেৱল ভকতি ॥ ৫৭৬
কৃষ্ণ পাদপদ্ম দুই মোৰ নিজ গতি।
হৰি নাম বিনে আন নজানো ভকতি ॥ ৫৭৭
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ সাৰ।
ৰাম কৃষ্ণ বিনে ঝুঠা আৱৰ বিচাৰ ॥ ৫৭৮

শ্রীৰাম নাম ভকতৰ ধন সাৰ।
সংসাৰ সাগৱে ৰাম নামে দুর্গ পাৰ ।। ৫৭৯
হৰি নাম কীর্ত্তনে সে পৱম মঙ্গল।
পায়য় পৱমানন্দ গুচে কর্ম্মমল ।। ৫৮০
ব্রহ্মা হৱে ভজন্ত হৰিৰ দুই পায়ে।
মুকুত সকলো সদা ৰাম নাম গায়ে।। ৫৮১

বিৱৰতি

বিষয়ৰ আশা ভঙ্গে ভক্তৱ হৰিষ।
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ ।। ৫৮২
বিষয়ৰ সুখ যত সকলে অসাৰ।
জানিয়া ভকতে তাক কৱে পৰিহাৰ ।। ৫৮৩
কৃপাৰ সাগৱ কৃপাময় কৃপানিধি।
তুৱা গুণ নামে ভকতৱ সর্ব্বসিদ্ধি ।। ৫৮৪

স্তুতি

মুৰাৰী মাধৱ মধুৰিপু ৰাম।
তুমি ভকতৰ ধর্ম্ম অর্থ মোক্ষ কাম ।। ৫৮৫
মুৰাৰি মনোহৱ ভগৱন্ত দেৱ।
তুমি বিনে পতিতৰ গতি নাহি কেৱ ।। ৫৮৬
কিনো কৃপাময় দেৱ প্রভু যদুৰায়।
মুখ মাজে থৈলা নাম সর্ব্বক্ষণে পায় ।। ৫৮৭

=নেছাব্বি-ছন্দ=

ঈশ্বৰ-নির্ণয়

কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৱো অধিকাৰী
কৃষ্ণ বিনে শ্রেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ ।। ৫৮৮
নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নির্গুণ গুণ নিয়ন্তা।
পৱম পুৰুষ ভগৱন্ত নাহি পূর্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভৱ ভাৱন্তা ।। ৫৮৯
ব্রহ্মা মহাদেৱ লক্ষ্মী দেৱী কায়বাক্য মনে স্থিৰ কৰি
পৱম আনন্দে চৱণ সেৱন্ত যাৱ।
সদা জন্ম মৃত্যু জড়া হীন শ্রীমন্ত সুন্দৰ গুণনিধি
বিষ্ণুত বিনাই কোন দেৱ আছে আৰ ।। ৫৯০
যাৰ পাদোদকে দেৱী গঙ্গা যাৰ বাক্যে হয়া আছে বেদ
পৱম পতিতো তৱয় যাহাৰ নামে।
সৃষ্টি স্থিতি প্রলয়ৱ যিটো পৱম কাৰণ নাৰায়ণ
হেন ঈশ্বৰক নভজয় কোন কামে। ৫৯১

অপাৰ সংসাৰ সিন্ধু আৰ বিষ্ণুসে পৱম পাৰ যত
পাৰ আছে তাত পৱম্পৱমাত্মা ৰূপে।
তেন্তে তুমি জানা ব্রহ্মপাৰ পৱপাৰ ভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে ।। ৫৯২

উপদেশ

সুবাসনা দুর্ব্বাসনা দুই বন্ধৱ মোক্ষৱ মূল হেতু
শুনা যেন মতে ওপজয় পুৰুষত।
সন্তৰ কৃপাত সুবাসনা সুখে পুৰুষক পাৱে জানা
হোৱে দুর্ব্বাসনা সন্তৰ মন কোপত ।। ৫৯৩
মহন্তৱ বাক্য যিটো কৱে তাক সুবাসনা অনুসাৱে
সন্তৰ কৃপাত ভজে গোবিন্দৰ পাৱে।
যিটো মহন্তক নিন্দা কৱে তাক দুর্ব্বাসনা বেঢ়ি ধৱে
কৃষ্ণক ভজিবে নপাৱয় মূঢ় ভাৱে ।। ৫৯৪
কৃষ্ণ পদ মাত্র সেৱা কৱে সমস্ত কামনা পৰিহৱে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয়।
কৃষ্ণ পদ সেৱা সুখ মনে কৱে অনুভৱ সর্ব্বক্ষণে
ইহাঙ্কে মহন্ত বুলিয়া জানা নিশ্চয় ।। ৫৯৫
শুনিয়ো সজ্জন শাস্ত্রৰ সাৰ সকল সম্পত্তি জানা তাৰ
হৰি ভক্তি ৰসে সন্তোষ মন যাহাৰ।
চর্ম্মৰ নির্ম্মিত পানৈ যুৰি চৱণ ঢাকিল যিটো জনে
যেন সৱে ভূমি চর্ম্মাবৃত ভৈল তাৰ ।। ৫৯৬
অন্তৱত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৱত বোধ বাহিৰত জড়প্রায়।
বুদ্ধিত সমস্তে তেজিয়োক বাহিৰত সঙ্গ দেখায়োক
এহি ভাৱে ৰাম লোকত ফুৱা বেড়াই ।। ৫৯৭
তাৱত কৃষ্ণৱ ভক্ত নৱে ভক্তি অবিৱোধী কর্ম্ম কৱে
কৃষ্ণৱ কথায় ৰতি যাৱে নোপজয়।
যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৱোধী জানিয়া সৱে তেজয় ।। ৫৯৮
সমস্ত তপক আচৱোক পৱোক পর্ব্বতে উঠি যত
তীর্থক ভ্রমোক পঢ়োক বেদ নিশ্চয়।
যজ্ঞোক সমস্তে যজ্ঞচয় যোগক জানোক সমস্তয়
হৰি বিনে কদাচিতো মৃত্যু নতৱয় ।। ৫৯৯

মহিমাযুক্ত উপদেশ

ব্যাস নিগদতি লুব্ধমতি শুনিয়ো আনন্দে কর্ণ পাতি
দেওঁ উপদেশ ঊর্দ্ধবাহু উচ্চ কৰি।
এহিমানে মাত্র মহা মন্ত্র সংসাৰ দুর্ঘোৰ বিষহাৰী
নমো নাৰায়ণ বুলিয়োক মুখ ভৰি ।। ৬০০
সকল নিগম কল্পতক তাৰ ফল মহা ভাগৱত
শুক মুখে আসি ভূমিত ভৈল বিদিত।

ৰসত চতুৰ যিটো জন কৃষ্ণৱ চৱণে দিয়া মন
পৱম সন্তোষে পিয়োক ফল অমৃত ।। ৬০১
হৰিক সতত স্মৰা প্রজা সমস্ত পুণ্যৰ ইসে ৰজা
হৰি সুমৰিলে সিজয় পুণ্য কিঙ্কৱ।
নাপাসৰিবাহা কদাচিত শুনা কথা ইটো বিপৰীত
হৰি পাসৰিলে সিজে পাপ নিৱন্তৱ ।। ৬০২
শুনিয়ো পার্ব্বতী তুমি এবে ৰাম ৰাম ৰাম বোলা যেবে
তোমাৰ বদন হৈবেক শ্রেষ্ঠ অমুল্য।
ৰাম ৰাম ৰাম ৰাম বুলি ৰামত ৰমোহো সর্ব্বক্ষণে
জানা ৰাম নাম সহস্র নামৰ তুল্য ।। ৬০৩
বেদাগম আদি কৰি যত বিস্তৰ শাস্ত্রত নাহি কায
বিস্তৰ তীর্থত নাহি কিছু প্রয়োজন।
সংসাৰ তৰিতে খোজা যেবে আপোন মোক্ষৱ হেতু তেবে
গোবিন্দ গোবিন্দ বেকত বোলা বচন ।। ৬০৪
মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো অতিশয়
আন দেৱ তেজি মোকেসে মাত্র ভজয়।
তাকে সে পৱম সাধু বুলি মানিবা মনত সর্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক আশ্রয় ।। ৬০৫
ভক্তিৰ মহিমা অদভুভ অধর্ম্ম তেজিয়া ধর্ম্ম চিত্ত
হোৱে শীঘ্রে মোক ভজি জানা কুন্তীসুত।
আক যি কুতর্কী নমানয় তথা গৈয়া বায়া বাগুচয়
বাহু মেলি কৰা অঙ্গীকাৰ অদভুত ।। ৬০৬
মোহোৰ পৱম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতার্থ অতি হোৱয়।
তোমাৰ প্রগল্‌ভ প্রৌঢ়ি শুনি সমস্ত কুতর্ক পৰিহৰি
গুৰুত্বে তোমাত কৰিবে সবে আশ্রয় ।। ৬০৭
আমাৰ নির্ম্মল ভকতিত দুৰাচাৰো তৱে কোন চিত্র
আমাক ভজিয়া চাণ্ডালো তৱে সংসাৰ।
স্ত্রী বৈশ্য শূদ্র আদি যত বিষয়ত মাত্র সদা ৰত
মোকে ভজি সুখে ইসবো হোৱে উদ্ধাৰ ।। ৬০৮
ব্রাহ্মণ ক্ষত্রিয় পুণ্য তনু মোক ভজি তৰিবেক পুনু
আত অদভুত নাহিকে কোন সংশয়।
ৰাজঋষি তনু আছা পাই অনিত্য অসুখ লোক জানি
আতি শীঘ্রে মোক ভজা সখি ধনঞ্জয় ।। ৬০৯
মোত মাত্র সদা দিয়া মন মোৰ ভক্ত হোৱা সর্ব্বক্ষণ
মোকে পূজা মাত্র মোক কৰা নমস্কাৰ।
কহিলো তোমাত সত্য বাণী পাইবা সুখে মোক মহামানী
তুমি প্রিয়তম সুহৃদ সখি আমাৰ ।। ৬১০
ভগৱন্ত দেৱ নিগদতি শুনিয়ো অর্জ্জুন মহামতি
তোমাত কহওঁ পৱম ইটো ৰহস্য।
ঐশ্বর্য্য বিভূতি বলে সমে জানে মোক যিটো নৰোত্তমে
সিয়ো ভৈল মোৰ ময়ো ভৈলো তাৰ বশ্য ।। ৬১১

অসম্মূঢ় ভাৱে যিটো জনে উত্তম পুৰুষ মোক জানে
তাকে সর্ব্ববেত্তা বুলিয়া সখি অর্জ্জুন।
যিটো সমস্তকে পৰিহৰি কায়মনো বাক্যে যত্ন কৰি
ভজয় আমাক পুৰুষ সিটো নিপুণ ।। ৬১২
মোত হন্তে হোৱে চৰাচৱ মোতেসে প্রৱর্ত্তে নিৱন্তৱ
ইহাকে অর্জ্জুন জানে যিটো মহাজন।
পৱম বিবেকী সিটো জন মোৰ ভাৱে যুক্ত হুয়া মন
মোক মাত্র ভজে শ্রৱণ কৰি কীর্ত্তন ।। ৬১৩
মোতেসে কেৱলে দিয়া চিত্ত মোতে মাত্র প্রাণ অর্পি নিত
অন্য অন্য মিলি মোকেসে বোধ কৰাৱে।
মোকে মাত্র কহে সর্ব্বক্ষণে পৱম সন্তোষ লভি মনে
আনন্দ সাগৱে মজি ৰহে প্রেম ভাৱে ।। ৬১৪
ৰহস্যক জানে যিটো লোক সততে কীর্ত্তন কৱে মোক
ধৰি দৃঢ় ব্রত কৰি যত্ন বিপৰীত।
মোৰ সর্ব্বোত্তম দুই পায়ে কৱে নমস্কাৰ ভক্তি ভাৱে
তাৰ মোৰ এড়া এড়ি নাহি কদাচিত ।। ৬১৫
মাধৱে কহন্ত অর্জ্জুনত শুনা ইটো পৱমার্থ তত্ত্ব
ভকতেসে মোৰ মহিমা জানে নিঃশেষ।
তত্ত্ব ৰূপে সখি জানি মোক তৰিয়া দুর্ঘোৰ দুখ শোক
অন্তকালে গৈয়া আমাত হোৱে প্রবেশ ।। ৬১৬
কৃষ্ণ নিগদতি সব্যসাচী পৱমার্থ তত্ত্ব লৈয়া বাচি
সুদৃঢ় বিশ্বাসে শৱণ লৈয়ো আমাত।
মোতে মাত্র সদা দিয়া চিত্ত গায়ো মোৰ গুণ নাম গীত
সকল শাস্ত্রৰ কহিলো সাৰ সাক্ষাত ।। ৬১৭
জানা শ্রীৰাম নাম নিজ সমস্ত শাস্ত্রৰ মূল বীজ
সঞ্জীৱনী প্রায় যাৰ মনে প্রবেশয়।
যদি হলাহল পান কৱে প্রলয় বহ্নিত যদি পড়ে
মৃত্যুৰ মুখত প্রবেশিলে নাহি ভয় ।। ৬১৮
পূর্ণশশী পূর্ণ দুগ্ধ সিন্ধু সিমত প্রকাশ নকৱয়
কমনীয় লক্ষ্মী বদনো সিমত নয়।
ঈশ্বৰ কৃষ্ণৰ পাদপাদ্ম ভজি স্পৃহা হীন ভৈল যিটো
সিটো মন গোট যিমতে শোভা কৱয় ।। ৬১৯
শ্রীমুকুন্দৰ নাম গুণ কীর্ত্তন প্রকাশে যি দিশত
সি দিশক প্রতি নমস্কাৰ যিটো কৱে।
চিদানন্দ ঘন স্বৰূপত ঈশ্বৰ কৃষ্ণত নিত্যাগত
পৱম আনন্দ কৱে সিটো সাধু নৱে ।। ৬২০
হৰি ভক্তি ৰাজমার্গ গুক্ত পদনখ চন্দ্র প্রকাশিত
শ্রুতি জননীৰ পদ পথ অনুসৰি।
ফুৱো হয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজন সৱে জানিবা নিশ্চয় কৰি ।। ৬২১

নিন্দা

শ্রীমন্ত শঙ্কৰে প্রকাশিলা গোবিন্দৰ নাম গুণ যশ
জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শঙ্কৰ গুরু বিনে কমন কাৰণে আন জনে
লোকৰ মাজত আপুনি গুরু বোলাৱে॥ ৬২২
বিষ্ণুৰ সহস্র নাম সদা আছন্তো জিহ্বায়ে তাক এড়ি
সদায়ে বিৰোধ বচন মাত্র ৰটয়।
বুদ্ধি বিষ্ণু তত্ত্ব পৰিহৰি অসন্ত বস্তুত ৰতি কৰি
যেন বেশ্যা যাক-পতিত মাত্র ৰময়॥ ৬২৩
সমস্তৰে আদি নৰতনু উত্তম কোটিয়ো নপায় পুনু
কোনো ভাগ্যোদয়ে পায় নাৱ দৃঢ় আতি।
গুরু ভৈল আত কর্ণধাৰ কৃষ্ণ ভৈল অনুকূল বায়ু
তথাপি সংসাৰ নতৰয় আত্মঘাতী॥ ৬২৪
মাধৱে বোলন্ত শ্রুতিস্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ঠ
যিটো জনে আক উলঙ্ঘিয়া প্রৱর্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞা ছেদী মোক দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়॥ ৬২৫
যত উগ্র তপ জ্ঞান গুণ যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্রয়োজন সাধিবেক তাসন্তাৰ।
কৃষ্ণ জগতৰ গুরু নিষ্ঠ সুখ মোক্ষপ্রদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নাহিকে যাৰ॥ ৬২৬
শিশুৰ বিষয় আশা আগ যুৱা সেৱা কৰে পায়া লাগ
বৃদ্ধে ভোগ কৰি পিঠি দিলে বিষয়ক।
হৰি ভকতিক পৰিহৰি বৃদ্ধে বিষয়ক টেৱ কৰি
পুনু পালটিয়া নিৰিখে আছে কিসক॥ ৬২৭
বালকে কৰোক বহু মান যুগায়ে সেৱোক পাৱেমান
বৃদ্ধে বিষয়ৰ বহির্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৱয় তথাপিতো আশা নছাড়য়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল॥ ৬২৮
বৃদ্ধ সৱে জানো বিষয়ক ভোগ কৰিবাক নপাৱয়
ভক্তিহীন বৃদ্ধে তেজিতে সমর্থ নয়।
দশন বিহীন কুত্তা যেন হাড় চোবাইবাক নপাৱয়
জিহ্বা লড়বড় কৰি মাত্র চেলেকয়॥ ৬২৯
বৈষ্ণৱ নিন্দক সূচকক বিষ্ঠা লুঠা গ্রাম্য শূকৱক
বিধতায়ে দুইকো ব্রজিলন্ত দয়া তৱে।
সূচকে জানিবা নিৰন্তৱে সাধু সমস্তক শুদ্ধি কৱে
যিমতে শূকৱে গ্রাম্যক শোধন কৱে॥ ৬৩০
মৃগ মীন মহা সাধু নৱে মনৰ সন্তোষে তৃণ জলে
হিংসা শূন্য হুয়া থাকয় জীৱন ধৰি।
তথাপিতো ইটো ত্রিতয়ৰ কৈৱর্ত্ত পিশুণ ব্যাধসৱ
ইটো জগতত তিনি অকাৰণ বৈৰী॥ ৬৩১

সমস্তৰে আত্মা নাৰায়ণ আত্মা সুখে ৰতি সর্ব্বক্ষণ
এহি হেতু হৰি সমস্ত প্রাণীত সম।
তাক যিটো ভজে সুখে তৱে নভজি সংসাৰে মজি মৱে
কৃষ্ণক বিষম বোলয় কোন অধম॥ ৬৩২

আত্মনিন্দা

হৰিসে কেৱল সঞ্চা মাত্র ৰাম ৰাম ৰাম ৰাম ৰাম
তান্ত বিনে মিছা যত দেখি শুনি মানে।
তাক যিটো মিছা কৰি আশা ৰাম ৰাম ৰাম ৰাম ৰাম
দুৰাচাৰ মন মৰস কেনে অজ্ঞানে॥ ৬৩৩
হৰি সত্য নিত্য ভগৱন্ত নাহি পূর্ব্বাপৰ আদি অন্ত
তাহান চৰিত্র পৰম আনন্দ ৰস।
তাক এড়ি মন দুৰাশয় যতেক বিষয় বিষময়
তাকে আশা কৰি সংসাৰে মজি মৰস॥ ৬৩৪

মহিমা

ৰা শৱদক উচ্চাৰন্তে ৰাম ৰাম ৰাম ৰাম ৰাম
মুখ হন্তে ৰাজ হুয়া পলায় পাপ মানে।
পুণ্যমানে হোৱে অভ্যন্তৰ ৰাম ৰাম ৰাম ৰাম ৰাম
ম বুলি অতি কপাট মাৰয় টানে॥ ৬৩৫
কৃষ্ণ প্রিয়তম আত্মা নিজ ৰাম ৰাম ৰাম ৰাম ৰাম
যাত হন্তে অণু মাত্রকো ভয় নুশুনি।
আক যিটো জানে সেহিজন ৰাম ৰাম ৰাম ৰাম ৰাম
বিস্তাৰন্ত গুরু সেহিসে হৰি আপুনি॥ ৬৩৬
অনন্ত শকতি তুমি ৰাম লক্ষ্মণ সুগ্রীৱ বিভীষণ
হনুমন্ত আদি মহা মহা বীৱগণে।
আনি তরু লতা পর্ব্বতক কতেক যোজন সমুদ্রক
সেতু বান্ধি পাৰ ভৈলাহা মহা যতনে॥ ৬৩৭
হে প্রাণ প্রভু ৰঘুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
তোমাত কৰিয়া তযু গুণ নাম সাৰ।
বিনা সেতু বন্ধ কৰি নৱে ৰাম ৰাম ৰাম ৰাম বুলি
অপাৰ সংসাৰ সমুদ্রৰ হোৱে পাৰ॥ ৬৩৮
কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো অন্তকালে নিজ প্রাণ তেজে
আত্মৰ শৱদে মুকুতি তাক দিৱয়।
আৰ কিবা বস্তু দিবো বুলি আৰ দুই পদে লজ্জা হুয়া
ঋণী ভৈলো বুলি দমায়া মাথা থাকয়॥ ৬৩৯
হে কৃষ্ণ তযু পদ মূলে একান্তে শৱণ লৱে যিটো
কোন লাভ ইটো এড়াইবে কালৰ ভয়।
তযু ভকতৰ সঙ্গ গোট সর্ব্ব পুরুষার্থ শিৱে শিৱে
চড়িয়া কৌতুকে অত্যন্ত নৃত্য কৱয়॥ ৬৪০
পৰম দুর্ব্বোধ আত্মতত্ত্ব তাৰ জ্ঞান অর্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।

তাহান চৰিত্র সুধাসিন্ধু তাত ক্রীড়া কৰি দীনবন্ধু
চাৰি পুরুষার্থ তৃণৰ সম কৱয়॥ ৬৪১
উরুক্রম পদৱেণু সেৱি ছয় ঊর্ম্মি জিনিলেক যিটো
সিটো পুরুষৰ জানিবা আশ্চর্য্য নাই।
তাকেসে আশ্চর্য্য বুলি ধৰি যাৰ নাম একবাৰ স্মৰি
চাণ্ডালো সম্প্রতি সংসাৰ বন্ধ এড়াই॥ ৬৪২
কৃষ্ণক বোলন্ত ধনঞ্জয় তোমাৰ কীর্ত্তনে কৃপাময়
আতি অনুৰাগে জগতে কৱে হৰিষ।
তোমাৰ কীর্ত্তনে অগনিৰ শিখায়ে দগধ হুয়া আতি
ৰাক্ষস পিশাচ পলাই যায় দশদিশ॥ ৬৪৩
ভক্তি সৱোৱৰে কৃষ্ণ পাদ পঙ্কজত পড়ি নিৰন্তৱে
পৰম আনন্দে ভকত ভ্রমৰ ৰাকে।
কৃষ্ণ যশ ৰস মধুপানে মত্ত হুয়া আতি সাৱধানে
ৰাম নাম ৰাজহংস ৰাৱ শুনি থাকে॥ ৬৪৪
ঐকান্তিক মহামুনি যত নিৰর্ত্তিয়া বিধি নিষেধত
নির্গুণ ভাৱত স্থিতি হুয়া নিৰন্তৱে।
জানি পুরুষার্থ সাৰ তত্ত্ব কৃষ্ণ কথামৃত সাগৱত
কথনে মথনে সদায়ে ৰমণ কৱে॥ ৬৪৫
হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষ ফল
তাহাৰ সবাৰে মনক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাড়িবা সাৰ জানি॥ ৬৪৬
শুক নিগদতি পৰীক্ষিত যদি আমি নির্গুণত স্থিত
তথাপি উত্তমশ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্রন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপোনে॥ ৬৪৭
তোমাত কহিবো সেহি শাস্ত্র তুমি আক শুনিবাৰ পাত্র
মহা পুরুষৰ সেৱক তুমি সম্প্রতি।
ই শাস্ত্রত শ্রদ্ধা মাত্র কত মুকুন্দৰ পাদ পঙ্কজত
অতি শীঘ্রে তাৰ হোৱে জানা সতি মতি॥ ৬৪৮
সৃষ্টি স্থিতি প্রলয়ৰ হেতু অনন্ত বিচিত্র কর্ম্ম হাৰি
কৰা যিটো তাক গারে শুনে প্রশংসয়।
অপৱর্গ দাতা ভগৱন্ত তাহান চৰণ পঙ্কজত
তিনিৱো নিশ্চয় উত্তম ভক্তি হোৱয়॥ ৬৪৯

নাম মহিমা

হৰি কীর্ত্তনৰ তাপ লাগি পলায় পাপ দশদিশে ভাগি
হেৰা পাইলে বুলি ভয়ত ভিড়ি লৱৰে।
ব্রহ্মাণ্ড ভিতৰে নপাই ঠাই আৰ ব্রহ্মাণ্ডক পলাই যাই
নামে খেদি নেন্ত ব্রহ্মাণ্ডোপৰি বাগৱে॥ ৬৫০
পাছে পাছে হৰি নামে খেদে একো ব্রহ্মাণ্ডত স্থান নেদে
মহা মহা পাতকৰ গর্ব্ব ভৈল দূৰ।
এবে কৈক যাইবো বুলি দড়ি কাম্পে পাপ সৱ তৰতৰি
হৰি নামে পাই দহি কৰিলেক চুৰ॥ ৬৫১
নামে পুরুষক শুদ্ধ কৰি ৱৈল নাম তাতে ভৰিপুৰি
ধর্ম্মময় তনু ভৈগৈল হৰি ভকত।
হৰিৰ করুণা ভৈল তাক উচ্চ কৰি দিয়া হৰি ডাক
পৰম সন্তোষে নাচে আতি আনন্দত॥ ৬৫২
শুদ্ধে বা অশুদ্ধে একনাম শুনে বা ভণে বা মনে স্মৰে
অপৰাধ হীন পুরুষক সদ্যে তাৰে।
দেহ ধন জন অর্থ লোভে পাষণ্ড বুদ্ধিয়ে যিটো লৱে
সিটো হৰি নামে তাৰিতে শীঘ্র নপাৱে॥ ৬৫৩

স্তুতি

বাসুদেৱ নিগদতি হাসি সাক্ষাতে বিদিত ভৈলা আসি
তুমি সে পুরুষ প্রকৃতিতো কৰি পৰ।
সমস্ত জীৱৰ বুদ্ধি সাক্ষী কেৱল আনন্দ অনুভৱ
স্বরূপ সুখৰ সাগৱ দেৱ ঈশ্বৰ॥ ৬৫৪
হে কৃষ্ণ যত জীৱ নিত্য তিনি তাপে হুয়া সন্তাপিত
দুর্যোৰ সংসাৰ তাপত পৰি আছয়।
তযু পদ শ্বেত ছত্র প্রায় অমৃত ৰৰিষে সর্ব্বদায়
আৰ ছায়া বিনে নেদেখে তাৰ আশ্রয়॥ ৬৫৫
বলি নিগদতি যদুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
কিনো কৃপা মোক কৰিলাহা নাৰায়ণ।
দেৱৱো দুর্ল্লভ আতিশয় ৰাম ৰাম ৰাম ৰাম ৰাম
গৃহতে থাকিয়া দেখিলো তযু চৰণ॥ ৬৫৬

শৱণ

শোক মোহ মহাপঙ্ক মাজে অর্জ্জুন মগন ভৈল দেখি
পৰম ঈশ্বৰ দেৱতা নন্দ নন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণ লৈলো শৱণ॥ ৬৫৭

নমস্কাৰ

হেন কৃষ্ণ ধনঞ্জয়সখা বৃষ্ণিকুলে শ্রেষ্ঠ দুষ্ট ৰাজা
বংশৰ দহন অনন্তবীর্য্য গোবিন্দ।
গো বিপ্র দেৱ দুখহাৰী যোগেশ্বৰ সমস্তৰ গুরু
নমো ভগৱন্ত তযু পদ অৰবিন্দ॥ ৬৫৮

প্রার্থনা

ব্রহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমতি যাই।
তুমিসি চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই॥ ৬৫৯

ক্ষুদ্র সুখে বহু আশা কৰি ভৱকূপে জীৱ আছে পড়ি
কাল সর্পে দংশি হৰিল চেতন তাৰ।
মোক্ষৰূপ তযু বাক্যামৃত কৃপায়ে সিঞ্চিয়া প্রতিনিত
দয়াময় কৃষ্ণ কৰিয়ো মোক উদ্ধাৰ ॥ ৬৬০
সৰোবৰে গ্রাহে ধৰি আছে গজেন্দ্র পীড়াক পায়া পাছে
আকাশে গৰুড় স্কন্ধে চক্র ধৰি হৰি।
দেখি সুবর্ণৰ পদ্ম ধৰি বোলে দুঃখে আর্ত্তনাদ কৰি
নমো ভগৱন্ত গুরু লৈয়ো দাস কৰি ॥ ৬৬১
মধুৰিপু ৰাম ৰঘুপতি তুমি ভকতৰ নিজ গতি
তোমাৰ চৰণে শৰণ কৰিলো সাৰ।
নমো দেৱ দীন দুঃখহাৰী দয়াশীল দামোদৰ প্রভু
আমি দুঃখিতক চৰণে কৰা উদ্ধাৰ ॥ ৬৬২
হে কৃষ্ণ তযু পাদপদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্রভু সর্ব্বথা।
প্রাণ প্রয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা ॥ ৬৬৩
হে কৃষ্ণ পুত্র পত্নী সঙ্গ তেজি তযু পদ চিন্তি নিত
গর্ব্বশূন্য সন্ত সৱৰ আশ্রমে যাইবো।
তাসম্বাৰ মুখপদ্ম মাজে হুইবে তযু কথামৃত নদী
তাতে মগ্ন হুয়া দেহাৰ হাত এড়াইবো ॥ ৬৬৪

তাৎপর্য্য

চাৰিয়ো বেদৰ চাৰি অক্ষৰ সাৰ কাঢ়ি আনি ব্রহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।
সেহি নাৰায়ণ নাম লৈয়া শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নজানি ॥ ৬৬৫
একে খানি মাত্র শাস্ত্র নিষ্ঠ দৈৱকী নন্দনে কৈলা যাক
দেৱো এক মাত্র দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্রৰ পদ সেৱা কর্ম্মো এক এহিমানে মাত্র
মন্ত্রো একো মাত্র তান নাম অদভুত ॥ ৬৬৬
কৃষ্ণে যশ ধৌত চিত্ত হুয়া সমস্তে ক্লেশক তৰি পুষ্টু
কৃষ্ণ দাসে কৃষ্ণ চৰণ মূল নেড়য়।
সকল সম্পূর্ণ নিজ গৃহে পথিক সকলে পায়া পুষ্টু
দুঃখ এড়াই যেন সিটো গৃহ নছাড়য় ॥ ৬৬৭
সকল উপনিষদে ধেনু দোগ্ধা ভৈল তাৰ নন্দসুত
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষে পান কৰয় ॥ ৬৬৮

বস্তু প্রকাশ

আদি সত্য যুগে শুদ্ধ ধর্ম্ম আছিলেক মাত্র হৰিনাম
দেৱ সৱে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্তে লোকক উদ্ধাৰিলা
শ্রীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰো পট ॥ ৬৬৯

আশ্রয়

নোহো জানা আমি চাৰি জাতি
চাৰিয়ো আশ্রমী নোহোআতি
নোহো ধর্ম্মশীল দানব্রত তীর্থগামী।
কিন্তু পূর্ণানন্দ সমুদ্রৰ গোপীভর্ত্তা পদ কমলৰ
দাসৰ দাসৰ তান দাস ভৈলো আমি ॥ ৬৭০

প্রশংসা

সেহি ধন্য লোক শুচিমন্ত সর্ব্বগুণে শ্রেষ্ঠ বিদ্যাৱন্ত
যজ্ঞে তপে আতি সি সি জন শুদ্ধমতি।
সি সি জন মহা দাতা জ্ঞানী সি সি সত্যবাদী মহামানী
পুরুষোত্তমত আছয় যাৰ ভকতি ॥ ৬৭১

মহিমাযুক্ত কীর্ত্তন প্রশংসা

যি দিশত মহা ভক্ত সরে শ্রীমন্ত কমললোচনক
পৰম সন্তোষে কীর্ত্তন যিটো কৰয়।
সি দিশক নমস্কাৰ কৰি দুর্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিটো হোৱয় ॥ ৬৭২
ৰামানন্দ পদ যুগলৰ মকৰন্দ মধুব্রত প্রায়
ভকত সকল যি দিশত প্রকাশয়।
সি দিশ জানিবা গঙ্গা দেৱী অনেক প্রবাহ ৰূপে আতি
পৰম নির্ম্মল স্বৰূপে শোভা কৰয় ॥ ৬৭৩
শ্রীমধুদ্বিষ ঈশ্বৰৰ কীর্ত্তন মঙ্গল নিৱন্তৰ
যিটো ভূমিভাগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধুলি যিটো শিৱে ধৰে নিশ্চয়ে জানিবা সিটো নৱে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত ॥ ৬৭৪
হে দেৱ মহেশ্বৰ হৰি তযু কথামৃত পান কৰি
বঢ়ায় ভকতি মনক শুদ্ধ কৰয়।
বৈৰাগ্যে সে সাৰ ভৈল যাৰ হেনয় বোধক লভি সুখে
পৰম নির্ম্মল বৈকুণ্ঠ গৈয়া পারয় ॥ ৬৭৫

নামান্বয়

কৃষ্ণ নিগদতি অর্জ্জুনত ইটো দেহা আমি অতিক্রমি
হৈয়া আছো শুদ্ধ ব্রহ্মতো কৰি উত্তম।
এতেকে সে জানা ইটো লোকে বেদতো প্রখ্যাত হুয়া আছে
মোৰ নাম ইটো প্রসিদ্ধ পুরুষোত্তম ॥ ৬৭৬

গুরু মাহাত্ম্য

যিটো মহামতি গুরুজনে হৰি ভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুরু ঋণ সুজিবাক প্রতি জানা নিষ্ঠ
অন্যত্র উপায় নাহি অঞ্জলিত পৰে ॥ ৬৭৭
হৰি ভক্তি দাতা গুরু ঋণ সুজিবাক যিটো অহঙ্কাৰ
অনেক যতনে মনত আলোচে মাত্র।
ঋণ সুজিবাক নপাৰয় জানিবাহা সিটো দুৰাশয়
উপলা সদৃশ বিনোদৰ ভৈল পাত্র ॥ ৬৭৮
হৰি যেন আতি কৃপাময় ভক্ত গুরু জনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্র ভিন।
কৃপা বসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজ গুণে তুষ্ট দুয়ো অহঙ্কাৰ হীন ॥ ৬৭৯

খেদ

আপোন নামক বহুতৰ কৰি নিজ শব্দ শক্তি দিয়া
কালৰ নিয়ম নিবিহিলা স্মৰণত।
এতাদৃশী তৱ কৃপা হৰি মোহোৰ দুর্দ্দৈব দেখা কিনো
অনুৰাগ প্রভু নভৈল তযু নামত ॥ ৬৮০
কত মহাদুঃখে পুণ্য কৰি অপবর্গ যোগ্য নৰতনু
পায়া পৃথিবীত বিষয় মজিয়া বৈল।
ইসি খেদ হৰি সেৱা তেজি আপোনাক আত্মাঘাত কৰি
সিটো মহাপাপী আপুনি বঞ্চিত ভৈল ॥ ৬৮১

ভাগৱত প্রশংসা

ভাৰত পুৰাণ আদি যত প্রকাশ কৰয় নানা মত
যত মহাজন সৱৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটি সূর্য্য সম প্রকাশয়
মহাভাগৱত নোহন্ত যাৰে বেকত ॥ ৬৮২

পৰম পুরুষার্থ

একান্ত ভকত যাৰা হয় কিছু অর্থ তাৰা নবাঞ্ছয়
মহা অদভুত হৰি গুণ নামময়।
পৰম মঙ্গল কৃষ্ণ যশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্রে মজি ৰহয় ॥ ৬৮৩

=ঘোষা-ছন্দ=

শৰণ

যাদৱ যদুনন্দন মাধৱ মধুসূদন
তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ ॥ ৬৮৪
ইৰাৰ ককণাময় হৰে কমলাপতি
মোকে নছাড়িবা নাৰায়ণ।
অকৃণ চৰণ তলে হৰে কমলাপতি
সত্যে সত্যে পশিলো শৰণ ॥ ৬৮৫
হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।
মানৱী জনম সফল কৈলো এ হৰি নাৰায়ণ ॥ ৬৮৬
গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ ॥ ৬৮৭
ৰাঘৱৰ অভয় চৰণে।
সত্যে সত্যে পশিলো শৰণে ॥ ৬৮৮
ৰামৰ চৰণে শৰণ লৈলো।
মানৱী জনম সফল কৈলো ॥ ৬৮৯
হৰি ও হৰি চৰণে লাগো।
অভয় চৰণে শৰণ মাগো ॥ ৬৯০
ৰাম ৰঘুপতি ৰঘুনন্দন।
তোমাৰ চৰণে লৈলো শৰণ ॥ ৬৯১

ভজন

গোপীনাথ গোবিন্দ ৰাম কৃষ্ণ হৰি।
ভজোহো তোমাৰ পদ কমলত ধৰি ॥ ৬৯২
ভজো গোবিন্দ তোমাৰ পায়।
মোক নছাড়িবা সেৱক দায় ॥ ৬৯৩
ৰাম কৃষ্ণ গোপীনাথ গোবিন্দ।
সেৱোহো তযু পদ অৰবিন্দ ॥ ৬৯৪
প্রণতপালক দেৱ গোবিন্দ।
ভজোহো তযু পদ অৰবিন্দ ॥ ৬৯৫
মোৰ প্রভুনাৰায়ণ এ, হৰি হৰি তোমাৰ চৰণ মনে ভজো।
তোমাক নজানি ভৱসিন্ধু মাজে মজো ॥ ৬৯৬
ভুবন মোহন ৰাম ভজিলো তোমাৰ পায়।
মহা মহা পাপী যাৰ নাম জপি উত্তম পদক পায় ॥ ৬৯৭
ৰাম কৃষ্ণ নাৰায়ণ নিৰঞ্জন নিৰাকাৰ
নির্ব্বিকাৰ নিৰাময় হৰি।
চিদানন্দ সদানন্দ পুরুষ পৰমানন্দ
ভজো তুৰা চৰণত ধৰি।
হৰি ৰাম বিভু প্রভু অনন্ত দৈত্যাৰি ॥ ৬৯৮

নমস্কাৰ

দীনবন্ধু ৰাম দয়াশীল দেৱ।
তুৰা পদ কমল সদায় কৰোঁ সেৱ ॥ ৬৯৯
মোৰ প্রভু ৰাম ককণাসাগৰ।
আমি দুঃখিতক নছাড়িবা দামোদৰ ॥ ৭০০

মধুৰিপু ৰাম কমললোচন।
তুৱা গুণ নাম ভৱ ভয় বিমোচন ॥ ৭০১
বন্দো মাধৱ মধুৰিপু ৰাম।
তুৱা পদ কমল যুগল হৰি এ ॥ ৭০২

উপদেশ

পীয়ো পীয়ো পীয়ো অমিয়া মাধুৰী হৰি নাম ৰাম ৰাম।
দূৰতে তেজিয়া থৈয়ো আন যত মনৰ কাম ৰাম ৰাম॥ ৭০৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই এ,
সকল নিগমে ওহি সাৰ।
সুমৰিতে হৰি বশ্য হোৱে ভাই এ,
সুখে পাই ভৱনদী পাৰ ॥ ৭০৪
ভাল উপায় পাইলো ভাই ভাই এ,
ৰাম নাম নিগম বহস্য।
এক চিত্ত মনে ভাব ভাই ভাই এ,
যাৰে নাম তাকে কৰে বশ্য ॥ ৭০৫
ৰাম কৃষ্ণ হৰি বুলিয়ো মুখে।
হৰি পদে মন মজায়ো সুখে ॥ ৭০৬
ৰাম বুলি ফুৰা বাহু আছাড়ি।
কপটৰ মোট পেলোৱা ফাড়ি ॥ ৭০৭
ভজ ভগৱন্ত ভকতি ভাৱে।
নাম লৈয়া গতি পতিতো পাৱে ॥ ৭০৮
ৰাম নাম খানি ফুৰিয়ো গায়া।
কি কৰিবেক হৰিৰ মায়া ॥ ৭০৯
ৰাম নাম খানি লৈয়ো ডাটি।
হেলায়ে মাৰিয়ো যমৰ ঘাটি ॥ ৭১০
মুখে ৰাম নাম গাৱ।
মায়াৰ বাজু মাৰিয়া যাৱ ॥ ৭১১
ৰাম কৃষ্ণ নাম জপ সঘনে।
হৰিৰ চৰণ নেড়িবা মনে ॥ ৭১২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা।
আশা সমুদ্রৰ মন তোলা ॥ ৭১৩
ৰাম কৃষ্ণ হৰি বুলিয়ো ঝাণ্টে।
মিলিবে মৰণ হাটে কি বাটে ॥ ৭১৪

মহিমা

হৰিত শৰণ লৈয়া যিটো জন এ,
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ,
সিটো মহাজনে আতি অপ্ৰয়াসে তৰে ॥ ৭১৫
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই এ,
পৰম যতনে তেজিয়া যত অন্যায়।
তোমাক মই ভাণ্ডো তুমি মোক ভাণ্ডা এ,
চৈধ্যয় সাক্ষীক ভাণ্ডিবা কোন উপায় ॥ ৭১৬
ভাৰত বৰিষ ধন্য কলিযুগ হৰি হৰি হৰি হৰি এ,
হৰি হৰি হৰি ব্ৰহ্মাৰ প্ৰাৰ্থনী নৱতনু অনুপাম।
হৰিত একান্তে শৰণ পশিয়া হৰি হৰি হৰি হৰি এ,
হৰি হৰি হৰি ধৰ্ম্ম শিৰোমণি ঘুষিয়ো হৰিৰ নাম। ৭১৭

আত্ম উপদেশ

বিচাৰি দেখস পামৰ মনাই এ,
ইহ পৰলোকে হৰিসে সুহৃদ বন্ধু ৰাম ৰাম।
মজিয়া বহস সুহৃদ মনাই এ,
হৰি গুণনাম অপাৰ আনন্দ সিন্ধু ৰাম ৰাম ॥ ৭১৮
নিচিন্তি আছস কমন মনাই এ,
সুখৰ সাগৰ হৰিত নকৰি ৰতি ৰাম ৰাম।
আলাস তেজিয়া ভজিয়ো মনাই এ,
ভৃত্য ভয়হাৰী হৰি সে পৰম গতি ৰাম ৰাম ॥ ৭১৯
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলবে পামৰ মন
ভুলিৱা কমনে পাপী মৰ।
যাৰ মায়া পাশে বন্দী হুয়াছ পামৰ মন
তান দুই চৰণত ধৰ ॥ ৭২০
গোবিন্দ বোল মনাই মুকুন্দ বোল মনাই।
ব্ৰহ্মা হৰে যাত শৰণ পশয় আনৰ কোন বড়াই ॥ ৭২১
বিষয় বিকলে নমৰ মন।
সদায়ে চিন্তোয়ো হৰি চৰণ ॥ ৭২২
নিগম নিগূঢ় হৰিৰ নাম।
নলৈয়া মন কৰ কোন কাম ॥ ৭২৩
ভৱসিন্ধুসেতু হৰি চৰণ।
যম কাল মায়া দুঃখ তৰণ ॥ ৭২৪
কপট আচাৰ তেজিয়া মন।
কেৱলে ভজিয়ো হৰি চৰণ ॥ ৭২৫
কৈতব তেজিয়া ভজিয়ো হৰি।
তেবে সে হৰি লৈবে দাস কৰি ॥ ৭২৬
হৰিৰ আশ্রয় নেৰিবা ভাই।
ঐকান্তিক সুখ তেবেসে পায় ॥ ৭২৭
একান্তে হৰিত কৰিয়ো ৰতি।
হৰি সে নিজ ভকতৰ গতি ॥ ৭২৮
সৰ্ব্ব পুৰুষাৰ্থ কৈতব জান।
হৰি মাত্ৰ সত্য বেদ প্ৰমাণ ॥ ৭২৯
পৰম শ্রেয়স হৰি ভকতি।
জানি হৰি পাৱে কৰিয়ো ৰতি ॥ ৭৩০
হৰি গুণ নাম কৰিয়ো সাৰ।
নিজ যশ প্রিয় জগ আধাৰ ॥ ৭৪১

বিধিৰ ঈশ্বৰ হৰি ভকতি।
গায়ো হৰি যশ নির্ম্মল মতি ॥ ৭৩২
লৈয়ো একমাত্র সাধু সঙ্গতি।
তেবেসে নির্ম্মল হৈব ভকতি ॥ ৭৩৩
যাৱত কৈতব নেৰস মন।
তাৱত নপাইবি হৰি চৰণ ॥ ৭৩৪
কৈতব অসত্য জান ভাল কৰি।
ভজিয়ো হৰিক কৈতব এড়ি ॥ ৭৩৫
হৰিত বিনাই সবে কৈতব।
ভজ হৰি পাৱে কৰি উৎসৱ ॥ ৭৩৬
ক্ষণিক জীৱন জানি মনাই।
তৰিয়ো সুখে হৰি গুণ গাই ॥ ৭৩৭
দুৰ্ঘোৰ সংসাৰ নিকাৰ জানি।
নেড়িবা মুখে সদা ৰাম বাণী ॥ ৭৩৮
তেবেসে হৰিৰ পাইবা আশ্রয়।
ভজিয়ো হৰি তেজি লাজ ভয় ॥ ৭৩৯
নির্গুণ হৰিৰ গুণক গায়া।
পৰমানন্দ পাইবা তেজি মায়া ॥ ৭৪০
হৰি গুণ নাম নিগম তত্ত্ব।
মুকুত সৱৰো মুখ্য সম্মত ॥ ৭৪১
জানি হৰি পদে নেড়িয়ো আশ।
কহে মূঢ়মতি মাধৱ দাস ॥ ৭৪২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বিনে আন নাই।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল মন ভাই ॥ ৭৪৩
হৰি পদ সেৱা সুখে গুছয় সংসাৰ ভয়।
হৰি পদ সেৱা সুখে হৰিয়ো সন্তোষ হয় ॥৭৪৪

নিন্দা

হৰিৰ নামৰ কীৰ্ত্তন সুখ।
নজানে যিজন হৰি বিমুখ ॥৭৪৫
নকৰে কীৰ্ত্তন যিটো পামৰ।
সিজন অধীন ভৈল যমৰ ॥৭৪৬
হৰি গুণ নাম নলৱে মুখে।
যমৰ যাতনা ভুঞ্জিবে দুখে ॥৭৪৭
নকৰে কীৰ্ত্তন হৰি নামৰ।
কি কার্য্যে মনুষ্য ভৈল পামৰ ॥৭৪৮
হৰি কীৰ্ত্তনত নকৰে ৰতি।
পশুতো অধম সিটো কুমতি ॥৭৪৯
দুকুৰে সদা হৰি গুণ গায়া।
জানিবা মুহিলে হৰিৰ মায়া ॥৭৫০
হৰি কীৰ্ত্তনত নেদিলে চিত্ত।
ভাগ্য শূন্য ভৈল বঞ্চিত ॥ ৭৫১

আত্ম নিন্দা

য়।
তুমি প্রাণ প্রিয়তম সুহৃদ পৰম দেৱ ৭৯৩
প্রাণ প্রভু পীতাম্বৰ এ, ণ।
তুমিসে কেৱলে আত্মা মোৰ, ॥৭৯৪
হৰি হৰি তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্রাণ প্রভু পীতাম্বৰ এ,
আত্মা বুলি ভৈলো সেৱাচোৰ,
প্রাণবন্ধু কিনো মই অজ্ঞানী দুর্ঘোৰ ॥ ৭৫২

খেদ

দুর্ব্বাৰ দুঃসঙ্গ দুর্ব্বাসনা দুষ্ট হৰি হৰি হৰি হৰি এ
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত।
অনাত্মা দেহক আত্মা বুদ্ধি কৰি হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত ॥ ৭৫৩
অন্ত্যান্তিক সুখ তযু পদসেৱা হৰি হৰি হৰি হৰি এ
সেৱা পৰিহৰি সি সুখে ভৈলো বঞ্চিত।
মায়াময় ঘোৰ সংসাৰ নিকাৰ হৰি হৰি হৰি হৰি এ
তাকে সুখ মানি মগ্ন ভৈল মোৰ চিত্ত ॥ ৭৫৪
তুমি শুদ্ধ বুদ্ধ নিত্য নির্ম্মল নির্গুণ দেৱ
মোৰ প্রভু নাৰায়ণ এ,
স্বৰূপ আনন্দে সদা সুখী,
হৰি হৰি তুমি নিজানন্দে সদা সুখী।
আমি মূঢ়মতি ঘোৰ অবিদ্যা সাগৰে মজি
মোৰ প্রভু নাৰায়ণ এ,
তোমাক নজানি ভৈলো দুঃখী,
হৰি হৰি স্বৰূপ নজানি ভৈলো দুঃখী ॥ ৭৫
অখণ্ডিত সদা শুদ্ধ চৈতন্য শক্তিৰ বলে
মোৰ প্রভু নাৰায়ণ এ,
তুমি দূৰ কৰি আছা মায়া,
হৰি হৰি তোমাৰ নিকটে নাহি মায়া।
তোমাক নভজো পদে মায়ায়ে মুহিলে মোক
মোৰ প্রভু নাৰায়ণ এ,
আৱে কৃপাময় কৰা দায়া,
হৰি হৰি মায়াক নিবাৰি কৰা দায়া ॥ ৭
দৈৱকীনন্দন দেৱ দৈৱকীনন্দন দেৱ
দীনবন্ধু দামোদৰ এ,
হৰি হৰি চৰণে উদ্ধাৰ কৰা মোক,
প্রাণবন্ধু ইবাৰ নেড়িবা হৰি মোৰ
ভকতি মিনতি স্তুতি প্রণতি নজা
দীনবন্ধু দামোদৰ এ,
হৰি হৰি
প্রাণ

মধুৰিপু ৰা নিজ আত্মা প্রিয়তম গুৰু
তুৰা ৎপ্রভু নাৰায়ণ এ,
বন্দে পৰম ঈশ্বৰ ভয়হাৰী,
হৰি হৰি তুমি ইষ্টদেৱ ভয়হাৰী।
এতেক জানিয়া তযু চৰণে শৰণ লৈলো
মোৰ প্রভু নাৰায়ণ এ,
নছাড়িবা ইবাৰ মুৰাৰি,
হৰি হৰি লৈয়ো মোক মায়াক নিবাৰি ॥ ৭৫৮
মনুষ্য যোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ক্ষুৰি
দীনবন্ধু দামোদৰ এ,
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো অপাৰ,
দীনবন্ধু কতবা ভুঞ্জিলো নাহি পাৰ।
ইবেলি তোমাৰ দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ,
হৰি হৰি নকৰিবা মোক পৰিহাৰ,
প্রাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ ॥ ৭৫৯
পুনু পুনু নৰতনু লভিয়া তোমাক তেজি
দীনবন্ধু দামোদৰ এ,
হৰি হৰি সংসাৰে ভ্রমিলো অসংখ্যাত,
দীনবন্ধু কতবা কৰিলো আয়াজাত।
কৰুণাময় তোমাৰ কিঙ্কৰ ভৈলো
নবন্ধু দামোদৰ এ,
হৰি হৰি ৰতি মোৰ ৰহোক তোমাত,
প্রাণবন্ধু চৰণত কৰো প্রণিপাত ॥ ৭৬০

নাম মহিমা

ৰাম নামেসে অমিয়া জুৰে।
ভকত জন মনোৰথ পূৰে ॥ ৭৬১
ভাল ভাৱসা পায়া আছি হৰি কৰুণাময়,
ৰাম কৃষ্ণ কৃপাৰ ঠাকুৰ।
ৰাম বুলিতে পাপী তৰে হৰি কৰুণাময়,
সকল আপদ হোৱে দূৰ ॥ ৭৬২
ভকত সবে ৰাম নাম গাৱে।
কাল মায়া ডৰে তৰতৰাৱে ॥৭৬৩

কাৰুণ্য

হৰিত শৰণ লৈয়া ৰ মোৰে প্রাণ মোৰ প্রাণধন ৰাক্ষৰ মুৰাৰি।
হৰি শুনিছো গোবিন্দ তুমি দীন দুঃখহাৰী ॥৭৬৪
দুর্ঘোৰ অপাৰ সংসাৰ সাগৰাৰ্ণৱ প্রাণ গোপীনাথ পশিলো শৰণে।
সিটো মহাজনে আতাক তোমাৰ চৰণে ॥ ৭৬৫
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই এ, অমিয়া মাধুৰী ৰুৰে।
পৰম যতনে তেজিয়া যত অন্যায়পথ পূৰে ॥ ৭৬৬

জয় জয় নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন দেৱ শিৰ সনাতন।
পৰম অভয় তোমাৰ চৰণ তাপ তিনি বিনাশন ॥ ৭৬৭
দয়াশীল দেৱ দামোদৰ তুমি দীন জন বন্ধু।
পতিতপাৱন তুমি কৃপাময় কেৱল ককণাসিন্ধু ॥ ৭৬৮
হৰি হৰি হৰি হৰি এ হৰি হৰি হৰি তুমি
কৃপাময় দীন দুখ বিনাশন।
ভৃত্যভয়হাৰি জানিয়া তোমাৰ চৰণে লৈলো শৰণ ॥৭৬৯
হে কৃষ্ণ দীন দয়াশীল দীন দয়াশীল দয়া নছাড়িবা মোক।
অজ্ঞান তিমিৰ নাশিয়া বিজ্ঞান প্রদীপ প্রভু দিয়োক ॥ ৭৭০
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ৰাম কৃষ্ণ ৰাম কৃষ্ণ অগতিৰ গতি।
অচিন্ত্য অনন্ত সুখৰ সাগৰ কৃষ্ণৰ পদ ভকতি ॥৭৭১
হে প্রাণ প্রভু কৃষ্ণদেৱ প্রাণ কৃষ্ণদেৱ দীনক কৰিয়ো দয়া।
পৰম তাপিতে মাগোহো তোমাৰ শীতল চৰণছাঁয়া ॥ ৭৭২
প্রাণ প্রিয়তম যদুদেৱ দিয়ো মোক এহি দান।
কৰায়ো তোমাৰ চৰণ সেৱাৰ সন্তোষ অমিয়া পান ॥ ৭৭৩
নমো ৰাম কৃষ্ণ সদাশিৱ সদাশিৱ কৃষ্ণ তুমি জগতৰ পতি।
অপায় ৰহিত মাগোহো ভকতি চৰণে কৰি প্রণতি ॥৭৭৪
জগত গুৰু নাৰায়ণ জগত গুৰু নাৰায়ণ।
মোৰ প্রভু ৰাম কৃষ্ণ ৰাম হৰি ও হৰি ৰাম কৃষ্ণ ৰাম ॥ ৭৭৫
ৰাম কৃষ্ণ নিৰঞ্জন ৰাম কৃষ্ণ নিৰঞ্জন।
তুমি প্রভু অগতিৰ গতি দীনবন্ধু নাৰায়ণ ॥ ৭৭৬
গোপীনাথ গোপীনাথ মোৰে কমলাকান্ত মোৰ প্রভু ৰাম
নাৰায়ণ।
অভয় চৰণ পাই পশিলো শৰণ ॥ ৭৭৭
অনাদি অনন্ত হৰি জীৱন বন্ধু ৰাম কৃষ্ণ ককণা সাগৰ।
অনাথৰ নাথ দয়াশীল দামোদৰ ॥ ৭৭৮
পৰম পুৰুষ হৰি এ পৰমানন্দ পৰম কাৰণ নাৰায়ণ।
ভকতৰ ধন তযু অকণ চৰণ অনন্ত অচ্যুত সনাতন ॥ ৭৭৯
জয়তি জগত গুৰু এ গুণৱনিধি নিত্য নিৰঞ্জন নিৰাকাৰ।
তোমাৰ চৰণে সদা শৰণ আমাৰ ॥ ৭৮০
দৈৱকী নন্দন প্রভু এ পৰম গুৰু দয়াশীল দেৱ নিৰঞ্জন।
তুৰা পদ কমলে মজোক মোৰ মন ॥ ৭৮১
জগত জীৱন যদু এ যাদৱানন্দ জগত কাৰণ যদুপতি।
তুমিসে কেৱল নিজ ভকতৰ গতি ॥ ৭৮২
ভকত বৎসল প্রভু এ ভকত বন্ধু ভকত ৰঞ্জন ভয়হাৰী।
ভকতৰ নিজ গতি তুমিসে মুৰাৰী ॥ ৭৮৩
পতিত জনৰ গতি এ জগত পতি পতিত পাৱন ভগৱন্ত।
পৰম ঈশ্বৰ দেৱ অনাদি অনন্ত ॥ ৭৮৪

তাৎপর্য্য

ককণাময় ৰাম ককণাময়।
কৰিয়ো কৃপা যেন উচিত হয়

তুমিসে ৰাম কৃপা ৱসৰ নিধি।
তোমাৰ কৃপা বিনে নাহিকে সিদ্ধি ॥ ৭৮৬
তোমাৰ কৃপাকেসে কৰিছো আশ।
অকৃণ পদতলে দিয়োক বাস ॥ ৭৮৭
সহজে তুমি ৰাম ককণাসিন্ধু।
তোমাত বিনে আন নাহিকে বন্ধু ॥ ৭৮৮
তোমাৰ কৃপা-লেশে আমাৰ গতি।
কহয় মাধৱ মূকখ মতি ॥ ৭৮৯

কাকুতি

কিমতে ভকতি কৰিবো তোমাত হৰি এ,
মই মূঢ়মতি নজানো তাৰ উপায়, ৰাম ৰাম।
মহা বলৱন্ত দুর্ব্বাসনা ঘোৰ হৰি এ,
আমাৰ মনক তেজিয়া দূৰ নযায়, ৰাম ৰাম ॥ ৭৯০
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাওঁ, ৰাম ৰাম।
অভয় চৰণে শৰণ পশিলো হৰি এ,
তুৰা গুণ নাম ভকতি প্রদীপ চাওঁ, ৰাম ৰাম ॥ ৭৯১
ভকতি মিনতি প্রণতি নজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীনমতি নাই, ৰাম ৰাম।
তুমি প্রভু কৃপা ৱসৰ সাগৰ হৰি এ,
দিয়ো মোক তুৰা পদছাঁয়া তলে ঠাই, ৰাম ৰাম ॥৭৯২
হৰি এ ককণাসিন্ধু জীৱন বন্ধু গতি মতি তুমি নাৰায়ণ।
তুৰা গুণ নাম ভকতৰ মহাধন ॥ ৭৯৩
পতিত বুলিয়া মোক হৰি হৰি এ ৰাম,
তেজিতে নপাৰা নাৰায়ণ।
পৰম ককণা গুণে হৰি হৰি এ ৰাম,
নাম ধৰিছা পতিত-পাৱন ॥ ৭৯৪
দয়াৰ ঠাকুৰ হৈয়া দয়া কেনে নকৰয়,
ৰাম কৃষ্ণ নাৰায়ণ দীন দয়াময় ॥৭৯৫
মোকে কৃপা কৰা হৰি এ দান্তে ধৰো তৃণ মাথে ধৰো তৃণ,
তুমি কৃপাময়ক নজানো এত দিন ॥ ৭৯৬
মোক কৃপা কৰা এ ঐ বন্ধু ৰাম প্রাণবন্ধু ৰাম।
মোকে কৃপা কৰা হৰি এ নেড়োক মুখে ৰাম কৃষ্ণ নাম ॥৭৯৭
পতিতপাৱন বুলি নাৰায়ণ এ,
পৰম পতিতে ডাকে আতুৰ হুয়া।
তযু বেদৰাণী আমি আছো শুনি এ,
মহা মহা পাপী তৰে তযু নাম লৈয়া ॥ ৭৯৮
তুৰা গুণ নাম অমৃত আশায়ে এ,
তোমাৰ চৰণে বিকা গৈলো মূঢ়মতি।
চৰণত ধৰো কাতৰ কৰো এ,
মই অনাথক নছাড়িবা যদুপতি ॥ ৭৯৯

তোমাৰ সেৱক ভৈলো নাৰায়ণ এ,
নিশ্চয়ে তোমাৰ দিবাক লাগে প্রসাদ।
মোক ভৃত্য কৰি লৈলে গোপীনাথ এ,
তযু কৃপাময় মিলয় কোন প্রমাদ ॥ ৮০০
হে দয়াশীল দেৱ দামোদৰ এ,
তোমাৰ চৰণে বোলোহো কাকুতি বাণী।
মোক নিজ দাস কৰি লৈলে হৰি এ,
কহিয়ো কৃপাল তোমাৰ কি হয় হানি ॥ ৮০১
পৰম কৃপালু হৈয়া যদুপতি এ,
কোন অপৰাধে মোক ভৃত্য পৰিহৰা।
শাস্ত্রতো প্রসিদ্ধ অজ্ঞানতো হৰি এ,
যিটো নাম লয়ে তাকে মোৰ বুলি ধৰা ॥ ৮০২
জ্ঞানশূন্য আতি পশুপক্ষী জাতি এ,
তাকো অনুগ্রহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ,
আমাক তোমাৰ তেজিতে উচিত নয় ॥ ৮০৩
তোমাৰেসে নিজ ভৃত্য ভৈলো হৰি এ,
কৃপাৰ সাগৰ তুমি মোৰ নিজ স্বামী।
মই অনাথক নৱঞ্চিবা হৰি এ,
তযু সেৱা ৱস আশা কৰি আছো আমি ॥ ৮০৪
বেদৰ গুপুত বিত্ত নাৰায়ণ এ,
দৈৱকীত হস্তে সাক্ষাতে ভৈলা বিদিত।
জীৱৰ তাৰণ হেতু নাৰায়ণ এ,
প্রচাৰিলা নিজ যশ ধর্ম্ম বিপৰীত ॥ ৮০৫
ভকতৰ বশ্য হুইবাৰ শঙ্কায়ে এ,
জানো মোক তুমি দাস পৰিহৰা হৰি।
ইটো শঙ্কা হৰি দূৰতে তেজিয়া এ,
লৈয়োক তোমাৰ ভৃত্যৰ অধীন কৰি ॥ ৮০৬
তোমাৰ গুণৰ মহিমা দেখিয়া এ,
আন যত কাম দূৰতে তেজিয়া থৈলো।
তযু পদ সেৱা ৱসক আশায়ে এ,
তোমাৰ একান্ত ভৃত্যৰ কিঙ্কৰ ভৈলো ॥ ৮০৭
সহজ কৃপালু গুণক প্রকাশি এ,
ধৰি আছা হৰি ভকতৱৎসল নাম।
ধেনু যেন মতে বৎসক পালয় এ,
তুমি সেহি মতে ভকতক পালা ৰাম ॥ ৮০৮
আমি যত জীৱ তোমাৰ পালন হৰি হৰি হৰি হৰি এ,
তুমিসে পালিয়া ক্ষুধা হৈয়া অন্তর্যামী।
আৰে যেৰে নিজ ভৃত্য বুলি পালা হৰি হৰি হৰি এ,
তেৰেসে কৃপাল কৃতকৃ হও আমি ॥ ৮০৯
তুমি যাক পালা সিয়ো জন আমি হৰি হৰি হৰি হৰি এ,
সংসাৰ নিকাৰ জিয়া ফুৰো বহুত।

তোমাৰ অধীন হুয়া কেনে আমি হৰি হৰি হৰি হৰি এ,
ভৈলোহো স্বতন্ত্ৰ ইটো কিনো অদভুত ॥ ৮১০
তোমাক পৰম ঈশ্বৰ নমানি হৰি হৰি হৰি হৰি এ,
মহা অহঙ্কাৰে দ্ৰোহ আচৰিলো আমি।
আৰে তযু পদে শৰণ পশিলো হৰি হৰি হৰি হৰি এ,
মই দ্ৰোহিয়াৰ দোষ ক্ষমা কৰা স্বামী ॥ ৮১১
দাস হুয়া তযু সেৱা নকৰিলো হৰি হৰি হৰি হৰি এ,
ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই।
তুমি পুনু প্ৰভু সহজ কৃপালু হৰি হৰি হৰি হৰি এ,
শৰণ পশিলো ক্ষমিবে প্ৰভু যুৱাই ॥ ৮১২
মই অজ্ঞানীৰ যতেক অজ্ঞান হৰি হৰি হৰি হৰি এ,
কথা কহি কোনে সীমা কৰিবেক তাক।
ইটো মোৰ ঘোৰ দোষ পৰিহৰি হৰি হৰি হৰি হৰি এ,
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক ॥ ৮১৩
প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা হৰি হৰি হৰি এ,
কৃষ্ণসে সুহৃদ বান্ধৱ গুৰু আমাৰ।
কৃষ্ণৰ চৰণ পঙ্কজ বিনাই হৰি হৰি হৰি হৰি এ,
মই অনাথৰ গতি নাহি নাহি আৰ ॥ ৮১৪

প্ৰাৰ্থনা

অচিন্ত্য অনন্ত শকতিৰ পতি হৰি হৰি হৰি হৰি এ,
তুমি কৃপাময় দেৱ অগতিৰ গতি।
তুমি সত্য সনাতন সদাশিৱ হৰি হৰি হৰি হৰি এ,
তোমাৰ চৰণে মাগোহো নিৰ্ম্মল ৰতি ॥ ৮১৫
হৰি মোৰ মুখে নছাড়োক হৰি হৰি হৰি হৰি এ,
পৰম নিৰ্ম্মল তযু গুণ নাম যশ।
কৰা কৃপা কৃষ্ণ মনত মিলোক হৰি হৰি হৰি হৰি এ,
তযু পদ সেৱা পৰম অমিয়া ৰস ॥ ৮১৬
জয় জয় ৰাম করুণাসাগৰ এ,
মোক নাৰায়ণ ইবাৰ কৰিয়ো দায়া।
অভয় চৰণে শৰণ পশিলো এ,
প্ৰভু দামোদৰ দূৰ কৰা মোৰ মায়া ॥ ৮১৭
যাদৱ যদুনন্দন মুকুন্দ মুৰবিনাশী।
অবিদ্যা সাগৰে মজিলো মাধৱ উদ্ধাৰ কৰিয়ো আসি ॥৮১৮
জীৱন যাদৱ ৰায় সেৱোহো তোমাৰ পায়
ৰাম নেড়িবা নফৰ দায়।
তুৱা পাৱে ৰতি যিমতে কৰিবো দিয়োক নাথ উপায় ॥ ৮১৯
যাদৱ জয় যদুপতি তোমাৰ চৰণে লাগোঁ।
শ্ৰৱণ কীৰ্ত্তন নিৰ্ম্মল ভক[illegible] কাকুতি কৰিয়া মাগো ॥ ৮২০
দীন দয়াশীল যাদৱ সেৱক লৈ[illegible] উদ্ধাৰি।
দান্তে তৃণ ধৰি চৰণত ধৰো নেড়ি[illegible] মোক মুৰাৰি ॥ ৮২১

করুণাময় করুণাসাগৰ কৃপাৰ করুণাসিন্ধু।
তোমাৰ কৃপাৰ আমি নোহো পাত্ৰ তুমি পুনু দীনবন্ধু ॥ ৮২২
ৰাম কৃষ্ণ হৰি গোবিন্দ দীন দয়াশীল স্বামী।
তোমাৰ চৰণে সহজ বাসনা শৰণ মাগোহো আমি ॥ ৮২৩
মোৰ প্ৰাণবন্ধু গোবিন্দ সেৱক কৰিয়া লৈয়ো।
আন একো কাম নমাগো তোমাৰ ভৃত্যৰ সঙ্গত থৈয়ো ॥৮২৪
জয় যদুপতি যাদৱ তুমি অগতিৰ গতি।
দান্তে তৃণ ধৰি তোমাৰ চৰণে মাগোহো সঙ্গতি ॥ ৮২৫
ৰাম কৃষ্ণ হৰি গোবিন্দ সেৱক ভৈলো তোমাৰ।
অভয় চৰণে শৰণ পশিলো চূৰিয়ো মায়া হামাৰ ॥ ৮২৬
গোবিন্দ গোপাল গোপীনাথ দয়া নছাড়িবা মোৰে।
অপাৰ সংসাৰ আৰ নাহি পাৰ মজিলো এ দুঃখ ঘোৰে ॥৮২৭
হৰি হৰি হৰি হৰি এ কৃষ্ণ ৰাম, নাৰায়ণ নাৰায়ণ।
কৰা হৰি মোৰ মায়া উপশাম, নাৰায়ণ নাৰায়ণ ॥ ৮২৮
গোপীনাথ ইবাৰ মোকে নেড়িয়ো।
তযু মায়া জাল জঞ্জাল গুচাই চৰণে শৰণ দিয়ো ॥ ৮২৯
গোপাল গোপাল পালয় কৃপাময়।
তুৱা পাৱে মোৰ মতি যেন নছাৰয় ॥ ৮৩০
ৰাম ৰাঘৱ ৰঘুপতি এ,
তুমি দেৱ অগতিৰ গতি, না এ,
তুৱা পদকমলৰ মকৰন্দ ৰসে ৰতি
কৰিয়া থাকোক মোৰ মতি, না এ ॥ ৮৩১
জয় যাদৱ যদুপতি এ
তুৱা পাৱে পশিলো শৰণ, না এ।
ভাল কথা শুনি আছি মনে লৈলো সাৰ বাছি
তুৱা নাম পতিত পাৱন, না এ ॥ ৮৩২
প্ৰাণ বান্ধৱ মাধৱ এ
দয়াশীল দৈৱকীনন্দন, না এ।
তুমি দেৱ দীনবন্ধু কেৱল করুণাসিন্ধু
কৰো তযু চৰণে বন্দন, না এ ॥ ৮৩৩
চিদানন্দ ৰাম সদানন্দ হৰি।
নিত্যানন্দ কৃষ্ণ মোক লৈয়ো দাস কৰি ॥৮৩৪
হৰি তুমি আনন্দ সিন্ধু।
হামো ভিক্ষাৰী মাগো এক বিন্দু ॥ ৮৩৫
মধুৰিপু ৰাম ৰঘুপতি।
তোমাৰ চৰণে মোৰ গতি ॥ ৮৩৬
অৰুণ চৰণে দিয়ো ছাঁয়া, ৰাম ৰাম।
তেবেসে তৰিবো তযু মায়া, ৰাম ৰাম ॥ ৮৩৭
দান্তে তৃণ ধৰি হৰি চৰণত লাগো।
তযু কৃপা ৰসৰ কণিকা এক মাগো ॥ ৮৩৮
দয়া কৰা দয়া কৰা
মোৰে হে ৰাম।

তোমাৰ চৰণ হৰি হৃদয় পঙ্কজে ধৰি
মুখে লৈবো তুৱা গুণ নাম ॥ ৮৩৯
ৰাম কৃষ্ণ বুলি অনাথে ডাকয়, এ হৰি নাৰায়ণ।
অনাথক দয়া কৰা কৃপাময়, এ হৰি নাৰায়ণ ॥ ৮৪০
নাৰায়ণ নাৰায়ণ নাৰায়ণ নাৰায়ণ জয় নাৰায়ণ।
তোমাৰ অৰুণ চৰণ পঙ্কজে নিমজোক মেৰি মন ॥ ৮৪১
নাৰায়ণ নাৰায়ণ তুৱা চৰণে ৰাম।
মজোক মন জয় ৰাম ॥ ৮৪২
এ ৰাম ৰাম ৰাম জয় পৰমানন্দ।
পিওঁ তযু চৰণ কমল মকৰন্দ ॥ ৮৪৩
এ ৰাম ৰাম কৃষ্ণ ৰাম নাৰায়ণ।
তযু পদ কমলে মজোক মেৰি মন ॥ ৮৪৪
এ ৰাম ৰাম কৃষ্ণ ৰাম নিৰঞ্জন।
তুমি হে ঈশ্বৰ দেৱ ভকত ৰঞ্জন ॥ ৮৪৫
ৰাম ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
তুমি গুণ নিয়ন্তা নিৰ্গুণ গুণধাম ॥ ৮৪৬
ৰাম কৃষ্ণ ৰাম হৰি ৰামচন্দ্ৰ ৰাম ৰাম,
শ্ৰীৰাম দেৱ ৰঘুপতি।
হে প্ৰভু ৰঘুনাথ প্ৰণামো দমায়া মাথ
তুমি মোৰ হৈবা নিজ গতি, হৰি ৰাম ॥ ৮৪৭
গোপাল গোবিন্দ ৰাম গোপাল গোবিন্দ ৰাম,
গোপাল গোবিন্দ জয় ৰাম।
তোমাৰ চৰণে হৰি কেৱল ভকতি বিনে,
মোৰ আৰ নাহি আন কাম, হৰি ৰাম ॥ ৮৪৮
গোপীনাথ গোপীনাথ গোপীনাথ গোপীনাথ,
গোপীনাথ গোপীনাথ হৰি।
তোমাৰ অভয় দুই চৰণে শৰণ লৈলো
লৈয়ো মোক নিজ দাস কৰি, হৰি ৰাম ॥৮৪৯

= নাম ছন্দ =

নান্দী ঘোষা

কৃষ্ণ।
কৃষ্ণ ॥৮৫০
কৃষ্ণ ৰাম।
কৃষ্ণ ৰাম ॥৮৫১
কৃষ্ণ কৃষ্ণ ৰাম।
জয় জয় ৰাম ॥৮৫২
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ ॥৮৫৩

নাম

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটী ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী ॥৮৫৪
গোবিন্দ ৰাম মুৰাৰি মুকুন্দ ৰাম মুৰাৰি।
ভকতি ৰোচন দুঃখ বিমোচন ভকতৰ ভয়হাৰী ॥৮৫৫
পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি।
অনাদি অনন্ত অচুত্য গোবিন্দ ভকতৰ ভয়হাৰী ॥৮৫৬
জয় যাদৱ এ মোৰে প্ৰাণ জীৱেৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তযু অৰুণ চৰণ ॥৮৫৭
ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি জয় নাৰায়ণ ॥৮৫৮
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম এ হৰি নাৰায়ণ ॥৮৫৯
ৰাম ৰাম ৰাম ৰাম ৰাম।
ৰাম কৃষ্ণ হৰি নাৰায়ণ ॥৮৬০
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
ৰাম ৰাম হৰি হৰি হৰি ॥৮৬১
হৰি হৰি ৰাম ৰাম কৃষ্ণ ৰাম ৰাম ৰাম।
শ্ৰীৰাম জয় জয় ৰাম ।৮৬২
গোপাল জীৱেৰ জীৱন যদুৰায় ৰাম ৰাম ৰাম ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ জয় ৰাম জয় ৰাম ॥৮৬৩
দীন দয়াশীল দেৱ দামোদৰ হৰি দামোদৰ।
দামোদৰ দামোদৰ দেৱ দামোদৰ ॥৮৬৪
অনাদি অনন্ত সদাশিৱ সনাতন হৰি এ
নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন।
নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন ॥৮৬৫
মুৰাৰি মধুৰিপু ৰাঘৱ এ ৰাম ৰঘুপতি
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম।
ৰাম ৰাম ৰাম নাৰায়ণ জয় নাৰায়ণ ॥৮৬৬
যাদৱ যদুপতি মাধৱ এ ৰাম কৃষ্ণ নাৰায়ণ হৰি নাৰায়ণ।
নাৰায়ণ নাৰায়ণ হৰি নাৰায়ণ ॥৮৬৭
ৰাম কৃষ্ণ গোবিন্দ গোপীনাথ হৰি গোপীনাথ।
গোপীনাথ গোপীনাথ হৰি গোপীনাথ ॥৮৬৮
করুণাসাগৰ মোৰ বান্ধৱ এ।
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ॥৮৬৯
ৰাম ৰাম ৰাম ৰাম ৰাম গোবিন্দ।
ৰাম ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম ৰাম ॥৮৭০
ৰাম কৃষ্ণ হৰি গোপাল।
গোবিন্দ মুকুন্দ ৰাম মুৰাৰি ॥৮৭১
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ॥
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৭২
[illegible] হৰি হৰি
নাহি ভক্তি ৰাম নাম সম ৰাম

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ।
ৰাম গোবিন্দ জয় ৰাম ॥৮৭৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম হৰি ৰাম কৃষ্ণ ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৭৪
হৰি ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
পতিতপাৱন হৰি গুণে অনুপাম ॥৮৭৫
মোৰ প্ৰভু নাৰায়ণ ৰাম কৃষ্ণ ৰাম।
ভকত বৎসল হৰি গুণে অনুপাম ॥৮৭৬
ৰাম কৃষ্ণ নাৰায়ণ হৰিৰে হে।
প্ৰভুৰে হে ৰাম ৰাম ৰাম ॥৮৭৭
মুকুন্দ মাধৱ মুৰাৰি মধুৰিপু।
জগতজীৱন ৰাম হৰি হৰি ॥৮৭৮
জয়তি যদুপতি জগতজীৱন।
যাদৱ মাধৱ ৰাম হৰি হৰি ॥৮৭৯
ৰাম ৰাম ৰাম ৰাঘৱ ৰঘুপতি।
পৱন পুৰুষ ৰাম জয় জয় জয় ॥৮৮০
ৰাম ৰাম কৃষ্ণ ৰাম ৰাম কৃষ্ণ।
ৰাম ৰাম কৃষ্ণ ৰাম ৰাম হৰি হৰি ॥৮৮১
প্ৰণতপালক দেৱ হৰি হৰি।
প্ৰপন্নতাৰক দেৱ জয় জয় ॥৮৮২
হৰিতো হৰি হৰি হৰিতো হৰি হৰি।
হৰিতো হৰি হৰি ৰাম জয় জয় ॥৮৮৩
কৃষ্ণ দেৱ তুমি প্ৰভু দীন দুঃখহাৰী।
ভকতৰঞ্জন ভয়ভঞ্জন মুৰাৰি ॥৮৮৪
গোপাল গোপীনাথ গোবিন্দ ৰাম ৰাম।
গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ ৰাম ॥৮৮৫
গোবিন্দ ৰাম গোবিন্দ ৰাম।
গোপাল গোবিন্দ ৰাম ৰাম ॥৮৮৬
হৰি হৰি হৰি ৰাম গোবিন্দ।
মুৰাৰি মুকুন্দ জয় ৰাম ॥৮৮৭
ৰাম কৃষ্ণ হৰি ৰাম ৰাম ৰাম।
গোপাল গোবিন্দ জয় ৰাম ॥৮৮৮
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
অমিয়া মধুৰী তনু নাম ॥৮৮৯
ৰামকৃষ্ণ ৰাম কৃষ্ণ জয়।
ৰাম কৃষ্ণ দীন দয়াময় ॥৮৯০
যাদৱ মাধৱ দীনদয়াল।
দৈৱকী নন্দন ৰাম গোপাল ॥৮৯১
ৰাম ৰঘুপতি পৱমানন্দ।
দীপৱম পুৰুষ দীনবন্ধু গোবিন্দ ॥৮৯২
[illegible]ন্তেৰ ইষ্টদেৱ যাদৱ ৰায়।
[illegible] কৰিবাৰ নামে উপায় ॥৮৯৩

গোবিন্দ ৰে জয় কৃষ্ণ জগত জীৱন ৰাম।
জগত জীৱন ৰাম হৰি হৰি জগত জীৱন ৰাম ॥৮৯৪
সহজানন্দ হৰি স্বৰূপানন্দ।
হৃদয়ানন্দ হৰি পৱমানন্দ ॥৮৯৫
গোপাল গোবিন্দ ৰাম মাধৱ।
ভকত জনৰ তুমি বান্ধৱ ॥৮৯৬
গোপাল গোবিন্দ গৰুড়কেতু।
ভকতৰ ধন জীৱন হেতু ॥৮৯৭
ৰাম নিৰঞ্জন নিৰাময়।
জয় জগন্নাথ দয়াময় ॥৮৯৮
গোবিন্দ গোবিন্দ গোবিন্দ ৰাম।
পতিতপাৱন তোমাৰ নাম ॥৮৯৯
হৰি ৰাম শ্ৰীৰাম।
ৰামন পৱশুৰাম ॥৯০০
মুকুন্দ মুৰাৰি।
দীন দয়াশীল হৰি ৰাম ॥৯০১
কমললোচন।
দুঃখ মোচন মুৰাৰি ৰাম ॥৯০২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
ৰাম নাৰায়ণ ৰাম কৃষ্ণ ৰাম ॥৯০৩
বনমালী গোবিন্দ।
ৰাম কৃষ্ণ হৰি ॥৯০৪
জীৱেৰ জীৱন ধন।
মুকুন্দ মুৰাৰি নাৰায়ণ ॥৯০৫
ৰাম কৃষ্ণ হৰি অনন্ত মুৰাৰি এ হৰি নাৰায়ণ।
ভকত জনৰ দুঃখ ভয়হাৰী নাৰায়ণ
এ হৰি নাৰায়ণ ॥৯০৬
নমো নাৰায়ণ নমো নাৰায়ণ।
নিৰঞ্জন নিৰাকাৰ নিৰ্ব্বিকাৰ নিৰাময়
নৰোত্তম সত্য সনাতন ॥৯০৭
ৰাম হৃষীকেশ।
গোবিন্দ হৃষীকেশ ॥৯০৮
গোবিন্দ ৰাম গোবিন্দ ৰাম।
কৃষ্ণ গোবিন্দ ৰাম ॥৯০৯
এ ৰাম ৰাম কৃষ্ণ ৰাম নাৰায়ণ!
কৃষ্ণ গোবিন্দ ৰাম ॥৯১০
হৰি ৰাম কৃষ্ণ ৰাম।
[illegible]বে ৰাম কৃষ্ণ ৰাম ॥৯১১
[illegible]ন্তে তৃ[illegible]ষ্ণ ৰাম কৃষ্ণ।
[illegible]ষ কৃপা [illegible]ম নাৰায়ণ ॥৯১২
জয় ৰাম কৃষ্ণ ৰাম।
কৃষ্ণ ৰাম কৃষ্ণ হৰি ॥৯১৩

এবে কৃ[illegible] কৃষ্ণ ৰাম কৃষ্ণ শিৱ সনাতন।
দোষ ম[illegible] সে গোবিন্দ ভকতৰ নিজ ধন ॥৯১৪
ইবাৰ দ[illegible] হৰি ৰাম জয় শ্ৰীৰাম।
মোৰ ম[illegible] মঙ্গল মাধৱ গুণ নাম জয় হৰি ৰাম ॥৯১৫
কৃষ্ণ ৰাম জয় জয় ৰাম।
মোৰ প্ৰভু মথন মুৰাৰি হৰি ৰাম কৃষ্ণ কৃষ্ণ ৰাম ॥৯১৬
হৰিৰে কমলাপতি তুমি অগতিৰ গতি।
কৃষ্ণ হৰিতি মিনতি স্তুতি নজানো পামৰ মতি ॥৯১৭
হৰি এ পাল জয় ৰাম।
হৰিৰে হৰিন্দ জয় ৰাম ॥৯১৮
গোবিন্দপাল গোবিন্দ।
কৃষ্ণ মুকুন্দ ॥৯১৯
হৰি হৃদিবিন্দ গোবিন্দ দৈৱকীনন্দন।
[illegible]ৰি হৰি ৰাম নাৰায়ণ ॥৯২০
গোপাল গোবিন্দ!
মুকুন্দ ৰাম ॥৯২১
হৰি ৰাম শ্ৰীৰাম।
জয় জয় ৰাম ৰাম ॥৯২২
এ ৰাম জয় ৰাম জয় ৰাম জয় ৰাম।
ও হৰি ৰাম ৰাম জয় জয় ৰাম ॥৯২৩
শিৱ শিৱ শিৱ শিৱ শিৱ।
শিৱ সনাতন জগজীৱ ॥৯২৪
মাধৱ মাধৱ মধুৰিপু।
গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম ॥৯২৫
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়।
মুৰাৰি এ হৰি ৰাম ৰাম। ॥৯২৬
প্ৰাণ গোপাল।
দীনবন্ধু নাৰায়ণ ॥৯২৭
হে হে পৱম গুৰু হৰি পুৰুষোত্তম হৰি পুৰুষোত্তম।
পুৰুষোত্তম পুৰুষোত্তম জয় পুৰুষোত্তম ॥৯২৮
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ।
জয় নাৰায়ণ ॥৯২৯
মোৰ প্ৰভু নাৰায়ণ পৱমানন্দ হৰি পৱমানন্দ।
পৱমানন্দ পৱমানন্দ হৰি পৱমানন্দ ॥৯৩০
ৰাম কৃষ্ণ ৰাম কৃষ্ণ প্ৰভু দেৱ নাৰায়ণ নাৰায়ণ।
নাৰায়ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ প্ৰভু দেৱ ॥৯৩১
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
পতিতপাৱন হৰি গুণে অনুপাম ॥৯৩২
গোপাল গোবিন্দ হৰি ৰাম ৰাম ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ৰাম ॥৯৩৩
পৱম পুৰুষ শিৱ সনাতন।
অনন্ত অচ্যুত নিত্য নিৰঞ্জন ॥৯৩৪

ৰাম নিৰঞ্জন ও ৰাম নিৰঞ্জন।
নিৰাকাৰ হৰি হে ৰাম ॥ ৯৩৫
ৰাম সদাশিৱ ও ৰাম সদাশিৱ।
সনাতন প্ৰভু ৰে ৰাম ॥ ৯৩৬
ৰাম দয়াশীল মোৰ প্ৰভু।
দয়াশীল দেৱ দীনবন্ধু ৰে ৰাম ॥ ৯৩৭
হৰি হৰি পৱমানন্দ প্ৰভু পীতাম্বৰ হৰি পীতাম্বৰ।
পীতাম্বৰ পীতাম্বৰ প্ৰভু পীতাম্বৰ ॥ ৯৩৮
হৰি হৰি ৰাম ৰাম্বৰ হৰি ৰাম।
হৰি হৰি এ নাৰায়ণ জয় গোবিন্দ ৰাম ॥ ৯৩৯
পৱমানন্দ জয় পৱমানন্দ
হৰি হৰি হৰি হৰি হৰি হৰি এ।
হৰি হৰি এ পৱমানন্দ জয় পৱমানন্দ ॥ ৯৪০
কমলাকান্ত জয় কমলাকান্ত
কমললোচন বনমালী হৰি
বনমালী এ কমলাকান্ত জয় কমলাকান্ত ॥ ৯৪১
দামোদৰ প্ৰভু দামোদৰ দৈৱকীনন্দন দীনবন্ধু।
হৰি এ দীনবন্ধু এ দামোদৰ দেৱ দামোদৰ ॥ ৯৪২
জগতজীৱন ৰাম [illegible]ৰ পতি জগতজীৱন ৰাম
[illegible]গ হৰি হৰি জগতজীৱন ৰাম।
জগতজীৱন ৰাম [illegible]গা পতি জগতজীৱন ৰাম হৰি হৰি
জগতজীৱন ৰাম ॥ ৯৪
জগতজীৱন ৰাম জগতজীৱন ৰাম জগতজীৱন ৰাম।
জগতৰ সুমঙ্গল তুৱা গুণ নাম ॥ ৯৪৪
মধুসূদন দেৱ মধুসূদন দেৱ।
তুমি বিনে অগতিৰ গতি নাই কেৱ ॥ ৯৪৫
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম হৰি হৰি।
ৰামতে ৰমোহো অবিৰাম ৰাম ৰাম ॥ ৯৪৬
ৰাম নাম ধৰ্ম্ম অনুপাম হৰি হৰি।
পূৰা ভকতৰ মনকাম ৰাম ৰাম ॥ ৯৪৭
কলিযুগে ৰাম নামে সাৰ হৰি হৰি।
ৰাম নাম বিনে নাহি আৰ ৰাম ৰাম ॥ ৯৪৮
ৰাম বুলি পাৱে ভৱ পাৰ হৰি হৰি।
ৰাম নাম জগত উদ্ধাৰ ৰাম ৰাম ॥ ৯৪৯
ৰাম নাম অমূল্য ৰতন হৰি হৰি।
ৰাম নাম বিনে নাহি ধন ৰাম ৰাম ॥ ৯৫০
ৰাম-নমে মুক্তি-বিড়ম্বন হৰি হৰি।
জপ ৰাম নাম অনুক্ষণ ৰাম ৰাম ॥ ৯৫১
ৰাম-নাম ভকতি-সুগম হৰি হৰি।
ৰাম নাম পাতকৰ যম ৰাম ৰাম ॥ ৯৫২
ৰাম নাম ধৰ্ম্মেতো উত্তম হৰি হৰি
নাহি ভক্তি ৰাম নাম সম ৰাস

ৰাম নাম ধৰ্ম্ম শিৰোমণি হৰি হৰি।
ৰাম নাম পাপৰ অগণি ৰাম ৰাম ॥ ৯৫৪
ৰাম নাম মৃত্যুসঞ্জীৱনী হৰি হৰি।
ৰাম নাম ঘুষিয়োক ছানি ৰাম ৰাম ॥ ৯৫৫
জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ হৰি।
জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ
হৰি হৰি ৰাম জগন্নাথ জগন্নাথ হৰি ॥ ৯৫৬
নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি।
নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি
হৰি হৰি ৰাম নিৰঞ্জন নিৰঞ্জন হৰি ॥ ৯৫৭
গোপাল গোপাল গোপাল গোপাল
গোপাল গোপাল গোপাল ৰাম।
গোপাল গোপাল গোপাল গোপাল
গোপাল গোপাল গোপাল ৰাম ॥ ৯৫৮
ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম।
ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম ॥ ৯৫৯
গোবিন্দ ৰাম গোবিন্দ ৰাম গোবিন্দ ৰাম
গোবিন্দ গোবিন্দ ৰাম গোবিন্দ ৰাম হৰি
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ গোবিন্দ গো[illegible] গোবিন্দ গোবিন্দ
গো[illegible]ন্দ গোবিন্দ ৰাম।
মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি
মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি হৰি ৰে হে
হৰি হৰি হৰি হৰি হৰি হৰি হৰি ৰাম শ্ৰীৰাম ॥ ৯৬০
ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম
কৃষ্ণ হৰি ৰাম ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি মুকুন্দ মুৰাৰি মাধৱ মধুসূদন
হৰি হৰি যাদৱ যদু নন্দন ॥ ৯৬১
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
ৰাম ৰাম ৰাম হৰি হৰি হৰি ৰাম ৰাম ৰাম ৰাম ॥ ৯৬২
হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি
হৰি এ প্ৰাণবন্ধু হৰি হৰি হৰি হৰি এ
মোৰ প্ৰাণধন হৰি এ অনাদি অনন্ত প্ৰভু ভগৱন্ত।
ভজো চৰণত ধৰি এ হৰি হৰি ভজো চৰণত ধৰি এ
পতিতপাৱন প্ৰভু নাৰায়ণ সেৱক লৈয়ো উদ্ধাৰি।
দীনবন্ধু সেৱক লৈয়ো উদ্ধাৰি গোবিন্দ জয় ৰাম ॥ ৯৬৩
মুৰাৰি মুকুন্দ ৰাম মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ ৰাম জয়।
সুমৰণে পাপ ক্ষয় মিলে মহা মহোদয়
দুঃখচয় গুচে শোক ভয় হৰি ৰাম ৰাম ॥ ৯৬৪
[illegible] গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ ৰাম কৃষ্ণ।
[illegible]মালী বাসুদেৱ পদ্মনাভ জনাৰ্দ্দন
দী পৰ[illegible]
[illegible]ন্তোৰ ইষ্ট[illegible]ধৱ মুকুন্দ মুৰাৰি হৰি ৰাম ॥ ৯৬৫
[illegible] কৰিব.

মাধৱ মধুৰ মূৰতি মধুসূদন দনুজদমন দুঃখহাৰি
পীতাম্বৰধৰ শ্যামসুন্দৰ হ
জয় জয় মুকুন্দ মুৰাৰি হৰি ৰাম ॥ ৯৬৬
ৰাম জয় হৰি জয়
ৰাম কৃষ্ণ ৰাম ৰাম হৰি জয় ॥ ৯৬৭
ৰাম কৃষ্ণ যিটো সততে সুমৰে তাৰ আৰ কাক ভয়।
[illegible] ধৰ্ম্মৰ উপৰে বসিয়া ৰামনাম প্ৰকাশয় ॥ ৯৬৮
[illegible]কৃষ্ণ নাম কীৰ্ত্তন বিনাই কৃত্য শেষ নথাকয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তনে কৃষ্ণ কৃপাৰ মন্দিৰ হয় ॥ ৯৬৯
ৰাম কৃষ্ণ নাম কীৰ্ত্তন প্ৰভাৱে সংসাৰ সুখে তৰয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তনে সমস্তে বিঘিনি নাশ কৰয় ॥ ৯৭
ৰাম কৃষ্ণ নাম ৰসক লভিয়া মুকুতিকো নগণয়।
ৰাম কৃষ্ণ নাম পৰম আনন্দ সমুদ্ৰে মজি থাকয় ॥ ৯৭১
ৰাম কৃষ্ণ কীৰ্ত্তন প্ৰসাদে হৰিৰ বল্লভ হয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তন কৰিয়া হৰিকো বশ্য কৰয় ॥ ৯৭২
ৰাম হৰি জয় ৰাম হৰি।
গোপাল গোবিন্দ ৰাম হৰি জয় ॥ ৯৭৩
ৰাম হৰি জয় ৰাম।
হৰি জয় ৰাম ৰাম ॥ ৯৭৪
এ হৰি হৰি ৰাম জয় ৰাম হৰি।
জয় ৰাম গোবিন্দ ॥ ৯৭৫
ৰাম জয় জয় ৰাম জয়।
মুকুন্দ মুৰাৰি ৰাম হৰি জয় ॥ ৯৭৬

খেদ

হৰি হৰি হৰি হৰি হৰি হৰি হৰি
কি কাম কৰিলো আমি।
সাধু সঙ্গ লৈয়া তোমাক নভজি
ভৈলো কিনো অধোগামী ॥ ৯৭৭
নিজ দাস হুয়া সেৱাক তেজিলো।
এহি দোষে ঘোৰ আপদে মজিলো ॥ ৯৭৮
তুমিসি সুহৃদ আত্মা প্ৰিয়তম।
তথাপি তোমাক নজানো অধম ॥ ৯৭৯
তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ।
মই মন্দমতি ভৈলো সেৱাচোৰ ॥ ৯৮০
অধমকো তাৰে তোমাৰ ভকতি।
তথাপি তোমাক নভজো কুমতি ॥ ৯৮১
ইষ্ট দেৱ বুলি তোমাক নধৰো।
নিকাৰ ভুঞ্জিয়া সংসাৰতে মৰো ॥ ৯৮২
তুমিসে কেৱলে করুণাসাগৰ।
তোমাক নভজো কি মই পামৰ ॥ ৯৮৩

এবে কৃপাময় দিয়োক শৰণ।
দোষ মৰিষণ তোমাৰ চৰণ ॥৯৮৪
ইবাৰ ঈশ্বৰ নাছাড়িবা মোক।
মোৰ মন মজি তোমাতে ৰহোক ॥৯৮৫
মোৰ প্ৰাণ হৰে জীৱন প্ৰাণ হৰে।
হৰিৰে হৰি এ ৰাম ৰাম কৃষ্ণ হৰে ॥৯৮৬
কৃষ্ণ হৰি এ প্ৰাণ হৰি এ
হৰি এ ৰাম ৰাম ৰাম ॥৯৮৭
হৰিৰে হৰিৰে ৰাম জয় জয় হৰি নাৰায়ণ।
গোবিন্দ ৰে জয় কৃষ্ণ ৰাম।
জয় ৰাম জয় ৰাম ॥৯৮৮
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম।
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম ॥৯৮৯
হৰি হৰি এ নাৰায়ণ জয় গোবিন্দ ৰাম।
ৰাম কৃষ্ণ গোবিন্দ হৰি ৰাম গোবিন্দ জয় ॥৯৯০
গোবিন্দ কৃষ্ণ ৰাম ৰাম ৰাম।
গোবিন্দ গোবিন্দ ৰাম ৰাম ॥৯৯১
গোবিন্দ মাধৱ প্ৰাণ বান্ধৱ।
ৰাম কৃষ্ণ হৰি জয় ॥৯৯২

হিয়াৰ মাজে নামৰ ভণ্ডাৰ মুখে বাজ হয়।
ৰাম নামে মৰণা মাৰে পাপ কটকৰ ক্ষয় ॥৯৯৩
পাপ বিপক্ষক সংহৰি হৰি নামে খলখলি হাসে।
সকলো ধৰ্ম্মৰ ওপৰে বসিয়া হৰিৰ নাম প্ৰকাশে ॥৯৯৪
মুকুতি সুখক বশ্য কৰি হৰি নামে আনন্দত নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে ॥৯৯৫
আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চৰে।
যিটো নাম লয় হৰি তাৰ হয় ই পুনু ৰহস্য বড়ে ॥৯৯৬
হৰি গুণনাম ভাবিয়া পুৰুষে ৰহয় হৰিৰ পাশে।
হৰিৰ চৰণ হৃদয়ে ধৰিয়া কহয় মাধৱ দাসে ॥৯৯৭

তাৎপৰ্য্য

এভাৱক ভাই ভজ ভগৱন্ত ভক্তি ভাৱে
ভগৱন্ত ভজিয়া পৰম গতি পাৱে ॥৯৯৮
ভগৱন্ত নভজি চলয় যমঠাৱে।
ভগৱন্ত ভকতক শমনে নধাৱে ॥৯৯৯
ভগৱন্ত ভজিয়া জনম বাহুড়াৱে।
আন যত সৱে মিছা ভক্তিৰ অভাৱে ॥১০০০
জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মূৰুখমতি গাৱে ॥১০০১

ভক্তি-ৰত্নাৱলী

=প্ৰথম ভক্তি বিৰচন=

পদ

জয় জয় কৃষ্ণ কৃপা অমৃত সাগৰ ।
যাৰপদ সেৱন্ত বিৰিঞ্চি মহেশ্বৰ ॥
মহা বিশ্বদ্ৰোহী তবে যাৰ লৈলে নাম ।
হেন কৃষ্ণপদে কৰো সদায় প্ৰণাম ॥১
গুণ কাল কৰ্ম্ম মায়া অধীন যাহাৰ ।
কৰে কটাক্ষতে সৃষ্টি পালন সংহাৰ ॥
হেন মহেশ্বৰ কৃষ্ণ নিত্য নিৰঞ্জন ।
সদায় প্ৰণামো তান অৰুণ চৰণ ॥২
মোৰ নিজ গুৰু হৃদীশ্বৰ যদুৰায় ।
দিয়ো উপদেশ মোক কৃপাদৃষ্টি চাই ॥
পদবন্দে নিবন্দিবো তযু গুণচয় ।
জানি কৃপাময় মোত হুয়োক সদয় ॥৩
কৃষ্ণ পাদপদ্ম দুই হৃদয়তে ধৰি ।
গুৰুৰ চৰণ মনে শিৰোগত কৰি ॥
ভক্তি-ৰত্নাৱলী গ্ৰন্থ ভাগৱত সাৰ ।
মুকুখ মাধৱে পদ কৰিলা প্ৰচাৰ ॥৪
কৃষ্ণক স্মৰণে আৰম্ভৰ সিদ্ধি হোক ।
বোলো কৰযোড়ে শুনা সভাসদ লোক ॥
অল্পমতি হুয়া বৰ কৰিলো আৰম্ভ ।
জানি মহাজনে নকৰিবা উপালম্ভ ॥৫
গৰুড়ৰ উৰাৱ যদ্যপি সম নুহুই ।
পখা অনুৰূপে পক্ষী তেৱেকি হুড়ই ॥
যদি অনুচিত হয় মোৰ ইটো কৰ্ম্ম ।
তথাপিতো মহন্ত জনৰ ক্ষমা ধৰ্ম্ম ॥৬
হেন জানি মোৰ যত দোষ পৰিহৰি ।
কৃষ্ণ কথা ৰস পান কৰা কৰ্ণ ভৰি ॥
নাহি ধৰ্ম্ম কৃষ্ণকথা শ্ৰৱণত পৰে ।
যাক শুনি অতি অন্ত্য জাতিও নিস্তৰে ॥৭
জানি শুনা আন যত ত্যজিয়া চাতুৰী ।
আছিলন্ত সন্ন্যাসী নানত বিষ্ণুপুৰী ॥
পৰম মহন্ত মহাজন মাঝে সাৰ ।
তেন্তে কৰিলন্ত ভাগৱত সাৰোদ্ধাৰ ॥৮
ভক্তি-ৰত্নাৱলী নামে নাই পটন্তৰ ।
পৰম অমূল্য ৰত্ন ভকত জনৰ ॥
মতি অনুসাৰে পদ নিবন্ধিবো আৰ ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ ॥৯
মহাজন সবৰ সম্মত অনুসৰি ।
কৃষ্ণৰ কীৰ্ত্তন ৰূপ মঙ্গল আচৰি ॥
ভক্তসমে মাধৱক কৰিয়া সেৱলি ।
বিৰচিল বিষ্ণুপুৰী ভক্তি-ৰত্নাৱলী ॥১০
নিখিল বেদৰ সাৰ মহাভাগৱত ।
সদ্য ভক্তিপ্ৰদ যাৰ অতুল মহত ॥
এতেকেসে সমস্ত বেদত শ্ৰেষ্ঠতৰ ।
পৰম গোপনি ইটো সমস্ত শাস্ত্ৰৰ ॥১১
মহা অন্ধকাৰময় দুৰ্ঘোৰ সংসাৰ ।
আক তৰিবাক প্ৰতি ইচ্ছা আছে যাৰ ॥
তাক কৃপা কৰি যিটো মহামুনি শুকে ।
পৃথিবীত ব্যক্ত আনি কৰিলা উৎসুকে ॥১২
আত্মা প্ৰকাশক ইটো প্ৰদীপ সাক্ষাত ।
ভকতি অমৃত ৰস পৰিপূৰ্ণ যাত ॥
আকে শুনি অজ্ঞ লোকে তৰোক সংসাৰ ।
হেন শুক গুৰু পদে কৰো নমস্কাৰ ॥১৩
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পুৰুষাৰ্থ চাৰি ।
ফুৰে যত লোকে আৰ উপায় বিচাৰি ॥

কৃষ্ণৰ ভকতি তাৰ পৰম উপায় ।
মহা পুৰুষাৰ্থ আত পৰে আন নাই ॥১৪
এহি পৰমাৰ্থ অৰ্থ বেদব্যাস ঋষি ।
নিবন্ধিলা ভগৱত শাস্ত্ৰত হৰিষি ॥
আন জ্ঞান কৰ্ম্ম মানে ভক্তিৰ সাধন ।
জানিবা নিশ্চয়ে যতো কহিলো লক্ষণ ॥১৫
ভক্তিসে প্ৰধান মই জানিয়া মনত ।
মিলিল উৎসুকে মোৰ আৰ সংগ্ৰহত ॥
ভক্তিপৰ শ্লোকচয় কৰো একথান ।
শুনা যেনমতে মোৰ উপজিল জ্ঞান ॥১৬
ভাগৱত নামে ব্ৰক অমৃত সাগৰ ।
আছে হেন কথা শুনো মুখত লোকৰ ॥
গুকমুখে শাস্ত্ৰ পাছে আপুনি পঢ়িলো ।
ভগৱত অমৃত সাগৰে বুৰ দিলো ॥১৭
কৃষ্ণৰ কৰুণা দিব্য পৰম অঞ্জন ।
কৰিলে নিৰ্ম্মল মোৰ হৃদয় লোচন ॥
দেখিলোহো কৃষ্ণৰ ভজন ৰত্ন পাছে ।
ভাগৱত অমৃত পয়োধি মাঝে আছে ॥১৮
পৰম অমূল্য ইটো হৰি ভক্তি ৰত্ন ।
আক উদ্ধাৰিতে মোৰ ভৈল মহাযত্ন ॥
হৃদিগত কৃষ্ণৰ আদেশ অনুসৰি ।
বৈষ্ণৱৰ প্ৰীতি অৰ্থে আনিলো উদ্ধাৰি ॥১৯
যিটো কণ্ঠে পিন্ধি ৰত পৰম উজ্জল ।
কৰে সালঙ্কত তাৰ পুৰুষ সকল ॥
থাকে মাত্ৰ ৰত্নাৱলী যদিবা গৃহত ।
অজ্ঞান আন্ধাৰ তাৰ গুচয় সমস্ত ॥২০
যিটো পঢ়ে শুনে আক বিচাৰে সৰ্ব্বথা ।
তাৰ হিত সাধিবেক ইটো কোন কথা ॥
জানি ভক্তি-ৰত্নাৱলী মহাগুণৱতী ।
কৰিয়োক শ্ৰদ্ধা অতি সুকৃতি সম্প্ৰতি ॥২১
শ্ৰৱণতে প্ৰেম ওপজাৱে কৃষ্ণ পাৱে ।
পুৰে যত মনোৰথ যেই যিবা চাৱে ॥
ভাগৱতে আছে হেন বুলিলা বচন ।
তোমাৰ কৃতত যত কিবা প্ৰয়োজন ॥২২
ইয়াৰ উত্তৰ সাবধানে শুনিয়োক ।
পৰম বিষয়ী কৰ্ম্ম জড় যত লোক ॥
লাগিবে আলস বহু কথা শুনি তাৰ ।
এত কথা শুনিবে শকতি আছে কাৰ ॥২৩
নাহিকে আলস যাৰ শ্ৰদ্ধা শুনিবাক ।
লাগে তাৰো অবশ্যে কুটুম্ব পুষিবাক ॥
নপাই অৱসৰ ভাগৱত নুশুনিব ।
মোৰ ইটো কৃতত তাহাৰ শ্ৰদ্ধা হৈব ॥২৪
কৰিলো সংগ্ৰহ মই তাকে লক্ষ কৰি ।
নানা প্ৰকৰণ হস্তে শ্লোকক উদ্ধাৰি ॥
বিচাৰিয়া যত সাৰ পাইলো বাৰ স্কন্ধে ।
এক বাক্য কৰি আনি লিখিলো প্ৰবন্ধে ॥২৫
কৰিলো গ্ৰন্থৰ যত প্ৰয়োজন মানে ।
এবে ৰত্নাৱলী শুনিয়োক সাৱধানে ॥
সামান্য বিশেষ ভক্তি কহিবাক প্ৰতি ।
আৰম্ভিলো বিৰচন প্ৰথমে সম্প্ৰতি ॥২৬
যতেক স্বধৰ্ম্ম হৰি ভক্তিৰ কিঙ্কৰ ।
ভকতিৰ মুখ চাই থাকে নিৰন্তৰ ॥
সমস্তে ধৰ্ম্মৰ ভকতিসে মুখ্য ফল ।
ভকতি নভৈলে ধৰ্ম্ম সকলে বিফল ॥২৭
তাকেসে পৰম ধৰ্ম্ম বুলিয় নিশ্চয় ।
যাত হস্তে মাধৱত ভকতি মিলয় ॥
গুচে সবে কামনা প্ৰসন্ন হোৱে চিত্ত ।
ৰজ তম গুচি শুদ্ধ সত্বে হয়ে স্থিত ॥২৮
ভগৱন্ত বাসুদেবে ভক্তি যিটো কৰে ।
মিলে বিষয়ত তাৰ বৈৰাগ্য সম্ভৱে ॥
বেদ শিৰোৰত্ন মন্ত্ৰে যাহাক প্ৰকাশে ।
হেন তত্ত্বজ্ঞান আসি মিলে অপ্ৰয়াসে ॥২৯
একে বাসুদেবতেসে কৰিব ভকতি ।
নকৰিবা আন একো দেৱতাত ৰতি ॥
ভকতি পন্থত এক দেব নাৰায়ণ ।
শুনা আৰ হেতু সাবধান কৰি মন ॥৩০
সত্ব ৰজ তম প্ৰকৃতিৰ তিনি গুণে ।
ধৰা তিনি মূৰ্ত্তি একে পুৰুষ আপোনে ॥
ৰজোগুণে ব্ৰহ্মা হৈয়া সৃজা চৰাচৰ ।
সত্বগুণে বিষ্ণুৰূপে পালে নিৰন্তৰ ॥৩১
তমোগুণে কদ্ৰৰূপে সৃষ্টি সংহাৰন্ত ।
তিনি গুণে তিনি মূৰ্ত্তি একে ভগৱন্ত ॥
যদ্যপি ভজনি হন্ত তিনিও ঈশ্বৰ ।
তথাপিতো বিষ্ণুতেসে সিদ্ধি মনুষ্যৰ ॥৩২
জ্ঞানেসে জানিবা মুখ্য মোক্ষৰ নিদান ।
শুদ্ধ সত্ব গুণতেসে মিলে তত্ত্বজ্ঞান ॥
এতেকেসে বিষ্ণু ভৈল ভকতৰ ইষ্ট ।
উপাধি বিশিষ্টে ফল হোৱয় বিশিষ্ট ॥৩৩
পূৰ্ব্ব সদাচাৰে আৰ দেখাও প্ৰমাণ ।
যতেক মহন্ত মহা জ্ঞানত প্ৰধান ॥
কৰন্ত ভকতি বাসুদেবৰ চৰণে ।
চিত্ত হোৱে নিৰ্ম্মল আনন্দ মিলে মনে ॥৩৪
পিতৃ ভুতপতি লেকেপাল নিৰন্তৰে ।
শ্ৰাদ্ধ বলি পূজা নকৰিলে বিঘ্ন কৰে ॥

বিস্তৰ আয়াসে ভজি পাৱে অল্প ফল।
জানি ঘোৰ ৰূপ ত্যজি মহন্ত সকল ॥৩৫
শান্ত মূৰ্ত্তি কৃষ্ণ অবতাৰক ভজন্ত।
আনদেৱ সমস্তক নিন্দা নকৰন্ত ॥
সুদৃঢ় বিশ্বাসে নিতে ভজি ভগৱন্ত।
পৰম দুৰ্ল্লভ মোক্ষ পদক সাধন্ত ॥৩৬
বুলিবা মুকুতি সুখে ইচ্ছা আছে যাৰ।
ভগৱন্ত ঈশ্বৰ ভজনি দেৱ তাৰ ॥
অন্যত্ৰ সুখক ইচ্ছা কৰে যিটো নৰ।
তাহাৰ ভজনি দেৱ নহন্ত ঈশ্বৰ ॥৩৭
শুনা নিৰন্তৰে আৰ উত্তম যুগুতি।
ভকতি জ্ঞানৰ ফল দেখাও মুকুতি ॥
ঈশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
যেই যিবা চাৱে তাৰ সেই হোৱে সিদ্ধি ॥৩৮
এতেকেসে পৰম উদাৰ বুদ্ধি যাৰ।
তাৰ সবে নকৰে ভকতি ব্যভিচাৰ ॥
পৰম পুৰুষ হৰি প্ৰকৃতিত পৰ।
মহা তীব্ৰ ভকতি ভজন্ত নিৰন্তৰ ॥৩৯
আছে শ্ৰেয় সব যত অন্যমাৰ্গীস্তৰ।
যাগ যোগ আদি সিয়ো নাৰায়ণ পৰ ॥
কৃষ্ণকেসে কহে বেদ শাস্ত্ৰ আছে যত।
তাহাৰ বিহিত ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত ॥৪০
সবে নাৰায়ণ পৰ জানিবা নিশ্চয়।
অৰ্পণ নভৈলে একো ফল নধৱয় ॥
নকৰি ভকতি যোগ পথে কৰে শ্ৰম।
নোহে চিত্ত শুদ্ধ সুগুচয় অহংমম ॥৪১
লোভে মোহে কামে পুনৰপি হোৱে হত।
নপাৱে মুকুতি সুখ নাহিকে মনত ॥
মিলিল যাহাৰ শ্ৰদ্ধা মুকুন্দ সেৱাত।
হোৱে চিত্ত শান্ত মিলে অনন্দ সাক্ষাত ॥৪২
সমস্তে শাস্ত্ৰৰ তাতপৰ্য্য এহিমান।
সূত বাক্যে লৈয়ো আৰ সাক্ষাতে প্ৰমাণ ॥
যত কৰ্ম্ম যোগ জ্ঞান আচৰি হৰিষি।
তথাপি নভৈলা শান্ত মতি ব্যাস ঋষি ॥৪৩
একো মতে সুগুচে মনৰ মহাক্লেশ।
নাৰদত হস্তে পাছে পাইলা উপদেশ ॥
একো চিত্তে মাধৱত কৰিয়া ভকতি।
তেবে তান নিৰ্ম্মল নিশ্চল ভৈলা মতি ॥৪৪
ভকতিৰ পৰম আনন্দ ভৈল জাত।
হৃদয়তে ঈশ্বৰকে দেখিলা সাক্ষাত ॥
কৃষ্ণৰ অধীন মায়া দেৱীক দেখিল।
তেবেসে ব্যাসৰ যত সংশয় গুচিল ॥৪৫

ভৈলা কৃত কৃত্য ভকতিৰ প্ৰসাদত।
দেখাইলো প্ৰমাণ জ্ঞান ভকতি বিমত ॥
এবে শুনা ভকতিৰ মহিমা সকল।
নলাগে বিলম্ব অতিশীঘ্ৰে সাধে ফল ॥৪৬
কপিল বচনে আৰ লৈয়োক প্ৰমাণ।
কহিলন্ত কপিলে মাতৃৰ বিদ্যমান ॥
আছে মনুষ্যৰ ইন্দ্ৰিয়ৰ বৃত্তি যত।
অযত্নে প্ৰবৰ্ত্তে যেন নানা বিষয়ত ॥৪৭
সেহিমতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে।
বিষয়ক এড়িয়া বিষ্ণুত ৰতি কৰে ॥
নকৰে কামনা ভকতিক ত্যজি আন।
তাকে বুলি ভাগৱতী ভকতি প্ৰধান ॥৪৮
কৰ্ণে শুনে কৃষ্ণ কথা মুখে বোল ৰাম।
মনে পাদপদ্ম স্মৰে হস্তে কৰে কাম ॥
কৃষ্ণৰ প্ৰতিমা দেখে চক্ষুয়ে ভক্তক।
বিষ্ণু বুদ্ধি কৰি শিৰে নমে সমস্তক ॥৪৯
নিৰ্ম্মাল্য তুলসী ঘ্ৰাণ লৱে নাহিকায়।
বিষ্ণুৰ নৈবেদ্য মাত্ৰ আস্বাদে জিহ্বায় ॥
পদে বিষ্ণু ক্ষেত্ৰ বৈষ্ণৱৰ ঠাইক যায়।
এহিমতে ইন্দ্ৰিয়ৰ বৃত্তি সমুদায় ॥৫০
বিষ্ণুতেসে প্ৰবৰ্ত্তে অযত্নে যেবে জানা।
মনে একো বিষয়ক নকৰে কামনা ॥
তেবে আৰ তাহাৰ মহিমা কৈবো কিক।
পাইলেক প্ৰসাদ যিটো মোক্ষতো অধিক ॥৫১
যদ্যপি মুকুতি পদ সুখ ৰূপ হয়।
তথাপি ভকতি শ্ৰেষ্ঠ কহিলো নিশ্চয় ॥
সেৱাৰ অনন্দ সুখে মুকুতিত নাই।
মুকুতিৰ সুখ সুখে ভকতিতে পাই ॥৫২
যেহেন শৰ্কৰাখণ্ড ভুঞ্জে যিটো জনে।
তাৰ যেন মতে স্বাদ সি সি মাত্ৰ জানে ॥
সেহিমতে মোক্ষৰ মুকুতি হৰি দেৱ।
তাতেসে বেকত হন্ত যিটো কৰে সেৱ ॥৫৩
এতেকে ভকতি শ্ৰেষ্ঠ মুকুতিত কৰি।
হুহি আন সুখ আৰ ভকতিত সৰি ॥
কহিলোহো ভকতিৰ উত্তম লক্ষণ।
মুকুতিৰ অৰ্থে ভিন্ন নালাগে যতন ॥৫৪
মিলিবে মুকুতি ভকতিৰ প্ৰসাদত।
লিঙ্গদেহ দহিবে অজ্ঞান প্ৰথমত ॥
যেন প্ৰাণী অন্নপান ভুঞ্জে যত যত।
উদৰৰ বহ্নি জীৰ্ণ কৰয় সমস্ত ॥৫৫
ভকতিও সেহিমতে লিঙ্গ জীৰ্ণ কৰে।
বিনা যত্নে জীৱন্তে মুকুতি পাৱে নৰে ॥

জানি ধৰা ভকতি ত্যজিয়া আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম ॥৫৬

দুলড়ি

কপিল বদতি, শুনা দেৱহুতি,
মাতৃ কৰি স্থিৰ চিত্ত।
কহিলোহ নিষ্ঠ, ভকতি গৰিষ্ঠ,
লক্ষণ কৰো বিদিত ॥
আমাৰ একান্ত, ভকত সকলে,
দেখে সমস্তকে মিছা!
ভকতি বিৰোধি, জানিয়া সাযুজ্য,
মোক্ষকো নকৰে ইচ্ছা ।৫৭
একে মোতে মাত্ৰ, কায়বাক্য মনে,
ৰতি কৰে নিৰন্তৰে।
এড়িয়া কামনা, কৰয় অৰ্পণা,
যত কিছু চেষ্টা কৰে ॥
বিৰল ভকত, জনৰ শুনিয়ো,
যেন মুখ্য প্ৰয়োজন।
অন্যে অন্যে এক, প্ৰাণ হৈয়া কৰে,
মোৰ যশ সভাজন ॥৫৮
শ্ৰৱণ কীৰ্ত্তন, কৰি অনুক্ষণ,
প্ৰশংসন্ত মাত্ৰ মোক।
বুলিবা তাহাৰ, ফল কিবা তেবে,
কহো তাক শুনিয়োক ॥
মোৰ গুণ নাম, কহন্তে শুনন্তে,
মিলে আসি মহাভাগ।
আনন্দ স্বৰূপ, মোৰ দিব্য ৰূপ,
প্ৰত্যক্ষতে পাৱে লাগ ॥৫৯
প্ৰসন্ন বদন, অৰুণ নয়ন,
তনু আতি অনুপাম।
ভকতক দয়া, কৃপাদৃষ্টি চায়া,
পূৰন্ত মনৰ কাম ॥
দেখি কৃষ্ণমুখ, মিলে মহাসুখ,
দূৰ হৱে যত তাপ।
অতি মন প্ৰীতি, মাধবে সহিতি,
মধুৰ কৰে আলাপ ॥৬০
এহিমতে মহে, শ্বৱদ দৱশন,
সুখ মুকুতিত নাই।
কোক্ষৰ আনন্দ, যিটো আত্ম সুখ,
ভকতিত সুখে পাই ॥
পৰম সুন্দৰ, মহা মনোহৰ,
কৃষ্ণৰ অঙ্গ যতেক।
মন ইন্দ্ৰিয়ৰ, বৃত্তি নিৰন্তৰ,
হৱয় দেখি প্ৰত্যেক ॥৬১
ভকতি সুখত, কৰি অল্প দেখি,
ভকতে তাক নাচাৱে।
তথাপিতো যিটো, সুখ মোক্ষ পদ,
ভকতি আনি মিলাৱে ॥
অবিদ্যা নিবৃত্তি, ভৈলে অনন্তৰে,
যতেক ঐশ্বৰ্য্য আছে।
বৈকুণ্ঠ সম্পত্তি, সমন্বিতে আসি,
ভ্ৰমে ভকতৰ পাছে ॥৬২
ভকতে যদ্যপি, নবাঞ্ছে তথাপি,
ভকতিৰ মহাবলে।
বৈকুণ্ঠ লোকত মহা ভোগ যত,
ভকতে পাৱে সকলে ॥
বুলিবা বৈকুণ্ঠ, লোকৰ ভিতৰ,
যেবে ভৈলা স্বৰূপত।
স্বৰ্গাদিৰ যেন, হৈবেক বিনাশ,
বৈকুণ্ঠৰ ভোগ যত ॥৬৩
ইটো কুনির্ব্বন্ধ, শঙ্কা পৰিহৰি,
শুনিয়ো উত্তৰ তাৰ।
সিটো শুদ্ধ সত্ত্ব, বৈকুণ্ঠ লোকত,
মায়াৰ নাহি সঞ্চাৰ ॥
পৰম দুৰ্ঘোৰ, কালচক্ৰ মোৰ,
পৰক গিলিবে লাগি।
নাহি নিদ্ৰা লেশ, নকৰে নিমেষ,
সৰ্ব্বদায়ে থাকে জাগি ॥৬৪
প্ৰিয় আত্মা গুৰু, সখা ইষ্টদেৱ,
বুলি মোক সৰ্ব্বভাৱে।
ভজে যিটো তাক, সিটো কালে আৰ,
আক্ষিও মেলি নচাৱে ॥
এতেকে বৈকুণ্ঠ, লোকত যতেক,
ভকত আছে আমাৰ।
জানা কদাচিতো, নুহি ভোগে হীন,
কহিলোহো সাৰে সাৰ ॥৬৫
কহিলোহো যত, প্ৰকৰণ অৰ্থ,
বিচাৰি কৰা নিৰ্ণয়।
প্ৰথমে কামনা, কৰি যিটো আসি,
ভকতিত প্ৰবৰ্ত্তয় ॥
ভকতিৰ স্বাদ, জানিয়া পাছত,
কামনাক পৰিহৰে।
ভকতিক মাত্ৰ, বাঞ্ছিয়া মনত,
নিষ্কামে ভকতি কৰে ॥৬৬

কদাচিত তাৰ, কৰন্ত পূৰণ,
কামনা যতপূৰ্ব্বৰ।
ভকতে বাঞ্ছিলে, দিবাক লাগয়,
স্বভাৱ ইটো কৃষ্ণৰ ॥
তাতেসে গুপুত, কৰিলে ভকতে,
নোখোজন্তে সূক্ষ্ম গতি।
পাৱয় পূৰ্ব্বত, কামনা মনত,
কৰিলে যিটো নিমিত্তি ॥৬৭

যিটো মহাজনে, শুনি প্ৰসঙ্গত,
ভকতিৰ স্বাদ জানি।
পৰম নিষ্কামে, পূৰ্ব্ব হন্তে ভজে,
ভগৱন্ত পদ্মপাণি ॥
সিটো মহন্তৰ, ভকতিৰ সুখ,
সদায় হৈব নিশ্চয়।
বৈকুণ্ঠ লোকত, পৰম ঐশ্বৰ্য্য,
অধিক সুখ পাৱয় ॥৬৮

মুকুতিত কৰি, ভকতি গৰিষ্ঠ,
এতেকে জানা সৰ্ব্বথা।
ভকতিৰ আগে, বিষয়ৰ সুখ,
তুচ্ছ হৈবে কোন কথা ॥
সদা ভক্তি সুখ, সহিতে বৈকুণ্ঠ,
ঐশ্বৰ্য্য সমে মুকুতি।
একান্ত ভকতে, পাৱে আন জনে,
নপাৱে শুনা যুগুতি ॥৬৯

ইহ পৰলোক, সুখ ধন জন,
ভাৰ্য্যা পুত্ৰ গৃহ দেহ।
সমস্তকে ত্যজি, অনন্য ভকতি,
ভজি মোত কৰে স্নেহ ॥
তাত পৰে মোৰ, মহা প্ৰিয়তম,
ভকত নাহি আমাৰ;
ভকতি মুকুতি, ভকতক দিয়া,
কৰো সংসাৰৰ পাৰ ॥৭০

অনেক নিৰ্ব্বাণ, পদ আদি দান,
দেও মই নিষ্ঠে নিষ্ঠ।
মুমুক্ষু ভকত, জনত কৰিয়া,
কেৱল ভক্ত গৰিষ্ঠ ॥
হেন সবে জানি, ভজিয়ো কৃষ্ণক,
ত্যজিয়া সমস্তে কাম।
মুকুথ মাধৱে, কহে নিৰন্তৰে,
ডাকি বোলা ৰাম ৰাম ॥৭১

পদ

কপিল বদতি মাতৃ শুনা দেৱহুতি।
কদাচিতো অভকতে নপাৱে মুকুতি ॥
মই পৰমাত্মা চৰাচৰ জগতৰ।
প্ৰধান পুৰুষ দুইৰো নিয়ন্তা ঈশ্বৰ ॥৭২

ভকতি মুকুতি পদ দাতা মই দেৱ।
স্বতন্ত্ৰ ঈশ্বৰ মোত পৰে নাহি কেৱ ॥
হেন মই মোকে ত্যজি আনক ভজয়।
নুগুচে তাহাৰ ঘোৰ সংসাৰৰ ভয় ॥৭৩

জানি আন ত্যজি ভজনীয় মোৰ পাৱে।
পৰম শ্ৰদ্ধায়ে মাতৃ ভজা সৰ্ব্বভাৱে ॥
মোৰ গুণ নামত কৰিয়ো মাত্ৰ ৰতি।
শ্ৰৱণ কীৰ্ত্তনে অনায়াসে পাইবা গতি ॥৭৪
কপিলৰ বচন সংহৰি এবে থওঁ।
এহি পৰমাৰ্থ সুনীতিৰ বাক্যে কওঁ ॥
কৃষ্ণ বিনে নাহিকে আনত হন্তে গতি।
শিখাইলন্ত সুনীতি ধ্ৰুবক প্ৰতি প্ৰতি ॥৭৫
শুন পুত্ৰ ধ্ৰুব তই মোহোৰ বচন।
স্বতন্ত্ৰ ঈশ্বৰ যিটো দেৱ নাৰায়ণ ॥
তাহান্তে শৰণ লৈয়া কৰিয়োক সেৱ।
ভকত বৎসল কৃষ্ণ দেৱতাৰো দেৱ ॥৭৬
মুমুক্ষু সকলে কাল হন্তে হৈয়া ভয়।
যাৰ পাদপদ্মৰ পন্থক বিচাৰয় ॥
তয়ো নিজ ধৰ্ম্মে কৰি হৃদয় শোধিত।
তাতে স্থাপি কৃষ্ণ পাদপদ্ম স্মৰ নিত ॥৭৭
যেন শক্ৰ হন্তে মহা ভয় হৈয়া নৰে।
জাত শৰণ লৈয়া পাছে সেৱা কৰে ॥
সেহি মতে সেৱা বাপ কৰিও কৃষ্ণত।
তান্ত বিনে হিত সিদ্ধি নাহিকে আনত ॥৭৮
কৃষ্ণ বিনে নাহি আন দেৱ সৰ্ব্বোত্তম।
আয়ত লোচন যাৰ পদ্মপত্ৰ সম ॥
তোৰ ইটো শোক দুঃখ খেদ ছেদকাৰী।
কৃষ্ণ বিনে মনে আন নেদেখো বিচাৰি ॥৭৯
ব্ৰহ্মা আদি সেৱন্ত কটাক্ষ বাঞ্ছা কৰি।
হেন লক্ষ্মীদেবী হাতে পদ্ম গোট ধৰি ॥
কৃষ্ণ পাদপদ্ম দুইকো বিচাৰি ফুৰন্ত।
জানি সৰ্ব্বোত্তম দেৱ ভজা ভগৱন্ত ॥৮০
হেনবা বুলিবা লক্ষ্মী পৰম ঈশ্বৰী।
কিহেতু কৃষ্ণক সেৱা কৰন্ত সাদৰি ॥
সকল পৌকৰশালী সৰ্ব্বোত্তম জানি।
এতেকে কৃষ্ণক সেৱা কৰন্ত গোসানী ॥৮১

ইহাৰ প্ৰমাণ কহো পৃথুৰ বচনে।
প্ৰাৰ্থিলন্ত পৃথু যেন কৃষ্ণৰ চৰণে ॥
যাচিলা মাধৱে বৰ লোৱা পৃথু ৰায়।
ৰাজায়ে বোলন্ত মোৰ বৰে কাৰ্য্য নাই ॥৮২
তযু পাদপদ্মক ভজিয়া সৰ্ব্বভাৱে।
হাতত ধৰিয়া পদ্ম যেন লক্ষ্মী মাৱে ॥
তোমাক সেৱন্ত মাত্ৰ ত্যজি আন বৰ।
ময়ো সেহি মতে তযু চৰণ কিঙ্কৰ ।৮৩
বুলিবা দু-হানো মই ভৈলো এক পতি।
লাগিবে কন্দল লক্ষ্মী সহিতে সম্প্ৰতি ॥
শুনিয়োক ইহাৰ উত্তৰ কৃপাময়।
উত্তম পুৰুষ তুমি গুণৰ আলয় ॥৮৪
ভকতত তোমাৰ কৃপাৰ নাহি সীমা।
নলাগিবে দ্বন্দ্ব তযু চৰণ মহিমা ॥
লাগে যদি কন্দল নকৰো তাকো ভয়।
সবে ৰাজ্যভাৰ ভোগ সম্পত্তি হৰয় ॥৮৫
তথাপি সেবিবো প্ৰভু তোমাৰ চৰণ।
লক্ষ্মীত তোমাৰ নাহি কিছু প্ৰয়োজন ॥
নিজানন্দ স্বৰূপ যিহেতু দামোদৰ।
লক্ষ্মীৰ বস্তুত নাহি এতেকে সাদৰ ॥৮৬
তথাপি ভক্তৰ কৰা অল্পকো বিস্তৰ।
দৰিদ্ৰ বৎসল তুমি কৃপাৰ সাগৰ ॥
স্বৰূপত লক্ষ্মী দ্বেষ নকৰে ভক্তক।
মাতৃ যেন অনুগ্ৰহ কৰয় পুত্ৰক ॥৮৭
সেহি মতে জগত জননী লক্ষ্মীমাৰে।
তযু ভকতক দয়া কৰন্ত স্বভাৱে ॥
জগতৰ আত্মা কৃষ্ণ তুষ্ট ভৈল যাৰ।
দেখাইলোহো লক্ষ্মী যেন তৃপিতি তাহাৰ ॥৮৮
শ্ৰীৰুদ্ৰ দেৱৰ পৰম প্ৰিয় ভক্ত।
হৰি সেৱা কৰো শঙ্কৰত অনুৰক্ত ॥
মহেশৰ বাক্যে লৈয়ো প্ৰমাণ সাক্ষাত।
কহিছে আপুনি হৰে দশ প্ৰচেতাত ॥৮৯
প্ৰধান পুৰুষ দুইতো পৰ বাসুদেৱ।
ভগৱন্ত ঈশ্বৰক যিটো কৰে সেৱ ॥
নাজানি যদ্যপি মোৰ অপৰাধ কৰে।
তথাপিতো মোৰ প্ৰিয় নাহি তাত পৰে ॥৯০
মহাভাগৱত তোৰা মোৰ প্ৰিয়তম।
দেখো তোমাসাক মই ভগৱন্ত সম ॥
তুমি সবো মোত প্ৰীতি কৰিবা সদাই।
মোত পৰে ভকতৰ প্ৰিয় আন নাই ॥৯১
থওঁ উপসংহৰি বচন মহেশ্বৰ।
শুনা এবে কহো বিমৰিশি পূৰ্ব্বাপৰ ॥

যিহেতু পৰম আত্মা হৰিসে জীৱৰ।
হৰি তুষ্ট ভৈল তুষ্ট হোৱে চৰাচৰ ॥৯২
এতেকেসে শাস্ত্ৰে কহে যতেক উপায়।
হৰিৰ প্ৰীতিসি তাৰ ফল সমুদায় ॥
এহিমানে সমস্তে শাস্ত্ৰৰ তত্ত্ব মৰ্ম্ম।
হৰি তুষ্ট হন্ত যাত তাকে বুলি কৰ্ম্ম ॥৯৩
যাত হন্তে মতি অতি উপজে কৃষ্ণত।
তাকেসে বুলিয় বিদ্যা জানা সাৰ তত্ত্ব ॥
হৰিসি দেহীৰ মহা প্ৰিয়তম গতি।
আপুনি ঈশ্বৰ হৰি আপুনি প্ৰকৃতি ॥৯৪
এহি হেতুতেসে দেবান্তৰ সেৱা যত।
হৈয়া আছে হৰি ভকতিৰ অন্তৰ্গত ॥
ভকতিতে সিঞ্চে সবে সেৱা দেবতাৰ।
প্ৰহ্লাদ বচনে লৈয়ো প্ৰমাণ ইহাৰ ॥৯৫
বোলন্ত প্ৰহ্লাদে শুনা অসুৰ সমস্ত।
যাৰ আছে নিষ্কাম ভকতি মাধৱত ॥
তাহাৰেসে পৰম নিৰ্ম্মল ভৈল চিত্ত।
মহা প্ৰেম ৰস তাতে হোৱয় বিদিত ॥৯৬
হোৱে কৃতকৃত্য ভকতিৰ প্ৰসাদত।
ধৰ্ম্ম জ্ঞান সহিতে দেবতা আছে যত ॥
পৰম শ্ৰদ্ধায়ে তাক কৰন্ত আশ্ৰয়।
ভৈল সিটো নৰ সৰ্ব্ব গুণৰ আলয় ॥৯৭
যিটো দুৰাশয় ত্যজি হৰিৰ ভকতি।
গৃহৰ সুখত ৰাত্ৰি দিনে আশকতি ॥
ফুৰে বহিৰ্মুখ হৈয়া মিছা বিষয়ত।
নাহি কদাচিতো মহাগুণ যত ॥৯৮
গৃহাদি আসক্ত ভক্তিহীন মোক যত।
সি সৰ লোকতো দেখি মহত্ত্ব সাম্প্ৰত ॥
হেন যদি বোলা শুনা ইহাৰ উত্তৰ।
বাঞ্ছিত জীৱন যেন জলেসে মৎসৰ ॥৯৯
যেহি মতে আত্মা হৰি সমস্তে জীৱৰ।
পৰম প্ৰসিদ্ধ ইটো সমস্ত শাস্ত্ৰৰ ॥
হৰি এড়িলতে মিলে তেখনে মৰণ।
জল বিনে নাহি যেন মৎসৰ জীৱন ॥১০০
হেন হৰি এৰি কৰে গৃহে আসকতি।
তাৰ যেন মহত্ত্ব শুনিয়ো প্ৰতি প্ৰতি ॥
বৃদ্ধক পূজয় যেন শূদ্ৰৰ মাঝত।
ভাৰ্য্যাৰ উপৰি যেন স্বামীৰ মহত্ত্ব ॥১০১
পিতৃৰ মহত্ত্ব যেন পুত্ৰৰ ওপৰে।
কনিষ্ঠে জ্যেষ্ঠক যেন মতে মান্য কৰে ॥
হৰি বিমুখৰ জানা তেহুয় মহত্ত্ব।
নাহি কদাচিতো তাত মহাগুণ যত ॥১০২

কালে যাক অধিকাৰ কৰে বিদ্যমান।
তাহাৰ মহত্ত্ব উপহাস্যৱেসে স্থান ॥
এতেকে জানিবা সৰ্ব্বভাৱে পুৰুষৰ।
ভগৱন্ত মাত্ৰ ভৈল ভজনী ঈশ্বৰ ॥১০৩
হৰি বিনে আছন্ত যতেক আন দেৱ।
আপোনাকো ৰাখিবাক ক্ষম নোহে কেৱ ॥
নাহি আপোনাৰ পুৰী কালৰ ভয়তে।
তাৰা সবে ৰাখিবে আনক কেন মতে ॥১০৪
কেৱলে নির্ভয় এক ঈশ্বৰ মুৰাৰি।
কাল মায়া আদি সমস্তৰে অধিকাৰী ॥
আত্মালাভ বিনে সুখ আন নমানন্ত।
সৰ্ব্বভাৱে ভয়াতুৰ জনক ৰাখন্ত ॥১০৫
জানিয়া তাহান দুই উভয় চৰণে।
হুয়োক শৰণাপন্ন কায়বাক্য মনে ॥
সত কুলে জন্ম তান তুষ্টৰ কাৰণ।
নোহে শুনা কহো হনুমন্তৰ বচন ॥১০৬
কিম্পুৰুষ বৰ্ষিযত ৰামক উপাসি।
আছন্ত সবাতে কন্ত ভকতি প্ৰকাশি ॥
শুনা সৰ্ব্বজনে কথা কহো সাৰ তত্ত্ব।
সুৰাসুৰ নৰ আন লোক আছে যত ॥১০৭
তাহাৰ মাঝত যিটো হৰিক ভজয়।
সিসি মহাজনে তান তোৰক পাৱয় ॥
পৰম কৃতজ্ঞ ৰাম প্ৰভু ভগৱন্ত।
অল্প ভজনতে কৰে বহু মান্যবন্ত ॥১০৮
অযোধ্যা নিবাসী জীৱজন্তু সমস্তক।
নিলা অতি কৌতুকে সবাকো বৈকুণ্ঠক ॥
অল্প সেৱা মাত্ৰ যেন কৰে বহু মান।
আপোনাতে দৃষ্টান্ত দেখাওঁ বিদ্যমান ॥১০৯
দুহিকে উত্তম জন্ম আকৃতি সুন্দৰ।
বাক্যবো চাতুৰী নাহি বুদ্ধিও বিস্তৰ ॥
নাহি একো গুণ আমি বনৰ বানৰ।
অনুগ্ৰহ পাত্ৰ ভৈলো তথাপি ৰামৰ ॥১১০
এতেকে ভকতি হৰি তোষৰ কাৰণ।
ব্যৰ্থ হৰি বিষয়ত আন গুণগণ ॥
কিন্তু তাতে কৰে যিটো নিষ্কামে ভকতি ॥
পৰম কৃতাৰ্থ ভৈল সিসি মহামতি ॥১১১
ভজিয়া কৃষ্ণত যিটো কামনা কৰয়।
কৰন্ত পূৰণ তাক ইটো সত্য হয় ॥
তথাপি কৃষ্ণৰ নাহি সন্তোষ মনত।
সৰে মায়াময় ইন্দ্ৰিয়ৰ ভোগ যত ॥১১২
ব্ৰহ্মলোক আদি কৰি সমস্তে নিবাসী।
পুণ্য ক্ষয় ভৈলে পুনঃ প্ৰাৰ্থিবন্ত আসি ॥

নেদন্ত মাধবে যুদু কিছু দুখুজিলে।
নকৰিবা শঙ্কা ইটো মনত সমূলে ॥১১৩
নবাঞ্ছয় কিছু যিটো ভজি মাধৱক।
দিবন্ত আপুনি নিজ পাদ পল্লবক ॥
যাক পাইলে ভকতৰ পূৰ্ণ হোৱে মন।
সৰ্ব্বকাম বৰিষণ কৃষ্ণৰ চৰণ ॥১১৪
মোক্ষ আদি কৰি সুখ যতেক আছয়।
চৰণ সেৱাক পাইলে একো নবাঞ্ছয় ॥
কৃষ্ণ পাদপদ্ম মকৰন্দ কৰি পান।
হুয়া পৰিপূৰ্ণ মনে নোখোজয় আন ॥১১৫
কামনা পূৰ্ব্বকে যদি কৃষ্ণক ভজয়।
তাহাৰো পৰম হিত চিন্তে কৃপাময় ॥
ৰাৱেকাদি কামনা পুৰন্ত কৃষ্ণে তাৰ।
পুনঃ পুনঃ খুজিলে নেদন্ত আৰ বৰ ॥১১৬
অনর্থ বিষয় পৰমার্থ দাতা হৰি।
এতেকে ভক্তৰ বিষয়ক দূৰ কৰি ॥
নোখোজন্তে নিজ পদ পল্লৰ সুখক।
দেন্ত যাক পাইলে আৰ নোখোজে আনক ॥১১৭
যেন শিশু সৱে কৰে মৃত্তিকা ভোজন।
তাক দেখি অনর্থক ভয়ে মাতৃগণ ॥
খাইবাকো নেদয় আৰ মুখৰো গুচাৱে।
কান্দিবাক দেখি নোখোজন্তে আনি মাৱে ॥১১৮
দেয় খণ্ড শর্কৰা ভুঞ্জয় শিশু তাক।
জানিয়া মধুৰ স্বাদ ত্যজে মৃত্তিকাক ॥
শর্কৰাকে মাত্ৰ শিশু খোজয় পাছত।
হৰিভক্ত সবাৰো স্বভাৱ সেহি মত ॥১১৯
এতেকে নিষ্কাম ভক্ত স্বভাৱ কৃতার্থ।
এহিমানে সমস্তে শাস্ত্ৰৰ পৰমার্থ ॥
বুলিবা ই সব কথা কৈলা সবে ব্যর্থে।
মহন্তো কৰয় যত্ন কাম ভোগ অর্থে ॥১২০
শুনা একচিত্ত কৰি ইহাৰ সিদ্ধান্ত।
কদাচিতো শাস্ত্রে তাক নোৰোলে মহন্ত ॥
বিষয়ৰ ভোগক এড়িয়া যিটো জন।
পৰম শ্রদ্ধায়ে ভজে কৃষ্ণৰ চৰণ ।১২১
তাকেসে বুলিয় সাধু লৈয়োক প্ৰমাণ।
প্ৰহ্লাদৰ বচনে দেখিয়ো বিদ্যমান ॥
বোলন্ত প্ৰহ্লাদে শুনা পিতৃ মহাভাগ।
গৃহ অন্ধ কূপত এড়িয়ো অনুৰাগ ॥১২২
অসন্ত বিষয় অহ মাত্ৰ সুখ নাই।
মিছা অহং মন ভাৱ এড়িয়ো সদাই ॥
হৰিক চিন্তিয়ো মাত্ৰ গৈয়া তপোবনে।
ই সি সাধু'কার্য্য বুলি মানে মোৰ মনে ॥১২৩

এহি মানে মাত্ৰ শ্রেষ্ঠ ধর্ম্ম পুৰুষৰ।
এক চিত্তে ভক্তি আচৰিয়া মাধৱৰ ॥
শ্রৱণ কীর্ত্তন তান কৰিব সদাই।
ভকতিয়ো আৰ আত পৰে শ্রেষ্ঠ নাই ॥১২৪
কৰিবা সংশয় দেৱ পিতৃ নভজিলে।
তাসম্বাত হন্তে জানো মহা ভয় মিলে ॥
নকৰিবা শঙ্কা শুনা ইহাৰ উত্তৰ।
ভৈল যাৰা সবো আসি নাৰায়ণ পৰ ॥১২৫
কৃষ্ণৰ অভয় দুই চৰণত ধৰি।
স্বর্গ মোক্ষ নৰকক মানে তুল্য ধৰি ॥
এতেকেসে স্ত্রী শূদ্র আদি ভক্ত চয়।
নকৰন্ত কতো হন্তে অনুমাত্র ভয় ॥১২৬
ভকতিৰ প্ৰসাদত মিলে মহাভাগ ।
নাহি তাৰ সবাৰো কাহাতো অনুৰাগ ॥
ভকতিৰ সঙ্গ জ্ঞান বৈৰাগ্যৰ বলে।
নাহি কিছু সাৰ মিছা দেখন্ত সকলে ॥১২৭
বুলিবা ভক্তিত যেবে গুচে সবে ভয়।
কি হেতু কৃষ্ণক তেবে সবে নভজয় ॥
শুনিয়ো ইহাৰ কহো উত্তৰ সম্প্রতি।
পৰম বিষয়ী যত লোক গৃহবর্ত্তী ॥১২৮
ইন্দ্রিয়ৰ সুখে যাৰ সদা আসকতি।
কদাচিতো কৃষ্ণত দুপজে ভাৱ মতি ॥
গুৰু উপদেশত বা আপোনাত হন্তে।
নপাইবেক বোধ অন্যো অন্যে বিচাৰন্তে ॥১২৯
নাহি ইন্দ্রিয়ৰ উপৰতি বিষয়ত।
চোৰোৱাকে চোৰাই ফুৰে ঘোৰ সংসাৰত ॥
হোৱে অন্ধ ভার্য্যা পুত্র ধনৰ আক্রোশে।
নভজে কৃষ্ণক বিষয়ৰ সঙ্গ দোষে ॥১৩০
বুলিবা পৰমানন্দ কৃষ্ণৰ মূৰতি।
নভজে তাহাৰ সবে কমন যুগুতি ॥
শুনিয়োক স্থিৰ চিত্তে ইহাৰ নির্ণয়।
অজ্ঞানত থাকিয়া কৃষ্ণক নভজয় ॥১৩১
কৃষ্ণেসে ভৈলন্ত মাত্র যাৰ প্রয়োজন।
তাৰেসে কেৱল প্রাপ্য প্রভু নাৰায়ণ ॥
বিষয় বাসনা বন্ধ যাহাৰ হৃদয়।
নজানে বিষ্ণুক জানা সিটো দুৰাশয় ॥১৩২
বুলিবা জানিবে সিটো গুৰু উপদেশে।
ইহাৰ উত্তৰ যেন শুনিয়ো নিঃশেষে ॥
আপুনি বিষয়ী বিষয়ীক গুৰু মানে।
তাৰ উপদেশে সিটো বিষ্ণুক নজানে ॥১৩৩
যেন অন্ধলাক অন্ধে পন্থ উপদেশে।
পড়িবেক দুয়ো গৈয়া গর্ত্তত অৱশ্যে ॥

সেহিমতে মাধৱৰ বেদ জৰি ছন্দি।
পড়িবে সংসাৰ গর্ত্তে দুয়ো হৈয়া বন্দি ॥১৩৪
বিষয়ক অতি আসকতি ভৈল যাৰ।
কৃষ্ণক পাইবাৰ আশা নিৰর্ত্তিল তাৰ ॥
যেন বায়ু বস্ত্র পশ্চিমক লৈয়া যাই।
পূবক খেদিলে জানা সি কি বস্ত্র পাই ॥১৩৫
হেন জানি বিষয়ৰ বাসনা যাৱত।
নতু ধৰে আসি হৰি ভজিয়ো তাৱত ॥
সবে অবস্থাতে ভক্তি কৰা সাবধানে।
সকলো শাস্ত্রৰ তাৎপর্য্য এহিমানে ॥১৩৬
পৰম দুর্লভ নৰ তনু আছা পাই।
দুহিকে সাশ্বত ইটো ক্ষণিকে পড়য় ॥
জানিয়া বিষয় সুখে যত্ন দূৰ কৰি।
কুমাৰ কালৰে পৰা ভজিয়োক হৰি ॥১৩৭
নাহিকে বিস্তৰ শ্রম হৰিৰ সেৱাত।
বাল্য বৃদ্ধ সবো পাৰে ভজিবে সাক্ষাত ॥
সমস্ত ভূতৰে হৰি আত্মা প্রিয়তম।
আপোনাকে আপুনি ভজন্তে কোন শ্রম ॥১৩৮
আপোনাৰ নিজ সখা আত্মা ভগৱন্ত।
সবাৰো হিয়াত হৰি স্বভাৱে আছন্ত ॥
আন স্থানে বিচাৰিবে নলাগে কৃষ্ণক।
ভজিয়োক মাত্র ত্যজি আন বিষয়ক ॥১৩৯
মনুষ্য হৈবাৰ এহি মানে মাত্র ফল।
পশু শৰীৰতো পাই বিষয় সকল ॥
হেন বিষয়ত কৰে মানুষে হৰিষ।
পশুএৰে তেবে কিবা ভৈল বিষদৃশ ॥১৪০
মনুষ্যৰ আয়ু ক্ষণভঙ্গুৰ সদায়।
পড়ে কেতিক্ষণে এই আছে এই নাই ॥
তাহাৰ বিষয় আশা পৰম নিষ্ফল।
পুত্র দ্বাৰা ধন জন সদাই চঞ্চল ॥১৪১
একে নিমিষতে সবে হৈব এড়া এড়ি।
অসাৰ সংসাৰ যেন টাটেকৰ খেড়ি ॥
যদি স্বর্গ পাৱে কর্ম্ম কৰিয়া বিশিষ্ট।
তহিতো নাহিকে সুখ জানা নিষ্ঠে নিষ্ঠ ॥১৪২
পুণ্য তাৰতম্যে পাৱে বঢ়া বঢ়া সুখ।
স্পর্দ্ধা অসুয়া আদি তৈতো আছে দুঃখ ॥
অন্যো অন্যে সর্ব্বক্ষণে দুগুচে কন্দল।
এতেকে স্বর্গৰ সুখ জানিবা নিষ্ফল ॥১৪৩
ইহ পৰলোকৰ সুখত এড়ি আশ।
ঈশ্বৰ কৃষ্ণত মাত্র কৰিয়ো বিশ্বাস ॥
ভজি নব বিধ ভক্তি মাধৱৰ পাৱে।
ধর্ম্ম অর্থ কাম যেই চাৱে সেই পাৱে ॥১৪৪

বুলিবা অবোধ আমি দৈত্যৰ ছৱাল।
কেশৱক ভজিবে আমাৰ নোহে ভাল ॥
পুণ্যৱন্ত জনৱেসে আত অধিকাৰ।
ইটো শঙ্কা ত্যজি শুনা উত্তৰ ইহাৰ ॥১৪৫

দেৱ দ্বিজ ঋষি তপ জপ যজ্ঞ দান।
যত শৌচাচাৰ তীর্থ ব্রত মহা জ্ঞান ॥
ইটো সবে বিড়ম্বন জানা নিষ্ঠ কৰি।
কেৱলে ভক্তিতে মাত্র তুষ্ট হোন্ত হৰি ॥১৪৬

এতেকে ভক্তিত সমস্তৰে অধিকাৰ।
নাহি বর্ণাশ্রম আত নিয়ম বিচাৰ ॥
নাহিকে সঙ্কাত যদি মোহোৰ বাক্যত।
লৈয়ো তবে প্রমাণ সাক্ষাতে গজেন্দ্রত ॥ ১৪৭

নাহি কুল শীল রূপ দুহিকে পণ্ডিত।
নাহি বল বুদ্ধি তজঃ প্রভাব কিঞ্চিত ॥
লৈলা ভক্তি ভাৱে মাত্র কেৱলে শৱণ।
এতেক সন্তুষ্ট তাত ভৈল নাৰায়ণ ॥১৪৮

বুলিবা হস্তীত যোগ্য গুণ একো নাই।
কিয় তুষ্ট ভৈল তৰ শুনা অভিপ্রায় ॥
আন একো গুণে কহো কৃষ্ণক নপাৱে।
ভক্তি মাত্র গ্রাহ্য হৰি জানিব স্বভাৱে ॥১৪৯

ইহাৰ প্রমাণ এবে লৈয়োক সম্প্রতি।
বামনৰ আগত প্রহ্লাদ নিগদতি ॥
পৱম আশ্চর্য্য প্রভু তোমাৰ সৃষ্টিত।
তুমি জগততে সম আত্মা মহা হিত ॥১৫০

অচিন্ত্য মায়াক হৈয়া তুমি নাৰায়ণ।
কৰা জগতৰ সৃষ্টি প্রলয় পালন ॥
লাগে যদি পালিবে সবাকো সম ভাবে।
ভকতক মাত্র কৰা করুণা স্বভাবে ॥১৫১

তথাপিতো তোমাৰ বিষম মতি নাই।
যেন কল্পতরুত প্রার্থিলে ফল পাই ॥
মুখুজিলে কদাদিতো যাচি নেদে গাছে।
তেবে কোনে বৃক্ষক বিষম বুলিয়া আছে ॥১৫২

সেহি মতে ভকতৰ বশ্য হৰি দেৱ।
সুদৃঢ় বিশ্বাসে তাক নিতে কৰা সেৱ ॥
নাহি ভকতিত জাতি আচাৰ বিচাৰ।
কৃষ্ণত ভকতি সমস্তৰে অধিকাৰ ॥১৫৩

ভকতিসে মাত্র হৰি তোষৰ কাৰণ।
লৈয়ো সর্ব্বজনে জানি কৃষ্ণত শৰণ ॥
এতেকে তৰিবা ঘোৰ সংসাৰত সুখে।
পলাওক পাতক ৰাম ৰাম বোলা মুখে ॥১৫৪

ছবি

যেন মতে দামোদৰ, বশ্য হোন্ত ভকতৰ,
শুনিলাহা পৱম উৎসুকে।
শুনা আৰো সাৱধানে, পৰীক্ষিত বিদ্যমানে,
কৈলা যেন মহা মুণি শুকে ॥
কদাচিতো দেৱহৰি, নবনীত চুৰি কৰি,
খাইলা দেখি যশোদা সুন্দৰী।
ক্রোধে খেদি ধৰি আনি, উড়ু খলে টানিটানি,
বান্ধন্ত গরুৰ লৈয়া জৱী ॥১৫৫
অনন্ত ব্রহ্মাণ্ডপতি, বাহিৰে ভিতৰে অতি,
নাহি পূর্ব্বাপৰ আদি অন্ত।
বেদে নজানন্ত যাক, তাহাক গৃহতে পাই,
পুত্র বুলি যশোদা বান্ধন্ত ॥
ফোকাৰন্ত শ্রান্ত পাই, গোড়ে ঘাম বহি যাই,
খহিয়া খোপাৰ পড়ে ফুল।
মাতৃৰ দেখিয়া শ্রম, কৃপায়ে বন্ধন পাছে,
কৈলা জগতৰ আদি মূল ॥১৫৬
মোৰ বশ্য চৰাচৰ, মইয়ো বশ্য ভকতৰ,
হেনসে দেখাইলা দামোদৰ।
তথাপি কৃষ্ণক এড়ে, আনক ভজিয়া মৰে,
কিনো লোক অধম পামৰ ॥
ব্রহ্মা লক্ষ্মী মহাদেৱে, নপাইলা প্রসাদ হেন,
পাইলা যেন যশোদা কৃষ্ণত।
ভকতে সুলভে পাৱে, ইটো গোপীকাৰ পোক,
নপাৱে অজ্ঞানী কর্ম্মী যত ॥১৫৭
বুলিবাহা সুখে জ্ঞানী, নপাইলেও নাহি নাহি,
জ্ঞানে গতি সাধিবে তাহাৰ।
ভকতি বিহীন ভৈলে, নাহিকে জ্ঞানত সিদ্ধি,
শুনা কহো বচন ব্রহ্মাৰ ॥
কৰন্তে নাহিকে দুঃখ, মিলাৱে মুকুতি সুখ,
ত্যজি হেন তোমাৰ ভকতি।
কেৱলে বোধৰ অর্থে, ধ্যান ধাৰণা আদি,
বহুবিধ শ্রমে কৰে ৰতি ॥১৫৮
দুহি মুকুতিৰ পাত্র, তাৰ লাভ শ্রম মাত্র,
কদাচিতো সিদ্ধি নাহি আন।
অল্প বুলি ধান এৰি, তণ্ডুলক আশা কৰি,
যেন মৰে বাহানি পাতান ॥
দেখাওঁ আৰ সদাচাৰ, যত মহাজ্ঞানী সাৰ,
জ্ঞানে গতি নপায়া পূর্ব্বত।
পাছে যোগ ধ্যান এড়ি, তোমাতে অর্পণা কৰি,
লৌকিক বৈদিক কর্ম্ম যত ॥১৫৯

সাধু সঙ্গ অনুসৰি, শ্রৱণ কীর্ত্তন কৰি,
আহৰিয়া তোমাৰ ভক্তিক।
তযু সেৱা প্রসাদত, জানি আপোনাৰ তত্ত্ব,
সুখে পাইল পৱম গতিক ॥
ভকতৰ কৃত্যশেষ, নাহি আৰ লয়লেশ,
ভৈল পৰিপূর্ণ অনায়াসে।
লৈয়োক প্রমাণ আৰ, আগে নন্দ যশোদাৰ,
কহিলা উদ্ধৱ হৰিদাসে ॥১৬০
জগত কাৰণ যিটো, নিখিল জীৱৰ আত্মা,
নাৰায়ণ পৱম পুরুষ।
পৱম ঈশ্বৰ হৰি, নিজ মায়া বশ্য কৰি,
কাৰণেসে ভৈলন্ত মানুষ ॥
তাহান্তে ভকতি নিজে, কৰাহা একান্ত চিত্তে,
বাঢ়িবে কৃষ্ণত দুইবো স্নেহ।
দ্বিতীয় কর্ত্তব্য আৰ, নাহি জানা সাৰে সাৰ,
নকৰিবা ইয়াত সন্দেহ ॥১৬১
তপ জপ যজ্ঞ যাগ, যোগ তীর্থ ব্রত দান,
কৰে যেবে মহা শুদ্ধ ভাৱে।
তেবেসে সুদৃঢ় চিত্তে, ভকতি কৰিতে পাৱে,
ঈশ্বৰ কৃষ্ণৰ দুই পাৱে ॥
নাহিকে আমাত একো, ধর্ম্ম হেন খেদ চিত্তে,
নকৰিবা তুমি গোপৰাজ।
সমস্তে ধর্ম্মৰ ফল, ভকতিক পাইলে যিটো,
তাৰ আন কর্ম্মে কোন কাজ ॥১৬২
নন্দৰ আগত যত, কহিলা উদ্ধৱে তাক,
সংহৰিয়া এহিমানে থওঁ।
বর্ণাইলন্ত আৰো যেন, গোপীৰ ভকতি দেখি,
শুনিয়োক তাক কিছু কওঁ।
জাতি কুলাচাৰ ধর্ম্ম, জ্ঞানে কৃষ্ণ দেৱতাৰ
দুহি অনুগ্রহৰ কাৰণ।
কিন্তু ভক্তিভাবে অতি, ভজোক অজাতি জাতি,
তাতেসে সন্তুষ্ট নাৰায়ণ ॥১৬৩
কৈৰ কামাতুৰা নাৰী, দুষ্টা মহা ব্যভিচাৰী,
কামভাবে ভজিয়া কৃষ্ণক।
তথাপিতো দেখা কেন, কৃষ্ণদেৱ, বিষয়ত
পাইল মহা আরূঢ় ভাবক ॥
ইটো গোপীকাক প্রতি, কৃষ্ণৰ পৱম প্রীতি,
ভৈল আক দেখিলো সাক্ষাত।
এতেকে জানিলো মহা, অজ্ঞ সবো পাৱে গতি,
ইটো কৃষ্ণ দেৱৰ সেৱাত ॥১৬৪
ৰাসোৎসবে ৰঙ্গ কৰি, গোপীৰ কণ্ঠত ধৰি,
মহাবাহু মেলি আলিঙ্গন্তে।
পৱম আনন্দে যিটো, পাইলেক প্রসাদ ইটো
গোপী সবে মাধৱত হস্তে ॥
হৃদয়েতে থাকি নিত্য লক্ষ্মী তাক নতু পান্ত,
আন দেৱ ৰমণী সর্ব্বথা।
নতু পাৱে দেখিবাক, ইটো মহা প্রসাদক,
আৰ আন স্ত্রীৰ কোন কথা ॥১৬৫
গোপীৰ ভাগ্যৰ কথা, থাকোক বর্ণাইবো কত,
মোৰ হেন প্রার্থনা মনত।
তাসম্বাৰ পদৰেণু, যিটো তৃন বনে পড়ে,
ইটো বৃন্দাবনৰ মাজত ॥
তাৰ এক গাছি তৃণ, হৈয়া থাকো তেবে মোৰ,
মিলে মহা ভাগ্য বিপৰীত।
ইটো গোপী সকলৰ, পৱম পবিত্রতৰ,
চৰণ ৰেণুক পাইবো নিত ॥১৬৬
গৃহৰ দুস্ত্যজ আশা, কুলাচাৰ ধর্ম্ম ত্যজি,
ভজিলন্ত কৃষ্ণৰ চৰণে।
দুর্ল্লভ জানিয়া মনে, বিছাৰিয়া সর্ব্বজক্ষণে,
ফুৰন্ত সমস্ত দেৱগণে ॥
উত্তম ক্ষত্রিয় জাতি, উদ্ধৱে প্রার্থিলা অতি,
যিটো স্ত্রীৰ চৰণৰ ধূলি।
এতেকে কৃষ্ণক যত, পাইবাৰ উপায় যদি,
দোষ সিও গুণেসে সমুলি ॥১৬৭
শুনিয়োক সভাসদ, ভক্তি ৰত্নাৱলী পদ,
ভকতৰ ইসে মহাধন।
জানিবা সমস্তে তত্ত্ব, গুচিবে সংশয় যত,
পৱম নির্ম্মল হৈবে মন ॥
ভকতিত পৱে আৰ, নাহিকে শাস্ত্রৰ সাৰ,
জানি সবে এড়া আন কাম।
গুচিবে সংসাৰ দুঃখ, লভিবা পৱম সুখ,
নিৰন্তৰে বোলা ৰাম ৰাম ॥১৬৮

পদ

জাতি কুলাচাৰ ধর্ম্ম জ্ঞান আদি কৰি।
ইসব গুণত বশ্য দুহিকন্ত হৰি ॥
ভকতিসি মাত্র বশ্য হন্ত কৃপাময়।
প্রপঞ্চিৰা ইটো কথা কহিলো নিশ্চয় ॥১৬৯
নাহিকে ভক্তিত হেন শঙ্কা বিপর্য্যয়।
নাৰদৰ বাক্যে আৰ গুচাওঁ সংসয় ॥
নাৰদ বদতি শুনিয়োক পৰংব্রহ্ম।
নাহি আত্ম পৰ তুমি সমস্ততে সম ॥১৭০
যিহেতু পৱম আত্মা ইটো জগতৰ।
এতেকে সবাতো সম দৃষ্টি নিৰন্তৰ ॥

SAS/6995

নিজানন্দ লাভে পূর্ণ তুমি লক্ষ্মীপতি।
নাহি অনুৰাগ আন বিষয়ক প্রতি ॥১৭১
তথাপিতো ভক্তে মাত্র সেবা অনুৰূপে।
তোমাৰ প্রসাদ পাৱে কহিলো স্বৰূপে ॥
কদাচিতো অভকতে তোমাক নপাৱে।
তথাপি বিষম তুমি নুহিকে স্বভাৱে ॥১৭২
কল্পতৰু বৃক্ষ যদি সবাতো সমান।
মাগন্তা জনক মাত্র কৱে ফল দান ॥
ভকতিসি গ্রাহ্য হৰি আপুনি প্রমাণ।
কহিয়া আছন্ত গোপিকাৰ বিদ্যমান ॥১৭৩
শুনা সখী সব মঈ কহো স্বৰূপত।
মোৰ ভকতিসে মোক্ষ পাৱে প্রাণী যত ॥
মইসে ঈশ্বৰ আন নাহি মোত পৰ।
মোহোৰ অধীন যত দেৱ নিৰন্তৰ ॥১৭৪
হেন মই মোত স্নেহ ভৈল তোমাসাৰ।
দেখিয়া কৌতুক ৰৱ মিলিল আমাৰ ॥
মোকেসে সুহৃদ প্রিয় আত্মাবুলি মানা।
সুখে মোক পাইলা সখী সব হেন জানা ॥১৭৫
কৃষ্ণৰ বচন খণ্ড এহিমানে মাত্র।
বুলিবা নোপজে জ্ঞান বিনে জ্ঞান শাস্ত্র ॥
জ্ঞান বিনে মুকুতি নুহিবে কদাচিত।
বুলিবা কিসক মোক্ষ পাইব ভকতিত ॥১৭৬
ইহাৰ উত্তৰ শুনা কৰি মন স্থিৰ।
জ্ঞান সাধিবাক কোন শ্রম ভকতিৰ ॥
নালাগে জ্ঞানৰ পদে পৃথক সাধন।
অযত্নে হৈবেক ভকতিতে উতপন ॥১৭৭
লৈয়োক প্রমাণ কৰি সিদ্ধৰ বচনে।
কহিয়াছে নিমি নৃপতিৰ বিদ্যমানে ॥
সমস্তে লোকৰ বর্ণাশ্রম আছে যত।
মনু আদি ঋষি মুখে কৱায়া বেকত ॥১৭৮
পৰম ৰহস্য জানি প্রভু ভগৱন্ত।
মুখ্যশাস্ত্র মানে নিজ মুখে কহিলন্ত ॥
যি সব উপায় কহি আছে কৃপানৰ।
অজ্ঞানী সকলো কৰি তাহাকে আশ্রয় ॥১৭৯
মহা সুখে আত্মা তত্ত্ব জানে সমুদায়।
তাকে বুলি ভাগবতী ধর্ম্ম নিৰাময় ॥
যেন মহা সুখ ভাগৱত ধর্ম্মচয়।
প্রপঞ্চিয়া কহো তাক শুনা মহাশয় ॥১৮০
চাৰি বেদ অষ্টাদশ স্মৃতি নিৰন্তৰ।
এই দুই চক্ষু জানা ব্রাহ্মণ সবৰ ॥
তাকে বুলি কণা যাৰ এক চক্ষু নাই।
দুইকো নজানিলে অন্ধ বুলি সমুদায় ॥১৮১

হেন অন্ধ সবো ভাগৱত ধর্ম্ম ধৰি।
লৱৰি ফুৰন্ত তাৰ নিপিছলে ভৰি ॥
হৰি ভকতি ধর্ম্ম যি জনে আচৰে।
নিত্য নৈমিত্তিক কতো কৰে কতো এড়ে ॥১৮২
তথাপিতো ধর্ম্ম ভ্রষ্ট নোহে সিটো নৰ।
নকৰিয়ো পাৱে ফল সমস্তে ধর্ম্মৰ ॥
এতেকেসে ভাগৱত ধর্ম্ম সুখকৰ।
কহিলো তোমাত ইটো ধর্ম্ম নৃপবৰ ॥১৮৩
বুলিবাহা কোন ভাগৱত ধর্ম্ম চয়।
শুনিয়োক কহো তাক তোমাত নিশ্চয় ॥
তপ জপ যজ্ঞ দান ব্রত সদাচাৰ।
ধন জন গৃহ পুত্র ভার্য্যা আপোনাৰ ॥১৮৪
সমস্তকে শুদ্ধ ভাবে অর্পিব কৃষ্ণত।
ইহাকে বোলয় মহা ধর্ম্ম ভাগৱত ॥
জাত হস্তে মাধৱত উপজিবে ৰতি।
সমস্তে ধর্ম্মৰ ফল জানিবা ভকতি ॥১৮৫
এহি ভক্তি হেতু হৈবে জ্ঞানৰ উদয়।
ইহাত কিঞ্চিৎ আৰ নাহিকে সংশয় ॥
ইহাৰ যুগুতি কহো শুনা কর্ণ পাতি।
যাহাৰ মায়াত দ্বৈত ভয় ভৈল অতি ॥১৮৬
কৱোক ভকতি তাস্তে পশিয়া শ্রৱণ।
এতেকে হৈবেক দ্বৈত ভয় নিৱর্ত্তন ॥
বুলিবাহা ভয় হুয়া আছে অজ্ঞানত।
স্বৰূপ পাসৰি কৱে দেহত মমত ॥১৮৭
মিলিবে স্বৰূপ বোধ জ্ঞান অভ্যাসত।
তেৱেসে গুচিবে ভয় দ্বৈত আছে যত ॥
হৰিৰ মায়ায়ে তাক কিবা কৱে ক্ষতি।
কিবা কার্য্য সাধিবেক হৰিৰ ভকতি ॥১৮৮
ইহাৰ উত্তৰ এবে শুনা সাৱধানে।
নজানিলা যিবা হেতু পাইলেক অজ্ঞানে ॥
কহো অজ্ঞানৰ যেন কাৰণ সাক্ষাত।
যেখনে বিমুখ ভৈল কৃষ্ণৰ সেৱাত ॥১৮৯
তেখনে কৃষ্ণৰ মায়া পাইলেক জীৱক।
মহা মোহ হৈয়া পাহৰিলে স্বৰূপক ॥
ভৈল বিপর্য্যয় অহং বুদ্ধি শৰীৰত।
পাইলে আসি ভেদ ভয় ভ্রান্তি নানা মত ॥১৯০
যেন নটে আপোনাৰ বেশ ছন্ন কৰি।
আছে ব্যাঘ্র ভল্লুকৰ স্বৰূপক ধৰি ॥
বালক সকলে যেন নাটক নাজানি।
হৱে মহা ভয় ভীত তাকে সত্য মানি ॥১৯১
সেহি মতে কৃষ্ণৰ মায়াত জীৱ যত।
বহু বিধ দুঃখ ভুঞ্জি ভ্রমে সংসাৰত ॥

কৃষ্ণৰ শৰণ লৈয়া নভজে যাৱত।
নেৱে মায়া নুগুচয় অজ্ঞাত তাৱত ॥১৯২
গুৰুক ঈশ্বৰ আত্মা বুলি মানি মনে।
কৰিব ভকতি এক কৃষ্ণৰ চৰণে ॥
এতেকে কৃষ্ণৰ কৃপা মিলিবেক তাক।
অনায়াসে তৰিবেক দুস্তৰ মায়াক ॥১৯৩
ভকতৰ হস্ত হৰি সহায় আপুনি।
নপাৱে ভক্তক আসি একোৱে বিঘিনি ॥
বিঘ্নিকেসে পৰাভৱ কৱে ভক্ত জনে।
লৈয়োক প্রমাণ কামদেৱৰ বচনে ॥১৯৪
নৰ নাৰায়ণৰ আগত কামদেৱ।
কৃতাঞ্জলি বচন বোলন্ত কৰি সেৱ ॥
তোমাতেসে ভক্তি যিটো কৱে সমুদায়।
তাক দেখি দেৱতাৰ নযাই নুপুহাই ॥১৯৫
একে আৰ আমাসাক নুপূজে সদায়।
আৱো চড়াই গৈয়া বৈকুণ্ঠত লৱে ঠাই ॥
ইহাত আমাৰ এবে জীবে লাগে কিক।
আমাৰ দেৱতা পদ আছে ধিক ধিক ॥১৯৬
এহি বুলি ইন্দ্র আদি দেৱ নিৱন্তৰে।
তোমাৰ ভক্তক পাৱেমানে বিঘ্নি কৱে ॥
তযু চৰণত প্রভু সেৱা যাৰ নাই।
নকৱে বিঘিনি তাক পূজা খাইবে পাই ॥১৯৭
কৱে উপদ্রব মাত্র ভক্তৰ ওপৱে।
তোমাৰ প্রসাদে ভক্তে কটাক্ষো নকৱে ॥
পৰম ঈশ্বৰ ভৈল যাহাৰ সহায়।
দেৱে বিঘ্নি কৰি কিবা উড়ুৱাইবে চাই ॥১৯৮
ভকতক লঙ্ঘিবে নপাৱে একো দুঃখে।
বিঘ্নিৰ মুণ্ডত ভৰি দিয়া ফুৱে সুখে ॥
এহি মানে খণ্ড কামদেৱৰ বচন।
কহো পৰমার্থ শুনিয়োক সর্ব্বজন ॥১৯৯
মুকুতিৰ অর্থে আন পন্থ আছে যত।
দেৱৰ বিধিনি নষ্ট কৰয় সমস্ত ॥
নাহি একো দোষ হৰি ভকতি পহুত।
জানিয়া ভকতি কৰিয়োক মাধৱত ॥২০০
ভকতিৰ অর্থে আন নলাগে সাধন।
কৰা সুখে হৰি গুণ শ্রৱণ কীর্ত্তন ॥
এতেকে কৃষ্ণৰ পাইবা পৰম প্রসাদ।
তৰিবা সংসাৰ একো নপাইবে প্রমাদ ॥২০১
কহিলোহো যেন ইষ্ট সিদ্ধি ভকতৰ।
শুনিয়োক কথা এবে আত অনন্তৰ ॥
কদাচিতো অভকতে নপাৱে মুকুতি।
বেদৰ বচনে লয়ো ইহাৰ যুগুতি ॥২০২

কৃষ্ণৰ মুখত ভৈল বিপ্র উতপন।
ক্ষতি সব বাহুত উৰুত বৈশ্যগণ ॥
চৰণত হন্তে শূদ্র সব ভৈল জাত।
চাৰিয়ো জাতিৰ কৃষ্ণ জনক সাক্ষাত ॥২০৩
হেনয় কৃষ্ণক যিটো নিজ পিতৃ বুলি।
নাজানি নভজে কৃষ্ণ দেৱক সমুলি ॥
জানিও অবজ্ঞা কৱে যিটো মন্দ মতি।
গুৰু পিতৃদ্রোহ পাপে যাবে অধোগতি ॥২০৪
নজানি সি যিটো জনে নভজে সাক্ষাত।
নুগুছে সংসাৰ তাৰ হোৱে অধঃপাত ॥
জানি অবহেলা অতি কৱে যিটো জন।
নৰকৰ পৱা তাৰ নাহি নিৱর্ত্তন ॥২০৫
সবাকো ঈশ্বৰ কৃষ্ণে কৱন্ত পোষণ।
নভজে পামৰ যিটো তাহান চৰণ ॥
কৃতঘ্ন পাতক সম ধর্ম্ম ভ্রষ্ট হুই।
ঘোৰ নৰকত সিটো পড়ে অধো মুই ॥২০৬
কৃষ্ণেসে পৰম গুৰু পিতৃ ইষ্ট দেৱ।
একান্ত শৰণে ভজি কৰা নিতে সেৱ ॥
ঘোৰ কলিযুগে আত পাপেসে প্রচুৰ।
যত ধর্ম্ম কর্ম্ম মানে সবে ভৈল দূৰ ॥২০৭
বাসুদেৱৰ পৰ ভৈল যিটো মহা মতি।
পৰম কৃতার্থ সিসি কলিত সম্প্রতি ॥
দুর্ঘোৰ সংসাৰ ইটো অন্ধ কূপ ময়।
পড়ি আছে আতে কাল ভুজঙ্গে দংশয় ॥২০৮
বিষয় বিষত অতি ভৈল অচেতন।
নাহি জ্ঞান স্মৃতি যেন মৃতক লক্ষণ ॥
হেনয় প্রাণীক কৃষ্ণ দেৱ বিনে আন।
কোনে আসি কলিত কৰিবে পৰিত্রাণ ॥২০৯
বুলিবা বিষয় বিষ পৰম দুর্ঘোৰ।
হেন বিষে চেতন হৰিল যি জনৰ ॥
তাক কেনমতে কৃষ্ণে কৰিবে উদ্ধাৰ।
ইহাৰ উত্তম ভক্তি বিনে নাহি আৰ ॥২১০
লৈয়ো আৰ সাক্ষী কৃষ্ণ দেৱৰ বচনে।
উদ্ধৱত আপুনি কহিলা নাৰায়ণে ॥
শুনিয়ো উদ্ধৱ মোৰ ভক্তিৰ মহত্ত্ব।
নপাওঁ অন্ত ভক্তিৰ সামর্থ্য আছে কত ॥২১১
বিষয়ে আক্রোশি নিলে যাহাৰ চিত্তক।
নপাৱে জিনিবে কদাচিতো ইন্দ্রিয়ক ॥
হোৱে সিয়ো কৃতার্থ মোহোৰ ভকতিতে।
বিষয়ৰ দোষ তাক নপাৱে বাধিতে ॥২১২
ইন্দ্রি পৰাধীনো হোৱে আমাৰ ভকত,
জিতেন্দ্রিয় সবৰ মহিমা কৈবো কত
মায়া ॥

স্ত্রী পৰাধীনো গতি পাৱে ভকতিত।
আন বিষয়ত মাত্র লুব্ধ যাৰ চিত্ত ॥২১৩
কোন শ্রম ভকতিৰ তাহাকে মোক্ষণে।
লৈয়ো আৰ সাক্ষী পুক্ৰ ৰাজাৰ বচনে ॥
উৰ্ব্বশীৰ হস্তে ৰাজা হয়া বিৰকত।
মহা খেদ কৰি বহি গুণন্ত মনত ॥২১৪
পূৰ্ব্বাপৰ বিমৰিষি কৰিলন্ত সাৰ।
মাধৱত পৰে গতি নাহিকে আমাৰ ॥
ভগৱন্তে দেৱ মহেশ্বৰ আত্মা ৰাম।
মহাপাপী সৰ্ব্বো পুৱন্ত মনস্কাম ॥২১৫
দুষ্টানাৰী সৰে মন হৰিলেক যাৰ।
তান বিনে কোনে গতি সাধিবেক তাৰ ॥
এহি বুলি ৰাজা পাছে এড়ি উৰ্ব্বশীক।
কৃষ্ণত ভকতি কৰি সাধিল গতিক ॥২১৬
এতেকে জানিবা হৰি ভকতি বিনায়।
কৃষ্ণক পাইবাৰ আন নাহিকে উপায় ॥
কহন্ত ঈশ্বৰে উদ্ধৱত প্রতি প্রতি।
শুনিয়োক স্বৰূপ উদ্ধৱ মহামতি ॥২১৭
মইসে ঈশ্বৰ চৰাচৰ জগতৰ।
মোত হন্তে হোৱে সৃষ্টি স্থিতি নিবন্তৰ ॥
ব্রহ্মাৰো জনক মই বেদৰো কাৰণে ॥
নাহি গতি দাতা মোত পৰে আন জন ॥২১৮
জানি যিটো কৰে মোত কেৱল ভকতি।
পাৱে মোক সুখে সখি কহিলো সম্প্রতি ॥
যদিবা প্রমাদ আসি মিলে কদাচিত।
তথাপি ভক্তৰ নাহি আন প্রায়শ্চিত ॥২১৯
বস্ত পাক অর্থে যেন অগ্নি জালে নৰে।
সেহি অগ্নি দহি তৃণ কাষ্ঠ ভস্ম কৰে ॥
সেহিমতে বিষয়ত মাত্র যাৰ চিত্ত।
অব্যভিচাৰিণী ভক্তি কৰে কথঞ্চিত ॥২২০
তথাপি সমস্তে পাপ ভস্ম কৰে তাৰ।
আশ্চর্য্য মহিমা দেখ ভক্তিৰ আমাৰ ॥
এতেকে উদ্ধৱ মোৰ ভকতি বিনাই।
এৰম্বিৰ কুশল আনত হন্তে নাই ॥২২১
নকৰয় বশ্য মোক কর্ম্ম যোগ জ্ঞানে।
তপ ত্যাগ বেদ মন্ত্র জপ্য তীর্থ স্নানে ॥
কেৱল ভক্তিসে মোক বশ্য কৰে নৰে।
নাহিকে উত্তম পন্থ ভকতিত পৰে ॥২২২
পৰম শ্রদ্ধায়ে মোৰ ভকতি আচৰি।
চাণ্ডালো পবিত্র হয় জানা নিষ্ঠ কৰি ॥
আন ভাতি পবিত্র হৈবেক কোন চিত্র।
নাহি ভকতৰ মোত পৰে মহা মিত্র ॥২২৩

ভকতি বিনায় আন যতেক সাধন।
জানা সবে ব্যর্থ সখি কহিলো বচন ॥
সত্য ভুত-দয়া সমে আচৰে ধর্ম্মক ॥
তপে সমন্বিতে কৰে উপাসা দেৱক ॥২২৪
তথাপিতো পবিত্র নুহিকে তনু চিত।
ভৈলা যিটো জন মোৰ ভকতি বর্জ্জিত ॥
শুনিয়ো উদ্ধৱ সখি কহো প্রসঙ্গত।
ভকতিৰ চিহ্ন যাৰ নভৈল বেকত ॥২২৫
নোহে চিত্ত দ্রব যাৰ শৰীৰ পুলক।
যাহাৰ নেত্রৰ নাহি আনন্দ লোতক ॥
তেবে কেন মতে তাৰ লক্ষিবা ভকতি।
বিনে ভক্তি চিত্ত শুদ্ধ নোহে মহামতি ॥২২৬
শুনিয়ো উদ্ধৱ ইটো কহো তত্ত্ব সাৰ।
বাক্য গদ গদ আদি আদি ভকতি আমাৰ ॥
সিটো ভকতিক কৰে যি জনে আশ্রয়।
কবিবে পবিত্র তাক অদভুত নয় ॥২২৭
কিন্তু মোত ভৈল প্রেম ভকতি যাহাৰ।
হৈবেক পবিত্র যত পুরুষ তাহাৰ ॥
নুহিকে আশ্চর্য্য ইটো জানা মহাশয়।
সমস্তে জগত সিটো পবিত্র কৰয় ॥২২৮
বাক্য গদ গদ কৰে প্রেমৰ ভৰত।
দ্রবে চিত্ত স্মৰি মোৰ মহিমা মনত ॥
ভকতৰ বশ্য মই হেনয় আকলি।
পৰম আনন্দে হাসি তোলে খল খলি ॥২২৯
এত কাল ভৈলো তঘু সেবায়ে বঞ্চিত।
এহি বুলি শোকে অতি কান্দে কদাচিত ॥
এবে পাইলো পাইলো বুলি কতো গায়ে গীত।
পৰম হৰিষে উঠি কতো কৰে নৃত্য ॥২৩০
এহি মত যাৰ মিলিল প্রচুৰ।
শুচে লজ্জা আদি মায়া এড়ি হোৱে দূৰ ॥
মুকুতিতো অধিক আনন্দ অতি মিলে।
জগত পবিত্র হোৱে তাহাক দেখিলে ॥২৩১
হেনয় ভক্তিক ত্যজি যিটো নৰাধম।
মোক্ষৰ নিমিত্তে আন মতে কৰে শ্রম ॥
নপাৱে মুকুতি চিত্ত শুদ্ধ নোহে তাৰ।
দৃষ্টান্ত সহিতে কহো কাৰণ ইহাৰ ॥২৩২
যেন খাৰ আমলে পখালে সুবর্ণক।
নপাৱে শুচাইবে অভ্যন্তৰৰ মলক ॥
খপন্তে খপন্তে বহ্নি ভৈল অন্তর্গত।
তেজে নিজ বর্ণ ধৰে শুচে মল যত ॥২৩৩
সেহি মতে যাগ যোগ আদি নিবন্তৰে।
কর্ম্ম মল বাসনাক পবিত্র নকৰে ॥

শ্রবণ কীর্ত্তনে মোক ভজে যিটো জন।
শুচে কর্ম্ম মল তাৰ শুদ্ধ হোৱে মন ॥২৩৪
মোৰ ভক্তিবলে দহি লিঙ্গ শৰীৰক।
পাৱে অনায়াসে মোৰ নিজ স্বৰূপক ॥
ভকতিৰ মহিমা দেখিয়ো অদভুত।
ভৈল কৃত-কৃত্য সিটো জীৱন্তে মুকুত ॥২৩৫
তথাপিতো প্রার্থনা কৰয় ভকতিক।
জানিয়া আনন্দ অতি মোক্ষতো অধিক ॥
লৈয়োক সাক্ষাতে উদাহৰণ সম্প্রতি।
মহেশৰ আগে মার্কণ্ডেয় নিগদতি ॥২৩৬
পৰিপূর্ণ কাম তুমি প্রভু মহেশ্বৰ।
কৰাহা পুৱণ মন ভকত জনৰ ॥
মাগোহো তোমাত এক বৰ পশুপতি।
ঈশ্বৰ কৃষ্ণত হোক একান্ত ভকতি ॥২৩৭
তযু চৰণত নিতে সেৱা নুগুচোক।
বৈষ্ণৱ জনত মোৰ সদা ৰতি হোক ॥
নুহিকে অন্তৰ হৰি ভকত সহিতি।
থৈলো মার্কণ্ডৰ বাক্য সংহৰি সম্প্রতি ॥২৩৮
সর্ব্ব সাধনতে শ্রেষ্ঠ ভকতি উত্তম।
পূর্ব্বাপৰ চাহি সাধু কৰিল নিয়ম ॥
বুলিবা মোক্ষৰ আছে অনেক উপায়।
ভকতিসি ভৈল কিয় শ্রেষ্ঠ সমুদায় ॥২৩৯
হেন যদি কদাচিত শঙ্কা হোৱে মনে।
ইহাৰ উত্তম কহো তত্ত্বৰ বচনে ॥
সৃষ্টিৰ কাৰণে যত তত্ত্ব নিবন্তৰে।
কৃষ্ণক কৰন্ত স্তুতি পৰম সাদৰে ॥২৪০
যত জ্ঞানীগণে মন নিয়মি সকলে।
জিনিয়া দুর্জ্জয় মায়া জ্ঞান যোগ বলে ॥
তোমাৰ ভকতি তাতো কৰিয়া সহায়।
তৰি ইটো সংসাৰ তোমাত লীণ যায় ॥২৪১
বুলিয়া জ্ঞানীও হোৱে আমাত প্রবেশ।
ভকত সকল ভৈল কিমতে বিশেষ ॥
শুনিয়োক ইহাৰ উত্তৰ যেন মত।
ভক্তি বিনে নিস্ফল কেৱল যোগ যত ॥২৪২
ভকতি সহিতে জ্ঞান অভ্যাস দুষ্কৰ।
অনেক শ্রমেসে আত মোক্ষ পাৱে নৰ ॥
তোমাৰ ভকতি একো সহায় নচাৱে।
কেৱল ভকতি সুখে বৈকুণ্ঠক পাৱে ॥২৪৩
বুলিবা ভক্তিত যেবে সুখে পাৱে গতি।
নকৰে সমস্তে কিয় হৰিত ভকতি ॥
ইহাৰ উত্তৰ শুনা ব্রহ্মাৰ বচন।
সব লোকে কৃষ্ণক নভজে সিকাৰণ ॥২৪৪

পৰম বিষয়ী যত হৰিত বিমুখ।
নাহিকে দিনতো একো ইন্দ্রিয়ৰ সুখ ॥
নানা বিধ শ্রমে দিন গোট বহি যাই।
নিশা তো নিদ্রাত থাকে একো সুখ নাই ॥২৪৫
স্বপ্ন দেখি নিদ্রাৱো জাগয় ক্ষণে ক্ষণে।
তাতো নানাবিধ মনোৰথ চিন্তে মনে ॥
বহু বিধ অর্থ আশা কৰি থাকে যত।
তাহাৰো নাহিকে সিদ্ধি দৈব কৰে হত ॥২৪৬
এহি মতে ৰাত্রি দিনে বিষয়ত মতি।
কৃষ্ণৰ কথত কদাচিতে নাহি ৰতি ॥
মহা মূঢ় বিষয়ৰ আছে ইটো কথা।
শ্রবণ কীর্ত্তন যিটো বিমুখ সর্ব্বথা ॥২৪৭
জীবন্তে মুকুত মহা মুনি সব যত।
তাৰা সবো এহি মনে ভ্রমে সংসাৰত ॥
মোক্ষৰ পৰম মহা উত্তম কাৰণ।
কহো শুনা পুনৰপি ব্রহ্মাৰ বচন ॥২৪৮
কহন্ত ব্রহ্মায়ে দেৱ সবৰ আগত।
ইসি মহা খেদ শুনা দেৱতা সমস্ত ॥
আমৰা সবাৰো মহা প্রাথসি মনত।
হেনয় দুর্ল্লভ জন্ম লভি ভাৱতত ॥২৪৯
ইসি মহা ধর্ম্মতত্ত্ব জ্ঞানৰ সাধন।
জানিও নকৰে মাধৱক আৰাধন ॥
শ্রবন কীর্ত্তন যিটো নকৰে সদায়।
জানিবা মোহিলে তাক কৃষ্ণৰ মায়ায় ॥২৫০
মনুষ্য শৰীৰ পায়া নেড়াইলে সংসাৰ।
কদাচিতো নাহি আৰ তাহাৰ নিস্তাৰ ॥
বুলিবা ভকতি বিনে নতৰে মায়াক।
ভক্তিও দুর্ল্লভ মায়া মোহি আছে যাক ॥২৫১
তাহাৰ নিস্তাৰ এবে হৈৰে কেন মতে।
ইহাৰ উত্তৰ শুনা ব্রহ্মাৰ বাক্যতে ॥
সৃষ্টি স্থিতি প্রলয় কৰন্ত যিটো দেৱ।
জগত কাৰণ যাত পৰে নাহি কেৱ ॥২৫২
তান যোগ মায়া আতি পৰম দুষ্টৰ।
যোগেশ্বৰ সমস্তৰ তৰুণ দুষ্কৰ ॥
হেন নাৰায়ণ তিনি গুণৰ ঈশ্বৰ।
বিহিবন্ত কুশল আপুনি দামোদৰ ॥২৫৩
কৃষ্ণৰ কৃপাত হৈব কল্যাণ আমাৰ।
আমাৰ সবৰ আত নলাগে বিচাৰ ॥
এহি মতে অনুগ্রহ প্রার্থন্তে কৃষ্ণৰ।
অহঙ্কাৰ শূন্য অতি ভৈল যিটো নৰ ॥২৫৪
কদাচিত কৃষ্ণে তাক কৰিবন্ত দয়া।
হৈবেক ভকতি সুখে তৰিবেক মায়া ॥

উত্তম উপায় আৰ নাহি আত পৰ।
লৈয়ো আৰ প্রমাণ বচনে নাৱদৰ ॥২৫৫
প্রাচীন বহিৰ আগে কৈলা নিষ্ঠা কৰি।
যাক যি কালত অনুগ্রহ কৰে হৰি ॥
তেবে সিটো লৌকিক বৈদিক কৰ্ম্ম পথে।
পৰম নাস্তিক মতি ত্যজিব সমস্তে ॥২৫৬
কাহাকো কৰন্ত কৃপা কাকো নকৰন্ত।
ইমত বিষম কিয় ভৈল ভগৱন্ত ॥
ইটো সংশয়ৰ শুনা উত্তৰ উত্তম।
নাহি শত্রু মিত্র হৰি সমস্ততে সম ॥২৫৭
ভকতিহি তাক অতি বিষম কৰায়ে।
ভকতৰ বশ্য হৰি জানিবা স্বভায়ে ॥
এতেকে চিন্তত তাক মাত্র যিটো নৰে।
সমস্তৰে কর্ত্তা বুলি ভাবে নিৰন্তৰে ॥২৫৮
তাতেসে কৃষ্ণৰ কৃপা মিলে তাক প্রতি।
সকলে ধর্ম্মক পাছে ত্যজে তাৰ মতি ॥
শ্রবণ কীর্ত্তন মহা লাভকেসে ভজে।
মোক্ষতো অধিক মহা আনন্দতে মজে ॥২৫৯
এহি মতে অতি ইটো প্রসঙ্গ সংহৰি।
দেখাইলো ভক্তৰ যেন বশ্য হন্ত হৰি ॥
অবশ্যকে ঈশ্বৰক লাগে ভজিবাক।
ইহাৰ কাৰণে যেন শুনা এবে তাক ॥২৬০
অনুচৰী সম লক্ষ্মী দেবী প্রবর্ত্তন্ত।
তথাপি তাহাক ভার্য্যা বুলি নভজন্ত ॥
যতেক সকামী ৱজগণ দেৱ ঝাক।
কদাচিতো শ্রেষ্ঠ বুলি নভজন্ত তাক ॥২৬১
কাহাতো নাহিকে অনুৰাগ মাধৱৰ।
যিহেতু আপুনি পূর্ণকাম মহেশ্বৰ ॥
নিজ ভৃত্যবর্গৰ অধীন তথাপিতো।
হেনয় পৰম ৱহস্যক জানে যিটো ॥২৬২
সিটো কেন মতে আৰ ত্যজিবে কৃষ্ণক।
দুহি অজ্ঞ জানে যিটো ভকতি ৱসক ॥
ভকতৰ বশ্য হৰি দেখায়া সম্প্রতি।
পৰম দুর্ল্লভ যেন কৃষ্ণৰ ভকতি ॥২৬৩
শুকৰ বচনে আৰ কহো অভিপ্রায়।
বোলন্ত শুনিয়ো পৰীক্ষিত মহাশয় ॥
যাদৱ পাণ্ডৱ ইটো দুতয় কুলৰ।
ভাগ্যক বর্ণায়া সীমা পাইবে কোন নৰ ॥২৬৪
পুৰাণ পুরুষ যিটো কৃষ্ণ মহেশ্বৰ।
তেন্তে বশ্য হুয়া অতি উভয় বংশৰ ॥
পৰম আৰাধ্য ইষ্ট দেৱ আছিলন্ত।
গুৰু হুয়া মহা হিত উপদেশ দেন্ত ॥২৬৫
দুয়ো কুল ৰক্ষক আছিলা মহা হিত।
কিঙ্কৰালি কর্ম্মকো কৰিলা কদাচিত ॥
কৃষ্ণ বিনে দুয়ো কুলে নাজানিলে আন।
আছিলন্ত সবাৰো কৃষ্ণেসে জীৱ প্রাণ ॥২৬৬
এহি মতে নিজ ভকতক ভগৱন্ত।
বশ্য হৈয়া অনুকম্পা কৰে অপর্য্যন্ত ॥
নিজ যশ প্রিয় প্রভু দেৱ দামোদৰ।
তাক ত্যজি আন মতে ভজে যিটো নৰ ॥২৬৭
সিজনত তৃপিতি দুহিকে তাক সৰি।
এতেকে মুকুতি মাত্র দেন্ত দেৱ হৰি ॥
কদাচিতো প্রেম ৱস সহিতে ভকতি।
নেদন্ত ৱহস্য পদে জানা মহামতি ॥২৬৮
সিহেতু ভকতি সুখ পৰম দুর্ল্লভ।
কৃষ্ণৰ করুণা বিনে দুহিকে সুলভ।
এহি তাতপর্য্য কহে ভাগৱত গ্রন্থ।
ইহলোকে হৰি ভকতিসি মুখ্য পন্থ ॥২৬৯
পৰম কল্যাণ ইসি বিধিনি ৱহিত।
কতো হন্তে নয় আত নাহি কদাচিত ॥
পৰম উৎসুকে অতি যতেক মহন্ত।
ভকতি পন্থত মাত্র সদা প্রবর্ত্তন্ত ॥২৭০
কহিলোহো একো ভয় নাহি ভকতিত।
যমৰ বচনে তাক কৰোহো বিদিত ॥
শিখান্ত আপুনি যমে দূত সমস্তক।
সমভাবে যাৰা সবে ভজন্ত কৃষ্ণক ॥২৭১
পৰম পবিত্র যশ তাহাৰা সবৰ।
গায়ে ৰাত্রি দিনে দেৱ সিদ্ধে নিৰন্তৰ ॥
মাধৱৰ যিটো মহা কৌমুদকী গদা।
তাহাৰা সবক ৰক্ষা কৰি ফুৰে সদা ॥২৭২
নাচাপিবি দূত তাসম্বাৰ সন্নিহিত।
গদায়ে কোৰায়া কৰিবেক চূর্ণীকৃত ॥
মইয়ো তাৰ উপৰে নহওঁ দণ্ডধৰ।
কালো প্রভু নোহে আক তাহাৰা সবৰ ॥২৭৩
ভকতক মাত্র ৰক্ষা কৰে ভগৱন্ত।
বুলিৰাহা তেবে হৰি বিষম ভৈলন্ত ॥
শুনিয়ো সংশয় ত্যজি ইহাৰ উত্তৰ।
কদাচিতো বিষম দুহিকে দামোদৰ ॥২৭৪
নাহি তান বল্লভ সুহৃদ প্রিয়তম।
শত্রু মিত্র উদাসীন সমস্ততে সম ॥
তথাপিতো যেন মতে ভজন্ত ভকতে।
কৰে অনুগ্রহ তাসম্বাকো সেহি মতে ॥২৭৫
যেন কল্পতরু সম সবাতো স্বভাবে।
তথাপিতো মাগন্তা জনেসে ফল পাৱে ॥

সেহি মতে ভজন্তাক ভজন্ত ঈশ্বৰে।
তাহাক বিষম বোলে কমন পামৰে ॥২৭৬
ভকত জনক মাত্র ভজা নাৰায়ণে।
লৈয়োক প্রমাণ ভগৱন্তৰ বচনে ॥
পশু পক্ষী বৃক্ষ গরু গোপিকা প্রভৃতি।
সৎসঙ্গ লাগিয়া কৰে আমাত পীৰিতি ॥২৭৭
এতেকে কৃতার্থ হুয়া পাইলে মোক সুখে।
মহা জ্ঞানী সকলে নপাৱে যাক দুঃখে ॥
কৃষ্ণৰ বচন এবে থৈলোহো সংহৰি।
নাহি আন সুখ পন্থ ভকতিৰ সৰি ॥ ২৭৮
জানি সাধু জন ভকতিক কৰা সাৰ।
তৰিবাহা সুখে ঘোৰ সংসাৰ নিকাৰ।
ভজিয়া কৃষ্ণক মুখে ধৰা গুণ নাম।
সমস্ত সমাজে ডাকি বোলা ৰাম ৰাম ॥২৭৯

দুলড়ি

কৃষ্ণৰ ভকতি, অপ্রয়াসে গতি,
সাধয় সবে লোকৰ।
ভকতি বিহীন, জ্ঞান কর্ম্ম যেন,
শুনা এবে আত পৰ ॥
পৰম নির্ম্মল, যিটো জ্ঞানে অতি,
এড়াইলে কর্ম্মৰ হাত।
নানাবিধ ভেদ, প্রপঞ্চ লুকাইল,
ভৈলন্ত আত্মা সাক্ষাত ॥২৮০
ভকতি বর্জ্জিত, ভৈলে হেন জ্ঞানে,
শোভা অতি নকৰয়।
পৰম নিষ্কাম, কর্ম্মো নশোভয়,
কৃষ্ণত যাবে নর্পয় ॥
ভকতি সহায়, নভৈলে যিহেতু,
জ্ঞানৰো হেন অৱস্থা।
সদা দুঃখ মই, যিটো কাম্য কর্ম্ম,
কৈবো কিবা তাৰ কথা ॥২৮১
ভকতি সহায়, বিনে জ্ঞানে কর্ম্মে
নসাধে কাৰো মুকুতি।
কাহাকো সহায়, নচাৱে ভকতি,
গৰিষ্ঠ এহি যুগুতি ॥
জ্ঞান কর্ম্ম যত, সমস্ততো কৰি,
কহিলো শ্রেষ্ঠ ভকতি।
ইদানীকো সবে, মোক্ষতো অধিক,
দঢ়ায়া কহো সম্প্রতি ॥২৮২
জীবন্তে মুকুত, ভৈল যিটো অতি,
আত্মাত মাত্র ৰময়।
শাস্ত্র বহির্ভূত, ভৈল হৃদয়ৰো,
দূৰ গৈল গ্রন্থি চয় ॥
তাৰা সবো সদা, পৰম নিষ্কামে,
ভকতি কৰে কৃষ্ণত।
মোক্ষতো অধিক, ভকতিৰ সুখ,
জানিয়া অতি মনত ॥২৮৩
মুকুত সকলো, নেড়য় ভকতি,
কিনো অতি অদভুত।
শঙ্কা দূৰ কৰি, জানা দেৱ হৰি,
হেনয় গুণ যুগুত ॥
এতেকে ভকতে, স্বর্গ ব্রহ্মপদ,
সার্ব্বভৌম অধিপতি।
পাতালৰো ভোগ, অষ্টাঙ্গ ঐশ্বর্য্য,
মোক্ষতো নকৰে ৰতি ॥২৮৪
ভকতিৰ ফল, ভকতিসি মাত্র,
জানিবা আক নিশ্চয়।
এহি পৰমার্থ, উদ্ধৱৰ আগে,
কৈলা কৃষ্ণ কৃপাময় ॥
মোতে মাত্র চিত্ত, ভৈল যাৰ তাৰ,
নলাগে জ্ঞান বৈৰাগ্য।
কেৱলে মোহোৰ, ভকতিতে সুখে,
পাইব শ্রেয়সৰ লাগ ॥২৮৫
তপ জপ যজ্ঞ, যাগ যোগ ব্রত,
তীর্থ স্নান মহা জ্ঞানে।
আনো নৱ কর্ম্ম, আচৰিয়া নৰে,
পাৱে ফল যত মানে ॥
আমাৰ ভকতে ভকতিত সুখে,
সমস্তে তাক পারয়।
স্বর্গ অপবর্গ, বৈকুণ্ঠকো পাৱে,
কিন্তু তাক নবাঞ্ছয় ॥২৮৬
পৰম মহন্ত, যিটো বুদ্ধিমন্ত,
একান্ত ভক্ত আমাৰ।
আত্যন্তিক মোক্ষ, বৈকুণ্ঠ লোককো,
নোখোজে কহিলো সাৰ ॥
সিহেতু মোতেসে, কায় বাক্য মনে,
পীৰিতি কৰে সর্ব্বথা ॥
এতেকেসে মই, যাচন্তে নলৱে,
জানা ইটো সত্য কথা ॥২৮৭
ভকতি কৰিয়া, একোৱে অপেক্ষা,
নকৰে যাৰা সকল।
এহি মানে মাত্র, জানিবা নিশ্চয়,
ভকতিৰ মহা ফল ॥

ইহাৰ সাধন, কহো শুনিয়োক,
সুহৃদ তুমি সাক্ষাত।
ভকতি বিনায়, আন কিছু কাম,
নবাঞ্ছে যিটো আমাত ॥২৮৮
তাৰা সবে পাইব, ভকতিৰ সুখ,
নাহিকে আত সংশয়।
হোক উদাসীন, হোক বা গৃহস্থ
দু-হানো হোক নিশ্চয় ॥
প্রকৃতিত পৰ, মই মহেশ্বৰ,
নাহি আন মোত পৰে।
মোতে মাত্র সম, ভাবি যিটো নৰে
একান্ত ভকতি কৰে ॥২৮৯
বিধি নিষেধৰ, যত গুণ দোষ,
নোহোৱে কহিলো নিষ্ঠ।
যেহেতু একান্ত, ভকত জনৰ,
মই ভৈলো মহা ইষ্ট ॥
প্রকৰণ অর্থ, উপসংহৰিয়া
শুনিয়ো কহো তোমাত।
দিলো উপদেশ, পন্থ যিটো ইটো,
প্রবর্ত্তে আত সাক্ষাত ॥২৯০
নির্গুণ পুৰুষ যিটো পৰংব্রহ্ম
জানিব সুলভে মোক।
কালৰ নায়াক, বিক্রম ৰহিত,
পাইব সুখে মোৰ লোক ॥
শুনা বুদ্ধজন, কৰি স্থিৰ মন,
কহিল যেন ঈশ্বৰে।
সকলে শাস্ত্রৰ, এহি মানে সাৰ,
নাহি আৰ আন পৰে ॥২৯১
ভাগৱত শাস্ত্র, চাহি পূর্ব্বাপৰ,
ঈশ্বৰবাক্য প্রমাণি ॥
কহিলো ভকতি, ধৰিয়ো সম্প্রতি,
এহি সত্য হেন জানি ॥
শ্রীমন্ত উত্তম, পুৰুষ দৈৱকী-
নন্দন আনন্দ সিন্ধু।
তাহাৰ চৰণ, পঙ্কজৰ যিটো,
কৃপা মকৰন্দ বিন্দু ॥২৯২
তাহাৰ প্রসাদে, মোহোৰ পৰম,
বিবেক বাঢ়িল আসি।
সেই মই বিষ্ণু পুৰি ত্রিহোতীয়া,
পৰমহংস সন্ন্যাসী ॥
ভক্তি-বল্লাৱলী, কৰিলো গ্রন্থন,
যেন লৈল মোৰ মতি।

তাহাৰ প্রথম, বিৰচন কথা,
এহি মানে সমাপতি ॥২৯৩
দুর্ঘোৰ সংসাৰ, সাগৰ নিকাৰ,
তৰিবাক ইচ্ছা যাৰ।
কেৱল কৃষ্ণৰ, চৰণ পঙ্কজে,
ভকতিক কৰা সাৰ ॥
এতেকে বৈকুণ্ঠ, সহিতে ভকতি,
আনন্দ লভিবা সুখে।
ধৰা গুণ নাম, ত্যজি আন কাম,
ৰাম ৰাম বোলা মুখে ॥২৯৪

দ্বিতীয় সৎসঙ্গ বিৰচন

পদ

পূর্ব্ব বিৰচনত ভকতি কৰি সাৰ।
আৰম্ভিলো মই বিৰচন আৰ বাৰ ॥
ভকতিৰ হেতু নিৰূপণৰ নিমিত্তে।
জানি সভাসদ শুনিয়োক একচিত্তে ॥২৯৫
শ্রীমন্ত ঈশ্বৰ কৃষ্ণ ভকতৰ গুৰু।
তাহাৰ পৰম কৃপা ৰস কল্পতরু
তাহাৰ উত্তৰ ফল সৎসঙ্গ প্রধান ॥
ভাগৱত শাস্ত্রে অভিপ্রায় এহিমান ॥২৯৬
এহি পৰমার্থ দেখাইবাক প্রথমত।
আৰম্ভিলো কপিলৰ বাক্য অভিমত ॥
কপিলে কহন্ত দেৱহুতিৰ আগত।
একান্ত বৈষ্ণৱ সমস্তৰ প্রসঙ্গত ॥২৯৭
হোৱয় উত্তৰ মোৰ নির্ম্মল চৰিত।
তাক যিটো পৰম শ্রদ্ধায়ে শুনে নিত ॥
মোক্ষ দাতা মই মোতে শীঘ্রে অতিশয়।
অনুক্রমে শ্রদ্ধা ৰতি ভকতি মিলয় ॥২৯৮
ভকতৰ সঙ্গ যিটো লৱয় সর্ব্বথা।
হৈবেক ভকতি তাৰ ইটো কোন কথা ॥
অল্প সঙ্গে তাৰয় ভকতি দিয়া দান।
ভগৱন্ত বাক্য লৈয়ো ইহাৰ প্রমান ॥২৯৯
আকাশত থাকি নাৰদত নিগদতি।
শুনিয়ো বালক মোৰ বচন সম্প্রতি ॥
অল্প মাত্র সাধু সেৱা কৰিলি সাক্ষাত।
এতেকতে মোত দৃঢ় মতি হৈল জাত ॥৩০০
তাজিয়া নিন্দিত দাসী সুত কলেৱৰ।
পাইবি মোৰ পাৰিষদী তনু শ্রেষ্ঠতৰ ॥
হৈবেক নাৰদ নাম দিব্য ৰূপ ধৰ।
ফুৰিবি পবিত্র কৰি লোক নিৰন্তৰ ॥৩০১

ভগৱন্ত বাক্য থওঁ সংহৰি সম্প্রতি।
স্বর্গাদিতো কৰি শ্রেষ্ঠ সাধুৰ সঙ্গতি ॥
লৈয়োক প্রমান সৌনকৰ বচনত।
সাক্ষাতে কহিয়া আছে সুতৰ আগত ॥৩০২
অতি অল্প কাল মাত্র সন্তৰ সঙ্গৰ।
তাকো স্বর্গ মোক্ষ পদে নোহে সমসৰ ॥
স্বর্গ সুখ হন্তে পুনৰপি পাত হয়।
মোক্ষতো ভকতি শূন্য জানিবা নিশ্চয় ॥ ৩০৩
আন সব সুখ আৰ কিবা পটন্তৰ।
এতেকে সবাতে শ্রেষ্ঠ সঙ্গ ভকতৰ।
এবে আৰ হেতু শুনা সুত মহাশয়।
কৃষ্ণ পদ যুগ মাত্র যাহাৰ আশ্রয় ॥৩০৪
তাৰা সবে মহামুনি পৰম মহন্ত।
সন্নিধি মাত্রকে সন্তে পবিত্র কৰন্ত ॥
ভকতিৰ প্রতিবন্ধ যত পাপচয়।
ভকতৰ জনৰ সেবাতেসে নষ্ট হয় ॥৩০৫
হৰি পদ হন্তে গঙ্গা হুয়া উতপতি।
ভৈল এড়া এড়ি সিটো চৰণে সহিতি ॥
কৃষ্ণৰ চৰণ সম্বন্ধত গঙ্গাদেবী।
কৰন্ত পবিত্র যেবে চিৰকাল সেবি ॥৩০৬
সন্তৰ হিয়াত হৰি সদা প্রবর্ত্তন্ত।
এতেকে গঙ্গাত কৰি গৰিষ্ঠ মহন্ত ॥
তাসম্বাৰ সঙ্গ সদা লৈলে যিটো জনে।
ঘুহিবে ভকতি শঙ্কা নকৰিবা মনে ॥৩০৭
ভকত সঙ্গত আন নলাগে সহায়।
সুতৰ বচনে আৰ লৈয়ো অভিপ্রায় ॥
অভক্তৰ স্বভাৱ মলিন অতিশয়।
ম্লেছাদি শৰীৰ তাৰ হৈবেক নিশ্চয় ॥৩০৮
সম্প্রতি যতেক কর্ম্ম কৰে বিদ্যমান।
নোহে সিটো শোভন সমস্তে আকল্যাণ ॥
কৃষ্ণৰ সেৱক সব পৰম নির্ম্মল।
জগত পবিত্র কৰে তাহাৰা সকল ॥৩০৯
তাসম্বাক সেৱা অতি কৰন্তে সদায়।
ভক্ত প্রতিবন্ধ নষ্ট হোৱে সমুদায় ॥
গুচে সবে চিত্তৰ বিক্ষোভ আছে যত।
নিশ্চল ভকতি হোৱে কৃষ্ণ চৰণত ॥৩১০
অধমো ঊদ্ধাৰ হোৱে সন্তৰ সঙ্গত।
ইহাৰ প্রমাণ লৈয়ে সুতৰ বাক্যত ॥
আজি মোৰ মহা হৰিষৰ নাহি সীমা।
সাধুৰ সঙ্গৰ কিনো আশ্চর্য্য মহিমা ॥৩১১
ক্ষত্রিয়ত হন্তে ব্রাহ্মণীত ভৈলো জাত
অপবিত্র সুতজাতি জগতে প্রক্ষাত ॥

হেন মই ভৈল মোৰ জন্মৰ সফল।
তোমাসাৰ সঙ্গে মোক কৰিলে নির্ম্মল ॥৩১২
অকুলীন হেন দুখ মনত আছিল।
শুক গুৰু প্রসাদত সমস্তে গুচিল ॥
শৌনক প্রভৃতি তোৰাসব মহাজন।
তুমি সবে মোক সাদৰাহা অনুক্ষণ ॥৩১৩
তোৰাসব সমে কৰে লৌকিক আলাপ।
তথাপিতো দূৰ হেৱে তাৰ যত পাপ ॥
আছো ভকতৰ সম্ভাষণ ইটোকথা।
সন্তৰ স্মৰণে শুদ্ধি কৰয় সর্ব্বথা ॥৩১৪
সঙ্গ লৈয়া শুশ্রূষা কৰয় মহন্তক।
তেৰেকি কহিবো আৰ তাহাৰ ভাগ্যক ॥
বুলিবাহা ইটো কথা যেবে সত্য হয়।
তেবে কিয় ভকতক সবে নভজয় ॥৩১৫
বিদুৰ বচনে লৈয়ো ইহাৰ উত্তৰ।
যাক নতু অনুগ্রহ মিলয় কৃষ্ণৰ ॥
মহন্তৰ সেৱা তাৰ পৰম দুর্লভ।
কৃষ্ণৰ করুণা বিনে মুহিকে সুলভ ॥৩১৬
বৈকুণ্ঠধ পতি যিটো প্রভু ভগৱন্ত।
তাহাঙ্ক পাইবাৰ পন্থ যতেক মহন্ত ॥
তাসম্বাৰ চিহ্ন যেন শুনিয়োক তাক।
গাৱে ৰাত্রি দিনে মাত্র কৃষ্ণৰ কথাক ॥৩১৭
কহো মহন্তক সেৱা কৰিবাৰ ফল।
কৃষ্ণ কথা শুনন্তে চিত্তৰ গুছে মল ॥
তেৰেসে হৈবেক ৰতি কৃষ্ণৰ চৰণত।
মহা প্রেমোৎসব আসি মিলয় মনত ॥৩১৮
মোহতো অধিক সুখ লভয় প্রচুৰ।
অপ্রয়াসে সংসাৰৰ দুঃখ যাই দূৰ ॥
বুলিবাহা যাৰা সবে কুশলক চায়।
অসন্তৰ সঙ্গ যেন এড়ে সমুদায় ॥৩১৯
সেহি মতে সন্তসঙ্গো লাগয় ভজিতে।
নকৰি সংশয় শুনা স্থিৰ কৰি চিত্তে ॥
কৰয় প্রসঙ্গ যিটো মহন্ত সবৰ।
পাইলে মুকুতিৰ সিটো মেলান দুৱাৰ ॥৩২০
অসাধুৰ সঙ্গৰ সুদৃঢ় পাশ জড়ি।
বান্ধয় জীবক অতি জড়পুৰ কৰি ॥
এতেকেসে জ্ঞানীগণে কৰিয়া বিচাৰ।
এড়িয়া দুঃসঙ্গ সাধুসঙ্গ কৰে সাৰ ॥৩২১
প্রসঙ্গত মহন্তৰ দেখায়া লক্ষণ।
এহি অর্থে কহো শুনা কপিল বচন ॥
কপিল বদতি দেৱহুতি শুনিয়োক।
আমাক একান্ত চিতে ভজে যিটো লোক ॥৩২২

তাহাৰ সবৰ কৰো লক্ষণ বিদিত।
সবাৰো সুহৃদ মহা কাৰুণিক চিত্ত॥
ক্ষমাশীল শান্ত সাধু সুশীল ভুষণ।
তাসম্বাৰ শত্রু কৈতো নাহি উতপন॥৩২৩
নিস্কামে ভকতি মোত কৰন্ত একান্তে।
মোক ত্যজি নভজন্ত আনক প্রাণান্তে॥
সুহৃদ বান্ধব ধন জন কৰ্ম্ম যত।
মোৰ প্রীতি অর্থে সবে তাজন্ত সমস্ত॥৩২৪
মোৰ সুনির্ম্মল কথা কহন্ত শুনন্ত।
মোত বিনেচিত্ত আৰ আনত নেদন্ত॥
পৰম আনন্দ অতি মনত মিলয়।
তাসম্বাক আৰ তিনি তাপে নোছোৱয়॥৩২৫
সমস্তবে সঙ্গ এড়ি মোকেসে ভজয়।
তাৰাসবে সাধু মাতৃ কহিলো নিশ্চয়॥
দেওঁ উপদেশ মই তাক শুনিয়োক।
কৰিয়া যতন সাধু সঙ্গক লৈয়োক॥৩২৬
তোমাৰ দুঃসঙ্গ দোষ সবে হৰিবন্ত।
স্বভাবে তোমাক মহা কৃপা কৰিবন্ত॥
পৰম কৰুণাশীল ভকত সকল।
আশ্রয় মাত্রকে দূৰ কৰে কৰ্ম্ম মল॥৩২৭
থৈলো উপসংহৰি কপিল বাক্য যত।
এড়িব সাধুৰ সঙ্গ হেন যাৰ মত॥
পৰম অজ্ঞানী তাৰ বচন নিষ্ফল।
বিনে সাধু সঙ্গে নাহি কাহাৰো কুশল॥৩২৮
মুকুতি সুখক প্রতি ইচ্ছা আছে যাৰ।
কহিলো সন্তৰ সঙ্গ প্রার্থনি তাহাৰ॥
লভিয়া মুকুতি পায়া সাক্ষাতে কৃষ্ণক।
তাৰা সবো বাঞ্ছা কৰে সাধুৰ সঙ্গক॥৩২৯
লৈয়োক প্রমান আৰ ধ্রুবৰ বচনে।
কৰন্ত প্রার্থনা অতি কৃষ্ণৰ চৰণে॥
সদায়ে তোমাত যিটো কৰয় ভকতি।
পৰম নির্ম্মল তাৰা সমস্তৰ মতি॥৩৩০
তাসম্বাৰ প্রসঙ্গ সততে মোৰ হোক।
হেন অনুগ্রহ নাথ কৰিয়োক মোক॥
বুলিবা কিসক মোত নোখোজ মুকুতি।
নলাগে মাগিবে তাক শুনিয়ো যুগুতি॥৩৩১
ভকতৰ মুখে তযু চৰিত্র অমৃত।
পৰম সন্তোষে অতি পিওঁ প্রতি নিত॥
কথামৃত পান কৰি হৈবো মহা মত্ত।
তৰিবোহো সুখে সংসাৰৰ দুঃখ যত॥৩৩২
নাহি কথামৃত পান সুখ মুকুতিত।
কথাতে মুকুতি সুখ হোৱয় বিদিত॥

তযু কথামৃত পানে হোৱে যেন মত্ত।
কৰোহো বেকত প্রভু তোমাৰ আগত॥৩৩৩
তযু পাদপদ্মত লুব্ধ যাৰ মন।
তেসন্থে সহিতে কৰে প্রসঙ্গ যিজন॥
তাৰা সবে সুসুমৰে প্রিয়তম দেহ।
ভার্য্যা পুত্র বিত্ত সুহৃদতো এড়ে স্নেহ॥৩৩৪
ভকতত হন্তে কথামৃত পান কৰে।
মহা মত্ত হুধা অতি সবাকো পাসৰে॥
ধ্রুবৰ বচন এবে থৈলো এহি মানে।
সৎসঙ্গৰ মহিমা দেখাইলো বিদ্যমানে॥৩৩৫
মহন্ত সবৰ থা থাকোক তাবত।
শুনা তাসম্বাৰ পদ বেণুৰ মহত্ত্ব॥
প্রার্থিলন্ত পৃথু মহাজন সমস্তত।
শুনিয়ো মহন্ত সব মোৰ অভিমত॥৩৩৬
ভকতৰ পদৰেনু যাবে জীবমানে।
কিৰীটিৰ অগ্রত বহিবো সাবধানে॥
তেৱেসে মোহোৰ হৈবে জন্মৰ সফল।
পৰশ মাত্রকে কৰে পাপীকো নির্ম্মল॥৩৩৭
হেন পদৰেণুক নিতান্তে যিটো ধৰে।
সমস্ত গুণৰ পাত্র হোৱে সিটো নৱে॥
থৈলো এহি মানে ইটো বচন পৃথুৰ।
দেখাইলোহো মহন্তৰ মহিমা প্রচুৰ॥৩৩৮
বৈষ্ণৱৰ সঙ্গৰ মহিমা কৈবো কত।
কহন্তা শুনন্তা যত সবাৰো সম্মত॥
জানি মহাজনৰ সঙ্গক কৰা সাৰ।
সবাৰো সুখক অতি কৰয় বিস্তাৰ॥৩৩৯
কহিলো সাধুৰ সঙ্গ প্রার্থনি বিশেষ।
পৰকো সাধুৰ সঙ্গ দিবা উপদেশ॥
এহি মানে পৰক পৰম উপকাৰ।
ৰুদ্রৰ বচনে লৈয়ো প্রমাণ ইহাৰ॥৩৪০
দেন্ত উপদেশ হৰে দশ প্রচেতাক।
শুনিয়োক ৰাজপুত্র সব মোৰ বাক॥
কহো তোমাসাত লয়ে শান্তৰ সম্ম।
কৰিবা প্রার্থনা হেন ঈশ্বৰ কৃষ্ণত॥৩৪১
তযু পদ স্মৰণে সংহৰে পাপ যত।
কৰো আমি প্রার্থনা তোমাৰ চৰণত॥
তৱ কথা স্মৰণে মনৰ মল হৰে।
পাদোদক গঙ্গায়ে বাহিৰ শুদ্ধি কৰে॥৩৪২
হেন দুই তীর্থ সেবি মহন্ত সকল।
বাহিৰে ভিতৰে অতি হোৱয় নির্ম্মল॥
এতেকে ভুতক দয়া কৰে নিৰন্তৰ।
ৰাগ লোভ কাম ক্রোধ গুচিল মনৰ॥৩৪৩

হেন মহন্তৰ সঙ্গ কৰিয়োক দান।
আমাক তোমাৰ অনুগ্রহ এহি মান॥
মহেশ্বৰ বচনক এহি মানে থওঁ।
দশ প্রচেতাৰ বাক্য প্রপঞ্চিয়া কওঁ॥৩৪৪
পায়া দশ জনে উপদেশ মহেশ্বৰ।
কৰিলন্ত তপ দশ হাজাৰ বৎসৰ॥
তাসাম্বাৰ তপে তুষ্ট হৈয়া অতিশয়।
সাক্ষাতে দিলন্ত দেখা কৃষ্ণ কৃপাময়॥৩৪৫
বৰ লোৱা বুলি প্রলোভিয়া বাৰেবাৰ।
বিনাৱন্ত দশ পাছে কৰি নমস্কাৰ॥
পাইলো আমি আসি সুখে তযু পদ মূল।
আছে আৰ আন কোন বৰ আক তুল॥৩৪৬
যেন মধুকৰে সুখে পাৰিজাত পাই।
তাক ত্যজি পুনঃ আন বৃক্ষক নযাই॥
সেহিমতে পায়া প্রভু তযু চৰণক।
তাক ত্যজি কেনে আমি প্রার্থিবো আনক॥৩৪৭
ব্রহ্মপদ পায়ো মনোৰথ সীমা নাই।
তথাপিতো এক বৰ দিয়োক গোসাঁই॥
তোমাৰ মায়ায়ে আমি নিজ কৰ্ম্ম গতি।
ভ্রমৰো যাবত ইটো সংসাৰে সম্প্রতি॥৩৪৮
জন্মে জন্মে হোক তযু সঙ্গ ভকতৰ।
মিলোক প্রসঙ্গ প্রভু দিয়ো এহি বৰ॥
বুলিবা মোহোৰ সঙ্গ সুখুজিলা কিক।
ভকত সবৰ সঙ্গ তোমাতো অধিক॥৩৪৯
কৰোহো বিদিত তাক তোমাৰ আগত।
মহন্ত জনৰ সঙ্গ শ্রেষ্ঠ যেন মত॥
থাকন্ত যথাত তযু একান্ত ভকত।
তোমাৰ নির্ম্মল কথা তৈতেসে বেকত॥৩৫০
সিটো কথামৃত পান কৰে যিটোজন।
গুছে তৃষ্ণা আদি তাৰ শুদ্ধ হোৱে মন॥
দূৰ হোৱে বৈৰ ভাব সমস্তে ভুতত।
একোয়ে উদ্বেগ আক নোপজে মনত॥৩৫১
বাঢ়ে তৃষ্ণা আদি যত অসত সঙ্গত।
সন্তৰ সঙ্গত ক্ষয় হোৱে সমস্তত॥
হেনয় মহন্ত সব থাকয় যথাত।
থাকা তুমি নাৰায়ণ সাক্ষাতে তথাত॥৩৫২
একান্ত সন্তৰ গতি তুমিসি সর্ব্বথা।
মুক্ত সঙ্গ সকলো তোমাৰ শান্ত কথা॥
শ্রবণ কীর্ত্তন সদা কৰন্ত সাক্ষাত।
হৃদয়ত পৰম আনন্দ হোৱে জাত॥৩৫৩
হেনয় মহন্ত সব যথায় ভ্রমন্ত।
সমস্তে তীর্থকে অতি পবিত্র কৰন্ত॥

সংসাৰ তাপত হন্তে ভয় আছে যাৰ।
সাধুৰ সঙ্গক শ্রদ্ধা কহিবে কি তাৰ॥৩৫৪
দশ প্রচেতাৰ কথা থৈলো এহিমানে।
শুনা যেন পৰমার্থ কহো বিদ্যমানে॥
সাধু সঙ্গ বিনে নাহি সংসাৰ নিস্তাৰ।
ভাগৱত শাস্ত্রে জানা এহিমানে সাৰ॥৩৫৫
হোক সাধু সঙ্গ শ্রেষ্ঠ মানিলো ইহাক।
অসন্তৰ সঙ্গ কিয় লাগে ত্যজিবাক॥
হেন যদি বোলা শুনা ইহাৰ উত্তৰ।
দেখাইবোহো ফল যেন উভয় সঙ্গৰ॥৩৫৬
পৰিচয় অর্থে সাধু সুবৰ লক্ষণ।
কহো শুনা ভগৱন্ত ঋষভ বচন॥
মহন্তৰ সেৱা মুকুতিৰ মুখ্য দ্বাৰ।
স্ত্রীৰ সঙ্গীৰ সঙ্গ নৰক যাইবাৰ॥৩৫৭
সাধু সমস্তৰ সমস্ততে সম চিত্ত।
সবাৰো সুহৃদ ক্রোধ নোপজে কিঞ্চিত॥
উকমি ৰহিত শান্ত মতি অতিশয়।
কদাচিতো সাধু সদাচাৰ নলঙ্ঘয়॥৩৫৮
মোতেসে সৌহৃদ্য ভাব মাত্র প্রয়োজন।
কদাচিতো বিষয় সুখত নাহি মন॥
পুত্র দাৰা ধন জন সমৃদ্ধি সহিত।
হেন গৃহ সম্পত্তিতো নাহি স্নেহ চিত্ত॥৩৫৯
দেহ মাত্র প্রবর্ত্তয় যি সব উপাই।
তাত পৰে সন্তৰ অধিক স্পৃহা নাই॥
ভৰত প্রমুখ্য কৰি শুনা পুত্রগণ।
কহো তোমাসাত মই স্বৰূপ বচন॥৩৬০
মৃত্যুৰ মুখত পড়ি আছে যিটো নৰ।
ভকতিৰ উপদেশ দিয়া মাধৱৰ॥
নপাৱে মেলাইবে ঘোৰ সংসাৰ সঙ্কটে।
গুৰু আদি একো তাত সম্বন্ধ নঘটে॥৩৬১
কেন মতে গুৰু সিটো সুহৃদ কিসৰ।
কেন মতে পিতৃ মাতৃ ভৈল সিটো নৰ॥
ৰক্ষাকর্ত্তা অধিকাৰী ভৈল কেন কৰি।
কিসক লৱয় পূজা দেৱ নাম ধৰি॥৩৬২
সিও কেনে গুৰু আদি বোলে তাসম্বাক।
যাত হন্তে নপাৱে মৃত্যুক এড়াবাক॥
সিও গুৰু আদি কৰি নাম নধৰোক।
মৃত্যু একৱাইবে নপাৱয় সিটো লোক॥৩৬৩
তাহেসে ধৰিবে লাগে সম্বন্ধ নিঃশেষ।
সিটো জনে দেন্ত ভকতিৰ উপদেশ॥
দিলো তোমাসাক মই ইটো মহা দান।
ঋষভ দেৱৰ বাক্য থৈলো এহিমান॥৩৬৪

ভগবন্ত ভক্তিযুক্ত নোহে সিটো নৱ।
স্বভাৱে অনুপকাৰী বৈষ্ণৱ জনৱ ॥
এতেকে সবাতে আশা এড়ে সাধু জনে।
এহি অর্থ কহো শুনা প্রহ্লাদ বচনে ॥৩৬৫
গৃহ পুত্র ভার্য্যা ধন জন বন্ধু বিত্ত।
নোহোকক তাসম্বাৰ সঙ্গ কদাচিত ॥
যেবে মোৰ মহাভাগ্য আছে কথঞ্চিত।
মিলোক প্রসঙ্গ প্রভু বৈষ্ণবে সহিত ॥৩৬৬
ভগৱন্ত প্রিয় সঙ্গী ভৈল যিটো নৱ।
প্রাণ ধাৰণাতে তুষ্ট হন্ত নিৱন্তৱ ॥
অতি শীঘ্রে প্রয়োজন সিজে তাসম্বাৰ।
গৃহাদিত মাত্র আসক্তি ভৈল যাৰ ॥৩৬৭
ইন্দ্রিয়ৰ সুখত গোৱাৱে ৰাত্রি দিন।
নাহি তাৰ সিদ্ধি সিটো ভৈল ভাগ্যহীন ॥
প্রহ্লাদ বচন থণ্ড সম্প্রতি সংহৰি।
বুলিবাহা অসম্ভাবনাক আদি কৰি ॥৩৬৮
বহুবিধ কুতর্কে আকুল মন যাৰ।
সদায়ে সাধুৰ সঙ্গ হৈব কেনে তাৰ ॥
ইটো আশঙ্কায়ে মন নকৰিবা ভঙ্গ।
কিসক বিস্তৰ লাগে বৈষ্ণবৰ সঙ্গ ॥৩৬৯
অল্প সাধু সঙ্গে সাধে সকলে কল্যাণ।
বহুগণ বাক্যে লৈয়ো ইহাৰ প্রমান ॥
জড়ভৰতক বুলিলন্ত বহুগণ।
সমস্তে জন্মত কৰি মনুষ্য শোভন ॥৩৭০
দেবাদি জন্মত কৰি শ্রেষ্ঠ অতিশয়।
স্বর্গত লভিয়া জন্ম কি কার্য্য সাধয় ॥
তুমি সব হেন মহাজনক সাক্ষাত।
নপাৱে প্রচুৰ সমাগম ৰস জাত ॥৩৭১
এতেকে মনুষ্য জন্ম সবাতো উত্তম।
পাৱে আত মহন্তৰ প্রচুৰ সঙ্গম ॥
কৃষ্ণ যশে যাহাৰ শোধিত ভৈল চিত্ত।
তাসম্বাৰ সঙ্গৰ মহিমা বিপৰীত ॥৩৭২
পাইলো মই আজি হেৰা সাক্ষাত প্রমাণ।
তোমাক আলাপ কৰো দণ্ড দুই মান ॥
অনেক দুস্তর্কে বদ্ধ হৃদয় আমাৰ।
মোত পৰে নাহিকে অজ্ঞানী অনাচাৰ ॥৩৭৩
দুই দণ্ডে সিটো অবিবেক নষ্ট গৈল।
তযু পদ প্রসাদে সমস্তে বোধ ভৈল ॥
সততে উপাসে যিটো তোমাৰ চৰণ।
কৰিলে পাতক নষ্ট শুদ্ধ হৈল মন ॥৩৭৪
নির্ম্মল ভকতি তাৰ হৈবেক কুজত।
দুহি অদভুত ইটো মোহোৰ মনত ॥

বহুগণ বাক্য থৈলো সম্প্রতি তাৱত।
সঙ্গৰ চৰণ ৰেনুৰেসে প্রসাদত ॥৩৭৫
হৈবেক ভকতি ভগৱন্ত ঈশ্বৰত।
অন্যথা দুহিকে ইটো প্রহ্লাদৰ মত ॥
ভৈল যিটো জন অতিশয় গৃহব্রতী।
কৃষ্ণ পাদপদ্মক নোছোৱে তাৰ মতি ॥৩৭৬
পৰশিলে যাৰ চিত্তে চৰণ কৃষ্ণৰ।
হোৱে দূৰ তাৰ দুঃখচয় নিৱন্তৱ ॥
সিটো কৃষ্ণ চৰণক নজানে তাৱত।
বৈষ্ণৱৰ পদৰেনু নলৱে যাৱত ॥৩৭৭
অনুমাত্র কৃষ্ণ বিনে সাৰ নাহি যাৰ।
কৰা অভিষেক পদৰেনু তাসম্বাৰ ॥
তেৰেসে হৈবেক হৰি চৰণত ৰতি।
যুক্তৰো দুর্লভ কৃষ্ণ দেৱৰ ভকতি ॥৩৭৮
প্রকৰণ অর্থ উপসংহৰি নিঃশেষ।
প্রহ্লাদ বচনে শুনা কহো সবিশেষ ॥
নৃসিংহৰ পাদপদ্ম ধৰিয়া প্রহ্লাদে।
পৰম বিনয় ভাষে বোলন্ত প্রহ্লাদে ॥৩৭৯
শুনা প্রভু ব্রহ্মা আদি কৰি জীৱ যত।
জানো সাঙ্গ পাঙ্গে মই সবাৰো মহত্ত্ব ॥
আয়ু শ্রীযশ যত বিভৱ প্রধান।
জানো ইন্দ্রিয়ৰ ভোগ যাৰ যত মান ॥৩৮০
নাহি তাক ইচ্ছা মই বোলো নিষ্ঠ কৰি।
তুমি কাল ৰূপে নিয়া ক্ষণেকে সংহৰি ॥
অনিমা লঘিমা আদি ঐশ্বর্য্য যতেক।
তাকো কালে বিধ্বংসন কৰয় প্রত্যেক ॥৩৮১
জনম মৰণ মহা সর্প অদভুত।
ইটো ভৱ কুপে সেহি ভুঞ্জঙ্গে যুগুত ॥
ইহাতে পড়িয়া সদা আছে সর্ব্বজন।
ময়ো তাসম্বাৰ সঙ্গী জানা নাৰায়ণ ॥৩৮২
তুমি কৃপাময় প্রভু নাৰদৰ হাতে।
পূর্ব্বে অনুগ্রহ মোক কৰিছা সাক্ষাতে ॥
একৰাইলা নাথ মোক কালৰ হাতৰ।
আপোনাৰ ভৃত্য কৰি লৈলা দামোদৰ ॥৩৮৩
সেহি মই তযু নিজ ভৃত্য দেৱ হৰি।
নাৰদৰ গুণ পাসৰিবো কেন কৰি ॥
সম্প্রতি তোমাৰ অনুগ্রহ এবে হোক।
তযু নিজ ভৃত্যৰ পাশক নিও মোক ॥৩৮৪
প্রহ্লাদে প্রার্থিলা অতি সঙ্গ মহন্তৰ।
সংসাৰত মগ্ন হুয়া আছে যিটো নৱ ॥
সাধু সঙ্গ বিনা তাৰ নাহি আন গতি।
এহি মানে শাস্ত্র ফল শুনিয়ো সম্প্রতি ॥৩৮৫

শুনে কৃষ্ণকথা যিটো মহন্ত সঙ্গত।
কর্ণ পথে হৰি তাৰ হন্ত অন্তর্গত ॥
আছে দুর্ব্বাসনা যত অনাদি জন্মৰ।
কৰন্ত সবাকো দূৰ দেৱ দামোদৰ ॥৩৮৬
গঙ্গা আদি কৰি যত তীর্থ নিৱন্তৱ।
হৱন্ত কেৱল মাত্র পাপ শৰীৰৱ ॥
সন্ত সঙ্গে বাহিৰে ভিতৰে শুদ্ধি কৰে।
হেন সাধু সেৱা নকৰিবে কোন নৰে ॥৩৮৭
বুলিবাহা কিবা কাজ মহন্ত সেৱাত।
কিসক নকৰে সেৱা কৃষ্ণক সাক্ষাত ॥
স্বতন্ত্র ঈশ্বৰ আন অধীন সকল।
তাসম্বাক সেৱা কৰিবাৰ কোন ফল ॥৩৮৮
নুবুলিবা হেন শুনা ইহাৰ উত্তৰ।
দুহিকে স্বতন্ত্র হৰি অধীন সন্তৰ ॥
ভকতৰ অনুগ্রহতেসে তাক পাই।
বৈকুণ্ঠনাথৰবাক্যে লৈয়ো অভিপ্রায় ॥৩৮৯
দুর্ব্বাসাৰ আগত বদতি দামোদৰ।
শুনিয়ো দুর্ব্বাসা মই নোহো স্বতন্তৱ ॥
হওঁ মই ঈশ্বৰ সমস্তে জগতৰ।
তথাপি অধীন মই ভৈলো বৈষ্ণৱৰ ॥৩৯০
তোমাৰ আগত মই কহো স্বৰূপত।
কায় বাক্য মন মোৰ খাটে ভকতত ॥
মই সি পৰম গতি ভৈল যিজনৰ।
মোৰ প্রিয়তম আৰ নাহি তাত পৰ ॥৩৯১
নিজ ভার্য্যা লক্ষ্মী ইটো প্রিয়ত্তম দেহ।
সাধুজন বিনে আতো নাহি মোৰ স্নেহ ॥
গৃহ পুত্র দ্বাৰা ধন জন প্রাণ বিত্ত।
ইহপৰ লোকৰ সুখত এড়ি চিত্ত ॥৩৯২
কেৱল মোতেসে যিটো পশিল শৰণ।
হৈব কেনমতে তাক ত্যজিবাক মন ॥
বুলিবাহা আপোনাৰ কুশল কাৰণে।
পশিল শৰণ সিটো তোমাৰ চৰণে ॥৩৯৩
তুমি কিবা কার্য্যে বশ্য হোৱা তাসম্বাৰ।
দৃষ্টান্তে সহিতে শুনা কাৰণ ইহাৰ ॥
যেন স্বভাৱতে সতী নাৰী নিৱন্তৰে।
পতিব্রতা ধর্ম্মে শান্ত পতি বশ্য কৰে ॥৩৯৪
সেহিমতে সাধু সবো জানিব নিশ্চয়।
মোতেসে কেৱলে বদ্ধ কৰিলে হৃদয় ॥
একান্ত ভকতি ভাবে কৰে মোক বশ্য।
কহিলো দুর্ব্বাসা ইটো তোমাত ৰহস্য ॥৩৯৫
স্বামী সেৱা কৰে নাৰী সুখক আশায়।
কিন্তু মোৰ ভক্ত সব নিষ্কাম সদায় ॥

তাতো যেবে মই বশ্য নভৈলো সম্প্রতি।
মোত পৰে নাহি তেবে পৰম কপটী ॥৩৯৬
বৈকুণ্ঠৰ চাৰি পদ সালোক্য প্রমুখ্যে ।
মোহোৰ সেৱাত আসি পাৱে মহা সুখে ॥
নলৱন্ত সেবাৰসে পূর্ণ হৈয়া চিত্ত।
কালযশ্য স্বর্গাদিকো নকৰে ইঙ্গিত ॥৩৯৭
কহিবো বিস্তাৰ কিবা তোমাৰ আগত।
মোহোৰ হৃদয় নিষ্ঠে জানিবা ভকত ॥
ভকতৰো হৃদয় মইসে সাৰে সাৰ।
মোত পৰে অণুমাত্র নজানন্ত আৰ ॥৩৯৮
মই ভকতত পৰে নজানোহো আন।
কৰো ৰাত্রি দিনে মাত্র তাসম্বাক ধ্যান ॥
কহিলো তোমাত ইটো তত্ত্ব নিৱন্তৰ।
এহিমানে থৈলো বাক্য বৈকুণ্ঠনাথৰ ॥৩৯৯
কহো তাতপর্য্য উপসংহৰি প্রত্যেক।
সাধু সমস্তৰ অনুগ্রহ ব্যতিৰেক ॥
ভগৱন্ত ঈশ্বৰক জানন দুর্ল্লভ।
অন্য কোন সাধনত নাহিকে সুলভ ॥৪০০
এহিমানে মাত্র পৰমার্থ সমুদায়।
ভাগৱত গ্রন্থৰ কহিলো অভিপ্রায় ॥
বুলিবা দেৱক ভজি পাইবা মাধৱক।
কিসক কৰিবে লাগে সেৱা মনুষ্যক ॥৪০১
নুবুলিবা কদাচিতো ইটো বচনক।
শুনা যেন কৃষ্ণে বুলিলন্ত অক্রূৰক ॥
তুমি সব মহা ভাগৱত শ্রেষ্ঠতম।
সমস্তে লোকৰ তোৰ পূজনী উত্তম ॥৪০২
মোৰ ভকতিক মাত্র চাহে যিটো নৱ।
নাহিকে ভজনী তাৰ তোমাসাত পৰ ॥
আপোনাৰ কার্য্য মাত্র সাধে দেবগণে ।
পৰকেসে অনুগ্রহ কৰন্ত সজ্জনে ॥৪০৩
এতেকেসে পৰমার্থে মহন্তেসে দেব।
তাসম্বাক মাত্র কৰিবাক লাগে সেব ॥
যদ্যপি দেবক সেবা কৰি অতিশয়।
কদাচিতো নৱে হৰি ভকতি পাৱয় ॥৪০৪
তাতো বহুকালে সিদ্ধি কৰে কি নকৰে।
সদ্যে সাধু সেৱাত সাক্ষাতে ফল ধৰে ॥
তাতেসে সৎসঙ্গ শ্রেষ্ঠ দেৱতাত কৰি।
শুনা কহো মুচুকুন্দ বচন উদ্ধাৰি ॥৪০৫
কৃষ্ণক কৰন্ত স্তুতি মুচুকুন্দ ৰায়।
শুনিয়োক প্রভু হৰি মোৰ অভিপ্রায় ॥
সংসাৰত ভ্রমি মৰে যত জীৱ ৰাশি।
তযু অনুগ্রহে যাৰ যিকালত আসি ॥৪০৬

ভৱ বন্ধ অপৱর্গ সীমা ভৈল যেৱে ।
বৈষ্ণৱ জনৰ সিটো সঙ্গ পাৱে তেৱে ॥
জগত ঈশ্বৱ তুমি মহন্তৰ গতি ।
তযু পদে সদ্যে তাৰ হোৱয় ভকতি ॥৪০৭
তৱে তেৱে সিটো সুখে ঘোৰ সংসাৰক ।
থৈলো এহিমানে মুচুকুন্দৰ বাক্যক ॥
সাধুসঙ্গ বিনে সদ্যে নোপজে ভকতি ।
এহি মানে তাতপর্য্য দেখাইলো সম্প্রতি ॥৪০৮
পুনঃ সাধু সঙ্গে সদ্যে ফল যেন মত ।
দেখাও স্পষ্ট কৰি ভগৱন্তৰ বাক্যত ॥
সিও তীর্থ হয় জলময় তীর্থ যত ।
শীলাৰ প্রতিমা সিও দেৱ স্বৰূপত ॥৪০৯
কিন্তু দেৱে তীর্থে চিৰকালে কৱে শুদ্ধি ।
দেখিলন্ত মহন্তে নির্ম্মল কৱে বুদ্ধি ।
ক্ষীণ পাপ পুরুষৰ ভকতি সুলভ ।
কিন্তু মহন্তৰ সেৱা দেৱৰো দুর্ল্লভ ॥৪১০
দেৱে সাধু সঙ্গে সম হৈৱে কদাচিত ।
নানিৱা মনত ইটো শঙ্কা বিপৰীত ।
দেৱে নপাৱন্ত দুঃখে সন্তৰ সঙ্গতি ।
মুনিগণ আগে কৃষ্ণ দেৱ নিগদতি ॥৪১১
কিনো আমাসাৰ আজি ভৈল সুপ্রভাত ।
লভিলো জন্মত সৱে ফলক সাক্ষাত ।
যাক দেখিবাক নপাৱন্ত দেৱগণ ।
হেন তোমাসাক আমি ভৈলো দৰশণ ॥৪১২
আমি অল্প পুণ্যমতি একোৱে নজানো ।
তীর্থস্নান আদিক তপস্যা কৰি মানো ॥
প্রতিমাতে কেৱল দেৱতা বুদ্ধি কৱো ।
অল্পদান দক্ষিণাকে ধর্ম্ম বুলি ধৱো ॥৪১৩
তথাপিতো দৰশণ ভৈলো তোমাসাক ।
নম্রভাবে পাইলোহো চৰণ অচ্চিবাক ॥
আশ্চর্য্য আমাৰ মহাভাগ্য বিপৰীত ।
অঘটনো ঘটে আসি কিনো আচৰিত ॥৪১৪
পায়া পদৰেণু অতি ভৈলোহো নির্ম্মল ।
আজিসে ধৰিল নৱ শৰীৰৰ ফল ॥
বুলিবাহা ভক্তি প্রতিবন্ধ পাপ যত ।
অগ্নি আদি দেৱতায়ে হৱন্ত সমস্ত ॥৪১৫
এহিসে প্রসিদ্ধ কথা সমস্তে শাস্ত্রৰ ।
শুনিয়োক ইহাৰ যেন যুগুতি উত্তৰ ॥
অগ্নি চন্দ্র সূর্য্য বায়ু পৃথিবী আকাশ ।
ইত্যাদি দেৱতা পাপ নকৱন্ত নাশ ॥৪১৬
আত্ম পৰ ভেদবুদ্ধি কৱন্ত সৱাক ।
নপাৱন্ত এহি হেতু পাপ হৰিবাক ॥

ঈশ্বৱ সেৱক সৱ মহন্ত উত্তম ।
নিৱন্তৱে প্রাণীক দেখন্ত আত্মসম ॥৪১৭
অনুমাত্র ভেদবুদ্ধি নাহিকে মনত ।
মুহূর্ত্ত মাত্রকে তাৰা কৱে পাপ হত ॥
এতেকে ভকত শ্রেষ্ঠ দেৱতাতো কৱি ।
নাহি সংসাৰত বিষ্ণু ভকতক সৰি ॥৪১৮
হেন মহাজনক এড়িয়া মূঢ় নৱে ।
শৱ তুল্য শৰীৰক আত্মবুদ্ধি কৱে ॥
বোলে মোৰ পুত্র ভার্য্যা অপৱ সৱক ।
মানয় দেৱতা বুলি প্রতিমা সৱক ॥৪১৯
জলত কৱয় তীর্থ বুদ্ধি নিৱন্তৱে ।
ইটো চাৰি বুদ্ধি মহাজনত নকৱে ॥
জানিৱা গর্দ্দভ সিটো গৰুতো অধম ।
মহা মন্দমতি আৰ নাহি তাৰ সম ॥৪২০
শুনা সর্ব্বজন ইটো কৃষ্ণৰ বচন ।
কৱিয়োক জানি সাধু সঙ্গক যতন ॥
ভাগৱত শাস্ত্রে এহিমানে মাত্র সাৰ ।
বোলা ৰাম ৰাম সুখে ভৱিৱা সংসাৰ ॥৪২১

ছবি ।

দেৱে তীর্থে চিৰকালে, কদাচিতো শুদ্ধি কৱে,
সাধু সৱে সদ্যে পাপহৱে ।
হেন সাধুসঙ্গ এড়ে, মোক্ষ চাহে যিটো নৱে,
নাহি মূঢ়মতি তাত পৱে ॥
হেনৱা বুলিৱা বাক, পাপনষ্ট কৱিবাক,
আছে কোন সমর্থ সন্তৰ ।
শুনা মন সাৱধানে, গঙ্গাদেৱী বিদ্যমানে,
যেন ভগীৰথৰ উত্তৰ ॥৪২২
গঙ্গাদেৱী বুলিলন্ত, শুনা বাপু ভগীৰথ,
হৱিৱো সৱাৰো পাপচয় ।
মই কেনমতে শুদ্ধি, হৈৱো নজানোহে বুদ্ধি,
কি কৱিবো কহিয়ো নির্ণয় ॥
শুনি ভগীৰথে পাছে, বুলিলা গঙ্গাৰ আগে,
শুনা মাৱ বচন আমাৰ ।
নকৱিবা তুমি ডৰ, তযু পাপ নিৱন্তৱ,
সাধু সৱে কৱিবে সংহাৰ ॥৪২৩
নজানে ব্রহ্মত পৱে, সিটো সাধু শান্ত নৱে
জগতকে পৱিত্র কৱন্ত ।
তাসম্বাৰ সঙ্গী যিটো, তাৰো শুদ্ধ হৃদয়তো,
প্রকটে আছন্ত ভগৱন্ত ॥

এহি হেতু মহন্তক, নোছোৱে কিঞ্চিতে পাপে,
যেহেন সূর্য্যক অন্ধকাৰ ।
তাৰা সৱে অন্তে সঙ্গে, পৱশিলে পাপ মানে,
সমুলঙ্কে হৈৱে বুন্দামাৰ ॥৪২৪
দেৱ সৱে মনুষ্যৰ, সুখ দুঃখ দুইৰো হেতু,
সুখ হেতু মাত্র সাধু জন ।
এতেকেসে সাধু সঙ্গ, পৱম দুর্ল্লভ অতি,
শুনা বাসুদেৱৰ বচন ॥
দেৱর্ষি নাৱদক, বুলিলন্ত বাসুদেৱে,
শুনা মুনিৰাজ মহাশয় ।
দেৱৰ চৰিত্র যত, ইটো প্রাণী সমস্তত,
সুখ দুঃখ দুয়ো মিলাৱয় ॥৪২৫
অচ্যুতেসে আত্মা যাৰ, হেন তুমি সৱ মহা,
জনৰ চৰিত্র নিৱন্তৰ ।
গুচাৱে সংসাৰ দুঃখ, মিলাৱে মুকুতি সুখ,
চৰাচৰ যত জগতৰ ॥
ভজে যিটো যেন মতে দেৱ সৱো সেহি মতে,
মনুষ্যক কৱে ফলদান ।
শুনিও দৃষ্টান্ত যেন, যিৱা বস্তু যত মান,
ছায়া তাৰ হয় সেহি মান ॥৪২৬
তুমি সৱ মহাজনে, কেৱল পৱম দুঃখ,
হৱা মাত্র নচাই উপকাৰ ।
হেন মহা মহন্তক, দৰশন ভৈলো আজি,
কিনো ভাগ্য মিলিল আমাৰ ॥
বাসুদেৱ বাক্য থণ্ড, জনক বচন কণ্ড,
সাধু সৱ শ্রেষ্ঠ যেনমত ।
যদ্যপি ক্ষণিক কাল, জীৱন মনুষ্য দেহ,
তথাপিতো দুর্ল্লভ সৱাত ॥৪২৭
মহা পুরুষার্থ হেতু, তাহাতো দুর্ল্লভ মানো,
বৈকুণ্ঠৰ প্রিয় দৰশন ।
হেন সাধু উপাসিয়া, ভকতি নসাধে যিটো,
পৱম দুর্ম্মতি সিটো জন ॥
শুনা উদ্ধৱত যেন, কহিলন্ত ভগৱন্তে
সাধু সঙ্গ যিমতে উত্তম ।
সর্ব্ব সাধনত শ্রেষ্ঠ সন্তৰ উপাশা আত,
নাহি অধিকাৰীৰ নিয়ম ॥৪২৮

দুলৰী ।

সংগোপে বোলন্ত, শুনিয়ো উদ্ধৱ,
তোমাত কহো ৰহস্য ।
সাধু সঙ্গ বিনে, আন একো ধর্ম্ম,
নকৱে আমাক বশ্য ।

তপ জপ যজ্ঞ, ব্রত একাদশী,
অহিংসা ধর্ম্ম সন্ন্যাস ।
কূপাদি নির্ম্মাণ, দান মহাজ্ঞান,
কৱয় যোগ অভ্যাস ॥৪২৯
গঙ্গা আদি কৱি, যত তীর্থ স্নান,
সংযম আৰ নিয়ম ।
বেদ পাঠ আদি, আনো যত যত,
আছয় ধর্ম্ম উত্তম ॥
ইসব ধর্ম্মক, মহা শুদ্ধভাৱে,
আচৰয় যিটো নৱে ।
তথাপি আমাক, নপাৱে যিমতে,
সাধুসঙ্গে বশ্য কৱে ॥৪৩০
সন্তৰ সঙ্গত, থাকি মহা সুখে,
পাইল মোক্ষ যত লোক ।
তাসম্বাৰ লেখা, দেওঁ প্রতি প্রতি,
তাক সখি শুনিয়োক ॥
বৃষপর্ব্বা, বৃত, বলি, বান, মঞ,
বিভিষণ, হনুমন্ত ।
জটায়ু, সুগ্রাৱ, তুলাধাৰ, ধর্ম্ম,
ব্যাধ, বৃদ্ধ জাম্বৱন্ত ॥৪৩১
দ্বিজ ভার্য্যাগণ, কুব্জী কংস দাসী,
যত গোপী গোকুলৰ ।
তাসম্বাৰ আৰ, একোৱে সাধন,
নাহিকে আন জন্মৰ ॥
এহি জন্মে মাত্র, সাধু সঙ্গ লৈয়া,
কৱিয়া ৰতি আমাত ।
এতেকে পৱম, সুখে মোৰ লোক,
পাইলেক গৈয়া সাক্ষাত ॥৪৩২
মোৰ সঙ্গ সন্তে, মহন্তৰ সঙ্গ,
দুহিকে কিছু অন্তৰ ।
এতেকে দুঃসঙ্গ, এড়ি সাধু সঙ্গ,
লৌক বুদ্ধিৱন্ত নৱ ॥
ভক্তি প্রতিবন্ধ, দুর্ব্বাসনা আদি,
যত দোষ দুঃসঙ্গৰ ।
ভক্তিৰ মহিমা, কহি সাধু সৱে,
ছেদিবন্ত নিৱন্তৰ ॥৪৩৩
হেন সাধু সঙ্গ, এড়িয়া অসাধু,
সহিতে যি সব নৱে ।
চিহ্ন উদৰৰ, অর্থে অতিশয়,
বিষয়ত ৰতি কৱে ॥
মুক্ত হেন যদি, ভৈল তথাপিতো,
ভ্রষ্ট হুয়া পূর্ব্বমত ।

নিকাৰ ভুঞ্জিয়া, ফুৰিবেক পুনঃ,
তমোময় সংসাৰত ॥৪৩৪
সত্য শৌচ দয়া, মৌন বুদ্ধি লজ্জা,
শ্রী যশ ক্ষমা যত।
সম দম মহা, ভাগ্য ইটো সবে,
নষ্ট হয়ে দুঃসঙ্গত ॥
শুনিয়োক এবে, অসাধু সবৰ,
লক্ষণ কৰো বিদিত।
মহা অহমিকা, ঘুগুছে মনত,
সদা ক্রোধপৰ চিত্ত ॥৪৩৫
সিটো মূঢ় সব, স্ত্রী সমস্তৰ
ক্রীড়াৰ যেন বানৰ।
নজানে আত্মাক, পাপতেসে মাত্র,
কৰয় ৰতি পামৰ ॥
দেহ অহঙ্কাৰে, মহন্ত জনক,
কৰয় নিন্দা অধিক।
ইটো দুর্জ্জনৰ, নলৈবেক সঙ্গ,
ভকতি যিটো ৰসিক ॥৪৩৬
অসন্ত সবক, নিন্দিয়া সন্তৰ,
মহিমা কৰো বিদিত।
উপদেশ দিবে, নলাগে সন্তৰ,
চাপোক মাত্র সন্নিত ॥
এতেকে সংসাৰ, তৰিবেক সুখে,
শুনিয়ো দৃষ্টান্ত আৰ।
অগ্নিৰ আশ্রয়, পাইলে যেন গুছে,
ভয় শীত অন্ধকাৰ ॥৪৩৭
সন্তৰ আশ্রয়, পাইলে সেহিমতে,
ত্রিতয় কার্য্য সাধয়।
গুছে কর্ম্ম জড় অজ্ঞান আন্ধাৰ
আৰৰ সংসাৰ ভয়।
কিবা বহুতৰ, কহিবো সন্তৰ,
মহিমাৰ নাহি পাৰ।
যেন সমুদ্রত, মজে লোক যত,
নৌকা সে আশ্রয় তাৰ ॥৪৩৮
সেহিমতে ঘোৰ, সংসাৰ সাগৱে,
মজে যত প্রাণীচয়।
তাৰ আন গতি, নাহিকে কেৱল,
সন্তেসে মাত্র আশ্রয় ॥
আনো নানা বিধ, দৃষ্টান্ত দেখায়া
ইহাকে কৰো বিদিত।
যেন অন্নে মাত্র, প্রাণীৰ জীৱন,
ধর্ম্মপৰ লোক বিত্ত ॥৪৩৯

মই যেন মাত্র, দুঃখীৰ শৰণ,
নাহি মোত পৰে আৰ।
সেহিমতে ইটো, সংসাৰ তাপত,
হন্তে ভয় ভৈলা যাৰ ॥
সন্তেসে তাহাৰ, কেৱলে শৰণ,
কহিলোহো নিষ্ঠা কৰি।
সাঙ্গপাঙ্গে ইটো, প্রকৰণ অর্থ,
শুনিয়ো উপসংহৰি ॥৪৪০
সাক্ষাতে আদিত্য, উদয় ভৈলেয়ো,
বাহিৰ মাত্র প্রসন্ন।
ঘট পট জ্ঞান, ওপজে কেৱলে
ঘুহিকে প্রকাশ মন ॥
সন্তসূর্য্য যাৰ, ভৈলন্ত প্রকাশ
কি কৈবো ভাগ্য তাহাৰ।
সগুণ নির্গুণ, ভকতি প্রকাশে,
প্রকাশে চক্ষু অপাৰ ॥৪৪১
এতেকে সন্তেসে, দেৱতা বান্ধৱ
আত্মাময় মহেশ্বৰ।
মহন্তে সহিতে, অণুমাত্র মোৰ,
নাহিকে জানা অন্তৰ ॥
হেন জানি নৱে, মহন্তৰ সঙ্গে,
কৰোক মোত ভকতি।
সাধুসঙ্গ বিৰ-, চন কথামৃত,
এহিমানে সমাপতি ॥৪৪২
শুনা সভাসদ, কৃষ্ণৰ মুখৰ,
বচন বেদৰ সাৰ।
পূর্ব্বাপৰ ইটো, কথা হুই ঘুই,
দেখিয়ো কৰি বিচাৰ ॥
ভাগৱত ক্ষীৰ, সাগৰ মথিয়া,
বিষ্ণুপুৰী মহামতি।
ভক্তিৰত্নাৱলী, অমৃত প্রচাৰ,
কৰিলা লোকক প্রতি ॥৪৪৩
ইহাৰ অর্থত, মহাজন যত,
তেসেম্বো হন্ত বিস্ময়।
আমি অতি মহা, মূর্খতো অধম,
আমাক কোনে গণয় ॥
তথাপিতো হৃদী, শ্বৰ নাৰায়ণে,
দিলা যেন মোক মতি।
সেহি অনুরূপে ভক্তিৰত্নাৱলী,
ৰচিলো পদ সম্প্রতি ॥৪৪৪
তুমি সবে আত, নিন্দা নকৰিবা,
মোক মুর্খ হেন জানি।

কোননো মহন্ত, পণ্ডিতে মূর্খক,
বুলি আছে নিন্দাবাণী ॥
যদি নিন্দা বাণী, বোলা তথাপিতো,
মোৰ নাহি নাহি কাজ।
কিন্তু পৰমার্থে, মুর্খক নিন্দিয়া,
পণ্ডিতেসে পায়ে লাজ ॥৪৪৫
যি হোক সি হোক, ই কথা থাকোক,
আপোনাৰ চিন্তা হিত।
আলস ত্যজিয়া, ভজিয়ো হৰিক,
তৰিবা যেবে কলিত ॥
হৰি গুণ নাম, শ্রবণ কীর্ত্তন,
বিনে ধর্ম্ম নাহি আন।
ত্যজি আন কাম, বোলা ৰাম ৰাম,
পাইবা বৈকুণ্ঠত স্থান ॥৪৪৬

তৃতীয় ভক্তিবিশেষণ নিৰূপণ

পদ।

কহিবাক প্রতি ভকতিৰ বিশেষণ।
পুনৰপি মই আৰম্ভিলো নিৰূপণ ॥
বহুবিধ মাধৱৰ ভকতি আছয়।
তাহাতে প্রধান নৱবিধ অতিশয় ॥৪৪৭
প্রথমতঃ তাক মই দেখাইবাক প্রতি।
কহো প্রহ্লাদৰ যেন বচন সম্প্রতি ॥
শ্রৱণ কীর্ত্তন পদ সেবন স্মৰণ।
অর্চ্চন বন্দন দাস্য দেহ নিবেদন ॥৪৪৮
সখিত্ব সহিতে নৱ বিধ এহি মান।
ইহাৰ লক্ষণ শুনা যাৰ যেন ঠান ॥
অন্যে বা আপুনে গুণ নাম উক্ত কৰে।
তাহাকে শ্রৱণ বুলি কর্ণে যাক ধৰে ॥৪৪৯
নিজ মুখে উচ্চাৰিলে বোলয় কীর্ত্তন।
মনে নাম রূপ স্তমৰণক স্মৰণ ॥
প্রতিমা আদিত পৰিচর্য্যা সাধাৰণ।
কৰে যিটো বুলি তাক পদ নিসেবন ॥৪৫০
বুলিয়া অর্চ্চন জল আদিৰে পূজয়।
তাকে বুলি দাস্য যত কর্ম্ম সমর্পয় ॥
বুলিয়া সখিত্ব তাস্তে বিশ্বাসাদি কৰে।
কৃষ্ণত শৰীৰ সমর্পয় যিটো নৱে ॥৪৫১
সিজনৰ লক্ষণ শুনিয়ো যেনমত।
যেন গৱাদিক যিটো বিকিলে পৰত ॥
পালন পোষণ চিন্তা নকৰে সিজনে।
সেহিমতে দেহ অর্পি কৃষ্ণৰ চৱণে ॥৪৫২

শৰীৰৰ অর্থে চিন্তা এড়য় সমস্ত।
ভকতিৰ এহি নৱ লক্ষণ প্রশস্ত ॥
সমস্তকে প্রথমতঃ কৃষ্ণত অর্পিৰ।
পাছে সাৱধান মতে ভকতি কৰিব ॥৪৫৩
ইহাকে বুলিয়া মহা উত্তম ভকতি।
দেখাওঁ শিষ্টাচাৰ শুক বচনে সম্প্রতি ॥
শুক নিগদতি পৰীক্ষিত মহাৰায়।
শুনা অম্বৰীষে যেন কৰিলে সদায় ॥৪৫৪
কৃষ্ণ পাদপদ্ম মাত্র স্মৰিলন্ত মনে।
হৰিগুণ নাম মাত্র বর্ণাইলা বচনে ॥
হস্ত দুই সদা হৰি কর্ম্ম কৰিলন্ত।
অচ্যুতৰ সন্ত কথা শ্রবনে শুনন্ত ॥৪৫৫
মুকুন্দৰ স্থান দেখি আছিল নয়ন।
কৰে সদা শৰীৰে ভক্তক আলিঙ্গন ॥
হৰিপদ পঙ্কজ নির্ম্মাল্য তুলসীৰ।
সদায়ে সৌৰভীঘ্রাণ লৈলা মহাবীৰ ॥৪৫৬
কৃষ্ণত অর্পিত অন্ন আদি কৰি যত।
তাহাৰ খাদক লৈলা জিহ্বায়ে সতত ॥
কৰিলা চৱণে হৰি ক্ষেত্রক গমন।
শিৰে হৰি চৱণক কৰিলা বন্দন ॥৪৫৭
ঈশ্বৰ প্রসাদ বুদ্ধি কৰি মহা যশী।
চন্দনাদি কৰি ভোগ কৰিলা হৰিষি ॥
ভাল ইন্দ্রিয়ৰ ভোগ কৰোহো সম্প্রতি।
কদাচিতো ইটো তান নাছিল কুমতি ॥৪৫৮
সমস্তে ভকতি ইটো আচৰি কৃষ্ণৰ।
প্রার্থিলা ইহাৰ ফল সঙ্গ ভকতৰ ॥
সদায় পৰম তান ভাৱ ভকতত।
আছিলেক মাত্র আক কৰিলো বেকত ॥৪৫৯
শুক বাক্য দেখাইলোহো পূর্ব্ব সদাচাৰ।
শুনা ভকতিৰ এবে যেন ব্যৱহাৰ ॥
মন্দিৰ মার্জ্জন আদি ভকতি যতেক।
প্রসঙ্গ সঙ্গত থাকি কহিলো প্রত্যেক ॥৪৬০
শ্রৱণ কীর্ত্তন আদি প্রধান ভকতি।
তাকেসে কৰিবো মাত্র বিবক্ষা সম্প্রতি ॥
শ্রৱণ কীর্ত্তন ধ্যান অর্চ্চন আদৰ।
ইসব ভক্তিৰ ফল শুনা নিৰন্তৰ ॥৪৬১
হৃদিগত হুয়া আসি প্রভু ভগৱন্ত।
অনাদি জন্মৰ দুর্ব্বাসনা সংহৰন্ত ॥
শ্রৱণ কীর্ত্তন আদি ভক্তি যত যত।
এতেকে সমস্তে পাপ হৰিবে শকত ॥৪৬২
যেন ফল পায়ে সবে পাপ ভৈলে নষ্ট।
কুন্তীৰ বচনে সাঙ্গোপাঙ্গে কৰো স্পষ্ট ॥

কৃষ্ণক কৰন্ত কুন্তী স্তুতি অতিশয়।
বোলন্ত শুনিয়ো মোৰ মত কৃপাময়। ৪৬৩
তযু নাম শুনে বা ভনে বা মনে স্মৰে।
অন্তে বা গাৱন্তে যিটো অভিনন্দা কৰে॥
সেহিসে এড়াইবে ঘোৰ মৃত্যুৰ সঙ্কট।
পাৱে অল্পকালে তযু চৰণ নিকট॥৪৬৪
কুন্তীৰ বচনে দেখাইলোহো ইটো ফল।
শ্রৱণাদি পৰ ভৈল যাহাৰা সকল॥
দুহিকো সংসাৰ তাৰ দুঃখৰ কাৰণ।
শুনিয়োক কহো আৰে ৱৃত্রৰ বচন॥৪৬৫
কৃষ্ণক প্রার্থন্ত ৱৃত্রে কৰিয়া বেকত।
শুনিয়োক প্রভু যেন মোৰ অভিমত॥
তযু পাদপদ্মত যাহাৰ ভৈল বাস।
জন্মে জন্মে তাহাৰ দাসৰো হৈবো দাস॥৪৬৬
তুমি প্রাণনাথৱেসে গুণ সর্ব্বক্ষণে।
কৰোক কীর্ত্তন বাক্যে সুমৰোক মনে॥
শৰীৰে তোমাৰ কর্ম্ম কৰোক সদাই।
আতপৰে মোৰ আৰ একো ইচ্ছা নাই॥৪৬৭
ৱৃত্রৰ প্রার্থনে আক জানিবা নিশ্চয়।
সংসাৰৰ দুঃখে ভকতক নলঙ্ঘয়॥
ৱুলিবাহা কিনো অতি মিলিল অসুৰ।
ৱৃত্রৰ সাক্ষাতে দেখো সাংসাৰিক দুঃখ॥
কাটিলন্ত শিৱঃ তাৰ ইন্দ্রে ৱজ্র হানি।
নাহি ভকতৰ দুঃখ ৱৃথা বোলা বাণী॥
নকৰিবা মনে ইটো সংশয় সর্ব্বথা।
আৰূঢ় ভক্তৰ দুঃখ নাহি কোন কথা॥৪৬৯
কেৱলে কৃষ্ণৰ পাৱে পশিয়া শৰণ।
তানে গুণ নাম কৰে শ্রৱণ কীর্ত্তন॥
এতেকতে ইহ পৰ লোক দুঃখ যত।
নথাকয় শেষ নিৱন্তৰে হোৱে হত॥৪৭০
কৃষ্ণ পাদপদ্মৰ পৰাগ সেৱা ৱতি।
মহাভাগ্য যাৰ মনে মিলিল সম্প্রতি॥
তাসম্বাৰ দুঃখ নষ্ট হৈৱ সমুদায়।
কি কহিবো ইটো কথা কহন নাযায়॥৪৭১
কদাচিতো মনে নেদেখিবা বিপৰীত।
কহো তাৰ হেতু শুনা স্থিৰ কৰি চিত॥
উত্তম শ্লোকৰ কথামৃত পান কৰে।
কৃষ্ণ পাদ পঙ্কজক মনত সুমৰে॥৪৭১
নোপজয় ভয় তাৰ মৰণ কালত।
স্বস্থ সময়ৰ আৰ কি কৈবো মহত্ত্ব॥
দেখাইলোহো ভকতৰ নাহি একো দুঃখ।
সিসি জনে কৰে যিটো ভকতিৰ সুখ॥৪৭৩

শুনিয়োক কহো এবে কৰিয়া যুগুতি।
জীয়ন মুকুতি আক পৰম মুকুতি!
এই দুই ফল মহা ভক্তিৰ প্রধান।
অন্য ফলাস্তৰ যেন কহো বিদ্যমান॥৪৭৪
কৃষ্ণৰ শ্রীমন্ত কথামৃত যিটো জন।
কৰে ঘৰে বহি সুখে শ্রৱণ কীর্ত্তন॥
অনুৱৃত্তি চিত্তি যিটো ভকতি ৱঢ়ারে।
দুর্ল্লভৱৈকুণ্ঠ সিটো সুখে গৈয়া পারে॥৪৭৫
যদ্যপি ৱাক্যত ৱৈকুণ্ঠকো লোক ৱুলি।
তথাপি দুর্জ্জয় কালে নেদেখে সমুলি॥
এহি মানে পৰম দুর্ল্লভ্য পুরুষার্থ।
নৃপতিত শুকে কহিলন্ত পৰমার্থ॥৪৭৬
যাৰ অর্থে অতি ক্ষিতির্ভুজ নিৱন্তৰে।
গ্রাম এড়ি বনত দুরুৰ তপ কৰে॥
তাক ঘৰে বসি পারে ভকত সকল।
দেখাইলোহো কথা শুনিবাৰ যেন ফস॥৪৭৭
কিন্তু কথা শ্রৱণৰ মহিমা আছোক।
কেৱলে প্রশংসা মাত্র কৰে যিটো লোক॥
কথা শুনিবাক ফল পারে সিটো জনে।
ইহাৰ প্রমাণ লৈয়ো শুকৰ বচনে॥ ৪৭৮
সৃষ্টি স্থিতি প্রলয়ৰ হেতু নিৱন্তৰ।
অনন্ত ৱিচিত্র কর্ম্ম কৰে দামোদৰ॥
যিটো শুনে গারে আক প্রশংসে সম্প্রতি।
হোরে তাৰ ভগৱন্ত কৃষ্ণত ভকতি॥ ৪৭৯
এহি হেতু যত সংসাৰৰ দুঃখচয়।
নপারে ভক্তক সাধু কৰিলা নির্ণয়॥
শ্রৱণাদি পৰম ভকতি ভৈল যাৰ।
নৰকাদি যাতনাৰ দুঃখ নোহে তাৰ॥ ৪৮০
যিহেতু প্রার্থনা অতি কৰে জ্ঞানীগণ।
জ্ঞানাদিতো কৰি শ্রেষ্ঠ শ্রৱণ কীর্ত্তন॥
সনকাদি বাক্যে লৈয়ো ইহাৰ প্রমাণ।
ৱৈকুণ্ঠত কৃষ্ণক প্রার্থন্ত ৱিদ্যমান॥ ৪৮১
কৃতাঞ্জলি হুয়া সবে বচন বোলন্ত।
শুনিয়োক পৰম ঈশ্বৰ ভগৱন্ত॥
আজি সীমা কৰি পূর্ব্ব ৱয়স যতেক।
নভৈল আমাৰ তাত কিঞ্চিত পাতক॥ ৪৮২
আজি আসি সমস্ত পাতক ভৈল জাত।
যিহেতু শাপিলো তযু ভক্তক সাক্ষাত॥
এতেকে জানিলো নিজ পাপে স্বরূপত।
হৈৱেক আমাৰ জন্ম সবে নৰকত॥ ৪৮৩
হোক শূকৰাদি জন্ম ৱাঞ্ছা আমি তাক।
কিন্তু যদি হেন কৃপা কৰাহা আমাক॥

জগত দুর্ল্লভ ইটো তোমাৰ চৰণ।
নগনি ৱিঘিনি চিত্তে স্মৰে সর্ব্বক্ষণ॥ ৪৮৪
যদি ৱাক্যে কৰে তযু চৰিত্র কীর্ত্তন।
কর্ণ ভৰি থাকয় তোমাৰ গুণগণ॥
কৰা যেৱে এহি অনুগ্রহ কৃপাময়।
নাহিকে আমাৰ তেৱে নৰককো ভয়॥ ৪৮৫
খণ্ডে এহিমানে সনকাদিৰ বচন।
জ্ঞানীও প্রার্থিলা অতি শ্রৱণ কীর্ত্তন॥
জানিয়া ভকতি শ্রেষ্ঠ নাহি আতপৰ।
কহো আৰ শুনা যেন বচন নন্দৰ॥ ৪৮৬
মিলিল নন্দৰ মহা মনত উৎসৱ।
বোলন্ত শুনিয়ো মোৰ বচন উদ্ধৱ॥
আমাৰ মনৰ যত ৱৃত্তি নিৱন্তৰ।
থাকোক সুমৰি পদ পঙ্কজ কৃষ্ণৰ॥ ৪৮৭
বচনে ৱহোক গুণ নামক সুমৰি।
ৱহোক শৰীৰ তানে মাত্র কর্ম্ম কৰি॥
এহিমানে মাত্র মোৰ প্রার্থনি মনত।
জানিবা উদ্ধৱ বাপ কৃষ্ণ চৰণত॥ ৪৮৮
নন্দৰ বচন এৱে ৱৈলোহো সংহৰি।
ৱুলিবাহা শ্রৱণ কীর্ত্তনে দেৱ হৰি॥
হৃদিগত হুয়া হৱন্তোক পাপ চয়।
ইহাত আমাৰ কিছু আছয় সংশয়॥ ৪৮৯
শ্রৱণ কীর্ত্তনে পাপ মাত্রক সংহৱে।
ৱ্রতাদি দানেও চিত্তক শুদ্ধি কৰে॥
শ্রৱণ কীর্ত্তন ভৈল কিমতে ৱিশেষ।
শুনিয়ো ইহাৰ দেওঁ উত্তৰ নিঃশেষ॥ ৪৯০
কৃষ্ণৰ নির্ম্মল মহা উদাৰ চৰিত্র।
শ্রৱণ কীর্ত্তন যিটো কৰে প্রতি নিত॥
সিটো শুদ্ধ ভাৱে ভকতিৰ অভিশয়।
পুরুষৰ মন যেন পৱিত্র কৰয়॥ ৪৯১
ৱ্রত দানে তীর্থে শুদ্ধি নকৰে সিমতে।
এতেকে ভকতি শ্রেষ্ঠ ভৈল স্বভারতে॥
কৰে হৰি গুণ নামে পৰম নির্ম্মল।
এৱে মন শুদ্ধিৰ শুনিয়ো যেন ফল॥ ৪৯২
কহন্ত আপুনি ভগৱন্তে উদ্ধৱত।
মোহোৰ কথাৰ সখি শুনিয়ো মহত্ত্ব॥
শ্রদ্ধাৰূপে কৰি অতি শ্রৱণ কীর্ত্তন।
যেই যেন মতে কৰে চিত্তক শোধন॥৪৯৩
সেহি সেহিৰূপে মোৰ স্বরূপ হিয়াত।
দেখে শুনা কহো আৰ দৃষ্টান্ত সাক্ষাত॥
ৱেঢ়িছে পটালে যাৰ চক্ষু অতিশয়।
সিজনে প্রথমে একো ৱস্তু নেদেখয়॥৪৯৪

দিৱ্য অঞ্জনে মল গুছাইলেক যেৱে।
সূক্ষ্মৱেণু পর্য্যন্তকো দেখে সিটো তেৱে॥
এহি মানে থৈলো ৱাক্য কৃষ্ণ দেৱতাৰ।
ঈশ্বৰৰ বচনে দেখাইলা ৱেদ সাৰ॥৪৯৫
ৱুলিবাহা এতেকে ফলৰ নাহি নষ্ট।
এৱে ভকতিৰ ফল সদ্যে কৰো স্পষ্ট॥
পৰম শ্রদ্ধায়ে নিতে হৰিগুণ যত।
শ্রৱণ কীর্ত্তন সুখে কৰয় সতত॥৪৯৬
অতি অল্প কালে আসি প্রভু ভগৱন্ত।
হিয়াত সাক্ষাতে তাৰ প্রকাশ হোৱন্ত॥
এহি হেতু আছে আন উপায় যতেক।
তাত কৰি শ্রেষ্ঠ আক দেখিবা প্রত্যেক॥৪৯৭
কহো এবে হৰি প্রকাশৰ যেন ফল।
শ্রৱণ কীর্ত্তন কৰে যাহাৰা সকল॥
তাহাৰ চিত্তত আসি প্রৱেশি অনন্ত।
স্ৱবাসনা নিঃশেষে দুঃখক সংহৱন্ত॥৪৯৮
গুছে অন্ধকাৰ যেন সূর্য্য উদয়ত।
দিলোহো দৃষ্টান্ত ইটো প্রকাশ মাত্রত॥
যাৰ হৃদয়ত হৰি কৰন্ত ব্যাপাৰ।
শুনিয়োক অপৰ দৃষ্টান্ত কহো তাৰ॥৪৯৯
পাইলেক মেঘক যেন প্রচণ্ড ৱতাসে।
উড়ুৱারে লৱলেশো নাথাকে আকাশে॥
সেহিমতে ভকতৰ দুঃখ দামোদৱে।
হৃদয়ত প্রৱেশি হৱন্ত নিৱন্তৰে॥৫০০
নিজ ভৃত্যৱর্গৰ সুহৃদ ভগৱন্ত।
মোক্ষ আদি কৰি যত সুখ মিলাৱন্ত॥
হৰি যাৰ হৃদয়ত নভৈল প্রকাশ।
নাহি কদাচিতে তাৰ দুঃখৰ ৱিনাশ॥৫০১
শুক মুনি বোলন্ত শুনিয়ো নৃপৱৰ।
দুঃখ এড়াই মোক্ষ সুখ চাহে যিটো নৰ॥
কায়ৱাক্য মনে ভগৱন্তক স্মৰোক।
শ্রৱণ কীর্ত্তন তান সততে কৰোক॥৫০২
এতেকে পৰম সুখে পাইৱেক মুকুতি।
আন মতে নাহি মোক্ষ কহিলো যুগুতি॥
কিন্তু পৰমার্থ অর্থ শুনা কর্ণপাতি।
মোক্ষতো অধিক ভকতিৰ সুখ আতি॥৫০৩
এতেকে যতেক আছে পুরুষার্থচয়।
অনায়াসে ভকতিতে সমস্তে মিলয়॥
লৈয়োক ইহাৰ সাক্ষী ধ্রুৱৰ ৱাক্যত।
ৱোলন্ত উৎসুকে ধ্রুৱে কৃষ্ণৰ আগত॥৫০
শুনা প্রভু নাৱায়ণ মোৰ অভিমত।
তযু ভক্ত সকলে কহত কথা যত॥

তাক অতি শ্রদ্ধায়ে শুনন্তে নিৱন্তৱ।
মিলে যেন সুখ দেহধাৰী সমস্তৱ ॥৫০৫
সিটো সুখ নাহি মহা মোক্ষ অৱস্থাত।
কালৰূপ খড়্গে ছেদন কৰে যাত ॥
হেন স্বর্গ হন্তে যিটো পড়য় সর্ব্বথা।
নাহি তাত সিটো সুখ ইটো কোন কথা ॥৫০৬
কৃষ্ণৱ কথাৰ যেন সুখ বিপৰীত।
ধ্রুৱৰ বচনে তাক কৱিলো বিদিত ॥
জানিয়া ইহাত লজ্জা আদি নকৱিব।
কেৱলে কথাক মাত্র কহিব শুনিব ॥৫০৭
পাঞ্জৰ কৱিয়া থৈয়ো ইহাৰ সংশয়।
কৱি সিদ্ধ বচনত লৈয়োক নির্ণয় ॥
কৱি নিগদতি এবে শুনিয়ো নৃপতি।
কহিলো তোমাত ইটো দুষ্কৱ ভকতি ॥৫০৮
কহো এবে সুগম ভকতি যেন মত।
কৃষ্ণ জন্ম কর্ম্ম যত প্রসিদ্ধ লোকত ॥
কৱিবেক তাকে মাত্র শ্রৱণ কীর্ত্তন।
নেদিবেক আন একো বিষয়ত মন ॥৫০৯
যাৱ যেন সুখ সেহিমতে আচৱোক।
কিন্তু আত ভয় লজ্জা আদি নকৱোক ॥
কহিলো তোমাত ইটো সুগম ভকতি।
অনায়াসে সমস্তে লোকৰ সাধে গতি ॥৫১০
কৱিৱ বচন এবে এহিমা নে থণ্ড।
অন্যথা অনিষ্ট যেন তাৱ কথা কণ্ড।
শ্রৱণ কীর্ত্তন নাহি কৃষ্ণৱ যথাত।
তথাত বাঞ্ছসী সবে মিলারে বিঘাত ॥৫১১
নকৱে ভকতি নিজ কর্ম্মসে আচৱে।
বহুবিধ বিঘ্নে তাত উপদ্রৱ কৱে ॥
আছে পৱলোকতো বিস্তৱ ভয় তাৱ।
যমৰ বচনে লৈয়ো প্রমাণ ইহাৱ ॥৫১২
দূতৱ আগত যমে কহন্ত নিশ্চয়।
যাহাৰ জিহ্বায়ে হৱিনাম নলৱয় ॥
কৃষ্ণ পাদপদ্ম চিত্তে নুসুমৱে যাৱ।
শিৱে নমস্কাৰ নকৱিলে একবাৱ ॥৫১৩
পূজা আদি একো কৃত্য নকৱে কৃষ্ণৱ।
তাতপৱে নাহি দুষ্ট অধমপামৱ ॥
সেহি মোৰ পৱৱা তাহাক আনধৱি।
হাতে গলে ভৱিত চামৱ লগাই জমী ॥৫১৪
বান্ধি জড় পুৱ কৱি পেলায়ো নর্কত।
পাৱমানে ভুঞ্জায়ো যাতনা আছে যত ॥
এহিমতে থৈলো যম ৰাজাৰ বচন।
ভক্তিহীন পুৰুষৰ নিষ্ফল জীবন ॥৫১৫

কৱিলেক ব্যর্থ দেহ ইন্দ্রিয় সমস্ত।
লৈয়োক প্রমান শৌনকৱ বচনত ॥
শৌনক বদতি শুনা সুত মহাশয়।
ইসি মোৰ মহাখেদ ভৈল অতিশয় ॥৫১৬
লভিয়া দুর্ল্লভ্য তনু ভাৱত ভূমিত।
কৃষ্ণৱ চৱিত্র নুশুনিলে কদাচিত ॥
বৃথা কর্ণৱন্ধ্র, তাৱ দেখিয়ো সাঁক্ষাত।
দেখিয়ো-দুগোটা যেন অপৱিত্র গাঁত ॥৫১৭
ৱাহাৱ জিহ্বায়ে হৱি চৱিত্র নগায়ে।
ৱেঙ্গৱ সদৃশ তাক জানিবা স্বভায়ে ॥
সুৱর্ণৱ কিৱীটি যুগুত সর্ব্বক্ষণ।
কিন্তু মুকুন্দৱ পদে নকৱে বন্দন ॥৫১৮
তাত পৱে নাহি আৱ অধম বর্ব্বৱ।
বহয়ে মিছাত মহা ভাৱ মস্তকৱ ॥
সুৱর্ণৱ ভূষণে প্রকাশে দুয়ো হাত।
হৱিৱ কর্ম্মক যেবে নকৱে সাক্ষাত ॥৫১৯
অন্য সে কর্ম্মক আচৱিলে দিনে ৱাতি।
মৃতকৱ শৱ যেন ভৈল সিটো আতি ॥
যাৱ চক্ষে নেদেখিলে হৱিৱ ৰূপক।
ময়ুৱৱ পুচ্ছ যেন কৱে চাকমক ॥৫২০
হৱিৱ ক্ষেত্রক নগৈলেক এক ৱাৱ।
বৃক্ষ সিপা সদৃশ জানিবা ভৱি তাৱ ॥
ৱৈষ্ণৱৱ পদ ৱেণু নলৈলা সাদৱি।
জীৱন্ততে শৱ সিটো জানা নিষ্ঠ কৱি ॥৫২১
বিষ্ণুপদ লগ্ন তুলসীৱ যিটো জনে।
ঘ্রাণ লৈয়া অভিনন্দা নকৱিল মনে ॥
নিশ্বাস কাঢ়ন্তে সিটো শৱ সম অতি।
ফাছ ফোছ কৱে যেন কমাৱৱ ভাটী ॥৫২২
ই সব ইন্দ্রিয় ব্যর্থ মাত্র সমুদায়।
কিন্তু আৱ প্রতিকুল আচৱে সদায় ॥
আসন্ত বিষয়ে ৱাত্রি দিনে আগকৱি।
এহি হেতু জানিবা যাইবেক অধোগতি ॥৫২৩
হেনবা বুলিবা ইটো ইন্দ্রিয় সকল।
কেন মনে মনুষ্যৱ হোৱয় সাফল ॥
ইহাৱ উত্তৱ শুনিয়োক এক মনে।
দেখাইবো প্রমান পৱীক্ষিতৱ বচনে ॥৫২৪
শুকৱ আগত বিনাৱন্ত নৃপৱৱ।
যিটো ৱাক্যে লৱে গুণে নাম মাধৱৱ ॥
তাকেসে বচন বুলি মহন্তে মানয়।
সি সি হাত যিটো হৱি কর্ম্মক কৱয় ॥৫২৫
সমস্ত ভূতত হৱি আছে নিৱন্তৱে।
সি সি মনঃ যিটো মাত্র হৱিক সুমৱে ॥

শুনে মাত্র যিটো মাধৱৱ পুণ্য কথা।
তাকেসে বুলিয়া কর্ণ জানিবা সর্ব্বথা ॥৫২৬
প্রতিমা স্বৰূপ ভক্ত ৰূপ মাধৱৱ।
দুইহাঙ্কো প্রণামে মাথা সিসি শ্রেষ্ঠতৱ ॥
ইটো দুই ৰূপক কৃষ্ণৱ যিটো দেখে।
চক্ষু বুলি তাকেসে মহন্ত সবে লেখে ॥৫২৭
বিষ্ণু পাদোদক বা ভক্তৱ পদ জল।
লৱে যিটো নিতে অঙ্গ সেহিসে সফল ॥
এহি মতে ইন্দ্রিয়ৱ বৃত্তি নিৱন্তৱে।
সর্ব্ব ভাবে মাত্র কৃষ্ণতেসে ৱতি কৱে ॥৫২৮
তবে তাৱ ভাগ্যক বর্ণাইবো কিবা আৱ।
মহা সুখে নিস্তৱিল দুর্ঘোৱ সংসাৱ ॥
থৈলো পৱীক্ষিতৱ বচন এহি মানে।
শ্রৱণ কীর্ত্তন আদি কহিলো সমানে ॥৫২৯
এবে পৃথু নৃপতিৱ বচন উদ্ধাৱি।
শ্রৱণ কীর্ত্তন দুইকো কহো শ্রেষ্ঠ কৱি ॥
যাৱ যেন মতি কৃষ্ণ কথাক শুনয়।
সেহি বুদ্ধি অনুসাৱে কীর্ত্তন কৱয় ॥৫৩০
এতেকে অৱশ্যে নৱে পাইবেক মুকুতি।
ভৈল দুইয়ো ভক্তি শ্রেষ্ঠ এহিসে যুগুতি ॥
পুণ্য শ্লোক সবৰ মুকুট ৰূপ হৱি।
হৱি গুণ গণকেসে বচনে সাদৱি ॥৫৩১
ৱাক্যৱ একান্ত লাভ এহি মানে মাত্র।
কীর্ত্তনতে হোৱে সুখ মকুতিৱ পাত্র ॥
মহাজন সকলে কহন্ত কথামৃত।
ওচৱত মাত্র কর্ণ পাতি শুনে নিত্য ॥৫৩২
এহি মানে মহা লাভ জানিবা কর্ণৱ।
অৱশ্যে মুকুতি বণ্টা পাইবেক কৃষ্ণৱ ॥
দুইৱো মাঝত একে তাৱিবে সমর্থ।
কহো এবে সংহৱিয়া প্রকৱণ অর্থ ॥৫৩৩
মনোহৱ যতেক চৱিত্র গোবিন্দৱ।
সম্পূর্ণ আনন্দ ৱসে পৱম সুন্দৱ ॥
শ্রৱণ কীর্ত্তন আক কৱে যিটো নিত্য।
নাহিকে সংশয় সিটো ভৈল কৃতকৃত্য ॥৫৩৪
এহিমানে ইটো বিৱচন সমাপতি।
ৱচিল মাধৱ মহা দীন হীন মতি ॥
শুনা সভাসদ সাধুজন স্থিৱ মনে।
লভিবা পৱম পদ শ্রৱণ কীর্ত্তনে ॥৫৩৫
মনুষ্যৱ শ্রেষ্ঠ ধর্ম্ম এহি মানে মাত্র।
দেখিয়ো বিচাৱি মহা ভাগৱত শাস্ত্র ॥
কলিত নাহিকে গতি বিনে হৱিনাম।
জানিয়া আলস্য ত্যজি বোলা ৱাম ৱাম ॥৫৩৬

চতুর্থ শ্রৱণ বিৱচন

দুলৰী

শ্রৱণ কীর্ত্তন, উপদেশ ক্রমে,
ভকতিৱ নিরূপণ।
কহিবাক প্রতি, পুনশ্চ সম্প্রতি,
আৱম্ভিলো বিৱচন ॥
দুর্ৱাসনা মুখ্য, বীজ সংসাৱৱ,
যতেক অনর্থ চয়।
কেৱলে কৃষ্ণৱ, কথা শুনিলেসে,
সিটো সবে নিৱর্ত্তয় ॥৫৩৭
ভকত জনৱ, পৱম সুহৃদ,
উপকাৰী ভগৱন্ত।
তানে গুণ গান, শুনন্তে আসিয়া,
হৃদয়ত প্রৱেশন্ত ॥
অনাদি জন্মৱ, আছে তাৱ ষত,
দুর্ৱাসনা হৃদয়ত।
তথাতে থাকিয়া, প্রভু নাৱায়ণ,
হৱন্ত তাক সমস্ত ॥৫৩৮
দুর্ৱাসনা নষ্ট, ভৈলে নিৱন্তৱে,
শুনা যেন ফল পাৱে।
মহন্ত সবৱ, আত্মাৰূপে হৱি,
প্রকাশ হন্ত স্বভাৱে ॥
ভকত সবৱ, মুখত তাহান,
কথায়ে হন্ত অমৃত।
তাক শ্রদ্ধা কৱি, কর্ণাঞ্জলি ভৱি,
পিয়ে যিটো প্রতি নিত্য ॥৫৩৯
বিষয় বাসনা, মলিন মনক,
কৱয় সিটো শোধিত।
কৃষ্ণৱ অভয়, চৱণ পদ্মৱ,
পাৱয় গৈয়া সন্নিত ॥
বুলিবা সংশয়, স্বধর্ম্মে পাৱয়,
ইমান কার্য্যে সাধিত।
মাধৱৱ কথা, কিবা কার্য্যে বৃথা,
শুনিবাক লাগে নিত্য ॥৫৪০
ভাল ইটো প্রশ্ন, কৱিলা শুনিয়ো,
উত্তৱ দেওঁ ইহাৱে।
স্বধর্ম্মত বুদ্ধি, যদি হয় শুদ্ধি,
তথাপি কথাৱ দ্বাৱে ॥
যাৱ যেন ধর্ম্ম, সুনিশ্চিত ভাৱে,
আচৱয় শুদ্ধমতি।

তথাপিতো যদি, ঈশ্বৰ কৃষ্ণৰ,
কথাত নকৰে ৰতি ॥৫৪১
তেবে সিটো ধৰ্ম্ম, জানিলা কেৱলে,
শ্রম মাত্র সমুদায়।
হৰি কথা বিনে, অন্য যত ফল,
বিনাশে সিটো সদায় ॥
এতেকে কৃষ্ণৰ কথাৰ যাহাৰ,
উতপন্ন ভৈল ৰতি।
কথাৰ সাধন কৰ্ম্মত জ্ঞানত,
এড়িয়া যত্ন সম্প্রতি ॥৫৪২
কথাকেসে মাত্র শুনি শ্রদ্ধা ভাৱে,
কৃষ্ণক কৰিব বশ্য।
শুনিয়োক এবে, ব্রহ্মাৰ বচনে,
দেখাওঁ ইটো ৰহস্য ॥
কৃতাঞ্জলি হৈয়া ব্রহ্মায়ে বোলন্ত,
কৃষ্ণৰ চাই চৰণ ॥
অণুমাত্র জ্ঞান, পথত প্রয়াস,
নকৰিবা নাৰায়ণ ॥৫৪৩
তীর্থ আদি আন পথত ভ্রমণ
ক্লেশ আদি নকৰয়।
নিজ স্থানে থাকি মহন্তৰ মুখে
তোমাৰ কথা শুনয় ॥
তিনিও লোকত যদ্যপি তোমাক
একোজনে নজানয়।
কথাকে সৎকাৰ কৰে যিটো সিটো
তোমাক বশ্য কৰয় ॥৫৪৪
ব্রহ্মাৰ বচনে দেখাইলো জ্ঞানত
অধিক কথা শ্রৱণ ॥
বুলিবাহা জ্ঞান সত্বে মোক্ষ ফল
এড়িবে কেনে যতন ॥
সনতকুমাৰ বচনে ইহাৰ
উত্তৰ লৈয়ো নিশ্চয়।
মুকুতিতো কৰি কথা শ্রৱণৰ
অধিক সুখ আছয় ॥৫৪৫
চাৰিয়ো সনকে কৃষ্ণৰ আগত
বোলন্ত বাক্য বিনয়।
তোমাৰ পবিত্র কথা অমৃতৰ
ৰসক যিটো জানয় ॥
তাৰা সবে প্রভু, তোমাৰ মুকুতি,
প্রসাদকো নাদৰন্ত।
কালৰ অধীন, যত স্বর্গ সুখ,
তাহাকো কৈত গণন্ত ॥৪৪৬

সনতকুমাৰ, বচনে দেখালো,
কথা শুনিবাৰ ফল।
সমস্তে পাপত, পবিত্র হৈবেক,
চাহয় যাৰা সকল ॥
হৰিৰ পৰম, নির্ম্মল চৰিত্র,
শুনোক মাত্র সর্ব্বথা।
চতুঃ পাদ পূর্ণ, কলিৰ মলক,
হৰয় কৃষ্ণৰ কথা ॥৫৪৭
শুনিয়োক এবে, দৃষ্টান্ত সহিতে,
কথাৰ কহো মহত্ত।
কর্ণ বন্ধে হৰি, হোৱন্ত প্রবেশ,
ভকতৰ হৃদয়ত ॥
তথাত থাকিয়া, বাসনা সহিতে,
হৰন্ত মল সকল।
যেন জল যত, শৰত কালত,
স্বভাৱে হোৱে নির্ম্মল ॥৫৪৮
বাৰিষা কালৰ, জলক নির্ম্মল ;
কৰিবে চাহে যি জনে।
কোন দ্রব্য দিয়া, কেৱল কুম্ভৰ,
কৰয় মাত্র শোধন ॥
নদী পুখুৰীৰ, পানীক নির্ম্মল ;
কৰিতে নোহে শকত।
কলসৰো নষ্ট নোহে সমুদায়
পড়িয়া থাকে তলত ॥৫৪৯
কলস চালিলে, পুনঃ পূর্ব্ববত,
হোৱে জন নিৰন্তৰে।
সেহি মতে তপ, জপ দান আদি,
প্রায়শ্চিত্ত যিটো কৰে ॥
যিটো প্রায়শ্চিতে সবাৰো সমস্তে
পাপক নকৰে শুদ্ধি।
কোন পুরুষৰ কিঞ্চিতেক মান
পবিত্র কৰয় বুদ্ধি ॥৫৫০
তাহাৰো সমুলি বীজ সুগুচয়
বাসনা থাকে চিত্তত।
পুনৰপি চিত্ত চলিলে দুনাই
হোৱে পাপী পূর্ব্বৰত ॥
হৃদয়ত কৃষ্ণ, প্রবেশ মাত্রকে,
যত পাপ সমস্তৰে।
হৰয় নিঃশেষে যেন সবে জল,
শৰতে নির্ম্মল কৰে ॥৫৫১
দেৱৰ বচনে, ইটো দৃষ্টান্তৰ,
তাতপর্য্য কৰো স্পষ্ট।

আন কর্ম্মে ধর্ম্মে, সিমতে পাপীৰ,
পাপক নকৰে নষ্ট ॥
যেন মতে তনু, চৰিত্র অমৃত,
শুনিয়া মহন্ত নৰে।
বঢ়য়া ভকতি, হৈয়া শুদ্ধমতি,
জগত পবিত্র কৰে ॥৫৫২
দেৱৰ বচন, দেখাইলো কৃষ্ণৰ,
কথাৰ যেন মহত্ত্ব।
এতেকে কৃষ্ণৰ, কথা শুনিলেসে,
জানে ভকতিৰ তত্ত্ব ॥
হেন জানি সভা, সদ নিৰন্তৰে,
শুনিয়ো কৃষ্ণৰ কথা।
ডাকি মুখ ভৰি, বোলা হৰি হৰি,
নকৰা জনম বৃথা ।৫৫৩

পদ

বুলিবা পাপত শুদ্ধি হৈবে যাৰ মন।
কৃষ্ণকথা অমৃত পিয়োক সিটোজন।।
জীৱন মুকুত সব ভৈল কৃতকৃত্য।
তাৰ কথা শুনিবে নলাগে কদাচিত ॥৫৫৪
মুকুত হৈবাক প্রতি চাহে যিটো নৰ।
সিয়ো যোগ জ্ঞান অভ্যাসয় নিৰন্তৰ ॥
কথা শুনিবাৰ প্রয়োজন নাহি তাৰ।
বিষয়ত আতি আসকতি চিত্ত যাৰ ॥৫৫৫
ইন্দ্রিয়ৰ প্রীতি মাত্র সাধে সর্ব্বক্ষণ।
তাৰ হৰি কথাত কমন প্রয়োজন ॥
এহি তিনি বিধ মাত্র লোক সংসাৰত।
নাহিকে তিনিৰো কার্য্য কথা শ্রৱণত ॥৫৫৬
কেৱলে পাতকী মাত্র শুনিবেক কথা।
ইহাত সংশয় কিছু নকৰিও বৃথা ॥
শুনিয়ো উত্তৰ ইটো ত্যজি কু নির্ব্বন্ধ।
কথাক শুনিবে কেনে এতেকে প্রবন্ধ ॥৫৫৭
সমস্তে শাস্ত্রৰ এহি মানে মাত্র সাৰ।
ভৈলন্ত মুকুত তৃষ্ণা নিবর্ত্তিল যাৰ ॥
তাৰা সবো কৰে সদা শ্রৱণ কীর্ত্তন।
মুকুত হৈবাৰ এহি মানে প্রয়োজন ॥৫৫৮
দেখাইলোহো মুকুতৰো পৰম সন্মত।
মুকুত হৈবাক যিটো খোজে সংসাৰত ॥
সিয়ো হৰি চৰিত্র ঔষধ কৰি পান।
দুর্ঘোৰ সংসাৰ ব্যাধি কৰয় নির্য্যাণ ॥৫৫৯
মুমুক্ষু জনৰো দেখাইলোহো প্রয়োজন।
বিষয়ৰ সুখত কেৱল যাৰ মন ॥
উত্তম শ্লোকৰ গুণ চৰিত্র সম্বাদে।
তাৰো মন কর্ণ পৰম সুখ সাধে ॥৫৬০
বিষয়ীৰো পৰম শ্লাঘনী হৰি কথা।
ইহাত বিমুখ যিটো পৰম সর্ব্বথা ॥
তাত পৰে নাহিকে অধম মন্দমতি।
শুনিয়োক তাৰ এবে যিমত দুর্গতি ॥৫৬১
সেহিসে চাণ্ডাল মহা ব্যাধ আত্মঘাতী।
অসুৰ ৰাক্ষস সিসি মৰা শৱ অতি ॥
যজ্ঞৰ ঈশ্বৰ হৰি তাহাক নভজে।
বলিদান কৰি আন দেৱতাক যজে ॥৫৬২
বৃথা বধ ভাগী যদী মুহীকে সাক্ষাত।
যিহেতু নকৰে ৰতি কৃষ্ণৰ কথাত ॥
এহি হেতু ভৈল বৃথা পশু বধ ভাগী।
যাইবেক অবশ্যে ঘোৰ নৰকক লাগি ॥৫৬৩
বুলিবা যাহাৰ ইচ্ছা আছে মুকুতিক।
সদায়ে যিসব নৰ ভকতি ৰসিক ॥
সি সবে সাধোক সিদ্ধি হৰি কথা শুনি।
জীৱন মুকুত সব কৃতার্থ আপুনি ॥৫৬৪
তাৰ কিবা কাজ কৃষ্ণ কথা শুনিবাক।
ইয়াক উত্তৰ যেত শুনিয়োক তাক ॥
মোক্ষতো অধিক কথা ৰস বিপৰীত।
এহি হেতু মুকুন্দৰ শুনিবে উচিত ॥৫৬৫
মহাজন সবৰ আশ্রয় ভগৱন্ত।
তান মহা নির্ম্মল গুণৰ নাহি অন্ত ॥
ব্রহ্মা হৰ আদি যত আছে যোগেশ্বৰ।
তাহাৰা নপারে অন্ত নির্গুণ কৃষ্ণৰ ॥৫৬৬
তাহান কথাৰ মহা ৰস যিটো জানে।
সি কি বুলিবেক তুষ্ট ভৈলো এহি মানে ॥
এতেকে মুকুত সবে শুনে সর্ব্বক্ষণ।
শুনা শৰণৰ আক কহো গুণীগণ ॥৫৬৭
পৰম নির্ম্মল জ্ঞান হোৱে উতপন।
হোৱে সংসাৰৰ যত উর্ম্মি নিবর্ত্তন ॥
গুছে কর্ম্ম বাসনা প্রসন্ন হয় মতি।
ইহ পৰলোক সুখে মিলে বিৰকতি ॥৫৬৮
মোক্ষৰো সন্মত ভক্তি যোগ উপজিল।
শুনি যিটো আনন্দ লভিল অতিশয় ॥
হৰিৰ কথাত কি নকৰিবে ৰতি।
সংসাৰৰ তাপ যত এড়াবে সম্প্রতি ॥৫৬৯
দেখাইলোহো শ্রৱণৰ গুণ নিৰগুৰ।
হেন হৰি কথাত বিমুখ যিটো নৰ ॥
তাৰ যেন গতি তাক শুনিয়ো সাম্প্রত।
যাই জগতৰ আয়ু সূর্য্যৰ লগত ॥৫৭০

একক্ষণ মাত্র কথা শুনে মাধৱৰ।
হোৱয় সাফল তাৰ আয়ু সি দিনৰ ॥
সিও ক্ষণ কথা হুশুনয় মাধৱৰ।
বিফলে হৱন্ত সূর্য্য আয়ু সিজনৰ ॥৫৭১
বুলিবা জীৱন আদি আয়ুৰ সাফল।
তাহাৰ উত্তৰ যেন শুনিয়ো সফল ॥
হৰি কথা হীনো যদি জীয়ে স্বকপত।
নিজীয়ে কি জানা ইটো তক বন যত ॥৫৭২
বুলিবা বৃক্ষৰ নাহি নিশ্বাস ভোজন।
কেন মতে বৃক্ষ তুল্য হৈব সিটো জন ॥
দেখিয়ো সাক্ষাতে ভোজনাদি সবে কৱে।
ইহাৰ উত্তৰ শুনিয়োক নিৱন্তৱে ॥৫৭৩
কমাৰৰ ভাটী যত ফোকাৰ ত্যজয়।
তাক কোন জনে জীয়া বুলিয়া আছয় ॥
বিষ্ঠাক ভোজন আদি কৱয় শূকৱে।
তেবে তাক প্রশংসা কৱয় কোন নৱে ॥৫৭৪
তক লতা আদিৰ জীৱন যেন বৃথা।
সেহি মত যিজনে হুশুনে হৰি কথা ॥
যাৰ কর্ণ পথক নগৈল দামোদৰ।
পশুতো অধম পশু অজ্ঞানী বর্ব্বৰ ॥৫৭৫
অবজ্ঞাৰ স্থলী সিটো কুকুৰ সদৃশ।
বিষ্ঠা ভুঞ্জি কৱে যেন শূকৱে হৰিষ ॥
উটে যেন কণ্টক চোবায়া অতি মৱে।
ভাৰ পায়া গর্দ্দভে আনন্দ যেন কৱে ॥৫৭৬
হৰি কথা এড়ি বিষয়ত ৰতি যাৱ।
এহি চাহি গোটা পশু পটন্তৰ তাৰ ॥
কিন্তু পশু সব হুহি ভকতিৰ পাত্র।
ভকতিত অধিকাৰ মনুষ্যৰ মাত্র ॥৫৭৭
হেনয় মনুষ্য কৃষ্ণ কথা হুশুনয়।
চাৰিয়ো পশুত সিটো অধম নিশ্চয় ॥
যতেক নিন্দিত লোক আছে নিৱন্তৰ।
তাহাৰো নিন্দিত হৰি বিমুখ পামৰ ॥৫৭৮
বিদুৰ বচনে লৈয়ো ইহাৰ প্রমাণ।
বুলিলা বিদুৰে মৈত্রেয়ৰ বিদ্যমান ॥
শুনিয়ো মৈত্রেয় মোৰ যেন অভিমত।
যতেক শোচনা আছে ইটো জগতত ॥৫৭৯
সি সবো তাহাক প্রতি কৱয় ক্রন্দন।
নজানিয়া কৃষ্ণ কথা হুশুনে যিজন ॥
সিও বোলে মোক প্রতি নকান্দ সদায়।
নজানোহো আমি একো শাস্ত্র অভিপ্রায় ॥৫৮০
তুমি আমি দুইয়ো আহা কান্দো তাক প্রতি।
সবে শাস্ত্র তাতপর্য্য জানিয়া সম্প্রতি ॥

তথাপি কৃষ্ণৰ কথা নকৱে শ্রৱণ।
মিছাত পড়িলে মাত্র শাস্ত্র সিটো জন ॥৫৮১
সমস্তে শাস্ত্রৰ সাৰ মাধৱৰ কথা।
তাহাক হুশুনি জন্ম কৱিলেক বৃথা ॥
অনেক জন্মৰ দুর্ব্বাসনা আছে তাৰ।
তাতেক কৱিলে কালে আয়ুৰ সংহাৰ ॥৫৮২
বাক্য মন শৰীৰৰ ব্যাপাৰ সকল।
হৰি কথা বিনে আৰ সকলে বিফল ॥
তাত পৱে পৱে জানিবা নাহিক আত্মঘাতী।
তাক লাগি ময়ো অনুশোচ কৱো অতি ॥৫৮৩
বিদুৰৰ বচনক এহি মানে থওঁ।
আৱো তাৰ যিমত অৱস্থা তাক কওঁ ॥
কেৱল ব্যর্থেসে আয়ু ভৈল সমাপ্তি।
কিন্তু সিটো অৱশ্যে যাইবেক অধোগতি ॥৫৮৪
লৈয়োক ইহাৰ সাক্ষী ব্রহ্মাৰ বাক্যত।
কহন্ত ব্রহ্মায়ে দেৱ সবৰ আগত ॥
সৃষ্টি আদি কৱি মাধৱৰ লীলা যত।
তাত বহিভুত অন্য কুকথা সমস্ত ॥৫৮৫
সিটো কুকথাক কৱে যিজনে শ্রৱণ।
কদাচিত বৈকুণ্ঠক নযাই সিটো জন ॥
ভৈল সিটো মহা ভাগ্য হীন সমুদায়।
পূর্ব্ব পুণ্য মানে নষ্ট কৱে কুকথায় ॥৫৮৬
পেলাৱে তাহাক মহা ঘোৰ নৰকত।
আপোনাৰ পাতকে আপুনি ভৈল হত ॥
দেখাইলো ব্রহ্মাৰ বাক্যে কুকথাৰ ফল।
শুনে মাধৱৰ কথা যাহাৰ সফল ॥৫৮৭
কহো তাৰ ফল স্পষ্ট তত্ত্বৰ বচনে।
কৃষ্ণৰ আগত বাক্য বোলে তত্ত্ব গণে ॥
তযু কথা অমৃতক পিয়ে যিটো জন।
তাহাৰ ভকতি অতি বাঢ়ে অনুক্ষণ ॥৫৮৮
হোৱে চিত্ত শুদ্ধ মিলে আনন্দ সাক্ষাত।
হোৱয় নির্ম্মল বোধ হৃদয়ত জাত ॥
তোমাৰ ককণা তাক মিলয় স্বভাৱে।
অনায়াসে সুখে গৈয়া বৈকুণ্ঠক পাৱে ॥৫৮৯
তত্ত্বৰ বচন এবে থওঁ এহি মানে।
কৃষ্ণ কথা ফল আৱো শুনা সাবধানে ॥
পৱম শ্রদ্ধায়ে যিটো পিয়ে প্রতি নিত।
হন্ত ভগৱন্ত আসি তাৰ সন্নিহিত ॥৫৯০
ইঠাইতে বৈকুণ্ঠ সুখ মিলে সর্ব্বক্ষণে।
লৈয়োক ইহাৰ সাক্ষী ব্রহ্মাৰ বচনে ॥
কৃষ্ণৰ আগত বিনাৱন্ত সৃষ্টিকৰ।
কি কহিবো মহত্ত্ব তোমাৰ ভকতৰ ॥৫৯১

তযু পদ পঙ্কজৰ সুগন্ধ যশক।
শৱদ বতাসে নিয়ে কর্ণৰ পথক ॥
পাইয়া সিটো গন্ধ মহা সন্তোষ মিলয়।
কর্ণৰন্ধ্র ভৰি মুখে সদায় শুনয় ॥৫৯২
কথাৰস পাইয়া বিষয়ক পৰিহৱে।
মহাভক্তি ভাৱে তযু চৰণক ধৱে ॥
তোমাৰ পাৱত লগাইলেক প্রেম জৰী।
থাকিবেক নপাৱা তাৰ হৃদয়ক এড়ি ॥৫৯৩
তুমি যাৰ হৃদয়ত সদায়ে প্রকাশ।
সি জনে নকৱে মুকুতিকো অভিলাষ ॥
পৱম কৃতার্থ ভৈল সিটো মহাজন।
এহি মানে থৈলো ব্রহ্মা দেৱৰ বচন ॥৫৯৪
কৃষ্ণ কথা শুনি যেন হয়ে কৃতকৃত্য।
সিদ্ধ সমস্তৰ বাক্যে কৱোহো বিদিত ॥
সনতকুমাৰ আদি সিদ্ধগণ যত।
কৃষ্ণক কৱন্ত স্তুতি দক্ষৰ যজ্ঞত ॥৫৯৫
বোলন্ত আমাক অনুগ্রহ কৱা যদি।
তযু কথা অমৃতনির্ম্মলময় নদী ॥
মহামদে উন্মত্ত আমাৰ মন গজে।
সেহি নদী মাজে মজি থাকোক সহজে ॥৫৯৬
যেন বন পোড়াত পুড়িয়া হস্তী চয়।
অগাধ গঙ্গাৰ জলে মজিয়া থাকয় ॥
বন জুইক ডৱে তাৰ পৱা হুহে আৱ।
সেহিম ত মন প্রভু মাতঙ্গ আমাৰ ॥৫৯৭
দাবাগ্নি সদৃশ তিনি তাপ সংসাৰৰ।
অনাদি জনম তাতে পোড়ে নিৱন্তৰ ॥
এবে তযু কথাৰ নদীত বুড় দিউক।
তাৰপৱা পুনৰপি উঠিয়া নাসোক ॥৫৯৮
পাসৰিবো তেবে সংসাৰৰ যত দুঃখ।
মিলিবে মনত মহা ব্রহ্মানন্দ সুখ ॥
যেন ব্রহ্মজ্ঞানী হুহি ব্রহ্মত পৃথক।
এক ভাৱ হুয়া পাইয়া থাকয় ব্রহ্মক ॥৫৯৯
সেহিমতে মজি মন তোমাৰ কথাত।
পৱম আনন্দে মগ্ন হৈবোহো সাক্ষাত ॥
শ্রৱণ বিৰাম আৰ হুহিবেক মন।
এহিমানে থৈলো সিদ্ধ সবৰ বচন ॥৬০০
দেখাইলো মুকুতি তুল্য সুখ শ্রৱণৰ।
পুনঃ পৱমার্থ তাতো কৱি শ্রেষ্ঠতৰ ॥
লৈয়োক ইহাৰ সাক্ষী পৃথুৰ বচনে।
প্রার্থিলন্ত পৃথু যেন কৃষ্ণৰ চৰণে ॥৬০১
বোলন্ত কৃষ্ণক প্রভু কোননো পণ্ডিতে।
তোমাৰ চৰণ আৰাধিয়া এক চিত্তে ॥

ইন্দ্রিয়ৰ সুখ অর্থে প্রার্থিবন্ত বৰ।
নৱকীয়ো নিত্য যাক পাৱে নিৱন্তৰ ॥৬০২
অহঙ্কাৰী দেৱ যত ব্রহ্ম প্রতি মুখ।
তাসম্বাতো হন্তে পাই ইন্দ্রিয়ৰ সুখ ॥
নির্গুণ ঈশ্বৰ তুমি কেৱল্যৰ পতি।
নোখোজোহো তাক মই তোমাত সম্প্রতি ॥৬০৩
বুলিবা কৈৱল্য পতি বুলিলা আমাক।
খোজা যেবে দেওঁ তেবে মুকুতি তোমাক ॥
শুনিয়ো উত্তৰ মোৰ মনৰ যুগুতি।
কদাচিতো নাথ মই নোখোজো মুকুতি ॥৬০৪
পৱম মহন্ত মহা একান্ত ভকত।
তযু পাদপদ্ম মকৰন্দ যশ যত ॥
হৃদয়ৰ পৱা মুখে কৱন্ত বিদিত।
নপাই তাক শুনিবাক যিটো মুকুতিত ॥৬০৫
সিসব মুকুতি পদে মোৰ কার্য্য নাই।
কিন্তু এক বৰ মই মাগোহো গোসাঁই ॥
মহন্তৰ মুখে পাওঁ কথা শুনিবাক।
হাজাৰ দশেক কর্ণ দিয়োক আমাক ॥৬০৬
বুলিবা ইহাক নতু খোজে একোজন।
ইহাৰ উত্তৰ শুনিয়োক নাৰায়ণ ॥
আনৰ চিন্তাত মোৰ কিবা প্রয়োজন।
এহিসে ৱৱক মোৰ অভিরুচি মন ॥৬০৭
বুলিবাহা ভৈল যিতো মুকুতি বিহীন।
ৰাগ দ্বেষে হৈব মণ পৱম মলিন ॥
হুগুচিবে তাৰ একো সংসাৰৰ দুঃখ।
নমাইবেক সিটো কথা শ্রৱণৰ সুখ ॥৬০৮
ইহাৰ উত্তৰ শুনিয়োক ভগৱন্ত।
তোমাৰ একান্ত যত ভকত মহন্ত ॥
ভাৱা সবে যত কথা অমৃত প্রকাশে।
তাৰ এক কথা মান আনিব বতাসে ॥৬০৯
তাক কর্ণ পথে যিটো শুনে কদাচিত।
কু যোগীৱো আত্মতত্ত্ব হোৱয় বিদিত ॥
আমি পুনু সাৰ গ্রাহী তোমাৰ ভকত।
নাহিকে আমাৰ কার্য্য অন্যত্র ৱৱত ॥৬১০
মোক্ষ আদি কৱি সুখ আছে যত যত।
শ্রৱণ সুখৰ হুয়া আছে অন্তর্গত ॥
কথাক শুনন্তে সব সুখে লাগ পাৱে।
তাসম্বাৰ ৰাগ দ্বেষ নাহিকে স্বভাৱে ॥৬১১
বুলিবা মুকুতি ফল যেবেসে শ্রৱণ।
ফল এড়ি কৱা কেন সাধনে যতন ॥
শুনিয়োক ইহাৰ উত্তৰ কৃপাময়।
কেৱল মঙ্গলৰূপ তযু গুণ চয় ॥৬১২

মহন্তৰ সঙ্গে যিটো শুনে একবাৰ।
মুহি পশু জানে যেবে গুণক তাহাৰ॥
তবে কেন মতে আৰ ত্যজিবে কথাক।
পৱম শ্রদ্ধায়ে লক্ষ্মী বৱন্ত যাহাৰ॥৬১৩
সবে পুৰুষার্থ সমাপতি হোৱে যাত।
জানি যশ মাত্র লক্ষ্মী বৱন্ত সাক্ষাত॥
এতেকে মুকুতি এড়ি খুজিলো শ্রৱণ।
থৈলো এহিমানে পৃথু ৰাজাৰ বচন॥৬১৪
দেখাইলো শ্রৱণ সুখ মোক্ষতো অধিক।
নোখোজে মুকুতি যিটো শ্রৱণ ৰসিক॥
শ্রৱণৰ মহাসুখ মুকুতিত নাই।
মোক্ষ আদি কৰি সুখে শ্রৱণত পাই॥৬১৫
ভাগৱত শাস্ত্রৰ কহিলো তত্ত মর্ম্ম।
বুলিবাহা ক্ষুধা আদি প্রাণীৰ স্বধর্ম্ম॥
বুলিলা কিমতে ভকতক নবাধয়।
যেবে বা ইসব ধর্ম্ম যাহাত থাকয়॥৬১৬
হৈব কেনমনে তাত শ্রৱণৰ সুখ।
নাহি মুকুতিত ক্ষুধা আদি একো দুঃখ॥
শ্রৱণত কৰি শ্রেষ্ঠ এতেকে মুকুতি।
বুলিলা শ্রৱণ শ্রেষ্ঠ কমন যুগুতি॥৬১৭
নকৰি সংসয় চয় শুনা স্থিৰ মনে।
ইহাৰ প্রমাণ লৈয়ো নাৰদ বচনে॥
প্রাচীনবর্হিক মুনি দেন্ত উপদেশ।
বোলন্ত শুনিয়ো মোৰ বচন নিঃশেষে॥৬১৮
সাধু সমস্তৰ সঙ্গ লৈবা যত্ন কৰি।
কৰিবা শুশ্রূষা তাৰা সৱক সাদৰি॥
হৰি কথা ৰসে তাৰা পৱৰ জীৱন।
পৱম শ্রদ্ধায়ে অতি কহে সর্ব্বক্ষণ॥৬১৯
তাসম্বাৰ মুখে যত হৰিৰ চৰিত্র।
মুহিকে আসাৰ সিটো সাক্ষাতে অমৃত॥
নদীৰূপে সিটো দশ দিশক বহয়।
তাক যিটো স্থিৰ কর্ণ কৰি অতিশয়॥৬২০
পৱম শ্রদ্ধায়ে পান কৰে প্রতি নিতি।
তথাপিতো মনে যাৰ নখণ্ডে তৃপিতি॥
তেবে তাক ক্ষুধায়ে পিয়াসে নোছোৱয়।
নপাৱে ওচৰ আসি শোক মোহ ভয়॥৬২১
বুলিবাহা কথা মাত্র যি জনে শুনয়।
যেৱে তাক ক্ষুধা আদি একো নবাধয়॥
তবে কিয় কথাক মুশুনে সর্ব্ব লোক।
ইহাৰ উত্তৰ যেন তাক শুনিয়োক॥৬২২
ক্ষুধা আদি কৰি ইটো দুঃখ নিবন্তৱে।
সহজে সবাকে মহা উপদ্রব কৰে॥

এতেকে দুর্ল্লভ কথা অমৃত নিধিত।
নকৱয় সর্ব্বজনে ৰতি কদাচিত॥৬২৩
শুনিয়োক যেন আৰ পৱমার্থ তত্ত্ব।
কৰিয়ো যতনে মহাজনৰ সঙ্গত॥
কথাৰ মহিমা জানি মু শুনে যাবত।
ক্ষুধা আদি কৰি বাধা কৱয় তাবত॥৬২৪
মুবুঝয় যদ্যপি কথাৰে একো তত্ত্ব।
তথাপি শুনোক নিত্য সাধুৰ সঙ্গত॥
শুনন্তে শুনন্তে পাছে ৰতি হৈলে জাত॥
তেবে ক্ষুধা আদি বাধা এড়িবে সাক্ষাত॥৬২৫
নাৰদৰ বাক্য এবে থৈলোহো সাম্প্রত।
নাহি একো দুঃখ হৰি কথা শ্রৱণত॥
তথাপি সঞ্জাত যদি নাহি বিদ্যমান।
পৰীক্ষিত অনুভৱে লৈয়োক প্রমাণ॥৬২৬
শুকৰ আগত পৰীক্ষিতে বিনাৱন্ত।
বোলন্ত শুনিয়ো শুক মুনি মহা শান্ত॥
সাক্ষাতে অমৃত ইটো কৃষ্ণ কথা চয়।
তোমাৰ বদন পদ্ম হস্তে বাঝ হয়॥৬২৭
লাগিছো কৰিবে পান পৱম শ্রদ্ধায়।
জল মাত্র ভোজন ত্যজিয়া সমুদায়॥
তথাপিতো পৱম দুঃসহ ক্ষুধা দুঃখে।
নকৱয় বাধা মোক আছো মহা সুখে॥৬২৮
নপাওঁ শুনিবাক হেন কৃষ্ণ কথা যেবে।
সঙ্গে মোৰ শৰীৰ পড়িব প্রভুতবে॥
পৰীক্ষিত অনুভবে কৰিলো বেকত।
নাহি অন্ত কথাৰ মহিমা আছে যত॥৬২৯
ইহাৰ ফলক কিবা বর্ণাইবো অধিক।
ভৈল যিটো জন অতি শ্রৱণ ৰসিক॥
মৱণতো হন্তে ভয় নোপজয় তাৰ।
পৰীক্ষিত প্রার্থনে প্রমাণ লৈয়ো আৰ॥৬৩০
বোলন্ত শুনিয়ো বিপ্র সব আছা যত।
মাৱ গঙ্গাদেবী সাক্ষী হৈবাহা সাম্প্রত॥
ঈশ্বৰ কৃষ্ণৰ যিটো অভয় চৰণ।
লৈলো সর্ব্বভাবে হেবা তাহাতে শৰণ॥৬৩১
বিপ্র শাপ স্বৰূপ তক্ষক মায়া চয়।
দংশোক আমাক তাক নকৰোহো ভয়॥
মিলোক মোহোৰ মহা মৱণ সর্ব্বথা।
কিন্তু তুমি সবে মাত্র কৈয়ো কৃষ্ণ কথা॥৬৩২
কৃষ্ণেসে সুহৃদ আত্ম কৃষ্ণ ইষ্টদেব।
কৃষ্ণ বিনে মোহোৰ বান্ধৱ নাহি কেৱ॥
এতেকে জানিয়া লৈলো কৃষ্ণত শৰণ।
থৈলো এহিমানে পৰীক্ষিতৰ বচন॥৬৩৩

কৃষ্ণকথা শুনন্তে মৃত্যুৰ গুছে ভয়।
নেদেখিবা আক বিপৰীত অতিশয়॥
কৃষ্ণৰ একান্ত যত ভকত সকল।
তাহাৰা সৱৰো যশ পৱম নির্ম্মল॥৬৩৪
তাক শ্রদ্ধা ৰূপে যিটো শুনয় সতত।
তাহাৰ সমস্তে পাপ তাপ হোৱে হত॥
পৱম আনন্দ আৰো মিলয় মনত।
কৃষ্ণৰ কথাৰ কিবা কহিবো মহত্ত্ব॥৬৩৫
এহি অর্থ শুক বাক্যে কৰোহো বিদিত।
বোলন্ত শুনিয়ো বুদ্ধিমন্ত পৰীক্ষিত॥
গোবিন্দৰ পুণ্য কথা সাক্ষাতে অমৃত
পৱম শ্রদ্ধায়ে আক শুনে প্রতি নিত॥৬৩৬
এতেকতে তাহাৰ সংসাৰ নিবর্ত্তয়।
জানি মাধৱৰ কথা শুনা মহাশয়॥
শুকৰ বচন থৈলো সম্প্রতি সংহৰি।
জনক বচনে আক কহো স্পষ্ট কৰি॥৬৩৭
নব সিদ্ধি সমস্তৰ আগত সাক্ষাত।
নম্র ভাবে ৰাজা বিনাৱন্ত যোৰ হাত॥
তোমাৰ মুখৰ হৰি চৰিত্র অমৃত।
পিওঁ নাহি তথাপিতো তৃপিতি কিঞ্চিত॥৬৩৮
সংসাৰ তাপত পড়ি আছো সমুদাই।
ইহাৰ ঔষধ হৰি কথা বিনে নাই॥
জানিয়া বিস্তাৰ কৰি পিয়ায়োক বাপ।
পাসৰিয়া থাকো সংসাৰৰ তিনি তাপ॥৬৩৯
থৈলো উপসংহৰিয়া জনক বাক্যক।
কৃষ্ণ কথা বিনে নাহি সংসাৰ তাৰক॥
কহো তাক পুনৰপি বচনে শুকৰ।
বোলন্ত শুনিয়ো পৰীক্ষিত নৃপবৰ॥৬৪০
দাবানল তুল্য তিনি তাপ বিপৰীত।
জীৱক দগধ অতি কৰে প্রতি নিত॥
বহুবিধ দুঃখ ইটো অপাৰ সাগৰ।
পৱম দুস্তৰ আক জানিবা জীৱৰ॥৬৪১
আক অতিশয় তৰিবাক যিটোচায়।
কৃষ্ণ কথামৃত সেৱা কৰোক সদায়॥
তেবেসে তৰিবে ঘোৰ সংসাৰ সাগৰে।
নাহি আন নৌকা কথা শ্রৱণত পৰে॥৬৪২
এহি হেতু আছে তাৰ যিমান শকতি।
শুনিয়োক মাধৱৰ চৰিত্র সম্প্রতি॥
এহি মতে শুকে শিক্ষা দিলন্ত ৰাজাক।
জানিয়া যতেক শুন্ন কৃষ্ণৰ কথাক॥৬৪৩
বুলিবা অজ্ঞান আদি নিবর্ত্তিল যাৰ।
হোৱে নিবর্ত্তন তাৰ দুর্ঘোৰ সংসাৰ॥

গুচিবে অজ্ঞান কেন কথাৰ শ্রৱণে।
ইহাৰ উত্তৰ শুনিয়োক এক মনে॥৬৪৪
অজ্ঞানক গুচাইবাৰ সাধনা যতেক।
বহুবিধ বিঘ্ন গ্রস্ত জানিবা প্রত্যেক॥
যদি কদাচিত একো বিঘিনি নপাৱে।
সিও যেবে শ্রৱণত ৰতি উপজাৱে॥৬৪৫
তেবেসে তাহাৰ গুছে যতেক অজ্ঞান।
যুধিষ্ঠিৰ বাক্য লৈয়ো ইহাৰ প্রমাণ॥
বোলন্ত কৃষ্ণক শুনিয়োক কৃপাময়।
তযু পাদপদ্ম মকৰন্দ যশ চয়॥৬৪৬
মহাজন মন হন্তে মুখে বাঝ হয়।
তাক যিটো কর্ণে পান কৰে অতিশয়॥
নাহি কদাচিতো আৰ তাৰ অকল্যাণ।
গুছে মহা সুখে আছে যতেক অজ্ঞান॥৬৪৭
যুধিষ্ঠিৰ বাক্য এবে এহি মানে থৈলো।
অজ্ঞান গুচিবে যেন মতে তাকো কৈলো॥
বুলিবাহা নমানো তোমাৰ ইটো মত।
কেৱল অজ্ঞান গুছে জ্ঞান অভ্যাসত॥৬৪৮
বুলিবা কিমতে গুছে কথাতে অজ্ঞান।
ইহাৰ উত্তৰ শুনা কহো বিদ্যমান॥
নির্ম্মল মনত হোৱে জ্ঞানৰ উদয়।
কৃষ্ণৰ কথায়ে মন নির্ম্মল কৱয়॥৬৪৯
দেবৰ বচনে লৈয়ো প্রমাণ সাক্ষাত।
কৱন্ত কৃষ্ণক দেবে স্তুতি দ্বাৰকাত॥
কৃতাঞ্জলি বোলন্ত শুনিয়ো দামোদৰ।
তযু কথা অমৃত নির্ম্মল নদী বৱ॥৬৫০
পাদোদক গঙ্গা তিনি জগতে প্রশস্ত।
ত্রৈলোক্যৰ পাপ দুয়ো হৱয় সমস্ত॥
কীর্ত্তি নদী সেবা কৰে কর্ণে মহা ৱঙ্গে।
গঙ্গাক কৱয় অভিষেক আঙ্গে সঙ্গে॥৬৫১
এহি মতে দুইয়ো তীর্থ উপাসি মহন্তে।
বাহিৰে ভিতৰে শুদ্ধি হোৱয় একান্তে॥
অনায়াসে তবে ইটো দুর্ঘোৰ সংসাৰ।
এহি মানে থৈলোহো বচন দেৱতাৰ॥৬৫২
শুনা পৱমার্থ ফল কথা শ্রৱণৰ।
সাক্ষাৎ অজ্ঞান নিবর্ত্তারে নিবন্তৰ॥
দেখাৱ প্রমাণ উদ্ধৱৰ বচনত।
বোলন্ত বিনয়ে কৃষ্ণ দেৱৰ আগত॥৬৫৩
পৱম মঙ্গল তযু চৰিত্র অমৃত।
কর্ণ পথে যিটো আৰ স্বাদ লৱে নিত্য॥
অন্যত্র যতেক মানে সাধন আছয়।
এড়ে সমস্তৰ বাঞ্ছা সিটো মহাশয়॥৬৫৪

কৰ্ম্ম পথে ভ্ৰমো আমি যত গৃহবাসী।
তযু মহা ভকতৰ সঙ্গ লৈয়া আসি ॥
তোমাৰ চৰিত্ৰ কথা ৰস কৰি পান।
তৰিবো বাসনা সমে যতেক অজ্ঞান ।৬৫৫
এহিমানে থৈলো উদ্ধৱৰ বচনক।
বুলিবা বিচাৰ কৰি কৰ্ম্ম অকৰ্ম্মক ॥
নির্ণয় জানিয়া আক এড়িবাহা পাছে।
অন্যথা এড়িলে আত মহাদোষ আছে ॥৬৫৬
ইহাৰ সিদ্ধান্ত লৈয়ো বচনে কৃষ্ণৰ।
বুঝাই উদ্ধৱত কহি আছে দামোদৰ ॥
যাহাৰ ভোগত নতু হোৱে বিৰকতি।
স্বৰ্গাদিৰ অৰ্থে কৰ্ম্ম কৰিব সম্প্ৰতি ॥৬৭৭
ইন্দ্ৰিয়ৰ ভোগে বিৰকতি ভৈল যাৰ।
নিত্য নৈমিত্তিক কৰিবাক লাগে তাৰ ॥
ভৈল যাৰ শ্ৰদ্ধা মোৰ কথা শ্ৰৱণত।
নিত্য নৈমিত্তিক আদি কৰি কৰ্ম্ম যত ॥৬৫৮
কথাৰ বিৰোধী জানি ত্যজিবে সকল।
সমস্তে কৰ্ম্মৰ কথা শ্ৰৱণেসে ফল ॥
কৃষ্ণৰ বচন চয় থৈলো এহি মানে।
ইহাক কৰোহো স্পষ্ট শৌনক বচনে ॥৬৫৯
মহা বিৰকত শৌনকাদি ঋষি যত।
কৰন্ত বিদিত সবে সূতৰ আগত ॥
শুনিয়োক সূত কহো তোমাত স্বৰূপ।
কৰো আমি সবে ইটো কৰ্ম্মসূত্ৰ ৰূপ ॥৬৬০
শুচিল আমাৰ অতি বিশ্বাস সমস্ত।
নাহি ফল নিশ্চয় বিস্তৰ বিঘ্নি গ্ৰন্থ ॥
ভৈলো ধূম্ৰবৰ্ণ মাত্ৰ হোমৰ ধূৱাত।
শৰীৰক দগ্ধ অতি কৰিল সাক্ষাত ॥৬৬১
এবে আমাক দয়া কৰা মহাশয়।
কৃষ্ণ পাদপদ্ম মকৰন্দ মধুচয় ॥
কৰায়োক পান হোক শৰীৰ শীতল।
শুচি কৰ্ম্মময় মহা মিলোক মঙ্গল ॥৬৬২
শৌনক বচন এবে এহিমানে খণ্ড।
শুনা তাতপৰ্য্য উপসংহৰিয়া কণ্ড ॥
পৰম চতুৰ মহা বিবেকী যি জন
তাহাৰ কৰ্ত্তব্য মাত্ৰ কথা সে [illegible] ॥৬৬৩
এহিমানে সমস্তে শাস্ত্ৰৰ তত্ত্ব আ [illegible]
অন্যথা যতেক পাঠ আদি সবে বৃথা ॥
গুৰুক শুশ্ৰূষা কৰি পৰম যতনে।
চিৰকাল বেদ আদি পঢ়ে যিটো জনে ॥৬৬৪
সি সব শ্ৰমৰ এহিমানে মাত্ৰ ফল।
কহিয়া আছন্ত মহা মহন্ত সকল ॥

হৰি পাদপদ্ম যাৰ হিয়াত সাক্ষাত।
শুনিব কৃষ্ণৰ গুণ নাম তাসম্বাত ।৬৬৫
শুনা সভাসদ সব যুগুতি বচন।
হৰি ভকতি আদি জানিবা শ্ৰৱণ ॥
মহন্তৰ মুখে কথা শুনে প্ৰথমত।
তেবেসে পুৰুষে পাৱে ভকতিৰ তত্ত্ব ॥৬৬৬
কথা শুনিলেসে গুছে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য় ॥
জানি হৰি কথা শুনা মহন্তৰ মুখে।
বোলা ৰাম ৰাম তেবে তৰিবাহা সুখে ॥৬৬৭

ছবি।

সমস্তে ধৰ্ম্মৰ ফল, কথা শ্ৰৱণেসে মাত্ৰ,
দেখাইলোহো যুগুতি পূৰ্ব্বত।
পৰম যোগীৰ কৃত্য, জানা এহিমানে মাত্ৰ,
দেখাওঁ মৈত্ৰেয়ৰ বচনত ॥
মৈত্ৰেয়ে বোলন্ত মাতি, শুনিও বিদুৰ ধীৰ,
কহো মই স্বৰূপ তোমাত।
যিটো মহা যোগীগণ, অভ্যাসিয়া অনুক্ষণ,
কৰিলন্ত আত্মাক সাক্ষাত ॥৬৬৮
মিলে যোগ সিদ্ধি যত, তাকো স্পৃহা নকৰন্ত,
যিহেতু আস্বাত মাত্ৰ ৰত।
যিটো মহাজ্ঞানে ইটো, ছেদিলে সংশয় যত,
তাকো সবে ত্যজন্ত পাছত ॥
সাধ্য পাইলে সাধনত, নাহি কিছু প্ৰয়োজন,
থাকে ব্ৰহ্মএৱে এক হুই।
হেনয় অনেক যাত পাইয়া সিটো যোগ গতি,
তথাপিতো অপ্ৰমত্ত হুই ॥৬৬৯
কৃষ্ণ কথা শ্ৰৱণত, যাবত নকৰে ৰতি,
তাৱে মল হুগুছে চিত্তৰ।
এতেকে যোগীৰো জানা, নাহিকে কৰ্ত্তব্য আন,
কৃষ্ণকথা শ্ৰৱণত পৰ ॥
এহিমানে মৈত্ৰয়ৰ, বচন সংহৰি থৈলো,
হেনবা বুলিবা কদাচিত।
যোগৰ সিদ্ধিত স্পৃহা, এৰিবেক কিবা হেতু,
শুনা কহো সিদ্ধান্ত বিদিত ॥৬৭০
ভগবন্ত ঈশ্বৰৰ, কথা শ্ৰৱণত পৰ,
নাহি মহা লাভ ত্ৰিভুবনে।
এতেকে সমস্ত এৰি, কথাক শুনিব মাত্ৰ,
লৈয়ো সাক্ষী গোপীৰ বচনে ॥
কৃষ্ণ দৰশন আশে, গোপী সবে গাৱে গীত,
বোলে শুনা প্ৰভু লক্ষ্মীপতি।

তযু কথা অমৃতেসে, মৰাকো জীয়াৱে অতি,
লৈয়ো আৰ যুগুতি সম্প্ৰতি ॥৬৭১
দেৱতা সবৰ ভোগ্য, প্ৰসিদ্ধ অমৃত যিটো,
কথামৃত শ্ৰেষ্ঠ তাত কৰি।
ব্ৰহ্মজ্ঞানী গণে সিটো, অমৃত কৰিয়া তুচ্ছ,
কথামৃত পিয়ন্ত সাদৰি ॥
ভোগ্যৰ অমৃতে অতি, বঢ়ায়ে সকাম কৰ্ম্ম,
কথামৃতে কৰে কৰ্ম্ম নাশ।
নচায়য় অনুষ্ঠান শ্ৰৱণ মাত্ৰকে মহা,
মুকুতিকো কৰন্ত প্ৰকাশ ॥৬৭২
দেৱৰ অমৃতে মহা, উন্মত্ত কৰায় মাত্ৰ,
কথামৃতে কৰয় সুশান্ত।
হেন কথা পৃথিবীত, কৰে যিটো বিস্তাৰিত,
নাহি তাত পৰে দাতাৱন্ত ॥
বিজনে কেৱল মাত্ৰ, কথাকে গ্ৰহণ কৰে,
তাহাৰ ভাগ্যৰ নাহি সীমা।
যিপুন্থ তোমাক আনি, কৰিল সাক্ষাত প্ৰভূ,
তাৰ আৰ কি কৈবো মহিমা ॥৬৭৩
গোপীৰ বচন থওঁ, এহি অৰ্থ পুনঃ কওঁ,
যি ভৈলকৃষ্ণক দৰ্শন।
তাৰ যত পাপ ক্ষয়, হৈব অদভুত নয়,
কিন্তু ভৈল কৃতাৰ্থ সি জন ॥
যাহাৰ নামক মাত্ৰ, একবাৰ শ্ৰৱণত,
অধম চণ্ডাল অতিশয়।
সেহিতো শৰীৰ সমে, সমস্তে পাপত হন্তে,
হোৱে মহা পবিত্ৰ নিশ্চয় ॥৬৭৪
বুলিবা সবাকে শুদ্ধি, কৰয় কেৱলে পুনঃ
হুহি ধিক সমস্তে লাভত।
লৈয়োক সিদ্ধান্ত আৰ, কৃষ্ণ কথা শুনিবাৰ,
মহিমা কহিবো মই কত ॥
পুৰুষাৰ্থ মাঝে সাৰ, জানিয়া মহন্ত সবে,
পূৰ্ব্বে কহি আছে বিদ্যমান।
ভগৱন্ত মাধৱৰ, চৰিত্ৰ অমৃত কথা
সংসাৰক কৰয় নির্য্যাণ ॥৬৭৫
হেন কথা অমৃতক, মহন্ত সবৰ মুখে,
পিয়ে যিটো কৰ্ণাঞ্জলি ভৰি।
হুহি যেবে পশু যিটো, জানয় কথাৰ ৰস,
হুশুনিবে কেনেনো সাদৰি ॥
কৃষ্ণ কথামৃত এড়ি, শুনে বিষয়ৰ কথা,
পশুতো অধম সিটো অতি।
প্ৰতিকুল বৰ্ণ দিয়া জানিবা নিশ্চয় তাক,
বিধাতায়ে কৰিলন্ত শাস্তি ॥৬৭৬

কলা হৈলে ভাল তাৰ, কুকথাক শুনিবাৰ,
নপাইলেক হন্তেদোষে আসি।
কৃষ্ণৰ কথাত কৰি, কুকথা যিমত তুচ্ছ,
শুনা কহো দৃষ্টান্ত প্ৰকাশি ॥
অমৃত পড়িয়া থাকে, যেন শূকৰৰ ঝাকে,
বিষ্ঠাকেসে কৰন্ত ভোজন।
ত্যজিয়া কুকথা বিষ্ঠা, জানিয়া কৃষ্ণৰ কথা,
অমৃতক কৰিয়ো যতন ॥৬৭৭

দুলৰি

কৃষ্ণৰ চৰিত্ৰ, শ্ৰৱণেসে মাত্ৰ,
পৰম শ্ৰেষ্ঠ ভকতি।
শুক মহামুনি, নৃপতিৰ আগে,
কহিলন্ত প্ৰতি প্ৰতি ॥
উত্তম শ্লোকৰ গুণ বাদ কথা,
যিটো শুনে একবাৰ।
এতেকে যতেক, অমঙ্গল তাৰ,
নষ্ট হোৱে বাৰম্বাৰ ।৬৭৮
হেন জানি মহা, নির্ম্মল ভকতি,
যি জনে চাহে কৃষ্ণত।
তাহান কথাক, পৰম শ্ৰদ্ধায়ে,
শুনোক মাত্ৰ সতত ॥
ইটো প্ৰকৰণ, উপসংহৰিয়া,
কহো অৰ্থ নিৰন্তৰ।
নিজ ধৰ্ম্ম পথ, ৰক্ষাৰ নিমিত্তে,
যিটো কৃষ্ণ মহেশ্বৰ ।৬৭৯
শুদ্ধ সত্ত্ব গুণে, লীলায়ে ধৰন্ত,
ৰাম আদি অৱতাৰ।
তেহেঁ ভগৱন্ত, দেৱ যদুত্তম,
জানিবাহা সাৰে সাৰ ॥
আন অৱতাৰ, সদৃশ যতেক,
কৰিলা কৰ্ম্ম লীলায়।
সেহি কৰ্ম্মে বেদ, বিহিত কৰ্ম্মক,
নিবৰ্ত্তারে সমুদায় ।৬৮০
হেনয় কৃষ্ণৰ, চৰণে যি সবে,
সেবা মাত্ৰ বাঞ্ছা কৰে।
তাঁহান চৰিত্ৰ, অমৃতক মাত্ৰ,
শুনোক সি সব নৰে ॥
এতেকে কৃষ্ণৰ, চৰণে হৈবেক,
পৰম শ্ৰেষ্ঠ ভকতি।
কথা শ্ৰৱণৰ, বিৱচন ভৈল,
এহি মানে সমাপতি ॥৬৮১

নমো নমঃ কৃষ্ণ, প্রভু মহেশ্বৰ,
কৰা কৃপা কিছু মোক ।
ভকত সঙ্গত, তযু কথামৃত,
শ্রৱণত ৱতি হোক ॥
তোমাৰ চৰণে, কায়বাক্য মনে,
শৰণ লৈলো সম্প্রতি ।
মই মূঢ়মতি, প্রণতি মিনতি,
নজানো স্তুতি ভকতি ॥৬৮২
তুমিসি পৰম, প্রিয়তম আত্মা,
ইষ্টদেৱ গুৰু নিষ্ঠ ।
তুমিসি সুহৃদ, বান্ধৱ তোমাক,
নজানো মই পাপীষ্ঠ ॥
পৰম কৃতঘ্ন, পাপী মোত পৰে,
নাহি জানা দামোদৰ ।
শুনি আছো মহা, পতিত পাৱন,
নাহিকে তোমাত পৰ ॥৬৮৩
সংসাৰ সাগৰে, উপকাৰ চিন্তা,
কৰিব মোক যি জন ।
তুমি বিনে হেন, বান্ধৱ নেদেখো,
জানিয়া লৈলো শৰণ ॥
শৰণাগতক, যেন লাগে কৃষ্ণ,
কৰা যথোচিত কাম ।
নছাড়িবা মোক, সামাজিক লোক,
ডাকি বোলা ৰাম ৰাম ॥৬৮৪

—— × ——

পঞ্চম কীর্ত্তন বিৱচন ।

পদ

দেখাইলো মহিমা কৃষ্ণ কথা শ্রৱণৰ ।
শুনিলা কৌতুকে সভাসদ নিৱন্তৰ ॥
শুনিয়োক আৰো আৱন্তিলো বিৱচন ।
কৃষ্ণৰ কীর্ত্তন এবে কৰো নিৰূপণ ॥৬৮৫
সংসাৰত যত ধর্ম্ম আছে শ্রেষ্ঠতৰ ।
সমস্ততে কৰি শ্রেষ্ঠ কীর্ত্তন কৃষ্ণৰ ॥
এহি মান অভিপ্রায় সকল শাস্ত্রৰ ।
তপ জপ আদি যত ধর্ম্ম পুৰুষৰ ॥৬৮৬
কৰে বেদ পাঠ যজ্ঞ যাগ যোগ দান ।
সমস্ততে অভিলাষী ফল এহি মান ॥
উত্তম শ্লোকৰ গুণ নামৰ কীর্ত্তন ।
ইহাকেসে কহি আছে মহা জ্ঞানীগণ ॥৬৮৭
কৰয় কীর্ত্তন যিটো জানিবা সাক্ষাত ।
সকল কর্ম্মক কৰি আছয় পূর্ৱত ॥
ভগৱন্ত মাধৱৰ কীর্ত্তন নকৰে ।
জানিবা তাহাৰ ব্যর্থ ধর্ম্ম নিৱন্তৰে ॥৬৮৮
দেখাওঁ বেকতে কীর্ত্তনৰ ফল যত ।
সূত নিগদতি সৌনকৰ সমাজত ॥
শুনিয়ো শৌনক মোৰ স্বৰূপ উত্তৰ ।
সমস্তে অসতী যত কথা অসন্তৰ ॥৬৮৯
যি সব কথাত মাধৱক নকহয় ।
সি সব সকলে মিছা জানিবা নিশ্চয় ॥
সেহিসে সকলে সত্য সেহিসে মঙ্গল ।
সেহিসে পৰম পুণ্য সেহিসে কুশল ॥৬৯০
সেহিসে ৱন্যক সেহি কচিকৰ নৱ নৱ ।
সেহিসে বঢ়ারে মহা মনৰ উৎসৱ ॥
সেহি শোক সাগৰক শেষে মনুষ্যৰ ।
সেহিসে ঐশ্বর্য্য আনি মিলারে কৃষ্ণৰ ॥৬৯১
যিটো বাক্যে কৰে হৰি চৰিত্র কীর্ত্তন ।
সেহি নৰ হয় সর্ৱ গুণৰ ভাজন ॥
মুহিকে আশ্চর্য্য ইটো শুনিয়ো যুগুতি ।
যিহেতু কীর্ত্তনে সাধে পৰম মুকুতি ॥৬৯২
ঘোৰ সংসাৰক পাইয়া আছে যিটো জন ।
যদি অজ্ঞানতো কৰে শ্রৱণ কীর্ত্তন ॥
সিও সদ্যে সংসাৰত হোৱয় মুকুত ।
আক অতি মনে নেদেখিবা অদভুত ॥৬৯৩
যিটো নাম গ্রহণ কৰন্তে অতিশয় ।
কাল মৃত্যু দুয়ো তৰতবিয়া কাম্পয় ॥
ইহাক জানিয়া যিটো নকৰে কীর্ত্তন ।
সিটো অধমৰ জানা নিস্ফল জীৱন ॥৬৯৪
যাৰ বচনত কৃষ্ণ গুণ নাম নাই ।
তাৰ বাক্য পাঠ আদি ব্যর্থ সমুদাই ॥
জগত পৱিত্রকাৰী কৃষ্ণৰ চৰিত্র ।
নকৰে গ্রহণ যিটো বাক্যে কদাচিত ॥৬৯৫
যদি চিত্র বিচিত্র বচন সর্ৱোত্তম ।
তথাপি জানিবা উচ্ছিষ্টৰ গর্ত্ত সম ॥
কাক তুল্য কামাতুৰ নৰ যিটো জন ।
সিসি সর্ৱক্ষণে কৰে তাহাতে ৱমণ ॥৬৯৬
ৰাজহংস সদৃশ পৰম সাধু নৱে ।
শুদ্ধ সত্ত্ব মন সৰোৱৰে মাত্র চৰে ॥
কৃষ্ণ পাদপদ্মে বাস কৰয় কেৱল ।
কৰে পান কৃষ্ণ যশ জল সুনির্ম্মল ॥৬৯৭
যেহেন প্রসিদ্ধ যত ৰাজহংস চয় ।
কেৱল মানস সৰোৱৰত চৰয় ॥
কৰে বাসা কমনীয় পদ্ম সমুহত ।
বিচিত্র অন্নাদি যুক্ত উচ্ছিষ্ট গর্ত্তত ॥৬৯৮

কদাচিতো তাত ৰাজহংস নপড়য় ।
জানিবা কাকেসে মাত্র সদায় ৱময় ॥
দেখাইলো কৃষ্ণৰ গুণ নাম নাহি যাত ।
অপৱিত্র সিটো বাক্য জানিবা সাক্ষাত ॥৬৯৯
কৃষ্ণ গুণ নাম মাত্র কৰয় বেকত ।
যদি পদ চাতুৰী নাহিকে বচনত ॥
তথাপিতো জগতকে পৱিত্র কৰয় ।
সিসি বচনক মহাজনে সাদৰয় ॥৭০০
কহণ্ডা থাকিলে কর্ণ পাতিয়া শুনয় ।
শুনন্তা থাকিলে মহা শ্রদ্ধায়ে কহয় ॥
কহিবাক শুনিবাক যেবে নপাৱন্ত ।
পৰম শ্রদ্ধায়ে বসি আপুনি গাৱন্ত ॥৭০১
হেন হৰি গুণ যদি কীর্ত্তন নকৰে ।
কদাচিতো তত্ত্ব নজানিব সিটো নৰে ॥
নাৱদে বোলন্ত শুনা ব্যাস মহাশয় ।
দেওঁ ইটো উপদেশ তোমাক নিশ্চয় ॥৭০২
কৰা সাৱধানে মহা ভাগৱত শাস্ত্র ।
ৱর্ণাইবো কেৱলে কৃষ্ণ গুণ নাম মাত্র ॥
তেৱেসে তোমাৰ মহা শান্ত হৈবে মন ।
কৰা যেবে অনাদৰ মোহোৰ বচন ॥৭০৩
উৰুক্রম চৰিত্রত কৱিয়া পৃথক ।
ৱর্ণাইবা শাস্ত্রত যদি অন্যত্র অর্থক ॥
কদাচিতো বিষয়ে তোমাৰ ইটো মতি ।
নপাইবেক স্থিতি আক জানিবা সম্প্রতি ॥৭০৪
প্রচণ্ড ৱতাসে যেন নাৱ সাগৰৰ ।
কাণ্ডাৰী বিহীনে পাক ফুৰে নিৱন্তৰ ॥
সেহি মতে পাক ফুৰিবেক তযু মন ।
জানিয়া কৰিও ব্যাস কৃষ্ণৰ কীর্ত্তন ॥৭০৫
পৰম আনন্দ মতি মজিবে তোমাৰ ।
তেবে সদ্যে হৈবে স্থিৰ কহিলোহো সাৰ ॥
তথাপিতো তুমি যেবে নোযোৱা সঞ্জাত ।
লৈয়ো মোৰ অনুভবে প্রমাণ সাক্ষাত ॥৭০৬
নিৱীড় স্বৰূপে কৰোঁ যেখন কীর্ত্তন ।
আনন্দ সমুদ্রে মন হোৱয় মগন ॥
তীর্থ পদ ভগৱন্ত জগত নিৱাস ।
তেখনে হৈবন্ত আসি হিয়াত প্রকাশ ॥৭০৭
যেন কোন জনে ডাক দিলে পুৰুষক ।
সি যেন পুৰুষ আসে তেখনে আগক ॥
এহিমানে থৈলোহো বচন নাৰদৰ ।
গুনা এহি ফল কহো বচনে সূতৰ ॥৭০৮
ৰোলন্ত শুনিয়ো শৌনকাদি ঋষি যত ।
বিস্তৰ কহিবো কিবা তোমাৰ আগত ॥
এহিমানে পৰম কর্ত্তব্য মনুষ্যৰ ।
কহো তোমাসাত সাৰ সকল শাস্ত্রৰ ॥৭০৯
কৃষ্ণ গুণ নাম চয় অমৃত সাক্ষাত ।
আছয় আশ্রয় কৰি যি সব কথাত ॥
তাকে মাত্র সেৱা কৰিবেক প্রতি নিত ।
নির্ৱিষয় হৈৱাক আছয় যাৰ চিত ॥৭১০
অন্যথা ঘুণ্ডুছে ঘোৰ সংসাৰৰ ভয় ।
এহিমানে থাকোক সূতৰ বাক্য চয় ॥
শুক বাক্য এহি অর্থ কৱোহো বিদিত ।
বোলন্ত শুনিয়ো মহাৰাজ পৰীক্ষিত ॥৭১১
দেওঁ পৰিচ্ছেদ মই সকল শাস্ত্রৰ ।
সংসাৰত হন্তে মোক্ষ চাহে যিটো নৰ ॥
কৃষ্ণ কীর্ত্তনেসে তাৰ মোক্ষৰ সাধন ।
ৱিষয় ভোগক ইচ্ছা কৰে যিটো জন ॥৭১২
কীর্ত্তনেসে দেয় তাকো সেই ফল ।
ভৈলন্ত মুকুত অতি যাহাৰা সকল ॥
তাসম্বাৰো এহি মানে ফল সমুদায় ।
কৃষ্ণৰ কীর্ত্তন মাত্র কৰিব সদায় ॥৭১৩
এহি মানে স্পষ্ট সর্ৱ শাস্ত্রৰ নির্ণয় ।
ইহাৰ প্রমাণ ঘুখুজিবা মহাশয় ॥
প্রমাণৰ উপৰি প্রমাণ নাহি আৰ ।
ৱিষয় ৱাসনা বদ্ধ ভৈল মন যাৰ ॥৭১৪
পৰম আতুৰ চিত্ত ৱিষয় চিন্তাত ।
যোৰ আপদত মজি আছয় সাক্ষাত ।
তাহাৰো সংসাৰ সিন্ধু তৰিবাক প্রতি ।
ৱিহি আছে নাৱ কৃষ্ণ কীর্ত্তন সম্প্রতি ॥৭১৫
ঘুৰুলিবা ৱেদ মাত্র কেৱল প্রমাণ ।
কিন্তু লৌকিকতো আক দেখি ৱিদ্যমান ॥
কীর্ত্তন নকৰি নতু তৰে একো জন ।
পৰম ৱিষয়ী তৰে কৰিয়া কীর্ত্তন ॥১১৬
এহি মানে থৈলো এবে বচন শুকৰ ।
সদায় কীর্ত্তন যিটো কৰয় কৃষ্ণৰ ।
কি কহিবো তাসম্বাৰ মহিমা আছোক ।
অন্তকালে কীর্ত্তন কৰয় যিটো লোক ॥৭১৭
এতেকে মুকুত হোৱে ঘোৰ সংসাৰত ।
লৈয়োক প্রমাণ ব্রহ্মা দেৱৰ বাক্যত ॥
নাহি জন্ম কর্ম্ম কৃষ্ণ জগত কাৰণ ।
তান জন্ম কর্ম্ম গুণ নাম ৱিড়ম্বন ॥৭১৮
সেহি জন্ম কর্ম্ম ময় নাম মাধৱৰ ।
মৃত্যুকালে অজ্ঞানতো লৱে যিটো নৰ ॥
এতেকে তেখেনে তাৰ ছিণ্ডে কর্ম্ম বন্ধ ।
মিলয় মনত আসি পৰম আনন্দ ॥৭১৯

হোৱয় প্রবেশ পৰংব্রহ্ম স্বৰূপত।
প্রণাম সদায় হেন কৃষ্ণ চৰণত ॥
থৈলোহো সংহৰি ব্রহ্মা দেৱৰ বচন।
অজ্ঞানতো অন্তকালে কৰিয়া কীর্ত্তন ॥৭২০
অনায়াসে গৈল ঘোৰ সংসাৰক তৰি।
বিষ্ণুদূত বচনে দেখাওঁ স্পষ্ট কৰি ॥
মাধৱৰ মুখ্য পাৰিষদ চাৰি জন।
যমৰ দূতক চাহি বুলিলা বচন ॥৭২১
শুন অৰে যমদূত পৰৰ পামৰ।
নজানস কিছু তোৰা মহিমা নামৰ ॥
যদ্যপি অজ্ঞানী ইটো বিপ্র অজামিল।
তথাপি সাক্ষাতে হৰি নাম উচ্চাৰিল ॥৭২২
এতেকেসে বিপ্রে কোটী জন্মৰ পাপৰ।
কৰিলে সবাৰো প্রায়শ্চিত্ত শ্রেষ্ঠতৰ ॥
হেন মুৰুলিৰি ভৈল প্রায়শ্চিত্ত মাত্র।
কিন্তু ভৈল দ্বিজ মহা মুকুতিৰ পাত্র ॥৭২৩
হেন বা হৈবেক তোৰ সংশয় মনত।
কৰ্ম্ম মাত্র হরে সাঙ্গ নাম কীর্ত্তনত ॥
স্বতন্ত্রে কিমতে নামে সংহাৰিবে পাপ।
ইহাৰ উত্তৰ শুনা ত্যজিয়া সন্তাপ ॥৭২৪
হৈবে লাগি মাত্র পাপ মানে প্রায়শ্চিত্ত।
সম্পূর্ণ নলাগে হৰি নাম উচ্চাৰিত ॥
পৰম মঙ্গল হৰি নামৰ আভাবে।
সমস্তে লোকৰ মহা পাপক বিনাশে ॥৭২৫
দেখিলি সাক্ষাতে ইটো বিপ্র অজামিল।
পূর্ণ চাৰি অক্ষণে নামক উচ্চাৰিল ॥
নাৰায়ণ আইস বুলি আর্ত্তনাদ কৰি।
ডাকিলে প্রভুক ইটো পূত্র নাম ধৰি ॥৭২৬
কৃষ্ণৰো আসিবে লাগে ইহাৰ পাশক।
কোন অদভুত ইটো নাশিল পাতক ॥
বুলিবা ব্রাহ্মণ মহা পাতকী প্রধান।
কৰিলে সমস্তে পাপ আছে যতমান ॥৭২৭
অনেক সহস্র বাৰ কৰিয়াছে নিত্য।
কৰে যদি ইটো কোটি কোটি প্রায়শ্চিত্ত ॥
তথাপি তো পাপ নষ্ট নুহিকে ইহাৰ।
একে নামে হৈবে কেনে পাতক সংহাৰ ॥৭২৮
ইহাৰ উত্তৰ দেওঁ শুন দূতগণ।
ব্রাহ্মৱৰ সুবর্ণক হৰে যিটো জন ॥
মিত্র দ্রোহ সুৰাপান ব্রহ্মবধ কৰে।
স্ত্রীবধ ৰাজবধ গুরু ভার্য্যা হৰে ॥৭২৯
কৰয় গোবধ পিতৃবধ কৰে দুৰাশয়।
সকল কর্ম্মৰত আছে আনো যত পাপচয় ॥

সমস্তৰে মুখ্য প্রায়শ্চিত্ত হৰি নাম।
উচ্চাৰন্তে হোৱে নষ্ট পাতকৰ দাম ॥৭৩০
নকৰিবি দূত তয় ইয়াত সংশয়।
যিটো জনে মুখে হৰি নাম উচ্চাৰয় ॥
ইটো মোৰ ভৈল বুলি প্রভু ভগৱন্ত।
সমস্ত ভয়ত তাক ৰাখয়া দুৰন্ত ॥৭৩১
এতেকেসে শ্রেষ্ঠ প্রায়শ্চিত্ত হৰি নাম।
আত যমদূত শঙ্কা কৰ কোন কাম ॥
মন্ত্র প্রতি মুখ্য কৰি যত ব্রহ্মবাদী।
বিহিয়া আছন্ত যত যাগ যোগ আদি ॥৭৩২
সিটো প্রায়শ্চিত্তে শুদ্ধি নকৰে সিমতে।
নাম উচ্চাৰন্তে পাপ গুচে যেন মতে ॥
শুন দূত নামৰ মহিমা বিপৰীত।
নেৰে নামে পুরুষক কৰাই প্রায়শ্চিত্ত ॥৭৩৩
উত্তম শ্লোকৰ আছে গুণ গণ যত।
তাকো আনি নামে মিলায়য় পুরুষত ॥
আন প্রায়শ্চিত্তে যদি পবিত্র কৰয়।
কদাচিতো পাতকৰ বীজ নুগুচয় ॥৭৩৪
প্রায়শ্চিত্তে কৰিও পাপক ধায়ে মনে।
বীজ নষ্ট কৰিবাক চাহে যিটো জনে ॥
হৰি গুণ নাম মাত্র কৰোক কীর্ত্তন।
কৰয় প্রভুৰ নামে চিত্তক শোধন ॥৭৩৫
গুচাইলো সংশয় চয় তেহোৰ মনৰ।
কৰোহো আদেশ শুন যমৰ কিঙ্কৰ ॥
নিনিবি দ্বিজক তই পাপৰ পথক।
মৰন্তে লৈলেক ইটো হৰিৰ নামক ॥৭৩৬
কৰিলেক প্রায়শ্চিত্ত নিঃশেষ পাপৰ।
উচ্চাৰিল নাৰায়ণ চাৰিও অক্ষৰ ॥
এতেকে মুকুতি দ্বিজে পাইলো হেন জান।
নাম একদশ কৰে পাপক নির্য্যাণ ॥৭৩৭
যি বুলিলো লৈলে নাম মৃত্যু সময়ত।
নুপজিল পাপ পুনৰপি ব্রাহ্মণত ॥
তাতেসে মৰণ কাল কৰিল মুকুত।
নকহিলে বিধি তই জান যমদূত ॥৭৩৮
কৃচ্ছ চান্দ্রায়ণ আদি কৰি বিধি যত।
কহে হেন প্রায়শ্চিত্ত পাপৰ অন্তত ॥
সিমত বিধান নাহি হৰিৰ নামত।
যেই সেই বেলা লৈলে পাপ কৰে হত ॥৭৩৯
যেন আকস্মিকে কাক উড়ার কৰিল।
পকা তালফল সেই সময় সৰিল ॥
সেহি তাল পড়ি যেন কাক ভৈল হত।
হৰিৰ নামৰ জান তেহুয় মহত্ত্ব ॥৭৪০

বুলিবি নলৈলে বিপ্রে হৰিল নামক।
মৰণ সময়ে ডাক দিলেক পুত্রক ॥
কেনমতে ব্রাহ্মণৰ পাপ ভৈল নষ্ট।
শুন আৰ উত্তৰ ত্যজিয়া মন কষ্ট ॥৭৪১
পুত্রনাম ধৰিবা সঙ্কেতে লয়ে নাম।
পৰিহাস কৰিও যদ্যপি বোলে বাম ॥
গীত তাল মান পুৰাণত নাম লয়।
অবহেলা কৰি হৰিনাম উচ্চাৰয় ॥৭৪২
ইসব প্রকাৰে যদি নামক উচ্চাৰে।
তথাপিতো সমস্ত পাতক তাৰ হৰে ॥
বুলিবি বিপ্রৰ নাহি সঙ্কল্প মনত।
বৈকুণ্ঠৰ নাম লওঁ পাপ হোক হত ॥৭৪৩
পুত্রৰ স্নেহত বুলিলেক নাৰায়ণ।
কি মতে হৈবেক ব্রাহ্মণৰ পাপাচ্ছন্ন ॥
ইহাৰ উত্তৰ দূত শুনিবি সকলে।
কৰে জৰে তাপে পীড়া পড়ে বা পিছলে ॥৭৪৪
সর্পে দংশে মাৰে শত্রু ভাঙ্গে হাতে ভৰি।
এতেকে সময়ো অজ্ঞানতো বোলে হৰি ॥
তথাপি সমস্তে পাপ হোৱয় বিনাশ।
আৰো তাকো যাতনা ভুঞ্জাইবে কৰ আশ ॥৭৪৫
হেন বা বুলিবি তই যমৰ কিঙ্কৰ।
কৰি আছে বিপ্রে মহা পাপ গুরুতৰ ॥
বহু প্রায়শ্চিত্তে সে পবিত্র হোৱে গাত্র।
সুমৰিয়া আছে ইটো অল্প নাম মাত্র ॥৭৪৬
কেন মতে ইহাৰ গুচিল সবে পাপ।
শুন আৰ উত্তৰ ত্যজিয়া মনস্তাপ ॥
মনু আদি কৰি যত মহন্ত প্রধান।
কৰি আছে তাৰা সবে যি সব বিধান ॥৭৪৭
গুরু পাতকৰ প্রায়শ্চিত্ত গুরুতৰ।
ক্ষুদ্র মাত্র প্রায়শ্চিত্ত ক্ষুদ্র পাতকৰ ॥
পাপ তাৰতম্য জানি কহিয়া আছন্ত।
সি সব নিয়ম তাতে মাত্র বিহিলন্ত ॥৭৪৮
নাহিকে ব্যবস্থা ইটো হৰিৰ নামত।
সমস্তে পাতক উচ্চাৰন্তে হোৱে হত ॥
যেন এক বিন্দু মাত্র পিলেক কদ্যক।
তথাপিতো মহা পাপী বুলি ব্রাহ্মণক ॥৭৪৯
সেহি মতে অল্প মাত্র সুমৰে নামক।
দহে তত কালে মহা মহা পাতকক ॥
তপ জপ যাগ যোগ যজ্ঞ তীর্থ ব্রত।
যাক যৈতে বিহে তাক তৈতে কৰে হত ॥৭৫০
কর্ম্ম প্রায়শ্চিত্তে পাপ নুগুচে সমুলি।
হৰি নামে পেলায়ে পাপৰ আলু তুলি ॥

শুন যমদূত কহো কৰিয়া নির্ণয়।
লৈলে একবাৰ নাম পাপ হোৱে ক্ষয় ॥৭৫১
যেন বহু কাল ঘোৰ আন্ধাৰ আছয়।
একবাৰ প্রদীপ জ্বালিলে নষ্ট হয় ॥
সেহি মতে হৰি নাম লৈলে একবাৰ।
অনাদি জন্মৰ পাপ হোৱয় সংহাৰ ॥৭৫২
পুনৰপি পাপ আসি চাপয় সমীপ।
বেড়ে অন্ধকাৰে যেন নিমাইলে প্রদীপ ॥
নামৰ আৱৃতি নেড়ে এতেকে মহন্তে।
নাশে অহঙ্কাৰ যেন প্রদীপ থাকান্তে ॥৭৫৩
সদা নাম লৱন্তে বাসনা হোৱে ক্ষয়।
নোপজয় পাপ পুনঃ চিত্তশুদ্ধি হয় ॥
এতেকেসে শাস্ত্রে-কহে সদায় স্মৰণ।
কহিলো সমস্ত তোত নামৰ লক্ষণ ॥৭৫৪
কহিলো ব্যবস্থা ইটো সমস্ত লোকৰ।
শুন এনে কথা অজামিল ব্রাহ্মণৰ ॥
অনেক জনমে পাপ কৰিয়াছে যত।
মৰন্তে সুমৰি নাম দহিল সমস্ত ॥৭৫৫
শুনিল কৃষ্ণৰ কথা মুখত আমাৰ।
দহি পাতকৰ বীজ তৰিল সংসাৰ ॥
প্রভুৰ পৰম কৃপা ভৈল আক প্রতি।
ইহাক ধৰস তোৰা পৰম দুর্ম্মতি ॥৭৫৬
হেনবা বুলিবি দূত ইটো অজামিল।
প্রায়শ্চিত্ত জানি হৰি নাম উচ্চাৰিল ॥
কিমতে গুচিবে পাপ অজ্ঞানী বিপ্রৰ।
শুন এবে দূত সব ইহাৰ উত্তৰ ॥৭৫৭
জ্ঞানে বা অজ্ঞানে নাম লৱে মাধৱৰ।
তথাপি সমস্ত পাপ দহে নিবন্তৰ ॥
অজ্ঞান বালক সবে যেন জুই দেয়।
তথাপি সমস্ত কাষ্ঠ ভস্ম কৰি নেয় ॥৭৫৮
বুলিবি কাহাতো নতু উপদেশ পাৱে।
আপোনাৰ শ্রদ্ধা আৰ নাহিকে স্বভাৱে ॥
কেন মতে নামে পাপ হৰিল বিপ্রৰ।
ইহাৰ উত্তৰ শুন যমৰ কিঙ্কৰ ॥৭৫৯
যেন মহা বীর্য্যোত্তম পাই ঔষধক।
কতো হন্তে নতু তাৰ শুনয় গুণক ॥
নজানিয়া ৰোগী সবে কৰে তাক পান।
তথাপি সমস্ত ব্যাধি কৰয় নির্য্যাণ ॥৭৬০
সেহি মতে হৰি নাম মহা বীর্য্যোত্তম।
সমস্ত পাপৰ যেন কালান্তক যম ॥
নজানি গুণক অশ্রদ্ধাতো সুমৱয়।
নিঃশেষে পাপক দহি নির্ম্মল কৰয় ॥৭৬১

নচাৱে শ্রদ্ধাক বাট বঙৰ শকতি ।
শুনিয়ো নামৰ আক দৃষ্টান্ত সম্প্রতি ॥
নিচিনিয়া বিষ খাইয়া যেন মৱে নৰ।
নজানিয়া অমৃত খাইয়ো হোৱয় অমৰ ॥৭৬২
অজ্ঞানতো হাত দিলে দহয় অগনি ।
সেহি মতে হৰি নাম ধর্ম্ম শিৱোমণি ॥
নজানিয়ো কৱে আক যি জনে কীর্ত্তন ।
তাহাৰ সমূলি পাপ দহি কৱে ছন্ন ॥৭৬৩
কহিবো কতেক আমি নামৰ মহিমা ।
অচিন্ত্য প্রভাৱ নাম নাহি আৱ সীমা ॥
হেন নাম উচ্চাৱিন্ত দ্বিজ অজামিল ।
কর্ম্মৰ বন্ধন আৱ সকল ছিড়িল ॥৭৬৪
এতেকে পাইলেক বিপ্রে দুর্ল্লভ মুকুতি ।
ইহাক ধৱস তোৱা কমন যুগুতি ॥
এহি বুলি পাৰিষদে খেদায়া দূতক ।
ভৈল অন্তর্দ্ধান তৈতে ৱাখিয়া বিপ্রক ॥৭৬৫
উপসংহৱিয়া অজামিল উপাখ্যান ।
পৰীক্ষিত ৱাজাত কহন্ত বিদ্যমান ॥
বোলন্ত শুনিয়ো ৱাজা মোহোৰ উত্তৰ ।
অতর্ক মহিমা কিনো হৰিৰ নামৰ ॥৭৬৬
পৱম পামৰ পাপপুঞ্জ দ্বিজাধম ।
এড়িলেক ব্রাহ্মণৰ যতেক নিয়ম ॥
ৱেশ্যাপতি হুয়া কৰি গৰিহিত কর্ম্ম ।
সমস্ত ধর্ম্মকে নাশি সঞ্চিল অধর্ম্ম ॥৭৬৭
নৱকত পড়ে পড়ে হেন সময়ত ।
নাৱায়ণ বুলি ডাক দিলে অজ্ঞানত ॥
তথাপিতো সদ্যে এড়াই পাতকৰ হাত ।
সংসাৰত হন্তে মোক্ষ লভিল সাক্ষাত ॥৭৬৮
অদভুত বুলি ৱাজা হুহিবা বিকল ।
এহি মানে সমস্ত শাস্ত্রৰ মুখ্য ফল ॥
চাহে মোক্ষ এড়াই যিটো কর্ম্মৰ বন্ধন ।
তীর্থ পদ মাধৱৰ কৱোক কীর্ত্তন ॥৭৬৯
আত পৱে নাহি আৱ অস্ত্র তীক্ষ্ণতৰ ।
কীর্ত্তনেসে ছেদে কর্ম্মবন্ধ পুরুষৰ ॥
আন যত প্রায়শ্চিত্ত কৱে নিৱন্তৰ ।
ৱজ ৱমে মল অতি হুগুছে ভিতৰ ॥৭৭০
হৰি নাম কীর্ত্তনেসে কৱে মল দূৰ ।
নামৰ মহিমা ৱাজা কহিলো প্রচুৰ ॥
কৱোহো তোমাৰ দূৰ অসম্ভাবনাক ।
সাক্ষাতে প্রমাণ পুনঃ দেখাওঁ তোমাক ॥৭৭১
মিলৈ ছাগলিতো দ্বিজ হেন সে অধম ।
আৱো মৃত্যু বেলা চিত্ত অসুস্থ পৱম ॥
হৰি নাম লওঁ তাৰ নাহি হেন মন ।
পুত্র উপচাৱে নাম কৱিল কীর্ত্তন ॥৭৭২
তথাপিতো দগ্ধ কৰি সমস্ত পাপক ।
পাৰিষদ ৰূপ ধৰি গৈল ৱৈকুণ্ঠক ॥
হেনয় নামক যিটো লয়ে ভক্তি ভাৱে ।
তাহাৰ ভাগ্যক কোনে কহি অন্ত পায়ে ॥৭৭৩
জানি ইটো পৱমার্থ সভাসদ জন ।
হৰি গুণ নাম কৱা সদায় কীর্ত্তন ॥
এতেকে এড়াইবা সুখে সংসাৰৰ হাত ।
দুর্ল্লভ কুমুতি পদ লভিবা সাক্ষাত ॥৭৭৪
নমো নমো নাৱায়ণ দেৱ হৃদীশ্বৰ ।
কিঞ্চিতেক কৃপা মোক কৱা দামোদৰ ॥
মোৰ কর্ম্ম গতি জন্ম হোক যথা তথা ।
তযু ভকতৰ সঙ্গ নেড়োক সর্ব্বথা ॥৭৭৫
তোমাৰ নির্ম্মল কথা শুনিবো সতত ।
হুগুচোক মোৰ মুখে তযু নাম যত ॥
তযু পাদপদ্ম সদা মনে সুমৱোক ।
এহি মান অনুগ্রহ কৱা প্রভু মোক ॥৭৭৬
পৱম অনর্থ মোত পৱে নাহি আন ।
মহা কারুণিক নাহি তোমাৰ সমান ॥
শুনি আছো তুমি মহা পতিতৰ গতি ।
মোত পৱে নাহি মহা পতিত সম্প্রতি ॥৭৭৭
পতিত পাৱন হেন জানিয়া তোমাক ।
পশিলো শৱণ নাথ নেড়িয়ো আমাক ॥
তোমাক নেৱোক সদা মোৰ ইটো মনে ।
সমাজিক লোক ৱাম ৱাম বোলা ঘনে ॥৭৭৮

—০—

দুলৰি

নামৰ পৱম, অতর্ক মহিমা,
শুনিলাহা সবে প্রজা ।
শুনা আৱো যেন, দূতৰ আগত,
কহিলন্ত যম ৱাজা ॥
বিষ্ণুৰ দূতৰ, মহা পীড়া পাইয়া,
তিনিও যম কিঙ্কৰ ।
যমৰ আগত, পড়ি মহা দুঃখে,
দিলেক কান্দি গোচৰ ॥৭৭৯
দূতৰ অৱস্থা, দেখিয়া যমৰ,
পৱম কৃপা মিলিল ।
তিনিও দূতক, আশ্বাসিয়া পাছে,
মাতিয়া প্রবোধ দিল ॥

হৰিৰ নামৰ, পৱম মহিমা,
দেখ দেখ দূতগণ ।
বিপ্র অজামিল, মৃত্যুকো তৰিল,
উচ্চাৱিয়া নাৱায়ণ ॥৭৮০
এতেকে জানিবি সংসাৰত যত,
আছে পুরুষার্থ চয় ।
নাম কীর্ত্তনেসে, নিৱপেক্ষ তাৰ,
সাধন জান নিশ্চয় ॥
নামৰ সম্যক, কীর্ত্তন নলাগে,
পাপক্ষয় মাত্র কত ।
কেৱল নামৰ, অভাষে কৱয়,
সমুলঞ্চে পাপ হত ॥৭৮১
মোহোৰ বাক্যত, নযাহ সঞ্জাত,
সাক্ষাতে প্রমাণ দেখ ।
অজামিল মহা, অধম দ্বিজৰ,
পাতকৰ নাহি লেখ ॥
মৱন্তে কেৱলে, ডাকিলে পুত্রক,
নাৱায়ণ নাম লৈয়া ।
এতেকে মৃত্যুকো, এড়ায়া ৱৈকুণ্ঠ,
পদত উঠিল গৈয়া ॥৭৮২
নামৰ আভাষ, কীর্ত্তন মাত্রকে,
মুকুতি দিলে সাক্ষাত ।
ধর্ম্ম অর্থ কাম, দিবে হৰি নামে,
কিবা কথা কৈব আত ॥
বুলিবি সংশয়, যেবে এহি হয়,
কহিলা যি সব অর্থ ।
মনু আদি কৰি, প্রায়শ্চিত্ত যত,
বিহিলন্ত সবে ব্যর্থ ॥৭৮৩
তাহাত বিস্তৰ, প্রয়াস আছয়,
হৰিনাম সুখকৰ ।
কেৱলে নামক, কীর্ত্তন কৰিয়া,
কৃতকৃত্য হোৱে নৰ ॥
নাম এড়ি আন, গুরু প্রায়শ্চিতে,
যেহেতু প্রবর্ত্তে প্রাণী ।
নামে সত্য কিবা, প্রায়শ্চিত্তে সত্য
স্বরূপ একো নজানি ॥৭৮৪
ইহাৰ উত্তৰ, শুনিবি কিঙ্কৰ,
হুয়া সাৱধানে মন ।
বিহিলন্ত প্রায়- শ্চিত্ত মনু আদি,
যত মহা সাধু জন ॥
যেন অল্পমতি, বৈদ্যে নজানিয়া,
মহা মৃত্যু সঞ্জীবনী ।
তথাপিতো নানা, বিধ ঔষধক,
ৰোগীয়াক দেয় আনি ॥৭৮৫
সেহি মতে ব্রহ্মা, হৰ প্রতি মুখে,
বাৰ জন ব্যতিৰেক ।
মনু আদি কৰি, ইটো সংসাৰিত,
মহন্ত আছ যতেক ॥
হৰিৰ নামৰ, পৱম ৱহস্য,
মহিমাক নজানন্ত ।
বাৰ বাৰিষিক, আদি কৰি নানা,
প্রায়শ্চিত্ত বিহিলন্ত ॥৭৮৬
কৃষ্ণৰ দুর্জ্জয়, মায়াত সবাৰো,
বিমোহিত ভৈল মতি ॥
বেদৰ মধুৰ, পুষ্পিত বাক্যত,
কৱন্ত সদায় ৱতি ॥
ফলহীন মনো, হৰ বেদ বাদে,
জড়ীকৃত্য ভৈল চিত্ত ॥
এতেকে নামক, নজানি বিহিল,
মহা কর্ম্ম প্রায়শ্চিত্ত ॥৭৮৭
প্রকৃতিৰ গুণে, বশ্য হৈয়া অতি,
অল্প মতি মূঢ় নৱে ।
অস্পষ্ট কঠিন, মহা মন্ত্র আদি,
ঘোৰ কর্ম্মে ৱতি কৱে ॥
অলপ অক্ষৰ, পৱম কোমল,
ৱাম কৃষ্ণ আদি নাম ।
অতি অনায়াসে, উচ্চাৱন্তে সাধে,
ধর্ম্ম অর্থ মোক্ষ কাম ॥৭৮৮
আক অল্প বুলি, এড়ি পাপী সবে,
কর্ম্ম পথে প্রবর্ত্তিল ।
এতেকে গ্রাহক, নেদেখি জানন্তা,
জনে নাম নকহিল ॥
জানিয়ো হৰিৰ, নাম নকৈবাৰ,
আক আছে অভিপ্রায় ।
যেন কোন জনে, কুকুৰ-শৃগাল,
খেদাইবাক মাত্র চায় ॥৭৮৯
তাক লাগি, যেন, পোষণ সিংহক,
মেলি নেদে কদাচিত ।
সেহি মতে অতি, তুচ্ছ ছাড় ইটো,
কোন পাপ প্রায়শ্চিত্ত ॥
পৱম মঙ্গল হৰিনাম ধর্ম্ম,
মুকুতৰো যাত ৱতি ।
পাপ প্রায়শ্চিত্ত, অর্থে মহাজনো,
নকৈলা নাম সম্প্রতি ॥৭৯০

নাম নকৈবাৰ, আৰু অভিপ্ৰায়,
শুনিবি সমস্ত দূত।
নামৰ মহিমা, জানিল মাত্ৰকে
জগতে হৈব মুকুত ॥
এহি মনে গুণি, মহাজন সব,
জানিয়ো নাম নকৈল।
আন প্ৰায়শ্চিত্ত, বিহিয়া নামক,
গুপুত কৰিয়া থৈল ॥৭৯১
মনু আদি কবি, যত মহাজন,
বেদ অৰ্থ বিচাৰক।
নামৰ মহিমা, জানি স্থানে স্থানে,
স্থাপিয়া আছে নামক ॥
তথাপিতো অপ্ৰ, মাণ নকৰিলে,
আন প্ৰায়শ্চিত্ত যত।
যেহেন বেদত, যাগ যোগ আদি,
কহি আছে প্ৰথমত ॥৭৯২
পাছত সমস্ত, কৰ্ম্মক মৰ্দ্দিয়া,
অদ্বৈত জ্ঞান কহিল।
সেহি মতে আগে, প্ৰায়শ্চিত্ত কহি,
পাছত নাম বিহিল ॥
সকলে কৰ্ম্মক, আচৰিয়া নৱে,
পাছক নাম সুমৱে।
হৰিৰ নামেসে, জানিবা নিশ্চয়,
কৰ্ম্মকো সুসাঙ্গ কৱে ॥৭৯৩
যদ্যপি নামৰ মহিমা শ্ৰদ্ধালু,
নকৱয় কৰ্ম্ম আন।
প্ৰায়শ্চিত্ত বিধা য়ক শাস্ত্ৰ তভোঁ,
নকৰিল অপ্ৰমাণ ॥
অদ্বৈত শ্ৰদ্ধালু, সবে যেন একো
যাগ আদি নাচৱন্ত।
তথাপিতো কৰ্ম্ম, বিধায়ক বেদ,
অপ্ৰমাণ নকৱন্ত ॥৭৯৪
সেহি মতে মহা, জনে অপ্ৰমাণ,
নকৰিলা প্ৰায়শ্চিত্ত।
অসম্ভাবনাক, আদি কৰি যাৱ,
পৱম মলিন চিত্ত ॥
কদাচিতো হৰি, নাম নাসিবেক,
সিটো মনুষ্যৰ মুখে।
অদ্বৈত জ্ঞানক, যেন কৰ্ম্মী নৱে
ৰাখিবে নপাৱে দুঃখে ॥৭৯৫
আন প্ৰায়শ্চিত্ত, অপ্ৰমাণ দেখি,
নকৰিব তাত ৰতি।

নাম কৰ্ম্ম দুইকো, এড়িয়া কেৱলে,
যাইবে সিটো অধোগতি ॥
এতেকে অজ্ঞানী, মনুষ্যৰ পদে,
প্ৰায়শ্চিত্ত ৰাখিলন্ত।
কৃষ্ণৰ নামক, নানাবিধ শাস্ত্ৰে,
নিবন্ধি থৈয়া আছন্ত ॥৭৯৬
অনেক জন্মৰ' যিটো মহন্তৰ,
পৱম পুণ্য আছয়।
স্বভাৱে নামক, বিচাৰি পাৱেক,
সিটো সাধু মহাশয় ॥
হেন জানি দূত, যিটো সাধু নৱে,
কৃষ্ণত লৈয়া শৱণ।
ধৰ্ম্ম শিৱোমণি, কৃষ্ণৰ নামক,
সদায় কৱে কীৰ্ত্তন ॥৭৯৭
সিটো মহাজন, চেতনে পাপত,
নকৰিবে অভিলাষ।
যদি প্ৰমাদত, সিজে কদাচিত,
কীৰ্ত্তনে কৰিবে নাশ ॥
পাপী হেন বুলি, তাহাৰ ওচৰ,
নচাপিবি দূতগণ।
মোৰ দণ্ড যোগ্য, দুহিক জানিবি,
সিটো মহা সাধু জন ॥৭৯৮
যমৰ বচন, থৈলো এহি মানে,
শুনা সামাজিক জন।
সমস্তে ধৰ্ম্মৰ, নামেসে ঈশ্বৰ,
জানিয়া কৱা কীৰ্ত্তন ॥
নমো নমো কৃষ্ণ, তোমাৰ অভয়,
চৱণে লৈলো শৱণ।
পৱম অনাথ, জানি মোক প্ৰভু,
কৃপা কৱা নাৰায়ণ ॥৭৯৯
তোমাৰ অৰুণ, চৱণ দুখানি,
ক্ৰীড়াৰ হোক ভুৱন।
তথাতে সদায়, আনন্দ ক্ৰীড়োক,
আমাৰ বালক মন ॥
তযু পাদপদ্ম, মকৰন্দ ৰস,
পিয়োক কৰ্ণ ভ্ৰমৱে।
গুণ নামামৃত, ফলক ভুঞ্জোক,
বাক্য শুনে নিবন্তৱে ॥৮০০
এহি মান মোক, কৱা অনুগ্ৰহ,
কৃপাময় কৃষ্ণ দেৱ।
তুমি বিনে মোৰ, পৱম সুহৃদ,
বান্ধৱ নাহিকে কেৱ ॥

কৃপাৰ সাগৱ, প্ৰাৰ্থক জনৱ,
পুৱিয়ো মনৰ কাম।
গুচোক আপদ, যত সভাসদ,
ডাকি বোলা ৰাম ৰাম ॥৮০১

পদ।

শুনিলাহা সামাজিক মহিমা নামৰ।
কহো আৰ যুগুতি শুনিয়ো আত পৱ ॥
বোলে কেহো জনে বহু প্ৰয়াসে সাধিত।
বাৰ বাৰিষিক আদি মুখ্য প্ৰায়শ্চিত্ত ॥৮০২
হৰি নাম উচ্চাৰণ আত সুখকৱ।
সিটো প্ৰায়শ্চিত্ত জানা দুহি শ্ৰেষ্ঠতৱ ॥
ইটো বচনত পৱে নাহি মহা মন্দ।
নকৰিবা তুমি সবে ইহাত আনন্দ ॥৮০৩
অনেক জনমে যিটো কৰি মহা শ্ৰম।
পুণ্যৰ সমূহ সাঞ্চি আছে মেৰু সম ॥
নাম উচ্চাৰিতে পাৱে সি সি মহাজনে।
লৈয়ো আৰ সাক্ষী অজামিলৰ বচনে ॥৮০৪
যমৰ দূতৰ হাত এড়ায় ব্ৰাহ্মণে
বসি পাছে আপুনি গুণন্ত মনে মনে।
নাহি সীমা মই পাপ কৰি আছো যত ॥
তথাপিতো হৰি নাম আসিল মুখত ॥৮০৫
ই জন্মত পাপী যদি নাহি মোত পৱ।
তথাপিতো জানো পুণ্য আছয় পূৰ্ব্বৱ ॥
দেবতো উত্তম মহা চাৰি বিষ্ণুদূত।
দেখিলো তাসম্বাৰ অদভূত ॥৮০৬
নাছিলেক হস্তে মোৰ পূৰ্ব্ব পুণ্য যেবে।
দেখিলোহো হস্তে কিয় তাসম্বাক তেবে ॥
এতেকে জানিলো আছে পূৰ্ব্ব পুণ্য গণ।
কহো আৰ আত মই উত্তম কাৰণ ॥৮০৭
পৱম অধম মই বেণ্যাত পতিত।
ঘোৰ ঘোৰ পাতকে অশুদ্ধ মোৰ চিত্ত ॥
তথাপি মৱন্তে নাম আসিল জিহ্বাত।
এতেকে জানিলো পুণ্য আছে অসঙ্খ্যাত ॥৮০৮
ইহাতো পৱম আৰু হেতু কহো অতি।
কৈত মই ধূৰ্ত্ত ব্ৰহ্মবধি আত্মঘাতী ॥
পৱম মঙ্গল কৈত নাৰায়ণ নাম।
মোক্ষতো অধিক ইটো ধৰ্ম্ম অনুপাম ॥৮০৯
হেন নাম লৈলো মই মৱণ সঙ্কটে।
পূৰ্ব্ব পুণ্য বিনে ইটো সম্বন্ধ নঘটে ॥

অজামিল বচনক এহি মানে খণ্ড।
যিমত মঙ্গল নাম তাৰ কথা কণ্ড ॥৮১০
গো বিপ্ৰ পিতৃ মাতৃ গুৰু বধ কৱে।
কুকুৰকো খাই মহা ম্লেচ্ছ নিৱন্তৱে ॥
যাৰ ৰাম কৃষ্ণ নাম কীৰ্ত্তন কৱন্তে।
ই সব পবিত্ৰ হোৱে পাতকত হন্তে ॥৮১১
এতেকে জানিবা নাম গ্ৰহণ কৃষ্ণৰ।
বহু জন্ম সুকৃতী বলেসে পাৱে নৱ ॥
দেবহুতি বাক্যে আৰু দেখাওঁ স্পষ্ট কৰি।
কপিলক স্তুতি দেবী কৱন্ত সাদৰি ॥৮১২
তোমাৰ নামত প্ৰভু আশ্চৰ্য্য মহত্ত্ব।
থাকে যিটো চণ্ডালৰ জিহ্বাৰ অগ্ৰত ॥
সেহি শৰীৰতে অতি হোৱে শ্ৰেষ্ঠতম।
নাহি সংসাৰত আৰ শ্ৰেষ্ঠ তাক সম ॥৮১৩
তপ হোম দান সদাচাৰ তীৰ্থ ব্ৰত।
যজ্ঞ যাক বেদ পাঠ আদি ধৰ্ম্ম যত ॥
শুদ্ধ ভাৱে জন্মান্তৱে কৰিয়া আছয়।
তযু নাম কীৰ্ত্তনে দেখিও ভাগ্যোদয় ॥৮১৪
যতেক সুকৃতী আছে ইটো সংসাৰত।
হুয়া আছে নাম কীৰ্ত্তনৰ অন্তৰ্গত ॥
এহি হেতু কৱে যিটো নামক কীৰ্ত্তন।
জগতৱে পূজ্যোত্তম ভৈল সিটো জন ॥৮১৫
এহিমানে দেৱহুতি বচন সংহৰি।
দেখাইলো কীৰ্ত্তন সৰ্ব্ব জাতি উপকাৰী ॥
সবে আশ্ৰমীৰে অধিকাৰ কীৰ্ত্তনত।
দেখাওঁ সাক্ষাতে ভগৱন্তৰ বাক্যত ॥৮১৬
গৃহাশ্ৰম সুখে আসকতি অতি চিত্ত।
বেদৰ নিষিদ্ধ কৰ্ম্ম নকৱে কিঞ্চিত ॥
নিয়ৈ কালে অন্যোঅন্যে কহি মোৰ কথা।
সিটো গৃহে পুৰুষকো নৱাঙ্গে সৰ্ব্বথা ॥৮১৭
যিহেতু সি সব গৃহে ভকতি সাধয়।
নলাগে এড়িবে থাকিবাৰ যোগ্য হয় ॥
বিষয়ীৰো সাধে গতি কীৰ্ত্তনে সাক্ষাত।
আমৰ সাধিৰে গতি কি কহিবে আত ॥৮১৮
ভগৱন্ত বাক্য থৈলো সংহৰি সাম্প্ৰত।
দেখাওঁ সদাচাৰ প্ৰহ্লাদৰ বচনত ॥
পৱম উৎসুকে কথা প্ৰহ্লাদে কহন্ত।
কীৰ্ত্তনতে যিহেতু সন্তুষ্ট ভগৱন্ত ॥৮১৯
এতেকে যদ্যপি মই নীচ অতিশয়।
শুচিল সকলে মোৰ মনৰ সংশয় ॥
মহা যত্নে বুদ্ধি অনুসাৱে অনুক্ষণ।
কৃষ্ণ গুণ মহিমাক কৱোহো বৰ্ণন ॥৮২০

কহো হেতু নজানিও গুণ বর্ণাইবাৰ।
অৱিদ্যা ৱচিত ইটো যতেক সংসাৰ ॥
ইহাত প্রৱেশ হুয়া আছে জীৱ যত।
কৃষ্ণক নভজি মজি আছয় পাপত ॥৮২১
সিও শুদ্ধি হোৱে অতি কৱিযা কীর্ত্তন।
আত পৱে নাহি আৰ শুদ্ধিৰ কাৰণ ॥
শুচয় অৱিদ্যা হৱি কীর্ত্তন কৱন্তে।
অনায়াসে হোৱে মোক্ষ সংসাৰত হন্তে ॥৮২২
ইহাক দেখাওঁ পুনঃ প্রহ্লাদ প্রার্থনে।
বোলন্ত ৱিণয় কৱি নৃসিংহ চৱণে ॥
হে প্রভু নৃসিংহ প্রণামো তযু পাৱে।
ভৈলোহো তোমাৰ দাস জানিবা স্ৱভাৱে ॥৮২৩
তুমি মোৰ প্রিয়ত্তম সুহৃদ বান্ধৱ।
তুমি ৱিনে শ্রেষ্ঠ দেৱ নাহিকে মাধৱ ॥
জানি লৈলো শৱণ অভয় চৱণত।
যেৱে ময় ভৈলো তযু দাস স্ৱরূপত ॥৮২৪
কৱিবা অৱশ্যে মোক কৃপা দামোদৱ।
পাইৱোহো নিশ্চয় সঙ্গ তযু ভকতৱ ॥
ব্রহ্মা আদি পূর্ৱ্ব সম্প্রদায় সিদ্ধ অতি।
কহে যিটো কথা সাধু সৱে দিনে ৱাতি ॥৮২৫
সিটো কথা অমৃত কৱিৱো কর্ণে পান।
ৱিষয়ৰ অনুৱাগে হৈৱেক নির্য্যান ॥
তোমাৰ গুণক মুখে কৱিৱো ৱর্ণন।
পৱম আনন্দে মন হৈৱেক মগন ॥৮২৬
এতেকে সংসাৰ দুখে নপাইৱ আনাক্।
তৱি ৱহু সুখে ঘোৰ দুর্জ্জয় মায়াক ॥
সম্প্রতি সংহৱি থৈলো প্রহ্লাদ ৱচন।
কার্ত্তনেসে নিৱপেক্ষ মুকুতি সাধন ॥৮২৭
দেখাইলো ইদান কহো শুনিয় নিশ্চয়।
কর্ম্মৱো ৱিঘিনি কীর্ত্তনেসে সংহৱয় ॥
লৈয়ো আৰ সাক্ষী মই দেখাওঁ হৱিৱি।
ৱামনৰ আগত বোলন্ত শুক্র ঋষি ॥৮২৮
ম ন্ত্রতন্ত্র দেশ কাল পাত্র ৱস্তু যত।
বহুৱিধ ছিদ্র তাত আছয় সমস্ত ॥
তযু নাম কীর্ত্তনে সৱাকে কৱে দূৱ।
তোমাৰ নামৰ প্রভু মহিমা প্রচুৱ ॥৮২৯
এহি মানে থৈলো শুক্র ঋষিৰ ৱচন।
হৱিৰ কীর্ত্তন পৱ ভৈল যিটোজন ॥
সেহিসে মহন্ত ধন্য দেখাওঁ যতনে।
কংস ৱন্ধশালে নাৱীগণৰ ৱচনে ॥৮৩০
কহয় সম্বোধি অন্যোঅন্যে নাৱীগণ।
শুনা সখী ধন্য ধন্য গোপীৰ জীৱন ॥

ধেনুক দোহন্তে কতো দধিক মথন্তে।
ছৱালক নিচুকান্তে গৃহক মার্জ্জন্তে ॥৮৩১
অন্য সৱ কৃত্য গোপী কৱন্তে সদায়।
এহিতো কৃষ্ণৰ গুণ অনুৱাগে গায় ॥
আনন্দ সাগৱে গোপী মজে সমুদায়।
প্রেম ভৱে নয়নৰ নীৰ ৱহি যায় ॥৮৩২
কৃষ্ণৰ ৱিষয় গোপীৰ ভৈল যান প্রায়।
তাতে চড়ি গোপী সৱ ৱিষয়ক যায় ॥
গোপী নৱ সম কোন আছে ভাগ্যৱতী।
এতেকেসে আমি সৱে বোলোহো সম্প্রতি ॥৮৩৩
সংসাৰ মাঝত হেন আছে কোন জন।
নকৱিৱে অন্যো অন্যো কৃষ্ণৰ কীর্ত্তন ॥
তাতেসে কেৱল তুষ্ট হন্ত নাৱায়ণ।
নিজানন্দ লাভে পৱিপূর্ণ সর্ৱ্বক্ষণ ॥৮৩৪
নাহি তান ইচ্ছা লক্ষ্মী ভার্য্যাত কিঞ্চিত।
তথাপি কৃষ্ণক লক্ষ্মী নেড়ে কদাচিত ॥
নিজ ভকতক ৱৰ নেদি লক্ষ্মী দেৱী।
থাকন্ত সদায় কৃষ্ণ পাদপদ্ম সেৱি ॥৮৩৫
কীর্ত্তন ৱিমুখ যিটো জানিবা স্ৱভাৱে।
তাক অনুগ্রহ নকৱন্ত লক্ষ্মীমাৱে ॥
এতেকতে ৱিচাৰ চতুৰ সৱে অতি।
কৃষ্ণৰ কীর্ত্তন মাত্র কৱে দিনে ৱাতি ॥৮৩৬
দেখাওঁ প্রমাণ উদ্ধৱৰ ৱচনত।
বোলন্ত উদ্ধৱে কৃষ্ণ দেৱৰ আগত ॥
জৰাসন্ধে ধৱি আছে যত ৱাজাগণ।
পৱম উৎসুকে তাসম্বাৰ পত্নীগণ ॥৮৩৭
আপোনাৰ গৃহে তযু গুণগণ কৈ।
বালক সৱক নিচুকান্ত কোলে লৈ ॥
নকান্দা বালক সৱ শুন সত্য ৱাণী।
জৰাসন্ধ ৱাজাক ৱধিয়া চক্রপাণি ॥৮৩৮
তোমাসাৰ পিতৃক মেলাইৱন্ত কৃপাময়।
তোৰ মনোৰথ পূৱিৱন্ত অতিশয় ॥
নযাহ সঞ্জাত যদি দেখাওঁ প্রমাণ।
ভকত ৱৎসল নাহি কৃষ্ণৰ সমান ॥৮৩৯
শঙ্খচূৰ যক্ষ মাৰি মেলাইলা গোপক।
কংস মাৰি মেলাইলন্ত পিতৃত-মাতৃক ॥
ৱাম অৱতাৱে গৈয়া ৱাৱণক মাৰি।
আনিলন্ত প্রভু সীতা শান্তিক উদ্ধাৰি ॥৮৪০
হৱি অৱতাৱত গ্রাহৰ ছিড়ি মুখ।
ৱৈকুণ্ঠক নিলা গজেন্দ্রৰ গুচাই দুঃখ ॥
এহি কৃষ্ণ অৱতাৱে নৱকক মাৰি।
আনিলা মেলাই ষোল সহস্র কুমাৰী ॥৮৪১

আনো আনো লৱে যিটো কৃষ্ণত শৱণ।
সৱাৰো দুখক দূৱ কৱে নাৱায়ণ ॥
লৈয়া আছে তোৰো পিতৃ শৱণ কৃষ্ণত।
অল্পতে কৱিব আসম্বাৰ দুঃখ হত ॥৮৪২
এহিমতে ৱাত্রি দিনে ৱাজ ভার্য্যাগণে।
তোমাৰ নির্ম্মল যশ গাৱে অনুক্ষণে ॥
কৱ: তাসম্বাৰ গৈয়া দুঃখৰ নির্য্যাণ।
থৈলো উদ্ধৱৰ ৱচনক এহিমান ॥৮৪৩
কৃষ্ণৰ কীর্ত্তন ফল কৱি নিরূপণ।
কৱে নিন্দা যিটো জনে নকৱে কীর্ত্তন ॥
পাইয়া আছে জিহ্ৱা মুকুতিৰ সাঁকো প্রায়।
আত আৱোহণ কৃষ্ণ কীর্ত্তন সদায় ॥৮৪৪
হেলাত নকৱি কৃষ্ণ কীর্ত্তন সম্প্রতি।
মোক্ষৰ সাঁকোত মুঠি নাশিল দুর্ম্মতি ॥
নকৱে কীর্ত্তন যেৱে নপাইৱে মুকুতি।
বুলিলা দুর্ম্মতি তাক কমন যুগুতি ॥৮৪৫
ইহাৰ উত্তৱ এক কীর্ত্তন ৱিমুখ।
কৱে সিটো ৱৃথা ৱাক্য ৱ্যয় দুঃখ ॥
ভগৱন্ত ৱাক্যে লৈয়ো প্রমাণ নিশ্চয়।
উদ্ধৱক বোলন্ত শুনিয়ো মহাশয় ॥৮৪৬
মোৰ গুণ নাম নাহি যিটো ৱচনত।
কেৱলে সিসৱ ৱাক্য দুঃখসে সমস্ত ॥
যেন দুঃখ পাৱে মাত্র চাৱি ৱাৰী গাই।
অসতী ভার্য্যাত যেন একো সুখ নাই ॥৮৪৭
দুঃখ মাত্র ভুঞ্জে যাৰ দেহ পৰাধীন।
দুষ্ট পুত্র স্নেহে যেন আপদৰ চিন ॥
সদপাত্র পাইয়া ৱিত্ত নকৱিল দান।
নাহি যেন দুঃখী সিটো ধনীৰ সমান ॥৮৪৮
অসত কীর্ত্তিত যেন নাহি একো সুখ।
ইটো সৱে দুঃখ অনন্তৱে যেন দুঃখ ॥
এহি মতে মই হীন হত ৱাক্যচয়।
তাক কহি দুঃখ মাত্র ভুঞ্জিয়া ফুৱয় ॥৮৪৯
মোৰ মহা মুখ্য কর্ম্ম সৃষ্টি স্থিতি লয়।
সি সৱ কথায় অতি পৱিত্র কৱয় ॥
ৱাম কৃষ্ণ আদি লীলা অৱতাৰ যত।
কৱি আছো কর্ম্ম চয় প্রসিদ্ধ লোকত ॥৮৫০
প্রেমৰ আস্পদ সিটো চৱিত্র অমৃত।
চাণ্ডাল পর্য্যন্ত কৱে জগত পৱিত্র ॥
যিটো ৱাক্য নাহি যেন কর্ম্ম সুনির্ম্মল।
জানিবা উদ্ধৱ সিটো সকল নিষ্ফল ॥৮৫১
দুঃখ হেতু জানি তাক বুদ্ধিমন্ত নৱে।
যেন উৎচিষ্টক ৱিদূৱতে পৱিহৱে ॥

কৃষ্ণৰ ৱচন থৈলো সম্প্রতি সংহৱি।
প্রশংসিলো কীর্ত্তন ৱু কথ্য নিন্দা কৱি ॥৮
ৱিশেষতঃ কলিযুগে কীর্ত্তন প্রশস্ত।
মহন্ত সৱৰ মত দেখাওঁ সমস্ত ॥
কলিৰ পৱম গুণ যাৰা সৱে জানে।
চাৱি যুগ মাঝত কলিক শ্রেষ্ঠ মানে ॥৮৫৩
বুলিৱা কলিত আছে দোষসে ৱিস্তৱ।
কিহেতু প্রশংসে শুনা ইহাৰ উত্তৱ ॥
যিহেতু মহন্ত সৱে দোষ পৱিহৱি।
অল্প মাত্র গুণক লৱন্ত সাৰ কৱি ॥৮৫৪
শুনিও কলিৰ মহা গুণ যেন মত।
কেৱল কৃষ্ণৰ কৱি কীর্ত্তন মুখত ॥
এতেকে সংসাৰ দুঃখে হোৱে উপশাম।
পাৱে সুখে নৱে ধর্ম্ম অর্থ মোক্ষ কাম ॥৮৫৫
ইটো সংসাৰত হৱি কার্ত্তনত পৰ।
পৱম উত্তম লাভ নাহিকে জীৱৰ ॥
কীর্ত্তনত গুছে ঘোৰ সংসাৰৰ বন্ধ।
অনায়াসে পাৱে মহা মুকুতি আনন্দ ॥৮৫৬
যেন কোন জন অতি আতুৰ নাপৱা।
সকাশ পাইৱাক লাগি ভুঞ্জয় শর্কৱা ॥
খাইৱে সন্তোষ গুছে ৱোগ নিৱন্তৱ।
সেহি মতে নাম গুণ চৱিত্র কৃষ্ণৰ ॥৮৫৭
কীর্ত্তন কৱন্তে সুখে আনন্দ মিলয়।
গুচয় সংসাৰ ৱ্যাধি মুকুতি পাৱয় ॥
এহি হেতু মহা লাভ কীর্ত্তন কলিত।
ইহাৰ প্রশংসা যত সকল উচিত ॥৮৫৮
জানিয়া কলিত যিটো কৃষ্ণৰ নামক।
আপুনি কীর্ত্তন কৱে কৱাৱে আনক ॥
মহা ভাগ্যৱন্ত আৰ নাহি তাক সম।
তৱিল সংসাৰ সুখে সিসি নৱোত্তম ॥৮৫৯
আৰ শুনা কলিত যি সৱ গুণ সাৰ।
যদ্যপি পাতকী কলি দুষ্ট দুৰাচাৰ ॥
তথাপিতো সত্যাদিৰ ধ্যানাদিৰ ফল।
কলিত কীর্ত্তনে দেয় সিসৱ সকল ॥৮৬০
ইহাৰ লৈয়োক সাক্ষী ৱচনে শুকৰ।
বোলন্ত শুনিয়ো পৰীক্ষিত নৃপৱৰ ॥
যদি কলিযুগ মহা পাপৰ সাগৰ।
আছে তথাপিতো এক গুণ শ্রেষ্ঠতৱ ॥৮৬১
পৱম আনন্দে কৱি কেৱল কীর্ত্তন।
কৃষ্ণত প্রৱেশে ছিণ্ডি কর্ম্মৰ বন্ধন ॥
পাৱে যেন সিদ্ধি সত্য যুগে ধ্যান কৱি।
ত্রেতাযুগে নানাৱিধ যজ্ঞে যাজ হৱি ॥৮৬২

লভে যেন ফল পূজা কৰি দ্বাপৰত।
কলিত কীৰ্ত্তনে তাক পাৱয় সমস্ত ॥
কীৰ্ত্তনৰ ফল আৰু অধিক পাৱয়।
এতেকেসে কলিযুগ শ্ৰেষ্ঠ অতিশয় ॥৮৬৩
বুলিবাহা তবে কোন গুণ মাধৱৰ।
কৰিব কীৰ্ত্তন শুনা ইহাৰ উত্তৰ ॥
অনন্ত কৃষ্ণৰ চৰিত্ৰৰ নাহি অন্ত।
আপুনিও কৃষ্ণে যাৰ অন্ত নপাৱন্ত ॥৮৬৪
নিৰ্ণয় কৰিবে তাক কাহাৰ শকতি।
চাহে যিটো জনে তাক গণিবাক প্ৰতি ॥
তাত পৰে নাহি মন্দমতি সংসাৰত।
লৈয়োক ইহাৰ সাক্ষী কৃষ্ণৰ বাক্যত ॥৮৬৫
বোলন্ত উদ্ধৱ শুনা কহো স্বৰূপত।
সাত পৃথিবীৰ পৰমাণু আছে যত ॥
বিস্তৰ কালেসে যেবে মই মাত্ৰ তাক।
গণি সংখ্যা কৰিয়া পাৰোহো কহিবাক ॥৮৬৬
তথাপিতো মায়া বলে সৃজি আছো যত।
নপাৰোহো গণিতে ব্ৰহ্মাণ্ড আছে কত ॥
ময়ো নজানোহো ব্ৰহ্মাণ্ডৰ সীমা যত।
নাম গুণ বিভূতি যতেক আছে তত ॥৮৬৭
কাহাৰ শকতি তাক কৰিবেক অন্ত।
এতেকে উদ্ধৱ মোৰ চৰিত্ৰ অনন্ত ॥
কৰোক কীৰ্ত্তন নিজ মতি অনুসাৰে।
শুচিবে সংসাৰ তাপ এতেকে সবাৰে ॥৮৬৮
এহি মানে থৈলো কৃষ্ণ দেৱৰ বচন।
কহো নিষ্ঠ কৰি শুনিয়োক সৰ্ব্বজন ॥
বিষয় সম্বন্ধ যত বৃথা বাক্যচয়।
তাত যেবে কৃষ্ণ গুণ নাম মিশ্ৰ হয় ॥৮৬৯
হোৱে সিটো যচন সাৰ্থক অতিশয়।
অন্যথা সি সৱ বাক্য বৃথাসে নিশ্চয় ॥
লৈয়ো আৰ সাক্ষী অক্ৰূৰৰ বচনত।
বোলন্ত অক্ৰূৰে বাক্য আসন্তে পথত ॥৮৭০
কৃষ্ণ গুণ মিশ্ৰিত যতেক বাক্যচয় ॥
সেহি বাক্যে জগতকে পবিত্ৰ কৰয় ॥
সমস্তকে সেবি বাক্যে জীয়াৱে সকল।
শোভন কৰাবে সেহি মিলাৱে মঙ্গল ॥৮৭১
যিটো বচনত নাহি কৃষ্ণ গুণ গান।
নানা বাক্য অলঙ্কাৰে কৰাৱে শোভন ॥
নাহি একো ছিদ্ৰ শুনিবাকো মনোৰম।
জানিবা তথাপি সিটো মৰা শৱ সম ॥৮৭২
বস্ত্ৰ অলঙ্কাৰে যেন শৰক কচাৱে।
তথাপিতো অপবিত্ৰ জানিবা স্বভাৱে ॥
সেহিমতে হৰি গুণ হীন বাক্য যত।
থাকয়ে সিসব বাক্য যাহাৰ মুখত ॥৮৭৩
মৰা শৱ যেন লৈয়া ফুৰে অতিশয়।
উত্তম মুখক অতি অশুদ্ধ কৰয় ॥
এহিমানে থৈলোহো বচন অক্ৰূৰৰ।
কীৰ্ত্তনেসে পৰম ভকতি মাধৱৰ ॥৮৭৪
কহো উপসংহৰিয়া ইটো প্ৰকৰণ।
মনোহৰ কৃষ্ণৰ যতেক গুণগণ ॥
পৰম মঙ্গল শিশু লীলা বহুবিধ।
মহা ভাগৱত শাস্ত্ৰে যতেক প্ৰসিদ্ধ ॥৮৭৫
শ্ৰদ্ধা ভাবে কৰে যিটো কীৰ্ত্তন সতত।
পৰম ভকতি তাৰ মিলয় কৃষ্ণত ॥
জানিবা কীৰ্ত্তন পৰ ভৈল যিটো নৱ।
সমস্ত ভকতি সিদ্ধি ভৈল সি জনৰ ॥৮৭৬
এহিমানে ভৈল সমাপিতো বিৱচন।
শুনিয়োক যত সভাসদ সাধুজন ॥
হৰি গুণ কীৰ্ত্তনত কৰিয়োক ৰতি।
কীৰ্ত্তনেসে মাধৱৰ উত্তম ভকতি ॥৮৭৭
নমো নমঃ কৃষ্ণ অনাথৰ নাথ দেৱ।
মোত পৰে অনাথ নাহিক আন কেৱ ॥
একে ভৱৰোগে মোক সহজে পীড়য়।
বিষয় অপথ্য তাতে খাইলো অতিশয় ॥৮৭৮
মনোৰথ চিন্তা বিষে হুয়া অচেতন।
সংসাৰ কুপত পড়ি আছো নাৰায়ণ ॥
হেন মই দুঃখিতক তুমি বিনে আন ॥
নেদেখো কৃপালু যিটো কৰিবেক ত্ৰাণ ॥৮৭৯
জানো কৃষ্ণ তযু গুণ পৰম অমৃত।
তোমাৰ ভক্তৰ সঙ্গে পিয়ায়োক নিত ॥
তেবেসে দুৰ্ঘোৰ ভৱ ৰোগ হৈবে দূৰ।
কৰিয়োক কৃষ্ণ মোক ককণা প্ৰচুৰ ॥৮৮০
তোমাৰ অভয় দুই চৰণ পঙ্কজে।
তাতে মোৰ মন মজি ৰহোক সহজে ॥
মই ভিক্ষাকাৰী সিদ্ধি কৰা মনস্কাম!
সামাজিক লোকে ডাকি বোলা ৰাম ৰাম ॥৮৮১

ষষ্ঠ স্মৰণ বিৱচন

ছবি।

হৰি কীৰ্ত্তনৰ যেন, কহিলা মহিমা তাক,
শুনিলাহা সামাজিক জন।
শুনা হৰি স্মৰণৰ, মহিমা কহিবে প্ৰতি,
আৰম্ভিলো পুনঃ বিৱচন ॥

হৰিস্মৰণেসে যাৰ, কেৱল স্বভাৱ ভৈল,
পৰম কৃতার্থ সি সি অতি।
লৈয়োক ইহাৰ সাক্ষী, উদ্ধৱ মহন্তে যেন,
বুলিলন্ত গোপিকাক মাতি ॥৮৮২
শুনিয়োক গোপীগণ, যেহেতু অৰ্পিলা মন,
ভগৱন্তে মাধৱৰ পাৱে।
এতেকেসে তুমি সব, লোকৰ পূজিত অতি,
কৃতকৃত্য ভৈলাহা স্বভাৱে ॥
পুৰুষ জনমে যেবে, অনেক প্ৰয়াস কৰি,
যাগ যোগ আচৰি থাকয়।
তেবে কদচিত নৱে, কৃষ্ণ পদ পঙ্কজত,
মন নিবেশাইবাক পাৱয় ॥৮৮৩
হেন কৃষ্ণ চৰণত, মন অৰ্পি অনুৰাগে,
তাহাঙ্ক সুমৰা অনুক্ষণ।
যাগ যোগাদিৰো ফল, লভিলাহা তুমি সব,
মহা ভাগ্যবতী গোপীগণ ॥
উদ্ধৱৰ বাক্য থণ্ড, এহি অর্থ স্পষ্ট কণ্ড,
ভৱন্তে কৃষ্ণৰ বচনে।
শুনিয়ো উদ্ধৱ এহি, মানে মাত্ৰ যোগকহি,
আছে সনকাদি ঋষিগণে ॥৮৮৪
আন বিষয়ৰ চিন্তা, এড়িয়া সাক্ষাতে যিটো,
মোতে মাত্ৰ অৰ্পিলেক মন।
গুচিল চিত্তৰ মল, পাইলেক সমস্ত ফল,
ভৈল কৃত কৃত্য সিটোজন ॥
এহিমানে মাধৱৰ, বচন সংহৰি থৈলো,
শুনা সভাসদ নিৰন্তৰ।
কৃষ্ণ চৰণত মন, অৰ্পিবাৰ ফল যেন,
কহো এবে বচনে শুকৰ ॥৮৮৫
বোলন্ত শুনিয়ো মহা পৰীক্ষিত নৃপবৰ,
কৃষ্ণৰ অভয় চৰণত।
দিয়া কায় ব্যক্য মন, সুমৰয় অনুক্ষণ,
কৈবো কিবা তাহাৰ মহত্ত্ব ॥
চৰণৰ একদেশে, ছলে বলে একবাৰ,
কৰাইলেক মনক নিবেশ।
এতেকে জানিবা সিটো, মহামহা পাতকৰ,
প্ৰায়শ্চিত্ত কৰিল নিঃশেষ ॥৮৮৬
যম যমকিঙ্কৰক, স্বপ্নতো নেদেখ আৰ,
পাইলে পাৰ ইটো সংসাৰৰ।
যি পুনঃ স্বভাবে মন, দিয়া চিত্তে অনুক্ষণ,
সমস্ত অঙ্গকে মাধৱৰ ॥
তাহাৰ মহিমা আৰ, কৰিয়া নপাওঁ পাৰ,
ভৈল সিটো বল্লভ কৃষ্ণৰ।
নাৰদৰ আগে ব্ৰহ্মা, কহিলন্ত আৰ যেন,
শুনা ফলান্তৰ স্মৰণৰ ॥৮৮৭
বোলন্ত নাৰদ মোৰ, বচনত দিয়া চিত্ত,
কহো মই তোমাত সাক্ষাত।
যিহেতু আনন্দময়, প্ৰেমৰসে যুক্ত হৈয়া,
ঈশ্বৰক চিন্তিলো হিয়াত ॥
তাতাসে মোহোৰ ইটো, মনবাক্য শৰীৰৰ,
নোহে মিছা ব্যাপাৰ সকল।
মোহোৰ প্ৰভাৱ দুহি, জানিবা নিশ্চয় তুমি,
কিন্তু হৰি স্মৰণৰ ফল ॥৮৮৮
এহি হেতু ভগৱন্ত, স্মৰণেসে মহা লাভ,
নাহি আৰ আন সংসাৰত।
সাংখ্য অষ্টাঙ্গ যোগ, জন্মৰ এহিসে ফল,
কহিলোহো ইটো স্বৰূপত ॥
অন্তকালে নাৰায়ণ, স্মৰে যিটো মহাজন,
তাৰ কোনে কহিবে মহিমা।
নাহি লাভ তাতপৰ, কৃতকৃত্য সিটো নৱ,
এহিমানে মুকুতিৰ সীমা ॥৮৮৯
কহো আক স্পষ্ট কৰি, পুনৰপি শুক বাক্য,
বোলন্ত শুনিয়ো পৰীক্ষিত।
স্মৰণৰ মহিমাক, জানি কেশৱক ৰাজা,
কৰিয়োক আনি হৃদি স্থিত ॥
তেবে মৃত্যু সময়ত, হৈব সাবধান চিত্ত
ত্যজি ইটো মায়াময় তনু।
স্মৰণৰ প্ৰভাবত, দাহ কৰ্ম্ম মল যত,
পৰম গতিক পাইবা পুনু ॥৮৯০
ম্ৰিয়মান সময়ত, যাহাৰ স্মৰণ ভৈল,
ভগৱন্ত পৰম ঈশ্বৰ।
আত্মৰূপ দেন্তাক, যিহেতু স্মৰণ সিটো,
ভৈল অতি সমস্ত লোকৰ।
বুলিবাহা জ্ঞান বিনে, স্মৰণ মাত্ৰক কেনে,
পাইব নিজ স্বৰূপ কৃষ্ণৰ।
সত্য ইটো প্ৰশ্ন শুনা, ইহাৰ উত্তৰ যেন,
জ্ঞানও অধীন স্মৰণৰ ॥৮৯১
কৃষ্ণ পদ পঙ্কজক, সদায় সুমৰে যিটো,
হোৱে নষ্ট তাৰ পাপ যত।
বাসনাকো কৰে ক্ষয়, চিত্ত মহা শুদ্ধ হয়,
মিলে প্ৰেম ভকতি কৃষ্ণত ॥
বিজ্ঞান সহিতে জ্ঞান, উপজয় বিদ্যমান,
বিষয়ত গুছে অভিলাষ।
পৰম কল্যাণতৰ, হোৱে হৰি স্মৰণৰ,
ফলান্তৰ কৰিলো প্ৰকাশ ॥৮৯২

নমো নমো নাৰায়ণ, নৱৰূপ বিড়ম্বন,
দৈৱকী নন্দন চিদানন্দ।
মোৰ মন মধুকৱে, সদায় কৰোক পান,
তযু পাদপদ্ম মকৰন্দ ॥
তোমাঁৰ নির্ম্মল যশ, পৱম অমৃত ৰস,
সদায়ে কৰোক কর্ণে পান।
ৰাম কৃষ্ণ আদি নাম, লোক মুখে অবিশ্রাম,
দিয়া দান মোক এহিমান ॥৮৯৩
ইটো ব্রহ্মাণ্ডৰ হৰি, দুঃখী নাহি মোক সৰি,
দাতা নাহি তোমাৰ সমান।
হাতে দান্তে তৃণ ধৰি, মাগোহো কাৰুণ্য কৰি,
দিয়া প্রভু প্রার্থিবাৰ দান ॥
নকৰিয়ো আশা ভঙ্গ, তযু ভকতৰ সঙ্গ,
দুগুচোক সদায় আমাৰ।
কৰা কৃপা কৃপাময়, যত সামাজিক চয়,
ৰাম বুলি তৰিও সংসাৰ ॥৮৯৪

পদ

শুনিলাহা সাধু সভাসদ নিৱন্তৰ।
অতর্ক মহিমা অতি হৰি স্মৰণৰ ॥
জ্ঞানাদিৰ পদে একো শ্রম নলাগয়।
হৰি স্মৰণত সুখে সমস্তে মিলয় ॥৮৯৫
বুলিবাহা জ্ঞানৰ কাৰণ চিত্ত শুদ্ধি।
বিদ্যা তপ আদিসে নির্ম্মল কৰে বুদ্ধি ॥
কেনে জ্ঞান উপজিব হৰি স্মৰণত।
ইহাৰ উত্তৰ শুনিয়োক যেন মত ॥৮৯৬
দেৱতাক উপাসয় স্বধর্ম্ম আচৰে।
সমস্ত ভূততে মহা মিত্রৱতী কৰে ॥
তপ জপ যত যজ্ঞ দান তীর্থ ব্রতে।
ই সবে চিত্তক শুদ্ধি নকৰে সিমতে ॥৮৯৭
যেন মতে হৃদি গত হুয়া ভগৱন্ত।
ৰাসনা সহিতে মল চিত্তৰ হৱন্ত ॥
এহি অর্থে পুনৰপি কহো স্পষ্ট কৰি।
স্মৰণন্তে হৃদয়ত প্রবেশিয়া হৰি ॥৮৯৮
কলি কৃত্য দোষ যত হৱন্ত সমস্ত।
বিশেষে বিস্তৰ মল কলিৰ যুগত ॥
সিও মল গুচে হৰিৰ স্মৰণে সর্ব্বথা।
আন মল গুছিবেক ইটো কোন কথা ॥৮৯৯
হৰি স্মৰি তৰে নৰে মৃতুৱো শঙ্কত।
দৃষ্টান্ত সহিতে এবি অর্থ কৱো স্পষ্ট ॥

যেন সুবর্ণৰ ধাতু মিশ্র মল যত।
কেৱলে বহ্নিসে তাক হৱয় সমস্ত ॥৯০০
ক্ষাৰ পানী টেঙ্গা লৈয়া যদ্যপি প্রক্ষালে।
তথাপি দুর্ব্বর্ণ দুগুচয় একো কালে ॥
সেহিমতে যোগীৱো চিত্তৰ যত মল।
বিষ্ণুসে হৱন্ত তাক জানিবা সকল ॥৯০১
কদাচিতো দুগুচয় যোগ অভ্যাসত।
হৰি স্মৰণৰ কত কহিবো মহত্ত্ব ॥
নাহিকে উপায় আন স্মৰণৰ সম।
পূর্ব্বাপৰ সাধু ইটো কৰিল নিয়ম ॥৯০২
আৱো স্মৰণৰ কৱো মহিমা বিদিত।
যেন তেন মতে মাত্র সুমৱোক নিত ॥
তথাপিতো পুরুষার্থ সিদ্ধি হৈব তাৰ।
প্রহ্লাদ বচনে সাক্ষী লৈয়োক ইহাৰ ॥৯০৩
বোলন্ত প্রহ্লাদে মহা উৎসুকে মনত।
অসুৰ সবক মানো মহা ভাগৱত ॥
হাতত ধৰিয়া চক্র প্রভু ভগৱন্ত।
গৰুড়ৰ স্কন্ধে চড়ি সাক্ষাতে আছন্ত ॥৯০৪
তাক্ষ নেত্র ভৰি দেখে যুদ্ধ সময়ত।
যোগী যাক প্রবন্ধে নেদেখে হৃদয়ত ॥
হেন ঈশ্বৰক দেখে স্মৰি দেৱ ভাৱে।
তাঁন হাতে মৰি সুখে মুকুতিক পাৱে ॥৯০৫
মহা ক্রোধে শত্রু বুদ্ধি সুমৱে অসুৱে।
তাকো অনুগ্রহ হৰি কৱন্ত প্রচুৱে ॥
যিটো ভক্তি ভাৱে তাক শ্রদ্ধায়ে সুমৱে।
তাহাৰ ভাগ্যৰ অন্ত পাইব কোন নৱে ॥৯০৬
প্রহ্লাদৰ বচনত দেখাইলো সকল।
এহিমানে পুরুষৰ পুরুষার্থ ফল ॥
এতেকে মহন্ত সবে একান্ত যতনে।
ভজন্ত কৃষ্ণৰ দুই অভয় চৰণে ॥৯০৭
ঈশ্বৰৰ পাদপদ্ম স্মৰণত পৱ।
অন্যত্র নিমিত্ত আৱ নাহি কুশলৱ ॥
ভগৱন্ত স্মৰণ স্বভাৱ ভৈল যাৰ।
নিজ কর্ম্ম অনর্থো দুঃষার্থ নোহে তাৰ ॥৯০৮
লৈয়ো সাক্ষী জয় বিজয়ৰ বচনত।
সনকাদি ঋষিক বোলন্ত বৈকুণ্ঠত ॥
কৰিলোহো অপৰাধ নিৱাৰি তোমাক।
তাৰ প্রায়শ্চিত্ত সদা কৰাইলা আমাক ॥৯০৯
পাপ অনুসাৱে দণ্ড ভৈল সমুচিত।
আত অপৰাধ নাহি তোমাৰ কিঞ্চিত ॥
মিলোক আমাত যিটো দিলা চণ্ড শাপ।
আৱ যেন মহন্তক নেদো উপতাপ ॥৯১০

আজ্ঞা লঙ্ঘি হেলা কৰিলোহো ঈশ্বৰক ॥
কৃপায়ে শাপিয়া সিও নাশিলা পাপক ॥
কিন্তু তোমাসাৰ অপৰাধৱ নিমিত্ত।
হৌক আমাসায় জন্ম নাৰীক যোনিত ॥৯১১
তথাপিতো যেন ঈশ্বৰক নপাসৱো।
এহিমান প্রার্থনা তোমাত আমি কৱো ॥
জয় বিজয়ৰ বাক্য এহিমানে থওঁ।
ৰাজাগণ বাক্যে পুনঃ এহি অর্থ কওঁ ॥৯১২
জৰাসন্ধে যত ৰাজা আছে বন্দি কৰি।
মেলাইলা সবাকো জৰাসন্ধ বধি হৰি।
মাগয় কৃষ্ণত বৰ সেহি ৰাজগণ।
কৃতাঞ্জলি হুয়া সবে বোলন্ত বচন ॥৯১৩
হেন মত উপায় দিয়োক নাৰায়ণ।
সংসাৱে ভ্রমন্তে যেন তোমাৰ চৰণ ॥
নপাসৱো আদি সদা যি সব উপায়।
এহি মহা অনুগ্রহ কৰা যদুৰায় ॥৯১৪
বুলিবা তথাপি হৈব সংসাৱৰ দুঃখ।
দুহিবেক একো হৰি স্মৰণৰ সুখ ॥
দুবুলিবা হেন শুনা ইহাৰ উত্তৰ।
কৃষ্ণে দিয়া চিত্ত বৃষ্ণিবংশ নিৱন্তৰ ॥৯১৫
শয়ন ভোজন স্নান ক্রীড়া আদি কৰি।
কৱন্তে থাকয় সদা দেহক পাসৰি ॥
দুঃখ পাসৰিব দুহি আশ্চর্য্য ইহাত।
ভগৱন্ত বাক্যে লৈয়ো প্রমান সাক্ষাত ॥৯১৬
বোলন্ত উদ্ধৱ শুন্য বচন আমাৰ।
মোত পৰে আনত আগ্রহ নাহি যাৰ ॥
জিতেন্দ্রিয় শুদ্ধ সম চিত্ত সর্ব্বক্ষণ।
মোক স্মৰি সদায়ে সন্তুষ্ট যাৱ মন ॥৯১৭
সি জনৰ ভৈল সুখময় দশ দিক।
সংসাৱৰ দুঃখে তাক কিবা কৰিবেক ॥
আনন্দ সমুদ্রে মজি থাকে অতি মন।
নাহি অল্প মাত্র তাৱ দুঃখক স্মৰণ ॥৯১৮
হুয়া পৰিপূর্ণ মনে মোৰ চৰণত।
শুদ্ধ ব্রহ্ম পদ সার্ব্বভৌম সুখ যত ॥
অনিমাদি সিদ্ধিকো দেখন্ত সবে মিছা।
মই বিনে মুকুতিকো নকৰন্ত ইচ্ছা ॥৯১৯
মইসে পৱম প্রিয়তম ভকতৰ।
মোহোৰ স্মৰণে কৃতকৃত্য হোৱে নৰ ॥
মোক্ষতো অধিক মহা সুখ স্মৰণৰ।
তাৰ আগে কোন ইটো সুখ বিষয়ৱ ॥৯২০
সমস্তকে এড়ি মোত অর্পিলেক চিত্ত।
মই আত্মা ৰূপে হওঁ হিয়াত বিদিত ॥

মোক হৃদয়তে দেখি পাৱে যেন সুখ।
তাত কৈত পাইব যিটো বিষয় সম্মুখ ॥৯২১
কৃষ্ণৰ বচন থওঁ সংহৰি সাম্প্রত।
নাহি অসম্ভাবনা কৃষ্ণৰ স্মৰণত ॥
শিশুপাল শাল্ব আদি যত ৰাজাগণ।
বৈৰ ভাবে কৃষ্ণক সুমৰি অনুক্ষণ ॥৯২২
কৃষ্ণৰ সমান ৰূপ পাইয়া অতিশয়।
মৰি মৰি গৈল সবে বৈকুণ্ঠ নিলয় ॥
যিটো অনুৰাগে চিন্তে হেনয় কৃষ্ণক।
কোনে কহি অন্ত পাৱে তাহাৰ ভাগ্যক ॥৯২৩
পুনৰপি কৱো অসম্ভাৱনা অন্তৰ।
শুনা যেন বেদ শিৰ বক্তৃৱ উত্তৱ ॥
নমানিবে কোন জনে বেদৰ বচন।
কৃষ্ণক কৱন্ত স্তুতি যত মন্ত্রিগণ ॥৯২৪
বোলন্ত শুনিয়ো কৃপাময় মহেশ্বৰ।
আশ্চর্য্য মহিমা কিনো তযু স্মৰণৰ ॥
প্রাণ মন ইন্দ্রিয় নিয়াম যোগীগণ।
পাৱে যেন গতি চিন্তি তোমাৰ চৰণ ॥৯২৫
বৈৰ ভাবে যত বিপক্ষ নৃপতি।
দ্বেষত তোমাক স্মৰি পাইল সেহি গতি ॥
বাসুকী সদৃশ তযু বাহু সুবলিত।
দেখি গোপী সবৰ আসক্ত ভৈল চিত্ত ॥৯২৬
পৰিচ্ছিন্ন দৃষ্টিয়ে চিন্তিল অনুক্ষণ।
চিন্তোহো ব্যাপক ৰূপে আমি বেদগণ ॥
তথাপিতো সম গতি গোপীৰ আমাৰ।
অতর্ক মহিমা পদ স্মৰণ তোমাৰ ॥৯২৭
ইন্দ্রিয় নিয়ম কৈত থাকিল যোগীৰ।
কিবা হানি ভৈল যত শত্রু নৃপতিৰ ॥
নসাধিল গোপী কিবা কাম ভাৱে স্মৰি।
কিবাধিক পাইলো আমি সম সৃষ্টিকৰি ॥৯২৮
চাৰিবো আমাৰ ভৈল গতি সমসৰ।
হেনয় মহিমা প্রভু তযু স্মৰণৰ ॥
এহি মানে সংহৰিলো বচন বেদৰ।
হেনবা বুলিবা বৈৰ নৃপতি সবৰ ॥৯২৯
বৈৰ কৃত পাপ চয় আছে বিদ্যমান।
কেন মতে হৈব তাৰা কৃষ্ণৰ সমান ॥
দৃষ্টান্ত সহিতে শুনা ইহাৰ উত্তৰ।
ইজন্মৰ যত পাপ ৰাজা সকলৰ ॥৯৩০
পূর্ব্ব জনমত পাপ কৰি আছে যত।
বৈৰ ভাৱে মাধৱক স্মৰিল সতত ॥
তথাপিতো সমস্ত পাতক দুৰ ভৈল।
কৃষ্ণৰ স্বৰূপ পাইয়া বৈকুণ্ঠক গৈল ॥৯৩১

যেন বাঘপকৱা ধৰিয়া পোকা যত।
নমাৰি জীৱন্ত আনি থৱয় বাসত ॥
বাঘ পকৱাক পোকে চিন্তয় ভয়ত।
তাহাৰ স্বৰূপ পাৱে সেহি শৰীৰত ॥৯৩২
যিবা যাকে সৰ্ব্বক্ষণে চিন্তিয়া থাকয়।
তাহাৰ স্বৰূপ সিটো অৱশ্যে পাৱয় ॥
ইহাৰ প্ৰমাণ লৈয়ো বচনে কৃষ্ণৰ।
বোলন্ত উদ্ধৱ শুনা মোহোৰ উত্তৱ ॥৯৩৩
বিষয়ক ধ্যান কৰি থাকে সিটো জন।
বিষয়ৰ আকাৰ হোৱয় তাৰ মন ॥
মোক মাত্ৰ অনুক্ষণ চিন্তিয়া থাকয়।
মোহোৰ স্বৰূপ পাৱে সিটো মহাশয় ॥৯৩৪
ভগৱন্ত বচনক থৈলোহো সংহৰি।
এহিমানে তাৎপৰ্য্য কৈলো নিষ্ঠ কৰি ॥
সমস্তে সুখতো শ্ৰেষ্ঠ কৃষ্ণৰ স্মৰণ।
হোৱে কৃতকৃত্য হৰি স্মৰি সৰ্ব্বজন ॥৯৩৫
এতেকে কৃতাৰ্থ অতি ভৈল সিটো নৰ।
তথাপি প্ৰাৰ্থনা কৰে স্মৰণ কৃষ্ণৰ ॥
নাৰদৰ বাক্য লৈয়া প্ৰমাণ সাক্ষাত।
কৃষ্ণক কৰন্ত ঋষি স্তুতি দ্বাৰকাত ॥৯৩৬
বোলন্ত তোমাৰ ইটো চৰণ যুগল।
সমস্ত লোকৰ মহা মুকুতি মঙ্গল ॥
ব্ৰহ্মা প্ৰতি মুখে আছে যত যোগেশ্বৰ ॥
পৰম অগাধ বোধ তাহাৰ সৰৱ ॥৯৩৭
এহি চৰণক মাত্ৰ চিন্তে হৃদয়ত।
সংসাৰ কূপত পড়ি আছে লোক যত ॥
তাৰো অবলম্ব্য এহি পাদপদ্ম মাত্ৰ।
আশ্ৰয় মাত্ৰকে হোৱে মুকুতিৰ পাত্ৰ ॥৯৩৮
হেন চৰণক আমি সাক্ষাতে দেখিলো।
কিনো মোৰ ভাগ্য আজি কৃতকৃত্য ভৈলো ॥
তথাপিতো মোক অনুগ্ৰহ কৰা হৰি।
তযু দুই পদ যেন সদায় স্মৰি ॥৯৩৯
ইহাৰ গুণক প্ৰকাশিয়া জগতত।
ফুৰিবো সদায় মই চিন্তিয়া মনত ॥
এহি মানে সংহৰিলো নাৰদ বাক্যক।
যাৰা সবে এড়িবে নপাৰে বিষয়ক ॥৯৪০
তাৰো ত্যাগ হুহি হৰি স্মৰণ মনত।
লৈয়া সাক্ষী সাক্ষাতে গোপীৰ বনত ॥
কুৰুক্ষেত্ৰে গোপী সবে কৃষ্ণৰ আগতে।
কৰন্ত প্ৰাৰ্থনা সবে পড়ি দণ্ডবতে ॥৯৪১
হে পদ্মনাভ দেব দেব দামোদৰ।
তযু পদ পঙ্কজ পৰম শ্ৰেষ্ঠতৰ ॥

বুদ্ধিত অগাধ মহা মহা যোগেশ্বৰ।
হৃদয়ত চিন্তে এহি চৰণ সুন্দৰ ॥৯৪২
ভৱ অন্ধকূপে পড়ি আছে যিটো জন।
তাৰো উঠিবাৰ লতা তোমাৰ চৰণ ॥
আমি গৃহ সেৱকিনী গোপীগণ যত।
এহি পদ অৰবিন্দ আমাৰ মনত ॥৯৪৩
সদায় উদয় হৌক স্বপ্নতো সাক্ষাত।
এতেকে প্ৰাৰ্থনা হৰি কৰিলো তোমাত ॥
এহি মানে থৈলো গোপী সবৰ বচন।
ভগৱন্ত বাক্যে সংহৰোহো প্ৰকৰণ ॥৯৪৪
উদ্ধৱক বোলন্ত শুনিয়ো মহাশয়।
সংসাৰত যত সাধ্য সাধন আছয় ॥
স্বপ্ন মনোৰথে যেন অসন্ত কেৱল।
জানিয়া ইহাক সখি ত্যজিয়ো সকল ॥৯৪৫
মোৰ ভজনত মন কৰিয়ো শোধন।
তাতে স্থাপিমোক সুমৰিয়ো অনুক্ষণ ॥
এতেকে গুচিবে ঘোৰ সংসাৰৰ দুঃখ।
অনায়াসে লভিৱা পৰমানন্দ সুখ ॥৯৪৬
এহিমানে থৈলো ভগৱন্তৰ বচন।
কৰিলোহো সমাপত ইটো বিৱচন ॥
শুনিলাহা সাধু সভাসদ নিৰন্তৰ।
আশ্চৰ্য্য মহিমা যেন চৰি স্মৰণৰ ॥৯৪৭
জাতি অন্ত্যজাতি জ্ঞানী অজ্ঞানী সকল।
যেই সেই মতে স্মৰি গাৱে সমফল ॥
জানিয়া হৰিক সুমৰিয়ো সৰ্ব্বক্ষণ।
মায়াময় বিষয়ত ত্যজিয়ো যতন ॥৯৪৮
দুৰ্ল্লভ ভাৱতে নৰ তনু আছা পাই।
ব্ৰহ্মা আদি দেবে যাক প্ৰাৰ্থন্ত সদাই ॥
আক অতি অল্প নেদেখিবা কদাচিত।
জানি কৃষ্ণ পাদপদ্ম সুমৰিয়ো নিত ॥৯৪৯
এতেকে সংসাৰ দুঃখ হৈবেক নিৰ্য্যাণ।
কৃষ্ণৰ সমান ৰূপ পাইবা বিদ্যমান ॥
স্বভাৱে ঈশ্বৰ কৃষ্ণ দেৱ সৰ্ব্বোত্তম ॥
নাহি আন ধৰ্ম্ম তান ভকতিক সম ॥৯৫০

সপ্তম পদ-সেৱন বিৱৰণ

পদ

কহিলোহো তাৎপৰ্য্য সকল শাস্ত্ৰৰ।
আৰম্ভিলো বিৱৰণ আত অনন্তৰ ॥
নিৰূপণ কৰো কৃষ্ণ পদ নিসেৱন।
প্ৰতিমাদি পৰিচৰ্য্যা কৰে যিটো জন ॥৯৫১

সাধাৰণ পদ নিসেৱন নাম তাৰ।
ভগৱন্ত পদসেৱা সৰ্ব্ব উপকাৰ ॥
লৈয়ো আৰ প্ৰমাণ প্ৰহ্লাদ বচনত।
বোলন্ত প্ৰহ্লাদে শুনা অসুৰ সমস্ত ॥৯৫২
দেবাসুৰ নৰ যক্ষ গন্ধৰ্ব্ব যতেক।
মুকুন্দ চৰণ যিটো ভজয় প্ৰত্যেক ॥
হৈবেক সবাৰো মহা পৰম কল্যাণ।
মই যেন স্বাস্থ্যবন্ত ভৈলো বিদ্যমান ॥৯৫৩
ইহ পৰলোকে তাৰ মিলিবে মঙ্গল।
লৈয়ো তোৰাসবে মোত প্ৰমাণ সকল ॥
প্ৰহ্লাদে বচন থৈলো সংহৰি তাবত।
ইহলোকে কল্যাণ মিলয় যেন মত ॥৯৫৪
দেখাওঁ সাক্ষাতে লক্ষ্মী দেবীৰ বাক্যত।
বোলন্ত সাদৰে দেবী কৃষ্ণৰ আগত ॥
ব্ৰহ্মা হৰ আদি কৰি যত দেবচয়।
ইন্দ্ৰিয় সুখত আশা কৰি অতিশয় ॥৯৫৫
মোহোৰ নিমিত্তে তপ কৰয় দুৰ্ঘোৰ।
তথাপি কটাক্ষ বিলাসত শ্ৰীক মোৰ ॥
তযু পদ পৰায়ণ বিনে যত দেৱ।
কদাচিতো ঐশ্বৰ্য্যক নপাৱন্ত কেৱ ॥৯৫৬
যিহেতু তোমাত মন মজিল আমাৰ।
তুমি বিনে আনক নজানো মই আৰ ॥
তযু পৰতন্ত্ৰ যাতো ভৈলো নাৰায়ণ।
তোমাৰ ভক্তক মাত্ৰ কৰো বিলোকন ॥৯৫৭
এহিমানে থৈলো লক্ষ্মী দেবীৰ উত্তৰ।
পৰলোকে যিমত কুশল ভকতৰ।
দেখাওঁ প্ৰমাণ ব্ৰহ্মা আদিৰ বচনে।
দৈৱকীৰ গৰ্ভ লক্ষ কৰি দেৱগণে ॥৯৫৮
কৃতাঞ্জলি হুয়া সবে বোলন্ত সাদৰী।
শুনিয়োক কমল লোচন দেৱহৰি ॥
সমস্ত জীৱৰ তুমি পৰম আশ্ৰয়।
তোমাত একান্ত চিত্ত দিয়া অতিশয় ॥৯৫৯
তযু পাদপদ্ম মহা নৌকা কৰি সাৰ।
গোখোজ সমান কৰি তৰয় সংসাৰ ॥
ব্ৰহ্মাদিৰ বচন থৈলোহো এহিমান।
বুলিবাহা যাবত নুপজে তত্ত্বজ্ঞান ॥৯৬০
ভগৱন্ত পাদপদ্ম সেৱা মাত্ৰকতে ॥
সংসাৰ সাগৰ নৰে তৰিব কিমতে ॥
সত্য প্ৰশ্ন শুনিয়ো উত্তৰ যেন নয়।
হৰিপদ সেৱাতেসে জ্ঞানৰ উদয় ॥৯৬১
ব্ৰহ্মাৰ বচনে সাক্ষী লৈয়োক সাক্ষাত।
কৰন্ত কৃষ্ণক স্তুতি কৰি যোড় হাত ॥

যদ্যপি জ্ঞানৰ আছে সাধন বিস্তৰ।
তথাপি তোমাৰ দুই পদ পঙ্কজৰ ॥৯৬২
এক প্ৰদেশৰ প্ৰাসাদৰ এক লেশ।
দিয়া যাক অনুগ্ৰহ কৰা হৃষীকেশ ॥
সি সি জনে জানে তযু মহিমাৰ তত্ত্ব।
তবে অনায়াসে তবে ইটো সংসাৰত ॥৯৬৩
অন্যথা অসঙ্গ হুয়া যোগ অভ্যাসত।
চিৰকাল বিচাৰি নজানে তযু তত্ত্ব ॥
তোমাৰ ভকতে তত্ত্ব মহা সুখে জানে।
জ্ঞান অভ্যাসৰো প্ৰভু ফল এহি মানে ॥৯৬৪
থৈলো উপসংহৰি ব্ৰহ্মাৰ বাক্য চয়।
হৰিপদ সেৱাতেসে গুছে সবে ভয় ॥
লৈয়ো আৰ সাক্ষী দৈৱকীৰ বচনত।
কৃষ্ণক কৰন্ত স্তুতি স্তুতিকা গৃহত ॥৯৬৫
হুয়া মহা ভয় ভীত মৃত্যুসৰ্প হন্তে।
পলাই সৰ্ব্বজন ব্ৰহ্ম ভুবন পৰ্য্যন্তে ॥
একোয়ে স্থানত জীবে অভয় নপাৱে।
সৰ্ব্বলোক গ্ৰহি কালে আছয় স্বভাৱে ॥৯৬৬
কোনো ভাগ্যোদয়ে তযু অভয় চৰণে
সেবা কৰিবাক প্ৰতি পশিল শৰণে ॥
তেবে মৃত্যু সৰ্পে এড়ি হোৱয় অন্তৰ।
পৰম নির্ভয় হুয়া থাকে সুখে নৰ ॥৯৬৭
সিজনে এড়াইল হাত মৃত্যুৰ নিশ্চয়।
কোন অদভুত গুচিবেক আন ভয় ॥
দৈৱকীৰ বচনক সংহৰিয়া খণ্ড।
প্ৰহ্লাদ বচনে পুনঃ এহি অৰ্থ কণ্ড ॥৯৬৮
বোলন্ত প্ৰহ্লাদে শুনা দৈত্য নিৰন্তৰ।
ইটো গৃহবাস মূল কেৱলে দুঃখৰ ॥
শোক মোহ ভয় স্পৃহা সুগুছে বিষাদ।
ৰাগ লোভ ক্ৰোধ আদি অনেক প্ৰমাদ। ৯৬৯
মিলে ক্ষণে ক্ষণে বহুবিধ মন দুঃখ।
সদায়ে নিকাৰময় নাহি একো সুখ ॥
সংসাৰ চক্ৰৰ মাত্ৰ হেতু সমুদায়।
হেনয় গৃহৰ আশা ত্যজিয়া সদায় ॥৯৭০
পৰম অভয় দুই নৃসিংহ চৰণে।
শৰণ পশিয়া সেৱা কৰা অনুক্ষণে ॥
থৈলোহো সাম্প্ৰত প্ৰহ্লাদৰ বাক্যচয়।
বুলিবাহা যদি এহি পৰমার্থ হয় ॥৯
তেবে কেনে সবে কৃষ্ণ চৰণ পঙ্কজে।
নভজয় পাৱে যাত মুকুতি সহজে ॥
শুনিয়ো ইহাৰ যেন উত্তৰ সম্প্ৰতি।
কৃষ্ণৰ মায়াত বিমোহিত হুয়া মতি ॥৯৭২

নভজয় সর্ব্বজনে চৱণে কৃষ্ণৰ।
লৈয়ো সাক্ষী ইহাৰ বচনে উদ্ধৱৰ ॥
বোলন্ত কৃষ্ণক প্রভু শুনিয়ো প্রত্যেক।
তমু পদ সেৱা বিনে উপায় যতেক ॥৯৭৩
দুঃখ মাত্র জানি তাক কৰি পৰিহাৰ।
মহাজন সবে সাৰ কৰিয়া বিচাৰ ॥
তোমাৰ চৱণপদ্ম মহা শ্রেষ্ঠতৰ।
সমস্ত আনন্দ পূর্ণ কৰে ভকতৰ ॥৯৭৪
জানি সুখে সেবা আক কৰন্ত সদায়।
যাৰ মন মোহি আছে তোমাৰ মায়ায় ॥
যতেক বিষয়ী কর্ম্ম যোগীক আচৰ।
তোমাক নকৰে সেবা তাতে গর্ব্ব কৰি ॥৯৭৫
তোমাৰ ভক্তক মায়া নকৰে মোহিত।
যদি যোগ কর্ম্ম তাৰা কৰে কদাচিত ॥
তথাপিতো অণুমাত্র গর্ব্ব নুপজয়।
তযু সেবা হীন যত যোগী কর্ম্মীছয় ॥৯৭৬
মই মহা যোগী মই কর্ম্মত কুশল।
এহি অহঙ্কাৰে গর্ব্ব ওপজে কেৱল ॥
একো কালে মুকুতি নপাৱে সিটো নৰ।
এহিমানে থৈলোহো বচন উদ্ধৱৰ ॥৯৭৭
বুলিয়া বহুত আছে পন্থা শ্রেয়স্কৰ।
কেন মনে ভৈল সাৰ সেবা মাধৱৰ ॥
ইহাৰ উত্তৰ যেন শুনিয়ো সমস্ত।
আন যত পন্থা সবে বহু বিঘ্ন গ্রস্ত ॥৯৭৮
লৈয়ো সাক্ষী সনতকুমাৰ বচনত।
কহন্ত সাক্ষাতে পৃথু ৰাজাৰ আগত
বোলন্ত শুনিয়ো ৰাজা বচন আমাৰ।
নভৈল তৰণ হেতু ঈশ্বৰ যাহাৰ ॥৯৭৯
তাহাৰ সংসাৰ সিন্ধু তৰণ দুস্কৰ।
ষড়ুর্ম্মি ইন্দ্রিয় ঘোৰ কুম্ভীৰ মকৰ ॥
লোভ মোহ কাম ক্রোধ ৰাগ দ্বেষভয়।
ইসব শত্রুয়ে পুকৰক নছাড়য় ॥৯৮০
শোক সন্তাপ তৃষ্ণা আদি বহু দুঃখ।
নাহি ইটো সংসাৰত অনুমাত্র সুখ ॥
হেনয় দুর্গম ভব তৰিবাক আশে।
পৰম দুখক যোগ জ্ঞানাদি অভ্যাসে ॥৯৮১
ঈশ্বৰ চৱণ সেবা নকৰে যাবত।
সংসাৰ তৰিবে সিটো নপাৱে তাবত ॥
হেন জানি পৃথু তুমি আন পৰিহৰি।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম নৌকা কৰি ॥৯৮২
তৰা মহা সুখে ভব দুস্তৰ সাগৰ।
সংহৰিলো বচন সৰত কুমাৰৰ ॥

দেখাইলোহো হৰি সেৱা পৰম সুখৰ।
আত পৰে আন ধর্ম্ম সকলে দুস্কৰ ॥৯৮৩
জানি কৃষ্ণ পদ সেৱা নেড়িবা যতনে।
তান গুণ নাম মাত্র জপা সর্ব্বক্ষণে ॥
অন্যথা বিফল দেহ আদি নিৰন্তৰ।
লৈয়ো আৰ প্রমাণ বচনে মহেশ্বৰ ॥৯৮৪
দেন্ত উপদেশ দশ প্রচেতা সবক।
বুলিবাহা তুমি সবে ঈশ্বৰ কৃষ্ণক ॥
হে কৃষ্ণ তযু পদ পঙ্কজ যুগল।
এড়িবেক আক কোন পণ্ডিত সকল ॥৯৮৫
তোমাৰ চৱণ যিটো কৰে অনাদৰ।
ব্যর্থে ক্ষয় হোৱে দেহ যিটো অধমৰ ॥
যিটো পদ পঙ্কজক ব্রহ্মা আদি কৰি।
বিনাশ শঙ্কায় অর্চ্চা কৰন্ত সাদৰি ॥৯৮৬
সুদৃঢ় বিশ্বাসে অতি পৰম শ্রদ্ধায়।
চতুর্দ্দশ মনু আদি অর্চ্চন্ত সদায় ॥
হেন চৱণক যেবে কৰে পৰিহাৰ।
যত পণ্ডিতালী আদি সবে ব্যর্থ তাৰ ॥৯৮৭
এহি মানে সংহৰিলো ৰুদ্র বাক্য যত।
আছোক কৃষ্ণৰ পদ সেৱাৰ মহত্ত্ব ॥
সেৱা কৰিবাক অভিকচি মাত্রকত।
পড়ি আছে যিটো ঘোৰ সংসাৰ তাপত ॥৯৮৮
তাহাৰো বুদ্ধিৰ মল অশেষ জন্ময়।
তাবক্ষণে সবে নষ্ট হোৱে নিৰন্তৰ ॥
পৰম সাত্ত্বিকী শ্রদ্ধা বাঢ়ে প্রতি নিত।
কৃষ্ণ পাদপদ্মৰ মহিমা বিপৰীত ॥৯৮৯
সেৱাৰ শ্রদ্ধাতে মল গুচয় নিঃশেষ।
শুনিয়ো ইহাৰ যেন দৃষ্টান্ত বিশেষ ॥
যেন কৃষ্ণ পাদাঙ্গুষ্ঠে গঙ্গা হুয়া জাত।
তিনিয়ো জগত কৰে পৰিত্র সাক্ষাত ॥৯৯০
এবে চিত্ত শুদ্ধিৰ শুনিয়ো যেন ফল।
পুকৰৰ গুচিল বুদ্ধিৰ যেবে মল ॥
তেবে বিষয়ত তাৰ বৈৰাগ্য মিলয়।
নির্ম্মল মনত হোৱে জ্ঞানৰ উদয় ॥৯৯১
হৃদয়তে ঈশ্বৰকো সাক্ষাতে দেখয়।
তেবে সুখে দুর্ঘোৰ সংসাৰ নিস্তৰয় ॥
কহিলোহো ইসব যতেক ফলচয়।
হৰি পদ সেৱা মাত্রে সব উপজয় ॥৯৯২
অন্যথা প্রকাৰে জ্ঞান আদি নপাৱয়।
বুলিবাহা কর্ম্মে চিত্ত পৰিত্র কৰয় ॥
ইহাৰ উত্তৰ শুনিয়োক যেন মত।
কৃষ্ণ পাদ পদ্ম মকৰন্দ ৰস যত ॥৯৯৩

তাক পান কৰে যত ভকত ভ্রমৰে।
দুঃখপ্রদ গৃহ সুখে ৰমণ নকৰে ॥
আন যত কর্ম্মী মহা কামে হুয়া মত্ত।
সদায় আশক্ত মাত্র গৃহৰ সুখত ॥৯৯৪
কর্ম্ম কৰি কৰিবাক খোজে মন শুদ্ধি।
ঘুগুচয় অধিক মলিন হোৱে বুদ্ধি ॥
এতেকেসে কৃষ্ণ পদ সেৱা শ্রেষ্ঠতৰ।
শ্রদ্ধা মাত্রকতে মল গুচয় চিত্তৰ ॥৯৯৫
এহি অর্থ কৰো স্পষ্ট ব্রহ্মাৰ বাক্যত।
বোলন্ত কৃষ্ণত স্তুতি হুয়া অবনত ॥
শুনিয়োক কৃষ্ণ কৃপাময় মহেশ্বৰ।
আনে আনে ভোগ লৱে তযু প্রসাদৰ ॥৯৯৬
মই পুন্থ নোখোজোহো মোক্ষ আদি যত।
এহি ব্রহ্ম শৰীৰে বা তির্য্যক মধ্যত ॥
হুয়া কোন জন তযু ভক্তৰ মাঝত।
তোমাৰ চৱণ সেৱা কৰিবো সতত ॥৯৯৭
ব্রহ্মাৰ বচন থৈলো সংহৰি সকল।
কহো পুন্থ হৰিপদ সেবিবাৰ ফল ॥
ৰাজাৰ আগত শুকে বোলন্ত বচন।
সংহৰিয়া কহো ব্রহ্মস্তুতি প্রকৰণ ॥৯৯৮
কৃষ্ণেসে পৰম দেব জানি যিটো মনে।
তাহান চৱণে মাত্র পশিয়া শৰণে ॥
তান পদ পল্লবক নৌকা কৰি সাৰ।
বৎসপদ সমকৰি তৰয় সংসাৰ ॥৯৯৯
পাৱে চতুর্ভুজ ৰূপ কৃষ্ণৰ সমান।
পৰম্পদ বৈকুণ্ঠত হোৱে তাৰ স্থান ॥
আপদৰ স্থান ইটো দুর্ঘোৰ সংসাৰ।
আক প্রতি সিটো পুনৰপি নাসে আৰ ॥১০০০
শুকদেৱ বচনক সংহৰিয়া থৈলো।
হৰিৰ সেৱাৰ যেন ফল তাক কৈলো ॥
নকৰয় সেৱা কৃষ্ণ পদ পঙ্কজত।
দেখা তাৰ ফল মুচুকুন্দ বচনত ॥১০০১
বোলন্ত নৃপতি কৃষ্ণ দেৱৰ আগত।
দুর্ল্লভ মনুষ্য তনু পায়া ভাবতত ॥
যতন নকৰে সাধু সবৰ সঙ্গক।
নভজে তোমাৰ দুই পদ পঙ্কজত ॥১০০২
কৰে আশা মাত্র মিছা বিষয় সুখত।
পাৱে যাক সুখে শূকৰাদি শৰীৰত ॥
দুর্ল্লভ শৰীৰ তাৰ অর্থে নষ্ট কৰে।
গৃহ অন্ধকূপত পড়িয়া সিটো মৰে ॥১০০৩
যেন পশু তৃণ লোভে পড়ে অন্ধকূপে।
সিয়ো সেহিমতে মৰে কহিলো স্বৰূপে ॥

মই পুন্থ লৈলো প্রভু তোমাত শৰণ।
এহিমানে থৈলো মুচুকুন্দৰ বচন ॥১০০৪
যদি কুনির্ব্বন্ধে কদাচিতো বোলা বাণী।
কৃষ্ণ পদ সেৱা নকৰিলে নাহি হানি ॥
স্বধর্ম্মতে পৰম কৃতার্থ হোৱে নৰ।
প্রহ্লাদ বচনে শুনা ইহাৰ উত্তৰ ॥১০০৫
নৃসিংহৰ আগত বোলন্ত মহাশয়।
মোহোৰ যুগুতি শুনিয়োক কৃপাময় ॥
ধর্ম্ম সত্য দম তপ জপ যজ্ঞপৰ।
অনুসূয়া ধৃতি ক্ষমা লজ্জা অমৎসৰ ॥১০০৬
দানে সমে এহি বাৰ গুণ ব্রাহ্মণৰ।
সদায় ইসৱ গুণে যুক্ত দ্বীজবৰ ॥
কিন্তু যেবে ভৈল প্রভু তোমাত বিমুখ।
সাধে মাত্র ৰাত্রি দিনে ইন্দ্রিয়ৰ সুখ ॥১০০৭
তাতো কৰি শ্রেষ্ঠ মানো সিটো চাণ্ডালক।
কায়বাক্য মনে যিটো তোমাক সেৱক ॥
সমস্তে কুলকে সিটো কৰিলে পৰিত্র।
ভৈলেক আপুনি শুদ্ধ ইটো কোন চিত্র ॥১০০৮
নকৰন্ত সিটো বিপ্রে আপোনাকো শুদ্ধি ॥
কর্ম্ম গর্ব্বে অধিকে মলিন হোৱে বুদ্ধি।
এতেকে যিজন হৰি ভক্তি হীন অতি।
ভৈল সিটো জানিবা অধম হীন জাতি ॥১০০৯
ঘুবুলিবা সিটো জন হীন জাতি মাত্র।
কিন্তু সেহি ভৈল যম যাতনাৰো পাত্র ॥
যমৰ বচনে আৰ প্রমাণ লৈয়োক।
বোলন্ত শুনিবি মোৰ যত দূত লোক ॥১০১০
হৰি পদ পঙ্কজৰ মকৰন্দ ৰস।
নিষ্কিঞ্চন ভকতৰ পৰম সর্ব্বস্ব ॥
অজস্রে সেৱন্ত সংসাৰতে জানি সাৰ।
হৰি সেবা ৰসেসে জীৱন তাসম্বাৰ ॥১০১১
সদায় বিমুখ যিটো হেনয় ৰসন্ত।
বান্ধিলেক তৃষ্ণাগৃহ নৰক পথত ॥
সেহিতো অনন্ত দুষ্ট পৰম অজ্ঞান।
তাকে গৈয়া বান্ধি নৰকক লাগি আন ॥১০১২
এহি মানে থৈলো যম ৰাজাৰ বচন।
হৰি পদ সেবা হীন ভৈল যিটো জন ॥
জীৱন্ততে মৰা সিটো অধম পামৰ।
লৈয়োক ইহাৰ সাক্ষী বচনে ৰুদ্রৰ ॥১০১৩
বাণৰ যুদ্ধত হৰে বোলন্ত কৃষ্ণক।
তুমি দিয়া আছা ইটো নৰ শৰীৰক ॥
তথাপি তোমাৰ পদে কৰে অনাদৰ।
পৰম শোচনী আত্মঘাতী সিটো নৰ ॥১০১৪

এহিমানে থৈলোহো বচন মহেশ্বৰ।
ভৈল যিটো জন হৰি পদ সেবাপৰ ॥
সিসি মহামতি অতি ভৈল কৃতকৃত্য।
যুধিষ্ঠিৰ বাক্যে কৱে প্রমাণ বিদিত ॥১০১৫
কৃষ্ণৰ আগত ৰাজা বোলন্ত উৎসুকে।
যিটো মহাজনে প্রভু তোমাৰ পাদুকে ॥
শৰীৰ কৱয় সেবা চিন্তে সদা মনে।
খড়মৱে গুণনাম বর্ণাৱে বচনে ॥১০১৬
এতেকে গুচয় সংসাৰৰ দুঃখ বন্ধ।
অনায়াসে পাৱে মহা মুকুতি আনন্দ।
আনো সব সুখ আসি মিলে যেবে চাৱে।
আন জ্ঞানী কৰ্ম্মী যাক দেখিবে নপাৱে ॥১০১৭
এহি মানে থৈলো যুধিষ্ঠিৰ বাক্য যত।
কিন্তু ভক্তে একোৱে নবাঞ্ছে বাস্তবত ॥
লৈয়োক প্রমাণ নাগপত্নীৰ বাক্যত।
বোলে অবনতে সবে কৃষ্ণৰ আগত ॥১০১৮
শুনিয়োক প্রভু কৃপাময় নাৰায়ণ।
তোমাৰ চৰণ ৰজে প্রসন্ন যিজন ॥
সেৱাৰসে পৰিপূর্ণ হুয়া অতিশয়।
স্বর্গ ব্রহ্মপদ সার্ব্বভৌম নবাঞ্ছয় ॥১০১৯
পাতালাধিপতি যোগ সিদ্ধ মুকুতিক।
নোখোজয় যিটো জন ভকতি ৰসিক ॥
সংহাৰিয়া থৈলো নাগপত্নী বাক্য যত।
বুলিবা ভকতে কিবা বাঞ্ছে মাধৱত ॥১০২০
ইহাৰ উত্তৰ শুনিয়োক কৌতুহলে।
কৱয় প্রার্থনা যেন ভকত সকলে ॥
হে দুঃখহাৰী হৰি জগত ব্যাপক।
আৰাধিয়া তোমাৰ চৰণ পঙ্কজক ॥১০২১
সেৱা ত্যজি কোননো পণ্ডিত মহাজন।
প্রার্থিবে তোমাৰ বৰ আত্মাৰ বন্ধন ॥
এহি মতে ভক্তে সেৱা এৰি আন বৰ।
নোখোজে সেৱাৰ সুখ জানে যিটো নৰ ॥১০২২
বুলিবাহা যিটো ৰবে আত্মক বান্ধয়।
নোখোজোক তাক ইটো ব্যৱহাৰ হয় ॥
মোক্ষে কিবা অপৰাধ কৰিয়া আছয়।
কৃষ্ণে যাচি দিয়ন্ত ভকতে নলয়য় ॥১০২৩
নকৰিবা শঙ্কা শুনা ইহাৰ উত্তৰ।
সেৱাত ৰসিক যিটো ভৈল ঈশ্বৰৰ ॥
তাহাৰ বিৰোধী যেন অন্যত্র বিষয়।
মুকুতিয়ো সেহিৰূপে সেৱাক বাধয় ॥১০২৪
কৃষ্ণৰ চৰণ সেৱা নাই মুকুতিত।
হৰি সেৱকৰ তাক এড়িবে উচিত ॥

শ্রীকৃষ্ণ পত্নীৰ বাক্যে লৈয়োক প্রমাণ।
ষোল হাজাৰৰ মাঝে কৰ্ক্মিণী প্রধান ॥১০২৫
তেহেঁ দ্রৌপদীৰ আগে কহন্ত সাক্ষাত।
শুনিয়ো দ্রৌপদী কহো স্বৰূপ তোমাত ॥
কৃষ্ণৰ চৰণ আমি কৰিয়া উপাসা।
সার্ব্বভৌম পদকো নকৰো মনে আশা ॥১০২৬
ইন্দ্র ব্রহ্ম পদ অণিমাদি সিদ্ধি যত।
নাহিকে আমাৰ ইচ্ছা মোক্ষৰ সুখত ॥
হৰিৰ পৰম পদ সালোক্যাদি কৰি।
তাহাকো নোখোজো তুমি জানিবা সুন্দৰী ॥১০২৭
লক্ষ্মী কুচ কুঙ্কুমে সুগন্ধ অতিশয়।
কৃষ্ণ পদধূলি সর্ব্ব সম্পদ আশ্রয় ॥
তাকে মাত্র মাথায়ে বহিবো সর্ব্বক্ষণে।
এহিমানে বাঞ্ছো আমি কৃষ্ণৰ চৰণে ॥১০২৮
শ্রীকৃষ্ণ পত্নীৰ বাক্য থৈলোহো সংহৰি।
এহি মানে শাস্ত্র ফল জানা নিষ্ঠ কৰি ॥
কৱোহো ইহাকে স্পষ্ট বচনে শুকৰ।
বোলন্ত শুনিয়ো ৰাজা কুরু বংশধৰ ॥১০২৯
দেৱতো উত্তম যত ব্রহ্মা আদি কৰি ॥
তেসম্বো সেবন্ত কৃষ্ণ চৰণ সাদৰি ॥
হেন মুকুন্দৰ পাদ পঙ্কজ উত্তম।
নকৰিবে সেৱা জানি কোননো অধম ॥১০৩০
পায়া আছে তনু আতি ইন্দ্রিয় সম্পন্ন।
মৃত্যুৰ মুখত পড়ি আছে সর্ব্বক্ষণ ॥
তথাপি সিজনে মাধৱক নভজয়।
একো কালে সিটো নেড়াইবেক মৃত্যুভয় ॥১০৩১
কৃষ্ণপদ সেৱাতেসে গুছে ভয় যত।
লৈয়োক প্রমাণ কৰি সিদ্ধৰ বাক্যত ॥
কহন্ত প্রবোধি মুনি নিমি নৃপতিক।
শুনিয়োক ৰাজা যিটো সুখ অত্যন্তিক ॥১০৩২
মিছা মায়াময় ইটো যতেক বিষয়।
আতে যাৰ উদবিগ্ন বুদ্ধি অতিশয় ॥
কৰে আত্ম ভাবনা অসন্ত শৰীৰত।
সিয়ো যেবে লৱে এক শৰণ কৃষ্ণত ॥১০৩৩
তানে পাদপদ্ম মাত্র সদা উপাসয়।
তাহাৰো নিঃশেষে দুঃখ ভয় নিবর্ত্তয় ॥
চৰণ উপাসা আৰ নেড়য় কৃষ্ণৰ।
তাকো বুলি অত্যন্তিক সুখ নৃপবৰ ॥১০৩৪
এহিমানে থৈলো কৰি বচন সংহৰি।
যাৰ যেন যত স্বধর্ম্মকো পৰিহৰি ॥
কৃষ্ণৰ চৰণ সেৱা কৰিব অৱশ্য।
এহিমানে ভাগৱত শাস্ত্রৰ ৰহস্য ॥১০৩৫

বুলিবাহা ভগৱন্ত ঈশ্বৰ কৃষ্ণৰ।
চৰণ সেৱাত প্রবর্ত্তিল যিটো নৰ।
সেৱা পৰিপক্ক যেবে নভৈল তাহাৰ।
স্বধর্ম্ম ত্যাগত হৈব অনর্থ অপাৰ ॥১০৩৬
নাৰদ বচনে লৈয়ো ইহাৰ উত্তৰ।
উপদেশি চিত্ত শান্ত কৰন্ত ব্যাসৰ ॥
বোলন্ত ব্যাসক যত নিত্য নৈমিত্তিক।
অনাদিৰ দিণ্ড উপদেশ ভকতিক ॥১০৩৭
স্বধর্ম্মক ত্যজি যেবে ভজে মাধৱক।
নভৈল যদ্যপি তাৰ সেৱা পৰিপক্ক ॥
মৰিল বা ভকতিও গুচিল সদায়।
তথাপতো তাৰ অনর্থক শঙ্কা নাই ॥১০৩৮
ভক্তি ৰসিকৰ নাহি কর্ম্মে অধিকাৰ।
ঊর্দ্ধ বাহু হুয়া কহো কৰি অঙ্গীকাৰ ॥
তোমাকো কটাক্ষ ব্যাস কৰো অতিশয়।
কু-যোনিত সিটো যদি জনম লভয় ॥১০৩৯
ভক্তি শ্রদ্ধালুৰ তভোঁ অকল্যাণ নাই।
তাৰিবেক ভকতিৰ বাসনায়ে পাই ॥
নভজে যিসব নৰে ঈশ্বৰৰ পায়।
কেৱল স্বধর্ম্ম মাত্র আচৰে সদায় ॥১০৪০
তাত হস্তে কিবা অর্থ পাৱে সিটো নৰ।
কিন্তু ভক্তি পৰিপক্ক ভৈল যি জনৰ ॥
সংসাৰত পতন নাহিকে তাসম্বাৰ।
সি জনৰ অনর্থক শঙ্কা কিবা আৰ ॥১০৪১
দেহাদিতো ভাব যাৰ গুচিল সম্প্রতি।
অন্যত্র দেবতো আৰ নকৰে ভকতি ॥
দুহিবে এতেকে তাৰ বিকর্ম্মত চিত্ত।
যদি প্রমাদত পাপ সিঞে কদাচিত ॥১০৪২
তাকো ততকালে দূৰ মাধৱে কৰন্ত।
বুলিবাহা তাক কিয় যমে সহিবন্ত ॥
শুনিয়ো উত্তৰ মনে নকৰিবা চিন্তা।
কাল যমাদিৰো জানা হৰিসে নিয়ন্তা ॥১০৪৩
বুলিবাহা শ্রুতি স্মৃতি আজ্ঞা ঈশ্বৰৰ।
তান আজ্ঞা ভাঙ্গিলে তাহাঙ্কে হৈব ডৰ ॥
নিজ আজ্ঞা ভঙ্গ ভৈলে নসৈবন্ত হৰি।
ইহাৰ উত্তৰ শুনা শঙ্কা দূৰ কৰি ॥১০৪৪
নধৱন্ত দোষ হৰি ভকত জনৰ।
নাহি প্রিয়তম তান ভকতত পৰ ॥
বুলিবাহা পাপক্ষয় অর্থে নভজয়।
কিয় কৰিবন্ত হৰি তাৰ পাপক্ষয় ॥১০৪৫
ইহাৰ উত্তৰ শুনিয়োক এক মনে।
স্বভাবে হিয়াত হৰি আছে সর্ব্বক্ষণে ॥

উৎপত্তি মাত্রকে পাপ তেখনে হৱয়।
বস্তুৰ শকতি প্রার্থনাক নাপেক্ষয় ॥১০৪৬
শুনিয়োক সাধু সভাসদ নিৱন্তৰ।
পৰম কৃপালু গুণ দেখিয়ো কৃষ্ণৰ।
নকৱন্ত ভকতৰ দোষক বিচাৰ।
ভজন মাত্রকে কৰে পাপক সংহাৰ ॥১০৪৭
জানি উপকাৰী দেৱ ভজা ভগৱন্ত।
এতেকে মুকুতি হৰি অবশ্যে দিয়ন্ত ॥
মনুষ্য হৈবাৰ এহিমানে ফল মাত্র।
অন্যত্র শৰীৰে নুহি ভকতিৰ পাত্র ॥১০৪৮
সমস্তে যোনিতে বিষয়ৰ সুখ পাই।
ঈশ্বৰৰ সেৱা নৰ তনু বিনে নাই ॥
জানিয়া কৃষ্ণক ভজা ত্যেজি আন কাম ॥
মাধৱে ৰচিলা ডাকি বোলা ৰাম ৰাম ॥১০৪৯

দুলৰী

কৃষ্ণৰ চৰণ, সেৱাৰ মহত্ত্ব,
শুনিলা যেন পূর্ব্বত।
স্বধর্ম্মকো এড়ি, কৃষ্ণৰ ভকতি,
হোৱয় সিদ্ধ সমস্ত ॥
জানিয়া ভকত, সকলে যত্নপি,
কৱয় ত্যাগ বিহিত।
প্রমাদত অবি- হিত আচৰিলে,
নাহি আন প্রায়শ্চিত ॥১০৫০
কায়বাক্য মনে, সুদৃঢ় বিশ্বাসে,
কৰোক সেৱা কৃষ্ণত।
এতেকে পৰম, কৃতার্থ হৈবেক,
ঈশ্বৰৰ প্রসাদত ॥
উক্ত অর্থ পূনু, দঢ়ায়া কহওঁ,
জনকৰ বচনত।
মিথিলাত ৰাজা, বোলন্ত কৃষ্ণক,
হুয়া অতি অবনত ॥১০৫১
হে কৃষ্ণ কৃপাময়, প্রভু দেৱ হৰি
প্রণামো তোমাৰ পাৱে।
আজ্ঞা ভঙ্গ দোষ, নিজ ভকতৰ,
নধৱা হৰি স্বভাৱে ॥
হেনয় পৰম, কৃপালু গুণক,
জানয় যেবে তোমাৰ।
কোননো পুৰুষে, তযু পাদপদ্ম,
ভজিয়া ত্যজিবে আৰ ॥১০৫২
তুমি বিনে যিটো, শান্তমতি মুনি,
সাৰ কিছু নেদেখয়।

ভাসম্বাক প্ৰভু, আপোনাক দিয়া,
কিনো দেব কৃপাময় ॥
জনক বচন, থৈলে এহি মানে,
কহিবো কিবা বিস্তৰ।
ভগৱন্ত পদ, সেৱায়ে জানিবা,
সীমা সবে অনৰ্থৰ ॥১০৫৩
কৃষ্ণৰ আগত, ব্ৰহ্মাৰ বচনে,
লৈয়োক আৰ প্ৰমাণ।
বোলন্ত বিধিয়ে, শুনিয়োক প্ৰভু,
কহো মই বিদ্যমান ॥
ধন জন আদি থাকন্তে লোকৰ,
হুওছে মনৰ ভয়।
হৰাইলে মৰিলে, মিলে মহা শোক,
পুনু স্পৃহা উপজয় ॥১০৫৪
তাতো হন্তে মহা, পাৱে পৰাভৱ,
তথাপি তৃষ্ণা বিস্তৰ।
পুনু কথঞ্চিত, পাইলে মোৰ বুলি,
আগ্ৰহ মিলে মনৰ।
এহি মতে ভয়, শোক আদি দুঃখ,
পাৱয় লোকে তাৱত।
তোমাৰ অভয়, চৰণ মূলত,
নকৰে সেৱা যাৱত ॥১০৫৫
যেবে তযু পদ, আশ্ৰয় কৰিয়া,
কৰো সেৱা নিৰন্তৰ।
তবে সৰ্ব্ব দুখ, ভয় আদি কৰি,
ওচয় সিটো জনৰ ॥
ব্ৰহ্মাৰ বচন, থৈলো এহি মানে,
শুনিয়ো পুনু নিশ্চয়।
যোগী সমস্তৰ, কৃষ্ণৰ চৰণ,
সেৱাসে মাত্ৰ অভয় ॥১০৫৬
ইহাৰ প্ৰমাণ, কপিল বচনে,
দেখাওঁ সাক্ষাতে আনি।
বোলন্ত শুনিয়ো, দেৱহুতি মাতৃ,
কহোঁ মই নিষ্ঠ বাণী ॥
মোৰ পদ মূল, সেৱা নিশ্চয়ক,
বুলিয়ো পৰম জ্ঞান।
ইহ পৰ লোকে, বৈৰাগ্যৰ হেতু,
নাহি সেৱা বিনে আন ॥১০৫৭
এতেকে ভকতি, যোগক আশ্ৰয়,
যত মহা যোগী সন্ত।
কুশলৰ অৰ্থে, মোহোৰ অভয়,
চৰণে সেৱা কৰন্ত ॥

কপিল বচন, থৈলো কৰি বাক্যে,
কহোঁ উপসংহৰিয়া।
নিমি নৃপতিক, বোলন্ত মোহোৰ,
বচনত দিয়া হিয়া ॥১০৫৮
এহি মতে অনু, ক্ষণে অচ্যুতৰ,
ভজন্ত পদ কমল।
দুৰ্ব্বাসনা আদি, কৰিয়া যতেক,
ওচয় চিত্তৰ মল।
সপ্ৰেম ভকতি মিলে বিৰকতি,
দেহ গেহ সমস্তত ॥
ঈশ্বৰ স্বৰূপ, হোৱয় প্ৰকাশ,
নিশ্চল শুদ্ধ মনত ॥১০৫৯
জ্ঞান আদি কৰি, যত মহা গুণ,
উপজে আসি হিয়াত।
পৰম শান্তিক, পাছে অপ্ৰয়াসে,
ভকতে পাৱে সাক্ষাত ॥
ইহ পৰ লোকে, হোৱয় কৃতাৰ্থ,
মাধৱৰ প্ৰসাদত।
ভগৱন্ত পদ, সেৱা বিৰোচন,
এহি মানে সমাপত ॥১০৬০
নমো নমঃ কৃষ্ণ, কৰুণা সাগৰ,
কৰিয়ো কৃপা আমাক।
যেই সেই অৱ, স্থাতে মোৰ মনে,
নেড়োক সদা তোমাক ॥
মই অধমৰ, অহঙ্কাৰ আদি,
ওচায়ো মায়া বন্ধন।
তোমাৰ অভয়, চৰণ পঙ্কজে,
লৈলোহো হেৰা শৰণ ॥১০৬১
বিষয় ব্যাধিত ভৈলোহো আতুৰ,
চিন্তা বিষে যায় প্ৰাণ।
ভকতৰ মুখে, তযু কথামৃত,
সদায়ে কৰায়ো পান ॥
এতেকে কৃতাৰ্থ, হৈবো প্ৰভু কৃষ্ণ,
পূৰিয়ো মনৰ কাম।
মুকুখ মাধবে, কহে নিৰন্তৰে,
ডাকি বোলা ৰাম ৰাম ॥১০৬২

অষ্টম অৰ্চ্চন বিৰচন।

পদ

পুনৰপি আৰম্ভ কৰিলো বিৰচন।
কৃষ্ণ পদ অৰ্চ্চনক কৰো নিৰূপণ ॥

কৃষ্ণৰ পূজায় সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহো নপাৱয় ॥১০৬৩
দৃষ্টান্ত দ্বিতীয়ে আক কৰোহো বেকত।
যেন জল দান দিলে বৃক্ষৰ মূলত ॥
হোৱয় তৃপিতি ডাল পত্ৰ পুষ্প যত।
অন্যথা হুহিকে যদি সিঞ্চে প্ৰত্যেকত ॥১০৬৪
আৰু যেন প্ৰাণৰ ভোজনে অতিশয়।
নিৰন্তৰে ইন্দ্ৰিয়ৰ তৃপিতি মিলয় ॥
নকৰে ভোজন ক্ষুধাতুৰ নৰে যাৱে।
বস্ত্ৰ অলঙ্কাৰ ফুল চন্দন পিন্ধাৱে ॥১০৬৫
তথাপি তৃপিতি নাই একো ইন্দ্ৰিয়ৰ।
প্ৰাণ তুষ্ট ভৈলে তুষ্ট হোৱে নিৰন্তৰ ॥
সেহি মতে কৃষ্ণক আৰাধে যিটো জন।
ভৈল তাৰ সমস্ত সেৱক আৰাধন ॥১০৬৬
কৃষ্ণক হুপুজি যদি পৃথকে পূজয়।
হুহিকে কাহাৰো পূজা জানিবা নিশ্চয় ॥
যিহেতু স্বভাৱে জগতৰ আত্মা হৰি।
যিটো মহাজনে তাক পূজয় সাদৰি ॥১০৬৭
আপুনি সহিতে পূজিলেক চৰাচৰ।
জানিলেক তত্ত্ব সি সি বেদ আগমৰ ॥
নানা ক্ৰিয়া পন্থে যিটো কৰ্ম্ম যোগীগণ।
ভগৱন্ত স্বৰূপক কৰয় পূজন ॥১০৬৮
তাকেসে পণ্ডিত বুলি বেদ আগমত।
শুনিয়োক ভগৱন্ত ৰূপ যেন মত ॥
জানি তাক প্ৰাণ মন ইন্দ্ৰিয়ৰ দ্বাৰে।
ঈশ্বৰ কৃষ্ণেসে জানা নিয়ন্তা সবাৰে ॥১০৬৯
যিহেতু চৈতন্য ভগৱন্তেসে কেৱল।
তাতেসে প্ৰবৰ্ত্তে যত ইন্দ্ৰিয় সকল ॥
চিনাইলোহো ভগৱন্ত স্বৰূপ নিশ্চয়।
তাঙ্কে পূজা কৰিলে যথেষ্ট সিদ্ধি হয় ॥১০৭০
শাস্ত্ৰ চক্ষু দ্বাৰে যত ইন্দ্ৰিয় উত্তম।
দেখাই আছে আকে মুখ্য উপায় সুগম ॥
চিত্তো উপশম হোৱে কৃষ্ণৰ পূজাত।
এহি মানে মাত্ৰ পন্থ জানিবা সাক্ষাত ॥১০৭১
ন্যায় উপাৰ্জ্জিত শুদ্ধ বিত্ত অতিশয়।
সেহি শুদ্ধ বিত্তে ভগৱন্তক পূজয় ॥
যিটো জনে নিষ্কামে অৰ্চ্চয় শ্ৰদ্ধা ভাৱে।
মোক্ষ আদি সমস্ত আনন্দ সিসি পাৱে ॥১০৭২
কৃষ্ণৰ পূজাত অধিকাৰ সমস্তৰে।
পূজি কৃষ্ণেয়েৰে এক হোৱে নিৰন্তৰে ॥
প্ৰহ্লাদ বচনে লৈয়ো ইহাৰ প্ৰমাণ।
বোলন্ত সাক্ষাতে নৃসিংহৰ বিদ্যমান ॥১০৭৩

অল্পমতি সকলে যতেক পূজা কৰে।
আপোনাৰ অৰ্থে তাক নলন্ত ঈশ্বৰে ॥
প্ৰকৃতিৰ বশ্য আনো যত প্ৰাণী চয়।
ধনাদি অপিলে যেন তৃপিতি হোৱয় ॥১০৭৪
সিমত সম্মান ইচ্ছা নাহিকে কৃষ্ণৰ।
নিজানন্দ লাভে পৰিপূৰ্ণ মহেশ্বৰ।
তথাপিতো পৰম কৃপালু দেব হৰি।
যিটো পূজে তাৰ অৰ্থে লন্ত সাদৰি ॥১০৭৫
মোক পূজি ইয়ো পূজ্য হোক অতিশয়।
এহিবুলি পূজা আদি লন্ত কৃপাময় ॥
তিলকাদি শ্ৰীযেন মুখৰ যতেক।
প্ৰতিবিম্ব মুখে যেন মিলয় প্ৰত্যেক ॥১০৭৬
দেখিয়ো সাক্ষাতে তাক দৰ্পণত চাই।
প্ৰতিবিম্ব অন্যথা মিলাইবে শক্য নাই ॥
সেহিমতে মাধৱকে পূজিলে সাক্ষাত।
সিসৰ সকলে পূজা মিলে আপোনাত ॥১০৭৭
কৃষ্ণক নিদিলে আপোনোতো নিমিলয়।
প্ৰহ্লাদ বচনে তাৰ দেখাইলো নিৰ্ণয় ॥
পৰমেশ্বৰক পূজা যেবেসে কৰয়।
আপোনাৰে পূজা সিটো স্বভাৱে হোৱয় ॥১০৭৮
তাৰ অতি তুচ্ছ ফল কাম সবে ব্যৰ্থ।
ধ্ৰুৱৰ বচনে শুনা কহো এহি অৰ্থ ॥
পৰমেশ্বৰৰ আগে কহন্ত সাদৰি।
জন্ম মৰণৰ মুখ্য হেতু তুমি হৰি ॥১০৭৯
ইন্দ্ৰিয়ৰ সুখ অৰ্থে অচ্চিয়া তোমাক।
সিটো মূঢ়মতি বঞ্চিলেক আপোনাক ॥
তুমি কল্পতৰুক অৰ্চ্চিয়া অতিশয়।
শৰতুল্য দেহে উপভোগক ইচ্ছয় ॥১০৮০
হুহি যোগ্য প্ৰাৰ্থিবে তোমাৰ চৰণত।
বিষয় সম্বন্ধ সুখ আছে যত যত ॥
নাৰকী যোনিতো তাক স্বভাৱে পাৱয়।
স্বৰ্গ সুখ প্ৰাৰ্থিবে এতেকে যোগ্য নয় ॥১০৮১
দেখাইলো কামনা তুচ্ছ ধ্ৰুৱৰ বাক্যত।
শুনা কৃষ্ণ পূজাৰ সামগ্ৰী যেন মত ॥
গৰ্ব্ব আদি দুষিত যতেক বহু ধন।
তাত অতি তৃপিতি হুহিকে নাৰায়ণ ॥১০৮২
অকপট আদি ভাব শুদ্ধ হৃদয়ৰ।
পূজাৰ পৰম বস্তু এহিসে কৃষ্ণৰ ॥
ব্ৰহ্মাৰ বচনে আৰ লৈয়োক প্ৰত্যয়।
বামনৰ আগে বিধি বোলন্ত বিনয় ॥১০৮৩
তযু পাদ পঙ্কজে নিশ্চল বুদ্ধি নৰে।
জলে ফুলে অব্যভিচাৰিণী পূজা কৰে।

এতেকে উত্তম গতি পাৱে সৰ্ব্বজনে।
ইটো বলিৰাজা যেন তোমাৰ চৰণে ॥১০৮৪
অকপট হৃদয়ে ত্রৈলোক্য দান দিল।
আপোনাকো শ্রদ্ধাভাবে তোমাত অর্পিল ॥
তথাপি বন্ধন দুঃখ পাৱে বলিৰায়।
নুবুঝিলো প্রভু আমি একো অভিপ্রায় ॥১০৮৫
এহি মানে সংহৰিলো ব্রহ্মাৰ বচন।
কহো নিষ্ঠ কৰি শুনিয়োক সৰ্ব্বজন ॥
কপট এড়িয়া নিজ বিত্ত অনুসাৰে।
ভগৱন্ত নাৰায়ণ অৰ্চ্চণী সবাৰে ॥১০৮৬
সংহৰোহো প্রকৰণ কৃষ্ণৰ বচনে।
বোলন্ত উদ্ধব মোক অকপট মনে ॥
কৰ্ম্ম যোগ পন্থে বেদ তন্ত্রে মন্ত্রে যজি।
ইহপৰ লোকে সিদ্ধি পাৱে মোক ভজি ॥১০৮৭
পূজাৰ প্রকাৰ এহিমানে সংহৰিলো।
গ্রন্থ বিস্তৰক ভয়ে আৰ নিলিখিলো ॥

নৱম বন্দন বিৱচন।

পদ

পুনৰপি আক আৰম্ভিলো বিৱচন।
কৰো নিৰূপণ এবে কৃষ্ণৰ বন্দন ॥১০৮৮
ভগৱন্ত বন্দনত যিটো প্রবর্ত্তিল।
পৰম মঙ্গল তাৰ এতেকে মিলিল।
ইহাৰ প্রমাণ লৈয়ো অক্রূৰ বচনে।
গোকুলক যান্তে বিনৱিষ কৰি মনে ॥১০৮৯
আজি নষ্ট ভৈল সবে মোৰ অমঙ্গল।
জানিলো জন্মৰ ফল ধৰিলে সকল।
যোগী সবে চিন্তে কৃষ্ণ পদ পঙ্কজক।
কৰিবো বন্দন আজি হেন চৰণক ॥১০৯০
অক্রূৰৰ বচনক কৰিলো সংহাৰ।
আলোচিলে মাত্র কৰিবাক নমস্কাৰ ॥
তাৰ যেন ফল তাক কৰিলো বেকত।
কৰে যিটো নমস্কাৰ কৃষ্ণ চৰণত ॥১০৯১
তাৰ যেন ফল কহো ব্রহ্মাৰ বচনে।
কৰন্ত কৃষ্ণক বিধি স্তুতি বৃন্দাবনে ॥
হে প্রভু কৃষ্ণ তযু অনন্ত মহিমা।
ভকতত তোমাৰ কৃপাৰ নাহি সীমা ॥১০৯২
এতেকেসে তযু পাৱে কৰি চিত্ত ডাঠ।
থাকে সন্তে তোমাৰ কৃপাৰ চাই বাট ॥
আপুনি কৰন্ত কৃষ্ণে কৃপা যি কালত।
তেবে মোৰ হৈব আসি কুশল সমস্ত ॥১০৯৩

আকে চিন্তি নিজ কৰ্ম্ম ভুঞ্জিবা নিঃশেষ।
তপ আদি আন একো নকৰিয়া ক্লেশ ॥
কৰিয়া যতন অতি কায় বাক্য মনে।
যিটো নমস্কাৰ কৰে তোমাৰ চৰণে ॥১০৯৪
তযু অনুগ্রহত কৃতার্থ সি সি নৰ।
পাৱে সুখে মুকুতিৰ বণ্টা বৈকুণ্ঠৰ ॥
মুকুতিৰ ভাগ মাত্র পাৱে ভক্ত জনে।
সমগ্রে মুকুতি নপাৱয় কিকাৰণে ॥১০৯৫
স্থিৰ চিত্তে শুনিয়োক ইহাৰ নির্ণয়।
সম্পূর্ণে মুকুতি কি কাৰণে নলভয়।
ভকত জনৰ যেন জীৱন বিনাই।
অধিক বিষয় সুখে প্রয়োজন নাই ॥১০৯৬
মুকুতি সুখতো জানিবাহা হেনয়।
সমগ্রে মুকুতি হৰি ভক্তে নলৱয় ॥
ভক্তিৰ প্রভাবে জানি নিজ স্বৰূপক।
তাতে স্থিৰ হুয়া সেৱা কৰয় কৃষ্ণক ॥১০৯৭
ভক্তিৰ পৰমানন্দ বত অনুভৱে।
এহি হেতু মুক্তি সুখ ভকতে নলৱে ॥
হৰিৰ প্রসাদে কাল মায়াক এড়ায়া।
ফুৰয় আনন্দে হৰি সেৱা সুখ পায়া ॥১০৯৮
নাহি ভকতৰ আন সুখে অনুৰাগ।
এহি হেতু লৈলো মুকুতিৰ পাৱে ভাগ ॥
থৈলো উপসংহৰি ব্রহ্মাৰ বাক্য চয়।
নমস্কাৰ কৰি নৱে মুকুতি পাৱয় ॥১০৯৯
আক অদভুত বুলি হুহিবা বিস্ময়।
নমস্কাৰ বিধি যিটো কৃষ্ণক নময় ॥
আছোক তাহাৰ কথা শুনা কৌতুহলে।
পড়ে বৃক্ষ হন্তে ভৰি পহুত পিচলে ॥১১০০
জৱে তাপে পীড়া কৰে হাঞ্চে হামি তোলে।
এতেকে সময়ে মনো হৰি যিটো বলে ॥
নমস্কাৰ কৰো জ্ঞান নাহিকে মনত।
তথাপি মুকুত হোৱে মহত পাপত ॥১১০১
হেন জানি সৰ্ব্বজনে ত্যেজি আলাসক।
সদায় কৰিয়ো নমস্কাৰ মাধৱক ॥
কৃষ্ণক দিবাৰ সবে বস্তু এহি মান।
দেখাওঁ এবে নমস্কাৰ কৰিবাৰ স্থান ॥১১০২
জল বায়ু বহ্নি মহী নক্ষত্র আকাশ।
বৃক্ষ নদী সমুদ্র তটস্থ দিশ পাশ ॥
আছে আনো সংসাৰত বস্তু যত যত।
কৃষ্ণক দেখিব মাত্র মনে সমস্তত ॥১১০৩
হৰিৰ শৰীৰ ইটো হেন বুদ্ধি কৰি।
সবাহাঙ্কে নমস্কাৰ কৰিব সাদৰি ॥

এতেকে কৃতার্থ কৃষ্ণে কৰিব সম্প্রতি।
নমস্কাৰ বিৱচন ভৈল সমাপতি ॥১১০৪

দশম দাস্য বিৱচন

পদ

আৰম্ভিলো বিৱচন আত অনন্তৰ।
দাস্য ভাব নিৰূপণ কৰোহো কৃষ্ণৰ ॥
পৰম কৃতার্থ শ্রীকৃষ্ণৰ দাস যত।
কেনে কহিবেক তাৰা সবৰ মহত্ত্ব ॥১১০৫
যাৰ কৃষ্ণ আদি নাম শ্রৱণ মাত্রকে।
নিৰন্তৰে নৱে হোৱে নির্ম্মল এতেকে ॥
হেন তীর্থ পদ মাধৱৰ দাস যত।
তাসঙ্গাৰ কিৰা ৱৈল সাধ্য সাধনত ॥১১০৬
দাস মাত্রে কৃতকৃত্য হোৱে সৰ্ব্বত্রত।
কৰিলো নিশ্চয় সৰ্ব্ব শাস্ত্রৰ সম্মত ॥
ইহলোকে কৃতার্থ ভৈলন্ত যেন মত।
লৈয়োক প্রমাণ ব্রহ্মা দেৱৰ বাক্যত ॥১১০৭
কৃষ্ণক বোলন্ত শুনিয়োক কৃপাময়।
তাৱে ৱাগ আদি চোৱে ধৈর্য্যাদি হৱয় ॥
গৃহে বন্দিশাল তাৱে হোৱে পুৰুষৰ।
হোৱে মহা মোহে তাৱে নিহল পাৱৰ ॥১১০৮
যাৱত হুহিকে নৱে সেৱক তোমাৰ।
ৱাগাদিয়ে পুৰুষক কৱে অপকাৰ ॥
যদি ভাগ্যে ভৈল আসি তোমাৰ সেৱক।
নলাগে তাহাৰ বিষয়ক এড়িবাক ॥১১০৯
পূর্ব্বে বিষয়ৰ ৱাগে ধৈর্য্যাদি হৰিল।
এবে দাস্য ভাবে সবে তোমাতে অর্পিল ॥
কৃষ্ণ কৃত্য কৰো যেবে বোলে সর্ব্বক্ষণ।
হোৱে তেবে সেহি ৱাগে ভক্তিৰ সাধন ॥১১১০
বিষয়ৰ ৱাগ এবে গুণেসে সমস্ত।
সেহিমতে দ্বেষ যত আছিল পূর্ব্বত ॥
আক সেই দ্বেষ ভাবে পাপকেসে কৱে।
নিৰর্থক পোষণ নিমিত্তে ইটো ঘৱে ॥১১১১
আছিলেক বন্দিশাল দুঃখৰ কেৱল।
ইদানী কৰয় যত ব্যাপাৰ সকল ॥
কৃষ্ণত অর্পণা কৰে হুয়া তানে দাস।
গুণেসে কেৱল তাৰ সিটো গৃহবাস ॥১১১২
কৰিলে মমতা মাত্র পূর্ব্বে পুত্রাদিত।
আছিলেক পাৱৰ নিহল বিপৰীত ॥
এবে দাস দাসী কৰি দিলেক কৃষ্ণক।
ইসব উপায়ে গৃহে সাধয় মোক্ষক ॥১১১৩

এতেকে বিষয়ে ত্যাগ দুঃখ ব্যতিৰেক।
কৃষ্ণ দাস সবে সুখে সাধে শ্রেয়সক ॥
ইহলোকে উপকাৰ দেখাইলো নিশ্চয়।
পৰলোকে ভগৱন্ত স্বৰূপ পাৱয় ॥১১১৪
উদ্ধৱৰ বাক্যে আৰ লৈয়োক প্রমাণ।
বোলন্ত উৎসুকে মাধৱৰ বিদ্যমান ॥
অনন্য শৰণ তযু একান্ত দাসক।
দিয়া তুমি আপনাৰ নিজ স্বৰূপক ॥১১১৫
ইটো প্রভু আশ্চর্য্য হুহিকে অতিশয়।
শ্রীৰাম অৱতাৰে তুমি কৃপাময় ॥
অনুচৰ মাত্রে বন বানৱে সহিত।
পৰম ঈশ্বৰ হুয়া কৰিলা সখিত্ব ॥১১১৬
যতেক দেৱতা আছে ব্রহ্মা আদি কৰি।
কিৰীটিৰ অগ্রে আসি অনেক সাদৰি ॥
কেৱল পৰশে তযু চৰণ পিঠক।
এতেকে মানন্ত মনে পৰম ভাগ্যক ॥১১১০
হেন দেৱতাৰো দেৱ মহা মহেশ্বৰ।
কোন আতি পশু জাতি বনৰ বানৰ ॥
তাহাকো কৰিলা কৃপা কিনো কৃপাময়।
যি পুনু মনুষ্য তযু দাস অতিশয় ॥১১১৮
তাসঙ্গাক দিয়া নিজ স্বৰূপ সাক্ষাত।
কৰাহা উদ্ধাৰ কোন আশ্চর্য্য ইহাত ॥
এহিমানে থৈলো উদ্ধৱৰ বচনক।
মাধৱত সমর্পিব সমস্তে কর্ম্মক ॥১১১৯
দাস্যভাব ভক্তি আক বুলিয় নিশ্চয়।
কায়বাক্য মনে যত কর্ম্ম সমর্পয় ॥
লৌকিক বৈদিক ব্রাহ্মণাদিৰ স্বভাৱে।
সমস্তক অর্পিব কৃষ্ণৰ দুই পাৱে ॥১১২০
কৃষ্ণৰ ভকতি দাস্যভাব এহিমান।
নৱসিদ্ধ বাক্যে লৈবা ইহাৰ প্রমাণ ॥
দাস্য বিৱচন এহিমানে সমাপতি।
সখ্য নিৰূপণ এবে কৰোহো সম্প্রতি ॥১১২১

একাদশ সখ্য বিৱচন

পদ

ভগৱন্ত সখিৰ মহিমা যেন মত।
আছোক কহিব কোনে জানিবে শকত ॥
ব্রহ্মাৰ বচনে লৈয়ো প্রমাণ সাক্ষাতে।
বৃন্দাবনে কৃষ্ণক বোলন্ত যোড় হাতে ॥১১২২
যত জীৱ জন্তু আছে নন্দন ব্রজত।
তাসঙ্গাৰ কিনো মহা ভাগ্যৰ মহত্ত্ব ॥

নন্দাদিৰ যেন মহা বিশ্বাস তোমাত।
গবাদিৰ সেহিমতে বিশ্বাস সাক্ষাত ॥১১২৩

এতেকেসে তাসম্বাৰ ভাগ্য অতি চিত্ৰ।
তুমি পূৰ্ণ ব্ৰহ্ম হৰি ভৈলা যাৰ মিত্ৰ ॥
প্ৰাকৃত সহিতে মিত্ৰৱতি ভৈল যাৰ।
অন্যোঅন্যে দুইকো দুই চাহে উপকাৰ ॥১১২৪

কদাচিত বিষয় বিৰোধী ভৈল যেবে।
তাৱক্ষণে দুইৰো মৈত্ৰ ভঙ্গ হোৱে তেবে ॥
তুমি পুনু সদায় পৰমানন্দ ময়।
তুমিয়েৰে যিটো মহা মিত্ৰতা কৰয় ॥১১২৫

দিয়া তাসম্বাক অতি আনন্দ সদায়।
এতেকে তোমাৰ মিত্ৰৱতি ভঙ্গ নাই ॥
প্ৰাকৃত মিত্ৰৰ দেখাস্তবাদি গমনে।
সুহৃদ বিয়োগ মহা দুঃখ মিলে মনে ॥১১২৬

তুমি সনাতন পুনু জগত ব্যাপক।
কদাচিতো শঙ্কা নাই বিয়োগ দুঃখক ॥
এহি হেতু তুমি কৃষ্ণ মিত্ৰ ভৈল যাৰ।
কোনে কহিবাক পাৰে ভাগ্যক তাহাৰ ॥১১২৭

এহিমানে থৈলো বাক্য ব্ৰহ্মাৰ সকল।
ঋষত দেৱৰ বাক্য দেখাওঁ আৰ ফল ॥
ভৱতাদি পুত্ৰত কহন্ত কৃপাময়।
অৰ্পণা নকৰি কৰ্ম্ম যতেক কৰয় ॥১১২৮

সেহি কৰ্ম্মে বন্দি হুয়া ফুৰে সংসাৰত।
অনাদি অবিদ্যা পুৰুষক কৰে হত ॥
পূৰ্ব্ব কৰ্ম্ম বাসনায় নেড়য় মনক।
সেহিমনে পুনু পুনু কৰাৱে কৰ্ম্মক ॥১১২৯

জীৱন্ত মুক্তকো নেড়ে অবিদ্যা তাৱত।
মই বাসুদেৱ প্ৰীতি নকৰে যাৱত ॥
জ্ঞানে কৰ্ম্মে দেহৰ বন্ধন নুগুচয়।
পুনু পুনু জীৱে সংসাৰত প্ৰবৰ্ত্তয় ॥১১৩০

পূৰ্ব্ব কৰ্ম্মকৰ্ত্তা মনে কৰয় অনিষ্ট।
পুৰুষক পুনশ্চ কৰাৱে কৰ্ম্ম নিষ্ঠ ॥
হেন জানি জ্ঞানত কৰ্ম্মত নিদি চিত্ত।
মোতেসে কেৱলে মাত্ৰ কৰিবা সখিত্ব ॥১১৩১

নিৱৰ্ত্তিব এতেকে অনৰ্থ আছে যত।
হৈব অতি কৃত কৃত্য মোৰ প্ৰসাদত ॥
থৈলোহো সংহৰি বাক্য ঋষভ দেৱৰ।
ভৈল সমাপতি বিৱচন সখিত্বৰ ॥১১৩২

দ্বাদশ আত্মা নিবেদন বিৱচন

পদ

আত অনন্তৰে আক শুনা বিৱচন।
আত্ম নিবেদন ভক্তি কৰো নিৰূপণ ॥
অৰ্পিলেক দেহ যিটো কৃষ্ণক সাক্ষাত।
হোৱয় কৃতাৰ্থ অতি কৃষ্ণৰ কৃপাত ॥১১৩৩

সৰ্ব্ব পুৰুষাৰ্থ সিদ্ধি হোৱে সিজনৰ।
লৈয়োক ইহাৰ সাক্ষী বচনে কৃষ্ণৰ।
উদ্ধৱক বোলন্ত শুনিয়ো মহাবল।
যি কালত নৱে কৰ্ম্ম এড়িয়া সকল ॥১১৩৪

মোত দেহ অৰ্পি ভৈল কৃতাৰ্থ পৱম।
নাই আন মোৰ প্ৰিয়তম তাক সম ॥
যেন গৰু পৱত বিকিলে যিটো জনে।
পোষণ পালন চিন্তা নকৱে সিজনে ॥১১৩৫

সেহি মতে মোত অৰ্পি দেহাদি সমস্ত।
ৱৈল যিটো জন হুয়া অচিন্ত মনত ॥
কেৱলে কৰয় চিন্তা ভকতিক মাত্ৰ।
ভৈল সিটো মোৰ ইষ্ট কৰিবাৰ পাত্ৰ ॥১১৩৬

মই তাৰ হিত চিন্তা কৰো অতিশয়।
অপ্ৰয়াসে সিটো সুখে মুকুতি পাৱয় ॥
হোৱে যোগ্য মোহোৰ সমান ঐশ্বৰ্য্যক।
এহি মানে থৈলো ভগৱন্তৰ বাক্যক ॥১১৩৭

বুলিবাহা সৰ্ব্ব কৰ্ম্ম এড়ি নিৱন্তৰ।
আত্ম নিবেদন মাত্ৰ শ্ৰেয়স জীৱৰ ॥
এহিসে সাধয় যেবে পুৰুষৰ অৰ্থ।
কৰ্ম্মাদি বিধিৰ তেবে মিলয় অনৰ্থ ॥১১৩৮

লৈয়ো উত্তৰ আৰ প্ৰহ্লাদ বাক্যত।
কহন্ত প্ৰহ্লাদে দৈত্য শিশু সমস্তত ॥
শুনিয়ো বালক সব স্বৰূপ উত্তৰ।
ধৰ্ম্ম অথ কাম তিনি বৰ্গ পুৰুষৰ ॥১১৩৯

তাৰ অৰ্থে উপায় বিহিয়া আছে যত।
যাগ যোগ জ্ঞান ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত ॥
তৰ্ক দণ্ড নীতি আনো যতেক আছয়।
ইটো সবে প্ৰতিপাদ্য বেদৰ নিশ্চয় ॥১১৪০

তিনি গুণময় বেদ শাস্ত্ৰ যত যত।
তাহাৰ বিহিত মানে অসত্য সমস্ত ॥
আক ত্যজি যেবে দেহ অৰ্পিলে কৃষ্ণত।
তাকেসে কেৱল সত্য মানোহো মনত ॥১১৪১

এহিসে নিৰ্গুণ জানিবাহা নিষ্ঠ কৰি।
অৰ্জ্জুনত গীতাত কহিয়া আছে হৰি ॥

তিনি গুণ বিষয় যতেক বেদচয়।
আক এড়ি নিৰ্গুণ হুয়োক ধনঞ্জয় ॥১১৪২
পাথৰৰ ৰেখা যেন বচন কৃষ্ণৰ।
আক নমানিব কোন বুদ্ধি হীন নৰ ॥
এহিমানে সংহৰিলো প্ৰহ্লাদ বচন।
থৈলো সমাপতি কৰি ইটো বিৱচন ॥১১৪৩

ত্ৰয়োদশ শৱণ বিৱচন

পুনৰপি আক আৱন্তিলো বিৱচন।
কৰো নিৰূপণ এবে কেৱল শৱণ ॥
লোকত বেদত যত কহিছে সাধন।
সিসব সাধন হীন ভৈল যিটো জন ॥১১৪৪

ভগৱন্ত মাধৱৰ অভয় চৱণে।
আছয় শৱণ লৈয়া কায়বাক্য মনে ॥
আন দেবাদিৰ সেৱা যদ্যপি নকৰে।
তথাপি সবাৰে সেৱা সিৱে নিৱন্তৰে ॥১১৪৫

কৰভাজনৰ বাক্যে প্ৰমাণ লৈয়োক।
নিমিক বোলন্ত মহাৰাজ শুনিয়োক ॥
পিতৃ ভুতপতি দেৱ ঋষি সুহৃদয়।
উপজিলে আসম্বাৰ ঋণী হোৱে নৱ ॥ ১১৪৬

হোমে দেৱ ঋণসুঝে তৰ্পণে ঋষিৰ।
বলিদানে ভুত শ্ৰাদ্ধ আদিয়ে পিতৃৰ ॥
সমভাবে সুহৃদ সবৰ সুঝে ঋণ।
এহিমতে ঋণী সদা ভকতি বিহীন ॥ ১১৪৭

এতেকেসে তাসম্বাৰ কিঙ্কৰ অধীন।
তাৰ অৰ্থে পঞ্চ যজ্ঞ কৰে প্ৰতিদিন ॥
নকৰিলে পৰকালে আছে মহাভয়।
দুঃখ ভুঞ্জি হীন জাতি হৈবাক লাগয়। ১১৪৮

কায় বাক্য মনে কৰি নিশ্চয় যিজন।
মুকুন্দৰ চৱণত পশিল শৱণ ॥
তাৰ ঋণ সুঝা সবে গৈল সমস্তৰে।
নকৰিয়ো ঋণী আৰ মুহি সিটো নৱে ॥ ১১৪৯

সমস্তৰে আত্মা হৰি তুষ্ট ভৈলা যাৰ।
তিনিয়ো জগতে অতি তৃপিতি তাহাৰ ॥
দেবাদিৰ অধিকাৰ গুচিলেসে মাত্ৰ।
কিন্তু সেহিজন ভৈল সৰ্ব্ব সুখ পাত্ৰ ॥ ১১৫০

তীৰ্থ পদ ভগৱন্ত কৃষ্ণৰ চৱণে।
সৰ্ব্বভাবে আশ্ৰয় কৰিলে যিটো জনে ॥
সিটো সাধু সবৰ সুলভ সৰ্ব্ব সুখ।
তৰিল অযত্নে ইহ পৰ লোক দুঃখ ॥১১৫১

যেনমতে তৰে ইহলোক দুঃখ যত।
দেখাওঁ সাক্ষাতে মৈত্ৰেয়ৰ বচনত ॥
বোলন্ত বিদুৰ শুনা ব্যাসৰ তনয়।
হৰি পদ যুগ যিটো কৰিল আশ্ৰয় ॥ ১১৫২

ঘোৰ সংসাৰৰ তিনি তাপ বিপৰীত।
সিটো সাধু মনুষ্যক নপাৱে বাধিত ॥
ইহলোকে দুঃখ মহন্তক নপাৱয়।
দেখাওঁ পৰলোকে দুঃখ যিমতে তৰয় ॥১১৫৩

দুস্তৰ কালৰ মহা ভ্ৰুৰ বিক্ষেপত।
হোৱয় বিনাশ চৰাচৰ বিশ্ব যত ॥
কৃষ্ণত শৱণ লৈলে যি সব মহন্ত।
সিটো কালে মোৰ বশ্য বুলি নমানন্ত ॥১১৫৪

বুলিবাহা আন দেবান্তৰ শৱণত।
গুচয় সাক্ষাতে সংসাৰৰ দুঃখ যত ॥
কৃষ্ণৰ শৱণ ভৈল কিমতে বিশেষ।
দেৱ বাক্য লৈয়ো আৰ উত্তৰ নিঃশেষ ॥ ১১৫৫

বৃত্ৰত হাৰিয়া যুদ্ধ যত দেৱগণ।
কৰন্ত কৃষ্ণক স্তুতি পশিয়া শৱণ ॥
ৰাগ আদি শূন্য তুমি পৰম নিৰ্ম্মল।
নাহি অহঙ্কাৰ বিষয়ৰ কৌতুহল ॥ ১১৫৬

নিজানন্দ লাভে পৰিপূৰ্ণ অতিশয়।
গুণৰ উপাধি পৰিচ্ছেদ নকৰয় ॥
হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ।
মায়াৰ অধীন আমি দেৱতা অপৰ ॥ ১১৫৭

তোমাক এড়িয়া লৱে আমাত শৱণ।
তাত পৰে নাহিকে পৰম অজ্ঞ জন ॥
যেন কোনো জনে কুকুৰৰ লাঞ্জে ধৰি।
যাইবাক ইচ্ছয় অতি সমুদ্ৰক তৰি ॥১১৫৮

তাৰ কদাচিত নোহে সমুদ্ৰ তৰণ।
সেহি মতে লৈয়া অনীশ্বৰত শৱণ ॥
নপাৱে তৰিবে দুঃখানৰ সংসাৰক ॥
এহি মানে থৈলোহো দেৱৰ বচনক ॥১১৫৯

বুলিবাহাদুঃখে অতি তপ্ত লোক যত ॥
তাৰ প্ৰতি ক্ৰিয়া মহা প্ৰসিদ্ধ লোকত ॥
বেদভ প্ৰসিদ্ধ বহু দেৱত ভকতি।
কেনে কৃষ্ণে ভৈলা মাত্ৰ শৱণ সম্প্ৰতি ॥১১৬০

প্ৰহ্লাদ বচনে লৈয়ো ইহাৰ উত্তৰ।
বোলন্ত সাদৰে বাক্য আগে নৃসিংহৰ ॥
হে প্ৰভু সংসাৰে তাপিত লোক যত।
নলৱে শৱণ তযু পদপঙ্কজত ॥১১৬১

দুঃখ এড়াইবাক চাহে আনসে উপায়।
কদাচিতো দুঃখ তাৰ এড়ান নযায় ॥

পিতৃত মাতৃত লৱে বালকে শৱণ।
তাক প্রতিপাল অতি কৱে দুয়ো জন ॥১১৬২
তথাপিতো তাৱ দুঃখ দেখিয়ো লোকত।
কদাচিতো পিতৃ মাতৃ হন্তে হোৱে হত ॥
লৈয়োক প্রমাণ অভিগত্ত ব্রাহ্মণত।
বিকিলে পুত্রক হৱিশ্চন্দ্রৱ যজ্ঞত ॥১১৬৩
ৱোগী সবে ঔষধত লৱয় শৱণ ॥
ঔষধ সহিতে তাৱ দেখিও মৱণ ॥
নৌকাত শৱণ লৱে মজন্তে সাগৱে।
নাৱে সমে দেখি সাগৱত মজি মৱে ॥১১৬৪
এহিমতে তযু পদে নলৈয়া শৱণ।
দুঃখ এড়াইবাক কৱে অনেক যতন ॥
দুহি সুখ ৰূপ সিটো দুঃখ নেড়াৱয়।
এতেকে তুমি সি মাত্র শৱণ নিশ্চয় ॥১১৬৫
এহিমানে থৈলো প্রহ্লাদৱ বচনক।
কৃষ্ণক এড়িয়া কৱে আশ্রয় আনক ॥
নাহি মূঢ়মতি আৱ তাহাৱ সমান।
অক্রূৱ বচনে লৈয়ো ইহাৱ প্রমাণ ॥১১৬৬
বোলন্ত কৃষ্ণক এড়ি তোমাৱ চৱণ।
কোননো পণ্ডিতে লৈব আনত শৱণ ॥
ভকতৱ সুহৃদ পৱম প্রিয়তম।
নাহিকে কৃতজ্ঞ সত্যবাদী তুমি সম ॥১১৬৭
দিয়া ভকতক অভিমত কাম চয়।
আপোনাকো দিয়া তুমি কিনো কৃপাময় ॥
তথাপিতো হানি লাভ নাহিকে তোমাৱ।
অক্রূৱৰ বাক্য চয় কৱিলো সংহাৱ ॥১১৬৮
বুলিবাহা ঈশ্বৱৱ কেৱল শৱণে।
এত মান শ্রেয়স হৈবেক কি কাৱণে ॥
এক চিত্তে শুনা আৱ উত্তৱ উত্তম।
যিহেতু কৃপালু হৱি সমর্থ পৱম ॥১১৬৯
তাতেসে ভক্তৱ সিদ্ধি শৱণ মাত্রত।
লৈয়োক প্রমাণ উদ্ধৱৱ বচনত ॥
কান্দি কান্দি বিদুৱৱ আগত কহন্ত।
কিনো কৃপাময় দেৱ প্রভু ভগৱন্ত ॥১১৭০
পুতনা পিশাচী মাৱিবাক আশা কৱি।
পিয়াইলেক স্তন কালকূট বিষ ভৱি ॥
তথাপিতো গতি তাইক দিলা যশোদাৱ।
আশ্চর্য্য মহিমা দেখ কৃষ্ণৱ কৃপাৱ ॥১১৭১
ভক্তিবেশ মাত্র দেন্ত সন্তৱ গতিক।
আত পৱে কিবা গুণ কহিবো অধিক ॥
তান্ত পৱে নহিকে দয়ালু আন জন।
জানিয়া কৃষ্ণত মাত্র লৈলোহো শৱণ ॥১১৭২

দেখাইলো দয়ালু গুণ উদ্ধৱ বচনে।
লৈয়োক শৱণ সবে কৃষ্ণৱ চৱণে ॥
কেৱলে শৱণ্য দেৱ ঈশ্বৱ মাধৱ।
শুনিয়ো কৃষ্ণক যেন বুলিলা উদ্ধৱ ॥১১৭৩
হে কৃষ্ণ ইটো ঘোৱ সংসাৱ পন্থত।
তিনি তাপে অতিশয় হুয়া আছে হত ॥
তযু পাদপদ্ম ছায়া ছত্র বিনে তাৱ।
নাহিকে শৱণ আৱ তাপ এড়াইবাৱ ॥১১৭৪
তোমাৱ চৱণ যুগ ছত্র বিপৰীত।
ছায়া কৱি সৰ্ব্ব দিশে ৱৱিযে অমৃত ॥
হোৱয় কৃতার্থ লৈলে তাহান্তে শৱণ।
এহিমানে সংহৱিলো উদ্ধৱ বচন ॥১১৭৫
এহিমতে কৃষ্ণ পদে পশিয়া শৱণ।
মুচুকুন্দ বাক্যে সংহৱোহো প্রকৱণ ॥
দণ্ডৱতে পড়ি ধৱি কৃষ্ণৱ চৱণ।
পৱম কাকুতি ভাবে বোলন্ত বচন ॥১১৭৬
হে কৃষ্ণ তযু পদে পশিলো শৱণ।
আপদ গ্রস্তক মোক কৱিয়ো ৱক্ষণ ॥
তুমি সি পৱম আত্মা শৱণ দায়ক।
ব্রহ্মাদি দেৱৱো তুমি পৱম নায়ক ॥১১৭৭
পড়ি আছো ইটো ঘোৱ সংসাৱ সাগৱে।
চিৱকাল মোক কর্ম্ম ফলে পীড়া কৱে
পৱম আতুৱ ভৈলো নাহিকে চেতন।
নানাবিধ তাপত তাপিত অনুক্ষণ ॥১১৭৮
ত্বক চক্ষু মন মুখ নাসিকা শ্রৱণ।
এহি হয় শত্রু অতি পৱম দুর্জ্জন ॥
কদাচিতো তৃপিতি নাহিকে তাসম্বাৱ।
ইহাৱ নিমিত্তে দুঃখ লভিলো অপাৱ ॥১১৭৯
হেনয় দুঃখিত মই তুমি কৃপাময়।
তযু পাদপদ্ম দুই কেৱলে অভয় ॥
এহি মাত্র সত্য প্রভু কেৱলে অশোক।
ইহাতে শৱণ লৈলো ৱাখিয়োক মোক ॥১১৮০
মুচুকুন্দ বচনক সংহৱি সম্প্রতি।
এহি মানে গ্রন্থ কৱিলোহো সমাপতি ॥
শুনিয়োক সবে সাধু সভাসদ জন।
কৃষ্ণৱ অভয় পদে লৈলোহো শৱণ ॥১১৮১
গীতাত মাধৱে কহিলন্ত অর্জ্জুনত।
ত্যজিয়োক সখি ধর্ম্ম কর্ম্ম তীর্থ ব্রত ॥
কেৱলে শৱণ মোত লৈয়ো ধনঞ্জয়।
ৱাখিবো সবাতে মই নকৱিবা ভয় ॥১১৮২
এহি মানে কহিলন্ত গীতাৱ শকতি।
জানি সাধু জন যাৱ আছয় সুমতি ॥

লৈয়োক শৱণ এক চৱণে কৃষ্ণৱ
এহি মানে তাতপর্য্য সকলো শাস্ত্রৱ ॥১১৮৩
তর্ক বেদ্ বেদান্তৱো এহি মানে সীমা।
শুনা এবে ভাগৱত শাস্ত্রৱ মহিমা ॥
পুৱাণৱ সূর্য্য শাস্ত্র মহা ভাগৱত।
ব্যাস মহাঋষি আৱ কহিছে মহত্ব ॥১১৮৪
আৱ অন্তর্গত পৱমার্থ অর্থ যত।
মই মাত্র জানো নাৱদৱ প্রসাদত ॥
মোত হন্তে মহা মুনি শুকে জানিলন্ত।
বিদুৱে ইহাক জানন্ত কি নজানন্ত ।১১৮৫
টীকা ভাষ্য চাই মহা বুদ্ধিৱ প্রভাৱে।
কেহো জনে আৱ তত্ত্ব অর্থক নপাৱে।
ৱৈকুণ্ঠৱ শাস্ত্র কৃষ্ণ মুখৱ বচন।
আৱ কি তত্ত্বক পাৱে সেই সেই জন ॥১১৮৬
শুদ্ধ ভাৱে লৈল যিটো কৃষ্ণত শৱণ।
ভকতিৱ প্রসাদে নির্ম্মল যাৱ মন ॥
সি সি মহাজনে আৱ তত্ত্বক পাৱয়।
ভাগৱত পুৱাণৱ কহিলো নির্ণয় ॥১১৮৭
নমো নমঃ কৃষ্ণ তযু অভয় চৱণে।
কায় বাক্য মনে হেৱা পশিলো শৱণে ॥
শৱণাগতক নেৱিবাহা কৃপাময়।
তযু পাৱে মন যেন সদায় থাকয় ॥১১৮৮
তুমি প্রিয়তম নিজ আত্মা মোৱ প্রাণ।
সুহৃদ বান্ধৱ তুমি বিনে নাহি আন ॥
মই সি পামৱ অজ্ঞ নজানো তোমাক।
এহি হেতু মায়া পাশে বান্ধিলে আমাক ॥১১৮৯
নাহি সীমা বন্দি হুয়া ফুৱো কত কাল।
এবে অনাথক কৃপা কৱিবাক ভাল ॥
বুঝিলাহা জ্ঞান প্রভু মই অধমৱ।
দাস হুয়া স্বামী সেৱা নকৱো বর্ব্বৱ ॥১১৯০
মোৱ দোষ গুণ নিৱিচাৱি নাৱায়ণ।
নিজ কৃপা গুণে মোত হৈয়োক প্রসন্ন ॥
এক লেশ মান কৱা করুণা ইৱাৱ।
তেবে মনোৱথ পুর্ণ হোৱয় আমাৱ ॥১১৯১
মোৱ ইন্দ্রিয়ৱ বৃত্তি তোমাত ৱহোক।
এহি মান অনুগ্রহ কৱিয়োক মোক ॥
কর্ণে কথা মনে ৰূপ মুখে তযু নাম।
ৱহোক সদায় ডাকি বোলা ৱাম ৱাম ॥ ১১৯২

ছবি।

এহি মানে বত্তাৱলী, ভাগৱত সাৱ তুলি,
লিখি আমি কৱিলো বেকত।
নাহি আত পৱে ধর্ম্ম, মোৱ ইটো নিজ কর্ম্ম
ফলে সবে সমর্পে কৃষ্ণত ॥
হে প্রভু শ্রীপতি তুমি দিলা যেন মতি,
সেহি বুদ্ধি বিভৱ সদৃশে।
পৱমার্থ নিৰূপণ, কৱিলোহো নাৱায়ণ,
তযু আজ্ঞা পালিলো হৱিষে ॥ ১১৯৩
যত যত্নে ইটো কর্ম্ম, কৱিলো সমস্তে ধর্ম্ম,
সমর্পিলো তোমাৱ চৱণে।
হে অগতিৱ গতি, নিজ ভক্ত সমস্থিতি,
তুমি মোত তুষ্ট হৈবা মনে ॥
সমর্পিয়া মাধৱত, মোৱ ইটো গ্রহমত,
কহো সর্ব্ব জনৱ সম্মত।
ভক্তি অর্থী মহন্তৱ, স্বভাৱে স্বীকাৱ মহা,
হৈব সদা পাঠ চিন্তনত ॥ ১১৯৪
বিষয়ীৱ বিষয়ক বিষয়ী প্রশংসে যেন
সেহিমতে যুক্তিমন্ত জনে।
তাদৃশ ভকতি হীনো অবশ্যে সাদৱ মহা
কৱিবে গ্রন্থত সর্ব্বক্ষণে ॥
নানা প্রকৱণ স্থিতি শ্লোক পৱস্পৱে আনি
লিখিলোহো এক বাক্য কৱি।
বিচাৱিবে শ্রম দেখি কদাচিতো প্রমাদত
প্রসঙ্গিবে তথাপি সাদৱি ॥ ১১৯৫
যিসব বিৱল নৱে পৱ গ্রন্থ নিন্দাকৱে
তাকো মই কৱোহো প্রার্থন।
বাৱম্বাৱ গ্রন্থ চাই দেখাহা দূষণ যেবে
তেবে মোক কৱিবা নিন্দন ॥
কৃষ্ণ ভক্তি নজানিয়া কেবলে নিন্দয় মাত্র
তাক মই কি বুলিবো আৱ।
পৱম নিন্দিবে ইচ্ছা হেন মহা দুর্ব্বাসনা
আছে পূর্ব্বে জন্মৱ তাহাৱ ॥ ১১৯৬
কিন্তু বহুবাৱ গ্রন্থ শুনন্তে কৃষ্ণৱ ভক্তি
হৈব তাৱ অৱশ্যে উদয়।
পৱনিন্দা দুর্ব্বাসনা গুচিবে এতেকে সর্ব্ব
সম্মতিক দেখইলো নিশ্চয় ॥
মোৱ দোষ অঙ্গীকাৱ কৱি গ্রন্থ মহিমায়ে
কহো সর্ব্ব জনৱ সাদৱ।
ইতিনি লোকত আৱ অল্প বুদ্ধিমন্ত নৱ
নাহি আন জন মোতপৱ ॥ ১১৯৭

অপ্রসিদ্ধ কুল শীল গুৰু শিষ্য ভাব লঙ্ঘি
যদি মই ভৈলো অনাচাৰ।
মোৰ কৃত্য তথাপিতো ভকতজনৰ মাঝে
নুহিবেক স্থলী অবজ্ঞাৰ ॥
যেন মধুমাখি সব কোন বা বিদ্যাৰ পাত্ৰ
কিবা কুল কিবা পৰাক্রম।
নুহিকে সুন্দৰ জাতি পৰ উপকাৰী অতি
নাহি গুণ কিছু শম দম ॥ ১১৯৮
তথাপিতো মুখে মধু সাক্ষি থৈয়া আছে যত
স্বভাবতে পৰম সুন্দৰ।
শ্রদ্ধা পূর্ব্বকে পান নকৰে কি তাক জানা
ৰসত কুশল যিটো নৰ ॥
সেহি মতে মাধৱৰ ভকতি অমৃত ৰস
জানে যিটো মহিমা ইহাৰ।
পৰম শ্রদ্ধায়ে পান কৰিবেক মোৰ যত
দোষ চয় কৰি পৰিহাৰ ॥ ১১৯৯
মহা কান্তি মালা যুক্ত, ভক্তি ৰত্নাৱলী গ্রন্থ,
কৰিলোহো অনেক যতনে।
বিচাৰিয়া পূর্ব্বাপৰ, ইহাৰ গুণক জানি,
তুমি সব তুষ্ট হৈবা মনে ॥
ইহাৰ শ্রীধৰ স্বামী, উক্তি লিখনত যত,
নুন্যাধিক ভৈল নিৰন্তৰ।
সিসব চঞ্চল দোষ, মই লুভিয়াৰ ক্ষমা,
কৰিবে উচিত মহন্তৰ ॥ ১২০০
শ্রীমন্ত পুৰুষোত্তম, চৰণ পঙ্কজ কৃপা,
মকৰন্দ বিন্দু প্রসাদত।
বিষ্ণুপুৰী বিৰচিত, শ্রীভক্তি ৰত্নাৱলী,
এহি মানে মৈল সমাপত ॥
শুনিয়োক সভাসদ, সাধু মহাজন সব,
বোলো মই কৰি কৃতাঞ্জলি।
মহামূঢ়মতি হুয়া, বিৰচিলো পদ বন্ধে,
মহাগ্রন্থ ভক্তি ৰত্নাৱলী ॥ ১২০১
ইহাত দূষণ দেখি, তুমি সব মহন্তৰ,
নুহি নিন্দা কৰিবে উচিত।
গ্রন্থ অর্থ যেন গূঢ়, মই যেন মতি মূঢ়,
ইটো অতি সবাতে বিদিত ॥
গুৰু শিক্ষা অনুসৰি, কৃষ্ণৰ চৰণ ধৰি
আপোনাৰ বুদ্ধি অনুসাৰে।
নিবন্ধিলো পদচয়, আত যেন দোষ হয়,
ক্ষমিবাক লাগয় সবাৰে ॥ ১২০২
কতো কথা স্পষ্ট হয়, কতো কথা স্পষ্ট নয়,
ইটো মোৰ বুদ্ধিৰেসে দোষ।
বোলোহো কাকুতি বাণী, মোক মূর্খ হেন জানি,
নকৰিবা আত অসন্তোষ ॥
কহো স্বৰূপত হিত, ইটো দিব্য কথামৃত,
শুনা শ্রদ্ধাভাৱে প্রতিনিত।
ভাগৱত তত্ত্বসাৰ, নাহি আত পৰে আৰ,
ভকতৰ ইসি নিজ বিত্ত ॥ ১২০৩
বৈকুণ্ঠৰ শাস্ত্র ইটো, চাৰিয়ো বেদৰ সাৰ,
কৃষ্ণৰ মুখৰ নিজ বাণী।
ভাগৱত, সাৰ তুলি, বিষ্ণুপুৰী মহামতি,
কৰিলন্ত সংগ্রহ প্রমাণি ॥
জানিয়া বিশ্বাস কৰা, কৃষ্ণত ভকতি ধৰা,
ত্যজি আন চাতুৰী সকল।
এহি কথা শ্রৱণত, জানিবা সমস্তে তত্ত্ব,
অনায়াসে মিলিবে মঙ্গল ॥ ১২০৪

দুলড়ি।

নমো নমঃ কৃষ্ণ, কৰুণা সাগৰ,
দেৱৰো ঈশ্বৰ দেৱ ॥
কায় বাক্য মনে, তোমাৰ চৰণে,
কৰো লক্ষ কোটি সেৱ।
তুমি যেন মতি, দিলা যদুপতি,
হৃদয়ে থাকি আমাৰ।
কহিলো স্বৰূপে, সেহি অনুৰূপে,
ৰচিলো ইটো পয়াৰ। ১২০৫
মুকখৰ মোৰ, বঢ়া টুটা আদি,
আছে দোষ যত যত ॥
নিজ কৃপা গুণে, সন্তোষে আপোন,
ক্ষমিয়ো তাক সমস্ত ॥
মই দুৰাচাৰ, নুহিকে তোমাৰ,
ভকতিৰ একো পাত্র।
তোমাৰ চৰণ, পশিয়া শৰণে,
কেৱলে প্রণামো মাত্র ॥ ১২০৬
হৈয়োক সদয়, কৃষ্ণ কৃপাময়,
মই অধমক প্রতি।
যেন সর্ব্বক্ষণে, কৰে মোৰ মনে,
তোমাৰ চৰণে ৰতি ॥
তথু বেদ বাণী শুনি আছো যিটো,
শৰণ লৱে তোমাত।
দুৰাচাৰো নষ্ট, নুহি কিন্তু সিটো,
কৃতার্থ হোৱে সাক্ষাত ॥ ১২০৭

জানিয়া পৰম, দুৰাচাৰ মই,
তোমাত লৈলো শৰণ ॥
কৈলো সত্য বাক, নেড়িবা আমাক,
তুমি প্রভু নাৰায়ণ ॥
সন্তৰ সঙ্গত, সর্ব্ব ভাবে যেন,
থাকো তথু সেৱা কৰি।
এহি অনুগ্রহ, হোক মোক লোক,
ডাকি বোলা হৰি হৰি ॥ ১২০৮

(ভক্তি-ৰত্নাৱলী সমাপ্ত)

জন্ম ৰহস্য

পদ

জয় জয় কৃষ্ণ পূর্ণব্রহ্ম কলেৱৰ।
জগত কাৰণ দেৱ দেৱ দামোদৰ॥
মৎস্য কূর্ম্ম আদি যাৰ অংশ অৱতাৰ।
হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ॥ ১
যাৰ আজ্ঞা পালে ব্রহ্মা বিষ্ণুমহেশ্বৰ।
সৃষ্টি স্থিতি প্রলয় কৰন্ত বাৰে বাৰ॥
যাৰ নামে হোৱৈ মহা পাপীয়ো উদ্ধাৰ।
হেনয় কৃষ্ণক কৰো কোটি নমস্কাৰ॥ ২
জয় নমো নাৰায়ণ দৈৱকী নন্দন।
ব্রহ্মা আদি দেৱে সেৱে যাহাৰ চৰণ॥
কৰো নমস্কাৰ হেন কৃষ্ণৰ চৰণে।
আৰম্ভৱ সিদ্ধি হৌক কৃষ্ণক স্মৰণে॥ ৩
হেন কৃষ্ণ কৃষ্ণ প্রভু তুমি মোৰ স্বামী।
চৰাচৰ জগতৰ তুমি অন্তর্য্যামী॥
পৰম অজ্ঞানী মই মহা মূঢ়মতি।
জানি হৃষীকেশ মোক দিয়ো অনুমতি॥ ৪
হৃদয়ৰ গুৰু তুমি বিনে নাহি কেৱ।
জানিয়া তোমাৰ পাৱে পৰি কৰো সেৱ॥
প্রণত পালক প্রভু তুমি হৃষীকেশ।
কৃপাময় কৃষ্ণ মোৰ দিয়ো উপদেশ॥ ৫
নমো নমো কৃষ্ণ দুষ্ট দৈত্য অন্তকাৰি।
শঙ্খ চক্র গদা পদ্ম যাৰ অস্ত্র চাৰি॥
হেনয় কৃষ্ণক কৰি চৰণে প্রণতি।
কহয় মাধৱ দাস হুয়া মূঢ়মতি॥ ৬
কৃষ্ণ পদ পঙ্কজক ধৰি এক মনে।
কৰো নমস্কাৰ নিজ গুৰুৰ চৰণে॥
বিৰচিবো জন্ম ৰহস্যৰ কথা সাৰ।
হৌক পদ কৃষ্ণপদ প্রসাদে প্রচাৰ॥ ৭
জন্ম ৰহস্যৰ কথা সাক্ষাতে অমৃত।
ভাগৱত কথা আত কৰিবো মিশ্রিত॥
কৃষ্ণ কথা সংযোগে হৈবেক ৰুচিকৰ।
ৰত্ন জ্যোতি চড়ৈ যেন কান্তি সুৱর্ণৰ॥ ৮
বোলো কৰযোৰে শুনিয়োক সভাসদ।
মূর্খ হয়া কৰো জন্ম ৰহস্যৰ পদ॥

আমাৰ পদত কেহো নধৰিবা দোষ।
কৃষ্ণ কথা শুনি মহা হুয়োক সন্তোষ॥ ৯
মই কেন মূঢ়মতি দেখা সর্ব্বজনে।
কৰি আছে পদ আৰ মহা মহা জনে॥
তাকে দেখি ময়ো পদ কৰিবাক চাওঁ।
গৰুড়ৰ উড়াক টেপছি হুয়া ধাওঁ॥ ১০
মোৰ ইটো দোষ ক্ষমা কৰিয়ো সজ্জনে।
কৃষ্ণ কথা অমৃতক পিয়া এক মনে॥
কৃষ্ণৰ জন্মৰ কথা অমৃত পৰম।
শুনা একচিতমনে পৰিয়া নিজম॥ ১১
কলিযুগে আউৰ আত পৰে গতি নাই।
সমস্ত শাস্ত্রৰ ইসে মুখ্য অভিপ্রায়॥
স্বভাৱে কলিৰ লোক ভৈল দুৰাচাৰ।
পাতকীৰ ধর্ম্মে কর্ম্মে নাহি অধিকাৰ॥ ১২
ৰাম নাম দুগুটী অক্ষৰ যিটো গাৱে।
কলি যুগে সিসে মহা সুখে মোক্ষ পাৱে॥
হেন জানি শুনা পাপ কৰিয়া উচ্চাদ।
জন্ম ৰহস্যৰ কথা নাৰদ সংবাদ॥ ১৩
পৰম মঙ্গল সর্ব্ব পাপ বিনাশন।
ধর্ম্ম অর্থ কাম মোক্ষ ইহাৰ কাৰণ॥
শ্রৱণে মাত্রকে মহা কৃতকৃত্য হোৱে।
সাধৈ সর্ব্ব অর্থ একো বিঘিনি নোচোৱে॥ ১৪
ভৈল একার্ণৱ জল প্রলয় কালত।
নষ্ট ভৈল স্থাৱৰ জঙ্গম আছে যত॥
চন্দ্র সূর্য্য বায়ু গ্রহ নক্ষত্র সমস্ত।
তিনিয়ো জগত প্রলয়ত গৈল অস্ত॥ ১৫
স্থূল কায় নষ্ট ভৈল সমস্ত জীৱৰ।
সূক্ষ্ম শৰীৰত মাত্র ৰৈল নিৰন্তৰ॥
কৰিলা সঙ্কোচ কৃষ্ণে মায়া আপোনাৰ।
নিজ ৰূপে ৰাখিলন্ত সমস্তে সংসাৰ॥ ১৬
নিজ ঐশ্বর্য্যক হৰি কৰিয়া প্রকাশ।
সমস্তে জীৱক উদৰতে দিলা বাস॥
জগত সংহৰি হৰি কৰি মহা লীলা।
অনন্ত শয্যাত প্রভু একলে ৰহিলা॥ ১৭
আত অনন্তৰে কথা শুনা সভাসদ।
হৰি গুণ গায় সুখে ফুৰন্ত নাৰদ॥

নোচোৱয় তাক্ষ প্রলয়ৰ একো দোষে।
মিলিলা তহিতে আসি পৰম সন্তোষে॥ ১৮
সাক্ষাতে কৃষ্ণক দেখিলন্ত মুনিবৰ।
প্রকাশে শৰীৰ কোটি সূর্য্য সমসৰ॥
মৰকত সম শ্যাম তাতে পীত বাস।
সজল মেঘত যেন বিজুলি প্রকাশ॥ ১৯
প্রসন্ন বদন কোটি চন্দ্র সমজলে।
ৰত্নৰ কিৰাটি শিৰে সম নাহি মোলে॥
কমল লোচন কর্ণে মকৰ কুণ্ডল।
তাৰ ৰশ্মি প্রকাশে পাণ্ডুৰ গণ্ড স্থল॥ ২০
ভ্রূয় সুৱলিত দন্ত মুকুতাৰ পান্তি।
ললাটত ৰত্নৰ তিলকে কৰে কান্তি॥
সুন্দৰ নাসিকা যেন ৰত্ন তিল ফুল।
ইষত হসিত চাৰু অধৰ ৰাতুল॥ ২১
অলকা পঙ্কতি প্রকাশিত আতিশয়।
পদ্মক বেঢিয়া যেন ভ্রমৰে ৰঞ্জয়॥
ৰুচিৰ চিবুক নীল আকুঞ্চিত কেশ।
চূড়ামণি ৰত্ন তাতে অধিকে সুবেশ॥ ২২
কণ্ঠত কৌস্তুভ নৱ আদিত্যৰ কান্তি।
বহুল হৃদয় জলে শ্রীবৎসৰ পান্তি॥
জিলি মিলি হাৰ মণি মুকুতাৰ মালা।
নানা ৰত্নে বিৰচিত কতিত মেখলা॥ ২৩
পঞ্চবর্ণে বনমালা আপাদলম্বিত।
হৃদয় মধ্যত লক্ষ্মী দিলন্ত বিদিত॥
অজানুলম্বিত জলে বাহু চাৰিখান।
ভুঅঙ্গৰ অঙ্গ সম দেখিতে সুঠান॥ ২৪
কেয়ুৰ কঙ্কণ তাতে ৰতনে ৰঞ্জিত।
কৰতল ৰাতুল কোমল মনোনীত॥
সুদীর্ঘ অঙ্গুলি জাপ সোণাৰ আঙ্গুষ্ঠি।
নখ চন্দ্রয়ক দেখন্তে মন তুষ্টি॥ ২৫
শঙ্খ চক্র গদা পদ্ম হাতে চাৰি অস্ত্র।
কান্ধে নৱ গুণ শৰীৰত পীত বস্ত্র॥
ললিত বলিত উদৰত ৰেখা তিনি।
সুগম্ভীৰ নাভি ৰত্নে ৰচিত কিঙ্কিণী॥ ২৬
পাট পীত ভুনি উৰু সম কৰিকৰ।
সম জানু জঙ্ঘা মাজে ৰত্নৰ হোড়ৰ॥
দুখানি চৰণ যেন নৱ পদ্ম কোষ।
যাক দেখি ভকতৰ মনত সন্তোষ॥ ২৭
তাৰ মাজে ৰত্নৰ নূপুৰে কৰে কান্তি॥
চম্পাৰ পাকৰি যেন আঙ্গুলিৰ পান্তি॥
তাৰ মাজে জলে আতি উজটি ৰত্নৰ।
জলে নখ মণি নৱ চন্দ্র সমসৰ॥ ২৮

ৰাতুল কোমল পদতলে মনোনীত।
ধ্বজ ব্রজ যব পদ্ম অঙ্কুশে অঙ্কিত॥
শৰীৰৰ কান্তি দশো দিশ প্রকাশন্ত।
হেন ৰূপে কৃষ্ণক নাৰদে দেখিলন্ত॥ ২৯
আনন্দে দ্রবিল মন শৰীৰ সিহঁৰে।
পৰম প্রেমত নয়নৰ নীৰ ঝৰে॥
ডাক চাৰি উচ্চাৰিলা ৰাম কৃষ্ণ নাম।
কৰিলা সাদৰে পৰি অষ্টাঙ্গে প্রণাম॥ ৩০
চৰণত পৰি আছিলন্ত কতো বেলি।
উঠি পুনৰপি মুনি কৰি কৃতাঞ্জলি॥
নৰঝাই বাণী প্রেমে ৰাক্য গদ গদ।
স্তুতি কৰিবাক পাছে লাগিলা নাৰদ॥ ৩১
নমো নমো নাৰায়ণ অনাদি অনন্ত।
নিত্য নিৰঞ্জন পূর্ণব্রহ্ম ভগৱন্ত॥
প্রকৃতিতো পৰ পৰমার্থ ৰূপদেৱ।
তোমাৰ চৰণে কৰো লক্ষ কোটি সেৱ॥ ৩২
কটাক্ষতে কৰা প্রকৃতিক সচেতন।
লীলা ৰূপে কৰা সৃষ্টি প্রলয় পালন॥
ব্রহ্মা ৰূপ ধৰি সৃজা যত চৰাচৰ।
বিষ্ণুৰূপে জগতকে পালা নিৰন্তৰ॥ ৩৩
ৰুদ্রৰূপে কৰা প্রভু প্রলয় আপুনে।
তথাপি তোমাক নোচোৱয় দোষ গুণে॥
কৰিলা অধীন মায়া নিজ যোগ বলে।
তুমি মাত্র সঞ্চা আন প্রপঞ্চ সকলে॥ ৩৪
তোমাৰ অন্তৰ নুহি জগতে যতেক।
তুমি পুনু প্রভু প্রপঞ্চত ব্যতিৰেক॥
যেন মাটি বিনে স্থিতি নাহিকো ঘটৰ।
ঘট ব্যতিৰেকে মাটি থাকে নিৰন্তৰ॥ ৩৫
তুমি মাত্র সঞ্চা মিছা আন ৰূপ যত।
যেন নানা লতা চটা দেখিয়া বস্ত্রত॥
সূতা মাত্র সঞ্চা পৰমার্থ বিচাৰত।
এতেকে তুমিসে সত্য তিনিয়ো লোকত॥ ৩৬
জানিয়া তোমাক মাত্র যিটো মহাজন।
তযু গুণ নাম কৰে শ্রৱণ কীর্ত্তন॥
প্রেম নাম আনন্দ সাগৰ মাজে মজে।
মুকুতি পদকো সিটো তোমাক নোখোজে॥ ৩৭
চাৰিয়ো বেদৰ তত্ত্ব তযু গুণ নাম।
যিজনে সুমৰে আক তেজি আন কাম॥
কায়বাক্যমনে লৱে শৰণ তোমাত।
সিসে অপ্রয়াসে এৰাই সংসাৰৰ হাত॥ ৩৮
তোমাৰ ভকতি সুখ অমৃত পৰম।
তেজি আক যিটো জ্ঞান পথে কৰে শ্রম॥

তাৰ লাভ শ্রম মাত্র তোমাক নজানে ॥
চাউল আশা কৰি যেন পতান বাহানে ॥ ৩৯
যিটো জনে ভৈল প্রভু তোমাৰ বিমুখ ।
কদাচিতো সিটো নেৰাই সংসাৰৰ দুখ ॥
ৰাতি দিনে সকাম কর্ম্মক মাত্র কৰে ।
স্বর্গ নৰকত আয়াযাত কৰি মৰে ॥ ৪০
আনো নানা স্তুতি কৰি নাৰদ আছন্ত ।
তাৰ পাছে আশ্বাস কৰিয়া ভগৱন্ত ॥
অনেক সাদৰে তাৰ পুছিলন্ত পাছে ।
কি কার্য্যে আসিলা ঋষিৰাজ মোৰ কাছে ॥ ৪১
পৰম সুহৃদ তুমি মোৰ প্রিয়তম ।
নাহি আন ভকত নাৰদ তুমি সম ॥
জগত পবিত্রকাৰী তুমি মুনিবৰ ।
কিবা কার্য্য সাধো মোত কহিয়ো সত্বৰ ॥ ৪২
হেন শুনি কৃষ্ণত নাৰদ নিগদতি ।
তোমাৰ চৰণ আসি দেখিলো সম্প্রতি ॥
আত পৰে আছে আউৰ কোন প্রয়োজন ।
তোমাৰ ভকতি প্রভু মোৰ মহাধন ॥ ৪৩
মোৰ যেন কাম শুনিয়োক দেৱ হৰি ।
সাম্প্রতে আছাহা তুমি জগতে সংহৰি ॥
প্রলয়ৰ অন্তে সৃষ্টি কৰিবা দুনাই ।
কেন কেন ৰূপে তাত দেখিবো গোঁসাই ॥ ৪৪
যদি মোক অনুগ্রহ থাকে বাসুদেৱ ।
কহিয়োক নিষ্টে চৰণত কৰো সেৱ ॥
দেৱৰো দেৱতা তুমি জগত কাৰণ ।
প্রভু ভগৱন্ত পূর্ণব্রহ্ম নাৰায়ণ ॥ ৪৫
কহিয়ো নিশেষে মোত কৰিয়া নিশ্চয় ।
শুনি হেন কথা পাছে কৃষ্ণ কৃপাময় ॥
নাৰদক প্রতি মহা ককণা মিলিল ।
পৰম উৎসুকে তাৰ কহিবে লাগিল ॥ ৪৬
শুনা সভাসদ কথা কৃষ্ণৰ চৰিত্র ।
দুর্লভ লভিছা জন্ম ভাৰত ভূমিত ॥
কৃষ্ণৰ ভকতি বিনে ব্যর্থে যাই আয়ু ।
কৈত কেতিক্ষণে পৰে ইটো প্রাণ বায়ু ॥ ৪৭
দেৱ সৰো বাঞ্ছা কৰে মনুষ্য হইবাক ।
কিনো ভাগ্যে অপ্রয়াসে পায়া আছা আক ॥
কৃষ্ণৰেসে কৃপা তাত নাহি আন হেতু ।
জানি সুখে তৰা ৰাম নামে বান্ধি সেতু ॥ ৪৮
কলিৰ পৰম ধর্ম্ম নাম বিনে নাই ।
বিচাৰিয়া দেখা গীতা-ভাগৱত চাই ॥
পৰম বান্ধৱ জানি মাধৱৰ নাম ।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ॥ ৪৯

দুলড়ী

গোবিন্দ বদতি শুনা মুনিবৰ
পুছিলা যেন আপুনি ।
পৰম ৰহস্য মোৰ জন্ম কথা
একচিত্তে থাকা শুনি ॥
ইহাৰ শ্রৱণে কীর্ত্তনে হৈবেক
সমস্ত পাপত শুদ্ধি ।
অপ্রয়াসে মহা মুকুতি পাইবেক
মোত আছে যাৰ বুদ্ধি ॥ ৫০
মৎস্য কূর্ম্ম মহা ৰৰাহ নৃসিংহ
ৰামন পৰশুৰাম ।
শ্রীৰাম হলিৰাম বোধ কল্কী
মোৰ দিব্য দশনাম ॥
এহি দশৰূপে আমাক দেখিবা
তুমি মহা মুনিৰাজ ।
শুনা আৰে মই যেন যেনৰূপে
কৰিবোহো যেন কাজ ॥ ৫১
ব্রাহ্মণ সবৰ মহা প্রীতিকৰ
মোৰ বেদবাণী যত ।
সিটো চাৰি বেদ যাইবে সবে তল
প্রলয় মহ' জলত ॥
প্রথমতে মই হইবো অৱতাৰ
কহো মৎস্য ৰূপ ধৰি ।
প্রলয় জলৰ হস্তে চাৰি বেদ
আনিবোহো লীলা কৰি ॥ ৫২
সপত সাগৰ হইবে একতৰ
তাত মহাপীড়া পাই ।
কৰিবন্ত মোত অনেক ভকতি
সত্যব্রত মহাৰায় ॥
এহি ৰূপে তাৰ দিবোহো নির্ভয়
পৃথিবী নৌকাত তুলি ।
অভকতে মৎস্য দেখিবে ভকতে
জানিবে ঈশ্বৰ বুলি ॥ ৫৩
অমৃতৰ পদে মথিবে সাগৰ
যত দেৱাসুৰ বলে ।
মন্দৰ পর্ব্বত সমূলঙ্কে তল
যাইবে সাগৰৰ জলে ॥
তাৰ অর্থে মই হইবো অৱতাৰ
কূর্ম্মৰূপে ভয়ঙ্কৰ ।
পৰম লীলায়ে পিঠিত কৰিয়া
তুলিবো গিৰি মন্দৰ ॥ ৫৪

দুর্জ্জন সকলে আক্রমিবে ভুমি
তাত মহা পীড়া পাইব ।
ভাৰ সহিবাক নপাৰি পৃথিবী
ঘোৰ ৰসাতলে যাইব ॥
হেন দেখি মই হইবো অৱতাৰ
ৰৰাহ স্বৰূপ ধৰি ।
পাতালৰ হন্তে আনিবো পৃথিবী
দন্তৰ আগে উদ্ধাৰি ॥ ৫৫
হিৰণ্যাক্ষ নামে দৈত্যক ৰধিবো
দান্তে চিৰি সমুদাই ।
শুনা মুনিবৰ পৰম কৌতুকে
থাকিবাহা লীলা চাই ॥
হিৰণ্য কশিপু নামে ঘোৰ দৈত্য
হিৰণ্যৰ শ্রেষ্ঠ ভাই ।
তিনিয়ো জগত কৰিবে অধীন
বিধতাৰ ৰৰ পায় ॥ ৫৬
মহা শুভ নর তাহান তনয়
বৈষ্ণৱ আতি প্রহ্লাদ ।
মোক হিংসা পদে দুর্ব্বাৰ অসুৰে
কৰিবে তাৰ বিবাদ ॥
ভকতৰ দুখ দেখি মুনিবৰ
নসহে হৃদি আমাৰ ।
তাহান দুখক খণ্ডিবাক লাগি
আসি হৈবো অৱতাৰ ॥ ৫৭
অর্দ্ধেক শৰীৰ মনুষ্য আকাৰ
অর্দ্ধেক হৈবেক সিংহ ।
মহা ভয়ঙ্কৰ দিব্য কলেৱৰ
দেখিতে আতি বিভিঙ্গ ॥
দেখি সিটো মোক কৰিবেক যুদ্ধ
দৈত্য মহা অহঙ্কাৰী ।
পৰম লীলায়ে বধিবো তাহাক
হৃদয় নখে বিদাৰি ॥ ৫৮
ভক্ত প্রহ্লাদক কৰিবো আশ্বাস
দেৱক দিবো নির্ভয় ।
এহি ৰূপে মোক দেখিবা আপুনি
তুমি মুনি মহাশয় ॥
সত্য ত্রেতা দুই যুগৰ সন্ধ্যাত
আদিতিত হন্তে জাত ।
হইৱন্ত দ্বাদশ আদিত্য কশ্যপ
ঋষিৰ বীর্য্যে সাক্ষাত ॥ ৫৯
তাসম্বাক বাণী স্বর্গৰ নিকালি
খেদাইব গাৱষ বলে ।

পৃথিবীত ভিক্ষা মাগি ফুৰিবন্ত
যতেক দেৱ সকলে ॥
অদিতি আসিয়া মোক আৰাধিব
দেখি দুখ দেৱতাৰ ।
অদিতিৰ গর্ভে ৰামন স্বৰূপে
হইবো মই অৱতাৰ ॥ ৬০
দেখি মোক আতি ব্রাহ্মণ সকলে
কৰিব স্তুতি ভকতি ।
বটু ৰূপ ধৰি চলি যাইবো পাছে
বলিৰ সভাক প্রতি ॥
ছলিয়া বলিক পাতালে পঠাইবো
নাহিকে আত সংশয় ।
পাছে দেৱ মানে নিজ নিজ স্থানে
থাপিবো দেৱতাচয় ॥ ৬১
আপুনি উপেন্দ্র হয়া জগতৰ
খণ্ডিবো সবে আপদ ।
হেন দিব্য ৰূপে আমাক সাক্ষাতে
দেখিবা তুমি নাৰদ ॥
জন্ম ৰহস্যৰ কথা মনোহৰ
কৰন্ত আপুনি হৰি ।
পৰম কৌতুকে আছন্ত নাৰদ
শুনি এক চিত্ত কৰি ॥ ৬২
পৰম অমৃত কৃষ্ণৰ চৰিত্র
শুনা সমাজিক লোক ।
কৃষ্ণৰ চৰণে ধৰা একমনে
থুকৰ উদ্ধাৰ হোক ॥
ভৈল অচেতন পৰে কেতিক্ষণ
ক্ষণিক ইটো শৰীৰ ।
কৰে তল বল পদ্মৰ পত্রত
জল যেন হুহি স্থির ॥ ৬৩
ভাৰত ভূমিত দুর্ল্লভ মনুষ্য
শৰীৰ আছাহা পায় ।
কোটি কোটি জন্ম অন্তৰে সেহৰে
নপাইবা আক দুনাই ॥
জন্ম চিন্তামণি সংসাৰ তৰণী
নেনা আক আলে জালে ।
বিষয়তে আউল ভৈল যেন বাউল
গিলি আসিলেক কালে ॥ ৬৪
জানিয়া কৃষ্ণৰ চৰণে শৰণ
লোৱা এক চিত্ত কৰি ।
শুনা সভাসদ হয়া নিশব্দ
কেন কৃপাময় হৰি ॥

পূতনা পিশাচী দিলা বিষ দান
কৃষ্ণক মাৰিবে মনে।
তথাপিতো তাইক জননীৰ গতি
দিলা প্ৰভু নাৰায়ণে ॥৬৫
ৰাক সম নাই পাতকী লোকত
মহাপাপী অজামিল।
নামৰ আভাষে স্মৰণ মাত্ৰকে
তাকো বৈকুণ্ঠক নিল ॥
এতেকে জানিবা নামৰ সমান
ধৰ্ম্ম নাহি সংসাৰত।
তেজি আন মন কৰিয়া যতন
শৰণ লৈয়ো নামত ॥ ৬৬
কলিৰ দুৰ্ঘোৰ পাপ সাগৰত
তৰিবাৰ সুখ পন্থ।
সাৰত্তৰ কবি এহিসে কহয়
গীতা ভাগৱত গ্ৰন্থ ॥
যাৰ আছে ইচ্ছা সংসাৰ সাগৰ
তৰিবাৰ কৰা কাম।
ৰচিলা মাধৱ নামেসে বান্ধৱ
জানি বোলা ৰাম ৰাম ॥ ৬৭

পদ

মাধৱ বদতি শুনিয়োক মুনিবৰ।
মোহোৰ জন্মৰ কথা আত অনন্তৰ ॥
যামদগ্নী নামে ঋষি হৈহন্ত প্ৰখ্যাত।
এক অংশে তাহনে গৃহত হৈবো জাত ॥ ৬৮
পৰ্ত্তৰাম নাম মোৰ হৈবেক প্ৰচাৰ।
শ্ৰেষ্ঠ অস্ত্ৰ হৈবে মোৰ পৰশু কুঠাৰ ॥
দুৰ্জ্জন ক্ষত্ৰিয় সব কাটিবো অপাৰ।
মহাপাপী সব পৃথিবীৰ হুইব ভাৰ ॥ ৬৯
হাতত পৰশু ধৰি কৰিবো প্ৰয়াণ।
সজ্জিত বাহনে তাক কৰিবো নিৰ্য্যাণ ॥
বিচাৰিয়া পৃথিবীক তিনি সাতবাৰ।
কৰিবো লীলায়ে ক্ষত্ৰিয়ক বুদ্ধামাৰ ॥ ৭০
সপ্তদ্বীপা পৃথিবীক নিক্ষত্ৰী কৰিবো।
সাতো খণ্ড ভূমি ব্ৰাহ্মণক দান দিবো ॥
আপুনি থাকিবো ঋষি ধৰ্ম্মক আচৰি।
এহিৰূপে আমাক দেখিবা নিষ্ট কৰি ॥ ৭১
দ্বাপৰৰ আদি ত্ৰেতা যুগৰ অন্তত।
হুইবো অৱতাৰ দুইবো সন্ধ্যা সময়ত ॥
দশৰথ ৰাজাৰ গৃহত হুইবো জাত।
শ্ৰীৰাম নাম মোৰ হুইবেক প্ৰখ্যাত ॥ ৭২
কৌশল্যা মাৱৰ কীৰ্ত্তি বঢ়াইবো বিস্তৰ।
কৰিবো বিবাহ সীতা জীউ জনেকৰ ॥
অযোধ্যাত ভোগ পাছে ভুঞ্জিবো অশেষ।
যাইবো বনবাস পালি পিতৃৰ আদেশ ॥ ৭৩
লক্ষ্মণ জানকী সমে বঞ্চিবো বনত।
কৰিবোহো ভোগ্য সুখে বনফল যত ॥
শূৰ্পনখা আসি কামে বৰিবে আমাক।
কাটিব লক্ষ্মণে তাইৰ ধৰি কাণ নাক ॥ ৭৪
চতুৰ্দ্দশ সহস্ৰ ৰাক্ষস সমন্বিতে।
খৰ দূষণক মই বধিবো তহিতে ॥
মাৰীচৰ লৈবো প্ৰাণ মাৰি ঘোৰ শৰ।
আত অনন্তৰে কথা শুনা মুনিবৰ ॥ ৭৫
নিবেক সীতাক হৰি দুৰ্জন ৰাৱণে।
লক্ষ্মণ সহিতে পাছে বিচাৰিবো বনে ॥
মৰিব জটায়ু পক্ষী সীতাক ৰাখন্তে।
পাইবো দৰিশন তাঙ্ক সীতাক খোজন্তে ॥ ৭৬
কৰিবো সমস্তে তান প্ৰেত-কাৰ্য্য যত।
বিৰোধ কবন্ধ দুইকো বধিবো ৰণত ॥
সুগ্ৰীৱৰ সহিতে পাছে সখিত্ব কৰিবো।
মহা বলৱন্ত বালী ৰাজাক বধিবো ॥ ৭৭
সুগ্ৰীৱক ৰাজ্য দিবো সত্য সাক্ষলিবো।
সাগৰত বান্ধি সেতু লঙ্কাক চলিবো ॥
দুৰ্জ্জন ৰাক্ষস মহা দেৱতাৰ ৰৈৰী।
যুদ্ধক আসিব খেদি হাতে অস্ত্ৰ ধৰি ॥ ৭৮
মাৰিবো ৰণত তাক কৰিয়া নিগুটী।
আসিব ৰাৱণ পাছে কবি আতি মুটি ॥
ৰানৰ কটক মাৰিবেক ক্ৰোধ কৰি।
হেন দেখি হাতে দিবা ব্ৰহ্মঅস্ত্ৰ ধৰি ॥ ৭৯
মাৰিবো ৰাৱণ ঘোৰ দেৱৰ কণ্টক।
সপুত্ৰ বান্ধৱে তাক পঠাইবো যমক ॥
হৰি পৃথিবীৰ ভাৰ সাধি দেৱকাজ।
বিভীষণ মিত্ৰক দিবোহো লঙ্কাৰাজ ॥ ৮০
কহো শুনিয়োক নিষ্ট কবি মহামতি।
যাৱে থাকে চন্দ্ৰ সূৰ্য্য বায়ু বসুমতী ॥
যাৱে ৰাম কথা মোৰ প্ৰচাৰে সাক্ষাত।
বিভীষণে তাৱে ৰাজ্য কৰিবে লঙ্কাত ॥ ৮১
স্থাপি বিভীষণ পাছে আনিবো সীতাক।
ৰানৰ ভালুক সমে যাইবো অযোধ্যাক ॥
পাইবে দুখ সমৰত ভালুক ৰানৰ।
তাসম্বাক প্ৰসাদে বঞ্চিবো নিৰন্তৰ ॥ ৮২

ভাৰ্য্যা ভাতৃ সমে দশ হাজাৰ বৎসৰ।
ভুঞ্জিবোহো ৰাজ্য অযোধ্যাত নিৰন্তৰ ॥
লীলা ৰূপে পৃথিবীৰ সঙ্কলিবো কাজ।
এহি ৰূপে আপোনাক দেখিবা মুনিৰাজ ॥ ৮৩
শুনা মুনিবৰ আত অন্তৰে সাক্ষাত।
দেৱৰ নিমিত্তে পুনৰপি হুইবো জাত ॥
দ্বাপৰ যুগৰ অন্ত কলিৰ আদ্যত।
বসুদেৱ গৃহৈ দৈৱকীৰ উদৰত ॥ ৮৪
ভাদ্ৰমাসে কৃষ্ণপক্ষ অষ্টমী তিথিত।
ৰোহিণী নক্ষত্ৰ আসি হুইব উপস্থিত ॥
অৰ্দ্ধৰাত্ৰি শুভগ্ৰহ শুভ সময়ত।
হৈব শান্তচিত্ত সুৰ নৰ মুনি যত ॥ ৮৫
তিনিয়ো জগত শান্ত হুইবে সিবেলাত।
সুৰভী শীতল অনুক্ষণে হৈবে বাত ॥
ব্ৰহ্মা আদি দেৱে কৰিবন্ত স্তুতি নতি।
হেন শুভ সময়ত হুইবো উতপতি ॥ ৮৬
নিজৰূপে অৱতাৰ হুইবো মুনিবৰ।
দেখি পিতৃ মাতৃ স্তুতি কৰিব বিস্তৰ ॥
তাসম্বাৰ প্ৰীতি আতি সাধিবাক প্ৰতি।
হুইবো শিশুৰূপ পাছে তৈতে মহামতি ॥ ৮৭
দেখি বসুদেৱে মোক কোলে তুলি লৈব।
কংসৰ ভয়ত নিয়া গোকুলত থৈব ॥
বাসুদেৱ নাম মোৰ হুইবেক প্ৰচাৰ।
বঢ়াইবো আনন্দ আতি নন্দ যশোদাৰ ॥ ৮৮
কি কহিবো মোৰ বল বীৰ্য্যৰ মহিমা।
অনন্ত অচিন্ত্য প্ৰভাৱৰ নাহি সীমা ॥
তথাপিতো কিছু কহো শুনা মহামুনি।
যেন যেন কৰ্ম্ম মই কৰিবো আপুনি ॥ ৮৯
পৰম পৱিত্ৰ কথা মোৰ জন্ম কৰ্ম্ম।
নহি আত পৰে মনুষ্যৰ শ্ৰেষ্ঠ ধৰ্ম্ম ॥
হুয়া এক শৰণ আমাত যিটো নৰ।
শ্ৰৱণ কীৰ্ত্তন আক কৰে নিৰন্তৰ ॥ ৯০
তৰিবেক সুখে সংসাৰৰ যত দুখ।
গৃহতে থাকিয়া পাইবে মহা মোক্ষ সুখ ॥
মোহোৰ পৰম প্ৰিয় নাহি তাত পৰে।
কি কহিবো মুনি সিটো মোক বশ্য কৰে ॥ ৯১
হেন জানি মুনি তুমি পৰম কৌতুকে।
মোহোৰ জন্মৰ কথা শুনিয়ো উৎসুকে ॥
নন্দ যশোদাৰ গৃহে থাকি বিদ্যমান।
লীলা কৰি অনেক দৈত্যৰ লৈবো প্ৰাণ ॥ ৯২
প্ৰথমে মাৰিবে মোক আসিবে পূতনা।
কৰি স্তনপান তাইৰ শুষিবো চেতনা ॥
ওভোটাইবো শকতক চৰণ আঘাতে।
আকাশক নিবে মোক দৈত্য চক্ৰবাতে ॥ ৯৩
মাৰিবো লীলায়ে তাক গলে চেপি ধৰি।
শিলত পেহ্লাইবো তাক চুৰ্ণীকৃত কৰি ॥
লৱনু খাইবাৰ পদে মোক ধৰি আনি।
বান্ধিব যশোদা মাৱে উকখল টানি ॥ ৯৪
আছো মায়া পাশে বান্ধি ভগত সকলে।
মোক বান্ধিবাক গোপী ভকতিৰ বলে ॥
পৰম ঈশ্বৰ মই ভকতৰ বশ্য।
কৰিলো তোমাত ইটো পৰম ৰহস্য ॥ ৯৫
বান্ধে সমায়তে পাছে উড়ল ঘসাই।
যমলা অৰ্জ্জুন দুই বৃক্ষত লগাই ॥
উভঞ্জিবো দুই বৃক্ষ মহালীলা কৰি।
কৰিবেক স্তুতি মোক দিব্য ৰূপ ধৰি ॥ ৯৬
হুয়া তুষ্ট দুইকো পাছে দিবো অনুমতি।
যাইবে নিজ থানে দুয়ো কুবেৰ সন্ততি ॥
এহিমতে কবি লীলা গোলোকবাসীক।
আনন্দ বঢ়ায়া চিত বঞ্জিবো অধিক ॥ ৯৭
গোকুলৰ হন্তে পাছে যাইবো বৃন্দাবন।
কৰিবোহো ক্ৰীড়া লগে লৈয়া গোপগণ ॥
যমুনা পুলিন বনে বাচক চাৰিবো।
গাছলে আছাৰি বৎস অসুৰ মাৰিবো ॥ ৯৮
বকনামে অসুৰে গিলিবে ধৰি মোক।
দেখি গোপ শিশুগণে পাইব মহাশোক ॥
দেখি তাসম্বাৰ মহা প্ৰীতিক সাধিবো।
অগ্নি কুণ্ডে যেন তাৰ তালুত লাগিবো ॥৯৯
পায়া চোট মোক পেহ্লাইবেক ৰাজকৰি।
চিৰিয়া মাৰিবো তাক হাতে ঠোণ্ট ধৰি ॥
দেখি শিশু সবে মহা আনন্দক পাইব।
বকৰ বধৰ কথা গোষ্ঠত জনাইব ॥১০০
আসিবেক অঘাসুৰে ঘোৰ মায়া কৰি।
পন্থত থাকিবে চুম্পি সৰ্পৰূপ ধৰি ॥
গোৰক্ষ দামুৰি সমে পশিবো গৰ্ভত।
গল ভেণ্টি কৰিবো তাহাৰ প্ৰাণ হত ॥১০১
মোৰ পৰশনে কৰ্ম্মবন্ধ হুয়া হীন।
অঘাসুৰ মোহোৰ চৰণে যাইব লীন ॥
মোহোৰ মহিমা ব্ৰহ্মা পৰীক্ষা কৰিব।
চুৰি কৰি গোৰক্ষ দামুৰি সবে নিব ॥১০২
হেন দেখি মই পাছে নিজ যোগবলে।
গোৰক্ষ দামুৰি সবে হুইবো অবিকলে ॥
দেখিবেক মোৰ মহা মহিমা সকল।
মোহ নাম সাগৰত ব্ৰহ্মা যাইব তল ॥১০৩

আপোনাৰ নিজৰূপ কৰিয়া সংহাৰ।
কৰিবো ব্ৰহ্মাক মোহ সাগৰে উদ্ধাৰ॥
কৰিবন্ত স্তুতি মোৰ বখানি মহিমা।
লৈয়া অনুমতি নিজ থানে যাইব ব্ৰহ্মা॥১০৪
আত অনন্তৰে মই সাধি দেৱ কাজ।
সবান্ধৱে বধিবো ধেনুক দৈত্যৰাজ॥
ধৰি পাছ ভৰি হাতে তালক আছাৰি।
ভুঞ্জাইবো গোপক পকাতাল ফল পাৰি॥১০৫
কালিন্দীৰ হ্ৰদত বঞ্চিবে কালি সৰ্প।
তাহাকো দমিবো মই কৰি মহা দৰ্প॥
মৰিব গোৰক্ষ গৰু তাৰ পানী খাই।
কটাক্ষতে জীয়াইবো অমৃত দৃষ্টি চাই॥১০৬
তাক দমিবাক কোপ কৰিয়া মনত।
চৰিবোহো বস্ত্ৰ কাছি কদম্ব বৃক্ষত॥
ঝাম্প দিয়া যমুনাৰ হ্ৰদত পৰিবো।
আছাৰিয়া বাহু মহা আনন্দে ক্ৰীড়িবো॥১০৭
খেদি আসি কালি মোক দেখি বিদ্যমানে।
দংশিবেক সিটো মোক লক্ষি মৰ্ম্মস্থানে॥
কৰিবেক বন্দি মোক লাঙ্গুলে মেড়াই।
থাকিবো ক্ষেণিকে নৰ চেষ্টাক দেখাই॥১০৮
গোকুলৰ লোকে শোক পাইবে মোক চাই।
কান্দিব যশোদা গুণ বৰ্ণাই বৰ্ণাই॥
ভকতৰ দুখে হৃদি দহবে সাক্ষাত।
কৰিয়া আছোট পাছে এড়াই তাৰ হাত॥১০৯
লাম্ফ দিয়া তাৰ শিৰে চৰিবো উৎসুকে।
শতেক শিৰত ৰঙ্গে নাছিবো কৌতুকে॥
মোৰ পয়োভৱে তাৰ ভাগিবেক শিৰ।
পায়া পীড়া নাকে মুখে ছাদিব কধিৰ॥১১০
স্বামী মৰে দেখি তাৰ পত্নীগণে আসি।
কৰিবেক তুতি মোৰ মহিমা প্ৰকাশি॥
তাসম্বাৰ তুষ্ট মই হুয়া আতিশয়।
দিবো সিটো কালি মহাসৰ্পক নিৰ্ভয়॥১১১
গুচাইবো নিকালি তৈৰ প্ৰাণ বাখি তাৰ।
কৰিবো নিৰ্ব্বিষ পাছে জল যমুনাৰ॥
তীৰত উঠিয়া বনাগ্নিক কৰি পান।
গোকুলবাসীৰ দুখ কৰিবো নিৰ্য্যাণ॥১১২
এহিমতে কৰি ক্ৰীড়া ফুৰিবো বনত।
মৰাইবো প্ৰলম্ব বলোভদ্ৰৰ হাতত॥
গোপ গৰুগণক বেঢ়িবে বন জুই।
আমাত শৰণ লৈবে ঊৰ্দ্ধ মুখ হই॥১১৩
তাসম্বাৰ সিটো মহা দুখ দূৰ কৰি।
বন জুইক কৰি পান আনিবো উদ্ধাৰি॥
মোক আসে ব্ৰত আছাৰিবে গোপীযত।
তাসম্বৰ বস্ত্ৰ লৈয়া চৰিবো বৃক্ষত॥১১৪
কৰি পৰিহাস বস্ত্ৰ দিবো ৰঙ্গমনে।
পূৰ্ণ মনোৰথ হুয়া যাইব গোপীগণে॥
কৰিবন্ত যজ্ঞ স্বৰ্গকামে বিপ্ৰলোক।
কৰ্ম্মতেসে মগ্ন মন নজানিবে মোক॥১১৫
তাসম্বাৰ মহা কৰ্ম্ম গৰ্ব্ব কৰি ছন্ন।
প্ৰসাদে বঞ্চিবো যত বিপ্ৰপত্নীগণ॥
তাৰ পাছে গোকুলত কৰি মহাৰঙ্গ।
লীলায়ে কৰিবো মহেন্দ্ৰৰ মুখ ভঙ্গ॥১১৬
আপুনি ভুঞ্জিবো যাগ বঞ্চিয়া ইন্দ্ৰক।
দেখিয়া বাসৱে ক্ৰোধ কৰিবে ব্ৰজক॥
আপুনি ঈশ্বৰ মই বুলি হৈবে অন্ধ।
গোকুলক মাৰিবেক কৰিব প্ৰৰন্ধ॥১১৭
লগে লৈয়া সম্বৰ্ত্তক মহামেঘগণ।
গোকুলক ঢাকি কৰিবেক বৰিষণ॥
পায়া পীড়া গাই-গৰু গোপ গোপীগণ।
ত্ৰাহি কৃষ্ণ বুলি লৈবে আমাত শৰণ॥১১৮
হেন দেখি বাসৱৰ গৰ্ব্ব চুৰ কৰি।
ৰাখিবো গোকুল হাতে গোবৰ্দ্ধন ধৰি॥
সাত দিন এক হাতে ধৰি মন্দৰক।
গৰ্ব্ব নামে পৰ্ব্বতৰ নমাইবো ইন্দ্ৰক॥১১৯
ছুচুইবেক গোকুলক ঘোৰ বৃষ্টি বাতে।
দেখিবেক মোৰ নিজ ৰূপক সাক্ষাতে॥
কৰিবেক ইন্দ্ৰে বাত বৃষ্টি ভয়ঙ্কৰ।
নোম লাৰিবেক নোৱাৰিবে গোকুলৰ॥১২০
নিবৰ্ত্তিয়া যাইব পাছে হুয়া মহালাজ।
পূৰ্ব্বয়তে মন্দৰ স্থাপিবো মুনিৰাজ॥
মিলিবে ঈশ্বৰ জ্ঞান ব্ৰজৰ লোকৰ।
মোহোৰ গুণক বৰ্ণাইবন্ত নিৰন্তৰ॥১২১
নিবৰ্ত্তিল যেবে বাত বৃষ্টি নিৰন্তৰ।
থাকিবোহো একেশ্বৰে গিৰিৰ শিখৰ॥
সেহি বেলা ইন্দ্ৰে আসি সুৰভি সহিত।
কৰিবন্ত তুতি মোক হুয়া ভয় ভিত॥১২২
তাহাক আশ্বাস পাছে বুলি মুনিবৰ।
কৰিবো সম্বাদ ইন্দ্ৰে সহিতে বিস্তৰ॥
ভয়হীন ইন্দ্ৰ সমে সুৰভি প্ৰত্যেক।
গোৰ ইন্দ্ৰ পাতি মোক কৰি অভিষেক॥১২৩
সেহি দিনা আমাৰ গোবিন্দ নাম থৈয়া।
যাইবন্ত স্বৰ্গক মোত অনুমতি লৈয়া॥
তাত পাছে নন্দে কৰি একাদশী ব্ৰত।
প্ৰভাতে দিবন্ত বুৰ যমুনা জলত॥১২৪

তাহাক্ষ নিবেক বৰুণৰ দূতে ধৰি।
লীলায়ে আনিবো মই নন্দক উদ্ধাৰি॥
অদ্ভুত মহিমা মোৰ দেখিয়া বিস্তৰ।
হইবেক ঈশ্বৰ জ্ঞান সবে গোকুলৰ॥১২৫
দেখিবো বৈকুণ্ঠ বুলি নৰ-নাৰীগণ।
আমাৰ সমীপ নচাৰিব একোজন॥
হেন দেখি আসম্বাক লিলা ভঙ্গকৰি।
সবাকো দেখাইবো নিয়া বৈকুণ্ঠ নগৰি॥১২৬
পৰম সুন্দৰ মোৰ দেখি কলেৱৰ।
কৰিব ভকতি সবে গোপী নিৰন্তৰ॥
পুৰিবোহো গোপীকাৰ মনোৰথ যত।
কৰিবোহো বাল্যক্ৰীড়া শৰত কালত॥১২৭
কাৰ নামে সাগৰত গোপীক তাৰিবো।
অনন্তৰে শঙ্খচুৰ যক্ষক মাৰিবো॥
নন্দক গিলিব ঘোৰ অজগৰে ধৰি।
আমাত শৰণ লৈবে আৰ্ত্তনাদ কৰি॥১২৮
দেখিয়া নন্দক কৰি সৰ্পত মুকুত।
গোকুলবাসীৰ প্ৰীতি সাধিবো বহুত॥
ঘোৰ বৃষ ৰূপে দৈত্য আসিবে অৰিষ্ট।
মোৰ ভকতৰ দুষ্টে চিন্তিবে অনিষ্ট॥১২৯
হেন দেখি ভকতৰ সাধি উপকাৰ।
তাৰো প্ৰাণ লৈবো পকাই মুচৰিয়া বাৰ॥
তাৰ পাছে কেশীক পাঞ্চিব কংসৰায়।
হয় ৰূপ ধৰি গোকুলক যাইব ধাই॥১৩০
তাহাৰ ভয়ত গৰু গোপ গোপীগণ।
ত্ৰাহি কৃষ্ণ বুলি লৈবো আমাত শৰণ॥
দেখি অসুৰৰ মহা দৰ্প কৰি চুৰ।
লীলায়ে মাৰিয়া তাক নিবো যমপুৰ॥১৩১
মোহৰ কথাক তুমি কংসত জনাই।
কৰিবাহা তুতি মোক নিৰ্য্যাণত পাই॥
ব্যোম নামে মহা দুষ্ট দৈত্যক মাৰিবো।
ভয় হস্তে গোপ শিশুগণক তাৰিবো॥১৩২
এহিমতে ভকত জনৰ প্ৰীতিকৰি।
বঢ়াইবো আনন্দ লীলা নৰৰূপ ধৰি॥
দেখিবা আনন্দ মোৰ তুমি মহামতি।
গোকুলৰ লীলা এহিমানে সমাপতি॥১৩৩
পৰম সুহৃদ মোৰ তুমি মুনিবৰ।
শুনা পাছে কথা আবে আত অনন্তৰ॥
কৃষ্ণৰ জন্মৰ কথা অমৃততো ধিক।
শুনা এক চিত্তমনে সবে সামাজিক॥ ১৩৪
কৃষ্ণ জন্ম-কৰ্ম্ম চাৰি যুগ মধ্যে সাৰ।
শ্ৰৱণ কীৰ্ত্তনে আৰ তৰিয়ো সংসাৰ॥
পুত্ৰ ধন জন জায়া মায়াময় জানি।
হুয়া এক শৰণ ভজিয়ো চক্ৰপাণি॥ ১৩৫
দেৱন্তো উত্তম ইটো মনুষ্য শৰীৰ।
কেতিক্ষণে পবে কায়া তাৰো নাহি থিৰ॥
অনেক জন্মৰ পুণ্য মহাধন দিয়া।
মনুষ্য নৰীৰ নৌকা আছাহা কিনিয়া॥ ১৩৬
দুখ নামে সাগৰত তৰিবাক প্ৰতি।
যাৰে নতু ভাগে নাৱ তৰিয়ো সম্প্ৰতি॥
একাদশ ইন্দ্ৰ নতু হোৱন্তে বিকল।
বাৰে নতু কৰে ব্যাধি শৰীৰ দুৰ্ব্বল॥ ১৩৭
তাৰে কৃষ্ণ কথা কৰা শ্ৰৱণ কীৰ্ত্তন।
মুকুতি সুখক প্ৰতি যাৰ আছে মন॥
শৌনকৰ আগে সূতে কহিলা পূৰ্ব্বত।
কৰি সাৰোদ্ধাৰ সৰ্ব্ব শাস্ত্ৰৰ সম্মত॥ ১৩৮
যি সব কথাত আছে কৃষ্ণ গুণ নাম।
তাকে মাত্ৰ সেৱা কৰিবেক অবিশ্ৰাম॥
এহিমানে পৰম কৰ্ত্তব্য মনুষ্যৰ।
হেনজানি কৃষ্ণক ভজিয়ো সবে নৰ॥ ১৩৯
দূৰতে কৰিয়ো ত্যাগ আন যত কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম॥

—০—

ছবি

গোবিন্দ বদতি কথা শুনিয়োক মুনিবৰ
কংস নামে আমাৰ মোমাই।
মাৰিবেক মনে দুষ্টে আমাক নিবেক প্ৰতি
অক্ৰূৰক দিবেক পঠাই॥
তান লগে মহাৰঙ্গে গোপগণ লৈয়া সঙ্গে
ৰথে চৰি যাইবো মথুৰাক।
মোহোৰ বিয়োগ দেখি যতেক গোপিনী সখী
কান্দিবেক দিয়া দীর্ঘ ডাক॥ ১৪০
দূত বাক্যে তাসম্বাক বুলিয়া আশ্বাস বাক
প্ৰয়াণ কৰিব কৌতুহলে।
মধ্যাহ্ন কৰিবো বুলি মোক ৰথে থৈয়া তুলি
মজিব অক্ৰূৰ গৈয়া জলে॥
নিজ ৰূপে তাক পাছে দিবো দেখা জল মাজে
দেখি মোক হৈবা সচকিত।
আমাথেৰ কৃষ্ণ এন্তে তাহান হেনসে ৰূপ
বুলি তুতি কৰিবা বহুত॥ ১৪১
পাছে সংহৰিবো ৰূপ নেদেখিয়া হুয়া চুপ
জল হস্তে উঠিব অক্ৰূৰ।
যথা চম্বু কৰি ৰথ ধৰি মথুৰাৰ পথ
অনন্তৰে পাইবো মধুপুৰ॥

অক্ৰূৰক পঠাই ঘৰ নগৰ পশিবো গৈয়া
লৈয়া সঙ্গে গোপ শিশুজাক।
মথুৰাৰ নাৰীগণে পৰম আনন্দ মনে
জুমা জুমি চাহিবে আমাক ॥ ১৪২
কৰিয়া সবাকো দায়া কটাক্ষ নয়নে চায়া
তাসন্ধাৰ মনোৰথ পূৰি।
ধৰি ৰূপ বিপৰীত বঞ্চিয়া সবাৰো চিত
নগৰ চাহিবো পাছে ফুৰি ॥
পহুলি পহুলি দ্বিজ- গণে পায়া মোক্ষ লাগ
আশ্চিৰ্যবন্ত পৰম সাদৰে।
ধোৱা দিব্য বস্ত্ৰ লৈয়া কংসত যোগাইবে গৈয়া
তাক লাগ পাইবো অনন্তৰে ॥ ১৪৩
নপায়া কাপোৰ খুজি কোপে অহঙ্কাৰ বুজি
চৰণে চিণ্ডিবো মুণ্ড ভাৰ।
হুয়া আতি মহা ভয় তাৰ লগৰীয়াচয়
পলাইবে বস্ত্ৰক পেলাই তাৰ ॥
ভাল ভাল বস্ত্ৰ বাছি লৈয়া গোপগণে কাছি
ৰাজ পথে ফুৰিবো আনন্দে।
পাছে মোক বেশাকাৰ লাগ পায়া নমস্কাৰ
কৰি বস্ত্ৰ পিন্ধাইৰ প্ৰবন্ধে ॥ ১৪৪
তুষ্ট আতি হুয়া তাক বুলিয়া মধুৰ বাক
সাৰুপ্য মুকুতি দিবো সঙ্গে।
মালাকাৰ সুদামাৰ বাড়ীক চলিয়া যাইবো
গোপ শিশুগণ লৈয়া ৰঙ্গে ॥
দেখি মোক মালাকাৰ কৰিবেক নমস্কাৰ
সুগন্ধ কুসুমচয় আনি।
পিন্ধাই অঙ্গ মুণ্ডমালা কৰি কৃতাঞ্জলি পাছে
বুলিব অনেক তুতি বাণী ॥ ১৪৫
হুয়া তুষ্ট বহুতৰ দিবো তাক ইষ্টবৰ
অনন্তৰে তৈৰ চলি যাইবো।
সুগন্ধ চন্দন লৈই কংসত যোগাইবে গৈই
পথত কুঁজীক ভেণ্ট পাইবো ॥
তাইৰ চাপিয়া পাশ খুজিবো চন্দন মই
বুলি আতি মধুৰ বচন।
মোৰ বাক্যে তুলি মন সুন্দৰী সাদৰি মোক
পিন্ধাইবেক আপুনি চন্দন ॥ ১৪৬
তুষ্ট হুয়া তাৰ ফল দেখাইবো লগতে মই
তাইৰ আতি প্ৰীতি সাধি মনে।
ভৰিত ভাটিয়া তৰি হাতে চিবুকত ধৰি
কুঁজ সম কৰিবো তেখনে।
মোহোৰ পৰশ পাই দিব্যৰূপ ধৰি তাই
কামে মোক বুলিবে বচন ॥

হাসিয়া হাততে ধৰি তাইক আশ্বাস কৰি
তৈৰ পৰা কৰিবো গমন ॥ ১৪৭
কুসুম চন্দন বস্ত্ৰে হুয়া আতি জাতিস্কাৰ
ফুৰিবোহো নগৰ পৰ্য্যটি।
ধনুৰ্যাগশালা পশি লগাই আতি ধসমসি
ধনুক ভাঙ্গিবো কৰি চটি ॥
দেখিয়া ৰখীয়া সেনা- গণ কৰি ক্ৰোধ মন
ধাইব হাতে অস্ত্ৰ শস্ত্ৰ ধৰি।
লৈয়া ভগা ধনুখণ্ড কৰি মহা ৰণ্ড ভণ্ড
সবাকো বধিবো লীলা কৰি ॥ ১৪৮
কংসে সেনা পাঞ্চে যত তাকো সবে কৰি হত
তৈৰ পৰা ৰাজ হুইবো পাছে।
গোপ সঙ্গে দধি ভাত খায়া সুখে মথুৰাত
থাকিবোহো নগৰৰ কাছে ॥
ভয়ে নিদ্ৰা পৰিহৰি কংসে পাছে যত্ন কৰি
ৰঙ্গশালা কৰিব নিৰ্ম্মাণ।
মল্লৰ দুন্দুভি ধ্বনি ৰজনী প্ৰভাতে শুনি
গোপ সমে কৰিবো প্ৰয়াণ ॥ ১৪৯
কুৱলয় পীড় গজ ৰাজ দুৱাৰত ৰহি
হস্তীয়াৰ অন্বষ্ঠে সহিত।
থাকিবে আমাক চুম্পি প্ৰথমতে পায়া লাগ
বুজিবোহো তাহাৰ ইঙ্গিত ॥
ভূমিত পাৰিয়া ধৰি কুম্ভ স্থলে দিয়া ভৰি
দশন উভাৰি লৈবো তুলি।
হস্তী হস্তীয়াৰ সমে পৰম আনন্দ মনে
মাৰিবোহো কোৱায়া সমূলি ॥ ১৫০
কুৱলয় পীড় মাৰি কাঙ্কত দশন বাড়ি
ধৰি মহা নটবৰ বেশ।
সমজ্যাৰ ৰঞ্জি চিত্ত গোপগণ সমন্বিত
হুইবো ৰঙ্গশালাত প্ৰবেশ ॥
দেখি তনু বজ্ৰময় মাল সবো হুইবে ভয়
সামাগ্য দেখিব নৰৱৰ।
মূৰ্ত্তিমন্ত কাম যেন দেখিবেক নাৰীগণ
মিলিবে মনত কাম জ্বৰ ॥ ১৫১
গোৱাল সকলে মোক আমাৰ বান্ধৱ বুলি
হাসিবেক মহাৰঙ্গ মনে।
আমাৰেসে শত্ৰু বুলি হুইবে মহা ভয়ভীত
দেখি মোক দুষ্ট ৰাজাগণে ॥
বসুদেৱ দৈৱকীয়ো আমাক তনয় বুলি
দেখি সকৰুণ হৈবে চিত্ত।
ঝৰিবে নয়নে নীৰ শোকে তনু হুহি স্থিৰ
কান্দিবেক পৰিয়া ভূমিত ॥ ১৫২

মোৰ এহি মৃত্যু বুলি দেখিবেক কংসৰায়
শিশু মোক দেখিবে অজ্ঞানী।
সমাধিত চিত্তি যাক সেহি এহি ব্ৰহ্মতত্ত্ব
দেখি মানিবেক ব্ৰহ্ম জ্ঞানী ॥
ভকতসকলে মোক সাক্ষাতে ঈশ্বৰ মানি
মিলিবেক প্ৰেম আনি মনে।
তকতিৰ আনন্দত সিহঁবিবে লোম যত
ঝৰিবেক লোতক নয়নে ॥ ১৫৩
এহি দশৰূপে মোক দেখিবে সকলে লোক
নখণ্ডিবে মনৰ তৃপিতি।
মোৰ গুণগণ যত বৰ্ণাইবেক আনন্দত
নৰ নাৰীগণে চতুৰ্ভিতি ॥
পাছে মল্ল যুদ্ধ কৰি পৰম লীলায়ে ধৰি
সাধিয়া লোকৰ উপকাৰ।
চানুৰ মুষ্টিক শল্ল তোসল্ল প্ৰমুখ্য কৰি
মালৰ চিন্তিবো বুন্দাবাৰ ॥ ১৫৪
মালৰ দেখিয়া বন্ধ ক্ৰোধে আতি হুয়া অন্ধ
বল্কিয়েক কংস দুৰাচাৰ।
চুলে ধৰি ঘণ্টা নাড়ি পৃথিবী তলত পাৰি
অপ্ৰয়াসে প্ৰাণ লৈবো তাৰ ॥
কেশত ধৰিয়া তাক দেখাই আতি সমজ্যাক
কৌতুহলে ফুৰাইবো ঘসাই।
দেখি কদর্থনা তাৰ কৰিবেক হাহাকাৰ
সমজ্যাৰ লোকে চুই চাই ॥ ১৫৫
ভুঞ্জন্তে ভ্ৰমন্তে সিটো শোৱন্তে পীয়ন্তে মোক
আগতে দেখিব সৰ্ব্বক্ষণে।
এতেকে মোহোৰ ৰূপ ধৰি মহা বঙ্গমনে
চলি যাইব বৈকুণ্ঠ ভুৱনে।
পাছে গোপগণে সঙ্গে অঙ্গি ভঙ্গি কৰি ৰঙ্গে
নাচিবোহো চৰণ চলাই।
আকাশত দেৱগণে পুষ্প ৰৱসিব ঘনে
মোৰ যত গুণ গীত গাই ॥ ১৫৬
তাইৰ মান সাধো বুলি হাতে অস্ত্ৰ শস্ত্ৰ তুলি
কংসৰ কনিষ্ঠ অষ্ট ভাই।
ধাইবে মোক ক্ৰোধ কৰি হাতে মুষলেক ধৰি
মাৰিবোহো সবাকো কোৱাই ॥
বসুদেৱ দৈৱকীৰ বন্ধন চোড়িবো পাছে
প্ৰীতি আতি সাধি তাসন্ধাৰ।
ভকতিৰ বশ্য হুই শিবে চৰণক চুই
কৰিবোহো পৰি নমস্কাৰ ॥ ১৫৭
পাছে মোক দুয়ো প্ৰাণী পৰম ঈশ্বৰ জানি
হুয়া ভয় থাকিবে সংকোচি।
মুহিবো কৰিয়া মায়া পুত্ৰ বুলি হুইব দয়া
লৈবে কোনে নেত্ৰ জল মুচি ॥
মই সুপ্ৰসন্ন যাৰ দুৰ্ল্লভ নাহিকে তাৰ
মোহোৰ ঈশ্বৰ মহা জ্ঞান।
মোত অন্তক্ষণে পুত্ৰ বুদ্ধি স্নেহ বঢ়াইবেক
ইসি মহা দুৰ্ল্লভ প্ৰধান ॥ ১৫৮
অনন্তৰে উগ্রসেন কংসৰ পিতৃক আনি
কৰিবোহো ৰাজ্য অভিষেক।
শিৰে শ্বেত ছত্ৰ তুলি ধৱল চামৰে ধুলি
বুলিবোহো আশ্বাস অনেক ॥
কংসৰায়ৰ নিগ্রহত আমাৰ ভকত যত
পাইব মহা অনেক নিকাৰ।
বচনে সাদৰ কৰি মহা যত্নে গৃহ ভৰি
সাৰিবো সবাৰো উপকাৰ ॥ ১৫৯
জ্ঞাতিক বঞ্চিয়া পাছে গোপগণ যৈত আছে
তৈকে লাগি কৰিবো গমন।
তাসন্ধাৰ পূৰি মন দিবোহা অনেক ধন
বুলি আতি মধুৰ বচন ॥
শিৰে নমস্কাৰ কৰি নন্দক সাৰটি ধৰি
বাক্যে তান চিত্তক তুষিবো।
কুসুম চন্দন গন্ধে বস্ত্ৰ অলঙ্কাৰে মণ্ডি
নন্দ আদি গোপক ভুষিবো ॥ ১৬০
আদৰ কৰিয়া আতি প্ৰবোধিয়া বুলি মাতি
পাছে তাক পাঠাবো গোকুলে।
যশোদা প্ৰমুখ্যে যত গোপী মোৰ বিৰহত
কান্দিবেক অনেক আকুলে ॥
এহিমতে মুনিৰাজ সাধি দেৱতাৰ কাজ
খণ্ডি পৃথিবীৰ মহাভাৰ।
ভকতৰ ৰঞ্জি চিত কৰি লীলা বিপৰীত
বঢ়াইবোহো আনন্দ অপাৰ ॥ ১৬১
মোৰ লীলা যত যত দেখিনাহা আনন্দত
তুমি মুনিবৰ মহামতি।
পৰম অমৃতময় মোহোৰ চৰিত্ৰচয়
আতপৰে শুনিয়ো সম্প্ৰতি ॥
কৃষ্ণৰ চৰণে মন দিয়া সমাজিক জন
দেখা কেনে কেশৱৰ লীলা ॥
মহাপাপী দুৰাচাৰ পৰম ঘাতুক কংস
তাকো আপোনাৰ ৰূপ দিলা ॥ ১৬২
যিটো মহা ভক্তি ভাৱে ভজয় কৃষ্ণৰ পাৱে
তাহাৰ মহিমা কৈবো কিক।
হেনয় কৃষ্ণক তেজি চিতনি দুখত মজি
সিজনৰ জন্ম ধিক ধিক ॥

কৰি আন আশা ভঙ্গ লৈও ভকতৰ সঙ্গ
কৃষ্ণৰ চৰণে দিয়া মন।
জানি ধৰ্ম্ম অনুপাম মাধৱৰ গুণ নাম
কৰা নিতে শ্ৰৱণ কীৰ্ত্তন ॥ ১৬৩
কলিযুগে আতপৰ নাহি ধৰ্ম্ম মনুষ্যৰ
বিচাৰি শাস্ত্ৰৰ লোৱা মজ্জা।
কৃষ্ণত নকৰি ৰতি কলিত নপাইবা গতি
জানি মাধৱৰ পাৱে ভজা ॥
তৰিবা সংসাৰ দুখ লভিবা মুকুতি সুখ
মুখে লোৱা মাধৱৰ নাম।
পৰম মূকথ মতি কহয় মাধৱ দাস
নিৰন্তৰে বোলা ৰাম ৰাম ॥ ১৬৪

পদ

গোবিন্দ বদতি শুনিয়োক দেৱৰাজ।
কংসক বধিয়া সাধি দেৱতাৰ কাজ ॥
পৃথিবীৰ মহাভাৰ হৰি অবিকলে।
পিতৃৰ মাতৃৰ প্ৰীতি সাধিবো সকলে ॥১৬৫
যাদৱগণক দুখ সাগৱত তাৰি।
যজ্ঞসূত্ৰ লৈয়া পাছে হৈবো ব্ৰহ্মচাৰী ॥
ব্ৰহ্মচৰ্য্য ধৰি নৱ চেষ্টাক দেখাইবো।
গুৰুৰ গৃহক শাস্ত্ৰ পঢ়িবাক যাইবো ॥ ১৬৬
জয়ন্তি দেশৰ বিপ্ৰ সান্দীপনি নাম।
তাক গুৰুমানি লৈয়া কৰিবো প্ৰণাম ॥
প্ৰৱন্ধ কৰিয়া শাস্ত্ৰ পঢ়িবো নিশেষে।
জানিবো চৌষষ্টী কলা চৌষষ্টী দিবসে ॥১৬৭
মৰা পুত্ৰ গুৰুক দক্ষিণা আনি দিবো।
গুৰুত অনুজ্ঞা লৈয়া গৃহক আসিবো ॥
স্বৰ্গতো অধিক থান মথুৰাপুৰীত।
ৰঞ্জিবো আনন্দে সমস্তৰে ৰঞ্জি চিত ॥ ১১৮
শুনিয়োক আতপৰে মুনি মহাশয়।
মোহোৰ বিয়োগ যত গোপ গোপীচয় ॥
শোক নামে সাগৱত মজিব সমূনি।
কান্দিবেক ৰাতি দিনে হা কৃষ্ণ বুলি ॥ ১৬৯
ধ্বজ বজ্ৰ পঙ্কজ যৱ অঙ্কুশে শোভিত।
মোৰ খোজচয় গৈয়া দেখি পৃথিবীত ॥
সুমৰি পৰম মোৰ ৰহস্য আলাপ।
গৃহকৃত্যসব তেজি কৰিব বিলাপ ॥ ১৭০
সিটো গোপীসব মোৰ ভক্ত বিপৰীত।
তনুমাত্ৰ গৃহত মোতেসে হৈব চিত ॥

প্ৰেম ভকতিত মোক কৰিব অধীন।
নপাৰিবো সুজিবাক গোপীকাৰ ঋণ ॥ ১৭১
যদ্যপি ঈশ্বৰ মই কোটি ব্ৰহ্মাণ্ডৰ।
তথাপি অধীন মই ভকত জনৰ ॥
ভকতত পৰে মোৰ প্ৰিয় নাহি আন।
কহিলো স্বৰূপ মই মুনি মোৰ প্ৰাণ ॥ ১৭২
ৱৃষ্ণিৰ বংশত উপগৌৰৱ তনয়।
হুইবন্ত উদ্ধৱ মোৰ ভক্ত আতিশয় ॥
গোকুলক লাগি পাছে তাহাক পঠাইবো।
ৰচন সন্দেসে পাছে ব্ৰজক জুৱাইবো ॥ ১৭৩
কুবুজীৰো মনোৰথ পূৰি অনন্তৰে।
অক্ৰূৰো গৃহক যাইবোহো তাতপৰে ॥
পায়া মোক অৰ্চ্চিক অক্ৰূৰ মহামতি।
মোহোৰ মহিমা দেখি কৰিবেক স্তুতি ॥ ১৭৪
অনেক আশ্বাস মই কৰি অক্ৰূৰক।
পৰম আনন্দে পাছে চলিবো গৃহক ॥
মথুৰাবাসীৰ চিত ৰঞ্জি অনুক্ষণ।
ৰঞ্চিবোহো পিতৃৰ গৃহত ৰঙ্গমন ॥ ১৭৫
আত অনন্তৰে কথা শুনা মুনিৱৰ।
জৰাসন্ধ নামে ৰাজা শ্বশুৰ কংসৰ ॥
জীয়েকৰ মুখত জমাইৰ বধ শুনি।
সঙ্গে লৈয়া সাজি সেনা তেইশ অক্ষৌহিণী ॥১৭৬
মথুৰা বেঢ়িবে গৈয়া আতি আৱদ্ধৱে।
তাৰ সেনাগণ মানে বধিবো সমৱে ॥
দুনাই তেইশ অক্ষৌহিণী সাজি দিবে ধাৱ।
তাক ৰণে মাৰিয়া কৰিবো বুন্দামাৱ ॥ ১৭৭
এহিমতে মাগধক সপ্তদশবাৰ।
তাক ৰণে মাৰিয়া কৰিবো বুন্দামাৱ ॥
দুনাই তেইশ অক্ষৌহিণী সাজিব দুৰ্জ্জনে।
সেহি সময়ত সাজি আসিব যৱনে ॥ ১৭৮
মনুষ্যৰ শ্ৰেষ্ঠ আতি দেখাই মুনিৰাজ।
নিৰ্ম্মিবো দ্বাৰকাপুৰি পয়োনিধি মাজ ॥
মথুৰাবাসীক পাছে নিজ যোগ বলে।
দ্বাৰকাপুৰিক লাগি নিবো অবিকলে ॥১৭৯
দুনাই মথুৰাক আসি নিজৰূপ ধৰি।
যৱনক দেখাই চলি যাইবো লীলা কৰি ॥
দেখি কালযৱনে পাছে পাছে খেদি।
ৰাইৱে তাক নিবো বিদুৰক লাগ নেদি ॥ ১৮০
অলক্ষিতি ৰূপে পশি গিৰি গহ্ৱৰত।
মৰাইবো যৱন মুচকুন্দৰ হাতত ॥
পাছে মোক ৰাজা নিজৰূপে ভেণ্ট পাই।
কৰিব অনেক স্তুতি মুচকুন্দৰায় ॥ ১৮১

তাহাক আশ্বাসি গহ্ৱৰৰ ৰাজ হইবো।
কালযৱনৰ সবে সেনাক বধিবো ॥
জৰাসন্ধ ভয়ে দেখাই লীলা মনুষ্যৰ।
পলাই চলিবো পাছে গিৰিৰ শিখৰ ॥ ১৮২
হেন দেখি পাছে মোক মাৰিবে প্ৰৱন্ধে।
পৰ্ব্বত বেঢ়িয়া জুই দিবে জৰাসন্ধে ॥
এঘাৰ যোজন চৱা পৰ্ব্বত শিখৰ।
তাৰ পৰা দেৱে পাইবো দ্বাৰকা নগৰ ॥১৮৩
আত অনন্তৰে কথা শুনি মুনিৱৰ।
ৱঢ়াইবো আনন্দ অতি যাদৱ বংশৰ ॥
দ্বাৰকাত পাতি সভা দেৱতো অধিক।
গৃহতে মিলাইবো আনি ৰাসৱৰ শ্ৰীক ॥ ১৮৪
অনন্তৰে হৰি আমি ভীষ্মকৰ জীক।
কৰিবো উৎসুকে বিহা দিবে কৰ্ক্মিণীক ॥
পাইবে কন্যা জাম্বৱতী মণিৰ নিমিত্তে।
সত্যভামা নামে কন্যা দিবে সত্ৰাজিতে ॥১৮৫
ভদ্ৰা সত্যা লক্ষ্মনা কালিন্দ্রী নগ্নজিতি।
কৰিবো বিবাহ আমি পৰম ভূপিতি ॥
কৰ্ক্মিণীক বুলিবোহো পৰিহাস বাক।
হুইবন্ত মূৰ্চ্ছিত দেবী নুবুজিয়া তাক ॥ ১৮৬
তাক আশ্বাসিবো চতুৰ্ভুজ ৰূপ ধৰি।
উলটাই তুতি মেকি কৰিব সুন্দৰী ॥
দেৱৰ নিমিত্তে গৰুড়ত চাৰি ৱঙ্গে।
সত্যভামা নামে মহিষীক লৈয়া সঙ্গে ॥ ১৮৭
একেশ্বৰে প্ৰাগ্‌জ্যোতিষক যাইবো চলি।
সমৱত বধিবো অসুৰ মহাবলী ॥
পৃথিবীৰ শুভ নৱকক কৰি হত।
আইবো কন্যা ষোড়শ হাজাৰ একশত ॥ ১৮৮
সবাহাক পঠাই দিবো দ্বাৰকাপুৰিক।
অমৃত কুণ্ডল আনি দিবো অদিতিক ॥
সত্যভামা দেবীৰ নিমিত্তে পাৰিজাত।
ৰাসৱত খুজি মই নপাইবো সাক্ষাত ॥১৮৯
আনিবো উভাৰি ৱঙ্গে আপুনাৰ বলে।
কৰিব সমৰ মোক দেখি আখণ্ডলে ॥
জিনিবো কৌতুকে ৰাসৱক সমৰত।
কইবো পাৰিজাত সত্যভামা দুৱাৰত ॥ ১৯০
কৰি ভিন্ন ভিন্ন মই কন্যাক সকলে।
একে দিনে বিবাহ কৰিবো যোগবলে ॥
অষ্টাধিক একশত ষোড়শ হাজাৰ।
গৃহত কৰিবো পাছে অনেক বিহাৰ ॥ ১৯১
দিবন্ত আপুনি ইন্দ্রে সুধৰ্ম্মা সভাক।
দেখি ত্রিজগতে নমস্কাৰ কৰে যাক ॥

মোহোৰ প্ৰসাদে তাক পাৱা যদুগণে।
ভৰি দিয়া চটকি ফুৰিবে ৱঙ্গমনে ॥ ১৯২
দশ দিকপালৰ সম্পত্তি সবে আনি।
যাদৱ বংশক দিবো শুনা মহামানী ॥
হৈৰ উতপতি মোৰ একৈক ভাৰ্য্যাত।
এক কন্যা দশ দশ তনয় সাক্ষাত ॥ ১৯৩
তাসম্বাৰ পুত্ৰনাতি হুইব অপৰ্য্যন্ত।
তাৰ সংখ্যা কৰি মুনি কোনে পাইব অন্ত ॥
কৰ্ক্মিণীত হৈৰন্ত প্ৰদ্যুম্ন উতপতি।
তান পুত্ৰ হুইব অনিৰুদ্ধ মহামতি ॥ ১৯৪
মোৰ পুত্ৰ হৈবে যত শুনা লেখা তাৰ।
এক লক্ষ আশী আৱো চৌষষ্ঠী হাজাৰ ॥
মোহোৰ গৃহস্থ ধৰ্ম্ম দেখিবাক প্ৰতি।
দ্বাৰকাক লাগি তুমি যাইবা মহামতি ॥ ১৯৫
মোৰ মায়া বিভৱক দেখি বিপৰীত ॥
তুমি মহামুনিৰ মোহিত হইবে চিত ॥
মোহোৰ কৃপাত মোহ গুচিবে তোমাৰ।
মোৰ গুণ যশ ৱত কৰিবা প্ৰচাৰ ॥ ১৯৬
গৃহস্থৰ ধৰ্ম্ম আচৰিবো অসংখ্যাত।
সমস্তে দেখিবা তুমি থাকিয়া তথাত ॥
অনিৰুদ্ধ কুমাৰৰ বিবাহ কালত।
মৰাইবো কৰ্ক্মিক বলভদ্রৰ হাতত ॥ ১৯৭
ঊষা নামে কন্যা বাণ ৰাজাৰ কুমাৰী।
অনিৰুদ্ধ নাতিক নিয়াইবো চুৰি কৰি ॥
ঊষাৰ গৃহত পায়া বাণে তাক ধৰি।
একেশ্বৰে কুমাৰক থৈবে বন্দী কৰি ॥ ১৯৮
তোমাৰ মুখত পাছে তান বাৰ্ত্তা শুনি।
সমদলে যুজিবাক যাইবোহো আপুনি ॥
তাক ৰাখিবাক লাগি হৰে যুজিবন্ত।
মোৰ বিজৃম্ভন শৱে মোহিত হৈবন্ত ॥ ১৯৯
হাজাৰেক হাতে বাণে মোক যুজিবেক।
বাণে সমে যুদ্ধ মই কৰিবো অনেক ॥
তাৰ ভুজ ছেদ ৱঙ্গে কৰিবো সমৱে।
হেন দেখি তুতি মোক কৰিবেক হৱে ॥ ২০০
তান তুতি শুনি তুষ্ট হুয়া আতিশয়।
চাৰি হাত ৰাখি দিবো ৰাণক নির্ভয় ॥
দিবে কন্যাসমে কুমাৰক ৰাজ কৰি।
ৰৱ কন্যা লৈয়া যাইবো আপুন নগৰি ॥ ২০১
ষোড়শ হাজাৰ দিব্য গৃহত আপাৰ।
মনুষ্যৰ দেখাই লীলা কৰিবো বিহাৰ ॥
ক্ষেণেকে নপাই মোক মহিষী সকলে।
বৰ্ণাইবেক মোৰ গুণ চিত উত্তাৱলে ॥ ২০২

হৰিদ্বেষী ধন্ধ পাপী ৰাজা জৰাসন্ধ।
ভক্ত ৰাজাগণ বন্দী কৰি থৈবে মন্দ॥
তাসম্বাক ৰাখিবাক কৰিয়া প্ৰবন্ধ।
ভীমৰ হাতত তাৰ নিপাতিবো কন্ধ॥ ২০৩
সমস্ত ৰাজাৰ পাছে চাৰিয়া বন্ধন।
নিজ ৰূপে তাসম্বাক দিবো দৰিশন॥
দেখি তাসম্বাৰ সবে তাপ হুইবে দূৰ।
বৰ্ণাইবে আনন্দে মোৰ মহিমা প্ৰচুৰ॥ ২০৪
সবাহাঙ্কো দিয়া বস্ত্ৰ ভূষণ আশেষ।
চিতক সন্তোষি পাছে পঠাই দিবো দেশ॥
যুধিষ্ঠিৰ ৰাজা মোক পায়া তুষ্ট হুই।
পৰম উৎসুকে কৰিবন্ত ৰাজসূয়॥ ২০৫
ত্ৰৈলোক্যৰ সম্পত্তি মিলাইবো তান ঘৰে।
অচিৰন্ত ৰাজা মোক পৰম সাদৰে॥
মোক নিন্দা বুলিবেক শিশুপাল বীৰ।
চক্ৰ হানি লীলায়ে ছেদিবো তাৰ শীৰ॥ ২০৬
তাৰ তেজ পূজ আসি মোতে লীন যাইব।
দেখি সমজ্যাৰ লোকে আশ্চৰ্য্য পাইব॥
দেখিয়া অদ্ভুত পাছে যুধিষ্ঠিৰ ৰায়।
তোমাত পুচিব পাছে পৰম সংশয়॥ ২০৭
পৰম আনন্দে মোৰ ভক্তিৰ মহত।
সমস্তে কহিবা তুমি তাহান আগত॥
শুনি নৃপতিৰ শঙ্কা গুচিব মনৰ।
কৰিবন্ত ৰাজা মোত ভকতি বিস্তৰ॥ ২০৮
আত অনন্তৰে শুনিয়োক মুনিবৰ।
শাল্ব নামে ৰাজা মহা বৈৰী যাদৱৰ॥
আকাশত চলে শৌভ নগৰ তাহাৰ।
যাদৱ বংশক কৰিবেক অপকাৰ॥ ২০৯
তাক মাৰি শৌভক ভাঙ্গিবো ক্ষেপি চক্ৰ।
বধিবো ৰণত বিদূৰথ দন্তবক্ৰ॥
চক্ৰ ধৰি খেদি যাইবো বাৰানসী তীৰ।
কাশী ৰাজা পৌণ্ড্ৰক ছেদিবোহো শিৰ॥ ২১০
সুদক্ষিণ নামে কাশী ৰাজাৰ তনয়।
তাক মাৰি কাশীক দহিবো মহাশয়॥
যাইবো কুৰুক্ষেত্ৰে চলি সূৰ্য্য গ্ৰহণত।
কৰাইবোহা যজ্ঞ বহু দেৱৰ তথাত॥ ২১১
আপুনি কৰিবো ব্ৰাহ্মণক সতকাৰ।
মোৰ মান্য পায়া গৰ্ব্ব বাঢ়িবে অপাৰ॥
নন্দ যশোদাক মান্য কৰিবো তহিত।
প্ৰিয় বাক্যে সন্তোষিবো গোপিকাৰ চিত॥ ২১২
তাসম্বাৰ দুখ যত গুচাইবো বিশেষ।
প্ৰেম ভকতিৰ পন্থ দিবো উপদেশ॥

অত্যন্ত দৰিদ্ৰ বিপ্ৰ নামে দামোদৰ।
ভাৰ্য্যাৰ বচনে যাইবে দ্বাৰকা নগৰ॥ ২১৩
কৰিবো সাদৰ তাক মহামন তুষ্টি।
খাইবো তান লৈয়া চাউল চিৰা এক মুষ্টি॥
কৰো ভকতৰ অল্প বস্তুক বিস্তৰ।
পৰম ভকত মোত সিটো দ্বিজবৰ॥ ২১৪
তাক আলিঙ্গিয়া মহা আনন্দ পাইবো।
ইন্দ্ৰৰ সম্পত্তি তান গৃহতে মিলাইৱো॥
দৈৱকী প্ৰাৰ্থিব মোত অনেক বিনয়।
আনি দিবো তাহান মৃতক পুত্ৰচয়॥ ২১৫
কৰিয়া সাফল অৰ্জ্জুনৰ অঙ্গীকাৰ।
দিবো আমি মৰা যত বিপ্ৰৰ কুমাৰ॥
ভক্তবৰ্গ সমে যাইবো মিথিলা নগৰ।
পৰম ভকত শ্ৰুত দেৱ জনকৰ॥ ২১৬
হুয়া তুষ্ট দুইহানো পূৰিবো মনোৰথ।
দিবো উপদেশ প্ৰেমভকতিৰ পথ॥
যদুবীৰগণে সমে কৰিয়া বিহাৰ।
মৃগনামে নৃপতিক কৰিবো উদ্ধাৰ॥ ২১৭
লগায়া বিবাদ ঘোৰ কুৰু-পাণ্ডৱৰ।
ৰথৰ সাৰথি পাছে হুইবো অৰ্জ্জুনৰ॥
পাণ্ডৱ সহিতে কৌৰৱৰ লৈবো প্ৰাণ।
অষ্টাদশ অক্ষৌহিণী কৰিবো নিৰ্য্যাণ॥ ২১৮
মোৰ দিব্যৰূপ দেখি লাগিবেক ধ্যান।
মুখ পঙ্কজক নেত্ৰে কৰিবেক পান
সেহিবেলা কাটিবেক অৰ্জ্জুনৰ শৰে।
মোহোৰ সমান ৰূপ পাইব নিবন্তৰে॥ ২১৯
অনেক জন্মৰ দুৰ্ব্বাসনা কৰি ক্ষয়।
মহাসুখে যাইব চলি বৈকুণ্ঠ নিলয়
কৌৱৰক মাৰি পাণ্ডৱক দিবো ৰাজ।
পৃথিবীৰ ভাৰ খণ্ডি সংকলিবো কাজ॥ ২২০
এহিমতে কৰি যত লীলা মনুষ্যৰ।
থাকিবহো দ্বাৰকাত অনেক বৎসৰ
নিজ যশ গুণ থৈবো পৃথিবীত ভৰি।
তাক শুনি যাইব লোক সংসাৰ নিস্তৰি॥ ২২১
কৰিয়া বিস্তাৰ নিজ পূণ্য কীৰ্ত্তিচয়।
গঙ্গাক কৰিবো তুচ্ছ জানা মহাশয়॥
হুয়া এক শৰণ আমাত যিটো জন।
কলিৰ যুগত কৰে শ্ৰৱণ কীৰ্ত্তন॥ ২২২
এতেকতে মহাপাপী চাণ্ডাল পৰ্য্যন্তে।
বৈকুণ্ঠক পাৱে জানা সংসাৰৰ হন্তে॥
অতি অনন্তৰে শুনা ঋষি সৰ্ব্বজন।
বিপ্ৰ শাপ ছলে কৰি বংশক নিৰ্য্যাণ॥ ২২৩

নিজৰূপে বৈকুণ্ঠক কৰিবো প্ৰয়াণ।
এহিৰূপে আমাক দেখিবা বিদ্যমান॥
কৃষ্ণ জন্ম কৰ্ম্ম কথা শুনিয়ো সমাজে।
দুৰ্ল্লভ লভিছা জন্ম ভাৰতৰ মাজে॥ ২২৪
ভকত জনৰ সঙ্গ লৈয়া যত্ন কৰি।
কৃষ্ণ কথা অমৃতক পিয়া কৰ্ণ ভৰি॥
এতেকে তৰিবা ঘোৰ সংসাৰ সাগৱে।
কলিযুগে ধৰ্ম্ম আৰ নাহি অতি পৱে॥ ২২৫
তপ জপ যজ্ঞ দান তীৰ্থ ব্ৰত যত।
অপ্ৰয়াসে সিজে সবে নামৰ লগত॥
কৃষ্ণ কৃষ্ণ উচ্চৰিয়া যাই যিটো নৱে।
তাৰ পাছে যান্ত কৃষ্ণ চক্ৰ ধৰি কৱে॥ ২২৬
নচাৰন্ত স্নেহে হৰি ভকতৰ কাছ।
যেন ধেনু স্নেহত বৎসৰ নেৱে পাছ॥
হেনয় কৃষ্ণৰ নাম কিয় এৰা মুখে।
যাক স্মৰি চাণ্ডালো সংসাৰ তৰে সুখে॥ ২২৮
জানিয়া সমস্তে লোকে তেজি আন কাম।
পাপৰ ভণ্ডাৰ গোলা বোলা ৰাম ৰাম॥

দুলড়ী।

গোবিন্দ বদতি শুনা মহামতি
অতি পৱে কথা যত।
দ্বাপৰ গুচিয়া হুইবে আসি ঘোৰ
কলিযুগ উপগত॥
হেন দেখ সৌধ দানৱ তনয়
হুইবো বোধ অৱতাৰ।
বোধ শাস্ত্ৰ কৰি পাষণ্ড আচাৰে
মুহিবো সবাকো আৰ॥ ২২৮
হুয়া বিমোহিত ফুৰিব কলিত
পাপ কৰি দিনে ৰাতি।
অন্তৰ্গত হীন ৰাহিৰত চিন
ধৰ্ম্মক ধৰিবে আতি॥
হাতে গলে শিৰে তুলসী ৰুদ্ৰাক্ষ
মালা পিন্ধি জোটা জোট।
মুণ্ড মুণ্ডি পিন্ধি কপিন কাপৰি
দিয়া চৰাচৰ ফোট॥ ২২৯
হাতত তামৰ খাক কমণ্ডলু
কান্ধত খনতা পাঁৰি।
কাৰোকাখে জুলি ঘসি ভস্ম ধূলি
কাৰো ভোৰোকাৰ ডাৰি॥

পৰম হংসৰ বেশ ধৰি কতো
কতো বোলাই ব্ৰহ্মচাৰী।
হামো মহাযোগী বোলাই ফুৰিবেক
কতো লগে লৈয়া নাৰী॥ ২৩০
কণ্ঠা খনতা তামৰ কুণ্ডল
মৃগৰ চৱৰি পাৰি।
আসন ভিৰিয়া মঠ ধৰি থাকে
মনে চিন্তে পৰ-নাৰী॥
গীতা ভাগৱত এৰি তাৰ ভত্ত্ব
কুমন্ত্ৰ কথা চেঞ্চাই।
সিটো দুৰ্জ্জনৰ সঙ্গ লৱে যিটো
তাকো সেহি মতি পাই॥ ২৩১
ধৰ্ম্ম ধ্বজ কৰি এহিমতে নৱে
ফুৰিবেক নানা দেশ।
এন্তে ব্ৰহ্ম বুলি কতো পশু নৱে
তাতে লৈবে উপদেশ॥
হৰি নাম ধ্বজ আগ কৰি কতো
কৰিবে বেদ লুপুত।
দিবে মন্ত্ৰ সূত্ৰ বোলাই গুৰু পুত্ৰ
কৰিয়া আতি গুপুত॥ ২৩২
পঢ়িবে পাসৰি অনেক চাতুৰি
বুলিয়া মধুৰ বাক।
কৰি গুৰু মান পূৰ্ণ সজ্জা দান
দিবেক নিজ ভাৰ্য্যাক॥
জাতি অজাতিয়ে একত্ৰে ভুঞ্জিবে
হুইবে সবে জাতি ভ্ৰষ্ট।
এহিমতে লোকে ফুৰিবে কলিত
বেদ পন্থ কৰি নষ্ট॥ ২৩৩
ডম্বৰু বজাই তপস্বী বোলাই
ফুৰিবে কতো অজান।
মই যেবে বোধ ভৈলো আসি শূদ্ৰে
শূদ্ৰক দিবেক দান॥
কলি যুগে পাপ সাগৱত তল
যাইবে লোক নিবন্তৰ।
ইহলোকে পৰ লোকে যত ধৰ্ম্ম
গুচিবে সবে লোকৰ॥ ২৩৪
পাষণ্ড জনৰ পাছ লাগি যিটো
ফুৰয় কলি যুগত॥
কৈলো নিষ্ঠ কথা নাই অন্য কথা
পৰিবেক নৰকত॥
সত্য শৌচ ধৰ্ম্ম সবে গুচিবেক
কলি যুগে মনুষ্যৰ।

গুচিবে আচাৰ বেদৰ বিচাৰ
লৈবে পহু পাষণ্ডৰ ॥২৩৫
কলিৰ যুগত হৈবে অল্প আয়ু
যতেক লোক সকল।
অল্প শস্য অতি হৈব বসুমতী
মেঘে হৈৱে অল্পজল ॥
সকলে ধেনুত বেদ পাঠ এৰি
কৰিবে যত অকৰ্ম্ম।
পঢ়ন পঢ়ান এড়ি নিজ ধৰ্ম্ম
আচৰিবে পৰ ধৰ্ম্ম ॥২৩৬
সন্ধ্যা বন্দনাদি বলি বিশ্বদেৱ
অগ্নিহোত্র পৰিহৰি।
শিষ্য উদৰক তর্পিবাক প্রতি
ফুৰিবেক যত্ন কৰি ॥
উত্তম জাতিৰ ব্রাহ্মণ সকলে
অজাতিৰ লৈবে দান।
ব্রাহ্মণৰ চিন যজ্ঞসূত্র মাত্র
নথাকিবে ধৰ্ম্ম আন ॥২৩৭
তপ ধৰ্ম্ম মানে সবে শুচিবেক
অধৰ্ম্মে জুৰিবে ৰাজ।
হুয়া অল্পমতি মহন্ত সকলো
কৰিবে যত অকাজ ॥
শাস্ত্রৰ বিহিত এৰি কৰিবেক
যাৰ যেন মন ইচ্ছা।
পাত্র সকলৰ বুজিবেক বল
সাক্ষী মাতিবেক মিছা ॥২৩৮
পিতৃৰ বচন পুত্রে হুশুনিবে
কনিষ্ঠে জ্যেষ্ঠ জনৰ।
স্বামীৰ বচন ভার্য্যা হুশুনিবে
ভৃত্য জনে ঈশ্বৰৰ ॥
সাধু মানে মহা দৰিদ্র হইবেক
দুষ্ট জনে ধনৱন্ত।
মহন্তক চোৰ টেটোন বুলিবে
দুর্জ্জনে বোলাইবে সন্ত ॥২৩৯
অধৰ্ম্মে ধৰ্ম্মক জিনিবে সত্যক
জিনিবে মিছা বচনে।
পুৰুষক স্ত্রীয়ে জিনিবে ৰাজাক
জিনিবেক ভৃত্যগণে ॥
কনিষ্ঠে জ্যেষ্ঠক জিনিবে পিতৃক
পুত্রে জিনিবেক দণ্ডে।
বলীক নির্ব্বলী জিনিবে কলিত
ভালক জিনিবে মন্দে ॥২৪০

মূর্খে পণ্ডিতক জিনিবে গুৰুক
জিনিবেক শিষ্যগণে।
ন্যায়ক অন্যায়ে জিনিবে নিন্দিবে
সাধুক পাষণ্ড জনে ॥
গুৰু পূজ্য নষ্ট হুইবেক শিষ্যৰ
বাঢ়িবে গর্ব্ব অপাৰ।
কন্যাগণে দশ দ্বাদশ বৰিষে
গর্ভৱ বহিবে ভাৰ ॥২৪১
সপ্তম অষ্টম বৰিষে নাৰীৰ
হুইবেক পুষ্প উৎসৱ।
কলিযুগে কন্যা গণে কৰিবেক
সঘনে পুত্র প্রসৱ ॥
ভার্য্যাৰ স্বামীৰ হুইবেক সদায়ে
শত্রুতো অধিক মতি।
আপোনাৰো নিজ স্বামী তেজি নাৰী
ভজিবেক উপপতি ॥২৪২
ষোড়শ বৎসৰ ভৈলে যুৱতীৰ
পৰিবে তৰ যৌৱন।
পাষণ্ড সকলে কৰিবে প্রকাশ
বেদপন্থ হৈবে ছন্ন ॥
কলিৰ মনুষ্য অধমতে পৰে
নজানিবে যজ্ঞ আৰ।
অপ দেৱতাক পূজি বুলিবেক
পুৰুষ ভৈল উদ্ধাৰ ॥২৪৩
হংসিনী ছাগিনী কাটি দিয়া বলি
পূজিবেক বাটোৱালী।
সৰেও জোকাৰ দিয়া বাৰে বাৰ
বাটত বঢ়াইবে চালি ॥
আপুনিও একো ধৰ্ম্ম নকৰিব
পৰক নিদিবে দণ্ড।
মোহোৰ একান্ত ভকত জনক
বুলিবে ভৈলা পাষণ্ড ॥২৪৪
ব্রাহ্মণ ক্ষত্রিয় বৈশ্য শূদ্র চাৰি
জাতি হুইবে একাকাৰ।
কলি যুগে বর্ণা বর্ণ নজানিবে
শুচিবে লোক আচাৰ ॥
সদায় কলিৰ লোকৰ হৃদয়
মলিন হৈব অপাৰ।
পাতকী জনৰ ধৰ্ম্মত কৰ্ম্মত
হুহিবেক অধিকাৰ ॥২৪৫
ৰাম হেন ইটো দুগুটি অক্ষৰ
সদায়ে আদৰে গাৱে।

দুর্ঘোৰ সংসাৰ সাগৰ তৰিয়া
মুকুতিক সুখে পাৱে ॥
অনেক মনুষ্য নাৰায়ণ পৰ
হৈৱেক কলিৰ যুগত।
সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছিবে সদা মনত ॥২৪৬
শাস্ত্র সমাধি পূজা যজ্ঞ দান
সমস্তে শ্রম এড়াই।
মহা সুখে মোক্ষ লভিবে কলিত
মোৰ নামগুণ গায় ॥
এতেকে কলিত চাৰি যুগ মাজে
উত্তম বুলি বখানি
মহন্ত সকলে কৰন্ত প্রসংশা
কলিৰ গুণক জানি ॥২৪৭
কেৱল কলিত মোৰ গুণ নাম
শ্রৱণ কীর্ত্তন কৰি।
এতেকে কর্ম্মৰ বন্ধন এড়াযা
যাইবেক সংসাৰ তৰি ॥
কলিযুগে মহা ধন্য শূদ্রো মহা
স্ত্রীক ধন্য বখানিৰ।
নাহি শৌচাচাৰ বেদ অধিকাৰ
বড়িমাত্র ৰাম বাণী ॥২৪৮
এতেকতে মহা দুর্ল্লভ মুকুতি
পদ অপ্রয়াসে পাৱে।
অনেক জনমো জ্ঞানী কর্ম্মী জ্ঞানা
প্রৱন্ধে যাক নপাৱে ॥
মহাপাপী অন্ত্য জাতিও নিস্তৰে
কলিযুগে কীর্ত্তনত।
শুনি মুনিবৰ কলিৰ যুগত
কহিবো কত মহত ।২৪৯
জানিবা কলিত মোৰ নাম বিনে
নথাকিবে আন ধৰ্ম্ম।
গীতা-ভাগৱত আদি কৰি যত
শাস্ত্রৰ কহিলো মর্ম্ম ॥
হেনয় কলিত জন্ম লভি যিটো
হৰিৰ নাম নধৰে।
সিটো মহামতি মনুষ্যে আপুনি
আত্মাঘাত কৰি মৰে ॥২৫০
কলিৰ ভয়ত পলাই ধৰ্ম্ম যত
নামত লৈবে শৰণ।
সমস্তে ধৰ্ম্মক সিটো পাইবে লাগ
যি কৰে নাম কীর্ত্তন ॥

স্বভাৱে জানিৱা সমস্তে ধৰ্ম্মৰ
মোহোৰ নামেসে বাজা।
আন ধৰ্ম্ম যত নামৰ কিঙ্কৰ
কহিলো শাস্ত্রৰ মজ্জা ॥২৫১
কলিত নামেসে কলিত নামেসে
নামেসে গতি লোকৰ।
মোহোৰ নামেসে জানিৱা নিশ্চয়
স্বধৰ্ম্ম কলি যুগৰ ॥
সমস্তে জগত যাইবে তল কলি
পাপ সাগৰৰ মাজে।
সকলে লোকক গ্রাসিবেক কলি
হৰি ভকতত বাজে ॥২৫২
কলিৰ যুগত মহা ম্লেচ্ছ যত
ফুৰিৱে বাজা বোলাই।
এৰি বাজ নীতি ডকাইতৰ বীতি
ধৰিবে বাজা সদাই ॥
অর্থৰ নিমিত্তে মনুষ্যক যেন
খাইবেক চিণ্ডিয়া বলে।
সর্ব্বস্ব আগ্রহি লৈবেক নিগ্রহি
মিছা বাদ দিয়া ছলে ॥২৫৩
বাজবংশী মানে সবে নিমজিবে
যাৰ বল সেহি বাজা।
নথাকিবে সুখ পাইবে মহা দুখ
কলিৰ যতেক প্রজা।
অধৰ্ম্মৰ বলে বাঢ়িবেক শ্রী
দেখিবে মহা কুশল।
বনে শত্রু যত জিনিবে পাছত
সমূলঞ্চে যাইব তল ॥২৫৪
মোহোৰ নামক পাষণ্ড সকলে
ফুৰিবে কৰি ধিক্কাৰ।
মহাপাপী দুষ্ট দুর্জ্জন সকলে
পৃথিবীৰ হুইব ভাৰ ॥
হেন দেখি মই হুইবো অৱতাৰ
কল্কী ৰূপ বিপৰীত।
বিষ্ণুযশা পিতৃ হৈৱন্ত আমাৰ
যাজ্ঞবল্ক্য পুৰোহিত ॥২৫৫
ঘোটকত চৰি হাতে খাণ্ডা ধৰি
বধিবো যত পাষণ্ড।
সমস্তে ম্লেচ্ছক উচ্ছাদিবো কাটি
কৰিবোহো খণ্ড খণ্ড ॥
ৰাখিয়া সজ্জন বধিবো দুর্জ্জন
খণ্ডিবো ভূমিৰ ভাৰ।

বোধ শাস্ত্র মানে সমস্ত গুচাইবো
কৰিবো বেদ প্রচাৰ ॥২৫৬
অনেক সুৱর্ণ দিবোহো দক্ষিণা
যজিবো যজ্ঞ বিস্তৰ।
পুনৰপি আসি সত্য প্রৱর্ত্তাইবো
গুচাইবো দুখ লোকৰ ॥
পাতালৰ পৰা বলিক আনিয়া
দিবো তাক ইন্দ্র পদ।
ত্রৈলোক্যৰ লোক হুইবে মহাসুখী
গুচিবে যত আপদ ॥২৫৭
শুনি মুনিবৰ মোহোৰ জন্মৰ
কর্ম্মৰ নাহিকে অন্ত।
এতেকে সকলে শাস্ত্রত প্রসিদ্ধ
মোহোৰ নাম অনন্ত ॥
কৰি সাৰোদ্ধাৰ আগত তোমাৰ
কৈলো মুনি ইটো মর্ম্ম।
সমস্ত বেদৰ ইসে সাৰোদ্ধাৰ
মনুষ্যৰ শ্রেষ্ঠ ধর্ম্ম ॥২৫৮
একান্ত শৰণে যিটো শুনে ভণে
মোহোৰ জন্মৰ কথা
জগত দুর্লভ যদি হোৱে তাৰ
সুলভ হয়ো সর্ব্বথা ॥
ব্রহ্ম বধ সুৰা পান মিত্র দ্রোহ
কৃতঘ্ন পাপ আচৰে।
অগম্যা গমন কৰে যিটো জন
সুৱর্ণক চুৰি কৰে ॥২৫৯
সংসাৰ মধ্যত আনো আছে যত
মহা মহা পাপী জন।
ইহাৰ শ্রৱণ কীর্ত্তনে হুইবেক
সমস্তে পাপ মোচন ॥
প্রভাতে উঠিয়া মোৰ জন্ম কর্ম্ম
অনুদিনে যিটো গাৱে।
দেৱলোক অতি ক্রমি সিটো নৱে
মোৰ লোক সুখে পাৱে ॥২৬০
মাৰ জন্ম কর্ম্ম যদ্যপি পৰম
গোপনী কথা সাক্ষাত।
তুমিসি মোহোৰ সুহৃদ জানিয়া
তথাপি কৈলো তোমাত ॥
এতেকে বুলিয়া মুনিৰ আগত
মৌন ভৈলা লক্ষ্মীপতি।
জন্ম ৰহস্যৰ কথা মনোহৰ
এহিমানে সমাপতি ॥২৬১

নমো নাৰায়ণ জগত কাৰণ
তুমি দেৱতাৰ দেৱ।
তোমাৰ চৰণে পশিয়া শৰণে
কৰো লক্ষ কোটি সেৱ ॥
মই সে দুর্ম্মতি দেখিয়ো সম্প্রতি
মোহোৰ আপুন মনে।
হুয়া বিৱচিলো তযু জন্ম কর্ম্ম
ভকত বৎসল গুণে ॥২৬২
নমো লক্ষ্মীপতি চৰণে প্রণতি
প্রণামো হুয়ো সন্তোষ।
মই মূঢ়মতি অজ্ঞানীৰ মোৰ
বঢ়া টুটা যত দোৰ ॥
শ্রীমন্ত শঙ্কৰ সর্ব্ব গুণাকৰ
সাক্ষাতে কৃষ্ণৰ অংশ।
দৈৱকী তনয় যিটো কৃপাময়
উদ্ধাৰিলা যদুবংশ ॥২৬৩
পৰম গম্ভীৰ মহাযশী ধীৰ
নামত শঙ্কৰ দেৱ।
করুণা সদন পাষণ্ড মর্দ্দন
যাকসম নাহি কেৱ ॥
দায়ামন্ত সন্ত শীতল স্বভাৱ
পৰম গুণে মহন্ত।
কৃষ্ণৰ ভকতি পন্থ প্রকাশিয়া
পাতকীক তাৰিলন্ত ॥২৬৪
কলিযুগে পাপ পয়োনিধি মাজে
মজিলা লোক সমূলি।
সমস্তে সংসাৰ কৰিলা বিস্তাৰ
কৃষ্ণ নাম নাৱে দলি ॥
তেন্তে মোৰ মহা গুৰু পিতৃ হুয়া
উদ্ধাৰিলা নৱকত।
দিয়া ভক্তি দান পালন্ত পোষন্ত
পুত্রত কৰি বিস্তৰ ॥২৬৫
তাহান চৰণে লৈয়া অনুমতি
প্রণতি কৰি সর্ব্বথা।
মুকুখ মাধৱ দাসে বিৱচিল
জন্ম ৰহস্যৰ কথা ॥

ছবি

শুনিয়োক সভাসদ জন্ম ৰহস্যৰ পদ
সাক্ষাতে অমৃততো সম হুই।

পদত দুষণ পাই নিন্দিবাক সুযুৱায়
বোলো হেৰা কৃতাঞ্জলি হুই ॥
ভাগৱত মিশ্র দিয়া আছো পদ নিৱন্ধিয়া
আত যদি কিছু ছিদ্র থাকে।
তথাপি নেদিবা দোষ নকৰিবা অসন্তোষ
কিন্তু ক্ষমা কৰিবা আমাকে ॥২৬৬
যি কিছু দেখিয়া বঢ়া ইটো অপৰাধ এৰা
আত দোষ নেদিবা বিস্তৰ।
কৃষ্ণ কথা হেন জানি নিন্দা সুবুলিবা বাণী
ক্ষমাসে ভূষণ মহন্তৰ ॥
যি আৰ নিন্দা বাণী বোলে তাক লাভ জানি
করো অৱনত কৃতাঞ্জলি।
কিন্তু সিটো মাত্র মহা মনত তৃপিতি হোক
মোক নিন্দা অহঙ্কাৰ বুলি ॥২৬৭
মোক আতি কৰি কষ্ট নিজ পুণ্য কৰি নষ্ট
মোৰ মহা পাপ কৰি ছন্ন।
তাক নিক্ষেপিলোঁ পাই তেবে মোত পৰে নাই
সংসাৰত মহাপাপী জন ॥
ইকথা থাকোক পৰি মোৰ অপৰাধ এৰি
শুনা সবে সমাজিক জন ॥
কাল সর্পে আসি গিলে যাইবো জীব একে তিলে
মিলে মৃত্যু কাৰ কেতিক্ষণ ॥২৬৮
হুয়া মহা সাৱধান কৃষ্ণ কথা করা পান
লৈয়ো একে কৃষ্ণৰ শৰণ।
মুখে ৰাম নাম স্মৰি ৰূপ হৃদয়ত ধৰি
করা সুখে বৈকুণ্ঠে গমন ॥
মাধৱৰ গুণ নাম শ্রৱণ কীর্ত্তন বিনে
নতৰিবা কলিত সাক্ষাত।

বৃথা কথা পৰি হৰি শ্রৱণ কীর্ত্তন কৰি
এড়ায়োক অন্তকৰ হাত ॥২৬৯
চাৰিবেদ ৰামায়ণ পুৰাণ ভাৰত যত
সবাতে হৰিক মাত্র করে।
জগতৰে যত পুণ্য সরে অপ্রয়াসে পাৱে
মুখে মাত্র ৰাম নাম লৱে ॥
হেন জানি বুদ্ধ জন নামত দিয়োক মন
মুকুতি পদক ইচ্ছা হাৰ।
কেৱলে মোক্ষৰ হেতু ৰাম নামে বান্ধি সেতু
সংসাৰ সাগৰ হুয়ো পাৰ ॥২৭০
নামে যপ যজ্ঞ দান নামে তপ তীর্থ স্নান
নামে পিতৃ মাতৃ বন্ধু জন।
নামেসে মোক্ষতো ধৈর্য্য নামেসে সুহৃদ নিজ
জানি লৈয়ো নামত শৰণ ॥
তযু পাৱে করো সেৱ পতিত পাৱন দেৱ
মই মহা পাতকী দুর্ঘোৰ।
নিজ কর্ম্মে জন্ম যৈত ধৱো তৈতে তযু গুণ
নাম মচাৱোক মন মোৰ ॥২৭১
তোহ্মাৰ অকণ দুই চৰণে বিক্রয় গইলো
ভৈলো তবু ভৃত্যৰ কিঙ্কৰ।
হেন কৃপা করা মোক তোমাৰ দাসৰো দাস
হুয়া যেন থাকো নিৱন্তৰ ॥
এতেকে অগ্রতা করো তোমাৰ চৰণে ধৱো
কৰি শত সহস্র প্রণাম।
সদা নচাৰিবো নাম তেজি যত আন কাম
নিৱন্তৰে বোলা ৰাম ৰাম ॥২৭২

ৰামায়ণ

(আদিকান্দ)

শ্রীকৃষ্ণায় নমঃ

ৰামায় ৰামচন্দ্রায় ৰামভদ্রায় ৰেধসে।
ৰঘুনাথায় নাথায় সীতায়াঃপতয়ে নমঃ॥

ৰন্দনা

জয় জয় কৃষ্ণ দেৱ দৈৱকীনন্দন।
ব্রহ্মা হৱে কৱে যাৱ চৱণে ৰন্দন॥
আতি অন্ত্য জাতি তৱে যাৱ লৈলে নাম।
হেন কৃষ্ণ পদে কৱো সদাই প্রণাম॥১
নমো নমো ৰাম ৰঘুকুলৱ কমল।
কৱিয়ো প্রকাশ নিজ যশ সুনির্ম্মল॥
পূৱিলাহা যিটো জগতৱ মনকাম।
হেন ৰাম পদে কৱো সদায় প্রণাম॥২
একে ব্রহ্ম আসি চাৱি মূর্ত্তি অৱতৱি।
হৱিলা ভূমিৱ ভাৱ ৰাক্ষস সংহৱি॥
ব্রহ্মা আদি দেৱৱ সাধিলা প্রয়োজন।
প্রণামো সাদৱে হেন ৰামৱ চৱণ॥৩
নিজ গুৰু চৱণত কৱি নমস্কাৱ।
ৰচিলো মাধৱে আদ্য কাণ্ড কথা সাৱ॥
আচৱি মঙ্গল গুণ কীর্ত্তন কৃষ্ণৱ।
কৃষ্ণক স্মৱণে সিদ্ধি হৌক আৱম্ভৱ॥৪
ৰোলো কৃতাঞ্জলি শুনা সবে সভাসদ।
মহা মূঢ় হুয়া কৱো ৰামায়ণ পদ॥
পৱম চঞ্চল মই অধমৱ দোষ।
ক্ষেমিবা সকলে নকৱিবা অসন্তোষ॥৫
নাহিকে কৱিতা গুণ মুহিকো পণ্ডিত।
তথাপিতো ভৈলা পদ কৱিবাক চিত্ত॥
মহাভোগ ইচ্ছা যেন ভৈলা দৱিদ্রৱ।
মই অজ্ঞানীৱ জানা সেহি পটন্তৱ॥৬
জানি মহাজনে নিন্দা নকৱিবা আত।
কৱো হেৱা মই কৃতাঞ্জলি প্রণিপাত॥

যেই সেই বিকে যেন অমূল্য ৰতন।
তাক বাছি আছে জানা কোন মহাজন॥৭
মোৱ পদ পটন্তৱ যেন হীন জাতি।
ৰামৱ চৱিত্রচয় মহাৰত্ন আতি॥
মোৱ পদ জানি দোষ কৱি পৱিহাৱ।
লৈয়ো ৰাম গুণময় মহাৰত্ন সাৱ॥৮
তেৱেসে কলিত হৈৱা কৃতার্থ সম্প্রতি।
ৰাম কথা শুনি অনায়াসে পাইবা গতি॥
উত্তম মনুষ্য জন্ম নকৱিয়ো বৃথা।
এক চিত্ত মনে শুনা ৰামায়ণ কথা॥৯
মহা ঋষি বাল্মীকিৱ নির্ম্মল হৃদয়।
কৱিলা লোকক মহা কৃপা কৃপাময়॥
ৰাম কথা অমৃতক কৱি মহাদান।
সাধিলন্ত জগতৱ পৱম কল্যাণ॥১০
এক দিনা বাল্মীকি উঠিয়া প্রভাতত।
স্নান কৱিবাক প্রতি গঙ্গাৱ জলত॥
শিষ্য ভৱদ্বাজক বুলিলা ঋষিৰাজ।
সত্বৱে লৈয়োক স্নান কৱিবাৱ সাজ॥১১
শুনি ভৱদ্বাজ সাজ লৈলা তেতিক্ষণে।
স্নানিবাক লৱিলা সমস্তে ঋষিগণে॥
স্নানিতে লাগিলা ঋষি গঙ্গাৱ জলত।
দেখিলন্ত ক্রৌঞ্চ পক্ষী বৃক্ষৱ ডালত॥১২
পৱম হৱিষে পক্ষী কৱয় সঙ্গম।
ব্যাধ গোটে আসি পশিলেক যেন যম॥
সঙ্গম সময় দুষ্টে পক্ষীক হানিল।
দেখি বাল্মীকিৱ মহা করুণা মিলিল॥১৩
মহা ক্রোধে ব্যাধক বুলিলা ঋষিৰাজ।
শুনৱে অধম কি নো কৱিলি অকাজ॥
সঙ্গম সময়ে পক্ষী কৱিলি সংহাৱ।
চিৱকাল নৱকে পচিবি দুৱাচাৱ॥১৪
ইহ লোকে দুর্যশ থাকিব ৰৱ তোৱ।
মোহ হুয়া কর্ম্ম তই কৱিলি দুর্ঘোৱ॥

এহি বুলি মনে ঋষি কৱন্ত বিষাদ।
অকস্মাতে আসি কিনো দেখিলো প্রমাদ॥১৫
স্নান কৱি জলহস্তে উঠি তপোধন।
শিষ্য সমে কৱিলন্ত গৃহক গমন॥
ঘৱে পাসি বসি মুনি গুণন্ত মনত।
কেন মতে ৰাক্য মোৱ ৰজাইল মুখত॥১৬
চাৱি পদ হুয়া মোৱ আসিল ৰচন।
শ্লোক নামে ইহাকে বুলিয়ো সর্ব্বজন॥
বাল্মীকিৱ মুখে ভৈল ৰচন উত্তম।
শ্লোক নামে কৱিতা শুনন্তে মনোৰম॥১৭

"মা নিষাদ প্রতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্রৌঞ্চমিথুনাদেকমৱধিঃ কামমোহিতম্॥"

বাল্মীকিৱ আগত নাৱদৱ ৰামায়ণ কথন

অনন্তৱে ব্রহ্মা দেৱে সেহি সময়ত।
সর্ব্বলোক হিত তেৱে চিন্তিয়া মনত॥
চৱাচৱ জগতৱ কুশল কাৱণে।
ৰামৰূপে অৱতার হৈৱা নাৱায়ণে॥১৮
বাল্মীকিৱ মুখে সেই দিব্য কথামৃত।
শ্লোকবন্ধে কৱাও সর্ব্ব জনত বিদিত॥
তাকে শুনি ভণি সুখে তৱোক সংসাৱ।
হেন মনে গুণি ব্রহ্মা কৱিলন্ত সাৱ॥১৯
আছন্ত বাল্মীকি চিন্তি পূর্ব্ব কথামৃত।
নাৱদে সহিতে ব্রহ্মা মিলিল তহিত॥
দেখিয়া বাল্মীকি ঋষি উঠি তারক্ষণে।
সুৱর্ণ আসন আনি দিলা ৰঙ্গমনে॥২০
নাৱদে সহিতে ব্রহ্মা বসিল তথাত।
কৱিলা বাল্মীকি দুইৱো পারে প্রণিপাত॥
পাদ্যে অর্ঘে গন্ধে ধূপে পূজি মহা ঋষি।
কৃতাঞ্জলি হুয়া স্তুতি বুলিলা হৱিষি॥২১
সাফলিলো জন্ম দুইৱো দেখিলো চৱণ।
কৱিয়োক আজ্ঞা কিৱা সাধো প্রয়োজন॥
বাল্মীকিক ব্রহ্মা পাচে বুলিলা ৰচন।
শুনা মহাঋষি মোৰ যেন প্রয়োজন॥২২
বুলিলা ৰচন যেন ক্রৌঞ্চক ৱধিতে।
সেহিমতে ৰামায়ণ কৱা একচিতে॥
দশৰথ নৃপতিৰ গৃহে অযোধ্যাত।
শ্রীৰামস্বৰূপে হৱি জন্মিবা সাক্ষাত॥২৩

নাৱদৱ মুখে কথা শুনিবা সকলে।
পাচে ৰামায়ণ কৱিবাহা কৌতূহলে॥
যুগে যুগে তোমাৰ কৱিতা প্রচাৱিব।
তাকে শুনি ভণি লোকে সংসাৱ তৱিব॥২৪
নাৱদক পাচে বুলিলন্ত পিতামহ।
ৰামৰ চৱিত্র কিছু বাল্মীকিত কহ॥
এহি বুলি ব্রহ্মা নিজ লোকে গৈলা চলি।
নাৱদত বাল্মীকি পুছিলা কৃতাঞ্জলি॥২৫
কেনমতে ৰামায়ণ কৱিবো আতাই।
সিসব কাহিনী সবে কহা মোৱ ঠাই॥
কোন কুলে ৰামচন্দ্র হৈৱ উতপন।
কোন দেশে কোন কর্ম্ম কৱিব শোভন॥২৬
কোনমতে হৈৱ ৰাম কোন প্রয়োজনে।
সিসব কাৱণ তুমি জানাহা আপোনে॥
বোলন্ত নাৱদে শুনিয়োক মহাঋষি।
ৰামৰ চৱিত্রচয় কহিবো হৱিষি॥২৭
হৈৱন্ত ইক্ষ্বাকু নামে ৰাজা অযোধ্যাত।
দশৰথ ৰাজা সেহি কুলে হৈৱা জাত॥
তান গৃহে বিষ্ণু ৰামৰূপে অৱতৱি।
হৱিবা ভূমিৱ ভাৱ ৰাক্ষস সংহৱি॥২৮
ৰামৰ চৱিত্রচয় অমৃত সমান।
শুনা অনুক্রমে ঋষি কহোঁ বিদ্যমান॥
অযোধ্যাত হৈৱা দশৰথ নৱেশ্বৰ।
পুত্র নহৈৱেক নর হাজাৱ ৱৎসৱ॥২৯
পুত্রৱ নিমিত্তে যজ্ঞ কৱিব অনেক।
তথাপিতো নৃপতিৰ পুত্র নুহিৱেক॥
দুর্ব্বাসাত উপদেশ পায়া মহামানী।
কৱিবা বিশিষ্ট যজ্ঞ ঋষ্যশৃঙ্গ আনি॥৩০
তেৱে জন্মৱন্ত ৰাম চাৱি ৰূপ ধৱি।
বল বীর্য্যে ধৈর্য্যাধিক দেৱতাত কৱি॥
চাৱি ভাই মহাৰীৰ বিষ্ণু অংশে জাত।
দুষ্টবিনাশন হেতু জগত প্রখ্যাত॥৩১
অস্ত্রে শস্ত্রে শাস্ত্রে সর্ব্ব গুণে অনুপাম।
গুহ চণ্ডালক মিত্র কৱিব শ্রীৰাম॥
মাৰীচ সুবাহু দুই ৰাক্ষস দুর্জ্জন।
বিশ্বামিত্র মুনিৰ যজ্ঞক কৱে ছন॥৩২
যাইবা বিশ্বামিত্র দশৰথ গৃহক॥
যজ্ঞ ৰাখিবাক প্রতি খুজিবা ৰামক॥
শুনি নৃপতিৰ মুখে হৱিৰ ৰচন।
কৱিৱন্ত ভক্তিভাৱে ঋষিক অর্চ্চন॥৩৩
ৰামক নপায়া ঋষি কৱিৱন্ত ক্রোধ।
ৰশিষ্ঠে কৱিব দশৰথক প্রৱোধ॥

দিবা ৰাম-লক্ষ্মণক বশিষ্ঠ বচনে ।
লৈয়া দুই ভাইক ঋষি যাইবা ৰঙ্গমনে ॥৩৪
চলিৱন্ত দুয়ো বিশ্বামিত্ৰৰ সঙ্গত ।
ৰাক্ষসৰ কথা মুনি কহিবা ৰামত ॥
প্ৰথমতে ৰামে বধিৱন্ত তাড়কাক ॥
শ্ৰীৰামক প্ৰশংসা কৰিব দেৱ জাক ॥৩৫
ৰামৰ বিক্ৰমে বৰ হৰিষক পাইব ।
যত অস্ত্ৰ শস্ত্ৰ মুনি দোভাইক শিখাইব ॥
নানা অস্ত্ৰ শস্ত্ৰ জানি হৈব ৰঙ্গমন ।
ঋষি সমে দুয়ো প্ৰবেশিব তপোবন ॥৩৬
থাকিব দিনেক ৰামে ৰাক্ষসক ধ্যানে ।
যজ্ঞ নষ্ট ৰাক্ষসে কৰিব বিদ্যমানে ॥
মাৰীচক ৰামে উকৰাইব এক শৰে ।
সুবাহুক সসৈন্যে ডাকিবা যম ঘৰে ॥৩৭
দেখি বিশ্বামিত্ৰ আদি যত মুনিগণ ।
ৰামক বুলিবে সবে প্ৰশংসা বচন ॥
পাছে ঋষি সবে বেদ মন্ত্ৰ উচ্চাৰিং ।
কৰিৱন্ত যজ্ঞ সাঙ্গ পূৰ্ণাহুতি দিয়া ॥৩৮
আত অনন্তৰে কথা শুনা মহামতি ।
মিথিলা নগৰে হৈব জনক নৃপতি ॥
তানে জীউ হৈবা সীতা লক্ষ্মী সমসৰ ।
ধৰ্ম্ম যজ্ঞ পাতিবা সীতাৰ সয়ম্বৰ ॥৩৯
দূত পঠাঁই আনিৱন্ত ৰাজা সকলক ।
সঙ্গে লৈয়া বিশ্বামিত্ৰ ৰাম লক্ষ্মণক ॥
পৰম হৰিষে ঋষি যাহন্তে পথত ।
প্ৰবেশিবা যাই গৌতমৰ আশ্ৰমত ॥৪০
অহল্যাক মুক্ত ৰামে কৰিবা সাক্ষাত ।
ৰামে সমে ঋষি প্ৰবেশিব মিথিলাত ॥
ধনুক ভাঙ্গিবা ৰামে পাইবন্ত সীতাক ।
অনায়াসে ধুদ্ধে জিনিৱন্ত ৰাজা জাক ॥৪১
দূত পঠাই জনকে আনিবা দশৰথ ।
সীতাক ৰামক দিবা পৃথি মনোৰথ ॥
লক্ষ্মণ ভৰত শত্ৰুঘন মহামতি ।
আৰো তিনি কন্যা দিবা তিনিকো নৃপতি ॥৪২
চাৰি পুত্ৰ চাৰি বধূ লৈয়া দশৰথ ।
ধৰিবা কৌতুকে ৰাজা অযোধ্যাৰ পথ ॥
ভৃগুপতি ৰামে পাচে শুনি ধনুভঙ্গ ।
পন্থ নিষেধিবা আসি কৰি মহা খঙ্গ ॥৪৩
তাক স্তুতি নতি বুলিৱন্ত দশৰথ ।
ৰামে পৰশুৰামৰ ছেদিৱা স্বৰ্গপথ ॥
ৰামে ভৃগুপতিক জিনিবা লীলা কৰি ।
মহোৎসৱে প্ৰবেশিবা অযোধ্যা নগৰী ॥৪৪

পাছে দশৰথে শত্ৰুঘন ভৰতক ।
পঠাইৱন্ত দুইকো যুদ্ধাজিতৰ গৃহক ॥
ৰূপে গুণে ৰামে ৰঞ্জিৱন্ত সৰ্ব্বজন ।
ৰাম ৰাজা হৈৱন্ত সবাৰো এহি মন ॥৪৫
সবাৰো আনন্দ ৰাম হৈৱন্ত নৃপতি ।
দশৰথে ৰামক দিৱাঔ অনুমতি ॥
জানি কৈকেয়ীয়ে তাত পাতিব বিধিনি
সত্য জৰী নৃপতিক ছান্দিব পাপিনী ॥৪৬
ভৰত হৈৱন্ত ৰাজা কৈকেয়ীৰ মন ।
চৈধ্যয় বৎসৰ প্ৰতি ৰাম যাইব বন ॥
হেন সত্য কৰাই দশৰথ নৃপতিক ।
সমস্তে লোকক শোক দিবেক অধিক ॥৪৭
পিতৃ সত্য প্ৰতিপালি ৰাম ৰঙ্গ মনে ।
লক্ষ্মণ জানকী সঙ্গে প্ৰবেশিবা বনে ॥
পুত্ৰৰ শোকত জীৱ তেজিবা নৃপতি ।
সাত দিন বাহি শৱ হৈব কৰ্ম্ম গতি ॥৪৮
দূত পঠাই বশিষ্টে অনাইবা ভৰতক ।
কৰাইবা ৰাজাৰ যত প্ৰেতৰ কাৰ্য্যক ॥
পিতৃকাৰ্য্য কৰিয়া ভৰত বিতোপন ।
ৰামক আনিবে প্ৰতি প্ৰবেশিব বন ॥৪৯
শুনি ৰামচন্দ্ৰে সিটো পিতৃৰ মৰণ ।
তিনিয়ো কৰিবে শোক বিস্তৰ ক্ৰন্দন ॥
ভৰতে কাতৰ আতি কৰিব ৰামক ।
মই সত্য পালো প্ৰভু চলিয়ো ৰাজ্যক ॥৫০
বশিষ্ট প্ৰমুখে বুলিৱন্ত পাত্ৰগণ ।
নৰাখিবা ৰামচন্দ্ৰে তাহাৰ বচন ॥
নিষ্ঠূৰ বচন ৰামে বুলি ভৰতক ।
পুনৰপি পালটাই পঠাবা ৰাজ্যক ॥৫১
পাছে ৰামচন্দ্ৰ সীতা লক্ষ্মণ সহিতি ।
ফল মূল মাংস শাক ভুঞ্জি মন প্ৰীতি ॥
শিৰে জটা পৰিধান বাকলি বসন ।
কতো তৃণ শিলা মৃগ চৰ্ম্মত শয়ণ ॥৫২
এহিমতে ৰামচন্দ্ৰে বঞ্চিবা বনত ।
কতো দিন থাকি চিত্ৰকূট পৰ্ব্বতত ॥
বেড়াইৱন্ত ৰামে পাচে ঋষিৰ আশ্ৰমে ।
সুতীক্ষ্ণ ঋষিৰ ঘৰে যাইৱন্ত প্ৰথমে ॥৫৩
শৰভঙ্গ ঋষিক দেখিবা তাত পৰ ।
তাত পাছে বধিবা বিৰাধ নিশাচৰ ॥
ঘৰে ঘৰে ঋষিৰ আশ্ৰমে নিৱন্তৰে ।
যাইৰ দশ বৎসৰ ফুৰন্তে ৰঘুৱৰে ॥৫৪
পাইৱন্ত হৰিষ ৰামে ঋষিসম্ভাষণে ।
অগস্ত্যত পুছি যাইব পঞ্চৱটী বনে ॥

তথাত কৰিব ৰামে হৰিষে নিবাস ।
শূৰ্পনখা যাইব কামে ৰাঘৱৰ পাশ ॥৫৫
লক্ষ্মণে কাটিব তাইৰ ধৰি নাক কাণ ।
খৰ দূষণক শূৰ্পনখা দিব জান ॥
চতুৰ্দ্দশ সহস্ৰ ৰাক্ষস সমন্বিতে ।
খৰ দূষণক ৰামে বধিবা তহিতে ॥৫৬
খৰ দূষণৰ বধ দেখি বিদ্যমান ॥
ৰাৱণৰ আগে শূৰ্পনখা নিৰ জান ॥
সীতাৰ ৰূপৰ কথা কহিব প্ৰচুৰ ।
শুনিয়া ৰাৱণ ৰাজা হৈব কামাতুৰ ॥৫৭
সীতাক হৰিতে যত্ন কৰিব বিস্তৰ ।
ৰথ লৈয়া যাইব ৰাজা মাৰীচৰ ঘৰ ॥
মাৰীচে বিস্তৰ বুজাইবেক ৰাৱণক ।
তথাপি ৰাৱণে তাৰ শুশুনিবে ৰাক ॥৫৮
মাৰীচক লগে লৈয়া দুৰ্জ্জন ৰাৱণ ।
সীতাক হৰিবে যাইব দণ্ডকাৰ বন ॥
ৰামৰ শৰত মৃত্যু জানি আপনাৰ ।
ধৰি মৃগ ৰূপ সিটো সুবৰ্ণ আকাৰ ॥৫৯
ফুৰিবে মাৰীচ চৰি আগত ৰামৰ ।
দেখি ৰামচন্দ্ৰে যাৰ ধৰি ধনুশৰ ॥
নিবেক ৰামক বিদূৰক নিশাচৰ ।
ৰামৰ শৰত তেজিবেক কলেৱৰ ॥ ৬০
মৰন্তে তেজিবে ৰাৱ ৰামৰ সমান ।
শুনি সীতা গোসানীৰ উৰিব পৰাণ ॥
ৰামক ৰাক্ষসে মাৰে সীতা হেন জানি ।
লক্ষ্মণক বুলিবেক দু�ৰাক্ষৰ বাণী ॥ ৬১
শুনিয়া সীতাক তেজি যাইৱন্ত লক্ষ্মণে ।
শূন্য স্থানে সীতা হৰি নিবেক ৰাৱণে ॥
সীতাৰ কাৰণে যুদ্ধ কৰিব জটায়ু ।
পাখা ছেদি ৰাৱণে হৰিব তাৰ আয়ু ॥ ৬২
থৈবেক সীতাক নিয়া অশোকৰ বনে ।
ৰাক্ষসিনীগণ ৰক্ষী দিবেক ৰাৱণে ॥
দেখি ব্ৰহ্মা বুলিৱন্ত ইন্দ্ৰ দেৱতাক ।
অমৃত পায়স নিয়া দিয়োক সীতাক ॥ ৬৩
ইন্দ্ৰে নিয়া পায়স দিৱন্ত তেতিক্ষণ ।
দেখি সীতা দেবী তাক কৰিব ভক্ষণ ॥
নাপাবা সীতাক পাচে শ্ৰীৰাম লক্ষ্মণ ।
মহাশোকে দুয়ো ভাই কৰিব ক্ৰন্দন ॥ ৬৪
বধিৱা কৱন্ধ ৰামে সীতাক খোজন্তে ।
ঋষ্যমুখ পাইবা গই দণ্ডকাৰ হন্তে ॥
তথা ৰামচন্দ্ৰে কাৰ্য্য কৰিবা বিচিত্ৰ ।
সুগ্ৰীৱ বানৰ সমে ৰামে কৰি মিত্ৰ ॥ ৬৫

বানৰৰ ৰাজা বালিক বধিব ।
তাৰ যত ৰাজ্যভাৰ সুগ্ৰীৱক দিব ॥
পাসৰিব ৰামক সুগ্ৰীৱ ৰাজ্য ভোলে ।
লক্ষ্মণে তৰ্জ্জিব তাক ৰাঘৱৰ বোলে ॥ ৬৬
কপি সেনাগণ লৈয়া বানৰ নৃপতি ।
ৰামৰ চৰণে নমি কৰিবা প্ৰণতি ॥
পাঞ্চিবা বানৰগণ ৰামৰ আদেশে ।
সীতাক খুজিবে পঠাইবা দেশে দেশে ॥ ৬৭
লগত সহায় দিব বীৰ হনুমন্ত ।
দক্ষিণ দিশক অঙ্গদক পাঞ্চিৱন্ত ॥
বিচাৰিয়া সীতাক ফুৰিবা কপি জাক ।
সম্পাতিৰ মুখে পাইবা সীতাৰ বাৰ্ত্তাক ॥ ৬৮
শিংশপা বৃক্ষৰ তলে লঙ্কাত আছন্ত ॥
সাগৰ এৰাইবা ডেৰে বীৰ হনুমন্ত ॥
দেখিবা সীতাক যেবে বায়ুৰ তনয় ।
ৰামৰ বাৰ্ত্তাক কহিৱন্ত মহাশয় ॥ ৬৯
ৰামৰ আঙ্গঠি নিয়া সীতাক দিৱন্ত ।
হিয়ে মুঠি হানি সীতা দেৱী কান্দিৱন্ত ॥
হাতে তৃণ ধৰি বীৰে সীতাক বুজাইব ।
কপিৰ কাতৰে সীতা গোসানী জুৰাইব ॥ ৭০
অশোক বনত পশি বায়ুৰ নন্দন ।
কৰিৱন্ত ছন্দ ৰাবণৰ মধুবন ॥
অনেক ৰাক্ষস মাৰি নিবা যমঘৰ ।
অক্ষ কুমাৰক মাৰিৱন্ত বীৰবৰ ॥ ৭১
পাচে নাগপাশ হানিবন্ত ইন্দ্ৰজিতে ।
হৈবা বন্দী ৰাৱণক দেখিবাৰ চিত্তে ॥
ৰাক্ষসে যোগাইব নিয়া ৰাৱণৰ আগে ।
বিস্তৰ ভৎৰ্সিয়া ৰাৱণক মহাভাগে ॥ ৭২
কপিৰ বচনে মহাকোপে লঙ্কেশ্বৰ ।
লগাইবে লাঙ্গুলে জুই মেৰাই কাপৰ ॥
হোহকায়া নাগপাশ পবননন্দন ।
লগায়া অগনি লঙ্কা কৰিৱন্ত ছন্ন ॥ ৭৩
সাগৰ লঙ্ঘিবা ডেৰে পৃথিবীক আসি ।
কহিবা সীতাৰ বাৰ্ত্তা ৰামত হৰিষি ॥
সীতাৰ মাথাৰ মণি ৰামক দিৱন্ত ।
দেখি হিয়ে মুঠি হানি ৰাম কান্দিৱন্ত ॥ ৭৪
সুগ্ৰীৱ লক্ষ্মণে ধৰি ৰামক বুজাইবা ।
দুইৰে প্ৰবোধে ৰাম কিঞ্চিত জুৰাইবা ॥
পাচে কপি সেনা সমে ৰাম মহাবীৰ ।
আপুনি চলিয়া যাইব সাগৰৰ তীৰ ॥ ৭৫
সীতাক দিবাক বুলিবন্ত বিভীষণে ।
মাৰিবন্ত লাথি তাক দুৰ্জ্জন ৰাৱণে ॥

ৰামত শৰণ আসি লৈৰা বিভীষণে।
তাক্ক অভিষেক ৰামে কৰিবা তেখনে ॥ ৭৬
হৈৰা বিভীষণ অভিনব লঙ্কেশ্বৰ।
সাগৰত পন্থ মাগিৱন্ত ৰঘুবৰ ॥
সিদিৰা সাগৰে দেখা ৰামক গৰ্ব্বত।
দেখি ধনুশৰ ৰামে ধৰিবা ক্রোধত ॥ ৭৭
ভয়ত কম্পিৰ আতি সাগৰৰ হিয়া।
ৰামক কৰিৰ স্তুতি পাদ্য অর্ঘ্য দিয়া ॥
চলিয়োক দিলো পন্থ বোলন্ত সাগৰে।
নাযাইবেক তল সেতু বান্ধিবো পাথৰে ॥ ৭৮
অদভুত কৰ্ম্ম কৰিবেক ৰঘুবৰে।
পৰ্ব্বত আনিয়া সেতু বান্ধিৰ বানৰে ॥
লক্ষ্মণ সুগ্রীৱ বিভীষণ সমন্বিত।
সসৈন্যে হৈৱন্ত গৈয়া সিবেলাত থিত ॥ ৭৯
সেনাগণ গণিবাক প্রতি ৰাঘৱৰ।
শুক সাৰণক পঠাইবেক লঙ্কেশ্বৰ ॥
বিভীষণে ধৰি দুইকো ৰামত যোগাইব।
তাতে ৰামে ৰাৱণক বার্ত্তাক পঠাইব ॥ ৮০
আচৰিয়া কপট ৰাৱণ বুদ্ধিহত।
মায়া শিৰ দিব নিয়া সীতাৰ হাতত ॥
দেখি সীতা সতী মায়া শিৰ ৰাঘৱৰ।
ভূমিত লুটিয়া দেবী কান্দিৰ বিস্তৰ। ৮১
প্রভাততে বেঢ়িয়া লঙ্কাৰ চাৰি দ্বাৰ।
দূত পঠাইৱন্ত ৰামে বালিৰ কুমাৰ ॥
ভৎর্সিব অঙ্গদে ৰাৱণক বাবে বাৰ।
মাৰিবন্ত চাৰি গোটা বীৰ ৰাৱণৰ ॥ ৮২
লাথি মাৰি ভাঙ্গিৱন্ত ৰাৱণৰ ঘৰ।
ৰামৰ পাশক আসিৱন্ত কপিবৰ ॥
ৰাৱণ যুজিব লৈয়া কটক অপাৰ।
বানৰে কৰিব ৰাক্ষসক বুন্দামাৰ ॥ ৮৩
অঙ্গদে জিনিব ইন্দ্রজিতক ইঙ্গিতে।
অন্তৰীক্ষে শৰ ৰৰিষিব ইন্দ্রজিতে ॥
মায়াবলে পীড়িবেক বানৰ কটক।
নাগপাশে বান্ধিবেক ৰাম লক্ষ্মণক ॥ ৮৪
গৰুড়ৰ আশ্বাসে গুচিব নাগপাশ।
দেখি ৰাৱণৰ লাগিবে মহাত্রাস ॥
অনেক ৰাক্ষস সেনাগণ সমন্বিত।
সেনাপতিগণ পাঞ্চিৱন্ত লঙ্কাপতি ॥ ৮৫
চাৰি সেনাপতি যাইব যমজ সদন।
ধূম্রাক্ষ প্রহস্ত বজ্রদন্ত অকম্পন ॥
তেবে সমদলে আসি যুজিব ৰাৱণ।
বানৰ কটক মাৰিবেক দশানন ॥ ৮৬

দেখি ৰামচন্দ্রে হাতে ধৰি ধনুশৰ।
কেশে সমে কিৰীটী কাটিব ৰাৱণৰ ॥
যম যেন ৰাঘৱক দেখিয়া সাক্ষাত।
ভঙ্গ দিয়া পলাই গৈয়া পশিব লঙ্কাত ॥ ৮৭
মহামর্ম্মে জানুত থাপিয়া দশ মাথ।
অপমান পায়া কান্দিৱন্ত লঙ্কানাথ ॥
শ্রীহত হৈবে মুখ পৰিব বিবর্ণ।
পঠাইবে যুজিবাক জগাই কুম্ভকর্ণ ॥ ৮৮
ঘোৰ শবে ৰামে তাৰ ছেদিৱন্ত শিৰ।
শোকে ৰাৱণৰ হিয়া হৈব দুই ছিৰ ॥
তেবে চাৰি পুত্র মৰি যাইব যমঘৰ।
ৰণত পৰিব আৰো দুই সহোদৰ ॥ ৮৯
অতিকায় কুমাৰক মাৰিব লক্ষ্মণ।
ইন্দ্রজিতে আসি পুনৰপি দিব ৰণ ॥
ৰাম লক্ষ্মণক আদি যত সেনাগণ।
ৰাৱণৰ শবে সবে হৈবে অচেতন ॥ ৯০
জাম্বৱন্ত উপদেশে বীৰ হনুমন্ত।
ঔষধ আনিয়া সমস্তকে জীয়াইবন্ত ॥
ৰাৱণৰ মনে মহা মিলিব শঙ্কট।
চমকি বহিব দিয়া দুৱাৰে কপাট ॥ ৯১
বানৰ ভালুকগণে মহাহৃষ্ট হুই।
দহিব সুবর্ণপুৰী লঙ্কা দিয়া জুই ॥
পাচে সাত মহাবীৰ মাৰিব বানৰে।

মকৰাক্ষ বীৰক বধিব ৰঘুবৰে ॥ ৯২
তেবে মায়া সীতাক কাটিব ইন্দ্রজিত।
শোকৰ জমকে ৰাম হৈৱন্ত মূৰ্চ্ছিত ॥
বিভীষণে বুজাইৱন্ত কহিয়া সম্ভেদ।
লক্ষ্মণে কৰিব ৰাৱণৰ স্কন্ধ ছেদ ॥ ৯৩
পুত্রস্নেহে অনেক কান্দিব লঙ্কানাথে।
শোকে বিদাৰিব হিয়া যেন বজ্রপাতে ॥
ক্রোধৰ বেগত দেখিবেক অন্ধকাৰ।
সীতাক কাটিবে খেদি যাইব দুৰাচাৰ ॥ ৯৪
দেখি মন্দোদৰী তাক্ক প্রবোধি আনিব।
অসংখ্য কটক যুজিবাক পঠাই দিব ॥
গন্ধর্ব্বৰ অস্ত্র ৰামে কৰিব প্রকাশ।
ক্ষণেকে কৰিব দুষ্ট ৰাক্ষস বিনাশ ॥ ৯৫
সমস্তে ৰাক্ষস সঙ্গে লৈয়া লঙ্কাপতি।
বজাইব আপোটে সাজি যুজিবাক প্রতি ॥
তিনি সেনাপতি তাৰ যাইব যম ঘৰ।
ৰাম ৰাৱণৰ ঘোৰ মিলিব সমৰ ॥ ৯৬
ৰাৱণৰ শকতিত পৰিব লক্ষ্মণ।
তাক কোলে ধৰি ৰাম কৰিব ক্রন্দন ॥

ঔষধ আনিবে যাইব বায়ুৰ কুমাৰ।
তথাপি মাৰিব কালনিমি নিশাচৰ ॥ ৯৭
তিনি কোটি গন্ধর্ব্বক মাৰিব তহিতে।
আনিব ঔষধ বীৰে পর্ব্বত সহিতে ॥
বিশল্যকৰণী ঔষধৰ গন্ধ পাই।
জীৱন্ত লক্ষ্মণ জয় আনন্দ বঢ়াই ॥ ৯৮
ৰাৱণক বধিতে ৰামৰ হৈব চিত।
আসিবেক দেৱ ৰথ মাতলি সহিত ॥
তাতে চড়ি কৌতুকে যুজিব ৰঘুনাথ।
বাৰে বাৰে ৰাৱণৰ কাটিৱন্ত মাথ ॥ ৯৯
নমৰিব তথাপি ৰাৱণ মহাবীৰ।
ব্রহ্ম অস্ত্র হানি পাচে ছেদিৱন্ত শিৰ ॥
আকাশত দেৱগণে আনন্দ কৰিব।
জয় ৰাম ধ্বনি দশোদিশক পূৰিব ॥ ১০০
ৰাঘৱৰ শিৰে ৰৰষিব পাৰিজাত।
পাচে ৰামে দেৱ কার্য্য সফলি সাক্ষাত ॥
বিভীষণ মিত্রক আশ্বাসি ৰঘুবৰ।
পাতিৱন্ত তাক অভিনব লঙ্কেশ্বৰ ॥ ১০১
যাৱে থাকে চন্দ্র সূর্য্য পৃথিবী পৱন।
তৱে ৰাজ্য কৰিবা লঙ্কাৰ বিভীষণ ॥
অঙ্গীকাৰ সাফল কৰিবা ৰঘুবৰ।
বোলা ৰাম ৰাম সভাসদ নিৰন্তৰ ॥ ১০২

দুলড়ী

নাৰদ বদতি, পাচে ৰঘূপতি,
পুরুষ মহা মহন্ত।
লগাই অপমান, সভা বিদ্যবান,
জানকীক ত্যজিৱন্ত ॥
জগত জননী, জনকনন্দিনী,
ৰামত হুয়া নৈৰাশ।
আগনি সঞ্জালি, ঘৃতচৰ ঢালি,
তাতে কৰিৱন্ত ঝাস ॥ ১০৩
নদহিব গাৰ, হুয়া শুদ্ধভাৰ
বহিৱন্ত জগমাৰ।
দেৱগণ সমে ৰাজা দশৰথ,
আসিবা ৰামৰ থাৰ ॥
তিনি পিতা পুত্রে একখান হুই,
গলে বান্ধি কান্দিবন্ত।
পাচে দশৰথে, ৰামক প্রশংসি
কৈকেয়ীক নিন্দিৱন্ত ॥ ১০৪
অনন্তৰে ব্রহ্মা, দেৱ ৰাঘৱক,
স্তুতি কৰিবন্ত গৈয়া।
মৰা বানৰক, ৰামে জীয়াইবন্ত,
বাসৱত বৰ লৈয়া ॥
পিতৃৰ বচনে, সম্বৰিবা ৰামে
সীতাক পৰম তুষ্টি।
দেৱগণ সমে, ৰাজা দশৰথ,
যাইৱন্ত স্বর্গক উঠি ॥ ১০৫
বানৰ ভালুক, ৰাক্ষস সহিতি,
পুষ্পক বিমানে চড়ি।
লক্ষ্মণ জানকী, সমন্বিতে ৰাম,
অযোধ্যাক যাইব লৰি ॥
পাচে ৰামে ভৰ- দ্বাজৰ আশ্রমে,
ৰহিয়া লৈৱন্ত ৰৱ।
সমস্তে বৃক্ষত, হৈৰ মধুফল,
ভুঞ্জিব তাক বানৰ ॥ ১০৬
ভৰত লক্ষ্মণ, ৰাম শত্রুঘন,
চাৰি হুয়া এক থান।
কৰি জটা ছেদ, এৰিৱন্ত খেদ,
চাৰিও বীৰ প্রধান ॥
তাত অনন্তৰে, অযোধ্যা নগৰে,
হৈৱন্ত ৰাজা ৰাঘৱ।
তুলি ছত্র দণ্ড, ৰায়া বাদ্যভণ্ড,
কৰিব লোকে উৎসৱ ॥ ১০৭
ৰামৰ উপৰে, দেৱ নিৰন্তৰে,
পুষ্প বৰিষিব চানি।
পৰম হৰিষে, প্রজায়ো কৰিব,
জয় জয় ৰাম ধ্বনি ॥
বানৰ ভালুক, ৰাক্ষস সকল
প্রসাদ পায়া ৰামৰ।
পৰম হৰিষে, ৰামক প্রণামি,
চলি যাইব নিজঘৰ ॥ ১০৮
অযোধ্যাক পাচে, অগস্ত্য আসিব,
কৰিবা ৰামে সম্মান।
ৰাৱণৰ জন্ম, কহিবা অগস্ত্য,
ৰাঘৱৰ বিদ্যমান ॥
যেন মতে ৰণে, পৰম দুর্জ্জনে,
জিনিৱন্ত ত্রিভুৱন।
কুবেৰক জিনি, পুষ্পক বিমান,
আনিলা ৰাজা ৰাৱণ ॥ ১০৯
হৰি বেদৱতী, ৰাৱণ দুর্ম্মতি,
পাইবেক শাপ দুর্যশ।
আনাৰণে বধি, সবাকো জিনিব,
দুর্জ্জন সিটো ৰাক্ষস ॥

ইকথা শুনিয়া, মিলিবে কৌতুক,
হাসিবে ৰামে আনন্দে।
সহস্র অর্জ্জুন, বালিত সমৰ,
হাৰিবা ৰাৱণ মন্দে ॥ ১১০
ব্রহ্মাৰ ৰৱত, যমক জিনিবে,
পাতালে জিনিব নাগ।
বৰুণ কটক, জিনিব ৰাৱণ,
বিষ্ণুক পাইবেক লাগ ॥
মান্ধাতা সহিতে কৰিব সমৰ,
চন্দ্রক জিনিব ৰণে।
কপিলৰ ঠাই, হাৰি অপমান,
পাইবেঁক গৈয়া ৰাৱণে ॥ ১১১
ৰম্ভাক হৰিব, নল কুবেৰত,
শাপ পাইব নিশাচৰ।
দেৱগণ সমে, ইন্দ্রক সমৰে,
জিনিবেক লঙ্কেশ্বৰ ॥
এহিমতে ৰাম- চন্দ্রৰ আগত,
কহি কথা ৰাৱণৰ।
ৰামত বিদায়, কৰি মুনিগণ,
চলি যাইবা নিজ ঘৰ ॥ ১১২

ছবি

অযোধ্যাত ৰাম দেৱে, ৰাজ্য ভোগ কৰিবেক
সুখে দশ হাজাৰ বৎসৰ।
সীতাৰ দুর্ব্বাদ কথা, লোকেৰ মুখত শুনি,
চিন্তা বৰ মিলিবে ৰামৰ ॥
তোমাৰ আশ্রমে নিয়া, সীতাক নির্ব্বাস দিব,
পাঞ্চমহীয়া গর্ভ সমে।
জীউবোধে প্রতিপাল, কৰিবা সীতাক তুমি
থাকিৱন্ত তোমাৰ আশ্রমে ॥ ১১৩
উপজিব জানকীৰ, যৱঞ্জা কুমাৰ দুই
হৈব দুইৰ লৱ কুশ নাম।
পৰম হৰিষ মনে, বিৰচিবা তুমি এহি,
ৰামায়ণ কথা অনুপাম ॥
সীতাৰ কুমাৰ দুইক, পঢ়ায়া শিখাইবা এহি,
ৰামৰ চৰিত্র কথা সাৰ।
তোমাৰ আজ্ঞাক পালি, লৱ কুশ দুইভাই,
কৰিৱন্ত লোকত প্রচাৰ ॥ ১১৪
অনন্তৰে ৰাঘৱৰ, আজ্ঞাক শিৰত ধৰি,
শক্রঘণে বধিবা লৱন।
মধুৰাত পাতি পাট, ৰজ্য প্রতিপালি পাচে
দেখিৱন্ত ৰামৰ চৰণ ॥

ৰামক দেখিয়া স্বর্গ, কুকুৰ সাৰণ যাইব,
পুত্র কাটি জীয়াইব ব্রাহ্মণ।
গৃধিনী পেচাৰ ন্যায়, ৰামচন্দ্রে বুজিৱন্ত,
কি কহিবা ৰাঘৱৰ গুণ ॥ ১১৫
দেৱগণ সমে ৰাম, অগস্ত্যৰ ঘৰে যাইব,
কৰিৱন্ত আলাপ বিস্তৰ।
অগস্ত্যয়ো ৰাঘৱৰ, দিব্য আভৰণ দিব,
পাচে ৰাম আসিৱন্ত ঘৰ ॥
অশ্বমেধ কৰিবাক, ৰামৰ হৈবেক মন,
অনাইবা বহু ঋষি জাক।
সীতাৰ কুমাৰ দুইক, লগে লৈয়া বঙ্গমনে,
যাইব যজ্ঞভূমি দেখিবাক ॥ ১১৬
ৰামৰ আগত লৈয়া, পৰম হৰিষে গীত,
গাইবা দুয়ো সীতাৰ তনয়।
সীতাৰ নিকাৰচয়, গাৱন্তে বিদিত হুইবা,
পিতা পুত্রে হৈবা পৰিচয় ॥
জানকীক আনিবাক, তোমাক বুলিবে ৰামে,
দিবা নিয়া তুমিও ৰামত।
পায়া দেৱী অপমান, সবে সভা বিদ্যমান,
পশিৱন্ত গৈয়া পাতালত ॥ ১১৭
সীতাক নেদেখি ৰামে, হৈবন্ত বিকলচিত্ত,
পৃথিবীক কৰিবা কাতৰ।
নাপাই সমাধান ৰামে, ক্রোধে পৃথিবীক প্রতি
হাতে তুলি লৈবা ধনুশৰ ॥
দেখিয়া হংসত নামি, ৰামক বুজাইবা ব্রহ্মা,
শুনি ক্রোধ গুচিব ৰামৰ।
পাচে পুত্ররতে ৰামে ৰাজ্য প্রতিপালিৱন্ত
একাদশ সহস্র বৎসৰ ॥ ১১৮
সজ্জনক প্রতিপালি, দুর্জ্জনক বধিৱন্ত,
কৰিৱন্ত ৰাজ্য অকণ্টক।
চাৰি ভাইৰ আঠ পুত্র, আঠ দিনে ৰাজা পাতি
সমুচিতে দিৱন্ত বণ্টক ॥
ব্রহ্মাৰ আদেশ পায়া, কালে আসি দিবা দেখা
সত্য কৰাই ছলিবা ৰামক।
সত্য প্রতিপালে ৰামে, লক্ষণক তেজিৱন্ত
দেখাই আতি অতর্ক লোকক ॥ ১১৯
আগবাঢ়িবাক প্রতি, ব্রহ্মদেৱ সমন্নিতি
আসিৱন্ত দেৱতা পর্য্যন্ত।
তাত অনন্তৰে ৰাম, স্বর্গক চলিবা বঙ্গে
সঙ্গে লৈয়া পিম্পৰা পর্য্যন্ত ॥
তিনি ভাই প্রবেশিবা, ৰামৰ শৰীৰে গৈয়া
প্রবেশিবা বিষ্ণুত ৰাঘৱে।

ৰাক্ষস বানৰ নৰ, পশু পক্ষী তৃণ বন,
সমন্বিতে চলিবা উৎসৱে ॥ ১২০
শ্রীৰামৰ প্রসাদত, জীৱন্ত শৰীৰে গৈয়া,
সন্তলোক স্বর্গে হৈবা থিতি।
কৃতকৃত্য হুয়া সুখে, অমৃত কৰিবা পান,
ৰামগুণ গাইবা প্রতিনিতি ॥
এহিমতে ৰামায়ণ, কৰা তুমি তপোধন,
সুমৰিবা ব্রহ্মাক মনত।
ৰামৰ চৰিত্রচয়, পৰম অমৃতময়,
শুনি সুখে তৰোক জগত ॥ ১২১
নমো নমো ৰঘুকুল- কমলপ্রকাশ সূর্য্য,
শ্রীৰাম চন্দ্র সীতাপতি।
হুয়োক প্রসন্ন যেন, মোৰ মন মধুকৰে,
তযু পাদপদ্মে কৰে ৰতি ॥
তযু নিজ দাসে মোৰ, পৰম সুহৃদ হৌক,
লোক মুখে তযু গুণ নাম।
ন ছাৰিবা প্রভু মোক, যত সমাজিক লোক
নিৰন্তৰে বোলা ৰাম ৰাম ॥ ১২২

ৰাক্ষসৰ বিৰৰণ

পদ

নাৰদ বদতি ঋষি শুনিয়ো সাক্ষাত।
ক্ষুদ্রৰূপে ৰামায়ণ কহিলোঁ তোমাত ॥
প্রপঞ্চ-স্বৰূপে তুমি কৰা ৰামায়ণ।
ব্রহ্মাক স্মৰিলে ব্যর্থ হুইবে বচন ॥ ১২৩
কহিলোঁহো অল্প কৰি চৰিত্র ৰামৰ।
শুনিয়ো বৃতান্ত আক কহোঁ ৰাক্ষসৰ ॥
উপজিব ৰাৱণ অদ্ভুত কলেৱৰ।
দশ মুণ্ড কৰি বাহু দেখি ভয়ঙ্কৰ ॥ ১২৪
ঘোৰ তপ আচৰি ব্রহ্মাত লৈব বৰ।
সুৰাসুৰ লোকত অবধ্য কলেবৰ ॥
বেদ বিশ্বশ্রবা বীর্য্যে নৈকেষীত জাত।
হৈব তিনি সহোদৰ জগত প্রখ্যাত ॥ ১২৫
আৰ্য্যে এক শ্রেষ্ঠ হৈব বৈমাতৰ।
ইৰাব তনয় কুবেৰ ধনেশ্বৰ ॥
বিষ্ণুভক্ত হৈৱন্ত কুবেৰ বিভীষণ।
হৈব দুষ্ট দুর্জ্জন ৰাৱণ কুম্ভকর্ণ ॥ ১২৬
ৰাৱণৰ হৈব আৰো ভগিনী দুতয়।
ত্রিজটা হৈবেক বিষ্ণুভক্ত আতিশয় ॥
শূর্পণখা হৈব আতি পৰম পাপিনী।
ধর্ম্মাধর্ম্ম নাজানিব সিটো ৰাক্ষসিনী ॥ ১২৭

বিশ্বকর্ম্মে নানা চিত্র কৰিব লঙ্কাত।
দুতি অমৰাৱতী যেন দেখিব সাক্ষাত ॥
তাতে ৰাজ্য কৰিবা কুবেৰ ধনেশ্বৰ।
হৈব লোকপাল ৰাজা যক্ষৰ উপৰ ॥ ১২৮
সুবর্ণৰ পুৰী লঙ্কা ৰত্নে জাতিস্কাৰ।
নানা চিত্র বিচিত্র প্রকাশে খৰ দ্বাৰ ॥
নানা উপবনে ফুলে ফুলে সমন্বিত।
ভুঞ্জন্ত কুবেৰ বহু ভোগ মনোনীত ॥ ১২৯
তপ কৰি ৰাৱণে ব্রহ্মাত ৰৰ পাই।
কুবেৰৰ পাশে দূত দিবেক পঠাই ॥
লঙ্কাপুৰী কুবেৰে আমাক দেউক ছাৰি।
সুখে যেবে নেদেয় আপুনি লৈবো কাঢ়ি ॥ ১৩০
দুতি এহি কথা কৈব কুবেৰৰ আগে।
নকৰিবা বিবাদ কুবেৰ মহাভাগে ॥
দৈত্য অংশ ৰাৱণৰ বিবাদত ৰতি।
বিষ্ণু অংশ কুবেৰৰ বিষ্ণুত ভকতি ॥ ১৩১
এতেকে বিবাদ নকৰিয়া ধনপতি।
পঠাইবা মধুৰ বুলি ৰাৱণক প্রতি ॥
লঙ্কাপুৰী ৰাজ্য তেজি দিবা ৰাৱণক।
যক্ষগণ সমে চলি যাইবা কৈলাসক ॥ ১৩২
অলকাৱতী নামে এক পাতিয়া নগৰ।
তথাতে ৰহিবা সুখে ধনৰ ঈশ্বৰ ॥
লঙ্কাত হৈবেক ৰাজা দুর্জ্জয় ৰাৱণ।
ত্রিদশ দেৱক হিংসা কৰিব দুর্জ্জন ॥ ১৩৩
বিশ্বজিস্থ নামে দৈত্য কুলে হৈব জাত।
শূর্পণখা ভগিনীক বিহা দিব তাত ॥
ৰাৱণে কৰিব বিহা কন্যা মন্দোদৰী।
ময়দানৱৰ জীউ পৰম সুন্দৰী ॥ ১৩৪
ৰাৱণৰ পুত্র হৈব নামে ইন্দ্রজিত।
দেৱে নপাৰিব তাৰ প্রতাপ সহিত ॥
ৰথত চড়িয়া যাইব স্বর্গক ৰাবণ।
ইন্দ্রৰ নন্দন বন কৰিব উছন ॥ ১৩৫
দেখিয়া ইন্দ্রৰ মহা মর্ম্মে দহে মন।
কুবেৰক হাতে ধৰি দেখাবন্ত বন ॥
ৰাসৱৰ বচনে কুবেৰ বুদ্ধিমন্ত।
ৰাৱণৰ ঠাই দূত পঠাই দিবন্ত ॥ ১৩৬
প্রবোধ বচন বুলি পঠাইবা বহুত।
ৰাৱণৰ আগে তাক কহিবেক দূত ॥
শুনি মহা কোপে ঝঙ্কাৰিয়া দশমাথ।
কুবেৰক দূতক কাটিব লঙ্কানাথ ॥ ১৩৭
ৰথে চড়ি সাজি ধায়া যাইব লঙ্কেশ্বৰ।
যক্ষ ৰাক্ষসৰ ঘোৰ মিলিব সমৰ ॥

কুবেৰ ৰাৱণে ৰণ হৈব ভয়ঙ্কৰ।
কৰিব সমৰ তিনি সহস্ৰ বৎসৰ ॥ ১৩৮
ব্ৰহ্মাৰ ৰৱত ভৈলা ৰাৱণ দুৰ্জ্জয়।
তাহাৰ বিক্ৰম কাৰ শকতি সহয় ॥
কুবেৰক জিনি লৈব পুষ্পক বিমান।
সেনা সমে চড়ি তাতে কৰিব পয়াণ ॥ ১৩৯
মহাবলৱন্ত ৰাৱণৰ সেনাগণ।
যুদ্ধে জিনি বশ কৰিবেক ত্ৰিভুবন ॥
যৈতে যৈতে মহা যজ্ঞ শুনয় ৰাৱণ।
লুৰি পুৰি খায়া দায়া কৰয় উছন ॥ ১৪০
সুন্দৰী কন্যাৰ কথা শুনে যত মান।
বলে হৰি আনিবেক আপনাৰ থান ॥
অনেক প্ৰহাৰ কৰি সংগ্ৰামৰ মাজ।
কৰিবেক বিকৰ্থনা জিনি দেৱৰাজ ॥১৪১
মঞ্জমনি গৈয়া বীৰ ৰাৱণ প্ৰচণ্ড।
যম জিনি কাঢ়িয়া লৈবেক যমদণ্ড ॥
চন্দ্ৰক জিনিয়া তান হৰিবে প্ৰকাশ।
বৰুণক জিনি তান লৈব নাগপাশ ॥ ১৪২
তবে ষড়ঋতু সব হৈব বিপৰ্য্যয়।
নৱগ্ৰহ সবাৰ খণ্ডাব ভাগ্যচয় ॥
কৰিব অধীন জিনি দৈত্য দানৱক।
যুদ্ধে যিনি মন্দ তেজ কৰিব সূৰ্য্যক ॥ ১৪৩
অপেস্বৰা গন্ধৰ্ব্বী সেবিব নিৱন্তৰ।
ভয় মন্দগতি আতি হৈব পৱনৰ ॥
সমস্তে দেৱৰে খণ্ডাইবেক অধিকাৰ।
শুক্ৰক দেখিয়া কিছু কৰিব সংকাৰ ॥ ১৪৪
নকৰিব জগতক ইঙ্গিত দুৰ্ম্মতি।
আপুনি হৈবেক ত্ৰিভুবন অধিপতি ॥
সমস্তকে বাৱণে লগায়া অপমান।
ৰামৰ হাতত হৈব সবংশে নিৰ্ব্বাণ ॥ ১৪৫
সংক্ষেপে কহিলো কথা ৰাম বাৱণৰ।
প্ৰপঞ্চিয়া ৰামায়ণ কৰা মুনিবৰ ॥
বাল্মীকিক এতেক বুলিয়া দেৱ ঋষি।
হৰিগুণ গায় চলি গৈলন্ত হৰিষি ॥ ১৪৬
বাল্মীকিও ৰামৰ চৰিত্ৰ শুনি কাণে।
ভৈলন্ত তৃপিতি যেন অমৃতক পানে ॥
ৰামায়ণ কৰিবাক ভৈলা তান মতি।
এক চিত্তে মুনি সুমৰিলা সৰস্বতী ॥ ১৪৭
সুপ্ৰসন্ন হুয়া দেবী ভৈলন্ত সাক্ষাত।
দেখিয়া বাল্মীকি কৰিলন্ত প্ৰণিপাত ॥
ব্ৰহ্মাৰ আজ্ঞায়ে আমি কৰো ৰামায়ণ।
আমাৰ কণ্ঠত মাৱ হুয়োক প্ৰসন ॥ ১৪৮
বুলিবন্ত সৰস্বতী মুনিক বচন।
থাকিবোহোঁ আমি তযু কণ্ঠে সৰ্ব্বক্ষণ ॥
তোমাৰ বচনচয় হুইবে অন্যথা।
কৰা সাৱধানে ৰাম অৱতাৰ কথা ॥
নিস্তৰোক লোক শুনি ৰামৰ চৰিত।
এহি বুলি সৰস্বতী ভৈলা অন্তৰ্হিত ॥ ১৪৯

সূৰ্য্যবংশৰ বিৱৰণ।

অনন্তৰে হৰিষে বাল্মীকি তপোধন।
ৰামক সুমৰি আতি ভৈলা শুদ্ধমন ॥
শুভক্ষণে বসিলা কৰিতে ৰামায়ণ।
আচৰিলা সুমঙ্গল হৰিৰ কীৰ্ত্তন ॥ ১৫০
ধৰিয়া শিৱত মুনি ব্ৰহ্মাৰ আদেশ।
সুমৰিলা মনে নাৱদৰ উপদেশ ॥
ৰামায়ণ কৰিতে লাগিলা অনুক্ৰমে।
বংশাৱলী কহিবাক লাগিলা প্ৰথমে ॥ ১৫০
ভৈলন্ত মাৰীচ নামে ব্ৰহ্মাৰ তনয়।
তান পুত্ৰ ভৈলন্ত কশ্যপ মহাশয় ॥
কশ্যপ ঋষিৰ পুত্ৰ ভৈলন্ত আদিত্য।
শ্ৰাদ্ধদেৱ মনু সূৰ্য্যতনয় বিদিত ॥ ১৫২
ভৈলন্ত সুজাঞ্জু নামে মনুৰ তনয়।
তান পুত্ৰ ভৈলন্ত ইক্ষ্বাকু মহাশয় ॥
ভৈলন্ত ইক্ষ্বাকু আতি নৃপতি প্ৰধান।
তেন্তে কৰিলন্ত পুৰী অযোধ্যা নিৰ্ম্মাণ ॥ ১৫৩
বিকুক্ষি ভৈলন্ত পুত্ৰ ইক্ষাকু ৰাজাৰ।
ভৈলা বিকুক্ষিৰ পুত্ৰ পৃথু নাম যাৰ ॥
প্ৰসাদ্ভূত ভৈলন্ত পৃথুৰ বীৰ্য্যে জাত।
ভৈলন্ত মান্ধাতা তান তনয় প্ৰখ্যাত ॥ ১৫৪
কৰিলা মান্ধাতা সপ্তদ্বীপ অধিকাৰ।
কুৰু নামে ভৈলা তান তনয় প্ৰচাৰ ॥
ভৈলন্ত তাহাৰ পুত্ৰ স্বয়ম্ভুৱ নাম।
অনাৰণ্য ভৈল তান পুত্ৰ অনুপান ॥ ১৫৫
তান পুত্ৰ আৰণ্য বিষ্ণুৰ সমসৰ।
দীৰ্ঘবাহু নামে পুত্ৰ ভৈল আৰণ্যৰ ॥
ভৈল দীৰ্ঘবাহুত দিলীপ নৰেশ্বৰ।
হাৰ্য্যক নামত পুত্ৰ ভৈল দিলীপৰ ॥ ১৫৬
হাৰ্য্যকে পাইলন্ত মাধৱত পুত্ৰৱৰ।
হাৰিদ্ৰ ভৈলন্ত তেৰে পুত্ৰ হাৰ্য্যকৰ ॥
সাস্ত্রক নামত পুত্ৰ ভৈল হাৰিদ্ৰৱ।
মন্দাক্ষিণি নামে পুত্ৰ ভৈল সাস্ত্রকৰ ॥ ১৫৭

মন্দাক্ষিণিৰ তনয় ভৈলন্ত সগৱৰ।
শশবিন্দ ভৈলন্ত তনয় সগৱৰ ॥
ভৈলা নন্দনামে শশবিন্দৰ সন্ততি।
তান পুত্ৰ ভৈলন্ত নন্দন মহামতি ॥ ১৫৮
বিশ্বনাথ নামে পুত্ৰ ভৈল নন্দনৰ।
অম্বত্ৰক নামে পুত্ৰ ভৈল বিশ্বনাথৰ ॥
ভগীৰথ ভৈলা অম্বত্ৰকৰ তনয়।
গঙ্গাক নমাইলা ভগীৰথ মহাশয় ॥১৫৯
ভৈলন্ত সৌদাস ভগীৰথৰ সন্ততি।
সৌদাসৰ তনয় দিলীপ নৰপতি ॥
দিলীপৰ পুত্ৰ ৰঘু নামে নৰেশ্বৰ।
ৰঘুৰ তনয় ভৈল অজ নৃপৱৰ ॥১৬০
অজৰ যে পুত্ৰ ভৈলা দশৰথ নাম।
পৃথিবীত যাৰ গুণে নাহি অনুপাম ॥
অজ নৃপতিৰ পটেশ্বৰী ইন্দুমতী।
দশৰথ নৃপতিৰ মাতৃ মহা সতী ॥১৬১
অনুক্ৰমে বংশাৱলী কহিলো সকল।
অযোধ্যা নগৰে ৰাজা হৈবা মহাবল ॥
সূৰ্য্য বংশে বত্ৰিশ পুৰুষ অনন্তৰ।
ভৈল উতপতি দশৰথ নৰৱৰ ॥১৬২
কি কহিবো কথা দশৰথ নৃপতিৰ।
সাগৰ গম্ভীৰ ধীৰ গুণৰ মন্দিৰ ॥
মহা মহা পাপী তৰে নাম লৈলে যাৰ।
হেন ৰামচন্দ্ৰ ভৈলা যাত অৱতাৰ ॥১৬৩
তান আন গুণ কিবা বৰ্ণাইবো বিস্তৰ।
নাহি সুপুৰুষ দশৰথ সমসৰ ॥
যিটো বাহুবলে অসুৰক কৰি হত।
দেৱ সমে বাসৱক থাপিলা স্বৰ্গত ॥১৬৪
তাহান গুণক কোনে কৰিবেক অন্ত।
বিষ্ণুত ভকত যিটো পৱম মহন্ত ॥
সংক্ষেপে কহিলোঁ দশৰথৰ মহত্ব।
বিস্তাৰিয়া কহোঁ কিছু শুনিয়ো সাম্প্ৰত ॥১৬৫
কোষলৰ উত্তৱত অযোধ্যা নগৰ।
দুতিয়স্বৰ্গপুৰ অমাৱতী পটন্তৰ ॥
বাৰ প্ৰহৰৰ পথ পথালি প্ৰমাণ।
পঞ্চিশ যোজন পথ দীৰ্ঘৰ নিৰ্ম্মাণ ॥১৬৬
পৃথিবীত পটন্তৰ নাহি অযোধ্যাৰ।
ত্ৰিভুবন জিনি পুৰি কৰে জাতিষ্কাৰ ॥
ভুবনদুৰ্ল্লভ নগৰৰ পনিপাটি।
সুবৰ্ণ ৱতনে বিৱচিত হাটী বাটী ॥১৬৭
স্থানে স্থানে প্ৰকাশয় দীঘী সৰোৱৰ।
নানাৱৰ্ত্তে ৱচি আছে চাৰিও কাষৰ ॥

নানা ফল ফুল পাৱে পাৱে ৱহি আছে।
নানা উপৱন শোভা কৰে কাছে কাছে ॥১৬৮
চৌভিতি নগৰ গড় প্ৰাকী সুবৰ্ণৰ।
নানাবিধ অস্ত্ৰে শস্ত্ৰে দুৰ্দ্ধৰ নিৱন্তৰ ॥
নগৰৰ দ্বাৰ আছে লঙ্ঘিয়া আকাশ।
নানা জলজন্তু তাত কৰয় প্ৰকাশ ॥১৬৯
নানা ৱৰ্ত্তে বিৱচিত চৌপন্থা পদুলি।
ধ্বজ দণ্ড পতাকা তোৰণ আছে তুলি ॥
নানাবিধ গৃহ শাৰী শাৰী প্ৰকাশয়।
উপৱত পঞ্চ সুবৰ্ণৰ ঘটচয় ॥১৭০
যেন দেৱ দেৱী অযোধ্যাৰ নাৰীগণ।
দিব্য বস্ত্ৰ অলঙ্কাৰে ফুৰে কাছি পাৰি ॥
পৱম সঙ্কুল হস্তী ঘোৰা ৰথে আতি।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ চাৰি জাতি ॥১৭১
আচাৰে হৰিষে যাৰ যেন জাতিধৰ্ম্ম।
নিজ বৃত্তি বিনে নকৰয় আন কৰ্ম্ম ॥
নাহি অনাচাৰ হিংসা মিছা ডকা চুৰি।
নকৰয় পৱদাৰ অন্যায় চাতুৰী ॥১৭২
নাহি শোক সন্তাপ নাহিকে দন্দৱাদ।
অকালত মৃত্যু আসি নকৰে প্ৰমাদ ॥
নাহি দুখী ভিক্ষী জন অযোধ্যানগৰে।
সমস্তৰে অচলা সম্পত্তি ঘৰে ঘৰে ॥১৭৩
হেন মহা সুখে ৱঞ্চে অযোধ্যাৰ প্ৰজা।
তাতে ভৈলা পাচে দশৰথ মহাৰাজা ॥
পৱম মহন্ত সন্ত শীতল স্বভাৱ।
ভৈলা যেন লোকৰ সম্যক বাপমাৱ ॥১৭৪
স্বধৰ্ম্মত শুদ্ধবুদ্ধি সুন্দৰ শৰীৰ।
ৰমণীৰমণ ৱতিৰঙ্গ মহাবীৰ ॥
সদাই ধৰ্ম্মত ৱতি বিষ্ণুত ভকত।
সৰ্ব্বগুণযুত গুণ সমস্তে মহত ॥১৭৫
ধৈৰ্য্যে যেন মেক গিৰি গম্ভীৰ সাগৰ।
প্ৰতাপত আদিত্য ক্ৰোধত মহেশ্বৰ ॥
দানে বলি কৰ্ণ হৰিশ্চন্দ্ৰ সমসৰ।
বলে বুদ্ধি সমান ভোগত পুৱন্দৰ ॥১৭৬
অস্ত্ৰে শস্ত্ৰে শাস্ত্ৰে নানা গুণে সুমণ্ডিত ॥
বৃহস্পতি সম ৰাজা পৱম পণ্ডিত ॥
শাম দান ভেদ দণ্ড জানা চাৰি নয়।
মহাসুৰ সমৰে যমকো নাহি ভয় ॥১৭৭
সাতোদ্বীপা পৃথিবীৰ ভৈলা অধিপতি।
পুণ্যৱতে লোকক পালন্ত প্ৰতিনিতি।
নাহিকে শত্ৰুক শঙ্কা ৰাজাৰ আগত।
ভৃত্য যেন খাটয় নৃপতি আছে যত ॥১৭৮

মহামুনি বশিষ্ঠ ভৈলন্ত পুৰোহিত।
সুমন্ত্র প্রমুখ্যে আঠ মন্ত্রী সুবেষ্টিত॥
হৃষ্ট পুষ্ট সন্তুষ্ট বলিষ্ঠ মহাশূৰ।
অস্ত্রে শস্ত্রে সমন্বিতে কটক প্রচুৰ॥১৭৯
সমৰত যম সম যেন কৰে গতি।
অসংখ্য প্রমাণ গজ বাজী ৰথপতি॥
মহা শ্রীযুত ৰাজা মহেন্দ্র পৰায়।
কতেক বর্ণাইবো গুণ কহন নাযায়॥১৮০
সুবলিত ভুজযুগ বাসুকী সমান।
বজ্রতো অধিক তান শৰৰ সন্ধান॥
মহা যশ ৰাশি প্রকাশয় ত্রৈলোক্যত।
ভয়ে তৰ তৰি সুৰাসুৰ নাগ যত॥১৮১

দশৰথৰ লগত কৌশল্যাৰ বিবাহ

কোশল ৰাজাৰ জীউ কৌশল্যা সুন্দৰী।
ত্রৈলোক্যত যাক ৰূপে নাহি পটন্তৰি॥
সর্ব্ব গুণে আনন্দিতা আতি মহা সতী।
তাক বিহা কৰিলন্ত প্রথমে নৃপতি॥১৮২
দশৰথ ৰাজাৰ যতেক গুণ সাৰ।
তাহান্তো অধিক কিছু আছে কৌশল্যাৰ॥
মহা সৌভাগিনী কন্যা পায়া দশৰথ।
ভৈলন্ত আনন্দে পৰিপূর্ণ মনোৰথ॥১৮৩
কৌশল্যা সমান শান্তী নাহি ত্রিভুবনে।
নৃপতিক সুশ্রূষা কৰন্ত সর্ব্বক্ষণে॥
ভার্য্যায়ে সহিতে অজ নৃপতিৰ সুত।
ৰত্নময় মন্দিৰত ক্রিড়িলা বহুত॥১৮৪

দশৰথৰ লগত কৈকেয়ীৰ বিবাহ

আত অনন্তৰে কথা শুনিয়ো সম্প্রতি।
কেকয় ৰাজ্যত আছে কেকয় নৃপতি॥
দানে মানে কুলে ধর্ম্মে শীলে আনন্দিত।
সর্ব্ব গুণে গুণান্বিত জগতে বিদিত॥১৮৫
কৈকেয়ী নামত কন্যা এক আছে তান।
ত্রিভুবনে নাহি যাৰ ৰূপৰ সমান॥
নাহি খতি খুন সর্ব্বগুণে নিৰূপমা।
মুহিকে সমান ৰতি ৰম্ভা তিলোত্তমা॥১৮৬
হৰিণনয়নী আতিশয় মধ্যক্ষীণী।
সুকোমল কেশে চামৰকো আছে জিনি॥
পূর্ণ চন্দ্রমাকো জিনি বদনৰ কান্তি।
মুকুতাৰ শাৰী যেন জ্বলে দন্ত পাতি॥১৮৭
নাসা গোট দেখি যেন বন্ধু তিলফুল।
বিম্বফল জিনি জ্বলে অধৰ ৰাতুল॥
মৃণাল সদৃশ বাহু দেখিতে সুঠান।
সুগন্ধীৰ লীলাগতি গজৰ সমান॥১৮৮
বহুল জঘন উৰু যেন ৰাম কল।
থল কমলকো গঞ্জে চৰণকমল॥
হাস্তত অমৃত স্রৱে বচন মধুৰ।
হৰে ৰূপ দেখি কন্দর্পৰ দর্প চুৰ॥১৮৯
বদৰি প্রমাণ স্তন বাঢ়ে হৃদয়ত।
কটাক্ষতে মোহে সুৰ নৰ মুনি যত॥
কেকয় ৰাজাৰ হেন আছে কন্যা ৰত্ন।
বিবাহ দিবাক ৰাজা কৰে মহা যত্ন॥১৯০
কেন মতে কন্যাৰ সদৃশ পাইবো বৰ।
হেন শুনি নৃপতি পাতিলা সয়ম্বৰ॥
দেশে দেশে পাঞ্চি দিলা দূত বহুতৰ।
কহ সমস্তত কৈকেয়ীৰ সয়ম্বৰ॥১৯১
গেল দেশে দেশে দূতগণ অসংখ্যাত।
জানাইলেক সয়ম্বৰ সমস্তে ৰাজাত॥
কৈকেয়ীৰ সয়ম্বৰ শুনি যত ৰাজা।
সঙ্গে সাজি গৈয়া ৰথ গজ বাজী প্রজা॥১৯২
কেকয় নগৰে আসি ভৈলা এক থান।
সৱাকো কেকয় ৰাজা কৰিলা সম্মান॥
আছে পুত্রৰৰ তান যুদ্ধাজিত নাম।
পিতৃত ভকত সর্ব্ব গুণে অনুপাম॥১৯৩
তাস্তে ৰাজ্য ভাৰ ৰাজা সপি নিৰন্তৰ।
বিবাহৰ কার্য্যক চিন্তন্ত নৰৱৰ॥
কৰিলা মজুত আনি অনেক সম্ভাৰ।
কুসুম চন্দন গন্ধ বস্ত্র অলঙ্কাৰ॥ ১৯৪
সুবর্ণৰ ঝাৰী খুৰি তাম্বুল কর্পূৰ।
নানা উপহাৰে দ্রব্য মিলাইলা প্রচুৰ॥
আসি আছে যত ৰাজা শুনি সয়ম্বৰ।
সৱাকো দিলন্ত ৰত্নময় বাসা ঘৰ॥ ১৯৫
তাম্বুল চন্দনে দিব্য বস্ত্র অলঙ্কাৰে।
অর্চ্চিলা সৱাকো নানা বিধ উপহাৰে॥
কুসুম কুঙ্কুম গন্ধ চন্দনে তুষিলা।
নানা ভক্তিভাৰে সমস্তকে সন্তোষিলা॥ ১৯৬
আছন্ত নৃপতিগণ পাতিয়া সমাজ।
সেহি সময়ত দশৰথ মহাৰাজ॥
সঙ্গে সাজি লৈয়া গজ বাজী সেনা যত।
সেহি সমজ্যাত গৈয়া ভৈল উপগত॥ ১৯৭

দশৰথ আসিৰাৰ দেখি ৰাজাগণে।
গাৱ চালি আথেৰেথে উঠিলা তেখনে॥
কেকয় ৰাজাৰ দেখি হৰিষ মিলিলা।
পৰম গৌৰবে আনি সিংহাসন দিলা॥ ১৯৮
দশৰথ নৃপতি বসিলা গৈয়া তাত।
যেন পুৰন্দৰ দেৱগণৰ সাভাত।
নৃপতিৰ মাজে ৰাজা প্রকাশন্ত বসি।
গ্রহগণ মাজে যেন পূর্ণিমাৰ শশী॥ ১৯৯
দশৰথ আগে নজলন্ত ৰাজাচয়।
যেহেন নক্ষত্রগণ সূর্য্যৰ উদয়॥
পাত্র পুত্র মিত্র সমে কেকয় নৃপতি।
দশৰথ নৃপতিক কৰিলা ভকতি॥ ২০০
সাদৰে ভৃঙ্গাৰ ধৰি প্রক্ষালিলা পাৱ।
সৱর্ঘে কৰিলা পূজা বুলি বহু ভাৱ॥
কুসুম চন্দন দিব্য বস্ত্র অলঙ্কাৰ।
নানা দ্রব্য দিয়া অর্চ্চিলন্ত বাৰে বাৰ॥ ২০১
বুলি আতি স্তুতি বাণী সন্তোষিলা মন।
ষড় ৰসে পঞ্চামৃতে কৰাইলা ভোজন॥
কর্পূৰ তাম্বুল দিলা ভোজনৰ শেষে।
গৃহ ব্যৱহাৰ ৰাজা কৰিলা নিশেয়ে॥ ২০২
কেকয় ৰাজাৰ আতি দেখিয়া ভকতি।
ভৈলন্ত সন্তুষ্ট দশৰথ মহামতি॥
কৰিলন্ত কেকয়ক প্রশংসা আশেষ।
অনন্তৰে ভৈলা আসি ৰজনী প্রবেশ॥২০৩
উত্তম মন্দিৰে ৰত্নময় আসনত।
সুকোমল শয্যাত শুতিলা দশৰথ॥
সুখে নৃপতিৰ ভৈল ৰজনী প্রভাত।
স্নান দান কৰি আসি বসিলা সভাত॥ ২০৪
প্রভাত সময়ে উঠি কেকয় নৃপতি।
স্নান দান তর্পণ কৰিলা মহামতি॥
বিধিৰ নিয়ম সমর্পিয়া নৃপৰৰ।
পাতিলন্ত সভা কৈকেয়ীৰ সয়ম্বৰ॥ ২০৫
ৰত্নময় আসন থৈলন্ত স্থানে স্থানে।
তাতে আসি বসিলা নৃপতিগণ মানে॥
বসি আছা দশৰথ সৱাৰে মাজত।
তান তেজে সঙ্কুচিত ৰাজাগণ যত॥ ২০৬
জ্বলে উৎপল যেন সূর্য্যৰ উদয়।
দশৰথ সমে সেহি মত ৰাজাচয়॥
কেকয় নৃপতি আতিশয় বুদ্ধিমন্ত।
যথাযোগ্য সমস্তে ৰাজাক অর্চ্চিলন্ত॥ ২০৭
বুলিলা সৱাকো পাচে সুমধুৰ বাণী।
কৈকেয়ী নামত মোৰ আছে কন্যাখানি॥
আতি শিষ্টমতী কন্যা আসি সমজ্যাক।
আপোন ইচ্ছায়ে কন্যা বৰয় যাহাক॥ ২০৮
তাহানে হৈবেক সিটো কন্যা মহা সতী।
এহি বুলি কৈকেয়ীৰ পাশক নৃপতি॥
নিজ গুৰু ব্রাহ্মণক দিলন্ত পঠাই।
আনিয়োক কন্যা গৈয়া সভাক আতাই॥ ২০৯
শুনি পুৰোহিতে গৈয়া বুলিলা কন্যাক।
আসিয়ো কৈকেয়ী পিতৃবাক্যে সমজ্যাক॥
শুনিয়া কন্যাৰ হৰিষৰ নাহি পাৰ।
পিন্ধিলা উৎসুকে দিব্য বস্ত্র অলঙ্কাৰ॥
একচিত্ত হুয়া শুনা সভাসদ লোক।
গুচোক সংসাৰভয় ৰাম বুলিয়োক॥ ২১০

দুলড়ী।

কৈকেয়ী কামিনী, সুচন্দ্রবদনী,
কাছিলন্ত বহু ভাৱে।
কৰি লীলাগতি, সমজ্যাক প্রতি
চলি যান্তভূমি পাৱে॥
কৃশ মধ্যদেহ, বুলন্তে হালয়,
চলে আতি লয়লাসে।
অনেক সুন্দৰী, তাক মধ্যে কৰি,
বেঢ়ি যান্ত চাৰি পাশে॥ ২১১
ত্রৈলোক্যমোহিনী, গজেন্দ্রগামিনী,
পাইলা সয়ম্বৰশালা।
প্রবেশিলা গই, মেকত উদয়,
যেন চন্দ্রমাৰ কলা॥
ভৈলন্ত বিস্ময়, যত ৰাজাচয়,
কন্যাৰ ৰূপ দেখিয়া।
চাহন্ত নিৰীখি, অমৃতক দেখি,
যেন লুভীয়াৰ হিয়া॥ ২১২
ৰূপ বিপৰীত, দেখি বিমোহিত
ভৈল যত ৰাজাচয়।
স্থিৰ নোহে মন, পীড়িলে মদন
দেখে সবে তমোময়॥
কম্পয় শৰীৰ, কতো বেলি স্থিৰ,
ভৈল ৰাজাগণ যত।
অন্যে আন মাতি, কহে কথা আতি,
ৰূপৰ কিনো মহত্ত্ব॥ ২১৩
স্বর্গ হন্তে কিবা, আসিল উর্ব্বশী,
কিবা ৰতি তিলোত্তমা।
ইন্দ্রৰ ঘৰিণী, কিবা আইলা শচী
কিবা অপেস্ৱৰী হেমা॥

ৰোহিণী পার্ব্বতী, কিবা লক্ষ্মী দেবী
আসি আছে মূর্ত্তি ধৰি।
ইটো ত্রৈলোক্যত, ইহেন ৰূপক
মুহি আনে সবি বড়ি॥ ২১৪
এক হাতে জল, ঝাৰী আউৰ হাতে
ধৰিয়া পুষ্পৰ মালা।
ৰাজাগণ মাজে, আপন সদৃশ
ৰৰ নিৰীক্ষন্ত বালা॥
সখীগণ সমে, ফুৰন্ত সুন্দৰী,
গোটে গোটে ৰাজা চাই।
সবে ৰাজাগণে, বোলে মনে মনে
মোকে ৰবিবেক পায়॥ ২১৫
পাচে সুদর্শণ, নামে এক ৰাজা,
সবাকো বোলে বচন।
সুদক্ষিণা নামে, কন্যাৰ কাহিনী,
শুনিয়োক ৰাজাগণ॥
মগধ ৰাজাৰ, জীউ সুদক্ষিণা,
পৰম পদ্মিনী কন্যা।
সর্ব্বগুণযুত, ৰূপ অদভুত,
ত্রৈলোক্যমোহিনী ধন্যা॥ ২১৬
তান সয়ম্বৰে, গৈলো নিবন্তৰে,
আছো ৰাজাগণ যত।
হাতে মাল্য ধৰি, বষ অনুসবি,
ফুৰে কন্যা সমাজত॥
সূর্য্যবংশে ৰাজা, আছিলা দিলীপ,
পৰম গুণে মহন্ত।
মাথে মাল্য দিয়া, গৈয়া সুদক্ষিণ
দিলীপক বৰিলন্ত॥ ২১৭
ইও মহাসতী, যেন সুদক্ষিণা,
সমস্ত গুণক ধৰে।
কোন পুণ্যৱন্ত, আছে ভাগ্যৱন্ত,
নাজানো কাহাক বৰে॥
এইমতে ৰাজা, সবে অন্যে অন্যে,
কন্যাৰ গুণ বখানে।
পাচে ধীৰি ধীৰি, কৈকেয়ী সুন্দৰী,
গৈলা দশৰথ স্থানে॥ ২১৮
তাঙ্ক দেখি কন্যা, গুণে মনে মনে,
এন্তে হৈবা মোৰ পতি।
ইহান সমান, ইটো পৃথিবীতে,
নাহিকে আন নৃপতি॥
ইহান আগত, নজলয় কেৱ
যত আছে ৰাজাগণ।
ত্রিভুবনে যাৰ, ৰূপ চমৎকাৰ,
সাক্ষাতে যেন মদন॥ ২১৯
ইহান অধীন, সকলো নৃপতি
আছন্ত খাটিয়া নিত।
ইহাকেসে মই, ৰৰিবো বুলিয়া,
দৃঢ় কৰিলন্ত চিত॥
পৰম সাদৰে, দশৰথ শিৰে,
দিলা নিয়া পুষ্পমালা।
চৰণত ধৰি, কৰি নমস্কাৰ,
ৰৰিলন্ত ৰৰমালা॥ ২২০
হেন দেখি যত, লোক সমজ্যাৰ
কৰে জয় জয় ধ্বনি।
সার্থক ৰৰক, ৰৰিলা সুন্দৰী,
কন্যা ৰৰ বিচক্ষণী॥
ৰৰ কন্যা দুইকো, প্রশংসা কৰিল,
সমস্ত লোকে সাদৰি।
সয়ম্বৰ ৰঙ্গ, উৎসব মঙ্গল,
দেখিল নয়ন ভৰি॥ ২২১
কৈকেয়ীক পায়া, দশৰথ ৰাজা,
ভৈলা অতি কৃতকৃত্য।
হৰিষে বিস্তৰ, মথিয়া সাগৰ,
পাইলন্ত যেন অমৃত॥
কেকয় ৰাজাৰ, আনন্দ অপাৰ,
জমাই পাই দশৰথ।
বিধি ব্যৱহাৰে, কন্যা সম্প্রদান,
কৰিলন্ত মহাৰথ॥ ২২২
উৎসুকে মনত, হয়হস্তী ৰথ,
দাস দাসী গ্রাম দেশ।
সুবর্ণ ৰজত, মুকুতা মানিক,
যৌতুক দিলা আশেষ॥
বিয়াৰ সভাত, যত অসংখ্যাত,
আছিলন্ত ৰাজাগণ।
যৌতুক সম্ভাৰ, দিলন্ত অপাৰ,
নৃপতিৰ তুষি মন॥ ২২৩
কেকয় নৃপতি, অনেক ভকতি,
সমজ্যাক সন্তোষিল।
কুসুম চন্দনে, ৰস্ত্র অলঙ্কাৰে,
সবাকো ৰাজা তোষিল॥
পায়া সতকাৰ, হৰিষ অপাৰ,
দেখি সুখে সয়ম্বৰ।
ৰাজাক সাদৰি, গৈলা ঘৰাঘৰি,
ৰাজা প্রজা নিবন্তৰ॥ ২২৪

ৰাজা দশৰথ, পৃথি মনোৰথ,
কৈকেয়ীক লৈলা সঙ্গে।
মহা কুতুহলে, ৰাস্ত সুমঙ্গলে,
গৃহক গৈলন্ত ৰঙ্গে।
শুনা সভাসদ, ৰামায়ণ পদ,
ৰামক হুয়া সমুখ।
ডাকি বোলা হৰি, সংসাৰক তৰি,
লভিবা পৰম সুখ॥ ২২৫

পদ।

দশৰথ নৰপতি ভার্য্যায়ে সহিত।
ৰত্নময় মন্দিৰত ভৈলা উপস্থিত॥
শুনি নৃপতিৰ পাচে মাতৃ ইন্দুমতী।
পুত্রৰধূ দেখিবে আসিলা মহা সতী॥ ২২৬
কৈকেয়ীক দেখি পাইলা হৰিষ অপাৰ।
দিলা বহাৰীক নানা ৰত্ন অলঙ্কাৰ॥
কৌশল্যা কৈকেয়ী দুই মহিষী প্রধান।
দুহাঙ্কো নৃপতি স্নেহ কৰন্ত সমান॥ ২২৭
কৈকেয়ীৰ ৰূপে নৃপতিৰ মোহে মন।
তান্ত অনুৰাগ আতি বাঢ়ে অনুক্ষণ॥
দুই ভার্য্যা সমে সুখে আছন্ত নৃপতি।
শুনিয়োক অনন্তৰে কথাক সম্প্রতি॥ ২২৮

——

দশৰথৰ লগত সুমিত্রাদি সাতশ ৰাণীৰ বিৰাহ

সিংহল দ্বীপত ৰাজা নামত সুমিত্র।
পৰম মহন্ত সর্ব্বগুণত বিচিত্র॥
আছন্ত সুমিত্রা নামে দুহিতা তাহান।
পৰম সুন্দৰী নাহি গুণত সমান॥ ২২৯
বিবাহ দিবাৰ কাল ভৈল ৰাজা জানি।
পুৰোহিত ব্রাহ্মণক বুলিবন্ত বাণী॥
চলা গুৰু দশৰথ নৃপতিৰ থান।
ত্রিভুবনে নাহি ৰাজা তাহান সমান॥ ২৩০
তান্তে বিহা দিবো মোৰ জীউ সুমিত্রাক।
ৰাঞ্ছা থাকে আসন্তোক বিহা কৰিবাক॥
শুনি ৰাজা দশৰথৰ পাশে গৈলন্ত ব্রাহ্মণ।
তান আগে কৈলা সুমিত্রাৰ যতগুণ॥ ২৩১
শুনি দশৰথৰ হৰিষ ভৈল আতি।
পুৰোহিত বশিষ্ঠক অনাইলন্ত মাতি॥
আৰো পাত্র মন্ত্রীগণ সমস্তকে আনি।
সবাকে প্রবোধি ৰাজা বুলিলন্ত বাণী॥ ২৩২
বিহা কৰিৱাক যাইবো সুমিত্রাৰ থানে।
দিন তিনিমান থাকিবাহা সাৱধানে॥
নিচিনি আপোন পৰ অন্ধকাৰ চিত।
শূন্য পাট দেখি সবে চিন্তিবে অহিত॥ ২৩৩
জানি সবাহিতে থাকিবাহা সাৱধানে।
আহিবোহো আমি তিন দিন অৱসানে॥
এহি বুলি সভা বিসর্জ্জিয়া দশৰথ।
সাৰথিক বোলন্ত সত্বৰে আন ৰথ॥ ২৩৪
শুনিয়া সাৰথি ৰথ তেখনে আনিলা।
সুমিত্রাৰ ব্রাহ্মণক তাহাতে তুলিলা॥
আপুনিও পাচে বিবাহৰ সব সাজে।
শুভক্ষণে ৰথত চড়িয়া মহাৰাজে॥ ২৩৫
হস্তী ঘোৰা ৰথ সর্ব্ব সৈন্য সুমঙ্গলে।
নানা বাদ্যভণ্ডে চলি গৈলা মহাবলে॥
নক্ষত্র সঞ্চাৰে যেন ৰথ কৰে গতি।
সিংহল দ্বীপত প্রবেশিলা মহামতি॥ ২৩৬
সুমিত্রাৰ পুৰোহিত ৰথৰ নামিলা।
শীঘ্র বেগে গৈয়া সুমিত্রাত জান দিলা॥
দশৰথ ৰাজা যাই নগৰে প্রবেশ।
শুনি নৃপতিৰ ভৈলা হৰিষ আশেষ॥ ২৩৭
পাত্র মিত্র পুৰোহিত সৈন্য সুমঙ্গলে।
আগ বাঢ়ি নৃপতি আসিলা কুতূহলে॥
দশৰথ নৃপতিৰ পাইলা গৈয়া লাগ।
বিধিৱতে সভার্য্যে পূজিলা মহাভাগ॥ ২৩৮
বোলন্ত সুমিত্রে ভাগ্য মিলিল আমাৰ।
কত পুণ্যে দেখিলোহো চৰণ তোমাৰ।
তুমি সম ৰাজা নাই ই তিনি লোকত।
তযু নিজ গুণে বশ্য হুয়া ৰাজা যত॥ ২৩৯
তোমাৰ চৰণে সেৱা কৰে ভৃত্য সম।
দানে ধর্ম্মে কুলে শীলে তুমি সর্ব্বোত্তম॥
সাতোদ্বীপা পৃথিবীৰ তুমি অধিপতি।
সূর্য্যবংশধৰ তুমি যেন বিষ্ণু মূর্ত্তি॥ ২৪০
লোকক শীতল কৰা চন্দ্রবংশ ধৰি।
মহাবল পৰাক্রমে ইন্দ্রো নোহে সৰি॥
ধন বৃষ্টি কৰা তুমি কুবেৰ সমান।
লোক দণ্ডধৰ তুমি যেন যম সম॥ ২৪১
ধর্ম্ম প্রতিপালত বিষ্ণুৰ সমসৰ।
লোকপালনত তুমি সর্ব্ব অংশধৰ॥
আনো নানা স্তুতি ৰাজা অনেক কৰিলা।
পৰম গৌৰৱ কৰি অন্তঃপুৰে নিলা॥ ২৪২
যত্নে ৰত্নময় সিংহাসন দিলা আনি।
বসিলন্ত সুখে দশৰথ মহামানি॥

অশেষ প্রকাৰে পূজা কৰিয়া সুমিত্র।
লৈয়া সঙ্গে ৰঙ্গে পাচে পাত্র মন্ত্রী মিত্র ॥২৪৩
কৰিলন্ত এক স্থান বিহাৰ সভাৰ।
পুষ্প গন্ধ চন্দন তাম্বুল উপহাৰ ॥
নানা ফল মূল দিব্য বস্ত্র অলঙ্কাৰ।
দধি দুগ্ধ ঘৃত মধু মিলাইলা অপাৰ ॥ ২৪৪
কৰাইলন্ত বহুবিধ লোকৰ আচাৰ।
সাজি মাজি কৰাইলা নগৰ জাতিকাৰ।
পতাকা তোৰণ চিত্র চোণ্ডা ধ্বজদণ্ড।
মৃদঙ্গ গোমুখ শঙ্খ নানা বাদ্যভাণ্ড ॥ ২৪৫
নানা নৃত্য গীত জয় উৎসৱ মঙ্গল।
মিলি গৈল লোকত অনেক কুতূহল ॥
আচৰি নৃপতি আতি বিধি ব্যৱহাৰ
কৰিলন্ত অধিবাস ৰৱ-কনিয়াৰ ॥ ২৪৬
ৰজনী প্রভাতে দশৰথ নৰেশ্বৰ।
স্নান দান তর্পণ কৰিলা নিৰন্তৰ ॥
নান্দিমুখ শ্রাদ্ধ পাচে কৰিলা নৃপতি।
দেৱ পিতৃ কার্য্য সঙ্কলিলা মহামতি ॥ ২৪৭
বিবাহৰ লগ্ন পাচে ভৈল উপগত।
বসিলা নৃপতি পাছে যজ্ঞৰ থানত ॥
সুমিত্র নৃপতি জয়বাদ্য সুমঙ্গলে।
কন্যা সম্প্রদান কৰিলন্ত কুতূহলে ॥ ২৪৮
নানা ৰত্ন দাসী দাস হস্তী ঘোৰা ৰথ।
অনেক যৌতুক নিলা কন্যাৰ লগত ॥
সুবর্ণ ৰজত মণি মুকুতাৰ দাম।
দিলন্ত সুমিত্রে আদি পৃথি মনকাম ॥ ২৪৯
ৰাজা দশৰথে কন্যা সুমিত্রাক পাই।
ভৈলন্ত হৰিষ আনন্দৰ সীমা নাই ॥
অমৃতক পাই যেন লোভাৱিষ্ট জন।
দৰিদ্র পৰাণী যেন পাইল মহাধন ॥ ২৫০
কন্যা পায়া সেহিমত ভৈলা দশৰথ।
বিবাহমঙ্গল পাচে ভৈলা সমাপত ॥
অযোধ্যাক যাইবে নৃপতিৰ ভৈলা মন।
কৰিলন্ত সুমিত্রক সাদৰে বন্দন ॥ ২৫১
সুমিত্রে বুলিলা পাচে বচন বিনয়।
মোৰ জীউখানিক পালিবা মহাশয় ॥
অবোধ ছৱাল নোহে তোমাৰ উচিত।
তথাপিতো দাসী বুলি পালিবাহা নিত ॥ ২৫২
সমর্পিলা কন্যাক সুমিত্র মহাৰাজ।
দশৰথ ৰাজা চলিবাক ভৈলা সাজ ॥
কাছি পাৰি আসি লাগ লৈলা সেনা যত।
সুমিত্রাক তুলিলন্ত সুবর্ণ ৰথত ॥ ২৫৩

অযোধ্যাৰ পতি সেহি ৰথে আৰোহিল।
সুমন্ত্র চাৰুক ধৰি ঘোৰাক ডাকিল ॥
চলি গৈল ৰথ যেন বিজুলীসঞ্চাৰ।
সেনাগণে কৰে জয়শব্দ জোকাৰ ॥ ২৫৪
চল চল বুলি প্রজা কৰে হুলস্থুল।
কাহালী মুহৰী ভেৰী শব্দ তুমুল ॥
দুন্দুভি মৃদঙ্গ দামা বাজে ঢাক ঢোল।
নানা বাদ্যভণ্ড হস্তী ঘোৰাৰ আন্দোল ॥ ২৫৫
দশো দিশে বিয়াপি শব্দে গৈল ছানি।
আকাশক লঙ্ঘিয়া স্বর্গতো লাগে ধ্বনি ॥
সুমন্ত চলান্ত বেগে নৃপতিৰ ৰথ।
পৃথিবী এৰিয়া গৈল আকাশৰ পথ ॥ ২৫৬
সুমিত্রা সহিতে ৰাজা পৰম কৌতুকে।
অযোধ্যা নগৰ গৈয়া পাইলন্ত উৎসুকে ॥
আপন আবাসে নানা জয় সুমঙ্গলে।
সুমিত্রা সহিতে প্রবেশিলা কুতূহলে ॥ ২৫৭
দশৰথ নৃপতিৰ মাতৃ ইন্দুমতী।
কৌশলা কৈকেয়ী দুই বহাৰী সহিতি ॥
আনো শান্তী সুন্দৰী আয়তী লৈয়া সঙ্গে।
মঙ্গল আচাৰ যত কৰিলন্ত বঙ্গে। ২৫৮
সুমিত্রাৰ ৰূপ গুণ চৰিত্র আচাৰে।
মনত মিলিল আতি আনন্দ সবাৰে ॥
সবেও দিলন্ত দিব্য বস্ত্র অলঙ্কাৰ
নানা মণি ৰত্ন দিয়া কৰিলা সৎকাৰ ॥ ২৫৯
এহিমতে নৃপতিতিলক দশৰথ।
একে একে বিবাহ কৰিলা সাত শত ॥
সবাতে প্রধান ভৈলা তিনি মহাদই।
কৌশল্যা সুমিত্রা সতী সুন্দৰী কৈকেয়ী ॥ ২৬০
কৈকেয়ীৰ ৰূপে মুহিলেক নৃপতিক।
তাৰ স্নেহ কৰে ৰাজা সবাতো অধিক ॥

ৰাজ্যৰ ওপৰত শনিৰ দৃষ্টি আৰু জটায়ুৰ লগত বন্ধুতা

ৰাজ্যভোগ ভুঞ্জে ভার্য্যাসমূহ সহিত।
ৰাজ্য চিন্তা নাহি ভৈলা ভার্য্যাত মোহিত ॥ ২৬১
স্ত্রীগণ লৈয়া ক্রীড়া কৰয় নৃপতি।
হেন কালে আসিলা নাৰদ মহামতি ॥
নাৰদক দেখি দশৰথ নৰেশ্বৰ।
আথেবেথে গাৱ চালি উঠিলা সত্বৰ ॥ ২৬২
সুবর্ণ আসন দিলা কৰি নমস্কাৰ।
পাদ্য অর্ঘ্য দিয়া কৰিলন্ত সতকাৰ ॥

আশীর্ব্বাদ কৰি মুনি বসিলা আসনে।
কৃতাঞ্জলি কৰি ৰাজা মধুৰ বচনে ॥ ২৬৩
পুছিলন্ত সাদৰে কুশল আগমন।
কহিয়োক মুনি কিবা সাধো প্রয়োজন ॥
শুনিয়া ৰাজাক বুলিলন্ত মুনিবৰ।
ভাল মন্দ চিন্তা তুমি নকৰা ৰাজ্যৰ ॥ ২৬৪
সূর্য্যবংশে ভৈলা যত নৃপতি মহন্ত।
পুত্রতো অধিক ৰাজ্য কৰি পালিলন্ত ॥
সেহি সূর্য্যবংশে তুমি নৃপতিপ্রধান।
স্তীত ভৈলাহা ৰাউল চিন্তা নাহি আন ॥২৬৫
যিটো ৰাজা নকৰে লোকক প্রতিপাল।
হোৱয় অল্পায়ু ভোগ নাহি চিৰকাল ॥
তোমাৰ ৰাজ্যৰ লোকে পাৱে বৰ দুখ।
নভৈল অপত্য নেদেখিলা পুত্রমুখ ॥ ২৬৬
তুমি সুখে আছা দুখ পাৱে লোক যত।
এহি পাপে পাচে পৰিবাহা নৰকত ॥
ৰাজা বোলে শুনা মুনি বচন আমাৰ।
কৰিছো লোকক আমি কিবা অপকাৰ ॥ ২৬৭
নাহি দণ্ড বন্ধ বলাবল বৈৰভয়।
নাহি পাল পাঞ্চ লোক কুশলে আছয় ॥
নাহি চোৰ চোঞ্চ শত্রুভয় অকালত।
কেনে অপযশ মোক কৰয় লোকত ॥ ২৬৮
নাৰদে বোলন্ত শুনা নৃপতি মহন্ত।
শনিৰ দৃষ্টিত পৰি ৰোহিনী আছন্ত ॥
সম্পূর্ণে শনিৰ দৃষ্টি ভৈল ৰোহিনীত।
বৃষ্টি নাহি একো শস্য নোপজে ভূমিত ॥ ২৬৯
সি কাৰণে অন্ন দুখ পাৱে লোক যত।
আপুনি দেখিয়ো ৰাজা ফুৰিয়া ৰাজ্যত ॥
লোকে যেন বোলে তাক শুনাহা আপুনি।
ৰাজাক এতেক বুলি চলি গৈলা মুনি ॥ ২৭০
নাৰদৰ বাণী শুনি পাচে দশৰথে।
দক্ষিণ দিশক গৈলা চড়ি নিজ ৰথে ॥
প্রবেশিলা গৈয়া ৰাজা ঘোৰ অৰণ্যত।
নানা মৃগ পক্ষীগণ দেখিলা বনত ॥ ২৭১
দিব্য সৰোবৰ দেখিলন্ত মহাবলে।
কৌতুকে বসিলা ৰাজা এক বৃক্ষতলে ॥
সেহি বৃক্ষডালত শালিকা দুই আছে।
তাহাৰ বচন ৰাজা শুনিলন্ত পাচে ॥ ২৭২
শালিকা বোলয় শুনা শালিকী বচন।
ই বন এৰিয়া আসা যাও আন বন ॥
শালিকা বোলয় দেখা ই বৰ অকাজ।
সপত পুৰুষ বঞ্চো এহি বন মাজ ॥ ২৭৩
ইহাক এৰিতে বৰ দুখ লাগে মনে।
ই বন এৰিয়া কেনে খাইবো আন বনে ॥
শালিকা বোলয় শুনা গুচো যি কাৰণ।
সূর্য্যৰ বংশত যত ৰাজা মহাজন ॥ ২৭৪
নজানিলো একো দুখ বঞ্চি সিটো ৰাজে।
নিমিলে আধাৰ এবে এত কাল বাজে ॥
জানো দশৰথ ৰাজা অধর্ম্ম কৰয়।
স্ত্রী লৈয়া ক্রীড়ে ৰাজা প্রজা নাপালয় ॥ ২৭৫
ৰাজ্যভোগ কৰে চিন্তা নকৰে ৰাজ্যৰ।
সংসাৰতো নতো দেখো হেন নৃপৰৰ ॥
ইহাৰ ৰাজ্যত আমি সৰিৰ পৰাণে।
ই বন এৰিয়া আসা যাও আন বনে ॥ ২৭৬
আছিলো সুখত একো নাছিল প্রমাদ।
নানা ফল ফুল পাইলো সুৰস সুস্বাদ ॥
একোৱে আধাৰ এবে নাপাও বনত।
নাহি ৰৱষুণ পঞ্চ বৎসৰ ৰাজ্যত ॥ ২৭৭
সুখ দুখ দশৰথে নাজানে ৰাজ্যৰ।
ঝাণ্টে গুচি যাও আমি আনো বনান্তৰ ॥
এহি বুলি শালিকা তলক নিৰীখিল।
বৃক্ষৰ মূলত দশৰথক দেখিল ॥ ২৭৮
ভৈল ভয় ৰাজাক দেখিয়া বিদ্যমানে।
বুলিলো ৰাজাক মন্দ মাৰিব পৰাণে ॥
পক্ষীৰ দেখিয়া ডৰ হাসি মহাশয়।
নকৰা তৰাস বুলি দিলন্ত অভয় ॥ ২৭৯
কৰ অধিকাৰ ইটো বন দিলো তোক।
সুখে থাক পক্ষী ভয় নকৰিবি মোক ॥
এহি বুলি নৃপতি স্বর্গক গৈলা লৰি।
ইন্দৰ ভুবন গৈয়া পাইলা দৰদৰি ॥ ২৮০
মহা কোপে বুলিলন্ত দেৱতাগণক।
জান দেহ আমি যুদ্ধ কৰিবো ইন্দ্রক ॥
দেৱগণে বোলে কোপ এৰা মহাৰথ।
নকৰিবে যুদ্ধ ইন্দ্রে তোমাৰ লগত ॥ ২৮১
হেন শুনি নৰনাথে বুলিলা বচন।
ইন্দ্রৰ অধীন ইটো যত মেঘগণ ॥
মোহোৰ ৰাজ্যত বৃষ্টি কিসক নকৰে।
অনাবৃষ্টি নষ্ট ভৈল ৰাজ্য নিৰন্তৰে ॥ ২৮২
নাহি পঞ্চ বৎসৰ ৰাজ্যত বৰিষণ।
মোৰ অপযশ, দুখ পাৱে প্রজাগণ ॥
বৃষ্টি কৰি কৰন্তোক ৰাজ্য মোৰ ৰক্ষা।
মুহি অস্ত্রাৱতী জিনি লৈবো মোৰ কক্ষা ॥ ২৮৩
শুনি নৃপতিৰ দর্পযুকুত বচন।
বাসৱৰ আগে জান দিলা দেৱগণ ॥

কৃতাঞ্জলি বোলে শুনা ত্রিদশৰ ৰায়।
দশৰথ ৰাজা আসি আছে তযু ঠাই। ২৮৪
অপমানে গৰ্ব্ববাক্য বোলয় কৰ্কশ।
অনাবৃষ্টি দেখি দেন্ত তোমাক দুৰ্যশ॥
বাসৱে বোলন্ত হুয়া আপুনি মানুষ।
মোক মন্দ বাণী বুলি দেখাৱে পৌকষ॥ ২৮৫
নকৰিবা অহঙ্কাৰ বোলে দেৱগণ।
পাদ্য অর্ঘ্য দিয়া তাক কৰিয়ো পূজন॥
তাক কোন জনে জিনিবেক সমৰত।
পৰম বিক্রমী নানা অস্ত্রত পাৰ্গত॥ ২৮৬
কৰাহা আলাপ তাক মধুৰ বচনে।
সতকাৰ পাইলে তাপ নাবাঢ়িব মনে॥
মনে অনুমানি ইন্দ্র দেৱতাৰ বাক।
পাদ্য অর্ঘ্য দিয়া পূজা কৰিলা ৰাজাক॥ ২৮৭
সতকাৰ পায়া দশৰথ নৃপবৰ।
ইন্দ্রক বোলন্ত শুনিয়োক পুৰন্দৰ॥
মোহোৰ ৰাজ্যত কেনে নাহি ৰৰিষণ।
অনাহাৰে মৰে লোক কহিয়ো কাৰণ॥ ২৮৮
ইন্দ্রে বোলে শুনা ৰাজা কৰি থিৰ চিত।
সম্পূর্ণে শনিৰ দৃষ্টি ভৈল ৰোহিনীত॥
সিহেতু নাহিকে বৃষ্টি তোমাৰ ৰাজ্যত।
শনিৰ পাশক তুমি যাহা মহাৰথ॥ ২৮৯
বুলিবা ছাৰোক শনি ৰোহিনীৰ দৃষ্টি।
তেৱেসে তোমাৰ ৰাজ্যে হৈবে জানা বৃষ্টি॥
শুনি দশৰথে বাসৱৰ বচনক।
ৰথে চড়ি লৰি গৈলা শনিৰ পাশক॥ ২৯০
দশৰথ নৃপতিক দেখিয়া আগত।
চাহিলেক শনি কোপ কৰিয়া মানত॥
ছিণ্ডিল ৰথৰ জোৰা শনিৰ দৃষ্টিত।
ঘোৰা সমে পৰে ৰাজা হুয়া বিমোহিত॥ ২৯১
পাকে পাকে পৰে ৰাজা হুয়া অচেতন।
কৰে তাক ৰক্ষা হেন নাহি একোজন॥
গৰুড়তনয় পক্ষী জটায়ু মহন্ত।
পৰে দশৰথ ৰাজা তাক দেখিলন্ত॥ ২৯২
পৰম পূজনী ৰাজা লোকত বিদিত।
ভূমিতে পৰিলে হাড় হোৱে চূর্ণাকৃত॥
ধৰো পিঠি পাতি দশৰথ মহাৰাজ।
থাকিবেক কীৰ্ত্তি মোৰ ত্রিভুবন মাজ॥ ২৯৩
বিষ্ণু সমসৰ ৰাজা ধৰ্ম্ম অৱতাৰ।
পিঠি পাতি লৈয়া আজি কৰো উপকাৰ॥
এহি বুলি পাখা পাতিলন্ত পক্ষীবৰ।
পৰিলন্ত ৰাজা তান পাখাৰ উপৰ॥ ২৯৪

ঘোৰায়ে সহিতে পৰি নমৰিলা প্রাণে।
ৰহিলা নৃপতি পক্ষীৰাজৰ নিদানে॥
ভৈলন্ত সুস্থিৰ নৰনাথ কতোক্ষণে।
মৰি উপজিলা হেন নৃপতিৰ মনে॥ ২৯৫
কৈৰ হস্তে আসি পক্ষী আমাক ৰাখিল।
ইহাৰ কাৰণে মোৰ জীৱন ৰহিল॥
নাহিকে বান্ধৱ আন পক্ষীৰ সমান।
এহি বুলি কৰিলন্ত পক্ষীক সম্মান॥ ২৯৬
নানা স্তুতি কৰি ৰাজা বুলিলা বচন।
মহাবলৱন্ত পক্ষী তুমি মহাজন॥
আকাশৰ হন্তে পৰি যাওঁ যমঘৰ।
পিঠি পাতি আমাক ৰাখিলা পক্ষীৰৰ॥ ২৯৭
এৰাইলো দুর্গতি প্রাণ ৰাখিলা আমাৰ।
নাহি ত্রৈলোক্যত হেন কৰে উপকাৰ॥
কিবা পিতামহ ৰঘু অজ পিতৃ মোৰ।
তযু উপকাৰ কথা কহি নাপাও ওৰ॥ ২৯৮
মহাবলবীৰ্য্য তুমি বিষ্ণু অৱতাৰ।
তযু প্রসাদেসে প্রাণ ৰহিল আমাৰ॥
কোন কুলে জাত তুমি কাহাৰ তনয়।
কিবা নাম তোমাৰ দিয়োক পৰিচয়॥ ২৯৯
শুনি বুলিলন্ত পক্ষীৰাজ মহামতি।
আমাৰ জটায়ু নাম জানিবা নৃপতি॥
জ্যেষ্ঠ ভাই সম্পাতি আছন্ত পক্ষীৰৰ।
দুয়ো সহোদৰ আমি পুত্র গৰুড়ৰ॥ ৩০০
পক্ষীৰ উপৰে ৰাজা ভৈলো দুয়ো ভাই।
জানিলো বুলিয়া মতিলন্ত মহাৰায়॥
ভৈলা মহামিত্র পক্ষীৰাজ মহাশয়।
কৰিলাহা হিত মোৰ প্রাণৰ সংশয়॥ ৩০১
তুমি বিনে আন মহামিত্র নাহি মোৰ।
তোমাৰ প্রসাদে ৰৱ এৰাইলো দুর্ঘোৰ॥
কাষ্ঠ আনি অগ্নি জালি দুইকো দুয়ো ধৰি।
কৰিলন্ত মিত্র দুয়ো অগ্নি সাক্ষী কৰি॥ ৩০২
জটায়ুৰ হেতু প্রাণ ৰহিল আমাৰ।
তাক মিত্র কৰি পাইলা হৰিষ অপাৰ॥
জটায়ুৰ আতি ৰৱ কৌতুক মনত।
ভৈলা পক্ষী সুখী মিত্র পায়া দশৰথ॥ ৩০৩
কৰিয়া জটায়ু নৃপতিক বহু মান।
মেলানি মাগিয়া গৈলা আপোনাৰ থান॥
জটায়ু প্রসাদে ৰাজা এৰাইলা সংশয়।
বোলা ৰাম ৰাম যত সামাজিকচয়॥ ৩০৪

দশৰথক শনিৰ ৰৱ প্রদান

ঝুমুৰি

অনন্তৰে দশৰথ
দুনাই জুৰিলন্ত ৰথ॥
এৰাই মহাশত্রু ভয়।
ৰথে চড়ি মহাশয়॥ ৩০৪
পুনৰপি স্বর্গে গৈলা।
শনিৰ সমুখ ভৈলা॥
পাচে শনি মহাভাগে।
ৰাজাক দেখিযা আগে॥ ৩০৫
ভৈল অতি চমৎকাৰ।
আইল ৰাজা আৰো বাৰ॥
কিনো মহাপুণ্যশীল।
শনিৰ দৃষ্টিতে জীল॥ ৩০৬
চাৰিও ঘোটক ৰৈল।
কিনো বিপৰীত ভৈল॥
মোৰ মহাদৃষ্টি পাত।
সমুখে পৰয় যাত॥ ৩০৭
তাক যেন যমদণ্ড।
পায়া কৰো লণ্ডভণ্ড॥
যেন মহা বহ্নি ঘোৰ।
হেন দৃষ্টিপাত মোৰ॥ ৩০৮
তাহাতো নিস্তৰি আইল।
কিনো ইটো তপসাইল॥
মহাবলী তেজৱন্ত।
ভাগ্যৰো নাহিক অন্ত॥ ৩০৯
মোহোৰ দৃষ্টিত ৰৈল।
পুনৰপি আসি ভৈল॥
আপোনাক কৰি ধিক্।
মাতিলেক নৃপতিক॥ ৩১০
শুনিয়োক নৃপবৰ।
গুচা মোৰ সমুখৰ॥
আথেবেথে ৰথ লৈয়া।
পাচত ৰহিলা গৈয়া॥ ৩১১
শনিৰ শুনিয়া বাণী।
দশৰথ মহামানী॥
সমুখৰ গুচিলন্ত।
পাচু হুয়া ৰহিলন্ত॥ ৩১২
দেখি শনি তুষ্ট ভৈলা।
ৰাজাক বুলিবে লৈলা॥
শুনিয়োক দশৰথ।
আমাৰ বৃত্তান্ত যত॥ ৩১৩
মোহোৰ সমুখ দৃষ্টি।
পৰে যাত নিষ্টি নিষ্টি॥
নাহিক কল্যাণ তাৰ।
হোয়ে সিটো বুন্দামাৰ॥ ৩১৪
হেন মোৰ সমুখত।
ৰথে চড়ি মহাৰথ॥
ৰৈলা কিনো বিপৰীত।
দেখি ভৈলো সচকিত॥ ৩১৫
তযু ইটো সাহসুৰ।
সীমা নাহি নৃপবৰ॥
এহিমতে গ্রহৰাজ।
দেখি নৃপতিৰ কাজ॥ ৩১৬
প্রশংসিলা বাৰে বাৰ।
শুনা লোক সমজ্যাৰ॥
পুণ্যকথা ৰামায়ণ।
শুনি সন্তোষিয়ো মন॥ ৩১৭
ইটো জীৱ সমস্তৰ।
সীমা নাহি জনমৰ॥
নানান শৰীৰ ধৰি।
পাপ পুণ্য ভোগ কৰি॥ ৩১৮
ক্ষুৰে যত জীৱগণ।
নাহি তাক সুমৰণ॥
নিমেষ জন্মৰ অন্তে।
কোন মহা পুণ্যৱন্তে॥ ৩১৯
অনুগ্রহে মাধৱৰ।
ধৰে নৰ কলেৱৰ॥
হেন তনু আছা পায়া।
ভৈল মাধৱৰ দায়া॥ ৩২০
কৃষ্ণৰ দুখানি পাৱে।
দিয়া মন সর্ব্ব ভাৱে॥
যাৰ ৰৈকুণ্ঠত কাম।
লৈয়ো হৰি গুণ নাম॥ ৩২১
ইসি ধৰ্ম্ম অনুপাম।
তেজিয়া সমস্ত কাম॥
কৰি আতি অবিশ্রাম।
নিৰন্তৰে বোলা ৰাম॥ ৩২২

পদ

অনন্তৰে শনি পূর্ব্ব কথা আপোনাৰ।
কৰিবে লাগিলা দশৰথত প্রচাৰ॥

মোহোৰ পূৰ্ব্বৰ কথা শুনা মহামতি।
পার্ব্বতী দেবীৰ পুত্র ভৈলা গণপতি ॥ ৩২৩
মহেশৰ স্থানে দেৱগণ গৈলা শুনি।
মই মাত্র কেৱল নগৈলো মনে গুণি ॥
মোহোৰ দৃষ্টিত জন্ম ভৈলা গণেশৰ।
মই গৈলে বৰ মিলিবেক অথন্তৰ ॥ ৩২৪
দেৱৰ লগত মোক নেদেখি সভাত।
পার্ব্বতী গোসানী পুছিলন্ত দেৱতাত ॥
আমাৰ থানক আইল সবে দেৱগণ।
শনি কিয় নাইল বুলি কৰি কোপমন ॥ ৩২৫
দূত পঠাই দিলা দেবী আমাৰ পাশক।
দূতে বোলে শনি তুমি চলা কৈলাসক ॥
শুনি শীঘ্রে গৈলো মই কৈলাসক প্রতি।
মোক দেখি কোপ পাচে তেজিলা পার্ব্বতী ॥ ৩২৬
প্রবেশিলা গৈয়া আমি যেখনে সভাত।
গণেশৰ মুণ্ডগোট দেখিলা সাক্ষাত।
তেতিক্ষণে তান মাথা গোট ছিণ্ডি গৈল।
কেহো নেদেখিল মৃণ্ড অন্তৰীক্ষ ভৈল ॥ ৩২৭
হেন দেখি চিন্তা বৰ মিলিল আমাৰ।
সকল সমাজে আতি কবে হাহাকাৰ ॥
পৰম বিকলচিত্ত ভৈলন্ত পার্ব্বতী।
পুত্রশোকে অচেতন ভৈল মহাসতী ॥ ৩২৮
মুণ্ড চাই ফুৰন্ত সকল দেৱগণে।
নপাইল বিচাৰি মুণ্ড ই তিনি ভুবনে ॥
পুছিলা পার্ব্বতী সবে দেৱতাক চাই।
কি কাৰণে আমাৰ পুত্রৰ মুণ্ড নাই ॥ ৩২৯
দেৱগণে বোলে মাৱ শুনিয়ো উত্তৰ।
শনিৰ দৃষ্টিত জন্ম তোমাৰ পুত্রৰ ॥
আৰো শনি আসি কৰিলন্ত দৃষ্টিপাত।
তাতে সে ছিণ্ডিল মুণ্ড কহিলো সাক্ষাত ॥ ৩৩০
দেৱৰ বচনে দেবী প্রকোপিত ভৈলা।
ক্রোধবেগে ধায়া মোক মাৰিবাক গৈলা ॥
হেন দেখি স্তুতি কৰি বোলে দেৱগণে।
সৃজিলা আপুনি শনি মাৰিবা কেমনে ॥ ৩৩১
তোমাৰ সৃজন ইটো যত চৰাচৰ।
যত দেৱগণ ব্রহ্মা বিষ্ণু মহেশ্বৰ ॥
জল স্থল ত্রিভুবন সৃজিলা আপুনি।
ভৈলা তুষ্টা দেবী দেৱতাৰ স্তুতি শুনি ॥৩৩২

দেৱক বোলন্ত যত্ন কৰা নিৰন্তৰ।
যিমত উপায়ে মৃণ্ড হোৱয় পুত্রৰ ॥
তেবেসে শনিৰ প্রাণ ৰহে মোৰ ঠাৱ।
পবনে বোলন্ত কোপ তেজিয়োক মাৱ ॥ ৩৩৩
এখনে আনিবো মৃণ্ড তোমাৰ পুত্রৰ।
এহি বুলি বায়ু উঠি গৈলন্ত সত্বৰ ॥
দেখিলন্ত ঐৰাৱত হস্তীক পবন।
উত্তৰক শিৰ কৰি আছয় শয়ন ॥ ৩৩৪
তাৰ মাথাগোট দেৱে কাটিয়া আনিল।
গণেশৰ গলত লগাই জোৰা দিল ॥
ভৈলা গজানন নাম দেখিতে সুন্দৰ ॥
গজমুণ্ড শুণ্ড মহাকায় লম্বোদৰ ॥ ৩৩৫
সুন্দৰ আকৃতি পুত্র দেখি গজানন।
পৰম হৰিষ ভৈল পার্ব্বতীৰ মন ॥
ঐৰাৱত মৃণ্ড কাটি পবনে আনিলা।
দেখিয়া ইন্দ্রৰ মনে বিষাদ মিলিলা ॥ ৩৩৬
হেন দেখি দেৱগণে চিন্তা বৰ পাইলা।
সবে মিলি ঐৰাৱত হস্তীক জীয়াইলা ॥
পাচে বাসৱৰ মনে মিলিল হৰিষ।
সৱে দেৱগণ চলি গৈলা দিশে দিশ ॥ ৩৩৭
এতেক প্রমাদ মিলে মোৰ দৃষ্টিপাতে।
হেনয় দৃষ্টিত ৰাজা বহিলা সাক্ষাতে ॥
গণেশৰো বিঘাত মিলাইলো এতমান।
নৰ হয়া আসা তুমি মোৰ বিদ্যমান ॥ ৩৩৮
যি কাৰণে ভৈলো আমি সূর্য্যৰ তনয়।
সেহি বংশে উপজিলা তুমি মহাশয়।
সি হেতু ৰহিলা মোৰ আগে নৰেশ্বৰ।
যেন লাগে মাগা মোত দিবো সেহি বৰ ॥ ৩৩৯
ৰাজায়ে বোলন্ত দৃষ্টি ছাৰা ৰোহিনীত।
তেবে জলবৃষ্টি হৈবে মোৰ পৃথিৱীত ॥
শনি ৰোলে ছাৰিলোহো ৰোহিনীত দৃষ্টি।
তোমাৰ ৰাজ্যত আজি হন্তে হৈব বৃষ্টি ॥ ৩৪০
বৰ পায়া হৰিষে নৃপতি গৃহে গৈলা।
অনন্তৰে ৰাজ্যত বিস্তৰ বৃষ্টি ভৈলা ॥
নানাবিধ শস্যে ভৈল পৃথিবী পূৰণ।
ভোগ ভুঞ্জি ভৈলা মহাসুখী সর্ব্বজন ॥ ৩৪১
প্রজা সুখী ভৈলা দেখি হৰিষ ৰাজাৰ।
লোক প্রতিপালি ভোগ ভুঞ্জিলা অপাৰ ॥

অজ্ঞাতত দশৰথৰ শৰত সিন্ধুমুনিৰ বধ ; অন্ধমুনিৰ দশৰথক অভিশাপ দান।

এক দিনা ৰাজা মৃগ মাৰিবাক প্রতি।
ঘোৰ অৰণ্যত ভৈলা প্রবেশ নৃপতি ॥ ৩৪২
সৰযুৰ বনত পশিয়া নিশাকালে।
নানাবিধ পশু মাৰিলন্ত পালে পালে ॥
শব্দৰ অনুসাৰে ফুৰে মৃগ মাৰি।
যতেক মাৰিলা পশু গণিতে নাপাৰি ॥ ৩৪৩
তাতে এক অথন্তৰ ভৈল নৃপতিৰ।
শ্রীফল বনত বাসা অন্ধক মুনিৰ ॥
আপুনি অন্ধক তান ভার্য্যাও অন্ধক।
সিন্ধু নামে পুত্র মাগি পোষে দুহাস্তক ॥ ৩৪৪
সৰযুক সিন্ধুজল আনিবাক গৈলা।
চউ দিয়া পাচে ঘড়া ভৰিবাক লৈলা ॥
কলস ভৰন্তে এক শব্দ উঠিলা।
অৰণ্যৰ হন্তে তাক নৃপতি শুনিলা ॥ ৩৪৫
হস্তী পানী খায় মনে মানি নৃপবৰ।
শব্দৰ অনুসাৰে মাৰিলন্ত শৰ ॥
বজ্রৰ সমান বান অগনি সাক্ষাত।
পৰিল সন্ধানে সিন্ধু মুনিৰ হিয়াত ॥ ৩৪৬
অগ্নি জ্বলি বুকে পিঠি শালিলেক বাণে।
মুনি বোলে হৰি হৰি মৰিলোহো প্রাণে ॥
কোন নিদাৰুণে প্রাণ লৈলেক আমাৰ।
কিবা অপকাৰ মই কৰি আছো কাৰ। ৩৪৭
দেখন্তে ঝমক বিষে ছানিলেক গাৱ।
কম্পি কম্পি মুনি পৰিলেক সেহি ঠাৱ ॥
লাগিল হস্তীত বাণ পাইলোহো উমান।
এহি বুলি গৈয়া ৰাজা দেখি বিদ্যমান ॥ ৩৪৮
হস্তী নুহি শৰ পৰি আছয় ঋষিত।
নাশিলো বুলিয়া ভয় ভৈলা বিপৰীত ॥
হা কি কৰিলো মই কিনো নিদাৰুণ।
হস্তী বুলি শৰ কৰি মাৰিলো ব্রাহ্মণ ॥ ৩৪৯
মহা শান্তমতি আতি ঋষিৰ তনয়।
তপ যেন মূর্ত্তি ধৰি প্রকাশ কৰয় ॥
ইহাক বধিলো মই পৰম কুমতি।
বংশে সমন্বিতে আবে গৈলো অধোগতি ॥ ৩৫০
ৰাখিলো কলঙ্ক মই সূর্য্যৰ বংশত।
কুলকো নাশিলো আপুনিও ভৈলো হত ॥
এহিমতে ৰাজা খেদ কৰন্ত বহুত।
পাচে নৃপতিক দেখিলন্ত ঋষিসুত ॥ ৩৫১
অবে কোন তই কৈৰ অধর্ম্ম বর্দ্ধৰ।
কোন শত্রু কিসক কৰিলি মোক শৰ ॥
ব্রহ্মবধ কৰি তই কোন যশ পাইলি।
কমন কাৰণে বেটা কালকুট খাইলি ॥ ৩৫২
বিষ ভুঞ্জে যিটো সিটো মৰয় একল।
ব্রহ্মবধ কৰি তই বংশ নিলি তল ॥
বৃদ্ধ মাৱ বাপ মোৰ অন্ধ দুয়ো প্রাণী।
মই মাত্র পুত্র মাগি যাচি পোষো আনি ॥ ৩৫৩
মোক মাৰি তাৰা দুহান্তৰো বধ লৈলি।
কোন কাম কৈলি পাপী অধোগতি গৈলি ॥
এহিমতে নৃপতিক ভৎর্সিয়া অপাৰ।
শৰৰ বিষত আতি দেখে অন্ধকাৰ ॥ ৩৫৪
মুদিল নয়ন ঘনে কম্পয় শৰীৰ।
অনন্তৰে নৃপতি মাতন্ত ধীৰে ধীৰ ॥
সূর্য্যবংশে ভৈলো অজ ৰাজাৰ তনয়।
দশৰথ নাম মোৰ জানা মহাশয় ॥ ৩৫৫
মহামন্দমতি মই পৰম উন্মত।
পশু মাৰি ফুৰো এই সৰযু বনত ॥
শব্দভেদী মই ঘোৰ আন্ধাৰ নিশাত।
শবে হানি পশু মাৰি ফুৰো অসংখ্যাত ॥ ৩৫৬
পানী ভৰা তুমি মই তাহাক নাজানি।
হস্তী গোটে পানী খাই বুলি মনে মানি ॥
শব্দ অনুসাৰে শৰ কৰিলো প্রহাৰ।
পৰে অতিশয় বাণ হিয়াত তোমাৰ ॥ ৩৫৭
অজ্ঞানত থাকি মই বধিলো তোমাক।
হৌক প্রায়শ্চিত্ত ভস্ম কৰিয়ো আমাক ॥
শুনি সিন্ধু মুনি বুলিলন্ত নৃপতিক।
মোৰ কর্ম্মফল তোক শপিবোহো কিক ॥ ৩৫৮
পিতৃ মাতৃ শাপে দৈবে হৈবে সর্ব্বনাশ।
মোক লৈয়া যাহা ৰাজা তাৰা দুইৰ পাশ ॥
আছে বাপ মাৱ মোৰ শ্রীফল বনত।
কৰিয়ো কাতৰ গৈয়া ধৰি চৰণত ॥ ৩৫৯
মহা কাৰুণিক দুয়ো পৰম মহন্ত।
অজ্ঞান দোষক তোক ক্ষমা কৰিৱন্ত ॥
তোমাৰ নিস্তাৰ হৈবে এহিসে উপায়।
শৰ কাঢ় ৰাজা মোৰ হেৰ প্রাণ যায় ॥ ৩৬০
শুনি দশৰথে তান কাঢ়িলন্ত বাণ।
কম্পি কম্পি ঋষিৰ তথাতে গৈলা প্রাণ ॥

মহাপুণ্যবলে ঋষিপুত্ৰ স্বৰ্গে গৈলা।
পাচে দশৰথ মৰা শৰ কান্ধে লৈলা ॥ ৩৬১
ধীৰে ধীৰে গৈলা ৰাজা শ্ৰীফল বনক।
বসি আছে দেখিলন্ত দুয়ো অন্ধকক ॥
মৰাশৰ থৈলা ৰাজা কান্ধৰ নমাই।
অন্ধ মুনি মাতিল ভৰিৰ শাৰ পাই ॥ ৩৬২
এত নিশা ঘৰে কেনে নাসস পুতাই।
সিংহে বাঘে মাৰিবেক একেশ্বৰ পাই ॥
গোধূলাতে গৈলি পুতা পানী আনিবাক।
এত নিশা কৰি খেদ লগাইলি আমাক ॥ ৩৬৩
তোত বিনা আমাৰ সহায় নাহি আন।
তইসে কেবলে আমি অন্ধকৰ প্ৰাণ ॥
আনখন ইটো কৰ্ম্ম নকৰিবি আৰ।
ইবোল শুনিয়া ধাতু উৰিল ৰজাৰ ॥ ৩৬৪
মহাভয়ে নৃপতিৰ হৃদয় শুখাইল।
চিন্তাদুখে মুখে তান বচন হৰিল ॥
হা কি কৰিলো বুলি তেজিলা নিশ্বাস।
লাসে লাসে ঋষিৰ চাপিলা গৈয়া পাশ ॥ ৩৬৫
মাতিবে খোজন্তে মুখে নাসয় বচন।
থিৰ নোহে বুক ভয়ে কম্পয় চৰণ ॥
কতো বেলি ৰাজা পাচে মন কৰি স্থিৰ।
অন্ধক মুনিক মাতিলন্ত ধীৰে ধীৰ ॥ ৩৬৬
মুহিকে তোমাৰ পুত্ৰ শুনা মুনিবৰ।
তযু পুত্ৰবধী মই অধম পামৰ ॥
অজৰ তনয় মোৰ দশৰথ নাম।
তযু পুত্ৰ মাৰি কৰি আছো মন্দ কাম ॥ ৩৬৭
শব্দভেদী মই মন্দমতি অহঙ্কাৰী।
নিশাকালে বনে বনে ফুৰো মৃগ মাৰি ॥
তযু পুত্ৰে পানী ভৰে তাক নজানিয়া।
হস্তী পানী খায় হেন মনত মানিয়া ॥ ৩৬৮
শব্দদৰ লক্ষে হানি পটাইলোহোঁ শৰ।
হিয়াত পৰিল শৰ তোমাৰ পুত্ৰৰ ॥
লাগ পায়া কাতৰ কৰিলো বহুতৰ।
তোমাৰ তনয় মোক ভৎ'সিলা নিৰন্তৰ ॥ ৩৬৯
মই বুলিলোহোঁ মোক শপি কৰা ছাই।
নশপিয়া মোক মুনি বুলিলা বুজাই ॥
পিতৃৰ মাতৃৰ পাশে চলা মোক লৈয়া।
চৰণত ধৰিয়া কাতৰ কৰ গৈয়া ॥ ৩৭০
এহি বুলি মুনিবৰে ছাৰিলন্ত প্ৰাণ।
তাক লৈয়া মই আসি আছো তযু স্থান ॥
এবে মুনি শাপ দিয়া ভয় কৰা মোক।
শুচিবেক তেবে তোৰা দুই হাস্তৰ শোক ॥ ৩৭১

মৌন ভৈলা ৰাজা বুলি এতেক বচন।
শুনি দুয়ো অন্ধে পাচে পুত্ৰৰ মৰণ ॥
পুত্ৰশোক অগনি ছানিলা দুইৰো গাৱ।
উঠিল ঝমক ভৈলা আকুল স্বভাৱ ॥ ৩৭২
পৰিলা ভুমিত দুয়ো হুয়া অচেতন।
মূৰ্চ্ছিত স্বভাৱে আছিলন্ত কতোক্ষণ ॥
চেতন লভিয়া পাচে দুয়ো জনে উঠি।
কান্দিবে লাগিলা হৃদয়ত হানি মুঠি ॥ ৩৭৩
ৰাজাত খুজিয়া শৰ পায়া গলে বান্ধি।
ভৈলন্ত মূৰ্চ্ছিত দুনাই দুয়ো জনে কান্দি ॥
শ্ৰুতি পায়া পুনু পৃথিৰীত পাৰে লুটি।
নৰহয় জীউ যেন প্ৰাণ যায় ফুটি ॥ ৩৭৪
পুত্ৰ পুত্ৰ বুলি দুয়ো জনে দেয় ডাক।
কৈক গৈলি প্ৰাণপুত্ৰ তেজিয়া আমাক ॥
দুয়ো জন অন্ধক নেদেখো দিশ পাশ।
তই বিনে আমি দুয়ো অন্ধ ভৈলো নাশ ॥ ৩৭৫
অন্ধলাৰ লাঠি পুত্ৰ গৈলা কৈক লাগি।
কোনে এবে আমাক পুষিবে ভিক্ষা মাগি ॥
অই সিন্ধু পুত্ৰ বুলি নাম লৈবো কাৰ।
ইহ পৰলোকে শূন্য কৰিলি আমাৰ ॥ ৩৭৬
এহিমতে দুয়ো জনে কান্দি কতোক্ষণ।
নৃপতিক চাই মুৰি বুলিলা বচন ॥
মোৰ পুত্ৰবধী শুন দশৰথ পাপী।
ব্ৰহ্মবধ কৰি তই জীয়স তথাপি ॥ ৩৭৭
সূৰ্য্যবংশী ৰাজা হুয়া কৰিলি অকৰ্ম্ম।
পুত্ৰক বধিয়া দিলি আমাসাক মৰ্ম্ম ॥
জ্বালিলি আমাৰ তই দাকণ সন্তাপ।
শুন তোক ৰাজা দিও নিদাকণ শাপ ॥ ৩৭৮
জানিয়া মাৰিলি হন্তে তনয়ক মোৰ।
কৰিলোহোঁ হন্তে ভস্ম দিয়া শাপ ঘোৰ ॥
কিন্তু মোৰ পুত্ৰক মাৰিলি অজ্ঞানত।
ব্ৰহ্মশাপ দিয়া তোক নকৰোহোঁ হত ॥ ৩৭৯
তথাপিতো শাপো তোক শুনৰে দুৰ্জ্জন।
পুত্ৰশোকে মৰো যেনে আমি দুই জন ॥
তই পুত্ৰশোকে ৰাজা মৰিবি নিশ্চয়।
আনে যেন ব্ৰাহ্মণৰ দ্ৰোহ নাচৰয় ॥ ৩৮০
ছেন শুনি হৰিষ ভৈলন্ত নৰেশ্বৰ।
দুহি ইটো শাপ প্ৰভু দিলা মোক বৰ ॥
কেমনে মৰিবো পুত্ৰ নাহিকে আমাৰ।
কতো কালে হৈবে পুত্ৰ কহিয়োক সাৰ ॥ ৩৮১
শুনিয়া ৰাজাক মুনি বুলিলন্ত বাণী।
কৰিবাহা যজ্ঞ তুমি ঋষ্যশৃঙ্গ আনি ॥

শিশুমতি মুনি তান গুণ কৈবো কত।
আগম পুৰাণ বেদ সৰাতো পাৰ্গত ॥ ৩৮২
দেখিবাক শিশু মুনি বিষ্ণু সমসৰ।
ছৱালৰ থানে ক্ৰীড়া কৰে নিৰন্তৰ ॥
তেহে যজ্ঞ কৰাইলে কহিলো ৰাজা সাৰ।
চাৰি অংশে বিষ্ণু পুত্ৰ হৈৰন্ত তোমাৰ ॥ ৩৮৩
এগুটি শ্ৰীফল নিয়ো সন্দেশ আমাৰ।
চলাহা গৃহক পুত্ৰ হৈবেক তোমাৰ ॥
শুনি ৰাজা প্ৰণামি ঋষিক প্ৰণিপাতে।
গৃহে গৈলা আনন্দে শ্ৰীফল ধৰি হাতে ॥ ৩৮৪
কৌশল্যাৰ হাতে নিয়া দিলন্ত শ্ৰীফল।
পুত্ৰ হৈব সবাৰে শুনিয়া কৌতূহল ॥
কৌশল্যা কৈকেয়ী সতী সুমিত্ৰা সুন্দৰী।
ৰাজা বোলে তিনিয়ো ভুঞ্জিবা ভাগ কৰি ॥ ৩৮৫
এহি বুলি ৰাজা সুখে বঞ্চিলা ৰজনী।
উঠিলন্ত প্ৰভাতে নৃপতি শিৰোমণি ॥
স্নান দান কৰিয়া বসিলা সিংহাসনে।
চৌপাশে উপাসি আছে পাত্ৰ মন্ত্ৰীগণে ॥ ৩৮৬
সেহি বেলা ইন্দ্ৰ অসুৰত পাইয়া ত্ৰাস।
ত্ৰিদশে সহিতে আইলা নৃপতিৰ পাশ।
দেবে সনে ইন্দ্ৰক দেখিয়া নৃপবৰ।
গাৱ চালি উঠি কৰি অনেক সাদৰ ॥ ৩৮৭
বসিবাক দিলন্ত ইন্দ্ৰক সিংহাসন।
ত্ৰিদশক দিলা আনি সুবৰ্ণ আসন ॥
দেৱে সমে আসনে বসিলা পুৰন্দৰ।
পাদ্য অৰ্ঘ্য দিয়া পূজিলন্ত নৃপবৰ ॥ ৩৮৮
নমস্কাৰ কৰি ৰাজা পুছিলন্ত কাজ।
ৰাজাক সাদৰি মাতিলন্ত দেৱৰাজ ॥
শুনিয়োক নৃপতি আমাৰ প্ৰয়োজন।
হাৰিলো ত্ৰিদশে আমি অসুৰত ৰণ ॥ ৩৮৯
মহাবলন্ত আতি অসুৰ দুৰ্ম্মতি।
খেবায়া দেৱক কাঢ়ি লৈলা অস্ত্ৰাৱতী ॥
তুমি বিনে আমাৰ সুহৃদ আন নাই।
আপদ-কালত এবে হুয়োক সহায় ॥ ৩৯০
দেৱতাত অধিক তোমাৰ পৰাক্ৰম।
জগততো নৃপতি তোমাক নাহি সম ॥
ৰণে জিনি সবে অসুৰক কৰি হত;
ত্ৰিদশ দেৱক্ ৰাজা স্থাপিয়ো স্বৰ্গত ॥ ৩৯১
অসুৰত হাৰি লাজ পাইলো দেৱগণ।
লৈলোহো শৰণ অসুৰক কৰা ৰণ ॥
বিনয় বচন আতি শুনি বাসৱৰ।
প্ৰণতিপুৰ্ব্বক মাতিলন্ত নৃপৱৰ ॥ ৩৯২

হৈবোহো সহায় ৰণে মাৰিবো অসুৰ।
প্ৰাণদান কৰিবো ৰাখিবো স্বৰ্গ পুৰ ॥
হেন শুনি বাসৱ হৰিষমন ভৈলা।
দেৱগণ সহিতে স্বৰ্গক চলি গৈলা ॥ ৩৯৩
সূৰ্য্যবংশে ৰাজা হেন নাহি একোজন।
প্ৰাণদান খুজিলেও হৈবে নিবৰ্ত্তন ॥

দশৰথৰ স্বৰ্গ-যাত্ৰা আৰু অসুৰ বধ।

অনন্তৰে দশৰথ নৃপতি প্ৰধান।
সৈন্য সমে কৰিলন্ত স্বৰ্গক পয়ান ॥ ৩৯৪
পূৰ্ব্বে স্বৰ্গ লৈলা বলি ইন্দ্ৰক খেদাই।
সিকালত বিষ্ণু ভৈলা দেৱৰ সহায় ॥
পুনৰপি স্বৰ্গ কাঢ়ি লৈলন্ত দানৱ।
দশৰথৰূপে সহায় ভৈলন্ত মাধৱ ॥ ৩৯৫
সৈন্যে সমন্বিতে গৈলা ৰাজা দশৰথ।
ৰথে চড়ি অসুৰ সেসাত উপগত ॥
ধনু ধৰি টঙ্কাৰ কৰিলা মহাবল।
ভয়ে চমকিলা আতি অসুৰ সকল ॥ ৩৯৬
নানা অস্ত্ৰ নৃপতি লাগিলা ৰবিষিত।
শৰে ফুৰি অসুৰ ভৈগৈল জৰ্জ্জৰিত ॥
সমুখে নাপাৰি জানি অসুৰ নিস্থলে।
মায়া কৰি গৈলা কতো গগনমণ্ডলে ॥ ৩৯৭
আকাশক গৈয়া মায়া কৰিলা বিস্তাৰ।
নানা অস্ত্ৰ ৰৱষিলা ৰাজাৰ উপৰ ॥
হেন দেখি ব্ৰহ্ম অস্ত্ৰ জুৰিলা গুণত।
এতেকতে অসুৰৰ মায়া ভৈলা হত ॥ ৩৯৮
মহাবলে ৰাজা ব্ৰহ্ম অস্ত্ৰক এৰিল।
বেগে জ্বলি অসুৰৰ হিয়াত পৰিল ॥
একো গোট বাণে হুয়া সহস্ৰেক বাণ।
লক্ষ লক্ষ অসুৰ সেনাৰ লৈলা প্ৰাণ ॥ ৩৯৯
পৰি গৈল ৰণত অসুৰ অসংখ্যাত।
উঠিয়া লাগিল পুনু অসুৰৰ মাথ ॥
আৰাধিয়া অসুৰে ব্ৰহ্মাত পাই বৰ।
ব্ৰহ্মাৰ অস্ত্ৰত মৃত্যু নাহি অসুৰৰ ॥ ৪০০
সেহি হেতু ব্ৰহ্মাস্ত্ৰত গোটেক নমৰে।
মৰি পুনু পুনু উঠি উঠি ৰণ কৰে ॥
মহাকোপে ব্ৰহ্মবাণ অসুৰে প্ৰহাৰে।
জাকে জাকে ৰাজাত পৰয় একে বাৰে ॥ ৪০১
ৰণত পণ্ডিত ৰাজা নঘাটন্ত তাত।
ব্ৰহ্ম অস্ত্ৰ ব্ৰষ্টিবাণে কৰন্ত বিঘাত ॥

পাচে এক মহাঅস্ত্র হানিয়া পঠাইল।
অসংখ্যাত অসুৰক কাটিবে লাগিল ॥ ৪০২
ৰথে চড়ি দশৰথ ৰণত সুজান।
কাটিলা দানৱগণ হানি চক্রবাণ ॥
হেন দেখি অসুৰৰ বৰ বৰ বীৰ।
দশন কামুৰি কোপে ঝঙ্কাৰিয়া শিৰ ॥ ৪০৩
কৰিলেক নানা অস্ত্রগণ বৰিষণ।
বাটতে কাটিয়া সবে কৰিলেক ছন ॥
হেন দেখি অসুৰ ৰণত অনির্ব্বাৰ।
পুনৰপি শৰবৃষ্টি কৰিলা অপাৰ ॥ ৪০৪
বিন্ধিলেক নিসন্ধি ৰাজাৰ কলেবৰ।
বাণবিষে জর্জ্জৰিত ভৈলা নৃপবৰ ॥
অধিক ফিটাইল ৰাজা পায়া শৰচোট।
মহাকোপে হানিল গন্ধর্ব্ব অস্ত্রগোট ॥ ৪০৫
আকাশ প্রকাশি শৰপাট যায় চলি।
অসুৰ সেনাত লগাইলা খলমলি ॥
মহাবেগে গৈয়া শৰ পৰম প্রচণ্ড।
বাণবিষে সেনাক কৰিলা লণ্ডভণ্ড ॥ ৪০৬
শৰ হানি ৰঙ্গ চাহি আছে মহাৰাজ।
দৈত্যৰ লাগিল যুদ্ধ আপোনাৰ মাজ ॥
গন্ধর্ব্ব অস্ত্রৰ মহা মহিমা প্রচুৰ।
মৰে কাটাকাটি কৰি সমস্তে অসুৰ ॥ ৪০৭
শৰ হানি কেহো কাৰ মাথা বেলেগারে।
কাহাকো দোহাৰ কেহো কৰে খাণ্ডাঘায়ে।
কঙ্কালত কাটি কাকো কৰয় দুখান।
কেহো জনে বাণে হানি লৱে কাৰো প্রাণ ॥ ৪০৮
কেহো ঘাড় মোচাৰি পকায়া ছিণ্ডে মুণ্ড।
যাষ্টীৰ প্রহাৰে কাৰো ভসাৰয় শুণ্ড ॥
চৰৱৰ চোটে কেহো কাৰো দন্ত সাৰে।
কাৰো হিয়া ছিৰে কেহো পৰশু কুঠাৰে ॥ ৪০৯
কেহো কাৰো নাক কাণ কৰে খান খান।
কেহো কাকো গৈয়া কঙ্কালত মাৰে হান ॥
কেহো বাণে হানি কাটে উৰু শিৰ কৰ।
ভূমিত পৰিয়া কেহো কৰে ধৰফৰ ॥ ৪১০
বাণবিষে কেহো পৃথিবীত ঢলি পৰে।
আধকাটা দৈত্য কেহো পৰিয়া বাগৰে ॥
নিদাকণ শৰে ফুটি কাৰো প্রাণ যায়।
মৰো মৰো বুলি কতো পৰিয়া ডেৰাই ॥ ৪১১
কেহো লৰ দেয় পলাইবাক নাহি স্থান।
নৃপতিৰ শৰে খেদি খেদি লৱে প্রাণ ॥
অসুৰৰ তেজে ৰণ ভূমি গৈল তল।
মৰে দৈত্য দানৱ দেৱৰ কুতুহল ॥ ৪১২

অস্ত্র এৰি অন্তৰীক্ষে আছে দশৰথ।
অন্যে অন্যে অসুৰ আপুনি ভৈলা হত ॥
সমস্তে অসুৰ মৰি গৈল যমালয়।
ৰাজাৰ বিক্রম দেখি দেৱৰ বিস্ময় ॥ ৪১৩
লক্ষকোটি অসুৰ ক্ষণেকে ভৈল হত।
লাগিল চমক আতি ইন্দ্রৰ মনত ॥
যেন মেঘ গুচি ভৈল প্রসন্ন আকাশ।
অসুৰ মৰিল দেৱে দেখিল প্রকাশ ॥ ৪১৪
অৱশিষ্ট দৈত্য পলাই গৈল দশোদিশ।
দশৰথ নৃপ মনে পৰম হৰিষ ॥
অনায়াসে নৃপবৰে জিনিলেক ৰণ।
জয় জয় শব্দনাদ কৰে দেৱগণ ॥ ৪১৫
ইন্দ্র পদ লৈবে দুষ্ট দৈত্যগণ আইল।
আছোক ইন্দ্রপদ নিজ প্রাণকো হৰাইল ॥
পৰ শ্রী আশা কৰি গৈল ৰসাতল।
ৰণ জিনি পাচে দশৰথ মহাবল ॥ ৪১৬
বিপৰীত প্রকাশ কৰিলা মহাশয়।
তিমিৰ বিনাশি যেন সূর্য্যৰ উদয় ॥
ৰাজা ৰণ জিনিলন্ত দেৱৰ হৰিষ।
শঙ্খধ্বনি কৰি পূৰিলন্ত দশোদিশ ॥ ৪১৭
আনন্দে দুন্দুভি বাদ্য বাজে অসংখ্যাত।
ৰাজাৰ শিৰত সিঞ্চিলন্ত পাৰিজাত ॥
বখানন্ত পুৰন্দৰ ৰাজাৰ বিক্রম।
ধন্য ধন্য দশৰথ নৃপতি উত্তম ॥ ৪১৮
আমাকো জিনিল যিটো প্রচণ্ড অসুৰ।
ৰণে জিনি নৃপতি কৰিলা তাক চুৰ ॥
নাহি নৃপজিব ৰাজা তোমাৰ সমান।
এহি বুলি ইন্দ্রে কৰিলন্ত বহু মান ॥ ৪১৯
পূজিলা ত্রিদশে নৃপতিৰ বাহুবল।
ৰাজাক মাতিলা পুষ্প দেৱ আখণ্ডল ॥
ৰাজ্য ৰাখি দিলা মোক অসুৰক মাৰি!
তোমাৰ গুণক আমি শুজিতে নাপাৰি ॥ ৪২০
পূৰ্ব্বে নাৰায়ণে যেন বঞ্চি দানৱক।
অমৃতক পিয়াইলন্ত দেৱতা সবক ॥
সেহিমতে অসুৰক মাৰিয়া নৃপতি।
ৰক্ষা কৰি দিলা মোক পুৰী অমৰাৱতী ॥ ৪২১
তযু মহাযশ ৰাশি ৰৈল ত্রিভুবনে।
ঘুষিবেক তোমাৰ কীৰ্ত্তিক সর্ব্বজনে ॥
এহিমতে ৰাজাক প্রশংসি ৰাৰম্বাৰ।
ৰাজাক দিলন্ত দিব্য বস্ত্র অলঙ্কাৰ ॥ ৪২২
দিলা দিব্যৰথ অষ্ট ঘোটকে সহিত।
বায়ুত অধিক মহাবেগ বিপৰীত ॥

ৰথ পায়া ভৈল আতি হৰিষ বিস্তৰ।
মনত সন্তোষ দশৰথ নৃপবৰ ॥ ৪২৩

দশৰথে কৈকেয়ীক দুটা ৰৰ দিবলৈ অঙ্গীকাৰ কৰাৰ বিৱৰণ ?

ইন্দ্র সমে দেৱতাত মাগিয়া মেলানি।
অযোধ্যাক আনন্দে আসিলা মহামানী ॥
দিব্য ৰথে চড়ি দশৰথ মহাৰাজ।
প্রবেশিলা সৈয়া নিজ ওৰাণিৰ মাজ ॥ ৪২৪
দিব্য সিংহাসনত বসিলা ৰাজা গই।
স্বামী আসিবাৰ পাচে দেখিয়া কৈকেয়ী ॥
সাদৰে প্রণাম আসি কৰিলা সুন্দৰী।
আশ্বাসিলা নৃপতি তাহাকে হাতে ধৰি ॥ ৪২৫
মহাৰণ কৰি শ্রম পাইলা নৃপবৰ।
ঈষত কুঞ্চিত মুখ পড়িল ঘামৰ ॥
দেখি মহাদই নানা মত সেৱা কৰি।
স্বামীৰ শ্রমক দূৰ কৰিলা সুন্দৰী ॥ ৪২৬
নানা ভাৱে নৃপতিৰ চিত্ত সন্তোষিলা।
কৈকেয়ীক চাই ৰাজা বচন বুলিলা ॥
সেৱা কৰি সন্তোষ কৰাইলি দেবী মোক।
খোজ মোত যেহি লাগে দিব ৰৰ তোক ॥ ৪২৭
মহাদই বোলে সত্য কৰিয়োক আগে।
তেবেসে মাগিবো ৰৰ যেহি মোক লাগে ॥
শুনি সত্য অঙ্গীকাৰ কৰিলা নৃপতি।
সত্যে বোলো যেহি খোজা তাকো দিবো সতী ॥৪২৮
কুব্জীত কৈকেয়ী পুছিলন্ত মাতি আনি।
ৰৰ দিবে চাহে ৰাজা কাৰ সত্য বাণী।
কুব্জী বোলে ৰৰ মাৰ ন লৈবা এখন।
যদি ৰৰ দিবাক ৰাজাৰ আছে মন ॥ ৪২৯
সময় পাইলেসে ৰৰ মাগিবা ৰাজাত।
শুনিয়া কৈকেয়ী বোলে কৰি যোৰহাত ॥
শুনিয়োক প্রভু বোলে স্বৰূপ বচন।
মোক ৰৰ দিবাক তোমাৰ আছেমন ॥ ৪৩০
এতিক্ষণে তোমাত নলৈবো মই ৰৰ।
সময়ত খুজিলে দিবাহা নৰেশ্বৰ ॥
এহিমতে দশৰথ ভার্য্যায়ে সহিত।
নানাবিধ ভোগ ভুঞ্জিলন্ত মনোনীত ॥ ৪৩১
পাত্র মন্ত্রীসমে ৰাজ্য কৰে নৃপবৰ।
গৈলা কাল বহি সাত সহস্র বৎসৰ ॥
অনন্তৰে গ্রহগতি দৈৱৰ বিপাক।
মহাব্রণ গোট হুয়া পীড়য় ৰাজাক ॥ ৪৩২

গুহ্যৰ ভিতৰে ব্রণ ভৈলা আতি টান।
বেদনাত ৰাজাৰ সঙ্কলে যেন প্রাণ ॥
শুখাই গৈল মুখ পানী নাহিকে জিভাত।
নাহিকে চেতন যেন পাগল সাক্ষাত ॥ ৪৩৩
পাত্র মিত্র পুৰোহিত আসিলা সকল।
মহাদইগণ সব ভৈলন্ত বিকল ॥
নিবন্তৰে লোকৰ চিন্তাৰ নাহি পাৰ।
প্রাণৰ সংশয় আসি মিলিল ৰাজাৰ ॥ ৪৩৪
নাহি ভাত পানী একো হৰিল চেতন।
আসিলন্ত বৈদ্য ধন্বন্তৰিৰ নন্দন ॥
মহামন্ত্রে জাবিয়া ঔষধ দিলা আনি।
নৃপতিক বৈদ্যে পাচে বুলিলন্ত বাণী ॥ ৪৩৫
চাইবো তোমাক মই কৰিয়া যতন।
উপায়েসে ৰহে ৰাজা তোমাৰ জীৱন ॥
ঘিণ এৰি তোমাৰ গুহ্যত মহাৰাজ।
মুখ দিয়া হুপিয়া কৰোক পুঁজ বাজ ॥ ৪৩৬
বৈদ্য হেন উপদেশ বচন বুলিলা।
অধিকে ৰাজাৰ আৰে বেদনা মিলিলা ॥
ইটো মোৰ কার্য্য সাধিবেক কোন জন।
চিন্তাবিষে আতিশয় ভৈলা অচেতন ॥ ৪৩৭
চেতন কৰাইল পাচে সবে মিলি ধৰি।
ৰাজাৰ সমুখ ভৈলা কৈকেয়ী সুন্দৰী ॥
বোলন্ত মূর্চ্ছিত তুমি নহৈবা নৃপতি।
ই কার্য্য তোমাৰ মই সাধিবো সম্প্রতি ॥ ৪৩৮
কৈকেয়ীৰ বাণী শুনি ভৈলা সবে ত্রাস।
কিমত কার্য্যক সতী কৰিলন্ত সাস ॥
নৃপতিৰ গুহ্যত কৈকেয়ী মুখ দিল।
বায়ু ধৰি দেবী টান কৰিয়া হুপিল ॥ ৪৩৯
ভোসৰিল ব্রণ সবে পুঁজ ভৈল বাজ।
গুচিল বেদনা স্বস্থ ভৈল মহাৰাজ ॥
ব্রণপীড়া এৰাইয়া হৰিষ আতি ভৈলা।
কৈকেয়ীৰ মুখ চাই মাতিবাক লৈলা ॥ ৪৪০
সার্থক কৰিলো বিহা তোমাক সুন্দৰী।
মহাব্রণ বেদনাত যাওঁ মই মৰি ॥
তোমাৰেসে প্রসাদে ৰহিল মোৰ প্রাণ।
নাহি আনপ্রিয়া আৰো তোমাৰ সমান ॥ ৪৪১
কৰাইলা সন্তোষ কর্ম্ম কৰি গৰিহিত।
লৈয়ো যেহি লাগে ৰৰ মনৰ বাঞ্ছিত ॥
শুনিয়া কৈকেয়ী বাক্য বুলিলা ৰাজাক।
পূৰ্ব্বে এক ৰৰ দিয়া আছাহা আমাক ॥ ৪৪২
ভক্তি দেখি আৰো ৰৰ দিবে খোজা মোক।
সভাৰ মাজত সত্য কৰি বুলিয়োক ॥

যেতিক্ষণ যিবা বাঞ্ছো দিবা সেহিবৰ।
সত্য কৰি বোলা ৰাজা সভাৰ ভিতৰ ॥ ৪৪৩
তাকে দিবো যিবা মোত খোজা যেতিক্ষণ।
হেন শুনি কৈকেয়ীৰ তুষ্ট ভৈলা মন ॥
বাৰম্বাৰ ৰাজা কৈকেয়ীক দিলা বৰ।
দৈৱৰ নির্ব্বন্ধ আতি আছয় পূর্ব্বৰ ॥ ৪৪৪
তাক এৰাইবাক লাগি কাহাৰ শকতি।
আত পৰে কথা আৰে শুনিয়ো সম্প্রতি ॥

পুত্র নোহোৱাত দশৰথৰ অসন্তোষ আৰু বশিষ্ঠৰ উপদেশ ঃ

সাত শত ভার্য্যা বিহা কৰিলা নৃপতি।
নভৈল কাহাতো হন্তে পুত্র উতপতি ॥ ৪৪৫
মহা মনদুখে বসি গুণে মহাশয়।
নভৈল সন্ততি কৰো কিমত উপায় ॥
নেৰাইলোহোঁ মই পিতৃ দেৱতাৰ ঋণ।
নৰহিল বংশ মোৰ ভৈলো ধর্ম্মহীন ॥ ৪৪৬
এহিমতে নৃপতি চিন্তন্ত দিনে ৰাতি।
পাচে বশিষ্ঠক ৰাজা আনাইলন্ত মাতি ॥
আনো মুনি সমস্তক মাতিয়া আনিল।
সবাহাতে আপোনাৰ দুখ নিবেদিল ॥ ৪৪৭
নভৈল আমাৰ পূত্র শুনা মুনিশণ।
মিছা ৰাজ্যভোগ মোৰ নিষ্ফল জীৱন ॥
শ্রাদ্ধ তর্পণ যজ্ঞ কৰো অপর্য্যন্ত।
অপুত্রক দেখি দেৱ পিতৃ নলৱন্ত ॥ ৪৪৮
যত যজ্ঞ পিতৃকর্ম্ম কৰো নিতে নিত।
বিষ্ঠাত অধিক বুলি নলৱে কিঞ্চিত ॥
পুত্রৰ নিমিত্তে যজ্ঞ কৰিলো বিস্তৰ।
নাহি পুত্র সিও ব্যর্থ ভৈল নিৱন্তৰ ॥ ৪৪৯
বহুকালে মোক অন্ধ মুনি শাপ দিল।
সিও শাপ মোত এতকালে নফলিল ॥
মুনিৰো বচন ব্যর্থ ভৈল মোৰ ঠাই।
আছোক পত্রৰ শোক দৰশন নাই ॥ ৪৫০
হেন শুনি নৃপতিত পূছিল' বশিষ্ঠ।
কেন বুলিলন্ত মুনি কহা মোত নিষ্ঠ ॥
ৰাজাই বোলন্ত মুনি শুনা কহোঁ সাৰ।
গৈলো ঘোৰ অৰণ্যক মৃগ মাৰিবাৰ ॥ ৪৫১
মুনিপুত্রে জল ভৰে তাহাক নাজানি।
প্রহাৰিলো শৰ হস্তী হেন মনে মানি ॥
সেহি শৰে সিন্ধু মুনি তেজিলন্ত প্রাণ।
দেখি গৈয়া ভৈলো মই মৃতক সমান ॥ ৪৫২
অন্ধকৰ পাশে পাচে গৈলো শৰ লৈয়া।
সকল বৃত্তান্ত তান্ত নিবেদিলো গৈয়া ॥
পূত্রৰ সন্তাপে মুনি শপিলন্ত মোক।
মৰিবি নৃপতি তই পায় পুত্র শোক ॥ ৪৫৩
পুছিলো হৰিষে মই তান শাপ শুনি।
কেমনে হৈবেক পুত্র কৈয়ো মহামুনি ॥
ঋষ্যশৃঙ্গে যজ্ঞ আসি কৰাইবে তোমাক।
তেৰে হৈবে পুত্র মুনি বলিলন্ত বাক ॥ ৪৫৪
অন্ধকৰ কথা যত কহিলো বশিষ্ঠ।
কোথা আছে ঋষ্যশৃঙ্গ নাজানোহো নিষ্ঠ ॥
আৰো এক কথা কহোঁ শুনিয়ো সম্প্রতি।
দুর্ব্বাসা ঋষিক পাই কৰিলো ভকতি ॥ ৪৫৫
পুছিলোহো কৃতাঞ্জলি তাহাৰ আগত।
জানা মহামুনি তুমি ভূত ভবিষ্যত ॥
হৈবেক আমাৰ কিবা পুত্র উতপতি।
বুলিলন্ত মুনি চিন্তা নকৰা নৃপতি ॥ ৪৫৬
মহামুনি ঋষ্যশৃঙ্গ বিভাণ্ডতনয়।
তাক আনি যজ্ঞ কৰিয়োক মহাশয় ॥
তেৰে আসিবন্ত হৰি চাৰি ৰূপ ধৰি।
তোমাৰ গৃহত উপজিব নিষ্ট কৰি ॥ ৪৫৭
হেন শুনি ভৈল মোৰ হৰিষ মনত।
কহিলো সকলো কথা তোমাৰ আগত ॥
বশিষ্ঠে বোলন্ত শুনা নৃপতি প্রস্তুত।
নৃত্যগীতপ্রিয় সিটো বিভাণ্ডৰ সুত ॥ ৪৫৮
মোদকৰ নামে যেন মৰিয়া জীৱন্ত।
গীত শুনি মুনি যেন অমৃত পিৱন্ত।
দেখিতে ছৱাল মতি বিষ্ণু অৱতাৰ।
চাৰি বেদ শাস্ত্র তান কণ্ঠত প্রচাৰ ॥ ৪৫৯
প্রহৰেক মাত্র কৰে সন্ধ্যাক বন্দন।
ছৱালৰ থানে ক্রীড়া কৰে সর্ব্বক্ষণ ॥
আনাহা গায়ক যাৰ সুৰ সুললিত।
সুস্বাদ সন্দেশ লাড়ু লৌক যথোচিত ॥ ৪৬০
সুস্বৰে পঞ্চম কন্যাগণে গাওক গীত।
শুনি বিমোহিত আতি হৈব তান চিত্ত ॥
মোদক সন্দেশ দিবা সেহি সময়ত।
দেখাইবেক বতি ৰস তাহান আগত ॥ ৪৬১
শিশু মুনি গীত সন্দেশৰ স্বাদ পাই।
আসিব আমাৰ স্থানে এৰি নিজ ঠাই ॥
এহিমত উপায়ে মুনিক আনিয়োক।
ৰচিলা মাধৱে হৰি হৰি বুলিয়োক ॥ ৪৬২

ঋষ্যশৃঙ্গৰ উপাখ্যান ঃ

ছবি

সুমন্ত্রী সুমন্ত্র শুণি, বশিষ্ঠৰ বাণী শুনি,
উঠিলন্ত কৰি যোৰহাত।
সুমধুৰ কৰি বাণী, বুলিলন্ত মহামানী,
শুনিয়োক পৃথিবীৰ নাথ ॥
বশিষ্ঠে কহিলা যত, সবে সত্য স্বকপত,
পূর্ব্ব কথা সুমৰিলো আমি।
আপুনিও জানা তুমি, সাম্প্রতে পাসৰি আছা
সুমৰাইলে সুমৰিবা স্বামী ॥ ৪৬৩
শান্তা নামে কন্যাখানি, তযু গৃহে মহামানী,
উপজিল পৰম সুন্দৰী।
লোমপাদ নৰপতি, অঙ্গদেশ অধিপতি,
শান্তাক খুজিলা ভক্তি কৰি ॥
মিত্রৰ ভাৱত থাকি, তুমিও শান্তাক দিলা,
লোমপাদে শান্তাক নিলন্ত।
আনন্দে নধৰে হিয়া, কন্যাক গৃহক নিয়া,
জীউ বুলি তেন্তে তুলিলন্ত ॥ ৪৬৪
লোমপাদ মহামানী, বিভাণ্ডৰ পুত্র আনি,
শান্তা কন্যা দিলন্ত বিবাহ।
ঋষ্যশৃঙ্গ নিয়া যজ্ঞ, কৰি পাচে লোমপাদে,
পুত্র পায়া মিলিল উৎসাহ ॥
দ্বাদশ বৎসৰ বৃষ্টি, তাহাৰ খাজ্যত নাই,
তাতে লোক মৰয় সমস্ত।
ঋষ্যশৃঙ্গ আসিলাত, ভৈলা বৃষ্টি অসংখ্যাত,
পাচে সুখ ভৈলা লোক যত ॥ ৪৬৫
শুনি দশৰথে পাচে, সুমন্ত্রত পুছিলন্ত
শুনিয়োন্ত সুমন্ত্র সাক্ষাত।
কেনমতে ঋষ্যশৃঙ্গ, কৰিলা শান্তাক বিহা,
প্রপঞ্চিয়া কহিয়ো আমাত ॥
সুমন্ত্র বোলন্ত ৰাজা, শুনিয়ো কৌতুক মনে,
সিটো বিভাণ্ডক মহাঋষি।
ঋষ্যশৃঙ্গ পুত্র লৈয়া, মাধৱত মতি দিয়া,
কৰে তপ তপোবনে বসি ॥ ৪৬৬
অপুত্রক ভৈলো বুলি, লোমপাদ নৃপতিৰ,
মনে আতি অসুখ অশেষ।
ঋষ্যশৃঙ্গ আন যজ্ঞ, কৰাইলে হৈবক পুত্র,
পাইলা নাৰদত উপদেশ ॥
লোমপাদ ৰাজা পাছে, ঋষি পুত্র আনিবাক,
কৰিলন্ত উপায় উত্তম।
নৌকাৰ উপৰে নানা, ফল মূল সমন্বিতে,
মায়াবলে পাতিলা আশ্রম ॥ ৪৬৭
সুগন্ধ কর্পূৰ চিনি, ঘৃতে পাক কৰি আনি,
সাজিলন্ত বিবিধ সন্দেশ।
ফল ফুল ৰূপে তাক, বৃক্ষতে নির্ম্মিয়া থৈল,
দেখি বন পৰম সুবেশ ॥
নানা গন্ধে হুয়া মত্ত, গুঞ্জৰে ভ্রমৰে যত,
কোকিলৰ কুহু কুহু বাৰ।
বহয় শীতল বাত, কামুক ৰমণী যেন,
মদনক দেয় হাত বাৰ ॥ ৪৬৮
জানে যত নৃত্য গীত, আতিশয় সুশিক্ষিত,
যুৱতী সুন্দৰী সুৱদনী।
কামকলা, কেলি যত, জানে আতি নানামত,
নানা ৰসে পৰম শুৱনী ॥
গায়ে যেন পট্টবাসে, আতিশয় লয়লাসে,
কাছি পাৰি নাৱত চড়িল।
কতেক বর্ণাইবো তাক, ঋষ্যশৃঙ্গ আনিবাক,
সুমঙ্গল সময়ে লৰিল ॥ ৪৬৯
কতো দিন অনন্তৰে, পাইলা গৈয়া তপোবন,
মায়া নৌকা আৰ কৰি থৈলা।
বিভাণ্ডক মুনিবৰে, পুত্র থৈয়া নিজ ঘৰে,
তপ কৰিবাক লাগি গৈলা ॥
পাচে নটীগণ যত, চেগ চায়া সময়ত,
গৈয়া ঋষ্যশৃঙ্গৰ আগত।
হাতে তালঅস্ত্র ধৰি, সুৰ সুললিত কৰি,
নৃত্য গীত কৰে নানা মত ॥ ৪৭০
বিভাণ্ডৰ আসিবাৰ, সময় জানিয়া সবে,
তৰাতৰি আশ্রমক যায়।
এহি মতে নৃত্য গীতে, ক্রীড়া কৰি নানামতে,
ঋষিক মোহিলা সমুদায় ॥
নাচনীৰ লয়লাস, দেখি মুনি তোলে হাস,
কুতূহলে কৰন্ত জিজ্ঞাস।
মূর্ত্তি আতি অনুপাম, কমন তোমাৰ নাম,
কোন থানে কৰাহা নিবাস ॥ ৪৭১
শুনি নাৰী নিৱন্তৰে, দিলা তাক প্রত্যুত্তৰ,
সবে আমি উত্তম তপস্বী।
জানো তুমি মুনিৰাজ, পশি তপোবন মাজ,
কৰা তপ এক মনে বসি ॥
নিকটেতে তপোবন, তযু আগে সর্ব্বক্ষণ,
নৃত্য গীত কৰো কৌতূহল।
তোমাৰ সঙ্গক মে আমি সব ঋষিগণে,
বেদপাঠ কৰো সুকোমল ॥ ৪৭২

ঋষ্যশৃঙ্গ মায়া বাণী, শুনি মনে অনুমানি,
বোলা শুনা শুনা ঋষিগণ।
তোমাৰ পায়া সঙ্গ, মোহোৰ কৌতুক ৰঙ্গ,
মিলয় মনত সর্ব্বক্ষণ॥
আমিও তোমাৰ তুলে, থাকিবোহো কৌতুহলে,
সুমধুৰ বেদধ্বনি শুনি।
আতি ঙ্কুললিতভাৱে, সুন্দৰ কোমল গাৱে,
তুমি সব সমে মহামুনি॥ ৪৭৩
সুশোভন জটাভাৰ, বাকলি বসন গাৰ,
অত্যন্ত শীতল অতিশয়।
তোমাসাৰ শৰীৰৰ, ভস্ম ধূলি নিৰন্তৰ,
উত্তম সুৰভী গন্ধ কয়॥
আমাৰ বৃক্ষৰ ছাল, পিন্ধিবাক হুহি ভাল,
শিৰে আউলজাউল জটাভাৰ।
কৰে আতি জটাজট, শুনি আতি খটমট,
বেদধ্বনি যতেক আমাৰ॥ ৪৭৪
শৰীৰ সকলে কক্ষা, ভস্ম ধূলি যত দেখা,
ঘষিতে কুৎসিত কৰে গাৱ।
এহিমতে মুনিবৰ, বর্ণাইলা নিৰন্তৰ,
যতেক আপোন পৰ ভাৱ॥
উপজাৰে পৰা ঋষি নিজ আশ্রমত বসি,
তপ কৰি থাকন্ত সদাই।
পৰম মহন্ত সন্ত, আন একো নজানন্ত,
তপে মন মগ্ন সমুদায়॥ ৪৭৫
মায়াৰূপীগণে যত, কপটে কহিলা কথা,
তাকে সত্য মনত মানিল।
পাচে স্ত্রীসবে আনি, মোদক সন্দেশ নিয়া,
ঋষিৰ পুত্রৰ হাতে দিল॥
ঋষ্যশৃঙ্গ মহামুনি, ফল হেন মনে মানি,
ভুঞ্জিলা হৰিষ কৰি মন।
নজানি কপট মায়া, সুস্বাদু সুৰভী পায়া,
পুছিলন্ত শুনা ঋষিগণ॥ ৪৭৬
তোমাৰ ৰাজ্যৰ ফল, খায়া ভৈলো কুতূহল
ইটো আতি স্বাদত বিচিত্র।
আছয় আনাক দায়া, অন্যোঅন্যে আলিঙ্গিয়া,
আসা তুমি আমি কৰো মিত্র॥
তোমাসাৰ সঙ্গে যাইবো, ইটো মধুফল খাইবো
শুনিব মধুৰ বেদধ্বনি।
থাকিবো তোমাৰ সঙ্গে, তপ কৰি মহাৰঙ্গে,
অন্যো অন্যে বঞ্চিবো ৰজনী॥ ৪৭৭
নমো নমো নমো ৰাম, যাৰ যশ অনুপাম,
জগতত্বে মঙ্গল নিশ্চয়।

অমৃততোধিক কৰি, পিয়া আক কর্ণ ভৰি,
মহাজনে মোক্ষকো তেজয়॥
হেন তযু গুণ নাম, মোৰ মুখে অদিশ্রাম,
কীর্ত্তন কৰোক প্রভু ৰাম।
এহি কৃপা কৰা মোক, যত সামাজিক লোক,
বোলা ৰাম তেজি আন কাম॥ ৪৭৮

পদ

নটী সবে শুনি ঋষ্যশৃঙ্গৰ বচন।
ভৈলা মিত্র বুলি কৰিলন্ত আলিঙ্গন॥
দেখিলা নজানে কিছু ঋষিৰ তনয়।
নানা কামকলা বসে ভাব দৰশয়॥ ৪৭৯
কেহো জনী আলিঙ্গি ধৰিলা তান গলে।
কেহো জনী বস্থুরাইলা বস্ত্রৰ আঞ্চলে॥
কেহো জনী নিয়া তাক বসাইলা কোলাত।
স্তনৰ উপৰে কেহো থৈলা তান হাত॥ ৪৮০
কেহো জনী তান মুখে চুমা দিল।
বুকত লগায়া স্তন কেহো সারটিল॥
কেহো জনী হৃদয়ৰ বস্ত্র দূৰ কৰি।
উচ্চ কুচ ভাৰ তাক দেখারে সুন্দরী॥ ৪৮১
আপোনাৰ উরু তান উরুত লগায়।
কটাক্ষে নিৰীখি হাসি তোলে মুচুকাই॥
কতো জনী গাৱ ঘেলায়য় তান সঙ্গে।
লয়লাসে হাসে কতো জনী ভুরুভঙ্গে॥ ৪৮২
কতো জনী বাহু ধৰি কৰয় মর্দ্দন।
কোলে তুলি কতো জনী জাঙ্ঘয় চৰণ॥
কতো জনী আপোনাৰ গারে আওজায়।
মুখ কাটি কৰিয়া থাকয় তাকে চাই॥ ৪৮৩
পাচে ঋষি কুমাৰক কৰি বহুমান।
সুগন্ধ শীতল জলে কৰাইলেক স্নান॥
ভস্ম ধূলি তান শৰীৰৰো দূৰ কৰি।
পিন্ধাইলেক কুসুম চন্দন সাদৰী॥ ৪৮৪
বাকলি গুচায়া দিব্য পিন্ধারে বসন।
রুদ্রাক্ষ গুচায়া দিব্য পিন্ধারে ভূষণ॥
শিলিখা গুচায়া দেই কর্পূৰ তাম্বুল।
সুৰভী শীতল পিন্ধায়য় কতো ফুল॥ ৪৮৫
তালভঙ্গ ধৰি সুললিত গীত গারে।
মধুৰ মৃদঙ্গ ধৰি কতো জনী বারে॥
কতো লয়লাসে ভঙ্গিভারে কৰে নৃত্য।
এহিমতে মোহিত কৰিলা তান চিত্ত॥ ৪৮৬

সুমন্ত্র বদতি শুনিয়োক মহাশয়।
গ্রামী জন সঙ্গ পায়া বিভাণ্ডতনয়॥
ঋষি ধর্ম্ম সকলে গুচিল সমুদায়।
ভৈল উলমাল নাৰীগণ সঙ্গ পাই॥ ৪৮৭
স্ত্রী সমস্তক মুনি বুলিলা বচন।
তোমাৰ আশ্রম কত দূৰ মুনিগণ॥
তুমি সব মহামিত্র ভৈলাহা আমাৰ।
দেখিতে উৎসুক আছে আশ্রম তোমাৰ॥ ৪৮৮
মায়াৰতী সবে বোলে শুনা মুনিবৰ।
নিকটে আশ্রম যাইবা উঠিয়ো সত্বৰ॥
শুনি ঋষ্যশৃঙ্গ উঠিলন্ত শীঘ্র কৰি।
চলিলা কৌতুকে তাসস্বাৰ হাত ধৰি॥ ৪৮৯
কথা মতে নৌকাত তুলিলে নাৰীগণে।
আশ্রম দেখিয়া মুনি ৰঙ্গ ভৈলা মনে॥
ভালৰ আশ্রম তপোবন বিতোপন।
নানা ফল ফুলে আমোদিত কৰে মন॥ ৪৯০
হৰিষে ফুৰন্ত ঋষি মায়াবন চাই।
মায়াৰূপী সবে নাৱ বায়া লৈয়া যায়॥
নানা কেলী কৌতুক কৰিয়া ঋষিসঙ্গে।
মায়ানৌকা পাৰ কৰিলেক মহাৰঙ্গে॥ ৪৯১
শ্রম পায়া ঋষিৰ কুমাৰ নিদ্রা গৈলা।
অনন্তৰে নৌকা আসি অঙ্গদেশ পাইলা॥
ভাগিল ঋষিৰ নিদ্রা পাচে কতোক্ষণে।
স্ত্রী সকলত মুনি পুছে সঙ্গী মনে॥ ৪৯২
কহিয়োক তুমি সবে স্বৰূপ বচন:
নোহা তুমি সবে ঋষি হুহি তপোবন॥
তুমি সবে আমাক মুহিলা মায়া কৰি।
আপোনাৰ দেশে আনি আছা ছল কৰি॥ ৪৯৩
কি কাৰণে আনিলা কহিয়ো প্রয়োজন।
শুনি যোৱহাতে মাতিলেক নাৰীগণ॥
শুনিয়োক মুনি নকৰিবা কোপ মন।
কহিবো তোমাত আছে যত প্রয়োজন॥ ৪৯৪
লোমপাদ ৰাজা অঙ্গদেশ অধিপতি।
শান্তা নামে কন্যা তান আছে মহাসতী॥
ত্রৈলোক্যমোহিনী কন্যা মহাগুণৱতী।
কৰিবা বিবাহ তাক তুমি মহামতি॥ ৪৯৫
অপুত্রক ৰাজা মনে কৰে অপমান।
তুমি যজ্ঞ কৰাইলে হৈবেক পুত্র তান॥
দ্বাদশ বৎসৰ বৃষ্টি নাহিকে ৰাজ্যত।
অন্নৰ বিকলে দুখ পারে প্রজা যত॥ ৪৯৬
তুমি গৈলে ৰাজ্যত হৈবেক ৰবিষণ।
হৈবে লোক সুখা শস্য হৈবেক সম্পন্ন॥
লৈয়া যাওঁ তোমাক এহিসে প্রয়োজনে।
কহিলো কাৰণ মুনি কোপ এৰা মনে॥ ৪৯৭
এহি কথা মাতে নটীগণ নিৰন্তৰ।
কতো দিনে পাইলা লোমপাদৰ নগৰ:
শুনি লোমপাদে ঋষ্যশৃঙ্গ আনিবাৰ॥
আগ বাঢ়ি আসিয়া কৰিলা সতকাৰ॥ ৪৯৮
ভৈলন্ত হৰিষ ৰাজা ঋষিক দেখিয়া।
কৰিলা ঋষিক পূজা পাদ্য অর্ঘ্য দিয়া॥
যেবে অঙ্গদেশে আসি ভৈলন্ত প্রবেশ।
তেবে জল বৃষ্টি মেঘে কৰিলা অশেষ॥ ৪৯৯
ভৈল শস্য সম্পূর্ণ ৰাজ্যত নিৰন্তৰ।
নানা ভোগ ভুঞ্জি সুখী ভৈলা সবে নৰ॥
লোমপাদে নানা দ্রব্য একত্র কৰিল।
ঋষ্যশৃঙ্গ মুনিত শান্তাক বিহা দিল॥ ৫০০
ভৈল কুতূহল মুনি পায়া কন্যাৰত্ন।
পাচে যজ্ঞ কৰিতে ৰাজাৰ ভৈল যত্ন॥
একত্র কৰিয়া যত যজ্ঞৰ সম্ভৃত।
কৰিলা যুগুতি পুৰোহিত সমন্বিত॥ ৫০১
অশ্বমেধ মহাযজ্ঞ ৰাজা আৰম্ভিল।
ঋষ্যশৃঙ্গ যজ্ঞত কৌতুকে প্রবেশিল॥
পৰম পণ্ডিত সর্ব্ব কর্ম্মত কুশল।
শুভ সময়ত আচৰিলা সুমঙ্গল॥ ৫০২
লোমপাদ ৰাজা ভৈল যজ্ঞত দীক্ষিত।
যজ্ঞ কার্য্য কলা ক্রিয়া কার্য্য সুশিক্ষিত॥
সাঙ্গোপাঙ্গে যজ্ঞ কৰিলাহা নৰপতি।
পাইলন্ত যজ্ঞত পুত্র বৰ মহামতি॥ ৫০৩
উপজিল চাৰি পুত্র পৰম মহন্ত।
বুদ্ধিবল তেজ মহা গুণে গুণৱন্ত॥
শান্তাৰে সহিতে ঋষ্যশৃঙ্গ মহা ঋষি।
লোমপাদ আশ্রমত ৰহিলা হৰিষি॥ ৫০৪
সম্প্রতি আছন্ত শান্তা সমে কুতূহলে।
তাহান চৰিত্র যত কহিলো সকলে॥
ঋষ্যশৃঙ্গ আনি যজ্ঞ কৰিয়ো নৃপতি।
হৈবেক তোমাৰ তেবে উত্তম সন্ততি॥ ৫০৫
ভৈলন্ত হৰিষ সুমন্ত্রৰ কথা শুনি।
দশৰথ ৰাজা মাতিলন্ত মনে গুণি॥

ঋষ্যশৃঙ্গ মুনিক আনিবলৈ লোমপাদ নৃপতিৰ ঘৰলৈ দশৰথৰ গমন আৰু ঋষিক আনি যজ্ঞ সম্পাদন।

শুনিয়ো সুমন্ত্র কথা কহিলা বিশেষ।
যাইবো মই লোমপাদ নৃপতিৰ দেশ॥ ৫০৬
পাত্র মিত্র পুৰোহিত চলিয়ো সকল।
এহি বুলি যাত্রা কৰিলন্ত মহাবল॥
বশিষ্ঠ প্রমুখ্যে পুৰোহিতগণ বঙ্গে।
চলিলা হৰিষে সবে নৃপতিৰ সঙ্গে॥ ৫০৭
সুমন্ত্র সহিতে আঠ পাত্র চলি গৈলা।
গজ বাজী ৰথ সেনা সাজি লগে লৈলা॥
কাহালি মুহুৰি ভেৰি মৃদঙ্গ তবল।
ঢাক ঢোল দুন্দুভি শব্দে টলবল॥ ৫০৮
চিত্র চোঙা ধ্বজদণ্ড গাহুল বম্বাল।
নৃপতিৰ আগে পাচে চলিলা সকল॥
কাঞ্চনে ৰচিত ৰথে চড়িল নৃপতি।
কটকৰ ভৰে দলদপ বসুমতী॥ ৫০৯
ৰাজাৰ উপৰে ছত্র প্রকাশে ধৱল।
আকাশে প্রকাশে যেন চন্দ্রৰ মণ্ডল॥
ত্রিভুৱন চমৎকাৰ ৰাজাৰ পয়ান।
কম্পে সুৰাসুৰ যত তৰতৰিমান॥ ৫১০
হেন আড়ম্বৰে অঙ্গদেশে প্রবেশিলা।
লোমপাদ নৃপতিৰ আশ্রমে মিলিলা॥
দেখি লোমপাদৰ হৰিষ ভৈল মন।
দশৰথ নৃপতিক কৰিলা বচন॥ ৫১১
কৃতাঞ্জলি কৰি ধৰি প্রণতি প্রচুৰ।
দশৰথ ৰাজাক নিলেক অন্তঃপুৰ॥
সুৱর্ণৰ সিংহাসন দিলা বসিবাক।
পাদ্য অর্ঘ্য দিয়া পূজা কৰিলা ৰাজাক॥ ৫১২
বশিষ্ঠক আসন দিলন্ত মহাবীৰে।
ধুৱায়া চৰণ পাদোদক লৈলা শিৰে॥
দশৰথ নৃপতিক কৰে ৰাজা স্তুতি।
তযু আগমনে ভৈল থানৰ মুকুতি॥ ৫১৩
আপুনি মিলিলা আসি মোহোৰ গৃহত।
নজানোহো মই ভাগ্য কৰি আছো কত॥
ত্রিভুৱনে নাহি তুমি হেন মহাৰাজ।
আদেশিয়ো মোক মই কৰো কিবা কাজ॥ ৫১৪
কিবা প্রয়োজনে হয়া আছে আগমন।
শুনি দশৰথে পাছে বুলিলা বচন॥
শুনিয়ো নৃপতি মোৰ নাহিকে সন্তান।
ঋষ্যশৃঙ্গ মহামুনি আছে তৰ স্থান॥ ৫১৫
তেহে যজ্ঞ কৰাইলেসে হৈবেক তনয়।
তাক নিবে প্রতি আসি আছো মহাশয়॥
শুনি লোমপাদে ঋষ্যশৃঙ্গক আনিল।
নমস্কাৰ কৰি দুয়ো ৰাজা সাদৰিল॥ ৫১৬
সুৱর্ণৰ আসন ঋষিক আনি দিলা।
দুয়ো ৰাজা বিস্তৰ ঋষিক সন্তোষিলা॥
লোমপাদে বুলিলন্ত বচন বিনয়।
এন্তে দশৰথ ৰাজা হুয়ো পৰিচয়॥ ৫১৭
প্রাণসম এন্তে মোৰ বান্ধৱ বিচিত্র।
কত কোটি পুণ্যেসে ইহাক পাইলো মিত্র॥
ইহানে দুহিতা শান্তা মাগিয়া আনিলো।
যত্ন কৰি আনিয়া তোমাত বিহা দিলো॥ ৫১৮
এন্তে সে জানিবা নিজ শশুৰ তোমাৰ।
কৰিয়োক ঋষি আৰে আৰু উপকাৰ॥
মনত অসুখ আন নাহিকে তনয়।
সিহেতু তোমাক ৰাজা কৰিলা আশ্রয়॥ ৫১৯
শুনি মুনি ঋষ্যশৃঙ্গ ভৈলা সুপ্রসন্ন।
শান্তা সমন্বিতে ভৈলা চলিবাক মন॥
শান্তাৰ কৌতুক আতি পিতৃক দেখিয়া।
মাৱক দেখিতে দশ গুণে ভৈল হিয়া॥ ৫২০
দেখি লোমপাদক আশ্বাসি দশৰথ।
শান্তা সমে ঋষিপুত্র গৈলন্ত লগত॥
পাত্র পুৰোহিত সৈন্য সমে নৃপৱৰ।
ত্বৰিত গমনে পাইলা অযোধ্যা নগৰ॥ ৫২১
শান্তা আসিবাৰ শুনি তিনি মহাদই।
কৌশল্যা সুমিত্রা শান্তী সুন্দৰী কৈকেয়ী॥
হৰষ ফৰষ কৰি আসিল বঝাই।
গলাবান্ধি ধৰিলা শান্তাক লাগ পাই॥ ৫২২
নিলন্ত গৃহক হৰিষৰ নাই পাৰ।
শান্তা সতী কৰিলা মাতৃক নমস্কাৰ॥
সবে মহাদই আসি শান্তাক বেঢ়িলা।
অন্তঃপুৰ মাজে মহা আনন্দ মিলিলা॥ ৫২৩
সমস্তৰে আনন্দ শান্তাক লাগ পাই।
তান্ত বিনে কাৰো আৰ পুত্র জীউ নাই॥
এতেকে শান্তাক পায়া সবে শত মাৱে।
বস্ত্র অলঙ্কাৰ আনি দিলা গাৱে গাৱে॥ ৫২৪
দশৰথ ৰাজা ঋষ্যশৃঙ্গক আনিয়া।
কৰিলা বিস্তৰ পূজা পাদ্য অর্ঘ্য দিয়া॥
আন্তে হন্তে হৈৰ মোৰ মনোৰথ সিদ্ধি।
ভৈলন্ত আনন্দ যেন পায়া নৱ নিধি॥ ৫২৫

এহি বুলি অর্চ্চা কৰিলন্ত বহুতৰ।
যেন বৃহস্পতিক পূজিলা পুৰন্দৰ॥
কৰিলন্ত নৃপতি অনেক সন্তাষণ।
পূজা পায়া ঋষিৰ হৰিষ ভৈল মন॥ ৫২৬
অযোধ্যাতে বহিলন্ত শান্তাৰে সহিত।
যেন দেৱগুৰু স্বর্গপুৰে ভৈলা থিত॥
অনন্তৰে নৃপতি যজ্ঞৰ ঘোঁৰা আনি।
বিধিয়তে অভিষেক কৰি মহামানী॥ ৫২৭
ৰখিয়া কটক দিলা লগত অনেক।
মেলি দিয়া ঘোঁৰাক পালিলা ৰৰিষেক॥
বসন্ত প্রবেশ ভৈলা গুচিয়া শিশিৰ।
আৰম্ভিলা যজ্ঞ পায়া আদেশ মুনিৰ॥ ৫২৮
বশিষ্ঠে কহিলা যত যজ্ঞৰ সম্ভাৰ।
অনেক দেশৰ দ্রব্য আনিলা অপাৰ॥
সুমন্ত মন্ত্রীক দশৰথে আদেশিলা।
অনেক যজ্ঞৰ দ্রব্য সুমন্ত্র আনিলা॥ ৫২৯
সুৱর্ণ বজত বস্ত্র অনেক ভাজন।
কস্তুৰী কুঙ্কুম লখি অগুরু চন্দন॥
মুকুতা প্রবাল মণি মাণিক কর্পূৰ।
দিব্য বস্ত্র অলঙ্কাৰ আনিলা প্রচুৰ॥ ৫৩০
আনো নানা দ্রব্য আনিলন্ত বহুতৰ।
শুভক্ষণে যজ্ঞ আনিলন্ত নৃপৱৰ॥
যজ্ঞৰ কথাক শুনি মনত হৰিষি।
অযোধ্যাক আসিলা অনেক মহাঋষি॥ ৫৩১
কাশ্যপ কপিল কাকুকলু কাত্যায়ণ।
ৰামদেৱ দেৱল দুর্ব্বাসা তপোধন॥
ৰাম পৰাশৰ ভৃগু ভার্গৱী গৌতম।
অতি বিশ্বামিত্র ত্রিতমুনি নৰোত্তম॥ ৫৩২
মৰীচি চ্যৱন চন্দ্রাবিন্দু ভৰদ্বাজ।
অঙ্গিৰস অগস্তি নাৰদ ঋষিৰাজ॥
সনক সনন্দ কন্দ সনতকুমাৰ।
পুলস্তি পুলহ সনাতন বেদসাৰ॥ ৫৩৩
অস্তিসেন মুনি মার্কণ্ডেয় সিদ্ধেশ্বৰ।
ইসব প্রমুখ্যে মহামুনি নিৰন্তৰ॥
আসিলা কৌতুকে নৃপতিৰ যজ্ঞ স্থান।
দশৰথে সবাকো কৰিলা বহুমান॥ ৫৩৪
ঋষি ঋষ্যশৃঙ্গ পাচে হুয়া শুদ্ধচিত।
ৰাজাক কৰিলা মহা যজ্ঞত দীক্ষিত॥
অভিষেক হুয়া ৰাজা পাত্রক ৰৰিলা।
বস্ত্র অন্ধকাৰ গন্ধ চন্দনে অর্চিলা॥ ৫৩৫
কুশহস্ত হুয়া ৰাজা বিষ্ণুক সুমৰি।
সভার্য্যে বসিলা চিত্ত সাৱধান কৰি॥
আঠ পাত্র বসিলা ৰাজাৰ অনুক্রমে।
যাৰ যেন কার্য্য তাক চিন্তন্ত নিয়মে॥ ৫৩৬
ঋষ্যশৃঙ্গ মন্ত্র পঢ়ি যজ্ঞ আৰম্ভিলা।
নৃপতিৰ পুত্র হেতু সঙ্কল্প কৰিলা॥
মন্ত্র পঢ়ি মুনি সবে কৰিলা আহ্বান।
দেৱে সমে পশুপতি আইলা যজ্ঞস্থান॥ ৫৩৭
বিভাণ্ডে দেখন্ত ঋষ্যশৃঙ্গ নাই ঘৰে।
ধ্যান কৰি তেখনে জানিলা মুনিৰৰে॥
দশৰথ ৰাজা মোৰ নিলেক তনয়।
পুত্র প্রয়োজনে যজ্ঞ কৰে মহাশয়॥ ৫৩৮
ধ্যানে জানি পাছে বিভাণ্ডক মহাঋষি।
অযোধ্যাক আসিলন্ত পৰম হৰিষি॥
বিভাণ্ডক ঋষিক দেখিয়া নৰেশ্বৰ।
পাদ্য অর্ঘ্য দিয়া তাক কৰিলা সাদৰ॥ ৫৩৯
বিভাণ্ডক দেখিয়া সকলে মুনিগণ।
সাদৰিলা বুলি তাক মধুৰ বচন॥
কৰিলন্ত বিভাণ্ডকে প্রশংসা ৰাজাক!
পুত্র সমে বসিলন্ত যজ্ঞ কৰিবাক॥ ৫৪০
কৰন্ত হৰিষে যজ্ঞ যত মুনিগণ।
থানে থানে কৰিলন্ত দ্রব্য নিক্ষপণ॥
হুয়া ব্রহ্মচাৰী মন সাৱধান কৰি।
ভৈলা শুদ্ধ প্রথমতে বিষ্ণু বিষ্ণু স্মৰি॥ ৫৪১
মূল মন্ত্র উচ্চাৰিয়া ব্রাহ্মণ সকল।
নিৰন্তৰে উচ্চৰিলা স্বস্তি সুমঙ্গল॥
সাঙ্গোপাঙ্গে পূজিলন্ত যজ্ঞ পুৰুষক।
দশৰথ ৰাজা মনে চিন্তয় পুত্রক॥ ৫৪২
পুত্র মন্ত্র জপ ৰাজা কৰে মনে মনে।
অগ্নি প্রস্থাপন কৰিলন্ত শুভক্ষণে॥
অনন্তৰে দ্বিজগণে আহুতি কৰিল।
মুকুখ মাধৱে আদিকাণ্ড বিৰচিল॥ ৫৪৩
নমো নমো নাৰায়ণ চৰণত ধৰি।
দশৰথ গৃহে ৰামৰূপে অৱতৰি॥
নিজ গুণে জগতঃ পূৰিলাহা মন।
বোলা ৰাম ৰাম সবে সভাসদগণ॥ ৫৪৪

দশৰথৰ ঘৰত নাৰায়ণৰ চাৰি অংশে জন্মৱৃত্তান্ত।

দুলড়ী

ৰাজা লঙ্কেশ্বৰে, উপদ্রৱ কৰে,,
জিনিয়া এ ত্রিভুৱন।
বলে পৰাক্রমে, ইতিনি লোকত,
সম নাহি একোজন॥

তাৰ পৰাভৱ, সহিতে নাপাৰি,
ত্রিদশ দেৱতাগণ।
বাসৱে সহিত, একত্রে বসিয়া,
কৰিলন্ত আলোচন ॥ ৫৪৫
ধাৱণত হন্তে, নাহিকে নিস্তাৰ,
বিনে দেৱ গদাধৰ।
ব্রহ্মায়ে আমাৰ, মিলাইলা প্রমাদ,
বাৱণক দিয়া বৰ ॥
ইতিনি লোকত, ত্রিদশ দেৱত,
বাৱণ অবধ্য ভৈল।
নৰ বানৰত, হৈব সিটো হত,
ব্রহ্মা বৰ ছিদ্র থৈল ॥ ৫৪৬
পুত্রৰ নিমিত্তে, কৰে মহা যজ্ঞ,
দশৰথ নৃপবৰ।
এহি সমবেত, ঈশ্বৰ বিষ্ণুক,
পঠাই দিওঁ তান ঘৰ ॥
হেন যুক্তি কৰি, ক্ষীৰোদধি তীৰে,
গৈলন্ত দেবতাগণ।
লক্ষ্মী সমন্বিতে, ক্ষীৰোদ সাগৰে,
আছা প্রভু নাৰায়ণ ॥ ৫৪৭
অব্যক্ত স্বৰূপে, আছন্ত ঈশ্বৰ,
নুহিকে কাৰো গোচৰ।
জয় জয় হৰি, বুলি হুলস্থূল,
কৰে দেৱ নিৰন্তৰ ॥
নমো নাৰায়ণ, জগতকাৰণ,
সনাতন লক্ষ্মীপতি।
হুয়োক সদয়, প্রভু কৃপাময়,
কৰোঁহো পাৱে প্রণতি ॥ ৫৪৮
তোমাৰ চৰণে, আমি দেৱগণে,
শৰণ লৈলোঁ সম্প্রতি।
তুমি সি ঈশ্বৰ, ইটো জগতৰ,
তুমি বিনে নাহি গতি ॥
হুয়ো সুপ্রসন্ন, দিয়ো দৰশন,
গুচোক আমাৰ দুখ।
ত্রিদশ সকলে, দেখো কৌতূহলে,
তোমাৰ প্রসন্ন মুখ ॥ ৫৪৯
ক্ষীৰ সাগৰৰ, তীৰ জুৰি সবে,
হৰিক দেখিব মনে।
জয় জয় হৰি, বুলি উচ্চ কৰি,
ডাকয় দেৱতাগণে ॥
দেৱৰ কল্লোল, জয় জয় বোল,
শুনিয়া কৃপা মিলিল।

হয়া দায়াযুত, ৰূপ অদভুত,
দেৱতাক দেখা দিল ॥ ৫৫০
কোটি এক শশী, সূর্য্যতো কৰিয়া,
শৰীৰৰ জ্যোতি বলে।
আসিল ৰামক, লাগিল চমক,
দেখিলা দেৱ সকলে ॥
কৃষ্ণক আকোলি, ধৰি কৃতাঞ্জলি,
মাথাৰ উপৰ কৰি।
কৃষ্ণৰ আগতে, পৰি দণ্ডৱতে,
ৰৱে জয় জয় হৰি ॥ ৫৫১
সুপ্রসন্ন বিধি, ভৈল কার্য্য সিদ্ধি,
দিলা দেখা নাৰায়ণ।
শ্রীমুখ দেখি, ভৈলা সবে সুখী,
যতেক ত্রিদশগণ ॥
যেনৰূপে দেখা, দিলন্ত দেৱক,
কহিব কাৰ শকতি।
সর্পৰ ফণাত, চৰণ থাপিয়া
আছা ত্রিজগতপতি ॥ ৫৫২
সর্পৰ ফণাত. মণি জ্যোতি কৰে,
অৰুণ চৰণ তলে।
সুকোমল পদ্ম কোষক জিনিয়া,
চৰণ যুগল জ্বলে ॥
দশো অঙ্গুলিত, জ্বলে মনোনীত,
ৰত্নৰ ঊৰ্ম্মিচয়।
চন্দ্রৰ জ্যোতিক, জিনি আতিশয়,
নখ মণি প্রকাশয় ॥ ৫৫৩
মণি ৰত্নময়, নূপুৰ জলয়,
চৰণ কমল মাজে।
জঙ্ঘা মনোহৰ, উৰু কৰিকৰ,
কটিত কিঙ্কিণী বাজে ॥
পাট ভুনি পীত, ৰতনে ৰচিত,
কঙ্কালত কটিবন্ধ।
জলে মনোহৰ, নাভী সৰোৱৰ,
উদৰ আতি সুচন্দ ॥ ৫৫৪
হৃদয়ে শ্রীৱৎস, দেখি আতি স্বচ্ছ,
হাৰ গজ মুকুতাৰ।
ৰত্ন মণিময়, জ্বলন্তে আছয়,
জিলিমিলি পেচন্দাৰ ॥
আপাদলম্বিত, গলে বনমালা,
ভ্রমৰে বেঢ়িয়া ৰঞ্জে।
কৌস্তুভ মণিৰ, প্রকাশে প্রভাত,
সূর্য্যৰ জ্যোতিক গঞ্জে ॥ ৫৫৫

নীল সোলানৰ, পাৱক নিন্দিয়া
শোভে বাহু চাৰি খান।
সুবলি বলিত, অজানুলম্বিত,
দেখিতে আতি সুঠান ॥
সুৱর্ণৰ টাৰ, বলয়া কঙ্কণ,
সুন্দৰ আঙুলি পান্তি।
আতি সুবলিত, কুৰি আঙুলিত,
নখচন্দ্র কৰে কান্তি ॥ ৫৫৬
বাখৰে ৰচিত, আঙ্গঠি শোভিত,
কৰে যেন কিশলয়।
শঙ্খ চক্র গদা, পদ্ম চাৰি হাতে,
অনুক্রমে প্রকাশয় ॥
উসাসতে আতি, চলন্তে আছয়,
উদৰত তিনি ৰেখা।
কম্বিত সোণাৰ, ৰেখা যেন উৰে,
লক্ষ্মী দেবী দিলা দেখা ॥ ৫৫৭
সিংহৰন্ধ স্কন্ধ, চাৰু কম্বুকণ্ঠ,
চিবুক আতি সুন্দৰ।
বন্দুলি পুষ্পকো, নিন্দি প্রকাশয়,
অৰুণ চাৰু অধৰ ॥
শৰতৰ পূর্ণ- চন্দ্রকো গঞ্জিয়া,
প্রকাশে মুখমণ্ডল।
ইষত হসিত, অমৃত ৰৰিষে,
দেখি মিলে কৌতূহল ॥ ৫৫৮
মুকুতাৰ সাৰি, জিনি দন্ত পান্তি,
মুখকো আতি ৰঞ্জয়।
শৰত সুজাত, প্রফুল্ল পদ্মকো
নয়নযুগে গঞ্জয় ॥
নাসা তিলফুল, যেন প্রকাশয়,
সুবলিত ভ্রূৰ দুই।
সুসম কালে, তিলক জলয়,
পূর্ণচন্দ্রো সম দুই ॥ ৫৫৯
চাৰু কম্বুকর্ণে, মকৰ কুণ্ডল,
কৰে আতি জলমল।
ষত্নে বিৰচিত, কিৰীটী শিৰত,
সূর্য্যৰ যেন মণ্ডল ॥
কুটিল কুণ্ডল, অলকাৰ পংক্তি,
কান্তি কৰে কপালত।
প্রমত্ত ভ্রমৰে, যেন মধু পান,
কৰে পৰি কমলত ॥ ৫৬০
শিৰৰ উপৰে, চূড়ামণি জ্বলে,
সূর্য্য যেন মূর্ত্তি ধৰি।

শ্যাম শৰীৰক, সজল জলদ,
কদাচিতো নুহি সৰি ॥
পীত বস্ত্র যেন, সজল মেঘত,
বিজুলী ভৈল সুথিৰ।
কোটি কন্দর্পকো, দর্পচুৰ কৰি,
জলন্তে আছে শৰীৰ ॥ ৫৬১
পদ্মপত্র সম, দুখানি চৰণ,
ৰাজহংস গতি ধীৰ।
ইষত হসিত, মুখচন্দ্র জলে,
ৰচন অতি গম্ভীৰ ॥
অমৃত কোটিত, কৰিয়া সন্তোষ,
সাগৰ কোটি গম্ভীৰ।
কোটি হেমরন্ত, গিৰিত কৰিয়া,
দেখয় আতি সুথিৰ ॥ ৫৬২
কোটি কোটি মহা মহেন্দ্রত কৰি,
শ্রী আতি চমৎকাৰ।
হেনয় ৰূপক, দেখিয়া দেৱৰ,
আনন্দৰ নাহি পাৰ ॥
নমো নাৰায়ণ, দেৱ সনাতন,
তুমি অনাথৰ নাথ।
কৰা মোক দায়া, কৃপাদৃষ্টি চায়া,
মায়া এৰা জগন্নাথ ॥ ৫৬৩
নামৰ আভাস, মাত্রকে তাৰিলা,
মহাপাপী অজামিল।
ভক্তবেসে মাত্রে, পুতনাকো মোক্ষ
দিলা দেৱ দয়াশীল ॥
এতেক জানিয়া, তোমাৰ চৰণে,
শৰণ কৰিলো সাৰ।
কেৱলে তোমাৰ, চৰণ পঙ্কজে,
থাকোক ৰতি আমাৰ ॥ ৫৬৪
তোমাৰ ভৃত্যৰ, ভৃত্যৰ ভৃত্যৰ,
ভৃত্য বুলি ধৰা মোক।
তেজি আন কাম, বোলা ৰাম ৰাম,
যত সামাজিক লোক ॥

পদ

অনন্তৰে সর্পৰ নামিলা নাৰায়ণ।
দেৱক সমুখে বসিলন্ত পদ্মাসন ॥
হাতৰ পদ্মক লক্ষ্মী থৈলন্ত কোলাত।
তাহাৰ উপৰে থাপিলন্ত দুই হাত ॥ ৫৬৫
দুই পাদপদ্ম তাতে থাপিলন্ত হৰি।
স্বামীৰ চৰণে দেবী ধৰিলা সাদৰি ॥

লক্ষ্মীৰ হাতৰ শাখা জ্যোতি আতি কৰে।
প্রকাশে চৰণ সেই শাখাৰ উপৰে ॥ ৫৬৬
অব্যক্ত ঈশ্বৰ হৰি ভৈলন্ত সাক্ষাত।
দেখি ব্রহ্মা আদি দেৱে কৰি যোৰহাত ॥
স্তৱনত মাথে স্তুতি কৰে দেৱগণ।
ত্রাহি ত্রাহি হৰি লৈলো তোমাত শৰণ ॥ ৫৬৭
তুমি বিনে আমাৰ নাহিকো আন গতি।
চৰাচৰ জগতৰ তুমি এক পতি ॥
সৃষ্টিৰ আদিতে থাকা তুমিসে কেৱল ॥
পুনু সৃজিবাক যেবে ভৈলা কৌতূহল ॥ ৫৬৮
কটাক্ষে কৰিয়া প্রকৃতিক সচেতন।
কোটি কোটি ব্রহ্মাণ্ড সৃজাহা নাৰায়ণ ॥
অন্তর্য্যামীৰূপে তাতে প্রবেশিয়া হৰি।
কৰাহা বিহাৰ নানাবিধ ৰূপ ধৰি ॥ ৫৬৯
ব্রহ্মাৰূপ ধৰি সৃজা ইতিনি ভুবন।
বিষ্ণুৰূপ ধৰি কৰা সৃষ্টিক পালন ॥
রুদ্রৰূপ ধৰি কৰা আপুনি সংহাৰ।
এহি মহা মোক্ষ লীলা কৌতুক তোমাৰ ॥ ৫৭০
মায়াৰ অধীন আমি জীৱ নিৰন্তৰ।
তুমিসে কেৱল মাত্র মায়াৰ ঈশ্বৰ ॥
মায়ায়ে মোহিত হয়া আমি জীৱ যত।
তোমাৰ মূর্ত্তিৰ কেহো নজানোহো তত্ত্ব ॥ ৫৭১
কেৱলে তোমাৰ পাৱে পশিয়া শৰণ।
তযু গুণ নাম করে শ্রৱণ কীর্ত্তন ॥
সেহিসে মহন্তে জানে তযু ব্যৱহাৰ।
মোক্ষকো এৰিয়া ভজে চৰণ তোমাৰ ॥ ৫৭২
কোন বেলা কোন ৰূপে কৰা কোন কর্ম্ম।
ব্রহ্মায়ে বুজিবে নপাৱন্ত তাৰ মর্ম্ম ॥
আন কোনে বুজিবেক তোমাৰ লীলাক।
বেদে নপাৱন্ত কহি সীমা কৰিবাক ॥ ৫৭৩
নিত্য নিৰঞ্জন তুমি অনাদি অনন্ত।
কালমায়াদিৰো তুমি প্রভু ভগৱন্ত ॥
অনন্ত বিভূতিপতি মুকুতিদায়ক।
বেদবিধায়ক এক জগতনায়ক ॥ ৫৭৪
সুখ দুখ দাতা দীন দৰিদ্র বৎসল।
তুমিসে সমস্তে জগতৰে সুমঙ্গল ॥
নিজানন্দ লাভে পূর্ণ সত্য সনাতন।
কাৰণৰো কাৰণ তুমিসে অকাৰণ ॥ ৫৭৫
নাহিকে কাহাতো প্রভু প্রার্থনা তোমাৰ।
তুমি পুনু কৰা জগতকে উপকাৰ ॥
সংসাৰেতে নাহিকে তোমাৰ অবিদিত।
জগতৰে হিত তুমি চিন্তা প্রতিনিত ॥ ৫৭৬

নলৱয় জীৱে যেবে তোমাত শৰণ।
তাৱত নেৱাৰে জীৱে উৎপতি মৱণ ॥
নানা পাপ পুণ্য কৰি নানা দেহ ধৰি।
ফুৰে নানা সুখ দুখ ফল ভোগ কৰি ॥ ৫৭৭
তুমি অজ নাহি দেৱ জনম তোমাৰ।
লীলায়ে ধৰাহা নানাবিধ অৱতাৰ ॥
মহন্তক পালা ধর্ম্মপথ ৰক্ষা কৰি।
কৰাহা বিনাশ দুষ্ট দুর্জ্জনক হৰি ॥ ৫৭৮
তুমি কাল মূর্ত্তি সর্ব্ব সংহাৰ কাৰণ।
তুমি চৰাচৰ গুৰু জগততাৰণ ॥
ধর্ম্ম অর্থ কাম মোক্ষ দাতা তুমি দেৱ।
তুমি বিনে সংসাৰত সাৰ নাহি কেৱ ॥ ৫৭৯
নিজ যোগবলে প্রকৃতিৰ গুণ তিনি।
আপোনাতে আপোনাক সৃজাহা আপুনি ॥
আপুনি পালাহা কৰা আপুনি সংহাৰ।
আপুনি ঈশ্বৰ তুমি আপুনি সংসাৰ ॥ ৫৮০
কালৰ হাতত ৰক্ষাকর্ত্তা নাহি আন।
তুমিসে কেৱল মাত্র বিশ্রামৰ থান ॥
এক মূর্ত্তি নানা মূর্ত্তি নানা মূর্ত্তি এক।
তোমাত জগত তুমি তাত ব্যতিৰেক ॥ ৫৮১
তুমি প্রাণ মন মুখ চক্ষু কর্ণ নাসা।
তোমাতেসে সকল জগতে কৰে বাসা ॥
অন্তর্য্যামীৰূপে তুমি জগত আধাৰ।
প্রৱর্ত্তায়া যতেক জীৱৰ ব্যৱহাৰ ॥ ৫৮২
তোমাৰ মুখত চাৰি বেদ উপজিল।
ব্রহ্মা আদি দেৱৰ নিয়ম নিয়োজিল ॥
তোমাত উপজি বেদে তোমাকেসে কয়।
মায়ায়ে মোহিত জীৱে তাক নেদেখয় ॥ ৫৮৩
নানা কার্য্য ধর্ম্ম ধর্ম্ম কৰয় প্রৱন্ধি।
ফুৰে সংসাৰত সেহি কামে হয়া বন্দী ॥
সাধুসঙ্গ লৈয়া যাৱে নভজে তোমাক।
তাৱত নপাৱে কর্ম্মবন্ধ এৰাইবাক ॥ ৫৮৪
এতেকেসে এক চিত্ত কৰি দেৱগণে।
তোমাৰ চৰণে আসি পশিলো শৰণে ॥
কৰিয়ো করুণা মাত্র এক লেশ মান।
ত্রিদশ দেৱৰ হৌক দুখ পৰিত্রাণ ॥ ৫৮৫
নমো নাৰায়ণ সর্ব্বজন অধিপতি।
নমো দয়াশীল দেৱ অগতিৰ গতি ॥
নমো দামোদৰ ব্রহ্মময় কলেৱৰ।
নমো বিঘ্নহৰ নমো কৃপাৰ সাগৰ ॥ ৫৮৬
নমো নমো ত্রিভুবন পতি মহা দেৱ।
নমো নমো সদা ত্রিজগতে কৰে সেৱ ॥

নমো বাসুদেৱ নমো সর্ব্বৰূপধৰ।
প্রকৃতিত পৰ নমো নমো যোগেশ্বৰ ॥ ৫৮৭
নমো শুদ্ধ বুদ্ধ নিত্য নিৰঞ্জন কায়া।
হুয়ো সুপ্রসন্ন ত্রিদশক করা দায়া ॥
নাজানোহো স্তুতি নতি প্রণতি তোমাৰ।
জয় জয় হৰি হেৰা গোচৰ আমাৰ ॥ ৫৮৮
এহিমতে দেৱে স্তুতি কৰিল বিস্তৰ।
শুনিয়া সন্তুষ্ট ভৈলা ত্রৈলোক্যঈশ্বৰ ॥
ত্রিদশ দেৱৰ দুখ দেখি বিপৰীত।
দায়া ৰসে পৰম প্রসন্ন ভৈলা চিত ॥ ৫৮৯
মেঘৰ গম্ভীৰ ধ্বনি মাতিলা হৰিষে।
দেৱৰ শৰীৰে যেন অমৃত ৰৰিষে ॥
হে ব্রহ্মা শুনিয়োক বচন আমাৰ।
কেনে এত বৰ দুখ মিলিল তোমাৰ ॥ ৫৯০
মিলিল পৰম দুখ তোমাৰ বাসয়।
শুনা যম তযু কেনে ভৈল পৰাভৱ ॥
ৰুণ তোমাৰ নাগপাশ কোনে নিল।
শুনা সূর্য্য তযু তেজ কেমনে হৰিল ॥ ৫৯১
কেনে শশধৰ তুমি ভৈলা কান্তিহীন।
ধর্ম্ম কেনে তোমাৰ শৰীৰ ভৈল ক্ষীণ ॥
কি শোকে সুথিৰ গতি ভৈলা হুতাশন।
ভৈলা মন্দগতি তুমি কিমতে পৱন ॥ ৫৯২
কিয় বসুমতী সতী কৰাহা বিলাপ।
কমন দুর্জ্জনে দিলে তোমাক সন্তাপ ॥
সাগৰ সুথিৰ বেগ ভৈলা কি কাৰণ।
কুবেৰ দৰিদ্র ভৈলা কোনে নিলে ধন ॥ ৫৯৩
ষড় ঋতু কিবা হেতু ভৈলা বিপর্য্যয়।
কেমনে বিৰূপ ভৈলা বিদ্যাধৰচয় ॥
স্বৰহীন গন্ধর্ব্ব ভৈলাহা কি কাৰণ।
কি হেতু কাতৰ ভৈলা নৱগ্রহগণ ॥ ৫৯৪
ভৈলাহা স্বতন্ত্র পূজা এৰি কিবা কাজ।
কমনে প্রমাদ ভৈলা ত্রিদশৰ মাজ ॥
কহিয়োক সবে মোত স্বৰূপ বচন।
তোমাসাৰ বৰ কিবা সাধো প্রয়োজন ॥ ৫৯৫
বিষ্ণুৰ বচন শুনি হৰিষ মিলিল।
সবে দেৱগণে বৃহস্পতিক বুলিল ॥
ৰাৱণৰ চৰিত্র কহিয়ো বৃহস্পতি।
মিলাই আছে জগতৰ যিমত বিপত্তি ॥ ৫৯৬
শুনি দেৱগুৰু ত্রিদশৰ বচনক।
কৃতাঞ্জলি হুয়া চাহি কৃষ্ণ চৰণক ॥
বুলিবাক লৈলা কৰি সুমধুৰ বাণী।
শুনিয়োক পৰম ঈশ্বৰ চক্রপাণি ॥ ৫৯৭

ত্রিভুবনে নাহিকে তোমাৰ অবিদিত।
তথাপিতো তযু আগে কহিবে উচিত ॥
তোমাত জনাইলে দুখ হৈবে নিবাৰণ।
এহি হেতুতেসে যত যত মহাজন ॥ ৫৯৮
আপোনাৰ সুখ দুখ তোমাত অর্পন্ত।
সর্ব্ব কর্ত্তা বুলি মনে তোমাক ভাবন্ত ॥
এতেকে কহিবো যেনে দেৱৰ দুর্গতি।
বেদ বিশ্রৱা পুত্র ৰাৱণ দুর্ম্মতি ॥ ৫৯৯
ৰাক্ষসৰ কুলে নিকষাত জাত ভৈল।
ঘোৰ তপ কৰিয়া ব্রহ্মাত বৰ লৈল ॥
সুৰাসুৰ লোকত অৱধ্য কল্পেৱৰ।
ত্রিভুবন জিনি পীড়া করে লঙ্কেশ্বৰ ॥ ৬০০
সি কাৰণে দেৱে দুখ পারে বিপৰীত।
নানা ৰত্ন সাগৰে যোগারে প্রতি নিত ॥
পুষ্পক বিমান কাঢ়ি আনি কুবেৰৰ ॥
সেহি ৰথে চড়ি ফুৰে ৰীৰ লঙ্কেশ্বৰ ॥ ৬০১
হুয়া বিপর্য্যয় ষড় ঋতু নিৰন্তৰে।
সঙ্কোচিতভাৱে ৰাৱণক সেৱা করে ॥
ৰাৱণত হস্তে আতি পায়া পৰাভৱ।
বিদ্যাধৰী অপেস্ৰৰী যোগান্ত বাসর ॥ ৬০২
থান মাঞ্জি থাকন্ত পৱন মহাভাগে।
চন্দ্রে ছত্র ধৰি যান্ত ৰাৱণৰ আগে ॥
নপান্ত কৰিবে যজ্ঞ মুনি নিৰন্তৰে।
ৰাক্ষসক পঠাই কৰিব বৃষ্টি করে ॥ ৬০৩
ভয়ে নৱগ্রহে ভোগ তেজিলেক সর্ব্ব।
নৃত্য গীত কৰি তথা থাকয় গন্ধর্ব্ব ॥
কতেক কহিব প্রভু তোমাৰ আগত।
কোন দেৱে লাজ নাহি পারে ৰাৱণত ॥ ৬০৪
হৰি নিলে ৰাৱণে পাইলেক যাৰ যত।
কাহাৰো নাহিকে আৰ কার্য্য বিষয়ত ॥
সমস্তৰে সম্পত্তি ৰাৱণে হৰি নিল।
অধম ৰাক্ষসে দেৱতাক বিড়ম্বিল ॥ ৬০৫
নীচ জনে উত্তমক পীড়য় অধিক।
আমাৰ উত্তম জন্ম আছো ধিক্ ধিক ॥
শুনি বৃহস্পতিৰ বচন দামোদৰ।
কৃপায়ে হাসিয়া হৰি দিলন্ত উত্তৰ ॥ ৬০৬
হে বৃহস্পতি কহ কহ ভাল কৰি।
এহি বুলি পুনু মাতিলন্ত দেৱহৰি ॥
মোৰ পৰিষদ বুলি কেহো নজানয়।
নীচ বুলি আতিশয় গৰিহা করয় ॥ ৬০৭
কোটি এক দেৱে ৰাৱণক নোহে সম।
সেই ভৈল অধম কোন আছয় উত্তম ॥

এতেকেসে উচ্চ কৰি হাসিলা ঈশ্বৰে।
সাগৰৰ উৰ্ম্মিক ঢাকিলা সেই স্বৰে॥ ৬০৮
হৰিষ হাসিত শোভা কৰিল বদন।
মুকুতাৰ জ্যোতি জিনি প্রকাশে দশন॥
বুলিলন্ত বচন শবদ অনুপাম।
সেহি শব্দে চাৰি পদে ভৈলা শ্লোক নাম॥ ৬০৯
জানিলোহো বৃহস্পতি দুখ তোমাসাৰ।
ৰাক্ষস ৰাৱণে দুখ দিলেক অপাৰ॥
নীচ হুয়া উত্তম দেৱক পীড়িলেক।
অধমৰ পৰাভৱ লভিয়া অনেক॥ ৬১০
প্রজ্বলিত হুয়া আছে ৰাৱণ প্রখৰ।
পৱন আকুল চিত্ত কৰিলা দেৱৰ॥
শুক্রে সমে উপায় কৰিয়া বলিৰায়।
পূৰ্ব্বে স্বৰ্গপদ লৈলা ইন্দ্রক খোদাই॥ ৬১১
সিকালে আপুনি ভৈলো সহায় ইন্দ্রৰ।
বলিক পাতালে নিলো খেদায়া স্বৰ্গৰ॥
ইৰাৰ ইন্দ্রক পীড়া কৰে লঙ্কানাথ।
অস্ত্রে হানি তাহাৰ কাটিবো দশমাথ॥ ৬১২
হুয়াছে প্রচণ্ড বৰ লভিয়া ব্রহ্মাত।
ত্রিদশ দেৱক মোৰ কৰে উতপাত॥
কাটিবোহো শিৰ কৰি দাৰুণ প্রহাৰ।
তেবে গুলগুলি মোৰ গুচিব হিয়াৰ॥ ৬১৩
দশ দিগপালৰ সাধিবো প্রতিকাৰ।
ত্রিভুবন লোকক পীড়িল দুৰাচাৰ॥
যিহেতু সহিছো উপদ্রৱ ৰাৱণৰ।
শুনা বৃহস্পতি তাৰ স্বৰূপ উত্তৰ॥ ৬১৪
মহাদুখে হৰক আৰাধি লঙ্কেশ্বৰ।
আপোন ইচ্ছায়ে মাগি লৈয়া আছে ৰৱ॥
সুৰাসুৰে জিনিবাক নপাৰয় আনে।
অজৰ অমৰ মহেশ্বৰ ৰৱ দানে॥ ৬১৫
ব্রহ্মাক আৰাধি সিটো আৰো ৰৱ লৈলা।
মানুষে মাৰিবে ব্রহ্মা ৰৱ ছিদ্র পৈলা॥
তাৰ বধ হেতু মানুষত হৈবো জাত।
দশৰথ ৰাজা সূৰ্য্য বংশত প্রখ্যাত॥ ৬১৬
দেৱতাৰ প্রয়োজনে চাৰি ৰূপ ধৰি।
দশৰথ গৃহে উপজিবো নিষ্ঠ কৰি॥
তপস্বীৰ বেশে দেৱকার্য্যক সাধিবো।
দুৰাচাৰ ৰাৱণক সবংশে বধিবো॥ ৬১৭
ৰাৱণৰ দশ মাথ কাটিবো উৎসুকে।
আকাশতে থাকি সবে দেখিবা কৌতুকে॥
মোৰ ক্রীড়া হেতু দেৱগণ আছা যত।
ছদ্মৰূপে উতপতি হৈবা বানৰত॥ ৬১৮

শুনি ত্রিদশৰ মহা হৰিষ মিলিল।
বজায়া দুন্দভি নৃত্য কৰিবে লাগিল॥
মাধৱে বোলন্ত সবে লৈয়ো পৱমাণ।
দশৰথ নৃপতিৰ যাহা যজ্ঞথান॥ ৬১৯
অদ্ভুত পুৰুষ সাজি দিলা নাৰায়ণ।
হাতে ধৰি পায়স সকলে দেৱগণ॥
ভৈলো পবিত্রাণ মনে আনন্দ মিলিল।
হৰিক প্রণামি যজ্ঞ থানক চলিল॥ ৬২০
সেই সময়ত লক্ষ্মী বুলিলন্ত বাণী।
মোক কিবা আজ্ঞা হয় প্রভু চক্রপাণি॥
দশৰথ গৃহে তুমি হৈবা উতপন।
আমি কৈত উপজিবো বুলিয়ো বচন॥ ৬২১
শুনিয়া কৌতুকে বুলিলন্ত দামোদৰ।
আছন্ত জনক ৰাজা মিথিলা নগৰ॥
আচৰন্ত ৰাজা ঋষি ধৰ্ম্ম নিৰন্তৰে।
অযোনিকা হুয়া থাকিবাহা তান ঘৰে॥ ৬২২
এহি বুলি অন্তর্দ্ধান ভৈলা দেৱহৰি।
দেৱগণে মাধৱৰ আজ্ঞা শিৰে ধৰি॥
দশৰথ ৰাজাৰ যজ্ঞৰ থানে গৈলা।
ব্রহ্মা সমন্বিতে সবে আকাশতে ৰৈলা॥ ৬২৩
কৰে যজ্ঞ নৃপতি পুত্রক একচিতে।
মহা পুষ্প বৃষ্টি আসি ভৈলা আচম্বিতে॥
তাক দেখি হৰিষ ভৈলন্ত সৰ্ব্বজন।
ৰাজাৰ দক্ষিণ বাহু স্পন্দে ঘনে ঘন॥ ৬২৪
দক্ষিণ নয়ন স্পন্দে দক্ষিণ হৃদয়।
পুত্র হৈৰ হেন নৃপতিৰ মনে লয়॥
পৱম আনন্দ ভৈল হৃদয়ত জাত।
সুগন্ধ চম্পক মালা পিন্ধিয়া মাথাত॥ ৬২৫
অগুৰু চন্দন শুক্ল বস্ত্র পিন্ধি গাৱে।
নানা দ্রব্যে দেৱক পূজন্ত সৰ্ব্বভাৱে॥
নানা সুমঙ্গল বাদ্য বাজন বাৱয়।
শুভ হেতু সৰ্ব্বজনে কৰে জয় জয়॥ ৬২৬
পুত্র মন্ত্র জপ ৰাজা কৰে মনে মন।
সুমঙ্গল জপন্ত সকল মুনি গণ॥
মুখ্য মুখ্য মুনিগণে বহ্নিত হুনন্ত।
পিঙ্গল আকৃতি বহ্নি কুণ্ডত জ্বলন্ত॥ ৬২৭
অদ্ভুত পুৰুষ হাতে পায়স লৈলন্ত।
যজ্ঞৰ কুণ্ডৰ গৈয়া ভিতৰ ভৈলন্ত॥
আকাশত থাকি ব্রহ্মা বুলিলা বচন।
ৰাজাৰ বাঞ্ছিত সিদ্ধি হৈৰ মুনিগণ॥ ৬২৮
কৰিয়োক পূর্ণাহুতি কুণ্ডৰ বহ্নিত।
উঠিবেক আতি দিব্য পায়স অমৃত॥

পৱম সাদৰে দশৰথে তাক নিব।
মহাদই সমস্তক বিবর্ত্তিয়া দিব॥ ৬২৯
তেবে চাৰি পুত্র হৈৰ বিষ্ণু অৱতাৰ।
কৰিৱন্ত বংশ সবে ৰাজাক উদ্ধাৰ॥
এহি বুলি ব্রহ্মা নিজ থানে চলি গৈলা।
অদ্ভুত শুনিয়া মুনিগণ ৰঙ্গ ভৈলা॥ ৬৩০
ঋষ্যশৃঙ্গে পূর্ণাহুতি বহ্নিত দিলন্ত।
কুণ্ড মধ্য হন্তে পুৰুষেক উঠিলন্ত॥
সুন্দৰ আকৃতি আতি বিষ্ণু সমসৰ।
দিব্য বস্ত্র অলঙ্কাৰে শোভে কলেৱৰ॥ ৬৩১
মাথাত পিঙ্গল জটা শৰীৰ পিঙ্গল।
শৱদ গম্ভীৰ অম্বু প্রকাশে উজ্জ্বল॥
সম্পূর্ণ পায়স পাত্র হাতে আছে ধৰি।
ঋষ্যশৃঙ্গ হাতে পাচে দিলন্ত সাদৰি॥ ৬৩২
ৰঙ্গে ঋষ্যশৃঙ্গে লৈলা দুই হাত পাতি।
অদ্ভুত পুৰুষে বাক্য বুলিলন্ত মাতি॥
সুবর্ণৰ পাত্রত পায়স থৈৰ ভৰি।
তিনি মহাদই ভুঞ্জিৱন্ত ভাগ কৰি॥ ৬৩৩
তিনিত হৈবেক চাৰি তনয় ৰাজাৰ।
সাক্ষাতে হৈৱন্ত নাৰায়ণ অৱতাৰ॥
সাধিৱন্ত জগতৰ পৱম কল্যাণ।
এহি বুলি অদ্ভুত ভৈলন্ত অন্তর্দ্ধান॥ ৬৩৪
অদ্ভুতৰ কথা শুনি মহামুনিগণে।
বসিলা পায়স লৈয়া হৰিষ বদনে॥
ঋষ্যশৃঙ্গ মুনি মহাযজ্ঞ সমাপিল।
দশৰথ ৰাজা ঋষিগণক অর্চ্চিল॥ ৬৩৫
বস্ত্র অলঙ্কাৰ পুষ্প চন্দনে ভুষিলা।
বহুবিধ ৰত্ন দিয়া মন সন্তোষিলা॥
দিলা ৰাজা দক্ষিণা সুবর্ণ এক কোটি।
মুনি সবে আশীর্ব্বাদ দিলা মনতুষ্টি॥ ৬৩৬
ৰজত বত্রিশ কোটি দিলা দশৰথ।
আশীর্ব্বাদ পায়া পূর্ণ ভৈল মনোৰথ॥
ৰাজা প্রজা দুখী ভিক্ষু যতেক আছিল।
অন্নে পানে নানা দানে সবাকো তুষিল॥ ৬৩৭
ৰাজাক যজ্ঞক কৰি প্রশংসা অশেষ।
ৰাজা প্রজা মুনিগণ চলি গৈলা দেশ॥
পাচে ঋষ্যশৃঙ্গ মুনিৰাজক নৃপতি।
অনেক প্রকাৰে পূজি কৰিলা ভকতি॥ ৬৩৮
স্তুতি নতি প্রণতি কৰিয়া বহুমান।
শান্তা সমন্বিতে পঠাই দিলা নিজ থান॥

কৌশল্যা, কৈকেয়ী আৰু সুমিত্রাৰ পায়স ভক্ষণ আৰু ৰাম, লক্ষ্মণাদি চাৰি ভাইৰ জন্ম।

পায়া ৰাজা পায়স হৰিষ বিপৰীত।
দেৱে যেন সাগৰত পাইলন্ত অমৃত॥ ৬৩৯
জগত দুর্ল্লভ ইটো পায়স সাক্ষাত।
চাৰি অংশে বিষ্ণু তেজ আছয় ইহাত॥
দুই ভাগ পায়স কৰিয়া মহাৰাজ।
দুই চরু লৈয়া গৈলা অন্তঃপুৰ মাজ॥ ৬৪০
কৌশল্যা কৈকেয়ী দুই মহাদৈক দিল।
পায়স ভুঞ্জিতে ৰাজা দুইহাঙ্কো বুলিল॥
ইহাক ভুঞ্জিলে হৈৰ উত্তম সন্ততি।
চাৰি অংশে বিষ্ণু আসি হৈৰ উতপতি॥ ৬৪১
পায়সৰ পৱম মহিমা শুনি আতি।
সাদৰে লৈলন্ত দুয়ো জনে হাত পাতি॥
হৰিষে খোজন্ত দুয়ো পায়স ভুঞ্জিত।
সুমিত্রা আসিয়া দুইৰো আগে ভৈলা থিত॥ ৬৪২
কিবা খাহা বাই বুলি পুছিলা বিনয়।
শুনি কৌশল্যাৰ দায়া ভৈল আতিশয়॥
কৈকেয়ীক বুলিলন্ত কৌশল্যা সুন্দৰী।
সুমিত্রাক নিদি আমি খাইবো কেনে কৰি॥ ৬৪৩
পাচে বুলিলন্ত নৃপতিৰ বিদ্যমান।
সুমিত্রাক দিবে আজ্ঞা কৰা কিছুমান॥
হাসিলা নৃপতি কৌশল্যাৰ বাণী শুনি।
সুমিত্রাকো দিবে আজ্ঞা দিলা মহামানী॥ ৬৪৪
পাছে আসি বশিষ্ঠে দিলন্ত শুভক্ষণ।
শুদ্ধ হুয়া কৰিৱন্ত পায়স ভক্ষণ॥
চাৰি অংশে বিষ্ণু আসি হৈৰ অৱতাৰ;
ভুঞ্জিৰ পায়স কৰি মঙ্গল আচাৰ॥ ৬৪৫
বশিষ্ঠৰ বচন শুনিয়া তিনি জনে।
আচৰি মঙ্গল শুদ্ধ হুয়া শুভক্ষণে॥
পায়স ভুঞ্জিবে বসিলন্ত ভিন্নে ভিন্নি।
ৰাজ আজ্ঞা পাইলা আগে দুই সতিনী॥ ৬৪৬
পাচে সুমিত্রাক প্রতি আদেশ কৰিল।
আগে দুই ভাগ দুই মহাদৈক দিল॥
কৌশল্যা কৈকেয়ী পাচে দুই পটেশ্বৰী।
আপোনাৰ ভাগ দুয়ো দুই ভাগ কৰি॥ ৬৪৭
সুমিত্রাক দুই ভাগ দিলা ৰঙ্গ মনে।
নিবন্ধন বাক্য বুলিলন্ত দুই জনে॥

শুনিবি সুমিত্রা তই আমাৰ উত্তৰ।
আপুনি নিদিল তোক ভাগ নৃপবৰ ॥ ৬৪৮
আমিসে স্নেহত ভাগ দিলো তোক জান।
এতেকেসে বোলো আমি বচন বন্ধন ॥
যাৰ ভাগ হস্তে তোৰ যিটো পুত্ৰ হয়।
আমাৰ পুত্ৰৰ হৈব সহায় নিশ্চয় ॥ ৬৪৯
শুনি সুমিত্রাৰ ভৈল হৰিষ মনত।
বোলন্ত বিনয় ভাৱে দুয়োৱো আগত ॥
শুনা দুয়ো জন বোলো স্বৰূপ বচন।
হোৱে যেবে মোৰ দুই পুত্ৰ উতপন ॥ ৬৫০
হৈবেক সেৱক তোৰা দুইৱো তনয়ৰ।
শুনিয়া কৌতুক বৰ ভৈলা দুইহন্তৰ ॥
অনন্তৰে তিনি জনে পখালিলা পাৱ।
ধৌত বস্ত্ৰ পিন্ধি ভৈলা পৱিত্ৰ স্বভাৱ ॥ ৬৫১
আপোনাৰ ভাগ সবে লৈয়া ৱঙ্গমনে।
পায়স ভোজন কৰিলন্ত তিনি জনে ॥
পাচে পুষ্প শয্যাত শুতিলা তিনি সতী।
শুভ লগ্নে অন্তঃপুৰে গৈলন্ত নৃপতি ॥ ৬৫২
অনুক্ৰমে প্ৰবেশিলা তিনিৱো শয্যাত।
পুত্ৰকাম বিভাগে কৰিলা ৱেতঃপাত ॥
নিদ্রা অচেতনে তিনি দেৱীয়ে আছন্ত।
স্বপনত তিনিও দেখিল ভগৱন্ত ॥ ৬৫৩
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ ধৰি।
স্বগ্নে তিনি মহাদৈক দেখা দিলা হৰি ॥
গৰুড়ৰ দুই পাখা জ্বলে সুৱৰ্ণৰ।
তাহান স্কন্ধত বসি আছে দামোদৰ ॥ ৬৫৪
মহা মেঘখণ্ড যেন মেৰুৰ উপৰে।
দিশপাশ প্ৰকাশি শৰীৰ জ্যোতি কৰে ॥
পীত বস্ত্ৰ জ্বলে আতি শ্যাম শৰীৰত।
স্থিৰ বিদ্যুতিকা যেন প্ৰকাশে মেঘত ॥ ৬৫৫
গলে বনমালা মণি কৌস্তভ কণ্ঠত।
ৱস্ত্ৰ উড়িয়ানি জ্বলে কটি প্ৰদেশত ॥
পূৰ্ণ শশধৰ কচি প্ৰসন্ন বদন।
প্ৰফুল্ল পঙ্কজ জিনি শোভয় নয়ন ॥ ৬৫৬
শ্যাম শৰীৰত শোভে ৱস্ত্ৰ অলঙ্কাৰ।
নিৰ্ম্মল গগনে যেন তাৰা জাতিস্তাৰ ॥
গৰুড়ৰ স্কন্ধে জ্বলে পাদ পদ্ম দুই।
শৰতৰ নিৰ্ম্মল পঙ্কজো সম দুই ॥ ৬৫৭
কটাক্ষ হাসিত যেন অমৃত ৱৰ্ষিষে।
তিনি মহাদই চাই আছন্ত হৰিষে ॥
হৈব অৱতাৰ হেন দেখাই স্বপনত।
কৰিলন্ত স্নান হৰি সাগৰ জলত ॥ ৬৫৮

তিনিৱো আগতে পাচে ভৈলা অন্তৰ্দ্ধান।
স্বপনত হৰিক দেখিয়া বিদ্যমান ॥
স্নান দান কৰিলন্ত উঠি প্ৰভাতত।
কহিলা স্বৰূপ কথা ৱাজাৰ আগত ॥ ৬৫৯
বিপৰীত স্বপন দেখিলা তিনি জনে।
হৈৱা হৰি পুত্ৰ ৱাজা জানিলন্ত মনে ॥
পাচে নাৰায়ণ আসি চাৰি মূৰ্ত্তি ধৰি।
তিনি মহাদৈৱ গৰ্ভে প্ৰৱেশিলা হৰি ॥ ৬৬০
ধৰিলন্ত গৰ্ভ একেৱাৰে তিন জন।
সূৰ্য্যৰ সদৃশ গৰ্ভ কৱয় প্ৰসন্ন ॥
গৰ্ভৰ প্ৰকাশে প্ৰকাশয় তিনি নাৰী।
চক্ষু কটাৰয় ৰূপে চাহিতে নাপাৰি ॥ ৬৬১
ঈশ্বৰ কৃষ্ণৰ তেজ ৱাঢ়য় গৰ্ভত।
গৰ্ভভাৱে তিনি হুয়া আছে অশকত ॥
তেজোময় গৰ্ভ আতি দেখিতে উজ্জ্বল।
বিষ্ণুপুত্ৰ হৈৱন্ত ৱাজাৰ কৌতূহল ॥ ৬৬২
যেতিক্ষণে যিবা বস্তু খোজয় খাইৱাক।
হৰিষে নৃপতি তেতিক্ষণে দেয় তাক ॥
পঞ্চম মাসত চায়া দিন শুভক্ষণ।
ঘৃত মধু পঞ্চামৃত কৱাইলা ভোজন ॥ ৬৬৩
নানা দ্ৰব্যে উৎসৱ কৰিয়া নানামত।
কৰিলন্ত পুংসৱন অষ্টম মাসত ॥
কৱন্ত গৰ্ভক ৰক্ষা যত দেৱগণ।
হুয়া অৱতাৰ হৰি বধিৱা ৱাৱণ ॥ ৬৬৪
মুনি সবে আচৰিলা মঙ্গল অপাৰ।
উপজিৱা হৰি হৈৱ জগত উদ্ধাৰ ॥
নাছাৰন্ত ৱাজা তিনি মহাদৈৱ পাশ।
অনন্তৰে গৰ্ভ ভৈল পূৰ্ণ দশমাস ॥ ৬৬৫
শুভগ্ৰহ নক্ষত্ৰ মিলিল শুভক্ষণ।
কৌশল্যা দেৱীৰ পুত্ৰ ভৈলা উতপন ॥
জগতৰে সুমঙ্গল ভৈলন্ত উদয়।
শীতল দীপিতি দশোদিশ প্ৰকাশয় ॥ ৬৬৬
ত্ৰিজগত লোকৰ কুশল হেতু হৰি।
উপজিলা কৌশল্যাত নৱৰূপ ধৰি ॥
দেৱগণে স্তুতি নতি কৰে আকাশত।
জয় জয় নৃত্য গীত কৰে নানামত ॥ ৬৬৭
যেতিক্ষণে কৌশল্যাত পুত্ৰ উপজিল।
অন্তঃপুৰ মাজে মহা কৌতুক মিলিল ॥
জয় জয় কোলাহল কৰে হুলস্থূল।
নানা নৃত্য গীত বাদ্য শব্দ তুমুল ॥ ৬৬৮
সুগন্ধ শীতল জলে শিশুক ধোৱাইল।
দুগ্ধ দিয়া সুকোমল শয্যাত শুৱাইল ॥

অনন্তৰে দূতে নৃপতিত জান দিল।
শুনা প্ৰভু কৌশল্যাত পুত্ৰ উপজিল ॥ ৬৬৯
শুনি নৃপতিৰ হৰিষৰ নাহি পাৰ।
দূতক দিলন্ত ৱাজা ৱস্ত্ৰ অলঙ্কাৰ ॥
সৱস্ত্ৰে নৃপতি পাচে কৰিলন্ত স্নান।
বহুবিধ ৱস্তু ৱাজা কৰিলন্ত দান ॥ ৬৭০
যতেক ভাণ্ডাৰ মানে সমীপতে পাইল।
পুত্ৰৰ কল্যাণ হেতু সমস্তে বিলাইল ॥
তাত পাচে কৈকেয়ীৰ পুত্ৰ উপজিল।
শুনি নৃপতিৰ মহা হৰিষ মিলিল ॥ ৬৭১
আত অনন্তৰে শুভক্ষণ সময়ত।
সুমিত্রাৰ পুত্ৰ দুই ভৈলন্ত বেকত ॥
সৰ্ব্ব সুলক্ষণ দুই যৱজ্ঞা কুমাৰ।
শুনি নৃপতিৰ নাহি আনন্দৰ পাৰ ॥ ৬৭২
উপজিল চাৰি পুত্ৰ বংশৰ উদ্ধাৰ।
হৰিষে বিলাইলা ৱাজা প্ৰধান ভাণ্ডাৰ ॥
ভূমিত বেকত যেবে ভৈলা দামোদৰ।
খসিল মাথাৰ মণি ৱাজা ৱাৱণৰ ॥ ৬৭৩
দেখিয়া পুছিলা মাল্যৱন্তত ৱাৱণে।
খসিল মাথাৰ মোৰ মণি কি কাৰণে ॥
মাল্যৱন্ত বোলে শুনা কাৰণ ইহাৰ।
যাহাৰ হাতত মৃত্যু হৈবেক তোমাৰ ॥ ৬৭৪
সেহিজন পৃথিৱীত ভৈলা উতপন।
শুনিয়া কুপিল মাল্যৱন্তক ৱাৱণ ॥
গৱিহাৰ ছলে তাক অনেক নিন্দিল।
পুনৰপি তুলি মণি মাথাত পিন্ধিল ॥ ৬৭৫
যেতিক্ষণে অৱতাৰ ভৈলা নাৰায়ণ।
তেখনৰ হন্তে শুভ দেখে দেৱগণ ॥
নানাবিধ অশুভ দেখয় লঙ্কেশ্বৰ।
শুনিয়োক কথামৃত আত অনন্তৰ ॥ ৬৭৬
দশৰথ ঘৰে হৰি ভৈলা অৱতাৰ।
দেখিয়া উৎসুক বৰ ভৈল দেৱতাৰ ॥
দুন্দুভি শব্দ আতি কৰে নিৱন্তৰে।
ৱৰ্ষিলা পুষ্প দশৰথৰ উপৰে ॥ ৬৭৭
শুভক্ষণ চাই দশৰথ নৃপবৰ।
ক্ৰমে দেখিলন্ত মুখ চাৰিও পুত্ৰৰ ॥
পূৰ্ণিমাৰ চন্দ্ৰ যেন জ্বলন্তে আছয়।
দেখি নৃপতিৰ ভৈলা আনন্দ হৃদয় ॥ ৬৭৮
মহানিধি লাভ যেন ভৈল দৰিদ্ৰৰ।
লোভী পাইলা যেন পূৰ্ণঘট অমৃতৰ ॥
ৱন্ধ আসি জীৱ যেন ভৈলন্ত মুকুত।
সেহিমতে ৱাজাৰ আনন্দ অদভুত ॥ ৬৭৯

তপহন্তে আসিল কৌশিক মুনিৱৰ।
বেদপঢ়ি আশীৰ্ৱাদ কৰিলা বিস্তৰ ॥
নৃপতিৰ উপজিল চাৰি পুত্ৰৱৰ।
অযোধ্যাত মিলি গৈলা আনন্দ বিস্তৰ ॥ ৬৮০
নৃত্য গীত ৱাদ্যভাণ্ড নানা কৌতূহল।
আচৰিলা পূজা বহুবিধ সুমঙ্গল ॥
পৃথিৱীৰ ৱাজাগণে কৰি বহু যত্ন।
দশৰথ ৱাজাক যোগাইল বহু ৱস্তু ॥ ৬৮১
চাৰি মূৰ্ত্তি ধৰি ভৈলা ঈশ্বৰ বিদিত।
মিলিল উৎসৱ সাতোদ্বীপা পৃথিৱীত ॥
দেৱৰ কৌতুক ৱৰ মিলল স্বৰ্গত।
পৱম আনন্দ ভৈল নগৰ লোকত ॥ ৬৮২
ত্ৰৈলোক্যত ভৈল মহা হৰিষ প্ৰচুৰ।
নাশিৱ দুৰ্জ্জন মহন্তৰ দুখ দুৰ ॥
চাৰি অংশে চতুৰ্ভুজ দেৱ নাৰায়ণ।
উপজিলা শুনি আসিলন্ত মুনিগণ ॥ ৬৮৩
উচ্চৈঃস্বৰে শুদ্ধ বেদ মন্ত্ৰ উচ্চাৰিলা ॥
চাৰিও শিশুক সবে আশীৰ্ৱাদ দিলা ॥
ঋষি সমস্তক ৱঙ্গে অৰ্চ্চিয়া নৃপতি।
চাৰিও পুত্ৰক ৱাজা কৰাইলা প্ৰণতি ॥ ৬৮৪
জগতৰঞ্জন গুণ দেখি অনুপাম।
কৌশল্যাৰ পুত্ৰৰ থৈলন্ত ৱাম নাম ॥
কৈকেয়ীক ৱাজাৰ অধিক স্নেহভৰ।
থৈলন্ত ভৰত নাম তাহান পুত্ৰৰ ॥ ৬৮৫
সুমিত্রাৰ পুত্ৰ দুই সৰ্ব্ব সুলক্ষণ।
দেখি নাম থৈলন্ত লক্ষ্মণ শত্রুঘন ॥
ঋষিগণে বোলন্ত শুনিয়ো দশৰথ।
তযু পুত্ৰে পৃৱিৰ সবাৰ মনোৰথ ॥ ৬৮৬
এক নাৰায়ণ চাৰি অংশে মূৰ্ত্তি ধৰি।
ভৈল চাৰি পুত্ৰ আক জানা নিষ্ট কৰি ॥
আপুনি ভৈলন্ত পুত্ৰ জগত আধাৰ।
কমনে বর্ণাইবো ৱাজা ভাগ্যক তোমাৰ ॥ ৬৮৭
ৱামৰূপে অৱতাৰ ভৈলন্ত ঈশ্বৰ।
লভিলা সন্ততি ৱাজা সূৰ্যাৱংশোদ্ধাৰ ॥
সস্তক পালিৱা ৱাম পুৰুষ প্ৰধান।
দুৰ্জ্জন জনক মাৰি কৰিৱা নিৰ্যাণ ॥ ৬৮৮
বলে ৱীৰ্য্যে ধৈৰ্য্যে গুণে ৰূপে নিৰুপম।
ৱাৱণে সহিতে ৱাক্ষসৰ হৈবে যম ॥
মুহিবেক সুপুৰুষ ৱামৰ সমান।
অনুৰূপে জগতৰে সাধিৱা কল্যাণ ॥ ৬৮৯
নিজ গুণে যশে জগতক ৱঞ্জিৱন্ত।
ৱামৰ মহিমা কহি কোনে পাইবে অন্ত ॥

সমস্ত লোকৰে আন্ত হৈব অনুৰাগ।
কিনো তুমি সুপুত্ৰ লভিলা মহাভাগ ॥ ৬৯০
এহিমতে গণিত কৰিলা ঋষিগণ।
শুনি দশৰথৰ সন্তুষ্ট ভৈলা মন ॥
ঈশ্বৰক পুত্ৰ পায়া ভৈলা কৌতুহল।
মুনিসকলক পূজিলন্ত মহাবল ॥ ৬৯১
পৰমান্ন পঞ্চামৃতে কৰাইলা ভোজন।
তুষিলন্ত দিয়া পুষ্প অগুৰু চন্দন ॥
পিন্ধাইলা সবাকো দিব্য বস্ত্ৰ অলঙ্কাৰ।
দিলা ৰত্ন আঞ্জলি সুৱৰ্ণ একো ভাৰ ॥ ৬৯২
কৃতাঞ্জলি সবাকো কৃবিলা নমস্কাৰ।
সবাকো নৃপতি অৰ্চ্চিলন্ত বাৰে বাৰ ॥
হস্তী ঘোঁৰা ৰথ দোলা দাসী দাস দেশ।
সুৱৰ্ণৰ জাৰি খুড়ি ভাজন অশেষ ॥ ৬৯৩
মনত বাঞ্ছিয়া ৰাজা পুত্ৰৰ কল্যাণ,
নপাৰি কহিবে যত কৰিলন্ত দান ॥
নট ভাট তেলী মালী দুখী ভিক্ষু জন।
অন্ন পানে মহাদানে সন্তোষিলা মন ॥ ৬৯৪
আছিলেক খাটনিয়া নৃপতি যতেক।
দিলা বস্ত্ৰ অলঙ্কাৰ প্ৰসাদ অনেক ॥
দেব পিতৃ মুনিগণ যতেক জগত।
সবাকো তুষিলা ৰাজা পুত্ৰ উৎসৱত ॥ ৬৯৫
ৰাজ-সতকাৰ পায়া মুনি নিৰন্তৰ।
ৰাজাক প্ৰশংসা কৰি চলি গৈলা ঘৰ ॥
সমাজত লোক আছিলেক যত মান।
মহামন ৰঙ্গে চলি গৈল স্থানে স্থান ॥ ৬৯৬
পাচে দশৰথে সঙ্কলিয়া যত কাজ।
পৰিপূৰ্ণ মনোৰথ ভৈলা মহাৰাজ ॥
নখণ্ডে তৃপিতি আতি দেখি পুত্ৰ-মুখ।
জীৱৰ সন্তোষ যেন পায়া মোক্ষসুখ ॥ ৬৯৭
ঈশ্বৰ অংশৰ তেজ মহা প্ৰজ্বলিত।
চন্দ্ৰমাৰ কলা যেন বাঢ়ে নিতে নিত ॥
চাৰি ভাইৰ মাজে জ্যেষ্ঠ ভৈলন্ত শ্ৰীৰাম।
পৰম উজ্জ্বল তনু দুৰ্ব্বাদলশ্যাম ॥ ৬৯৮
পদ্মগৰ্ভ অৰুণ নয়ন যুগ জলে।
সুপ্ৰসন্ন বদন চন্দ্ৰতো কৰি বলে ॥
শোভন কপোল কৰ্ণ স্কন্ধ সুৱলিত।
শিৰছত্ৰাকৃতি কেশ নীল আকুঞ্চিত ॥ ৬৯৯
ধনুৰ সমান ভ্ৰূৰ যুগ কৰে কান্তি।
নাসা তিল ফুল মনোহৰ দন্ত পান্তি ॥
সুন্দৰ স্কন্ধৰ কম্বুকণ্ঠ মনোনীত।
ভুজ ভুজঙ্গম সম সমান বলিত ॥ ৭০০

সুদীৰ্ঘ আঙুলি কৰ কিশলয় সম।
নখমণি প্ৰকাশে দেখিতে মনোৰম ॥
বক্ষস্থল সুন্দৰ দেখিতে মনোহৰ।
ত্ৰিবলি বলিত নাভি পদ্ম সৰোবৰ ॥ ৭০১
বহল জঘন কটি সিংহ সপ্ৰমাণ।
উৰু কৰিকৰ জানু জঘন সুঠান ॥
পদ্মকোষ জিনি জলে চৰণ যুগল।
চম্পক কলিকা সম আঙুলি উজ্জ্বল ॥ ৭০২
নখমণিচয় যেন জলে চন্দ্ৰগণ।
ষাক দেখি স্তম্ভি ৰহে ভকতৰ মন ॥
আলতা গুলিলে যেন দেখি পদতল।
অত্যন্ত লাৱণ্য আতিশয় সুকোমল ॥ ৭০৩
ৰেখাৰূপে চৰণত প্ৰকাশে কমল।
মহাপুৰুষৰ চিহ্ন জলে ইসকল ॥
সৰ্ব্বাঙ্গ সুন্দৰ ৰূপ পৰম মধুৰ।
দেখন্তে লোকৰ পাপ তাপ হোৱে দূৰ ॥ ৭০৪
পৰম শ্ৰীমন্ত সন্ত শীতল শৰীৰ।
সাগৰগম্ভীৰ ধীৰ গুণৰ মন্দিৰ ॥
অমৃত সমান বাণী মধুৰ আলাপ।
সৰ্ব্বজনৰঞ্জন নাহিকে কোপ তাপ ॥ ৭০৫
কৈকেয়ীৰ তনয় ভৰত শুভানয়।
পৰম সুন্দৰ সৰ্ব্ব গুণৰ আলয় ॥
সুমিত্ৰাৰ তনয় লক্ষ্মণ শত্ৰুঘন।
দুয়ো সৰ্ব্ব সুন্দৰ শীতল সুশোভন ॥ ৭০৬
দুয়ো সুকুমাৰ দুয়োজন শুভাশয়।
সৰ্ব্ব গুণান্বিত দুয়ো ভাই শুভানয় ॥
কৌশল্যা কৈকেয়ী পৰমান বাঁতি দিল।
দুয়ো ভাগ পৰমান সুমিত্ৰা ভুঞ্জিল ॥ ৭০৭
সেই দুই ভাগে ভৈল দুই সহোদৰ।
কৌশল্যাৰ ভাগে ভৈল লক্ষ্মণ কুমাৰ ॥
কৈকেয়ীৰ ভাগত ভৈলন্ত শত্ৰুঘন।
এতেকে দুইকো ভক্তি কৰে দুয়ো জন ॥ ৭০৮
ৰামত ভকতি সদা কৰন্ত লক্ষ্মণে।
ভৰতত শত্ৰুঘন থাকন্ত মিলনে ॥
ভৰত লক্ষ্মণ শত্ৰুঘন মহাসন্ত।
জ্যেষ্ঠ ৰামত সদা ভকতি কৰন্ত ॥ ৭০৯
অন্যোঅন্যে চাৰি ভাই পৰম মিলন।
একে বিষ্ণু অংশে আসি ভৈল চাৰি জন ॥
নমো নমো ৰাম ৰঘুকুলৰ তিলক।
সজ্জনৰঞ্জন দুষ্টজনবিনাশক ॥ ৭১০
যাৰ নামে পূৰে জগতৰ মনকাম।
পলাওক পাতক ডাকি বোলা ৰাম ৰাম ॥ ৭১১

ছবি।

পৰম পুৰুষ হৰি লীলা নৰতনু ধৰি,
ৰাম ৰূপে হুয়া অৱতাৰ।
বাঢ়ি যান্ত প্ৰতিনিত, সমস্তৰে ৰঞ্জি চিত্ত,
আচৰন্ত ক্ষত্ৰ ব্যবহাৰ ॥
পিতৃ মাতৃ চৰণত, সেৱাত সততে ৰত,
দেৱ দ্বিজ গুৰুৰ চৰণে।
কৰন্ত ভকতি নিত, সদাই ধৰ্ম্মত চিত্ত,
দম্ভ অহঙ্কাৰ নাহি মনে ॥ ৭১২
পৰম আচাৰী সন্ত, আতিশয় নীতিমন্ত,
পঢ়িলন্ত শাস্ত্ৰ নিৰন্তৰ।
অত্যন্ত কৰুণাশীল, নানাগুণ অভ্যাসিল,
অস্ত্ৰে শস্ত্ৰে ভৈলা ধনুৰ্দ্ধৰ ॥
দানধৰ্ম্ম ৰাজধৰ্ম্ম, কুলৰ যতেক কৰ্ম্ম,
জানিলা চাৰিও মহাশয়।
গুৰুক কৰিয়া মান, সাম দণ্ড ভেদ দান
জানিলন্ত আৰো যত নয় ॥ ৭১৩
চাৰি ভাইৰ মাজে ৰাম, সৰ্ব্বগুণে অনুপাম
নাহি আন ৰামৰ সমান।
সমস্তৰে অগ্ৰগণি, ৰঘুবংশ শিৰোমণি,
ভৈলা ৰাম পুৰুষ প্ৰধান ॥
অস্ত্ৰ শস্ত্ৰ শাস্ত্ৰ যত, চৌষষ্টি কলাৰ তত্ত্ব
যত বিদ্যা আছে সংসাৰত।
ক্ষেপণ জোৰণ বাণ, মন্ত্ৰ পঢ়ি সংহাৰণ,
সমস্ততে ভৈলন্ত পাৰ্গত ॥ ৭১৪
ৰাঘৱৰ যশ যত, প্ৰকাশিল জগতত,
যেন পূৰ্ণচন্দ্ৰ প্ৰজ্বলিত।
শুনন্তা লোকৰ মানে, যেন অমৃতৰ পানে,
অধিক সন্তোষ কৰে চিত ॥
দশৰথ নৰেশ্বৰ, গুণ দেখি ৰাঘৱৰ,
মনে যেন অমৃত ৰৰিষে।
কৌশল্যাৰ মন প্ৰাণ, ৰামতে মগন ভৈল,
সুধা যেন পিয়ে অহর্নিশে ॥ ৭১৫
ৰামৰ প্ৰসন্ন মুখ দেখন্তে মিলয় সুখ,
অযোধ্যাৰ যত নাৰী নৰ।
ৰামকেসে কৰে ধ্যান, ৰামতে মজিল প্ৰাণ,
ভৈল লোক অধীন ৰামৰ ॥
সৰ্ব্ব পাপ বিমোচন, ৰাঘৱৰ গুণগণ
কহে জুযাজুমি সৰ্ব্বজনে।
নিৰ্ম্মল চৰিত্ৰচয়, কেৱল অমৃতময়,
শুনি সবে পিয়ে সৰ্ব্বক্ষণে ॥ ৭১৬

দুলড়ী।

ৰামৰ সমান, নাহি সুপুৰুষ,
ইতিনি লোকৰ মাজে।
দূৰ্ব্বাদলশ্যাম, সুন্দৰ শৰীৰ,
দেখিয়া মদনো লাজে ॥
গজেন্দ্ৰ গমন, হাস্য নিৰীক্ষণ,
সমস্তৰে হৰে মন।
পূৰ্ণচন্দ্ৰ কচি, বদন দেখিতে,
স্তম্ভি ৰহে সৰ্ব্বজন ॥ ৭১৭
গুণহন্তে ৰূপ, ৰূপ হন্তে গুণ,
দুয়ো অন্যো অন্যে বলে।
ৰূপ গুণে লোক, দুয়ো বিমোহিত,
চাই থাকে কৌতুহলে ॥
যেন দিনমণি, প্ৰকাশে ধৰণী,
ঢাকিল ৰামৰ গুণে।
পাপ হয় ক্ষয়, ধৰ্ম্মৰ উদয়,
জানিয়া জগতে শুনে ॥ ৭১৮
ক্ষমা দায়া ধৃতি, সত্য শৌচ নীতি,
সমস্ত গুণে সম্পন্ন।
ধৰ্ম্মময় মন, সদায় প্ৰসন্ন,
সজ্জন জন ৰঞ্জন ॥
দুৰ্জ্জনৰ যম, বিপুল বিক্ৰম,
দুৰ্জ্জয় দক্ষ শৰীৰ।
ৰজ্ৰৰ সমান, সুদৃঢ় সন্ধান,
ধনুৰ্দ্ধৰ মহাবীৰ ॥ ৭১৯
অনাদি অনন্ত, নাহি যাৰ অন্ত,
যিটো দেৱতাৰ দেৱ।
ব্ৰহ্মা আদি দেৱে, সদায় কৰন্ত,
যাহাৰ চৰণে সেৱ ॥
তেন্তে ভগৱন্ত, দেৱ মহেশ্বৰ,
ভৈল আসি অৱতাৰ।
সমস্তে লোকৰ, কুশল কাৰণে,
কৰিলা গুণ প্ৰচাৰ ॥ ৭২০
সকল নিগমে, নপাৱন্ত অন্ত,
বখানি যাৰ মহিমা।
আন কোন জনে, কহি কৰিবেক,
ৰামৰ গুণৰ সীমা ॥
ৰাম হেন নাম, শুনন্তে মনত,
অমৃত যেন ৰৰিষে।
মহা মহাজনে, সদা ৰাম ৰাম,
উচ্চৰে মুখে হৰিষে ॥ ৭২১

ৰাম হেন ইটো, নামৰ মধুৰ,
জানি কোন মহাজনে।
ৰাম ৰাম বুলি, ফুৰন্ত সদাই,
মুকুতিকো হেলি মনে॥
ৰামৰ নামৰ, মাজত সদাই,
সমস্ত ধর্ম্মৰ মেলা।
মহা মহা পাপী, তৰে ৰাম বুলি,
সংসাৰক মাৰি ঠেলা॥ ৭২২
হেনয় ৰামৰ, মহিমা কহিতে,
শকতি আছে কাহাৰ।
মুকুখ মাধৱ, দাসে বিৰচিল,
আদি কাণ্ড কথা সাৰ॥
শুনা সভাসদ, ৰামায়ণ পদ,
নিন্দা হুবুলিবা মোক।
ৰামৰ চৰিত্ৰ, কৰিয়োক পান,
পদ যেন তেন হোক॥ ৭২৩
ৰামৰ চৰিত্ৰ, বিৰচি আছন্ত,
মহা মহা কবি জনে।
তাসম্বাক দেখি, পদ কৰিবাক,
স্বাদ ভৈল মোৰ মনে॥
প্ৰমত্ত হস্তীক, সিংহে বিমৰ্দ্দয়,
আপোনাৰ বলে ৰাগি।
তাক দেখি যেন, ক্ষুদ্ৰ মুষকৰ,
শ্ৰদ্ধা হোৱে তাক লাগি॥ ৭২৪
সিংহৰ মুষৰ, যতেক অন্তৰ,
মোৰো সেহি পটন্তৰ।
ইটো মোৰ দোষ, ক্ষমিবে উচিত,
তুমি সব মহন্তৰ॥
অধম জনেসে, জানিবা নিশ্চয়,
বিচাৰয় দোষ গুণ।
দোষ পৰিহৰি, গুণক লৱন্ত,
উত্তম যিটো নিপুণ॥ ৭২৫
ৰামৰ চৰিত্ৰ, শ্ৰৱণেসে জানা
সমস্ত ধর্ম্মৰ সাৰ।
হেলা পৰিহৰি, শুনা কৰ্ণ ভৰি,
তেৱেসে পাইবা নিস্তাৰ॥
ৰামেসে পৰম, ধর্ম্ম অনুপাম,
সর্ব্বোত্তম সর্ব্বসাৰ।
ৰামেসে সুহৃদ, সোদৰ বান্ধৱ,
তেহেসে জগত উদ্ধাৰ॥ ৭২৬
নিজ আত্মাদেৱ, প্ৰভু মহেশ্বৰ,
সর্ব্বানন্দ নিৰঞ্জন।
জগত কাৰণ, কৌশল্যা নন্দন,
হয়াছে বধী ৰাৱণ॥
ই তিনি ভুৱনে, ৰামৰ চৰণ,
বিনে নাহি আন গতি।
মহা ভাগৱত, পুৰাণ ভাৱত,
সবাৰে এহি যুগুতি॥ ৭২৭
বেদ শাস্ত্ৰ যত, বিচাৰি চাহিবা,
ৰাম বিনে নাহি আন।
কেতিক্ষণ জানা, পৱন্ন শৰীৰ,
ইটো যেই সেই থান॥
কলিৰ প্ৰভাৱে, স্বভাৱ লোকৰ,
ভৈগৈল মলিন মতি।
আন ধর্ম্মে কর্ম্মে, মলিন জনৰ,
কিমতে সাধিব গতি॥
পৱন মলিন, জনো পাৱে গতি,
সুমৰিলে হৰি নাম!
জানিয়া সমস্ত, সমজ্যাৰ লোক,
ডাকি বোলা ৰাম ৰাম॥ ৭২৮

জনকৰ ঘৰত সীতাৰূপে লক্ষ্মীৰ জন্ম।

জগতৰে হিত চিন্তি হুয়া চাৰি জন।
দশৰথ ঘৰে উপজিলা নাৰায়ণ॥
যেতিক্ষণ ৰামৰূপে উপজিলা হৰি।
ত্ৰিজগত সুখী ভৈল সেহি দিন ধৰি॥ ৭২৯
মিলিল হৰিষ আতি মহন্তৰ মনে॥
পদ্মৰ প্ৰকাশ যেন সূর্য্য দৰশনে॥
পৰিল নিজম যত দুর্জ্জন সকল।
আদিত্যৰ তাপে যেন জাৱে উতপল॥ ৭৩০
অধর্ম্ম বিনাশি ভৈল ধর্ম্মৰ উদয়।
সূর্য্যৰ প্ৰকাশ যেন শুচি তমোময়॥
ৰাৱণ বধিতে হৰি ভৈল অৱতাৰ।
দেখিয়া কৌতুক বৰ ভৈল দেৱতাৰ॥ ৭৩১
পাচে আসি ব্ৰহ্মাৰ আদেশে দেৱগণ।
অংশে সবে ভৈলন্ত বানৰত উতপন॥
পৱন দুর্জ্জয় বলে বীর্য্যে আতি চাৰ।
পর্ব্বতক উপাৰিয়া কৰন্ত প্ৰহাৰ॥ ৭৩২
ব্ৰহ্মা আদি কৰিয়া দেৱতা নিৰন্তৰ।
কতোহো ভালুক ভৈলা বানৰ বিস্তৰ॥
দেৱতো অধিক বলে তেজ পৰাক্ৰম।
সংসাৰতো নাহি বীৰ বানৰক সম॥ ৭৩৩

বিপৰীত লীলা কেনে দেখা ঈশ্বৰৰ।
দেৱতা সৱকো আনি কৰিলা বানৰ॥
বিষয়ত আশা যাৰ হুগুচে সর্ব্বথা।
সিজনৰ হুহি জানা কোননো অৱস্থা॥ ৭৩৪
জানিয়া বিষয় সুখ যত্নে দূৰ কৰি।
একান্ত শৰণে নিতে ভজিয়োক হৰি॥
ঈশ্বৰৰ ভকতি সে জীৱৰ কুশল।
আত অনন্তৰে কথা শুনিয়ো সকল॥ ৭৩৫
ৰামৰ জন্মৰ কথা অমৃত সমান।
মতি অনুসাৰে বিৰচিলো কিছুমান॥
সতীৰ জন্মৰ কথা কহো আত পৰে।
যিমতে জন্মিলা দেৱী জনকৰ ঘৰে॥ ৭৩৬
দশৰথ ঘৰে উপজিলা ভগৱন্ত।
পৱন ঈশ্বৰী লক্ষ্মী দেৱী দেখিলন্ত॥
আপোনাৰ ৰূপ আতি কৰিয়া সুবেশ।
পর্ব্বতে আছন্ত বসি মুক্ত কৰি কেশ॥ ৭৩৭
সেহি বেলা ৰথে চড়ি কুৰে লঙ্কেশ্বৰ।
গোসানীক দেখিলেক পর্ব্বত উপৰ॥
ত্ৰৈলোক্যমোহন ৰূপ দেখি চমৎকাৰ।
ভৈল আতি মোহিত ৰাৱণ দুৰাচাৰ॥ ৭৩৮
তাৰে বধ চিন্তি মনে আছন্ত গোসানী।
সিটো পাপী নিশাচৰে তাহাক নাজানি॥
ৰথত তুলিল আনি তাক বলে ধৰি।
লক্ষ্মী মাৱে তেখনে জানিলা ধ্যান কৰি॥ ৭৩৯
কোপে শপি ৰাৱণক দিলন্ত উত্তৰ।
মোক নিচিনস তই শুনৰে বর্ব্বৰ॥
জন্মিবাক যাওঁ তোৰ বধৰ কাৰণে।
উপজিলা হৰি তোক মাৰিবাক মনে॥ ৭৪০
ভৈল অন্তর্দ্ধান এহি বুলি ৰাৱণক।
শুনি ৰাৱণৰ মনে লাগিল চমক॥
মহাভয়ে ভৈল আতি কম্পিত স্বভাৱ।
পাচে আপোনাৰ জন্ম চিন্তি লক্ষ্মী মাৱ॥ ৭৪১
সাগৱত জাম্প দেৱী দিলা বিদ্যমান।
শতেক যোজন তথা ভৈল দ্বীপখান॥
পাছে বসুমতী গৈয়া লক্ষ্মীক সাদৰি।
তথাতে বহিলা তাক উদৰত ধৰি॥ ৭৪২
বহিলন্ত লক্ষ্মী পৃথিবীৰ উদৰত।
কৰন্ত প্ৰকাশ ৰক্ত পিণ্ড যেন মত॥
তাহাৰ নিকটে আছে মিথিলা নগৰ।
আছে সেহি নগৰে জনক নৰেশ্বৰ॥ ৭৪৩
মহাতপশীল ৰাজা ৰাজঋষিবৰ।
পুত্ৰৰতে পালে প্ৰজা ধর্ম্মত তৎপৰ॥
যজ্ঞ কৰিবাক মনে জনক নৃপতি।
কৰিলা জিজ্ঞাস পাচে স্থান মহামতি॥ ৭৪৪
চাসিবাক লাগে ভূমি দ্বাদশ বৎসৰ।
তেৱেসে পৱিত্ৰ স্থান হোৱয় যজ্ঞৰ॥
গর্ভৱতী হুয়া মহী আছয় যথাত।
অনেক লাঙ্গল নিয়া জুৰিল তথাত॥ ৭৪৫
উঠিলেক ডিম্ব গোট বজিয়া লাঙ্গলে।
ৰক্তময় ডিম্ব সূর্য্য গোট যেন জ্বলে॥
হালোৱা সকলে পাচে যুকুতি কৰিয়া।
জনকৰ আগে ডিম্ব গোট দিল নিয়া॥ ৭৪৬
পৱন সুন্দৰ ডিম্বা দেখি মহামানী।
ভাঙ্গি চাহে ভিতৰত আছে কন্যাখানি॥
উপজিয়া কান্দে আতি আর্ত্তৰাৱ কৰি।
দুৱনদুর্ল্লভ কন্যা পৱন সুন্দৰী॥ ৭৪৭
জনক নৃপতি মনে হৰষিত ভৈলা।
মহা সুলক্ষণা কন্যা কোলে তুলি লৈলা॥
অন্তঃপুৰে গৈলা ৰাজা হুয়া বঙ্গমন।
দেখিলা কন্যাক পাচে মহাদইগণ॥ ৭৪৮
স্বামীক চাহিয়া পাচে হাসিয়া বুলিলা।
কাহাৰ কন্যাক প্ৰভু কাঢ়িয়া আনিলা॥
ইটো সুলক্ষণী কন্যা বৰ ৰূপৱতী।
আতি অদভুত লক্ষ্মী যেন মূর্ত্তিমতী॥ ৭৪৯
ৰাজা বোলে যজ্ঞ ভূমে পালো কন্যাখানি।
মুখ্য মহাদৈক দিয়া বুলিলন্ত বাণী॥
তোমাকে দিলোহো তুলিবাহা কৰি যত্ন।
ভৈলন্ত হৰিষ দেৱী গায়া কন্যাৰত্ন॥ ৭৫০
পৱন দৰিদ্ৰে যেন পাইল নৱ নিধি।
কৰাইলন্ত সংস্কাৰ যেন বেদ বিধি॥
নাম থৈতে বিচাৰ কৰিলা মুনি যত।
উপজিলা কন্যা লাঙ্গলৰ শিৰলত॥ ৭৫১
এতেকেসে তান সবে সীতা নাম থৈলা।
এহিমতে সীতা গোসানীৰ জন্ম ভৈলা॥
জনক নৃপতি আতি তুলিলা যতনে।
তাহান দুহিতা সীতা বোলে সর্ব্বজনে॥ ৭৫২
সীতা নাম ধৰি লক্ষ্মী জগত জননী।
যেন চন্দ্ৰকলা বাঢ়ি যান্ত সুবদনী॥
একচিত্ত মনে সদা বিষ্ণুক ধিয়ান্ত।
হৰিক নিচিন্তি সতী একোকে নখান্ত॥ ৭৫৩
পৱন বৈষ্ণৱী কন্যা দেখি সর্ব্বজনে।
জন্মিল লক্ষ্মীৰ অংশ জানিলেক মনে॥
সীতাৰ চৰিত্ৰ যত এতিক্ষণ থও।
সম্প্ৰতি প্ৰভু ৰাঘৱৰ কথা কও॥ ৭৫৪

গুহ চণ্ডালৰ বৃত্তান্ত ।

পুষ্যা নক্ষত্রত দশৰথ মহাবীৰ ।
চাৰি পুত্র সমে গৈলা ভাগীৰথী তীৰ ॥
স্নান দান তর্পণ কৰিয়া নৃপবৰ ।
দেৱঋষি পিতৃক তর্পিল নিৰন্তৰ ॥ ৭৫৫
শুনিয়োক আত পৰে অদ্ভুত কথন ।
সৈন্যে সমে ভৈল তৈত যেন মহাৰণ ॥
পৰম দর্পীষ্ঠ হৃষ্ট পুষ্ট কলেৱৰ ।
সেহি সময়তে মিলিলেক আথান্তৰ ॥ ৭৫৬
পূর্ৱত ব্রাহ্মণ আসি অধর্ম্ম কৰিল ।
সেই পাপে চণ্ডাল য়োনিত উপজিল ॥
গুহ নামে ভৈল সিটো আজি চণ্ডালৰ ।
সেহি সময়ত লৈয়া সেনা নিৰন্তৰ ॥ ৭৫৭
দশৰথে নৃপতিক নগণি মনত ।
চণ্ডাল কৰিল স্নান গঙ্গাৰ জলত ॥
দশৰথ দেখে অহম্মক চণ্ডালৰ ।
ধৰি আনিবাক আজ্ঞা দিলা নৃপবৰ ॥ ৭৫৮
শুনি গুহ নৃপতিৰ ক্রোধ বৰ ভৈল ।
অনেক চণ্ডাল সমে যুজিবাক লৈল ॥
দশৰথ নৃপতিৰ কটক অপাৰ ।
দুয়ো সেনা অন্যো অন্যে কৰে ধৰ মাৰ ॥ ৭৫৯
লাগিল সমৰ ভাগীৰথী তীৰ যুৰি ।
উভয় কটকে লাগাইলেক হুড়াহুড়ি ॥
অনেক কটক বেঢ়ি কৰে হুলস্থুল ।
পৰম দুর্ঘোৰ ৰণ মিলিল তুমুল ॥ ৭৬০
মাৰয় খাণ্ডাৰ কোব বাকক ঝঙ্কাৰি ।
বাক সমে সালে কেহো জনে শৰ মাৰি ॥
খৰতৰ অস্ত্র ধৰি দোহাতে প্রহাৰে ।
লৱন্তে গৈয়া কতো হাতে খোঞা মাৰে ॥ ৭৬১
মদমত্ত চণ্ডালৰ উথলিল বোল ।
আগুৱান হুয়া যুজে লৈয়া ঢাল খোল ॥
চাৰিভিতি শৱদ উঠিল ভয়ঙ্কৰ ।
পৰম চঞ্চল চিত্ত ভৈল চণ্ডালৰ ॥ ৭৬২
মদ্য লাগি আছয় চেতন নাহি গাৱে ।
হাতত চৌৱৰী ধৰি হুলাহুলি ধাৱে ॥
ভৈল আউল জাউলবাউল যেন খেদি আসে ।
অৱে তই কোন বুলি ফুৰে চাৰি পাশে ॥ ৭৬৩
নাহি অস্ত্র শস্ত্র কতো প্রহাৰয় দলি ।
দলৰথে দেখিয়া হাসন্ত খলখলি ॥
আপোনাৰ কটকক দিলন্ত নিশান ।
গুহ নৃপতিক জীৱন্ততে ধৰি আন ॥ ৭৬৪
শুনি নৃপতিৰ আতি কটক প্রখৰ ।
যুজিবাৰ সন্ধি আতি জানয় বিস্তৰ ॥
চাৰি ভিতি বেঢ়িয়া অনেক সেনাগণে ।
গুহ চণ্ডালক বন্দী কৰিলা তেখনে ॥ ৭৬৫
পাচে পাত্রে নিয়া নৃপতিৰ আগে দিল ।
ৰামক দেখিয়া পূর্ৱ বৃত্তান্ত স্মৰিল ॥
ৰামৰ চৰণে গৈয়া কৰি নমস্কাৰ ।
ৰামত কহন্ত গুহে কথা আপোনাৰ ॥ ৭৬৬
শুনিয়োক ৰাম কহো তযু চৰণত ।
আছিলো ব্রাহ্মণ মই পূর্ৱ জনমত ॥
যি দোষে চণ্ডাল ভৈলো শুনা স্বরূপত ।
ভগীৰথ মহাৰাজা তোমাৰ বংশত ॥ ৭৬৭
ব্রহ্মাক আৰাধি ৰাজা মহাধর্ম্মশীল ।
ব্রহ্মলোক হন্তে গঙ্গা নমায়া আনিল ॥
বিষ্ণুপদৰজ মিশ্র তুলসী সহিত ।
ভৈল সর্ৱোত্তম গঙ্গা জগতে বিদিত ॥ ৭৬৮
নাহি ত্রিভুবনে তীর্থ গঙ্গাৰ সমান ।
যত মহাজন সৱে কৰিলন্ত স্নান ॥
ব্রাহ্মণ বুলিয়া গর্ৱ্ব কৰিলো মনত ।
গঙ্গা আদি তীর্থ আছে মোৰ শৰীৰত ॥ ৭৬৯
নকৰিলো স্নান মই গঙ্গাৰ জলত ।
শপিলন্ত গঙ্গা ক্রোধ কৰিয়া মনত ॥
মোত স্নান নকৰিলি ব্রাহ্মণ গর্ৱ্বত ।
এহি পাপে তোৰ জন্ম হৈব চণ্ডালত ॥ ৭৭০
গুহ নামে হৈবি তই ৰাজা চণ্ডালৰ ।
এহি বুলি পাচে সীমা দিলন্ত শাপৰ ॥
থাকয় তোহোৰ মন যেবে মোক প্রতি ।
জন্মে জন্মে মোত তেবে কৰিবি ভকতি ॥ ৭৭১
এক শত জন্ম মোত ভক্তি কৰ যেবে ।
ইটো পাতকৰ বিপ্র মুক্ত হৈবি তেবে ॥
যেবে দৰশন তই পাস শ্রীৰামক ।
একে জন্মে তোৰ তেবে খণ্ডিব পাতক ॥ ৭৭২
এহি সীমা থৈয়া গঙ্গা দিলা মোক শাপ ।
উপজিলো চণ্ডালযোনিত মই পাপ ॥
ভৈলা নাৰায়ণ ৰঘুবংশে অৱতাৰ ।
তযু দৰশনে পাপ গুচিল আমাৰ ॥ ৭৭৩
তোমাৰ চৰণে আৱে লৈলোহো শৰণ ।
তুমি বিনে মোৰ গতি নাহি আন জন ॥
সদা সেৱা কৰি মই থাকিবো তোমাক ।
তোমাৰ পিতৃত মাগি লৈয়োক আমাক ॥ ৭৭৪
শুনি ৰাঘৱৰ মহা করুণা মিলিল ।
অনেক বিনয় কৰি পিতৃক বুলিল ॥

শুনিয়োক পিতৃ কৃপা কৰিয়োক মোক ।
গুহ নৃপতিক মেলি মোহোক দিওক ॥ ৭৭৫
জগতৰ পতি ৰাম দেৱৰ বচন ।
শুনি দশৰথৰ সন্তুষ্ট ভৈল মন ॥
স্বভাৱে ৰামত দায়া ৰাজাৰ বিস্তৰ ।
মেলিয়া গুহক তাঙ্ক দিলা নৃপবৰ ॥ ৭৭৬
পাইলন্ত গুহক ৰামে পিতৃত মাগিয়া ।
কৰিলা আশ্বাস বস্ত্র অলঙ্কাৰ দিয়া ॥
অনেক শাসন ৰামে নিলা গ্রামদেশ ।
নির্ভয় বচনে তাঙ্ক বুলিলা অশেষ ॥ ৭৭৭
আজি ধৰি গুহ তুমি ভৈলা মোৰ মিতা ।
থাকিয়োক সুখে কিছু নকৰিবা চিন্তা ॥
হেন শুনি গুহ চণ্ডালৰ অধিপতি ।
ৰামক বুলিল কৰি অনেক ভকতি ॥ ৭৭৮
কৈৰ মই হীন জাতি চণ্ডাল অধম ।
তুমি ত্রিজগত গুরু ঈশ্বৰ পৰম ॥
ব্রহ্মা হৱে নাজানন্ত যাহাৰ মহিমা ।
চাৰি বেদে কহি যাৰ নাপাৱন্ত সীমা ॥ ৭৭৯
অধমো উদ্ধৱে যাৰ নাম লৈলে মাত্র ।
মই কেনে তোমাৰ মিত্রৰ ভৈলো পাত্র ॥
কমনে তর্কিবে প্রভু তোমাৰ লীলাক ।
কৰা অনুগ্রহ কেনে কেতিক্ষণে কাক ॥ ৭৮০
নাহিকে তোমাত জাতি আচাৰ বিচাৰ ।
তযুপদে শৰণ কৰোক মাত্র সাৰ ॥
এতেকে তোমাৰ তাত করুণা মিলয় ।
যেই সেই মতে যেন অমৃত পিৱয় ॥ ৭৮১
এতেকে অজৰামৰ হোৱে সিটো জন ।
লৈলো আজি মাত্র মই তোমাত শৰণ ॥
এতেকতে মোক মিত্র বুলিয়া ধৰিলা ।
এহিতো অতর্ক তযু বিপৰীত লীলা ॥ ৭৮২
আনো নানা স্তুতি নতি কৰিলা ভকতি ।
পাচে তাঙ্ক বিদায় দিলন্ত ৰঘুপতি ॥
ৰামত মেলানি পায়া কৰি যোৰহাত ।
দণ্ডৱতে পৰি আতি কৰি প্রণিপাত ॥ ৭৮৩
মাথাত মাখিল চৰণৰ ধূলি আনি ।
পুনৰপি কৃতাঞ্জলি বুলিলন্ত বাণী ॥
তোমাৰ চৰণে ৰতি নুগুচোক মোৰ ।
যাক দৰশনে পাপ এৰাইলো দুর্ঘোৰ ॥ ৭৮৪
ধৰিবাহা আমাক দাসৰ বুলি দাস ।
জন্মে জন্মে এহি চৰণত হৌক আশ ॥
এহি বুলি কতো দূৰ গৈলা পাচভৰি ।
পুনৰপি প্রণামিলা দণ্ডৱতে পৰি ॥ ৭৮৫
ৰাম পাদপদ্ম দুই মনে ধৰি লৈল ।
সৈন্যসমে গুহ নিজ স্থানে চলি গৈল ॥
অনন্তৰে দশৰথ নৃপতিপ্রধান ।
পাত্র পুত্র সসৈন্যে কৰিয়া গঙ্গাস্নান ॥ ৭৮৬
চলিবাক চাহন্তে দিনকৰ অস্ত গৈল ।
দেখি ভৰদ্বাজৰ আশ্রম গৈয়া পাইল ॥
চাৰি পুত্র সমন্বিতে ৰাজা শুদ্ধ মনে ।
কৰিলন্ত নমস্কাৰ ঋষিৰ চৰণে ॥ ৭৮৭
ভৰদ্বাজে বেদ মন্ত্র কৰিয়া সম্বাদ ।
পুত্রে সমে ৰাজাক কৰিলা আশীর্ৱাদ ॥
নানাবিধ দ্রব্য মুনিৰাজ কৌতূহলে ।
অতিথিৰ ব্যৱহাৰ কৰিলা সকলে ॥ ৭৮৮
ৰামক দেখিয়া মুনি ভৈলা বঙ্গমন ।
কোলে লৈয়া ঋষিৰাজ কৰিলা শয়ন ॥
নিদ্রা গৈলা ৰামচন্দ্র ঋষিৰ লগত ।
ইন্দ্রে সমে আসিলন্ত দেৱগণ যত ॥ ৭৮৯
ৰামক কৰিলা অভিষেক পুৱন্দৰ ।
মন্ত্রে সমে দিলা সৱে দিব্য ধনুশৰ ॥
পাচে ইন্দ্রে দিলন্ত ৰামক সমিধান ।
এহি ধনুশৰে শক্র কৰিবা নির্যাণ ॥ ৭৯০
নানাদিব্য কামে ধনুৰাণ অনুপাম ।
মন্ত্র সমে পায়া বঙ্গমন ভৈলা ৰাম ॥
ধনুশৰ দিয়া চলি গৈলা দেৱগণ ।
ৰাত্রি অৱসানে ৰাম পাইলন্ত চেতন ॥ ৭৯১
দেখন্ত হাততে আছে দিব্য ধনুশৰ ।
কৰে ফটফট মনে মন্ত্র নিৰন্তৰ ॥
দেখি ধনুর্ৱাণ ঋষি ৰামৰ হাতত ।
পৰম বিস্ময় ভৈল মুনিৰ মনত ॥ ৭৯২
প্রভাতে উঠিয়া ৰাম কৰিলন্ত স্নান ।
ঋষি সমে দশৰথ ভৈলা একস্থান ॥
কৰি কৰযোৰ ৰামচন্দ্র মহাভাগে ।
কহন্ত স্বপ্নৰ কথা দুহান্তৰ আগে ॥ ৭৯৩
ঐৰাৱত স্কন্ধে আসিলন্ত পুৱন্দৰ ।
মন্ত্রে সমে দিলা মোক দিব্য ধনুশৰ ॥
দেৱগণ সৱে আৱো বুলিলা বচন ।
এহি ধনুর্ৱাণে জিনিবাহা শক্রগণ ॥ ৭৯৪
এহি বুলি চলি গৈলা দেৱগণ যত ।
জাগি দেখো ধনুর্ৱাণ আছয় হাতত ॥
মনত সুমৰো মহামন্ত্রগণ যত ।
এহি বুলি ৰামচন্দ্রে দুহানো আগত ॥ ৭৯৫
স্বপনৰ লব্ধ ধনুশৰ আনি দিল ।
দেখি সমস্তৰ মনে বিস্ময় মিলিল ॥

ভৰদ্বাজ ঋষি ধনু দেখি বিদ্যমান।
অদ্ভুত মানিয়া মনে কৰিলন্ত ধ্যান ॥ ৭৯৬
জানিলন্ত ঋষি ৰাম মনুহিক মানুষ।
ভৈলা অৱতাৰ বিষ্ণু পৰম পুৰুষ ॥
দিলন্ত অজয় ধনুৰ্ব্বাণ দেৱৰাজে।
বধিৱন্ত ৰাৱণক সংগ্রামৰ মাজে ॥ ৭৯৭
জানি মহামুনি মনে ভৈল কৌতূহল।
পাচে ৰামচন্দ্রক স্বপ্নৰ দিলা ফল ॥
স্বপ্নত তোমাক ধনু দিলা পুৰন্দৰ।
জিনিবা শত্রুক যশ বাঢ়িব বিস্তৰ ॥ ৭৯৮
নপাৰি কহিবে ৰাম তোমাৰ মহত।
স্বপ্ন শুনি হাসিলন্ত ৰাজা দশৰথ ॥
ভৰদ্বাজ ঋষিক কৰিয়া সতকাৰ।
চাৰিপুত্র সহিতে কৰিলা নমস্কাৰ ॥ ৭৯৯
মাগিয়া মেলানি আতি বুলি প্রিয় বাণী।
পুত্র সমে অযোধ্যাক গৈলা মহামানী ॥
নিজ মন্দিৰত ৰাজা ৰৈল বঙ্গমনে।
মিলয় আনন্দ পুত্রমুখ দৰশনে ॥ ৮০০
মহাগুণে গুণৱন্ত চাৰিও তনয়।
যত অস্ত্র শস্ত্র শাস্ত্র চাৰিও জানয় ॥
কেৱল ধর্ম্মত মাত্র ৰতি সর্ব্বক্ষণে।
কৰন্ত ভকতি নিতে ৰামৰ চৰণে ॥ ৮০১
চাৰি ভাইৰ মাজে ৰামচন্দ্র গুণে চাৰ।
তান্ত আতিশয় প্রীতি বাঢ়য় ৰাজাৰ ॥
ৰামৰ সমান আৰো নাহি ত্রিভুৱনে।
তাহান গুণৰ অন্ত কহিবেক কোনে ॥ ৮০২
দেখয় গম্ভীৰ কোটি সমুদ্রত কৰি।
ক্ষমাগুণে কোটি বসুন্ধৰা হুহি সৰি ॥
ধৈর্য্যে কোটি এক মেক হুহি পটন্তৰ।
শ্রমত সমান হুহি কোটি মহেশ্বৰ ॥ ৮০৩
কোটি এক সূর্য্য সম হুহি প্রতাপত।
এক কোটি যম সম হুহিকে ক্রোধত ॥
বিলাসত সম হুহি কোটি পুৰন্দৰ।
শীতলত চন্দ্র কোটি হুহি সমসৰ ॥ ৮০৪
গজেন্দ্র কোটিকো জিনি গমন গম্ভীৰ।
কোটি হেমবন্ত জিনি নিকম্প শৰীৰ ॥
অমৃত কোটিতো কৰি দেখিয় মধুৰ।
কপে কোটি কন্দর্পৰো দর্প কৰে চূৰ ॥ ৮০৫
হুহি দুর্গা কোটি সম শত্রুমর্দ্দনত।
ইতিনি ভুৱনে সম নাহিকে দানত ॥
কোটি এক বহ্নি হুহি তেজত সমান।
বৃহস্পতি কোটি জিনি শাস্ত্রত সুজ্ঞান ॥ ৮০৬
এক কোটি ব্রহ্মা সম হুহিকে মানত।
ধনুর্গুণে সম নাহি ইতিনি লোকত ॥
আনো নানা গুণ যত আছয় ৰামত।
ত্রিভুৱন মাজে কোন বর্ণাইবে শকত ॥ ৮০৭
অনন্ত শকতি ধৰ পৰম ঈশ্বৰ।
যাহাৰ কিঙ্কৰ হৱ ব্রহ্মা পুৰন্দৰ ॥
যাক যোগেশ্বৰ সবে চিন্তন্ত ধ্যানত।
তেন্তে ৰামৰূপে আসি ভৈলন্ত বেকত ॥ ৮০৮
নিজ গুণ যশ মহাধর্ম্ম মাজে সাৰ।
কৃপায় কৰিলা আসি লোকত প্রচাৰ ॥
আক শুনি ভণিয়া তৰোক সর্ব্বজনে।
ঈশ্বৰৰ অৱতাৰ এহিসে কাৰণে ॥ ৮০৯
ৰাৱণ মাৰণ তান কোন প্রয়োজন।
যাৰ কটাক্ষতে কোটি ব্রহ্মাণ্ড উৎসন ॥
মাৰিলা ৰাৱণ কোন পৌৰুষ তাহাৰ।
যাক জিনিলেক বালি বনৰ বানৰ ॥ ৮১০
হেন ৰাম চৰণত কৰিয়োক ৰতি।
আন পৰিহৰি ৰাম দেৱত কৰ মতি ॥
অনিত্য সংসাৰ বিলম্বত কাজ নাই।
চিন্তামণি জন্ম হেৰা হাততে হৱায় ॥ ৮১১
শুনা সভাসদ পদ ৰামৰ চৰিত।
এহিসে প্রধান ধর্ম্ম জানিবা কলিত ॥
মনুষ্য হৈবাৰ প্রয়োজন এহিমান।
বোলা ৰাম ৰাম হৌক পাতক নির্ব্বাণ ॥ ৮১২

মাৰীচ সুবাহু বধাৰ্থে ৰাম লক্ষ্মণক নিবলৈ বিশ্বামিত্রৰ আগমন ?

দুলড়ী।

শুনা আত পৰে, কথা নিৱস্তৰে,
চৰিত্র যেন ৰামৰ।
পৰলোক হিত, ঋষি বিশ্বামিত্র,
আৰম্ভিলা যজ্ঞৱৰ ॥
মাৰীচ সুবাহু, নামে দুইজন
ৰাক্ষস আতি দুর্জ্জন।
চতুর্দ্দশ কোটি, ৰাক্ষস সহিতি,
কৰয় যজ্ঞ উৎসন ॥ ৮১৩
বাৰম্বাৰে ঋষি, আৰম্ভন্ত যজ্ঞ,
অনেক কৰি যতন।
ৰক্তময় বৃষ্টি, কৰিয়া সমস্তে,
ৰাক্ষসে কৰে ধ্বংশন ॥

সমস্তে ৰাক্ষস, ভস্ম হোৱে যেবে,
শাপে ঋষি কৰি কষ্ট।
নশপন্ত ক্রোধে, উপজিয়া মৰে,
তপব্রত হোৱে নষ্ট ॥ ৮১৪
সিহেতু ৰাক্ষস, যজ্ঞ নষ্ট কৰে,
ঋষিৰ মনে অসুখ।
উগুলথুগুল, চিত্ত অসন্তোষ
উপজয় বৰ দুখ ॥
পাচে ধ্যান কৰি, সকল বৃত্তান্ত
জানিলন্ত মুনিবৰে।
ৰাক্ষস বধিতে অৱতৰি হৰি,
আছা দশৰথে ঘৰে ॥ ৮১৫
তাক আনি সবে, ৰাক্ষস মৰায়া,
কৰো যজ্ঞ সমাপতি।
এহি মনে গুণি, চলিলন্ত মুনি,
ৰামক আনিবে প্রতি ॥
দশৰথ ৰাজা, পুত্রব্রতে প্রজা,
পালি সুখে অযোধ্যাত।
আছন্ত নৃপতি, যেন সুৰপতি,
বসিয়া দিব্য সভাত ॥ ৮১৬
বশিষ্ঠ প্রমুখ্যে, পুৰোহিত সবে,
বসি আছা ৰঙ্গমনে।
ইন্দ্রৰ আগত, বৃহস্পতি আদি,
যেন মহামুনিগণে ॥
সুমন্ত্র সহিতে, মহামন্ত্রী সবে,
ৰাজাক আছে উপাসি।
সেহি সময়ত বিশ্বামিত্র মুনি,
তথাতে মিলিল আসি ॥ ৮১৭
দেখিয়া নৃপতি, সমাজে সহিতি,
উঠিলা আতি সত্বৰে।
প্রণাম কৰিয়া, চৰণৰ ধূলি,
মাথাত লৈলা সাদৰে ॥
সুৱর্ণ আসন, আনিয়া নৃপতি,
সমাজৰ মাজে দিলা।
সমস্তকে আশী- র্ব্বাদ কৰি ঋষি,
আসনে আসি বসিলা ॥ ৮১৮
আপুনি চৰণ, ধুৱাই দশৰথে,
পাদোদক লৈলা মাথে।
পৰম সাদৰে, সঅর্ঘে ঋষিক,
পূজিলা পৃথিবীনাথে ॥
যোৰহাতে ৰাজা, মধুৰ বচনে,
কুশল বার্ত্তা পুছিল।
তযু দৰশনে, অমৃতৰ পানে,
সন্তোষ যেন মিলিল ॥ ৮১৯
আপোনাৰ নিজ, ভৃত্য বুলি মোক,
ধৰিবাহা মুনিৰাজ।
আজ্ঞা কৰিয়োক, সম্প্রতি তোমাৰ,
সাধো মই কিবা কাজ ॥
ৰাজাৰ বচন, শুনি বিশ্বামিত্রে,
ভৈলা আতি বঙ্গমন।
ৰাজাক বোলন্ত, শুনিয়ো নৃপতি,
যেন মোৰ প্রয়োজন ॥ ৮২০
বাৰম্বাৰে আসি, যজ্ঞ আৰম্ভিলো,
অনেক কৰি যতন।
মাৰীচ সুবাহু, ৰাক্ষসে আমাৰ,
কৰয় যজ্ঞ উছন ॥
অনেক সম্ভাৰ, আনি আৰো বাৰ,
চাহো যজ্ঞ কৰিবাক।
ৰাক্ষসক মাৰি, যজ্ঞ ৰাখিবাক,
ৰামক দিয়োক মোক ॥ ৮২১
শুনিয়া ৰাজাৰ, মাথাত পৰিল,
বজ্রৰ যেন প্রহাৰ।
উভয় সঙ্কটে, ৰাজিয়া নৃপতি,
দেখন্ত দুখে আন্ধাৰ ॥
ৰামক নিদিলে, শাপ দিয়া ঋষি,
কৰিবেক বংশ ছন।
ঋষিৰ লগত, ৰামক পঠালে,
হৈবেক মোৰ মৰণ ॥ ৮২২
একভিতি বাঘে, খেদে আৰোভিতি,
নদী ঘোৰ বাৰিযাৰ।
জাম্প দিলে মৰে, জাম্প নেদিলেও,
বাঘে লৱে প্রাণ তাৰ ॥
সেহি পটন্তৰ, পায়া আছে মোক,
কৰিবো কোন উপায়।
হেন মনদুখে, থাকি ৰাজা পাচে,
মাতিলা ঋষিক চাই ॥ ৮২৩
বাৰ বৰিষৰ, ছাৱা ৰাম মোৰ
শিশুমতি আতিশয়।
কিমতে ৰণত, মাৰিবেক ৰামে,
ৰাক্ষস বৰ দুর্জ্জয় ॥
ব্রহ্মাৰ বৰত, ৰাক্ষসগণৰ,
বাঢ়িল বল অপাৰ।
সৈন্যসমে গৈয়া, ৰাক্ষস মাৰিয়া,
ৰাখিবো যজ্ঞ তোমাৰ ॥ ৮২৪

আপুনি চলিবো, ৰামক নেদিবো,
বুলিলা দৃঢ় বচন।
শুনি বিশ্বামিত্ৰ, ৰাজাক বোলন্ত,
নুবুজি তোমাৰ মন ॥
ৰামত বিনাই, ৰাক্ষস মাৰিতে,
শকতি আছে কাহাৰ।
আমাক ভাণ্ডিয়া, বচন বোলাহা,
বুজিলো বোল তোমাৰ ॥ ৮২৫
ৰামক নিদিয়া, আশা ভঙ্গ কৰি,
পালটাই পঠা মোক।
কোপ দেখি ৰাজা, বোলে যোৱহাতে,
মহাঋষি শুনিয়োক ॥
তোমাৰ ক্ৰোধত, কম্পে তৱতৰি,
ব্ৰহ্মা আদি দেৱগণ।
হেনয় তোমাৰ, আগে কোন হও,
আমি আতি অল্পজন ॥ ৮২৬
কত দুখে মই, পাইলোহো ৰামক,
দেৱতা সৱৰ বৰে।
তোমাৰ লগত, তাক পঠাই দিলে,
মাৰিবেক নিশাচৰে ॥
ধনজন যত, প্ৰাণত কৰিয়া,
ৰামেসে আতি প্ৰধান।
একক্ষণ মান, দেখিতে নপাইলে,
নৱহে মোৰ পৰাণ ॥ ৮২৭
হেনয় ৰামক, কিমতে পঠাইবো,
ৰাক্ষসক যুজিবাক।
ইন্দ্ৰ আদি কৰি, ত্ৰিদশ সকলে,
হাৰিয়া আছে যাহাক ॥
সিটো ৰাক্ষসক, কিমতে যুজিব,
অবোধ মোৰ ছৱালে।
নিদিলেও শপি, কৰিবাহা ভস্ম,
জানিলো গ্ৰাসিলে কালে ॥ ৮২৮
হৰি হৰি বিধি, কি কাম কৰিলো,
পৰিলো মহাবিপাকে।
ৰাম হেন পুত্ৰ, পায়াও নপাইলো,
দণ্ডিলা দৈবে আমাকে ॥
ৰামক পঠাইলে, মৰিব কৌশল্যা,
আমিও মৰিবো প্ৰাণে।
ৰামক নেদেখি, মৰিব সকলে,
যত নৱনাৰী মানে ॥ ৮২৯
দান্তে তৃণ ধৰি, তোমাত মাগোহো,
ৰামক দিওক মোক।
তোমাৰ প্ৰসাদে, অযোধ্যাৰ লোকে,
নপাওক ৰামৰ শোক ॥
তোমাৰ লগত, আপুনি চলিবো,
কটক লৈয়া অপাৰ।
তোমাৰ যজ্ঞক, ৰাখিবো কৰিয়া,
ৰাক্ষসক বুন্দামাৰ ॥ ৮৩০
যদি তথাপিতো, ৰামক নেৰাহা,
স্বৰূপ বোলো বচন।
নিৰন্তৰে লোক, ৰামৰ লগত,
চলি যাইবো তপোবন ॥
ৰাম বিনে আমি, অযোধ্যা নগৰে,
সাধিবো কমন কাম।
সমজ্যাৰ লোক, পাতক ছাৰোক,
ডাকি বোলা ৰাম ৰাম ॥ ৮৩১

ৰাম লক্ষ্মণক দিবলৈ সম্মত নোহোৱাত ঋষিৰ কোপ আৰু ৰাম-লক্ষ্মণক লৈ ঋষিৰ গমন ঃ

পদ।

দশৰথ নৃপতিৰ শুনিয়া বচন।
মহাকোপ কৰি বোলে গাধিৰ নন্দন ॥
ৰঘুৰ বংশত তুমি ভৈলা উতপতি।
ধৰ্ম্মশীল হুয়া অধৰ্ম্মত কৈলা ৰতি ॥ ৮৩২
পুত্ৰৰ স্নেহত মোক কৰস নৈৰাশ।
মিছা মোহজালে পৰি কৰ ধৰ্ম্মনাশ ॥
নজানস কত গুণ আছয় ৰামত।
বাহুবলে জিনিবাক পাৰে ত্ৰিজগত ॥ ৮৩৩
ৰাক্ষস মাৰিব ৰামে ইটো কোন কাজ।
বিমুখ কৰহ ৰাজা দিয়া মোক লাজ ॥
কপটে ভাণ্ডিয়া মোৰ আশা কৰ ভঙ্গ।
সবংশে নশিবে পুনু মোৰ ভৈলে খঙ্গ ॥ ৮৩৪
আছন্ত বশিষ্ঠ তোৰ মন্ত্ৰণাৰ বাস।
তাৰ বোলে অপমান আমাক লগাস ॥
সত্যে সত্যে বোলো ৰাজা মই নিষ্ঠকৰি।
নিদিল ৰামক যাও ক্ৰোধ পৰিহৰি ॥ ৮৩৫
নিষ্ঠুৰ বচন ৰাজা শুনিয়া মুনিৰ।
পৃথিবী কম্পয় যেন গাৱ নোহে স্থিৰ ॥
আছোক নৃপতি চৰাচৰ কম্পি গৈল।
প্ৰলয়ৰ কাল যেন উপগত ভৈল ॥ ৮৩৬

ক্ৰোধ প্ৰকম্পিত বিশ্বামিত্ৰ মুনিবৰ।
দেখি অন্তৰীক্ষ ধাতু ভৈল নিৰন্তৰ ॥
পাত্ৰ মিত্ৰ সমে দশৰথ মহাৰায়।
ভয় ত্ৰাসে ভৈল যেন মৃতক পৰায় ॥ ৮৩৭
অনন্তৰে বশিষ্ঠে দেখিয়া তমোময়।
ৰাজাক বোলন্ত শুনিয়োক মহাশয় ॥
প্ৰথমে ঋষিক তুমি বুলিলা বচন।
বুলিয়োক ঋষি কিবা সাধো প্ৰয়োজন ॥ ৮৩৮
কদাচিতো ব্যৰ্থ নাহি বচন তোমাৰ।
এতেকে ৰামক দিতে ভৈল অঙ্গীকাৰ ॥
সিটো অঙ্গীকাৰ আবে লাৱিবা কিমতে।
তুমি সত্যৱন্ত হেন জানয় জগতে ॥ ৮৩৯
নকৰিবা ৰাজা সত্যধৰ্ম্ম পৰিহাৰ।
তুমি সত্য লঙ্ঘিলে ৰাখন্তা নাহি আৰ ॥
সত্য সম ধৰ্ম্ম আৰ পুৰুষৰ নাই।
জানি ঋষি সঙ্গে দিয়া ৰামক পঠাই ॥ ৮৪০
তাক নপঠাইলে বিশ্বামিত্ৰে দিবে শাপ।
গাধিৰ তনয় মহাপ্ৰচণ্ডপ্ৰতাপ ॥
হেন জানি ৰামৰ নিমিত্তে এৰা শোক।
ঋষিৰ বচন ৰাখি ৰামক দিওক ॥ ৮৪১
তাক পাইলে ঋষিৰ সন্তুষ্ট হৈবে চিত।
নানা অস্ত্ৰে শস্ত্ৰে বিশ্বামিত্ৰ সুশিক্ষিত ॥
মুনি সবে অস্ত্ৰ শিক্ষা দিৱন্ত ৰামক।
তাকে লৈয়া ৰামে জিনিবেক ৰাক্ষসক ॥ ৮৪২
বিশেষত বিষ্ণু ৰামৰূপে অৱতাৰ।
ৰাক্ষসকুলক ৰামে কৰিব সংহাৰ ॥
অনুমাত্ৰো চিন্তা নকৰিবা মহামানা।
দশৰথ ৰাজা বশিষ্ঠৰ শুনি বাণী ॥ ৮৪৩
পাইলন্ত ভাৱনা তান শান্ত ভৈল হিয়া।
জিজ্ঞাসা কৰন্ত ৰাজা ৰামক আনিয়া ॥
আসি আছে বিশ্বামিত্ৰ তোমাক নিবাক।
ৰাক্ষসক মাৰি ৰাম যজ্ঞ ৰাখিবাক ॥ ৮৪৪
শুনি ৰামচন্দ্ৰৰ হৰিষ ভৈল মনে।
পিতৃক বোলন্ত ৰামে প্ৰসন্ন বদনে ॥
কত ভাগ্যে ইসব কাৰ্য্যক পায় লাগ।
মোক প্ৰতি চিন্তা নকৰিবা মহাভাগ ॥ ৮৪৫
পুত্ৰ হুয়া নপালয় পিতৃৰ বচন।
চিৰকালে নৰকত পচে সিটো জন ॥
প্ৰচণ্ডপ্ৰতাপ মুনিগাধিৰ কুমাৰ।
তাহান কাৰ্য্যত চিন্তা কৰা পৰিহাৰ ॥ ৮৪৬
ৰামৰ বচনে ৰাজা ভৈলা হৰষিত।
মৰাৰ মুখত যেন পৰিল অমৃত ॥
ঋষিৰ হাতত ৰাজা পুত্ৰ সমৰ্পিল।
নমস্কাৰ কৰি ৰাজা বচন বুলিল ॥ ৮৪৭
ৰামে মোৰ ধন জন জীৱ মন প্ৰান।
ৰামে বিনে গতি মোৰ নাহি নাহি আন ॥
পাইলোহো ৰামক পুত্ৰ কত তপস্যায়।
আবে জ্ঞান গুণ জানিবেক তযু ঠাই ॥ ৮৪৮
কিছুয়ে নজানে ৰাম ছৱাল চঞ্চল।
জানিবে অস্ত্ৰৰ সন্ধি তোমাত সকল ॥
তোমাৰ সেৱক ৰাম ভৈল আজি ধৰি।
নিজদাস বুলি পালিবাহা যত্ন কৰি ॥ ৮৪৯
ৰাঘৱক পায়া মুনি ভৈলন্ত সন্তোষ।
পুষ্প ৱৰষিলা দেৱে কৰি জয়ঘোষ ॥
সেহি বেলা যোৱহাতে উঠিলা লক্ষ্মণ।
ৰামক বুলিলা কৰি চৰণে বন্দন ॥ ৮৫০
মোক সঙ্গে নিয়ো প্ৰভু জগতৰ পতি।
তোমাৰ চৰণ বিনে মোৰ নাহি গতি ॥
যথা তথা যাইতে নাথ নেৰিবা আমাক।
দাস হুয়া সেৱা প্ৰভু কৰিবো তোমাক ॥ ৮৫১
হাসে ৰাজা লক্ষ্মণৰ শুনিয়া বচন।
ৰামৰ সঙ্গত চলি যাইৱন্ত লক্ষ্মণ ॥
দুই পুত্ৰ দিলা ৰাজা ঋষিৰ লগত।
যাত্ৰা সুমঙ্গল কৰিলন্ত যত যত ॥ ৮৫২
আপোনাৰ অস্ত্ৰ যত লৈয়া দুয়ো জন।
দুই ভাই বশিষ্ঠক কৰিলা বন্দন ॥
পিতৃক মাতৃক কৰিলন্ত নমস্কাৰ।
দশৰথে দুইকো শিক্ষা দিলা বাৰে বাৰ ॥ ৮৫৩
পালিবাহা দুই ভাই ঋষিৰ বচন।
থাকিবাহা সদাই ঋষিৰ বুজি মন ॥
ঋষিৰ ক্ৰোধত সবে বংশে হৈবো নাশ।
সৰ্ব্বদাই থাকিবা ঋষিৰ পালি আশ ॥ ৮৫৪
এহি বুলি পুত্ৰ দুইকো সাৱটি ধৰিলা।
শিৰ ঘ্ৰাণি দুইহস্তোৰ মুখে চুমা দিল ॥
কৌশল্যা সুমিত্ৰা দুয়ো পুত্ৰক ধৰিয়া।
কৰিলা চুম্বন চক্ষু সজল কৰিয়া ॥ ৮৫৫
অন্তঃপুৰ মাজত আছয় যত প্ৰাণী।
স্নেহে সবে লোকৰ চক্ষুৰ পৰে পানী ॥
যাত্ৰা লৈয়া ৰাজ ভৈলা শ্ৰীৰাম লক্ষ্মণ।
দুইকো গৈয়া বিশ্বামিত্ৰ কৰিলা গমন ॥ ৮৫৬
আগ ভৈলা ঋষিৰাজ হৰিষ মনত।
মাজত চলিল ৰাম লক্ষ্মণ পিচত ॥
ঊৰ্দ্ধমুখে চাহিয়া থাকিল সৰ্ব্বজন।
ৰামৰ লগতে গৈল সমস্তৰে মন ॥ ৮৫৭

জইয়া পৰিল লোক বিয়োগে ৰামৰ।
শুন যেন ভৈল সিটো অযোধ্যা নগৰ॥
শ্রীৰামৰ বিয়োগে আকুল ভৈল চিত।
সূর্য্য অস্ত গৈলে যেন কমল মুদিত॥ ৮৫৮
চলি যান্ত দুয়ো ভাই পিচত ঋষিৰ।
গজেন্দ্র জিনিয়া দুইৰো গমন গম্ভীৰ।
যেন শিশু সিংহ লীলাগতি চলি যান্ত।
অমৃত বৰিষে যেন যিদিশক চান্ত॥ ৮৫৯
সুৰাসুৰে সেৱা কৰে যাৰ চৰণত।
যেন ৰাম চলি যান্ত ঋষিৰ পিচত॥
পৰম কোমল পদ গমন মধুৰ।
আতি সুকুমাৰ তনু লাৰণ্য প্ৰচুৰ॥ ৮৬০
ৰত্নে বিৰচিত শোভে পিঠিত চোখৰ।
কাষত খৰগ দুইৰো হাতে ধনুশৰ॥
প্ৰকাশে শৰীৰ ৰত্নময় অলঙ্কাৰ।
দেখন্তা লোকৰ মন হৰন্ত সবাৰ॥ ৮৬১
পৰম হৰিষে দুয়ো যান্ত ঋষি সঙ্গে।
আঢ়ৈ প্ৰহৰৰ পন্থ বহি গৈলা ৰঙ্গে॥
ৰামৰ দেখিয়া মুখ হৰিষ ঋষিৰ।
অনন্তৰে পাইলা গৈয়া সৰযুৰ তীৰ॥ ৮৬২
দেখি ৰামচন্দ্ৰৰ হৰিষ ভৈলা মন।
বিশ্বামিত্ৰে বুলিলন্ত ৰামক বচন॥
সৰযূ নদীৰ কথা শুনিয়োক ৰাম।
পৰম নিৰ্ম্মল জল তীৰ্থ অনুপাম॥ ৮৬৩
কৰিয়োক স্নান দুয়ো সৰযুৰ জলে।
বাঢ়িবেক বল শ্ৰম গুচিবে সকলে॥
ত্ৰিভুৱন মধ্যে ৰাম পুৰুষ উত্তম।
মহাবলশালী হৈবা বিপুল বিক্ৰম॥ ৮৬৪
ক্ষুধা তৃষ্ণা একে জৰ ব্যাধি নিপীড়িব।
গুচিব আয়াস যশে জগত জুৰিব॥
ত্ৰৈলোক্যৰ অধিপতি তুমিসে ঈশ্বৰ।
ইটো জগতৰ হৈবা একদণ্ডধৰ॥ ৮৬৫
ঋষিৰ বচন শুনি হৰিষ মনত।
বিধিৱতে স্নানিলন্ত সৰযূ জলত॥
ঋষিও কৰিলা স্নান সন্ধ্যা যত যত।
বসিলা তিনিও সেই নদীৰ কুলত॥ ৮৬৬
বুলিলন্ত ঋষি ৰঙ্গে ৰামক বচন।
দিওঁ মহাযন্ত্ৰ বিদ্যা লৈয়ো দুয়ো জন॥
যাহাক জানিলে শ্ৰম গুচয় সকল।
হোৱে মহাধনৱন্ত বাঢ়ে তেজবল॥ ৮৬৭
এহি বুলি দুয়ো ভাইত মন্ত্ৰ কহিলন্ত।
ত্ৰিভুৱনে সাৰ বিদ্যা দুভাইক দিলন্ত॥
মন্ত্ৰ পায়া দুয়ো ভাইৰ হৰিষ মিলিল।
ঋষি সঙ্গে ৰঙ্গে তথা ৰজনী বঞ্চিল॥ ৮৬৮

তাড়কা ৰাক্ষসী ৰধ।

প্ৰভাতে উঠিয়া নিত্য কৰি সমাপত।
চলিলা হৰিষে দুয়ো ঋষিৰ সঙ্গত॥
সুললিত লীলাগতি গমন সুখিৰ।
কৌতূহলে পাইলা গৈয়া মন্দাকিনী তীৰ॥ ৮৬৯
দেখিয়া বিচিত্ৰ এক স্থান অনুপাম।
কাহাৰ আশ্ৰম বুলি পুছিলন্ত ৰাম॥
ঋষিয়ে বোলন্ত ইটো অনঙ্গ ভুৱন।
মদনক এথাতে দহিলা ত্ৰিনয়ন॥ ৮৭০
অনঙ্গ ক্ষেত্ৰক ৰঙ্গে এৰাই তিনি জনে।
তাড়কাৰ বন গৈয়া পাইলা ৰঙ্গ মনে॥
ৰামচন্দ্ৰে পুছিলা ঋষিৰ চাপি পাশ।
কহিয়োক মুনি ইটো কাহাৰ নিবাস॥ ৮৭১
মুনিয়ে বোলন্ত ৰাম শুনা মহাযশী।
এহিটো বনত থাকে তাড়কা ৰাক্ষসী॥
বিকট দশন তাইৰ ৰূপ ভয়ঙ্কৰ।
ব্ৰাহ্মণ তপস্বী মাৰি খাইলেক বিস্তৰ॥ ৮৭২
যত লোক খাইলে কোনে লেখাকৰে তাক।
ত্ৰৈলোক্যৰ লোক পাইলে পাৰয় খাইবাক॥
চোবায়া গিলয় মাথা বৃদ্ধ মানুষৰ।
ছৰালৰ মুণ্ডে তাইৰ কুণ্ডল কৰ্ণৰ॥ ৮৭৩
মনুষ্যৰ তেজে তাইৰ বদন পখালে।
গাৱৰ কাপৰ তাইৰ মনুষ্যৰ ছালে॥
তাইৰ ডৰে নৰে আউৰ ইপথে নাযায়।
আমি কোন পথে যাইবো কহিয়ো উপায়॥ ৮৭৪
প্ৰহৰেক লাগে যেবে যাই এহি পথে।
তৃতীয় প্ৰহৰ লাগে দক্ষিণৰ পথে॥
জগৱা এৰায়া যাও মোৰ হেন মন।
শুনি ৰামচন্দ্ৰে হাসি বুলিলা বচন॥ ৮৭৫
কিসক ইবোল বোলা তুমি মুনিৰাজে।
চমু এৰি দুৰ পথে যাইবো কোন কাজে॥
লক্ষ্মণক চাহি পাছে বুলিলন্ত ৰাম!
স্ত্ৰী বধ হৈবে পাপ কৰো কোন কাম॥ ৮৭৬
লক্ষ্মণে বোলন্ত কেনে বোলা হেন মত।
পিতৃয়ে পঠাই আছে ঋষিৰ লগত॥
মুনি যিবা বোলে কৰিবাহা সেহি কৰ্ম্ম।
গুৰুৰ বচনে কিছু নাহিকে অধৰ্ম্ম॥ ৮৭৭

মুনি বুলিলন্ত ৰাম নকৰিবা ভয়।
ৰাক্ষসী মাৰিলে কিছু দোষ নোপজয়॥
বিস্তৰক অপকাৰ যিজনে কৰয়।
নাহি দোষ তাক মাৰি পুণ্যসে লভয়॥ ৮৭৮
মাৰীচ সুবাহু দুই পুত্ৰ তাড়কাৰ।
মাৰি মাৰি খাইল গৰু ব্ৰাহ্মণ অপাৰ॥
তাড়কা খাইল গৰু মানুষ বিস্তৰ।
তাক মাৰি পাইবা ৰাম পুণ্য বহুতৰ॥ ৮৭৯
শুনিয়া টঙ্কাৰ কৰিলেক ৰঘুৱৰে।
তাড়কাক মাৰো আজি এক পাট শৰে॥
মানুষৰ শৱদ শুনিয়া নিশাচৰী।
ক্ৰোধে খেদি আসে দিশ অন্ধকাৰ কৰি॥ ৮৮০
কৰ্ণে লড়বড় কৰে মুণ্ড মানুষৰ।
বদন প্ৰকটি আসে যম সমসৰ॥
কৰে মড়মড় গাৱে ছাল মানুষৰ।
সৰ্ব্বত সমান ঘোৰ ৰূপ ভয়ঙ্কৰ॥ ৮৮১
শাল বৃক্ষ সদৃশ মেলিয়া দুই বাহু।
সূর্য্যক ঢাকিবে যেন খেদি যায় বাহু॥
ৰামক দেখিয়া তাই তেজিলা আটাস।
ত্ৰৈলোক্যৰ লোকত লাগিলা মহাত্ৰাস॥ ৮৮২
সকল ব্ৰহ্মাণ্ড জুৰি প্ৰতিধ্বনি গৈল।
ৰজ্ৰ পৰে বুলি সৰ্ব্বজন ভয় ভৈল॥
পাতাল সদৃশ কৰি বেন্ত গোট বায়া।
সবাকে খাইৰাক যায় পৃথিবী কম্পায়া॥ ৮৮৩
ৰাক্ষসীক দেখি ঋষি মহাভয় ভৈলা।
ৰামৰ পিচত গৈয়া আৰ হুয়া ৰৈলা॥
ঋষিক আশ্বাসি ৰামে যুৰিলন্ত বাণ।
তাড়কাৰ হৃদয়ত কৰিল সন্ধান॥ ৮৮৪
সৰকিয়া বাণ হৃদয়ত গৈল পশি।
ঘোৰ আটাসেক দিয়া পৰিল ৰাক্ষসী॥
ৰজ্ৰৰ প্ৰহাৰ যেন হিয়াত পৰিল।
তাড়কা তেজিল প্ৰাণ পৃথিবী লৰিল॥ ৮৮৫
আকাশত আনন্দ মিলিল দেৱতাৰ।
জয় জয় ৰাম বুলি কৰয় জোকাৰ॥
ৰামৰ শিৰত বৰিষিল পাৰিজাত।
দুন্দুভি শৱদে নাচে তুলি দুই হাত॥ ৮৮৬
দাকণী ৰাক্ষসী মৰি গৈল যমঘৰ।
ৰামৰ প্ৰসাদে দুখ খণ্ডিল লোকৰ॥
ৰাক্ষস বধিবে প্ৰতি ভৈলা অৱতাৰ।
প্ৰথমতে ৰামে প্ৰাণ লৈলা তাড়কাৰ॥ ৮৮৭
দেখি বিশ্বামিত্ৰৰ হৰিষ ভৈল মন।
ৰামক বুলিলা মুনি প্ৰশংসাবচন॥
ধন্য ধন্য ৰাম তুমি পুৰুষপ্ৰধান।
একপাট শৰে ৰাক্ষসীৰ লৈলা প্ৰাণ॥ ৮৮৮
গুচিল দুৰ্গতি ৰাম তোমাৰ প্ৰসাদে।
হুয়ো চিৰঞ্জীৱ ৰাম মোৰ আশীৰ্ব্বাদে॥
তোমাৰ নিৰ্ম্মল যশ বাঢ়োক অশেষ।
অনন্তৰে ভৈলা আসি ৰজনী প্ৰবেশ॥ ৮৮৯
মহাসুখে সিটো ৰাতি বঞ্চিলা তথাতে।
ৰামক মাতিলা ঋষি উঠিয়া প্ৰভাতে॥
তোমাৰ বিক্ৰমে ৰাম তুষিলা আমাক।
নানা অস্ত্ৰ দিয়া মই তুষিবো তোমাক॥ ৮৯০
মন্ত্ৰে সমে ব্ৰহ্ম অস্ত্ৰ লৈয়ো মহাশয়।
দিবোহো বৈষ্ণৱ অস্ত্ৰ ত্ৰৈলোক্য বিজয়॥
কদ্ৰমন্ত্ৰ সমন্বিতে দিবো কদ্ৰ শৰ।
ব্ৰহ্মশায় সমে অস্ত্ৰ দিবো বাসৱৰ॥ ৮৯১
শিখাইবো অগ্নিৰ বাণ পৰম বিক্ৰম।
লৈয়োক গৰুড় বাণ আতি নিৰুপম॥
শিখাও গন্ধৰ্ব্ব বাণ বৈৰী ক্ষয়ঙ্কৰ।
সংগ্ৰামবিজয়ী বাণ লৈয়ো গন্ধৰ্ব্বৰ॥ ৮৯২
শকতি তোমাৰ তৃকণ্টক কনিয়াল।
অসি অৰ্দ্ধচন্দ্ৰ শেল শূল ভিন্দিপাল॥
খড় খুৰ ত্ৰিকুণ বিশাল টাঙ্গি ভল্ল।
পৰিঘ পট্টিশ গদা পৰশু মুষল॥ ৮৯৩
হৰিত লোহিত প্ৰাস শতঘ্ন কুলিষ।
ব্যাঘ্ৰমুখ নাগপাশ ত্ৰিশূল নিডুংশল॥
কুবেৰ বৰুণ বাণ স্তম্ভন মোহন।
লহ অহিপত্ৰ বায়ু বাণ বিতোপন॥ ৮৯৪
লৈয়ো নিশাচক্ৰ অস্ত্ৰ ত্ৰিভুৱনে সাৰ।
চন্দ্ৰসূৰ্য্য মন্ত্ৰ অস্ত্ৰ শক্ৰ ক্ষয়ঙ্কাৰ॥
যম অস্ত্ৰ দিবো যমদণ্ড সমসৰ।
শিখিয়োক দিব্য অস্ত্ৰ মন্ত্ৰ নিৰন্তৰ॥ ৮৯৫
অসুৰ মানুষ যক্ষ ৰক্ষ পিশাচৰ।
শিখাইবো তোমাক মায়া মোহ যত শৰ॥
স্নান কৰি আসি অস্ত্ৰ লৈয়োক এখনে।
শুনি ৰাম লক্ষণে হৰিষ ভৈলা মনে॥ ৮৯৬
স্নান কৰি ঋষিৰ আগত বসিলন্ত।
নানা অস্ত্ৰ শস্ত্ৰ মুনি দুইকো শিখাইলন্ত॥
বিশ্বামিত্ৰ ঋষিৰ ভৈলন্ত দুয়ো শিষ্য।
অস্ত্ৰ শিখি দুয়ো ভাই মনত হৰিষ॥ ৮৯৭

মাৰীচ-সুবাহু ৰধ।

অনন্তৰে ঋষি ৰাম লক্ষণক লৈয়া।
ৰঙ্গমনে তপোবনে প্ৰবেশিলা গৈয়া॥

বিশ্বামিত্রে বুলিলন্ত শুনিয়োক ৰাম।
এহি তপোবন মোৰ সিদ্ধাশ্রম নাম ॥ ৮৯৮
মাৰীচ সুবাহু এহি বনৰ ভিতৰ।
আছে দুইযো লগে চৌধ কোটি নিশাচৰ ॥
ৰাখিবা আমাৰ যজ্ঞ তাক মাৰি ৰণে।
আনিলো তোমাক মই এহিসে কাৰণে ॥ ৮৯৯
ৰাক্ষসক মাৰি দিয়ো আমাক নির্ভয়।
তোমাৰ প্রসাদে হৌক যজ্ঞৰ উদয় ॥
শুনি ৰামচন্দ্রে বুলিলন্ত এহি হৌক।
মাৰিবো ৰাক্ষস সুখে যজ্ঞ কৰিয়োক ॥ ৯০০
শুনি মুনিৰাজৰ ঋষিৰ ভৈল মনে।
ৰামক দেখিলা আদি যত মুনিগণে ॥
ফলে মূলে দুয়ো ভাইক কৰাইলা ভোজন।
পাচে তৃণশয্যাত শুতিলা দুয়োজন ॥ ৯০১
ৰজনী প্রভাতে উঠি মুনিগণ যত।
স্নান সন্ধ্যা তর্পণ কৰিয়া সমাপত ॥
যজ্ঞৰ সম্ভাৰ মানে একত্র কৰিল।
শুভক্ষণে মুনিগণ যজ্ঞ আৰম্ভিল ॥ ৯০২
ৰামক বুলিলা বিশ্বামিত্র মুনিবৰ।
স্নান কৰি নিয়মে ধৰিয়ো ধনুশৰ ॥
শুনি ৰাম লক্ষ্মণে কৰিলা গৈয়া স্নান।
দুয়ো ভাই নিয়মে ধৰিলা ধনুর্ব্বাণ ॥ ৯০৩
অনন্তৰে ঋষিৰাজে কৰিয়া সুবেশ।
মন্ত্রে ৰাম লক্ষণৰ বান্ধিলন্ত কেশ ॥
মণিৰত্ন কণ্ঠা দিলা দুয়ো ভাইৰ গলে।
ঋষিক পুছিলা ৰামচন্দ্র কৌতূহলে ॥ ৯০৪
কেতিক্ষণে আসিবেক ৰাক্ষস দুর্জ্জন।
ঋষিয়ে বোলন্ত ৰাম শুনিয়ো বচন ॥
ৰাত্রিদিনে মৌন ব্রত দিন ছয় মানে।
শৰধনু ধৰি দুয়ো থাকা সাৱধানে ॥ ৯০৫
আসিব ৰাক্ষস ছয় দিন অনন্তৰে।
দুয়ো ভাই শৰ কৰি মাৰিবা সত্বৰে ॥
শুনি ধনু ধৰি ৰাক্ষসক বাট চাই।
উজাগৰে ৰৈলা সাৱধানে দুয়ো ভাই ॥ ৯০৬
বিশ্বামিত্র মুনি যজ্ঞ কৰিবাক লৈল।
আচার্য্য ব্রাহ্মণ তিনি সহস্রেক হৈল ॥
মণ্ডল নিয়মে বেদ মন্ত্র উচ্চৰিলা।
সাঙ্গোপাঙ্গে ঈশ্বৰক পূজিবে লাগিলা ॥ ৯০৭
নিৰন্তৰে পূজিলেক ছয় দিনমান।
অগ্নি থাপিলন্ত কুণ্ড কৰিয়া নির্ম্মাণ ॥
দিলন্ত আহুতি আতি কৰি বেদধ্বনি।
ঘৃতৰ সুৰভী ঘ্রাণ উঠি গৈল চানি ॥ ৯০৮

অৱণ্যৰ পৰা নিশাচৰ গন্ধ পাইল।
মাৰীচ সুবাহু যজ্ঞ বিধ্বংসিবে আইল ॥
চৌধ্য কোটি নিশাচৰ আসিল লগত।
মাৰীচ ৰাক্ষস আইল সবাৰো আগত ॥ ৯০৯
পিচত সুবাহু আসি ৰৈল মহাবল।
আকাশ ব্যাপিল যেন ঘোৰ মেঘদল ॥
যেন বজ্র পৰে বাৰ তেজে ভয়ঙ্কৰ।
দেখি নিৰন্তৰে ঋষি ভয় ভৈলা বৰ ॥ ৯১০
পাচে ৰাম-লক্ষ্মণে ঋষিৰ দেখি ডৰ।
নাহি ভয় বুলি আশ্বাসিলা ৰঘুবৰ ॥
মন্ত্র পঢ়ি ৰামে শৰ যুৰিলা ধনুত।
দেখিয়া ৰাক্ষস ভয় ভৈল অদভুত ॥ ৯১১
বায়ু বেগে ৰামচন্দ্রে প্রহাৰন্ত শৰ।
দাকণ সন্ধানে ফুটি মৰে নিশাচৰ ॥
বজ্রতো অধিক আতি ৰামৰ সন্ধান।
একছোটে ৰাক্ষস চলয় যমস্থান ॥ ৯১২
লক্ষ্মণে ধৰিয়া ধনুশৰ প্রহাৰন্ত।
যম যেন খেদি খেদি ৰাক্ষস মাৰন্ত ॥
শাণত শনাইল শৰ যেন খুৰধাৰ।
কৰন্ত লক্ষণে ৰাক্ষসক বুন্দামাৰ ॥ ৯১৩
নিদাকণ ছোটে মৰি গৈল যমঘৰ।
লক্ষ্মণে মাৰিলা আঠ কোটি নিশাচৰ ॥
ৰামৰ শৰত মৰি গৈল ছয় কোটি।
দুই ভাই ৰাক্ষসক কৰিলা নিগুটি ॥ ৯১৪
হেন দেখি সুবাহু ৰাক্ষস ভয়ঙ্কৰ।
লক্ষ্মণক খেদি গৈল যম সমসৰ ॥
দেখি ভল্লশৰ যুৰি লক্ষ্মণে গুণত।
সন্ধানে হানিলা সুবাহুৰ হৃদয়ত ॥ ৯১৫
মহা ছোটে ফুটিয়া মৰিল দুৰাচাৰ।
পৰিল ভূমিত সিটো পর্ব্বত আকাৰ ॥
দেখি মাৰীচৰ আতি ক্রোধ বৰ ভৈল।
ভয়ঙ্কৰ আটাসে ৰামক খেদি গৈল ॥ ৯১৬
হাসি ৰামে পাঞ্চ শৰে ভেদি হৃদয়ক।
বায়ুবাণ হানি উকৰাইলা মাৰীচক ॥
ঊর্দ্ধমুখ কৰি চাহি আছে মুনিগণে।
শুকান তৃণক যেন লৈ যান্ত পৱনে ॥ ৯১৭
ৰাম শৰে ৰাক্ষসক লৈ যান্ত আকাশে।
দেখিয়া ত্রিদশ দেৱে খলখলি হাসে ॥
মহাবেগে গৈয়া সিটো ছেৱায়া সাগৰ।
হেট মাথে লঙ্কাত পৰিল নিশাচৰ ॥ ৯১৮
ভাঙ্গি গৈল ঘাৰ মুৰ ভৈল ছিৱাছিৱ।
ভৈল অচেতন বহে বোম্বালে কধিৰ ॥

নপাৱে উশাস তেজ বহে নাকে মুখে।
নমৰিল কথমপি জীল ৰৱ দুখে ॥ ৯১৯
ৰাণ বিষে ক্ষণে ক্ষণে হোৱে শ্রুতিহত।
ৰামময় মাত্র দেখে সকলে জগত ॥
ৰামে পাইলে বুলি ভয় হোৱে স্বপনত।
ৰাঘৱৰ শৰে লৈয়া ফুৰে আকাশত ॥ ৯২০
স্বপনে স্বচিতে সিটো ৰাম বিনে আন।
নেদেখয় ৰামত লাগিল যেন ধ্যান ॥
নযায় হুপুহায় তাৰ ৰামৰ ভয়ত।
এৰিল মাৰীচে বিষয়ৰ ভোগ যত ॥ ৯২১
সেহি ধৰি বিদায় লইয়া ৰাৱণত।
তপ হেতু চলি গৈয়া ৰহিল বনত ॥
ৰাম লক্ষ্মণৰ দেখি বিক্রম সাক্ষাত।
পুষ্প ৰৰিষিলা দেৱে দুইযো মাথাত ॥ ৯২২
অদ্ভুত মহিমা দেখি ৰাম লক্ষ্মণৰ।
ভৈলন্ত বিস্ময় মুনিগণ নিৰন্তৰ ॥
দুই ভাইক প্রশংসা কৰিলা বহুতৰ।
ধন্য ৰাম লক্ষ্মণ সার্থক ধনুর্দ্ধৰ ॥ ৯২৩
ঈষত কটাক্ষে দুয়ো কৰি মহালীলা।
চৌধ কোটি ৰাক্ষস ক্ষণেকে সংহৰিলা ॥
কর্ম্ম দেখি জানিলোহো দুহিকো মানুহ।
ভৈলা অৱতাৰ হৰি পৰম পুৰুষ ॥ ৯২৪
ৰাক্ষস মাৰিয়া ভাৰ কৰিবা নির্যাণ।
সাধিবাহা জগতৰ পৰম কল্যাণ ॥
যাৰ নামে সাঙ্গ হোৱে ধর্ম্ম কর্ম্ম যত।
হেন তুমি ভৈলা আসি সহায় যজ্ঞত ॥ ৯২৫
জানিলোহো আমাৰ ভাগ্যৰ নাহি সীমা।
এহিমতে দুহাস্তৱো বখানি মহিমা ॥
মুনিগণ সমে বিশ্বামিত্র মহাঋষি।
পূর্ণা দিয়া যজ্ঞ সাঙ্গ কৰিলা হৰিষি ॥ ৯২৬
অগ্নি বিসর্জ্জিয়া পাচে দক্ষিণা কৰিলা।
ৰাম লক্ষ্মণক সবে আশীর্ব্বাদ দিলা ॥
বিশ্বামিত্র মুনিৰ হৰিষ আতি মন।
পৰমান্নে ভোজন কৰাইলা মুনিগণ ॥ ৯২৭
দানে মানে সমস্তৱে মন সন্তোষিলা।
সুৱর্ণ ৰজত বস্ত্র গাৱে গাৱে দিলা ॥
ভৈলন্ত সন্তুষ্ট মুনিগণ নিৰন্তৰ।
ৰঙ্গমনে চলি গৈলা আপোনাৰ ঘৰ ॥ ৯২৮
ৰামৰ প্রসাদে বিশ্বামিত্র মুনিবৰ।
যজ্ঞ সাঙ্গ কৰি ভৈলা হৰিষ বিস্তৰ ॥
হাতে লুণ্ডি ঘুণ্ডি আতি দুইহস্তৰ গাৱে।
আশীর্ব্বাদ কৰি বুলিলন্ত বহু ভাৱে ॥ ৯২৯

তুমি নাৰায়ণ দেৱ অনাদি অনন্ত।
তুমি সে যজ্ঞৰ ফলদাতা ভগৱন্ত ॥
তুমি সে আপুনি ধর্ম্ম কর্ম্ম যজ্ঞ যত।
জানি সমর্পিলো যজ্ঞ তযু চৰণত ॥ ৯৩০
তুমিসে কেৱল সত্য বোলো পৰমার্থ।
তোমাৰ প্রসাদে ৰাম ভৈলোহো কৃতার্থ ॥
তোমাত বিনাই আন সবে ব্যৱহাৰ।
তাকে প্রৱর্ত্তাইবে প্রতি ভৈলা অৱতাৰ ॥ ৯৩১
আপুনি আচাৰী ধর্ম্ম মনুষ্যৰ নয়।
তোমাক ঈশ্বৰ বুলি কেহো নজানয় ॥
যোগবলে ছদ্ম হুয়া আছা মহাশয়।
ব্যৱহাৰ পালিবাক আমাৰো লাগয় ॥ ৯৩২
যজ্ঞ ৰক্ষা কৰি হিত কৰিলা আমাক।
উচিত প্রসাদ আবে কি দিবো তোমাক ॥

সীতাৰ সম্বন্ধবৈলৈ মুনিৰ লগত ৰাম-লক্ষ্মণৰ গমন।

এহি বুলি মনে শুনিলন্ত মুনিবৰ।
উপজিয়া আছে লক্ষ্মী জনকৰ ঘৰ ॥ ৯৩৩
যেহি যেহি ৰূপে অৱতাৰ হন্ত হৰি।
উপজন্ত লক্ষ্মী দেৱী সেহিৰূপ ধৰি ॥
ৰামৰূপে নাৰায়ণ আছন্ত সাম্প্রত।
সীতাৰূপে লক্ষ্মী আছা জনক ঘৰত ॥ ৯৩৪
নিশ্চয়ে হৈৱন্ত সীতা ভার্য্যা ৰাঘৱৰ।
জনক নৃপতি পাত্তি আছে স্বয়ম্বৰ ॥
ৰাম লক্ষ্মণক মিথিলাক লৈয়া যাওঁ।
সীতা সমে ৰাঘৱৰ বিবাহ কৰাওঁ ॥ ৯৩৫
হেন মনে গুণি মুনি কৰিলন্ত সাৱ।
ৰামক বোলন্ত শুনা বচন আমাৰ ॥
মিথিলা নগৰে আছে জনক নৃপতি।
ৰাজঋষি ধর্ম্ম আচৰণ মহামতি ॥ ৯৩৬
পুত্রৰূপে প্রজাক পালন্ত নৃপৱৰ।
সীতা নামে আছে তান দুহিতা স্নেহৰ ॥
অযোনিকাৰূপে আছে জনকৰ ঘৰে।
যেন অমৃতৰ ঘট দুগ্ধ সাগৰে ॥ ৯৩৭
ত্রৈলোক্যমোহিনী কন্যা পৰম সুন্দৰী।
কিবা লক্ষ্মী পার্ব্বতী আছন্ত মূর্ত্তি ধৰি ॥
জানকীৰ ৰূপৰ নাহিকে পটন্তৰ।
দেখি চুৰ হোৱে যত দর্প কন্দর্পৰ ॥ ৯৩৮
মুনিমনমোহন বদন ৰুচিকৰ।
দেখি লাজে থিৰ নথাকন্ত শশধৰ ॥

নয়নক দেখি আতিশয় পায়া লাজ।
পলাই গৈয়া কমল থাকিল জলমাজ ॥ ৯৩৯
ৰত্ন তিল ফুল জিনি নাসা কৰে কান্তি।
প্রকাশে দশন জিনি মুকুতাৰ পাতি ॥
ভ্রূৱ সুৱলিত মদনৰ ধনু সম।
কপালত সুন্দৰ তিলক মনোৰম ॥ ৯৪০
হাস্যতে ৰৱিষে যেন অমৃত প্রচুৰ।
নয়নে কাজল জলে শিৰত সিন্দুৰ ॥
দীর্ঘ কেশচয় জিনি আছে চামৰক।
ভ্রমৰাৰ শাৰী যেন কুটিল অলক ॥ ৯৪১
বিম্বফল অধিক অধৰ মনোহৰ।
অমৃত সুৰস বাণী স্বৰ কোকিলৰ ॥
নয়নৰ প্রান্তে যেন দলিত অঞ্জন।
মদনৰ শৰ যেন কটাক্ষ ঈক্ষণ ॥ ৯৪২
সমান কর্ণৰ তলে কুণ্ডল জলয়।
উপৰত চাকি চিকিমিকি প্রকাশয় ॥
কুণ্ডলৰ কান্তি গণ্ডস্থলে প্রকাশিত।
গলে গলপত্তা মণিময় মনোনীত ॥ ৯৪৩
সুৱলিত ভুজ যুগ দেখি লাজ পাই।
থাকিল মৃণাল গৈয়া পঙ্কত লুকাই ॥
বাহুত বাহুতি শাঙ্খ দুয়ো হাতে আছে।
ৰত্নময় বলয়া কঙ্কণ আগে পাচে ॥ ৯৪৪
সুন্দৰ আঙ্গুলি পাতি ললিত বলিত।
সুৱর্ণৰ আঙঠি প্রত্যেক আঙ্গুলিত ॥
মণি চন্দ্র সম নখ পৰম উজ্জ্বল।
কৰ কিশলয় তুল ৰাতুল কমল ॥ ৯৪৫
হৃদয়ত বাঢ়ে স্তন বদৰি প্রমাণ।
দৰশনে ঘুৱতৰ হৱয় পৰাণ ॥
স্তন মধ্যে শোভা কৰে সাতসৰি হাৰ।
কাঞ্চনে ৰচিত মণি মালা মুকুতাৰ ॥ ৯৪৬
সুবিপুল নিতম্বক দেখিতে সুবেশ।
হৰৰ ডম্বক যেন ক্ষীণ মধ্য দেশ ॥
কুন্দত কুন্দলা যেন মুঠিতে লুকায়।
বতাসতে হালে ভাগি পৰিল পৰায় ॥ ৯৪৭
ৰত্নৰ মেখলা জলে খোঞ্চাৰ উপৰ।
সুৱলিত উৰু ৰামকল সমসৰ ॥
যাক দেখি স্তম্ভি ৰহে মদনৰ মন।
নর পদ্মকোষ যেন দুখানি চৰণ ॥ ৯৪৮
মাণিক মঞ্জিৰ কণজুন কৰি বাজে।
সুৱর্ণ উজটি দশ আঙ্গুলিৰ মাজে ॥
পদতল ৰাতুল কমল আতিশয়।
ফুটি যেন সাক্ষাতে কৰিব বাজ হয় ॥ ৯৪৯

প্রথম যৌৱনী ৰাজহংসৰ গমনী।
সর্ব্বাঙ্গ সুন্দৰী কন্যা আতি বিতোপনী ॥
ত্রৈলোক্যৰ রূপ হুয়া আছে এক থান।
অনেক যতনে বিধি কৰিলা নির্ম্মাণ ॥ ৯৫০
আতি শুভান্বিতা জনকৰ জীউ সীতা।
বিষ্ণুত ভকতা সর্ব্ব গুণে আনন্দিতা ॥
আন একো নাহি তান হৰিচিন্তা বিনে।
যেন চন্দ্রকলা বাঢ়ি যান্ত দিনে দিনে ॥ ৯৫১
রূপগুণ সীতাৰ কৰিবে কোনে সীমা।
স্রজিয়া থৈলন্ত বিধি মোহন প্রতিমা ॥
গুণন্ত মনত বসি জনক নৃপতি।
কমন ৰৱত বিহা দিবো সীতা সতী ॥ ৯৫২
সর্ব্বসুলক্ষণী কন্যা পৰম সুন্দৰী।
ইহান সমান বৰ পাইবো কেনে কৰি ॥
গুণি গুণি ৰাজা পাচে কৰিলন্ত সাৰ।
মৃগ মাৰি মহাদেৱে দ্বাৰত আমাৰ ॥ ৯৫৩
ধনু এৰি পূর্ব্বকালে গৈলা মহাশয়।
তাতে যিটো জনে গুণ দিবাক পাৱয় ॥
ইটো লক্ষ্মীসমা কন্যা বিহা দিবো তাত।
এহি অঙ্গীকাৰ ৰাজা কৰিলা সাক্ষাত। ৯৫৪
আলচিয়া মনে জানকীৰ স্বয়ম্বৰ।
মিথিলাত সভা পাতিলন্ত নৃপৰৰ ॥
বিশ্বকর্ম্মা সম শিল্পী আনি সর্ব্বজন।
কৰাইলন্ত পুৰ চিত্র মন্দিৰ নির্ম্মাণ ॥ ৯৫৫
অনেক উচ্ছ্রিত গৃহ বহুল বিস্তৰ।
প্রকাশ কৰয় যেন কৈলাস শিখৰ ॥
সুৱর্ণ ৰজত ৰত্নে কৰিলা আৱন্ত।
অনেক সহস্র ফটিকৰ দিলা স্তম্ভ ॥ ৯৫৬
হীৰা মণি মাণিক লগাইলা থানে থানে।
কৰিলা অনেক শিল্পী জানিলেক মানে ॥
নানা ৰঙ্গে চিকিমিকি কৰে ঠাই ঠাই।
সূর্য্যৰ জ্যোতিক যেন চাহন নযায় ॥ ৯৫৭
সুৱর্ণে ৰজতে বিৰচিল স্থলী যত।
থানে থানে মঞ্চ সজাইলন্ত নানা মত ॥
ৰাজাক উচিত সিংহাসন থৈলা পাৰি।
নানাবিধ আসন থাপিলা শাৰী শাৰী ॥ ৯৫৮
ৰাজাগণ বহিবাক প্রতি নৃপৰৰ।
নানা স্থানে সজাইলন্ত যত বাসাঘৰ ॥
ভোজন সম্ভাৰ বহুবিধ উপহাৰ।
ভৰাই থৈলন্ত ৰাজা অনেক ভণ্ডাৰ ॥ ৯৫৯
অনন্তৰে মাতি আনি দূত বহুতৰ।
সমস্তকে বচন বুলিলা নৃপৰৰ ॥

দেশে দেশে যত ৰাজা আছে নিৰন্তৰ।
সমস্তকে কহ জানকীৰ স্বয়ম্বৰ ॥ ৯৬০
শুনি দশো দিশে দূত গৈল অসংখ্যাত।
ঘোষিলেক স্বয়ম্বৰ সমস্তে ৰাজাত ॥
জানকীৰ স্বয়ম্বৰ শুনি ৰাজা যত।
অমৃত পিলেক যেন হৰিষ মনত ॥ ৯৬১
বস্ত্র অলঙ্কাৰ দিয়া দূতক সাদৰি।
পুছয় সীতাৰ কথা কহ ভাল কৰি ॥
শুনি দূতে রূপগুণ বর্ণারে সীতাৰ।
কথাতে হৱয় মন সকলে ৰাজাৰ ॥ ৯৬২
মনে গুণে কেনমতে পাইবো জানকীক।
তান্ত বিনে জীৱন যৌৱন ধিক ধিক ॥
এহি যুলি ৰাজ্যভাৰ ভার্য্যা পৰিহৰি।
চতুৰঙ্গে সেনা সমে চলে শীঘ্র কৰি ॥ ৯৬৩
যাহন্তে গুণয় পথে মনে আৱগাই।
জানো আগে বিহা কৰে মোতে আগে পাই ॥
মই আগে পাওঁ যেবে নতু পারে আনে।
মোৰ আগে সীতাক নিবেক কাৰ প্রাণে ॥ ৯৬৪
রূপে গুণে সমস্তে ৰাজাত মই চাৰ।
মোতে ৰবিবেক ভাগ্য আছয় আমাৰ ॥
জনক নৃপতি ভালে জানন্ত আমাক।
অৱশ্যে মোতেসে বিহা দিৱন্ত সীতাক ॥ ৯৬৫
এহি গুণি ৰাত্রি দিনে পথ বাহি যায়।
উগুলথুগুল মনে সুখ শান্তি নাই ॥
হস্তী ঘোৰা ৰথে ৰাজাগণে নিৰন্তৰে।
মিথিলা পশিল গৈয়া মহা আড়ম্বৰে ॥ ৯৬৬
জনকে দেখিয়া ৰাজাগণ আসিবাৰ।
পাদ্যে অর্ঘ্যে পূজি কৰিলন্ত সতকাৰ ॥
বসিবাক প্রতি ৰাজা দিলা সিংহাসন।
প্রিয় বাক্যে পুছন্ত কুশল আগমন ॥ ৯৬৭
বুলিলা সবাৰ প্রতি মধুৰ বচনে।
আজি সুপ্রভাত তোমাসাৰ দৰশনে ॥
যাৰ যাৰ কথা কর্ণে শুনিয়া আছিলো।
কিনো ভাগ্য তোমাসাক চক্ষুবে দেখিলা ॥ ৯৬৮
এহি মতে চাটুপটু অনেক বুলিলা।
ৰহিবাক প্রতি দিব্য বাসাঘৰ দিলা ॥
অন্নপান ষড়ৰস ভোজন সম্ভৃত।
সমস্তকে দিলা যাক যেন সমুচিত ॥ ৯৬৯
একৈ একৈ ৰাজা আইল যেন দিগপতি।
সন্তোষিলা সবাকে জনক নৰপতি ॥
পাত্র মন্ত্রী সেনাগণ হয় হস্তী ৰথ।
নাহি তাৰ সীমা সংখ্যা আসি আছে যত ॥ ৯৭০
সবাকে নৃপতি ৰহিবাৰ স্থান দিলা।
অন্নে পানে সমস্তৰে চিত্ত সন্তোষিলা ॥
এক গোটা পদ্ম ফুলি আছে সৰোৱৰে।
তাৰ মধু আশে ধাৱে ভ্রমৰ বিস্তৰে ॥ ৯৭১
সেহিমতে পৃথিবীৰ ৰাজা নিৰন্তৰ।
জানকীক আশে আইল মিথিলা নগৰ ॥
ভৈলা এক থান ৰাজা ৰবিষেক মান।
সবাকো জনক কৰিলেক বহু মান ॥ ৯৭২
অনন্তৰে শুভ দিন তিথি বাৰ চাই।
জনক আনিলা সবে ৰাজাক মতাই ॥
বোলন্ত নৃপতি শুনা ৰাজা নিৰন্তৰ।
আজি পাতিবোহো জানকীৰ স্বয়ম্বৰ ॥ ৯৭৩
এহি কাজে তুমি সব আইলা মোৰ ঠাই।
বহু দিন প্রবাসত আছা দুখ পাই ॥
আশা বা নিৰাশা আজি পৰিচ্ছেদা হৌক!
বোলা ৰাম ৰাম সবে সভাসদ লোক। ৯৭৪

দুলড়ী।

জনকৰ বাণী, ৰাজাগণে শুনি
মহত হৰিষ ভৈল।
কৰিয়া সত্বৰ, আসি বাসাঘৰ,
কাছিবাক সবে লৈল ॥
অগৰু চন্দন, কস্তুৰি কুঙ্কুম,
ভূষিলেক সবে গাৱে।
নানাবিধ দিব্য, ৰত্ন অলঙ্কাৰ,
পিন্ধিলেক ঠাৱে ঠাৱে ॥ ৯৭৫
পাট পাটোৰণে, বিচিত্র বসনে,
ভৈল আতি জাতিস্কাৰ।
সুৱর্ণৰ মালা, শিৰত চৰায়া,
হৰিষৰ নাহি পাৰ ॥
দর্পণ ধৰিয়া, মুখ চায়া বোলে,
বিধি ভৈল সুপ্রসন্ন।
মোক সমৰূপে, ইতিনি ভুৱনে,
নাহি আৱো একজন ॥ ৯৭৬
ধনে জনে মান্যে, গুণে কুলে শীলে
দেখিয়া মোক বিশিষ্ট।
জনকনন্দিনী, সীতা সুবদনী,
মোকেসে ৰবিব নিষ্ট।
এহি বুলি আতি- শয় ৰঙ্গমনে,
ৰাজাগণ অসংখ্যাত।
কাছি লাসে বেশে, পৰম সুবেশে,
বসিলা গৈয়া সভাত ॥ ৯৭৭

ৰত্ন সিংহাসনে, প্রকাশ কৰয়,
ৰাজাগণ ভাল ভাল।
মেরুৰ উপৰে, যেন জ্যোতি কৰে,
বসি দশ দিকপাল ॥
পাত্র মন্ত্রী যত, ৰাজাৰ পিচত,
বসিলা গৈয়া উৎসুকে।
আন যত জন, মঞ্চত বসিল,
মনত মহা কৌতুকে ॥ ৯৭৮
নটী নাচে গায়ে, মৃদঙ্গ বজারে,
বারে নানা যন্ত্র তাল।
ভাটে চাটুপটু, বোলে মাল সবে,
যুজয় কৰি আস্ফাল ॥
নানাবাদ্য ভণ্ডে, শৱদ প্রচণ্ডে,
কর্ণত হানয় তাল।
ৰঙ্গ ঢঙ্গ বোলে, প্রজাৰ আন্দোলে,
সাগৰ যেন উল্লাস ॥ ৯৭৯

ছবি।

এহিমতে নৃপগণে, জানকী সীতাক মনে,
দিব্য সভা মাজে বসি আছে।
মিথিলাৰ অধিপতি, সভাক নিবাক প্রতি,
কছাইলা সীতাক দিব্য কাছে ॥
আগত সীতাক লৈয়া, সমাজক চলি গৈলা,
নানাবাদ্য শুভ সুমঙ্গলে।
অনেক যুৱতী নাৰী, চলি যায় কাছি পাৰি,
সীতাৰ সঙ্গত কৌতূহলে ॥ ৯৮০
ৰত ইষ্ট বন্ধু জন, পাত্র মন্ত্রী পুত্রগণ,
চলি যান্ত মহা ৰঙ্গ মনে।
হাতে দিব্য ঘট ধৰি, নানা লাসবেশ কৰি,
গায়ন্ত মঙ্গল নাৰীগণে ॥
ব্রাহ্মণ সকলে বেদ, পঢ়ি যান্ত অবিচ্ছেদ,
আতিশয় হৰিষে মনত।
চপয়া পঢ়য় ভাট, নটী সবে কৰে নাট,
কবি লয়লাস নানা মত ॥ ৯৮১
মিথিলাৰ নৃপবৰে, এহিমতে অনন্তৰে,
প্রবেশিলা সয়ম্বৰ শালা।
সীতাও লগত গৈলা, মেকত উদয় ভৈলা,
যেন অভিনৱ চন্দ্রকলা ॥
সীতাৰ মুখৰ কান্তি, দশোদিশে প্রকাশন্তি,
যেন পূর্ণচন্দ্রৰ উদয়।
আছে যত ৰাজাগণ, সবাৰো হৰিষ মন,
দেখি আতি ভৈল তমোময় ॥ ৯৮২

সীতাৰ কমল মুখ, দেখিতে পৰম সুখ,
সমস্তে এৰিল ধৈর্য্যভার।
লাজকাজ পৰিহৰি, চাহয় নয়ন ভৰি,
মদনে কম্পিত সর্ব্ব গার ॥
নভাসয় নেত্রে আতি, কৰয় মদনে সাতি,
আস ইস কৰে উসমিস।
জ্বলে আতি কামানল, কৰে চিত টলবল,
মনে একো নপাৰে উদ্দিশ ॥ ৯৮৩
হৃদয়ত কামশৰে, পশি মহা পীড়া কৰে,
কাহাৰো ক্ষুহিকে মন থিৰ।
চেতন হৰিয়া গৈল, বৃদ্ধ সবো যুবা ভৈল,
দেখি রূপ সীতা গোসানীৰ ॥
নমো নমো ৰঘুনাথ, চৰণত থৈয়া মাথ,
মন মোৰ ৰহোক তোমাত।
সমজ্যাৰ যত লোক, ৰামহৰি বুলিয়োক,
তেবে দুখ তৰিবা সাক্ষাত ॥ ৯৮৪

পদ।

বিশ্বামিত্র বদতি শুনিয়ো ৰঘুবৰ।
সভাত আছিল যত লোক নিবন্তৰ ॥
দেখিয়া সীতাৰ আতি রূপ বিপৰীত।
কামবাণে সবাৰো মোহিত ভৈল চিত ॥ ৯৮৫
যেহি অঙ্গে সীতাৰ পৰিল দৃষ্টি যাৰ।
তাৰ হস্তে পুনৰপি নপলটে আৰ ॥
সবাৰে হৰিল মন সীতাৰ রূপত।
নিসিজিল মন যেন যোগীৰ ব্রহ্মত ॥ ৯৮৬
জানকীৰ মুখচন্দ্রমাক নিৰন্তৰে।
সুন্দৰ অমৃত পিয়ে নয়ন চকোৰে ॥
অমৃতক দেখি যেন লুভীয়া বিস্তৰে।
নতু পূৰে মন যেন লটপট কৰে ॥ ৯৮৭
সেহিমতে জানকীক দেখি ৰাজাগণ।
কেনমতে পাইবো বুলি নসম্বৰে মন ॥
কেহো ৰাজাগণে বসি গুণয় মনত।
বোলো গৈয়া ধৰি জনকৰ চৰণত ॥ ৯৮৮
তোমাৰ দুহিতা সীতা আমাক দিওক।
ভৃত্য বুলি প্রভু মোক কিনিয়া থৈয়োক ॥
সেৱা কৰি তোমাক থাকিবো অহর্নিশ।
নপাইবাহা জোৱাই আন আমাৰ সদৃশ ॥ ৯৮৯
কেহো জনে বোলয় মন্ত্রীৰ চাপো পাশ।
কত লক্ষ ধন দিয়া বুজো তান আশ ॥
মন্ত্রীৰ অধীন ৰাজাগণ নিৰন্তৰ।
তান বোলে কন্যা মোক দিব নৃপবৰ ॥ ৯৯০

কেহো বোলে ধনো লাগ ৰাজাৰ পুত্রৰ।
শাকুতি কাকুতি তাক কৰিবো বিস্তৰ ॥
হাতত ধৰিয়া বাক্য বুলিবো বিনয়।
তোমাৰ ভগিনী মোক দিয়ো মহাশয় ॥ ৯৯১
তযু ভগিনীৰ বৰ আমিসে উত্তম।
পুছি চাৱা আন কোন আছে মোৰ সম ॥
শুনি ৰাজপুত্রে কন্যা আমাকেসে দিব।
ৰাজায়ো পুত্রৰ বাক্য অৱশ্য কৰিব ॥ ৯৯২
কেহো বোলে চাটুবাণী বোলোহো কন্যাক।
শুনিয়ো সুন্দৰী তুমি ৰবিয়ো আমাক ॥
যত ৰাজ্যভাৰ ভার্য্যা আছয় আমাৰ।
আজি ধৰি সকলো তোমাৰ অধিকাৰ ॥ ৯৯৩
থাকিবোহো আমিও তোমাৰ পালি আশ।
কৰোহো শপত যদি সঞ্জাত নযায় ॥
আমাক মহন্ত বুলি জানে সর্ব্ব লোক।
জানিলো নিশ্চয় সীতা ৰবিব আমাক ॥ ৯৯৪
হেঁঠমাথে বসি আলোচয় কতো জন।
সীতাৰ সখীক বোলো কাকুতি বচন ॥
বুজাইয়োক সীতা সতী ৰবোক আমাক।
যেহি চাহা তাকে মই দিবোহো তোমাক ॥ ৯৯৫
স্ত্রীৰ উতলে আতি চিত্ত লোভ পাই।
অৱশ্যে বুলিবে তেবে সীতাক বুজাই ॥
নিশ্চয় ধৰিব সীতা সখীৰ বচন।
এহিমতে আলোচে সকলে ৰাজাগণ ॥ ৯৯৬
শুনিয়োক কথা আবে আত অনন্তৰ।
সমজ্যাত উঠিয়া জনক নৃপবৰ ॥
কৃতাঞ্জলি হুয়া ৰাজা বুলিলা বচন।
সাৱধান হুয়া শুনিয়োক ৰাজাগণ ॥ ৯৯৭
মহা মহা ৰাজা বহু দিন মোৰ ঠাই।
সীতাৰ নিমিত্তে ৰহি আছো দুখ পাই ॥
আজি সবাহানে এক পৰিচ্ছেদা হৌক।
যিমতে কন্যাক পায় তাক শুনিয়োক ॥ ৯৯৮
পূর্ব্বকালে হৰে মৃগ মাৰিয়া বনত।
এৰি গৈলা ধনুখান মোৰ দুৱাৰত ॥
পৰম সুদৃঢ় ধনু যেন বজ্রসাৰ।
ঘৰে আনি থৈয়া কৰিলোহা অঙ্গীকাৰ ॥ ৯৯৯
পাৰয় ধনুত যেহি গুণ লগাইবাক।
সুচন্দ্রবয়নী সীতা দিবোহো তাহাক ॥
আছোহো পূর্ব্বত এহি অঙ্গীকাৰ কৰি।
এবে সেহি গুণ দিবে পাৰে ধনু ধৰি ॥ ১০০০
তাহাকে ৰবিব সীতা বুলিলো নিশ্চয়।
এহি বুলি লোক পাঞ্চি দিলা মহাশয় ॥

ৰৰ ঘৰ মাজে থৈয়া আছে ধনুখান।
সাঙ্গি বান্ধি সমজ্যাক লাগি গৈয়া আন ॥ ১০০১
ৰাজাৰ বচন শুনি তেতিক্ষণে গৈল।
অর্ব্বুদেক লোকে ধনু সাঙ্গি কৰি লৈল ॥
কুজি মুজি হুয়া সবে আনে বল দিয়া।
আদখান ধনু আসে মাটিত লুটিয়া ॥ ১০০২
যেনে তেনে আনি সমাজৰ মাজে থৈল।
দেখিয়া ধনুক ৰাজাগণ ভয় ভৈল ॥
আছো গুণ দিব দাঙিবাকো নাই সাস।
জানকীৰ মুখ চাই তেজয় নিশ্বাস ॥ ১০০৩
সম্যজাত ধনু থৈয়া জনক নৃপতি।
সীতাক বোলন্ত শুনিয়োক মহাসতী ॥
তোক আশা কৰি মহা মহা ৰাজাচয়।
ৰাজ্য এৰি ৰবিষেক প্রবাস খাটয় ॥ ১০০৪
একৈ একৈ ৰাজা সুৰপতিৰ সমান।
তোমাৰ কাৰণে আসি আছে মোৰ থান ॥
সুৱর্ণৰ মালা গাচি ধৰিয়া হাতত।
এতিক্ষণে থাকা গৈয়া সভাৰ মাজত ॥ ১০০৫
ধনুত লাগাইবে গুণ যিজনে পাৰয়।
সেহি নিজ পতি তযু জানিবা নিশ্চয় ॥
তান মাথে মালা দিয়া কৰি নমস্কাৰ।
ৰবিবাহা গই একো নকৰি বিচাৰ ॥ ১০০৬
শুনিয়া জানকী পাচে পিতৃৰ বচন।
সখীৰ মাজক চলি গৈলা তেতিক্ষণ ॥
সুৱর্ণৰ মালা মাৱ হাতে তুলি লই।
পৃথিবীক নিৰক্ষীয়া থাকিলন্ত ৰই ॥ ১০০৭
জনকে বুলিলা ৰাজাগণক বচন।
লগায়ো পচাৰ জানকীক যাৰ মন ॥
জনকৰ বাণী শুনি কতোহো নৃপতি।
কৰন্ত যতন গুণ লগাইবাক প্রতি ॥ ১০০৮
কৰে উসমিস উঠে বসে কতো জন।
আগে পাচে চাৱে কতো চোবাৱে দশন ॥
বাহু নিৰখিয়া কতো ফোফায় যেন নাগে।
ভাঙ্গো ধনু আজি কোন বস্তু মোৰ আগে ॥ ১০০৯
দেখোক সকলে বাহুবলৰ মহত।
প্রথমত উঠি গৈলা ৰাজা শুভদত্ত ॥
ওচৰ চাপিয়া গৈয়া আস্ফোট কৰিল।
বাহু দাক্ষি মাৰি বীৰে ধনুক ধৰিল ॥ ১০১০
অনেক যতনে ধনু ধৰি বল দিল।
গুণ দিবে ছাৰি লাৰিবাকো নপাৰিল ॥
শুভদত্ত ৰাজাৰ ভাগিল চটমটি।
লাজ হুয়া আসনত বসিলা পালটি ॥ ১০১১

আত অনন্তৰে শতধনু নৃপবৰ।
মই গুণ দিবো বলি চাপিলা ওচৰ ॥
দশন কামুৰি শৰীৰৰ বলে ধৰি।
কতো বেলি চাহিলেক দঙ্গাদঙ্গি কৰি ॥ ১০১২
বল দিয়া চাইল ৰাজা অনেক প্ৰকাৰে।
আছো গুণ দিবো ধনু লাৰিবে নপাৰে ॥
তাক দেখি হাসিলন্ত সকল সমাজ।
বসিল উলটি শতধনু হুয়া লাজ ॥ ১০১৩
তাত অনন্তৰে মগধৰ নৰেশ্বৰ।
আতি বৰ বলবন্ত পৰম প্ৰখৰ ॥
মই গুণ দিবো বুলি হাস্ফোলিয়া গৈল।
উলটি বসিল আতি ভ্ৰমা যেন ভৈল ॥ ১০১৪
লাৰিবে নপাৰে ধনু অনেক যতনে।
তাক দেখি ৰিঙ পাৰি হাসে সৰ্ব্ব জনে ॥
মগধৰ ৰাজাৰ মহা গৰ্ব্ব ভাঙ্গি গৈল।
উলটি বসিল আতিশয় লাজ ভৈল ॥ ১০১৫
ক্ষীৰোদধি তীৰে বসে উত্তৰ দিশত।
সনাতন নামে ৰাজা অনন্ত ভকত ॥
হুঙ্কাৰতে সমস্তে ৰাজাৰ মান লয়।
লক্ষ্মী সৰস্বতী যেবে কন্দল কৰয় ॥ ১০১৬
তাৰা দুইকো বুজাই ৰাজা ভাঙ্গয় কন্দল।
পৰমবিক্ৰমী ৰাজা আতি মহাবল ॥
হেন ৰাজা গুণ দিবে গৈলা বলে ৰাগি।
দাঙ্গিবাকো নপাৰি বসিল গৰ্ব্ব ভাগি ॥ ১০১৭
বৰ বৰ ৰাজা লাজ ভৈল বিপৰীত।
দেখি সবে নৃপতিৰ চমকিল চিত ॥
বলহীন মন ভৈল মুণ্ড নলাৰয়।
পৰিল নিজম হুমনিশ্বাস তেজয় ॥ ১০১৮
নোতোলয় মাথা মনে মিলে মহাদুখ।
কেৰ চকু কৰি জানকীৰ চাৰে মুখ ॥
ধনুক দেখিয়া পুনু চপৰাৰে মাথ।
বিবৰ্ণ বদনে গুণে গালে দিয়া হাত ॥ ১০১৯
হৰি হৰি আজি বিধি কি কাম কৰিলো।
মান্য হেকৰাইলো আউৰ লাজতে মৰিলো ॥
ধনুত লাগাইবে গুণ গৰ্ব্ব কৰি গৈলো।
আছোক লগাইবো গুণ লঘুমাত্ৰ ভৈলো ॥ ১০২০
আগে জানো নপাৰিবো উঠি গৈলো কিক।
সমাজত লঘু ভৈলো মৰণতোধিক ॥
আসিলোহো যত ৰাজ্য ভোগ পৰিহৰি।
ৰৰিষেক আছো জানকীক আশা কৰি ॥ ১০২১
সীতাক নপাইলো আৰো গৰ্ব্ব ভৈল ছন।
ধনুৰূপে বিধাতা কৰিলে বিড়ম্বন ॥

আপোনাৰ নিজ ভাৰ্য্যা কৰি পৰিহাৰ।
জানকীৰ আশা মাত্ৰ কৰিলো অপাৰ ॥ ১০২২
নপাইলোহো সীতাক লভিলো বৰ দুখ।
কিমতে চাইবো পূৰ্ব্ব কামিনীৰ মুখ ॥
আমাক এৰিয়া বিহা কৰিবাক গৈলা।
কি কাৰ্য্যক আমাৰ পাশক আহি ভৈলা ॥ ১০২৩
যি জনীক ৰাজা আনি আছা বিহা কৰি।
হৈবেক সিজনী জানো পৰম সুন্দৰী ॥
তাইৰ পাশত থাকা কৰি সুখভোগ।
আমি পুনু নৃপতি তোমাৰ নোহো যোগ ॥ ১০২৪
এহিমতে বিস্তৰ কৰিব পৰিহাস।
চাপিৰো কিমতে আৰে তাসম্বাৰ পাশ ॥
কিসক আসিলো মই কি কাম কৰিলো।
সীতাৰ আশায়ে নিজ ভাৰ্য্যাতো নৰৈলো ॥ ১০২৫
এক বাস চাহন্তে হৰাইলো দুয়ো বাস।
এহি বুলি ঘনে ঘনে তেজয় নিশ্বাস ॥
দিবে পাৰো ধন জন যতেক খোজয়।
ধনুত লগাইবে গুণ কিসক বোলয় ॥ ১০২৬
নভৈল সুবুদ্ধি ইটো জনক ৰাজাৰ।
কিসক কৰিল হেনমত অঙ্গীকাৰ ॥
ধনুত লগাইবে গুণ নপাৰিলে কেৱে।
জানিলোহো জীয়েকক নিবে মহাদেৱে ॥ ১০২৭
আমি সবে গৃহক নযাইৱো এতিক্ষণ।
ধনুত লগাইবে গুণ চাহো কোন জন ॥
এহি বুলি গোষ্টি কৰি যতেক নৃপতি।
স্বয়ম্বৰ সভা মাজে আছন্ত সম্প্ৰতি ॥ ১০২৮
আমি চলি যাওঁ আসা সেই সমজ্যাক।
পাৰিবা ধনুত তুমি গুণ লগাইবাক ॥
তোমাৰ বিক্ৰম ৰাম কহিবোহো কিক।
ধনু ভাঙ্গি বিবাহ কৰিয়ো জানকীক ॥ ১০২৯
জানকীৰ সয়ম্বৰ শুনি অনুপাম।
হাসিয়া ঋষিক পাচে বুলিলন্ত ৰাম ॥
শুনা ঋষিৰাজ মই কহো স্বৰূপত।
পিতৃ পঠাই দিয়া আছে তোমাৰ লগত ॥ ১০৩০
যি কাৰ্য্যক লাগি তুমি পাঞ্চাহা আমাক।
অৱশ্যকে লাগে মোৰ তাকে কৰিবাক ॥
বুলিলাহা যাও তযু সঙ্গে মিথিলাক।
কেনমত ধনুখান দেখিবোহো তাক ॥ ১০৩১
ৰামৰ বচনে বিশ্বামিত্ৰ বঙ্গ ভৈলা।
ৰাম লক্ষ্মণক ঋষিৰাজ লগে লৈলা ॥
কুতূহলে মিথিলাক কৰিলা গমন।
পিচত চলিলা অসংখ্যাত শিষ্যগণ ॥ ১০৩২

কত দূৰ যাস্তে ভৈলা সূৰ্য্য অস্তগত।
ৰহিলন্ত গৈয়া এক নদীৰ কুলত ॥

কান্যকুব্জ দেশৰ ৱৃত্তান্ত।

ঋষিত পুছিলা ৰামে কৰিয়া সাদৰ।
কাৰ ইটো ৰাজ্য কহিয়োক মুনিবৰ ॥ ১০৩৩
মুনিয়ে বোলন্ত ৰাম শুনিয়ো হৰিষি।
কুশধ্বজ নামে আছিলন্ত ৰাজ ঋষি ॥
উপজিল তান ঘৰে কন্যা এক শত।
বিদ্যাধৰী সবে সম ৰূহিকে ৰূপত ॥ ১০৩৪
নৃত্য গীত কৰি সদা থাকে পুষ্পবনে।
দেখি কামে বিমোহিত ভৈলন্ত পৱনে ॥
আসিলন্ত বায়ু পাচে তাসম্বাৰ পাশ।
কৰিলন্ত কন্যাগণে তাহাক নৈৰাশ ॥ ১০৩৫
দেখি কোপ কৰি বায়ু ঊনপঞ্চাশত।
ভাঙ্গিলন্ত মধ্যদেহ পশি শৰীৰত ॥
কান্যকুব্জ নাম দেশ ভৈল সেহি ধৰি।
কুশধ্বজে মনত আছন্ত চিন্তা কৰি ॥ ১০৩৬
তাহান পাশক আইল ঋষি ব্ৰহ্মদত্ত।
তাহাক দিলন্ত দান কন্যা একশত ॥
তুষ্ট ভৈলা ব্ৰহ্মদত্ত পায়া কন্যাগণ।
হৰিষে বুলিলা কুশধ্বজক বচন ॥ ১০৩৭
হৈবেক তোমাৰ এক তনয় উত্তম।
এহি বুলি গৈলা ঋষি আপোন আশ্ৰম ॥
হৰিষে আছন্ত কুশধ্বজ মহাশয়।
ভৈলন্ত সুপাশু নামে তাহান তনয় ॥ ১০৩৮
কুশনাভ নামে পুত্ৰ ভৈল সুপাশুৰ।
ভৈলন্ত তাহান গাধি নামে পুত্ৰৱৰ ॥
আমাৰ জনক গাধি জানা মহাশয়।
বিশ্বামিত্ৰ নামে আমি গাধিৰ তনয় ॥ ১০৩৯
বংশাৱলী কথা ৰাম কহিলো নিশেষ।
কান্যকুব্জ নামে আমাসাৰ নিজ দেশ ॥

ঊনপঞ্চাশত বায়ুৰ উৎপত্তি বিৱৰণ।

পুনৰপি ৰামে কথা পুছিলা ঋষিত।
এক লোকপাল বায়ু জগতে বিদিত ॥ ১০৪০
কিমতে পৱন ভৈলা ঊনপঞ্চাশত।
শুনি বিশ্বামিত্ৰে কথা কহন্ত ৰামত ॥
আছন্ত কাশ্যপ মৰীচিত হস্তে হুই।
দিতি আৰু অদিতি তাহান ভাৰ্য্যা দুই ॥ ১০৪১
কাশ্যপক সেৱা দুয়ো কৰে অনুক্ষণ।
দুইত হস্তে উপজিল দেৱাসুৰগণ ॥
অদিতিত হস্তে দেৱগণ ভৈলা জাত।
দিতিত অসুৰ ভৈলা জগতে প্ৰখ্যাত ॥ ১০৪২
সৰ্ব্বকালে দেৱাসুৰে কৰয় কন্দল।
দেৱতাক জিনিলা অসুৰ মহাবল ॥
পাচে দেৱতাক শিক্ষা দিলা নাৰায়ণ।
ভৈল সমৱস্তি যত দেৱাসুৰগণ ॥ ১০৪৩
কৰিলা যুকুতি দেৱাসুৰ নিৰন্তৰ।
পাই দিব্য অমৃতক মথিয়া সাগৰ ॥
অজৰ অমৰ হৈবো ভুঞ্জিয়া অমৃত।
এহি বুলি দেৱাসুৰে কৰি এক চিত্ত ॥ ১০৪৪
মথিলন্ত গৈয়া পাচে ক্ষীৰোদ সাগৰ।
কৰিলা মথনি দাণ্ডি পৰ্ব্বত মন্দৰ ॥
সৰ্পৰাজ বাসুকীক জৰী কৰিলন্ত।
লাঙ্গুলৰ ভিতি দেৱগণে ধৰিলন্ত ॥ ১০৪৫
দৈত্যগণে টানি ধৰি সৰ্পৰ শিৰত।
উপজিল কালকূট বিষ প্ৰথমত ॥
দেখি ভয় ভৈলা দেৱাসুৰ নিৰন্তৰে।
তাক পান কৰি জীৰ্ণ কৰিলন্ত হৰে ॥ ১০৪৬
দিব্য নাৰী অপেশ্বৰাগণ ভৈলা জাত।
তাৰে অনুচৰী উপজিলা অসংখ্যাত ॥
অপেশ্বৰী সমস্তক দেৱগণে নিল।
দেখি দৈত্য সকলৰ অসুখ মিলিল ॥ ১০৪৭
উপজিল উচ্চৈশ্ৰৱা ঘোৰা অনুপাম।
ভৈলা জাত কল্পতক পাৰিজাত নাম।
আঠ গোট দিগ্‌গজ ভৈলেক উপগত।
উপজিল আসি গজৰাজ ঐৰাৱত ॥ ১০৪৮
দিব্যমণি কৌস্তভ জন্মিল তেজোময়।
মাধৱৰ কণ্ঠ মাজে প্ৰকাশ কৰয় ॥
জগতজননী লক্ষ্মী ভৈলন্ত বেকত।
বিষ্ণুক ৰৰিয়া ৰহিলন্ত হৃদয়ত ॥ ১০৪৯
লৈয়া মদ্য কলস ৰাৰুণী উপজিল।
গন্ধ পায়া দানৱ সকলে তাক নিল ॥
অনন্তৰে আসি উপজিলা ধন্বন্তৰী।
সম্পূৰ্ণ অমৃত ঘটে আছা হাতে ধৰি ॥ ১০৫০
দেখি দেৱ দানৱৰ হৰিষ মিলিল।
দেৱতাক হেলি দৈত্যগণে তাক নিল ॥
পাচে নাৰায়ণে দুখ দেখি দেৱতাৰ।
ধৰিলন্ত মাধৱে মোহিনী অৱতাৰ ॥ ১০৫১

কপটৰ ছলে বঞ্চি দৈত্য সমস্তক।
পিয়াইলা অমৃত হৰি দেৱতা সবক॥
অজৰ অমৰ দেৱ ভৈলা সেহি ধৰি।
দৈত্যক বধিলা দেৱে ঘোৰ ৰণ কৰি॥ ১০৫২
শুনি দিতি ধৰি কাশ্যপৰ চৰণত।
কৰন্ত ক্রন্দন দেবী পৰম শোকত॥
কিসক কান্দস দেবী কাশ্যপে পুছিলা।
পাচে দিতি কাশ্যপত দুখ নিবেদিলা॥ ১০৫৩
মোৰ পুত্রগণক মাৰিলা পুৱন্দৰ।
অমৃতক খায়া ভৈলা অজৰ অমৰ॥
দুগুচয় মোৰ হৃদয়ৰ পুত্রশোক।
মোৰ পুত্র ইন্দ্র হৌক বৰ দিয়া মোক॥ ১০৫৪
বৰ দিয়া কাশ্যপে বুলিলা হাস্য কৰি।
শুচি হুয়া গর্ভ তুমি ধৰিবা সুন্দৰী॥
নিয়মে থাকিবে পাৰা দ্বাদশ বৎসৰ।
হৈবে তযু পুত্র ইন্দ্র দিলো মই বৰ॥ ১০৫৫
শুনি দিতি কাশ্যপ ঋষিক সেৱা কৰি।
শুচি হুয়া গর্ভ পাচে ধৰিলা সুন্দৰী॥
হেন দেখি পুৱন্দৰ ত্রাস আতি ভৈলা।
কপটে দিতিক সেৱা কৰিবাক লৈলা॥ ১০৫৬
ছিদ্র পাইলে আন গর্ভ কৰিবো বিনাশ।
অহর্নিশি দিতিৰ নছাৱে ইন্দ্রে পাশ॥
যেতিক্ষণ যেহি লাগে যোগান্ত সকল।
গর্ভ নষ্ট কৰিবাক নপাৱন্ত ছল॥ ১০৫৭
গর্ভভৱে দিতি নিয়মক পাসৰিলা।
মুক্ত কেশে সন্ধ্যা বেলা শয়ন কৰিলা॥
পশ্চিমে চৰণ দিয়া পূর্ব্ব দিশে শিৰ।
হেন ছিদ্র পায়া হাসিলন্ত পুৱন্দৰ॥ ১০৫৮
মায়া বলে গর্ভত পশিলা বজ্র ধৰি।
কাটিলন্ত ছৱালক সাতখান কৰি॥
তাকো সাত সাত খান কৰিলা গর্ভত।
কান্দয় ছৱাল হুয়া উনপঞ্চাশত॥ ১০৫৯
চেতন লভিয়া দিতি দেখিলা বিস্ময়।
কিসক মাৰস ছাৱা ইন্দ্রক বোলয়॥
শুনি ইন্দ্রে বুলিলন্ত দিতিক বচন।
যি কাৰণে অনিয়মে কৰিলা শয়ন॥ ১০৬০
সি কাৰণে গর্ভ নষ্ট কৰিলো তোমাৰ।
দেৱ হুয়া থাকিবেক লগত আমাৰ॥
বিশ্বামিত্রে বোলে ৰাম কহিলো বেকত।
উনপঞ্চাশত বায়ু ভৈলা এহিমত॥ ১০৬১
ৰঞ্চিলা ৰজনী ৰাম হেন কথা মাতে।
তৈৰপৰা চলি গৈলা ৰজনী প্রভাতে॥
গৌতমৰ আশ্রমক দেখি অনুপাম।
কৌতুকে ঋষিত কথা পুছিলন্ত ৰাম॥ ১০৬২
কাৰ ইটো আশ্রম কহিয়ো তপোধন।
নানা ফলে ফুলে দেখিবাক সুশোভন॥
সর্ব্বশূন্য আশ্রম নেদেখো একো প্রাণী।
ঋষিয়ে বোলন্ত ৰাম শুনিয়োক বাণী॥ ১০৬৩
ভাল সুমৰাইলা ৰাম কমললোচন।
ইঠাইত তোমাৰ কিছু আছে প্রয়োজন।

অহল্যাৰ মুক্তি ঃ

পাচে ৰাম লক্ষ্মণক লৈয়া ঋষিৰাজ।
প্রবেশিলা গৈয়া পাচে আশ্রমৰ মাজ॥ ১০৬৪
গৌতম ঋষিৰ শাপ লভিয়া প্রচণ্ড।
আছন্ত অহল্যা সতী হুয়া শিলাখণ্ড॥
বিশ্বামিত্রে ৰামক বুলিলা মৃদুভাৱে।
এহি শিলাখণ্ড ৰাম পৰশিয়ো পাৱে॥ ১০৬৫
শুনি ৰামে শিলে মাত্র পৰশিলা পাৱ।
শাপ এৰাই অহল্যা ভৈলন্ত শুদ্ধ ভাৱ॥
ঈশ্বৰৰ পদধূলা জগত দুর্লভ।
মহা মহা মহন্তৰ দুহিকো সুলভ॥ ১০৬৬
হেনয় ধূলাক সুখে অহল্যা পাইলন্ত॥
তাহান ভাগ্যৰ কোনে কহিবেক অন্ত॥
ঘোৰ ঋষি শাপ এৰাই প্রকাশন্ত জ্যোতি।
দেখিয়া ঋষিত ৰামে পুছিলন্ত মাতি॥ ১০৬৭
কিবা নাম আন এন্তে ভার্য্যা বা কাহাৰ।
পৰম সুন্দৰী আতি ৰূপ চমৎকাৰ॥
শিলা হুয়া আছে কেনে শূন্য আশ্রমত।
ইহাৰ কাৰণ কহিয়োক স্বৰূপত॥ ১০৬৮
শুনি বিশ্বামিত্রে দিলা ৰামক উত্তৰ।
ইহান অহল্যা নাম ভার্য্যা গৌতমৰ॥
মহাঋষি গৌতমক জগতে জানয়।
তান তপ দেখি ইন্দ্র ভৈল মহাভয়॥ ১০৬৯
ৰাত্রি দিনে মানে তান সুখ শান্তি নাই।
আন তপ ভঙ্গ কৰো কমন উপায়॥
ইটো ঋষি যেনে তপ কৰয় দুর্ঘোৰ।
কোন দিন ইন্দ্রপদ কাঢ়ি লৈবে মোৰ॥ ১০৭০
মদনক আনি পাঞ্চিলন্ত পুৱন্দৰ।
যেনে তেনে তপ ভঙ্গ কৰা গৌতমৰ।
শুনিয়া মদনে বোলে নাপাওঁ আমি সাস।
জাজ্বল্য বহ্নিত কোনে কৰিবেক ঝাস॥ ১০৭১

জীয়ন্ত যমৰ কোনে চাপিবেক পাশ।
শুনি পুৱন্দৰে দীর্ঘ তেজিলা নিশ্বাস॥
দিগপাল সমস্তক বুলিলা সভাত।
কৰা সবে গৌতমৰ তপক বিঘাত॥ ১০৭২
দেৱগণে বচন বুলিলা একে বাৰে।
কালকূট খায়া কোনে মৰিবাক পাৰে॥
যদি স্বর্গপদ ঋষি লন্ত এতিক্ষণে।
তথাপিতো আগবাঢ়ি মৰিবো কমনে॥ ১০৭৩
দেৱতা সবক ইন্দ্রে বুলিলেক বাণী।
স্বর্গপদ লৈলে তোমাসাৰ কিবা হানি॥
যেহি ইন্দ্র হোৱে তুমিসব হৈবা তাৰ।
মোৰেসে কেৱলে মাত্র গুচে অধিকাৰ॥ ১০৭৪
গৌতমৰ তপ ভঙ্গ মই কৰো যাই।
কিন্তু তুমিসব হৈবা পিচত সহায়॥
এহি বুলি নিশ্চয় কৰিয়া দেৱৰাজ।
আসিলন্ত গৌতমৰ তপোবন মাজ॥ ১০৭৫
ঋষিক দেখিয়া মহাভয়ে ভীত ভৈলা।
মায়া কৰি গৃহৰ ওচৰ চাপি ৰৈলা॥
প্রভাতৰ কার্য্য যত কৰি সমাপতি।
ফলমূল আনিতে গৌতম মহামতি॥ ১০৭৬
প্রবেশিলা গৈয়া উপবনে আশ্রমৰ।
পাচে অহল্যাক দেখিলন্ত পুৱন্দৰ॥
ত্রৈলোক্যমোহিনী আতি পৰম সুন্দৰী।
দুহিকে সমান বিদ্যাধৰী অপেশ্বৰী॥ ১০৭৭
অহল্যাৰ ৰূপে বাসৱক পৰশিল।
কামে বিমোহিত হুয়া বুলিবে লাগিল॥
গৌতমৰ তপ ভঙ্গ এখন আছোক।
অহল্যাৰ ৰূপে আতি মোহিলেক মোক॥ ১০৭৮
মোক্ষ দুহিবেক আন সঙ্গমৰ সৰি।
কোন ছাৰ স্বর্গ বিদ্যাধৰী অপেশ্বৰী॥
আহান অধৰমধু পিবে যেবে পায়।
তেবে কোটি কোটি অমৃততো কার্য্য নাই॥ ১০৭৯
আক এৰি স্বর্গে গৈয়া কি কাম কৰিবো॥
প্রাণে যদি মৰো আজি তথাপি হৰিবো॥
এহি বুলি ইন্দ্রে মনে গুণিয়া অশেষ।
গৌতম ঋষিৰ পাচে ধৰিলন্ত বেশ॥ ১০৮০
গৃহত প্রবেশ পাচে ভৈলা ছদ্ম কৰি।
স্বামী আসিবাৰ দেখি অহল্যা সুন্দৰী॥
আথবেথ কৰিয়া আসন আনি দিল।
কৰণ্ডি পেলায়া থৈয়া আসনে বসিল॥ ১০৮১
অহল্যা মধুৰ বাণী পুছিলা সাদৰে।
অৰণ্যক নগৈ কেনে উলটিলা ঘৰে॥
ইন্দ্রে মনে বোলে বিধি সুপ্রসন্ন ভৈলা।
ছদ্মৰূপে গৌতমে মাতিবে পাচে লৈলা॥ ১০৮২
কি পুছস সুন্দৰী বিপাক আজি মোৰ।
ঘৰ হন্তে যাহন্তে দেখিলো মুখ তোৰ॥
শৰত কালৰ পূর্ণচন্দ্র দুহি সৰি।
কাম বাণে পীড়া মোক কৰে সেহি ধৰি॥ ১০৮৩
বিহা কৰি আনিবাৰপৰা কদাচিত।
হেনমত ৰূপ নতো দেখো বিপৰীত॥
আজি জানো বিধাতা কৰিল বিড়ম্বন।
তোহোৰ নিমিত্তে পীড়া কৰয় মদন॥ ১০৮৪
চল যাও শয্যাক পুছস আৰ কিক।
শুনিয়া অহল্যা সতী বোলয় স্বামীক॥
আজি দেখো তুমি প্রভু কেনমত ভৈলা।
লাজ কাজ তপ ব্রত পাচ কৰি থৈলা॥ ১০৮৫
ত্রিজগতে জানে তুমি মহা মুনিবৰ।
তোমাৰ অকার্য্যে হাসিবেক নিৰন্তৰ॥
সমস্তে শাস্ত্রত তুমি আপুনি পার্গত।
কৰিব আলাপ স্ত্রীক ঋতু সময়ত॥ ১০৮৬
ঋষিসকলৰ ধর্ম্ম এহি সে নিশ্চয়।
ঋতু বাজে স্ত্রীক আলাপিলে পাপ হয়॥
তুমি কেনে ঋতু বিনে কৰিবা আলাপ।
নপাৱোহো বুজিবে তোমাৰ কিবা কাপ॥ ১০৮৭
মোকেসে পৰীক্ষা কৰা জানিলোহো নিষ্ঠ।
দুহি কেনে ইবোল বুলিলা তুমি শিষ্ট॥
হেন শুনি কপট গৌতমে বোলে বাণী।
ভাল তুমি অহল্যা বুলিলা ধর্ম্ম জানি॥ ১০৮৮
কিন্তু মোৰ ধর্ম্ম তুমি কৰিলা বিঘাত।
তোমাৰ ৰূপেসে কামে কৰে উতপাত॥
যিহেতু ভৈলাহা তুমি পৰম সুন্দৰী।
ত্রৈলোক্যৰ ৰূপ থৈলে এক স্থান কৰি॥ ১০৮৯
যিকালত বিহা কৰি তোমাক আনিলো।
হৈবে মোৰ ধর্ম্ম নষ্ট তেখনি জানিলো॥
তোমাৰ ৰূপত যাৰ নিমজিল মন।
ৰাখিবেক ধর্ম্ম হেন আছে কোন জন॥ ১০৯০
আজি যেবে প্রাণ ৰহে মদন অনলে।
তবে তপ ধর্ম্ম কর্ম্ম পাইবোহো সকলে॥
এখনে কামিনী মোৰ প্রাণ ৰক্ষা কৰা।
চলিয়োক শয্যাক বিলম্ব পৰিহৰা॥ ১০৯১
পুনৰপি বুলিলন্ত অহল্যা বচন।
শুনিয়োক প্রভু তুমি থিৰ কৰা মন॥
হৰিক সুমৰি ব্রহ্মমন্ত্র কৰা জপ।
কপট গৌতমে বোলে এৰা কাপ ঝাপ॥ ১০৯২

বাৰম্বাৰ হৰি স্মৰি ধৰিলো ধিয়ান।
তোক বিনে সমাধিতো নেদেখিলো আন॥
কিবা মোক বুজাস নজানো কিবা মই।
মোত কৰি অধিক পণ্ডিত ভৈলি তই॥ ১০৯৩
কামবাণে ফুটি মোৰ প্ৰাণ সঙ্কলয়।
কামাতুৰ ভৈলে পৰদাৰকো হৱয়॥
কৰিলন্ত ব্ৰহ্মা নিজ দুহিতা আলাপ।
তথাপিতো তান্ত দেখো নিসিজিল পাপ॥ ১০৯৪
নিজ ভাৰ্য্যা আলাপিবো দোষ আত বৱ।
মোৰ প্ৰাণ যায় তই পাতস জগৱ॥
অহল্যা গুণয় জানো মিলয় অকাজ।
আলাপ নাপাই শাপিবেক ঋষিৰাজ॥ ১০৯৫
জানিলোহো বিধাতা আমাক বিড়ম্বিল।
মহাভয় হুয়া আতি বচন বুলিল॥
শুনিয়োক মহাঋষি বচন আমাৰ।
ধৰ্ম্মত থাকিয়া বুজাইলোহো বাৰ বাৰ॥ ১০৯৬
স্ত্ৰী জাতি কিবা আমি জানো শাস্ত্ৰচয়।
আন আন মহা ঋষি তোমাত পুছয়॥
তথাপিতো কৱা যদি ধৰ্ম্ম পৰিত্যাগ।
দিবা শুচি আসি তেবে হোক নিশা ভাগ॥ ১০৯৭
দিনত শৃঙ্গাৰ ধৰ্ম্ম নুহিকে উচিত।
সামান্য জনৱো ইটো আতি গৱহিত॥
মায়াবী গৌতমে বোলে শুনা প্ৰাণেশ্বৰী।
তই ধৰ্ম্ম চিনাস আছিলো মই মৰি॥ ১০৯৮
কামাতুৰ ভৈলে তাৰ ধৰ্ম্ম কৈত আছে।
চল যাও শয্যাক বুজাবি মোক পাচে॥
অহল্যা বোলয় যেনে লাগে কৱা তাক।
হাতে কোনে পাৱয় হস্তীক ঠেলিবাক॥ ১০৯৯
শুনি বাসৱৰ আতি ৱঙ্গ ভৈলা মনে।
আথৱেথ কৰিয়া উঠিল তেতিক্ষণে॥
শয্যাক নিলন্ত তাক ধৰিয়া হাতত।
কৰিলা অনেক ক্ৰীড়া কামে হুয়া মত্ত॥ ১১০০
মহাকামাতুৰ ইন্দ্ৰ ৱতিত কুশল।
ষোড়শ শৃঙ্গাৰ ভাৱ দেখাইলা সকল॥
দেখিয়া বিস্ময় মন ভৈল অহল্যাৰ।
গৌতম ঋষিৰ নোহে ইমত শৃঙ্গাৰ॥ ১১০১
জানিলো নুহিকো ইটো বাসৱত পৱ।
এহি বুলি ভৈলা দেবী শয্যাৰ অন্তৱ॥
ভৈলো সৰ্ব্বনাশ বুলি ভৈলা মহাভয়।
থিৰ নোহে হাত ভৰি শৰীৰ কম্পয়॥ ১১০২
মাতিলা অহল্যা পাচে কোপ কৰি মন।
অৱে তই কহ কোন পৱম দুৰ্জ্জন॥

শুনিয়া ইন্দ্ৰৰ ভয়ে গৰ্ভ গৈল গলি।
প্ৰকম্পিত হুয়া মাতিলন্ত কৃতাঞ্জলি॥ ১১০৩
শুনিয়োক মহামতি মই দেৱৰাজ।
আনে কোনে কৰিবেক ইমত অকাজ॥
অহল্যা বোলন্ত দুৱ গুচ দুৰাচাৰ।
পতিব্ৰতা ধৰ্ম্ম নষ্ট কৰিলি আমাৰ॥ ১১০৪
শাপি তোক এখনে কৰিবে পাৱো ছাই।
তথাপিতো মোৰ আৱো পৰিক্ৰিয়া নাই॥
অৱশ্যকে মই ঘোৰ নৱকক যাইবো।
তোক শাপ দিয়া মই কোন ফল পাইবো॥ ১১০৫
মই তোক কিবা কাজে কৰিবোহো দণ্ড।
স্বামীৰ শাপত তোৰ হৈবে লণ্ডভণ্ড॥
যি ভৈল সি ভৈল মোৰ শুনৱে ৱৰ্ব্বৰ।
তই মাত্ৰ আপোনাৰ প্ৰাণ ৰক্ষা কৰ॥ ১১০৬
নতো পান্ত আসি তোক গৌতমে যাৱত।
সত্ৱৰে এথাৰ পাপী অন্তৰ তাৱত॥
হেন শুনি মহাভয় লাজে পুৱন্দৰ।
তেখনে ধৰিলা বেশ বৃদ্ধ ব্ৰাহ্মণৰ॥ ১১০৭
শণ পাঞ্জি হেন কেশ ভোৱোকাৰ দাড়ি।
ভগা ছাতি খানি বাম কান্ধে আছে পাৰি॥
হাতে গলে শিৱে মালা আছে ৰুদ্ৰাক্ষৰ।
লৱ লৱ দান্ত ফোটা কৱে চৱচৱ॥ ১১০৮
কৱে কম্পকম্প হাত পাৱ নুহি থিৰ।
কাখে ভগী জুলি লাখুটিত দিয়া ভিৱ॥
ভিক্ষুকৰ বেশে নঙলাৰ ভৈলা বাজ।
সেহি বেলা আসিলা গৌতম ঋষিৰাজ॥ ১১০৯
সাৰি যাও বুলি আগে বেগ দিয়া গৈল।
গৌতমক দেখি পাচে বেগ থিৰ ভৈল॥
কাশে ঢুলুঢুলু কৰি থিৰ নুহি মন।
গৌতম বোলন্ত ইটো যায় কোন জন॥ ১১১০
কাহাকো নেদেখি আগে গৈল সৱসৰি।
মোকে দেখি ইহাৰ কম্পয় হাত ভৰি॥
নুহিকে ভিক্ষুক ইটো জানিলো নিশ্চয়।
কপট ব্ৰাহ্মণ বেশ ভৈল মোক ভয়॥ ১১১১
আন কোনো নোহে ইটো জন পুৱন্দৰ।
ছদ্মৰূপে জানো বিধ্বংসিল্ মোৰ ঘৱ॥
এহি বুলি গৌতমে কৰিয়া মনে হাস।
মাতিলন্ত ৱহ অৱে কোন তই যাস॥ ১১১২
শুনিয়া বাসৱে আতি ভৈলা ভয়ে ত্ৰাস।
নিশ্বাস তেজিয়া বোলে ভৈলো সৰ্ব্বনাশ॥
হা কি কৰিলো কোন সময়ে লৰিলো।
গৌতমস্বৰূপ মৃত্যুমুখত পৰিলো॥ ১১১৩

নাই শ্ৰুতি জ্ঞান ভয়ে উৰি গৈল জীৱ।
কপট এৰিয়া গৈয়া আগে ভৈলা থিৰ॥
যম যেন গৌতমক দেখন্ত সাক্ষাত।
মৱা যেন ভৈল থিৰ নুহি ভৰি হাত॥ ১১১৪
নাই মাত বোল আতি সেপকে নোঢোকে।
বুঢ়া বানৱক যেন পাইল পুত্ৰ শোকে॥
হৃদয় শুকাইল মুখে ধূলা উৰি যায়।
কৃতাঞ্জলি ৰহিলা তলক লাগি চাই॥ ১১১৫
কোপে বাসৱক ঋষি মাতিলন্ত হাসি।
মোহোৰ ঘৱক বেটা বিধ্বংসিলি আসি॥
ছাগ যেন ভৈল একো নাই লাজ কাজ।
এহিসে কৰ্ম্মক লাগি ভৈলি দেৱৰাজ॥ ১১১৬
নটত অগন তই ভৈলি দুৰাচাৰ।
নিৰশঙ্ক হুয়া ভাৰ্য্যা হৱস আমাৰ॥
মই ত্ৰৈলোক্যৰ ৰাজা বুলি গৰ্ব্ব তোৰ।
একোকে নচাস কৰ্ম্ম কৰহ দুৰ্ঘোৰ॥ ১১১৭
বিশ্বৰূপ ব্ৰাহ্মণক কাটি পাইলি লাই।
বাট্টি দিয়া ব্ৰহ্মবধ পাপ কৈলি ছাই॥
আমাৰ ভাৰ্য্যাক হৰি সেহিমত চাস।
মোৰ হাস সাৰি আজি সেন্থৱে নযাস॥ ১১১৮
কোনে কি কৰিব মোক হেন মনে মান।
গৌতম ঋষিৰ একো মহিমা নাজান॥
স্বৰ্গৰ যতেক নাৰী তোক নুবুজিল।
গৌতমৰ স্ত্ৰীসে তোৰ মনত পূৰিল॥ ১১১৯
পৱনাৰী হবে যাৰ ঘৱে ভাৰ্য্যা নাই।
তোৰ যত ভাৰ্য্যা তাৰ লেখাও নাপাই।
তথাপিতো ব্ৰাহ্মণৰ ভাৰ্য্যাক হৱস।
কৱো শাস্তি যেন হেন কৰ্ম্ম নকৱস॥ ১১২০
এহি বুলি ক্ৰোধে জ্বলি ভৈলা বহ্নি সম।
ইন্দ্ৰ বোলে নুহি ঋষি পাইলে মোক যম॥
কোপে বাসৱক ঋষি বুলিলন্ত মাতি।
শুন পুৱন্দৰ হেৱ বিহো তোৰ শাস্তি॥ ১১২১
সৰ্ব্বদাই তই যোনিতেসে মাত্ৰ ৱত।
সহস্ৰ হউক যোনি তোৰ শৰীৱত॥
যেন আন ক্ষণ নকৱস হেন দোষ।
এতিক্ষণে ছিণ্ডিয়া পৱোক অণ্ডকোষ॥ ১১২২
বিহিলোহা শাস্তি তোৰ যেহেন উচিত।
ব্ৰাহ্মণক আৱো যেন নকৰ ইঙ্গিত॥
হেন শাপ গৌতমে ইন্দ্ৰক যেবে দিল।
পাতকৰ ফল আসি তেখনে মিলিল॥ ১১২৩
ইন্দ্ৰৰ শৰীৰ গোট যোনিময় ভৈল।
দুই অণ্ডকোষ তেতিক্ষণে ছিণ্ডি গৈল॥

দেৱৰ ঈশ্বৰ আতি ভৈল লণ্ডভণ্ড।
এৱাইতে শকতি নাহি ব্ৰাহ্মণৰ দণ্ড॥ ১১২৪
মহাহিত উপদেশ শুনিয়োক সৰ্ব্ব।
ব্ৰাহ্মণত অল্পো নকৰিবা অৱগৰ্ব্ব॥
এৰিয়ো বিপ্ৰত অৱহেলা সৰ্ব্বদাই।
দেখা কেনমত ভৈল দেৱৰ বিলাই॥ ১১২৫
হুয়া আতি বীভৎস শাপত গৌতমৰ।
মহাতাপে মনত গুণন্ত পুৱন্দৰ॥
যাইবোহো স্বৰ্গক আৱে মই কোন লাজে!
পূৰ্ব্বত দিলেক হাক দেৱতা সমাজে॥ ১১২৬
তথাপি আসিলো তপভঙ্গ কৰিবাক।
আছো তপ ভাঙ্গিবো নাশিলো অপোনাক॥
কোনবা বিধিয়ে মোক ঠেকিলে বিপাক।
জগতৰ লোকে আৱে হাসিবেক মোক॥ ১১২৭
হৰি হৰি বিধাতা নভৈলা মোৰ ফাল!
ই লাজত কৰি জানা মৱণেসে ভাল॥
শাপ দিয়া ভস্ম ঋষি নকৰিলা কিক।
ভৈলোহো বীভৎস মই মৱণতোধিক॥ ১১২৮
কোন কৰ্ম্ম কৱো আৱে কৈক লাগি যাওঁ।
ইটো লাজ অপমান কহিত এৱাওঁ॥
এহি বুলি উত্তৰ দিশক লাগি যাই।
পদ্মৰ তন্তত গৈয়া থাকিলা লুকাই॥ ১১২৯
শাপ দিয়া ইন্দ্ৰক গৌতম মুনিবৰ।
কোপমনে গৈয়া প্ৰবেশিলা নিজ ঘৱ॥
অহল্যা আছন্ত মহা মনে তাপ কৰি।
স্বামী আসিবাৰ পাচে দেখিলা সুন্দৰী॥ ১১৩০
মহাত্ৰাসে স্বামীৰ নহন্ত সতী আগ।
অহল্যাক মাতিলা গৌতম মহাভাগ॥
শুনা সতী অহল্যা কহিবি নিষ্ঠ কৰি।
কিবা ভাল মন্দ কৰ্ম্ম আছস আচৰি॥ ১১৩১
শুনি অহল্যাৰ হেন উৰি গৈল জীৱ।
যোৱহাতে গৌতমৰ আগে ভৈলা থিৰ॥
লাজে ভয়ে ধীৱে ধীৱে মাতন্ত স্বামীক।
আপুনি সৰ্ব্বজ্ঞ তুমি মোত পুছা কিক॥ ১১৩২
তযু ৰূপ ধৰি ইন্দ্ৰ আইল ছলিবাক।
নুহিকো সৰ্ব্বজ্ঞ মই নজানিলো তাক॥
তোমাকেসে জানিয়া কহিলো ধৰ্ম্ম যত।
কপট বাসৱে তাক নধৰি মনত॥ ১১৩৩
কামে মত্ত হুয়া ইন্দ্ৰে হৰিলেক মোক।
শাপি ভস্ম কৰিয়োক প্ৰায়শ্চিত্ত হৌক॥
গৌতমে বোলন্ত মিছা নমাতিলি তই
শাপি তোক ভস্ম আৱো নকৱোহো মই॥ ১১৩৪

অজ্ঞান দোষৰ তথাপিতো কৰো দণ্ড।
কতো কাল মানে হুয়া থাক শিলাখণ্ড ॥
ৰামৰূপে হৰি আসি হৈব অৱতাৰ।
ৰাক্ষসক মাৰিয়া খণ্ডিব ভূমি ভাৰ ॥ ১১৩৫
তান পদ ৰেণু পাইলে হৈবি পূৰ্ব্বৱত।
নকৰিবি সংশয় কহিলো স্বৰূপত ॥
আজি হস্তে কোন প্ৰাণী তোক নেদেখোক।
ইটো আশ্ৰমত আৰো লোক নাথাকোক ॥ ১১৩৬
এহি বুলি গৌতম তেখনে চলি গৈলা।
উত্তৰ দিশত গৈয়া তপ কৰি ৰৈলা ॥
অহল্যা ভৈলন্ত শিলা স্বামীৰ শাপত।
সেহি ধৰি নাহি একো জন আশ্ৰমত ॥ ১১৩৭
তযু পদ পঙ্কজৰ ৰেণু প্ৰসাদত!
এহেন্তে অহল্যা সতী ভৈলা পূৰ্ব্বাৱত ॥
গৌতমৰ ভাৰ্য্যা এন্তে জানিবাহা ৰাম।
শুনি অহল্যাক ৰামে কৰিলা প্ৰণাম ॥ ১১৩৮
বিশ্বামিত্ৰ মুনিত পুছিলা ৰঘুবৰ।
কহিয়োক পাচে কেন ভৈল বাসৱৰ ॥
ঋষি বোলে শুনা ৰাম ৰঘুবংশধৰ।
শচী একো থিতি নজানিয়া বাসৱৰ ॥ ১১৩৯
পাচে বৃহস্পতিত পুছিলা শচী সতী।
স্বামী কিবা ভৈলা কহিয়োক বৃহস্পতি ॥
দেৱগুৰু বোলন্ত নজানো মই তাক।
তেবেসে স্বামীক পাইবা পূজিয়ো দুৰ্গাক ॥ ১১৪০
শুনি শচী দেবী তেবে দুৰ্গাক পূজিলা।
তুষ্ট হুয়া দুৰ্গাও শচীক দেখা দিলা ॥
শচীক বোলন্ত যেন লাগে লৈয়ো বৰ।
শচী বোলে কৈয়ো কিবা ভৈল পুৰন্দৰ ॥ ১১৪১
ইন্দ্ৰৰ বৃত্তান্ত দুৰ্গা কহিলা শচীত।
পাইবাহা স্বামীক বুলি ভৈলা অন্তৰ্হিত ॥
বৰ পায়া শচী আনন্দিত আতি ভৈলা।
বৃহস্পতি সমে সৰোবৰ তীৰে গৈলা ॥ ১১৪২
পাচে পুৰন্দৰক মাতিলা বৃহস্পতি।
হৈবেক কল্যাণ উঠিয়োক মহামতি ॥
গুকৰ বচন শুনিলন্ত পুৰন্দৰ।
পদ্মৰ তন্তুত আছা সহস্ৰ বৎসৰ ॥ ১১৪৩
তাৰপৰা উঠিয়া তীৰক লাগি গৈলা।
শচী বৃহস্পতি সমে এক থান ভৈলা ॥
শাপৰ বৃত্তান্ত কহিলন্ত পুৰন্দৰ।
দেখা গুৰু কেন মোৰ ভৈল অথন্তৰ ॥ ১১৪৪
কি কৰিবো গুৰু আৰে উপদেশ দিয়ো।
বৃহস্পতি বোলন্ত দেবীক আৰাধিয়ো ॥

পাচে পুৰন্দৰে শুনি গুৰুৰ বচন।
এক চিত্তে কৰিলা দেবীক আৰাধন ॥ ১১৪৫
তুষ্ট হুয়া দেবী আসি ভৈলন্ত সাক্ষাত।
দেখি পুৰন্দৰে প্ৰণামিলা নমাই মাথ ॥
স্তুতি নতি ভকতি কৰিলা বহুতৰ।
পাৰ্ব্বতী বোলন্ত যেন লাগে লৈয়ো বৰ ॥ ১১৪৬
বাসৱে বোলন্ত মাৰ বৰ দিবা মোক।
মহাঋষি গৌতমৰ শাপ দূৰ হৌক ॥
পাৰ্ব্বতী বোলন্ত ব্ৰহ্মশাপ আছা পাই।
তাক গুচাইবাক লাগি মোৰ শক্তি নাই ॥ ১১৪৭
তথাপিতো দেও বৰ তাক শুনিয়োক।
যোনি গুচি ইটো সহস্ৰেক চক্ষু হৌক ॥
হৈবেক তোমাৰ নাম সহস্ৰলোচন।
ভৈলা অন্তৰ্দ্ধান বুলি এতেক বচন ॥ ১১৪৮
দেবীক আৰাধি বৰ পাইলন্ত প্ৰত্যেক।
যোনি গুচি ক্ষেণে ভৈল চক্ষু সহস্ৰেক ॥
তেবেসে স্বৰ্গক লাগি গৈলা পুৰন্দৰ।
দেখিয়া হৰিষ ভৈলা দেৱতা সবৰ ॥ ১১৪৯
শচীৰ আনন্দ স্বামী আসিলন্ত ঘৰে।
অশ্বিনীকুমাৰ দুইক আনি পুৰন্দৰে ॥
অণ্ডকোষ নাহি মোৰ কথা কহিলন্ত।
ছাগলৰ অণ্ড বৈদ্যে আনি জোৰাইলন্ত ॥ ১১৫০
তেবে ইন্দ্ৰ দেৱৰ সন্তুষ্ট ভৈল মন।
খাসিক দিলন্ত বৰ সহস্ৰ লোচন।
হৌক খাসি ছাগল পৰিত্ৰ সুকোমল।
লাগিবেক দেৱ পিতৃ কাৰ্য্যত সকল ॥ ১১৫১
ভৈল আসি পৰিত্ৰ ইন্দ্ৰৰ পায়া বৰ।
খাসি কৰিলাত বীৰ্য্য বাঢ়য় ইন্দ্ৰৰ ॥
কহিলো তোমাত ৰাম কথা নিৰন্তৰ।
এহিমতে শাপমুক্ত ভৈলা পুৰন্দৰ ॥ ১১৫২
অনন্তৰে জানিলন্ত গৌতমে ধ্যানত।
ভৈলন্ত অহল্যা সতী মুকুত শাপত ॥
পৰম হৰিষ মনে ঋষি সৰ্ব্বজান।
ভাৰ্য্যায়ে সহিতে আসি ভৈলা এক থান ॥ ১১৫৩
ৰাম লক্ষ্মণক ঋষি আশীৰ্ব্বাদ দিলা।
দুয়ো ভাই গৌতম ঋষিক প্ৰণামিলা ॥
বিশ্বামিত্ৰ মুনিক গৌতম মুনিবৰ।
পৰম গৌৰৱে প্ৰশংসিলা বহুতৰ ॥ ১১৫৪
সাধিলা আমাৰ কিনো বৰ উপকাৰ।
অহল্যা মুকুত ভৈলা প্ৰসাদে তোমাৰ ॥
তযু উপকাৰ নপাৰিবো শুজিবাক।
নিজ গুণে কিনি যেন থৈলাহা আমাক ॥ ১১৫৫

পাচে ঋষি গৌতমে ৰামক মাতিলন্ত।
শুনিয়োক ৰাম তুমি পুৰুষ মহন্ত ॥
অনাদি ঈশ্বৰ তুমি দেৱতাবো দেৱ।
অনাথৰ গতি তুমি বিনে নাই কেৱ ॥ ১১৫৬
তযু পদ ধূলাৰ মহিমা অদভুত।
যাহাৰ পৰশে ভৈলা অহল্যা মুকুত ॥
ভালেসে তোমাৰ পদধূলা আশা কৰি।
মহা মহা মহন্তে সমস্ত পৰিহৰি ॥ ১১৫৭
তোমাৰ চৰণ সেৱা সদায় কৰন্ত।
তযু মহা প্ৰসাদে মোক্ষকো নাদৰন্ত ॥
এহিমতে কৰি স্তুতি ৰামক বিস্তৰ।
অহল্যা সহিতে চলি গৈলা মুনিবৰ ॥ ১১৫৮
শুনা সভাসদ পদ ৰামৰ চৰিত্ৰ।
শুনন্তে কৰ্ণত যেন বৰিষে অমৃত ॥
অনায়াসে গুচিবেক সংসাৰৰ দুখ।
বোলা ৰাম লভিবা পৰমানন্দ সুখ ॥ ১১৫৯

ৰাম কৰ্ত্তৃক হৰধনু ভঙ্গ।

দুলড়ী।

অনন্তৰে মহা, ঋষি বিশ্বামিত্ৰ,
ৰাম লক্ষ্মণক লই।
সহৰিষ মনে, মধুৰ গমনে,
মিথিলা পাইলন্ত গই ॥
ঋষিৰ পাচত, হৰিষে মনত,
চলন্ত ৰাম লক্ষ্মণ।
যেন শিশু সিংহ, দেখিতে বিড়িঙ্গ,
গজৰ যেন গমন ॥ ১১৬০
মৃদু সুকোমল, চৰণ যুগল,
চলাৱন্ত লয়লাসে।
দিশ পাশ আতি, কৰি প্ৰজ্বলিত,
ৰামৰ দেহা প্ৰকাশে ॥
পৰম মধুৰ, লাৱণ্য প্ৰচুৰ,
সাক্ষাত যেন মদন।
মহা মনোহৰ, মূৰতি সুন্দৰ,
দেখি চাৰে সৰ্ব্বজন ॥ ১১৬১
ঈষৎ হসিত, বৰিষে অমৃত,
দেখন্তা লোকৰ গাৱে।
জুৰায় মন প্ৰাণ, ন ভাসে নয়ন,
যতেক ৰামক চাৱে ॥
লগত উভতি, চলে সৰ্ব্বজন,
প্ৰশংসিয়া বহুভাৱে।

ইটো পুৰুষক, তুলিলে কোনে নো,
সুৱৰ্ণ কুক্ষীয়া মাৱে ॥ ১১৬২
যিটো ভাগ্যৱতী, পাইলা আৰু পুত্ৰ,
তাইৰ বিধি সুপ্ৰসন্ন।
সি জনীৰ সম, পুণ্য জানো আৰ,
নতো কৰে একো জন ॥
ৰামৰ সমান, পুৰুষ উত্তম,
ই তিনি লোকত নাই।
ত্ৰৈলোক্যৰ ৰূপ, ইহান শৰীৰে,
থৈলা বিধি এক ঠাই ॥ ১১৬৩
সীতাৰ সদৃশ, এহেন্তেসে বৰ,
বিধি নিৰ্ম্মিলন্ত জানি।
সয়ম্বৰ সম- য়ত মিথিলাত,
দৈৱে মিলাইলন্ত আনি ॥
জনক নৃপতি, কি কাৰ্য্য কৰিলা,
অঙ্গীকাৰ বিপৰীত।
কঠিন ধনুত, কোমল শৰীৰে,
ন পাৰিবে গুণ দিভ ॥ ১১৬৪
ইহেন বৰত, আপোন ইচ্ছায়ে,
সীতাক দিবে নপাইল।
যেন কোন জনে, হাতৰ অমৃত,
আপুনি ঠেলি পেলাইল ॥
যেন নৱনিধি, পায়া হেকৱাৱে,
দৰিদ্ৰ আপোন দোষে।
ৰামক দেখিয়া, যত নৰ নাৰী,
এহিমতে সবে ঘোষে ॥ ১১৬৫
মুনিৰ পিচত, পৰম হৰিষে,
চলন্ত ৰাম লক্ষ্মণ।
বিশ্বামিত্ৰ মুনি, স্বয়ম্বৰ শালা,
পাইল গৈয়া কতক্ষণ ॥
জনক নৃপতি, দেখি সচকিত
উঠিলন্ত চালি গাৱ।
আপুনি আসন, পাৰিয়া দিলন্ত
বুলি আতি মৃদু ভাৱ ॥ ১১৬৬
পাচে জানুশিৰে, পৰশি সাদৰে,
কৰিলন্ত নমস্কাৰ।
সঅৰ্ঘে ঋষিক, কৰিলন্ত পূজা,
হৰিষৰ নাই পাৰ ॥
সুখে আসনত, বসিয়া আছন্ত,
বিশ্বামিত্ৰ মুনিবৰ।
দক্ষিণত ৰাম, ৰামত লক্ষ্মণ,
আৰো শিষ্য নিৰন্তৰ ॥ ১১৬৭

গৌতমৰ পুত্ৰ, নামে শতানন্দ,
পুৰোহিত জনকৰ।
বিশ্বামিত্ৰ মহা মুনিক দেখিয়া,
সাদৰিলা বহুতৰ ॥
ৰাম লক্ষ্মণক দেখি শতানন্দ,
পুছিলা বিশ্বামিত্ৰত।
কাহাৰ কুমাৰ, ৰূপে মনোহৰ,
দেখি নতো হেন মত ॥ ১১৬৮
শতানন্দ আশে, ঋষি বিশ্বামিত্ৰে
কহিলা কথা সকল।
দশৰথ মহা ৰাজাৰ তনয়,
ৰাম এস্তে মহাবল ॥
ৰামৰ কনিষ্ঠ, এহেস্তে লক্ষ্মণ,
পৰম গুণে যুকুত।
চৰণে পৰশি, মাতৃক তোমাৰ,
কৰিলা ৰামে মুকুত ॥ ১১৬৯
ৰামৰ চৰণ, প্ৰসাদে অহল্যা,
ঘোৰ শাপ নিস্তৰিলা।
গৌতম আসিয়া, ৰামক প্ৰশংসি,
অহল্যাক সম্বৰিলা ॥
শুনি শতানন্দে, ভৈলন্ত হৰিষ,
পাইলন্ত মাতৃ নিস্তাৰ।
ৰামক প্ৰশংসি, ঋষিক বোলন্ত,
প্ৰসাদ ইটো তোমাৰ ॥ ১১৭০
নোহন্ত মানুষ, পৰম পুৰুষ
জানিলো ৰাম নিশ্চয়।
জগত নিস্তাৰ, হেতু অৱতাৰ,
ভৈলা এস্তে মহাশয় ॥
যিটো পদধূলি, সদা আৰাধন্ত,
ব্ৰহ্মা আদি দেৱগণে।
যাক আশা কৰি, সৰ্ব্ব পুৰুষাৰ্থে,
এবে মহা মহাজনে ॥ ১১৭১
হেনয় পৰম, দুৰ্ল্লভ ধূলাক,
পাইলা মাতৃ মোৰ লাগ।
জানি লোক তৰা, কৌটি জনমৰ,
আছে তান মহাভাগ ॥
আমিয়ো চক্ষুৰে, দেখিলো ৰামক,
কত বা পুণ্যৰ ফলে।
এহি বুলি শতা- নন্দে ৰাঘৱক,
অৰ্চ্চিলন্ত কৌতূহলে ॥ ১১৭২
যত যত মহা, মহাৰাজগণ,
আছয় বসি সভাত।
ৰামক দেখিয়া, সমস্তে ৰাজাৰ,
মূখত হৰিল মাত ॥
ৰাঘৱৰ মহা তেজে ধৰষিল,
ভৈল আতি শঙ্কোচিত।
প্ৰমত্ত সিংহক, দেখি মৃগগণ,
হোৱে যেন ভয়ে ভীত ॥ ১১৭৩
সয়ম্বৰ সম- জ্যাত যত যত,
আছে নৰ নাৰীচয়।
ৰামৰ অদ্ভুত, ৰূপক দেখিয়া
ভৈ গৈলা মহা বিস্ময় ॥
যাৰ যেহি অঙ্গে, ৰামৰ ৰূপত,
পৰি গৈল দৃষ্টিপাত।
পুনৰপি আৰ, পালটি নাসয়,
ৰহিল তন্তি তথাত ॥ ১১৭৪
ৰামক দেখিতে, নখণ্ডে তৃপিতি,
লাগি গৈল যেন ধ্যান।
অমৃতক যেন, পিৱন্তে পিৱন্তে,
জুৰায় তনু মন প্ৰাণ ॥
জনকনন্দিনী, দেখিলা ৰামক,
ৰূপ আতি বিপৰীত।
ৰামৰ ৰূপত, নিমজিল মন,
ভৈ গৈল দেবী মোহিত ॥ ১১৭৫
মনত বোলন্ত, কোন নো বিধেয়,
সৃজিলা ৰূপ ৰামৰ।
কৌটি এক কাম দেৱো জানো আন,
হুহিবেক সমসৰ ॥
এহেস্তেহে মোৰ, হৈবে নিজপতি,
কৰিলো মনে নিশ্চয়।
ইহান আগত, দেখো যেন মৰা,
আছে যত ৰাজাচয় ॥ ১১৭৬
ৰামত বিনাই, আন পুৰুষক,
নবৰিবো কদাচিত।
কিবা কাজে মোৰ পিতৃ কৰিলন্ত,
অঙ্গীকাৰ বিপৰীত ॥
তথাপি আনক, নভজিবো যদি,
ধনুত গুণ লগায়ে।
পিতৃৰ বচন, ছন্ন কৰি মই,
ভজিবো ৰামৰ পায়ে ॥ ১১৭৭
ৰামৰ নখৰ, সমান নাহিকে,
ইতিনি লোকৰ মাজে।
ইহাক এৰিয়া, আন পুৰুষক,
ভজিব কমন কাজে ॥

মোহোৰ কৰ্ম্মবো, ফলে জানো আনি,
ৰামক মিলাইলা বিধি।
অকস্মাৎ যেন, দৰিদ্ৰৰ হাতে,
উপগত নৱ নিধি ॥ ১১৭৮
ৰামক এৰিয়া, কোন অভাগিনী,
আনক ভজিবে যায়।
হাতৰ অমৃত, এৰি কোন জনী,
মৰিবেক বিষ খাই ॥
এহিমতে সীতা, দেৱী কৰিলন্ত,
ৰামৰ চৰণ সাৰ।
তেজি আন কাম, বোলা ৰাম ৰাম,
যত লোক সমজ্যাৰ ॥ ১১৭৯

পদ

ৰাম লক্ষ্মণক দেখি জনক নৃপতি।
বিশ্বামিত্ৰ মুনিত পুছিলা মহামতি ॥
কিবা নাম আন দুইৰ কাহাৰ তনয়।
মহাৰূপৱন্ত আতিশয় শুভানয় ॥ ১১৮০
আপোনাৰ কহিয়ো কুশল আগমন।
আজ্ঞা কৰিয়োক কিবা সাধো প্ৰয়োজন ॥
শুনি হাসি বিশ্বামিত্ৰে বুলিলা বচন।
আৰা দুই দশৰথ ৰাজাৰ নন্দন ॥ ১১৮১
আন ৰাম নাম সৰ্ব্ব গুণৰ আলয়।
আন নাম লক্ষ্মণ পৰম শুভানয় ॥
শ্ৰেষ্ঠ ৰাম কনিষ্ঠ লক্ষ্মণ বীৰবৰ।
জানিয়া ৰামক তুমি পৰম ঈশ্বৰ ॥ ১১৮২
পৰম পুৰুষ হৰি জগত আধাৰ।
ৰামৰূপে ভৈলা পৃথিবীত অৱতাৰ ॥
হৰিবা ভূমিৰ ভাৰ ৰাক্ষস সংহৰি।
তযু গৃহে লক্ষ্মী আছে সীতা নাম ধৰি ॥ ১১৮৩
ৰামৰেসে ভাৰ্য্যা সীতা জানা স্বৰূপত।
দিয়োক সীতাক তুমি বিবাহ ৰামত ॥
হৈবেক তোমাৰ তেবে পৰম কল্যাণ।
এহি প্ৰয়োজনে আসি আছো তযু থান ॥ ১১৮৪
ত্ৰৈলোক্য বিজয়ী ৰাম মহা ধনুৰ্দ্ধৰ।
ত্ৰিভুৱনে নাহিকে ৰামৰ সমসৰ ॥
জনক নৃপতি মাতিলন্ত হেন শুনি।
মোহোৰ বচন শুনিয়োক মহামুনি ॥ ১১৮৫
নাহি দশৰথ ৰাজা পৃথিবীত সম।
তাহান তনয় ৰাম পুৰুষ উত্তম ॥
মহা সুকুমাৰ ৰূপ লাৱণ্য প্ৰচুৰ।
ভুৱন মোহন আতি মূৰতি মধুৰ ॥ ১১৮৬
এন্তে সে নিশ্চয় পতি হৈৱন্ত সীতাৰ।
কিন্তু মই এক কৰি আছো অঙ্গীকাৰ ॥
মৃগ মাৰি মহাদেৱে দুৱাৰে আমাৰ।
এৰি গৈলা ধনুখান যেন বজ্ৰসাৰ ॥ ১১৮৭
তাক ঘৰে থৈয়া মই বুলিলো বচন।
ইহাতে লগাইতে গুণ পাৰে যিটো জন ॥
তাহান্তে বিবাহ সীতা দিবোহো নিশ্চয়।
নপাৰিলা গুণ দিবে যত ৰাজাচয় ॥ ১১৮৮
ৰামক দেখিয়া বসি গুণে মনে মনে।
মিছা অঙ্গীকাৰ কৰিলোহো কি কাৰণে ॥
এন্তে সে জানিবা বৰ সীতাৰ উচিত।
বিধাতা আনিয়া কৰিলন্ত উপস্থিত ॥ ১১৮৯
মহা উচপিচ মুনি কৰে মোৰ চিত্ত।
নপাৰিবে ৰাঘৱে ধনুত গুণ দিত ॥
ৰামক চাহন্তে অঙ্গীকাৰ হেৰুৱাও।
অঙ্গীকাৰ চাহো যেবে ৰামক নাপাও ॥ ১১৯০
একক চাহন্তে মোৰ অপৰ নঘটে।
ৰাজিয়া ৰহিলো মই উভয় শঙ্কটে ॥
বিশ্বামিত্ৰে বোলন্ত জনক মহাভাগ।
ইসব চিন্তাক তুমি কৰা পৰিত্যাগ ॥ ১১৯১
কোন বস্তু ধনুখান ৰামৰ আগত।
নজানাহা তুমি ৰামচন্দ্ৰৰ মহত্ত্ব ॥
ঈষত কটাক্ষে ধনু ভাঙ্গিৱন্ত ৰামে।
পাইৱন্ত সীতাক চিন্তা কৰা কিবা কামে ॥ ১১৯২
বুলিলা জনকে বিশ্বামিত্ৰক দুনাই।
কেমনে গুচিবে চিন্তা শুনিয়ো আতাই ॥
ধৰিলেক ধনু মহা মহা ৰাজাগণে।
লাৱিবাকো নপাৰিলা অনেক যতনে ॥ ১১৯৩
কোমল শৰীৰ ৰাম বয়সত অল্প।
পৰম কঠিন ধনু যেন বজ্ৰকল্প ॥
তাক ধৰি গৈয়া ৰামচন্দ্ৰে কি কৰিব।
আছো গুণ দিবে লাৱিবাকো নপাৰিব ॥ ১১৯৪
ধনুত লগাইবে গুণ ৰামৰ নলাগে।
সমাজত লঘু কেনে হৈব মহাভাগে ॥
অঙ্গীকাৰ লাৱি সীতা দিবোহো ৰামক।
কৈত খুজি পাইবো আৰ ইমত বৰক ॥ ১১৯৫
অজিজ্ঞাসি পূৰ্ব্বত কৰিলো অঙ্গীকাৰ।
তাক এৰিলাত দোষ নাহিকে আমাৰ ॥
যদি দোষ হয়ে তাক নকৰোহো ডৰ।
গুচিবে সকলে দোষ প্ৰসাদে ৰামৰ ॥ ১১৯৬
শুনি বিশ্বামিত্ৰে হাসি বুলিলন্ত বাণী।
কৰাহা সংশয় তুমি ৰামক নজানি ॥

এন্তে সে ঈশ্বৰ চৰাচৰ জগতৰ।
ধনু ভাঙ্গিৱন্ত কোন প্রয়াস ৰামৰ ॥ ১১৯৭
চাহি থাকা জনক নৃপতি কৌতূহলে।
ধনুতে পৰীক্ষা আজি পাইবাহা সকলে ॥
শুনি সীতা মনে কোপ কৰন্ত ঋষিক।
মোহোৰ বিপক্ষ এন্ত আচৰন্ত কিক ॥ ১১৯৮
অঙ্গীকাৰ লাৰি মোক বিহা দিবে চান্ত।
ঋষিৰ কাৰণে পিতৃ তাহাক নপান্ত ॥
ধনু ভাঙ্গিবাক এন্ত বোলন্ত কিসক।
ইহান নিমিত্তে মই নপাইবো ৰামক ॥ ১১৯৯
ৰাম মোৰ স্বামী হাতে মিলাইলেক বিধি।
বিশ্বামিত্র হেতু হেৰুৱাইবো নৱনিধি ॥
লৱনু পুতলি যেন সুকোমল তনু।
হেন ৰামে কিমতে ভাঙ্গিবে বজ্রধনু ॥ ১২০০
নলাগে ভাঙ্গিবে ধনু সীতা দেন্ত হাক।
অঙ্গীকাৰ এৰি বিহা দিয়োক আমাক ॥
পাচে বিশ্বামিত্র ঋষি বুলিলা বচন।
শুনিয়োক ৰাম ৰঘুকুলৰ নন্দন ॥ ১২০১
ধনুখানি ভাঙ্গি বিহা কৰিও সীতাক।
উঠিয়ো সত্বৰে ৰাখিয়োক মোৰ বাক ॥
শুনি ৰামচন্দ্রে উঠিলন্ত তাৱক্ষণে।
কঙ্কালত বস্ত্র কাছিলন্ত ৰঙ্গমনে ॥ ১২০২
ঋষিক প্রণামি চলিলন্ত ৰঘুবৰ।
দেখি হাসি তুলিলেক ৰাজা নিৰন্তৰ ॥
বৰ ৰৰ বীৰে নপাৰিলে লাৰিবাক।
ভৈলো লঘু লোকে বেঢ়ি হাসিলে আমাক ॥ ১২০৩
শিশুমতি হুয়া তাক প্রতি কৰে সাস।
হেনসে ইহাৰ জানকীক ভৈল আশ ॥
বিশ্বামিত্র মুনি শুনি চপৰাইলা মাথ।
জানো ধনু ভাঙ্গিবে নপাৰে ৰঘুনাথ ॥১২০৪
অসুখ অশান্তি আতি মনত সীতাৰ।
হৰি হৰি বিধি সিদ্ধি ন ভৈল আমাৰ ॥
হাসিয়া চলন্ত ৰামচন্দ্র মহাবল।
প্রত্যেক ভৰিত মহী কৰে টলবল ॥ ১২০৫
প্রমত্ত কেশৰী যেন যান্ত মহাশয়।
দেখি ৰাজাগণ ভৈল পৰম বিস্ময় ॥
গুচিল সবাৰ হাসি বিবর্ণ বদন।
সীতা গোসানীৰ মন ভৈগৈল প্রসন্ন ॥ ১২০৬
ধনুৰ নিকট গৈয়া চাপিলন্ত ৰামে।
কৰে চিকিমিকি সুৱর্ণৰ চিত্র কামে ॥
বাম হাতে লীলায়ে থৰিলা ধনুখান।
ক্ষেপিলন্ত আকাশক কতোদূৰ মান ॥ ১২০৭
পুনু বাম হাতে ধৰি পৰম নিপুণ।
নিমিষেক ধনুত লগাইলা ৰামে গুণ ॥
আগত থাপিলা নিয়া তুলি বাম ভৰি।
দিলা টান গুণত দক্ষিণ পাচ কৰি ॥ ১২০৮
টানন্তে ধনুৰ আগ পাচ নামি আইল।
দেখি সবে ৰাজাগণ মাথা চপৰাইল ॥
বিশ্বামিত্র মাথা তুলিলন্ত হাস্য কৰি।
ৰামৰ ভৰত থিৰ নুহি বসুন্ধৰী ॥ ১২০৯
ধনু টানিবাৰ দেখি হৰিষ সীতাৰ।
পৃথিবী কম্পিতে চিন্তা ভৈল আৰ বাৰ ॥
ভৰি থিৰ নভৈলে নপাইবে বল গাৱে।
পৃথিবীক কাতৰ কৰিলা সীতা মাৱে ॥ ১২১০
মাতৃ বসুমতী কৃপা কৰিয়োক মোক।
থিৰ হুয়া প্রভু ৰাঘৱক ধৰিয়োক ॥
দিগ্‌গজ সকল তুমিসবে হৈবা থিৰ।
শুনিয়ো অনন্ত তুমি নলাৰিবা শিৰ ॥ ১২১১
হে কুর্ম্ম ভালে অনন্তক ধৰিবাহা।
দিগপাল সকল স্বামীৰ হৈবা সহা ॥
এহিমতে সীতা হুয়া আছন্ত আকুল।
পাচে ৰামচন্দ্র জগতৰ আদি মূল ॥ ১২১২
গুণগাচ এৰি দিয়া টঙ্কাৰ কৰিলা।
প্রচণ্ড শৱদে আতি ব্রহ্মাণ্ড লৰিলা ॥
দশোদিশ ব্যাপি প্রতিধ্বনি গৈল ৱৰে।
ত্রাস ভৈল সর্ব্বজনে বোলে বজ্রপৰে ॥ ১২১৩
সাতোখান স্বর্গ বাৱন্দাৰ লৰি গৈল।
সপ্তদ্বীপা বসুমতী টলবল ভৈল ॥
কাখৰ লঙ্ঘিল সাতো সাগৰ খলকি।
জলজন্তু ভৈল ত্রাস প্রলয়ক শঙ্কি ॥ ১২১৪
দিগ্‌গজ সকল কম্পে তৰতৰিমান।
মহাত্রাসে কম্পিল পাতাল সাতোখান ॥
কম্পিলন্ত অনন্ত যতেক নাগগণ।
কূর্ম্ম কম্পি ফোকাৰ তেজয় ঘনে ঘন ॥ ১২১৫
মেৰু আদি কম্পিল যতেক গিৰিবৰ।
ভয় হুয়া কম্পে আতি দেৱাসুৰ নৰ ॥
চৰাচৰ লোক কম্পি কম্পি লৈল ঠাই।
সমাজৰ লোকৰ চেতন জ্ঞান নাই ॥ ১২১৬
কর্ণত হানিলা তাল হৃদয় শুকাইল।
পাচে কতোক্ষণে কথমপি ধাতু আইল ॥
পাচে ৰামে গুণত ধৰিয়া বল দিল।
ঠাকোৰ কৰিয়া ধনু মাজতে ভাঙ্গিল ॥ ১২১৭
পুনৰপি প্রকম্পিত ভৈল ত্রিভুৱন।
প্রলয় মিলিল হেন বোলে সর্ব্বজন ॥

মিথিলাৰ লোক মানে ভৈল পূর্ব্বৱত।
চেতন লভিয়া পাচে ৰাজাগণ যত ॥ ১২১৮
ৰামক নিৰেখি মহাভয় চিত্ত ভৈল।
হেট মাথে চক্ষু মুদি মৰা যেন ৰৈল ॥
ত্রাসত হৃদয় কম্পে বুদ্ধি নোহে থিৰ।
মনে বোলে নতু দেখি শুনি হেন বীৰ ॥ ১২১৯
জানিলোহো এন্তে ৰাম মানুষ নোহয়।
দেৱতো উত্তম দেৱ হেন মনে লয় ॥
ৰামচন্দ্রে ধনুখান ভাঙ্গি অপ্রয়াসে।
হাসি বসিলন্ত গৈয়া বিশ্বামিত্র পাশে ॥ ১২২০
ধৰিয়া ৰামক বিশ্বামিত্র মুনিবৰ।
চুম্বন কৰিয়া প্রশংসিলা বহুতৰ ॥
ধন্য ৰামচন্দ্র তুমি বিক্রম তোমাৰ।
ৰহিল নির্ম্মল যশ জুৰিয়া সংসাৰ ॥ ১২২১
ধনু ভাঙ্গিলন্ত ৰামচন্দ্র মহাশয়।
আনন্দে নধৰে সীতা দেৱীৰ হৃদয় ॥
পৰম প্রেমত নীৰ বহে নয়নৰ।
সুপ্রসন্ন বিধি বুলি উঠিলা সত্বৰ ॥ ১২২২
সুৱর্ণৰ পুষ্প মালা হাতে তুলি লৈলা।
বিষ্ণুক ৰৰিবে যেন লক্ষ্মী সাজ ভৈলা ॥
সখীগণ মাজহন্তে বাজ ভৈলা সতী।
হৰৰ পাশক যেন চলিলা পার্ব্বতী ॥ ১২২৩
দিশ পাশ প্রকাশিয়া শৰীৰ জ্বলয়।
গজেন্দ্রৰ পাশে যেন হস্তিনী চলয় ॥
ৰাজহংস জিনি আতি গতি লয়লাস।
চলি যান্ত ৰতি যেন মদনৰ পাশ ॥ ১২২৪
ৰাঘৱৰ নিকট চাপিয়া ৰৰবালা।
সাদৰে মাথাত দিলা সুৱর্ণৰ মালা ॥
ৰৰিল ৰামক আনন্দৰ নাহি পাৰ।
চৰণত ধৰি কৰিলন্ত নমস্কাৰ ॥ ১২২৫
দেখি ৰামচন্দ্রে পাচে সীতাক আশ্বাসি।
আপোনাৰ পাশক চপাইলা প্রভু হাসি ॥
প্রকাশন্ত সীতা সতী ৰাঘৱৰ পাশে।
চন্দ্রৰ পাশত যেন ৰোহিনী আকাশে ॥ ১২২৬
লক্ষ্মীনাৰায়ণ দুই ভৈল এক থান।
জগতৰ ভৈল আসি পৰম কল্যাণ ॥
সমস্ত লোকৰ ভৈল পৰম মঙ্গল।
জয় জয় বুলি জোকাৰন্ত সর্ব্বজন ॥ ১২২৭
আকাশত থাকি দেৱগণ অসংখ্যাত।
পুষ্প ৰৰিষিলা ৰাম সীতাৰ মাথাত ॥
দুন্দুভি বজায়া দেৱে কৰে জয় জয়।
মুখ্য মুখ্য অপেস্ৱৰা কাছিয়া নাচয় ॥ ১২২৮
ত্রিজগত লোকৰ মিহিল মহোৎসৱ।
দশোদিশ ছানি মাত্র শুনি জয় ৱৱ ॥
সার্থক লভিল বৰ মাৱ সীতা সতী।
ভৈলন্ত আনন্দ আতি জনক নৃপতি ॥ ১২২৯
ৰাজাগণে দেখে সীতা ৰামক ৰৰিল।
ৱজ্রপাত ভৈল যেন সম্যকে মৰিল ॥
সীতাক চাহিয়া সবে তেজিল নিঃশ্বাস।
কি কাৰণে ৰৰিবেক খাটিলো প্রবাস ॥ ১২৩০
সীতাত নৈৰাশ হুয়া যত ৰাজাচয়।
মহা মর্ম্মে সবে তেজিলেক লাজ ভয় ॥
কোপে অপমানে আতি প্রজ্বলিত ভৈল।
জনক ৰাজাক আতি গর্জ্জিবাক লৈল ॥ ১২৩১

ৰাম-লক্ষ্মণৰ সৈতে ৰজাৰিলাকৰ যুদ্ধ।

দেখা দেখা কেনে বুঢ়া জনকৰ কাজ।
মাতি আনি সমস্ত ৰাজাক দিলা লাজ ॥
জীয়াৰীক আনক দিবেক যেবে জানে।
কিসক আমাক দূত পঠাই মাতি আনে ॥ ১২৩২
ৰাজ ঋষি হুয়া ভৈল পৰম অজ্ঞান।
ৰৰ ৰৰ ৰাজাক দিলেক অপমান ॥
ধৰি আন বুঢ়াক সকলে মান সাৰো।
চাহো কোনে ৰাখে আক বেঢ়িসবে মাৰো ॥ ১২৩৩
তেৱেসে হিয়াৰ শাল গুচিব আমাৰ।
কপট ঝপট ভাঙ্গো টামন বুঢ়াৰ ॥
আমাক আনিয়া দুখ দিলে ৰৰিষেক।
সবাকে বঞ্চিয়া সীতা ৰামক দিলেক ॥ ১২৩৪
নাহিকে বুঢ়াৰ দোষ কেহো বোলে ৰাণী।
কিসক মাৰিবে খোজা আহাঙ্ক নজানি ॥
বিচাৰি চাহিলো দোষ কেৱলে কন্যাৰ।
কৰিলেক আশাভঙ্গ সকলে ৰাজাৰ ॥ ১২৩৫
আতি নিদাকণী কন্যা কঠিন হৃদয়।
সবাকো বঞ্চিয়া শিশু ছৱাক ৱৱয় ॥
মাণিক এৰিয়া কাচ কৰিলেক সাৰ।
এইক আনে নিবে হুনু আগত আমাৰ ॥ ১২৩৬
যত ৰাজ্যভাৰ ভার্য্যা পুত্র এৰি আশ।
এইৰ নিমিত্তে মৰো খাটিয়া প্রবাস ॥
মহাকোপ কৰি উঠি বোলে কত জনে।
ধৰি আন আস্ফালিয়া মাৰোহো এখনে ॥ ১২৩৭
সীতাক মাৰিবে চাহো ৰাখে কোন বীৰ।
কেহো জনে বোলে দোষ নাহি জানকীৰ ॥

কৈৰ হস্তে আসিল ছৱাল মন্দ বুদ্ধি।
আমাৰ ভার্য্যাক নিবে চাহে কাত সুধি॥ ১২৩৮
হেনসে অবধ্য সব জীৱন জানয়।
মত্ত সিংহ সমূহক হাতে হেম্পোচয়॥
জলা জুইৰ মাজত ফৰিঙ্গ ৰীস কৰে।
জাম্প দিয়া পাৰ হুইবে খোজয় সাগৰে॥ ১২৩৯
জীৱন্ত যমৰ মুখে পৰি তোলে হাস।
দেখা কেনমত ইটো ছৱালৰ সাস॥
বৰ বৰ ৰাজাগণ আছো সাৱধানে।
পিসিয়া মাৰিবো আমি তাহাক নজানে॥ ১২৪০
একোকে নজানে আতি শিশু অল্পমতি।
সীতাক নিবেক দেখো কাহাৰ শকতি॥
প্ৰাণে যেবে বৰ্ত্তিবেক এৰোক সীতাক।
দুহি তেবে ভালমতে নপঠাইবো তাক॥ ১২৪১
কতো দুষ্ট ৰাজাগণে কৰে অহঙ্কাৰ।
চাহিবে নালাগে আক মুছৰিয়া মাৰ॥
চাহো আক মাৰন্তে ৰাখয় কোন জন।
এহি বুলি উঠিলা সকলে ৰাজাগণ॥ ১২৪২
সসৈন্যে ধাইলেক হাতে অস্ত্র শস্ত্র তুলি।
ধৰ মাৰ বুলি আতি কৰে হুলস্থুলি॥
হেন দেখি মহাভয়ে নৃপতি জনক।
আথে বেথে পলাই গৈলা ঋষিৰ মাজক॥ ১২৪৩
মিথিলাৰ লোক দশো দিশক পলাইল।
দেখি ৰামচন্দ্রে হাসি লক্ষ্মণক চাইল॥
দেখিয়ো লক্ষ্মণ ৰাজাসকলৰ টাই।
উঠা ঝাণ্টে সমস্তৰে দর্প কৰো ছাই॥ ১২৪৪
সিংহক জোকাৱে আসি শৃগালৰ পালে।
তাৰ হোঞ হোঞ ঠাই লগায়ো সকালে॥
ৰামৰ আদেশ বাণী শুনিয়া লক্ষ্মণে।
প্ৰণামি ৰামক উঠিলন্ত তাৱক্ষণে॥ ১২৪৫
মাৰো আজি ৰাজাগণ দাৰুণ সমৰে।
বান্ধিলা অক্ষয় তূণ পিঠিৰ উপৰে॥
প্ৰচণ্ড ধনুক বাম হাতে তুলি ধৰি।
ধাইলন্ত মৃগক যেন প্ৰমত্ত কেশৰী॥ ১২৪৬
আইস বুলি ৰাৱ তেজিলন্ত ৰীৱৰৱ।
সাগৰৰ ঢউ যেন ৰাখিল কাখৰ॥
সিংহ যেন শশাৰ আগত ভৈল থিৰ।
সমস্ত ৰাজাৰ দেখি উৰি গৈল জীৱ॥ ১২৪৭
কৰিলন্ত টঙ্কাৰ ধনুত পাক দিয়া।
ৰাজা সমূহৰ ভয়ে চমকিল হিয়া॥
হাসিয়া লক্ষ্মণে শৰ বৰিষিবে লৈলা।
নিৰন্তৰে ৰাজা ফুটি জর্জ্জৰিত ভৈলা॥ ১২৪৮
উৰু শিৰ নাসিকা ললাট মুখ কাণে।
বাহু বক্ষঃস্থল গল ফুটিল সন্ধানে॥
পেট পিঠি শালিলেক আজৰে পাজৰে।
ছেদিলেক হাত ভৰি লক্ষ্মণৰ শৰে॥ ১২৪৯
কাৰো মাজ কঙ্কালত ছিণ্ডিলন্ত বাণে।
পৰিয়া বাগৰে কতো আধা কাটা মানে॥
কৰিলন্ত লণ্ডভণ্ড লক্ষ্মণৰ বাণে।
কদলী বনক যেন পাইলন্ত পৱনে॥ ১২৫০
লক্ষ্মণৰ কর্ম্ম দেখি পৰম বিস্ময়।
সাধু সাধু বুলি সর্ব্ব জনে প্ৰশংসয়॥
শিশুমতি হুয়া কর্ম্ম কৰিলন্ত ভাল।
কতো বোলে নোহে শিশু এন্তে যমকাল॥ ১২৫১
শৰে ফুটি আতি বৰ বৰ ৰাজাচয়।
ক্রোধে জ্বলি গৈলা আঠু বাহু কামোৰয়॥
ছাৱা গোটে এত বৰ কৰিলে আমাক।
একেবাৰে ধাইলেক সব ৰাজা জাক॥ ১২৫২
চতুৰঙ্গ সেনাগণ ধাইলেক লগত।
বাহুতি দিলেক চুটি উঠি ঘোটকত॥
হস্তী স্কন্ধে চড়ি সাজেস্মাহুত সকলে।
বেগে ৰথ গতি কৰি ৰথীসব চলে॥ ১২৫৩
পদাতি কটকে বাজু ধৰি পটোৱাৰি।
ধাৱে ক্রোধ কৰি বাক খাণ্ডাক ঝঙ্কাৰি॥
ধনুশৰ ধৰি ধাৱে ধানুকী সকল।
নসহে ধৰণী খণ্ড কৰে টলবল॥ ১২৫৪
একে বাৰে ধাৱে মুখ্য মুখ্য ৰাজাগণ।
কটাক্ষ নাহিকে চাহি আছন্ত লক্ষ্মণ॥
কৰে ধৰ মাৰ সেনা সাগৰ সঙ্কাশ।
হাসন্ত লক্ষ্মণে একো নাই ভয় ত্রাস॥ ১২৫৫
ধনু ধৰি ৰাজাসবে টঙ্কাৰ কৰিল।
পৃথিবী আকাশ দিশ শৱদে পূৰিল॥
ঢাকিলেক লক্ষ্মণক শৰ বৰিষণে।
পর্ব্বতক যেন আৱৰিলা মেঘগণে॥ ১২৫৬
নানাবিধ বাণ বৰিষয় অবিচ্ছেদ।
দেখি দেৱাসুৰ নৰ মুনি কৰে খেদ॥
নিদাকণ ৰাজাগণ পৰম দুর্জ্জয়।
মাৰিৰেক লক্ষ্মণক বুলি ভৈল ভয়॥ ১২৫৭
ৰামৰ কনিষ্ঠ ৰীৱ লক্ষ্মণ কুমাৰ।
ৰণত সুজান আতিশয় অনির্ব্বাৰ॥
ৰাজাগণে শৰ বৰিষয় যত যত।
খান খান কৰিয়া কাটয় আকাশত॥ ১২৫৮
সমস্তে শৰক ছন্ন কৰিলা লক্ষ্মণে।
শিশিৰ শুষিল যেন ৰবিৰ কিৰণে॥

শৰচয় বিনাশি লক্ষ্মণে অনন্তৰে।
গোটে গোটে ৰাজাক তাড়িলা নিজ শৰে॥ ১২৫৯
শৰ ছোটে ফুটি মহাকোপ কৰি মনে।
লক্ষ্মণক মধ্য কৰি বেঢ়িলা তেখনে॥
একেশ্বৰ লক্ষ্মণ অনেক ৰাজাগণ।
ৰামচন্দ্রে দেখন্ত বিষম ভৈল ৰণ॥ ১২৬০
উঠিলা তেখনে কোপ কৰিয়া মনত।
সীতাক থৈলন্ত বিশ্বামিত্রৰ পাশত॥
নমস্কাৰ কৰি ৰামে বুলিলা ঋষিক।
তোমাৰ হাততে সমর্পিলো জানকীক॥ ১২৬১
শিষ্যগণ সমন্বিতে ৰাখিবা সীতাক।
শৰে হানি সমৰত মাৰো ৰাজাজাক॥
বাম হাতে ধনু ধৰি পিঠিত চোখৰ।
পৱন সঞ্চাৰে লাগ লৈলা লক্ষ্মণৰ॥ ১২৬২
জনক নৃপতি আসি চতুৰঙ্গ দলে।
ৰাম লক্ষ্মণৰ লাগ লৈলা কৌতুহলে॥
একে লক্ষ্মণৰ ৰণে নাই ভয়ে ভীত।
ৰামে লাগ পাইল গৈয়া জনক সহিত॥ ১২৬৩
এক থান হুয়া পাচে তিনি ৰীৱৰৱ।
পঞ্চ লক্ষ ৰাজা সমে কৰন্ত সমৰ॥
আস্ফাল কৰিলা তিনি জনে আতিশয়।
তিনিৰো আন্দোলে মহীমণ্ডল কম্পয়॥ ১২৬৪
কৰিলন্ত সিংহনাদ মহা ভয়ঙ্কৰ।
ত্রাস হুয়া কম্পিল সকলে চৰাচৰ॥
তিনি মহাৰীৰে ধনু ধৰি খৰতৰ।
নলক্ষয় কেহো কেতিক্ষণ কৰে শৰ॥ ১২৬৫
যত যত শৰ প্ৰহাৰিল ৰাজাজাক।
পথতে কাটিল তিল সম কৰি তাক॥
পাচে তিনি শৰ কৰি ছানিল গগন।
ৰাত্রি যেন ভৈল নাহি ৰবিৰ প্ৰসন॥ ১২৬৬
অবিচ্ছেদে মেঘে যেন কৰে বৰিষণ।
সেহিমতে শৰ প্ৰহাৰিলা তিনি জন॥
নিৰন্তৰে ৰাজাগণে ফুটি শৰ চোটে।
পৱম বিহ্বল ভৈলা সেপকো নোঢোকে॥ ১২৬৭
বোম্বালে ৰুধিৰ বহে শৰীৰ ঢাকিয়া।
সেনাগণ সকলে ভাগিল ফাট দিয়া॥
শৰে ফুটি ৰাজাগণ উঠিল ফিটায়া।
জ্বলিল পাৱক যেন ঘৃত দান পায়া॥ ১২৬৮
ধনু ধৰি টঙ্কাৰিলা ৰীৱনাদ কৰি।
কর্ণে তাল হানিল কম্পিল বসুন্ধৰী॥
কৰিলেক নিৰন্তৰে শৰ বৰিষণ।
ভৈল অন্ধকাৰ ঢাকি ৰবিৰ কিৰণ॥ ১২৬৯
মহাশৰ চোটে ফুটিলন্ত তিনি ৰীৱ।
বহয়ে ৰুধিৰ থিৰ নুহিকে শৰীৰ॥
বৃদ্ধ ৰাজা জনক ভৈলন্ত অচেতন।
শৰে লালকাল আতি ভৈলন্ত লক্ষ্মণ॥ ১২৭০
ৰামো আশকত হুয়া থাকি কতোক্ষণ।
কোপে প্রজ্বলিত ভৈলা যেন হুতাশন॥
বজ্রসম ধনুখানি বাম হাতে ধৰি।
বহুবাৰ ফুৰাইলন্ত চক্রাকাৰ কৰি॥ ১২৭১
পৱম আটোপে কোপে কৰিল টঙ্কাৰ।
ত্রৈলোক্যৰ লোকৰ লাগিল চমৎকাৰ॥
পঞ্চলক্ষ ৰাজাক ধাইলন্ত কোপ কৰি।
মৃগ দেখি ধাইল যেন প্ৰমত্ত কেশৰী॥ ১২৭২
দেখিয়া ৰামক ৰাজাগণ ভৈলা ভয়।
কুপিত যমক দেখি যেন প্রজাচয়।
পাক দিয়া ধনুখানি কৰিয়া কুণ্ড
ঘোৰ শৰচয় প্রহাৰিলা মহ ২৭৩
দাৰুণ সন্ধানে ৰাজাগণে তে প্রাণ।
ঢাকিল বিদিশ দিশ হানি কুশৰাণ॥
ঘোৱতৰ আটাস তেজিল ভয়ঙ্কৰ।
কর্ণত হানিলা তাল সমস্ত লোকৰ॥ ১২৭৪
নিৰন্তৰে লোক ৰহি আছিল যথাত।
মহাভয়ে ফুৰি ফুৰি পৰিল তথাত॥
ভৈগৈল তবধ লোক যেন বজ্র পাতে।
কদলী বনক যেন নিদলিল বাতে॥ ১২৭৫
ৰামশৰে ফুটি ৰাজাগণ সমুদায়।
ভৈল অচেতন ধাৱে তেজ বহি যায়॥
কাহাকো মাজতে কাটি কৰিল দুখান।
কতো ৰাজাগণ মৰি গৈল যমথান॥ ১২৭৬
ৰাঘৱৰ শৰচয় পৱম প্রচণ্ড।
দীঘল বর্ত্তুল স্থূল যেন যমদণ্ড॥
আকর্ণ পূৰিয়া টানি কৰন্ত প্রহাৰ।
হস্তী ঘোঁৰা ৰথপতি কাটিলা অপাৰ॥ ১২৭৭
কৰিলন্ত ৰামচন্দ্রে দুর্ঘোৰ সমৰ।
ৰুধিৰে বহিল নদী মহা ভয়ঙ্কৰ॥
নতো শুনি দেখি হেন ৰণ বিপৰীত।
পলাই ৰাজা প্রজাগণ হুয়া ভয় ভীত॥ ১২৭৮
বাপে পোৱে নসম্বৰে লৱৰে ভয়ত।
গিৰগিৰ মাত্র শুনি সমস্ত দিশত॥
পলায় প্রজা দেখি শুভদত্ত মহাৰাজ।
ৰাঘৱক ধাইল কোপে সংগ্রামৰ মাজ॥ ১২৭৯
ৰামে শুভদত্তক ধাইলন্ত কোপমনে।
হস্তীক দেখিয়া যেন ধাইলা পঞ্চাননে॥

দুয়ো বীৰে ধনু ধৰি কৰন্ত আস্ফাল।
দুইহানো আন্দোলে আতি যায় ভূমিচাল॥ ১২৮০
ধনুক টঙ্কাৰি দুয়ো প্রহাৰিলা বাণ।
দুয়ো শৰ আকাশত ভৈল একথান॥
শৰত পৰিয়া শৰ বহ্নি জ্বলি গৈল।
সেহি বহ্নি জ্বলি দুয়ো শৰ ভস্ম ভৈল॥ ১২৮১
পাচে ৰামে প্রহাৰিলা দশপাট শৰ।
শুভদত্ত দশ শৰ কাটিলা ৰামৰ॥
আন দশ শৰে ভেদিলেক ৰাঘৱক।
দুর্জ্জয় শৰীৰ ৰামে সহিলা শৰক॥ ১২৮২
শৰ পায়া ৰাঘৱৰ ক্রোধ জ্বলি গৈলা।
কুৰি পাট শৰ তূণ হস্তে বাহি লৈলা॥
গুণত চড়ায়া টানি আনি কর্ণ মানে।
শুভদত্ত নৃপতিক হানিল সন্ধানে॥ ১২৮৩
বাজ হুয়া গৈলা শৰ পৰি হৃদয়ত।
আৰো তিনি পাট ভেদিলন্ত ললাটত॥
ধ্বজ গোট কাটি সাৰথিৰ লৈলা প্রাণ।
চাৰি ঘোৰা মাৰি ভাঙ্গিলন্ত ৰথখান॥ ১২৮৪
ধনুখান কাটিলন্ত মাৰি ক্ষুৰ বাণ।
কৃপাযুত হুয়া তাৰ নলৈল পৰাণ॥
লালকাল হুয়া আতি ৰামৰ শৰত।
আধামৰা হুয়া পলাই গৈলা সুভদত্ত॥ ১২৮৫
হেন দেখি শতধনু ৰাজা কোপমনে।
নাইস বুলি তাৰ লাগ লৈলন্ত লক্ষণে॥
সুমিত্রাৰ তনয় প্রচণ্ড ধনুর্দ্ধৰ।
কৰিলন্ত সিংহনাদ আতি ভয়ঙ্কৰ॥ ১২৮৬
দিশ পাশ আকাশ পৃথিবী কম্পি গৈলা।
মহামন ত্রাসে ৰিপুগণ ভয় ভৈলা॥
মৃগপাল শুনি যেন সিংহৰ আটাস।
প্রাণ ৰাখি শত্রুগণ পালাই দিশ পাশ॥ ১২৮৭
দেখি কোপ কৰি শতধনু বিপৰীত।
ৰথে চড়ি লক্ষ্মণৰ আগে উপস্থিত॥
ভূমিত লক্ষ্মণ ৰথে শতধনু বীৰ।
লাগিল দাৰুণ ৰণ ৰথী বিৰথীৰ॥ ১২৮৮
দেখি ৰাজা জনকৰ মনে নসহয়।
মাতিয়া বোলন্ত পুত্র শুনিয়ো অজয়॥
ৰথ সাজি ঝাণ্টে লক্ষ্মণৰ লৈয়ো লাগ।
তাতে চড়ি শত্রু মাৰন্তোক মহাভাগ॥ ১২৮৯
হুয়োক সাৰথি ৰথী হৈৱন্ত লক্ষ্মণ।
কৰিয়া সমৰ মাৰিয়োক বিপুগণ॥
মই লাগ লৈবো চতুৰঙ্গ দলে সাজি।
ৰাজা সকলক ৰণে জিনিয়োক আজি॥ ১২৯০

অজয় কুমাৰে শুনি পিতৃৰ বচন।
দশ গোটা ঘোড়াৰে সাজিল ৰথখান॥
আতি চমৎকাৰ কৰিলন্ত ৰথৰৰ।
বান্ধিলা বিজয় ধ্বজ ৰথৰ উপৰ॥ ১২৯১
নানা অস্ত্র শস্ত্রচয় নিবন্ধিয়া থৈল।
বায়ু বেগে গৈয়া লক্ষ্মণৰ লাগ লৈল॥
লক্ষ্মণক বুলিলন্ত বচন বিনয়।
মোহোৰ অজয় নাম জনক তনয়॥ ১২৯২
চড়িয়োক ৰথে মই সাৰথি তোমাৰ।
কৰিয়োক লীলায়ে শত্রুক বুন্দামাৰ॥
লক্ষ্মণে শুনিয়া পাচে বাণী অজয়ৰ।
ডেৰ দিয়া চড়িলন্ত ৰথৰ উপৰ॥ ১২৯৩
প্রকাশন্ত লক্ষ্মণ ৰথত হুয়া থিৰ।
বাজা সকলৰ দেখি উৰি গৈল জীৱ॥
পৱন সঞ্চাৰে ৰথ ফুৰান্ত অজয়।
নমনিয় ৰথবেগে পৃথিবী কম্পয়॥ ১২৯৪
ধুলায়ে ঢাকিল ৰণ ধৰণীসকল।
পাচে ৰথখান থিৰ কৰি মহাবল॥
ৰাখিলন্ত নিয়া শতধনুৰ পাশত।
লক্ষ্মণক শতধনু দেখিয়া আগত॥ ১২৯৫
আতি আড়ম্বৰে সাজ ভৈলা যুজিবাক।
দুয়ো মহাবীৰ ধনু ধৰি দিলা পাক॥
দুয়ো দুইকো শৰ প্রহাৰন্ত একেবাৰে।
আকাশত চলি শৰ বিদ্যুত সঞ্চাৰে॥ ১২৯৬
দুইৰো শৰ ৰবিষণে ঢাকিল গগন।
ভৈল অন্ধকাৰ নাহি ৰবিৰ প্রসন॥
সকলে আকাশখান দেখি শৰময়।
সুৰাসুৰ নৰ মুনি ভৈল মহাভয়॥ ১২৯৭
দুইৰ শৰে দুই ফুটিলন্ত নিৰন্তৰ।
জর্জ্জৰিত ভৈল দুইহন্তৰ কলেৱৰ॥
দুইহানো শৰীৰ ঢাকি ৰুধিৰ বহয়।
ফুলিল অশোক যেন প্রকাশ কৰয়॥ ১২৯৮
ৰণে আতি সুজান লক্ষ্মণ বীৰৰৰ।
কাটিলন্ত ধনু শতধনুৰ হাতৰ॥
খৰতৰ শৰে পাচে ভেদিলন্ত তনু।
শৰ চোটে বিহ্বল ভৈলেক শতধনু॥ ১২৯৯
স্বস্থ হুয়া পাচে শতধনু গৈলা বাগি।
প্রহাৰিলা মুদগৰ লক্ষ্মণক লাগি॥
দেখিয়া লক্ষ্মণে কাটিলন্ত শৰে হানি।
পাচে শতধনু শূল প্রহাৰিলা টানি॥ ১৩০০
তাকো খণ্ড খণ্ড কৰি লক্ষ্মণে কাটিলা।
তাত পাচে শতধনু শকতি মাৰিলা॥

মহাশব্দ কৰিয়া শকতি ধায়া আসে।
লক্ষ্মণে হানিয়া শৰ কাটিলা আকাশে॥ ১৩০১
দেখি শতধনু মহা অসন্তোষ পাইল।
ভয়ঙ্কৰ গদা গোট হানিয়া পাঠাইল॥
আকাশত আসে গদা মহাবেগ ধৰি।
কাটিলা লক্ষ্মণে গদা সাতখান কৰি॥ ১৩০২
শতধনু দেখে মোৰ গদা ভৈল নাশ।
পাচে লক্ষ্মণক প্রহাৰিলা নাগপাশ॥
লক্ষ্মণে দেখন্ত নাগপাশ আসে খেদি।
হানিয়া গৰুড় বাণ পেলাইলন্ত ছেদি॥ ১৩০৩
কৌতূহলে লক্ষ্মণে ছেদিয়া নাগপাশ।
হানিলন্ত বহ্নি বাণ দেখি লাগে ত্রাস॥
প্রলয়ৰ বহ্নি সম চলয় সত্বৰে।
নিমাইলেক শতধনু বরুণৰ শৰে॥ ১৩০৪
দেখি বৰ কোপ জ্বলি গৈল লক্ষ্মণৰ।
শূল পাট লৈলন্ত দেখিতে লাগে ডৰ॥
প্রকাশ কৰন্ত শূল ধৰিয়া হাতত।
যেন মহেশ্বৰ আতি প্রলয় কালত॥ ১৩০৫
চামৰ মৃদুৰা ঘটা আছে থানে থানে।
কালান্তক যম যেন দেখি বিদ্যমানে॥
কৰে লহলহ অগ্র প্রদেশ শূলৰ।
দেখি ত্রাসযুত ভৈলা দেৱাসুৰ নৰ॥ ১৩০৬
মাৰিলা লক্ষ্মণে শূল আর্ত্তনাদ কৰি।
পলায় দেৱগণ কম্পি গৈলা বসুন্ধৰী॥
দেখি মহাভয়ে শতধনু নৃপবৰ।
লৱৰি পলাইলা বেগে নামিয়া ৰথৰ॥ ১৩০৭
ৰথে পৰি শূল বহ্নি জ্বলি বিপৰীত।
ভস্ম ভৈল ৰথ ঘোৰা সাৰথি সহিত॥
ৰাজাগণে দেখে শতধনু ভঙ্গ খাইল।
শৰ ধনু ধৰি সবে লক্ষ্মণক ধাইল॥ ১৩০৮
একেবাৰে ধায় সেনা সাগৰ সমান।
লক্ষ্মণে সবাকো ঢাকি ৰবিষিলা বাণ॥
মহা তীক্ষ্ণতৰ শৰ ত্রিশূল সাক্ষাৎ।
হেন শৰে হানি সেনা কৰন্ত নিপাত॥ ১৩০৯
ৰাজা প্রজাগণ মাৰি লৈযান্ত নিদলি।
মৃগগণ পায়া যেন সিংহ মহাবলী॥
হস্তী ঘোৰা ৰথপতি কাটিলা অপাৰ।
যমে যেন প্রজাগণ কৰন্ত সংহাৰ॥ ১৩১০
উরু শিৰ কাৰো কাটে বাহু বক্ষঃস্থল।
কাৰো নাক কাণ কাৰো ছিণ্ডিলন্ত গল॥
কেহো আধা মৰা কেহো সমূলি মৰিল।
মৰাশৰ সবে ৰণ ধৰণী ভৰিল॥ ১৩১১

ক্ষধিৰে বহয়ে নদী দেখি লাগে ডৰ।
মহাভয়ে ভঙ্গ দিলা ৰাজা নিৰন্তৰ॥
হস্তী ঘোৰা ৰথছত্র ধ্বজ দণ্ড যত।
অস্ত্র শস্ত্র বস্ত্র এৰে প্রাণৰ ভয়ত॥ ১৩১২
মুখত উশাসে আতি লৱৰি পলায়।
কাৰ কোন কৈক গৈল থান থিতি নাই॥
খুৰা জেঠা মামা পেসা সুহৃদ সোদৰ।
বাপে পোৱে এৰাএৰি ভৈল নিৰন্তৰ॥ ১৩১৩
পায়া আছে সেনাগণ লক্ষ্মণৰ কাণ্ডে।
বিষতে মৰয় তেজ্ব বহে ধাৰা দণ্ডে॥
বাটত পৰিয়া থাকে যাইবাক নপাৰে।
হস্তী ঘোৰা ৰথে পায়া চটকিয়া মাৰে॥ ১৩১৪
সাগৰসঙ্কাশ সেনা লণ্ডভণ্ড ভৈল।
কতোহো মৰিল কতোকতো পলাই গৈল॥
পাচক নচাৱে মাত্র পলায় ৰাজাগণ।
ৰথে চড়ি পৰিহাস কৰন্ত লক্ষ্মণ॥ ১৩১৫
ৰহ অৰে দুষ্ট ৰাজাসব কৈক যাস।
ছৱালত ৰণ হাৰি কিসক পলাস॥
ৰৰিষেক আছস সীতাক আশা কৰি।
এবে কি কাৰণে যাস তাক পৰিহৰি॥ ১৩১৬
ক্ষেত্রি হুয়া যুদ্ধ পায়া কৰ পৰিহাৰ।
ধিক বাহুবল ধিক জীৱন তোমাৰ॥
পাঞ্চ লক্ষ ৰাজা একে ছৱালত হাৰি।
শৃগালৰ পাল যেন পলাই লেঞ্জ মাৰি॥ ১৩১৭
আসিলি সীতাক বিহা কৰিবাৰ কাজে।
নকৰি বিবাহ পলাই যাস কোন লাজে॥
স্ত্রীৰ আগত কিবা কহিবি মহত।
বোলন্ত লক্ষ্মণে উপালন্ত নানা মত॥ ১৩১৮
প্রাণৰ কাতৰে ৰাজাগণ নিৰন্তৰ।
সুশুনিল ভয়ে পলাই গৈল নিজঘৰ॥
অনায়াসে লক্ষ্মণ ভৈলেক ৰণজয়।
আকাশত দেৱগণে পুষ্প বৰিষয়॥ ১৩১৯
জয় জয় বুলিয়া কোঢ়াল কৰে চানি।
ধন্য ধনুর্দ্ধৰ মহাবীৰ চূড়ামণি॥
অজয় সহিতে ৰণ জিনিয়া লক্ষ্মণে।
নিবর্ত্তিয়া আসি দুয়ো মহাৰঙ্গ মনে॥ ১৩২০
প্রণামিলা বিশ্বামিত্র মুনিক হৰিষি।
আশীর্ব্বাদ কৰি গাৱ মাজ্জিলন্ত ঋষি॥
মুনিৰ প্রসাদে দুইৰো শুচিল ভাগৰ।
লক্ষ্মণে নমিলা পাচে চৰণে ৰামৰ॥ ১৩২১
ৰামে লক্ষ্মণক গলে বান্ধিয়া ধৰিলা।
মুখে চুমা দিয়া বহু প্রশংসা কৰিলা॥

ভৈলন্ত হৰিষ আতি নৃপতি জনক।
অজয় সহিতে প্রশংসিলা লক্ষ্মণক ॥ ১৩২২
সীতা গোসানীৰ আতি আনন্দ বিস্তৰ।
শুনা ৰামায়ণ সভাসদ নিৰন্তৰ ॥
লভিবা মুকুতি দুখ হৈব উপশাম।
ডাকি ঘনে ঘনে ঘোষিয়োক ৰাম ৰাম ॥ ১৩২৩

দশৰথক আনিবলৈ শতানন্দক অযোধ্যালৈ প্রেৰণ।

দুলড়ী।

জনক নৃপতি, পাচে মহামতি,
মনত মহা কৌতুকে।
বিশ্বামিত্র সমে, ৰাম লক্ষ্মণক,
আগত লৈয়া উৎসুকে ॥
জানকীক আগ, কৰি মহাভাগ,
চলি গৈলা নিজঘৰ।
আথানৰ বাজ, পাতিয়া সমাজ,
বসিলন্ত নৃপবৰ ॥ ১৩২৪
পুৰোহিত শতা- নন্দক মাতিয়া,
বুলিলা মধুৰ বাক।
শুনিয়োক গুৰু, বিলম্ব নকৰি,
চলি যাইয়ো অযোধ্যাক ॥
দশৰথ মহা- ৰাজাত জনায়ো,
তান পুত্র ৰঘুবৰে।
ধনুক ভাঙ্গিয়া, জানকী সীতাক,
লভিলন্ত স্বয়ম্বৰে ॥ ১৩২৫
বশিষ্ঠ সহিতে, আসন্ত সত্বৰে,
বিহা কৰাইবাক প্রতি।
শত্রুঘন ভৰ- তকো লগে আনি,
আসিৱন্ত মহামতি ॥
শুনি শতানন্দে, পৰম আনন্দে,
অযোধ্যাক লাগি গৈলা।
দশৰথ আগে, ৰাম লক্ষ্মণৰ,
কথা প্রপঞ্চিয়া কৈলা ॥ ১৩২৬
ৰাম লক্ষ্মণৰ, কুশল কাহিনী,
শুনি ৰাজা দশৰথ।
শতানন্দ মুনি- বৰক সৎকাৰ,
কৰিলন্ত মহাৰথ ॥

বৃদ্ধ মন্ত্রী পাত্র গণক নৃপতি,
নগৰৰ ৰক্ষা দিলা।
ৰামৰ বিবাহ, নিমিত্তে পৰম,
উৎসুক মনে সাজিলা ॥ ১২২৭
হস্তী ঘোৰা ৰথ- পতি চতুৰঙ্গ,
দল লগে ভৈলা সাজ।
শত্রুঘন ভৰ- তক লগে লৈয়া,
চলিলন্ত মহাৰাজ ॥
বশিষ্ঠ প্রমুখ্যে, ব্রাহ্মণ সকল,
কৌতূহলে চলি গৈলা।
বস্ত্র অলঙ্কাৰ, অনেক সম্ভাৰ,
সুমন্ত্র লগত লৈলা ॥ ১৩২৮
তুলি ছত্রদণ্ড, নানা বাদ্য ভণ্ড,
বজাৱে প্রজা সকল।
অসংখ্য সেনাৰ, পদধূলি ছন্ন,
কৰিল ৰবি মণ্ডল ॥
জয় জয় ৰোল, কৰয় কল্লোল,
প্রজাৰ বহু ঘঞ্চাল।
প্রমত্ত হস্তীৰ, ঘোঁৰাৰ শবদে,
কৰ্ণত হানয় তাল ॥ ১৩২৯
প্রজাৰ আন্দোলে, পৃথিবী হিন্দোলে,
কম্পে সুৰাসুৰ যত।
মহা আড়ম্বৰে, মিথিলা নগৰে,
প্রৱেশিলা দশৰথ ॥
জনক নৃপতি, অনেক ভকতি,
কৰি আগবাঢ়ি নিলা।
পৰম সাদৰে, দিব্য সিংহাসন
আপুনি পাৰিয়া দিলা ॥ ১৩৩০
সুবর্ণ আসন, পাৰিয়া দিলন্ত,
বশিষ্ঠ মহা ঋষিক।
জনকে হৰিষে, সঅর্ঘে পূজিলা,
দশৰথ নৃপতিক ॥
বশিষ্ঠকো পাদ্য, অর্ঘে পূজিলন্ত,
কৰি আতি সতকাৰ।
শ্রীৰাম লক্ষ্মণে, পিতৃৰ চৰণে,
কৰিলন্ত নমস্কাৰ ॥ ১৩৩১
পুত্র দুইক পায়া, পৰম স্নেহত,
সাৱটি ধৰিয়া গলে।
শিৰ ঘ্রাণি দুইৰো, শৰীৰ তিয়াইলা,
হৰিষ নেত্রৰ জলে ॥
দশৰথে বিশ্বা- মিত্রক দেখিয়া,
নমিলা কৰি আহ্লাদ।

কৰি বেদধ্বনি, বিশ্বামিত্র মুনি,
কৰিলন্ত আশীর্ব্বাদ ॥১৩৩২
দশৰথ মহা- ৰাজাৰ লগত,
আসিয়াছে প্রজা যত।
জনকে সবাকো, দিলা বাসাঘৰ,
হৰিষে আতি মনত ॥
ভোজন সম্ভাৰে, নানা ব্যৱহাৰে,
সমস্তকে সন্তোষিলা।
চাৰি পুত্র সমে, ৰাজাক জনকে,
অন্তঃপুৰে বাসা দিলা ॥ ১৩৩৩
বহু সতকাৰ, কৰিয়া ভোজন,
কৰাইলন্ত পঞ্চামৃতে।
বিবাহৰ কার্য্য, চিন্তিবে লাগিলা,
ঋষিগণ সমন্বিতে ॥
বিশ্বামিত্র মুনি, বোলন্ত জনক,
ঊর্ম্মিলা জীউ তোমাৰ।
লক্ষ্মণক বিহা, দিয়োক বচন,
পালিয়ো যেবে আমাৰ ॥ ১৩৩৪
জনকে বোলন্ত, লক্ষ্মণক বিহা,
দিবো জীউ ঊর্ম্মিলাক।
জনকৰ ভাতৃ, কুশধ্বজে দশ-
ৰথক বুলিলা বাক ॥
শুনিয়োক ৰাজা, আমাৰ দুই খানি
দুহিতা ঘৰে আছয়।
শত্রুঘন ভৰ- তক বিহা দিও,
তযু আজ্ঞা কিবা হয় ॥ ১৩৩৫
শুনি দশৰথে, বুলিলন্ত বাণী,
পুছিবে নলাগে আক।
বিবাহ কৰায়া, সত্বৰে গৃহক,
পঠায়া দিয়া আমাক ॥
কুশধ্বজ জন- কৰ শুনি বাণী,
হৰিষ ভৈলা মনত।
চাৰি ৰৰ চাৰি কন্যাক কৰাইলা,
অধিবাস কর্ম্ম যত ॥ ১৩৩৬
নানাবিধ জয় বাদ্য সুমঙ্গলে,
ৰজনী ভৈল প্রভাত।
দেৱ পিতৃ কার্য্য, কৰি দশৰথে,
বসিলা গৈয়া সভাত ॥
মিথিলা নগৰে, মহা মহোৎসব,
মিলিয়া গৈল অপাৰ।
হাটী বাটী যত, সাজি মাজি আতি,
কৰিলন্ত জাতিস্কাৰ ॥ ১৩৩৭

পদুলি পদুলি, তাম্বুল কদলী,
কইলা চৰে সমে.কাটি।
পতাকা তোৰণ, চিৰৰে ৰচিল,
কৰি আতি পৰিপাটি ॥
নানা চিত্রফল, পল্লবে ৰঞ্জিয়া,
থৈলা পূর্ণ ঘট পাতি।
প্রত্যেক দুৱাৰে, পাতিলেক দ্রোণি,
ঘৃতৰ লগায়া বাতি ॥ ১৩৩৮
থানে থানে আতি, প্রকাশ কৰয়,
ধ্বজ দণ্ড শাৰী শাৰী।
দিব্য অলঙ্কাৰে, বস্ত্রে কাছি পাৰি,
শোভা কৰে নৰ নাৰী ॥
সমস্তে প্রজাৰ, হৰিষ অপাৰ,
বিবাহ হৈব সীতাৰ।
কিনো ভাগ্যৱতী, পাইলন্ত সুপতি,
ৰামক পুরুষ সাৰ ॥ ১৩৩৯
চাৰি অংশে হৰি, আছা অৱতৰি,
রূপ ধৰি মনুষ্যৰ।
বিহা কৰিবাক, প্রতি গৈয়া আছা,
জনক ৰাজাৰ ঘৰ ॥
সীতা রূপে লক্ষ্মী, ভৈলা উতপতি,
ৰাক্ষস বধ কাৰণে।
লক্ষ্মী নাৰায়ণে, একত্র হৈৱন্ত,
জানিয়া দেৱতাগণে ॥ ১৩৪০
মহাৰঙ্গ মনে, আসিলন্ত সবে,
সমজ্যাক জনকৰ।
পুত্রগণ সমে, আসিলন্ত ব্রহ্মা,
পার্ব্বতী সহিতে হৰ ॥
গন্ধর্ব্ব চাৰণ, অপেচৰাগণ,
সমে আইলা পুৰন্দৰ।
পৰম হৰিষে, আইলা মিথিলাক,
আনো দেৱ নিৰন্তৰ ॥ ১৩৪১
বাসুকী সহিতে, যত নাগগণ,
আসিলা সবে হৰিষি।
বিবাহ দেখিতে, আসিলা আনন্দে,
নাৰদ প্রমুখ্যে ঋষি ॥
পৃথিবী মধ্যত, আছে যত যত,
ৰাজা প্রজাগণ মানে।
অনেক সম্ভাৰে, মঙ্গল আচাৰে,
আইলা বিবাহৰ থানে ॥ ১৩৪২
নানা বাদ্য দেৱ, দুন্দুভি বাজয়,
পৃথিবী আকাশ চানি।

স্বর্গ মর্ত্ত্য নাগ- লোকত কৱয়,
জয় জয় ৰাম ধ্বনি ॥
নমো ৰঘুপতি, পৃথিয়ো সম্প্রতি,
জগতৰ মনস্কাম।
শ্বত সমজ্যাৰ, লোক বাৰম্বাৰ,
বোলা জয় ৰাম ৰাম ॥ ১৩৪৩

ৰাম, লক্ষ্মণাদি চাৰি ভাইৰ বিবাহ।

পদ।

নানা জয় মঙ্গল প্রজাৰ কোলাহল।
বহুবিধ শব্দে কর্ণত হানে তাল ॥
ত্রৈলোক্যৰ লোক এক থান মিথিলাত।
ব্রহ্মা আদি বসি আছা বিয়াৰ সভাত ॥ ১৩৪৪
মধুৰ মৃদঙ্গ ধৰি বিদ্যাধৰে বাৱে।
গন্ধর্ব্ব সকলে সুললিত গীত গাৱে ॥
মুখ্য মুখ্য বাছি অপেচৰা কৱে নাট।
নানা ছন্দে বিছন্দে চপয়া পঢ়ে ভাট ॥ ১৩৪৫
নানা থানে নানাৰঙ্গ নানা কৌতুহলে।
নানা কুটি নাটি লোকে কৱয় সকলে ॥
প্রজায়ে জুৰিল হাট ঘাট বাট মানে।
নানাবিধ ৰস মিলি আছে থানে থানে ॥ ১৩৪৬
সর্ব্বজান জনক নৃপতি মহামতি।
দেৱ পিতৃ কর্ম্ম যত কৰি সমাপতি ॥
দ্বিজ কন্যাগণ মাতি আনিয়া সমস্ত।
মঙ্গল আচাৰ কৰাইলন্ত যত যত ॥ ১৩৪৭
লৌকিক বৈদিক ব্যৱহাৰ নিৰন্তৰ।
সমস্তে কৰাইলা ৰাজা বিধি বিদ্যাম্বৰ ॥
আয়তী সকলে কৰি মঙ্গল বিধান।
চাৰি বৰ চাৰি কন্যা কৰাইলন্ত স্নান ॥ ১৩৪৮
দিব্য বস্ত্র অলঙ্কাৰে কৰাইলা ভূষণ।
হাতত দিলন্ত ফল কটাৰী দর্পণ ॥
মেনকা সুন্দৰী মহাদই জনকৰ।
সঙ্গে লৈয়া দ্বিজ কন্যাগণ নিৰন্তৰ ॥ ১৩৪৯
সীতা সতী ঊর্ম্মিলা মাণ্ডৱী শ্রুতকীর্ত্তি।
চাৰিৰো মঙ্গল আচৰিলা ভিনি ভিনি ॥
নানাবিধ বিভূষণে কৰাইলা ভূষিত।
কপালে তিলক দিলা কৰি সুললিত ॥ ১৩৫০
সিন্দূৰৰ মাজে দিলা চন্দন ধৱল।
সুবিচিত্র কৰি দিলা নয়নে কাজল ॥
কুশধ্বজ মহামতি নৃপতি জনক।
অচ্চিলন্ত বিধিৱতে চাৰি কুমাৰক ॥ ১৩৫১
দিলন্ত চাৰিকো বিহা মণ্ডপৰ তলে।
চাৰিৰ প্রকাশে সভাখান আতি জ্বলে ॥
বিবাহৰ লগ্ন আসি ভৈল অনন্তৰে।
জানি পাচে হৰিষে জনক নৃপবৰে ॥ ১৩৫২
কন্যা সম্প্রদান কৰিবাক বসিলন্ত।
ৰামে সবে দেৱতা সবক অচ্চিলন্ত ॥
বিশ্বামিত্রে বিধি পাঠ কৰন্ত হৰিষি।
বঙ্গে হোম কৰন্ত বশিষ্ঠ মহাঋষি ॥ ১৩৫৩
যেন অনুক্রমে বিধি আচৰিয়া তাক।
ৰামৰ লগত নিয়া বসাইলা সীতাক ॥
তিল কুশ ধৰিয়া জনক নৱনাথে।
উৎসর্গি সীতাক দিলা ৰাঘৱৰ হাতে ॥ ১৩৫৪
সেহি সময়ত ভৈলা মহা মহোৎসৱ।
উকলি জোকাৰ বহুবিধ জয় ৰৱ ॥
দেৱ মনুষ্যৰ বাদ্য একত্রে বাজয়।
সিদ্ধ মুনি সকলে কুসুম ৰৱিষয় ॥ ১৩৫৫
বেদধ্বনি কৰন্ত সকলে দেৱগণ।
নানা শুভ মঙ্গল ঘোষয় সর্ব্বজন ॥
সমস্ত লোকৰ মহা মিলিল হৰিষ।
জয় জয় ৰামধ্বনি শুনি দশোদিশ ॥ ১৩৫৬
জনক নৃপতি আতি পূৰি মনোৰথ।
অনেক যৌতুক দিলা সীতাৰ লগত ॥
হয় হস্তী ৰথ দোলা দাসী দাস দেশ।
মুকুতা মাণিক ৰত্ন দিলন্ত অশেষ ॥ ১৩৫৭
দিব্য বস্ত্র অলঙ্কাৰ সুবর্ণ ৰজত।
ঘটস্রৱা ধেনু উৎসর্গিলা শতে শত ॥
এহেন্তে ঈশ্বৰ বুলি মনত জানিলা।
ৰাজ্যভাৰ সমস্তে ৰামত সমর্পিলা ॥ ১৩৫৮
আজিসে কৰিলো সবে পুরুষ উদ্ধাৰ।
পৰম ঈশ্বৰ জোৱাই ভৈলন্ত আমাৰ ॥
ভৈলোহো কৃতার্থ বুলি আনন্দে নাচন্ত।
অনন্তৰে ব্রহ্মা আদি যতেক আছন্ত ॥ ১৩৫৯
যাৰ যেন মত ইচ্ছা তাকে উৎসর্গিল।
সুবর্ণ মানিক ৰত্নে যেন ৰৰিষিল ॥
ত্রৈলোক্যৰ লোক সবে উৎসর্গা কৰিল।
যৌতুক সম্ভাৰে পুৰী মিথিলা ভৰিল ॥ ১৩৬০
অনন্তৰে লক্ষণক জনক নৃপতি।
ঊর্ম্মিলাক বিবাহ দিলন্ত মহামতি ॥
লক্ষ্মণকো যৌতুক দিলন্ত বহুতৰ।
তাত পাচে কুশধ্বজ ভ্রাতৃ জনকৰ ॥ ১৩৬১

নিজ জীউ মাণ্ডৱী সুন্দৰী মহাসতী।
ভৰতক বিবাহ দিলন্ত মহামতি ॥
শ্রুতকীর্ত্তিক দিলা শত্রুঘনক উৎসুকে।
অনেক যৌতুক দুইকো দিলন্ত কৌতুকে ॥ ১৩৬২
জনক নৃপতি কুশধ্বজ মহাসন্ত।
দুই ভাইৰ চাৰি কন্যা চাৰিকো দিলন্ত ॥
বস্ত্র অলঙ্কাৰ পুষ্প তাম্বুল চন্দনে।
যথা যোগ্য সমজ্যা ৰঞ্জিলা বঙ্গ মনে ॥ ১৩৬৩
সতকাৰ লভিয়া সন্তোষ আতি ভৈলা।
স্বকী স্বকী থানে ব্রহ্মা আদি চলি গৈলা ॥
জনক নৃপতি ৰৰ কন্যা আঠজন।
পৰমানে পঞ্চামৃতে কৰাইলা ভোজন ॥ ১৩৬৪
পুষ্প শয্যা মাজে পাচে কৰাইলা শয়ন।
সুখে অনন্তৰে ভৈলা ৰজনী প্রসন্ন ॥
কৰিলন্ত স্নান দান উঠি প্রভাতত।
কৰাইলন্ত বাসি বিহা হৰিষে মনত ॥ ১৩৬৫
দশৰথে মাতিলন্ত জনক ৰাজাক।
ৰৰ কন্যা সমে বিহাই পাঠায়ো আমাক ॥
ৰাজা হুয়া আসি আছো পাট পৰিহৰি।
শত্রু শঙ্কা লাগে চলি যাও শীঘ্র কৰি ॥ ১৩৬৬
শুনি অন্তঃপুৰে গৈয়া জনক নৃপতি।
সীতাক প্রবোধ বুলিলন্ত মহামতি ॥
অযোনিকা তোমাক লভিলো যজ্ঞভূমি।
পিতৃৰ মাতৃৰ প্রিয়তম জীউ তুমি ॥ ১৩৬৭
ত্রিভুবনে নিরুপমা তুমি মহাসতী।
পৰম দুর্ল্লভ আতি লভিলা সুপতি ॥
সতী স্ত্রী সকলৰ স্বামীসে ভূষণ।
কদাচিতো নলঙ্ঘিবা ৰামৰ বচন ॥ ১৩৬৮
একচিত্তে সেৱা কৰিবাহা সর্ব্বক্ষণে।
কৰিবা শুশ্রূষা শাশু শশুৰ চৰণে ॥
অৱহেলা নকৰিবা দেৱৰ সবক।
কৰিবাহা দায়া আতি সমস্তে জনক ॥ ১৩৬৯
তেবে তযু শুদ্ধ যশে জুৰিব সংসাৰ।
ইহ পৰলোকে সুখ মিলিবে তোমাৰ ॥
নালাগে শিখাবে সবে জানাহা আপোনে।
তোমাৰ সদৃশ আৰো নাহি একো গুণে ॥ ১৩৭০
পাচে আসি মেনকা জনক পটেশ্বৰী।
কৰন্ত ক্রন্দন জানকীৰ গলে ধৰি ॥
কাক লাগি এতমান কৰিয়ো জীয়াই।
ঘৰ শুৱনীয়া কৈক যাইবে সীতা আই ॥ ১৩৭১
সীতা সীতা বুলি নাম লৈবোহো কাহাৰ।
তই গৈলে প্রাণ কেনে ৰহিব আমাৰ ॥
আজি সর্ব্বশূন্য কৰি যাইবে মোৰ ঘৰ।
আনেসে আপোন ভৈল মই ভৈলো পৰ ॥ ১৩৭২
মোৰ বুক শূন্য কৰি কোনে লৈয়া যায়।
থাকিবি কাহাৰ গৈয়া ঘৰক গুৱাই ॥
কৌশল্যা বিহণী আছা কত তপসাই।
আজি তান বুক জুৰাইবেক তোক পাই ॥ ১৩৭৩
সীতায়ো কান্দয় মেনকাৰ ধাৰ গলে।
কৰয় ক্রন্দন আৰ সুহৃদ সকলে ॥
একত্রে কান্দয় মিথিলাৰ নাৰীনৰ।
আতিশয় ঊর্ম্মি উথলিলা ক্রন্দনৰ ॥ ১৩৭৪
কৈক যাহা সীতা সতী জীউ জনকৰ।
আজি শূন্য কৰিলাহা মিথিলা নগৰ ॥
তই বিনে দুখত মৰিলো সর্ব্বজন।
অযোধ্যাপুৰীৰ বিধি ভৈলা সুপ্রসন ॥ ১৩৭৫
চক্ষুৰ লোতক মুছি জনক নৃপতি।
কৰিলন্ত দশৰথ ৰাজাত ভকতি ॥
বুলিলন্ত বিনয় ধৰিয়া তান হাতে।
সীতা জীউখানি মোৰ সপিলো তোমাতে ॥ ১৩৭৬
জীউ বুলি প্রতিপাল কৰিবা বিহাই।
বিহণীক বুলিবাহা আপুনি বুজাই ॥
তুলিতালি বৰ কৰি দিলো জানকীক।
আপুনি পালিবা কিবা বুলিবো অধিক ॥ ১৩৭৭
অনন্তৰে দশৰথ উৎসুকে মনত।
চাৰি পুত্র চাৰি বধূ তুলি বিমানত ॥
সুমন্ত্র যোপাইলা ৰথ তাতে চড়িলন্ত।
অযোধ্যাক প্রতি শুভ ক্ষণে লৰিলন্ত ॥ ১৩৭৮
আগে পাচে বজাৱয় ব্যাল্লিশ বাজন।
চমৎকাৰে সাজিয়া চলিল সেনাগণ ॥
ধ্বজ দণ্ড তুলি প্রজা কৱে জয় জয়।
অসংখ্য প্রমাণ ৰথপতি হস্তীচয় ॥ ১৩৭৯
চানিলেক দিশ পাশ শৰদ কল্লোলে।
প্রজাৰ আন্দোলে মহীমণ্ডল হিল্লোলে ॥
চলিল আনন্দে দশৰথ মহামতি।
মিথিলাৰ লোক সমে জনক নৃপতি ॥ ১৩৮০
আগ বঢ়াইবাক প্রতি গৈলা নৱেশ্বৰ।
হাৰষে চলিলা বিশ্বামিত্র মুনিবৰ ॥
সীতাসমে ৰামচন্দ্র যান্ত বিমানত।
ৰোহিনী সহিতে যেন চন্দ্র আকাশত ॥ ১৩৮১
দুর্ব্বাদল শ্যাম ৰাম দেৱৰ শৰীৰ।
সুবর্ণ গৌৰাঙ্গ তনু সীতা গোসানীৰ ॥
দুইহন্তৰো ৰূপে দশোদিশ প্রকাশয়।
পথিক লোকৰ আতি মনক হৰয় ॥ ১৩৮২

ঊৰ্দ্ধমুখ হুয়া চাহি আছে সৰ্ব্বজনে।
যেন অমৃতক পান কৰয় নয়নে॥
নখণ্ডয় তৃপিতি চাহয় নেত্ৰ ভৰি।
ৰামৰ ৰূপক যেন পিয়ে চলু কৰি॥ ১৩৮৩
জলকুম্ভ কাখে লৈয়া যুবতী সকলে।
ৰামৰ ৰূপক চাহি থাকে কৌতূহলে॥
চিত্ৰৰ পুতলি যেন নভাসে নয়ন।
ৰামৰ সীতাৰ ৰূপে হৰিলেক মন॥ ১৩৮৪
পৰম তৃপিতি হুয়া যত নাৰী নৰে।
ৰামক সীতাক প্ৰশংসয় নিৰন্তৰে॥
ধন্য ৰামচন্দ্ৰ ধন্য সীতা বৰ নাৰী।
দুই হস্তৰ পটন্তৰ দিবাক নপাৰি॥ ১৩৮৫
পুৰুষ ৰতন ৰাম ত্ৰিভুবনে সাৰ।
নাহিকে সমান আন জানকী সীতাৰ॥
প্ৰৱন্ধে স্ৰজিলা বিধি দুইহানো ৰূপক।
ধন্য মাৱ বাপ তুলিলেক দুইজনক॥ ১৩৮৬
এহিমতে প্ৰশংসয় পথিক সকলে।
দশৰথ ৰাজা চলি যান্ত কৌতুহলে॥
গৈলন্ত জনক কতোদূৰ আনন্দতে।
বুলি মাতি পলটাই পঠাইলা দশৰথে॥ ১৩৮৭
পাত্ৰ পুৰোহিত চাৰি পুত্ৰ লৈয়া সঙ্গে।
অযোধ্যাক যান্ত চলি দশৰথ ৰঙ্গে॥
সেহি বেলা ৰাত বৃষ্টি ভৈলা আকাশত।
ৰাজাৰ আগত আসি ভৈলা বজ্ৰপাত॥ ১৩৮৮
নময়ন দিশপাশ ভৈল অন্ধকাৰ।
কৰে মৰমৰ চক্ৰ ৰথৰ ৰাজাৰ॥
ঘোৰ শিলা সম্পা বায়ু বহে বিপৰীত।
হস্তী ঘোৰা সেনা যত ভৈল ভয়ে ভীত॥ ১৩৮৯
শীতে পীড়িলেক থিৰ নোহে হাত ভৰি।
নাসে মুখে মাত বুক কাম্পে তৰতৰি॥
যিবা যৈত আছিল তহিতে তন্তি ৰৈল।
ৰাজাৰ আগত ৰক্তময় বৃষ্টি ভৈল॥ ১৩৯০
নানাবিধ বিমঙ্গল দেখি আতিশয়।
ৰশিষ্ঠত নৃপে পুছিলন্ত হুয়া ভয়॥
ইহাৰ কাৰণে কহিয়োক মুনিবৰ।
কি কাৰণে পথত এতেক আথান্তৰ॥ ১৩৯১
কোন বা বিঘিনি ভৈল আমাৰ ৰাজ্যত।
অন্ধকৰ শাপ জানো ভৈল উপগত॥
গুচিল আমাৰ জানো ৰাজ্য ভাৰ যত।
কিবা মোৰ আয়ু আসি ভৈল সমাপত॥ ১৩৯২
শুনিয়া ৰাজাক দিলা প্ৰবোধ ৰশিষ্ঠে।
নাহি কিছু শঙ্কা ৰাজা জানিবাহা নিষ্ঠে॥

ৰাউত পৰশুৰামৰ সৈতে ৰামৰ সাক্ষাত আৰু পৰশুৰামৰ পৰাভৱ ?

সেহি সময়ত পাচে জামদগ্নি ৰাম।
ধনু ভঙ্গ শুনি কোপে নিকলিল ঘাম॥ ১৩৯৩
কমনে ভাঙ্গিল ধনু মোহোৰ গুৰুৰ।
সি জনৰ দৰ্প আজি কৰিবোহো চূৰ॥
পৰশু কুঠাৰখন পাৰিয়া কান্ধত।
ভয়ঙ্কৰ ধনুখান ধৰিয়া হাতত॥ ১৩৯৪
ৰাজাৰ সেনাৰ মাজে ভৈলা উপগত।
শৃঙ্গে সমন্বিতে যেন সচল পৰ্ব্বত॥
দুৰ্জ্জয় শৰীৰ ধনুৰ্দ্ধৰ মহাবীৰ।
ক্ৰোধৰ বেগত আতি হুহিকন্ত থিৰ॥ ১৩৯৫
ফুৰান্ত চক্ষু দুই অগনি সমান।
দেখি কটকৰ ভয়ে উৰি গৈল প্ৰাণ॥
বৃষ্টি অন্ধকাৰে নেদেখিয়া দিশপাশ।
পৰশু ৰামৰ মূৰ্ত্তি দেখি ভৈল ত্ৰাস॥ ১৩৯৬
কিসে পাইলে বুলি ধাতু শুকতি উৰিল।
চক্ষু জপাই সেনা সবে ভূমিত পৰিল॥
কৈয়া ৰাম বুলিয়া মাতন্ত শীঘ্ৰকৰি।
ব্ৰাহ্মণৰ চিহ্ন যজ্ঞসূত্ৰ আছা ধৰি॥ ১৩৯৭
ক্ষত্ৰিয় লক্ষণ হাতে আছে ধনুখান।
পৰম নিৰ্দ্দয় দায়া নাহি অনুমান॥
পিতৃৰ বচনে কাটি আছন্ত মাতৃক।
হেন জনে আনক কৰিবে দায়া কিক॥ ১৩৯৮
শিৰে জটা ভাৰ গলে ৰুদ্ৰাক্ষৰ মালা।
কটিত বাকলি বস্ত্ৰ কুশৰ মেখলা॥
ঝকঝক দান্ত শোভা কৰে গোফ দাড়ি।
গাৱে মল পঙ্ক বনবাসী ৰূপ টাৰী॥ ১৩৯৯
হাতে মালা ধৰিয়া জপন্ত সৰ্ব্বক্ষণ।
উফৰন্ত ক্ৰোধত দেখিবে যম যেন॥
ভ্ৰুৱ চালি কপালৰ গাঠি শিহৰাই।
দশন চোবায়া কোপে মাতন্ত শেহাই॥ ১৪০০
গৰ্জ্জিবে লাগিলা আতি নিষ্ঠুৰ বচনে।
আমাৰ গুৰুৰ ধনু ভাঙ্গিল কমনে॥
ৰামহাতে ধৰি ঘোৰতৰ ধনুখান।
পৃথিবীৰ ক্ষত্ৰি মাৰি কৰিলো নিৰ্যাণ॥ ১৪০১
ক্ষত্ৰি হুয়া কোন বীৰ পুনৰপি আইল।
জানিলো সিজনে মোৰ বাৰ্ত্তাক নপাইল॥

মোৰ কথা শুনি ক্ষত্ৰি নাম কোন ধৰে।
হেনমত ভয় সিটো সাসক নকৰে॥ ১৪০২
এবে কোন জনে মোক নগণে মনত।
এতিক্ষণে থিৰ হৌক মোহোৰ আগত॥
ৰৌদ্ৰে ৰবিষণে আতি পৰিয়া আছয়।
খুখুন্দা ধনুক ভাঙ্গি মুনিহ কহয়॥ ১৪০৩
আজি যেবে জীৱ লৈয়া যায় মোৰ আগে।
তেবে গৈয়া বীৰত্ব কহোক যত লাগে॥
শুনি দশৰথ ৰাজা গুণন্ত মনত।
ভৈলো বৃদ্ধ আমাৰ শৰীৰ আশকত॥ ১৪০৪
দেখিয়া ছোৱাল নিজ পুত্ৰ চাৰি খানি।
বিপৰীত চিন্তা লভিলন্ত মহামানী॥
ৰামে সমে আমি যদি আছো দুই বীৰ।
তেবে কি কৰিবো আহ্ব দুৰ্জ্জয় শৰীৰ॥ ১৪০৫
বিপাকে ঠেকাইলা আনি বিধাতা আমাক।
বিবাদে নপৰি আহ্ব বোলো প্ৰিয় বাক॥
এহি বুলি পৰশু ৰামক নৰনাথে।
পাদ্যে অৰ্ঘে পূজি চৰণত ধৰি হাতে॥ ১৪০৬
তুতি নতি প্ৰণতি বোলন্ত দশৰথ।
তথাপিতো দায়া তাৰ নোপজে মনত॥
হাতে ঘোৰ ধনু ধৰি চক্ষু পকাই চান্ত।
বাঘে যেন গৰ্জ্জিয়া ৰামক ধায়া যান্ত॥ ১৪০৭
দেখি ৰামচন্দ্ৰে মুখে অল্পহাস্য কৰি।
পৰশুৰামৰ আগ ভৈলা ধনু ধৰি॥
জামদগ্নি ৰামে শ্ৰীৰামক দেখিলন্ত।
কৰিয়া তৰ্জ্জন পাচে বাক্য বুলিলন্ত॥ ১৪০৮
নজানাহা ৰণ কিছু ছৱাল ৰাজাৰ।
জানো তুমি কথা নতু শুনাহা আমাৰ॥
পৰশুৰাম নাম মোৰ বিদিত সংসাৰ।
নিক্ষত্ৰি কৰিলো মহী তিনি সাতবাৰ॥ ১৪০৯
ক্ষত্ৰিয়ৰ নিমিত্তে সাক্ষাত মই যম।
সম্প্ৰতি আছোহো মই পৰিয়া নিজম॥
ডাকিয়া আনিলা মোক দেখায়া দৰ্পক।
দাণ্ডি দিয়া জাগাইলাহা কাহাল গোমক॥ ১৪১০
কুপিত সিংহৰ আগে পেলাইলাহা গাৱ।
আনিলা যমক যেন দিয়া হাত বাৱ॥
মই অন্তকৰ কোপ তুলিলা কিসক।
শিশু হুয়া কৰা কেনে দুৰ্যোৰ কৰ্ম্মক॥ ১৪১১
ধনু ভাঙ্গি যশ বৰ লভিলা ডাঙ্গৰ।
উপাৰিয়া শৃঙ্গ যেন মেক পৰ্ব্বতৰ॥
কাৰ বৰ পায়া তুমি কৰা হেন কৰ্ম্ম।
আমাৰ গুৰুৰ ধনু ভাঙ্গি দিলা মৰ্ম্ম॥ ১৪১২
জানিলো কৰিলা গুৰু দেৱত ভকতি।
নুহি কেন মতে হৈব ই দুৰ শকতি॥
ত্ৰিভুবনে পৰম উজ্জ্বল ৰাম নাম।
নাহি সংসাৰত ইটো নামক উপাম॥ ১৪১৩
সেহি ৰাম নাম ধৰি আমাৰ প্ৰকাশ।
হেন নাম লৈলা তুমি কৰি অভিলাষ॥
বোলা ৰাম নাম লৈলে মোৰ হৈবে খ্যাতি।
আমাক বিদ্বেষ তুমি কৰিলাহা আতি॥ ১৪১৪
বৰ তেজস্বন্ত বীৰ ভৈলাহা অধিক।
কৰিবাহা লুপ্ত তুমি আমাৰ কীৰ্ত্তিক॥
ত্ৰিজগত লোকে জানে মোৰ বিক্ৰমক।
ক্ষত্ৰিয়ৰ নামে মই সাক্ষাতে অন্তক॥ ১৪১৫
নপাৱো জিনিবে যেবে তোমাক ৰণত।
নিস্ফল জীবন মোৰ ইটো সংসাৰত॥
জনকৰ ঘৰে ভাঙ্গি পচা ধনুখান।
তাতে বোলা নাহি মোত মুনিহ সমান॥ ১৪১৬
মই চূৰ কৰিবো তোমাৰ গৰ্ব্ব যত।
পৰিলা চেঙেলি আজি বুঢ়াৰ হাতত॥
ৰহি আছা বৃক্ষ যেন নদীৰ তীৰত।
অলপতে পৰে শিফা নাহিকে তলত॥ ১৪১৭
হোৱা যদি ৰাম তুমি বীৰ অদভূত।
লগায়োক গুণ দেখো আমাৰ ধনুত॥
তেবেসে মুনিহ বুলি জানোহো সাক্ষাত।
আনা যুদ্ধে ভঙ্গ মই মানিবো তোমাত॥ ১৪১৮
তাক দেখি ৰামচন্দ্ৰে লাগিলা হাসিত।
ধনু দেখি দশৰথ ভৈলা ভয় ভীত॥
প্ৰসন্ন বদনে ৰামে বুলিলা বচন।
শুনিয়োক ঋষি জামদগ্নিৰ নন্দন॥ ১৪১৯
ঋষি ধৰ্ম্ম অনুসৰি আছা মহাভাগ।
আমাত তোমাৰ কেনে এত মান ৰাগ॥
ক্ষমাসে উচিত ধৰ্ম্ম হোৱয় তোমাৰ।
কিসক কৰিলা তুমি তাক পৰিহাৰ॥ ১৪২০
ধৰ্ম্ম এৰি অধৰ্ম্ম কৰয় যিটো নৰ।
তাক দণ্ড কৰিবে লাগয় ক্ষত্ৰিয়ৰ॥
ব্ৰাহ্মণত জন্ম ধৰ্ম্ম ধৰিছা ঋষিৰ।
তাক এৰি ধৰ্ম্ম কেনে আচৰা ক্ষত্ৰিৰ॥ ১৪২১
শম দম দান দায়া ক্ষমা তযু ধৰ্ম্ম।
ক্ৰোধ অহঙ্কাৰ আদি ক্ষত্ৰিয়ৰ কৰ্ম্ম॥
কৰিলাহা তুমি সিটো ধৰ্ম্ম বিপৰ্য্যয়।
বিচাৰত দণ্ডিবাক তোমাক লাগয়॥ ১৪২২
ভাঙ্গিলোহো ধনু আমি গুৰুৰ তোমাৰ।
ক্ষত্ৰিয়ৰ ধৰ্ম্ম ইটো উচিত আমাৰ॥

কোন দোষে কৰা তুমি আমাক বিৰোধ।
ঋষিৰ তোমাৰ কেনে এতমান ক্রোধ ॥ ১৪২৩
জ্ঞানশূন্য হুয়া অধর্ম্মত প্রবর্ত্তিলা।
ভাল ভৈল আসি মোৰ আগত মিলিলা ॥
কৰোঁ আজি তোমাক উচিত প্রায়শ্চিত্ত।
যেন আনক্ষণ অধর্ম্মত নেদা চিত্ত ॥ ১৪২৪
ধর্ম্মহীন হুয়া দর্প কৰা মোৰ আগে।
অৱশ্য তোমাক দণ্ড দিবে মোৰ লাগে ॥
ভাঙ্গোঁ আজি সকলে তোমাৰ মিছা টোল।
বুজ কেন মত শিশু ছৱালৰ বল ॥ ১৪২৫
তুমি কেনমত বীৰ পৃথ্বীক্ষাক চাও।
হুহি যেবে বোলা ক্ষমা কৰিয়া পঠাও ॥
যদ্যপি আমাৰ মুনি হুহি ক্ষমা ধর্ম্ম।
বৃদ্ধ দেখি তোমাক লাগয় মোৰ মর্ম্ম ॥ ১৪২৬
যায়োক গৃহক গুরু দিলোহোঁ বিদায়।
তথাপিতো যদ্যপি তোমাৰ ক্ষমা নাই ॥
মোৰ দোষ নাহি তেবে কহোঁ স্বৰূপত।
কৰোঁ চুৰ সকলে তোমাৰ গর্ব্ব যত ॥ ১৪২৭
তোমাৰ ধনুৰ বৰ বখানা মহত্ত্ব।
বল বুজি চাও ধনুখান কেনমত ॥
ইহাত লগাইলে গুণ ভঙ্গ যদি মানা।
লগাইবোহোঁ গুণ ধনু মোক দিয়া আনা ॥ ১৪২৮
তোমাৰ ধনুত গুণ পাৰো যেবে দিতে।
জিনিবো বণত তেবে তোমাক ইঙ্গিতে ॥
শুনিয়া পৰশুৰামে ধনুখান দিলা।
শ্রীৰামে লগাইলা গুণ কৰি মহালীলা ॥ ১৪২৯
বল দিয়া ৰাঘৱে টানন্ত ধনুখান।
লেক লেক কৰে ফুল ধনুৰ সমান ॥
ধনু টানি ৰামচন্দ্রে হাসন্ত হৰিষি।
ইহাৰেসে মহত্ত্ব বখানা তুমি ঋষি ॥ ১৪৩০
এহি বুলি ৰামে পুনৰপি দিলা টান।
মহাশব্দে মাজতে ভাঙ্গিলা ধনুখান ॥
শব্দৰ ত্রাসত কম্পিল ত্রিভুভন।
মহাভয়ে অচেতন ভৈল সর্ব্বজন ॥ ১৪৩১
ৰাঘৱে বোলন্ত গুরু কৰিলো অকাজ।
টানন্তে ভাঙ্গিল ধনু ভৈলা মই লাজ ॥
নসহিল ধনু ছৱালৰো টানিবাক।
বীৰ বোলাই তুমি কেনে লৈয়া ফুৰা আক ॥ ১৪৩২
আমাকো কৰিলা লঘু আপুনিও ভৈলা।
দেখিয়া পৰশুৰাম স্তব্ধ হুয়া ৰৈলা ॥
অনন্তৰে ৰামচন্দ্র পুরুষ নিপুণ।
নিজ ধনুখান লৈয়া লগাইলন্ত গুণ ॥ ১৪৩৩
বাণ যুৰি মাতিলন্ত পৰশুৰামক।
হেৰা দেখা কৰো ছাই তোমাৰ গর্ব্বক ॥
ৰাখিবাহা প্রাণ যেবে মাগা পৰাজয়।
ভৈলন্ত পৰশুৰাম দেখি মহা ভয় ॥ ১৪৩৪
বল দর্প গুচি মুখে হৰিল বচন।
হইল বিবর্ণ অতি মলিন বদন ॥
পৰশুৰামৰ ভাগি গৈলা কাপ ঝাপ।
বৈদ্য দেখি যেন মুণ্ড চপৰাইল সাপ ॥ ১৪৩৫
শ্রীৰামৰ আগত ভাগিল সবে ভায।
সূর্য্য আগে নাহি যেন চন্দ্রৰ প্রকাশ ॥
অস্তকালে যেন নজ্বলয় দিনকৰ।
গরুড়ৰ আগে দর্প হৰয় সর্পৰ ॥ ১৪৩৬
জামদগ্নি সুত ৰাম ভৈলা সেহি নয়।
লোক বিদ্যমানে লঘু ভৈলা অতিশয় ॥
যম হেন সাক্ষাতে দেখন্ত ৰাঘৱক।
মাৰিবন্ত শৰ বুলি লাগিল চমক ॥ ১৪৩৭
দেখি ৰামচন্দ্র অতি ভৈলা দায়াযুত।
হাসিয়া বোলন্ত শুনা জামদগ্নি সুত ॥
আসিলাহা ধায়া তুমি আমাক মাৰিত।
জানিলোহো তোমাৰ কঠিন বৰ চিত্ত ॥ ১৪৩৮
ঋষি হুয়া ভৈলা তুমি অনুৱা নির্দ্দয়।
তোমাক মাৰিবে মন আমাৰ নলয় ॥
ৰাখিলা তোমাৰ প্রাণ নকৰিবা ভয়।
কিন্তু মোৰ বাণ জানা অমোঘ নিশ্চয় ॥ ১৪৩৯
কদাচিতো বৃথা বাণ হুহিকে আমাৰ।
কহিয়োক তোমাৰ ছেদিবো কোন দ্বাৰ ॥
শুনিয়া ৰামৰ দায়াযুকুত বচন।
বোলন্ত বিনয় জামদগ্নিৰ নন্দন ॥ ১৪৪০
নিচিনিলো তোমাক বুদ্ধিত মন্দ আমি।
তুমিসে ঈশ্বৰ জগতৰ অন্তর্যামী ॥
ভৈলা অৱতাৰ তুমি আসি মনুষ্যত।
তোমাৰ অধীন ইটো সকলে জগত ॥ ১৪৪১
তুমিসে ঈশ্বৰ নিষ্ঠে জানিলো সাক্ষাত।
আমাৰ বিক্রম যাই লাগিল তোমাত ॥
জগতৰ আত্মা তুমি পুরুষ পুৰাণ।
হাৰিলোহো তোমাত দিয়োক প্রাণদান ॥ ১৪৪২
কৰিলাহা মোক যেন দায়া দামোদৰ।
শুনিয়োক মোৰ তেবে স্বৰূপ উত্তৰ ॥
নাহিকে স্বর্গত কিছু মোৰ প্রয়োজন।
শৰে হানি প্রভু স্বর্গ পথ কৰা ছন্ন ॥ ১৪৪৩
তযু অংশে আমি হুয়া আছো অৱতাৰ।
আমাতে আছিল তযু পৃথিবীৰ ভাৰ ॥

আপুনি বেকত আসি ভৈলাহা সাম্প্রত।
গুচাইলায়া আপুনি আমাৰ ভাৰ যত ॥ ১৪৪৪
সজ্জনক পালি সংহৰিবা দুষ্ট যত।
তীর্থ কৰি ফুৰো মই তযু প্রসাদত ॥
নযাইবো স্বর্গক নিষ্ঠে বুলিলো বচন।
কৰিয়োক মোৰ স্বর্গ পথ নিবাৰণ ॥ ১৪৪৫
শুনি ৰামচন্দ্রে পূর্ব্ব দিশে মুখ দিলা।
পৰশুৰামৰ স্বর্গ পথক ছেদিলা ॥
শ্রীৰামৰ কীর্ত্তি প্রকাশয় সংসাৰত।
অদ্যাপিও ৰামশৰ দেখিয়ো স্বর্গত ॥ ১৪৪৬
পৰশুৰামক ৰামে কৰিলা আশ্বাস।
মোৰ বাণ দেখি ঋষি ভৈলা মহাত্রাস ॥
ক্ষত্রি জাতি আমাৰ দারুণ বৰ হিয়া।
পালো অঙ্গীকাৰ ব্রাহ্মণক দুখ দিয়া ॥ ১৪৪৭
মৰৰিবা সকলে আমাৰ ইটো দোষ।
কৰো হাতযোৰ নকৰিবা অসন্তোষ ॥
শ্রীৰামৰ ভকতি দেখিয়া আতিশয়।
দুখ ভয় ঘুচি ভৈল প্রসন্ন হৃদয় ॥ ১৪৪৮
বুলিলা পৰশুৰামে বচন মধুৰ।
স্বভাৱতে ক্ষত্রিয়ৰ হৃদয় নিষ্ঠুৰ ॥
হেন মহা ক্ষত্রি তুমি পুরুষ উত্তম।
দেখিলো সাক্ষাতে আজি তোমাৰ বিক্রম ॥ ১৪৪৯
তথাপি কৰাইলা তুমি আমাকে প্রসন্ন।
ধন্য ধন্য ৰাম ৰঘুকুলৰ নন্দন ॥
শক্র হুয়া প্রসন্ন কৰাইলা বুলি নতি।
তুমিও সন্তুষ্ট হৈবা আমাৰ ভকতি ॥ ১৪৫০
শুনিয়োক ৰাম বোলো স্বৰূপ বচন।
অনাদি ঈশ্বৰ তুমি সত্য সনাতন ॥
তুমি নিত্য নিৰঞ্জন পুরুষ পুৰাণ।
জগতৰ পতি তুমি বিনে নাহি আন ॥ ১৪৫১
তোমাত ভকতি মোৰ সততে থাকোক।
যাওঁ তপোবনে মোক বিদায় দিওক ॥
এহিমতে দুয়োজন জগত ঈশ্বৰে।
কৰিলন্ত লীলা নাজানিলা একো নৰে ॥ ১৪৫২
দুইহাস্তৰো সম্বাদ বিবাদ যত যত।
চাহি আছে লোক সবে বিস্ময় মনত ॥
অনন্তৰে বিদায় লইয়া শ্রীৰামত।
গৈলন্ত পৰশুৰাম হৰিষ মনত ॥ ১৪৫৩
দশৰথে দেখি আতি বিক্রম ৰামৰ।
মনত হৰিষে প্রশংসিলা বহুতৰ ॥
ধন্য ধন্য পুত্র তুমি ভৈলাহা আমাৰ।
ৰহিল তোমাৰ যশ জুৰিয়া সংসাৰ ॥ ১৪৫৪
আসিলা ৰশুৰাম খেদি যেন যম।
তাহাকো জিনিলা ৰণে কৰিয়া বিক্রম ॥
সাধু সাধু ৰাম তুমি বংশৰ তিলক।
গলে বান্ধি ৰাজা ধৰিলন্ত ৰাঘৱক ॥ ১৪৫৫
উপজিল প্রেম তনু ভৈলা পুলকিত।
পাইলেক সন্তোষ যেন পিরন্তে অমৃত ॥
আকাশত তৃপিতি ভৈলন্ত দেৱগণে।
অর্চ্ছিলা ৰামক অতি পুষ্প ৰৰিষণে ॥ ১৪৫৬
দেখিয়া জানকী বল বিক্রম ৰামৰ।
ভৈলন্ত তৃপিতি ৰোমাঞ্চিত কলেৱৰ ॥
বিশ্বামিত্র বশিষ্ঠ প্রমুখে ঋষিগণে।
পূজিলন্ত ৰাঘৱক প্রশংসা বচনে ॥ ১৪৫৭
পৰম পুরুষ ৰাম জগত আধাৰ।
ৰামৰূপে পৃথিবীত ভৈলা অৱতাৰ ॥
পৰশুৰামৰ দর্প কৰিলন্ত চুৰ।
কাহাৰ শকতি কর্ম্ম কৰয় এদূৰ ॥ ১৪৫৮
এহিমতে ৰামক প্রশংসে সর্ব্বজনে।
অনন্তৰে দশৰথ ৰাজা ৰঙ্গ মনে ॥
অযোধ্যাক প্রতি চলি গৈলা মহাশয়।
কৰয় কটকে বেঢ়ি ৰাম জয় জয় ॥ ১৪৫৯
নানা বাদ্যে সুমঙ্গলে চলে সমদলে।
অযোধ্যাত প্রবেশ ভৈলন্ত কৌতুহলে ॥
দেখি নগৰীয়া লোকে ৰাজা আসিবাৰ।
তেতিক্ষণে কৰিলা নগৰী জাতিষ্কাৰ ॥ ১৪৬০
সাঞ্জি মাঞ্জি লিপিলা বিচিত্র গন্ধজলে।
পতাকা তোৰণ ধ্বজা ৰঞ্জিলা চিৰলে ॥
তাম্বুল কদলী কইল ঠোক সমন্বিত।
থানে থানে আলিপন কৰিলা ৰঞ্জিত ॥ ১৪৬১
মুখত পল্লব ফলে পাতি পূর্ণঘট।
ঘৃতৰ প্রদীপ দিলা তাহাৰ নিকট ॥
দুৱাৰে দুৱাৰে দুলি থাপিলা প্রৱন্ধি।
লগাইলা বিচিত্র ধূপ অগৰু সুগন্ধি ॥ ১৪৬২
কুসুম চন্দন হাতে লৈয়া দুর্ব্বাক্ষত।
চড়িলন্ত নাৰীগণ গৃহ উপৰত ॥
অতি মনোহৰ পুৰী অযোধ্যানগৰ।
তাৰ মাজে যান্ত দশৰথ নৰেশ্বৰ ॥ ১৪৬৩
চাৰি পুত্র চাৰি কন্যা যান্ত ৰঙ্গ মনে।
দুর্ব্বাক্ষত পুষ্প ৰৰিষন্ত নাৰীগণে ॥
উকলি জোকাৰ জয় অনেক মঙ্গলে।
ভূমিত পড়িল পুষ্প শতেক সদলে ॥ ১৪৬৪
নগৰত মিলি গৈলা আনন্দ প্রচুৰ।
পুত্রগণ সমে ৰাজা পাইলা অন্তপুৰ ॥

কৌশল্যা সুমিত্রা সতী সুন্দৰী কৈকেয়ী।
কন্যাগণ সমে দীপ ঘট হাতে লই ॥ ১৪৬৫
তিনি মহাদই নানা মঙ্গল আচাৰে।
সিঞ্চি দুৰ্ব্বাক্ষত পুষ্প উৰুলি জোকাৰে ॥
ভিন্ন ভিন্নে আসি পাচে তিনি পটেশ্বৰী।
আপোনাৰ পুত্ৰ বোহাৰীৰ হাতে ধৰি ॥ ১৪৬৬
নানা ব্যৱহাৰে গৃহ কৰাইলা প্ৰবেশ।
পুত্ৰবধূ দেখি পাইলা আনন্দ আশেষ ॥
সীতাৰ দেখিয়া ৰূপ কৌশল্যা দেবীৰ।
অমৃতৰ পানে যেন জুড়াইল শৰীৰ ॥ ১৪৬৭
চাৰি কুমাৰৰ বিহা ভৈল একেবাৰে।
দেখিয়া আনন্দ আতি মিলিল সবাৰে ॥
নানা নৃত্য গীত বাদ্য বাজন বাজাইল।
ৰামক সীতাক লোকে দেখিবাক আইল ॥ ১৪৬৮
দুহানৰ ৰূপ আতি দেখি বিপৰীত।
নয়ন ভৰিয়া যেন পিয়ন্ত অমৃত ॥
দিলা আনি লোকে যত যৌতুক অপাৰ।
সুবৰ্ণ ৰজত ৰত্ন বস্ত্ৰ অলঙ্কাৰ ॥ ১৪৬৯
ৰাজাগণ আইলা লৈয়া যৌতুক সম্ভাৰ।
নানা ৰত্নে ভূপতিৰ ভৰাইলা ভণ্ডাৰ ॥
দশৰথে সমস্তকে প্ৰসাদে ৰঞ্জিলা।
বস্ত্ৰ অলঙ্কাৰ পুষ্প চন্দনে তুষিলা ॥ ১৪৭০
চাৰিয়ো পুত্ৰক সমুচিতে বণ্টা দিলা।
হস্তী ঘোড়া ৰথ ৰাজ্যে মন সন্তোষিলা ॥
অনায়াসে ভৈল বিহা চাৰিও পুত্ৰৰ।
পৰম কৃতাৰ্থ মন ভৈলা নৃপবৰ ॥ ১৪৭১
শুনিয়োক সভাসদ পদ আদিকাণ্ড।
ৰামৰ চৰিত্ৰ যেন অমৃতৰ ভাণ্ড ॥
সংসাৰ মধ্যত ইসি মহা ধৰ্ম্ম সাৰ।
বোলা ৰাম ৰাম সুখে তৰিয়ো সংসাৰ ॥ ১৪৭২

ছবি।

যিটো দেৱ নাৰায়ণ, সদাশিৱ সনাতন,
নাহি আদি অন্ত মধ্য যাৰ।
দেৱে যাক নজানন্ত, তেন্তে দেৱ ভগৱন্ত,
ৰামৰূপে ভৈলা অৱতাৰ ॥
নিজ যোগ মায়া বলে, ছদ্ম হুয়া মহীতলে,
দশৰথ নৃপতিৰ ঘৰে।
সীমা নাহি মহিমাৰ, মনুষ্যৰ ব্যৱহাৰ,
দেখাৱন্ত প্ৰভু নিৰঞ্জনে ॥ ১৪৭৩

জনক নন্দিনী সীতা, দেবী জগতৰ মাতা,
তাক বিহা কৰি আনিলন্ত।
লক্ষ্মী সমে এক থান, হুয়া নানাবিধ দান,
দিয়া সমস্তকে ৰঞ্জিলন্ত ॥
সীতা সমন্বিতে ৰাম, পূৰিয়া সবাৰে কাম,
ৰত্নৰ মন্দিৰে ভৈলা থিত।
দশৰথ নৃপবৰ, বিহা কৰাই তনয়ৰ,
ভৈলা আতিশয় আনন্দিত ॥ ১৪৭৪
মহামুনি বিশ্বামিত্ৰ, কহিলন্ত নৃপতিত,
গুণ গ্ৰাম ৰাম লক্ষ্মণৰ।
তাড়কাক একেশ্বৰে, মাৰিলন্ত ৰঘুবৰে,
সমৰে বধিলা নিশাচৰ ॥
অহল্যাৰ শাপ মুক্ত, ধনু ভাঙ্গি অদভুত,
জিনিলন্ত ৰাজাগণ ৰণে।
পুত্ৰ দুইৰ পৰাক্ৰম, শুনিয়া অমৃত সম,
সন্তোষ ৰাজাৰ আতি মনে ॥ ১৪৭৫
বিশ্বামিত্ৰক ৰাজা, কৰিলা অনেক পুজা,
চলিগৈলা মুনি মনৰঙ্গে।
অযোধ্যা নগৰে ৰাজা, দেৱতো অধিক ৰাজ্য,
ভোগভুঞ্জে পুত্ৰগণ সঙ্গে ॥
ৰাঘৱৰ গুণগণে, সমস্তে লোকৰ মনে,
মিলয় আনন্দ আসৰিষ।
ৰাজ্য প্ৰতিপালিবাক, সামৰ্থ ভৈলন্ত ৰাম,
দেখি দশৰথৰ হৰিষ ॥ ১৪৭৬
কতো কাল অনন্তৰে, দেখিলন্ত নৃপবৰে,
নিশাকালে স্বপ্ন বিপৰীত।
পৰিল উলুকা পাত, আকাশৰ ৰাহুচন্দ্ৰ,
লাক্ষে লাক্ষে ফুৰশ ভূমিত ॥
ৰক্ত শয্যা আকাশত, দেখে বসি সিথানত,
কান্দে কালনাৰী একজন।
কৃষ্ণ কুসুমৰ মালা, দুই হাতে ধৰি আনি,
সুঙ্গন্ত নৃপতি ঘনে ঘন ॥ ১৪৭৭
মৃত্যুৰ সুচক স্বপ্ন, দেখি দশৰথ ৰাজা,
বসিয়া গুণন্ত মনে মন।
অন্ধক মুনিৰ শাপ, সমীপ চাপিল মোৰ,
নিকটতে মিলিব মৰণ ॥
যাৱত চেতন গাৱে, আছয় ৰামত তাৱে,
ৰাজ্য ভাৰ কৰো সমৰ্পণ।
প্ৰাণতো অধিক মোৰ, ৰামচন্দ্ৰে পালিবেক,
পুত্ৰতো অধিক সৰ্ব্বজন ॥ ১৪৭৮
ৰামক পাতন্তে ৰাজা, পাতিবে বিধিনি জানো,
ভৰত আৱৰ শত্ৰুঘনে।

গুচোৰুবিধিনি সবে, পঢ়িবাৰছলে দুইকো,
ৰাজ্যৰ গুচাও এতিক্ষণে ॥
এহিগুণি দুইহাস্তকো, মাতি আনিলন্ত ৰাজা,
বুলিলন্ত মধুৰ বচনে।
যুদ্ধাজিত মাতুলৰ, ৰাজ্যক পঢ়িবে প্ৰতি,
চলিয়া যায়োক দুয়োজনে ॥ ১৪৭৯
পিতৃৰ বচন শুনি, ভৰতবে শত্ৰুঘনে,
মাতামহ ৰাজ্যে চলি গৈলা।
পাচে দশৰথ ৰাজা, ৰামক হৰিষ মনে,
ৰাজা পাতিবাক সাজ ভৈলা ॥
এহিমানে আদিকাণ্ড, যেন অমৃতৰ ভাণ্ড,
সাঙ্গোপাঙ্গে ভৈলা সমাপতি।
শুনিয়োক সাধুজন, পুণ্য কথা ৰামায়ণ,
ৰচিলা মাধৱ মূঢ়মতি ॥ ১৪৮০
বোলোঁ কৃতাঞ্জলি বাণী, মোকমূঢ় হেনজানি,
নিন্দা নুবুলিবা মহাজনে।
মোত পৰে মতি হীন, জ্ঞান শূন্য বুদ্ধি ক্ষীণ,
নাহি আন ইতিনি ভুবনে ॥
কবি আতি গৰ্ব্ব মদ, তথাপি ৰচিলোঁ পদ,
দেখা কেনে মোৰ অহঙ্কাৰ।
ইটো মোৰ দোষচয়, ক্ষমিবে উচিত হয়,
মহন্তৰ ক্ষমা অলঙ্কাৰ ॥ ১৪৮১
অন্তর্য্যামী নাৰায়ণে যেনে প্ৰৱৰ্ত্তাইলা মনে,
তাকে মূৰ্খ কৰিলো বেকত।
কহিলোঁ সকলেসাৰ, জানি কৰা পৰিহাৰ,
ৰঢ়াটুটা দেখা যত যত ॥
পৰে ৰাম চৰিত্ৰত, আনো সব কথা যত,
সিও ৰাম কথাসে নিশ্চয়।
গঙ্গাৰ জলত যত, পৰে নদী নানা মত,
তাক কোনে তেজিয়া আছয় ॥ ১৪৮২

দুলড়ী।

ইকথা থাকোক, শুনা সবে লোক,
চিন্তা হিত আপোনাৰ।
দুৰ্যোৰ সংসাৰ, সাগৰ নিকাৰ,
যিমতে পাইবা নিস্তাৰ ॥
দেখিয়ো আকলি, কলি মহাবলী,
কৰিলে কেনে অকাজ।
সমস্তে লোকক, তল নিয়াইলেক,
পাপসাগৰৰ মাজ ॥ ১৪৮৩
পাপত মগন, হুয়া যিটোজন,
আন ধৰ্ম্মে আশা কৰে।
একো ফল তাত, নাহিকে মিছাত,
দুখ পায়া মাত্ৰ মৰে ॥
তাত পৰে আৰ, নাহি দুৰাচাৰ,
তাৰো হৰি নাম ধৰ্ম্ম।
নাম গুণ লৈলে, সংসাৰ তৰয়,
জানিবা ইসব মৰ্ম্ম ॥ ১৪৮৪
ব্ৰহ্মা মুনি যাক, বাঞ্ছিয়া নপাৱে,
পায়া হেন কলেৱৰ।
হৰিৰ কীৰ্ত্তন, নকৰে যিজন,
আত্মাঘাতী সিটো নৰ ॥
ইটো তত্ত্বসাৰ, জানিয়া সংসাৰ,
তৰিয়ো নাম সুমৰি।
কলিৰ যুগত, অন্যত্ৰ ধৰ্ম্মত,
থৈয়ো আশা দূৰ কৰি ॥ ১৪৮৫
তেজি আন কাম, সুমৰিয়ো নাম,
ধৰ্ম্মৰ ঈশ্বৰ জানি।
কৰি থিৰ মন, হৰিত শৰণ,
লৈয়োক ঈশ্বৰ মানি ॥
নমো নমো ৰাম, কৰোহোঁ প্ৰণাম,
দিয়া চৰণত চিত্ত।
মহা মূঢ়মতি, হুয়া বিৰচিলো,
তোমাৰ ইটো চৰিত ॥ ১৪৮৬
তুমি বুদ্ধি ৱৃত্তি, যেনে প্ৰৱৰ্ত্তাইলা,
হৃদয়ে থাকি আমাৰ।
সেহিমতে ভয়, তৰিব সকলে,
কৰিলো মুখে প্ৰচাৰ ॥
পদ ৰচনাত, আছয় যতেক,
দোষ মই অধমৰ।
তাক কৃপাময়, ক্ষমিবে লাগয়,
জানিবাহা হৃদীশ্বৰ ॥ ১৪৮৭
তযু কৃপাময়, সমস্তে বেকত,
আপুনি তুমি কৰিলা।
ভক্তবেশ মাত্ৰ, ধৰিলা পূতনা,
এতেকে তাইক তাৰিলা ॥
ভয়ত তোমাত, সুমৰিয়া গতি,
পাইলে পাপী কংসৰায়।
ঘোৰ অঘাসুৰে, তোমাক গিলিয়া,
সিও মহা মোক্ষ পায় ॥ ১৪৮৮
পৰম দুৰ্ম্মতি, পৌণ্ড্ৰক নৃপতি,
ধৰিল তোমাৰ বেশ।
এতেকতে তাৰ, উত্তম মুকুতি,
দিলা তুমি হৃষীকেশ ॥

পাপী অজামিল, নামৰ আভাস,
সুমৰিল অজ্ঞানত।
তাকে এতেকতে, কৰি অনুগ্রহ,
থান দিলা বৈকুণ্ঠত ॥ ১৪৮৯
পশু জাতি আতি, বনৰ বানৰ,
কৰিলে মাত্র আশ্রয়।
তাতে তাসম্বাক, মহা অনুকম্পা,
কৰিলাহা কৃপাময় ॥
মই মহামূঢ়, পৰম পামৰ,
তোমাত লৈলো শৰণ।
তোমাত ভকতি, ৰহে যেন মতে,
কৃপা কৰা নাৰায়ণ ॥ ১৪৯০
তযু গুণ নাম, ধৰ্ম্ম অনুপাম,
ৰহোক মোহোৰ মুখে।
পৰম দুর্লভ, তোমাৰ চৰণ,
সুমৰো পৰম সুখে ॥
শ্রৱণ কীৰ্ত্তন, বিনে প্রভু ৰাম,
নাহি মোৰ আন কাম।
সামাজিক লোক, সদ্গতি হওক,
ডাকি বোলা ৰাম ৰাম ॥ ১৪৯১

ৰামায়ণ (আদিকাণ্ড) সমাপ্ত

নাম-মালিকা

জয় জয় কৃষ্ণ প্রভু প্রণত তাৰণ।
মঙ্গলৰো সুমঙ্গল যাৰ গুণ গণ ॥
যাৰ নামে কৰে মহা পাপীকো নিস্তাৰ
হেন কৃষ্ণ পদে কোটি কোটি নমস্কাৰ ॥ ১
নমো নমো নাৰায়ণ জগত কাৰণ।
ব্রহ্মাদিয়ো সেৱা কৰে যাহাৰ চৰণ ॥
মুকুত সকলো ফুৰে যাৰ নাম গাই।
হেন কৃষ্ণ চৰণত প্রণামো সদায় ॥ ২
হে কৃষ্ণ কৃষ্ণ প্রভু তুমি কৃপাময়।
যাৰ কৃপালেশে মনোৰথ সিদ্ধি হয় ॥
তুমিসে পৰম মোৰ গুৰু হৃষীকেশ।
কৃপাদৃষ্টি চায়া মোক দিয়ো উপদেশ ॥ ৩
বাহিৰে ভিতৰে গুৰু তুমিসে কেৱল।
দূৰ কৰা ভৃত্যৰ যতেক অমঙ্গল ॥
জানি কৃপাময় উপদেশ দিয়ো মোক।
তোমাৰ প্রসাদে আৰম্ভৰ সিদ্ধি হোক ॥ ৪
কৃষ্ণৰ চৰণে নমস্কাৰ কৰি মনে।
কৰোঁ নমস্কাৰ নিজ গুৰুৰ চৰণে ॥
সুপ্তপ্রায় আছিলেক মোৰ বুদ্ধি মন।
যাহাৰ কৃপাত ইটো ভৈল সচেতন ॥ ৫
হেন গুৰু চৰণত কৰি নমস্কাৰ।
মাধৱে ৰচিলা পদ নাম মালিকাৰ ॥
পুৰুষোত্তম্ নামে নৰেশ্বৰ গজপতি।
তান আজ্ঞাপালি দ্বিজগণ মহামতি ॥ ৬
পুৰাণ ভাৰত স্মৃতি আগমক চাই ॥
নানা গ্রন্থ সংগ্রহ কৰিল এক ঠাই ॥
কৃষ্ণ নাম মহিমা পাইলন্ত যত মান।
লিখি আনি সবাকো কৰিলা এক থান ॥ ৭
ভৈল মগ্ন লোক কলি পাপ সাগৰত।
তাসম্বাৰ মহাহিত চিন্তিয়া মনত ॥
কৰিলন্ত কৃষ্ণনাম মহিমা প্রচাৰ।
আকে শুনি ভণি সুখে তৰোক সংসাৰ ॥ ৮
শুনা সভাসদ সবে বচন আমাৰ।
মূঢ় হুয়া কৰো পদ নাম মালিকাৰ ॥
ইহাত আমাক দোষ নিদিবা বিস্তাৰ।
ক্ষমাসে ভূষণ মহামহন্ত সবৰ ॥ ৯
নাহিকে শৃঙ্খল গ্রন্থ অতি নিৰ্ঘণ্টুক।
আৰ পদ কৰি কোনে মিলাইবে কৌতুক ॥
তথাপিতো বিরূপাক্ষ কাজিৰ বচনে
বিৰছিবো পদ যেন লোৱে মোৰ মনে ॥ ১০
ইহাত অধিক দোষ নিদিবাহা মোক।
কৃষ্ণনাম গুণ শুনি সন্তোষ হুয়োক ॥
থিৰ মন কৰি সবে দেখিয়ো বিচাৰি।
কলিত তৰিবে আৰ কোন পুণ্যে পাৰি ॥ ১১
পৰম দুর্জ্জন কলি দুষ্ট দুৰাচাৰ।
কৰিলে মলিন চিত্ত সমস্ত প্রজাৰ ॥
পাতকীৰ একো কৰ্ম্মে নাহি অধিকাৰ।
কৃষ্ণ নাম গায়া সুখে তৰোক সংসাৰ ॥ ১২
নাম মালিকাৰ পদ কৰিবাক মনে।
নামৰ প্রসঙ্গ কহোঁ শুনা মহাজনে ॥
আদি সত্যযুগে ধৰ্ম্ম আছিল নির্ম্মল।
কৃষ্ণ নাম গুণ যশ পৰম মঙ্গল ॥ ১৩
আছিল উপাস্য দেৱ কৃষ্ণেসে কেৱলে।
কৃষ্ণকেসে সেৱা মাত্র কৰন্ত সকলে ॥
যতেক মনুষ্য কৃষ্ণগুণ নাম গাই।
তৰিয়া সংসাৰ বৈকুণ্ঠত লয়ে ঠাই ॥ ১৪
নাহি পাপলেশ সমস্তৰে শুদ্ধ চিত্ত।
উপজি মাত্রকে লোক হোৱে কৃতকৃত্য ॥
এতেকেসে সি কালৰ সত্যযুগ নাম।
সিকালৰ লোকৰ নাছিল আন কাম ॥ ১৫
কৃষ্ণ সেৱা বিনে ধৰ্ম্ম নাছিলেক আন।
কৃষ্ণেসে কেৱলে দেৱ উপাস্য প্রধান ॥
নাম বিনে নাহি বর্ণাশ্রম একো বিধি।
কৃষ্ণৰ সেৱাত মহা সুখে সাধে সিদ্ধি ॥ ১৬
প্রণব বিনায় নাছিলেক আন শাস্ত্র।
নাহি আন কৃত্য নাম গুণ গাৱে মাত্র ॥
সত্য গুচি ভৈল ত্রেতা যুগ উপগত।
দেখি ব্রহ্মা আদি দেৱগণ আছে যত ॥ ১৭

একথান হুয়া কৰিলন্ত আলোচন।
কৃষ্ণ বিনে আমাক নভজে একো জন॥
কৃষ্ণক ভজিয়া সবে সংসাৰ তৰয়।
কতেক কৰিবো একো সৃষ্টি নবাঢ়য়॥ ১৮
কেনমতে কৃষ্ণৰ ভকতি হোৱে ছন্ন।
তেৱোক লোক হোক সৃষ্টি প্ৰবৰ্ত্তন॥
হেনয় আলোচ কৰি যত দেৱগণ।
নিবন্তবে কৰিলা কৃষ্ণক আৰাধন॥ ১৯
দেৱতাৰ ভকতি দেখিয়া নাৰায়ণ।
তুষ্ট হুয়া দেৱতাক দিলা দৰিশন॥
আশ্বাসিয়া সমস্তকে বুলিলা বচন।
মোৰ ভক্তি ছন্ন হোক তোমাসাৰ মন॥ ২০
কৰা উপগ্ৰন্থ যাৰ যেন মনে লয়।
যেন মতে আমাৰ ভকতি ছন্ন হয়॥
নানা ধৰ্ম্ম কৰ্ম্ম দেখায়োক নানা সুখ।
তাক দেখি হোক লোক আমাত বিমুখ॥ ২১
তুমি সবো পাইবা পূজা বাঢ়িবেক সৃষ্টি।
কৃষ্ণৰ বচন যেন অমৃতৰ বৃষ্টি॥
দেৱতা সবক কৃষ্ণে কবি বৰ দান।
মহেশকো আজ্ঞা হৰি দিলা বিদ্যমান॥ ২২
নানা বিধ কল্পিত আগম কৰিয়োক।
নানা ধৰ্ম্ম দেখায়া গুপুত কৰা মোক॥
কৃষ্ণৰ মোহন বাণী কেহোঁ নাকলিল।
কেৱলে মহেশে মাত্ৰ ইহাক তৰ্কিল॥ ২৩
শুনিয়া মহেশে আতি পাইলা অসন্তোষ।
কৃষ্ণক অবজ্ঞা কৰিলত হোৱে দোষ॥
বুলিল বচন ধৰি কৃষ্ণচৰণত।
তোহ্মাক যদ্যপি ছন্ন কৰো আগমত॥ ২৪
অমোচন পাপ তেবে হৈবেক আমাৰ।
কোটি কলপতো আৰ নেদেখোঁ নিস্তাৰ॥
সহস্ৰেক ব্ৰহ্ম বধ যদি কৰে নবে।
তোহ্মাৰ সেৱাত তাকো অনায়াসে তৰে॥ ২৫
তোহ্মাক অবজ্ঞা প্ৰভু কৰে যিটো জন।
কোটি কলপতো তাৰ নেদেখোঁ মোচন॥
তযু আজ্ঞা নকৰিৱোঁ ইয়ো দোষ আতি।
শুনিয়া মাধৱে তাক বুলিলন্ত মাতি॥ ২৬
ভাল তুমি শূলপাণি তৰ্কিলা আহ্মাক।
যিমতে এৰাইবা দোষ শুনা কহোঁ তাক॥
আমাৰ সহস্ৰ নাম দিবোহোঁ তোমাক।
অনুদিনে এক চিত্তে জপিবা তাহাক॥ ২৭
এৰাইবাহা তেবে অপৰাধ নিবন্তৰ।
মোহোৰ পৰম প্ৰিয়তম হৈবা হৰ॥

আপুনতো কৰি শ্ৰেষ্ঠ দেখিবোঁ তোমাক।
মোৰ নাম লৈয়া বশ্য কৰিবা আমাক॥ ২৮
এহি বুলি কৃপাময় প্ৰভু ভগৱন্ত।
দিব্য সহস্ৰেক নাম শিৱক দিলন্ত॥
নিজ ভক্তিপন্থ নাম মহেশত থৈলা।
তাহাক আশ্বাস কৰি বৈকুণ্ঠক গৈলা॥ ২৯
কৃষ্ণৰ ভকতি লুপ্ত সমুলি নভৈল।
সৰ্ব্বোত্তম ধৰ্ম্ম নাম মহেশত বৈল॥
কৃষ্ণ আজ্ঞা শুনি দেৱ মুনিগণ যত।
কৰিলন্ত আগম পুৰাণ নানা মত॥ ৩০
তৰ্ক্ক বেদ বেদান্ত ভাৰত ইতিহাস।
নানা স্মৃতি তন্ত্ৰ মন্ত্ৰ কৰিলা প্ৰকাশ॥
বৰ্ণাশ্ৰম ধৰ্ম্ম কৰ্ম্ম জ্ঞান তীৰ্থ ব্ৰত।
নানা যোগ ধ্যান জ্ঞান কৰিলা বেকত॥ ৩১
তপ জপ যাগ যোগ নানা যজ্ঞ দান।
নানা বিধ নিষেধ দেখাইলা বিদ্যমান॥
নানা স্বৰ্গ নৰক দেখায়া সুখ দুঃখ।
লোকক কৰাইলা সৱে হৰিত বিমুখ॥ ৩২
তাতে তৰ্কিলন্ত কতো কতো মহাজন।
কৃষ্ণৰ ভকতি নাম সবে ভৈল ছন্ন॥
কহিলোহোঁ আমি ধৰ্ম্ম কৰ্ম্ম যত বিধি।
মাধৱৰ নাম বিনে কাৰো নাহি সিদ্ধি॥ ৩৩
মন্ত্ৰে তন্ত্ৰে দেশে কালে ছিদ্ৰ পৰে যত।
কৃষ্ণৰ নামেসে তাকো কৰে সমাপত॥
পৰম নিবৃত্তি ধৰ্ম্ম মাধৱৰ নাম।
যাত হস্তে পায় ধৰ্ম্ম অৰ্থ মোক্ষ কাম॥ ৩৪
হেন মাধৱৰ নাম কৰিয়া গুপুত।
প্ৰবৃত্তি ধৰ্ম্মক মাত্ৰ দেখাইলো বহুত॥
কৃষ্ণৰ মোহন বাণী নুবুজিলো আমি।
জানিলো আমাক বঞ্চিলন্ত কৃষ্ণ স্বামী॥ ৩৫
এহি মনে চিন্তি মহামুনিগণ যত।
থাপিলা কৃষ্ণৰ নাম সমস্তে শাস্ত্ৰত॥
অনেক জন্মৰ যাৰ সুকৃতি থাকয়।
পাইবেক বিচাৰি নাম সিটো মহাশয়॥ ৩৬
অনেক জন্মৰ মহা পাপ আছে যাত।
নলৈব কৃষ্ণৰ নাম নিন্দিবে সাক্ষাত॥
কৃষ্ণৰ ভকতি তেজি কৰি আত্মঘাত।
ঘোৰ সংসাৰত কৰিবেক আয়াষাত॥ ৩৭
মহাপাপী অন্ত্যজাতি কৃষ্ণনাম গায়া।
মহাসুখে তৰিবে দুৰ্ঘোৰ কালমায়া॥
কৃষ্ণৰ নামত আছে যতেক মহিমা।
আপুনি ঈশ্বৰে যাৰ নপাইলন্ত সীমা॥ ৩৮

অতৰ্ক প্ৰভাৱ নাম ধৰ্ম্ম অদভুত।
যাক গায়া•ফুৰে যত জীৱন মুকুত॥
হেনয় নামৰ তত্ত্ব জানিবাক মনে।
কহিলা মহিমা যাৰ যেন লৈল মনে॥ ৩৯
আৰু এক যুগুতি শুনিয়ো অনুপাম।
সমস্তে ধৰ্ম্মৰ ফল মাধৱৰ নাম॥
মুকুতিৰো উপৰত যিটো প্ৰকাশয়।
যিটো নামে মাধৱক অধীন কৰয়॥ ৪০
হেন নামে পাপীক তাৰিবে কোন কথা।
জানি মাধৱৰ নাম লৈয়োক সৰ্ব্বথা॥
কহিলো প্ৰসঙ্গ কথা যেন লৈলে মনে।
আৰে নাম মালিকা শুনিয়ো সাৱধানে॥ ৪১
নামৰ মহিমা কিছু কহোঁ বিদ্যমান।
শুনিবাক প্ৰতি কৰা চিত্ত সাবধান॥
দূৰ হৌক বিষয়ৰ আছে যত দোষ।
নিবন্তবে নৰে কৰিয়োক হৰি ঘোষ॥ ৪২
পৰম মহন্ত গজপতি পুৰুষোত্তমে।
লিখাইআছে শ্লোক চয় যেন অনুক্ৰমে॥
সেহি অনুক্ৰমে আমি ৰচিবোঁ পয়াৰ।
কৃষ্ণৰ প্ৰসাদে হৌক লোকত প্ৰচাৰ॥ ৪৩
শুনিয়োক প্ৰথমতে ব্ৰহ্মপুৰাণত।
কহিয়া আছন্ত যেন নামৰ মহত॥
ভক্তিভাৱে যিটো জনে মাধৱক স্মৰে।
তাহাৰ মহিমা কহিবেক কোন নৰে॥ ৪৪
অজ্ঞানতো আন চিত্তে মাধৱৰ নাম।
যিটো জনে কীৰ্ত্তন কৰয় অবিশ্ৰাম॥
জ্ঞানশূন্য হুয়া ক্ৰোধ কৰিয়া কৃষ্ণক।
অহর্নিশে সুমৰয় কৃষ্ণৰ নামক॥ ৪৫
তথাপিতো সমস্তে দোষকে ক্ষয় কৰি।
দুৰ্ল্লভ মুকুতি পাৱে সংসাৰক তৰি॥
আৰু আদভুত হেন নলৈবা মনত।
শুনিয়োক ইহাৰ দৃষ্টান্ত যেন মত॥ ৪৬
বীৰ শিশুপালে মাধৱক ক্ৰোধ কৰি।
অহর্নিশে থাকে সিটো কৃষ্ণক সুমৰি॥
সুমৰন্তে সুমৰন্তে তনময় ভৈল।
কৃষ্ণৰ হাতত মৰি বৈকুণ্ঠক গৈল॥ ৪৭
শুনিয়োক আৰু সেহি ব্ৰহ্ম পুৰাণত।
নামৰ মহিমা পিতৃ স্তুতি প্ৰস্তাৱত॥
জলেমগ্ন হুয়া পিতৃগণ নিবন্তৰে।
একচিত্ত মনে মাধৱক স্তুতি কৰে॥ ৪৮
হে প্ৰভু নাৰায়ণ জগত নিবাস।
আপোনাৰ উৎকৰ্ষক কৰিয়ো প্ৰকাশ॥
তোহ্মাৰ প্ৰসাদে হৌক আৰ উদয়।
জলেমগ্ন হুয়া আমি আছোঁ কৃপাময়॥ ৪৯
আহ্মাক উদ্ধাৰ আসি কৰা কৃষ্ণ বাপ।
কৰোঁহো কীৰ্ত্তন আমি নিৰ্ম্মল প্ৰতাপ॥
ঘোৰ দৰশন নিদাৰুণ নিশাচৰে।
মহাভয় দিয়া আমাসাক পীড়া কৰে॥ ৫০
তুমি বিনে নেদেখো শৰণ্য আনজন।
ত্ৰাস হুয়া লৈলো আমি তোহ্মাত শৰণ॥
ৱৰাহ স্ৱৰূপে তুমি হুয়া অৱতাৰ।
কৰিলাহা যেন মতে পৃথিবী উদ্ধাৰ॥ ৫১
সেহি মতে দুষ্ট দৈত্য গণক জিনিয়ো।
আমৰা সৱক প্ৰভু ৰক্ষা কৰি নিয়ো॥
হে কৃষ্ণ বিষ্ণু নাৰায়ণ মহেশ্বৰ।
পৰম পুৰুষ তুমি নাথ বৈকুণ্ঠৰ॥ ৫২
কেৱলে তোহ্মাৰ নাম কৰন্তে কীৰ্ত্তন।
পলায় দশোদিশে ভাগে নিশাচৰগণ॥
ভূত প্ৰেত গণো ভয়ে নানা থানে যায়।
নাম ধ্বনি শুনি নানা বিঘ্নি লাগে ঠাই॥ ৫৩
তযুনামে যেন মতে নানা দোষ হৰে।
সেহিমতে অধৰ্ম্মাদি শত্ৰু-নাশ কৰে॥
তোমাৰ নামৰ প্ৰভু মহিমা অপাৰ।
হৰে পুৰুষৰ ঘোৰ সংসাৰ নিকাৰ॥ ৫৪
যত মোক্ষ ধৰ্ম্ম আদি সিয়ো পূৰ্ণ হয়।
জীৱন্তে পুৰুষক মুকত কৰয়॥
হেনয় তোমাত আমি পশিলোঁ শৰণ।
আমাসাক ৰাখি সংহৰিয়ো দৈত্যগণ॥ ৫৫
পিতৃগণ স্তুতি শুনি প্ৰভু ভগৱন্ত।
দৈত্যক সংহৰি তাসম্বাক ৰাখিলন্ত॥
এহিমতে ইসব প্ৰসঙ্গ আৱে থঞো।
আৰু শুনা নামৰ মহিমা কিছু কঞো॥ ৫৬
কপট স্ৱৰূপে যিটো কৃষ্ণক সুমৰে।
জনার্দ্দন বুলিয়া কীৰ্ত্তন মুখে কৰে॥
অন্তকালে তনু তেজি সিটো মহাশয়।
অনায়াসে পায়ে বিষ্ণুলোক অনাময়॥ ৫৭
কোনে কহি পাৱে সীমা নামৰ মহত।
শুনা যেন কহি আছে পদ্ম পুৰাণত॥
মহাদুষ্ট সৰ্প ইটো দুৰ্ঘোৰ সংসাৰ।
এহি দংশি চেতন কৰিলে নষ্ট যাৰ॥ ৫৮
তাৰ এক ঔষধ জানিবা কৃষ্ণনাম।
কৃষ্ণনাম এক মহামন্ত্ৰ অনুপাম॥
যিটো শুনে কৃষ্ণনাম বৈষ্ণৱ মন্ত্ৰক।
কৰে পান কৃষ্ণনাম মহা ঔষধক॥ ৫৯

সংসাৰ সৰ্পৰ বিষ কৰিয়া নিৰ্জ্জান।
মুক্ত হুয়া পৰম পদত পাৱে থান॥
জানিয়া বিষ্ণুক নৰ স্মৰিয়ো সতত।
কদাচিতো তাক নপাশৰিবা মনত॥ ৬০
সংসাৰত যত বিধি নিষেধ আছয়।
ইহুইৰ কিঙ্কৰ আক জানিবা নিশ্চয়॥
বিষ্ণুক যিজনে জানা সততে সুমৰে।
তাহাৰ বিধিৰ কৰ্ম্ম সিজে নিৰন্তৰে॥ ৬১
যিটো জনে থাকে জানা বিষ্ণুক সুমৰি।
পাৱয় নিশেষ ফল জানা নিষ্টকৰি॥
অনাময় পৰম ঈশ্বৰ নাৰায়ণ।
তাক নিতে কীৰ্ত্তন কৱয় যিটোজন॥ ৬২
চিত্তো শুদ্ধ-হোৱে মহাপাপ শঙ্কটত।
নকৰিবা আত কিছু সংশয় মনত॥
যথা মন তথাত থাকোক নৰ সুখে।
কৃষ্ণ কৃষ্ণ কীৰ্ত্তন কৰোক মাত্ৰ মুখে॥ ৬৩
এতেকে বিশুদ্ধ চিত্ত হোৱয় স্বভাৱে।
পৰম গতিক সিটো অনায়াসে পাৱে॥
আৰু শুনিয়োক যেন পদ্মপুৰাণতে।
কৃষ্ণক বিধাতা স্তুতি কৰন্ত বেকতে॥ ৬৪
থিতাতে থাকয় হুহি প্ৰয়াণ কালত।
হৰিৰ নামক কৰে কীৰ্ত্তন সতত॥
সঙ্গে তাৰ পাতক সমূহ নষ্ট হয়।
পৰম পদক পাৱে সিটো মহাশয়॥ ৬৫
হোৱয় কৃতাৰ্থ যাৰ নাম কীৰ্ত্তনত।
কৰোঁ নমস্কাৰ হেন কৃষ্ণ চৰণত॥
চৈতন্য স্বৰূপ আত্মা প্ৰভু ভগৱন্ত॥
যাহাৰ নামৰ মহিমাৰ নাহি অন্ত॥ ৬৬
পৰম কৃপালু দেৱ প্ৰভু নাৰায়ণ।
সদাল প্ৰণামো তান অৰুণ চৰণ॥
পৰম অনল ইটো মহা মোহ চয়।
জাজ্বল্য স্বৰূপে সৰ্ব্ব লোকত জলয়॥ ৬৭
ইহাৰ জ্বালায়ে সদা শৰীৰ দহয়।
হৱয় চেতন শ্ৰুতি জ্ঞান নপাৱয়॥
মহা মেঘ প্ৰায় মাধৱৰ নাম চয়।
তাহাৰ ছাঞাত যিটো প্ৰবেশ কৰয়॥ ৬৮
মহামোহ বহ্নি আৰ তাৰ তাহাক নদহে।
তাপদুঃখ এৰায় মহা সুখী হুয়া ৱহে॥
যিটো জনে আলাসক কৰি পৰিহাৰ।
নাৰায়ণ নামক উচ্চৰে এক বাৰ॥ ৬৯
এতেকতে সিটো জনে হুয়া শুদ্ধচিত্ত।
সুখে গৈয়া নিৰ্ব্বাণ পদত হোৱে থিত॥

পৰম শ্ৰদ্ধায়ে যুক্ত হুয়া যিটো জন।
হৰিৰ নামক কৰে সদায় কীৰ্ত্তন॥ ৭০
সুৱৰ্ণ হৱণ মহা পাতক শাশ্বত
হোৱয় পবিত্ৰ সিটো যেহেন মুকুত॥
যদি ভক্ত সবে কেশৱক প্ৰসঙ্গত।
একবাৰ নাম মাত্ৰ সুমৰে মনত॥ ৭১
তাৰাসবো ধ্বংস কৰি পাতক সকলে।
বিষ্ণুৰ পৰম পদ আনন্দতে চলে॥
পৰম দুষ্কৃতকাৰি পাপশীল জন।
কৰে বহুবাৰ হৰি নামক কীৰ্ত্তন॥ ৭২
পাপ সমূহত সিয়ো হোৱয় মুকুত।
মহাজনে আক নেদেখিবা অদভুত॥
নামৰ মহিমা কিবা কহিবো অধিক।
শুনা যেন হবে বুলিলন্ত পাৰ্ব্বতীক॥ ৭৩
শুনিয়ো পাৰ্ব্বতি তুমি বচন আহ্মাৰ।
একো কৰ্ম্মে ধৰ্ম্মে নবে নতবে সংসাৰ॥
জগতবো ধৰ্ম্মক আচৰি শুদ্ধভাৱে।
তথাপিতো সৰ্ব্বেশ্বৰ বিষ্ণুক নপাৱে॥ ৭৪
হেনবা হৈবেক শঙ্কা মনত তোমাৰ।
একোৱে প্ৰকাৰে যেবে নতবে সংসাৰ॥
তেবে কেনমতে নৰে পাইবেক বিষ্ণুক।
শুনিয়ো সিদ্ধান্ত কৰি মনত উৎসুক॥ ৭৫
মুকুতি পদক প্ৰতি ইচ্ছা আছে যাৰ।
বাসুদেৱ ভকতিসি জানা মুখ্যতাৰ॥
বাসুদেৱ বিনায় আনত নেদে মতি।
বোলে বাসুদেৱেসে কেৱলে মোৰ গতি॥ ৭৬
কিন্তু সিটো নৱজানা ভোগী আতিশয়।
নানান বিষয়ে তাক আকুল কৱয়॥
পৰকো পৰম তাপ দেয় নিতে নিত।
জ্ঞান বিৱকতি তাত নাহিকে কিঞ্চিত॥ ৭৭
শম দম আদি ব্ৰহ্মচৰ্য্য ধৰ্ম্ম যত।
নাহি আন পুণ্য তপজপ তীৰ্থ ব্ৰত॥
চিত্তক নিৰ্ম্মল আতি কৰে যিটো কৰ্ম্মে।
পৰম তত্ত্বক জানা পায় সিটো ধৰ্ম্মে॥ ৭৮
সিটো ধৰ্ম্ম কৰ্ম্ম জানা সমস্তে বৰ্জ্জিত।
বিষয়ৰ চিন্তাত আকুল আতি চিত্ত॥
কেৱল চিত্তত কৰি বিষ্ণুক নিশ্চয়।
তানে নাম ব্যক্তে মাত্ৰ কীৰ্ত্তন কৱয়॥ ৭৯
হেনয় মনুষ্যে সুখে পাৱে যেন গতি।
সমস্তে ধাৰ্ম্মিকো তাক নপাৱে পাৰ্ব্বতি॥
এতেকে পাৰ্ব্বতী তুমি জানা নিষ্ট কৰি।
নাহি ধৰ্ম্ম বিষ্ণু নাম কীৰ্ত্তনৰ সৰি॥ ৮০

এহি মানে থৈলো মহেশৰ বচনক।
জানি সৰ্ব্বজনে লৈয়ো কৃষ্ণৰ নামক॥
পুনৰপি শুনা হৰি নামৰ মহত।
কহিয়া আছন্ত যেন বিষ্ণু পুৰাণত॥ ৮১
পৰাশৰে কহিয়া আছন্ত মৈত্ৰেয়ত।
মাধৱৰ নামৰ মহিমা যেন মত॥
হৰি নাম লঞো হেন নাহিকে মনত।
কৰে কৃষ্ণ নামক কীৰ্ত্তন অজ্ঞানত॥ ৮২
তথাপি সমস্তে পাপে চাঁড়ি পুৰুষক॥
তেতিক্ষণে পলাই যায় দূৰ তো দূৰক।
সিংহ হস্তে ত্ৰাস হুয়া যেন মৃগগণে।
পলায় গৈয়া লৱৰিয়া পশে ঘোৰ বনে॥ ৮৩
সমস্তে কালতে হৰি নাম বিনে আন।
নাহি গতি তথাপিতো কলিত প্ৰধান॥
সত্যযুগে যোগী সবে কৰিয়া সমাধি।
যেন মত ফল পাৱে কৃষ্ণক আৰাধি॥ ৮৪
তাহাতো কৃষ্ণৰ দশ নাম যদি লয়।
সমাধিৰ ফল যোগী তেৱেসে পাৱয়॥
নিয়মে সংযমে চিত্ত সাবধান কৰি।
ত্ৰেতাযুগে নানাবিধ যজ্ঞে যজি হৰি॥ ৮৫
মাধৱৰ আঠগোটা নামক উচ্চৰে।
তেৱেসে যজ্ঞ ফল পাৱে জানা নৰে॥
নানা তন্ত্ৰে মন্ত্ৰে পূজা কৰে দ্বাপৰত।
হৰিৰ দ্বাদশ নাম জপয় সতত॥ ৮৬
নাম কীৰ্ত্তনেসে সাঙ্গ কৰয় পূজাক।
তেৱেসে পূজাৰ যেন ফল পাৱে তাক॥
ধ্যান যজ্ঞে পূজাৰ কহিছে যেন ফল।
হৰিৰ নামেসে তাক সাধয় সকল॥ ৮৭
কলিৰ লোকৰ চিত্ত মলিন অপাৰ।
আন একো ধৰ্ম্মত নাহিকে অধিকাৰ।
কেশৱক কৰে মাত্ৰ কীৰ্ত্তন কেৱল।
পাৱে অনায়সে ধ্যানাদিৰ যেন ফল॥ ৮৮
কীৰ্ত্তনৰ ফল আক পাৱে শ্ৰেষ্ঠতৰ।
কলিত কীৰ্ত্তনে হোৱে নাৰায়ণ পৰ॥
এতেকেহে কলিযুগ শ্ৰেষ্ঠ অতিশয়।
সত্যাদিৰ লোকে জন্ম কলিত বাঞ্ছয়॥ ৮৯
কলিত কৃষ্ণৰ নাম কীৰ্ত্তন কৰিয়া।
পাৱয় পৰম পদ সংসাৰ তৰিয়া॥
শুনিয়ো মৈত্ৰিয় মাধৱৰ নাম চয়।
ভক্তিভাৱে যিটো জনে কীৰ্ত্তন কৱয়॥ ৯০
অনাদি জন্মৰ যত পাপ আছে তাৰ॥
নাম কীৰ্ত্তনে কৰে নিঃশেষে সংহাৰ।

কৃষ্ণৰ কীৰ্ত্তন মহা বহ্নিৰ সমান।
পাপৰ দাহক নাহি নাম বিনে আন॥ ৯১
যেন সুৱৰ্ণৰ ধাতু মিশ্ৰ যত মল।
কেৱলে বহ্নি সি তাক দহয় সকল॥
অগণিত পৰে আৰ যতেক উপায়।
সুৱৰ্ণৰ মল যেন গুছান নযায়॥ ৯২
সেহিমতে হৰি নাম কীৰ্ত্তনত পৰ।
আন ধৰ্ম্মে চিত্ত শুদ্ধ হুহি পুৰুষৰ॥
এতেকেসে হৰিনাম ধৰ্ম্মতে প্ৰধান।
জগতত নাহি পুণ্য নামৰ সমান॥ ৯৩
হৰিনাম কীৰ্ত্তনেসে ধৰ্ম্ম ভৈল যাৰ।
এৰাইলেক সিজনে যমস্থো অধিকাৰ॥
যমৰ বচনে আক প্ৰমাণ লৈয়োক।
বোলন্ত শুনিয়ো মোৰ যত দূত লোক॥ ৯৪
যিটো মহাজনে ভৈল মাধৱৰ দাস।
কদাচিতো নচাপিবি তাসম্বাৰ পাশ॥
মাধৱৰ দাসৰ লক্ষণ যেন মত॥
কহো স্পষ্ট কৰি শুন সবাৰো আগত॥ ৯৫
হে বিষ্ণু বাসুদেৱ কমলনয়ন।
অচ্যুত ধৱণীধৰ দেৱ সনাতন॥
শঙ্খ চক্ৰ গদাপাণি প্ৰভু নাৰায়ণ।
হে কৃষ্ণ তুমি মোৰ হুয়োক শৰণ॥ ৯৬
এহি মতে হৰিনাম যি জনে সুমৰে।
নাহিকে নিষ্পাপী আৰু সি জনত পৰে॥
হে দূতগণ মোৰ বাক্য মনে ধৰি।
তাসম্বাক ফুৰিবি দূৰতে পৰিহৰি॥ ৯৭
এহি মানে সংহৰিলো যমৰ বচন।
কৃষ্ণতেসে যি জনৰ নিমজিল মন॥
কদাচিতো নৰকে নযাইয়ে সিটো নৰ।
স্বৰ্গো মহা বিঘিনি জানিবা সিজনৰ॥ ৯৮
কৃষ্ণতেসে চিত্ত জানা নিমজিল যাৰ।
ব্ৰহ্মাৰো উত্তম পদ অতি অল্প তাৰ॥
কৃষ্ণকেসে চিত্তত ধৰিয়া নিৰন্তৰে।
একচিত্তে কৃষ্ণক ভাবনা মাত্ৰ কৰে॥ ৯৯
তাৰ আৰ লাভ কিবা কহিবোঁ অধিক।
দেন্ত ভগৱন্তে তাক অব্যয় মুক্তিক॥
অচ্যুত কীৰ্ত্তনে মাত্ৰ মুকুতি পাৱয়।
কোন ইটো চিত্ৰ তাৰ পাপ হুইবেক ক্ষয়॥ ১০০
জপ হোম যজ্ঞ পূজা আদি সময়ত।
ৱৈল যাৰ মন বাসুদেৱ চৰণত॥
ইন্দ্ৰ পদ আদি কৰি আছে যত ফল।
জানিবা মৈত্ৰেয় তাৰে বিঘিনি সকল॥ ১০১

তপ জপ যজ্ঞ যাগ যোগ তীর্থ ব্রত।
কর্ম্মৰূপ প্রায়শ্চিত্ত কহি আছে যত॥
সি সৱে পাপক শুদ্ধি নকৱে সিমতে।
কৃষ্ণক স্মৱণে পাপ হৱে যেন মতে॥ ১০২
এতেক যতেক আছে প্রায়শ্চিত্ত গণ।
সাঁহস্তে শ্রেষ্ঠ কৃষ্ণ নামৰ স্মৱণ॥
পাপ কৰি অনুতাপ উপজিল যাৰ।
জানা অনুতাপে এক প্রায়শ্চিত্ত তাৰ॥ ১০৩
তথাপিতো তাহাৰ নির্ম্মল নুহি চিত্ত।
হৰিনাম কীর্ত্তনেসে মুখ্য প্রায়শ্চিত্ত॥
কৃষ্ণৰ স্মৱণ আৰু মহিমা যিমত।
দেখাঞো স্পষ্ট কৰিপ্রহ্লাদৰ বচনত॥ ১০৪
শুনা সভাসদ পদ নাম মালিকাৰ।
মাধৱৰ নাম ধর্ম্ম সর্ব্ব শাস্ত্র সাৰ॥
সংসাৰ তৰিতে প্রতি যাৰ আছে কাম।
কৃষ্ণক চিন্তত ধৰি ডাকি বোলা ৰাম॥ ১০৫

দুলৰী।

প্রহ্লাদ বদতি শুনিয়ো সম্প্রতি
কৃষ্ণৰ নাম মহত।
বিষ্ণু পক্ষজানি মোক পিতৃ আনি
দুঃখ দিলা নানা মত॥
দিগ্‌গজ সবৰ দন্ত নিৰন্তৰ
অগ্রভাগ বজ্রময়।
মোৰ গাৱে লাগি সিয়ো গৈল ভাগি
ইটো বল মোৰ নয়॥ ১০৬
পৱম বিপদে পৰি মনে মঞি
সুমৰিলো জনার্দ্দন।
সমস্তে বিপদ বিনাশিয়া মোক
ৰাখিলন্ত নাৰায়ণ॥
কৃষ্ণৰ স্মৱণ প্রসাদে মোহোৰ
বিকল নভৈল চিত্ত।
দেখিয়োক কেনে কৃষ্ণ স্মৱণৰ
অনুভাৱ বিপৰীত॥ ১০৭
প্রহ্লাদ বচনে কৃষ্ণ স্মৱণৰ
মহিমা কৰি বেকত।
শুনা তাতপৰ কৃষ্ণ স্মৱণৰ
অনুভাৱ যেন মত॥
মহাউগ্র তৰ কলিৰ কল্মষ
দেখা কেন বল আৰ।
মনুষ্যক নিয়া ঘোৰ নৰকত
ভুঞ্জাবে দুঃখ নিকাৰ॥ ১০৮
ঈশ্বৰ কৃষ্ণৰ নাম এক বাৰ
কীর্ত্তন যিটো কৰয়।
সঙ্গে যেন বহ্নি কলিৰ পাপক
দহিয়া ভস্ম কৰয়॥
যাৰ এক বাৰ স্মৱণে তেখনে
কলি পাপ নষ্ট কৰে।
হেনয় কৃষ্ণক নভজিয়া নৰে
নিকাৰ ভুঞ্জিয়া মৰে॥ ১০৯
প্রভাত সন্ধ্যাত নিশা মধ্যাহ্নদি
সময়ত নাম লৈয়া।
সঙ্গে পাপক্ষয় কৰি নৰে নাৰা-
য়ণক পাৱয় গৈয়া॥
বিষ্ণুক সম্যকে স্মৰিয়া সমস্তে
ক্লেশক বিনাশ কৰে।
পৱম বিশুদ্ধ চিত্ত হুয়া সুখে
মুকুতি পাৱয় নৰে॥ ১১০
কৃষ্ণ স্মৱণৰ যিহেতু নির্ম্মল
মুকুতি পৱম ফল।
তাৰ স্বর্গ পদ জানিবা নিশ্চয়
বিধিনি মাত্র কেবল॥
ইহাক জানিয়া যিটো অহর্নিশে
বিষ্ণুক সম্যকে স্মৰে।
পাপ ক্ষয় কৰি হুয়া শুদ্ধ চিত্ত
নযায় নৰকক নৰে॥ ১১১
স্নানাদি কর্ম্মত যিটো ধ্যান কৰে
নাৰায়ণ দেৱ তাক।
সমস্তে পাপৰ মুখ্য প্রায়শ্চিত্ত
জানিবা নিশ্চয়ে আক॥
বিষ্ণু পুৰাণত কৃষ্ণ স্মৱণৰ
প্রসঙ্গ সংহৰি থঞো।
শিৱ পুৰাণত শুনা যেন মত
নাম্ন মহিমা কঞো॥ ১১২
জাতিত ৰাক্ষস নামত সুশর্ম্মা
দেখি তাৰ সুদ্ধমন।
তাহাৰ আগত শ্রীৰুদ্র দেৱে
বুলিলা হিত বচন॥
সদায় কৃষ্ণৰ নাম গাত্র গাইবা
জানিয়া ধর্ম্ম প্রধান।
হৰিৰ পৱম ৰূপ মনোহৰ
সদায় কৰিবা ধ্যান॥ ১১৩

মুৰাৰিৰ নাম কীর্ত্তন কৰিবা
সদায় নিশ্চয় মতি।
ইসব প্রকাৰে সংসাৰক তৰি
লভিবা পৱম গতি॥
রুদ্রৰ বচন থৈলোঁহো কৃষ্ণৰ
নামৰ কহোঁ মনত।
তাতে শুনা আৰু কহি আছে যেন
শিৱ নাম মাহাত্ম্যত॥ ১১৪
শিৱৰ কৃষ্ণৰ নামত কিঞ্চিতো
নাহিকে জানা অন্তৰ।
শিৱৰ যতেক গুণ নাম সিয়ো
জানা সৱে মাধৱৰ॥
আপোনাৰ গুণ নাম নাৰায়ণে
শিৱত সৱে অর্পিলা।
আপোনাৰ নিজ ভক্ত বুলি হৰি
ভিন্ন তাঙ্ক নকৰিলা॥ ১১৫
বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতো অন্তৰ
নাহিকে জানা নিশ্চয়।
আক ভিন্ন বুদ্ধি কৰিলে কেৱলে
অপৰাধ মাত্র হয়॥
এতেকেসে মহা জনে দুহান্তৰো
নাম এক কৰি কয়।
দুহানো নামক কীর্ত্তন কৰিয়া
পৱম গতি লভয়॥ ১১৬
সংশয়-তেজিয়া একচিত্ত হুয়া
শুনিয়োক নিৰন্তৰে।
মহাদেৱ মহা দেৱ মহাদেৱ
বুলিয়া যিটো সুমৰে॥
প্রথম অক্ষৰে মহেশ বুলিয়া
মুকুত হোৱয়ে নৰে।
আৰ দুই পদ সুমৰিয়া সম্ভূ
হোৱে মুনি স্তুতি কৰে॥ ১১৭
শিৱ পুৰাণৰ কহি কিছুমান
মহিমা শিৱ নামৰ।
মহা ভাগৱত শাস্ত্রে যেন কহে
শুনা আৱে আত পৰ॥
মহা ভাগৱত শাস্ত্রক বিচাৰি
দেখিবাহা বিদ্যমান।
ভগৱন্ত ঈশ্বৰৰ গুণ নাম
বর্ণন মাত্র প্রধান॥ ১১৮
সমস্ত ধর্ম্মত কৰিয়া গৌৰৱ
কৃষ্ণৰ নাম কীর্ত্তন।
শ্রীমন্ত নাৰদে বর্ণায়া ব্যাসৰ
কৰিবা চিত্ত প্রসন্ন॥
যত তপ ব্রত পূজা বেদ পাঠ
মন্ত্র জাপ্য জ্ঞান দান।
সমস্তে ধর্ম্মৰ অবিনাশি ফল
জানিবাহা এহিমান॥ ১১৯
মহা মহা কবি বিবেকী সকলে
কৰি আছে নিরূপণ॥
উত্তম শ্লোকৰ গুণ নাম মাত্র
কৰিল সদা বর্ণন॥
অনেক জনমে পৱম নিস্কামে
কৰিছে পুণ্য সুজন।
তাৰ ফলে সদা ইজন্মত সুখে
কৱয় হৰি কীর্ত্তন॥ ১২০
হৰি কীর্ত্তনত পৱে যত ফল
কহিয়া আছে ধর্ম্মৰ।
সিসৱ সকলে বিনাশি কেৱলে
জানিবাহা সাৰতৰ॥
হৰি কীর্ত্তনত পৱে আন ধর্ম্ম
নানান বিধিনি গ্রন্ত।
হৰিৰ নামেসে জানিবা নিশ্চয়ে
হৱয় তাক সমস্ত॥ ১২১
যদ্যাপি সঞ্জাত নযায়া শুক্রৰ
বচনে লৈয়ো প্রমাণ।
বামনৰ আগে শুক্রমহা ঋষি
কহি আছা বিদ্যমান॥
যত মন্ত্র তন্ত্র দেশ কাল পাত্র
বস্তুত ছিদ্র আছয়।
তমু গুণ নাম কীর্ত্তনেসে তাকো
সমস্তে দূৰ কৱয়॥ ১২২
কর্ম্মৰ বিধিনি হৰিবেক নামে
ইতো অদভুত নয়।
যিহেতু নামৰ কীর্ত্তনে কৃষ্ণকো
সন্তোষ অতি কৰয়॥
ইহাৰ প্রমাণ লৈয়োক ঈশ্বৰ
মাধৱৰ বচনত।
ৰাজাৰ আগত আপুনি ঈশ্বৰ
কহি আছা যেন মত॥ ১২৩
কোলন্ত নৃপতি শুনা মহামতি
তোহ্মাৰ কল্যাণ হৌক।
মোৰ গুহ্যনাম কীর্ত্তন কৰিয়া
সন্তোষ কৰাইল মোক॥

তোহ্মাৰ সম্বন্ধি পৱম সন্তুষ্ট
ভৈলোহোঁ আমি নিশ্চয়।
পৱম গোপণী যেহি ৱৱ্ লাগে
লৈয়ো তাক মহাশয় ॥ ১২৪
মোহোৰ সন্মতি ৱৰ লৈয়ো আজি
হইবা আতি খ্যতিমন্ত।
তবু মহোদয় হৈৱেক অপাৰ
বুলিৱন্ত ভগৱন্ত ॥
শুনা মহাজনে যেন লৈলে মনে
বিৱচিলোঁ আমি পদ।
হুয়া পূর্ণ কাম বোলা ৱাম ৱাম
গুচোঁক সৱে আপদ ॥ ১২৫

পদ।

ভাগৱত শাস্ত্র যত নামৰ মহিমা।
তাক কহি কোন জনে কৱিৱেক সীমা ॥
সাধ্য সাধন ৰূপে নামকেস কয়।
আন যত ফল কর্ম্ম সৱে মায়াময় ॥ ১২৬
পণ্ডিত সকলে আক বিচাৰি দেখিল।
গ্রন্থ গৌৱৱক ভৱে আক নিলিখিল ॥
হৱি নাম গুণত বাঢ়িল যাৰ ৱতি।
পৱম কৃতার্থ ভৈল সিসি মহামতি ॥ ১২৭
সিসিজনে ঈশ্ৱৰকো সন্তোষ কৱয়।
নিজ যশ প্রিয় হৱি জানিবা নিশ্চয় ॥
ভৈলন্ত সন্তুষ্ট হৱি সম্বন্ধি যাহাৰ।
আৰ কৃত্য শেষে কিছু নথাকিল আৰ ॥ ১২৮
জগতৱে আত্ম হৱি জানিবা নিশ্চয়।
হৱি তুষ্ট ভৈলে তুষ্ট জগতে হোৱয় ॥
ইহাৰ দৃষ্টান্ত শুনিয়োক যেন মত।
যেন জলদান কৱে বৃক্ষৰ মূলত ॥ ১২৯
ডাল পত্র পুষ্প ফল যতেক আছয়।
সমস্তে তৃপিতি হয় জানিবা নিশ্চয় ॥
মূলৱিনে পানী যদি সিঞ্চে পত্র ডালে।
কদাচিতো তৃপিতি হুহিকে এক কালে ॥ ১৩০
আক যেন প্রাণক ভুঞ্জাৱে অন্নপান।
হোৱয় তৃপিতি ইন্দ্রি আছে যতমান ॥
ক্ষুধাতুৰ নৱে যেন নকৱি ভোজন।
গন্ধ পুষ্প অলঙ্কাৰে কৱয় ভূষণ ॥ ১৩১
কদাচিতো তৃপিতি হুহিকে ইন্দ্রিয়ৰ।
দেখাইলোহোঁ দুতয় দৃষ্টান্ত মনোহৱ ॥
হৱি তুষ্ট নভৈলে কাহাৰো তুষ্ট নাই।
দেখিবা ইহাক মহা ভগৱত চাই ॥ ১৩২

নামৰ বলৰ কোনে কৱিৱেক সীমা।
অগ্নি পুৱাণত শুনা নামৰ মহিমা ॥
একান্তিক ভকত প্রহ্লাদ মহামতি।
তাহান আগত কৃষ্ণ দেৱ নিগদতি ॥ ১৩৩
গোবিন্দ গোবিন্দ বুলি যিজনে জপয়।
যমৰ দূতত তাৰ নাহি কিছু ভয় ॥
ৱৌৱৱক প্রমুক্ষে নৱক নিৱন্তৱ।
তাত হন্তে কিছু ভয় নাহি সিজনৰ ॥ ১৩৪
গোবিন্দ গোবিন্দ নাম মুখে থাকে যাৰ।
প্রেতৰাজ যমতো নাহিকে ভয় তাৰ।
সমস্তে যুগৱে ইটো কহিলোঁ নির্ণয়।
কলিযুগে যিটো কৃষ্ণ নামক জপয় ॥ ১৩৫
যমৰ দণ্ডত তাৰ কিছু ভয় নাই।
যম দূতে তাৰ কিৱা উকয়াইবে ছায় ॥
যম যাতনাত দুঃখ অনেক আছয়।
কি কৱিবে তাক যিটো কৃষ্ণ নাম লয় ॥ ১৩৬
হেন জানি গোবিন্দ গোবিন্দ বোলা মুখে।
কৃষ্ণ নাম জপিয়া ফুৱিয়ো মহাসুখে ॥
এহিমানে সংহৱিলোঁ ৱচন কৃষ্ণৰ।
শুনিয়োক কথা আক আত অনন্তৰ ॥ ১৩৭
নামৰ মহিমা সেহি অগ্নি পুৱাণত।
পাপ বিনাশন মহা স্তুতি প্রস্তাৱত ॥
কৃষ্ণৰ আগত ৱাক্য পুষ্কৱে বোলন্ত।
হুয়োক প্রসন্ন মোত প্রভু ভগৱন্ত ॥ ১৩৮
তোহ্মাক নভজি মঞি পৱম প্রমত্ত।
কৱি আছোঁ পাপ যত মহা অজ্ঞানত ॥
জ্ঞান পূর্ৱ্বকৱো পাপ আছে যত যত।
প্রভাত মধ্যাহ্ননিশি সন্ধ্যা সময়ত ॥ ১৩৯
কায় ৱাক্য মনে পাপ কৱি আছো যত।
সৱে নষ্ট হৌক তিনি নাম কীর্ত্তনত ॥
মাধৱ পুণ্ডৱীকাক্ষ নাম হৃষীকেশ।
তোহ্মাৰ ত্রিতয় নাম পৱম বিশেষ ॥ ১৪০
সোপনত যদি মোৰ মুখত থাকয়।
তথাপিতো সমস্ত পাতক হৌক ক্ষয় ॥
শৱীৱে যতেক পাপ কৱিছো নিঃশেষ।
নিৱন্তৱে ক্ষয় হৌক মোৰ হৃষীকেশ ॥ ১৪১
মনে যত পাপ কৱি আছোঁ অৱিশ্রাম।
নাশ হৌক কীর্ত্তনে পুণ্ডৱীকাক্ষনাম ॥
ৱাক্যেৱা যতেক পাপ কৱিছো দুর্ঘোৰ।
মাধৱ ৱোলন্তে সৱে ক্ষয় হৌক মোৰ ॥ ১৪২
শয়নে ভোজনে পথে ৱ্রজন কৱন্তে।
জাগ্রত সময়ে আক ৱসিয়া থাকন্তে ॥

আক আদি কৱি আক নানা সময়ত।
কায় ৱাক্য মনে পাপ কৱি আছো যত ॥ ১৪৩
কৱি আছো পাপ অল্প স্থূল বিপৱীত।
তাৰ ফলে ফুৱিবে লাগিবে কুযোনিত ॥
দাৰুণ নৱক দুঃখ ভুঞ্জিবে অপাৰ।
তাক সুমৱন্তে ভয় লাগয় আহ্মাৰ ॥ ১৪৪
সিসৱ পাপত হন্তে ৱাখিয়োক মোক।
ৱাসুদেৱ কীর্ত্তনত সৱে নষ্ট হৌক ॥
সুমৱো তোহ্মাৰ প্রভু পৱম্ ব্রহ্ম নাম।
তুমিসে কেৱল ইটো জগতৱে ধাম ॥ ১৪৫
পৱম পৱিত্র তযু নাম গুণ যত ॥
আক সৱে বর্ণাইবাক হুহিকো শকত ॥
আহ্মাৰ যতেক আছে মহা পাপগণ।
নাশ হৌক বিষ্ণু নাম কৱন্তে কীর্ত্তন ॥ ১৪৬
ইটো পুষ্কৱৰ স্তুতি কৱি সমাপত।
পুনৱপি শুনা সেহি অগ্নিপুৱাণত ॥
বিষ্ণু পঞ্জৱত ৱাক্য পুষ্কৱে বোলন্ত।
ঈশ্ৱৰৰ দ্বিতীয় ৰূপক বর্ণয়ন্ত ॥ ১৪৭
যিমত পৱম ব্রহ্ম হৱি সেহিমত।
অব্যক্ত স্ৱৰূপে যিটো আছা জগতত ॥
তেহেন্তে কেশৱ মহা মূর্ত্তি মনোহৱ।
মূর্ত্ত অমূর্ত্তৰ কিছু নাহিকে অন্তৱ ॥ ১৪৮
কায় ৱাক্য মনৰ মোহোৰ পাপ যত।
সন্তে হৌক বিনাশ অচ্যুত কীর্ত্তনত ॥
এহিমানে থৈল ইটো পুষ্কৱ ৱচন।
পুনৱপি আক শুনিয়োক মহাজন ॥ ১৪৯
কহি আছা যিমত ভৱিষ্য পুৱাণত।
নামৰ মহিমা তাক কৱোহো ৱেকত ॥
ব্রাহ্মণ ক্ষত্রিয় ৱৈশ্য যত শূদ্র চয়।
স্ত্রী অন্ত্য জাতি আনো অনেক আছয় ॥ ১৫০
নাহি ৱর্ণাশ্রম আত নিয়ম ৱিচাৰ।
হৱিনাম কীর্ত্তনে সৱাৱো অধিকাৰ ॥
যৈতে তৈতে আপোন ইচ্ছাই থাকি সুখে।
বিষ্ণুনাম কীর্ত্তন কৱন্ত মাত্র মুখে ॥ ১৫১
নিশেষ পাতক হন্তে মুক্ত হোৱয়।
সনাতন ব্রহ্ম গৈয়া সমস্তে পাৱয় ॥
পৱম পৱিত্র জাতি ব্রাহ্মণ মহন্ত।
অপৱিত্র আতি অন্ত্য জাতি অপর্য্যন্ত ॥ ১৫২
উত্তম জাতিয়ো মহা পাতক আচৱি।
সমস্তে অৱস্থা গৈয়া আছে অনুসৱি ॥
ইসৱৰ মাজে যিটো ঈশ্ৱৰক স্মৱে।
পাপত লেপিত আৰ নোহে সিটো নৱে ॥ ১৫৩

দেখিয়ো মহিমা কেন কৃষ্ণ স্মৱণৰ।
মনুষ্যৰ আছে যত পাতক পঞ্জৱ ॥
শত সহস্রেক ৰূপে হোৱে মষিমূৰ ॥
ৱজ্রপাতে যেন পর্ৱ্বতক কৱে চুৰ ॥ ১৫৪
কহিলোঁ সামান্য ফল নাম কীর্ত্তনৰ।
প্রায়শ্চিত্ত কামে নাম লৱে যিটো নৰ ॥
সিটো নাম কীর্ত্তনৰ শুনিয়ো মহত।
কহিয়া আছন্ত যেন ব্রহ্মৱৈৱর্ত্তত ॥ ১৫৫
উত্তম দ্বিজক যিটো হানিয়া মাৱয়।
কামনা পূর্ৱ্বকে সুৱা পানক কৱয় ॥
কৃষ্ণ কৃষ্ণ অহোৰাত্র কীর্ত্তন কৱন্তে।
হোৱে শুদ্ধ সিটো মহা পাতকত হন্তে ॥ ১৫৬
বিশ্বাস ঘাতক পাপ যি জন আচৱে।
যিটো নৱাধমে ব্রাহ্মণক নিন্দা কৱে ॥
কৱন্তে কীর্ত্তন আতি হৱিৱ নামক।
পাপে মহাভৱ নকৱয় সিজনক ॥ ১৫৭
কহি আছে আক যেন লিঙ্গ পুৱাণত।
তাক কিছু কহোঁ আৱে শুনিয়ো সাম্প্রত ॥
সেহিসে পৱম হানি জানো পুরুষৱ।
তাকেসে বুলিয় মহা ছিদ্র নিৱন্তৱ ॥ ১৫৮
সেহিসে পৱম অতি মোহ বিপৱীত।
তাত পৱে ৱিভ্রম নাহিকে পৃথিৱীত ॥
একক্ষণে মানেৱা মুহূর্ত্ত সময়ত।
এক শিৱ ঈশ্ৱৰক নিশ্চিন্তে মনত ॥ ১৫৯
মনুষ্য শৱীৰ সিটো পাইলে আসি কিক।
নিষ্ফল জীৱন তাৰ আছে ধিক ধিক ॥
সমস্তে ভূতক যদি হানিয়া মাৱয়।
হাতে অস্ত্র ধৱি সৱে কাটিয়া ফুৱয় ॥ ১৬০
অন্যায় পূর্ৱ্বকে যিটো ভোজন কৱয়।
আনো সৱ পাতক যদ্যপি আচৱয় ॥
এক শিৱ নাম যিটো স্মৱে একৱাৰ।
সমস্তে পাতকে তাক কৱে পৱিহাৰ ॥ ১৬১
দেখা শিৱ নামৰ মহিমা অদভুত।
একৱাৰ স্মৱি হোৱে পাপত মুকুত ॥
ৰুদ্রক সুমৱি নৱে অৰুদ্র নহয়।
হুহিকো অৰুদ্র যিটো ৰুদ্রক অর্চ্চয় ॥ ১৬২
ৰুদ্রৱ নামক যিটো কৱয় কীর্ত্তন।
পুনৱপি অৰুদ্র হুহিকে সিটো জন ॥
পাইলেক ৰুদ্রক যিটো জন মহাশয়।
পুনৱপি সিটো আৰ অৰুদ্র নোহয় ॥ ১৬৩
কহিলোহোঁ ফল যেন রুদ্র কীর্ত্তনৰ।
শুনিয়োক ফল আৱে কৃষ্ণৰ নামৰ ॥

ব্রহ্ম শিৱ সহাদত নাৱদক প্রতি।
পৱম ঈশ্বৱ শ্রীৰুদ্র নিগদতি ॥ ১৬৪
শুনিয়ো নাৱদ কহোঁ স্ৱৰূপ তোমাত।
কৃষ্ণৰ নামৰ যেন মহিমা সাক্ষাত ॥
বসিয়া থাকন্তে ৱুহি পথত ভ্রমন্তে।
নিদ্রাত থাকন্তে কথা শ্রৱণ কৱন্তে ॥ ১৬৫
বচন বোলন্তে কোনো বস্তু সুমৱন্তে।
আনো সব যত মহা কার্য্যক কৱন্তে ॥
এহি নানা সময়ত যদি কোনজন।
হেনয় বিষ্ণুৰ কৱে নামক কীর্ত্তন ॥ ১৬৬
মনোহৰ ৰূপ ধৰি জানিবা নাৱদ।
ভকতি যুকুত হুয়া পাৱে পৱম্পদ ॥
বিষ্ণুৰ নামক কৱি হেলায় কীর্ত্তন।
পৱম পদক পাৱে যেই সেইজন ॥ ১৬৭
মহাভক্তি ভাৱে যিটো কৃষ্ণ নাম গাৱে।
তাহাৰ মহিমা কহি কোনে অন্ত পাৱে ॥
এহি মানে থৈলোঁ কথা ব্রহ্ম ৱৈৱর্ত্তক।
স্কন্দ পুৱাণত শুনা মহিমা নামৰ ॥ ১৬৮
শুনিয়ো নাৱদ তুমি মোহোৰ বচন ॥
ভক্তিভাৱে গোৱিন্দ উচ্চৱে যিটো জন ॥
ভকতি বর্জিত হুই যদি কোন নৱে।
গোবিন্দ গোবিন্দ বুলি মুখত সুমৱে ॥ ১৬৯
পুৰুষৰ পাপ যত দহি কৱে ছন্ন।
যুগান্তৰ বহ্নি যেন দহি ত্রিভুৱন ॥
জন্মান্তৰ সহস্রৰ যত পাপ চয়।
কোটি জন্মান্তৱে যত কৱিয়া আছয় ॥ ১৭০
জানিবাহা নাৱদ গোবিন্দ কীর্ত্তনত।
শতধা প্রকাৱে পাপ সবে হৱে হত ॥
যতেক পাতক সিজে অভক্ষ্য ভোজনে।
উপজয় পাপ যত অগম্য গমনে ॥ ১৭১
গোবিন্দ কীর্ত্তনে পাপ সবে নষ্ট হয়।
নকৱিবা কিছু আত মনত সংশয় ॥
ব্রাহ্মণৰ সুৱর্ণক যিটো চুৰি কৱে।
যিটো দ্বিজে মহাপাপ সুৱা পান কৱে ॥ ১৭২
যত পাপ সিজে গুৰু দাৱা গমনত।
গোবিন্দ কীর্ত্তনে সত্যে সবে হোৱে হত ॥
ঘোৰ কলিযুগে পাপ উপজয় যত।
তাৱতে সে থাকে জানা ইটো শৰীৱত ॥ ১৭৩
গোবিন্দ কীর্ত্তন নৱে নকৱে যাৱত।
উচ্চৱন্তে গোবিন্দ ৱৰিতে হোৱে যত ॥
তপ জপ যজ্ঞ আনো নানান কর্ম্মত।
ন্যূনাধিক ছিদ্র তাত হোৱে যত যত ॥ ১৭৪
অচ্যুতৰ নাম চয় কৱত কীর্ত্তন।
ন্যূন শুচি হোৱে সত্যে সমস্তে পূৱণ ॥
কর্ম্মৰ বিধিনি নষ্ট কৱে নামে যাৱ
অচ্যুতৰ হেন পদে কৱোঁ নমস্কাৱ ॥ ১৭৫
যাৱ নাম গুণচয় স্মৱণ মাত্রত।
হোৱে মুক্ত দুর্যোৰ সংসাৰ বন্ধনত ॥
জনম মৱণ দুঃখ এৱাৱে নিকাৱ।
হেনয় কৃষ্ণক সদা কৱোঁ নমস্কাৱ ॥ ১৭৬
যিটো ঈশ্বৱক মনে কৱন্তে স্মৱণ।
যাৱ নাম গুণচয় কৱন্তে কীর্ত্তন ॥
যত আধি ব্যাধি চয় আছে পুৰুষত।
তত কালে হোৱে আতি প্রলয় সমস্ত ॥ ১৭৭
গুচে বহু দুঃখ নাম কীর্ত্তনতে যাৱ।
হেন অনন্তক মঞি কৱো নমস্কাৱ ॥
হেলা ৰূপে যাৱ নাম স্মৱণ মাত্রত।
তত কালে পাতক সমূহ হোৱে হত ॥ ১৭৮
*অশ্রোত্রিয় ব্রাহ্মণক দান দেই যত।
যেন মতে সিটো দান সবে হোৱে হত ॥
সেহি মতে জানিবা নাৱদ মহাশয়।
ঈশ্বৱক সুমৱন্তে পাপ নষ্ট হয় ॥ ১৭৯
প্রভাত সময় যিটো গোবিন্দ বোলয়।
উচ্চৱে গোবিন্দ নাম মধ্যাহ্ন সময় ॥
সন্ধ্যাত গোবিন্দ নাম কীর্ত্তন কৱয়।
† মখ কোটি শত উপপুণ্যক পাৱয় ॥ ১৮০
কোটি এক অযুত কৱিয়া ধেনু দান।
তাত হন্তে পুণ্য নৱে পাৱে যত মান ॥
অনেক অযুত কন্যা দানক কৱয়।
তাত হন্তে পুণ্য নৱে যতেক পাৱয় ॥ ১৮১
তীর্থ কোটি সহস্রেকে পুণ্য পাৱে যত।
ততোধিক পুণ্য পাৱে হৱি কীর্ত্তনত ॥
কায় বাক্য মনত উপজে পাপ যত।
সিসব পাতক নাহি ইটো জগতত ॥ ১৮২
কলিযুগে কীর্ত্তন কৱন্তে গোবিন্দক।
কৱিবে নপাৱে দুৱ যিসব পাপক ॥
যত মহা পাপ ৰাশি আছে পুৰুষত।
গোবিন্দ কীর্ত্তনে তাক সত্যে কৱে হত ॥ ১৮৩
বহু জন্মার্জ্জিত পাপ যতেক আছয়।
বাসুদেৱ কীর্ত্তনে তেক্ষণে নষ্ট হয় ॥
দামোদৱ কীর্ত্তনে সে পৱম মঙ্গল।
দামোদৱ নামে ধন আর্জ্জন সকল ॥ ১৮৪
জীৱনৱো এহিমানে ফল সমুদায়।
দামোদৱ কীর্ত্তনক কৱিব সদায় ॥

যতেক পাতক ৰাশি আছে পুৰুষত।
মহা উচ্চ পাপ ভাগী হোৱে পাপী যত ॥ ১৮৫
যত ভয় আছে সর্প আদি নানা মত।
নাম উচ্চৱন্তে হৱি সবে কৱা হত ॥
প্রমাদতো যদি নৱে স্মৱণ কৱয়।
তাক যেন অগনিৱ কণায়ে দহয় ॥ ১৮৬
এহিমতে ওষ্ঠ পুটে সুৱস কৱয়।
হৱিনামে নিৱন্তৱে পাতক দহয় ॥
অগনিৰ ফুলিঙ্গ জলয় যেন মত।
সেহিমতে হৱিনাম জলে হৃদয়ত ॥ ১৮৭
যত যত আছে মহা মহা পাপ ৰাশি।
হৱিনাম বহ্নি তাক পেহ্লারে বিনাশি ॥
প্রচণ্ড অগনি যেন দহে তৃণ বন।
সেহিমতে হৱিনামে দহি কৱে ছন্ন ॥ ১৮৮
মুনীন্দ্র সবৰ বন্দ্য যতেক আছয়।
তাসম্বাৰ বন্দ্য হৱি যানিবা নিশ্চয় ॥
হৱ হৱ হৱ শব্দ শুনন্তে সন্তোষ।
যেন আকাশত মহা মেঘে কৱে ঘোষ ॥ ১৮৯
বাৱে বাৱে হৱ নাম সুমৰি আদিত।
শিৱায় নমঃ পদ সমস্তৱে হিত।
দুগুটি অক্ষৱ হৱি নাম মনোহৱ।
একবাৰ মাত্র উচ্চাৰিলে যিটো নৱ ॥ ১৯০
এতেকতে মুকুতি পদক যাইবে প্রতি।
ভৈল কাচপাৰ আতি সিটো মহামতি ॥
অযুত সহস্র ব্রহ্ম হত্যা যদি কৱে ॥
কোটি এক * গুর্ব্বঙ্গনা পাতক আচৱে ॥ ১৯১
ব্রাহ্মণৰ অসংখ্যাত সুৱর্ণ হৱয়।
গোবিন্দৰ নামে সত্যে বিনাশ কৱয় ॥
পৃথিবী তলত যত মনুষ্য হোৱয়।
কোনো পুৰুষৰ নাম গোবিন্দ থৱয় ॥ ১৯২
গোবিন্দ বুলিয়া যিটো তাৱে নাম লয়।
এতেকেতে তাৱো পাপ বিনাশ কৱয় ॥
বাসুদেৱ ঈশ্বৱক নিচিন্তে মনত।
আত পৱে মহা হানি নাহি জগতত ॥ ১৯৩
উপসর্গ পীড়া আত পৱে নাহি আন।
ইহাকেসে বুলি মহা অভাগ্য প্রধান ॥
ধ্রুৱৰ বচনে দেখাইলোঁহো বিদ্যমান ॥
জানি বাসুদেৱক কৱিয়ো মনে ধ্যান ॥ ১৯৪
সেহি স্কন্দ পুৱাণত কাশি মাহাত্ম্যত।
শুনিয়োক হৱে আচৱন্ত যেন মত ॥
বাৰাণসী নিবাসী জটিল মহেশ্বৰ।
পন্থে পন্থে আনন্দে ভ্রমন্ত নিৱন্তৱ ॥ ১৯৫
মহাজন সবে হৱি কীর্ত্তন কৱন্ত।
কর্ণাঞ্জলি ভৰি তাক সন্তোষে শুনন্ত ॥
পৱম তাৱক ব্রহ্মৰূপ মনে ধৰি।
নির্ভৰ আনন্দে সদা ফুৱে ধ্যান কৰি ॥ ১৯৬
প্রকৃতিৰ বিকাৰ যতেক প্রাণীগণ।
মিলে যিকালত কাশী থানত মৱণ ॥
তাৱ কর্ণমূলত জপন্ত ৰাম নাম।
দেন্ত জ্ঞান আপুনি জানিবি এক্রি ৰাম ॥ ১৯৭
ব্রহ্মৰূপ কেৱলে আপুনি মহেশ্বৰ!
তেন্তো হৱি ভকতি কৱন্ত নিৱন্তৰ ॥
হেন হৱি ভকতি নকৰি মূঢ় নৱে।
নজানোহোঁ কিমতে যাতুনা দুঃখ তৱে ॥ ১৯৮
শুনিয়ো মহিমা আৱে রুদ্রৰ নামৰ।
কীর্ত্তন কৱিয়া যেন ফল পাৱে নৱ ॥
ধেনু সহস্রকে নৱে কৱিয়া প্রদান।
অশ্বমেধ শতেক কৱিয়া বিদ্যমান ॥ ১৯৯
আত হস্তে পুণ্য নৱে পাৱে যত যত।
অনায়াসে পাৱে তাক রুদ্র কীর্ত্তনত ॥
যজ্ঞৰাজ অশ্বমেধ যজ্ঞৰ শেষত।
কৱি স্নান অৱভৃত তীর্থৰ জলত ॥ ২০০
ব্রহ্ম বধি জনো হোৱে মুকুত মিতে।
রুদ্র নাম কীর্ত্তন কৱিয়া সেহিমতে ॥
কিন্তু তাত কৱি আত ফলত অধিক।
পাৱে অনায়াসে গৈয়া অক্ষয় গতিক ॥ ২০১
পাপ কৱি অনুতাপ উপজিল যাৱ।
একে রুদ্র নামো মোক্ষ প্রায়শ্চিত্ত তাৱ ॥
ইহাক জানিয়া রুদ্র নাম যিটো জন।
কৱে অহর্নিশে মনে সম্যকে স্মৱণ ॥ ২০২
হোৱে শুদ্ধ ৱৰি ক্ষীণ নিশেষ পাপক।
কদাচিতো সিটো আৰু নযায় নৰকক ॥
স্কন্দ পুৱাণৰ কথা থৈলোহোঁ সাম্প্রত।
শুনা নাম মহিমা ৱামন পুৱাণত ॥ ২০৩
পূর্ব্ব জনমৰ পাপ সমূহ অনেক।
ব্যতিপ্যাতাদিতো দোষ হোৱয় যতেক ॥
আনো দুর্নীতিত হন্তে যত উপচয়।
আনো নানাবিধ দোষ যতেক আছয় ॥ ২০৪
পুৰুষৰ উপদ্রৱ আছে যতমান।
বিষ্ণুনাম কীর্ত্তনত হোৱয় নির্জ্জান ॥
অশ্বমেধ আদি যজ্ঞে যজি তেন মত।
সেহি মতে নৱমেধ যজি পাৱে যত ॥ ২০৫
দুতয় অক্ষৰ হৱি নামক উচ্চৰি।
নিসব সকলে পাৱে জানা নিষ্ট কৰি ॥

যত পুণ্য সহস্রেক কোটি তীর্থ স্নানে।
যত পুণ্য পাৱে শত কোটি মহাদানে॥ ২০৬
বিষ্ণু নাম কীর্ত্তন কৱন্তে নিৱন্তৱে।
সিসৱ সমস্তে পুণ্য পাৱে সিটো নৱে॥
মহাৱৰ দাতা কৃষ্ণ দেৱ মহেশৱ।
যাহাৰ নাভিত পদ্ম ভৈল শ্রেষ্ঠতৱ॥ ২০৭
শঙ্খ চক্র গদা পদ্ম ধৱিয়া সাক্ষাতে।
শৰ চাপ খৰ্গ প্রকাশয় যাৰ হাতে॥
লক্ষ্মীৰ বদনপদ্ম অতি শ্রেষ্ঠ তৱ।
তাৰ মধু পানে যিটো সাক্ষাতে ভ্রমৱ॥ ২০৮
যাৱা সৱে কৱে তাক কীর্ত্তন সততে।
তেন ফল পাবে তাক শুনিয়ো বেকতে॥
যিটো হৱি মাৰি আছে মধু দানৱক।
যাইবেক নিশ্চয়ে তাপ তানে সদনক॥ ২০৯
পৱব্রহ্ম পুৱাণ পুৰুষ সর্ব্বেশ্বৱ।
অনাদি অনন্ত হৱি অজৱ অমৱ॥
যিটো মহাজন সবে ইটো পৃথিবীত।
একচিত্তে তাহাক স্মৱন্ত নিতে নিত॥ ২১০
তেজে তাৰ সবক সংসাৰ মহা দুঃখে।
বিষ্ণুৰ অব্যয় পদ পাৱে মহা সুখে॥
যিসব মনুষ্য ৱাগ শূন্য শুদ্ধ চিত্ত।
বিচৱত চতুৰ জানন্ত নিত্যানিত্য॥ ২১১
দেৱতাৰ গুৰু নাৰায়ণ ভগৱন্ত।
তাহান্ত মনত ধৰি সদায় স্মৱন্ত॥
তাৰা সবে শুদ্ধ চিত্ত হোন্ত আতিশয়।
ধৌত পাণ্ডুৰ পট ৱাজহংস নয়॥ ২১২
কি কহিৱোঁ ভাগ্যৰ মহিমা তাসম্বাৰ।
সংসাৰ সাগৰ জলে সুখে হোৱে পাৰ॥
মহাজন সবে কথা কহে পৃথিবীত।
নাৰায়ণ নাম ইটো চোৰ বিপৰীত॥ ২১৩
অনেক জন্মৰ যত আছে পাপ মল।
স্মৱণ মাত্রকে তাক হৱয় সকল॥
আন চোৱে অনেক যতনে চুৰি কৱে।
নাৰায়ণ নামে স্মৱণতে পাপ হৱে॥ ২১৪
জানি নাৰায়ণ নাম নছাড়িবা মুখে।
পাপ ক্ষয় কৰি গতি লভিবাহা সুখে॥
নামৰ মহিমা কোনে পাৱে বর্ণাইবাক।
কুর্ম্ম পুৱাণত যেন কহে শুনা তাক॥ ২১৫
কোটি এক কপিলা দ্বিজক কৰি দান।
তাত হস্তে পুণ্য নৱে পাৱে যত মান॥
অজুতেক কন্যাদান কৰি পুণ্য তত।
পাবে তাক নৱে সুখে হৱি কীর্ত্তনত॥ ২১৬
যিটো নৱ মহাত্মা পৱম ভক্তিভাৱে।
থিৱ চিত্তে গোবিন্দ নামক সদা গাৱে॥
সহস্রেক গুৰুৰ ভার্য্যাৰ গমনত।
উপজিয়া আছে তাত মহাপাপ যত॥ ২১৭
সিসৱ পাপত হস্তে হোৱয় মোচন।
মহাশুদ্ধ হুয়া নেৱে গোবিন্দ কীর্ত্তন॥
জানিবা নিশ্চয়ে ইটো পৃথিবী তলত।
পৱম পাৱন কাৰি তীর্থ আছে যত॥ ২১৮
কৃষ্ণ কীর্ত্তনত যেন পুণ্য উপজয়।
তীর্থ পুণ্যে তাক কদাচিতো তুল্য নয়॥
কৈলোঁ কুর্ম্ম পুৱাণত নাম মহিমাক।
মৎস্য পুৱাণত যেন কহে শুনা তাক॥ ২১৯
যিটো মহাপাপী নৱে হৱে পৱ দাৰ।
সর্ব্বদায় পৱক কৱয় অপকাৰ॥
সিয়ো জনে হৱিনাম কীর্ত্তন কৱন্তে।
হোৱে শুদ্ধ সিটো সবে পাতকত হন্তে॥ ২২০
হৱিনাম কীর্ত্তনক নেৱয় মুখত।
হোৱায় মুকুত সিটো সংসাৰ দুঃখত॥
নাম মলিকাৰ পদ শুনা নিৱন্তৱ।
নামৰ মহিমা নানাবিধ পুৱাণৱ॥ ২২১
উচ্চ নীচ ৰূপে ফল কহিয়া আছয়।
নকৰিবা আত কিছু মনত সংশয়॥
শাস্ত্রকর্ত্তা যত মহা মুনীন্দ্র মহন্ত।
হৱিৰ নামৰ নানা ফল কহিলন্ত॥ ২২২
নানা মত পাত্র দেখি মনুষ্য লোকত।
তাৰ অনুৰূপে কৈলা নামৰ মহত॥
অবিদ্যা মোহিত নৱে হৱিক নভজে।
নানা ফল কামে নানা দেৱতাক যজে॥ ২২৩
কতোহো ধৱয় ফল কতোহো নধৱে।
কেৱলে গুণৰ কর্ম্মে বন্দী মাত্র কৱে॥
সেহি ফল কামে যজি ভজয় কৃষ্ণক।
ফলো হোৱ সিদ্ধি সুখে তৱে সংসাৰক॥ ২২৪
নানাবিধ ঈশ্বৱৰ ভকতি আছয়।
তাতে শ্রেষ্ঠতৱ হৱিনাম অতিশয়॥
নানাবিধ ফলশ্রুতি কহিলা নামৰ।
শুনিয়া নামত প্রবর্ত্তিব নিৱন্তৱ॥ ২২৫
সবে তেজি হৱিনাম কীর্ত্তন কৱিব।
ফল ভোগ কৰি সুস্থে সংসাৰ তৱিব॥
একোৱে বিঘিনি নাহি হৱিৰ নামত।
হৱিনাম কীর্ত্তনেসে বিঘ্নি কৱে হত॥ ২২৬
এতেকেসে জানা হৱি নামৰ কীর্ত্তনে।
কৱে ফল সিদ্ধি যাৰ যেন লয়ে মনে॥

এতেকেসে মুনিগণে কৈলা নানা ফল।
শুনি মহাজনে আত হুহিবা বিকল॥ ২২৭
কৰিয়ো আনন্দে হৱিনামৰ কীর্ত্তন।
এহিমানে মাত্র ভকতৱ মহাধন॥
জানি নাম মুখত নেৱিবা অবিশ্রাম।
কহয় মাধৱে ডাকি বোলা ৱাম ৱাম॥ ২২৮

ছবি।

মৎস্য পুৱাণত হৱি নামৰ মহিমা কহি
প্রসঙ্গ কৰিয়া সমাপত।
শুনিয়োক পুনৱপি নামৰ মহিমা যেন
কহয় গরুড় পুৱাণত॥
সত্য যুগে কায় বাক্যে মনক নিয়মি নৱে
পাৱে ফল যেন ধ্যান কৰি।
ত্রেতা যুগে যেন ফল পাৱয় মহন্ত সবে
নানাবিধ যজ্ঞে যজি হৱি॥ ২২৯
নানাবিধ তন্ত্রে মন্ত্রে ঈশ্বৰক পূজা কৰি
পাৱে যেন ফল দ্বাপৱত।
সিসৱ সকলে ফল পাৱে অনায়াসে নৱ
কলিযুগে হৱি কীর্ত্তনত॥
কেৱলে দোষৰ নিধি কলিযুগে তথাপিতো
আছে এক মহাগুণ আত।
হৱিনাম কীর্ত্তনতে সংসাৰ বন্ধত মুক্ত
হুয়া পাৱে কৃষ্ণক সাক্ষাত॥ ২৩০
অপৱিত্র হৌক নৱ পৱিত্র হৌক বা যদি
গৈয়া আছে সবে অবস্থাক।
যিজনে পুণ্ডৰীকাক্ষ বোলয় পৱম শুদ্ধ
বাহিৱে ভিতৱে কৱে তাক॥
মহৎ তপৰ ফল হৱিৰ স্মৱণ মাত্র
পুণ্য সন্ততিৰ জন্মস্থান॥
জীৱনৰ স্বাদ ফল হৱিৰ স্মৱণে নিষ্ঠ
শাস্ত্রত নিয়ম এহিমান॥ ২৩১
তাপ পুণ্য জন্ম ফল সমস্তৱে হৌক সিদ্ধ
কৰিয়োক হৱিক স্মৱণ।
অম্বৰিষ নৃপতিৰ আগত শুনিয়ো যেন
মহা ঋষি শৌনক বচন॥
অম্বৰিষ শুনিয়োক পৱম কল্যাণ ৰূপ
ভক্তিভাৱে মোহৰ বচন।
ধর্ম্ম অর্থ কাম মোক্ষ সবাহাৱে সিদ্ধি হেতু
কৰিয়োক গোবিন্দ কীর্ত্তন॥ ২৩২

শুনিয়ো ৱাজেন্দ্র তুমি পৱম জ্ঞানক ইচ্ছা
কৱা যদি থিৰ কৰি মন।
জ্ঞান হন্তে পৱম্পদ লভিবা আদৱে তেৱে
কৱা সদা গোবিন্দ কীর্ত্তন॥
ব্রহ্মহত্যা আদি কৰি পাতকৰ ক্ষয় ইচ্ছা
কৱা তুমি নৃপতি মনত।
ইন্দ্রিয় সমূহ তেৱে নিয়মি গোবিন্দ নাম
কৰিয়োক কীর্ত্তন সতত॥ ২৩৩
ৱাজ্যক কৱাহা ইচ্ছা হুহিবা বিপুল ভোগ
কৱা ইচ্ছা বিশিষ্ট পুত্রক।
আনোবা সম্পদে ইচ্ছা থাকে সদা মহা যত্নে
কীর্ত্তন কৰিয়ো গোবিন্দক॥
কৱা ইচ্ছা তুমি যেৱে পূর্ব্ব জনমৰ যত
আছে পাপ সবে ক্ষয় হৌক।
তোহ্মাৰ কর্ত্তব্য তেৱে গোবিন্দ নামক ৱাজা
সদায় কীর্ত্তন কৰিয়োক॥ ২৩৪
ৰণ সময়ত যেৱে ৰিপুক জিনিবে প্রতি
আছে ইচ্ছা নৃপতি তোহ্মাৰ।
এক চিত্ত মনে তেৱে গোবিন্দ নামক নিতে
কীর্ত্তন কৰিয়ো বাৰম্বাৰ॥
সহস্রেক ৱাজপেয় যজ্ঞৰ ফলক পাইবে
যদি তযু মনে ইচ্ছা কৱে।
প্রভাতে উঠিয়া নিতে গোবিন্দ নামক তেৱে
কীর্ত্তন কৰিয়ো নিৱন্তৱে॥ ২৩৫
গুৰু ভার্য্যা হৱণত নিজ মাতৃ গমনত
সিজে মহাপাপ যত যত।
সিটো মহাপাপ সব সমস্তে বিনাশ যায়
গোবিন্দ গোবিন্দ কীর্ত্তনত॥
সাঙ্খ্য অষ্টাঙ্গ যোগে কিবা কার্য্য কৰিবাহা
মুকুতিক যেবে আছে চিত্ত।
শুনিয়ো ৱাজেন্দ্র তেৱে গোবিন্দ নামক তুমি
কীর্ত্তন কৰিয়ো প্রতিনিত॥ ২৩৬
অভক্ষ্য ভক্ষণে পাপ উপজে অযোগ্য দান
গ্রহণত যত পাপ হয়।
শুনিয়ো নৃপতি তুমি গোবিন্দ কীর্ত্তনে সিটো
পাপ চয় হোৱয় প্রলয়॥
অম্বৰিষ শৌনকৰ সম্বাদ সংহৰি থৈলোঁ
কহি নানা নামৰ মহত॥
শুনিয়োক আত পৱে নামৰ মহিমা যত
কহিছে ব্রহ্মাণ্ড পুৱাণত॥ ২৩৭
সর্ব্ব অর্থ শক্তি যুক্ত দেৱৱো দেৱতা হৱি
চক্র যাৰ প্রকাশয় হাতে।

তান মনোহৱ নাম যতেক কৰ্ত্তব্য কার্য্যে
নিয়োজন কৰিব সবাতে ॥
অহর্নিশে যিটোজনে পৱম আনন্দ মনে
ৰাম ৰাম বুলিয়া জপয় ।
কটি এক কুল সিটো মহাপাতকত হন্তে
উদ্ধাৰিয়া স্বর্গক নিয়য় ॥ ২৩৮
মহাপাপ যুক্ত হুয়া অহর্নিশ সিটো নৱে
হৰিনাম কীৰ্ত্তন কৱয় ।
শুদ্ধচিত্ত হুয়া সিটো মুকুতি পদক যায়
ইটো সত্য জানিবা নিশ্চয় ॥
পুৱাণক বিচাৰিয়া নামৱ মহিমা শ্লোক
লিখিয়া কৰিলা একথাই ।
পুৱাণৱ প্রসঙ্গক সম্বৰি লিখিলা আৰু
নানা উপপুৱাণক চাই ॥ ২৩৯
প্রথমতে বৃহৎ বিষ্ণু পুৱাণত যেন মত
কহি আছে মহিমা নামৱ ।
তাক থিৱ মন কৰি হৰিক মনত ধৰি
শুনা সমাজিক নিৱন্তৱ ॥
হৰিনাম পৰিহৰি নানা কর্ম্ম ধর্ম্ম কৰি
যদি নৱে স্বর্গক পাৱয় ।
বিনাশি কর্ম্মৱ ফল ভুঞ্জি ক্ষয় কৰি পুনু
সংসাৱত পৱয় নিশ্চয় ॥ ২৪০
ঈশ্বৱৱ বাসুদেৱ নামৱ জাপ্যেসে জানা
অতি মহাধর্ম্ম নিরূপম ।
সংসাৱ নিকাৱ বঞ্চে অক্ষয় পুণ্যক সঞ্চে
মুকুতিৱ বীজ অনুত্তম ॥
কতেকেসে স্বর্গ পদে বাসুদেৱ নাম জাপ্যে
জানিবাহা মহত অন্তৱ ।
স্বর্গ হন্তে পৱে পুনু বাসুদেৱ নাম জপি
উত্তম মুকুতি পাৱে নৱ ॥ ২৪১
ইসব প্রসঙ্গ থঞো শুনা পুনৱপি কঞো
ঈশ্বৱৱ নামৱ মহিমা ।
যত পাপ হৰিৱাক পাৱয় হৰিৱ নামে
কহি কোনে কৰিবেক সীমা ॥
যেন মহা অগনিক তৃণবনে নোজোতয়
দহি ভস্ম কৱে নিৱন্তৱে ।
ততেক পাতেক পাপী কৰিবাক নপাৱয়
হৰিনামে যত পাপ হৱে ॥ ২৪২
অনন্ত শকতি নাম ধর্ম্ম মাজে অনুপম
জানি আৰ নেৰিবা কীৰ্ত্তন ।
আৰু যেন ফলান্তৱ সাধয় হৰিৱ নামে
শুনা তাক কৰি থিৱ মন ॥

হৰিনাম কীৰ্ত্তনেসে সমস্তে ৰোগক হৱে
কৱে দুষ্ট উপদ্রৱ যত ।
যতেক আছয় ৰিষ্ট সবাকে কৱয় শান্তি
হৱে দোষ আনো নানামত ॥ ২৪৩
গঙ্গাৱ সমান তীর্থ নাহিকয় পৃথিৱীত
নাহি মন্ত্র দেৱ কেশৱত পৱ ।
ৰাম কৃষ্ণ হৰি ইটো ত্রিতয় নামৱ সম
নাহি মন্ত্র শোধক পাপৱ ॥
ঈশ্বৱত ভক্তি যুক্ত হুয়া ৰাম কৃষ্ণ হৰি
নামক কীৰ্ত্তন সদা কৱে ।
সমস্ত পাপত হন্তে মুক্ত হুয়া মহাসুখে
বিষ্ণুলোক পাৱে সিটো নৱে ॥ ২৪৪
হেন ৰাম কৃষ্ণ হৰি নামে আছে জগভৰি
মুখে মুখে বচনো আছয় ।
তথাপিতো মুগ্ধমৱে সংসাৱত ভ্রমি মৱে
হাসি বিপৰীত অতিশয় ॥
যতলোক সমজ্যাৱ পদনাম মালিকাৱ
শুনি মনে হুয়োক সন্তোষ ।
যাউক দুঃখচয় দূৱ হৌক পাপ মসিমুৱ
ঘনে ঘনে কৱা হৰিঘোষ ॥ ২৪৫

পদ

বৃহৎ বিষ্ণু পুৱাণত মহিমা নামৱ ।
কহিলেক যেন শুনিলাহা নিৱন্তৱ ॥
নৱসিংহ পুৱাণত যিমত কহয় ।
কৱোহোঁ বেকত শুনা সভাসদ চয় ॥ ২৪৬
পৱম ঈশ্বৱ দেৱ প্রভু মহেশ্বৱ ।
আপুনি মহিমা কন্ত আপোন নামৱ ॥
কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি মোক যিটো নৱে ।
পৱম শ্রদ্ধাই প্রতি দিবসে সুমৱে ॥ ২৪৭
নৱকত হন্তে তাক কৱোহোঁ উদ্ধাৱ ।
শুনিয়োক যেন মত পটন্তৱ আৱ ॥
জলক ভেদিয়া যেন পদ্ম ৰাজ হয় ।
মোৱ নাম গ্রাহিক উদ্ধাৱোঁ সেহি নয় ॥ ২৪৮
গোবিন্দ পুণ্ডৰীকাক্ষ নৱসিংহ নাম ।
ত্রিবিক্রম সমে চাৰি নাম অনুপাম ।
যিজনে কৱয় মুখে সততে কীৰ্ত্তন ।
হৈ কৃষ্ণ লৈলো মঞি তোহ্মাত শৱণ ॥ ২৪৯
এহিমত ভক্ত ভৈল যিজন আহ্মাৱ ।
সংসাৱ দুঃখত হন্তে কৱোহোঁ উদ্ধাৱ ॥

হে প্রভু দেৱৱো দেৱতা জনার্দ্দন ॥
তোমাত শৱণাপন্ন ভৈলো নাৱায়ণ ॥ ২৫০
এহিমতে লৈল মোৱ শৱণ যিজনে ।
দুঃখময় সংসাৱত উদ্ধাৱো তেখনে ॥
কৃষ্ণে কহিলন্ত যত নামৱ মহত্ব ।
এহি কথা যমে কৈলা দূতৰ আগত ॥ ২৫১
কৃষ্ণৱ বচন যমে কহন্তে দূতত ।
শুনিলে নাৱকী লোকে যমৱ মুখত ॥
নামৱ মহিমা শুনি মনত সন্তোষে ।
কৃষ্ণ কৃষ্ণ বুলিয়া নাৱকী লোকে ঘোষে ॥ ২৫২
কৃষ্ণ কৃষ্ণ নৱসিংহ বুলি ছাড়ে ডাক ।
পশিলোঁ শৱণে কৃষ্ণ উদ্ধাৱা আমাক ॥
যেন যেন মতে হৰি কীৰ্ত্তন কৰিল ।
সেহি সেহি মতে হৰি ভকতি লভিল ॥ ২৫৩
হৰি ভক্তিযুক্ত হুয়া নৱক দুঃখক ।
এৱায়া আনন্দে গৈল বৈকুণ্ঠ লোকক ॥
হৰিৱ নামৱ দেখা মহিমা অদ্ভূত ।
নাৱকীকো কৃষ্ণ নামে কৰিলে মুকুত ॥ ২৫৪
হেন জানি আছে যাৱ গাৱত চেতন ।
ভাৱভুষ তেজি কৱা কৃষ্ণৱ কীৰ্ত্তন ॥
প্রসঙ্গ সংহৰি নৱসিংহ পুৱাণৱ ॥
বৃহৎ নৱসিংহত শুনিয়ো আতপৱ ॥ ২৫৫
ইন্দ্রিয়ক নিয়ম কৰিয়া যিটোজন ।
প্রতি দিনে দিনে কৱে গোবিন্দ কীৰ্ত্তন ॥
এতেকতে সমস্তে পাপতে মুক্ত হয় ।
সূর্য্য যেন প্রকাশ কৱয় আতিশয় ॥ ২৫৬
আতপৱে শুনিয়ো আদিত্য পুৱাণত ।
যিমত কহিয়া আছে নামৱ মহত ॥
হৰি কীৰ্ত্তনত যত পুণ্য উপজয় ।
মহা পাতকক সেহি পুণ্যে বিনাশয় ॥ ২৫৭
সর্ব্ব কামপ্রদ হৰি নামৱ কীৰ্ত্তনে ।
জানি ইটো লোকত যি সব মহাজনে ॥
সমস্তে তেজিয়া হৰি নামক গায় ।
কল্যাণ স্বৰূপ পৱস্পদক পাৱয় ॥ ২৫৮
আঙ্গিৱস পুৱাণত শুনা আতপৱে ।
সংসাৱত মহাভয় হুয়া যিটোনৱে ॥
বাসুদেৱ নাম মাত্র সদা উচ্চাৱয় ।
এতেকতে সংসাৱত হন্তে মুক্ত হয় ॥ ২৫৯
বিষ্ণুৱ পদক গৈয়া পাৱে আনন্দত ।
নকৰিবা আত কিছু সংশয় মনত ॥
বায়ু পুৱাণত শুনিয়োক আতপৱ ।
কহয় প্রভাৱ যেন ঈশ্বৱ নামৱ ॥ ২৬০

পৱম হৰিষে আতি যিটো মহাশয় ।
নমো নাৱায়ণ বুলি কীৰ্ত্তন কৱয় ॥
গুরু ভার্য্যা শত যদি হৰিয়া থাকয় ।
সিসব পাপত হন্তে সদ্যে মুক্ত হয় ॥ ২৬১
হৰি থাকে ব্রাহ্মণৱ বহু চিত্তচয় ।
হৰি বুলি যি কালত কীৰ্ত্তন কৱয় ॥
সিসব সকল পাপ জানিবা নিশ্চয় ।
হৰিৱ কীৰ্ত্তন বহ্নি ত্বৰিতে দহয় ॥ ২৬২
যেন বহ্নি কাষ্ঠচয় দহি ভস্ম কৱে ।
জানি হৰি কীৰ্ত্তন কৰিয়ো নিৱন্তৱে ॥
ব্রহ্মাণ্ড শতেক দানে পাৱে যত ফল ।
গোবিন্দ কীৰ্ত্তনে তাক পাৱয় সকল ॥ ২৬৩
পাপ নষ্ট কৱে পুণ্য ফলক পাৱয় ।
হৰিৱ নামৱ ইটো অদভূত নয় ।
যিহেতু হৰিৱ নাম কীৰ্ত্তন কৰিয়া ।
চাণ্ডালো মুকুত হোৱে সংসাৱ তৰিয়া ॥ ২৬৪
হৰি কীৰ্ত্তনৱ জানা মহিমা অনন্ত ।
বেদগণো কহি যাৱ নপাৱন্ত অন্ত ॥
উপনিষদৱো ইটো পৱম সম্মত ।
জানিয়া কৰিয়ো ৰতি হৰি কীৰ্ত্তনত ॥ ২৬৫
মহাভাৱতত যত হৰিৱ নামৱ ।
কহিছে মহিমা তাক শুনা আতপৱ ॥
উদ্যোগ সময়ে কৃষ্ণ সভাৱ মধ্যত ।
আপোন নামৱ কন্ত আপুনি মহত ॥ ২৬৬
যুধিষ্ঠিৱ মুক্ষকৰি যত ৰাজাগণ ।
সবাকো সম্বোধি কৃষ্ণে বোলন্ত বচন ॥
শুনিয়ো নৃপতিগণ বচন আমাৱ ।
যিকালত দুষ্ট দুঃশাসন দুৰাচাৱ ॥ ২৬৭
সভামধ্যে দ্রৌপদীক বিবস্ত্র কৱয় ।
বিবস্ত্র লজ্জাক দ্রৌপদীৱ ভৈলা ভয় ॥
দেখিলন্ত পাঞ্চো পতি নিষ্প্রভ প্রতাপ ।
পাঞ্চোজন ভৈলন্ত নির্ব্বিষ যেন সাপ ॥ ২৬৮
সমজ্যাত মোক নেদেখিলা বিদ্যমান ।
গুণন্ত আমাক কোনে কৰিবেক ত্রান ॥
বিচাৰিয়া মনে পাচে কৰিলন্ত সাৱ ।
গোবিন্দ বিনাই মোৱ নাহিকে নিস্তাৱ ॥ ২৬৯
দেখিলে যদ্যপি মঞি আছোঁ বিদূৱত ।
তথাপি গোবিন্দ বুলি স্মৱন্ত মনত ॥
উচ্চ কৰি গোবিন্দ গোবিন্দ উচ্চাৱন্ত ।
শুনি সমজ্যাৱ লোক আশ্চর্য্য ভৈলন্ত ॥ ২৭০
শৰীৱেসে মাত্র মঞি আছো বিদূৱত ।
সুমৱন্তে ভৈলোঁ তান হিয়াত বেকত ॥

কিমতে লজ্জাক ৰাখো হেন মনে গুণি।
বস্ত্ৰৰূপ তান মঞি ভৈলোহোঁ আপুনি ॥ ২৭১
কোনো জনে তান একো অঙ্গ নেদেখিল।
সভাৰ লোকৰ মনে আশ্চৰ্য্য মিলিল ॥
কৰিলন্ত বশ্য মোক নামৰ কীৰ্ত্তনে।
শ্ৰৱণ মাত্ৰকে প্ৰবেশিলা মোৰ মনে ॥ ২৭২
শুনা স্বৰূপত যত লোক সমজ্যাৱ।
হৃদয়ৰ পৰা মোৰ দুশ্চিন্ত আৰ ॥
যিহেতু দ্ৰৌপদী নজানিলা মঞি বিনি।
এতেকে তাহান মঞি হয়া আছো ঋণি ॥ ২৭৩
তাহান শত্ৰুৰ যেৱেঁ নিচিন্তোহোঁ মাৰ।
তাৱত দুশ্চেচ মোৰ দ্ৰৌপদীৰ ধাৰ ॥
এহিমানে সম্ভৱিলো বচন কৃষ্ণৰ।
ভগৱত গীতাত শুনিয়ো আতপৰ ॥ ২৭৪
যিটো ভৈল একান্তিক কৃষ্ণৰ ভকত।
কৱন্ত প্ৰকাশ কৃষ্ণ তাহাৰ মনত ॥
ঈশ্বৰ সৰ্ব্বথা তাক নপাসৱে মনে।
ভকতৰ হিত মাত্ৰ চিন্তে সৰ্ব্বক্ষণে ॥ ২৭৫
কৃষ্ণত বিনাই সাৰ নাহি ভকতৰ।
ভকততো পৰে সাৰ নাহিকে কৃষ্ণৰ ॥
সমস্তে শাস্ত্ৰৰ সাৰ জানা এহিমান।
কৃষ্ণৰ বচন লৈয়ো প্ৰত্যক্ষ প্ৰমাণ ॥ ২৭৬
কহন্ত মাধৱে নিজ ভক্ত অৰ্জ্জুনত।
শুনিয়ো অৰ্জ্জুন মোৰ ভক্তিৰ মহত ॥
যিটো জনে লৈয়া মোত একান্ত শৰণ।
মোৰ গুণ নাম কৱে সততে কীৰ্ত্তন ॥ ২৭৭
দৃঢ় ব্ৰত ধৰি পূজা কৱে নিৱন্তৱে।
ভক্তিভাৱে মোক মাত্ৰ নমস্কাৰ কৱে।
পৰম নিয়ত চিত্ত হুয়া অতিশয়।
সৱে তেজি মোকে মাত্ৰ উপসা কৱয় ॥ ২৭৮
এহিমতে ভক্তি মোত কৱে যিটো জনে।
কদাচিতো তাক মঞি নপাসৱোঁ মনে ॥
মোত পৰে ভক্তে চিত্ত নেদয় আনত।
মোকেসে নিৰ্ম্মল মনে স্মৱয় সতত ॥ ২৭৯
নিত্য নিয়ত চিত্ত হুয়া সৰ্ব্বক্ষণে।
মোৰ ভক্তি যুক্ত হুয়া মোক চিন্তে মনে ॥
যদ্যপি অৰ্জ্জুন মঞি পৰম দুৰ্ল্লভ।
সিটো ভকতৰ হওঁ অত্যন্ত সুলভ। ২৮০
পৰম অভ্যাস যোগ যুক্ত হুয়া চিত্তে।
অনন্য শৰণে মোক যিটো চিন্তে নিতে ॥
দিনে দিনে চিন্তন্তে বাঢ়য় অনুৰাগ।
নেৰৱ চিন্তত মোক সিটো মহাভাগ ॥ ২৮১
নোচোৱে অৰ্জ্জুন তাক সংসাৰৰ দুঃখে।
পৰম পুৰুষ দিব্য মোক পাৱে সুখে ॥
এহিমানে সম্ভৱিলোঁ কৃষ্ণৰ বচন।
অৰ্জ্জুনৰ বাক্য শুনা থিৰ কৰি মন ॥ ২৮২
মাধৱৰ বিশ্বৰূপ অৰ্জ্জুনে আকলি।
নম্ৰভাৱে বচন বোলন্ত কৃতাঞ্জলি ॥
হে হৃষীকেশ প্ৰভু দেৱ মহেশ্বৰ।
তযু নাম কীৰ্ত্তন কৰন্তে নিৱন্তৰ ॥ ২৮৩
সমস্ত জগতে আতি হৰিষ কৱয়।
বাঢ়ে অনুৰাগ মনে মন্তোষ মিলয় ॥
তোমাৰ কীৰ্ত্তন আতি পৰম অগণি।
তাৰ শিখা লাগে যক্ষ ৰাক্ষসক চানি ॥ ২৮৪
সহিতে নপাৱে গাৱ দগ্ধ আতি কৱে।
দশোদিশে ভাগি পলায় যায় নিৱন্তৱে।
নাম কীৰ্ত্তনক শুনি সিদ্ধগণ যত।
কৱে নমস্কাৰ আতি হুয়া অৱনত ॥ ২৮৫
কাহাৰো সন্তোষ তযু নাম কীৰ্ত্তনত।
কেহো কেহো মহা দুঃখ পাৱয় মনত ॥
ইটো আতিশয় প্ৰভু অদভুত নয়।
পৰম যুগুত ইসে মোৰ মনে লয় ॥ ২৮৬
গীতাৰ প্ৰসঙ্গ সংহৱিলো এহিমানে।
ভাৰত বিভাগে আৱে শুনা সাৱধানে ॥
যদি ভৈল বিহীন লক্ষণ নিৱন্তৱে।
সমস্ত পাতক যুক্ত যদি হোৱে নৱে ॥ ২৮৭
কৃষ্ণক ভাৱনা চিত্তে কৱন্তে কেৱল।
হৱয় সমস্তে সিটো পাপ অমঙ্গল ॥
যাৱা সৱে কৃষ্ণতেসে হুয়া অৱনত।
কৃষ্ণকেসে অনুক্ষণে স্মৱয় মনত ॥ ২৮৮
ৰাত্তিটো কৃষ্ণক মাত্ৰ স্মৱে নিৱন্তৱে।
প্ৰভাতে উঠিয়া পুনু কৃষ্ণক সুমৱে ॥
অনায়াসে তৱে যত সংসাৰৰ ক্লেশ।
শৰীৰ তেজিয়া হুন্ত কৃষ্ণত প্ৰবেশ ॥ ২৮৯
দ্বিজগণে মন্ত্ৰক উচ্চাৰি দেন্ত ঘৃত।
সিটো হোম হোৱে হেন প্ৰবেশ বহ্নিত ॥
কৃষ্ণক সুমৰি গৈয়া প্ৰবেশে কৃষ্ণত।
দৃষ্টান্ত সহিতে আক কৰিলো বেকত ॥ ২৯০
নাম কীৰ্ত্তনৰ আক শুনা ফলান্তৱ।
হৰি হেন নাম ইটো দুগুটি অক্ষৰ ॥
হৰি হৰি বুলি যিটো কৱয় কীৰ্ত্তন।
পৰম কৃতাৰ্থ আতি হোৱে সিটোজন ॥ ২৯১
যি কালত প্ৰাণীগণে প্ৰয়াণ কৱয়।
পুণ্যৰ সম্বল হৰি নামেসে অক্ষয় ॥

নাহি মহা ব্যাধি আৰ সংসাৰত পৰে।
হৰিনাম ঔষধে সে তাক দূৰ কৰে ॥ ২৯২
মনুষ্যৰ দুঃখ শোক সাগৰ সমান।
হৰিনাম নাৱেসে কৱয় পৰিত্ৰাণ ॥
সংসাৰ সাগৰ তৰিবাক যাৰ চিত্ত।
হৰিনাম কীৰ্ত্তন নেৰিব কদাচিত ॥ ২৯৩
আৰু শুনা হৰিনাম কীৰ্ত্তনৰ ফল।
হৰিনাম কীৰ্ত্তনেসে পৰম মঙ্গল ॥
মাতৃ পিতৃ গো দ্বিজ গুৰু আছে মাৰি।
ইসব প্ৰমুক্ষে যত পাপী অহঙ্কাৰী ॥ ২৯৪
চণ্ডাল প্ৰমুক্ষে যত অন্ত্যজ আদ্যয়।
হৰিণাম কীৰ্ত্তনে সমস্তে শুদ্ধ হয় ॥
যি সব গৃহত নিতে মহাজন চয়।
দেৱতা বিষ্ণুক সদা কীৰ্ত্তন কৱয় ॥ ২৯৫
ভূত প্ৰেত পিশাচ দানব নিশাচৰ।
বিনায়ক বেতাল কুষ্মাণ্ড নিৱন্তৱ ॥
যক্ষ আদি কৰি আনো আছে যত যত।
কদাচিতো নথাকয় কীৰ্ত্তন থানত ॥ ২৯৬
শুনিলা মহিমা ইটো হৰি কীৰ্ত্তনৰ।
কহো আৱে মাহাত্ম্য ঈশ্বৰ স্মৱণৰ ॥
শ্ৰীৰাম চন্দ্ৰ মহেশ্বৰ ভগৱন্ত।
বশিষ্ঠ প্ৰমুক্ষ সৱে সভাত কহন্ত ॥ ২৯৭
হুয়া একবাৰ যিটো আমাত প্ৰপন্ন।
ভৈলোহোঁ তোমাৰ বুলি প্ৰাৰ্থয় যিজন।
শুনিয়ো স্বৰূপ বাণী সভাসদ যত ॥
আজন্ম প্ৰভৃতি মোৰ সংকল্প মনত ॥ ২৯৮
সৰ্ব্বদা অভয় মঞি দেঞো সিজনক।
আছো আন ভয় তাৰ নাহিকে যমক ॥
পাথৰৰ ৰেখা যেন বচন ৰামৰ।
এহিমানে সৱোদ্ধাৰ সমস্তে শাস্ত্ৰৰ ॥ ২৯৯
আত অনন্তৱে আৱে শুনিয়ো সম্প্ৰতি।
প্ৰভাতে উঠিয়া যিটো নৰ মহামতি ॥
মধুসূদনক মুখে কীৰ্ত্তন কৱয়।
এতেক সমস্তে তাৰ পাপ নাশ হয় ॥ ৩০০
শুনিলা সম্প্ৰতি ইটো নাম মহিমাক।
নন্দি পুৰাণত যেন কহে শুনা তাক ॥
সৰ্ব্বাদায়ে যাৱা সৱে সমস্তে কালত।
কৱন্ত কেৱলে পাপ আছে যত যত ॥ ৩০১
বিষ্ণুৰ কীৰ্ত্তন কৰি বিনাশি পাপক।
পাৱয় বিষ্ণুৰ গৈয়া পৰম পদক ॥
বহ্নি পুৰাণতো নাম মহিমা কহয়।
মহামহা ব্যাধি যুক্ত হুয়া আতিশয় ॥ ৩০২
ৰাজাৰ দণ্ডত পীড়া পাৱে আতিশয়।
আনো আনো দুঃখ নৱে যতেক পাৱয় ॥
কৰিয়া কীৰ্ত্তন নৱে নাৰায়ণ বুলি।
নকৱে কাহাকো শঙ্কা মনত সমূলি ॥ ৩০৩
ব্ৰাহ্মণৰ সৰ্ব্বস্বক যিজনে হৱয়।
হঠাতে ব্ৰাহ্মণে সুৱা পানক কৱয় ॥
যিটো পাপী নৰ ব্ৰহ্ম বধ আচৰয়।
আত হস্তে যত মহাপাপ উপজয় ॥ ৩০৪
বিষ্ণুনাম কীৰ্ত্তনক কৱন্তে নিশ্চয়।
সমস্তে পাপত সিটো মুকুত হোৱয় ॥
শুনিয়োক পুনৰপি মহাজন চয়।
ইতিহাসোত্তমত কহিছে যেন নয় ॥ ৩০৫
কীৰ্ত্তন কৱন্তে আতি বিষ্ণুৰ নামক।
যিটো পুৰুষৰ দুহি শৰীৰ পুলক ॥
নাহিকে নেত্ৰত নিৰ নিমিলে হৰিষ।
পৰম কঠিন সিটো বজ্ৰৰ সদৃশ ॥ ৩০৬
তহিতে বশিষ্ঠ শতদ্যুম্নে সম্বাদত।
শুনি শতদ্যুম্নে বশিষ্ঠৰ বাক্য যত ॥
শতদ্যুম্নে বচন বোলন্ত বশিষ্ঠক।
শুনিয়ো বশিষ্ঠ তুমি মোৰ বচনক ॥ ৩০৭
বিষ্ণু নাম উকুত কৱন্তে কোনো জন।
যি কালত তাক তুমি শুনা তপোধন ॥
ইটো পাপ শৰীৰ এৰিয়া সিকালত।
দাৰুণ স্বভাৱ ইটো তেজিয়া সমস্ত ॥ ৩০৮
সৰ্ব্বেশ্বৰ হৰিৰ নামৰ স্মৱণত।
লইবেক প্ৰক্ষিণ তযু পাপ আছে যত ॥
পূৰ্ব্বৰ শৰীৰ তেৱে পাইবা মুনিৱৰ।
নাহি পুণ্য হৰিণাম স্মৱণত পৰ ॥ ৩০৯
শতদ্যুম্ন বশিষ্ঠ সংবাদ ইটো থঞো।
শুনা তৈতে অপৰ সম্বাদ তাক কঞো ॥
ভৃগু মহা ঋষিয়ে কহন্ত শৌনকত।
শুনিয়ো শৌনক হৰি নামৰ মহত ॥ ৩১০
পাপ কৰ্ম্মে নৰ সৱে পচে নৰকত।
তাৰা সৱো কৰি হৰি কীৰ্ত্তন মুখত ॥
নাম কীৰ্ত্তনত হস্তে মিলে ভাগ্যোদয়।
পাপত নিস্তৰি সৱে মুকুতি পাৱয় ॥ ৩১১
তহিতে অপৰ শুনিয়োক মহাজন।
নাৰকীক প্ৰতি যেন পুৰুষ বচন ॥
শুনিয়ো নাৰকী সব বচন আমাৰ।
কহোঁ তোমাসাত সৰ্ব্ব শাস্ত্ৰ সাৱোদ্ধাৰ ॥ ৩১২
পৰম দয়ালু দেৱ প্ৰভু নাৰায়ণ।
তান্ত পৰে কৃতজ্ঞ নাহিকে একো জন ॥

তান নাম একবাৰ কীৰ্ত্তন কৰন্তে।
এতেক মুকুতি তাঙ্ক দেন্ত ভগবন্তে ॥ ৩১৩
তাঙ্ক তোৰাসবে নস্মৰিলা কিবা কাজে।
ভুঞ্জাহা নিকাৰ ঘোৰ নৰকৰ মাজে ॥
এবে কিবা কার্য্য সাধে "হা-হা" কৰণত।
স্মৰা অহনিশে তোৰা বিষ্ণুক মনত ॥ ৩১৪
নিশেষে দুৰিত যত হৰিষে হৰন্ত।
স্মৰণতে নাৰকীকো কৃতার্থ কৰন্ত ॥
জগতৰ পতিৰ নির্ম্মল যত নাম।
ওহিতে কীৰ্ত্তন মঞি কৰো অবিশ্রাম ॥ ৩১৫
নামৰ কীৰ্ত্তনে তোৰা সবৰ নিশ্চয়।
সাধিবে কল্যাণ আত নাহিকে সংশয় ॥
শৌনকক সম্বুধি কহন্ত ভৃগু ঋষি।
শুনিয়োক মহাঋষি পৰম হৰিষি ॥ ৩১৬
নাৰকীক কৃপায়ে পুৰুষ মহাজন।
কৰিলা তহিতে হৰি নামক কীৰ্ত্তন ॥
হৰিনাম কীৰ্ত্তন পৰম সুমঙ্গল।
শুনিলে উৎসুকে তাক নাৰকী সকল ॥ ৩১৭
নৰক যাতনা দুঃখ এৰাই অদভুত।
নামৰ প্রসাদে ভৈল সমস্তে মুকুত ॥
যেন মতে বিষ্ণুৰ নামৰ কীৰ্ত্তনত।
নাৰকীয়ো সন্তে মুক্ত হয়া নৰকত ॥ ৩১৮
মুকুতি পদকো গৈয়া পাৱয় সাক্ষাত।
সেহিমতে কথা মঞি কহিলোঁ তোমাত ॥
এতেকেসে হৰিনাম কীৰ্ত্তনত পৰ।
ইহলোকে ধর্ম্ম আৰ নাহি শ্রেষ্ঠতৰ ॥ ৩১৯
কুকুৰকো খায় যিটো চাণ্ডাল অধম।
পাপমাত্র আচৰে অনেক কৰি শ্রম ॥
তথাপি ততেক পাপ কৰিতে নোৱাৰে।
বিষ্ণু নামে যত পাপ হৰিবাক পাৰে ॥ ৩২০
অনাদি পুৰুষ বিষ্ণু তানে নামচয়।
সপোনতো যিটো নৰে স্মৰণ কৰয় ॥
তথাপিতো তাহাৰ অক্ষয় পাপ যত।
ঈশ্বৰৰ নামে ক্ষয় কৰয় সমস্ত ॥ ৩২১
হৰিনাম কীৰ্ত্তন কৰন্তে প্রত্যক্ষত।
তাহাৰ পাপক নামে কৰিবেক হত ॥
মনুষ্য লোকত ইটো কোন অদভুত।
নাৰকীকো যিটো নামে কৰয় মুকুত ॥ ৩২২
পৰম আশ্চর্য্য কর্ম্মা হৰি মহেশ্বৰ।
তাহান নামক প্রসঙ্গত যিটো সব ॥
শুনেৱা যদিবা মুখে কীৰ্ত্তন কৰয়।
তথাপিতো তাৰ পাপ সমস্তে দহয় ॥ ৩২৩

হেনয় হৰিৰ নাম যিটো মহাজন।
ভক্তিভাৱে কৰে নিতে শ্রৱণ কীৰ্ত্তন ॥
দহিবেক তাৰ যত পাপ নিৰন্তৰ।
কোন অদভুত ইটো হৰিৰ নামৰ ॥ ৩২৪
কহি ঐত ঈশ্বৰৰ নাম মহিমাক।
বায়ু পুৰাণত যেন মত শুনা তাক ॥
ইটো জম্বু দ্বীপ গুণ বর্ণনা কৰন্তে।
নর্ম্মদা নদীৰ তীৰে প্রভু ভগৱন্তে ॥ ৩২৫
বৈষ্ণৱ সবক যেন বুলিলা বচন।
কহো তাক শুনিয়োক থিৰ কৰি মন ॥
বৈষ্ণৱ সবক সম্বোধিয়া নাৰায়ণ।
বোলন্ত শুনিয়ো সত্য আমাৰ বচন ॥ ৩২৬
একবাৰ মাত্র মোৰ নাম উচ্চৰয়।
এতেকেতে পাৱে মোক জানিবা নিশ্চয় ॥
বেদতো বহস্য ইটো কৃষ্ণৰ বচন।
জানি সবে তেজি কৰা নামক কীৰ্ত্তন ॥ ৩২৭
শ্রৱণ কীৰ্ত্তন নিতে কৰিবে আমাক।
পাইবা অনায়াসে গৈয়া ঈশ্বৰ কৃষ্ণক ॥
সমস্তে শাস্ত্রৰ তত্ত্ব সাৰ এহিমান।
দেখাইলোঁ ঈশ্বৰ বাক্যে প্রত্যক্ষে প্রমাণ ॥ ৩২৮
নামৰ মহিমা আৰু সভাসদ লোক।
লঘু ভাগৱতে যেন কহে শুনিয়োক ॥
কৰে গৰু তিৰী বধ সুৱর্ণ হৰয়।
ব্রহ্ম বধ আদি পাপ সমস্তে কৰয় ॥ ৩২৯
জানিবাহা গোবিন্দৰ নাম কীৰ্ত্তনত।
শতধা স্বৰূপে পাপ সবে হোৱে হত ॥
ব্রহ্ম হত্যা আদি কৰি পাতক আচৰি।
হৰিনাম কীৰ্ত্তনে সৱাকো ক্ষয় কৰি ॥ ৩৩০
মুকুতিকো পাৱে কৰি পুৰুষ উদ্ধাৰ।
নানান শাস্ত্রত দেখাইলোহো বাৰম্বাৰ।
শুনিয়োক আবে আৰু থিৰ কৰি মন।
ঈশ্বৰক দ্বেষ ভাৱ কৰে যিটোজন ॥ ৩৩১
অহর্নিশি মাধৱক শত্রু বুদ্ধি কৰি।
তৰিল সংসাৰ তান নামক উচ্চাৰি ॥
সাক্ষাতে প্রমাণ আৰ লৈয়োক সাম্প্রত।
শিশুপাল আদি শত্রু ৰাজাগণ যত ॥ ৩৩২
মাধৱক শত্রু বুদ্ধি কৰি অবিশ্রাম।
দ্বেষভাৱে মুখত নছাড়ে তান নাম ॥
তথাপিতো কৰি ক্ষয় সমস্তে পাপক।
সংসাৰ নিস্তৰি সবে গৈল বৈকুণ্ঠক ॥ ৩৩৩
শত্রু ভাৱে পাইলে গতি ৰাজাগণ যত।
যাৰা সব পৰম উত্তম ভাগৱত ॥

কৃষ্ণত ভকতি মাত্র কৰন্ত সাক্ষাত।
তাৰা পাইবে গতি কোন সংশয় ইহাত ॥ ৩৩৪
এতেকে শুনিয়ো তাক কহো স্বৰূপত।
কিবা কার্য্য বেদাগম শাস্ত্র বিস্তৰত ॥
অনেক তীর্থত কিবা আছে প্রয়োজন।
আপোনাৰ মুকুতিক যদি আছে মন ॥ ৩৩৫
গোবিন্দ গোবিন্দ মুখে কৰিয়ো কীৰ্ত্তন।
এহিমানে মাত্র মহা মোক্ষৰ সাধন ॥
পূর্ব্ব জনমৰ আছে পাপ যত যত।
যতেক পাতকচয় সিজয় সাম্প্রত ॥ ৩৩৬
ভবিষ্যত কালে যত পাপ হইবে জাত।
গোৱিন্দ কীৰ্ত্তন বহ্নি দহয় সাক্ষাত ॥
যত পাপ গণ সিজে অভক্ষ ভক্ষণে।
উপজয় যত পাপ অগম্য গমনে ॥ ৩৩৭
ইসব প্রমুক্ষে যত পাপ নিৰন্তৰে।
গোবিন্দ কীৰ্ত্তন বহ্নি সবে ভস্ম কৰে ॥
মনুষ্য লোকত সি সি মহাভাগ্যৱন্ত।
পৰম কৃতার্থ সিসি মনুষ্য মহন্ত ॥ ৩৩৮
কলিৰ যুগত যিটো হৰিৰ নামক।
আপুনিয়ো স্মৰে হৰি স্মৰাবে আনক ॥
ইটো পৃথিবীত যিটোজন দুৰাশয়।
সজ্জন সবৰ সদা দ্রোহ আচৰয় ॥ ৩৩৯
সিয়ো হৰিনাম অনুদিন কীৰ্ত্তনত।
হোৱয় পবিত্র হয় জানা স্বৰূপত ॥
গোবিন্দ নামক ধন্য বুদ্ধি যিটোজন।
পৰম হৰিষে কৰে সদায় কীৰ্ত্তন ॥ ৩৪০
নাহিকে পবিত্র ধন্য সিজনক সৰি।
সেহিসে আছয় ইটো পৃথিবীক ধৰি ॥
হেন জানি আছে যাৰ চেতন গাৱত।
কৰিয়োক মাত্র ৰতি হৰি কীৰ্ত্তনত ॥ ৩৪১
আত অনন্তৰ কৃষ্ণ নামৰ মহত।
শুনা যেন কহিছে প্রভাষ পুৰাণত ॥
নিশেষ নিগমে ভৈল লতা অনুপাম।
তাৰ অবিনাশী ফল জানা কৃষ্ণ নাম ॥ ৩৪২
মধুৱতো মধুৰ ৱসতো সুনির্ম্মল।
চৈতন্য স্বৰূপ মঙ্গলৰো সুমঙ্গল ॥
হেলায় বা যদি নুহি পৰম শ্রদ্ধায় ॥
ইটো কৃষ্ণ নাম একবাৰ মাত্র গায় ॥ ৩৪৩
এতেকতে কৃষ্ণ নামে তাৰয় তাহাক।
জানিবাহা ভৃগুবৰ ইটো সত্য বাক ॥
কহিলোঁ প্রভাৱ ইটো কৃষ্ণৰ নামৰ।
আনো ফলান্তৰ শুনিয়োক আতপৰ ॥ ৩৪৪

কুশধ্বজ নাৰদ সম্বাদ সময়ত।
কৰি আছে ভগৱন্তে আপুনি বেকত ॥
নাৰদক সম্বুধি কহন্ত ভগৱন্ত।
জানা মুনিবৰ মোৰ নাম অপর্য্যন্ত ॥ ৩৪৫
সমস্ততে কৰি কৃষ্ণ নাম শ্রেষ্ঠতৰ।
ইটো কৃষ্ণ নামক নাহিকে সমসৰ ॥
শুনিয়ো মহিমা আৰু থিৰ কৰি চিত্ত।
সমস্ত পাপৰ ইসে মোক্ষ প্রায়শ্চিত্ত ॥ ৩৪৬
হোৱে শুদ্ধ কৃষ্ণ নাম কীৰ্ত্তন কৰন্তে।
অনায়াসে পাৱে মোক্ষ সংসাৰত হন্তে ॥
কৃষ্ণৰ নামৰ কহি ফল শ্রেষ্ঠতৰ।
কহো আৱে ফল যেন ৰুদ্র কীৰ্ত্তনৰ ॥ ৩৪৭
শুনা সাৱধান চিত্তে সামাজিক যত।
হুয়া আছে বিদিত কালিকা পুৰাণত ॥
শ্রীৰুদ্রদেৱ বুলি যিজন সুমৰে।
অগ্নিষ্টোম যজ্ঞ ফল পাৱে নিৰন্তৰে ॥ ৩৪৮
হৰ হেন নাম ইটো যিজনে গাৱয়।
সিটো জনে জ্যোতিষ্টোম ফলক লভয় ॥
ভৱ হেন নাম যিটো কৰয় কীৰ্ত্তন।
অশ্বমেধ ফলক পাৱয় সিটো জন ॥ ৩৪৯
শর্ব্ব যেন নাম কৰি মুখত উচ্চাৰ।
যিটোজন কপর্দ্দিক কৰে নমস্কাৰ ॥
সর্ব্বলোক নমস্কৃত হোৱে সিটো নৰে।
নিৰন্তৰে লোকত প্রকাশ আতি কৰে ॥ ৩৫০
মুখত উচ্চাৰি যিটো নাম মহেশ্বৰ।
প্রত্যক্ষ বোধক লব্ধ হোৱে সিটো নৰ ॥
পৰম পবিত্র চিত্ত হুয়া সিটো নৰে।
নমস্কাৰ শিৱক কৰিব নিৰন্তৰে ॥ ৩৫১
সৌত্রামণি যজ্ঞফল যতেক আছয়।
তাৰ ফলভাগী সিটো হইবেক নিশ্চয় ॥
বিভুৰ ঈশান ইটো নামক নিশ্চয়।
যিটো ভাগ্যবন্ত নৰে কীৰ্ত্তন কৰয় ॥ ৩৫২
শত কীর্ত্তিমন্ত সিটো হইবেক প্রত্যেক।
বাজপেয় যজ্ঞৰ ফলক লভিবেক।
যিটো মহাজন নৰে মহেশ নামক।
উচ্চাৰিয়া কীৰ্ত্তন কৰয় শঙ্কৰক ॥ ৩৫৩
ৰাজৰাজেশ্বৰ হুয়া ভুঞ্জিয়া ভোগক।
যাইবেক আনন্দে সিটো শিৱৰ লোকক ॥
পুৰাণৰ শ্লোক চয় কৰি সম্বৰণ।
অনন্তৰে লিখিলন্ত স্মৃতিৰ বচন ॥ ৩৫৪
প্রথমতে জামদগ্নি নামে সংহিতাত।
হৰিৰ নামৰ শুনা মহিমা সাক্ষাত ॥

হৰি হেন নাম ইটো দুগুটি অক্ষৰ।
সম্যক কীৰ্ত্তন আক কৰে যিটো নৰ ॥ ৩৫৫
জন্ম কোটি অনেকেৰ কৰ্ম্ম কৰি ক্ষয়।
পৰম পদক লভে সিটো মহাশয় ॥
ঈশ্বৰৰ হৰি নাম অক্ষৰ দুতয়।
যিটো মুনিগণে তাক কীৰ্ত্তন কৰয় ॥ ৩৫৬
তেন্তেসে জানিল আত্ম প্রকাশ শাস্ত্রক।
ভৈলন্ত প্রাপত মহা অত পদক ॥
জাবাল বচন শুনা সেহি সংহিতাত।
হৰিৰ নামৰ শুনা মহিমা সাক্ষাত ॥ ৩৫৭
পৰম জপনী ইটো হৰিৰেসে নাম।
আকেসে কৰিব মাত্র ধ্যান অবিশ্রাম ॥
হৰিৰ নামক মাত্র পাইব সর্ব্বক্ষণ।
বহুধা প্রকাৰে নাম কৰিব কীৰ্ত্তন ॥ ৩৫৮
বহুধা আনন্দ ইচ্ছা কৰে যিটো নৰ।
তাহাৰ কৰ্ত্তব্য আন নাহি আতপৰ ॥
বিশ্বামিত্র সংহিতাত শুনা সাৰ পাছে।
যেন মত নামৰ প্রভাব কহি আছে ॥ ৩৫৯
তীর্থ ফল কথন প্রস্তাৱে সুবিচিত্র।
শিব নামে বৈশ্যত কহন্ত বিশ্বামিত্র ॥
প্রসিদ্ধ তীর্থৰ নানা ফল বহুতৰ।
কহিয়া আছন্ত যেন তীর্থ অনেকৰ ॥ ৩৬০
কদাচিতো জানা হৰিনাম কীৰ্ত্তনৰ।
কোটি অংশো তীর্থ ফলে নুহি সমসৰ ॥
গোবিন্দ নামক যিটো নৰ বুদ্ধিমন্ত।
প্রতি দিনে দিনে সদা কীৰ্ত্তন কৰন্ত ॥ ৩৬১
শুনা যত যত ফল পাৱে সিটোজনে।
দুষ্কৃত্য বাশিত মুক্ত হোৱে তাৱক্ষণে ॥
আদিত্যৰ প্রভা তুল্য তাৰ যশ বাশি।
কৰন্ত প্রকাশ বুদ্ধ সকলে প্রকাশি ॥ ৩৬২
তেজিয়া সংসাৰ খুদ্র দুঃখ নিৰন্তৰ।
হোৱন্ত পৰম আতি শুদ্ধ সিটো নৰ ॥
বিষ্ণুৰ কীৰ্ত্তন মহাধর্ম্ম আচৰন্তে।
পাৱন্ত মুকুতি পদ সংসাৰত হন্তে ॥ ৩৬৩
পৰম নির্ম্মল তাৰ মহন্ত কীৰ্ত্তিক।
কৰন্ত দেৱতাগণে প্রশংসা অধিক ॥
গৌৰ সংহিতাত কহি মহিমা নামৰ।
শতশত সংহিতাত শুনা আত পৰ ॥ ৩৬৪
নিৰন্তৰে তীর্থৰ কথন প্রস্তাৱত।
কন্ত ভগৱন্তে ভৃগু মুনিৰ আগত ॥
সাগৰ সঙ্গম গঙ্গা তীর্থৰ জলত।
তিনি সাতবাৰ মজি পাৱে ফল যত ॥ ৩৬৫
ৰাম নাম কীৰ্ত্তন কৰন্তে নিৰন্তৰে।
তাৰ আঠ গুণ ফল শীঘ্রে পাৱে নৰে ॥
যেন যেন ফল পাৱে সাগৰ স্নানত।
পাৱে সুখে নৰে মোৰ নাম কীৰ্ত্তনত ॥ ৩৬৬
যতেক তীর্থৰ ফল লভিয়া সমস্ত।
আমাতে সাযুজ্য গৈয়া হোৱয় পাচত ॥
বৈশ্বানৰ সংহিতাত শুনা যেন নয়।
নামৰ মহিমা কর্ম্ম কথন সময় ॥ ৩৬৭
পিপ্পল বাজাত শুকশর্ম্মা নিগদতি।
হৰিৰ নামৰ শুনা মহিমা নৃপতি ॥
নানা দেৱ পূজা কৰে কুশাদি নির্ম্মাণ।
গঙ্গা আদি নানান তীর্থত কৰে স্নান ॥ ৩৬৮
যাগ যোগ যজ্ঞ দান নানা তীর্থ ব্রত।
আচৰয় আনো কর্ম্ম ধর্ম্ম আছে যত ॥
আত হন্তে যত পুণ্য পাৱয় প্রধান।
হৰি কীৰ্ত্তনক কেহোঁ নুহিকে সমান ॥ ৩৬৯
সিসৰ যতেক পুণ্য বিনাশী সকল।
হৰিৰ কীৰ্ত্তনে দেই মহা মোক্ষফল ॥
ব্রহ্ম প্রোক্ত সংহিতাত শুনিয়ো সমস্ত।
ভগৱন্ত ঈশ্বৰৰ নাম প্রস্তাৱত ॥ ৩৭০
বৌধায়ন আগে কৃষ্ণ দেৱৰ বচন।
বোলন্ত শুনিয়ো তুমি থিৰ কৰি মন ॥
নানাবিধ ফল মোৰ নাম কীৰ্ত্তনৰ।
শুনিয়ো ইহাত শ্রদ্ধা নকৰে যি নৰ ॥ ৩৭১
আৰু অর্থ বাদ মাত্র কৰয় নামত।
তাত পৰে অধম নাহিকে জগতত ॥
ইটো সংসাৰৰ ঘোৰ বন্ধ দুঃখ চয়।
তাহাতে ক্ষেপণ তাক কৰাহোঁ নিশ্চয় ॥ ৩৭২
শৰীৰক পীড়য় বিবিধ দুঃখগণে।
ভুঞ্জয় নিকাৰ মাত্র সিটো সর্ব্বক্ষণে ॥
মনুষ্য শৰীৰ পায়া আমাক নভজে।
এহি মাত্র দোষে ঘোৰ সংসাৰত মজে ॥ ৩৭৩
শুনিলা সমাজে ইটো কৃষ্ণৰ বচন।
জানিয়া নেৰিবা হৰি নামৰ কীৰ্ত্তন ॥
এহিমানে থৈলোঁ কৃষ্ণ দেৱৰ বচন।
পৰাশৰ সংহিতাত শুনা কৰি মন ॥ ৩৭৪
শাম্ব কোৱৰক ব্যাস দেৱ নিগদতি।
শুনিয়োক শাম্বমোৰ বচন সম্প্রতি ॥
ব্যাধি হন্তে যত ঘোৰ দুঃখ উপজয়।
জানা কদাচিতে ইটো তীর্থে নুগুচয় ॥ ৩৭৫
নানাবিধ ঔষধো নপাৰে গুচাইবাক।
যেন মতে গুচে ব্যাধি শুনা আৰে তাক ॥

যেৱে হৰিনাম মহা ঔষধ পিৱয়।
গুচয় সমস্তে ব্যাধি নাহিকে সংশয় ॥ ৩৭৬
পৰম ঔষধ ৰাজা নাম মাধৱৰ।
তুমিয়ো কৰিয়ো তাক পান নিৰন্তৰ ॥
তেৱেসে গুচিবে তযু ব্যাধি সমস্তয়।
তোমাৰ আগত মঞি কহিলো নিশ্চয় ॥ ৩৭৭
কোটি জন্মার্জ্জিত পাপ যতেক আছয়।
নকৰে ঔষধে শান্তি জানা মহাশয় ॥
হৰিনাম কীৰ্ত্তনেসে ঔষধ প্রধান।
আছো আন কৰে ভব ব্যাধিকো নির্জ্জান ॥ ৩৭৮
নামৰ মহিমা ইটো কহিলোঁ সাক্ষাত।
আত পৰে শুনিয়োক সুশ্রুত সংহিতাত ॥
দ্বাৰকাৰ পতি কৃষ্ণ দেৱ কৃপাময়।
কৃষ্ণনাম তাহান প্রধান অতিশয় ॥ ৩৭৯
এতেকেসে কৃষ্ণ কৃষ্ণ বুলি শুদ্ধ মনে।
যাৰা সবে শ্রদ্ধায় সুমৰে সর্ব্বক্ষণে ॥
বাৰেক সকলো যদি কীৰ্ত্তন কৰয়।
জিনয় সংসাৰ ইটো জন্ম মৃত্যু ভয় ॥ ৩৮০
কাত্যায়ন সংহিতাত শুনা কৰি মন।
হৰিনাম কীৰ্ত্তনৰ যিমত লক্ষণ ॥
নাম কীৰ্ত্তনত যত পুণ্য উপজয়।
সংসাৰ তাৰক ইটো পৰম অক্ষয় ॥ ৩৮১
সিটো মহাপুণ্যগণ যিটো নসঞ্চিল।
জানিবা নিশ্চয় তাক বিধিয়ে বঞ্চিল ॥
নানা ব্যাধি যুক্ত হুয়া ঘোৰ সংসাৰত।
ফুৰিবেক তাৰা সবে জন্ম শত শত ॥ ৩৮২
হৰিৰ নামত অর্থ বাদ অতিশয়।
যিটো নৰে ইহাক মনত সন্তষয় ॥
মনুষ্যৰ মধ্যে পৰম পাপীষ্ট।
নৰকত সাক্ষাতে পৰিবে নিষ্ঠে নিষ্ঠ ॥ ৩৮৩
জানি নামে অর্থ বাদ তেজি মহাজন।
নকৰি সংশয় নাম কৰিয়ো কীৰ্ত্তন ॥
এতেক সংসাৰ তৰি সুখে পাইবা গতি।
বৈশ্বানৰ সংহিতাত শুনিয়ো সম্প্রতি ॥ ৩৮৪
ভগৱন্ত নামত মহিমা আছে যত।
সিসৰ মহিমা কথনৰ প্রস্তাৱত ॥
শ্রুতশর্ম্মা নৃপতিৰ আগে অতিশয়।
প্রবোধ বচন চন্দ্র শর্ম্মায়ে বোলয় ॥ ৩৮৫
শুনিয়ো নৃপতি মোৰ বচন সাক্ষাত।
হৰিৰ নামৰ কহো মহিমা তোমাত ॥
হৰিনাম কীৰ্ত্তনেসে ধর্ম্ম সর্ব্বোত্তম।
নাহি কাল দেশ পাত্র ইসব নিয়ম ॥ ৩৮৬
নাহি নামে শৌচাশৌচ নিয়ম যতেক।
কেৱলে নামক মুখে উচ্চাৰি প্রত্যেক ॥
ৰামৰাম বুলি কৰি সম্যকে কীৰ্ত্তন।
এতেকে মুকুত হোৱে যেই সেই জন ॥ ৩৮৭
ভক্তিভৱে কৃষ্ণ কৃষ্ণ বুলি যিটোজন।
নিতে ৰাত্রি দিনে কৰে মুখত কীৰ্ত্তন।
কোটি কোটি মহাপাতকত মুক্ত হয়।
পৰম পবিত্র হুয়া সংসাৰ তৰয় ॥ ৩৮৮
অনন্ত নামক যিটো মুখে উচ্চাৰয়।
গোবিন্দ নামক সদা কীৰ্ত্তন কৰয় ॥
সমস্তে ৰোগত সিটো মুকুত হোৱয়।
দুর্ল্লভ মুকুতি পদ পাচত পাৱয় ॥ ৩৮৯
নাম কীৰ্ত্তনৰ ফল কহিলোঁ সাক্ষাত।
শুনা অনন্তৰে বৈশম্পায়ন সংহিতাত ॥
দিয়া অসংখ্যাত তুলা পুরুষ দানক।
তাত হন্তে নৰে পাৱে যিমত ফলক ॥ ৩৯০
হৰিনাম সংকীৰ্ত্তন কৰি মুখে নৰে।
সিটো ফল লভি মুক্ত হোৱে নিৰন্তৰে ॥
গোৱধ সুৰা পান পাপ অতিশয়।
যিটো পাপ নৰে কৰি থাকয় নিশ্চয় ॥ ৩৯১
সিয়ো ৰাৰম্বাৰ হৰি নামক জপন্তে।
হোৱয় পবিত্র সিটো পাতকত হন্তে ॥
নামৰ প্রসাদে হোৱে সাক্ষাতে মুকুত।
হৰিৰ সাযুজ্য পদ পাৱে অদভুত ॥ ৩৯২
পাতঞ্জল সংহিতাত শুনা আত পাচে।
ঈশ্বৰ নামৰ যেন ফল কহি আছে ॥
শস্তে সমে সম্পূর্ণ পৃথিবী কৰি দান।
তাত হন্তে নৰে ফল পাৱে যতমান ॥ ৩৯৩
সম্যকে কীৰ্ত্তন কৰি বাসুদেৱ নাম।
সন্ত সিটো ফল পাৱে পুৰে মনকাম ॥
ইটো পৃথিবীত যিটো নৰ বুদ্ধিমন্ত।
নৃহৰি নামক নিতে কীৰ্ত্তন কৰন্ত ॥ ৩৯৪
এতেকেতে সমস্তে পাপত মুক্ত হয়।
হৰিৰ সাযুজ্য পদ সাক্ষাতে পাৱয় ॥
বৈশম্পায়ন সংহিতাত যেন হৰি নাম।
কীৰ্ত্তনৰ শুনা আক ফল অনুপম ॥ ৩৯৫
যিটোজন আতি সর্ব্ব ধর্ম্ম বহির্ভুত।
হুয়া আছে আক সর্ব্ব পাতকে যুগুত ॥
সিয়ো বিষ্ণু কীৰ্ত্তনক কৰন্তে সাক্ষাত।
হোৱৰ মুকুত নাহি সংশয় ইহাত ॥ ৩৯৬
হৰি কীৰ্ত্তনৰ আক মহিমা সাক্ষাত।
শুনিয়োক বৃহত বশিষ্ঠ সংহিতাত ॥

ৰাজ কুমাৰক বাক্য বোলন্ত বশিষ্ট।
বালন্ত শুনিয়ো ৰাজপুত্ৰ মহাশিষ্ট ॥ ৩৯৭
মুৰ নামে অসুৰক মাৰি আছে হৰি।
এহি হেতু মুৰ জিত নাম আছে ধৰি ॥
ত্ৰাহান নামক মুখে কীৰ্ত্তন কৰন্তে।
শুনিয়োক যেন ফল পাৱে তাত হন্তে ॥ ৩৯৮
তেজিয়া সক ল পাপ সমূহ নিশ্চয়।
আৰ মুক্ত হুয়া মহা সুকৃতি সঞ্চয় ॥
হোৱয় পবিত্ৰ সিটো মনুষ্য নহন্ত।
নাহি তাত পৰে আৰ পৰম শ্ৰীমন্ত ॥ ৩৯৯
পৰম পদকো গৈয়া পাৱয় পাচত।
মন্ত্ৰজিত কীৰ্ত্তনৰ কহিলোঁ মহত ॥
যিটোজনে কৰি জানা হৰিক আশ্ৰয়।
কৃষ্ণ কৃষ্ণ ৰাম বুলি কীৰ্ত্তন কৰয় ॥ ৪০০
অসংখ্যত ৰাজসূয় যজ্ঞ ফল যত।
সমস্তকে পাৱে নৱে নাম কীৰ্ত্তনত ॥
শ্ৰীৰাম চন্দ্ৰৰ গুণ নাম প্ৰতিনিতে।
ভক্তি ভাৱে কীৰ্ত্তন কৰয় এক চিত্তে ॥ ৪০১
তাহাৰ ফলক কিবা কহিবোঁ অধিক।
পাৱে বচনৰ সিটো একান্ত শুদ্ধিক ॥
আৱে লীলাবতীত শুনিয়ো মহাজন।
কুৰ্ম্মধ্বজক প্ৰতি খাণ্ডিত্য বচন ॥ ৪০২
কৃষ্ণ কৃষ্ণ কীৰ্ত্তন কৰন্তে অতিশয়।
কহোঁ তাত হন্তে যেন ফলক পাৱয় ॥
পিতৃ বধ ৰাজ বধ যদি কৰে নৱে।
মহাপাপ সুৰাপান গুৰু ভাৰ্য্যা হৱে ॥ ৪০৩
ইসব পাপত মুক্ত হোৱয় সাক্ষাত।
নকৰিবা মনে কিছু সংশয় ইহাত ॥
আছে যত কোটি কোটি পৰম দুৰিত।
যিটো মনুষ্যত আসি হোয়ে উপস্থিত ॥ ৪০৪
ৰাম নাম কীৰ্ত্তন কৰিয়া মুখে নৱে।
অনায়াসে সমস্তে দুষিত দূৰ কৰে ॥
অনন্তৰে আৰু শুনিয়োক গালবিত।
নামৰ মহিমা যেন হুয়াছে বিদিত ॥ ৪০৫
হুয়া থাকে যুক্ত যদি ক্লেশ নিৰন্তৰে।
গৰ্ভৱোগ আদি যুক্ত হুয়া থাকে নৱে ॥
সৰ্ব্ব পাপ যুক্ত হুয়া থাকে যিটো জন।
ইসবো কৰিয়া মুখে নামক কীৰ্ত্তন ॥ ৪০৬
অনায়াসে সমস্তে দুঃখৰ এৰায় হাত।
পাৱে গৈয়া সনাতন ব্ৰহ্মক সাক্ষাত ॥
অগস্তি সংহিতা নামে গ্ৰন্থত কৃষ্ণৰ।
নামৰ শুনিয়ো যেন ফল মনোহৰ ॥ ৪০৭

ভক্তি ভাৱে শ্ৰীৰাম চন্দ্ৰৰ নাম গুণ।
কৰয় কীৰ্ত্তন যিটো পুৰুষ নিপুণ ॥
আছোক তাহাৰ যত আন ফলান্তৰ।
পৰম মুক্তিক সিটো পাৱয় বাক্যৰ ॥ ৪০৮
বিষ্ণু ধৰ্ম্মোত্তৰ শাস্ত্ৰে প্ৰথম কাণ্ডত ॥
হৰি কীৰ্ত্তনৰ ফল কহে যত যত ॥
তাক থিৰ মনে শুনা সভাসদ লোক।
যাৰ যেন যত ইচ্ছা ফল সিদ্ধি হৌক ॥ ৪০৯
পশু ৰামে প্ৰশ্ন কৰিলন্ত মহেশত।
শুনিয়া মহেশে কন্ত তাহান আগত ॥
শুনিয়ো পৰশুৰাম থিৰ কৰি মন।
ভক্তি ভাৱে ঈশ্বৰক কৰন্তে কীৰ্ত্তন ॥ ৪১০
সুখে গৈয়া বিদ্যাধৰ পদক পাৱয়।
অপেশ্বৰা গণে সমে আনন্দে ৱময় ॥
বাসুদেৱ নামৰ কীৰ্ত্তন মনোৰম।
পৰম মাঙ্গল্য ইসে পুণ্য সৰ্ব্বোত্তম ॥ ৪১১
ইহে বিনাশয় আতি সমস্তে পাপৰ।
মনুষ্যৰ আয়ুবৃদ্ধি কৰে নিৰন্তৰ ॥
যত ৰোগ দুঃখ শোক ইসে কৰে হত।
জানি নাম কীৰ্ত্তনক কৰিয়ো সতত ॥ ৪১২
সংসাৰৰ তিনি তাপে আৰ্ত্ত বিপৰিত।
নানা বিধ বিষাদে বিষন্ন অতি চিত্ত ॥
বিষয়ৰ পৰাভৱ সদা দুগুচয়।
পৰম দুৰ্ঘোৰ ব্যাধি দুঃখত পচয় ॥ ৪১৩
নাৰায়ণ শব্দ মাত্ৰ কীৰ্ত্তন কৰিয়া।
হোৱে সুখী নিৰন্তৰে দুঃখক তৰিয়া ॥
জগতৰে ধাতা বাসুদেৱৰ কীৰ্ত্তন।
কৰে যিটো মহাজন কৰে সৰ্ব্বক্ষণ ॥ ৪১৪
শুনিয়োক নৰোত্তম থিৰ কৰি চিত্ত।
তাহাৰ সৱক ব্যাধি নপাৱে বাধিত ॥
যেনমতে জলে কৰে বহ্নি সংহৰণ।
আদিত্যে কৰয় যেন অন্ধকাৰ ছন্ন ॥ ৪১৫
সেহিমতে হৰি নাম কীৰ্ত্তনে নিশ্চয়।
কলি পাপ সমূহৰ শান্তিক কৰয় ॥
ক্ষুধায়ে তৃষ্ণায়ে পীড়া কৰে অতিশয়।
ভ্ৰমন্তে পথত ভৰি পিছলি পৰয় ॥ ৪১৬
ইসব প্ৰমুখ্যে আনো দুঃখ সময়ত।
যিটো কৰে নামক কীৰ্ত্তন নিত্যাগত ॥
তাহাৰ সম্বন্ধে হোন্ত কেশৱ প্ৰসন্ন।
জানা মহাভাগ কৈলোঁ স্বৰূপ বচন ॥ ৪১৭
ক্ষুধায়ে পিয়াহে বাধে পিছলে পথত।
ইসব সময়ে কৰি কীৰ্ত্তন মুখত ॥

সমস্ত অনর্থে শীঘ্রে বিয়োগ হোৱয়।
নকৰিবা আত কিছু মনত সংশয় ॥ ৪১৮
এহিমানে থৈলোঁ ইটো প্ৰসঙ্গ সংহৰি।
পুনৰপি শুনা চিত্ত সাৱধান কৰি ॥
নাৰদক ভগৱন্তে বুলিল বচন।
শাস্ত্ৰ তাৎপৰ্য্য শুনিয়োক তপোধন ॥ ৪১৯
দুৰ্গম পথত মহা দুৰ্ঘোৰ বনত।
নানা ক্লেশ আপদত সম্ভ্ৰম কালত ॥
শত্ৰুৱে নিৰোধি কৰে নিগ্ৰহ অনেক।
ইসব প্ৰমুখ্যে আনো আছয় যতেক ॥ ৪২০
ইসব দুঃখিত চিত্ত আনত নিদিব।
মোৰ নামে মোক মাত্ৰ কীৰ্ত্তন কৰিব।
তুমিও ইহাকে জানি মাধৱৰ নাম।
ৰাত্ৰি দিনে কীৰ্ত্তন কৰিয়ো অবিশ্ৰাম ॥ ৪২১
এহিমানে তোমাৰো কৰ্ত্তব্যে তপোধন।
অনায়াসে হুইবা সৰ্ব্ব পাপো বিমোক্ষণ ॥
নপাইবে তোমাক সংসাৰৰ একো দুঃখে।
পৰম মুকুতি পদ লভিবাহা সুখে ॥ ৪২২
তাত অনন্তৰে শুনা সামাজিক জন।
মহেশক প্ৰতি ভগৱন্তৰ বচন ॥
শুনিয়োক শম্ভু তুমি হুয়া সাৱধান।
তোমাৰ আগত মঞি কহোঁ বিদ্যমান ॥ ৪২৩
পৰম গোপনী ইটো মোৰ কৃষ্ণ নাম।
ই সি মহামৃত্যু সঞ্জিৱনী অনুপাম ॥
ধৰিয়ো চিত্তত তুমি বচন আমাৰ।
কহিলো তোমাত সত্যে বেদ তত্ত সাৰ ॥ ৪২৪
এহিমানে থৈলো ইটো কৃষ্ণ বাক্য চয়।
সৌৰ ধৰ্ম্মোত্তৱত শুনিয়ো যেন কয় ॥
নাম তাৰ মণ্ডূক দানৱ একজন।
তাহাক সম্বোধি সূৰ্য্যে বোলন্ত বচন ॥ ৪২৫
ভগৱন্ত ঈশ্বৰৰ নামক কচ্চিত।
নকৰিলি কীৰ্ত্তন আনন্দে দিয়া চিত্ত ॥
সংসাৰ চক্ৰত সিটো হৰিৰ কীৰ্ত্তনে।
মৃত্যুৰ মুখৰ মুক্ত কৰয় তেখনে ॥ ৪২৬
এহিমানে থৈলোহোঁ সূৰ্য্যৰ বাক্য যত।
শুনা যেন কহে আৰু ভবিষ্যোত্তৱত ॥
কায় বাক্যমনে অতি পুৰুষে যতেক।
অনেক দুষ্কৃত্য কৰ্ম্ম কৰিছে প্ৰত্যেক ॥ ৪২৭
ৰাম ৰাম বুলি কৰি সম্যকে কীৰ্ত্তন।
সিটো পাতকত সদ্যে হোৱয় মোচন ॥
কোটি অসংখ্যাত পাপ আছে পুৰুষত।
যদি অল্প হোৱে পাপ যদিবা বৃহত ॥ ৪২৮

হৰিনাম কীৰ্ত্তনত সিটো পাপ চয়।
পুনৰপি আৰ পুৰুষক নবাধয় ॥
জানি হৰি নামত কৰিয়ো মাত্ৰ ৰতি।
বিষ্ণু ৰহস্যত আৱে শুনিয়ো সম্প্ৰতি ॥ ৪২৯
নামৰ মহিমা ব্ৰহ্মা কন্ত নাৰদত।
মাস উপবাস বিধি কথা প্ৰসঙ্গত ॥
বোলন্ত নাৰদ শুনা কৰিয়া উৎসুক।
শুদ্ধ চিত্তে যিটো জনে স্মৰয় বিষ্ণুক ॥ ৪৩০
শৰীৰ তেজিয়া সিটো জন মহাশয়।
পাৱে গৈয়া সুখে হৰিলোক অনাময় ॥
কহোঁ আৰু শুনিয়োক নামৰ মহত।
কৰে ধেনু দান কোটি সূৰ্য্য গ্ৰহণত ॥ ৪৩১
কৰে কল্প বাস গঙ্গা প্ৰয়াগ জলত।
অযুতেক যজ্ঞ নৱে কৰে সুমহত ॥
মেৰুৰ সমান কৰে সুৱৰ্ণক দান।
ইসবত নৱে ফল পাৱে যত মান ॥ ৪৩২
জানিবাহা নিশ্চয়ে গোবিন্দ কীৰ্ত্তনৰ।
এক শত ভাগো সবে নোহে সমসৰ ॥
এক ক্ষণ মুহূৰ্ত্তবা জানা যিটো নৱে।
বাসুদেৱ নাম যেৱে কীৰ্ত্তন নকৰে ॥ ৪৩৩
আত পৰে মহা হানি নাহি পুৰুষৰ।
তাকেসে বুলিয় মহা ছিদ্ৰ নিৰন্তৰ ॥
তাকেসে বুলিয় মোহ সেহিসে বিভ্ৰম।
পৰম আপদ আৰ নাহি আৰু সম ॥ ৪৩৪
জানি বাসুদেৱ নাম কৰিয়ো কীৰ্ত্তন।
সিটো সবে দোষ নিৰন্তৰে হৌক ছন্ন ॥
এহিমানে মাত্ৰ জানিবাহা মহা জ্ঞান।
আকেসে বুলিয় মহা তপস্যা প্ৰধান ॥ ৪৩৫
এহিসে পৰম তত্ব জানিবা নিশ্চয়।
বাসুদেৱ বুলি যিটো কীৰ্ত্তন কৰয় ॥
সত্যযুগে ভক্তিভাৱে বৰিষ শতেক।
হৰিক অৰ্চ্ছিয়া ফল পাৱয় যতেক ॥ ৪৩৬
কলিযুগে জানিবা গোবিন্দ কীৰ্ত্তনত।
পৰিপূৰ্ণে সিটো ফল পাৱয় সমস্ত ॥
যদি হোৱে নৰ মহা আনন্দিত চিত্ত ॥
অতিশয় দুঃখে আৰ্ত্ত হোৱে বিপৰিত ॥ ৪৩৭
যদি হোৱে ক্ৰোধী দুহি হোৱে শান্তমন।
যেই সেই প্ৰকাৰ সময়ে সিটো জন ॥
হৰিক কীৰ্ত্তন মাত্ৰ কৰে ভক্তি ভাবে।
অনায়াসে সিটো নৱে বিষ্ণুপুৰ পাৱে ॥ ৪৩৮
নাৰদত কহি ব্ৰহ্মা ইসব বচন।
জিহ্বাক সম্বোধি পাচে কৰন্ত প্ৰাৰ্থন ॥

হে জিহ্বা তঞি ৱস সাৱক জানস।
তোৰ প্রিয় সদায় মধুৰ মহাৰস ॥ ৪৩৯
পৰম অমৃত আতি নাৰায়ণ নাম।
কৱিয়োক জিহ্বা তাক পান অবিশ্রাম ॥
যে জিহ্বা আমাত নিস্নেহ ভৈলি কিক।
কেনে তঞি সর্ব্বদায় নভাষা হৱিক ॥ ৪৪০
শুনিয়ো কল্যাণী হৱি বোল নিৱন্তৱে।
হৱিসি পৰম নৌকা সংসাৰ সাগৱে ॥
দুষ্ট চিত্ত জনো যদি হৱি সুমৱয়।
তাহাৰো সমস্ত পাপ তেখনে হৱয় ॥ ৪৪১
অনিচ্ছাতো চুইলে যেন দহয় অগণি।
সেহিমতে হৱি নাম ধর্ম্ম শিৱোমণি ॥
সমস্তে পাপকো হৱে পুৱে মনস্কাম।
জানি নিৱন্তৱে নৱে বোলা ৱাম ৱাম ॥ ৪৪২

দুলড়ী।

হৱি কীর্ত্তনৰ ফল মনোহৰ
শুনিলাহা নিৱন্তৱ।
শুনিয়ো সাম্প্রত শিৱ ৱহস্পত
মহিমা শিৱ নামৰ ॥
শিৱ হেন ইটো দুগুটি অক্ষৰ
নাম মহা মনোনিত।
কোনোৱা প্রমাদে যি সব মনুষ্যে
মুচ্চাৱিল কদাচিত ॥ ৪৪৩
তাসম্বাত পৱে মহা ভাগ্য হীন
নাহিকে ইটো লোকত।
পৰম দুঃখিত হুয়া প্রতিনিত
কৰয় শোক পাচত ॥
শিৱ হেন নাম শব্দে অনুপম
আছয় হুয়া প্রখ্যাত ॥
ৱশৱর্ত্তি মহা ৱচন সকল
মুখতে আছে সাক্ষাত ॥ ৪৪৪
তথাপিতো শিৱ বুলিয়া মনুষ্যে
মুচ্চাৱয় অনুক্ষণ।
ঘোৰ নৱকত পৱিয়া পচয়
দেখিয়োক মহাজন ॥
যি সব মনুষ্যে মহেশ্ৱৰ নাম
কপটে নিতে স্মৱয়।
তথাপিতে তনু তেজিয়া পাৱয়
শিৱ লোক অনাময় ॥ ৪৪৫

সত্য যুগে ধ্যান ত্রেতা যুগে যজ্ঞ
দ্ৱাপৱে পূজা কৱয়।
পাৱে যেন ফল কলিত শিৱৰ
কীর্ত্তনে তাক পাৱয় ॥
শিৱৰ নামৰ মহিমা কহিয়া
সম্ৱৱিলা এহিমানে।
ব্রহ্ম ৱহস্পত কহে যেন মত
শুনা তাক বিদ্যমানে ॥ ৪৪৬
যুধিষ্টিৰ নাম দ্বিজ অনুপাম
তান আগে ভগৱন্ত।
আপোন নামৰ কীর্ত্তন মহিমা
আপুনি প্রভু কহন্ত ॥
নিশ্চয় মোহোৰ নামক কীর্ত্তন
কৱে বা যদি জপয়।
মহত পাপত উদ্ধাৱো তাহাক
নাহিকে আত সংশয় ॥ ৪৪৭
কৃষ্ণৰ বচনে নামৰ মহিমা
কহি এহিমানে থঞো।
ভৈতে কর্ণধ্বজ ৱাজাৰ আগত
ব্রহ্মাৰ বচন কঞো।
শুনিয়ো নৃপতি তোমাত সম্প্রতি
কহোঁ সত্য স্ৱরূপত।
মোৰ ইটো ৱাণী সত্য হেন জানি
নিশ্চয় কৱা মনত ॥ ৪৪৮
হৱিৰ নামৰ সকীর্ত্তন বিনে
জানা ইটো পৃথিৱীত।
সংসাৰ দুঃখত মোচন কৱন্তা
নাহি আন কদাচিত ॥
ব্রহ্মাৰ বচন থৈয়া এহিমান
কহোঁ আৰু আতপৰ।
তৈতে সুশর্ম্মাৰ আগে নাৰদৰ
ৱাক্য যেন মনোহৰ ॥ ৪৪৯
হেলায় যিজনে জগন্নাথ নাম
একৱাৰ উচ্চাৱয়।
নাহিকে সংশয় ব্রহ্মা হত্যা আদি
পাপত মুকুত হয় ॥
যতেক পৱম আচৰ আছয়
জানা ইটো পৃথিৱীত।
সমস্তে বিহীন হুয়া তপ আদি
ক্লেশে হুয়া বিৱর্জ্জিত ॥ ৪৫০
কেৱলে মুখত জগন্নাথ নাম
কৱয় মাত্র কীর্ত্তন।

সংসাৰ দুঃখত বঞ্চি মহা সুখে
পাৱে ব্রহ্ম সনাতন ॥
নাৰদ বচন থৈয়া এহিমান
কহয় বিষ্ণু ধর্ম্মত।
চক্রায়ুধ ভগ- ৱন্ত ঈশ্ৱৰৰ
নাম আছে যত যত ॥ ৪৫১
সিসৱ নামক জানিবা কেৱলে
কীর্ত্তন কৱিৱ মাত্র।
ঈশ্ৱৰৰ নাম কীর্ত্তনত একো
নাহি কাল দেশ পাত্র ॥
অশৌচাদি আনো একোৱে নিয়ম
নাহি হৱি কীর্ত্তনত।
যিহেতু নামেসে সৱাকো পৱিত্র
কৱে জানা স্ৱরূপত ॥ ৪৫২
জ্ঞানে বা অজ্ঞানে উত্তম শ্লোকৰ
কীর্ত্তন কৱে নামক।
পুরুষৰ পাপ দহয় সমস্ত
অগনি যেন কাষ্ঠক ॥
ক্ষত্র বন্ধু নাম আন এক জন
সমস্ত ধর্ম্ম বিহীন।
আপোনাক নষ্ট কৱিলেক পাপ
আচৱিয়া ৱাত্রি দিন ॥ ৪৫৩
গোৱিন্দ নামক উচ্চাৱি কেৱলে
কৱিলে ক্ষয় পাপক।
পৱম নির্ম্মল চিত্ত হুয়া পাচে
পাইলে গৈয়া গোৱিন্দক ॥
হৱি কীর্ত্তনেসে মাত্র সমস্তৱে
নিৱৱ শেষ সাধন।
সিহেতু ইহাক জানা প্রশ্ন কৱি
কৱিলো উপৱর্ণন ॥ ৪৫৪
কোন এক জন উপজিয়া আছে
ভৱত ৱংশত হস্তে।
তাহাক সম্বোধি পৱম দয়াৱে
কহয় কোনো মহন্তে ॥
প্রসঙ্গ নজানি বুলিলোঁ ৱচন
নেদিৱা দোষ আমাক।
ভাৱত বুলিয়া সম্বোধিয়া কথা
কহে যেন শুনা তাক ॥ ৪৫৫
মহন্তে ৱোলন্ত শুনিয়ো ভাৱত
কহোঁ মঞি স্ৱরূপত।
সর্ব্বভাৱে তুমি ভৈলা ভয়াতুৰ
যিহেতু সৱে পাপত ॥

সমস্তে আৱন্ত তেজিয়া কেৱলে
হয়ো নাৰায়ণ পৱ।
ইটো জগতত পৱম কুশল
নাহি আন আতপৱ ॥ ৪৫৬
আত অনন্তৱে শুনিয়ো তহিত
যেন প্রহ্লাদৰ ৱাক।
পৱম ভকত প্রহ্লাদে কহন্ত
হৱিনাম মহিমাক ॥
হৱি হেন ইটো দুগুটি অক্ষৱে
জিহ্বাত যাৱ থাকয়।
গঙ্গা গয়া কাশী পুষ্কৱ সেতুক
যাইৱে তাৱ নলাগয় ॥ ৪৫৭
অশ্ৱমেধ নৱ মেধ আদি যজ্ঞে
সদক্ষিণে যজি নৱে।
পাৱে যেন ফল সমস্তে তাহাকে
সাধে হৱি দু-অক্ষৱে ॥
ৱাৱানসী কুরু- ক্ষেত্র নিমিষিত
পুষ্কৱত পূণ্য যত।
পাৱে নিৱন্তৱে হৱি দু-অক্ষৱে
সাধয় তাক সমস্ত ॥ ৪৫৮
ঋক যজু সাম অথর্ব্ব ৱেদক
পঢ়ি পাৱে যেন ফল।
হৱি হেন ইটো দুগুটি অক্ষৱে
মিলাৱে তাক সকল ॥
সহস্রেক কোটি কৱিয়া গোদান
অযুত কন্যাৱ দানে।
পাৱে যেন ফল হৱি দু-অক্ষৱ
সাধে তাক বিদ্যমানে ॥ ৪৫৯
হৱি হেন ইটো দুগুটি অক্ষৱ
আক যিটো উচ্চাৱয়।
দুর্গম পথত প্রাণ পয়াণত
সম্বল ইসি অক্ষয় ॥
জন্ম মৃত্যু ময় দুর্ঘোৱ সংসাৰ
মহাৱ্যাধি অতিশয়।
হৱি ইটো হেন দুগুটি অক্ষৱ
ঔষধ তাৱ নিশ্চয় ॥ ৪৬০
শোক দুঃখ ক্লেশ আদি পুরুষক
পীড়া কৱে বিদ্যমান।
দুটয় অক্ষয় হৱি নামে মাত্র
কৱে তাক পৱিত্রাণ ॥
তাৱক দেৱতা হৱি দু-অক্ষৱ
নামক যিটো স্মৱয়।

অসাৰ সংসাৰ সাগৰত ইসে
অধিক ৰূপে তৰয় ॥ ৪৬১
হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বাত যাৰ থাকয়।
সমস্তকে জিনি পাৱে পৰম্পদ
হৰিক পাৱে নিশ্চয় ॥
দুটয় অক্ষৰ হৰিৰ নামৰ
বলৰ নাহিকে সীমা।
সংসাৰ বিনাশে হৰিক প্ৰকাশে
হেনসে আৰ মহিমা ॥ ৪৬২
জানি মহাজন হৰিৰ কীৰ্ত্তন
নেৰিবাহা কদাচিত।
আত পৰে আৰ নাহি মহা ধৰ্ম্ম
দুৰ্ঘোৰ ইটো কলিত ॥
চিত্ত বিত পাত্ৰ সবাকো মলিন
কৰিলেক পাপী কলি।
বিচাৰি দেখিয়ো সংসাৰ মধ্যত
আত পৰে নাহি বলি ॥ ৪৬৩
কেৱলে হৰিৰ নাম কীৰ্ত্তনেসে
কলিৰ বল টুটাৱে।
পাপক সংহৰি সংসাৰ নিস্তৰি
দুৰ্ল্লভ মুকুতি পাৱে ॥
ইটো পৰমার্থ জানিয়া দুখত
নেৰিবা হৰিৰ নাম।
মুকখ মাধৱে বোলে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম ॥ ৪৬৪

পদ।

হৰিৰ নামৰ কোনে কৰিবেক সীমা।
শিৱ ধৰ্ম্মে শুনা ৰুদ্ৰ নামৰ মহিমা ॥
ৰুদ্ৰ বুলি যাৰা সবে কীৰ্ত্তন কৰয়।
জানিবা স্বৰূপে তাৰা মনুষ্য নোহয় ॥ ৪৬৫
ৰুদ্ৰ লোক হন্তে সবে আসিয়া আছয়।
তাৰা সবে ৰুদ্ৰ আত নাহিকে সংশয় ॥
দুগুটি অক্ষৰ ইটো শিৱ হেন নাম।
এহিসে পৰম মন্ত্ৰ আতি অনুপাম ॥ ৪৬৬
বিস্তাৰতো বিস্তাৰ এহিসে আতিশয়।
তৈল বিন্দু পৰি যেন জলক ব্যাপয় ॥
শিৱ দুই অক্ষৰ উচ্চাৰে এক বাৰ।
মুকুতিক যাইবে প্ৰতি ভৈল কাচপাৰ ॥ ৪৬৭
নমস্কাৰ আদি যুক্ত হয় নিৰন্তৰ।
শিৱ হেন নাম ইটো দুগুটি অক্ষৰ ॥
জিহ্বাৰ অগ্ৰত যাৰ প্ৰৱর্ত্তে কেৱল।
সিটো মনুষ্যৰ জানা জীৱন সফল ॥ ৪৬৮
দিনতে নিশাতে বা সন্ধ্যা সময়ত।
বিৰুপাক্ষ বুলি যাৰা সুমৰে সতত ॥
নাহি মহা ভাগ্যৱন্ত তাসম্বাত পৰ্ব।
জানা দ্বিজোত্তম তাৰা সব নৰেশ্বৰ ॥ ৪৬৯
ৰুদ্ৰক কীৰ্ত্তন যাৰা সদায় কৰয়।
মুহি এক বাৰমাত্ৰ বদি উচ্চাৰয় ॥
শত জন্ম কৃত যত পাতক আছয়।
সমস্তে পাপত তাৰা মুকুত হোৱয় ॥ ৪৭০
শিৱ নাম কীৰ্ত্তনৰ কহি মহিমাক।
বৈৰিঞ্চি সর্ব্বস্বে যেন কহে শুনা তাক ॥
হৰিৰ নামৰ কীৰ্ত্তনত হন্তে নৰ।
সদ্যে মুক্ত হোৱে মহা পাপ সমুহৰ ॥ ৪৭১
হৰি কীৰ্ত্তনত মহা ভাগ্য মিলে যাৰ।
দুর্ঘোৰ সংসাৰ সাগৰত পাৱে পাৰ ॥
যত পাপ উপজয় কলিৰ দোষত।
কোন চিত্ৰ শীঘ্ৰে নামে কৰিবেক হত ॥ ৪৭২
শিৱ সর্ব্বস্বত আক শুনিয়ো সকল।
ৰাম নাম কীৰ্ত্তনৰ কহে যেন ফল ॥
কলিৰ দোষত পাপ যত উপজয়।
তাৱতেসে সিটো ইটো দেহত থাকয় ॥ ৪৭৩
তাৱতেসে ভয় প্ৰবর্ত্তয় পুৰুষত।
ৰামক কীৰ্ত্তন নৰে নকৰে যাবত ॥
জানি ৰাম নাম সবে কৰিয়ো কীৰ্ত্তন।
কলি দোষ আদি দুঃখ সবে হৌক ছন্ন ॥ ৪৭৪
চ্যবন শ্রুতিত পুন্থ শুনা এক মনে।
কহে যেন মত প্ৰায়চিত্ত প্ৰকৰণে ॥
এহিমানে শুনি শ্রুতি স্মৃতি প্ৰধানত।
ইটো ৰাম নামে মাত্ৰ স্মৰণি সতত ॥ ৪৭৫
আত পৰে পুণ্য শ্রেষ্ঠ নাহি ত্রিভুৱনে।
জানি ৰাম নাম মাত্ৰ স্মৰা সর্ব্বক্ষণে ॥
ৰাম নাম কীৰ্ত্তন কৰন্তে আতিশয়।
তাৰক ব্রহ্মক গৈয়া নিশ্চয়ে দেখয় ॥ ৪৭৬
প্ৰায়শ্চিত্ত প্ৰকৰণে মাণ্ডব্য শ্রুতিত।
নামৰ মহিমা শুনিয়োক দিয়া চিত্ত ॥
নামত সুশর্ম্মা এক ব্রাহ্মণ মহন্ত।
তাহান আগত ঋষি মাণ্ডব্যে কহন্ত ॥ ৪৭৭
বোলন্ত শুনিয়ো মোৰ বচন সুশর্ম্মা।
দেঞো লেখা যত যত আছে মন্দ কর্ম্মা ॥
সুৰা পায়ী স্বর্ণ হাৰী চোৰ ভগ্নব্রত।
অশুচি পাতকী ব্রাহ্মণক কৰে হত ॥ ৪৭৮

স্বাধ্যায় বর্জিত পাপী লুব্ধক দুস্কৃত।
অসতী বৃষলি পতি বঞ্চক দুর্নীত ॥
খণ্ডিয়া তিনিৰো ভাত পাৱে খাইবাক।
জানিবাহা কুণ্ডাশি পাতকী বুলি তাক ॥ ৪৭৯
দ্বিজ হুয়া দধি দুগ্ধ ঘৃতক বিকয়।
সোম বিক্রয়ী পাপা তাহাক বোলয় ॥
ইসব প্ৰমুখ্য পাপী আছে যত যত।
পাৱয় মুকুতি বিষ্ণু নাম কীৰ্ত্তনত ॥ ৪৮০
সি সব পাতক নহে ইটো পৃথিবীত।
হৰি নামে নপাৱয় যাক সংহৰিত ॥
হেনবা হুইবেক ইটো মনত সংশয়।
যেৱে হৰিনামে সব পাপ কৰে ক্ষয় ॥ ৪৮১
তেবে কেনে হৰি নাম নকৰি বিদিত।
ঋষি গণে বিহিলন্ত আন প্রায়শ্চিত্ত ॥
শুনিয়ো সিদ্ধান্ত আক তেজিয়া সংশয়।
নিৰিহিল হৰি নাম অতিৰেক ভয় ॥ ৪৮২
মঙ্গলৰো সুমঙ্গল ইটো হৰি নাম।
কীৰ্ত্তনত সাধে ধৰ্ম্ম অর্থ মোক্ষ কাম ॥
হেন হৰি নাম ইটো প্রায়শ্চিত্ত অর্থে।
কি কাৰণে তাক আমি বিহিবোহোঁ ব্যর্থে ॥ ৪৮৩
কোন তুচ্ছ আতি ইটো পাপগণ যত।
নানা তীর্থ ব্রত দানে কৰে তাক হত ॥
অল্প পাতকৰ অর্থে বহু প্রায়শ্চিত্ত।
বিহে যিতো হোৱে তাত দোষ বিপৰিত ॥ ৪৮৪
যেহেন পোষণ সিংহ আছে গৃহস্থত।
প্ৰমত্ত হস্তীকো তত কালে কৰে হত ॥
কুকুৰ শৃগাল মাত্ৰ লাগে খেদাইবাক।
কদাচিতো গৃহস্থে মেলিয়া নেদে তাক ॥ ৪৮৫
সেহি মতে তুচ্ছ ইটো পাপ প্রায়শ্চিত্ত।
ধৰ্ম্ম সিংহ মাম নিৰিহিলা কদাচিত ॥
আক এক অতিপ্রায় শুনা কহো তাক।
জানে যেবে নৰে হৰি নাম মহিমাক ॥ ৪৮৬
তেবেসবে তেজি নাম কৰিয়া কীৰ্ত্তন।
অনায়াসে মুকুতি লভিব সর্ব্বজন ॥
হৰি কীৰ্ত্তনৰ ইটো তেজ অদভুত।
ইহাৰ কীৰ্ত্তনে হুইবে জগতে মুকুত ॥ ৪৮৭
সর্ব্বমুক্তি প্রসঙ্গক ভয়ে মুনি গণে।
নকহিলা হৰি নাম এহিসে কাৰণে ॥
এহি অতিৰেক ভয় বুদ্ধগণ যত।
আন প্রায়শ্চিত্ত বিহিলন্ত তীর্থ ব্রত ॥ ৪৮৮
ইসব প্রসঙ্গ থৈলো সংহৰি প্রত্যেক।
চতুর্ব্যূহ চিন্তামণি নামে গ্রন্থ এক ॥
তাত যেন কহি আছে শুনা কৰি মন।
ভগৱন্ত প্ৰতি ৰুদ্র দেৱৰ বচন ॥ ৪৮৯
বোলন্ত শুনিয়ো বিষ্ণু বচন আমাৰ।
যি হেতু কৰিলোঁ নাম কীৰ্ত্তন তোমাৰ ॥
এহিসে কাৰণে ভৈলোঁ পৰম পৰিত্র।
সর্ব্বজন পূজ্যমঞি ভৈলোহোঁ বিচিত্র ॥ ৪৯০
তুমিসে হৰাহা সমস্তৰে পাপ চয়।
এহিসে কাৰণে হৰি তোমাক বোলয় ॥
ৰুদ্রৰ বচনে ইটো কৰিলোঁ প্রচাৰ।
নামত বৈষ্ণৱ চিন্তামণি গ্রন্থ সাৰ ॥ ৪৯১
শুনিয়োক তাত থিৰ মনে বুদ্ধ জন।
নাৰদক প্ৰতি যুধিষ্ঠিৰৰ বচন ॥
বোলন্ত নাৰদ শুনা মোহোৰ বচন।
শুনি আছোঁ আমি নানা বিধ ধৰ্ম্মগণ ॥ ৪৯২
নানান ধৰ্ম্মৰ নানা ফল অপর্য্যন্ত।
কোনে কহি তাক কৰিবাক পাৱে অন্ত ॥
আৰে হৰি নামৰ কীৰ্ত্তন ফল যত।
শুনিবাক ইচ্ছা মাত্ৰ কৰোহো মনত ॥ ৪৯৩
হৰি নাম কীৰ্ত্তনৰ যেন মহা ফল।
কহিয়োক মুনি তাক আমাত সকল ॥
যুধিষ্ঠিৰ বচন শুনিয়ো মনোহৰ।
আতিশয় আনন্দ মিলিল নাৰদৰ ॥ ৪৯৪
সহজে তাহান হৰি কীৰ্ত্তনৰ ভৰে।
মহাপ্রেম আনন্দ হুগুচে নিৰন্তৰে ॥
সর্ব্ব অঙ্গ পুলকিত ৰোমাঞ্চ শৰীৰ।
হৰিষৰ বেগত চক্ষুৰ ঝুৰে নীৰ ॥ ৪৯৯
মুখত নিতান্তে হৰি নাম হুগুচয়।
চিত্তত হৰিৰ ৰূপ সদা প্রকাশয় ॥
হেন মহা আনন্দে নাৰদ মুনিৰৰ।
দিলা পাচে শীঘ্রে যুধিষ্ঠিৰৰ উত্তৰ ॥ ৪৯৬
বোলন্ত শুনিয়ো যুধিষ্ঠিৰ নৃপৰৰ।
হৰি কীৰ্ত্তনৰ ফল শুনা মনোহৰ ॥
জানিবা নিশ্চয় হৰি নাম কীৰ্ত্তনত।
নাহিকে নিয়ম কাল দেশ আদি যত ॥ ৪৯৭
হৰি কীৰ্ত্তনক একো ছিদ্র নপাৱয়।
নকৰিবা ৰাজা আত কিঞ্চিতো সংশয় ॥
কালৰ নিয়ম যত আছয় স্মানত।
যজ্ঞত আছয় কাল নিয়ম সমস্ত ॥ ৪৯৮
কালৰ নিয়ম মহা মন্ত্রৰ জাপ্যত।
নামত নিয়ম নাহি পৃথিবী তলত ॥
থিতাতে থাকন্তে হুহি পন্থত ভ্রমন্তে।
মন্ত্রক জপন্তে হুহি ভোজন কৰন্তে ॥ ৪৯৯

জলক পিয়ন্তে হুহি বচন বোলন্তে।
আনো নানা বিধ নৱে কর্ম্ম আচৱন্তে॥
ইসব সময়ে কৃষ্ণ কীর্ত্তন কৱন্তে।
হোৱয় মুকুত পাপ কৱচত হন্তে॥ ৫০০
সেহিসে কৱিলে স্নান সমস্তে তীর্থত।
সেহিসে দীক্ষিত ভৈল সমস্তে যজ্ঞত।
সমস্তে দানৱ ফল পাইলে সি সি জন।
সদায় হৱিক যিটো কৱয় কীর্ত্তন॥ ৫০১
ইহাক জানিয়া যুধিষ্ঠিৱ নৃপৱৱ।
সবে পৱিহৱি কৱা কীর্ত্তন কৃষ্ণৱ॥
এহিমানে থৈলোঁ নাৱদৱ বাক্য যত।
শুনা আৱে উমা মহেশ্বৱ সংবাদত॥ ৫০২
পার্ব্বতীক প্রতি শিৱ বোলন্ত বচন।
শুনিয়ো পার্ব্বতী তুমি থিৱ কৱি মন॥
ৱামৱ নামৱ ইটো কীর্ত্তন নিশ্চয়।
নিৱন্তৱে সমস্তে পাপক নিৱাৱয়॥ ৫০৩
সেহি মোক্ষ প্রায়শ্চিত্ত সমস্তে পাপৱ।
সমস্তে প্রাণীৱ মুক্তি দাতা শ্রেষ্ঠতৱ॥
জানিয়া পার্ব্বতী তুমি ইটো ৱাম নাম।
নেৱিৱাহা মুখত কীর্ত্তন অৱিশ্রাম॥ ৫০৪
এহিমানে থেলোঁ মহেশ্বৱ বাক্যচয়।
শুনিয়োক থিৱ চিত্তে অপাৱ নির্ণয়॥
নামৱ মহিমা কহি শ্রুতি সংহিতাত।
আগম শাস্ত্রত আৱে শুনিয়ো সাক্ষাত॥ ৫০৫
প্রথমতে বৃহত গৌতমী আগমত।
কহিয়া আছন্ত হৱি নামৱ মহত॥
ইহলোকে কুষ্ঠ ৱোগী হোৱে যিটো নৱ।
শিশুৱধ ব্রহ্মৱধ পাপ শুকতৱ॥ ৫০৬
ইসব প্রমুখ্যে আনো যত পাপ চয়।
এক ৱাৱ মাত্র হৱি নাম উচ্চাৱয়॥
শুনিয়োক পৱম আশ্চর্য্য অতিশয়।
এতেকতে তাৱ সবে পাপ দূৱ হয়॥ ৫০৭
আত পৱে শুনিয়োক বিষ্ণু যামলত।
কুর্ম্মধ্বজ ঈশ্বৱ সংবাদ প্রস্তাৱত॥
শ্রীৰুদ্র দেৱক সম্বোধি ভগবন্ত।
আপোন নামৱ মহা মহিমা কহন্ত॥ ৫০৮
মনুষ্য লোকত ইটো মোৱ নাম চয়।
পৱম শ্রদ্ধায়ে যিটো কীর্ত্তন কৱয়॥
সিজনৱ কোটি অসংখ্য অপৱাধ চয়।
ক্ষেমোহোঁ নিশ্চয় আত নাহিকে সংশয়॥ ৫০৯
মোৱ জগন্নাথ নাম আতি মনোনিত।
যাৱাসবে কীর্ত্তন কৱয় প্রতি নিত॥
তাসম্বাৱ অপৱাধ কোটি অসংখ্যাত।
কৱিবহোঁ ক্ষমা নাহি সংশয় ইহাত॥ ৫১০
ভগৱন্ত বচনক থৈলোঁ এহিমানে।
গৌতমী তন্ত্রত আবে শুনা একমনে॥
শিৱ নৃপতিৱ আগে নাৱদে কহন্ত।
বোলন্ত শুনিয়ো ৱাজা মহা ভাগ্যৱন্ত॥ ৫১১
সিমত পাতক নতু শুনিয়ো লোকত।
আক হৱি নামে হুহি দহিবে শকত॥
যেন মহা আগনিক তৃণে নোজোৱয়।
হৱি নাম ৱহ্নিৱ মহিমা সেহি নয়॥ ৫১২
নাৱদ বচনে কহি মহিমা নামৱ।
আশ্বলায়ন তন্ত্রে শুনিয়োক আতপৱ॥
বিষ্ণুৱ অনন্ত তেজ নাহি পৱিমান।
তাহান যতেক নাম আছে বিদ্যমান॥ ৫১৩
সর্ব্ব ধর্ম্ম বহির্ভুত হুয়া আতিশয়।
সি সব নামক যাৱা কীর্ত্তন কৱয়॥
তাৱা সবে পারে গৈয়া পৱম গতিক।
নামৱ মহিমা কিবা কহিবোঁ অধিক॥ ৫১৪
নাম কীর্ত্তনত পৱে ধর্ম্ম নাহি আন।
ৱৈৱিঞ্চি তন্ত্রত আবে শুনা বিদ্যমান॥
ইন্দ্রদ্যুম্ন নৃপতিত ব্রহ্মাই কহন্ত।
বোলন্ত শুনিয়ো মহা নৃপতি মহন্ত॥ ৫১৫
সমস্তে তন্ত্রত আতি গুপ্ত নিৱন্তৱ।
হেন জগন্নাথক পূজিয়ো নৃপৱৱ॥
গুহ্যতো পৱম গুহ্য জগন্নাথ নাম।
তাক মাত্র কীর্ত্তন কৱিয়ো অৱিশ্রাম॥ ৫১৬
তেজিয়া আলাস যিটো নৱ মহাজন।
জগন্নাথ নাম নিতে কৱয় কীর্ত্তন॥
সমস্তে পাপত মুক্ত হুয়া আতিশয়।
কর্ম্ম বন্ধ তেজি পৱম ব্রহ্মক পাৱয়॥ ৫১৭
এহিমানে সম্বৱিলোঁ ব্রহ্মাৱ বচন।
এবে মেরু তন্ত্রত শুনিয়ো মহাজন॥
ব্রহ্মাৱ নামক কথনৱ প্রস্তাৱত।
কহন্ত নাৱদে মহা ৱৈষ্ণৱ সৱত॥ ৫১৮
আছয় যতেক নাম ঈশ্বৱ কৃষ্ণৱ।
জগন্নাথ নাম সমস্তৱে মুক্ষ্যতৱ॥
শুনিয়ো ৱৈষ্ণৱ সব কহোঁ স্বৰূপত।
তাত পৱে শ্রেষ্ঠ নাম নাহি ত্রৈলোক্যত॥ ৫১৯
নোপজে সিমত পূণ্য গঙ্গাৱ স্নানত।
নপারে সিমত বাৱাণসী গমনত॥
কৱি নৱে জগন্নাথ নাম কীর্ত্তনক।
পৱম আনন্দে পারে কৈৱল্য পদক॥ ৫২০

এহিমানে থৈলন্ত বচন নাৱদৱ॥
শুনিয়ো মহন্ত সবে আত অনন্তৱ॥
নাৱায়ণ তন্ত্রে প্রায়শ্চিত পটলত।
তাক্ষয়ে কহন্ত কুমিলোমাৱ আগত॥ ৫২১
শুনিয়োক কুমিলোমা আমাৱ বচন।
মহাপাপ ব্রহ্মৱধ কৱে যিটো জন॥
ব্রাহ্মণৱ সুৱর্ণক হৱিয়া থাকয়।
যিটো দ্বিজে সুৱা পাণ পাপ আদুৱয়॥ ৫২২
ইয়ো সবে নাৱায়ণ কৱিয়া কীর্ত্তন।
নাহিকে সংশয় মহা পাপত মোচন॥
শুনিয়ো কাশ্যপ পঞ্চৱাত্র আগমত।
কহে যেন ভগৱন্ত ভক্তি প্রস্তাৱত॥ ৫২৩
নাৱদক প্রতি কৃষ্ণ দেৱৱ বচন।
বোলন্ত শুনিয়ো মহা ঋষি তপোধন॥
মনুষ্য মধ্যত যাৱাসব সর্ব্বোত্তম।
মোৱ ৱাম নাম পদ অতি মনোৱম॥ ৫২৪
নিৱন্তৱে গ্রহণ কৱন্তে ভক্তি ভারে।
বুদ্ধিত সাক্ষাত তাৱা মোক লাগ পারে॥
মোক দেখি মহা হৱিৱৱ নাহি পাৱ॥
সর্ব্ব অঙ্গ পুলকিত হোৱে তাসম্বাৱ॥ ৫২৫
আমাত পৱম প্রেম মিলে অতিশয়।
নির্ম্মল আনন্দ সুধা ৱসক পিৱয়॥
ভকতিৱ মোক্ষ ফল কৈলো মনোহৱ।
আক শুনা তাৱা যেন পারে ফলাদ্ভৱ॥ ৫২৬
দুর্ঘোৱ সংহাৱ ইটো পৱম দুস্তৱ।
পুত্র ভার্য্যা আদি গ্রাহে ক্ষত্র নিৱন্তৱ।
নানা বিধ তৃষ্ণা মহাজলে আছে ভৱি॥
মোৱ ভক্ত সবে ইটো সমুদ্র নিস্তৱি॥ ৫২৭
মোতে পুনু হোৱে তাৱা প্রবেশ সাক্ষাত।
নাম কীর্ত্তনৱ ফল কহিলোঁ তোমাত॥
কৃষ্ণৱ বচনে কহি নামৱ মহত।
কহোঁ আক ৱাম ভৱতাদি সংবাদত॥ ৫২৮
ইটো পৃথিৱীত কত নাহি উপজয়।
উপজি উপজি কত নতুৱা মৱয়॥
তাহাৱ মাজত যাৱা সব বুদ্ধিমন্ত।
হৱিৱ নামক মাত্র কীর্ত্তন কৱন্ত॥ ৫২৯
তাৱাসবে মুক্ত হয় ইটো সংসাৱত।
নকৱিৱা কিঞ্চিতেকো সংসয় মনত॥
ৱশিষ্ঠ তন্ত্রত শুনিয়োক আত পৱ।
কহে যেন ফল হৱি নাম কীর্ত্তনৱ॥ ৫৩০
যিটো জনে হৱি পূজা কৱে এক চিত্তে।
হৱি নাম কীর্ত্তন কৱয় প্রতি নিতে॥
সিসি কৱিলেক স্নান সমস্তে তীর্থত।
ভৈলেক দীক্ষিত সিসি সমস্তে যজ্ঞত॥ ৫৩১
শুনিয়োক আক যেন শুনা খণ্ডান্তৱে।
শ্রীনৱসিংহ বুলি ৱাৱেক উচ্চাৱে॥
জয় নৱসিংহ বুলি পুনুহো সুমৱে।
জয় জয় নৱসিংহ বোলে অনন্তৱে॥ ৫৩২
শ্রীনৱসিংহ জয় নৱসিংহ জপি।
জয় জয় নৱসিংহ বোলে পুনৱপি॥
এহি মতে নৱসিংহ নাম যিটো নৱে।
তিনি সাত ৱাৱ এক চিত্তে জাপ্য কৱে॥ ৫৩৩
শুনিয়ো ইহাৱ যহা ফল যেন মত।
শত সংখ্যা ব্রহ্মহত্যা পাপি কৱে হত॥
নাম মালিকাত বহির্ভূত শ্লোকচয়।
গোবিন্দ নামৱ অপৱাধৱ নির্ণয়॥ ৫৩৪
তাৱো পদ কাৱো বাক্য পালি মহন্তৱ।
ইহাতে আমাক দোষ নেদিবা বিস্তৱ॥
পদ্ম পুৱাণৱ স্বর্গ-খণ্ডত নিশ্চয়॥
নামৱ মহিমা কহি আছে যেন নয়॥ ৫৩৫
আক এক চিত্তে আৱে শুনিয়ো সাম্প্রত।
পুচিলন্ত নাৱদে সনত কুমাৱত॥
নাৱদ বদতি শুনা মুনি সমস্তয়।
তোৱাসব গোবিন্দৱ প্রিয় অতিশয়॥ ৫৩৬
ভগৱন্তে কহিছে অধর্ম্ম যত যত।
নিৱন্তৱে মনুষ্যৱ ধর্ম্ম কৱে হত॥
সিসব অধর্ম্ম কেন মতে নষ্ট হয়।
কহিয়োক তোৱাসবে আমাত নিশ্চয়॥ ৫৩৭
সনত কুমাৱে শুনি দিলন্ত উত্তৱ।
শুনিয়ো নাৱদ তুমি প্রিয় গোবিন্দৱ॥
গোবিন্দৱ ধর্ম্ম তুমি জানাহা সাক্ষাত।
তথাপিতো প্রশ্ন তুমি কৱিলা আমাত॥ ৫৩৮
মিলোক মুকুতি বুলি সমস্তে লোকৱ।
কৱিৱাহা প্রশ্ন সংসাৱতে শ্রেষ্ঠতৱ॥
গোবিন্দৱ ধর্ম্ম সাৱধানে শুনিয়োক।
সমস্তে আচাৱ হীন ভৈল যিটো লোক॥ ৫৩৯
শঠ বুদ্ধি জগতকে ৱঞ্চে যিটো নৱে।
সংস্কাৱ হীন আতি ভৈল নিৱন্তৱে॥
সদায় হুগুচে আতি দম্ভ অহঙ্কাৱ।
শুৱা পায়ী পৈশুন্য পৱম দুৱাচাৱ॥ ৫৪০
নিষ্ঠুৱ বচন হুগুচয় দিনে ৱাতি।
পৱম পাতকী আতি যত অন্ত্য জাতি॥
আনো যত পুত্র দাৱা ধনত নিৱত।
সবাতে অধম আনো আছে যত যত॥ ৫৪১

শ্রীগোবিন্দ পদ পঙ্কজ দুতয়।
তাত যদি শুদ্ধ ভাৱে শৱণ লয়য় ॥
সমস্তে পাপত শুদ্ধ হোৱয় সাক্ষাত।
কহিলো নাৱদ ইটো স্ৱৰূপ তোমাত ॥ ৫৪২
দেৱৰতো উত্তম হৱি কৰুণা সাগৱ।
সাত হস্তে মুকুত হোৱয় চৱাচৱ ॥
যিটো পাপমতি নৱ অতি দুৱাশয়।
তাহান পৱম অপৱাধ আচৱয় ॥ ৫৪৩
ভজিলে তাহাকো ৱক্ষা কৱা দেৱহৱি।
ইটো সত্য নাৱদ জানিবা নিষ্ঠ কৱি ॥
সৰ্ব্ব অপৱাধ যদি কৱিয়া থাকয়।
সৱাকো এৱাইবে কৱি হৱিক আশ্রয় ॥ ৫৪৪
পশুতো অধম পাপমতি যিটো নৱে।
হৱিৱো পৱম অপৱাধক আচৱে ॥
সিয়ো যেৱে কৱে তান নামক আশ্রয়।
হৱিদ্রোহ পাতকত হস্তে নিস্তৱয় ॥ ৫৪৫
সমস্তৱে পৱম সুহৃদ হৱি নাম।
সুমৱন্তে সাধে ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥
তাৱো অপৱাধ কৱে যিটো মন্দ মতি।
নিশ্চয়ে জানিবা সিটো যাইবে অধোগতি ॥ ৫৪৬
পুছিলন্ত শুনিয়া নাৱদ মহামতি।
শুনিয়ো মুনীন্দ্র মোত কহিয়ো সম্প্রতি ॥
সিটো কোন কোন আতি অপৱাধ চয়।
ভগৱন্ত নামৱ দ্রোহক আচৱয় ॥ ৫৪৭
মনুষ্যৱ নিৱন্তৱে পুণ্য কৱে ছন্ন।
পুনৱপি কৱে আতি প্রাকৃত লক্ষণ ॥
সনত কুমাৱে শুনি দিলন্ত উত্তৱ।
নাম অপৱাধ কহোঁ শুনা মুনিৱৱ ॥ ৫৪৮
মহন্ত সৱক নিন্দা কৱে যিটো নৱ।
নামৱ পৱম অপৱাধ শ্রেষ্ঠতৱ ॥
নামৱ প্রখ্যাত আতি হোৱে যাত হস্তে।
নামেকি সহিবে পাৱে তাহাক নিন্দন্তে ॥ ৫৪৯
শিৱৱ বিষ্ণুৱ যত গুণ নাম চয়।
তাক ভেদ বুদ্ধি কৱে যিটো দুৱাশয় ॥
জানিবা নামৱ ইটো অপৱাধ অতি।
আপোনাক আপুনি কৱিলে সিটো শাস্তি ॥ ৫৫০
যিটো উপদেশ দাতা গুৰুক নিন্দয়।
জানা সিটো নাম অপৱাধ আতিশয় ॥
ৱেদ শাস্ত্র নিন্দা কৱে যিটো নৱাধম।
নাম অপৱাধী আৱ নাহি আক সম ॥ ৫৫১
নসহয় গাৱে শুনি নামৱ মহত।
কৱে অৰ্থ ৱাদ অতি হৱিৱ নামত ॥
নামেকি এতেক কাৰ্য্য সাধিবাক পাৱে।
এহি বুলি নামক নসহে দুৱাচাৱে ॥ ৫৫২
জানিবা নামৱো ইটো অপৱাধ আতি।
দূতে নিয়া নৱকত কৱিবেক শাস্তি ॥
নামৱ ৱলত থাকি পাপ আচৱয়।
তাক যম নিয়মেয়ো শুদ্ধ নকৱয় ॥ ৫৫৩
সিটো মহা অপৱাধ জানিবা নামৱ।
নৱক যাতনা ভুঞ্জিবেক নিৱন্তৱ।
ধৰ্ম্মৱ্রত দান হোম আদি কৱি যত।
নানা ৱিধ শুভ ক্রিয়া আছয় লোকত ॥ ৫৫৪
প্রমাদত নামে সমে কৱয় সমান।
নাম অপৱাধী সিটো জানিবা প্রধান ॥
নপাতয় কাণ শ্রদ্ধা নাই লৱ লেশ।
তাকো যিটো জনে দেই নাম উপদেশ ॥ ৫৫৫
সিয়ো নাম অপৱাধী জানিবা নিশ্চয়।
আপোনাৱ দোষে দুঃখ পাৱে দুৱাশয় ॥
শুনিয়া নামৱ মহা মহিমা পৱম।
তথাপি নামত প্রীতি নকৱে অধম ॥ ৫৫৬
নাম অপৱাধী ইটো পৱম দুৰ্ঘোৱ।
নৱক যাতনা ভুঞ্জি নপাইবেক ওৱ ॥
নামৱ মহিমা শুনি কানো নপাতয়।
আপোনাৱ মহত আপুনি ৱখানয় ॥ ৫৫৭
আমাত কৱিয়া ইসি ভক্ত অতিশয়।
এহি বুলি হৱি ভকতক বিকৰ্থয় ॥
নাম অপৱাধী ইটো জানিবা প্রত্যেক।
নানান নিকাৱ দুঃখ ভুঞ্জয় অনেক ॥ ৫৫৮
এহি দশ অপৱাধ হৱিৱ নামৱ।
নিশ্চয় কৱিয়া জানিবাহা মুনিৱৱ ॥
কৃপায়ে শঙ্কৱে আক কহিলা আমাত।
আনো মহা মুনি সব আছিল সাক্ষাত ॥ ৫৫৯
হৱিৱ নামেসে মুনি জানিবা নিশ্চয়।
মনুষ্যৱ নিৱন্তৱে মোক্ষক সাধয় ॥
হেনয় নামৱ অপৱাধ যত যত।
তেখনে ৱৰ্ত্তিব আক শুনিল মাত্রত ॥ ৫৬০
শুনি নাম অপৱাধ যিটো নৱৰ্জ্জয়।
সংসাৱ দুঃখত খেদ পাইব অতিশয় ॥
মাতৃক ক্রোধিয়া অন্ন নকৱি ভোজন।
ক্ষুধাৱ পীড়াত দুঃখ পাৱে শিশুগণ ॥ ৫৬১
তুমিয়ো তেজিয়ো নাম অপৱাধ গণ।
হৱিৱ নামত মাত্র কৱিয়ো যতন ॥
নামেসে পুৱিব তযু যত মনোনিত।
নপাইবা আনত হস্তে সুখ কদাচিত ॥ ৫৬২

নাম অপৱাধ চয় শুনি নিৱন্তৱে।
পুনৱপি পুছিলা নাৱদ মুনিৱৱে ॥
কহিয়োক মুনি তুমি মোৱ ৱিদ্যমানে।
ৱিষয়ক মাত্র যাৱা প্রিয় বুলি মানে ॥ ৫৬৩
জ্ঞান ৱিৱকতি ৱিৱর্জ্জিত নিৱন্তৱ।
দেহ পুত্র ভার্য্যা ধন তাতে ততপৱ ॥
ইটো মহা ঘোৱ নাম অপৱাধ চয়।
কিমতে তাৱাক পৱাভৱ নকৱয় ॥ ৫৬৪
সনত কুমাৱে নাৱদৱ প্রশ্ন শুনি।
দিলন্ত সিদ্ধান্ত পাছে আৰু মনে গুনি ॥
শুনিয়ো নাৱদ তুমি পৱম মহন্ত।
নাম অপৱাধীক হৱিয়ো নৱাখন্ত ॥ ৫৬৫
হৱিৱো পৱম দ্রোহী যিসব নিষ্ফল।
তাসম্বাকো ৱাখে নামে দেখা কেন বল ॥
হেনয় নামৱ অপৱাধী যিটো নৱ।
নামেসে কেৱলে ৱাখে জানা মুনিৱৱ ॥ ৫৬৬
নামত কেৱলে মাত্র পশিয়া শৱণ।
নামকেসে কীৰ্ত্তন কৱিব সৰ্ব্বক্ষণ ॥
অৱিশ্রান্তে হৱিষ নামক সুমৱন্তে।
হৈৱেক মুকুত নাম অপৱাধ হন্তে ॥ ৫৬৭
শুনিয়ো নাৱদ ইটো স্ৱৰূপ ৱচন।
নাম অপৱাধ হীন ভৈল যিটো জন ॥
ৱিস্তৱ লৈৱেক নাম নলাগে তাহাৱ।
এক হৱি নামে কৱে সংসাৱ নিস্তাৱ ॥ ৫৬৮
শুদ্ধাশুদ্ধ ৱর্ণ নাহি ৱিচাৱ নামত।
শুনে ৱা বোলে ৱা নাম স্মৱে ৱা মনত ॥
এতেকতে হৱি নাম কৱাৱে মোচন।
ইটো সত্য নিশ্চয়ে জানিবা তপোধন ॥ ৫৬৯
দেহ পুত্র দাৱা ধন ইহাৱ নিমিত্তে।
নানা ৱিধ নিষেধ আচৱে প্রতি নিতে ॥
তাৱা যদি সেহি নাম কীৰ্ত্তন কৱয়।
জানা তাসম্বাৱ শীঘ্রে ফল নধৱয় ॥ ৫৭০
পৱম ৱহস্য ইটো নামৱ মহত।
শঙ্কৱত হস্তে মঞি শুনিলোঁ পূৰ্ব্বত ॥
সমস্তে অশুভ যত তাহাকো হৱয়।
নাম অপৱাধ ঘোৱ তাকো নিৱাৱয় ॥ ৫৭১
যিটো ৱিষ্ণু নাম অপৱাধী আতিশয়।
পাঠ মাত্রকতে তাসম্বাৱ মোক্ষ হয় ॥
পৱম মহিমা শুনা ৱিষ্ণুৱ নামৱ।
যিটো জনে কীৰ্ত্তন কৱয় নিৱন্তৱ ॥ ৫৭২
সি জনৱ সাত গোটা কাৰ্য্য সাধে আতি।
দেঞো প্রতি প্রতি লেখা শুনা কান পাতি ॥
প্রথমতে নিৱন্তৱে পাপক হৱয়।
ওপজারে সংসাৱৱ যত পুণ্য চয় ॥ ৫৭৩
স্ৱর্গ আদি থান ভোগ আছয় যতেক।
তাত হন্তে ৱিৱকতি মিলারে প্রত্যেক ॥
হৱিসে পৱম গুৰু ইটো জগতৱ।
তান শ্রীপদ যুগ মহা মনোহৱ ॥ ৫৭৪
তাহাত পৱম প্রেম ভক্তি উপজারে।
ৱিষ্ণুৱ পৱম তত্ত্ব জ্ঞান সুখে পারে ॥
সংসাৱ ভ্রান্তিৱ বীজ মায়াসে নিশ্চয়।
হৱিনাম ৱহ্নি তাক দগধ কৱয় ॥ ৫৭৫
মহন্ত পুৰুষ পূৰ্ণানন্দ দেৱ হৱি।
তেন্তে এৱে পুৰুষক থরে এক কৱি ॥
তেৱেসে হৱিৱ নাম হোৱে উপশান্ত।
নামৱ মহিমা ইটো কহিলোঁ একান্ত ॥ ৫৭৬
হেন জানি কৱা ৱতি নাম কীৰ্ত্তনত।
নাম অপৱাধ গ্রন্থ ভৈল সমাপত ॥
ইটো শ্লোক চয় নাহি নাম মালিকাত।
তথাপি কৱিলো পদ দুদুষিবা আত ॥ ৫৭৭
পদ কৱিবাক মোক বুলিলা মহন্তে।
আত যেন দোষ ক্ষমন্তোক ভগৱন্তে ॥
যাৱা সৱে ইটো নাম মালিকা ৱচিল ॥
তাৱা সৱে যেন আৱ মহিমা কহিল ॥ ৫৭৮
তাক থিৱ চিত্তে শুনা সভাসদ লোক।
কৃষ্ণ নাম মালিকা শুনিতে ৱতি হৌক ॥
কৃষ্ণ আদি কৱি নাম কৱয় ৱিস্তাৱ।
হেন নাম মালিকা ৱচিল গ্রন্থসাৱ ॥ ৫৭৯
আক যিটো জনে কণ্ঠ ভূষণ কৱয়।
সিজনৱ নাহি আৱ কদাচিতো ভয় ॥
হৱি নাম মালিকা ৱচিল মহাজনে।
ইটো মালা যাৱ কণ্ঠে শোভে সৰ্ব্বক্ষণে ॥ ৫৮০
সিটো সংসাৱত আৱ মৱি নুপজয়।
গুচয় সমস্তে ক্লেশ কৃতার্থ হোৱয় ॥
যেহেন ৱণিয়াগণে অনেক যতনে।
গঢ়য় ৱিচিত্র মালা সুৱর্ণে ৱতনে ॥ ৫৮১
সেহিমতে অনেক গ্রন্থক মহাজনে।
ৱিচাৰি আনিল সাৱ অনেক যতনে ॥
গ্রন্থিলা নামৱ মালা অতি সুৱিচিত্র।
সমস্তৱে মোক্ষ দাতা পৱম পৱিত্র ॥ ৫৮২
ইটো নাম মালিকা পুস্তক বুদ্ধ জন।
সদা পাঠ ৱিচাৱ কৱিয়ো শুদ্ধ মন ॥
শ্রীমন্ত পুৰুষোত্তম দেৱ গজ পতি।
পৱম মহন্ত অতিশয় শুদ্ধ মতি ॥ ৫৮৩
তাহান সংগ্রহ ইটো অতি মনোগত।
হৱি নাম মালিকা সম্পূর্ণে সমাপত ॥

শুনা সভাসদ দুঃখ হৌক উপশম।
পৱম হৰিষে ডাকি বোলা ৰাম ৰাম ॥ ৫৮৪

দুলৰী।

জয় জয় লক্ষ্মী নাৰায়ণ মহা
নৃপতিৰ অগ্রগণি।
যাহাৰ নির্ম্মল যশশ্যা সকলে
ঢাকিল ইটো ধৱণী ॥
বুদ্ধিত সুথিৰ নির্ম্মল শৰীৰ
সাগৰ যেন গম্ভীৰ।
ধর্ম্মময় চিত্ত জগতে বিদিত
সমস্ত গুণ মন্দিৰ ॥ ৫৮৫
জানি শাস্ত্রতত্ত্ব ঈশ্বৰ কৃষ্ণত
যাহাৰ একান্ত মন।
কৈবো গুণ কত যাহাৰ মুখত
ঘুগুচে হৰি কীর্ত্তন ॥
যিটো দয়াময় উপ ধর্ম্ম চয়
কৰিয়া দূৰ সম্প্রতি।
দণ্ডি পাষণ্ডক সমস্তে লোকক
কৰান্ত হৰি ভকতি ॥ ৫৮৬
যাৰ প্রসাদত ইটোলক যত
ঈশ্বৰ কৃষ্ণৰ পাৱে।
কৰি এক মন কৃষ্ণৰ কীর্ত্তন
কৰয় শুদ্ধ স্বভাৱে ॥
ৰাজনীতি ধর্ম্মে থাকিয়া সদায়
প্রজা কৰি প্রতিপাল।
কৃষ্ণৰ ভকতি প্রচাৰি সৱংশে
জীৱন্তোক চিৰকাল ॥ ৫৮৭
তানে মহা পাত্র নামে বিরুপাক্ষ
সমস্ত গুণ সাগৰ।
যাহাৰ সভাত ঘুগুচে সাক্ষাত
বিচাৰ শত শাস্ত্রৰ ॥
অতি শুদ্ধ বুদ্ধ নাহি কাম ক্রোধ
পৱম নির্ম্মল মতি।
বুদ্ধি শাস্ত্র তত্ত্ব ঈশ্বৰ কৃষ্ণত
কৰন্ত মাত্র ভকতি ॥ ৫৮৮
ধর্ম্ম অনুপম মাধৱৰ নাম
জানিয়া আৰ মহত।
আপুনিও লন্ত আনকো লৱান্ত
হৰি নাম নিত্যাগত ॥
করুণা সদন পাষণ্ড মর্দ্দন
মাহিকে যাৰ সমান।

যাহাৰ ভয়ত পাষণ্ড সমস্ত
কাম্পো তৰ তৰি মান ॥ ৫৮৯
যাৰ প্রসাদত কৃষ্ণত ভকতি
কৰে আমো যত লোক।
পাতক প্রমাদে হৰিৰ প্রসাদে
চিৰকাল জীৱন্তোক ॥
সদয় হৃদয় তেন্তে মহাশয়
দিলা তাক অনুমতি।
সর্ব্ব শাস্ত্র সাৰ নাম মালিকাৰ
পদ কৰিবাক প্রতি ॥ ৫৯০
তান আজ্ঞা বাণী মনে অনুমানি
কৰিয়া গ্রন্থ বিচাৰ।
যেন লৈলে মনে পৱম যতনে
ৰচিলো আমি পয়াৰ ॥
শুনা বুদ্ধ লোক ক্ষমিয়োক মোক
পদত দেখি দূষণ।
মহন্তৰ সৱৰ মহা মনোহৰ
ক্ষমাসে মাত্র ভূষণ ॥ ৫৯১
মনুষ্য লোকত মোত পৱে মহা
মূর্খ নাহি আন জন।
তাহি একো গুণ নুহিকো নিপুন
অতিশয় কুণ্ঠ মন ॥
কৃষ্ণৰ প্রসাদে গুৰু সুপ্রসাদে
তথাপি ৰচিলো পদ।
আমাৰ দোষক ক্ষমি একমনে
শুনিয়োক সভাসদ ॥ ৫৯২
পদ ৰচনাত যিদোষ দেখাহা
তেজিয়া তাক সকল।
কুশলৰ অর্থে কৰিয়ো গ্রহণ
কৃষ্ণৰ নাম মঙ্গল ॥
পৱম নির্ম্মল যদি গঙ্গাজল
মৃতিকা পাত্রে থাকয়।
পাত্রৰ দোষত থাকি গঙ্গাজল
কমনে তেজি আছয় ॥ ৫৯৩
মোৰ পদ ভৈল মৃতিকাৰ পাত্র
গঙ্গাজল হৰি নাম।
পাত্র দোৱ তেজি শুনিয়ো উৎসুকে
যাৰ মুকুতিক কাম ॥
গ্রন্থ বহির্ভূত যিটো বঢ়া দেখা
নেদিবা দোৱ ইহাত।
ব্যাসমহা কবি তেন্তো প্রসঙ্গত
ৰঞ্জনা দেন্ত কথাত ॥ ৫৯৪

শ্লোকৰ অর্থত অন্তৰ দেখিয়া
নকৰিৱা অসন্তোষ।
ভ্রান্তি আশৱতি আশয় প্রমাদে
পুরুষৰ চাৰি দোষ ॥
ইসব দোষত থাকিয়া হঠাতে
আনত আন আশয়।
আৰু আমি মহা মূর্খ হেন জানি
ক্ষমিবাক যোগ্য হয় ॥ ৫৯৫
হৰিৰ নামৰ উচ্চ নিচ নানা
শুনিলাহা ফল যত।
সকাম নিস্কাম পাত্র অনুসাৱে
কহিলা ঋষি সমস্ত।
নিস্কামী সৱৰ এক গোটাফল
কেৱলে হৰি কীর্ত্তন।
বুদ্ধি অনুসাৱে নানা বিধ কাম
কৱে নানা বিজ্ঞজন ॥ ৫৯৬
সমস্তে পাপৰ প্রায়শ্চিত্ত হেতু
কতো লোয়ে হৰিনাম।
কতো পুণ্য ফল প্রপতিৰ হেতু
কৱে মুকুতিক কাম ॥
এহি নানাবিধ পাত্রক দেখিয়া
শাস্ত্র কর্ত্তা নিৰন্তৰ।
অনেক প্রকাৱে কৰিলা নিবন্ধ
মহিমা হৰি নামৰ ॥ ৫৯৭
সীমা ফল শ্রুতি দেখায়ো লোকক
কৰাইলা শ্রদ্ধা নামত।
কামনাক সিদ্ধ কৰি মহা সুখে
মুকুতি পাইব পাচত ॥
অন্যত্র প্রকাৱে যদি কদাচিত
কামনা সিদ্ধ কৰয়।
সংসাৱতে ভ্রমি মৱে কদাচিতো
তৰিবাক নপাৱয় ॥ ৫৯৮
হেন জানি সভা সদ নিৰন্তৱে
কৰিয়ো মতি নামত।
আত পৱে ধর্ম্ম নাই নাই নাই
দুর্ঘোৰ ইটো কলিত ॥
যদি পাপী কলি সমস্তে ধর্ম্মক
কৰিলে দূৰ সম্প্রতি।
হৰি কীর্ত্তনৰ ওচৰে যাইবাক
নাহিকে তাৰ শকতি ॥ ৫৯৯
এহি হেতু ইটো কলিত প্রধান
ভৈল মাধৱৰ নাম।

মহা পাপী অন্ত্য জাতিয়ো কীর্ত্তন
কৰি পাৱে মোক্ষ কাম ॥
কলি দোষ আদি একোয়ে বিঘিনি
নাহিকে হৰি নামত।
যতেক বিঘিনি আছে সংসাৱত
নামে কৱে সবে হত ॥ ৬০০
বিঘিনি বর্জিত হৰিৰ নামত
লৈয়োক সবে শৰণ।
অথিৰ জীৱন কাৰ কেতিক্ষণ
মিলয় আসি মৱণ ॥
ভাৱত ভূমিত কলিৰ যুগত
দুর্ল্লভ মনুষ্য কায়া।
আক পায়া যিটো কীর্ত্তন নকৱে
তাক বঞ্চে বিষ্ণুমায়া ॥ ৬০১
কৰি কৃতাঞ্জলি বোলোহোঁ মিনতি
শুনিয়োক সর্ব্বলোক।
হৰিৰ নামক কৰিয়ো কীর্ত্তন
জনম সাফল হৌক ॥
যতেক দেখাহা পুত্র দাৰা ধন
বিজুলী যেন চঞ্চল।
এতিক্ষণে আছে এতিক্ষণে নাই
বিনাশী ইটো সকল ॥ ৬০২
ইহাৰ আগত নকৰিয়ো ব্যর্থ
দুর্ল্লভ মনুষ্য তনু।
কৌটি কৌটি কল্প ময়ন্তৱো আৰ
আক নপাইবা পুনু ॥
হেন জানি আন আশা দূৰ কৰি
হৰিত লৈয়ো শৰণ।
সর্ব্ব শিৱোমণি হৰিৰ নামক
কৰিয়ো মাত্র কীর্ত্তন ॥ ৬০৩
নমো নমো কৃষ্ণ প্রভু কৃপাময়
দেৱোৱো দেৱ প্রধান।
সর্ব্বভাৱে তযু পাৱে নমস্কাৰ
কৱো লক্ষকৌটি মান ॥
বুদ্ধিত থাকিয়া যেন অনুমতি
দিলা তুমি কৃপাময়।
সেহি অনুসাৱে তোমাৰ নামৰ
বিৰছিলো পদ চয় ॥ ৬০৪
নামক বর্ণনা কৰন্তে আমাৰ
পৱিল ছিদ্র যতেক।
নিজ কৃপাগুণে সন্তোষে আপুনে
ক্ষমিয়ো তাক প্রত্যেক ॥

আপুনি বুলিছা মোহোৰ নামক
যি জনে কীৰ্ত্তন কৰে।
তাহাৰ যতেক অপৰাধ সিয়ো
ক্ষমা কৰে নিৰন্তৰে ॥ ৬০৫
তাকে জানি তযু নামক বৰ্ণনা
কৰিলো জানি নজানি।
ইহাত আমাৰ অপৰাধ ক্ষমা
কৰিয়োক চক্রপাণি ॥
মোৰ দুৰাচাৰ ভকতো কৃতার্থ
হোৱে বুলি আছা বাণী।

মঞি মহা দুৰা চাৰ তযু পাৱে
শৰণ পশিলো জানি ॥ ৬০৬
আপোনাৰ নিজ বাণী সত্যকৰি
নৱঞ্চিবা প্রভু মোক।
মোৰ আন কাম নাহি তযু পাৱে
নির্ম্মল ৰতি মিলোক ॥
যেন সর্ব্বক্ষণে আমাৰ বদনে
নছাড়ে তোমাৰ নাম।
এহি অনুগ্রহ কৰিয়োক মোক
ডাকি বোলা ৰাম ৰাম ॥ ৬০৭

(নাম-মালিকা সমাপ্ত)

ৰাজসূয়

শ্রীকৃষ্ণায় নমঃ।

ৰাচকঃ প্রণবো যস্য ক্রীড়াৱস্থাখিলং জগৎ।
শ্রুতিৰাজ্ঞা বপুর্জ্ঞানং তং বন্দে দৈৱকীসুতং।

পদ

জয় জয় কৃষ্ণ জ্ঞানময় কলেৱৰ।
চাৰি বেদে যাৰ আজ্ঞা বাণী নিৰন্তৰ ॥
নিখিল ব্রহ্মাণ্ড ক্রীড়া ভাণ্ড ভৈল যাৰ।
হেনয় কৃষ্ণক কোটি কোটি নমস্কাৰ ॥ ১
জয় নমো নাৰায়ণ দৈৱকী নন্দন।
ব্রহ্মা আদি কৰে যাৰ চৱণে বন্দন ॥
মহা মহা পাপী তৰে যাক সুমৱণে।
সদায় প্রণামো তান অকৃণ চৱণে ॥ ২
চৱাচৰ আত্মা কৃষ্ণ দেৱতাৱো দেৱ।
হেনয় কৃষ্ণক কৱো লক্ষ কোটি সেৱ ॥
গুৰুৰ চৱণে মনে কৰি নমস্কাৰ।
মাধৱে ৰচিল কৃষ্ণ চৰিত্র পয়াৰ ॥ ৩
কৃষ্ণৰ কীৰ্ত্তন মহা মাঙ্গল্য আচৰি।
গুৰু কৃপা উপদেশ শিৱোগত কৰি ॥
ৰিৰচিৱো কৃষ্ণ লীলা যেন লৱে মনে।
আৱন্তৰ সিদ্ধিহৌক কৃষ্ণক স্মৱণে ॥ ৪
যেন মতে কৃষ্ণে ভকতিত বশ্য হুই।
যুধিষ্ঠিৰ ৰাজাৰ কৰাইলা ৰাজসূয় ॥
জৰাসন্ধ ৰধি সাধি নিজ প্রয়োজন।
ভক্ত ৰাজা সমস্তক কৰাইলা মোচন ॥ ৫
লক্ষেক নৃপতি জিনি এক থান কৰি।
সভা মধ্যে শিশুপাল ৰাজাক সংহৰি ॥
যিমতে কৰাইলা অৱভৃথ অভিষেক।
সিসৱ কথাৰ পদ ৰচিৱো প্রত্যেক ॥ ৬
শুনা সভাসদ বোলো কৃতাঞ্জলি হুই।
পৱম গহন কথা ৰাজ ৰাজসূয় ॥

অল্প মতি হুয়া মহা কৰিলো আৱম্ভ।
তুমিসৱে আত নকৰিবা উপালম্ভ ॥ ৭
ক্ষমাসে ভুৱন মহা মহন্ত জনৰ।
তুমি সৱ মহাগুণী বুদ্ধিত সাগৰ ॥
মূর্খৰ পদৰ দূষণত নেদি চিত।
কৰা পান কৃষ্ণ কথা পৱম অমৃত ॥ ৮
মধু মাখি সৱ বিদ্যা ৰূপে গুণে হীন।
সুখে মাত্র মধু সাঞি আছে অনুদিন ॥
সুন্দৰ আকৃতি জাতি তাহাৰ নেদেখি।
কমন মহন্তে আছে মধুক উপেক্ষি ॥ ৯
মোৰ পদ ভৈল মধু মাখি সমসৱ।
কৃষ্ণৰ চৰিত্র মহা মধু পটন্তৰ ॥
হেনজানি কৃষ্ণৰ চৰিত্র কৰা সাৰ।
শ্রৱণতে তৰি সুখে দুর্ঘোৰ সংসাৰ ॥ ১০
মহাভাগৱত পদ সাক্ষাতে অমৃত।
আনো শাস্ত্র মত কিছু কৰিবো মিশ্রিত ॥
অন্তে অন্তে ৱসে আতি হৈবে মনোৰম।
যেন চেনি মিশ্রে দুগ্ধ স্বাদত উত্তম ॥ ১১
ৰাজসুয় কথা পাছে কহো অনুক্রমে।
কথাৰ প্রস্তাৱ যেন শুনিও প্রথমে ॥
শুকমুনি পৰীক্ষিত ৰাজাত কহিলা।
যেনমতে হৰি গৃহাশ্রমত ক্রীড়িলা ॥ ১২
সাগৰ মধ্যত প্রভু পুরুষ পুৰাণ।
দিব্য মনোহৰ পুৰি কৰিলা নির্ম্মাণ ॥
দ্বিতীয় ৱৈকুণ্ঠ সিটো কৃষ্ণৰ নগৰ।
ত্রিভুৱন মধ্যে নাহি যাক পতন্তৰ ॥ ১৩
দীর্ঘে প্রস্থে জুৰি আছে দ্বাদশ যোজন।
আছোক মনুষ্য দেৱতাৱো দুর্গমন ॥
সুৱর্ণৰ গড় বান্ধি হীৰাৰ দুৱাৰ।
ফটিক কপাত যত লোহাৰ হাঙ্গাৰ ॥ ১৪
দীর্ঘে সৱোৱৰ আলি চৌপন্থা পদুলি।
বিচিত্র চত্বৰ বহুবিধ ৰত্ন স্থলি ॥

উপবন আবাম অনেক পুষ্প বাতি।
শুদ্ধ সুবর্ন্নৰ গৃহ নগৰ চৌহাটি ॥ ১৫
অপুনি নির্ম্মিলা কৃষ্ণে নিজ যোগ বলে।
কমন মনুষ্যে তাক বর্ণাইব সকলে।
ৰত্নমণিময় কামে কৰে জাতিস্কাৰ।
কৃষ্ণৰ আবাস দিব্য ষোড়শ হাজাৰ ॥ ১৬
একে একে গৃহ যেন কৈলাস শিখৰ।
অসঙ্খ্যাত সূর্য্য যেন জ্বলৈ নিৰন্তৰ ॥
হীৰা মৰকত মণিময় বত্ন কাযে।
শাৰী শাৰী গৃহ সব জ্বলে বাসে বাসে ॥ ১৭
বিশ্বকর্ম্মে শিল্পি কর্ম্ম জানন্ত যতেক।
কৃষ্ণৰ আৱাসে তাৰ দেখিয় প্রত্যেক ॥
দিব্য মনোহৰ গৃহে জগত আধাৰ।
দেখাই মনুষ্যৰ লীলা ক্রীড়িলা অপাৰ ॥ ১৮
ৰুক্মিনী প্রমুখ্যে কন্যা ষোড়শ হাজাৰ।
পৰম সুন্দৰী ত্রিভুবন মধ্যে সাৰ ॥
কৃষ্ণৰ মহিষী ৰূপে নাহি পটন্তৰ।
কটাক্ষতে মন মোহ মিলে মদনৰ ॥ ১৯
হেন ভার্য্যা সঙ্গে ৰঙ্গে কৃষ্ণ কৃপাময়।
কৰিলা অনেক কেলি মনুষ্যৰ নয়।
কৃষ্ণৰ লীলাক কোনে বর্ণাবে শকত।
কৰন্ত শয়ন ৰত্নময় আসনত ॥ ২০
বিচিত্র বহল হংস তুলি মনোহৰ।
দুগ্ধফেন সম সুকোমল নিৰন্তৰ ॥
কচিকৰ চন্দ্রতাপ উপৰে প্রকাশে।
মুকুতা মুৰালি খোপা হালয় বতাসে ॥ ২১
হেনয় সাক্ষাত হৰি কৰন্ত বিহাৰ।
ৰত্নৰ প্রদীপচয় প্রকাশে অপাৰ ॥
প্রিয়াৰ কণ্ঠত আলিঙ্গিয়া বাহুমেলি।
কৰন্ত অনঙ্গ ৰস কৌতুহলে কেলি ॥ ২২
কৃষ্ণ আলিঙ্গনে সন্তোষ মনমথ।
নিৰন্তৰে নাৰী পূৰিলন্ত মনোৰথ ॥
কৃষ্ণৰ পৰসে ৰতি ৰঙ্গ মিলে অতি।
কৃষ্ণৰ অধৰ মধু পিয়ে মুখ পাতি ॥ ২৩
যদি আত্মাৰাম পূর্ণকাম ভগৱন্ত।
ভকতৰ মনোৰথ তথাপি পূৰন্ত ॥
ইসব সুখত স্পৃহা নাহিকে কিঞ্চিত।
নাপাবিলা নাৰী গণে কৃষ্ণক মুহিত ॥ ২৪
যেতিক্ষণে কৃষ্ণে যোগ মায়াক আগ্রহি।
মনুষ্য চেষ্টাক দেখাই থাকা লীলাকৰি ॥
কৃষ্ণৰ আলাপে হীন হুয়া নাৰীগণ।
মোহ হুয়া কৰে কৃষ্ণ চৰিত্র কীর্ত্তন ॥ ২৫

অনন্তৰে হোৱে আসি ৰজনী প্রসন্ন।
পুষ্পিত বনত ৰৱে তেজে পক্ষীগণ।
লক্ষ লক্ষ মলয় বহয় নিৰন্তৰ।
পুষ্প চুম্পি গীত যেন গাৱয় ভ্রমৰ ॥ ২৬
মনয় আনন্দ মৈৰা কোকিলৰ ৰাৱে।
নট ভাট সবে যেন কৃষ্ণক জগাৱে ॥
কৃষ্ণে বাহু মেলি আলিঙ্গিয়া আছা গলে।
সুতিয়া আছন্ত সুখে মহিষী সকলে ॥ ২৭
উষা সময়ত কৰে কুকুৰা আৰাৱ।
শুনি নসহয় অতি তাসম্বাৰ গাৱ ॥
পাপীষ্ঠ কুকুৰা ৰাৱ তেজে এতিক্ষণে।
আমাক তেজিবা প্রিয়তম নাৰায়ণে ॥ ২৮
প্রভাত জানিয়া কোপে ৰাত্রিকো শপন্ত।
ব্রাহ্ম্য মুহূর্ত্তত গাৱ চালা ভগৱন্ত ॥
প্রিয়তম কৃষ্ণসমে নাপাই আলাপক।
নসহন্ত নাৰীগণে সিতো মুহূর্ত্তক ॥ ২৯
মনুষ্যৰ আচাৰ আচৰি নাৰায়ণ।
কৰি সমাপত যত শৌচৰ লক্ষণ ॥
যাৱত দুহিকে ভালে ৰজনী প্রভাত।
তাৱে আপুনাকে চিন্তি থাকন্ত সাক্ষাত ॥ ৩০
উপাধি বহতি জ্যোতি ৰূপ আত্মা এক।
সমস্তকে ব্যাপি আছা আপুনি প্রত্যেক ॥
চিদানন্দ পূর্ণ সত্য নিত্য নিৰন্তৰ।
মোহোৰ প্রকাশে প্রকাশয় চৰাচৰ ॥ ৩১
সৃষ্টি স্থিতি প্রলয়ৰো কাৰণ সাক্ষাত।
জীৱৰো অবিদ্যা গুছে মোহোৰ সেৱাত ॥
নোচৱয় মোক দোষ গুণে জগতৰ।
পৰম ঈশ্বৰময় প্রকৃতিতো পৰ ॥ ৩২
আপোনাৰ বোধে মঞিঁ আপোনি সংযমি।
অন্তর্য্যামি ৰূপে আছা জীৱক নিয়মি ॥
আপোন শকতি নিজ মায়া বশ্যকৰি।
আপোনাকে থাকন্ত আপুনি চিন্তিহৰি ॥ ৩৩
অনন্তৰে কৰি হৰি ধ্যান সমাপত।
যথাবিধি কৰি স্নান পৰিত্র জলত ॥
সন্ধ্যা উপাসনা সমর্পিয়া নাৰায়ণ।
জলদানে তর্পি দেৱ ঋষি পিতৃগণ ॥ ৩৪
বিচিত্র পৰিত্র বস্ত্র পিন্ধি অনন্তৰে।
বলি বিশ্বদেৱ যাগ কৰি দামোদৰে ॥
অগ্নিহোত্র কৰি পাছে জগতৰ বাপ।
বাক্য মন নিয়মি কৰন্ত মন্ত্র জপ ॥ ৩৫
দেৱ ঋষি পিতৃ বৃদ্ধসবক অর্চ্চন্ত।
পূজা অবসানে আদিত্যক অর্ঘ দেন্ত ॥

অনন্তৰে গৈয়া দান দেন্ত ভগৱন্ত।
শুনিয়োক লেখা যত গোদান কৰন্ত ॥ ৩৬
চৌৰাশী অধিক ত্রয়োদশ সহস্রেক।
ঘৰে ঘৰে প্রতিদিনে দিয়ন্ত প্রত্যেক ॥
সুৱর্ণৰ শৃঙ্গ তাম্র পৃষ্ঠ কাংস্যোদৰ।
ৰজতৰ খুৰা পুচ্ছে বিচিত্র চামৰ ॥ ৩৭
গলে ঘণ্টা মুকুতাৰ মালা বিতোপন।
প্রথম প্রসূতা ঘটস্রৱা ধেনুগণ ॥
বিচিত্র বসন গাৱে বাচক লগত।
সুবর্ণ দক্ষিণা তিলে সমে ধেনু যত ॥ ৩৮
বেদবিদ ব্রাহ্মণক অলঙ্কত কৰি।
মনক সন্তোষি দান দেন্ত দেৱহৰি ॥
পৰম আনন্দ মনে জগতৰ স্বামী।
দেৱ দ্বিজ গুৰু গো বৃদ্ধক প্রণামি ॥ ৩৯
আপোনাৰ বিভুতিকো নমি ভগৱন্ত।
কপিলা প্রমুখ্যে মঙ্গলাকো পৰশন্ত ॥
দেৱদ্বিজ বৃষ ঘৃত দর্পণক চাই।
নৈবেদ্য সম্ভাৰ বিভজন্ত যদুৰায় ॥ ৪০
ব্রাহ্মণ সবক প্রথমতে হৃষিকেশ।
পিন্ধাৱন্ত গন্ধ পুষ্প চন্দন বিশেষ ॥
দিব্য বস্ত্র অলঙ্কাৰ তাম্বুল কর্পূৰ।
দেন্ত আনো নানা ভোগ্য নৈবেদ্য প্রচুৰ ॥ ৪১
সুদূৰ আমাত্য বৃদ্ধ আনো যত যত।
সমস্তক অনুক্রমে পাছে বণ্টা দেন্ত ॥
অনপ্যুৰ চাৰি নগৰস্থ যত জাতি।
যাৰ যেন কাম প্রভু পূৰিলন্ত আতি ॥ ৪২
ভার্য্যা পুত্র নাতি সমস্তৰে পূৰি মন।
অনুৰূপে যাক যেন দিয়া নাৰায়ণ ॥
দিব্য পঞ্চামৃত ষড় ৰস যত ভোগ।
আপুনিয়ো গৈয়া কৰিলন্ত উপযোগ ॥ ৪৩
ভূষণৰো ভূষণ সুন্দৰ কলেৱৰ।
নৱলোক বিভূষণ প্রভু দামোদৰ ॥
সিয়ো শৰীৰক দেৱ দৈৱকী নন্দন।
ভূষণ কৰান্ত দিব্য অগৰু চন্দন ॥ ৪৪
পীত বস্ত্র জলে আতি শ্যাম শৰীৰত।
বিজুলি প্রকাশে যেন সজল মেঘত ॥
ৰত্নময় অলঙ্কাৰে কৰে জাতিস্কাৰ।
নির্ম্মল গগণে যেন জ্যোতি কৰে তাৰ ॥ ৪৫
নৱ দিবাকৰ যেন কৌস্তভ গলত।
শ্রীৱৎস পঙ্কতি জলে চাক হৃদয়ত ॥
ত্রৈলোক্যমোহন মহামূকুতি মধুৰ।
কোটি কন্দর্পৰো দর্প দেখি হোৱে চুৰ ॥ ৪৬

ৰুক্মিণী প্রমুখ্যে নিৰন্তৰে নাৰীগণে।
কৃষ্ণ মূর্ত্তি অমৃতক পিয়ন্ত নয়ণে ॥
সলজ্জ কটাক্ষে হাস্য প্রেম নিৰীক্ষণে।
অর্চ্চন্ত কৃষ্ণক নিৰন্তৰে ৰঙ্গমনে ॥ ৪৭
অনন্তৰে মাধৱৰ সাৰথি দাৰুক।
পৰম অদ্ভুত ৰথ জোগাস্ত প্রভুক ॥
সব্য সুগ্রীৱ মেঘ পুষ্প বলাহক।
নিযোজি আছন্ত ৰথে চাৰিও ঘোটক ॥ ৪৮
নানা ৰত্নে বিৰচিত দিব্যৰথ খণ্ড।
বিচিত্র পতাকা সুবর্ণৰ ধ্বজদণ্ড ॥
সাজি আনি সাৰথি বিমান বিপৰীত।
কৃষ্ণক প্রণামি আগে ভৈলা উপস্থিত ॥ ৪৯
দেখি পাছে কৃষ্ণে সাৰথিৰ ধৰি হাতে।
ছৰিলা ৰথত পাছে ত্রৈলোক্যৰ নাথে ॥
উদ্ধৱ সাত্যকি সনে প্রভু দামোদৰ।
উদয় গিৰিত যেন জ্বলন্ত ভাস্কৰ ॥ ৫০
নাৰীগণে মেক হস্তে পাছে নাৰায়ণ।
কটাক্ষে হাসিয়া তাসম্বাৰ হৰি মন ॥
প্রতি প্রতি গৃহহস্তে প্রথমে আসন্ত।
দ্বাৰত দেখিয়া একে মাত্র ভগৱন্ত ॥ ৫১
আগে পাছে অসংখ্য আমাত্যে বেঢ়ি আসি।
চতুর্ভিতি মাধৱক চলন্ত উপাসি ॥
শিৰৰ উপৰে শ্বেত ছত্র জ্যোতি কৰে।
যেন পূর্ণ শশী নীল মেঘৰ উপৰে ॥ ৫২
দুই পাশে বিঞ্চে দুই ধৱল চামৰে।
যেন ৰাজহংস দুই আকাশে সঞ্চৰে ॥
ধীৰে ধীৰে সুধর্ম্মা সভাক চলি যান্ত।
অমৃত কটাক্ষ হাস্যে সমস্তকে চান্ত ॥ ৫৩
বেঢ়ি যাই অসঙ্খ্যাত হয় হস্তী ৰথ।
প্রজাৰ ভিতৰত দলদোপ কৰে পথ ॥
এহিমতে সুধর্ম্মা সভাত প্রৱেশন্ত।
দেৱৰো দেৱতা আদি দেৱ ভগৱন্ত ॥ ৫৪
সুধর্ম্মা সভাৰ কিবা কহিবো মহত।
প্রৱেশিলে যুৱা হোৱে বৃদ্ধগণ যত ॥
মহা চিৰৰোগী সবো পাৱয় সকাশ।
প্রৱেশ মাত্রকে চয় ঊর্ম্মিৰ বিনাশ ॥ ৫৫
মনুষ্যৰ ধর্ম্মে তেজে যাহাত চৰিলে।
দেৱতাৰো প্রীতি আতি তাহতেসে মিলে ॥
একেজন প্রৱেশিলে যাহাৰ মধ্যত।
তাৰ প্রতিবিম্ব লাগে ফটিক তন্তত ॥ ৫৬
প্রতি প্রতি তন্তে তাক দেখিয় প্রত্যেক।
এককে বেঢ়িয়া যেন থাকয় অনেক ॥

বাসৱাৰ সভা বিশ্বকর্ম্মে নির্ম্মিলন্ত।
তাহাৰ মহিমা কোনে কহিবেক অন্ত ॥ ৫৭
হীৰা মৰকত ৰত্ন কাসে জ্যোতি কৰে।
কৃষ্ণক সাদৰে পঠায় দিলা পুৱন্দৰে ॥
ত্রিদশে ক্রীড়িলা যাত মহা কৌতুহলে।
কৃষ্ণৰ প্রসাদে পায়া মনুষ্য সকলে ॥ ৫৮
অহর্নিশে পৰম আনন্দে কেলি কৰে।
তাহাৰ মাজত প্রবেশন্ত দামোদৰে ॥
ৰত্নময় সিংহাসনে প্রভু নাৰায়ণ।
শৰীৰৰ কান্তি কৰে দিশক প্রসন্ন ॥ ৫৯
সভাস্থল জলে যেন দিব্য সৰোৱৰ।
গহীন গম্ভীৰ জন লোক নিৰন্তৰ ॥
কৃষ্ণ ভৈল যেন নীল উৎপল সাক্ষাত।
কুমুদ কমল যদুবীৰগণ তাত ॥ ৬০
ৰাজহংস চৰে যেন ধৱল চামৰ।
হয় হস্তী ভৈল যেন কুম্ভীৰ মগৰ ॥
নটে ভাটে গায়ে চাক কৃষ্ণৰ কীর্ত্তন।
তেজে যেন ৰাৱ জলচৰ পক্ষীগণ ॥ ৬১
কৃষ্ণৰ আগত বিপ্রগণে পঢ়ে বেদ।
হংসৰ আৰাৱ যেন শুনি অবিচ্ছেদ ॥
মৃদঙ্গ গোমুখ শঙ্খ মুকুজ কাহাল।
কদ্রক কৰিলা ঘোষ তাল কৰতাল ॥ ৬২
চতুর্ভিতি বেঢ়ি পঞ্চ শবদ বজাৱে।
সাগৰৰ ঊর্ম্মি যেন উথলয় ৰাৱে ॥
নটী সবে নটে গায়ে গায়ন সকল।
পঢ়ে তুতি নতি কতো কৰয় মঙ্গল ॥ ৬৩
প্রকাশন্ত কৃষ্ণ যদুগণৰ মাজত।
গ্রহণৰ মাজে যেন চন্দ্র আকাশত ॥
সাত্যকি উদ্ধৱ আছা কৃতাঞ্জলি হুই।
চন্দ্রৰ দুই পাশে যেন শুক্র শুক্র দুই ॥ ৬৪
যদুবীৰগণ ভৈল গ্রহগণ সৰি।
সভাত আছন্ত বসি কৃষ্ণক আৱৰি ॥
উপসন্ধিগণে উপকথাক প্রকাশে।
নানা হাস্যৰসে বিভু কৃষ্ণক উপাসে ॥ ৬৫
কতো পুৰাতন পুণ্য ৰাজা সকলৰ।
পৰম পবিত্র যশ কহে নিৰন্তৰ ॥
পুৰাণ কাহিনী শুনি মিলে মহোৎসৱ।
প্রসন্ন বদনে কতো কৰে হৰি হৰিষৱ ॥ ৬৬
চিন্ন চৌণ্ডা ধ্বজ কতো নচুৱাৱে তুলি।
নমাৱয় মাথা কতো জয় কৃষ্ণ বুলি ॥
কৰয় প্রার্থনা কতো প্রার্থক সকলে।
যেই যিবা খোজে দেন্ত কৃষ্ণে কৌতুহলে ॥ ৬৭

কৃষ্ণৰ মধুৰ মূর্ত্তি নেত্রে কৰি পান।
আছে প্রাণীগণ যোগী যেন কৰি ধ্যান ॥
উদ্ধৱ সাত্যকি নন্দ সুনন্দ প্রমুখ্যে।
কৃষ্ণৰ চৰণ চিন্তি বসি আছে সুখে ॥ ৬৮
প্রসন্ন বদনে হৰি চান্ত চতুর্ভিতি।
অমৃত বৰিষি যেন কৰন্ত তৃপিতি ॥
গহীন গম্ভীৰ বাক্য অমৃত সমান।
কর্ণাঞ্জলি ভৰি আতি প্রজা কৰে পান ॥ ৬৯
পৰম ঈশ্বৰ কৃষ্ণ জগত নিবাস।
কৰতে আছয় শত্রু কৌটিৰো বিনাশ ॥
আপোনাৰ কান্তি কোটি চন্দ্রমাকো গঞ্জি।
বসিয়া আছন্ত প্রভু সমজ্যাকে বঞ্জি ॥ ৭০
নমো নমো নাৰায়ণ নিত্য নিৰঞ্জন।
প্রণত পালক ভৱভয় বিভঞ্জন ॥
যাৰ কৃপালেশে সিদ্ধি হোৱে মনস্কাম।
হেন জানি নিৰন্তৰে বোলা ৰাম ৰাম ॥ ৭১

দুলড়ী।

সেহি সময়ত শুনিয়ো নৃপতি
যেন কথা আত পাছে।
কৃষ্ণত ভকত ৰাজাগণ যত
জৰাসন্ধে বান্ধি আছে ॥
মথুৰাত সিটো কৃষ্ণক যুজন্তে
লগত নগৈলা তাৰ।
সেহি কোপে পাপী বন্দীকৰি আছে
নৃপতি কুৰি হাজাৰ ॥ ৭২
তাহাৰা সবৰ সর্ব্বস্ব সকলে
আগ্রহি আনিয়া ঘৰে।
বলৰ দর্পত পৰম গর্বত
কটাক্ষো কাকো নকৰে ॥
আমাৰ লগত কৃষ্ণক যুযুজে
দেখোক মোহোৰ দন্দি।
তাহাৰা সবৰ মাথা কাটি দিয়া
পূজিবোহো ৰণচণ্ডী ॥ ৭৩
এহিবুলি ৰাজা গণক নিৰোধি
থৈলা গিৰি গহ্বৰত।
সমস্ত ৰাজাৰ শৰীৰ সুখাইল
পৰম সিটো দুখত ॥
শ্রীনদজল গুছিল সমস্ত
শুদ্ধভৈল তনু মন।

প্রণত পালক জানিয়া কৃষ্ণৰ
চৰণ লৈলো শৰণ ॥ ৭৪
ইসব দুখক দূৰ কৰে হেন
কৃষ্ণ বিনে আন নাই।
আলোচি কৃষ্ণৰ পাশক সঙ্গোপে
দিলেক দূত পঠায় ॥
সুধর্ম্মা সভাত মাধৱ আছন্ত
সমস্ত দিশ প্রকাশি।
সেহি সময়ত সিংহ দুৱাৰত
দূত প্রবেশিলা আসি ॥ ৭৫
দ্বাৰত ৰহিয়া বোলে দ্বাৰপাল
জানায়ো কৃষ্ণ চৰণে।
কৃষ্ণক দেখিতে আমি আসি আছো
মহা গোপ্য প্রয়োজনে ॥
শুনি গৈয়া দ্বাৰী কৃষ্ণক প্রণামি
বোলয় দেৱ আদেশ।
তোমাক দেখিতে আসি আছে নাথ
মনুষ্য জন বিশেষ ॥ ৭৬
কৃষ্ণৰ আদেশ দ্বাৰী ভেন্তাইলেক
আগত আনি সাক্ষাত।
দণ্ডৱতে পৰি মাধৱক দূতে
কৰিলেক প্রণিপাত ॥
শিৰে কৃতাঞ্জলি ধৰি অবনতে
দূতে বুলিবাক লৈল।
তোমাৰ অকণ পদ দৰশনে
জন্মৰ সাফল ভৈল ॥ ৭৭
দেৱৰো দেৱতা পৰম ঈশ্বৰ
সনাতন তুমি হৰি।
তোমাৰ চৰণ সাক্ষাতে দেখিলো
কিনো আছো ভাগ্য কৰি ॥
তোমাৰ ভৃত্যৰ ভৃত্যৰো কিঙ্কৰ
জানা মোক যদুপতি।
যি কার্য্যক স্বামী আমি আসি আছো
শুনিয়ো তাক সম্প্রতি ॥ ৭৮
তোমাত ভকত নৃপতি সবক
বন্দীকৰি জৰাসন্ধ।
গিৰি গহ্বৰত থৈয়া আছে পাপী
অনেক কৰি প্রৱন্ধ ॥
তাহাৰা সবৰ বোলে আসি আছো
তোমাৰ পাশক লাগি।
অনেক কাতৰে কৰিয়া তোমাত
পঠাইল শৰণ মাগি ॥ ৭৯

ছবি।

ৰাজাগণে বোলে হেন হে কৃষ্ণ কৃষ্ণ প্রভু
শুনা বোলো চৰণে প্রণামি।
তোমাৰ চৰণ দুই সংসাৰ মধ্যত সাৰ
জানিয়া শৰণ লৈলো আমি ॥
সংসাৰ তাপত ভয় হুয়া আমি ৰাজাচয়
চাপিলো চৰণ ছায়াতল।
নমো নমো দেৱ হৰি তাপচয় দূৰ কৰি
কৰা কৃপা ভকত বৎসল ॥ ৮০
কোটি কোটি ব্রহ্মাণ্ডৰ নাথ তুমি নাৰায়ণ
সৃষ্টি স্থিতি লয়ৰ কাৰণ।
মায়াৰ ঈশ্বৰ দেৱ চৰাচৰে কৰে সেৱ
ভকতৰ ভয় বিমোচন ॥
হেন দেৱ দামোদৰ হিত চিন্তি জগতৰ
পৃথিবীত ভৈলাহা বেকত।
তোমাৰ অভয়পদ পঙ্কজে প্রণাম কৰো
আমি হেৰা ৰাজাগণ যত ॥ ৮১
মনুষ্যৰ ভিন্নমতি তোমাত নুপুজে ৰতি
আক ভালে জানিলো নিশ্চয়।
তোমাত ভকতি হীন ভৈল যিটো বুদ্ধি ক্ষীণ
নুগুছে তাহাৰ মৃত্যুভয় ॥
বিক্রমে পাতকে ৰত কাম্য কর্ম্মে উনমত
ভৈল সবে লোক নিৰন্তৰ।
পৰম কুশল কর্ম্ম তোমাৰ ভকতি ধর্ম্ম
কটাক্ষো নকৰে তাক নৰ ॥ ৮২
তোমাৰেসে মায়াময় সংসাৰ সাগৰে সিটো
পশি কৰে তাহাতে বিগ্রহ।
বিষয় প্রমত্ত হুই জীবিকাক চিন্তে সাৰ
ৰাত্রি দিনে ধনত আগ্রহ ॥
সন্তক পালিবা তুমি দুর্জ্জনক বিনাশিবা
ইসে কার্য্যে ভৈলা অৱতাৰ।
সন্তসবে পায়ে দুখ দুষ্টৰ উদয় ভৈল
নুবুজিলো একো অর্থ আৰ ॥ ৮৩
তুমি ৰক্ষা কৰা যাক সিয়ো জনে পায়ে দুখ
কিবা নিজ কর্ম্মৰ বিপাকে।
তোমাৰ আজ্ঞাক লঙ্ঘি মহন্তক পীড়া কৰে
তথাপি কুশলে সিটো থাকে ॥
তোমাত বিমুখ যিটো তাহাৰ দুর্গতি হৌক
আমি পুনু তোমাত ভকত।
তথাপিতো আমি কেনে অনেক নিকাৰ ভুঞ্জো
কোনে বুজে দৈৱৰ মহত ॥ ৮৪

হেনবা বুলিবা কিনো দুখ পাৱা তোৱা সবে
শুনা প্রভু ইহাৰ উত্তৰ।
বিষয়ৰ সাধ্য যত নৃপতি সবৰ দুখ
সাক্ষাতে স্বপ্নৰ সমসৰ ॥
শুৱ সম কলেবৰ পুত্র দাৰা আদি কৰি
কেৱলে দুখৰ বহো ভাৰ।
হানি অপমানচয় শোক মোহ মহাভয়
দিনে ৰাত্রি নুগুছে অপাৰ ॥ ৮৫
কিনো ভৈল মহাকষ্ট আপুনি চিন্তিলো নষ্ট
পূর্ব্বতে নভজি তযুপাৱে।
মায়ায়ে মোহিত হুয়া বিষয় চিন্তিলো মাত্র
আনি শিৱ মহামূঢ় ভাৱে ॥
যিটো পৰমার্থ সুখ তোমাৰ সেৱাত মিলে
তাক সবে তেজিলো হেলাত।
মায়াৰ ৱচনা মিছা ক্লেশতে মজিলো মাত্র
আপুনি কৰিলো আত্মঘাত ॥ ৮৬
সর্ব্বদুখ বিণাশন তোমাৰ চৰণ এবে
শৰণে পশিলো ৰাজাজাক।
তোমাৰ মায়ায়ে ঘোৰ কর্ম্মজৰী বান্ধি আছে
প্রভু আবে নিবর্ত্তাৱা তাক ॥
সম্প্রতিক জৰাসন্ধ বন্দীকৰি থৈয়া আছে
ভুঞ্জো আমি অনেক নিকাৰ।
বুলিবা আপুন বলে আপুনি মেলান হোৱা
ইটো শক্য নাহিকে আমাৰ ॥ ৮৭
অযুতেক ময়মত্ত হস্তীৰ সমান বলে
সিংহে যেন ছাগলিক আনি।
আপুন গৃহত সিটো অনেক নিগ্রহ কৰে
তুমি আবে মেলায়োক জানি ॥
তোমাৰ ভকত বুলি আমাক পীড়য় আতি
শুনা তাৰ গর্ব্বৰ কাৰণ।
তেইশ তেইশ অক্ষৌহিনী সেনা তাৰ ৰণে জিনি
পূর্ব্বত বধিলা নাৰায়ণ ॥ ৮৮
সুদর্শন ধৰি হাতে তুমি জগতৰ নাথে
দর্পচূৰ কৰিলা তাহাৰ।
ঘিণে নকাটিলা ধৰি সিংহে যেন হৰিণক
জিনিলাহা সপ্তদশ বাৰ ॥
তুমি প্রভু জগতৰ অনন্ত শকতি ধৰ
মনুষ্য মাৰ্গত ৰতি কৰি।
পাছে তুমি একবাৰ যুদ্ধে যেন নপাৰিয়া
কৌতুকে পলাইলা দেৱহৰি ॥ ৮৯
তোমাৰ বীর্য্যৰ বল বিক্রমক নজানিয়া
জিনিলো বুলিয়া মহানন্দ।
বাঢ়ি গৈল মহাদর্প সেহিটো গর্ব্বত থাকি
আমাক বান্ধিলে জৰাসন্ধ ॥
বিপক্ষ জানিয়া প্রভু তোমাৰ প্রজাক পীড়ে
তুমি বিনে গতি আন নাই।
জানিয়া গৰুড়কেতু আমাৰ মোক্ষৰ হেতু
চিন্তিয়োক আপুনি উপায় ॥ ৯০
দূত নিগদতি প্রভু এহিমতে ৰাজাগণে
ৰাত্রি দিনে তোমাক দেখিত।
অনেক যতনে আতি তযু পদপঙ্কজত
সবে দৃঢ় কৰি আছে চিত্ত ॥
পৰম প্রপন্ন দীন দাস সমস্তক দুখ
সাগৰত কৰিয়ো উদ্ধাৰ।
কৰিয়ো করুণা নাথ অনাথসবক প্রতি
গতি মতি তুমিসে আমাৰ ॥ ৯১
নমো নমো নাৰায়ণ নৱৰূপী নিৰঞ্জন
দৈৱকীৰ গর্ভে অৱতাৰ।
কেশীকংস আদি কৰি দানৱগণক মাৰি
সংহৰিলা পৃথিবীৰ ভাৰ ॥
যদুকুল কমলৰ প্রকাশক দীনকৰ
যাৰ কৃষ্ণ হেন মহানাম।
হেনয় কৃষ্ণৰ পাৱে সুদৃঢ় ৱিশ্বাস কৰি
নিৰন্তৰে বোলা ৰাম ৰাম ॥ ৯২

—০—

পদ।

এহিমতে দূতে যেবে কথা কহি আছে।
দেৱ ঋষি নাৰদ গিলিলা তৈতে পাছে ॥
হাতে দিব্য বীণাখানি সর্ব্বক্ষণে বাস্ত।
মধুৰ বচনে মাধৱৰ গুণ গাস্ত ॥ ৯৩
মাথাত পিঙ্গলজটা অগ্নিশিখা সম।
মুখে অল্প হাসি পৰিধান ব্যঘ্রচর্ম্ম ॥
শৰীৰৰ কান্তি আতি জ্বলে দিশপাশ।
পৃথিবীত ভৈল যেন আদিত্য প্রকাশ ॥ ৯৪
প্রিয় মাধৱৰ জন্ম কর্ম্মক প্রকাশি।
ক্ষুৰন্ত লোকৰ পাপ সমুহ বিনাশি ॥
সুমৰন্তে কৃষ্ণ মূর্ত্তি হোৱন্ত সাক্ষাত।
পৰিপূর্ণ প্রেমানন্দ নুগুছে হিয়াত ॥ ৯৫
নেত্রৰ নুগুছে সদা আনন্দ লোতক।
হৰিষৰ বেগে আতি সর্ব্বাঙ্গ পুলক ॥
সমস্তে লোকক মহা আনন্দ কৰন্তে।
সুধর্ম্মাক পাই দশোদিশ প্রকাশন্তে ॥ ৯৬

নাৰদক দেখিয়া ঈশ্বৰ ভগৱন্ত।
সমস্ত সমাজে তাৱক্ষণে উঠিলন্ত ॥
দেৱৰো দেৱতা মহেশ্বৰ নাৰায়ণ।
শিৱে পৰশিয়া দেৱ ঋষিৰ চৰণ ॥ ৯৭
সভাসদ সমে কৰিলন্ত নমস্কাৰ।
পৰম হৰিষে আনন্দৰ নাহি পাৰ ॥
ৰত্নময় আসনত বসাই অনন্তৰে।
ষড়ৰ্ঘে কৰিলা পূজা পৰম সাদৰে ॥ ৯৮
ঋষিয়ো হৰিষে বেদমন্ত্র কৰি নাদ।
সভাসমে কৃষ্ণক কৰিলা আশীর্বাদ।
অমৃত সমান প্রিয় মধুৰ বচনে ॥
তর্পিয়া মুনিক মাতিলন্ত নাৰায়ণে ॥ ৯৯
আজি কিনো আমাৰ মিলিল মহাভাগ।
যিহেতু তোমাক দেখিবাক পাইলো লাগ ॥
যাক দেখিবাক নপাৱন্ত দেৱগণ।
মানুষে দেখিলোঁ হেন ঋষিৰ চৰণ ॥ ১০০
বিষয়ীৰ আমাৰ মলিন মহা চিত্ত।
তোমাৰ চৰণ বেণু কৰিলা পৱিত্র ॥
তুমি মহা মুনিৰ মহিমা কৈবো কত।
পৱিত্র কৰিয়া ক্ষুৰা তিনিও জগত ॥ ১০১
ঈশ্বৰ নির্ম্মিত ইটো যতেক সংসাৰ।
আত অবিদিত কিছু নাহিকে তোমাৰ ॥
যেন বায়ু বাহিবে ভিতৰে গতি কৰে।
সেহিমতে চিত্ত তুমি জানা সমস্তৰে ॥ ১০২
সম্প্রতিক পুছোঁ এক কাহিনী তোমাত।
যুধিষ্ঠিৰ দাদা কিবা কৰন্ত সাক্ষাত ॥
কিবা একো মনোৰথ হুইয়া আছে তান।
জানিবাক চাহোঁ মোত কৈয়ো বিদ্যমান ॥ ১০৩
হেন শুনি দেৱঋষি গুণন্ত মনত।
হুবুজি কৃষ্ণৰ ইটো মায়াৰ মহত্ত্ব ॥
সমস্তে জীৱৰে সাক্ষী আত্মা অন্তর্য্যামী।
এন্তে নজানন্ত কিছু জানিয়াছোঁ আমি ॥ ১০৪
হেন শুনি কৃষ্ণত নাৰদ নিগদতি।
হুবুজি তোমাৰ ইটো মায়া যদুপতি ॥
আপুনি আছাহা যত জগত বিয়াপি।
আমাক মোহিয়া প্রশ্ন কৰাহা তথাপি ॥ ১০৫
আপুনি স্রজাহা ইটো চৰাচৰ বত।
সাক্ষী হুইয়া আছা সমস্তৰে হৃদয়ত ॥
জীৱক নিয়ম তুমি কৰা বিদ্যমানে।
তথাপিতো লোকে প্রভু তোমাক নজানে ॥ ১০৬
যিহেতু নজানে তাৰ শুনিও যুগুতি।
নজলন্ত বহ্নি যেন ভস্মে আছে পুতি ॥
সেহিমতে অন্তর্য্যামী ৰূপে আছা হৰি।
আপন শকতি নিজ প্রকাশ আৱৰি ॥ ১০৭
কৰিলাহা প্রশ্ন যিটো হুহি অদভুত।
দেখিয়াছোঁ তযু যোগ মায়াক বহুত ॥
কোনে বুজে ভালমতে তোমাৰ মায়াক।
দুঃখ ৰূপে তৰিবাক নপাৰিয়া যাক ॥ ১০৮
আপন মায়ায়ে তুমি দেৱ ভগৱন্ত!
কৰা ইটো জগতৰ সৃষ্টি স্থিতি অন্ত ॥
যদ্যপি অসন্ত চৰাচৰ মায়াময়।
তোমাৰ সম্পর্কে সন্ত হেন প্রকাশ ॥ ১০৯
হেন হৰি তোমাৰ মায়াৰ নাহি সীমা।
তুমি পৰমাত্মা দেৱ অচিন্ত্য মহিমা ॥
তোমাক জানিতে নাহি শকতি আমাৰ।
কেৱলে চৰণে মাত্র কৰোঁ নমস্কাৰ ॥ ১১০
বুলিবাহা হওঁ যদি আত্মা অন্তর্য্যামী।
তেবে কিয় মিছামায়া চেষ্টা কৰো আমি ॥
শুনা দেওঁ ইহাৰ উত্তৰ নাৰায়ণ।
তোমাৰ অধীন ইটো যত জীৱগণ ॥ ১১১
মায়ায়ে কৰিলা সমস্তৰে বুদ্ধি হত।
কৰে অহম্মম জড় মিছা শৰীৰত ॥
কর্ম্মজৰী বন্দী হুইয়া ক্ষুৰে সংসাৰত।
নজানে মোক্ষৰ হেতু জীৱে অজ্ঞানত ॥ ১১২
হেন জীৱ সমস্তক নিস্তাৰিতে মনে।
লীলায়ে ধৰাহা অৱতাৰ নাৰায়ণে ॥
কৰিয়া প্রকাশ নিজ যশ প্রদীপক।
অজ্ঞান আন্ধাৰ হস্তে নিস্তাৰা জীৱক ॥ ১১৩
তযু গুণ শ্রৱণ কীর্ত্তন যিটো কৰে।
অপ্রয়াসে সংসাৰ নিস্তৰে সিটো নৰে ॥
হেন হৰি প্রশ্ন তুমি কৰাহা আমাত।
তথাপিতো যেন জানো কহিবোঁ তোমাত ॥ ১১৪
হে পৰ ব্রহ্ম নৰ লোক বিড়ম্বন।
আসি আছোঁ মঞি এহি কার্য্যে নাৰায়ণ ॥
যুধিষ্ঠিৰ ৰাজাৰ শুনিও প্রয়োজন।
তোমাক অর্চ্চিতে তান হুইয়া আছে মন ॥ ১১৫
ময়ে সাজি দিল দিব্য সভা মনোৰম।
চতুর্দ্দশ ভুবনে নাহিকে যাক সম ॥
মঞিও দেখোঁ নাহি হেন সভা বিপৰীত।
তাহাতে খোজন্ত ৰাজা তোমাক অর্চ্চিত ॥ ১১৬
মোক পঠাইলন্ত আতি বুলিয়া সাদৰি।
আমাক কৰন্ত যদি দয়া দেৱ হৰি ॥
তান চৰণৰ অনুগ্রহ যেবে পাওঁ।
ৰাজসূয় কৰি তাঙ্ক অর্চ্চিবাক চাওঁ ॥ ১১৭

হেন অভিমত কৰি যুধিষ্ঠিৰ ৰায়।
আছন্ত জানিয়া কৃষ্ণ হুইয়োক সহায়॥
পাণ্ডুনৃপতিৰো মহা হোক সদগতি।
পাণ্ডৱক অনুকম্পা কৰিও সম্প্ৰতি॥ ১১৮
তোমাৰ প্ৰসাদে মোত নাহি অবিদিত।
ব্ৰহ্মা আদি কৰি সমস্তৰে জানোঁ চিত্ত॥
যত দেৱগণ সিদ্ধ গন্ধৰ্ব্ব চাৰণ।
নৰ নাগ মুনি মহা মহা ৰাজাগণ॥ ১১৯
নিৰন্তৰে যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞত।
তোমাক দেখিতে লাগি আসিব সমস্ত॥
বুলিবা মানুষ মঞি দৈবকী নন্দন।
মোক কিয় দেখিতে আসিব দেবগণ॥ ১২০
আমাৰেসে দেৱক দেখিতে যোগ্য হয়।
ইহাৰ উত্তৰ শুনিয়োক কৃপাময়॥
মুহিকা মানুষ ব্ৰহ্মময় কলেৱৰ।
চিদানন্দ মূৰ্ত্তি যত জগত ঈশ্বৰ॥ ১২১
যিটো শৰীৰৰ গুণ শ্ৰৱণ কীৰ্ত্তনে।
পৱম পৱিত্ৰ হোৱে মহা ম্লেচ্ছগণে।
তেমাত সাক্ষাত যিটো দেখিল নয়নে।
তাহাৰ ভাগ্যক আৰ বৰ্ণাইব কেমনে॥ ১২২
তোমাৰ নিৰ্ম্মল যশ পৱম মঙ্গল।
স্বৰ্গ মৰ্ত্ত্য পাতালকো ব্যাপিল সকল॥
দশো দিশ ব্যাপি যশে ঢাকিল ধৰণী।
ভকতৰ মহাধন যেন চিন্তামণি॥ ১২৩
এহি চৱণত গঙ্গা হুইয়া উতপতি।
তিনিও জগত কৱে পৱিত্ৰ সম্প্ৰভি॥
স্বৰ্গে মন্দাকিনী পাতালত ভগৱতী।
পৃথিৱীত পৱম প্ৰখ্যাত ভাগীৰথী॥ ১২৪
হেন তুমি পাৱে যিটো তোমাক দেখিতে।
মিলিল মঙ্গল ভৈল পৱম পৱিত্ৰ॥
কহিলোঁ তোমাত যেন পুছিলা আপুনি।
এহি বুলি ভৈলা পাছে মৌন মহা মুনি॥ ১২৫
হেন শুনি পাছে দেৱ দৈবকী নন্দন।
সমজ্যাক চাহি হেন বুলিলা বচন॥
শুনা সবে যত যদুবীৰ নিৰন্তৰ।
কৰিয়া যুগুতি মোত কহিও সত্বৰ॥ ১২৬
কিবা আগে পাণ্ডৱ ৰাজাৰ ঠাইক যাওঁ।
কিবা শৰণীয়া ৰাজাগণক মেলাওঁ॥
হেন শুনি যদুগণে দিল সমিধান।
শুনা দেৱ ইটো হেন কাৰ্য্যৰ বিধান॥ ১২৭
ৰাজাসকলৰ দূতে দিল আগে জান।
পাছেসে নাৰদ আসিয়াছা বিদ্যমান॥
প্ৰথমে শুনিয় যাক তাকে আগকৰি।
পাছে শুনিবাৰ কাজ পাছত আচৰি॥ ১২৮
হেন জানি আমি আগে মাৰো জৰাসন্ধ।
আমাৰো বিপক্ষ দুৰাচাৰ মহানন্দ॥
বন্দী কৰি আছে তযু ভক্ত ৰাজাচয়।
তাসম্বাৰ শুনি আৰো প্ৰাণৰ সংশয়॥ ১২৯
আউৰ কিবা চাও আসা এতিক্ষণে যাওঁ।
জৰাসন্ধ মাৰি ৰাজাগণকে মেলাওঁ॥
উড়াই পৰো হেন মন কৰে পিত পিত।
লুড়ি পুড়ি আনোঁ তাৰ যত ধন বিত্ত॥ ১৩০
যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞৰ ঘৱ-কথা।
আছোক এখন তাক পাইবোঁহোঁ সৰ্ব্বথা॥
শত্ৰুক মাৰিতে কুটুম্বিতা নহৱায়।
মিত্ৰৰ কাৰ্য্যক প্ৰভু সৰ্ব্বক্ষণে পায়॥ ১৩১
নলাগে তোমাৰ যাইতে আজ্ঞা যেৱে পাও।
পাঞ্চি পঠাইয়োক আমি যুজিবাক যাও॥
কোন হয় জৰাসন্ধ আমাৰ আগত।
গৰ্জ্জে যদুবীৰগণ বলৰ দৰ্পত॥ ১৩২
মাৰো জৰাসন্ধ বুলি কৰে হুল স্থুল।
মহা কোলাহল ৰোল মিলিল তুমুল॥
কৃষ্ণৰ মনৰ কেহোঁ নজানয় মৰ্ম্ম।
প্ৰথমতে মাধৱে কৰিব কোন কৰ্ম্ম॥ ১৩৩
কতক্ষণে নিজম পৰিল যদুগণ।
সবাৰো উত্তৰ শুনিয়াছে নাৰায়ণ॥
বোলন্ত নজানে কেহোঁ কাৰ্য্য ব্যৱহাৰ।
বুজো আশয় একো চিত্তৰ আমাৰ॥ ১৩৪
মহা মদগৰ্ব্বে কৰে আতি আড়ম্বৰ।
এহিবুলি উদ্ধৱক চাহি দামোদৰ॥
পৱম মধুৰ বাক্য বঢ়াইয়া উৎসৱ।
বোলন্ত শুনিয়ো মোৰ সুমন্ত্ৰী উদ্ধৱ॥ ১৩৫
তুমিসি পৱম চক্ষু যেন মোৰ প্ৰাণ।
সুহৃদ বান্ধৱ তুমি বিনে নাহি আন॥
মহা মুখ্য মন্ত্ৰী মন্ত্ৰণাৰ জানা তত্ত্ব।
বুদ্ধিত সাগৰ জানা ভাল মন্দ যত॥ ১৩৬
গহীন গম্ভীৰ যত গুণেৰ মন্দিৰ।
সুবোধ সুধীৰ ধীৰ তুমি মহাবীৰ॥
মোৰ মনোগত তত্ত্ব তুমি জানা মাত্ৰ।
সৰ্ব্বজান কুশল মোহোৰ মহা পাত্ৰ॥ ১৩৭
সম্প্ৰতিক কহা যেন কৰো বিদ্যমান।
দুই গোটা কাৰ্য্য আসি ভৈল একথান॥
ৰাজা সমস্তৰ দূত আনি আছে আগে।
তাসম্বাক মেলাইবাক অৱশ্যকে লাগে॥ ১৩৮

যুধিষ্ঠিৰ দাদা মোৰ প্ৰাণতো অধিক।
মোক নিবে প্ৰতি দেখা পঠাইলা ঋষিক॥
তাহানো কৰাইবে লাগে যজ্ঞ ৰাজসূয়।
যুগপতে মিলিল কৰ্ত্তব্য কাৰ্য্য দুই॥ ১৩৯
ৰাজা সমস্তৰ দুঃখে নসহে শৰীৰ।
নগৈলে তস্কিৰ তৈত দাদা যুধিষ্ঠিৰ॥
দুই গোটা কাৰ্য্য আতি আছে আউল হুইয়া।
তুমি মহা মতি মোক আস্ত বাছি দিয়া॥ ১৪০
প্ৰথমতে জৰাসন্ধ ৰাজাক নামাৰি।
ৰাজা সমস্তক তাৰে মেলাইতে নপাৰি॥
কিবা জৰাসন্ধ মাৰি ৰাজাক মেলাওঁ।
কিবা পাঞ্জন্যৰ যজ্ঞ কৰাইবাক যাওঁ॥ ১৪১
যথা যোগ্য যুগুতি কহিয়ো মহাশয়।
পৱম শ্ৰদ্ধায় তাক কৰিবো নিশ্চয়॥
এহিমতে সৰ্ব্বজান কৃষ্ণ ভগৱন্ত।
মূঢ়ে যেন উদ্ধৱত উপায় পুচন্ত॥ ১৪২
অনন্তৰে কৃষ্ণৰ আদেশ শিৰে ধৰি।
নম্ৰভাৱে মাধৱক নমস্কাৰ কৰি॥
নাৰদৰ বাক্য যত আকলি মনত।
বুজিলা হৃদয়ে সমজ্যাৰ যেন মত॥ ১৪৩
ৰাজদূত বচনক মনে অনুমানি।
চিত্তে মাধৱৰ কাৰ্য্য গৌৱৱক জানি॥
সমস্তে যুগুতি আনি কৰি এক মত।
পূৰ্ব্বাপৰ বিমৱসি দঢ়ায়া মনত॥ ১৪৪
বচন পণ্ডিত আতি উদ্ধৱ মহন্তে।
বাক্যামৃতে সমজ্যাক তৃপতি কৰান্তে॥
কৃতাঞ্জলি হুইয়া অনৱৰত কৰি কায়।
বুলিবাক লৈলা পাছে মাধৱক চাই॥ ১৪৫
শুনা নিৰন্তৰে কৃষ্ণ চৰিত্ৰ অমৃত।
মাধৱৰ গাদ পদ্মে কৰি এক চিত্ত॥
ঘোৰ পৱলোক তৰিবাৰ কৰা কাম।
পাপৰ নিসঙ্কি হোক বোলা ৰাম ৰাম॥ ১৪৬

দুলড়ী।

উদ্ধৱ বদতি শুনা যদুপতি
কিনো ভৈল বিৱম্বন।
যিহেতু আমাত পুছিলা যুগুতি
অন্তর্য্যামী নাৰায়ণ॥
আপুনি সৰ্ব্বজ্ঞ পুছা যেন অজ্ঞ
কিনো আতি বিপৰীত।
আন হেতু নাহি কেৱলে ভৃত্যৰ
মহিমা কৰা বিদিত॥ ১৪৭
তোমাৰ মনত কিবা আছে মত
কিমতে জানিবো আমি।
তথাপি বচন পালি যেন জানোঁ
কহিবো তোমাত স্বামী॥
নাৰদে যি কৈলা কৰিৱন্ত যজ্ঞ
যুধিষ্ঠিৰ মহাভাগে।
তাহান কাৰ্য্যত অৱশ্যে তোমাৰ
সহায় হুইবাক লাগে॥ ১৪৮
শৰণীয়া ৰাজা গণক ৰাখিতে
লাগে জৰাসন্ধ মাৰি।
দুইয়ো গোটা কাৰ্য্য নিশ্চয়ে কৰ্ত্তব্য
তোমাৰ হোৱে মুৰাৰি॥
ৰাজসূয় যজ্ঞ জয়ন্তে কৰিতে
লাগয় দিক্‌বিজয়।
লক্ষেক নৃপতি জিনিয়া একত্ৰ
কৰাইবাহা মহাশয়॥ ১৪৯
মোৰ মতে যেৱে সেহি সময়ত
জৰাসন্ধ বধ হয়।
তেৱেতো আমাৰ উভয় প্ৰকাৰ
দুতয় কাৰ্য্য সাধয়॥
তোমাৰো পৱম যশস্যা ৰাঢ়য়
যজ্ঞ সিজে পাণ্ডৱৰ।
দুখ অদভুত বন্ধৰ মুকুত
হোৱে নৃপ নিৰন্তৰ॥ ১৫০
ইসব কাৰ্য্যৰ শুনিয়ো নিয়ম
কহো অনুক্ৰমে আমি।
পাণ্ডৱৰ ইন্দ্ৰ প্ৰস্থক চলিয়া
প্ৰথমতে যাইয়ো স্বামী॥
তথাতে পাণ্ডৱ নৃপতিত পাছে
অনুমতি মাগি লৈয়া।
তাহান নিমিত্তে তুমি মহামতি
মাগধক বধা গৈয়া॥ ১৫১
সিটো মহাবলী অযুত প্ৰমত্ত
হস্তীৰ বলে সমান।
তাহাক বধন্তা বলবন্ত মাজে
ভীম বিনে নাহি আন॥
ভীমৰ হাতত মৰাইবাহা হেন
তোমাৰো হুইয়াছে চিত্ত।
দ্বৈৰথ যুদ্ধত মাৰিবন্ত ভীমে
তাহাৰো বিধি লিখিত॥ ১৫২

এতেকেসে তুমি ভীম ধনঞ্জয়
দুহাঙ্কো লগত লৈয়া।
ব্ৰাহ্মণৰ বেশ ধৰিয়া তিনিয়ো
যুদ্ধ প্ৰাৰ্থিবাহা গৈয়া॥
পাছে জৰাসন্ধে তোৰা দুইকো তেজি
ভীমক বৰিব ৰণে।
ঘোৰ যুদ্ধ কৰি মাৰিবন্ত ভীমে
নিমিত্ত তুমি কাৰণে॥ ১৫৩
হেনবা বুলিবা ভীম জৰাসন্ধে
দুইহানো বলে সমান।
সমক সমানে কিমতে মাৰিব
শুনা আৰ সমিধান॥
দেৱৰো দেৱতা কাল ৰূপী ইটো
কৰা সৃষ্টি স্থিতি লয়।
ব্ৰহ্মা মহেশ্বৰ নিমিত্তসে মাত্ৰ
তোমাতেসে হন্তে হয়॥ ১৫৪
হেন হৰি তুমি যাহাৰ সহায়
ভৈলা দেৱ কৃপাময়।
আন কোন কাম সিটো জনে আৰ
মৃত্যুকো নকৰে ভয়॥
হেন জানি তুমি ভীমক নিমিত্ত
কৰি বধা জৰাসন্ধ।
নৃপতি সবৰো খণ্ডিয়ো দুৰ্গতি
সত্তৰে কৰা প্ৰবন্ধ॥ ১৫৫
শুনা যেন মতে ৰাজা সকলৰ
ভাৰ্য্যাগণ নিৰন্তৰে।
গৃহত থাকিয়া তোমাৰ নিৰ্ম্মল
যশক কীৰ্ত্তন কৰে॥
আপন পুত্ৰক কৰয় লালনা
কোলে কৰি লৈয়া তুলি।
তযু গুণ কৈয়া ক্ৰন্দন নিৰোধে
নকান্দ নকান্দ বুলি॥ ১৫৬
জৰাসন্ধ বধি তোৰা সকলৰ
পিতৃক মেলাইব হৰি॥
অল্পতে গৃহক আসিবো সবাৰো
মনত আনন্দ কৰি॥
যদিবা বালেক নযাস সঞ্জাত
ইহাৰ প্ৰমাণ শুন।
ভকতৰ দুঃখ তিলেকো নসন্ত
কিকৈবো কৃষ্ণৰ গুণ॥ ১৫৭
শঙ্খচূৰ যক্ষ মাৰিয়া গোপীক
মেলাইলা শ্ৰীগোপাল।
পিতৃক মাতৃক মেলাইলাহা হৰি
বধিয়া কংস বিশাল॥
ৰাবণক মাৰি ৰাঘব মুৰাৰি
খণ্ডিলা সীতাৰ দুঃখ।
গজেন্দ্ৰক হৰি কৰিলা মুকুত
চিৰিয়া গ্ৰাহৰ মুখ॥ ১৫৮
আনো আনো যত ভকত সকলে
কৃষ্ণত শৰণ লৱে।
সবাৰো দুঃখক কৰন্ত নিৰ্য্যান
ঈশ্বৰ এন্তে মাধৱে॥
এহিমতে তযু গুণগণ গাৱে
যত ৰাজ মহাদই।
তাহাৰা সৱৰ দুঃখক নিৰ্য্যান
কৰিয়ো সত্বৰে গই॥ ১৫৯
জৰাসন্ধ বধ ভৈলে কৃষ্ণ আনো
অনেক কাৰ্য্য সাধয়।
শিশুপাল আদি ৰাজাক বধক
তেবে অপ্ৰয়াসে হয়॥
কালৰ বিপাকে পুণ্য পৰিপাকে
তোমাৰ গমন হেতু।
তব অভিমত সিজে কাৰ্য্য যত
পাণ্ডব ৰাজাৰ ক্ৰতু॥ ১৬০
উদ্ধবৰ হেন শুনিয়া যুগুতি
যত যদু বৃদ্ধগণে।
গোবিন্দ নাৰদ প্ৰমুখ্যে সবেও
পূজিলা সাধু বচনে॥
ধন্য ধন্য ইসি উত্তম উপায়
কহিলন্ত মহাভাগে।
মাধৱে বোলন্ত মোহোৰ মনত
এহিসে যুগুতি লাগে॥ ১৬১
আগহন্তে জানো উদ্ধৱ বিনাই
নজানে আনে উপায়।
এহি বুলি ইন্দ্ৰ প্ৰস্থক যাইবাক
সাজিলন্ত যদুৰায়॥
শুনা সভাসদ ভাগৱত পদ
কৃষ্ণৰ লীলা প্ৰধান।
একচিত্ত কৰি বোলা হৰি হৰি
পাতক হৌক নিৰ্য্যান॥ ১৬২

পদ।

শুক নিগদতি শুনা ৰাজা পৰীক্ষিত।
কৃষ্ণৰ পয়ান লীলা কথা বিপৰীত॥
সংসাৰ সাগৰে ইসে কৰিবেক ত্ৰাণ।
কলিতে নাহিকে পুণ্য ইহাৰ সমান॥ ১৬৩
অনন্তৰে ভগৱন্ত দৈৱকী নন্দন।
সাৰথিক চাহি হেন বুলিলা বচন॥
দাৰুক প্ৰমুখ্যে শুনা সাৰথি সমস্ত।
ঝাণ্টে ৰথ সাজি আন চলো ইন্দ্ৰপ্ৰস্থ॥ ১৬৪
শুনিয়ো উদ্ধৱ অন্তঃপুৰে চলি যাহা।
মহিষীসৱক তুমি জাণ্টে চলিৱাহা॥
স্বকী স্বকী যানে সবে চলোহো সত্বৰ।
বাহিৰে চলিলো হেৰা নযাওঁ আৰ ঘৰ॥ ১৬৫
চলোক লগত যত দাসী দাস মানে।
নিৰন্তৰে কন্যাগণ চলোক বিমানে॥
হয় হস্তী ৰথ ৰথী সেনা যত যত।
চতুৰঙ্গ দলে সাজি চলোক লগত॥ ১৬৬
শুনিয়া লোকৰ মহা হৰিষ মিলিল।
সাজ সাজ বোল ৰোল উৰ্ম্মি উথলিল॥
সাগৰৰ যেন জলজন্তু উজৰিল।
পৰম কৌতুকে সাজি তেখনে লড়িল॥ ১৬৭
উদ্ধৱে চলাইলা যত মহিষী সকল।
ৰুক্মিণী প্ৰমুখ্যে নাৰী কৰে কুতুহল॥
কিনো অনুগ্ৰহ কৰিলন্ত কৃষ্ণ স্বামী।
জানিলো পৰম সুভাগিণী তান আমি॥ ১৬৮
স্বামীৰ লগত কুটুম্বৰ ঘৰে যাইবো।
কুটুম্ব সৱৰ মহা সাদৰক পাইবো॥
আত পৰে আমাৰ আনন্দ কিবা আছে।
ভকত বৎসল কৃপাময় কৃষ্ণে পাছে॥ ১৬৯
বসুদেৱ আদি যত আছে গুৰুজন।
সমস্ততে অনুজ্ঞা লৈলন্ত নাৰায়ণ॥
সঙ্কৰ্ষণ জ্যেষ্ঠতো অনুজ্ঞা মাগি লৈলা।
বুলি মাতি তাঙ্ক দ্বাৰকাৰ ৰক্ষা থৈলা॥ ১৭০
শাম্ব কাম আদি যোদ্ধাগণ আছে সত।
শত্ৰুকে শঙ্কায়ে ৰক্ষা থৈলা নগৰত॥
অনন্তৰে দাৰুকে যোগাইলা ৰথ সাজি।
সব্য সুগ্ৰীব আদি নিয়োজিয়া বাজি॥ ১৭১
চাৰিয়ো ঘোৰাক কাছাইলন্ত নানা কাছে।
নিৰ্ম্মল দৰ্পণ কপালত দিয়া আছে॥
ৰত্নৰ কিঙ্কিণী শাৰি শাৰি আৰিলন্ত।
নানা ৰত্ন কামে ৰথ খান মণ্ডিলন্ত॥ ১৭২
গৰুড়ৰ ধ্বজ গোট আগত বান্ধিল।
নানা থানে নানা অস্ত্ৰ শস্ত্ৰ নিবন্ধিল॥
উপৰে সঞ্জোগি থৈলা ভোজন সম্ভৃত।
নানা ষড় ৰস দেৱ ভোগ পঞ্চামৃত॥ ১৭৩
জ্বলে ৰথ খান যেন সূৰ্য্যৰ সঙ্কাশ।
তাতে আৰোহিলা প্ৰভু জগত নিবাস॥
ৰথৰ উপৰে প্ৰকাশন্ত দামোদৰ।
উদয় গিৰিত যেন জ্বলন্ত ভাস্কৰ॥ ১৭৪
দিব্য মুকুতাৰ ছত্ৰ উপৰে প্ৰকাশে।
পূৰ্ণিমাৰ চন্দ্ৰ যেন নিৰ্ম্মল আকাশে॥
পীত বশে জ্বলে আতি শ্যাম কলেৱৰ।
বিজুলি ৰঞ্জিত যেন নৱ জলধৰ॥ ১৭৫
শ্ৰীমন্ত কিৰীটি জ্বলে অগ্নি শিখা সম।
ললাটত সুন্দৰ তিলক মনোৰম॥
বদন মণ্ডল পূৰ্ণ চন্দ্ৰৰ উদয়।
প্ৰফুল্ল পঙ্কজ যেন নয়ন দুতয়॥ ১৭৬
মকৰ কুণ্ডলে গণ্ড প্ৰকাশে প্ৰচুৰ।
চালি কৰি নাচে যেন দুগোটা ময়ূৰ॥
ঈষত হসিত চাৰু ৰাতুল অধৰ॥
মাণিকৰ কান্তি দন্তপান্তি মনোহৰ॥ ১৭৭
চূড়ামণি ৰত্নে চূড়া কৰয় প্ৰকাশ।
সূৰ্য্যৰ কিৰণে যেন জ্বলে দিশ পাশ॥
নিৰ্ম্মল কপোল মণি দৰ্পণ সমান।
যেন নীল তিল ফুল নাসিকা সুঠান॥ ১৭৮
মদনৰ ধনু হেন ভ্ৰূৰ সুবলিত।
কটাক্ষ দৃষ্টিত যেন বৰিষে অমৃত॥
কুটিল অলক যেন ভ্ৰমৰৰ পান্তি।
কম্বু কণ্ঠ মাজে মণি কৌস্তুভৰ কান্তি॥ ১৭৯
গজ মুকুতাৰ হাৰ জ্বলে হৃদয়ত।
যেন দুই ধাৰা গঙ্গা জ্বলে আকাশত॥
হীৰা মৰকত মণিময় মনোৰম।
জ্বলে পেচন্দাৰ দ্বিতীয়াৰ চন্দ্ৰ সম॥ ১৮০
শক্ৰ চাপ সম জ্বলে গলে বনমালা।
নানা ৰত্নে বিৰচিত কটিত মেখলা॥
বলিত বৰ্ত্তুল ভুজ ভুজঙ্গ সমান।
সুদীৰ্ঘ আঙ্গুলি আতি দেখিতে সুঠান॥ ১৮১
চন্দ্ৰমাৰ শাৰি যেন জ্বলে নখচয়।
আঙ্গুলিত জাপ ৰত্ন আঙ্গুষ্ঠি জ্বলয়॥
আৰকত কৰ যেন নৱকিশলয়।
অঙ্গদ কঙ্কণ চাৰু বলয় জ্বলয়॥ ১৮২
সিংহবন্ধ কন্ধক দেখন্তে মনোহৰ।
অশ্বত্থৰ পত্ৰ যেন বলিত উদৰ॥

হৃদয়ৰ মধ্যত শ্রীবৎস কৱে কান্তি।
নীলমেঘ খণ্ডে যেন জ্বলে বক পান্তি ॥ ১৮৩
উদৱত ত্রিবলী বলিক আৱকত।
সিন্দূৱৰ ৰেখা ঘেন জ্বলে অঞ্জনত ॥
পাট পীত ভুনি জ্বলে কটি প্রদেশত।
বিদ্যুতে বেঢ়িছে যেন অঞ্জন পর্ব্বত ॥ ১৮৪
কনক কিঙ্কিণী পান্তি কৱে ৰুণ জুন।
পীত উত্তৰী কান্ধে জ্বলে নৱগুণ ॥
কৱী কৰ সম উৰু জানু সুবলিত।
জঙ্ঘাত হোৱৰ জ্বলে ৰতনে ৰচিত ॥ ১৮৫
অভিনৱ পদ্ম যেন চৰণ দুতয়।
তাৰ মাজে মণিময় নূপুৰ জ্বলয় ॥
সুন্দৰ আঙ্গুলি মাজে উজটি ৰত্নৰ।
পদ্ম মধু লোভে যেন উপাসে ভ্রমৰ ॥ ১৮৬
নির্ম্মল উজ্জ্বল আতি জ্বলে নখচয়।
শাৰি হুইয়া যেন চন্দ্রগণে প্রকাশয় ॥
অলকত সম সুকোমল পদ তল।
ৱজ্রে ধ্বজ ৱজ্র যব অঙ্কুশ কমল ॥ ১৮৭
পৱম মধুৰ মূর্ত্তি বসি ভগৱন্ত।
কোটি শশাঙ্কতো কৱি জ্বলন্তে আছন্ত ॥
অমৃত কোটিতো কৱি দেখি জুৱাই মন।
ৰূপে কোটি কন্দর্পৰো দর্প কৱে ছন্ন ॥ ১৮৮
গহীন গম্ভীৰ কোটি সমুদ্রতোধিক।
বিলাসে জিনন্ত প্রভু মহেন্দ্র কোটিক ॥
ধৱল চামৰ দুই পাশত উপাসে।
দুই ৰাজ হংস যেন মেঘৰ দুই পাশে ॥ ১৮৯
হেন দিব্য ৰূপে দেৱ দৈৱকী নন্দন।
শুভ সুমঙ্গলে প্রভু কৱিলা গমন ॥
হয় হস্তী ৰথ পত্তি অসংখ্য প্রমাণ।
চতুৰঙ্গ সেনা সাজি ধৱিলা যোগান ॥ ১৯০
আতি ভয়ঙ্কৰ মাধৱৰ সেনাবল।
সাক্ষাতে দেখিয় যেন সাগৰ সচ্চল ॥
অসংখ্য কটকে জল ভৈল সাগৰৰ।
হস্তী ঘোৰা উটে ভৈল কুম্ভীৰ মগৰ ॥ ১৯১
চলে চমৎকাৰে দিব্য ৰথ অসংখ্যাত।
দেখি যেন সাগৰৰ আৱর্ত্ত সাক্ষাত ॥
মৃদঙ্গ গোমুখ শঙ্খ বারে ঢাক ঢোল।
চতুর্ভিতি বেঢ়ি ঘোৰ প্রজা কৱে ৰোল ॥ ১৯২
দশো দিশ আকাশক শবদে পুৰিল।
যেন সাগৰৰ ঘোৰ উর্ম্মি উথলিল ॥
কৱিল প্রকাশ ভয়ঙ্কৰ সেনাগণে।
ধ্বজ দণ্ড অস্ত্র শস্ত্র বস্ত্র আভৰণে ॥ ১৯৩
বিতোপন ছত্র চর্ম্ম ধৱল চামৰে।
যেন আদিতৱে ৰশ্মি দিন শোভাকৱে ॥
চলে যুথে যূথে হস্তীচয় ময়মত্ত।
মদ বিন্দু পড়ি পঙ্ক হোৱে পন্থ যত ॥ ১৯৪
পাৱৰ প্রহাৰে মহী কম্পে দল দোপ।
ভয়ঙ্কৰ নাদে ঘোৰ কৱয় আটোপ ॥
কম্পে হড় হড় ৰথ চক্রৰ সঘাদ।
বাৰিষা কালৰ যেন মেঘে কৱে নাদ ॥ ১৯৫
উপৱে সাৰথি বীৰ কাছে কাছি আছে।
হাতে শৰ চাপ ধৰি চলে আগে পাছে ॥
বায়ুকো জিনয় বেগে যতেক ঘোটক।
যেন মুখ মেলি পিবে খোজে আকাশক ॥ ১৯৬
হ্রেষণি শৱদে আতি কর্ণে হানে ভাল।
আক্রান্তে বাহুতে সমে কৱয় আস্ফাল ॥
গর্দ্দভৰ চিহ্নৱণী নিলয় তবাস।
অসংখ্যাত উট চলে লঙ্ঘিয়া অকাশ ॥ ১৯৭
পদাতি কটকে হাতে খাণ্ডা বাক ধৰি।
পৱম আটোপে চলে আৱস্ফটি কৱি ॥
মাৰে বাক ছাট হাতে লুস্ফিয়া খাণ্ডাক।
কৱি দেয় ডাস্ফি আতি গর্ব্বে ছাড়ে ডাক ॥ ১৯৮
চিহ্ন ধ্বজ দণ্ড গাহুল বোম্বাল।
তুলি তুলি নচুৱারে কৱয় আস্ফাল ॥
চল চল দশো দিশে কৱয় ঘঙ্গাল।
গিৰি গিৰি পয়োভৱে যাই ভুমি চাল ॥ ১৯৯
কম্পে চৰাচৰ যত দিগজ সকল।
সুৰাসুৰ নাগত লাগিল টল বল ॥
কৃষ্ণৰ পয়ান দেখি মিলিল তবাস।
অনন্ত কম্পত কূর্ম্মে তেজন্ত নিশ্বাস ॥ ২০০
সাগৰ খলকি তীৰ প্রলম্পিল জলে।
পসিল পাতাল মৎস্য মগৰ সকলে ॥
লাগিল উচ্ছঙ্ক দিকপাল সমস্তত।
মাধৱৰ পয়ানত কম্পে ত্রিজগত ॥ ২০১
হস্তী ঘোৰা ৰথ উট মেঠন মহিষে।
সগৰ সঙ্কাশ সেনা চলে সহৰিষে ॥
পাৱৰ বেগত ধূলা উঝৰি সকল।
দশোদিশ ব্যাপি গৈল গগণ মণ্ডল ॥ ২০২
মেঘে যেন ঢাকি ৰৱি ৰশ্মি ভৈল ছন্ন।
দিনতে আন্ধাৰ যেন আনে ৰৱিষণ ॥
খাল বাম গিৰি নদী সৰি হুইয়া যাই।
কতো কতো নদী মানে নামন্তে শুখাই ॥ ২০৩
সাম্ভুৰিয়া পাৰ হোৱে আগুৱান যৈত।
পাছৰ কটকে পাহিলে ধূলা উড়ে তৈত ॥

হেন চমৎকাৰে চলি যান্ত দামোদৰ।
মহা পাৰিছেদে যান্ত যতেক কুমাৰ ॥ ২০৪
কৃষ্ণৰ সমান ৰূপে পৱম সুন্দৰ।
দিব্য ৱস্ত্রে অলঙ্কাৰে জ্বলে কলেৱৰ ॥
হয় হস্তী ৰথে কতো কতো নৰযানে।
ছত্র চামৰ আদি অনেক যোগানে ॥ ২০৫
কৃষ্ণৰ সমান জ্বলে সমস্তৰ কায়া।
চিনিতে নপাৰি যেন দর্পনৰ ছায়া ॥
ষোড়শ সহস্র অষ্টাধিক একশত।
ৰুক্মিণী প্রমুখ্য কৰি মহিষী সমস্ত ॥ ২০৬
দিব্য বস্ত্র অলঙ্কাৰে মণ্ডিত সকলে।
ৰত্নে বিৰচিত মুকুতাৰ মালা গলে ॥
মুকুট কুণ্ডল জেঠি মুঠি হেমহাৰ।
পিন্ধিয়া আছন্ত বহু বিধ অলঙ্কাৰ ॥ ২০৭
শিৰত সিন্দুৰ দিব্য নয়নে কজ্জুল।
কুঙ্কুমে ৰঞ্জিত জ্বলে বদন মণ্ডল ॥
পৱমা সুন্দৰী ত্রিভুবনে অনুপমা।
ওচৰো নপাৱে ৰতি ৰম্ভা তিলোত্তমা ॥ ২০৮
দিশ পাশ প্রকাশি শৰীৰ আতি জ্বলে।
দৰশনে মুনি সমস্তৰো মন টলে ॥
সুৱর্ণৰ চতুর্দ্দোলে চড়িয়া সমস্ত।
পৱম কৌতুকে চলি যান্ত ইন্দ্রপ্রস্থ ॥ ২০৯
প্রকাশন্ত নাৰীগণ কৃষ্ণৰ লগত।
যেন তাৰাগণ চন্দ্র সমে আকাশত ॥
সহস্র সংখ্যাত দাসী সমান বয়সী।
সমস্তে পদ্মিনী আতি পৱম ৰূপসী ॥ ২১০
বস্ত্রে অলঙ্কাৰে অতিশয় লয় লাসে।
মহিষীক আৱৰিয়া চলয় চৌপাশে ॥
অসংখ্যাত নাৰী কাছি পাৰি মহা ৱঙ্গে।
চলয় আনন্দে কৃষ্ণ সঙ্গে অঙ্গে ভঙ্গে ॥ ২১১
সিদ্ধ মুনিগণ মন মোহে কটাক্ষত।
যাই লাসবেশ কৰি চৰি বিমানত ॥
কতো ৰথে কতো গজে কতো ঘটকত।
মহিষ মেথন উট কতো গর্দ্দভত ॥ ২১২
কতো শকটত কতো হস্তিনীৰ স্কন্ধে ॥
দোলাত চড়িয়া কতো চলয় প্রৱন্ধে।
ঘোটকত হন্তে গর্দ্দভীত হোৱে জাত।
অশ্বতৰী বুলি কতো চড়িয়া তাহাত ॥ ২১৩
নানাবিধ যানে চলে নানাবিধ ভাৱে ॥
পদাতি কটক মানে চলে ভুমি পাৱে ॥
অসংখ্য সম্ভাবচয় চলে বলধিত।
গাধ উট শকটত কতো গর্দ্দভীত ॥ ২১৪
সাঙ্গি বান্ধি নেই কতো অনেক সম্ভৃত।
উপস্কৰ বস্তু যাৰ যেন মনোনীত ॥
যথাত বহন্ত হোৱে তথাতে নগৰ।
শাৰি কৰি টানে নানাবিধ পাড়ে ঘৰ ॥ ২১৫
পাতে হাট বাজাৰ দোকান অসংখ্যাত।
যাৰ যেন লাগে কিনা বিকা কৱে তাত ॥
নানাবিধ ৱসে ৱঙ্গ ঢঙ্গ কৱে ছনী
পৱম আনন্দে সবে ঋস্ত ৰৱজনী ॥ ২১৬
এহিমতে যান্তে নাৰদক যদুপতি।
অৰ্চ্চিয়া দিলন্ত চলিবাক অনুমতি ॥
কৃষ্ণৰ সম্মান আজ্ঞা পাইয়া দেৱ ঋষি।
মাধৱক প্রণামিয়া চলিল হৰিষি ॥ ২১৭
কৃষ্ণৰ মধুৰ মূর্ত্তি ধৰি হৃদয়ত।
দেখি শুনি মাধৱৰ ব্যবসিত যত ॥
কৃষ্ণ দৰশনে আনন্দৰ নাহি সীমা।
আকাশে চলিলা দেখি কৃষ্ণৰ মহিমা ॥ ২১৮
পাছে ৰাজ দূতক ঈশ্বৰ ভগৱন্ত।
প্রবোধিয়া প্রিয় বাক্যে ভৰসা দিলন্ত ॥
নকৰিবি ভয় দূত ভদ্র হোক তোৰ।
মাগধক বধি দুঃখ খণ্ডিবো দুর্ঘোৰ ॥ ২১৯
হেন শুনি দূতে কৰি কৃষ্ণক বন্দন।
পৱম সন্তোষ মনে কৰিল গমন ॥
দিন কতিপয়ে পাইলা ৰাজাগণ পাশ।
সবাতো কহিলা যত কৃষ্ণৰ আশ্বাস ॥ ২২০
হৈবোহোঁ মুকুত দেখিবোহোঁ কৃষ্ণ মুখ।
অপেক্ষি আনন্দে সহি থাকিলন্ত দুঃখ ॥
ৰাজদূত নাৰদক পঠাই হৃষীকেশ।
আনর্ত্ত সৌবীৰ ছড়াইলন্ত কতো দেশ ॥ ২২১
মৰু থান কুৰুক্ষেত্র এড়াই পাছে হৰি।
গৈলা বহু দুর্গ পথ গিৰি নদী তৰি ॥
অনেক সহস্র গ্রাম নগৰ ছড়াইল।
দৃষদ্বতী তৰী সৰস্বতীক এড়াইল ॥ ২২২
পাঞ্চাল এড়াইয়া বিৰাটক ছড়াইলন্ত।
পাছে গৈয়া ইন্দ্রপ্রস্থ সমীপ পাইলন্ত ॥
জগতৰে আত্মা কৃষ্ণ আসন্তে পন্থত।
দেখে আসি মানে নৰ নাৰীগণ যত ॥ ২২৩
তেখনে সবাৰো ছিড়ে কর্ম্ম অহঙ্কাৰ।
মিলে মোক্ষ সুখ আনন্দৰ নাহি পাৰ ॥
নয়নৰ পথে আনি কৰি অভ্যন্তৰ।
মনে মাধৱক অৰ্চ্চা কৱে নিৰন্তৰ ॥ ২২৪
স্বপ্নতো নেদেখে যাক মহাপাপী জন।
মনুষ্যৰ পৱম দুর্ল্লভ দৰিশন ॥

হেন কৃষ্ণ আসিবাৰ শুনি যুধিষ্ঠিৰ।
আগ বাঢ়ি তেখনে আসিলা মহাবীৰ ॥ ২২৫
সুহৃদ সোদৰ সব পুৰোহিত যত।
ৰাজাক আৰবি ৰঙ্গে আসিল সমস্ত ॥
গাৱে গীত গায়নে বায়নে বাদ্য বাৱে।
ব্রাহ্মণ সকলে বেদ পঢ়ে বহু ভাৱে ॥ ২২৬
অচ্চিলন্ত ৰাজা মহা সাদৰে কৃষ্ণক।
ইন্দ্রিয় সকলে যেন সাদৰে প্রাণক ॥
দেখিয়া কৃষ্ণক মহা আনন্দ মিলিল।
স্নেহে আতি নৃপতিৰ হৃদয় দ্রবিল ॥ ২২৭
চিৰকালে দেখি প্রিয়তম মাধৱক।
হৰিষ বেগত ভৈল সর্ব্বাঙ্গে পুলক ॥
প্রেম ভাৱে দুইও নয়নৰ বহে নীৰ।
বাহুমেলি কৃষ্ণক ধৰিলা যুধিষ্ঠিৰ ॥ ২২৮
মক মকি কান্দন্ত মিলিল মহা ভাৱ।
লোতকে তিয়াইলা গোবিন্দৰ সর্ব্বগাৱ ॥
নৃপতিৰ দেখি হেন ভাৱ বিপৰীত।
কৃষ্ণো নপৰিলা ধৈর্য্য ধৰিবাক চিত্ত ॥ ২২৯
বুকে বান্ধি নৃপতিক ধৰিলন্ত চাপি।
ৰাখন্তো নেত্ৰৰ নীৰ পৰয় তথাপি ॥
পৰম আনন্দে দুইৰো পুলকিত তনু।
দুইকো দুই আতি আলিঙ্গিলা পুনু পুনু ॥ ২৩০
ব্রহ্মময় মূর্ত্তি যিটো লক্ষ্মীৰ আলয়।
দোষ গুণ ৰহিত নির্ম্মল আতিশয় ॥
হেনয় কৃষ্ণক আলিঙ্গন্তে নৃপতিৰ।
গুছিল অশুভ ভৈল নির্ম্মল শৰীৰ ॥ ২৩১
মোক্ষতো অধিক ৰাজা পাইলা আনন্দক।
নেত্ৰৰ নুগুছে সদা হৰিষ লোতক ॥
সম্ভ্রমত পাসৰিলা লোক ব্যৱহাৰ।
পাছে কৃষ্ণে কৰিলা ৰাজাক নমস্কাৰ ॥ ২৩২
ভাই বুলি ভীমে আসি সাৱতি ধৰিল।
মিলিল আনন্দ নেত্রে লোতক ঝৰিল ॥
সখি সখি বুলি আতি আনন্দ হৃদয়।
ধৰিলন্ত কৃষ্ণক সাৱতি ধনঞ্জয় ॥ ২৩৩
কৃষ্ণো ধৰিলন্ত হাসি ভীম অর্জ্জুনক।
বাঢ়ি গৈলা প্রেম বহে আনন্দ লোতক ॥
সেহি সময়ত দুই মাদ্রীৰ কুমাৰ।
পাৱে পৰি কৃষ্ণক কৰিলা নমস্কাৰ ॥ ২৩৪
প্রেমে দুইৰো লোতক পৰয় সৰসৰি।
লোতকে তিয়াইলা মাধৱৰ দুয়ো ভৰি ॥
কতোক্ষণে কৃষ্ণে ভীম অর্জ্জুনক এৰি।
মাদ্রী সুত দুইকো আশ্বাসিলা হাতে ধৰি ॥ ২৩৫
ব্রাহ্মণসবক কৃষ্ণো নমস্কাৰ কৰি।
গুৰু বৃদ্ধ জনক নমিলা পাছে হৰি ॥
কৈকেয় সৃঞ্জয় কুৰুগণ যত আছে।
যথা যোগ্যে যাক যেন সাদৰিলা পাছে ॥ ২৩৬
কাকো প্রিয় বাক্যে কাকো প্রেম নিৰীক্ষণে।
কৰিলা আশ্বাস সমস্তকে নাৰায়ণে।
কৃষ্ণৰ সম্মানে কৃষ্ণ মূর্ত্তি দৰশনে।
গুছিল কল্মষ প্রেম উপজিল মনে ॥ ২৩৭
এহেন্তে ঈশ্বৰ হেন বোধ ভৈল যাত।
আনন্দ সাগৱে সবে মজিল সাক্ষাত ॥
চতুর্ভিতি কৃষ্ণক নয়ন ভৰি চাৱে।
ব্রাহ্মণ সকলে তুতি কৰে বহু ভাৱে ॥ ২৩৮
কৰে নৃত্য নর্ত্তকী গায়নে গীত গাৱে।
পৰম উৎসৱে পঞ্চ শব্দ বজাৱে ॥
এহিমতে সাদৰন্তে সুহৃদ বান্ধৱে ॥
পুণ্য শ্লোক শিখামণি ঈশ্বৰ মাধৱে ॥ ২৩৯
বেঢ়ি যাই লোকে তুতি ভকতি কৰন্তে।
সালঙ্কৃত পুৰ প্রবেশিলা ভগৱন্তে ॥
শুনা নিৰন্তৰে পাপ কৰি উপশাম।
হৃদয়ে কৃষ্ণক ধৰি বোলা ৰাম ৰাম ॥ ২৪০

ল ড়ী।

পুৰী পাণ্ডৱৰ মহা মনোহৰ
যেন দুতী অস্ত্রাৱতী।
আৰো মাধৱৰ শৰীৰৰ কান্তি
অধিকে জ্বলে সম্প্রতি ॥
হস্তী মদ গন্ধ জ্বলে নিৰন্তৰে
ৰাজপন্থ আছে তিন্তি।
চিত্র ধ্বজ দণ্ড পতাকা তোৰণ
চিৰলে কৰে দীপিতি ॥ ২৪১
ৰত্নময় স্থলী চৌপন্থা পতুলী
সাজি মাজি ৰঙ্গে আতি।
ধান্যৰ উপৰে সপল্লৱ পূর্ণ
ঘট আছে পাতি পাতি ॥
অভিনৱ দিব্য বস্ত্র বিভূষণ
পিন্ধি যত নৱ নাৰী।
সুগন্ধ কুসুম চন্দনে ভূষিত
প্রকাশয় শাৰি শাৰি ॥ ২৪২
সুৱর্ণ গছাত জ্বলে দুই শাৰি
অনেক প্রদীপ পান্তি ॥

অসংখ্য সহস্র মন্দিৰে কৰয়
চন্দ্র সূর্য্য যেন কান্তি ॥
ৰজতৰ থালে সুৱর্ণৰ ঘট
নিখিল গৃহ উপৰে।
জ্বলে আতিশয় বজ্র দ্বাৱচয়
শাৰি শাৰি জ্যোতি কৰে ॥ ২৪৩
কুন্দৰাক্ষ জ্বালে বজাই ধুপ ধূম্র
পন্থক আমোদ কৰে।
হেন ৰুচিকৰ পুৰী পাণ্ডৱৰ
দেখিলন্ত দামোদৰে ॥
আছোক যুৱতী পুৰুষ জনৰো
নয়নৰ পান পাত্র।
হেন দামোদৰ পাইলন্ত নগৰ
শুনি নাৰীগণে মাত্র ॥ ২৪৪
তেতিক্ষণে ৰৱ দিলেক লৱৰ
মিলিল উৎসুক মনে।
গৃহকর্ম্ম যত পতিক পর্য্যন্তে
তেজিল যুৱতী জনে ॥
বসন বলয় খসে খোপাচয়
নাহি তাতো সাৱধান।
ৰাজপন্থে চলি আসন্তে কৃষ্ণক
দেখে গৈয়া বিদ্যমান ॥ ২৪৫
হস্তী ঘোৰা ৰথে পদাতি সমস্তে
নিবোধিয়া যাই পথ।
কৃষ্ণক দেখিতে লাগি নৱ নাৰী
চৱে গৃহে উপৰত ॥
কৃষ্ণৰ মধুৰ মূর্ত্তিক দেখিয়া
যত লোক নিৰন্তৰে।
হোৱে বিমোহিত কামে জর্জ্জৰিত
চিত্তক আকুল কৰে ॥ ২৪৬
নয়ন ভ্রমৰে আতি পান কৰে
কৃষ্ণ মুখ পদ্ম মধু।
পীড়ে কাম জ্বৰে ঢলি নিৰন্তৰে
পৰে পুৰজন বধু ॥
কতোক্ষণে স্বস্থ হোৱে নাৰী যত
মনৰ গুছে আকুল।
ভার্য্যাগণ সমে কৃষ্ণৰ শিৰত
ৰৱিষে সুগন্ধ ফুল ॥ ২৪৭
নয়নৰ পথে মাধৱক নিয়া
হৃদয়ত কৰে ধ্যান।
প্রেম নিৰীক্ষণে কুশল পুছয়
মনতে কৰি সম্মান ॥
অন্যো অন্যে বোলে ইটো নাৰীগণে
কিনো আছে তপসাই ॥
দেৱ শিৰোমণি যিটো নাৰায়ণ
তাঙ্কে আছে পতি পাই ॥ ২৪৮
চন্দ্রে সমে যেন নক্ষত্র সকল
ফুৰাই দিশ প্রকাশি।
আহাৰা সৱৰ চক্ষুৰ উৎসৱ
বঢ়ারন্ত হৰি হাসি ॥
সদয় নয়নে লীলাবিলোকনে
কৰান্ত আতি তৃপিতি।
হেনয় আনন্দ সাগৱত মজি
থাকে সবে প্রতিনিতি ॥ ২৪৯
এহিমতে নাৰী সকলে কৃষ্ণৰ
কৱয় গুণ কীর্ত্তন।
অমৃত সমান হাস্য দৃষ্টি চাই
মাধৱে পূৰন্ত মন ॥
ব্রাহ্মণ প্রমুখ্য কৰি নগৰত
বঞ্চে লোক ষতমান।
যৈতে যিবা পাৱে তৈতে মাধৱক
কৰে আসি বহুমান ॥ ২৫০
কৃষ্ণ দৰশনে শুদ্ধ হোৱে আতি
প্রেমত লোতক ঝৰে।
অনেক মঙ্গল উপায়ণে আসি
কৃষ্ণ পাৱে পূজা কৰে ॥
নিৰেখি নয়নে হাসি নাৰায়ণে
সিঞ্চন্ত যেন অমৃত।
সমস্তে লোকৰ দেৱ দামোদৰ
সন্তোষিয়া যান্ত চিত্ত ॥ ২৫১

ছবি।

এহিমতে নিৰন্তৰে কৰন্তে সৎকাৰ পাছে
পাইলা গৈয়া ৰাজাৰ মন্দিৰ।
অন্তঃপুৰ মাজে মহা মিলি গৈল মহোৎসব
সিটো যুধিষ্ঠিৰ নৃপতিৰ ॥
সাক্ষাতে কৃষ্ণক দেখি নয়নে নিৰেখি আসি
অর্চ্চা কৰিলন্ত নিৰন্তৰ।
মিলিল সপ্রেম মনে পীৰিতি প্রফুল্ল মুখ
আনন্দতে সমস্তে লোকৰ ॥ ২৫২
যিটো ত্রিজগত পতি ঈশ্বৰ দেৱতা কৃষ্ণ
তাঙ্ক দেখি কুন্তী মহাসতী।

সুৱর্ণ খাটৰপৰা তেখনে উঠিয়া আসি
ভৈলা আতি আনন্দিত মতি ॥
ভ্রাতৃৰ তনয় বুলি সাৱতি ধৰিলা সতী
দ্রৌপদী সহিতে ৱঙ্গে আসি।
গলে চাপি মহা স্নেহে শিৰ ঘ্রাণিলন্ত মুখে
চন্দন দিলন্ত মুখে হাসি ॥ ২৫৩
হৰিষ লোতকে সবে শৰীৰক তিয়াইলন্ত
প্রেমৰস উপজিল আতি।
অনন্তৰে নাৰায়ণে কৰিলন্ত নমস্কাৰ
পেসী বুলি সাদৰিলা মাতি ॥
দ্রৌপদী সুভদ্রা দুই কৃষ্ণৰ চৰণ ছুই
কৰিলন্ত শিৰে নমস্কাৰ।
অমৃত সমান প্রিয় মধুৰ বচনে হৰি
কৰিলন্ত দুইকো সতকাৰ ॥ ২৫৪
যিটো দেৱতাৰো দেৱ ত্রিজগতে কৰে সেৱ
তাঙ্ক গৃহে আনিয়া নৃপতি।
পূজাৰ নিয়ম যত পাসৰিলা সম্ভ্রমত
প্রেমত মোহিত ভৈল মতি ॥
ভ্রাতৃগণ সমন্বিত সাদৰিলা মহামতি
আনন্দৰ নাহি আৰ পাৰ।
মহেশ্বৰ মাধৱক সুহৃদ লভিয়া মনে
মহোৎসৱ মিলিল ৰাজাৰ ॥ ২৫৫

———

দুলড়ী।

হাত মেলি যেন পাইলন্ত স্বর্গক
কৌতুকে যেন নাচন্ত।
বোলন্ত আমাৰ সমান জানিলোঁ
নাহি মহা ভাগ্যৱন্ত ॥
যিহেতু জগত ঈশ্বৰ সভার্য্যে
গৃহক মোৰ আসিলা।
এতিক্ষণে মহা মোক্ষতো অধিক
প্রসাদ আমাক দিলা ॥ ২৫৬
এহিবুলি ৰাজা কৃষ্ণৰ চৰণ
পখালিলা প্রীতি ভাৱে।
পাদোদক জলে পৱম হৰিষে
স্নানিলন্ত সবাঙ্গৰে ॥
সুৰভী কুসুম ধুপ দীপ গন্ধ
চন্দন নৈবেদ্য আনি।
দিব্য বস্ত্র দিয়া ৱস্ত্র অলঙ্কাৰে
পূজিলন্ত মহামানী ॥ ২৫৭

পাছে দ্রৌপদীক কুন্তী বুলিলন্ত
পুত্রবধু শুনিয়োক।
ৰুক্মিণী প্রমুখ্যে মহিষীক মাৰ
যথা যোগ্যে অর্চ্চিয়োক ॥
শাশুৰ বচন শুনিয়া দ্রৌপদী
সহৰিষে তাৱক্ষণে।
ৰুক্মিণী প্রমুখ্যে কৰিয়া সবাকো
অর্চ্চিলন্ত ৱঙ্গমনে ॥ ২৫৮
সানুক্রমে সতী জানু শিৰে আতি
নমস্কাৰ কৰিলন্ত।
যাক যেন যোগ্য ৱস্ত্র অলঙ্কাৰে
সমস্তকে মণ্ডিলন্ত ॥
আনো আনো যত আসিল লগত
সবাৰো মন তুষিল।
ভার্য্যাগণ সমে কৃষ্ণক নৃপতি
দিব্য গৃহে বাসা দিল ॥ ২৫৯
প্রতিদিনে ৰাজা নৱ নৱ দ্রব্য
মাধৱক অর্চ্চিলন্ত।
গৃহতো অধিক সুখে সাৱকাশে
নাৰায়ণে ৱঞ্চিলন্ত ॥
কুমৰ সৱক বহু বিধ ভাৱে
যথা যোগ্য সাদৰিলা।
মহা স্নেহে ৰাজা আপোনাৰ নিজ
অন্তঃপুৰে বাসা দিলা ॥ ২৬০
অমাত্য সকল আনো আছে যত
সেনাগণ মাধৱৰ।
অনুৰূপে ৰাজা দিলন্ত সাদৰি
সবাহাঙ্কে বাসা ঘৰ ॥
ৱস্ত্রে অলঙ্কাৰে ভোজন সম্ভাৱে
সবাৰো তুষিল মন।
কৃষ্ণ অনুগ্রহ সুমৰি ৰাজাৰ
বাঢ়ে প্রেম অনুক্ষণ ॥ ২৬১
যৈথানি পূর্ব্বত অর্জ্জুনে সহিতে
ঈশ্বৰ এন্তে মাধৱ।
খাণ্ডৱ বহ্নিক তর্পন্তে ৰাখিয়া
আনিলা ময় দানৱ ॥
তাহাৰ হাতত পাণ্ডৱ ৰাজাক
দিব্য সভা সজাই দিল।
সিসৱ কৃষ্ণৰ কৃপাক নৃপতি
অনুক্ষণে সুমৰিল ॥ ২৬২
প্রতিদিনে ৰাজা কৃষ্ণক প্রবেশ
কৰান্ত সভা মধ্যত।

কৃষ্ণক দেখিয়া মনত মানন্ত
সিদ্ধি ভৈল মনোৰথ ॥
পাছে নাৰায়ণে চড়িয়া ৰথত
অর্জ্জুন সহিতে দুই।
অনেক বিহাৰ কৰন্ত সানন্দে
কটকে আবৃত হুই ॥ ২৬৩
পাণ্ডৱ ৰাজাৰ প্রিয় কার্য্যমানে
সাধিবাক ৱাঞ্ছা কৰি।
ভার্য্যা পুত্র সমে কতিপয় মাস
ৱঞ্চিলন্ত দেৱ হৰি ॥
শুনা সভাসদ ভাগৱত পদ
ইসে ধর্ম্ম অনুপাম।
দুঃখ দুৰ হৌক পাতক ছাড়োক
ডাকি বোলা ৰাম ৰাম ॥ ২৬৪

———

পদ।

শুক নিদ্গতি শুনা ৰাজা মহাধীৰ।
এক দিনা সভাত আনন্দে যুধিষ্ঠিৰ ॥
বসিয়া আছন্ত মুনিগণ সমন্বিতে।
ব্রাহ্মণ ক্ষত্রিয় বৈশ্য আছন্ত তহিতে ॥ ২৬৫
ভ্রাতৃগণ আছে আৰো বৃদ্ধ জ্ঞাতি যত।
সম্বন্ধী বান্ধৱ আনো আছে সমজ্যাত ॥
সবাৰো মধ্যত ৱত্নময় সিংহাসনে।
মহা পাৰিছেদে আছা বসি নাৰায়ণে ॥ ২৬৬
দিক পাল মধ্যে যেন আছা পুৱন্দৰ।
গ্রহগণ মধ্যে যেন জলে শশধৰ ॥
প্রসন্ন বদনে পুর্ণ চন্দ্রমাকো গঞ্জি।
আনন্দে আছন্ত সবে সমজ্যাক ৱঞ্জি ॥ ২৬৭
দেখিয়া নৃপতি উঠি সভাৰ মধ্যত।
কৃতাঞ্জলি হুইয়া আতি কৃষ্ণৰ আগত ॥
সমজ্যাত বসিয়া আছন্ত যত জন।
সবাকো শুনাইয়া হেন বুলিলা বচন ॥ ২৬৮
হে কৃষ্ণ কৃষ্ণ কৃপাময় নাৰায়ণ।
ভকত বৎসল মোত হুইও সুপ্রসন্ন ॥
তযু চৰণৰ কৃপালেশ যেবে পাওঁ।
তোমাৰ চৰণ দুইক অর্চ্চিবাক চাওঁ ॥ ২৬৯
পৱম পবিত্র যজ্ঞ ৰাজসূয় কৰি।
তযু অংশ সবক পুজিতে চাহোঁ হৰি ॥
তোমাৰ চৰণে পৰি কৰোহোঁ গোচৰ।
হুইয়োক সহায় মোৰ প্রভো দামোদৰ ॥ ২৭০

হেন বা বুলিবা তুমি মোক মহাৰথ।
চক্রৱর্ত্তী ৰাজাৰেসে ইটো মনোৰথ ॥
কতিপয় গ্রামৰ ঈশ্বৰ তুমি হুই।
কিমতে কৰিবা ইটো যজ্ঞ ৰাজসূয় ॥ ২৭১
ইহাৰ উত্তৰ শুনিয়োক নাৰায়ণ।
তোমাৰ কৃপাত ইটো কোন প্রয়োজন ॥
যাক কৃপা কৰা তুমি আপুনি চৰণে
হাততে মুকুতি পদ পাৱে সিটো জনে ॥ ২৭২
অভদ্রক নাশে হেন তোমাৰ পাদুকে।
অহর্নিশে সেবা যিটো কৰয় উৎসুকে ॥
ৱাক্যে বা কীর্ত্তন কৰে মনে বা সুমৰে।
এতেকে সংসাৰ পাৰ পাৱে সিটো নৱে ॥ ২৭৩
যদি ৱাঞ্ছে পাৱে সিটো আনো মনোনীত।
চক্রৱর্ত্তী ৰাজা যাক নপাৰে দেখিত ॥
পাদুকা সেৱাত যাৰ এতেক মহিমা।
তোমাৰ সেৱাৰ কোনে কহি পাৱে সীমা ॥ ২৭৪
তথাপি তোমাৰ সেৱাৰ যেন ফল।
সাক্ষাতে দেখোক লোকে ভকতিৰ বল ॥
দেৱৰো দেৱতা ভগৱন্ত মহেশ্বৰ।
তযু পাদ পদ্মে সেৱা কৰে যিটো নৰ ॥ ২৭৫
তোমাৰ ভক্তিক নকৰয় বহু মান।
কৰি আছে যিটো মাত্র কর্ম্মক প্রধান ॥
হেনয় যতেক কুরু শৃঞ্জয় সকল।
উভয় নিষ্টৰ প্রভু দেখাইয়োক ফল ॥ ২৭৬
হেন বা বুলিবা ৰাগ ৱহিত ঈশ্বৰ।
সমস্তে ভূততে মঞি সম নিৱন্তৰ ॥
কেন মতে এতেক ৱিষম হৈবো আমি।
ইহাৰ উত্তৰ দেওঁ জগতৰ স্বামী ॥ ২৭৭
তুমি ব্রহ্ম সনাতন ঈশ্বৰ সাক্ষাত।
পৰাপৰ ভেদ বুদ্ধি নাহিক তোমাত ॥
অন্তর্য্যামী ৰূপে কৰা জীৱক নিয়ম।
এতেকেসে আত্মা তুমি জগততে সম ॥ ২৭৮
নিজানন্দ অনুভৱ সুখৰ সাগৰ।
ৰাগ দ্বেষ দম্ভ ভাৱ ৱহিত ঈশ্বৰ ॥
তাপি তোমাক সেৱে যিটো মহাজন।
সেৱা অনুৰূপে ফল পাৱে নাৰায়ণ ॥ ২৭৯
ইহাত অন্যথা ভাৱ নাহি কদাচিত।
যেন যিটো চাপে কল্পতৰু সন্নিহিত ॥
সেৱা কৰিলেসে নৱে ফল পাৱে পাছে।
মুখুজিলে কদাচিতো কৈত পাইয়া আছে ॥ ২৮০
ইহাত ৱিষম কিছু নাহিকে ৱৃতৰ।
তোমাৰো জানিবা হৰি সেহি পটন্তৰ ॥

সেৱা কৰি তোমাত বাঞ্ছিত ফল পাৱে।
তোমাক বিষম বোলে কোন মূঢ় ভাৱে॥ ২৮১
হেন জানি কৰা হৰি কৰুণা আমাক।
যেনমতে যজ্ঞে মই যজিবো তোমাক॥
এতেক বোলন্তে ৰাজা কৃষ্ণৰ আগতে।
উপজিল প্ৰেম পৰিলন্ত দণ্ডৱতে॥ ২৮২
হেন দেখি হৰি আশ্বাসিলা তাঙ্ক ধৰি।
মধুৰ বচনে মাতিলন্ত পাছে হৰি॥
নাৰায়ণ বদতি শুনিয়ো মহাশয়।
কৰি আছা ধ্যান তুমি উত্তম নিশ্চয়॥ ২৮৩
তোমাৰ নিৰ্ম্মল কীৰ্ত্তি ব্যাপিব লোকত।
দেৱ ঋষি পিতৃ সুহৃদবো মনোগত॥
সমস্তে ভূতৰে মহা মনৰ বাঞ্ছিত।
ৰাজসূয় যজ্ঞ ৰাজে মোৰো আছে চিত্ত॥ ২৮৪
হেন জানি জিনি আগে নৃপতি সকল।
কৰিয়ো নিৰ্ব্বশ্ব ইটো পৃথিবী মণ্ডল॥
যজ্ঞৰ সম্ভাৰ যত কৰি একস্থান।
পাছে মহাযজ্ঞ ৰাজা কৰা বিদ্যমান॥ ২৮৫
বুলিবা নৃপতিগণ জিনিবো কিমতে।
নকৰিবা শঙ্কা একো ৰাজাক জিনন্তে॥
তযু ভ্ৰাতৃগণ দিকপাল অংশে জাত।
অকলে জিনিতে পাৱে জগৎ সাক্ষাত॥ ২৮৬
ভীমসেন অৰ্জ্জুন নকুল সহদেৱ।
তাসম্বাক সম জগততে নাহিকেৱ॥
আৰো তুমি কৰি বশ্য ইন্দ্ৰিয় সকলে।
মোকো জিনি আছা মহা ভকতিৰ বলে॥ ২৮৭
হেন তুমি পাৱে কোনে তোমাক জিনিত।
নকৰিবা মনে ৰাজা সংশয় কিঞ্চিত॥
নিষ্কিঞ্চন জানো যদি ভৈল মোত পৰ।
তাক পীড়িবাক নাহি শকতি লোকৰ॥ ২৮৮
শ্ৰী যশ তেজে যদি ভৈল সমন্বিত।
তথাপি শকতি নাহি ভক্তক পীড়িত॥
দেৱো আতি ডৰিবাক নপাৱয় যাক।
পৃথিবীৰ ৰাজা কিবা কৰিবেক তাক॥ ২৮৯
শুক নিগদতি ৰাজা শুনা পৰাক্ষিত।
কৃষ্ণৰ শুনিয়া ৰাজা বচন অমৃত॥
প্ৰীতি প্ৰফুল্লিত মুখপদ্ম ভৈল আতি।
পাছে ভাতৃ সকলক বুলিলন্ত মাতি॥ ২৯০
শুনা ভীম অৰ্জ্জুন নকুল সহদেৱ।
তুমিসব বিনে মোৰ বন্ধু নাহি কেৱ॥
প্ৰাণতো অধিক মোৰ সোদৰ পৰম।
নাহিকে সুহৃদ হিত তুমিসব সম॥ ২৯১

কৰো ৰাজসূয় মাধৱৰ অনুমতি।
চলিয়োক সবে দিগ বিজয়ক প্ৰতি॥
লক্ষেক নৃপতি জিনি এক থান কৰা।
ৰাঞ্ছা পয়োনিধি হন্তে আমাক উদ্ধাৰা॥ ২৯২
শুনা সহদেৱ তুমি চলা দক্ষিনক।
লৈয়োক সহায় লগে শৃঞ্জয় সৱক॥
আপুনি পণ্ডিত যুজিবাহা সাৱধানে।
জিনি আনা তুমি দক্ষিনৰ ৰাজা মানে॥ ২৯৩
চলিয়ো নকুল তুমি পশ্চিমক প্ৰতি।
লৈয়োক লগত মৎস্যগণ মহামতি॥
জিনি আনা তুমি পশ্চিমৰ ৰাজ্য যত।
চিত্ত লক্ষি সাৱধানে যুজিবা ৰণত॥ ২৯৪
উত্তৰ দিশক চলিয়োক ধনঞ্জয়।
কৈকেয় সৱক লগে লৈয়োক সহায়॥
আপুনি সৰ্ব্বজ্ঞ উপদেশ দিবো কিক।
জিনি আনা যত উত্তৰৰ নৃপতিক॥ ২৯৫
চলিয়ো পুৱক মহাবীৰ বকোদৰ।
লগত লৈয়োক যদুগণ নিৰন্তৰ॥
মহা বলৱন্ত কত কহিব মহত।
জিনি আনা পূৱৰ নৃপতিগণ যত॥ ২৯৬
নকৰা বিলম্ব এতিক্ষণে চলিয়োক।
লক্ষেক নৃপতি জিনি আনি দিয়ো মোক॥
নিৰন্তৰে কৰ ভাৰ লৈয়া যথোচিত।
লগতে আনিবা যত যজ্ঞৰ সম্ভত॥ ২৯৭
ৰাজাৰ আদেশ পাই চাৰিয়ো সোদৰ।
ভৈল বল বুদ্ধি আৰো তেজে মাধৱৰ॥
পৰম প্ৰাৱন্তে সবে গৈল সাজি।
অসংখ্যাত সেনা সঙ্গে ৰথ গজ বাজী॥ ২৯৮
যাক যি দিশক পাঞ্চিলন্ত যুধিষ্ঠিৰ।
সেহি সেহি দিশে চলি গৈলা চাৰি বাৰ॥
সুবোধ সুথিৰ ধীৰ গহীন গম্ভীৰ।
ৰণত পণ্ডিত সৱে নিস্কম্প শৰীৰ॥ ২৯৯
আৰো মাধৱৰ চৰণৰ সেৱা বল।
ইঙ্গিতে জিনিলা সৱে পৃথিবী মণ্ডল॥
চাৰিয়ো দিশৰ নৃপতিক ৰণে জিনি।
অজাত শাল্বক আনি দিলা ভিন্নি ভিন্নি॥ ৩০০
সুবৰ্ণ ৰজত ৰত্ন অসংখ্য প্ৰমাণ।
চামৰ কমল গান্ধ দিলা বিদ্যমান॥
দেখিয়া ৰাজাৰ মহা আনন্দ মিলিলা।
চাৰি সোদৰক আতি প্ৰশংসা কৰিলা॥ ৩০১
নিশেষে জিনিলা চাৰি বীৰে চাৰি দিশ।
হেন মনে মানি ৰাজা কৰন্ত হৰিষ॥

তাসম্বাৰ মুখে কথা শুনিলন্ত পাছে॥
পৰম দুৰ্জ্জয় জৰাসন্ধ বহি আছে॥ ৩০২
মিলিল মনত অসন্তোষ বিপৰীত।
পাপিষ্ঠক জিনন্তা নাহিকে পৃথিবীত॥
কিমতে কৰিবো আৰে যজ্ঞ ৰাজসূয়।
মনত গুণন্ত ৰাজা অধো মুখ হুই॥ ৩০৩
দেখিয়া মাধৱে আশ্বাসিলা নৃপতিক।
জৰাসন্ধ বধিতে সংশয় কৰা কিক॥
মই যাৰ সহায় আছোক জৰাসন্ধ।
ব্ৰহ্মা আদি দেবসৱ কৰিয়া প্ৰৱন্ধ॥ ৩০৪
জানিয়া নৃপতি ঘোৰ চিন্তা তেজিয়োক।
ভীম অৰ্জ্জুনক মোৰ লগত দিয়োক॥
তিনিবীৰে জৰাসন্ধ ৰাজাক বধিয়া।
দিবো কৰ ভাৰ তুমি অনুমতি দিয়া॥ ৩০৫
শুনিয়া ৰাজাৰ মহা হৰিষ মিলিল।
কৃষ্ণৰ লগত দুয়ো বীৰক পাঞ্চিল॥
কৃষ্ণক বোলন্ত প্ৰভু চিন্তিয়ো উপায়।
যেনমতে জৰাসন্ধ ৰাজা বদ্ধ যায়॥ ৩০৬
পাছে কৃষ্ণে উদ্ধৱৰ বচন সুমৰি॥
ভীম অৰ্জ্জুনক লগে লৈয়া দেৱহৰি॥
জৰাসন্ধ বধিবাক মনে হৃষিকেশ।
চলিলা তিনিয়ো ব্ৰাহ্মণৰ ধৰি বেশ॥ ৩০৭
গিৰি ব্ৰজ পতি একে ৰথে গৈলা চলি॥
যৈত আছে বৃহদ্ৰথসুত মহাবলী॥
বিদুৰতে থৈয়া ৰথ আদিত্য বেলাত।
ভৈলা তিনি বীৰ ৰাজ গৃহত সাক্ষাত॥ ৩০৮
দ্বাৰে নপশিয়া আতি কৰি মহালীলা।
বাহুৰ আচাৰে ভীমে গৰক ভাঙ্গিলা॥
সেহি পথে গৈয়া অন্তঃ পুৱত পশিলা।
বসি আছে জৰাসন্ধ সাক্ষাতে দেখিলা॥ ৩০৯
ব্ৰাহ্মণৰ স্থানে তিনি বীৰ শিৰোমণি।
উচ্চস্বৰে আতি কৰিলন্ত বেদধ্বনি॥
আশীৰ্ব্বাদ কৰন্ত আনত হুয়া থিয়।
কপটে বোলন্ত ৰাজা হুয়ো চিৰঞ্জীয়॥ ৩১০
শ্ৰীযশ কীৰ্ত্তি হৌক ধৰ্ম্মৰ উদয়।
তিনিয়ো ব্ৰাহ্মণ আমি জানা মহাশয়॥
বিদুৰৰে পৰা শুনি তযু মহাগুণ।
প্ৰাৰ্থিবে আসিলো আমি তিনিয়ো ব্ৰাহ্মণ॥ ৩১১
গৃহস্থ সৱৰ অথিতিসে মহাগুৰু।
আৰো প্ৰাৰ্থকৰ তুমি সে কল্পতক॥
আশীৰ্ব্বাদ কৰো হৌক তোহোৰ কল্যাণ।
ভিক্ষুক জানিয়া মহাৰাজা দিয়ো দান॥ ৩১২

বুলিবা ব্ৰাহ্মণসব খোজা নাম ধৰি।
যে দিবে যোগ্য নোহে দিবো কেন কৰি॥
পুত্ৰাদি বিয়োগ যাৰ পৰম দুস্সহ।
কিমতে দিবেক যাত আতি বৰ গ্ৰহ॥ ৩১৩
ইহাৰ উত্তৰ শুনিয়োক নৃপবৰ।
নাহিকে অকাৰ্য্য যেন অসাধু লোকৰ॥
সেহিমতে দাতাৰো নেদিবো হেন চিত।
পুত্ৰ দেহ আদি কৰি নাহি কদাচিত॥ ৩১৪
দাতা সকলৰ চিত্ত পৰম উদাৰ।
দেখে মায়াময় ইটো যতেক সংসাৰ॥
আছে আনবস্তু দান কৰে কলেৱৰ।
নাহি আত্মা পৰ সমদৰশি লোকৰ॥ ৩১৫
অনিত্য দেখিয়া পাৰ্থকক সাধু নৰে।
মৃত্তিকা সদৃশ নিজ প্ৰাণ দান কৰে॥
অসত্য শৰীৰে সত্য যশস্যাক পাৱে।
তাহাৰ যশস্যা মহাজন সবে গাৱে॥ ৩১৬
হেন জানি পৰম সামৰ্থ যিটো জন!
আপোনাৰ যশস্যা নকৰে সম্পাদন॥
পৰম নিন্দিত সিটো অধম মনুষ্য।
দেখিতে বৰ্জ্জিত লাগে পৰম অস্পৃশ্য॥ ৩১৭
বুলিবাক হিত নতো ইটো কথা শুনি।
কোনে কাক দিয়া আছে প্ৰাণক আপুনি॥
ইহাৰ উত্তৰ কহো শুনা বিদ্যমান।
আছিলন্ত হৰিশ্চন্দ্ৰ নৃপতি প্ৰধান॥ ৩১৮
বিশ্বামিত্ৰ ঋষিক পৃথিবী দান দিলা।
দক্ষিণাৰ পদে পুত্ৰ ভাৰ্য্যাকো বিকিলা॥
আপুনিয়ো চাণ্ডালত বিক্ৰয় গৈলন্ত।
ঋণ সুজি ব্ৰাহ্মণৰ দক্ষিণা দিলন্ত॥ ৩১৯
দেখা ৰাজা কেন বীৰ কীৰ্ত্তিৰ মহত।
অযোধ্যাৰ যত লোক সহিতে পাছত॥
অক্ষয় স্বৰ্গক গৈল আনন্দে নৃপতি।
তাহান নিৰ্ম্মল যশ প্ৰচাৰে সম্প্ৰতি॥ ৩২০
দানদিয়া ৰন্তিদেৱ কুতুম্বে সহিতে।
চল্লিশ দিৱস উপবাসে মহামতি॥
জল ফুতি মাত্ৰ কৰিবাক চান্ত পান।
প্ৰাৰ্থক অতিথি পায়া তাকো দিলা দান॥ ৩২১
পাছে ব্ৰহ্মলোক তেহো পাইলা সেহি ফলে।
আজিও প্ৰচাৰে যশ পৃথিবী মণ্ডলে॥
উঞ্ছবৃত্তি ব্ৰাহ্মণে সুহোষ নাম তান।
নাহি মহা সুখী আৰ তাহান সমান॥ ৩২২
মহা উপবাসে আতি প্ৰাণ যাই ফুটি।
সকুতুম্বে ভুঞ্জিবাক চান্ত গুণ্ডা গুটি॥

তাকো অতিথিক দান দিয়া মহাযশী।
সকুতুম্বে ব্রহ্মলোক পাইলা হৰিষি॥ ৩২৩
শিৱি নামে এক মহাৰাজা আছিলন্ত।
শেন হন্তে কপাতিক ৰক্ষা কৰিলন্ত॥
আপোনাৰ মাংস কাটি শেনক দিলন্ত।
সেহি ফলে অক্ষয় স্বর্গত বঞ্চিলন্ত॥ ৩২৪
মহাযশী বলিৰায় প্রহ্লাদৰ নাতি।
জগত ব্যাপিল যাৰ নির্ম্মল সুখ্যাতি॥
বিপ্ররূপী বিষ্ণুক সর্ব্বস্ব দান দিল।
নিজ গুণে মাধৱক অধীন কৰিল॥ ৩২৫
কপোত কপোতী দুয়ো আছে এক ডালে।
ৰৈল এক ব্যাধ আসি তৈত নিশাকালে॥
দেখি উপবাসে আসি অতিথি ৰহিল।
আমাক ভুঞ্জোক বুলি বহ্নিত পৰিল॥ ৩২৬
আপুনাৰ মাংস কৰি অতিথিক দান।
ভার্য্যা সমে পাইল পক্ষী স্বর্গলোকে থান॥
দেখি ব্যাধে পাছে কপোতীৰ মহাসত্য।
বিপৰীত বিৰকতি মিলিল মনত॥ ৩২৭
মহা পুণ্য থানে দেহা দেহি অগনিত।
স্বর্গ পাইল পৱম নির্ম্মল হুয়া চিত্ত॥
এহিমতে আনো মহা অনেক মহন্ত।
অনিত্য শৰীৰে নিত্য পদক পাইলন্ত॥ ৩২৮
জানিয়া নৃপতি দান দিয়োক আমাক।
এহি বুলি ভৈলা পাচে তিনিয়ো অবাক॥
শুনা ভাগৱত যত সমাজিক লোক।
বোলা ৰাম ৰাম মহা পাতক গুছোক॥ ৩২৯

ছবি।

শুক মুনি নিগদতি শুনিয়োক নৱপতি
পাছে জৰাসন্ধ নৃপৱৰ।
মনত আলোচে শুনি বাক্যেৰ গম্ভীৰ ধ্বনি
আকৃতি দেখিয়া শৰীৰৰ॥
সবাৰো দেখিল পাছে ধনু ওণ লাগি আছে
কৰ বান্ধি আছয় হাতত।
দুহিকে ব্রাহ্মণ জাতি অধম ক্ষত্রিয় আতি
দেখি পাছে তিনিকো পুৰ্ৱত॥ ৩৩০
জানিলো সামর্থ দুয়
তাতেসে ধৰিল বিপ্রবেশ।
কপটত মিত্র পাতি জীৱৰ নিমিত্তে আতি
ভিক্ষা মাগি ফুৰে দেশে দেশ॥

তথাপিতো আমাসাক বিমুখ কৰিয়া আজি
অৱশ্যে কৰিবো বন্ধুমান।
বোলো অঙ্গীকাৰ কৰি খোজে যেবে আৰা সরে
দুস্ত্যজ প্রাণকো দিবো দান॥ ৩৩১
শুনি আছো বলিৰায় অনেক নির্ম্মল কীর্ত্তি
দশো দিশ ব্যাপিল সকল।
কপট বামন হৰি ঐশ্বর্য্যত ত্রস্তকৰি
যদ্যপি নিলন্ত ৰসাতক॥
শ্রীবাঞ্ছি বাসৱৰ যদি দেৱ দামোদৰ
ব্যাজে বিপ্র হুয়া আসিলন্ত।
কপট বিষ্ণুক জানি শুক্র ঋষি মহামানী
অনেক নিশেষ বুলিলন্ত॥ ৩৩২
তথাপিতো কৰি মান বিষ্ণুক দিলন্ত দান
ত্রৈলোক্য সম্পত্তি দৈত্যৰাজ।
জানি আসন্ধাক আজি অনিত্য প্রাণক দিয়া
সাধিবোহো আপোনাৰ কাজ॥
ক্ষণিক শৰীৰে যিটো ক্ষত্রিয় অধম সরে
নসাধয় বিপ্র প্রয়োজন।
আপোনাৰ আতি মহা যশ ৰাশি নসাঞ্চিলা
ধিক ধিক তাহাৰ জীৱন॥ ৩৩৩
এহি মতে দঢ়াই আতি বুলিলা তিনিকো মাতি
শুনিয়োক ব্রাহ্মণ সকল।
যেহি লাগে খোজা তাক দিবো সত্যে বোলো বাক
নুহিবেক প্রার্থনা বিফল॥
শুনি পাছে নাৰায়ণে বুলিলন্ত বঙ্গ মনে
শুনা ৰাজা কহো বিদ্যমান।
বোলোহো নিশ্চয় বাণী সত্য ৰাখি মহামানী
দিয়োক দ্বৈৰথ যুদ্ধদান॥ ৩৩৪
দুহিকো ব্রাহ্মণ জাতি তিনিয়ো ক্ষত্রিয় আতি
যুদ্ধ হেতু আসি আছো নিষ্ঠ।
এন্ত বীৰ বৃকোদৰ এন্ত মহা ধনুর্দ্ধৰ
ধনঞ্জয় ভীমৰ কনিষ্ঠ॥
দুহানো মাণ্ডল ভায় জান তঞি মহাৰায়
কৃষ্ণ মঞি তোৰে প্রাণ বৈৰী।
শুনিয়া কৃষ্ণৰ বাণী জৰাসন্ধ মহামানী
হাসিলেক আতি উচ্চ কৰি॥ ৩৩৫
ডাকি বোলে জৰাসন্ধ শুন অৰে মহামন্দ
যুদ্ধ আজি দিবো স্বকপত।
কিন্তু ভয়াতুৰ তঞি তোক নুযুজিবো মঞি
হাৰি মোত আছস পুর্ব্বত॥
ৰণত তৰাসে আতি আপুন মথুৰাপুৰী
তেজি তঞি পৱম দুর্জ্জন।

তোৰ কথা কৈবো কত হস্তুৱায়া লোকযত
সাগৱত পশিলি শৱণ॥ ৩৩৬
অর্জ্জুন শৰীৰ ক্ষীণ যুদ্ধতো বলত হীন
বয়সো কনিষ্ঠ মোত কৰি।
বুদ্ধি বল পৰাক্রমে যুদ্ধত কুশল শ্রমে
ভীমেসে কেৱলে মোক সৰি॥
কৃষ্ণ ধনঞ্জয় দুই যুদ্ধৰ কিছোৰো নুই
ভীম তোৰ শুনি আছো নাৱঁ।
পৰাক্রমে দেখ মোৰ কৰিয়া প্রহাৰ ঘোৰ
দর্পচূৰ কৰিয়া পথাৱঁ॥ ৩৩৭
অস্ত্র শস্ত্র কিছো নাই আসি আছ শুদা গায়
খোজ মোত কিবা অস্ত্র লাগে।
ইঙ্গিত জানিয়া আতি বাজৰ লোহাৰ ঘোৰ
গদা দুই দিল আনি আগে॥
বোলে ভীমসেন তঞি গোটেক বাচিয়া লউ
আউৰ গোট লৈবো ময় পাছে।
ময় আগে লৈলে তোৰ খঙ্গাৰ কৰিবি বৰ
বুলিবি সুদৃঢ় লৈয়া আছে॥ ৩৩৮
এহি বুলি ভয়ঙ্কৰ ভীমক দিলেক গদা
আপুনিয়ো লৈলেক অপৰ।
কাছি পাৰি বীৰকাছে সৱে সমস্থিতে পাছে
বাহিৰ ভৈগৈলন্ত নগৰ॥
নমো নমো নাৰায়ণ দুঃখ শোক বিনাশন
চৰণ পঙ্কজযুগ যাৰ।
জগত নিস্তাৰ হেতু কপট মানুষ হৈয়া
দৈৱকীত ভৈলা অৱতাৰ॥ ৩৩৯
কলিৰ লোকক প্রভু মহা অনুগ্রহ কৰি
নিজ গুণ কৰিলা প্রচাৰ।
যাক শুনি ভণি আতি মহা পাপী অন্ত্যজাতি
মহা সুখে নিস্তাৰে সংসাৰ॥
পতিত পাৱন জানি তোমাত শৰণ লৈলো
মায়া মোৰ কৰা উপশাম।
অনুগ্রহ কৰা মোক সমজ্যাৰ যতলোক
ডাকি সবে বোলা ৰাম ৰাম॥ ৩৪০

পদ।

শুক নিগদতি শুনিয়োক নৃপৱৰ।
পাছে ৰণ ভূমিত মাগধ বৃকোদৰ॥
দুইকো দুই অন্যো অন্যে কৰিয়া যুগুত।
কৰিলন্ত দুয়ো বীৰে যুদ্ধে অদভুত॥ ৩৪১

চতুর্ভিতি বেঢ়ি নগৰৰ নৱনাৰী।
বিপৰীত ৰঙ্গ চাহি ৰৈল শাৰী শাৰী॥
একপাশ হুয়া সুখে কৃষ্ণ ধনঞ্জয়।
যুদ্ধ চাহি ৰহিলন্ত দুয়ো মহাশয়॥ ৩৪২
যুদ্ধৰ নিয়ম যত কহো অনুক্রমে।
গদাৰ সমৰ মহা মিলিল প্রথমে॥
কৰে গদা ধৰি দুয়ো বীৰে ফুৰে পাক।
নির্ঘাত সদৃশ দুয়ো বীৰে ছাৰে ডাক॥ ৩৪৩
গদাৰ শ্রমত দুয়ো পৱম কুশল।
কৰন্ত বিচিত্র আতি অনেক মণ্ডল॥
কতো বেলা বামে কতো দক্ষিণে ফুৰন্ত।
চিদ্র লক্ষি দুয়ো বীৰে প্রহাৰ কৰন্ত॥ ৩৪৪
ফুৰন্তে দুই হানো যুদ্ধে শোভে আতিশয়।
যেন ৰঙ্গ মাজে নট দুই প্রকাশয়॥
ঘোৰ যুদ্ধ মাজে দুয়ো পৱম নির্ভয়।
দুইয়ো দুইক ইঙ্গিতে কটাক্ষ নকৱয়॥ ৩৪৫
বজ্র সম গদা দুয়ো কৱয় প্রহাৰ।
জাত জাত অগ্নি বাজ হোৱে দুইৰো গাৱ॥
নগণয় দুয়ো তাক ৰণত দুর্ম্মদ।
দশো দিশ পুৰে আতি গদাৰ শব্দ॥ ৩৪৬
ঠাক ঠিক মাত্র শুনি লঙ্ঘয় আকাশ।
বজ্রৰ নির্ঘাতে যেন জলে গর্ভ ত্রাস॥
গদাৰ প্রহাৰে দুইৰো শোভে নিৰন্তৰ।
দন্ত যুদ্ধ কৰে যেন দুগোটা কুঞ্জৰ॥ ৩৪৭
তাৰ যেন দন্তৰ শব্দ অতিশয়।
দুইহানো গদাৰ কোৰ শোভে সেহিনয়॥
বায়ু বেগে গদা আসি পড়ে শৰীৰত।
উৰু কৰ কতি কন্ধ হনু প্রদেশত॥ ৩৪৮
হুঃ বুলি মাৰে গদা শৰীৰৰ বলে।
যেন মত্ত হস্তী শুণ্ড আচাৰয় জলে॥
গদায় গদাত কতো মাৰে ঠাতকৰি।
দিশক বিয়াপি যাই অগনিউ কৰি॥ ৩৪৯
মাথাত পৰিয়া ঘোৰ অগ্নি যাই জলি।
থাকে পৰি কতো বেলি দুহাঙ্কো নাকলি॥
মৰিল বুলিয়া লোকে কৰে কোলাহল।
বোলে একেবাৰে ভৈল দুহাস্তৰো কাল॥ ৩৫০
কৰন্ত ক্রন্দন লোকে দুইহাস্তকো চায়।
কতো বেলি অন্তৰে অগনি লাগে ঠাই॥
ধুঞাঁ ঠাই ভৈলে লোকে দুইকো দেখে পাছে।
গদা ধৰি আটোপ কৰন্ত দুয়ো আছে॥ ৩৫১
বোলে নিৰন্তৰে দেখি দুইহাস্তৰো পিত।
কিনো নিদারুণ দুয়ো বীৰ বিপৰীত॥

গদাৰ কোবত শৰীৰৰ উঠে জুই।
তথাপিতো কটাক্ষ নকৰে ইটো দুই ॥ ৩৫২
সেহি সময়ত যত দেৱগণ মানে।
যুদ্ধ চাহিবাক মনে আসিলা বিমানে ॥
সিদ্ধ মুনি বিদ্যাধৱ গন্ধর্ব্ব চাৰণ।
নিৱন্তৰে আইলা যত অপেশ্বৰাগণ ॥ ৩৫৩
যুদ্ধ চাহি নিৱন্তৰে ৰৈল আকাশত।
শুনা দুয়ৱো যুদ্ধ যেন মিলিল পাছত ॥
পুনৰপি দুয়ো বীৰে দুহাস্তকো মাতি।
গদা ধৰি দুয়ো আৱক্ষতি কৰে আতি ॥ ৩৫৪
মাৰ মাৰ বুলি দুয়ো বীৰ মহাশয়।
দশন কামুৰি দুয়ো দুহাস্কো গর্জ্জয় ॥
হেৰ মাৰো বুলি কৰে গদাৰ প্রহাৰ।
শৰীৰত পৰে আসি কৰি ঠাতকাৰ ॥ ৩৫৫
অন্যো অন্যে প্রহাৰ কৰয় বিপৰীত।
কঠিন গাৱত গদা হোৱে চূর্ন্নিকৃত ॥
আক্রান্তে যুজয় যেন দোগোটা কুঞ্জৰ।
ভাগি গৈল তাৰ যেন ডাল আকনৰ ॥ ৩৫৬
সেহি মতে দুইৱো যেৱে গদা ভাগি গৈল।
পাছে দুয়ো বাহুযুদ্ধ কৰিবাক লৈল ॥
দুয়ো মহাবীৰ যেন প্রমত্ত কেশৰী।
ক্রোধে দুয়ো মুষ্ঠিত প্রহাৰে মুঠি ধৰি ॥ ৩৫৭
বাহুত ধৰিয়া কোপে আটোপে আজোৰে।
কঙ্কাল ফান্দিয়া ধৰি অধৰ কামোৰে ॥
অনেক আক্রান্তে শৰীৰৰ বলে টানে।
মাৰয় চাপৰ দুয়ো দুহাস্কো সন্ধানে ॥ ৩৫৮
আন্তৰিয়া পুনু আতি মাৰে বাহু দাম্ফি।
বাঘে যেন গর্জ্জি পুনৰপি ধৰে হাম্ফি ॥
হাতে পাৱে শিৰে গলে চান্দে মালজৰী।
এক পিণ্ড হুয়া কৰে বগৱা বগৰি ॥ ৩৫৯
কৰে হৱহৰি হাত ভাঙ্গে মৰমৰি।
নাহি ভ্রুভঙ্গ খঙ্গ যাই আতি চৰি ॥
কৰি এৱা এৰি কতো হোৱয় অন্তৰ।
মহা গর্ব্বে বীৰনাদ কৰে ভয়ঙ্কৰ ॥ ৩৬০
ফুৰে দুয়ো পাক যেন কুমাৰৰ চাক।
গর্জ্জে যেন প্রমত্ত মাতঙ্গ ছাৰে ডাক ॥
ধৰিয়া হাম্ফুলি কতো আচাৰয় তুলি।
হিয়াত ৱৈসাৱে মথি কতো হুঃ বুলি ॥ ৩৬১
পাৰে দোঙ্গা দুঙ্গি কতো আস্কোৱালি ধৰি।
কৰে থাক থাক কতো দুইহাস্তো আতৰি ॥
কৰকৰ কৰি কতো দশন চর্ব্বই।
খাইৱো তোৰ মুণ্ড বুলি দুহাস্তো গর্জ্জয় ॥ ৩৬২
মুণ্ডে মুণ্ডে যুদ্ধ কতো কৰে বৰ ৰাগে।
অন্যো অন্যে যুজে যেন দুই ভেৱা ছাগে ॥
হিয়ায়ে হিয়ায়ে যুদ্ধ কৰে আতিশয়।
দোগোটা ৰাক্ষসে যুদ্ধ কৰে যেন নয় ॥ ৩৬৩
বাহুৱে বাহুৱে যুদ্ধ কৰে মহা ৰঙ্গে।
শুণ্ডে শুণ্ডে যুজে যেন দোগোটা মাতঙ্গে ॥
পাৱে পাৱে যুজে দুয়ো বীৰ মহা শ্রমে।
লাথি যুদ্ধ কৰে যেন দুই তুৰঙ্গমে ॥ ৩৬৪
নানা বিধ যুদ্ধ দুয়ো কৰয় প্রৱন্ধে।
মহা চন্দে বন্ধে ভীমসেন জৰাসন্ধে ॥
কতো একপিণ্ড কতো হোৱয় অন্তৰ।
বহুবিধ শ্রম কতো দেখাৱে মালৰ ॥ ৩৬৫
নির্ঘাত শৱদে বজায় কৰতাল।
শৱদে পুৰয় দিশ বিদিশ সকল ॥
মাৰে বাহু তালি আচাৰয় হাত পাৱ।
মাথা জঙ্কাৰিয়া কতো কৰে বহুভাৱ ॥ ৩৬৬
কৰয় আস্ফাল দুয়ো বীৰ মহামাল।
দুইৱো পয়োভৰে আতি যাই ভূমিচাল ॥
ওপৰক দিয়া দেও তেজয় আতাস।
ৱজ্র পৰে বুলি কতো হোৱয় তৰাস ॥ ৩৬৭
চিদ্র চাই কতো আসি লৱৰন্তে ধৰি।
মাৰয় আচাৰ পৰে গিৰিসিত কাৰ ॥
যাই পোত সমূলি পৃথিবী কৰি খাল।
উঠি কতো ধৰি মাৰে আউৰ আস্ফাল ॥ ৩৬৮
যাই পেত পৰি সিটো পৃথিবী কম্পাই।
দশন কামুৰি উঠি থাকে তাকে চাই ॥
পৰম ক্রোধত দুয়ো দুইক পাৰে গালি।
মোহোৰ হাতত ভালে ইবাৰ এৰাইলি ॥ ৩৬৯
হাসি বোলে দুয়ো আতে কৰ মহমহ।
মোচৰি চিণ্ডিৱো মুণ্ড খানিতেক ৰহ ॥
এহি বুলি লৱৰি আণ্ঠুত আণ্ঠুমাৰে।
ভাঙ্গে খুলি ৱজ্র সম মুষ্ঠিৰ প্রহাৰে ॥ ৩৭০
চাপৰ মুকুতি লাথি মাৰে ঘৰাকাতি।
দুইকো দুই দাৰুণ প্রহাৰ কৰে আতি ॥
কৰি জৰাজৰি কতো পৃথিবীত পৰে।
নির্ঘাত পড়ন্তে যেন বসুমতী লৰে ॥ ৩৭১
যৈতে যৈতে পৰে দুইহাস্তৰো আণ্ঠু মুণ্ড।
খালপৰি তৈতে বৰ হুয়া থাকে কুণ্ড ॥
গাণ্ডি গোত পৰি হোৱে সৱোৱৰ মান।
হাত ভৰি পৰি আতি হোৱে যেন জান ॥ ৩৭২
মাল বান্ধ ধৰি কতোবেলি থাকে পৰি।
উঠে পুনৰপি দুয়ো দুইহাস্তকো এড়ি ॥

কোপে চক্ষু আৰকত কম্পাৱে অধৰ।
ফোফাই মহানাগে যেন দুয়ো বীৰৰ ॥ ৩৭৩
মর্ম্মস্থান বুজি ৱজ্রসম মুঠি বোলে।
মাৰি গলদঙ্গা কতো পেহ্লাৱে নিঢালে ॥
ধৰি দুয়ো বীৰে কতো মোচৰয় ঘাড়।
হাত পাৱ মুড়ি মড়মড়ি ভাঙ্গে হাড় ॥ ৩৭৪
কট মট কৰি কতো ধৰে দুইকো দুই।
অঙ্গ ঘৰিষণে শৰীৰৰ উঠে জুই ॥
নাকলিয়া দুইকো দিশ পাশ চাইলে ধুঁ।
মৰিলি বুলিয়া দুয়ো বীৰে বোলে হুঁ ॥ ৩৭৫
সেম্বৱা হুহিকে বুলি দুয়ো মহাবলী।
আটাস কৰিয়া হাসি তোলে খলখলি ॥
নিষ্ঠুৰ প্রহাৰে দুয়ো কৰে মালশ্রম।
শিক্ষা বল প্রভাৱত দুয়ো বীৰ সম ॥ ৩৭৬
দাৰুণ যুদ্ধত দুইৱো অঙ্গ ভৈল চূৰ।
কটাক্ষো নকৰে তাক দুয়ো মহাসুৰ ॥
নির্ব্বিশেষ দুইৱো যুদ্ধ ভৈল আতিশয়।
বলে ক্ষীণ নোহে দুয়ো পৰম দুর্জ্জয় ॥ ৩৭৭
নপাৰন্ত ভীমে জৰাসন্ধক জিনিত।
দেখি অর্জ্জুনৰ মন মলিন কিঞ্চিত ॥
সমানক সমে কেনমতে মাৰিবন্ত।
অর্জ্জুনৰ চিত্ত লক্ষি পাছে ভগৱন্ত ॥ ৩৭৮
চিন্তিবাক লৈলা তাৰ বধৰ উপায়।
কেনমতে পাপী জৰাসন্ধ বধ জাই ॥
সর্ব্বজান কৃষ্ণে জানিলন্ত তাৱক্ষণে।
পূর্ব্বে উপজিল ইটো দুই আদখনে ॥ ৩৭৯
জৰানাম ৰাক্ষসী একত্র কৰি থৈল।
তাতেসে ইহাৰ জৰাসন্ধ নাম ভৈল ॥
ইহাৰ বধৰ আৰ নাহিকে উপায়।
চিৰি মাৰিলেসে জৰাসন্ধ বধ যায় ॥ ৩৮০
তথাপি সমক সমে কেনে মাৰিবন্ত।
আপুনাৰ তেজ নিয়া ভীমক দিলন্ত ॥
এবে কেনমতে ভীমে কৰন্ত দুইখান।
সঙ্কেতিয়া আঙ্ক মঞিঁ দেখাওঁ বিদ্যমান ॥ ৩৮১
এহিমতে গুণি পাছে তৃণ হাতে ধৰি।
ভীমক দেখায়া চিৰিলন্ত দেৱহৰি ॥
অমোঘ দ্ৱৰশী ভীমসেন মহাবলী।
জানিলন্ত মাধৱৰ সঙ্কেত আকলি ॥ ৩৮২
জৰাসন্ধ ৰাজা চিৰিলেৱে বধ যাই।
মনে গুণি ভীমে মাগধৰ চিদ্র চায় ॥
বধিবাক মনে আতি কৰন্ত উল্লাস।
আউৰ কৈক ৰাস অজি সেম্বৱে নেৰাস ॥ ৩৮৩
মাগধে বোলয় তোৰ বীৰত্ব আছোক।
যতেক শকতি আছে ধৰ আসি মোক ॥
ঘাৱক মুচৰি তোৰ পকাই চিণ্ডো মুণ্ড।
মুঠিৰ প্রহাৰে হুহি ৰাজ কৰো ভণ্ড ॥ ৩৮৪
শুনি বিপৰীত ক্রোধ উঠিল ভীমৰ।
কালে পাইল তোক আৱো লপস বর্ব্বৰ ॥
মাৰো দুৰাচাৰ বুলি ঘোৰনাদ কৰি।
পেলাইলা ভূমিত ভীমে মাগধক ধৰি ॥ ৩৮৫
তাৰ এক পাৱক আপোন পাৱে ভিৰি।
আউৰ হাতে পাৱ ধৰি পেলাইলন্ত চিৰি ॥
গুদহস্তে তাক কৰিলন্ত দুইফাল।
যেন মত্তহস্তী চিৰিলেক বৃক্ষডাল ॥ ৩৮৬
একভৰি অর্দ্ধনাভি বাহু একখান।
মুখৱো অর্দ্ধেক এক আখি এক কাণ ॥
অর্দ্ধনাক অর্দ্ধশিৰ শৰীৰ অর্দ্ধেক।
হেনয় বিকৃত লোকে দেখিল প্রত্যেক ॥ ৩৮৭
হাহাকাৰ বোল মহা মিলিল লোকৰ।
কিনো ভৈলা প্রভু তুমি মাগধ ঈশ্বৰ ॥
কোননো বিধাতা হেন বিপত্তি কৰিল।
মহাবলী জৰাসন্ধ হাসিতে মৰিল ॥ ৩৮৮
আকস্মিতে লোকক কৰিলা অপকাৰ।
সিহেতু অধম মৃত্যু মিলিল তোমাৰ।
মহন্ত সৱক যিটো কৰে উতপাত।
অবিলম্বে ইসৱ আপদ মিলে তাত ॥ ৩৮৯
অনন্তৰে ভীমক মাধৱ ধনঞ্জয়।
পূজিলা সাৱটি ধৰি বুলি জয় জয় ॥
দুর্জ্জয় ৰাজাক বধিলন্ত মহাবীৰ।
ধূলা ঝঙ্কাৰিয়া দুয়ো মাজিলা শৰীৰ ॥ ৩৯০
জয় জয় বোল উঠি গৈল আকাশত।
ববিষিলা পুষ্প দেৱে ভীমৰ শিৰত ॥
ধন্য ধন্য বীৰকর্ম্ম কৰিলা দুষ্কৰ ॥
দুর্জ্জনক বধি দুখ খণ্ডিলা লোকৰ ॥ ৩৯১
এহিবুলি দেৱগণে ভীমক পূজিল।
মহন্ত সৱৰ মহা আনন্দ মিলিল ॥
দুর্য্যোধনৰ মুণ্ডে যেন পৰিল নির্ঘাত।
থিয়য়ে মৰিল মুখে হৰিলেক মাত ॥ ৩৯২
পাছে ভগৱন্ত প্রভু দেৱ যদুপতি।
জৰাসন্ধ সুত সহদেৱক সম্প্রতি ॥
ৰাজসিংহাসনে কৰিলেক অভিষেক।
মাগধৰ অধিপতি পাতিলা প্রত্যেক ॥ ৩৯৩
নকৰিবা ভয় বুলি কৰিলা আশ্বাস।
ভকতবৎসল প্রভু জগতনিবাস ॥

অনাথৰ নাথ কৃপাময় নাৰায়ণ।
ৰাজাসমস্তক পাছে কৰাইলা মোচন ॥ ৩৯৪
বিংশতি সহস্র আৰোধিক অষ্টশত।
জৰাসন্ধে থৈয়া আছে গিৰি গহ্ৱৰত ॥
সমস্তকে মোচন কৰায়া নাৰায়ণ।
দিলন্ত সবাকো নিজৰূপে দৰিশন ॥ ৩৯৫
গিৰি গহ্ৱৰৰ বাজ ভৈল ৰাজাগণ।
মলিন বদন মহা মলিন বসন ॥
ক্ষুধাত সুখাইল তনু আস্ত মুখ শিৰ।
বন্ধনৰ ক্লেশে কাৰো ভৰি নোহে থিৰ ॥ ৩৯৬
সহদেৱে ভাঙ্গিলেক জিঞ্জিৰি নিহল।
হাতে ভৰি গলে খাৰি বান্ধিলা সকল ॥
বাঢ়ি আছে দাঢ়ি গোফ দেখি লাগে ভয়।
ফুৰি গৈল হাতৰ পাৱৰ নখচয় ॥ ৩৯৭
গাৱত নাহিকে মাংস আছে অস্থি চর্ম্ম।
ধৰিয়া আছন্ত যেন বানপ্রস্থ ধর্ম্ম ॥
দেখিয়া দায়ায়ে মন কৃষ্ণৰ মজিল।
আপুনাৰ নিজ দিব্যৰূপে দেখা দিল ॥ ৩৯৮
নৱ ঘনশ্যাম তনু দেখি অদভুত।
জলে পীতবস্ত্র যেন মেঘত বিদ্যুত ॥
চাৰু চতুর্ভুজ ভুজঙ্গৰ ভোগ সম।
কেয়ূৰ কঙ্কণ জলে আতি মনোৰম ॥ ৩৯৯
হৃদয়ত জলে চাৰু শ্রীবৎসৰ পান্তি।
কম্বু কণ্ঠ মাজত কৌস্তুভে কৰে কান্তি ॥
পদ্মগর্ভ সম জলে আয়ত লোচন।
কুন্দ কড়ি সম জলে নিবিড় দশন ॥ ৪০০
প্রসন্ন বদন চাৰু অৰুণ অধৰ।
উত্তম নাসিকা ভ্রুযুগ মনোহৰ।
শঙ্খপ্রায় কর্ণে জলে মকৰ কুণ্ডল।
তাৰে কান্তি উজ্জ্বল পাণ্ডুৰ গণ্ডস্থল ॥ ৪০১
শঙ্খ চক্র গদা পদ্ম জলে চাৰি হাতে।
ৰত্নময় কিৰীটি প্রকাশ কৰে মাথে ॥
আপাদলম্বিত বনমালা জলে গলে।
গজ মুকুতাৰ হাৰ হৃদয়ত জলে ॥ ৪০২
ৰঞ্জে জিলি মিলি ৰত্নময় পেচন্দাৰ।
ৰত্নে বিৰচিত সাতেসৰি হেমহাৰ ॥
দিলা লক্ষ্মী বিদিত বহল হৃদয়ত।
সুবর্ণৰ ৰেখা যেন কাংস পথাৱত ॥ ৪০৩
চক্রাকৃতি শিৰ কেশ নীল আকুঞ্চিত।
নির্ম্মল কপোলে চাৰু অলক লম্বিত ॥
মুখে অল্প হাসি যেন ৰৰিষে অমৃত।
জুৰাই তনু মন অতি কটাক্ষ দৃষ্টিত ॥ ৪০৪

ত্রিবলি বলিত মহা ৰঞ্জিত উদৰ।
গহীন গম্ভীৰ দিব্য নাভি সৰোবৰ ॥
কতি প্রদেশত জলে পাট পীত ভুনি।
প্রকাশে মেখলা ৰত্নে ৰচিত কিঙ্কিণী ॥ ৪০৫
উৰু কৰীকৰ জানু জঙ্ঘা মনোহৰ।
চৰণ দুখানি নৱ পদ্ম সমসৰ ॥
কনজুন কৰি ৰত্ন মঞ্জীৰ জুৰায়।
ভকতসৱৰ মনোৰথক পূৰয় ॥ ৪০৬
চম্পক কর্ণিকা সম আঙ্গুলিৰ পান্তি।
নখে নিন্দে মণি ইন্দু দর্পনৰ কান্তি ॥
দৰশনে হৰে ভকতৰ তাপচয়।
আঙ্গুলিত উজন্টি প্রকাশে মনোময় ॥ ৪০৭
ৰাতুল কোমল মনোহৰ পদতল।
ধজ বজ্র পদ্ম যৱ অঙ্কুশে উজ্জ্বল ॥
অমৃত ৰৰিষে আতি চৰণৰ কান্তি।
স্মৰণ মাত্রকে তিনি তাপ উপশান্তি ॥ ৪০৮
কোটি সূর্য্য শশীসম প্রকাশে শৰীৰ।
দৰশনে দূৰ কৰে অজ্ঞান তিমিৰ ॥
হেন দিব্য মধুৰ মূকতি দামোদৰে।
দিলা দেখা নৃপতি সৱক দায়াতৰে ॥ ৪০৯
সাক্ষাতে কৃষ্ণক দেখিলেক ৰাজাগণে।
মিলিল আনন্দ প্রেম উপজিল মনে ॥
অমৃত পৰিয়া যেন শৰীৰ জুৰাইল।
বন্ধনৰ ক্লেশমানে তেখনে এৰাইল ॥ ৪১০
মধুৰ মূত্তিক যেন নয়নে পিয়ন্ত।
হৰিষত জিহ্বা মেলি যেন আস্বাদন্ত ॥
পৱম স্নেহত নাকে যেন ঘ্রাণিলন্ত।
বাহু মেলি আলিঙ্গি ধৰিবে যেন চান্ত ॥ ৪১১
দিব্য ৰূপ দেখি মহা মিলিল উৎসৱ।
ডাকি উচ্চস্বৰে কৰিলন্ত হৰিৰৱ ॥
কৃষ্ণ দৰশনে তাপ সমস্তে হৰিল।
কৃষ্ণ পদপঙ্কজত অষ্টাঙ্গে পৰিল ॥ ৪১২
নমাই সৱে মাথ মাধৱৰ চৰণত।
কৰিলন্ত নমস্কাৰ ৰাজাগণ যত ॥
প্রেমে নয়নৰ নীৰ পৰে সৱসৰি।
তিয়াই লোতকে মাধৱৰ ভুয়ো ভৰি ॥ ৪১৩
আনন্দ সাগৰে নিমজিল ৰাজাগণ।
কৃষ্ণ কৃষ্ণ বড়ি পৰি আছে কতোক্ষণে ॥
কৃষ্ণপদ পৱশে গুছিল যত ক্লেশ।
উঠি কৃতাঞ্জলি ধৰি নৃপতি নিশেষ ॥ ৪১৪
মধুৰ বচনে অৱনত কৰি কায়।
কৰিল প্রসংসা সৱে কেশৱক চাই ॥

পৰিলন্ত পুনৰপি জয় কৃষ্ণ বুলি।
কেশ জঙ্কাৰিয়া লৈলা চৰণৰ ধূলি ॥ ৪১৫
কৃষ্ণপদ ধূলি পায়া কৃতকৃত্য ভৈল।
জোৰ হাতে নম্রে স্তুতি কৰিবাক লৈল ॥
শুনা ভাগৱত কথা সভাসদ লোক।
বোলা ৰাম ৰাম মহাপাতক ছাৰোক ॥ ৪১৬

ছবি।

ৰাজাগণ নিগদিত হে কৃষ্ণ যদুপতি
প্রপন্নৰ দুঃখ বিনাশন।
অব্যয় পুৰুষ হেৰা দেৱৰো ঈশ্বৰ দেৱ
প্রণামোঁহোঁ তোমাৰ চৰণ।
প্রপন্ন জনৰ ঘোৰ সংসাৰ দুঃখত হন্তে
কৰা কৃষ্ণ আমাক মোচন।
পৱম দুঃখত মহা অবগর্ব্ব দূৰে গৈল
আমাৰ নির্ম্মল ভৈল মন ॥ ৪১৭
জৰাসন্ধ ৰাজা কিনো কৰিলেক অনুগ্রহ
ৰাজ্যশ্রী গুছায়া আমাৰ।
তাহাৰ প্রসাদে মহা পৱম দুর্লভ ইটো
পাদপদ্ম দেখিলোঁ তোমাৰ ॥
পৱম ঐশ্বর্য্য মদে অন্ধ হুইয়া ৰাজাগণ
আপনাৰ কুশল নজানে।
মায়ায়ে মোহিত হুইয়া অনিত্য চঞ্চল মত
সম্পদকে সত্য কৰি মানে ॥ ৪১৮
সূর্য্যক ৰশ্মীক যেন বালক সকলে আসি
বলুকাত জল বুদ্ধি কৰে।
সেহিমতে মূঢ় সবে মায়াময় মিছা যত
অবস্তুকে বস্তু বুলি ধৰে ॥
শ্রীমদ গর্ব্বে নষ্ট মতি হুইয়া আতিশয়
আমিসৱে নৃপতি পূর্ব্বত।
ইটো পৃথিবীৰ পদে পৱস্পৰ কৰোঁ যুদ্ধ
জয় আশা কৰিয়া মনত ॥ ৪১৯
নির্দ্দয় হুইয়া পৱম পৱক জিনিতে প্রতি
নাশিলোঁ আপন প্রজা যত।
হেনসে দুর্ম্মতি নিজ কুশল বাঞ্ছিলোঁ মাত্র
নগণিয়া মৃত্যুক আগত ॥
হে কৃষ্ণ তযু যিটো দুৱস্ত শকতি কাল
পৱম গম্ভীৰ বেগে আসি।
তোমাৰ কৃপায়ে প্রভু কৰিলেক গর্ব্বচূৰ
ৰাজ্য শ্রী সকলে বিনাশ ॥ ৪২০

এবে আমি নষ্ট দর্প হুইয়া তযু পাদ পদ্ম
কেৱলে স্মৰিতে মাত্র চাওঁ।
সংসাৰ চক্রৰ দুঃখ তেবেসে এড়াইবো আমি
তযু কৃপা লেশ যেবে পাওঁ ॥
মৃগ তৃষ্ণা সম ইটো ৰাজ্যত নাহিকে কার্য্য
কেৱলে দুঃখৰ মাত্র ভাৰ।
নাহি সুখ লয় লেশ ইহাৰ সেৱাত নাথ
স্পৃহা আৰ নাহিকে আমাৰ ॥ ৪২১
পৱলোক কর্ম্ম ফল স্বর্গ আদি কৰি যত
কর্ণৰ বচনা মাত্র শুনি।
তথাটো নাহিকে সুখ আস্পর্দ্ধা অসূয়া আদি
তাতে আছে অনেক বিধিনি ॥
ক্ষণে ক্ষণে হোৱে ক্ষীণ কৈত পৰে কোন দিন
তনু ইটো ৰোগৰ নিবাস।
অনিত্য শৰীৰে আৰ ইহ পৱলোক সুখ
সেৱাত নকৰোঁ তাৰ আশ ॥ ৪২২
এগোটা প্রসাদ হেন আমাক দিয়োক দেৱ
মাগোঁ আমি চৰণে তোমাৰ।
সংসাৰে ভ্রমন্তে যেন তযু পাদ পদ্ম দুইক
মুগুছয় স্মৰণ আমাৰ ॥
এতেকে তোমাত আমি সমস্তে প্রসাদ পাওঁ
আন একো নলাগয় আৰ।
তোমাৰো কৃপাৰ প্রভু এহিসে পৱম ফল
শুনি আছোঁ বেদৰ বিচাৰ ॥ ৪২৩
নমো নমো নমো কৃষ্ণ জগত নিবাস দেৱ
নমো পৱমাত্মা নাৰায়ণ।
প্রণত জনৰ ক্লেশ নাশন গোবিন্দ প্রভু
প্রণামোহোঁ তোমাৰ চৰণ ॥
এহিমতে ৰাজাগণে কৃষ্ণৰ আগত পৰি
তুতি নতি কৰন্তে আছন্ত।
মেঘৰ গম্ভীৰ ধ্বনি অমৃত মধুৰ বাণী
পাছে মাতিলন্ত ভগৱন্ত ॥ ৪২৪

দুলড়ী।

গোবিন্দ বদতি শুনা নৃপৱৰ
দেখিয়া ভৈলোঁ তৃপিতি।
আজি হন্তে মোত তোমাৰা সৱৰ
সুদৃঢ় হৌক ভকতি ॥
জগতৰ আত্মা মই মহেশ্বৰ
কৰিলা মোত বিশ্বাস।

তোৰা সকলৰ সত্য বাণী আতি
মনক কৰে উল্লাস ॥ ৪২৫
ঐশ্বর্য্য শ্রী মদে কৰয় স্বতন্ত্র
উন্মাদ দেখোঁ লোকৰ।
মহা মত্ত হুইয়া আমাকো নগণে
বুদ্ধি হত হুইয়া নৱ ॥
শ্রী মদ গর্ব্বে কৰয় অনর্থ
প্রজাক পীড়ে অপাৰ।
স্ত্রী ৰত্ন মানে তাকে মাত্র লাগে
নেদেখে মৰণ আৰ ॥ ৪২৬
পাপ উগ্র ভৈলে দুর্জ্জন সকল
সম্পদত হোৱে ভ্রষ্ট।
স্থান হন্তে পাছে পৰে নৱকত
নিজ পুণ্য কৰি নষ্ট ॥
সহস্র অর্জ্জুন নহুষ ৰাৱণ
নৱক বেণ অপৰ।
শ্রী হত হুইয়া গৈল আনো যত
দেৱ দৈত্য নৰেশ্বৰ ॥ ৪২৭
তুমি সবো আবে ইহাক জানিয়া
আমাত কৰিয়ো ৰতি।
পুত্র দাৰা দেহ আদি কৰি যত
অসন্ত দেখা সম্প্রতি ॥
যজ্ঞ কৰি সবে আমাক ৰঞ্জিবা
থাকিয়া নিজ ধর্ম্মত।
মোৰ আজ্ঞা ধৰি পালিবা নিয়মে
আপন প্রজা সমস্ত ॥ ৪২৮
হুইয়া সাৱধান পুত্র আদি কৰি
বঢ়াইয়া বংশ সন্ততি।
দুখত সুখত লাভ অলাভত
কৰিবা সমান মতি ॥
দেহত গেহত হৈবা উদাসীন
তেজিবাহা অহম্মম।
আমাতেসে মাত্র কৰিবাহা ৰতি
ধৰিয়া ব্রত নিয়ম ॥ ৪২৯
সুদৃঢ় বিশ্বাসে আমাত সদায়
কৰিবা মন নিবেশ।
অন্তকালে গৈয়া সমস্তে সাক্ষাতে
আমাতে হুইবা প্রবেশ ॥
সম্প্রতিক সবে আমাৰ নিমিত্তে
পাইলাহা দুঃখ অপাৰ।
তুমি সবো মোৰ পৰম সুহৃদ
ক্ষমিবা দোৰ আমাৰ ॥ ৪৩০

তোমৰা সবৰ নিকাৰ দেখিয়া
হৃদয় কৰে দগধ।
জৰাসন্ধ পাপী দিলেক নিকাৰ
চিন্তিলো তাহাৰ বধ ॥
ইসব দুঃখক মনত নলৈবা
ভুঞ্জিলাহা নিজ কর্ম্ম।
দুঃখ ভুঞ্জি দোষ লোকক নেদিবা
ভকতৰ ইসে ধর্ম্ম ॥ ৪৩১
সুখ দুঃখ যত সবে মায়াময়
যেন স্বপ্ন মনোৰথ।
এহিমতে হৰি নৃপতি সবক
দিলা উপদেশ পথ ॥
শুনা সভাসদ কৃষ্ণৰ চৰিত্র
মনক নিয়ম কৰি।
কৰা কৃপা মোক পাতক ছাৰোক
ডাকি বোলা হৰি হৰি ॥ ৪৩২

পদ।

শুক নিগদতি শুনা ৰাজা মহা সন্ত।
এহিমতে নৃপতিসবক ভগৱন্ত ॥
দিলা উপদেশ প্রভু জগত ঈশ্বৰ।
ক্ষৌৱাদি কর্ম্মক আদেশিলা নিৰন্তৰ ॥ ৪৩৩
অসংখ্যাত দাসী দাস নিয়োজি দিয়াইল।
ক্ষৌৰ কর্ম্ম কৰাই তৈলে শৰীৰ মাজাইল ॥
নির্ম্মল জলত পাছে কৰাইলন্ত স্নান।
অনন্তৰে সহদেৱে কৰিলা সম্মান ॥ ৪৩৪
নৱদেৱ যোগ্য দিব্য বসনে ভূষণে।
ভূষিত কৰাইল পুষ্প অগৰু চন্দনে ॥
পৰমান্নে পঞ্চামৃতে কৰাইলা ভোজন।
বহুবিধ ভোগে যুক্ত ভৈলা ৰাজাগণ ॥ ৪৩৫
কর্পূৰ তাম্বুল ভুঞ্জি ভৈল আনন্দিত।
সহদেৱে পূজা কৰিলেক যথোচিত ॥
ৰত্নময় দিব্য অলঙ্কাৰে কৰি লাস।
দুখত মুকুত হুইয়া কৰন্ত প্রকাশ ॥ ৪৩৬
ৰাৰিষা এৰাইয়া যেন গ্রহগণ যত।
কৰন্ত প্রকাশ যেন শৰত কালত।
জৰাসন্ধে বন্ত আনিছিল যত যত।
দিয়াইলন্ত কৃষ্ণে ৰাজাগণক সমস্ত ॥ ৪৩৭
গোবিন্দে কৰিলা পূজা বচন অমৃতি।
আসিয়া দিলা চলিবাক অনুমতি ॥

ৰাজাগণে বোলে শুনা প্রভু নাৰায়ণ।
ৰাজ্যত আমাৰ আৰ নাহি প্রয়োজন ॥ ৪৩৮
তোমাৰ চৰণ চিন্তি থাকিবো সকল।
কৃপা গুছাই নেদা আমাক নিহল ॥
ৰাজ্য মহাভাৰ দিয়া নকৰা নিগ্রহ।
দাস বুলি লৈয়া নাথ কৰা অনুগ্রহ ॥ ৪৩৯
ৰাজ্যভাৰ দূৰ কৰি কৰাইলা মুকুত।
পুনৰপি বান্ধিবাক নোহয় যুগুত ॥
আগে কৃপা কৰি পাছে নকৰিবা নষ্ট।
ৰাজ্য পাইলে আমি ভকতিত হৈবো ভ্রষ্ট। ৪৪০
মাধৱে বোলন্ত শুনা নৃপ নিৰন্তৰ।
বিষয়ক কেহোঁ আৰ নকৰিবা ডৰ ॥
আমাত ভকতি নৱে নকৰে যাৱত।
বিষয় অনর্থ কৰি মাৰয় তাৱত ॥ ৪৪১
নকৰে বিষয়ে মোৰ ভক্তক অনর্থ।
যেন ভজা ধান নোহে গাজিবে সমর্থ ॥
তুমি সৱে একান্ত ভকতি আছা পাই।
তোমাৰাসৱৰ অনর্থক শঙ্কা নাই ॥ ৪৪২
মোৰ আজ্ঞা পালি ভোগ ভুঞ্জিয়ো সম্প্রতি।
কিন্তু তাত মাত্র নকৰিবা আসকতি ॥
দিন কতিপয় থাকি কৰভাৰ লৈয়া।
যুধিষ্ঠিৰ ৰাজাৰ যজ্ঞক আসা গৈয়া ॥ ৪৪৩
এহি বুলি নৃপতিসবক চক্রপাণি।
মণিময় কাঞ্চনে ৰচিত ৰথ আনি ॥
তাতে তুলি নৃপতিগণক যদুৰায়।
মহা পৰিছেদে দিলা দেশক পঠাই ॥ ৪৪৪
প্রণামিয়া কৃষ্ণক নৃপতি নিৰন্তৰ।
কৃষ্ণৰ প্রসাদে মোক্ষ ভৈলন্ত দুঃখৰ ॥
কৃষ্ণৰ চৰণ দুইক হৃদয়ত ধৰি।
চলি গৈলা মনে কৃষ্ণ মহিমা সুমৰি ॥ ৪৪৫
কৃষ্ণক এৰন্তে মহা দুঃখ লাগে মনে।
প্রেমত সবাৰে বহে লোতক নয়নে ॥
উলটি ৰথতে চান্ত কৃষ্ণক নিৰেখি।
মাধৱো আকুল তাসম্বাৰ ভক্তি দেখি। ৪৪৬
ৰথতে কৰন্ত মাধৱক দণ্ডৱত।
এহিমতে ভক্তি ভাৱে ৰাজাগণ যত ॥
ভিন্নে ভিন্নে গৈলা চলি আপন দেশক।
হোৱন্ত বিস্ময় মনে সুমৰি কৃষ্ণক ॥ ৪৪৭
ভার্য্যা পুত্র আদি যত অমাত্য বর্গত।
কহিলা সবাতে কৃষ্ণ চেষ্টা যত যত ॥
ঈশ্বৰ মাধৱে যেন কৰিলা আদেশ।
আচৰিলা সাৱধানে নৃপতি নিশেষ ॥ ৪৪৮

কৃষ্ণৰ কৃপাত এৰাইলন্ত মহা দুঃখ।
ভুঞ্জিলন্ত পাছে অকণ্টকা ৰাজ্যসুখ ॥
একচিত্তে মাধৱৰ ভকতি কৰিল।
গৃহতে থাকিয়া সুখে সংসাৰ তৰিল ॥ ৪৪৯
আত অনন্তৰে শুনা নৃপতি প্রস্তুত।
কৰি হৰি ৰাজাগণ দুঃখত মুকুত ॥
পাছে সহদেৱক ঈশ্বৰ নাৰায়ণ।
বচন অমৃতে তান সন্তোষিলা মন ॥ ৪৫০
শুনা সহদেৱ জৰাসন্ধৰ তনয়।
ভুঞ্জ ৰাজ্য ভোগ তঞি নকৰিবি ভয় ॥
পুত্ররতে প্রজাক পালিবি নিৰন্তৰ।
নকৰিবি পীড়া যথোক্তিতে লৈবি কৰ ॥ ৪৫১
একচিত্ত মনে মোত কৰিবি ভকতি।
অন্ত কালে গৈয়া মোক পাইবি মহামতি ॥
সম্প্রতিক পাণ্ডৱৰ যজ্ঞৰ নিমিত্তে।
চলোঁ আমি আস তঞি পাছত সন্তৃতে ॥ ৪৫২
কৃষ্ণৰ আদেশ বাণী শুনি সহদেৱ।
প্রণিপাতে মাংৱক কৰিলেক সেৱ ॥
ভীম অর্জ্জুনক পাছে নমস্কাৰ কৰি।
কৰিলা অনেক পূজা তিনিকো সাদৰি ॥ ৪৫৩
তুতি নতি ভক্তি ভাৱে তিনিকো তুষিলা।
বস্ত্রে অলঙ্কাৰে গন্ধ চন্দনে ভূষিলা ॥
সুৱর্ণ ৰচিত দিব্য ৰথ দিলা আনি।
উঠি তাতে ভীম ধনঞ্জয় চক্রপাণি ॥ ৪৫৪
মাগধ ৰাজাক বধি আনন্দিত ভৈলা।
পৰম আনন্দে ইন্দ্রপ্রস্থে চলি গৈলা ॥
নগৰ সমীপ পাইয়া শঙ্খক ফুঙ্কিল।
সুহৃদ সৱক মহা আনন্দক দিল ॥ ৪৫৫
বিপক্ষ সৱক দুঃখ দিলা বিপৰীত।
মুখ ম্লান পৰিল তৰধ ভৈল চিত্ত।
ইন্দ্রপ্রস্থ নগৰত বসে যত জন।
শঙ্খ ধ্বনি শুনিয়া হৰিষ ভৈল মন ॥ ৪৫৬
ধ্বনিতে জানিল জৰাসন্ধ বধ গৈল।
পাণ্ডৱ ৰাজাৰ মনোৰথ সিদ্ধি ভৈল ॥
অনন্তৰে নগৰ পাইলন্ত তিনি ৰীৰ।
আগ বাঢ়ি গৈয়া আনিলন্ত যুধিষ্ঠিৰ ॥ ৪৫৭
বুকে চাপি তিনিকো আলিঙ্গি ধৰিলন্ত।
সজল নয়নে সাধুৱাদ কৰিলন্ত ॥
পাছে ভীমসেন সব্যসাচী নাৰায়ণ।
যুধিষ্ঠিৰ নৃপতিক কৰিলা বন্দন ॥ ৪৫৮
জৰাসন্ধ বধ কথা কহিলা নিশেষ।
সাধিলো নৃপতি যেন কৰিলা আদেশ ॥

কেশৱে কৰিলা অনুকম্পা যেন মত।
শুনিলন্ত ধৰ্ম্মৰাজা ভীম অৰ্জ্জুনত ॥ ৪৫৯
ভকত বৎসল গুণ শুনিয়া কৃষ্ণৰ।
আনন্দ লোতক বহে দুইয়ো নয়নৰ ॥
প্ৰেমে আকুলিত আতি কৰিলেক চিত্ত।
তন্তিয়া ৰহিল বাক্য নুবলি কিঞ্চিত ॥ ৪৬০
জৰাসন্ধ বধ কথা শুনি অদভুত।
পৰম আশ্চৰ্য্য মন ভৈল কুন্তীসুত ॥
নৃপতি সবৰ মোক্ষ কথা বিপৰীত।
কৃষ্ণ অনুভাৱ শুনি ভৈলন্ত বিস্মিত ॥ ৪৬
কিনো কৃপাময় কৃষ্ণ দেৱ ভগৱন্ত।
মনে বিমৰষি কতোক্ষণ আছিলন্ত ॥
আনন্দ লোতকে বেঢ়ি আছয় কণ্ঠক।
গদ গদ বাক্যে পাছে মাতিলা কৃষ্ণক ॥ ৪৬২
হে কৃষ্ণ কৃষ্ণ কৃপাময় মহেশ্বৰ।
আছৈ যত ত্ৰৈলোক্যৰ গুৰু নিৰন্তৰ ॥
সনতকুমাৰ আদি মহামুনি যত।
যাহাৰ দুৰ্লভ আজ্ঞা বহৱে শিৰত ॥ ৪৬৩
ব্ৰহ্মা আদি কৰি প্ৰজাপতি নিৰন্তৰে।
দুৰ্লভ লভিলো বুলি পৰম সাদৰে ॥
ভাগ্য মানি আপনাৰ যত দেৱগণ।
যাৰ আজ্ঞা বহে শিৰে ধৰি অনুক্ষণ ॥ ৪৬৪
হেনয় পৰম তুমি ঈশ্বৰ মুৰাৰি।
আমি মহা দীন ৰাজাগণ অহঙ্কাৰী ॥
আমাৰো আজ্ঞাক তুমি পালা নাৰায়ণ।
কিনো ভৈল পৰম অদ্ভুত বিড়ম্বন ॥ ৪৬৫
আমি নাশ যাওঁ আপনাক বৰ মানি।
তোমাৰ বা ইহাত তেজৰ কোন হানি ॥
পৰিপূৰ্ণ ব্ৰহ্ম তুমি আত্মা নাৰায়ণ।
দ্বিতীয় ৰহিত তুমি শিৰ সনাতন ॥ ৪৬৬
অন্তৰ্য্যামী ৰূপে কৰা জীৱক নিয়ম।
শত্ৰু মিত্ৰ উদাসীন সবাহাতে সম ॥
সমস্ততে সমভাৱে আছা নিৰন্তৰ।
নোছোৱে তোমাক দোষে গুণে জগতৰ ॥ ৪৬৭
এতেকে যতেক কৰ্ম্ম কৰা দামোদৰ।
হানি বৃদ্ধি নাহি আৰ তোমাৰ তেজৰ ॥
যেন সূৰ্য্য উদয় অস্তক যান্ত নিত।
তথাপি তাহাৰ তেজ নুটুটে কিঞ্চিত ॥ ৪৬৮
আছোক তোমাৰ কত কৰিবো মহত্ব।
তযু পদ সেৱক মহন্তগণ যত।
তাসম্বাৰো নাহি অহস্মম মতি ভেদ।
জগততে তোমাৰ দেখন্ত অবিচ্ছেদ ॥ ৪৬৯
পশু তুল্য পৰম অজ্ঞানী নৰ যত।
তাৰ যেন অহম্মম ভাৱ শৰীৰত ॥
ভকতৰ নাহি মতি সিমত সৰ্ব্বথা।
তোমাৰ নাহিকে ভেদ ইটো কোন কথা ॥ ৪৭০
শুক নিগদতি শুনা ৰাজা মহাধীৰ।
এহি মতে কৃষ্ণক নৃপতি যুধিষ্ঠিৰ ॥
প্ৰণতি পূৰ্ব্বক তুতি কৰিলা অশেষ।
পাছে নৃপতিক মাতিলন্ত হৃষীকেশ ॥ ৪৭১
তোমাৰ বিপক্ষ জৰাসন্ধ বন্ধ গৈল।
পৃথিবীৰ ৰাজাগণ সবে বশ্য ভৈল ॥
যজ্ঞৰ সম্ভাৰ মানে ভৈল এক স্থান।
এবে মহাৰাজা যজ্ঞ কৰা বিদ্যমান ॥ ৪৭২
শুনি নৃপতিৰ আতি উল্লসিত মন।
নিমন্ত্ৰণ কৰি আনিলন্ত ঋষিগণ ॥
ৱেদত পাৰ্গত ব্ৰহ্মবিদ্যা সুসম্পন্ন।
ভৰদ্বাজ ভাগুৰি ভাৰ্গৱ তপোধন ॥ ৪৭৩
কশ্যপ সনক ব্যাস বশিষ্ঠ গৌতম।
অসিত মৈত্ৰেয় ভৃগু কৰি নৰোত্তম ॥
চ্যবন কপিল কলু কাক পৰাশৰ।
বিশ্বামিত্ৰ দেৱল সুমতি সিদ্ধেশ্বৰ ॥ ৪৭৪
গৰ্গ ৱৈশম্পায়ন জৈমিনি পুল ক্ৰতু।
ধৌম্য ৰাম বামদেৱ আসুৰি সুমন্ত ॥
অথৰ্ব্বাণ পুলস্ত্য পুলহ মধুচ্ছন্দ।
ৱীতিহোত্ৰ মুনি ৱীৰসেন ঋষিকণ্ড ॥ ৪৭৫
নাৰদ অঙ্গিৰা মুনি দুৰ্ব্বাসা অগস্তি।
ইসব প্ৰমুক্ষে আনো মুনি মহামতি ॥
দেৱঋষি ব্ৰহ্মঋষি ৰাজঋষি যত।
অনেক সহস্ৰ আইল লেখা দিবোঁ কত ॥ ৪৭৬
দ্রোণ কৃপ আদি কৰি বিপ্ৰগণ যত।
আহ্বান কৰিয়া ৰাজা অনাইলা সমস্ত ॥
বহু মান্য কৰিয়া নৃপতি যুধিষ্ঠিৰে।
ষড়ৰ্ঘে অৰ্চ্চিয়া পাদোদক লৈলা শিৰে ॥ ৪৭৭
অৱনতে বাক্য পাছে বুলিলা নৃপতি।
কৰোঁ ৰাজসূয় মাধৱৰ অনুমতি ॥
তোমাৰা সৱৰ যেবে অনুমতি পাওঁ।
তেবে সম্প্ৰতিক পাত্ৰ ৱৰিৱাক চাওঁ ॥ ৪৭৮
শুনি মুনি সমস্তৰ আনন্দ মিলিল।
সাধুৰ্ব্বাদ কৰি সবে অনুমতি দিল ॥
বিচাৰিয়া দিলা যাক ৱৰিবে উচিত।
সৰ্ব্বাঙ্গে সম্পূৰ্ণ কৰ্ম্মকাণ্ডে সুশিক্ষিত ॥ ৪৭৯
ঋত্বিজ সদস্য আদি পাত্ৰ নিৰন্তৰ।
প্ৰথমতে যজ্ঞত ৱৰিলা নৃপৱৰ ॥

সুবৰ্ণৰ লাঙ্গল ধৰিয়া বিপ্ৰগণ।
যজ্ঞৰ ভূমিক বাহি কৰিলা শোধন ॥ ৪৮০
যথাযোগ্য আচৰিয়া বিধি ব্যৱহাৰ।
দীক্ষা দিয়া ৰাজাক কৰিলা সংস্কাৰ ॥
ঋত্বিজ সকলে পাছে কৰিলা আদেশ।
হুয়োক নৃপতি আৱে যজ্ঞত প্ৰৱেশ ॥ ৪৮১
শুনিয়া নৃপতি পাছে ভৈল কুশহস্ত।
সুবৰ্ণৰ উপস্কৰ মিলাইয়া সমস্ত ॥
অনন্তৰে ত্ৰৈলোক্যৰ লোক আছে যত।
মিলিল সমস্তে আসি ৰাজাৰ যজ্ঞত ॥ ৪৮২
ধৃতৰাষ্ট্ৰৰাজা পুত্ৰগণ সমন্বিতি।
সবান্ধৱে আসিল বিদুৰ মহামতি ॥
আসিলন্ত কুলবৃদ্ধ ভীষ্ম মহাবলী।
কৰ্ণ আদি আনো কুৰুবল আইল চলি ॥ ৪৮৩
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ আছে যত।
যজ্ঞৰ থানক প্ৰতি আসিলা সমস্ত ॥
আনো নৰ নাৰীগণ আইল জাকে জাক।
পৰম উৎসুক মনে যজ্ঞ চাহিবাক ॥ ৪৮৪
পৃথিবী মণ্ডলে যত আছিল নৃপতি।
আসিল অসংখ্য সেনাগণ সমন্বিতি ॥
ৰাজ মহাদৈই যত আসিল লগত।
দিলা কৱভাৰ আনি হয় হস্তী ৰথ ॥ ৪৮৫
যুধিষ্ঠিৰ নৃপতিৰ পূৰি মনকাম।
সুবৰ্ণ ৰজত ৰত্ন দিলা দামে দাম ॥
চামৰ কমলি চাৰু চন্দন আশেষ।
আগৰ কস্তুৰি দিলা কৰ্পূৰ বিশেষ ॥ ৪৮৬
বহুবিধ ভাজন বসন ৰুচিকৰ।
আনো নানাবিধ বস্তু দিলন্ত বিস্তৰ ॥
কামৰূপ নিবাসী নৃপতি ভগদত্ত।
তাঙ্ক দ্বাৰী সকলে ৰাখিল দুৱাৰত ॥ ৪৮৭
এহি অল্প ধনে তঞি যজ্ঞক আসিলে।
নৃপতি সবৰো কিনো খঙ্গাৰ অনাইলে ॥
আমাৰ ৰাজাত জনাইবাৰ কিবা কাজ।
উলটিয়া যাহা লাগে আপোনাৰ ৰাজ ॥ ৪৮৮
এহি বুলি দ্বাৰী ভগদত্তক ৰাখিলা।
অনন্তৰে দুৰ্য্যোধনে ৰাজাক দেখিলা ॥
বসিয়াছে ভগদত্ত বিবৰ্ণ বদনে।
পাশ চাপি পাছে পুছিলেক দুৰ্য্যোধনে ॥ ৪৮৯
কি কৰাহা মহাৰাজা বসি দুৱাৰত।
কহিলেক নৃপতি বৃত্তান্ত কথা যত ॥
মহামানী দুৰ্য্যোধন শুনিয়া শুখাইল।
যুধিষ্ঠিৰ ৰাজা কিনো সম্পত্তিক পাইল ॥ ৪৯০
ভগদত্ত হেন ৰাজা যাৰ দুৱাৰত।
দুৱৰী সকলে ৰাখিয়াছে বাহিৰত ॥
কিনো অদভুত ইটো শ্ৰীৰ মহত্ব।
নাজানো পাণ্ডৱে পুণ্য কৰিয়াছে কত ॥ ৪৯১
পাছে দ্বাৰী সবক বুলিলা দুৰ্য্যোধন।
দ্বাৰী বোলে নুবুলিবা ইসব বচন ॥
অল্প ধন লৈয়া আসিবাৰ ফল পাউক।
বাহিৰে থাকোক নুহি দেশে চলি যাউক ॥ ৪৯২
শুনি দুৰ্য্যোধন ভৈলা মৃতক সমান।
যুধিষ্ঠিৰ ৰাজাত দিলেক গৈয়া জান ॥
কানচিয়া কহিলা বৃতান্ত যেন কথা।
ভগদত্ত নৃপতিৰ হেনসে অৱস্থা ॥ ৪৯৩
শুনি যুধিষ্ঠিৰে আশ্বাসিয়া নিয়াইলন্ত।
প্ৰিয় বাক্য বুলি পাছে শান্ত কৰাইলন্ত ॥
মাতি যুধিষ্ঠিৰে পাছে সুহৃদ সবক ॥
নিয়োজি দিলন্ত যত যজ্ঞৰ কাৰ্য্যক ॥ ৪৯৪
ৱন্ধনশালাক প্ৰতি ভীমক পাঞ্চিল।
নানা বস্তু সম্পাদনে নকুলক দিল ॥
সুবৰ্ণ ৰজত আদি যতেক ভাণ্ডাৰ।
দিলা দুৰ্য্যোধনক তাহাৰ অধিকাৰ ॥ ৪৯৫
জানিলা বিপক্ষ আৰ নাহি আক সম।
ইসে নকৰিবে মোৰ ধনক মৰম ॥
কৰ্ণকো বিপক্ষ আতি জানি মহামানী।
বোলন্ত ইহাক সম নাহি মহাদানী ॥ ৪৯৬
ইসে মোৰ ধনক মৰম নকৰিব ॥
দ্বেষ ভাৱে থাকি ধন ব্ৰাহ্মণক দিব ॥
এহি বুলি কৃষ্ণে সমে আলোচি নৃপতি।
দিলন্ত কৰ্ণক দান দিবে মহামতি ॥ ৪৯৭
সহদেৱ মহন্তক মাতি মহাৰাজ।
দিলা তাঙ্ক নিয়োজি পূজাৰ যত কাজ ॥
অৰ্জ্জুনক দিলা মহন্তক শুশ্ৰূষণে।
দিলা দ্রৌপদীক অন্ন আদি পৰশনে ॥ ৪৯৮
যুযুধান বিকৰ্ণ হাৰ্দ্দিক বিদুৰক।
হৰ্য্য আদি কৰি যত বাহ্লিক পুত্ৰক ॥
সন্তৰ্দ্দন আদি কৰি আনো অপৰ্য্যন্ত।
চন্দন পেষণ আদি কাৰ্য্যক দিলন্ত ॥ ৩৯৯
ৰাজসূয় যজ্ঞ কাৰ্য্যে জানিবা স্বভাৱে।
ৰাজা বিনে আনে কৰ্ম্ম কৰিতে নপাৱে ॥
মাধৱে বোলন্ত শুনিয়োক মহাৰাজ।
কৰিয়ো আদেশ মঞি কৰোঁ কোন কাজ ॥ ৫০০
শুচিল ঈশ্বৰ জ্ঞান মুহিলন্ত হৰি।
বোলন্ত ধুৱাইয়ো তুমি ব্ৰাহ্মণৰ ভৰি ॥

শুক নিগদতি শুনিয়োক নৃপবৰ।
ভকত বৎসল গুণ দেখিয়ো কৃষ্ণৰ ॥ ৫০১
দেৱতাৰো দেৱতা ঈশ্বৰ ভগৱন্ত।
ব্রহ্মা আদি কৰি যাৰ চৰণ সেৱন্ত ॥
হেনয় ঈশ্বৰ বশ্য হইয়া ভকতিত।
আজ্ঞা মাগিলন্ত যুধিষ্ঠিৰ নৃপতিত ॥ ৫০২
ভকতিৰ বলৰ কহিয়া নপাওঁ সীমা।
যুধিষ্ঠিৰ নৃপতিৰ দেখিয়ো মহিমা ॥
কতেক কহিবো ভাগ্য পাণ্ডৱ ৰাজাৰ।
ভৈলন্ত ঈশ্বৰ কৃষ্ণ অধীন যাহাৰ ॥ ৫০৩
অনন্তৰে পৰম ব্রহ্মণ্য দেৱ হৰি।
ধুৱাৱন্ত নিৰন্তৰে ব্রাহ্মণৰ ভৰি ॥
যাক যি কার্য্যকে পাঞ্চিলন্ত নৃপবৰে।
কৰিবাক লৈলা সবে পৰম সাদৰে ॥ ৫০৪
দুর্য্যোধনে গছিলেক ধনৰ ভাণ্ডাৰ।
লৈয়া থৈয়া চপাই আৰ নপাৱে আগাৰ ॥
সুবর্ণ ৰজত মৰি মাণিক্য অপাৰ।
যতেক পাৱন্তে আছে লেখা নাহি তাৰ ॥ ৫০৫
কতো লৱে থৱে কতো আসন্তে আছয় ॥
অদ্ভুত বিভৱ দেখি মিলিল বিস্ময় ॥
যৈতে পাৱে তৈতে মাত্র থৱে দামকৰি।
মিলিল প্রয়াস মহা ফোফাই ভাগৰি ॥ ৫০৬
এখন ইসৱ কথা পাছ কৰি থওঁ।
শুনা দেৱগণ আসিৰাৰ কথা কওঁ ॥
আউল ঝাউল কথা আগ পাছ যত দোষ।
শুনি সভাসদ নকৰিব অসন্তোষ ॥ ৫০৭
পৰম গহন কথা সাগৰ সমান।
আমি অল্পমতি যত মূর্খতে প্রধান ॥
জানিয়া মোহোৰ দোষ ক্ষমিবা সকল।
যেনে তেনে কৃষ্ণৰ কথাত আছে ফল ॥ ৫০৮
পৰশিয়া থাকে যদি মহা ম্লেচ্ছগণে।
গঙ্গাৰ জলক বাছি আছয় কমনে ॥
সেহিমতে মোৰ যত দোষ পৰিহৰি।
শুনা মহাজনে কৃষ্ণ কথাক সাদৰি ॥ ৫০৯
আতপৰে কলিত নির্ম্মল ধর্ম্ম নাই।
শ্রৱণ মাত্রকে মহা মোক্ষ পদ পায় ॥
জানিয়া সমস্তে দুখ কৰা উপসাম।
ডাকি নিবন্তৰে নৰে বোলা ৰাম ৰাম ॥ ৫১০

দুলড়ী।

এহিমতে যেৱে পাণ্ডৱ নৃপতি
ৰাজসূয় আৰম্ভিল।
মহা যজ্ঞভাগ ভুঞ্জিবাক মনে
দেৱতাগণ আসিল ॥
প্রথমতে ব্রহ্মা ব্রহ্মলোক হন্তে
আসিলন্ত হংসযানে।
তাহানে লগত আসিলন্ত যত
প্রজাপতিগণ মানে ॥ ৫১১
ব্রহ্মাক আবৰি আসিলন্ত আনো
সত্যলোকবাসী জন।
ৱৃষভত চড়ি কৈলাসৰ হন্তে
আসিলন্ত ত্রিনয়ন ॥
ময়ূৰত চৰি কার্ত্তিক আসিলা
মূষ যানে গণপতি।
নন্দী আদি কৰি যত ভূতগণ
আসিল মনে তৃপিতি ॥ ৫১২
ত্রিদশে সহিতে ঐৰাৱত কন্ধে
আসিলন্ত পুৱন্দৰ।
অপেশ্বৰাগণ গন্ধর্ব্ব চাৰণ
সিদ্ধ মুনি বিদ্যাধৰ ॥
মহিষত চড়ি আসিলন্ত যম
মৃগত চড়ি পৱন।
পুষ্পক বিমানে কুবেৰ আসিলা
সঙ্গে যত যক্ষগণ ॥ ৫১৩
ছাগলত চড়ি অগনি আসিলা
হোম ভোগ অভিলাষী।
সপত তুৱঙ্গে আসিলন্ত সূর্য্য
শশ যানে আইলা শশী ॥
আনো আনো যত আইল গ্রহগণ
চড়িয়া নিজ বিমানে।
একাদশ রুদ্র সাধ্য অষ্টৱসু
আসিলা যজ্ঞৰ থানে ॥ ৫১৪
দশো দিশে যত আসিল সমস্ত
যক্ষ ৰক্ষ দেৱৰাশি।
পাণ্ডৱ ৰাজাৰ সভাত সবেও
একত্র ভৈলন্ত আসি ॥
মকৰত চড়ি ৱরুণ আসিলা
নিঋতি নিজ বিমানে।
পাতালৱপৱা বাসুকি আসিলা
আনো নাগগণ মানে ॥ ৫১৫

কৈলাস সমান শুক্ল কলেৱৰ
আকাশ গৈয়া লঙ্ঘয়।
সহস্রেক ফণা স্বর্গ ছোৱে গৈয়া
বিষ জালে ফোকাৱয় ॥
কাৱো সহস্রেক কাৱো ফণা শত
কাহাৱো দশ চল্লিশ।
কোৱাৰি চেলেকি ফোকাৰ তেজন্তে
নাকে বাজ হোৱে বিষ ॥ ৫১৬
ফণা তুলি তুলি ফাট ফোট কৰি
পৃথিবী জুৰিয়া আসে।
বাসুকি প্রমুখ্যে সর্পক দেখিয়া
পলাই লোক মহা ত্রাসে ॥
মাধৱে দেখন্ত সর্পৰ ভয়ত
পলাই লোক নিৰন্তৰ।
নাহি ভয় বুলি দুইয়ো হাত তুলি
আশ্বাসিলা দামোদৰ ॥ ৫১৭
কৃষ্ণক দেখিয়া সর্পৰাজে গৈয়া
তেজিলন্ত ফোটকাৰ।
সহস্রেক শিৰ নমাইয়া ভূমিত
কৰিলন্ত নমস্কাৰ ॥
এক পাশ হইয়া আধাৰি পকাইয়া
সর্পগণ অসংখ্যাত।
কৃষ্ণক সন্মান কৰি নিৰন্তৰে
বসিলা সবে সভাত ॥ ৫১৮
ব্রহ্মা হৰ আদি কৰিয়া যতেক
আসিলন্ত দেৱগণ।
অর্জ্জুনে সবাকো সাদৰি নিয়মে
দিলন্ত দিব্য আসন ॥
ব্রহ্মাদিকো দেখি পাণ্ডৱ ৰাজাৰ
আনন্দৰ নাহি পাৰ।
প্রণতি পূর্ব্বকে প্রণামি সবাকে
কৰিলন্ত সতকাৰ ॥ ৫১৯
অনেক শুশ্রূষা কৰিয়া বোলন্ত
কিনো মোৰ মহাভাগ।
সাক্ষতে যজ্ঞত ব্রহ্মা আদি কৰি
দেৱতাক পাইলো লাগ ॥
এহি বুলি ৰাজা সবাকে সম্বুধি
অনুমতি মাগি লৈয়া।
নিয়ম পূর্ব্বকে বিধি ব্যৱহাৰে
পূজা আৰম্ভিলা গৈয়া ॥ ৫২০
আচার্য্য ঋত্বিজ সদস্য প্রমুখ্যে
অসংখ্যাত ঋষিগণ।
মাধৱ মাধৱ সুমৰি প্রথমে
কৰিলা স্বস্তিবাচন ॥
অনেক সম্ভাৰে ষোড়শোপচাৰে
কৰিলা পূজা আশেষ।
মাধৱ প্রমুখ্যে পূজিলা দেৱক
নাথাকিল আৰ শেষ ॥ ৫২১
দীপ ধূপ গন্ধ চন্দন নৈবেদ্য
দিলা অসংখ্যাত কৰি।
মনত উৎসুকে দেৱতাসবক
পূজিলা ৰাজা সাদৰি ॥
অসংখ্য প্রমাণ সুৱর্ণ ভাজন
বসন দিব্য ভূষণ।
উৎসর্গি উৎসর্গি দিলন্ত নৃপতি
সমস্তবে পূৰি মন ॥ ৫২২
পর্ব্বত বৰণে কৰিলন্ত যেন
মহাযজ্ঞ বিপৰীত।
পাণ্ডৱ ৰাজাৰ যজ্ঞৰ সম্ভাৰ
তাহাতো কৰি অধিক ॥
ঋত্বিজসকলে বিধিৰ নিয়মে
হোমকুণ্ড নির্ম্মিলন্ত।
যজ্ঞৰ বহ্নিত অনেক সহস্র
হোম দান কৰিলন্ত ॥ ৫২৩
বিষ্ণুক সুমৰি মূলমন্ত্র স্মৰি
অনেক দ্বিজসকল।
সমজ্যাক ছানি কৰি বেদ ধ্বনি
পঢ়ন্ত তুতি মঙ্গল ॥
মৃদঙ্গ মুকুজ গোমুখ তৱল
শিঙ্গা শঙ্খ ঢাক ঢোল।
তাল কৱতাল মহুৰি কাহাল
দুন্দুভি শৱদ বোল ॥ ৫২৪
অনেক সহস্র শৱদৰ ধ্বনি
লঙ্ঘয় স্বর্ণৰ কোল।
কর্ণে হানে তাল থিতাতে কাহাৱো
নুশুনিয় মাত বোল ॥
বাৱে বিদ্যাধৰে গন্ধর্ব্বে গাৱয়
অপেস্বৰা কৰে নাট।
বংশ প্রশংসিয়া চপয় পঢ়য়
অনেক সহস্র ভাট ॥ ৫২৫
লক্ষেক নৃপতি সৱে অৱহিতি
কৰয় যজ্ঞৰ কর্ম্ম।
ত্রৈলোক্যৰ লোকে কৰয় প্রশংসা
পাণ্ডৱৰ দেখি ধর্ম্ম ॥

হৰিৰ সেৱক পাণ্ডৱ ৰাজাৰ
কিনো যজ্ঞ বিপৰীত।
আশ্চর্য্য অদ্ভুত ইমত সভাক
নতো দেখি কদাচিত ॥ ৫২৬
মাধৱ সহিত ত্রৈলোক্যৰ লোক
পাণ্ডৱৰ সভাসদ।
অনেক পাৰম্ভ দেখিয়া প্রজাৰ
ভৈগৈল চিত্ত তবধ ॥
শুনা সভাসদ ভাগৱত পদ
জন্মৰ সফাল হোক।
পুকৱ উদ্ধাৰি বোলা ৰাম হৰি
পাপ ৰসাতল যাউক ॥ ৫২৭

পদ।

শুক নিগদতি শুনা কৌৱৱ নন্দন।
পাণ্ডৱৰ সভাক আসিলা যতজন॥
নভৈল তৃপিতি হেন নাহি কদাচিত।
শুনা আৰে দানৰ মহিমা বিপৰীত ॥ ৫২৮
সুৱর্ণ ৰজত ৰত্ন অসংখ্য প্রমাণ।
সূর্য্য সুত কর্ণ মহা দানী দেই দান ॥
মনক সন্তোষি দান খোজন্ত ব্রাহ্মণ।
এগুণ খোজন্তে কর্ণে দেই দশগুণ ॥ ৫২৯
সুবর্ণৰ থাল ঝাৰি খুৰি অলঙ্কাৰ।
যেই যিবা খোজে মন পূৰিদেন্ত তাৰ ॥
কাঞ্চন চৌদোল দাসী দাস দেশ গ্রাম।
হয় হস্তী ৰথ দেন্ত ধনু অনুপম ॥ ৫৩০
গোভূমি সুবর্ণ বসন কচিকৰ।
মণি মৰকত ৰত্ন দিলন্ত বিস্তৰ ॥
অসংখ্য দানৰ কথা কহিবোহোঁ কত।
দুঃখী ভিক্ষী দেশান্তৰী আসিলেক যত ॥ ৫৩১
সবাৰো মনক তুষি দান ৰৱিলা।
মহা দৰিদ্রকো অদৰিদ্র কৰি দিলা ॥
বাৰিষা কালৰ যেন মহা মেঘচয়।
পৃথিবীক ঢাকি দিনে ৰাতি ৰৱিষয় ॥ ৫৩২
সেহিমতে অবিচ্ছেদে ৰৱিল দান।
সমস্তে লোকক ধনে কৰিলন্ত বান ॥
নাহি পৰিমিত দান দিলন্ত যতেক।
নিতে সুৰাৰিল শত ভাগৰো ভাগেক ॥ ৬৩৩
যুধিষ্ঠিৰ নৃপতিৰ অসংখ্য ভণ্ডাৰ।
পাইয়া আছে দুর্য্যোধনে তাৰ অধিকাৰ ॥
দেই দান মহাদানী ৰবিসুত কর্ণ।
পাণ্ডৱসৱৰ মহা বৈৰী দুইয়োজন ॥ ৫৩৪
ধনৰ বিভব দেখি মহা বিপৰীত।
বৈৰ ভাৱে দগধ কৰয় দুইৰো চিত্ত ॥
এগুণৰ ঠাইত শত গুণ কৰে হানি।
তথাপিতো ফুটুটে নদীৰ যেন পানী ॥ ৫৩৫
দেৱাসুৰ নৰ নাগ যতেক আসিল।
নিৰন্তৰে লোকে হেন মনত মানিল ॥
ইমত যজ্ঞক নতো দেখি নতো শুনি।
যাহাত মাধৱ পৰিচাৰক আপুনি ॥ ৫৩৬
সুসম্পন্ন যজ্ঞ কিনো কৃষ্ণৰ দাসৰ।
ৰৈল যশ জগতত চন্দ্র দিবাকৰ ॥
এহিমতে যজ্ঞক জগতে প্রশংসিল।
শুনা যেনমতে আৰো আশ্চর্য্য মিলিল ॥ ৫৩৭
যজ্ঞৰ নিয়ম যত কৰি সমাপত।
সোমলতামৃত পান কৰে যিদিনত ॥
যথাযোগ্য সিদিনাৰো কর্ম্মক সংহৰি।
ঋত্বিজ সবাকো সাৱধানে পূজা কৰি ॥ ৫৩৮
অনন্তৰে সমজ্যাত ভৈলা উপস্থিত।
সমাজ দেখিয়া বড় ভৈল ভয়ভীত ॥
কতোক্ষণে অৱনতে থিৰকৰি চিত্ত।
কৃতাঞ্জলি হুইয়া ৰাজা লাগিল পুছিত ॥ ৫৩৯
বোলন্ত সৱাকে নমস্কাৰ একে থানে।
পুছোঁহোঁ সবাতে সমজ্যাত আছা মানে ॥
প্রথমে পূজিয়া কাক দিবো অর্ঘ্যদান।
কহিয়োক সবে কোনজন অগ্রমান ॥ ৫৪০
শুনি সভাসদে অন্যে অন্যক চাহন্ত ॥
কাক আগে পূজিৱন্ত বিচাৰি নাপান্ত ॥
অদ্ভুত সমাজ দেখি সবাৰো বিস্ময়।
নমাতন্ত কেহো অন্য অন্যে কৰি ভয় ॥ ৫৪১
ব্রহ্মা হৰ আদি কৰি দেৱ অসংখ্যাত।
মহা মহা ঋষি সব আছন্ত সভাত ॥
ভীষ্ম আদিকৰি আছা অনেক মহন্ত।
বড় বড় ৰাজাগণ সভাত আছন্ত ॥ ৫৪২
বাসুকি প্রমুখ্যে বড় বড় নাগগণ।
আনো আনো অসংখ্যাত মহা মহা জন ॥
অনেক নিমিত্তে কেহো সাহস নপান্ত।
বস্ত্রে মুখ ঘুৰিয়া সবাকো সবে চান্ত ॥ ৫৪৩
কাকো কেহো কৰিবাক নপাৰি নিয়ম।
আছা কতোক্ষণ সৱে পৰিয়া নিজম ॥
অসুখ অশান্তি আতি ৰাজাৰ মনত।
কিবা কৰিৱন্ত একো নপাৱন্ত তত্ত্ব ॥ ৫৪

নমাতি আছন্ত সৱে পৰিয়া অবাক।
আগে অর্ঘ্য দিয়া ৰাজা পূজিৱন্ত কাক ॥
হেন তথ্য কৰিবাক নপাৰিল কেৱ।
দেখি বস্ত্র কাছি উঠিলন্ত সহদেৱ ॥ ৫৪৫
পৰম পণ্ডিত সর্ব্বজন মহাধীৰ।
বুদ্ধিত সুধীৰ শন্ত গহীন গম্ভীৰ ॥
যুধিষ্ঠিৰ নৃপতিক মাতিবাক লৈলা।
বোলন্ত নৃপতি তুমি বাউল যেন ভৈলা ॥ ৫৪৬
সর্ব্বজন হুইয়া বুদ্ধি হৰৱালা কিক।
আজি কেনে ভৈলা তুমি মূর্খতো অধিক ॥
তব্ধ হুইয়া আছা শ্রুতি জ্ঞান হুকৱাই।
কৃষ্ণক নকৰি পূজা কিবা আছা চাই ॥ ৫৪৭
ভকত সৱৰ পতি প্রভু ভগৱন্ত।
এহেন্তেসে শ্রেষ্ঠ অগ্রমান্য অৰিহন্ত ॥
জগত প্রসিদ্ধ এন্তে সর্ব্বদেৱময়।
ইহাক পূজিলে জগতৰে পূজা হয় ॥ ৫৪৮
দেশ কাল ক্রতু মন্ত্র তন্ত্র ধন যত।
অগনি আহুতি পাত্র ঋত্বিজ সমস্ত ॥
জ্ঞান সাঙ্খ্য যোগধর্ম্ম কর্ম্ম সমস্তৰ।
কেশৱেসে পৰমার্থ আত্মা জগতৰ ॥ ৫৪৯
অনাদি অনন্ত এক ঈশ্বৰ পৰম।
জগততে দ্বিতীয় নাহিকে যাক সম ॥
জনম মৰণ একো নাহিকে যাহাৰ।
জগত জনক কৃষ্ণ পুকৱতে সাৰ ॥ ৫৫০
আপন আশ্রয় ইটো জগত যতেক।
সৃষ্টি স্থিতি লয় আৰ কৰন্ত প্রত্যেক ॥
যাহাৰ নিমত্তে ইটো লোক নিৰন্তৰে।
নানাবিধ রূপাশ্রয় কর্ম্মক আচৰে ॥ ৫৫১
যিহেতু কৃষ্ণেসে পৰমাত্মা জগতৰ।
সিহেতু অনেক বিধে চেষ্টা কৰে নৰ ॥
অন্যথা যতেক জড়বস্তু অচেতন।
এতেকেসে কৃষ্ণ এন্ত জগত কাৰণ ॥ ৫৫২
যত কর্ম্মফল মানে অধীন কৃষ্ণৰ।
কৃষ্ণ তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ ॥
জানিয়া নৃপতি তুমি থিৰ কৰা মন।
কৃষ্ণক দিয়োক ইটো মহা অৰিহণ ॥ ৫৫৩
কৃষ্ণক পূজন্তে যিটোজনে দেই হাক।
সত্য কৰি বোলো ছুইবে যোগ্য হুহি তাক ॥
পৰম অধম আৰ নাহি তাত পৰে।
জানিবা আপুনি আত্মঘাত কৰি মৰে ॥ ৫৫৪
সিসবৰ মত মানে নধৰি মনত।
কৰা পূজা কৃষ্ণৰ অভয় চৰণত ॥
সর্ব্বভূত আত্মা ভেদ শূন্য ভগৱন্ত।
আহাক্ষ পূজিলে ফল হৈবে অপর্য্যন্ত ॥ ৫৫৫
কৃষ্ণক বর্ণান্তে চিত্ত কৃষ্ণতে মজিল।
পৰম ঈশ্বৰ তান জ্ঞান উপজিল ॥
সাম্প্রতে দেখন্ত জগতকে কৃষ্ণময়।
এড়িলেক মায়া ভৈল প্রসন্ন হৃদয় ॥ ৫৫৬
পৰম আনন্দে নয়নৰ বহে নীৰ।
প্রেমৰ বেগত ভৈল পুলক শৰীৰ ॥
নকৱন্ত কাহাকো কটাক্ষ লয়লেশ।
ঊর্দ্ধবাহু হুইয়া বীৰে বলিলা আশেষ ॥ ৫৫৭
আনন্দৰ ভৰে পাছে মৌন হুইয়া ৰৈল।
শুনি সভাসদৰ আনন্দ খাতি ভৈল ॥
ব্রহ্মাহৰ আদি কৰি যতেক আছন্ত।
সহদেৱ মহন্তক সৱে প্রশংসন্ত ॥ ৫৫৮
সাধু সাধু সহদেৱ পণ্ডিত উত্তম।
নাহি সর্ব্বজান জগততে তুমি সম ॥
বুদ্ধিহীন আমি যত সমস্তে অজ্ঞান।
তুমিসি সবাকে মহাজ্ঞান দিলা দান ॥ ৫৫৯
কোটি কোটি ব্রহ্মাণ্ডৰ কৃষ্ণেসে ঈশ্বৰ।
তাহানে অধীন আমি যত চৰাচৰ ॥
হেন ঈশ্বৰকো সুৰাৰিলোঁ তর্কিবাক।
তুমিসি কৰিলা আজি উদ্ধাৰ আমাক ॥ ৫৬০
আজি যেবে সৱে আমি তোহ্মাক নপাওঁ।
অজ্ঞান সাগৰ মাজে পৰি তল যাওঁ ॥
পৰম ঈশ্বৰ জ্ঞান নৌকা দিয়া দান।
তুমিসি কৰিলা সমস্তকে পৰিত্রান ॥ ৫৬১
আসিয়াছোঁ আমি এন্তে কৃষ্ণক দেখিত।
তথাপিতো আমিসৱে ভৈলোঁ বিমোহিত ॥
আগতে কৃষ্ণক দেখি নজানিলো কেৱে।
জ্ঞানদীপ দিয়া দেখাইলন্ত সহদেৱ ॥ ৫৬২
ভীষ্মে আসনৰ উঠি অনেক সাদৰি।
সহদেৱ মহন্তক সাৱটিয়া ধৰি ॥
মুখে মুখ দিয়া চুমা দিলা মহাধীৰে।
বুকে চাপি আনন্দে ঘ্রাণিলা তান শিৰে ॥ ৫৬৩
হৰিষ লোতকে তান তিয়াইলন্ত তনু।
পৰম স্নেহত প্রশংসিলা পুনু পুনু ॥
কৃষ্ণক নজানি সৱে বংশে যাওঁ তল।
কৰিলে উদ্ধাৰ আজি কুলক সকল ॥ ৫৬৪
আমাৰ কুলত তঞি ভৈলি বংশধৰ।
উত্তম ভকত তত্ত্ব জানিলি কৃষ্ণৰ ॥
বেদতো ৰহস্য বাপ তোহোৰ যুগুতি।
এহিমতে সৱে তাক কৰিলন্ত তুতি ॥ ৫৬৫

শুনি যুধিষ্ঠিৰে জগতৰে সাধুৰ্ব্বাদ।
গুচিল চিত্তৰ তান যতেক বিষাদ॥
বুজি সভাসদৰ হিয়াৰ অভিপ্রায়।
কৰি সহদেৱক প্রশংসা মহাৰায়॥ ৫৬৬
কৃষ্ণত ঈশ্বৰ জ্ঞান ভৈল বিপৰীত।
প্রেমৰসে আকুল কৰিলে তান চিত্ত॥
কৃষ্ণ পদপঙ্কজে পড়িলা দণ্ডৱতে।
প্রণামিয়া ষড়ৰ্ঘে পূজিলা ভাল মতে॥ ৫৬৭
প্রণতি পূৰ্ব্বকে ৰাজা অনেক সাদৰি।
প্রীতি ভাৱে কৃষ্ণক ধুৱাইলা দুইও ভৰি॥
জগত পৱিত্রকাৰী পাদোদক জলে।
ভাৰ্য্যা ভাতৃ অমাত্য সহিতে কুতুহলে॥ ৫৬৮
সকুটুম্বে হৰিষে শিৱত লৈলা আনি।
আনন্দতে নৃত্য কৰিলন্ত মহামানী॥
জগত পৱিত্রকাৰী কৃষ্ণ পদজল।
ব্রহ্মা আদি দেৱে লৈলা কৰি কৌতুহল॥ ৫৬৯
সমস্ত সভাৰ শিৱে সিঞ্চিলে হৰিষে।
নিস্তৰিলোঁ বুলি ৰঙ্গ কৰে দশো দিশে॥
অনন্তৰে যুধিষ্ঠিৰে কৃষ্ণক পূজিল।
চতুঃ শ্যাম অঙ্গৰাগে শৰীৰ ৰঞ্জিল॥ ৫৭০
সুগন্ধ পুষ্পৰ অঙ্গ মুণ্ড মালা দিল।
ৰত্নময় অলঙ্কাৰে শৰীৰ মণ্ডিল॥
কিৰীটি কুণ্ডল হেমহাৰ মনোহৰ।
কেয়ুৰ কঙ্কণ কাঞ্চি নূপুৰ পাৱৰ॥ ৫৭১
পিন্ধাইলন্ত দিব্য পীতবস্ত্র ৰুচিকৰ।
নানা ৰত্ন মহাধন দিলন্ত বিস্তৰ॥
হয় হস্তী ৰথ দোলা দিলন্ত বহুত।
আপোনাকো হৰিষে অর্পিলা কুন্তীসুত॥ ৫৭২
প্রেমত নেত্রৰ বহে আনন্দ লোতক।
নপাৱন্ত নৃপতি চাহিবে মাধৱক॥
পূজি পুনৰপি দণ্ডৱতে পড়িলন্ত।
কৃষ্ণ পদ পঙ্কজক মাথাত লৈলন্ত॥ ৫৭৩
আখি মুখে ঘষি হৃদয়ত ধৰি আনি।
কান্দি কতো বেলি পাছে বুলিলন্ত বাণী॥
কিনো ধন্য কিনো ধন্য মোহোৰ জীৱন।
ভৈলো মঞি আজি কৃতকৃত্য নাৰায়ণ। ৫৭৪
আজি কিনো মিলিল মোহোৰ মহাভাগ।
ঈশ্বৰ কৃষ্ণক পূজিবাক পাইলো লাগ॥
যিটো দেৱ সৱাৰো দুর্লভ দৰশন।
কিনো মোৰ ভাগ্য হেন অচ্চিলো চৰণ। ৫৭৫
ৰাজাৰ ভকতি দেখি সভাসদ যত।
সবাৰো ঈশ্বৰ জ্ঞান মিলিল কৃষ্ণত॥
হুইয়া আছে বোধ সহদেৱৰ বচনে।
কৃষ্ণৰ নির্গুণ সিটো মূর্ত্তি দৰশনে॥ ৫৭৬
মায়া বন্ধ খণ্ডিল গুচিল অহঙ্কাৰ।
নমো জয় কৃষ্ণ বুলি কৰন্ত জোকাৰ॥
দশো দিশে জয় বোল উর্ম্মি উথলিল।
অঞ্জলি ভৰিয়া দিব্য পুষ্প ৱৰিষিল। ৫৭৭
যৈত যিবা লোক আছিলেক যেনমতে।
তৈতে তৈতে কৃষ্ণক নমিলা দণ্ডৱতে॥
হে কৃষ্ণ ত্রাহি ত্রাহি বোল মাত্র শুনি।
হংসে যেন ৰাৱ কাঢ়ে সৰোৱৰ ছানি॥ ৫৭৮
উঠি,উঠি পুনৰপি দণ্ডৱতে পৱে।
কৰি কৃতাঞ্জলি নম্র ভাৱে তুতি ৰড়ে॥
ঈশ্বৰ কৃষ্ণক আমি ভৈলো পৱিচয়।
কিনো আজি আমাৰ মিলিল ভাগ্যোদয়॥ ৫৭৯
এহিমতে ব্রহ্মা আদি কৰি তুতি নতি।
শুনি দমঘোষসুত পৱম দুর্ম্মতি॥
কৃষ্ণৰ বিপক্ষ শিশুপাল দুৰাচাৰ।
কৃষ্ণক পূজন্তে গাৱ নসহিল তাৰ॥ ৫৮০

ঝুমুড়ি।

শিশুপাল নিদাৰুণ।
শুনিয়া কৃষ্ণৰ গুণ॥
উপজিল ক্রোধ ভাৱ।
কম্পয় সকলে গাৱ॥ ৫৮১
কোপে আখি আৰকত।
বসি আছে আসনত॥
উঠিল তেখনে নষ্ট।
কৃষ্ণক কৰিয়া কষ্ট॥ ৫৮২
বাহু তুলি উপৰক।
গর্জ্জে আতি মাধৱক॥
গর্ব্ব মদে দুৰাশয়।
কাহাকো নকৰে ভয়॥ ৫৮৩
আপন পুরুষ বাক।
শুনাই সবে সমজ্যাক॥
ক্রোধে মাতিবাক লৈল।
কিনো বিপৰীত ভৈল॥ ৫৮৪
বেদৰ বচন যত।
সিও দেখো ভৈল হত॥
যিটো দুৰাশয় কাল।
আতো আৰ নাহি ভাল॥ ৫৮৫

যেবে সত্য স্বৰূপত।
তেবে কেনে বৃদ্ধ ৰত॥
ছৱালৰ বচনত।
ভৈল সবে বুদ্ধি হত॥ ৫৮৬
বৃদ্ধৰো চলিল চিত্ত।
ইসে ভৈল বিপৰীত॥
মহাৰাজা যুধিষ্ঠিৰ।
গহিন গম্ভীৰ ধীৰ॥ ৫৮৭
যজ্ঞৰ সমাজ পতি।
আমাক আনিলে মাতি॥
কদর্থনা কৰিবাক।
আনিলেক সমজ্যাক॥ ৫৮৮
ছৱালৰ বাক্য ধৰে।
সবাকো অমান্য কৰে॥
আমাৰো জীবন ধিক।
সভাক আসিলে কিক॥ ৫৮৯
কোন যুদ্ধে জিনিলেক।
আমাসাক আনিলেক॥
কুটুম্বিতা নিমিত্তত।
আসি আছো সমাজত॥ ৫৯০
সাধিলে তাহাৰ কাজ।
সভাত দিলেক লাজ॥
এহি মতে দুৰাচাৰ।
কৰি মহা অহঙ্কাৰ॥ ৫৯১
সভাক সম্মুখ ভৈল।
কৃষ্ণক নিন্দিবে লৈল॥
শুনা সভাসদ লোক।
জন্মৰ সাফল হৌক॥ ৫৯২
মাধৱৰ নাম গুণ।
কলিত পৱম পুণ্য॥
জানি আন তেজি কাম।
নিৰন্তৰে বোলা ৰাম॥ ৫৯৩

পদ

সবাক সম্বুধি শিশুপাল দুৰাশয়।
বোলে শুনা শুনা ওৱা সভাসদচয়॥
তোৰা সৱে শ্রেষ্ঠ পাত্র বুদ্ধিত সাগৰ।
নধৰিবা কেহো ইটো বাক্য বালকৰ॥ ৫৯৪
আতি শিশু মতি সহদেৱ মূঢ়জন।
কেনমতে সাদৰিলা ইহাৰ বচন॥
নতো দেখে সমাজ নজানে ব্যৱহাৰ।
বোলে উপকাৰী কৃষ্ণ কুটুম্ব আমাৰ॥ ৫৯৫
ইহাৰ প্রসাদে সুখে আছোঁ হেন জানে।
তাতেসে কৃষ্ণক ইটো বৰ বুলি মানে॥
তুমি সব সভাসদ পতি মহাজন।
কিসক সাদৰা সৱে ইহাৰ বচন॥ ৫৯৬
নুহি যোগ্য কৃষ্ণ ইটো অগ্র অবিহনে।
নেদিবা সম্মত তুমি সৱ মহাজনে॥
জগততে শ্রেষ্ঠ দুই ব্রহ্মা মহাদেৱ।
যাহাৰ চৰণ সুৰাসুৰে কৰে সেৱ॥ ৫৯৭
জগত কাৰণ দুইও দেৱতে উত্তম।
ব্রহ্মাণ্ডতো নাহি ইটো দুইহন্তকো সম॥
প্রথমে নকৰি পূজা আৰা দুইহন্তক।
কমন যুগুতি পূজা কৰিলা কৃষ্ণক॥ ৫৯৮
ব্যাসক প্রমুখ্যে মহা মহা ঋষিগণ।
জপ তপ বিদ্যা ব্রত ধৰি সর্ব্বক্ষণ॥
জ্ঞান বলে নষ্ট কৰি কল্মষ সমস্ত।
নুগুছয় সর্ব্বকালে সমাধী ব্রহ্মত॥ ৫৯৯
বেদত পার্গত ব্রহ্মনিষ্ঠ সর্ব্বদাই।
লোকপাল সবো পূজা কৰে যাক পাই॥
যাকপূজা কৰিলে অনন্ত গুণ ফল।
কেনে মান্য যোগ নুহি ইহাৰা সকল॥ ৬০০
পুৱন্দৰ আদি দিকপাল গণ যত।
কেনে মান্যবিহ অৰা নুহি সমাজত॥
বাসুকি প্রমুখ্যে আছা মহা মহা নাগ।
আৰা কেন যোগ্য নোহে দিতে অগ্রভাগ॥ ৬০১
দ্রোণ কৃপ আদি কৰি ব্রাহ্মণ সমস্ত।
আৰা কোন যোগ্য নোহে প্রথম মান্যত॥
মহাবলী ভীষ্ম কুলবৃদ্ধ সর্ব্বজান।
পৱম মহন্ত কুৰুকুলতে প্রধান॥ ৬০২
যাত পৱে ক্ষত্রি আন নাহি পৃথিবীত।
এন্তে নুহি কেনে অগ্রমান্যক উচিত॥
সনক সনন্দ আদি যোগী যত মান।
আৰা কোন উচিত নুহিকে অগ্রমান॥ ৬০৩
পৃথিবীৰ যত মহা মহা ৰাজাগণ।
আৰা কেনমতে নুহি অগ্র আৱহণ॥
আছা আনো সমাজত অনেক মহন্ত।
আৰা সৱে কোন অগ্রভাগ নাৰিহন্ত॥ ৬০৪
যত অগ্রমান্য মানে তেজিল সকল।
পৱম অধম কৃষ্ণ কুলৰ পাংশুল॥
আক পূজিবাক সৱে অনুমতি দিলা।
কেনমতে কৃষ্ণে অগ্রমান্য অৰিহিলা॥ ৬০৫

কিবা হেতু পূজা আগে কৰিল কৃষ্ণক।
যেন হবির্ভাগ আনি দিলেক কাকক ॥
বর্ণাশ্রম কুলত বাহিৰ অনাচাৰ।
সর্ব্ব ধর্ম্মহীন একো নাহি ব্যৱহাৰ ॥ ৬০৬
ইহাৰ দোষক মই বর্ণাইবোহোঁ কত।
সর্ব্বকালে ইটো অধর্ম্মত মাত্র ৰত ॥
নাহি একো গুণ স্বেচ্ছাচাৰে প্রবর্ত্তয়।
কেনমতে ইটো অগ্রমান্য অৰিহয় ॥ ৬০৭
ইহাৰ কুলক সপি আছন্ত যযাতি।
মহাজন সবাৰ বাহিৰে ইটো আতি ॥
অভক্ষ ভক্ষণে আৰ ৰতি সর্ব্বক্ষণ।
ভৈল কেনমতে ইটো অগ্র অৰিহণ ॥ ৬০৮
ব্রহ্ম ঋষি সৱে সেৱা কৰে যি দেশক।
তাক তেজি আশ্রয় কৰিল সমুদ্রক ॥
পুণ্য-ভূমি মানে এড়িলেক দুৰাশয়।
মহাদুর্গ থানে থাকি প্রজাক পীড়য় ॥ ৬০৯
মনুষ্যৰ শত্রু আৰ নাহি আত পৰে।
ডাক দিয়া লোকক ক্ষয় নিৰন্তৰে ॥
লুড়ি পুড়ি কাটি মাৰি সর্ব্বস্বক লই।
দুর্গম সমুদ্র মাজে পলাই থাকে গই ॥ ৬১০
সমস্ত লোকৰ ইটো অনর্থৰ মূল।
আন কোন আপুনাৰো বধিলে মাতুল ॥
জগতৰ যত পাপ হেতু উপজিল।
স্ত্রী জাতি পুতনাকো ছোটতে মাৰিল ॥ ৬১১
আত পৰে জগততো নাহি পাপকাৰী।
গো বধ কৰিয়া আছে অৰিষ্টক মাৰি ॥
কামাতুৰ হুইয়া সম্বন্ধকো নিবিচাৰি।
কৰিলেক প্রতিগ্রহ যত গোপ নাৰী ॥ ৬১২
দুর্ব্বিনীত হুইয়া যত বেদকে লঙ্ঘিল।
গোৱালৰ স্ত্রীক নিয়া কান্ধত বহিল ॥
লোভাবিষ্ট হুইয়া গোৱালৰ ঘৰে ক্ষুৰি।
দধি দুগ্ধ লৱনু খাইলেক কৰি চুৰি ॥ ৬১৩
বহু বক্রী অবমানী মূর্খ অপণ্ডিত।
হুহি আক ইটো পূজা কৰিবে উচিত ॥
বেদ শাস্ত্র নজানে নমানে গুৰুজন।
দিল কেনমতে আক অগ্র অৰিহণ ॥ ৬১৪
বধি আছে অকাৰণে অনেক জনক।
আছোক মনুষ্য হিংসা কৰিলে দেৱক ॥
অবগর্ব্বে দেৱকো কৰিলে অনাদৰ।
আপুনি ভুঞ্জিলে ইটো যাগ বাসবৰ ॥ ৬১৫
হেনসে দুর্ম্মতি দেৱ দ্বিজকো নমানে।
আপুনাৰ সুহৃদক বধি আছে প্রাণে ॥
মাৰিলে ইটো নিজ পুত্র নৰকক।
তাৰ স্ত্রীক মানে ইটো আনিলে ঘৰক ॥ ৬১৬
খঙ্গাৰ নগণি ব্যৱহাৰকো লঙ্ঘিল।
পেসীৱতী বহিনীক বিবাহ কৰিল ॥
পৰম কপটী আৰ নাহি আত পৰে।
চিত্তত থাকয় আন কার্য্য আন কৰে ॥ ৬১৭
কোৱা কর্ত্তব্য অকর্ত্তব্য কিবা হয়।
কার্য্যাকার্য্য ভাল মন্দ সৱে সম্বৰয় ॥
হেনয় জনকো আনি অগ্রমান্য দিল।
ইসে বিপৰীত ইটো অন্যায় মিলিল ॥ ৬১৮
এহিমতে আনো আনো অভদ্র সকল।
বোলে শিশুপাল নষ্ট মতি অমঙ্গল ॥
ভাল মন্দ একো নুবুলিয়া ভগৱন্ত।
প্রসন্ন বদনে হাস্যে বসিয়া আছন্ত ॥ ৬১৯
গহীন স্বভাৱে হৰি আছা যেন মেৰু।
শিশুপালে আৰাৱ কৰয় যেন ফেৰু ॥
প্রমত্ত কেশৰী যেন ভগৱন্ত হৰি।
পৰম গম্ভীৰ ভাৱে আছা ধৈর্য্য ধৰি ॥ ৬২০
যতেক নিন্দিল শিশুপাল মন্দমতি।
উলটাইয়া স্তুতি কৰিলন্ত সৰস্বতী ॥
নোহে নিন্দা স্বৰূপত কৰিলে কীর্ত্তন।
পৰম সন্তোষ মন ভৈলা নাৰায়ণ ॥ ৬২১
পূর্ব্বৰ বচন হৰি মনে সুমৰিল।
যিকালত ইটো শিশুপাল উপজিল ॥
তিনি চক্ষু চাৰি হাত সহিতে জন্মিল।
অনন্তৰে আকাশত বচন শুনিল ॥ ৬২২
ইটো ছৱালৰ এক আখি দুই হাত।
গুছে ততকালে জানা যাহাৰ কোলাত ॥
তাহাৰে হাততে ইটো মৰিব নিশ্চয়।
হেন শুনি সবন্ধু বান্ধৱে ভৈলা ভয় ॥ ৬২৩
পৃথিবীৰ ৰাজাগণ যতেক আছিল।
সবাৰো হাতত নিয়া ছৱালক দিলা ॥
কাহাৰো কোলাত নুগুছিল চক্ষু হাত।
অনন্তৰে লৈলা গৈয়া মাধৱে কোলাত ॥ ৬২৪
এক আখি দুই হাত লুকাইল তেখনে।
দেখি দমঘোষ গৈয়া পৰিল চৰণে ॥
ভার্য্যা সমে মাধৱক কৰয় কাতৰ।
বোলে প্রভু আমাক দিয়োক পুত্র বৰ ॥ ৬২৫
দিনে দশ ঘোষ আৰ ক্ষমিবাহা জানি।
মাধৱে বোলন্ত পেসী শুনা মোৰ বাণী ॥
দিনে একশত দোষ ক্ষমিবো ইহাৰ।
একশতাধিক ভৈলে চিন্তিবোহো মাৰ ॥ ৬২৬

শুনি সকুটুম্বে আতি ভৈগৈল সন্তোষ।
একশতাধিক কিবা কৰিবেক দোষ ॥
সেহি বচনক মনে সুমৰিয়া হৰি।
শত পত্র পদ্মপুষ্প গোট হাতে ধৰি ॥ ৬২৭
পৰম আনন্দে ধৈর্য্য মনে হৰি হাসি।
প্রত্যেক গালিতে খসাৱন্ত একো পাশি ॥
একশতাধিক জানিবাক ভগৱন্ত।
পদ্মৰ পাশিত তাৰ দোষক গণন্ত ॥ ৬২৮
ভগৱন্ত ঈশ্বৰৰ শুনিয়া নিন্দন।
কর্ণত অঙ্গুলি দিয়া সভাসদগণ ॥
মহাদুঃখে সমজ্যাৰ ভৈলন্ত অন্তৰ।
নিন্দা শুনি তথাৰ নুগুছে যিটো নৰ ॥ ৬২৯
নিজ পুণ্যচয় ভ্রষ্ট হুইয়া সিটো জন।
পাপক সঞ্চিয়া কৰে অধোক গমন ॥
ভগৱন্ত কৃষ্ণৰ ভকত যত নৰ।
কোপে শিশুপালক সপন্ত নিৰন্তৰ ॥ ৬৩০
পাছে পাণ্ডুসুত সৱে শুনি অহঙ্কাৰ।
কাছি পাৰি সৱে উঠিলন্ত সমজ্যাৰ ॥
মৎস্যগণ কৈকেয় সৃঞ্জয় আছে যত।
অস্ত্র শস্ত্র ধৰি সৱে উঠিল সমস্ত ॥ ৬৩১
আমাৰ প্রভুক মন্দ বোলে দুৰাশয়।
মহাকোপ কৰি শিশুপালক গর্জ্জয় ॥
আমাৰ আগতে ঈশ্বৰক নিন্দা কৰে।
বধিবাক মনে কোপ কৰি নিৰন্তৰে ॥ ৬৩২
ধৰ মাৰ বুলি তাক ধাইলন্ত যতনে।
দেখি খঙ্গে শিশুপালে ধাইলেক তেখনে ॥
হাতে খাণ্ডাবাক ধৰি পৰম আটোপে।
কৃষ্ণ পক্ষ সমস্তক গালি পাৰে কোপে ॥ ৬৩৩
নজানস কাহাক ভোঙ্কাস বহু বহ।
তোৰা সকলৰ আজি ভাঙ্গো মহ মহ ॥
হাতে খাণ্ডা ধৰি সভা মধ্যত নির্ভয়।
বিপক্ষসৱক খেদি আসে দুৰাশয় ॥ ৬৩৪
হেন দেখি আথে বেথে প্রভু নাৰায়ণে।
আসনৰপৰা উঠিলন্ত তাৱক্ষণে ॥
বোলন্ত মনত মহা মিলিল আপদ।
ইটো শিশুপাল ৰাজা মোৰ পাৰিষদ ॥ ৬৩৫
নজানে পাণ্ডৱ সৱে ইহাৰ মহত্ত্ব।
মোহোৰ সমান বল আছয় গাৱত ॥
এতিক্ষণে একেতিলে সৱাকো মাৰিব।
সকলো পাণ্ডৱে মিলি আক কি কৰিব ॥ ৬৩৬
এহিবুলি পৰম সত্ত্বে দেৱ হৰি।
নিজ পক্ষ সমস্তক নিবর্ত্তাইলা ধৰি ॥
বোলন্ত তোমৰা কিছু নুবুলিবা আক।
যতেক লাগয় গালি পাৰোক আমাক ॥ ৬৩৭
আপনি সাধিবোঁ আপোনাৰ প্রয়োজন।
এহি বুলি হাতে চক্র ধৰি নাৰায়ণ ॥
খেদি আসিবাক লাগি আছে শিশুপাল।
চক্র হানি শিৰ কাটিলন্ত তত কালে ॥ ৬৩৮
শিশুপাল ৰাজা হত ভৈল যি বেলাত।
মহা কোলাহল বোল মিলিল সভাত ॥
তাৰ লগৰীয়া ৰাজাগণ আছে যত।
জীওঁ বুলি প্রাণ ৰাখি পলাইল সমস্ত ॥ ৬৩৯
চৈদ্য দেহ হন্তে জ্যোতি পুঞ্জ উঠি আসি।
উল্কা শিখা যেন দশো দিশক প্রকাশি ॥
কৃষ্ণ চৰণে আসি পৰিয়া মিলাইল।
সর্ব্বজনে দেখিলা কৃষ্ণৰে ৰূপ পাইলা ॥ ৬৪০
পীত বস্ত্রে জ্বলে শ্যাম তনু কচিকৰ।
ৰত্নময় অলঙ্কাৰে জ্বলে কলেৱৰ ॥
কঙ্কণ কেয়ূৰেজলে চাক চাৰি হাত।
শঙ্খ চক্র গদা পদ্ম চাৰি অস্ত্র তাত ॥ ৬৪১
কিৰীটি কুণ্ডল হাৰ গলে বনমালা।
কনক কিঙ্কিণী বাজে কটিত মেখলা ॥
নয়ন কোমল মুখ চন্দ্রৰ মণ্ডল।
ৰত্নৰ নূপুৰে পাদ পঙ্কজ উজ্জ্বল ॥ ৬৪২
কৃষ্ণৰ শৰীৰে এৰে চিনন নযায়।
শ্রীবৎস কৌস্তুভ দুই চিহ্ন মাত্র নাই ॥
প্রদক্ষিণে পড়িয়া প্রণামি মাধৱক।
পৰম সানন্দে চলি গৈল বৈকুণ্ঠক ॥ ৬৪৩
বুলিবা কৃষ্ণৰ ইটো নিন্দিলে অশেষ।
কেনমতে পাইল ইটো মাধৱৰ বেশ ॥
পৰম আশ্চর্য্য ইটো কথা বিপৰীত।
ইহাৰ উত্তৰ শুনিয়োক পৰীক্ষিত ॥ ৬৪৪
যাক যিটোজনে চিন্তি থাকে অনুক্ষণ।
তাহাৰে স্বৰূপ ৰূপ পাৱে সিটো জন ॥
ভৱনাসে ভয়ৰ কাৰণ নৃপবৰ।
শুনিয়োক ইহাৰ সাক্ষাতে পটন্তৰ ॥ ৬৪৫
যেন বাঘ পকৱা ধৰিয়া পোকা যত।
নমাৰি জীয়ন্তে নিয়া থৱয় বাসত ॥
বাঘ পকৱাকে পোকে চিন্তয় ভয়ত।
জীৱন্ততে তাৰ ৰূপ পাৱয় সমস্ত ॥ ৬৪৬
সেহিমতে মাধৱক চিন্তিয়া সর্ব্বদা।
পাইবেক তাহান ৰূপ ইটো কোন কথা ॥
কহিয়াছোঁ ইহাৰ বৃত্তান্ত কথা যত।
জয় নামে পাৰিষদ আছিল পূর্ব্বত ॥ ৬৪৭

কৃষ্ণৰ ইচ্ছায়ে আসি বিপ্ৰৰ সাপত।
বৈকুণ্ঠৰপৰা উপজায় অসুৰত ॥
হিৰণ্য-কশিপু নামে ভৈল প্ৰথমত।
নৰসিংহ ৰূপে হৰি কৰিলন্ত হত ॥ ৬৪৮
ভৈল গৈয়া বাৱণ দ্বিতীয় জনমত।
ৰাম অৱতাৰে গৈয়া বধিলা ৰণত ॥
ভৈল শিশু পাল আসি তৃতীয় জন্মত।
বৈৰ ভাৱে মাধৱক স্মৰিলে সতত ॥ ৬৪৯
চিন্তন্তে চিন্তন্তে চিত্তে ভৈল তদাকাৰ।
ইজন্মতো আপনি চিন্তিলা হৰি মাৰ ॥
কৃষ্ণৰ স্বৰূপ পাইয়া বৈকুণ্ঠক গৈলা।
পাৰিষদ হুইয়া পুনু দুৱাৰতে ৰৈলা ॥ ৬৫০
নকৰিবা শঙ্কা কিছু নৃপতি ইহাত।
যেনে তেনে মাধৱক স্মৰোক সাক্ষাত ॥
এতেকে কৃষ্ণক পাৱে কৈলোঁ সত্য বাণী।
শুনা এক চিত্তে আৰে প্ৰস্তুত কাহিনি ॥ ৬৫১
অদ্ভুত দেখিয়া সমজ্যাৰ লোক যত।
পৰম বিস্ময় হুইয়া গুণন্ত মনত ॥
মহা দুৰাচাৰ শিশুপাল পাপশালী।
দেৱ ভাৱে আতি মাধৱক পাৰি গালি ॥ ৬৫২
পাইল মহা মোক্ষ যিটো দেৱৰ দুৰ্লভ।
কিনো কৃপাময় কৃষ্ণ ভকত সুলভ ॥
কৃষ্ণৰ দেখিয়া মহা মহিমা সাক্ষাত।
সবাৰে ঈশ্বৰ জ্ঞান ভৈল সিবেলাত ॥ ৬৫৩
জাত জাত কৰি গাৱ সবাৰো শিহৰে।
আনন্দ লোতক নয়নৰ পৰা পৰে ॥
পিয়ন্ত নয়নে কৃষ্ণ মূৰ্ত্তি অমৃতক।
কুসুম সিঞ্চৰি সৱে প্ৰণামে কৃষ্ণক ॥ ৬৫৪
জয় জয় কৃষ্ণ বুলি প্ৰশংসা কৰন্ত।
আপনাৰো পৰম ভাগ্যক বখানন্ত ॥
শত্ৰু বুদ্ধি স্মৰি যাক তৰে পাপী জন।
কিনো ভাগ্য তান আসি দেখিলোঁ চৰণ ॥ ৬৫৫
এহিমতে মাধৱক প্ৰশংসিল তথা।
আত অনন্তৰে আৰে শুনা পাছ কথা ॥
শুনা সাৱধান চিত্তে সৱে সভাসদ।
অমৃত সমান মহা ভাগৱত পদ ॥ ৬৫৬
শিশুপাল মোক্ষ কৃষ্ণ লীলা অনুপাম।
কৰ্ণ ভৰি শুনি কৰা দুখ উপসাম ॥
লভিবা মুকুতি পৰলোকতো সাক্ষাত।
বোলা ৰাম ৰাম চিন্তা পাপৰ বিঘাত ॥ ৬৫৭

———

ছবি।

শুকমুনি নিগদতি শুনিলাহা কুৰুপতি
পাইল শিশু পালে যেন গতি।
শুনা আৰে বিপৰীত মহা স্থান অৱভৃত
কহোঁ মঞি তোমাত সম্প্ৰতি ॥
নৃপ শিৰোমণি ধীৰ যুধিষ্ঠিৰ নৃপতিৰ
যেন মহা মিলিল মহিমা।
ভৈল মহা মহোদয় কহি কোনে মহাশয়
সাৱশেষে কৰিবেক সীমা ॥ ৬৫৮
তথাপিতো কিছুমান কহোঁ শুনা বিদ্যামান
ভৈল যেন মহা অভিষেক।
শিশুপাল ৰাজা যেৱে কৃষ্ণপদ পঙ্কজত
ভৈল গৈয়া প্ৰবেশ প্ৰত্যেক ॥
পাছে যুধিষ্ঠিৰ ৰাজা কৰিলা পৰম পূজা
ব্ৰহ্মা আদি যতেক আছন্ত।
অনেক প্ৰৱন্ধে গন্ধ চন্দন নৈবেদ্য বহু
বস্ত্ৰ অলঙ্কাৰে অৰ্চ্চিলন্ত ॥ ৬৫৯
ঋত্বিজ সদস্যগণ সবাৰে তুষিল মন
দিয়া দান দক্ষিণা অশেষ।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰকো কৰিলা মান্য
দিয়া বস্ত্ৰ ভূষণ বিশেষ ॥
কৰি পূজা বিপৰীত সবাৰো বঞ্জিলা চিত্ত
সমজ্যাত যতেক আছিল।
ব্ৰহ্মা হৰ আদি কৰি পৰম তৃপিতি হুইয়া
পাণ্ডৱক সৱে প্ৰশংসিল ॥ ৬৬০
সুহৃদ সোদৰ যত জ্ঞাতি বন্ধু সমস্তক
কৰাইলন্ত পৰম তৃপিতি।
যথা যোগ্যে সাদৰিলা প্ৰিয় বাক্যে সন্তোষিলা
যুধিষ্ঠিৰ ৰাজা অৱহিতি ॥
যেৱে ত্ৰিজগতে পুষ্ট ভৈলন্ত পৰম তুষ্ট
যজ্ঞৰ পূৰিলা যত মান।
পৰম উৎসৱ মনে গঙ্গাক চলিলা ৰঙ্গে
কৰিবাক অৱভৃথ স্নান ॥ ৬৬১
অনেক দুন্দুভি ঢোল গোমুখ ধুন্ধুৰী ৰোল
শিঙ্গা শঙ্খ মৃদঙ্গ বজায়।
বীণা বেণু কৰতাল কাহাল মহৰি ভাল
ধ্বনি গৈয়া স্বৰ্গক লঙ্ঘয় ॥
আনক বিচিত্ৰ ৰৱ কৰে মহা মহোৎসৱ
বহুবিধ লোকে দৃষ্টভাৱে।
নটীসৱে কৰে নাট চপয় পড়য় ভাট
অনেক গায়নে গীত গাৱে ॥ ৬৬২

———

দুলড়ী।

নানা চিত্ৰ ধ্বজ পতকা বিচিত্ৰ
অসংখ্য ছত্ৰ চামৰে।
হয় হস্তী ৰথে পদাতি সমস্তে
চৌভিতি যোগান ধৰে ॥
কাম্বোজ কৈকেয় কোশল সৃঞ্জয়
যদু মৎস্য কুৰু বলে।
পৃথিবীৰ যত নৃপতি সমস্ত
চলে চতুৰঙ্গ দলে ॥ ৬৬৩
ঋত্বিজ সদস্য আচার্য্য সকল
আগ কৰি যজমান।
বেদধ্বনি কৰি চলন্ত হৰিষে
যতেক দ্বিজ প্ৰধান ॥
দেৱ ঋষি পিতৃ গন্ধৰ্ব্ব সকল
আকাশ পন্থে চলন্ত।
ব্ৰহ্মা প্ৰতি মুখে স্তুতি নতি কৰি
শিৰে পুষ্প বৰিষন্ত ॥ ৬৬৪
পৰম উৎসৱে চলে ঝুমা ঝুমি
অলঙ্কৃত নৰ-নাৰী।
কুসুম চন্দন গন্ধে বিভূষিত
অনেক সহস্ৰ শাৰি ॥
যতেক যুৱতী নাৰী লয় লাসে
চলয় মহা উৎসুকে।
নানা বিধ ৰসে কৰয় বিহাৰ
মনত মহা কৌতুকে ॥ ৬৬৫
হৰিদ্ৰা কুঙ্কুম তৈল ঘৃত ঘোল
দধি দুগ্ধ গন্ধ জলে।
মিশ্ৰ কৰি সৱে গাৱত ঘষয়
নৱনাৰী কৌতুহলে ॥
পুৰুষ সবক পুৰুষে সিঞ্চয়
নাৰীক সিঞ্চয় নাৰী।
অন্যো অন্যে মহা ৰস পৰিহাসে
হাসে আতি বিঙ্গপাৰি ॥ ৬৬৬
ৰাজভাৰ্য্যা মানে নানাবিধ যানে
চলয় আনন্দ মনে।
বহু বিধ কাছে চৌভিতি চলয়
অনেক পুৰুষ যানে ॥
কৃষ্ণৰ মহিষী চলন্ত সকলে
চড়ি দিব্য বিমানত।
ৰূপে দশো দিশ প্ৰকাশ কৰয়
দেৱী যেন আকাশত ॥ ৬৬৭
কুন্তী সত্যবতী দ্ৰৌপদী প্ৰমুখ্যে
নাৰী কুৰু পাণ্ডৱৰ।
অনেক বিহাৰ কৰি কৌতুহলে
চলি যান্ত নিৰন্তৰ ॥
সুৱৰ্ণ ৰথত চড়িয়া উৎসুকে
ৰাজেশ্বৰ যুধিষ্ঠিৰ।
লক্ষেক নৃপতি চলয় যোগানে
পাইলা গৈয়া গঙ্গাতীৰ ॥ ৬৬৮
পাণ্ডৱ ৰাজাৰ বঢ়ায়া উৎসৱ
ভগৱন্ত নাৰায়ণে।
মহা পৰিচ্ছদে ৰাজাক আৰৱি
চলি যান্ত বঙ্গ মনে ॥
মহা মহোৎসৱ মিলিল অনেক
আনন্দৰ নাহি পাৰ।
শুনা বিপৰীত গঙ্গাৰ তীৰত
কৰিলা যেন বিহাৰ ॥ ৬৬৯

———

ছবি।

অনেক সহস্ৰ নাৰী ঘুলি বান্তি শাৰি শাৰি
গঙ্গাকুল সমস্তে ব্যাপিল।
পৰম আনন্দে গৈয়া সুৱৰ্ণৰ মোট লইয়া
মোট খেড়ি খেলাইতে লাগিল ॥
ৰত্নময় অলঙ্কাৰে কিৰীটি কুণ্ডল হাৰে
সৱাৰে প্ৰকাশে অঙ্গচয়।
কুঙ্কুমে ৰঞ্জয় মুখ দেখন্তে নয়ন সুখ
মুনি মন কটাক্ষে মোহয় ॥ ৬৭০
পৰিধান মনোহৰ দিব্য বস্ত্ৰ কুচিকৰ
মোট জলে সকলে তিন্তিল।
কৰন্তে পৰম ৰঙ্গ সৱাৰে বেকত অঙ্গ
বস্ত্ৰ মানে গাৱতে মিলিল ॥
উৎসুকে মেলান চুল খসি খসি পড়ে ফুল
হাস্যে মন মোহে মদনৰ।
দেখি উৰু মধ্য কুচ কাম বাণে গৈল মুচ
মলমতি মুগুধ পামৰ ॥ ৬৭১
হৰিদ্ৰা গোৰস তৈলে সুগন্ধ চন্দন জলে
মোট ভৰি লৈয়া নাৰীগণ।
যতেক দেৱৰগণ লঘু সম্বন্ধীয়া জন
সৱাহাঙ্কে কৰন্ত সেচন ॥
কুন্তী সত্যবতী আদি নাৰী কুৰু পাণ্ডৱৰ
কৃষ্ণৰ মহিষী যত মানে।

ৰাজভাৰ্য্যাগণ যত পুৰুষকো আনন্দত
বেঢ়ি মোট মাৰে নাকে কাণে ॥ ৬৭২
দুৰ্য্যোধন আদি কৰি দেৱৱসৱক আতি
মোটে জলা কলা কৰিলন্ত ।
গাৱত আছাৰে মোট দান্ততড়ে পাইয়া ছোট
দেখি হাসি হাসি কদর্থন্ত ॥
দধি মোট ভৰি লৈয়া ব্ৰাহ্মণসৱক গৈয়া
বেঢ়ি সৱে মোট মাৰে আসি ।
দধি ধৌত হুয়া দাৰি প্ৰকাশন্ত শাৰি শাৰি
দেখি নাৰীগণে তোলে হাসি ॥ ৬৭৩
সুগন্ধ চন্দন লৈই আনন্দে দ্রৌপদী গৈই
মোটিলা কৃষ্ণৰ চৰণত ।
কক্মিণীও যুধিষ্ঠিৰ নৃপতিক মোটিলন্ত
পৰম আনন্দ উৎসৱত ॥
অনন্তৰে সখীসৱে গঙ্গাৰ জলত গৈয়া
কৰিলন্ত অনেক বিহাৰ ।
শুনা নৃপ পৰীক্ষিত মহোৎসৱ বিপৰীত
অভিষেক পাণ্ডৱ ৰাজ্যৰ ॥ ৬৭৪

দুলড়ী ।

যত ৰাজাগণ ৰত্ন সিংহাসন
মাথাত ধৰি আছন্ত ।
তাহাৰ উপৰে ভাৰ্য্যা সমন্বিতে
যুধিষ্ঠিৰ প্ৰকাশন্ত ॥
লক্ষেক ৰাজাৰ উপৰে বসিয়া
দ্রৌপদী সহিতে দুই ।
ক্ৰিয়া সমে যেন কৰন্ত প্ৰকাশ
মহাযজ্ঞ ৰাজসূয় ॥ ৬৭৫
ব্ৰাহ্মণ সকলে পত্নী সংজ্ঞা নামে
কৰিলা যাগ বিশেষ ।
পূৰ্ণাহুতি দিয়া কৰিলন্ত সাঙ্গ
যজ্ঞৰ অঙ্গ নিশেষ ॥
ঋত্বিজ সকলে গঙ্গাৰ জলত
হুইয়া আনন্দিত চিত্ত ।
দ্রৌপদী সহিতে কৰাইলা ৰাজাক
মহাস্নান অৱভৃথ ॥ ৬৭৬
দুইহস্তৰ কেশ এক ঠাই কৰি
ধৰিয়া দ্বিজ সকলে ।
চাৰিও বেদৰ মহা মন্ত্ৰ পঢ়ি
অনেক তীৰ্থৰ জলে ॥
লক্ষেক নৃপতি গণৰ উপৰে
অভিষেক কৰিলন্ত ।
জম্বুদ্বীপ পতি পাতিয়া শিৰত
মহা ছত্ৰ ধৰিলন্ত ॥ ৬৭৭
সেহি সময়ত ভৈল মহোৎসৱ
পৃথিবী আকাশ ছানি ।
দেৱৰো দুন্দুভি নৱৰো দুন্দুভি
একত্ৰে কৰিল ধ্বনি ॥
দেৱ মনুষ্যৰ যতেক শবদ
দশো দিশ পুৰি বাৱে ।
অপেস্ৱৰা সবে নাচয় উৎসুকে
গন্ধৰ্ব্ব গায়নে গাৱে ॥ ৬৭৮
দেৱ ঋষি পিতৃ মনুষ্য সকলে
পৃথিবী আকাশে থাকি ।
ব্ৰহ্মা প্ৰীত মুখে পৰম উৎসবে
পুষ্প ৰৱিষিল ঢাকি ॥
ত্ৰৈলোক্যৰ মহা মহোৎসৱ ভৈল
আনন্দৰ নাহি পাৰ ।
পাণ্ডৱ ৰাজ্যৰ মহিমা বখানি
কৰন্ত জয় জোকাৰ ॥ ৬৭৯
জয় নমো কৃষ্ণ কৰুণা সাগৰ
যিটো দেৱতাৰ দেৱ ।
চৰণ পদ্মত কৰো কোটি শত
প্ৰণতি পূৰ্ব্বকে সেৱ ॥
কৰা কৃপা মোক মায়ায়ে ছাড়োক
দুঃখ হৌক উপশাম ।
সমাজিক লোক পাতক ছাড়োক
ডাকি বোলা ৰাম ৰাম ॥ ৬৮০

পদ ।

শুক নিগদতি শুনা নৃপতি প্ৰত্যেক ।
যেবে যুধিষ্ঠিৰ ভৈলা মহা অভিষেক ॥
সিবেলাত ত্ৰৈলোক্যত আনন্দ মিলিল ।
জয় জয় কৃষ্ণ ধ্বনি ব্ৰহ্মাণ্ড পূৰিল ॥ ৬৮১
মহা পাৰিছেদে ৰাজা প্ৰকাশ কৰিল ।
ত্ৰৈলোক্যৰ লক্ষ্মী যুধিষ্ঠিৰক ৰৱিল ॥
ছত্ৰ চামৰ ধ্বজ দণ্ড তুলি তুলি ।
কৰয় জোকাৰ জয় যুধিষ্ঠিৰ বুলি ॥ ৬৮২
পৰম সম্পত্তি আতি দেখন্তে অদ্ভুত ।
কোটি ইন্দ্ৰ সম প্ৰকাশন্ত কুন্তী সুত ॥

শ্ৰীমন্ত সুন্দৰ ধৰ্ম্মময় কলেৱৰ ।
ভৈল মহাৰাজ ৰাজেশ্বৰ নৃপৱৰ ॥ ৬৮৩
অনন্তৰে গঙ্গাৰ উঠিলা নিৰন্তৰ ।
পিন্ধিলন্ত মহা দিব্যবস্ত্ৰ মনোহৰ ॥
মহাৰাজ অলঙ্কাৰ কৰি পৰিধান ।
পাছে সমস্তকে কৰিলন্ত বহু মান ॥ ৬৮৪
ঋত্বিজ সদস্য আদি কৰি যত জন ।
সুহৃদ সোদৰ জ্ঞাতি বন্ধু ৰাজাগণ ॥
দিব্যবস্ত্ৰ অলঙ্কাৰ সমস্তকে দিল ।
স্নান অনন্তৰে উঠি সকলে পিন্ধিল ॥ ৬৮৫
সিবেলাত সমস্তকে দেখিয় শ্ৰীমন্ত ॥
নিৰন্তৰে নৰ দেৱ যেন প্ৰকাশন্ত ॥
মাথাত বন্দিৰ মণি কুণ্ডল কৰ্ণত ।
অমূল্য ৰতন হেমহাৰ হৃদয়ত ॥ ৬৮৬
কটিত কাঞ্চুলি গাৱে বিচিত্ৰ বসন ।
পিন্ধিল সুগন্ধ পুষ্প অগৰু চন্দন ॥
স্নান কৰি উঠি নিৰন্তৰে নাৰীগণ ।
কৰিলন্ত পৰিধান বস্ত্ৰ আভৰণ ॥ ৬৮৭
বেশ্যাক দিলন্ত পূৰ্ব্ব বস্ত্ৰ অলঙ্কাৰ ।
আছে তাসম্ভাৰ পাৰম্পৰ্য্য ব্যৱহাৰ ॥
নিৰন্তৰে নাৰীগণে কৰন্ত প্ৰকাশ ।
যেন দেৱীগণে কৰে স্বৰ্গত বিলাস ॥ ৬৮৮
চন্দ্ৰ সম জলে মুখ কুঙ্কুমে ৰঞ্জিত ।
নিৰিড় দশন চাৰু ঈষত হসিত ॥
কুটিল অলক পাণ্ডি কপোলে লম্বিত ।
কুণ্ডলৰ কান্তি গণ্ডস্থল সুমণ্ডিত ॥ ৬৮৯
কটিত প্ৰকাশ কৰে কনক মেখলা ।
কণ্ঠত প্ৰকাশে মণি মুকুতাৰ মালা ॥
কৰে সাতেসৰি হাৰ হিয়াত প্ৰকাশ ।
পিন্ধি শ্বেত নেত শাৰী কৰে লয়লাস ॥ ৬৯০
নয়নে কজ্জল জলে শিখত সিন্দূৰ ।
বাজে ৰুণ জুণ কৰি পাৱত নূপুৰ ॥
কৰে ৰঙ্গ ঢঙ্গ নিৰন্তৰে নাৰী নৰ ।
গঙ্গাতীৰ হস্তে পাছে গৈলা নিজঘৰ ॥ ৬৯১
অৱভৃথ অভিষেক স্নান সাঙ্গ কৰি ।
কৰিলা সৱাক পূজা নৃপতি সাদৰি ॥
পৰম বৈষ্ণৱ ৰাজা ধৰ্ম্মত তৎপৰ ।
পুনু পুনু পূজা কৰিলন্ত নৃপৱৰ ॥ ৬৯২
ঋত্বিজসৱক পুনু কৰিলা সম্মান ।
বহু ধন সুবর্ণ দক্ষিণা দিলা দান ॥
পৰমান্ন পঞ্চামৃত কৰাইলা ভোজন ।
পিন্ধাইলা পুষ্পৰ মালা অগৰু চন্দন ॥ ৬৯৩
দিব্যবস্ত্ৰ অলঙ্কাৰে শৰীৰ মণ্ডিল ।
বহু বিধ উপস্কৰ সুবর্ণৰ দিল ।
দেৱাসুৰ মনুষ্যক তৃপিতি কৰাইল ।
ত্ৰৈলোক্যৰ লোকে মহা আনন্দক পাইল ॥ ৬৯৪
অনন্তৰে আচাৰ্য্য ঋত্বিজ গুৰুজন ।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য যত শূদ্ৰগণ ॥
দেৱ ঋষি পিতৃ সিদ্ধ মুনি নিৰন্তৰ ।
দশদিগপাল আইল যত নৱেশ্বৰ ॥ ৬৯৫
যক্ষ ৰক্ষ গন্ধৰ্ব্ব চাৰণগণ যত ।
সমস্তে তৃপিতি আতি ভৈলন্ত যজ্ঞত ॥
মহাৰাজ ঋষিৰ হৰিৰ দাসৰ ।
দেখি তান মহা মহোদয় নিৰন্তৰ ॥ ৬৯৬
সাদৰ পূৰ্ব্বকে সবে অনুমতি লৈলা ।
স্বকি স্বকি থানে ব্ৰহ্মা আদি চলি গৈলা ॥
যজ্ঞক ৰাজাক আতি প্ৰশংসা কৰন্ত ।
নভৈলা তৃপিতি আতি অমৃত পিয়ান্ত ॥ ৬৯৭
ধন্য ধন্য ধৰ্ম্ম ৰাজা পাণ্ডুৰ তনয় ।
ধন্য ধন্য যজ্ঞ কৰিলন্ত মহাশয় ॥
যাহাৰ কৰ্ম্মত তুষ্ট ভৈল চৰাচৰ ।
এহিমতে প্ৰশংসিয়া গৈলা নিৰন্তৰ ॥ ৬৯৮
পৰম প্ৰেমত যুধিষ্ঠিৰ নৃপৱৰ ।
কৃষ্ণক ৰাখিলা মহা কৰিয়া কাতৰ ॥
সম্বন্ধি বান্ধৱ মহা সুহৃদ সকল ।
অনুৰাগে সৱাকে ৰাখিলা মহাবল ॥ ৬৯৯
নৃপতিৰ কাতৰ দেখিয়া ভগৱন্ত ।
পাণ্ডৱসৱৰ প্ৰীতি সাধি ৰহিলন্ত ॥
সাত্যকি প্ৰমুখ্যে যত যদুবীৰগণ ।
দ্বাৰকাক সৱাকো পঠাইলা নাৰায়ণ ॥ ৭০০
ভাৰ্য্যাগণ সমে নৃপতিৰ প্ৰীতি কৰি ।
কতিপয় মাস আছিলন্ত দেৱহৰি ॥
এহিমতে ধৰ্ম্মসুত নৃপতি তিলক ।
কৃষ্ণৰ প্ৰসাদে সুখে কৰিলা যজ্ঞক ॥ ৭০১
শুদ্ধন্তৰ মনোৰথ সাগৰ তৰিল ॥
চিন্তাজ্ৱৰ এড়াই মহা কৃতকৃত্য ভৈল ॥
শুকমুনি বোলন্ত শুনিয়ো নৃপৱৰ ।
কৃষ্ণৰ চৰণ সেৱা কৰে যিটো নৰ ॥ ৭০২
সংসাৰ তৰয়ন্তা তাৰ নাহিকে প্ৰয়াস ।
পৰম আনন্দে কৰে বৈকুণ্ঠত বাস ॥
ইহাকো অদ্ভুত নেদেখিবা কদাচিত ।
শুনিয়ো আশ্চৰ্য্য ইটো কথা বিপৰীত ॥ ৭০৩
মহা মহা পাপী যাৰ নাম লৈয়া তৰে ।
ব্ৰহ্মা হৰো যাহাৰ চৰণ সেৱা কৰে ॥

কোটি কোটি ব্রহ্মাণ্ডৰ ঈশ্বৰ মুৰাৰি।
মহামুনি সবো যাক নপাৱে বিচাৰি॥ ৭০৪
সনক সনন্দ আদি যাক ধ্যানে ধৰে!
হেন ভগৱন্তক পাণ্ডৱ নিৰন্তৰে॥
কৰিল অধীন ভকতিৰ বলে আনি।
পৰম আশ্চর্য্য ইসে জানা মহামানী॥ ৭০৫
প্রেম ভকতিত আতি আছে বশ্য কৰি।
যেহি বোলে পাণ্ডৱে কৰন্ত তাকে হৰি॥
হেনয় পাণ্ডৱে অখিলন্ত ৰাজসূয়।
জানা ইটো নৃপতি আশ্চর্য্য কথা হুই॥ ৭০৬
কৃষ্ণ পৰায়ণ সন্ত মহন্ত নৃপতি।
অপ্রয়াসে যজ্ঞ কৰিলন্ত মহামতি॥
পৰম তৃপিতি তাত ভৈল সর্ব্বজন।
একে মহা দুৰাশয় বিনে দুর্যোধন॥ ৭০৭
পাণ্ডৱসৱৰ মহাশ্রী বিপৰীত।
দেখি দুর্য্যোধনৰ আকুল কৰে চিত্ত॥
কুৰুকুল ব্যাধি দুর্য্যোধন পাপ মতি।
তাক নষ্ট কৰিবাক মনে যদুপতি॥ ৭০৮
পাণ্ডৱ ৰাজাৰ শ্রীক দেখিয়া প্রচুৰ।
প্রথমতে কলহৰ জন্মিলা অঙ্কুৰ॥
শুনি আতি আশ্চর্য্য বিস্ময় ভৈল চিত।
শুক মহামুনিত পুচিলা পৰীক্ষিত॥ ৭০৯
শুনিয়োক শুকদেৱ মুনি মহাশয়।
অজাত শত্রুৰ দেখি যজ্ঞ মহোদয়॥
আছিলন্ত পৃথিবীৰ ৰাজাগণ যত।
সমস্তৰে ভৈল মহা সন্তোষ মনত॥ ৭১০
দেৱাসুৰ মুনিগণ যতেক আছিল।
সবাৰো মনত মহাসন্তোষ মিলিল॥
দুর্য্যোধন ৰাজৰ নভৈল ৰঙ্গ তাত।
কহিয়োক গুরু আৰ কাৰণ সাক্ষাত॥ ৭১১
যতেক কহিলা কথা অমৃত সমান।
কর্ণাঞ্জলি ভৰি সুখে কৰিলোহো পান॥
তোহ্মাৰ মুখৰ কথা শুনিলো বিস্ময়।
ছেদিয়োক মুনি মোৰ মনৰ সংশয়॥ ৭১২
শুনি শুকে দিলা পৰীক্ষিতক উত্তৰ।
শুনা দুর্য্যোধনৰ দুর্ণয় নৃপবৰ॥
কৰি আছে সভা ময়দানৱে নির্ম্মাণ।
দীর্ঘে প্রস্থে জুৰি ছয় দণ্ডৰ প্রমাণ॥ ৭১৩
কৰয় প্রকাশ দিব্য সভা মনোহৰ।
নিজ কান্তি কৰে নিন্দা জ্যোতি আদিত্যৰ॥
উপৰত আছে দিব্য গৃহ জ্যোতি কৰি।
যেন সহাম্বেৰ খণ্ড আকাশ আবৰি॥ ৭১৪
মণি ৰত্নময় গঢ় প্রাঞ্চি সুবিশেষ।
বিচিত্র উত্তম দ্রব্য সম্পূর্ণ অশেষ॥
নানা বহু ধন ৰত্ন সমে প্রকাশয়।
কৰিল অনেক চিত্রমতি সন্তময়॥ ৭১৫
ব্রহ্মাৰ উত্তম সভা সুধর্ম্মা কৃষ্ণৰ।
সিয়ো সম হুহিকে সভাক পাণ্ডৱৰ॥
বহুবিধ চিত্র আতি কৰিল বিস্তৰ।
মনোহৰ বিচিত্র নির্ম্মল সবোৰৰ॥ ৭১৬
সুবর্ণৰ কমল প্রকাশে অসংখ্যাত।
মণিময় ৰত্ননাল বৈদূর্য্যৰ পাত॥
কাঞ্চন উৎপল ফুলি আছে বহুতৰ।
হেমময় পক্ষী ৰাৱ কাঢ়ে নিৰন্তৰ॥ ৭১৭
ৰত্ন মৎস্য কশ্যপ ফুৰয় চৰি চৰি।
চিত্রময় ঘাট ফটিকৰ খাত খৰি॥
মহামণি শিলা কৰে পাৰত প্রকাশ।
সুৰভী শীতল মন্দ বহয় বতাস॥ ৭১৮
নানাবিধ ৰত্নময় বৃক্ষ অসংখ্যাত।
পুষ্পিত কাননচয় শোভা কৰে তাত॥
পুষ্পৰস পিয়া কৰে ভ্রমৰে উড়ার।
ইন্দ্র নীল ৰত্নৰ কোকিলে তেজে ৰাৱ॥ ৭১৯
উড়ে জাকে জাকে সুবর্ণৰ চিত্র পক্ষী।
তেজে সুললিত ৰাৱ ফল ফুল ভক্ষি॥
বিচিত্র নির্ম্মল জলে পুথুৰি বিশেষ।
হংস চক্রবাক জাক সৰালি আশেষ॥ ৭২০
নানা বিধ জল থল জলে ৰত্নময়।
সর্ব্বকালে সুৰভী শীতল গন্ধ বয়॥
বতাসে যোগায়ে বহুবিধ পুষ্প গন্ধ।
পৰম আমোদে মন কৰয় আনন্দ॥ ৭২১
মায়া বলে ময়ে চিত্র কৰিল সকল।
খাল বাম তাত নাকলিয় জল থল॥
মহা মনোহৰ সর্ব্বোত্তম নিরুপম।
সিটো দিব্য সভাক জগতে নাহি সম॥ ৭২২
কমনে বর্ণাই অন্ত কৰিব সভাক॥
বিশ্বসৃজ ময়ে সাজি আছয় যাহাক॥
সভাৰ মহিমা ৰাজা কহন নাযাই।
তিনিও লোকত উপমাক নাহি ঠাই॥ ৭২৩
তাৰ মাজে দুর্য্যোধন দিনেক পশিল।
অন্তঃপুৰে পাণ্ডৱৰ সম্পত্তি দেখিল॥
ৰাজসূয় মহোদয় দেখি বিপৰীত।
একে তাৰ দগধ কৰণে আছে চিত্ত॥ ৭২৪
আৰো অন্তঃপুৰে গৈয়া বিভব দেখিল।
হৃদয়ৰ মাজে মহা অগনি জ্বলিল॥

যুধিষ্ঠিৰ ৰাজাৰ সম্পত্তি যেন মত।
কোনে কহিবাক পাৰে তাহাৰ মহত্ত্ব॥ ৭২৫
নৰেন্দ্র সৱৰ শ্রী আছে যত যত।
সুৰেন্দ্র সৱৰ আছে যতেক স্বর্গত॥
দৈত্যেন্দ্র সৱৰ লক্ষ্মী আছে যতনান।
পাণ্ডৱ ৰাজাৰ ঘৰে সৱে বিদ্যমান॥ ৭২৬
দিকপাল সবে সব দিলন্ত যজ্ঞত।
যাৰ যেন বিভব আছিল যেন মত॥
প্রকাশ কৰন্ত লক্ষ্মী বহুবিধ ভাৱে।
দেখি দুর্য্যোধনৰ অগনি জ্বলে গাৱে॥ ৭২৭
দ্রুপদ নন্দিনী মহাসতী পতিব্রতা।
পৰমা সুন্দৰী সুচৰিতা সুবনিতা॥
অনেক সম্পত্তি সমে স্বামীক সেৱন্ত।
স্বর্গত ইন্দ্রক যেন শচী উপাসন্ত॥ ৭২৮
সহস্র সংখ্যাত দাসী সমান সুন্দৰী।
সবে সালঙ্কৃতা নানা উপয়ন ধৰি॥
দ্রৌপদীৰ সঙ্গে নৃপতিক উপাসয়।
যেন শচী সমে শোভে অপেস্বৰী চয়॥ ৭২৯
কৃষ্ণৰ মহিষীগণ ষোড়শ হাজাৰ।
নৃপতিৰ অন্তঃপুৰে কৰন্ত বিহাৰ॥
ৰত্নময় অলঙ্কাৰে কৰন্ত প্রকাশ।
শৰীৰৰ কান্তি আতি শোভে দিশ পাশ॥ ৭৩০
শ্রোণীভৰে সমস্তৰে শিথিল গমন।
সুৱর্ণ মঞ্জীৰ পাৱে জনকে সঘন॥
কুঙ্কুমে অৰুণ মুখ পদ্ম আছে ৰঞ্জি।
কৰয় প্রকাশ পূর্ণ চন্দ্রমাকো গঞ্জি॥ ৭৩১
কপোলে চঞ্চল চাৰু অলক সুহাই।
পদ্মমধু পিয়া যেন ভ্রমৰে উড়াই॥
প্রকাশৰ গণ্ডমণি কর্ণৰ কুণ্ডলে।
হৃদয় মধ্যত ৰত্নময় মালা জলে॥ ৭৩২
উন্নত কঠিন পীন ঘন স্তন ভাৰ।
কুচৰ কুঙ্কুমে আৱকত হেমহাৰ॥
বতাসে হালয় চাৰু ক্ষীণ মধ্যদেশ।
পৰিধান কচিকৰ বসন বিশেষ॥ ৭৩৩
নাহি ৰূপে সম নিরুপম নাৰীগণ।
কটাক্ষতে মোহে মুনি সমস্তৰ মন॥
দুর্য্যোধনে সমস্তকে দেখিল সাক্ষাত॥
পৰম বিস্ময় মন কৰে উতপাত॥ ৭৩৪
কৃষ্ণৰ প্রসাদে ৰাজা কৰি ৰাজসূয়।
আনন্দে আছন্ত আতি কৃতকৃত্য হুই॥
ৰত্নময় সিংহাসনে কৰন্ত প্রকাশ।
স্বর্গত কৰন্ত যেন মহেন্দ্র বিলাস॥ ৭৩৫
ধর্ম্মময় সুন্দৰ নির্ম্মল কলেৱৰ।
মহাৰাজ অলঙ্কাৰে জ্বলে নিৰন্তৰ॥
কিৰীটি কুণ্ডল হেমহাৰ মনোহৰ।
কেয়ূৰ কঙ্কণ কাঞ্চি নূপুৰ পাৱৰ॥ ৭৩৬
ধৰি আছে শ্বেতছত্র শিৰৰ উপৰে।
পাঞ্চৱত উপাসয় ধৱল চামৰে॥
সুহৃদ সোদৰ বন্ধু আছয় আৱৰি।
উপাসি আছন্ত নিজ চক্ষু দেৱ হৰি॥ ৭৩৭
কুলগুরু ধৌম্য বসি আছন্ত আগত।
উপাসন্তে আছে পাত্র মন্ত্রী ৰাজা যত॥
ধ্বজ দণ্ড গার্হ্মল ৰোম্বল যত মান।
ধৰিয়াছে বহুবিধ অনেক যোগান॥ ৭৩৮
নটে ভাটে কৰে বহু ভাৱে তুতি নতি।
ব্রহ্মাৰ সম্পত্তি মুক্ত হুইয়া মহামতি॥
দিব্য পাৰিচ্ছেদে বসি আছা মহাশয়॥
শ্রীমন্ত শৰীৰ চন্দ্র সম প্রকাশয়॥ ৭৩৯
হেন বিপৰীত শ্রীক দেখি দুর্য্যোধন।
ভৈল আতি তৰধ দগধ কৰে মন॥
সেহি সময়ত মাধৱৰ ভার্য্যাগণে।
মায়াময় চিত্র সভা চাহিবাক মনে॥ ৭৪০
যুধিষ্ঠিৰ নৃপতিত লৈয়া অনুমতি।
চলিলন্ত সৱে সভা চাহিবাক প্রতি॥
ত্রৈলোক্য মোহিনী এক একৈ ৰৱবালা।
চলে লয়লাসে যেন পূর্ণ শশী কলা॥ ৭৪১
কৰ্ম্মিণী প্রমুখ্যে নাৰীগণ অপর্য্যন্ত।
পৰম কৌতুকে সভা চাহিয়া ফুৰন্ত॥
দ্রৌপদী প্রমুখ্যে কুরু পাণ্ডৱৰ নাৰী।
ৰঙ্গে ঢঙ্গে সভা চাহি ফুৰে শাৰি শাৰি॥ ৭৪২
নৃপতিত অনুমতি লৈয়া দুর্য্যোধন।
সভা চাহি ফুৰে ৰঙ্গে লৈয়া ভাতৃগণ॥
ময় মায়া জানি ভীমসেন মহাভাগ।
দুর্য্যোধন নৃপতিক কৰিলন্ত আগ॥ ৭৪৩
নানা চিত্র বিচিত্রময়ৰ মায়া বাজী।
নির্ম্মল ফটিকে দ্বাৰচয় আছে সাজি॥
দ্বাৰ অদ্বাৰ তাত একোৱে নজানি।
দ্বাৰ বুলি গৈয়া দুর্য্যোধন মহামানী॥ ৭৪৪
হানিলেক মুণ্ড সিটো দুৱাৰ নাকলি।
দেখি ভীমে হাসি তুলিলন্ত খলখলি॥
অযুত হস্তীৰ বলে চলে মহাৰায়।
সৱাৰো আগত ৰঙ্গে ফুৰে সভা চাই॥ ৭৪৫
দুৱাৰত মুণ্ড হানি পাইল মহা চোট।
কপালৰ মাজত বান্ধিল বড় গোট॥

ভীমৰ হাসিত আতি ভৈল মহা লাজ।
বোলে দুর্য্যোধনে মনে কি মোৰ অকাজ ॥ ৭৪৬
পাছে দ্বাৰী সকলে দুৱাৰ মেলি দিল।
পুনৰপি আৰো এক অকার্য্যে ঠেকিল ॥
ময়ৰ ৰচনা ইটো আতি অনুপাম।
বাৰক দেখিয় খাল খালক যে বাম ॥ ৭৪৭
খালত পড়িবে যাই নাকলিয়া তাক।
দেখি পহৰীয়া লোকে দিল গৈয়া হাক।
তহিতো লাজিল দুর্য্যোধন মহাৰায়।
ৰঙ্গে লোকে হাসে যেন পাৰ নচুৱাই ॥ ৭৪৮
ময় মায়া চিত্রে আতি মনক হৰয়।
লাজ কাজ এৰি তাক চাহিয়া ফুৰয় ॥
অনন্তৰে গৈয়া দেখিলেক একস্থল।
সাক্ষাতে খেলাৱে ঢৌ দেখি যেন জল ॥ ৭৪৯
আগে গৈয়া দুর্য্যোধন হাতে বস্ত্র তুলি।
কৰে চাপে চুপনি চলয় জল বুলি ॥
স্থলকে বুলিয়া জল লাজিলা নৃপতি।
দেখি কন্যাগণে হাসি কৰন্ত বিগুতি ॥ ৭৫০
পুনৰপি তৈৰপৰা গৈয়া মহাবল।
দেখিলেক সাক্ষাতে জলক যেন থল ॥
ময় বিশ্বকর্ম্মাৰ ৰচনা বিপৰীত।
জল বুলি তাক নাকলিল কদাচিত ॥ ৭৫১
কাপৱে ছোপৱে গৈয়া পৰি তল গৈল।
দেখি সর্ব্বজনে বেঢ়ি হাসিবাক লৈল ॥
কক্মিণী দ্রৌপদী আদি যতেক সুন্দৰী।
চাপৰি বজাইয়া সৱে হাসে ৰঙ্গকৰি ॥ ৭৫২
দেৱৰ সম্বন্ধে পৰিহাস কৰি মাতি।
বাউল ভৈল বুলি সৱে কদর্থন্ত আতি ॥
হাসি তুলি ভীমসেনে বজাস্ত চাপৰি।
নৃপতিক কদর্থন্ত উপালম্ভ কৰি ॥ ৭৫৩
আনো ৰাজাগণে হাসে চতুর্ভিতে বেঢ়ি।
শুনিলন্ত যুধিষ্ঠিৰে ৰিঙ্গ যত গেড়ি ॥
পাত্রত পুছিয়া জানিলন্ত মহাৰাজ।
দুর্য্যোধন ৰাজা পৰি আছে জল মাজ ॥ ৭৫৪
অকার্য্য মিলিল বুলি গৈলন্ত লৱৰি।
তিতি বুৰি দুর্য্যোধন আছে জলে পড়ি ॥
চতুর্ভিতি বেঢ়ি সৱে হাসন্তে আছয়।
দেখিয়া সৱাকো নিষেধন্ত মহাশয় ॥ ৭৫৫
মাধৱে ঠাৰন্ত চক্ষু হাসিবাক প্রতি।
দেখি হাসি হাসি সৱে মাৰয় বিগুতি ॥
মৰণ সমান ভৈল লাজে দুর্য্যোধন।
আছে অধোমুখে ক্রোধানলে দহে মন ॥ ৭৫৬

ভীমৰ হাসিত যেন মৰিল সমূলি।
যেন লাজে কাহাকো নচাৱে মাথা তুলি ॥
স্ত্রী সমস্তৰো সিটো শুনি পৰিহাস।
জানুত লগাই মাথা দেন্ত যেন জাস ॥ ৭৫৭
মধুৰ বচনে যুধিষ্ঠিৰে আশ্বাসিল।
সলাইবাক লাগি ভাণ্ডাৰৰ বস্ত্র দিল ॥
দিব্য অলঙ্কাৰে তাৰ শৰীৰ মণ্ডিল।
বহুবিধ ভাৱে নৃপবৰে সাদৰিল ॥ ৭৫৮
অনেক প্রকাৰ প্রবোধিলা মহাৰথ।
তথাপিটো তাৰ আৰ চিত্ত নুহি স্বস্থ ॥
মৃত্যু কালে ব্যাধি যেন ঔষধ নমানে।
বাঢ়ে যেন বিষ ভুজঙ্গৰ দুগ্ধ পানে ॥ ৭৫৯
সেহিমতে নৃপবৰে বৰ লাজ পাই।
কষ্ট মাত্র বাঢ়য় চিত্তৰ শান্তি নাই ॥
অধিকে জ্বলয় ক্রোধানল হৃদয়ত।
মহামানী হুইয়া লঘু ভৈলো হেন মত ॥ ৭৬০
নাহিক বিপক্ষ মোৰ ভীমৰ সমান।
হেন ভীমে মোক হাসিলেক বিদ্যমান ॥
শত্রুৰ আগত লঘু ভৈলোঁ বিপৰীত।
ইসি অপমানত দগধ কৰে চিত্ত ॥ ৭৬১
স্ত্রীও হাসিলেক মোক জীওঁ আক কিক।
মহামানী হুইয়া ভৈলো স্ত্রীতো অধিক ॥
আতপৰে লঘু আৰ হৈবাক নৱৈল।
গুণি মনে হস্তীনাপুৰক চলি গৈল ॥ ৭৬২
শুনা সভাসদ মহা ভাগৱত পদ।
দূৰ হৌক ভৱ ৰোগ পৰম আপদ ॥
জনম মৰণ দুঃখ সুমৰিও মনে।
জানি এক চিত্তে ভজা কৃষ্ণৰ চৰণে ॥ ৭৬৩
মহাধর্ম্ম শিৰোমণি কৃষ্ণৰ চৰিত।
ভৱ ৰোগ বিনাশন পৰম অমৃত ॥
কর্ণ ভৰি পিয়া কৰা দুখ উপশাম।
পাপৰ নির্য্যাণ হোক বোলা ৰাম ৰাম ॥ ৭৬৪

ছবি।

মান ভঙ্গে দুর্য্যোধন লঘু হুয়া মনে মন
হস্তিনাপুৰক যেৱে গৈল।
মহাৰাজা যুধিষ্ঠিৰ গহীন গম্ভীৰ ধীৰ
মনে কিছু অসন্তোষ ভৈল ॥
হাহাকাৰ সমজ্যাত ভৈলা মহাজন যত
গুণন্ত মনত অৱগাই।

দুৰাশয়ে দুর্য্যোধনে মান ভঙ্গে কষ্ট মনে
গৈল আত কি মিলে উপাই ॥ ৭৬৭
মনে গুণি ভগৱন্ত মৌন হুয়া ৰহিলন্ত
বোলন্ত হৰিবো ভূমি ভাৰ।
ইটো কুরু পাণ্ডৱৰ লগায়া কন্দল ঘোৰ
কৌৱৰক কৰিবো সংহাৰ ॥
সিকাৱণে যদুৰায় নিজমায়া দৰশায়
দুর্য্যোধন ৰাজাক মোহিলা।
ময়ৰ মায়াক হৰি নিমিত মাত্রসে ধৰি
বিবাদৰ বীজ নিকপিলা ॥ ৭৬৮
ভীমাদিৰ হাস্য প্রভু মহামানী নৃপতিৰ
পৰাভৱ কৰিয়া বিধান।
মনত মানিলা হেন এবেসে ভূমিৰ ভাৰ
সাৱশেষে কৰিবো নির্য্যাণ ॥
এহি বুলি দেৱ হৰি মনত আনন্দ কৰি
মৌন হুয়া নমাতি ৰহিলা।
পাণ্ডৱৰ প্রীতি সাধি আছি কতিপয় দিন
দ্বাৰকাপুৰক চলি গৈলা ॥ ৭৬৯
কৃষ্ণৰ প্রসাদে আতি যুধিষ্ঠিৰ মহামতি
কৰি যজ্ঞ ৰাজ ৰাজসূয়।
ভৈলা জম্বুদ্বীপ পতি ভাতৃগণ সমন্বিতি
ৰহিলন্ত কৃত্য কৃত্য হুই ॥
শুক নিগদতি ৰাজা আমাত পুচিলা যেন
সাৱশেষ কহিলো তোমাত।
ৰাজসূয় যজ্ঞ হেতু দুর্য্যোধন দুর্ম্মতিৰ
ভৈল যেন দুর্জ্জয় সাক্ষাত ॥ ৭৭০
যজ্ঞৰ আদিত মন্দ বধি ৰাজা জৰাসন্ধ
যজ্ঞ মধ্যে বধি শিশুপাল।
দুর্য্যোধন মান ভঙ্গ কৰিয়া যজ্ঞৰ অন্তে
যজ্ঞ সাঙ্গ কৰিলা গোপাল ॥
কৃষ্ণৰ চৰিত্র ইটো কৰয় কীর্ত্তন বিটো
যিবা জনে শুনে একমনে।
সমস্তে পাপতে শুদ্ধি হৈবেক ভকতি তাৰ
বাঢ়িবেক কৃষ্ণৰ চৰণে ॥ ৭৭১
ইহলোক ভোগ ভুঞ্জি পৰলোক গৈয়া মোক্ষ
পাইবে সিটো নৰ মহামতি।
পাণ্ডৱৰ ৰাজসূয় যজ্ঞৰ অমৃত কথা
এহিমানে ভৈল সমাপতি ॥
নমো নমো নাৰায়ণ নৰৰূপী নিৰঞ্জন
দৈৱকী নন্দন নাম য়াৰ।
যতেক অনর্থ মূল বধিয়া দানৱ কুল
পৃথিবীৰ সংহাৰিলা ভাৰ ॥ ৭৭২
নজানো ভকতি নতি কেৱলে প্রণামো মাত্র
আতে প্রভু হুয়োক সন্তোষ।
মহা মূঢ়মতি হুয়া বিৰচিলো তযু গুণ
ক্ষেমা কৰা তুতা যত দোষ ॥ ৭৭৩
বাহিৰে ভিতৰে তুমি গুরু অন্তর্য্যামী ৰূপে
যেন প্রৱর্ত্তাইলা মহামতি।
সেহি অনুৰূপে তযু গুণ দোষ নিবন্ধিলো
তযু পদে কৰিয়া মিনতি ॥
তুমি পৰমাত্মা নিজ সুহৃদ্ ঈশ্বৰ দেৱ
গতি মোৰ তযু গুণ নাম।
তোমাৰ অভয় পদ পঙ্কজে শৰণ লৈলো
মায়া মোৰ কৰা উপশাম ॥ ৭৭৪

(সমাপ্ত)

অর্জ্জুন-ভঞ্জন

শ্রীকৃষ্ণায় নমঃ।

শ্লোক।

বালায় নীলবপুষে তনুকিঙ্কিণীক
ধ্বনাভিরামজঘনায় দিগম্বরায়।
শার্দ্দূলদিব্যনখভূষণভূষিতায়
নন্দাত্মজায় নবনীতভুজে নমস্তে॥

অপিচ।

যো লোকভাবোদ্ধরণায় চক্রী চক্রেরতাবাং
বসুদেব-গেহে।
গোপীজনানন্দকরো মুকুন্দঃ পায়াৎ সবোযাদব-
রাজসিংহঃ॥

সূত্র—হে সামাজিক লোক! যে চরাচর গুরু নারায়ণ সর্ব্বলোক হিত কারণে নন্দক মন্দিরে বেকত হয়াকহু কপট গোপবেশে পরম মঙ্গলরূপ নানান রস খেলনা করকহু যশোরাক মন সন্তোষিয়ে যৈচন ক্রীড়া কয়ল তা দেখহ শুনহ, নিরন্তরে হরিবোল হরি।

গীত—সিন্ধুরা—একতাল।

ধ্রুং।

আরে বালক রাণু করো পয়োসার।
সঙ্গে যশোরা মাই করত বিহার॥

পদ।

ত্রিভুবন মোহন মুকুতি সুবেশ।
শ্যাম ধাম নীল কুঞ্চিত কেশ॥
আধকত বয়নে বয়নে রুচি হাস।
আয়ত নয়ন পঙ্কজ পরকাশ॥
করযুগ কঙ্কণ কেয়ূর রঞ্জে।
পঙ্কজ চরণ ভকত ভয় ভঞ্জে॥
মণিময় মঞ্জির কনু ঝুনু বোল।
রূপে মদন মোহে মাধরে বোল॥

সূত্র—ঐচন প্রবেশ কয় শ্রীকৃষ্ণ একপাশ হুয়া রহল। তদনন্তর এক দিবসে যশোদা নানা গৃহকামে দাসীসবক নিয়োযিয়া যৈচে আপুনে দধি মথিতে লাগল তাহে দেখহ শুনহ।

যশোদা—আহে গোপীসব! তোরা কৈচন দধি মথন করহ! ওহি দধিক কলসে পুরুষক সমানে লরণু কৈচে নাহি পারত। তোরাসবক গারে কি বল নাহি। অরহেলা করিয়ে দধি মথিয়ে সর লরণু টুটারল। তুহুসব আন কৃত্য করহ। আজু হামু আপুনে দধি মথন করব। যদি অধিক লরণু পাঞো তবে তোরাসবক যে জানো তা করব।

সূত্র—ওহি বুলি যশোদা দিব্যবস্ত্র অলঙ্কার পরিধান করিয়ে মালতী আদি নানা সুরভি কেশ বেশ বর্ণিয়ে নবিন কুঙ্কুমে কুচ যুগ মণ্ডিয়ে কজ্জলে নয়ন দুহু রঞ্জিয়ে কর্পূর তাম্বুল ভুঞ্জিয়ে যৈচে দধি মথিতে লাগল তাহে দেখহ শুনহ; নিরন্তরে হরি বোল হরি।

গীত—বড়ারি—পরিতাল জতি।

ধ্রুং।

মথন মথে যশোমতি মাই।
হরিগুণ গারত বয়নে মিলাই॥

পদ।

কঙ্কণ হার কুণ্ডলে গণ্ড লোলে।
চরণ মাঝে মণি মঞ্জির রোলে॥
মনোহর ক্ষৌম বসন পরিধানে।
কম্পয়ে কুচ যুগ রজ্জু সন্ধানে॥
উচল খোপা কুসুমে রঞ্জি কেশ।
কজ্জলে নয়ন উজ্জল করু বেশ॥
আগহি নিজ তনয়ক পেখি।
রূপ বিনারত নয়নে নিরেখি॥

সূত্র—সোহি সময়ে শ্রীকৃষ্ণ যশোরাকু আপু কৌতুকে নানা খেলনা কয় থিক। যশোরা আপুন বালক আগে

দেখিয়ে কৃষ্ণক নির্ম্মল বদন পঙ্কজ নিরেখিয়ে কৃষ্ণক সুকোমল লীলা সুন্দর রূপ মনোহর হাস্য লাস্য বিনোদ বর্ণারত।

যশোদা—হে বাপু কৃষ্ণ! তোহো হামারি কোটি পুরুষক পরম দেরতা, মাথাক মুকুট, শিরর ভূষণ, গলার সাতসরি, কর্ণর কুণ্ডল, করর কঙ্কণ। আহে বাপু! তোহারি অরুণ অধরক বালাই লঞো। মধুর হাস্তে রহয়া যাঞো। বাতুল চরণক হুয়া মরিয়া যাঞো। ভালারে, নয়না কিনা মধুর মূরতি। ভালারে খেলনা বাপু! তোর অতি শিশুকালে পুতনা শুরিলা, চরণক আগু শকট উচাটন করল। চক্রবাতক প্রাণ লেলহু। রহু শিশুভাব করিয়ে হামাক রহুত আনন্দ করায়য় থিক।

সূত্র—যশোরা ওহি পরকারে কৃষ্ণ গুণ বর্ণাইতে দধিমথনক শ্রম জানয়ে নাহি। শ্রীকৃষ্ণ মারক শ্রম দেখিয়ে মনে বোলয়ে লাগল।

শ্রীকৃষ্ণ—হামু পরম ঈশ্বর লক্ষ্মীক নায়ক। ইহারি গৃহে বন্ধ হুয়া রহিছি। হামু জীরক পরম দুর্ল্লভ। হামাকু পাই মণপূরণ নাহি ভেল। বস্তুক বাঞ্ছা নাহি টুটত। হামার ভকতা গোপীকা সরক কোপ করিয়ে লরণু অধিক করিতে গোপীসরক দণ্ড করিতে অত যে শ্রম করিতে লাগল। ইহার আর লরণু তুলিতে নাহি দেরব।

পদ।

মারক শ্রম দেখিয়ে তুলি হাসি।
মথন দণ্ডে ধরল হরি আসি॥
তেজল মথন যশোমতি মাই।
মাধর দীন মুকখমতি গাই॥

সূত্র—শ্রীকৃষ্ণ ওহি বোলি হাসি হাসি মারক নিকট চাপিয়ে মাথনিদণ্ড ধরিয়ে রহল। তাহে পেখি যশোদা বোলল।

যশোদা—আহে পুতা শ্রীকৃষ্ণ, লরণু তোলিতে সময় ভেল। পাক জুরাইলে লরণু নাহি পারব। তুহু মথনদণ্ড ছোড়হ।

শ্রীকৃষ্ণ—(হাসি) হে মাই তোহারি তন পান করিতে রহুত ইচ্ছা আছে। হামাকু পান করার। হামু তনপান করিয়ে খেলানে চলব। তুহু অনন্তরে লরনু তোলব।

সূত্র—শ্রীকৃষ্ণ নিরন্ধ দেখিয়ে যশোদা বোল।

যশোদা—ওহি চণ্ড বালক পয়োধর নাপায়া অর ছোড়ব নাহি। ইহাক তনপান করায়ে পঠাঞো।

সূত্র—ওহি বোলি যশোদা হাসিয়ে কৃষ্ণক কোলে তুলিয়ে বদনে চুম্বন দিয়ে আনন্দে তনপান করারত। শ্রীকৃষ্ণ পরম সন্তোষে মারক পান করয়ে লাগল। সোহি সময়ে গোপী সরে যশোদাক ডাকি বোল।

গোপী—হে মাই যশোদা! ঘোসি দিয়ে থালি ভরিয়ে যে খির থৈয়াছ সে উতলি পড়য়। তুহো রাখো গিয়া। হামুসর অর ঘর নাহি যাই। সত্বর আর।

সূত্র—তাহে শুনিয়ে যশোদা বোল।

যশোদা—হে পুতা, গোরালী সরে ডাকয়। ঘোসিক খির উথলি পড়য়। হামু তাহেক রাখো গিয়া। তুহু তনপান ছোড়হ।

সূত্র—যশোরাক বোলে শ্রীকৃষ্ণ তন পান নাহি ছোড়ত; পেখিয়া যশোদা রোকপে কোলহস্তে মাটীত থেকচাই থৈয়া লরড়ি খির রাখিতে গেল। তথি গিয়া খির উতারি থঞো বুলি তথি রহল। শ্রীকৃষ্ণ মারক ভার দেখিয়ে বোল।

শ্রীকৃষ্ণ—হামু কোটি কোটি ব্রহ্মাণ্ডক নায়ক। ব্রহ্মাদি-দেরক পরম দেরতা। হামাকু মহা মহা যজ্ঞে সন্তোষ করাইতে নাহি পারত। সে হামু নিজগুণে ভকতক বশ্য হুয়া, ভকতসরে শ্রদ্ধায়ে যে বস্তু হামাকু দান করত তাহেক হামু পরম সন্তোষে হামার উদরবর্ত্তি ব্রহ্মাণ্ডসরক শুদ্ধ বস্তুয়ে পরিত্র হোক বুলিয়ে ভোজন করোহো। অভক্তসরে যে বস্তু দেরত তাহেক মাত্র ভোজন করোহো কিন্তু ভকতক কৃপায়ে চৌরি করি কহো ভকতক বস্তু স্বীকার করহু। দেখু সে হামাক ওহি সাহঙ্কারী নিদারুণী গোরারী সামান্য শিশু বুলিয়ে স্তনপান ছোড়ায়া মাটিত আছাড়ি পেলাই খির রাখিতে গেল। হামাতো করিয়ে কড়া দুইক খির অধিক মানল। তাহেক হানী হইতে গার নাহি সহল। পেখো আজু হামো হানী করিতে পারো কি নাহি পারো তাহেক পেখোক।

সূত্র—ওহি বোলি শ্রীকৃষ্ণ কোপে পটাপুত্র হানিয়ে মথনি মাঠি ভাঙ্গিয়ে দধিসর নাশিয়ে খোপি পশিয়ে বানরসর সহিতে যৈচে লরনু ভোজন করত তা দেখহ শুনহ নিরন্তরে হরি বোল হরি।

গীত—গৌরী—পরিতাল জতি।

ধ্রুং।

তনপান বিনে রসিক গোবিন্দ
কোপিত জননীক লাই।
হামাকু পয়োধর পান ছোড়াই
খির রাখিতে গয়ো মাই॥

পদ।

অরুণ অধর দুহো কোপে কম্পারত
ওষ্ঠ কামুরি ধরি দন্ত।

পটাপুত্ৰ হানি মথনি মাঠি ভাঙ্গিএ
খুপ্পি বৈঠল ভগৱন্ত ॥
উড়ল উৱৰে চড়ি লৱনু ভুঞ্জন্ত হৰি
বানৰ সব লৈয়া সাথে।
পিণ্ড লৱনু বানৰ মাঝে খেপল
বানৰে ধৰয় লুম্ফি হাতে ॥
খিৰ উতাৰি আসিয়ে মাই দেখল
ভাঙ্গল মথনি মধাই।
সব দধি নাশল কতিহু পলাৱল
দীন মাধবে গুণ গাই ॥

সূত্ৰ—তদন্তৰ যশোদা খিৰ নমায়া আসিকহু দেখল মথন মাঠি ভাঙ্গল, সব দধি নাশ ভেল।

যশোদা—অঃ ওহি কৃষ্ণক কাম। তেখনে কোলাহন্তে নাময়ে নাহি হামু বলেসে নমাৱলো। তনপান কৰিতে নপাৱল। সোহি কোপে মাঠি ভাঙ্গিয়ে দধি নাশ কৰিকহু মাৰণক ভয়ে পলাৱল। আগে ঘৰ মাঝে চাঞো।

সূত্ৰ—ওহি বুলি যশোদা হাতে বাৰি ধৰিয়ে পাৱ মাৰিয়ে খোপি পশিয়ে দেখল শ্ৰীকৃষ্ণ উড়াল উৱৰে বৈঠি কহু আপুনি ভোজন কৰত বানৰসবকো ভোজন কৰাৱত। তদনন্তৰ মাৱক দেখিয়ে ভয় শঙ্কিত নয়নে শ্ৰীকৃষ্ণ যৈচে পলাৱত যশোদা যৈচে পাচু পাচু খেদয় তাহে দেখহ শুনহ; নিৰন্তৰে হৰি বোল হৰি।

গীত—কামোদ—জতিমান।

ধ্ৰুং।

পলাই জগত পতি নন্দজায়া যশোমতি
লড়ু ধৰি পাচু পাচু ধাই।
কৰি আছো অপৰাধ কৰহু নাহিকে বাধ
তাড়ন এড়ান নাযাই ॥

পদ।

ভাঙ্গিয়া মথনি মাঠি দধি সব কৈলো নাঠি
নবীন লৱনু আছো খায়া।
মাৱৰ উঠিছে ৰাগ নাপাই নাছাড়িব লাগ
ভয়ে কাম্পে থিৰ নুহি কায়া॥

যশোদা—হে বালক! তুহু আৰ কতি যাৱব। ৰহ ৰহ, হামাকু আগু আজু পলাৱব। তুহু যাহা যাৱৰ হামু তহু খেদব। চৌৰি কৰিয়ে দধি দুগ্ধ লৱনু খায়ে সব গকুল ছন্ন কৰিয়ে হামাকু হাত লগাৱল। আজু তোহোক তাড়না কয় শিখাৱব।

পদ।

লাগল পাইলো মঞি আৰ কতি যাইবি তঞি!
কত দুখ দিয়া আছ মোৰ।
পলাই আজি যাইবি যথা, আমি ধায়া বাইবো তথা
আৰ লাগ নছাড়িবো তোৰ ॥
মহা মহা যোগীগণে, পৰম নিৰ্ম্মল মনে
চিন্তিয়া নাপাই লাগ যাৰে।
সবাৰে আতমা হৰি, হাতে গোপী লড়ু ধৰি
ধায়া ফুৰে তাৰে মাৰিবাৰে ॥
জননীৰ দুখ দেখি, হাতে কচালিয়া আখি
কান্দিয়া ৰহিলা যেন ডৰে।
দেখিয়া যশোদা ৰাণী, তনয়ৰ ভয় জানি
ধৰিলা তেজিয়া বাৰি কৰে ॥
যাৰ সুমৰণে ডৰি, কালো কাম্পে তৰতৰি
যাৰ নামে মুকুতি মিলয় ॥
জননীক হুয়া ভয়, কাম্পয় হেনয় হৰি
দীন মাধৱ দাসে কয় ॥

সূত্ৰ—তদন্তৰ শ্ৰীকৃষ্ণ মানুষ ভাৱ দেখায়া পলাইতে যেন নাহি পাৰিয়ে মাৱক ভয়ে হাতে আখি ঢাকিয়ে ৰহল। যশোদা পুত্ৰক ভয় দেখিয়ে হাতক বাড়ি পেলায়া কৃষ্ণক কৰে ধৰি কহু আপুন গৃহে আনিয়ে যৈচে গৰুক পাগে কৃষ্ণক বান্ধিতে লাগল তাহে দেখহ শুনহ নিৰন্তৰে হৰি বোল হৰি।

গীত—কানাড়া—পৰিতাল।

ধ্ৰুং।

লৱনু চোড়া বুলি যসোৱা মাই।
গোকণ্ঠ পাশে বান্ধয় যদু ৰাই ॥

পদ।

পূৰ্ব্বাপৰ অন্ত নাহি যাহাৰু।
সোহি পৰম গুৰু জগত আধাৰু ॥
বাহিৰে ভিতৰে যাকেৰি নাই।
গোৱাৰী বান্ধে লৱনু চোৰা পাই ॥
গাৱ সন্ধানে যশোৱা ৰজ্জু টানে।
জোড়য় নাহি আঙ্গুল দুহু মানে ॥
পুনু পুনু ৰৰ্জ্জু বিচাৰ কয় আনি।
উদৰে মেঢ়াই বান্ধয় সতী টানি ॥
তবহো নোজোৰে আঙ্গুল দোহো পাশে।
পেখিয়ে গোপ ৰমণীসব হাসে ॥
হৰি কহো তত্ত্ব জানয় নাহি কোই।
মাধৱ কহ গতি গোবিন্দ মোঞি ॥

সূত্ৰ—যশোদা লৱনু চোৰা পাই কৃষ্ণক বান্ধয় শুনিয়ে গোপীসব যশোদাক ঠামে আৱল। সোহি সময়ে শ্ৰীকৃষ্ণ নিজ যোগমায়া বেকত কৰল। যশোদা কৃষ্ণক

উদৰে জৰি মেঢ়াই আনিতে দেখত আঙ্গুল দুই আটয়ে নাহি। পুনু আৱৰ জৰি আনিয়ে জোৰায়া বান্ধত, সেহি আঙ্গুল দুই আটয়ে নাহি। ওহি পৰকাৰে বাৰে বাৰে ঘৰ মাঝে যত জৰি পাৱল সবকহু জোৰায়া মেঢ়াৱত. তবহু দুই আঙ্গুল আটয়ে নাহি। দেখিয়ে গোৱালীসবে যশোদাক বোলল।

গোপীসব—হে মাই যশোদা! তোহাৰি ঐচন দাৰুণ হৃদয়, ওহি মাণিক পুতলি শ্ৰীকৃষ্ণ সব গোকুলক জীৱপ্ৰাণ, তোহাৰি নিজ বালক, আহেক কোন অপৰাধে অতয়ে ৰাগে গৰুক পাগে উদৰে কৈচন বন্ধন কৰহ। কোন চাৰ পুৰাতন কলসখানি ভাঙ্গল, কড়া দুইক ধন হানি কয়ল। গোৱাল ঘৰে দধি, দুধ লৱণু কে পুচত। কমন হানী ভেল। হে মাই কৃষ্ণক মহিমা নাহি দেখত, অতয়ে জৰি জোৰায়া বন্ধন কৰিছ তব কি বান্ধিতে পাৰহ? অতয়ে মহিমা দেখিয়ে তথাপি জ্ঞান নাহি উপজল। তব কৃষ্ণক বান্ধিতে আশা কৰিছ। হে মাই। তোহাৰি পায়ে লাগো, ওহি প্ৰাণ ধন কৃষ্ণক বান্ধিব নাহি।

সূত্ৰ—গোপীসবক ঐচন বাণী শুনিয়ে যশোদা কোপ কৰিয়ে বোলল।

যশোদা—আহে গোৱাৰী সব! ওহি কৃষ্ণক কত অপযশ হামাকু আগে কহৈছ। আজু আৰ্গাসক সময় নাহি হয়। হামাকু বাধা কৰিতে আৱল। অব যে বোলল তাহে হামু সহলো। আৰ যব বোলহ তব হামাকু বাত বুজব।

সূত্ৰ—ওহি বুলি যশোদা গোপীসবক ভৎসিয়ে পুনু কৃষ্ণক বান্ধিতে লাগল। তাহাক দেখি ৰোহিণী বোল :—

ৰোহিণী—হে সখি যশোদে, আজু তাহো কি ভেলি? গোকণ্ঠ পাশে কৃষ্ণক বান্ধিতে লেলি। তোহাৰি ঐচন কঠিন হৃদয় ভেলি। ওহি প্ৰাণ পুতলি কৃষ্ণক স্নেহ কৈচন দূৰ গৈল। ওহি কৃষ্ণক বাৰম্বাৰ কত অপৰাধ সহৈছ। আজু তাহাৰ যত অপৰাধ কয়ল তাহেক সহলি নাহি। ওহি কৃষ্ণক আপুন পুত্ৰ বলাইতো শতগুণ অধিক দেখো। হামু জানো তোহো আপুন প্ৰাণতো অধিক দেখহ! সখি! বৃদ্ধ নন্দে যত ধন জন প্ৰাণ সবাতো অধিক দেখত। সোহি কৃষ্ণক ওহি অৱস্থা দেখিলে তোহাৰি কুশল নাহি। হে সখি, তোহাৰি গোৰে লাগো, ওহি কৃষ্ণক প্ৰতি কোপ তেজহ। দেখো অতয়ে জৰি জোৰায়া কি কৃষ্ণক বান্ধিতে পাৰহ? কৃষ্ণক সুন্দৰ কটি মুঠিতে লুকাই, তাহেক অতয়ে ৰজু জোৰয়ে নাহি। ঐচন মহিমা দেখিয়ে তবহু কৃষ্ণক নাহি জানত। ওহি মনুষ্য বালক নহি। প্ৰভাৱ দেখিয়ে হামু জানল। ওহি জগতক কাৰণ নাৰায়ণ। কোটি কোটি ব্ৰহ্মাণ্ড যাহাৰ ৰোম ৰন্ধ্ৰেথিক, জগততাৰণ কাৰণ তোহাৰি উদৰে মানুষৰূপে অৱতৰল। ওহি জগতক আতমা ইহাক দেখিয়ে সব লোক আনন্দ মিলল। ঐচন কৃষ্ণক তোহো কৈচন বন্ধন কৰহ। ইহাৰ অৱস্থা দেখিয়ে হামু কৈচন প্ৰাণ ধৰো। কমল নয়নক নীৰ বহয়। সুন্দৰ বদন মলিন ভেল। সব শৰীৰ কম্পয়। ইহা দেখি কৈচে মৰিয়ে নযাঞো। হে সখি! কৃষ্ণক ছোড়ি হামাক বান্ধস।

সূত্ৰ—ওহি বুলি ৰোহিণী যশোৱাক পাৱে ধৰিয়ে ক্ৰন্দন কয়কহু, ভুমি লুটি পৰিয়ে ৰহল। ৰোহিণীক ঐচন কাৰ্পূণ্য বাণী যশোদাক কৰ্ণ গোচৰে যাৱয়ে নাহি। কৃষ্ণক বান্ধিতে আক্ৰোশ তেজয়ে নাহি।

যশোদা—ওহি গোপীসবক আগু আজু হামু লাজ পাৱলো, গৰ্ভক ছৱালক বান্ধন নাহি পাৰলো। (গোপীসব উপালম্ভ দেখিয়ে) আজু কৃষ্ণক নাহি বান্ধয়ে হামু ছাড়ব নাহি।

সূত্ৰ—ওহি বুলি যশোদা পুনু বহুতৰ জৰি জোৰায়া বান্ধয়ে লাগল। ৰোহিণী সহিত গোপীসব হাহাকাৰ কয়কহু হৰি হৰি বোলিয়ে গালে হাত দিয়ে পুনু পুনু ক্ৰন্দন কৰিয়ে ৰহল। যশোৱা কৃষ্ণক উদৰে ৰজু টানিতে বহুত শ্ৰম পাৱল, সব শৰীৰ ঘৰ্ম্মিত ভেল, গাৱক বসন খসি গেল, কেশ বেশ ভাসল, খোপাক কুসুম খসিয়ে পৰল, তবহু বন্ধন তেজয়ে নাহি।

শ্ৰীকৃষ্ণ—(মনে বোল) আঃ হামাক মায়াৰ ঐচন অতৰ্ক প্ৰভাৱ! হামু অতয়ে মহিমা দেখাৱল, তবহু হামাক নাহি জানল। হামাক বান্ধিতে আশা কয়কহু তবহু বহুত শ্ৰম পাৱল। হামু আপুনে বন্ধন যব নাহি লেহু তব কি হামাক বান্ধিতে পাৰব! হামু ভকত বৎসল গুণে ভকতক অধীন। হামাৰি ভক্তা জননীক মন পূৰণ কৰহু।

সূত্ৰ—ওহি বুলি আপুনে বন্ধন লেলহ। যশোদা পুনু পুনু জৰি জোৰায়া উদৰে মেঢ়ায়া আনিকহু দেখল, জৰি আটল, অধিকাও ভেল। দশন কামুৰি গাৱক বলে টানি টানি বান্ধিতে কৃষ্ণক গাৰি দেই।

যশোদা—আহে পুতা! হামাকু আগে মহিমা দেখাৱল, অতয়ে দুখ হামাক লগাৱল, দেখু দেখু তোহাক নাহি বান্ধিয়ে হামু নাহি ছাড়লো। দেখো তোহাক কমনে বন্ধন ছোড়ায়া ৰাখব।

শ্লোক।

ববন্ধ মাধবো সৰ্ব্বং মায়য়া যোখিলং জগৎ।
বধ্নাতি গোপীতমপি পশ্য ভক্তেৰ্ব্বলং মহৎ॥

সূত্ৰ—যোহি কৃষ্ণ আপুন মায়া পাশে ব্ৰহ্মা আদি অখিল জগতকে বন্ধন কৰয় থিক. গোৱালী যশোদা ভকতি বলে তাহেক বান্ধয়; কৃষ্ণ ভকতিক মহিমা কি কহব। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ হৈয়া ভকতক অধীন, ইহা জানি কৃষ্ণ চৰণে মন থিৰ কৰকহু নিৰন্তৰে হৰি বোল হৰি।

শ্লোক।

ঘোষস্ত্ৰী ৰোষ শমনায় মিথো গুণেন
মধ্যে ৱবন্ধ জননী নয়নীত চৌৰং।
তদ্বন্ধনং ত্ৰিজগতামুদৰাশ্ৰয়ান
মাক্ৰোশ কাৰণমহোনিতৰাং বভূৱ॥

সূত্ৰ—গোৱালসবক মোহ দূৰ কৰিতে বহুতৰ গুণ জোৰায়া উদৰে বন্ধন কৰত জানু দিয়া গাৱক বলে টানিতে কৃষ্ণক উদৰে যত লোক থিক তাৰাসব বন্ধন দুখ পাই হাবুসব মৰো মৰো বুলি বহুত আৰ্ত্তনাদ কয় থিক। ঐচন পৱকাৱে যশোদা তৰ্জ্জনা কৰিয়ে কৃষ্ণক বন্ধন কয় কহু, পুনু উড়ুখল সহিত গাণ্ঠি দিয়ে ৰাখল থিক।

যশোদা—[গোপী সবক ডাকিয়ে বোল] আহে গোৱালীসব। ওহি কৃষ্ণক বন্ধন কতিহো ছোডবি নাহি। যোহি বন্ধন ছোৰে ইহাক, গতি তাহেক কৰব। হামু নিস্তকয় বোলল। বৃদ্ধ নন্দে দেখোক আসিয়া।

গোপীসব—হে মাঞি, কৃষ্ণক বন্ধন চোৰিতে হামাৰ কোন প্ৰয়োজন থিক। ওহি তোহাৰি বালক, ইহাক তুহু বহুত অপৰাধ পাৱল। ওহিতো বন্ধনমাত্ৰ, লাগে খাণ্ডা হানিয়ে কাটিয়ে খাৱ তবে হামাৰ কি ভেল।

সূত্ৰ—ওহি বোলি গোপীসব বহুত অপমান কয়কহু আপুনে থানে গেল। ৰোহিণী যশোদাক নিদাৰুণ ভাৱ দেখিয়ে কৃষ্ণক বন্ধন দুখ নিৰেখিয়ে নয়নক নীৰ জুৰয়া বহুত অপমান কয় মৌনে ৰহল। কৃষ্ণক ঘেৰাক বালকসৱ প্ৰাণবান্ধৱ মাধৱক ঐচন বন্ধন দুখ দেখিয়ে যশোদাক গাৰি দিয়ে ক্ৰন্দন কয়কহু কৃষ্ণক নিকটে ৰহল। আকাশে দেৱতাগণে কৃষ্ণক ভকত ৱৎসল গুণ দেখিয়ে বিমানে গগন চৰি ৰহল। শ্ৰীকৃষ্ণ যশোদাক যে প্ৰসাদ দেলহ ব্ৰহ্মা লক্ষ্মী ওহি প্ৰসাদ নাহি পাৱত! ওহি যশোদা নন্দন ভগৱন্ত পৱম দেৱতা জ্ঞানিক কৰ্ম্মীক পৱম দুৰ্ল্লভ ভকতক পৱম সুলভ ইহা জানি আহে লোক শুদ্ধভাৱে কৃষ্ণ চৰণ শৰণ সাৰ কৰিয়ে নিৰন্তৰে হৰি বোল।

শ্ৰীকৃষ্ণ ঐচন বন্ধ পায়া মন্দ মন্দ ৰোদন কয়কহু হাতে তালে নয়নক নীৰ মাজিয়ে বন্ধ নয়নে মাৱক নিৰেখিয়ে উকখল সহিতে যৈচে পৱকাশ কয়ল, তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল।

গীত—ৰাগ বেলোৱাৰ, ৰূপক তাল॥

ধ্ৰুং।

কল্পিত মাধৱ নয়ন জুৰাই।
কটি চাপি উকখল বন্ধন কাই॥

পদ।

আৱকত কৱতল মাজিত লোৰে।
মন্দ ৰোদন কৰু নৱনিত চোৰে॥
নৱনিত কল শ্যাম অঙ্গ বিৰাজে।
তাৱক গণ যচ গগণকু মাজে॥
যাহে চৰণ ৰেণু যোগী নপাই।
ভকতি বলে তাকু বন্ধন কাই।
কহয় মাধৱ দাসে দীন শুন মাই।
ওহি জগত গুৰু সুত কাহা পাই॥

শ্লোক।

নক্ষত্ৰমিৱ নৱনীতক পাৱকীৰ্ন্নং।
ৱক্ষস্থলো দৱমগোচৱ মাগমানাং॥
ৰাষ্পাম্বুনাচ্ছিত তৱঙ্গিত নেত্ৰ পদ্মম্।
ব্ৰহ্মস্বৱাসি দৃঢ় বন্ধমুকখলেন॥
পৱিমিম মুপদেশ মাদৃয়ধ্ৱং নিগম ৱনেষু,
নিতান্ত চাৱক্ষীণাঃ॥
ৱিচিন্ধত ভৱনেষু ৱল্লৱীনা মুপনিৱদৰ্থ
মুকখলে নিৱন্ধনম্॥

সূত্ৰ—হে লোক, তোৱা সবক হামু এক পৱম উপদেশ বোলত: তাহেক শ্ৰদ্ধায়ে আদৱ কৰহ। তোৱা সবৱ দুখ দেখিয়ে হামাৰ মনে খেদ জলয়। ওহি গহন বেদৱন মাজে ব্ৰহ্মক নিতান্ত ৱিচাৰ কৰিতে বুদ্ধি সহিতে শৰীৰ খীণ ভেল। অহ বেদৱন নিয়। ওহি গহন বেদৱন মাজে ব্ৰহ্মক নিতান্ত ৱিচাৰ কৰিতে বুদ্ধি সহিতে শৰীৰ খীণ ভেল। অৱ বেদৱন ৱিচাৰ চুৰি গোৱাৰী যশোদাক ঘৰে সৱ উপনিষদ অৰ্থ ভগৱন্ত পৱমাত্ম ব্ৰহ্ম উকখলে নিচয়ে বন্দী হয়ে থিক। তাহেক দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি।

তদন্তৰে যশোদা শ্ৰীকৃষ্ণক উকখলে বান্ধি থৈয়কহু গৃহকৰ্ম্মে ৱ্যেগ্ৰহয়া ৰহল। তাহে দেখিয়ে শ্ৰীকৃষ্ণ মনে গুণয়ে লাগল।

শ্ৰীকৃষ্ণ—দেখো আজু হামু ভকতক হাতে আপুনে বন্দি হয় কহু বন্ধ জীৱক সংসাৰ বন্ধ চোৰণ কৰব। ব্ৰহ্মা আদি যত দেৱতা থিক আচোক আনক বন্ধু চোৰব। আপুন বন্ধন দূৰ কৰিতে নাহি পাৱত। ইহা জানি সব লোক হামাক পৱম ঈশ্বৰ মানি ভকতি কয়কহো সংসাৰ ঘোৰ নিকাৰ তৱৰ। কুৱেৰক পুত্ৰ দুহু, একক নাম নল কুৱেৰ, অপৰক নাম মণিগ্ৰীৱ। দুহু দেৱতা নাৱদক শাপে ওহি যৱলার্জ্জুন হয়া ৰহল থিক। নাৱদক ৱৰ দানে ওহি বৃক্ষ জনমতে হামাক স্মৰণ কয় থিক। আজু হামু পৱম ভকত নাৱদক ৱচন সাফলিয়ে ওহি দুহুক দুখ দূৰ কৰব।

সূত্ৰ—ওহি বোলি শ্ৰীকৃষ্ণ মাৱক ভয়ে মাৱণ শব্দহায়ে লাসে লাসে উকখল টানিয়ে বৃক্ষ দুহুক মাজ হুয়া চলিতে উৱল পথালি হুয়া বৃক্ষত লাগল। দেখিয়ে শ্ৰীকৃষ্ণ মাটিত জানু পাৱিয়ে কঙ্গাল ফান্দিয়ে টান দিয়ে বৃক্ষ দুহু উন্তালি পেল্লাৱল। মহা প্ৰচণ্ড শব্দে বৃক্ষ পৱল। সোহি বৃক্ষ হন্তে দুহু দেৱতা দিব্য ৰূপ ধৰিয়ে ৰাজহুয়া কহু কৃষ্ণক দেখল। নাৱদক পৱসাদে দুহু দেৱতা পৱম ঈশ্বৰ বুলি শ্ৰীকৃষ্ণক জানল। জয় জয় কৃষ্ণ বোলি দণ্ডৱতে বাৱম্বাৱ পৱণাম কয়কহু কৱযোৰে জানু পাৱি নম্ৰভাৱে যৈচে তুতি কয় লাগল, তাহে দেখহ শুনহ। নিৰন্তৰে হৰি বোল হৰি।

গীত—ৰাগ, তুৱ—জতিমান।

ধ্ৰুং।

এ হৰি কৰিয়ো কৰিয়ো মেৰি ককণা মুৱাৰি।
চাৱৰো নাহি আৱ চৰণ তোহাৰি॥

পদ।

তুহু নিৰঞ্জন যিটো জগত আধাৰু।
ভাৱ হৰণ হেতু তুহু অৱতাৰু॥
তাৱৰি লোক বিনোদ পৱকাশি।
তুৱা পুৱ কমলে সেৱক ভেলো আসি॥
পুৰুৱ ৰাসনা দূৰ কৰিহ হামাৰি।
ৱচনে ৰহোক গুণ নাম তোহাৰি।
তুৱা কথা শ্ৰৱণে ৰহোক অৱিৰাম।
কৰ মেৰি ৰহোক তোহো কৱো কাম॥
তুৱা পদ সুমৰি ৰহোক মন থিৰ।
তোহাৰি চৰণ বন্দি ৰহো মেৰি শিৰ॥
তুৱা নিজ মুকুতি ভকত সব চাই।
কহ মেৰি ৰয়ন মাধৱ গুণ গাই॥

দেৱতাদ্বয়—হে পৱমানন্দ, পৱমপুৰুষ, পুৰুষোত্তম; দেৱক পৱম দেৱতা জগতৰে আদি কাৱণ, প্ৰধান পুৰুষ নিয়মক সৃষ্টি স্থিতি প্ৰলয় পৱৰ্ত্তক, ভগৱন্ত নাৰায়ণ, তুহু ভূমিক ভাৱ হৰণ কাৱণে কপট মানুষ ৰূপে হয়াছ। তুহু মাত্ৰ সত্য'; ওহি জগত মায়াময় জানি তোহাৰি চৰণে শৰণ পশিয়ে কেৱলে ভকতিক মাত্ৰ আশা কৰহু। তোহাৰি অচিন্ত্য প্ৰভাৱ। ওহি জগতক বাহিৰে ভিতৰে অন্তৰ্য্যামী ৰূপে জীৱক নিয়ম কৰিতেছ। যাৱা সকল তোহোক ঈশ্বৰ জানিয়ে তোহাৰি চৰণ সেৱা কৰত তাৰাসব সুখে সংসাৰ তৱয়। যে সবো তোহাক ভজয়ে নাহি তাহেক কালৰূপে সংহাৰ কৰহ। হে প্ৰভো তোহাৰি নিজ দাস নাৱদক পৱসাদে তোহাক হামু জানল। হে কৃষ্ণ তোহাৰ পদকমলে কোটি কোটি পৱনাম কৰোহা। হামাক দাসকো দাস জানি কৃপা কৰহ। হামাক ৱচনে তোহাৰি গুণ নাম মাত্ৰ ৰহোক, কৰ্ণ দুই তোহাৰি কথা শুনিয়া ৰহোক, কৰদুহু তোহাৰি কৰ্ম্ম কৰিয়ে ৰহোক তোমাৰ চৰণ সুমৰি হামাৰ মন ৰহোক, মস্তকে তোহাৰি চৰণ বন্দিয়ে ৰহোক, চক্ষুৰে তোহাৰি মুকুতি ভকতক নিৰেখিয়ে ৰহোক।

সূত্ৰ—ওহি বোলি দুহু দেৱতা কৃষ্ণ চৰণ নিৰেখিয়ে ৰহল।

শ্ৰীকৃষ্ণ—হে নলকুৱেৰ, মণিগ্ৰীৱ, হামাৰ ভকত নাৱদক কৃপায়ে তোৰাক উত্তম মতি ভেল, হামাক পৱশনে দৱশনে সংসাৰ দুখ দূৰ গেল। তোহাক পৱমার্থ যুগ্যত ৱচন শুনিয়ে পৱম সন্তোষ ভেলো। তুহুসৱ যে প্ৰার্থনা কয়ল সে সব পূৱণ হোক। অৱ আপুন থানে সত্ৱৰে চলিয়া যাৱ।

সূত্ৰ—কৃষ্ণক আদেশ শুনিয়ে বাৱম্বাৱ প্ৰদখিন কৰিয়ে দণ্ডৱতে পৱণাম কয়কহু আপুন থানে চলি গেল। তদন্তৰে নন্দ আদি গোৱাল সকলে পৱম চণ্ড শব্দ শুনিয়ে লৱৰিয়া আসিকহু দেখল, জঞ্জুলা, অৰ্জ্জুন বৃক্ষ দুহু উভৰি পৱল।

শ্লোক।

বিনাৱাতং বিনাৱৰ্ষং ৱিদ্যুৎ প্ৰপতনং বিনা।
বিনা হস্তী কৃতং দোষং কেন উৎপতিতৌ দ্রুমৌ॥

সূত্ৰ—গোৱাল সকলে পৱম অদভুত দেখিয়ে চৌপাশে ফিৰি ফিৰি চাৱত, ৱিস্ময় হুয়া অন্যে অন্যে বোল, হে গোৱালসব ওহি কি অদভুত, ৱাত নাহি বৃষ্টি নাহি, নির্ঘাত ৱজ্রপাত নাহি হস্তিসবক ৱিক্রান্ত দোষ নাহি, অতয়ে কালক বৃক্ষ কৈচন উভৰি পৱল।

তদনন্তৰ বৃদ্ধ নন্দে দেখল কৃষ্ণক সজ পৰিয়ে শ্রীকৃষ্ণক বান্ধ সহিতে উৰুখল টানিতে আচয়।

নন্দ—(হাসি বোল) আহো, ওহি মাণিক পুতলি কৃষ্ণক কমন দাৰুণ হৃদয় গৰুক পাগে উৰুখলে বন্ধন কয়ল। হামু যত ধন জন জীৱন সবাতে অধিক ওহি কৃষ্ণক মানত। আহেক ঐচন অৱস্থা কমনে কয়ল। ওহি বৃক্ষ পৰিয়ে প্রাণ পুত্র কৃষ্ণ ক্ষেণেকে মৰৱ। কিন্তু হামু কতিহু প্রাণিক পীড়া নাহি কৰহো, সোহি কাৰণে কৃষ্ণক গোসাঞি ৰক্ষা কয়ল। হে বাপু কৃষ্ণ, তুহু হামাক আয়ুয়ে চিৰকাল জীৱ। তোহাৰি সকল আপদ দুৰ গেল। তেৰা বালাই লঞ্ছু। তোহাৰি জননী যশোদাক যে জানো তা কৰব।

সূত্র—ওহি বোলি নন্দে কৃষ্ণক বন্ধন চোৰি ধূলা জাবি কোলে তুমি গলায়ে চাপিকহু, বদনে চুম্বন কৰিকহু পৰমানন্দ ৰস পাৱল। সৰ্ব্বশৰিৰ শিহৰিল, নয়নে আনন্দ লোতক ঝৰয়; মুক্ষতো অধিক সন্তোষ লভিয়ে ৰহল। তদন্তৰে গোৱাল সকলে কমন পৰকাৰে বৃক্ষ পৰল তাহেৰ হেতু নাহি জানল। তাহে দেখি বালকসৰ বোল।

বালকসৱ—হে নন্দৰাজ, ওহি কৃষ্ণে মাজে উৰুখল টানিয়ে বৃক্ষ উভলি পেলাৱল, হামুসৱ দেখল। আৱৰ অদভূত দেখল তা শুনহ। ওহি বৃক্ষ হন্তে অগনি সমান রূপ ধৰিয়ে দুহু দিব্য পুৰুষ বাজহুয়া কহু কৃষ্ণক দণ্ডৱতে পৰনাম কৰিতে বহত তুতি কয়ল। শ্রীকৃষ্ণে আশ্বাস বোলল। পুন্থ কৃষ্ণক প্রদক্ষিণ কৰিয়ে উতৰ দিশক চলি গেল।

সূত্র—গোৱাল সকলে চৱালক বাক্য বুলিয়ে নাহি মানল। কৃষ্ণক অতর্ক্ক মহিমা তাৰাসব কতিহু নাহি জানত। তদন্তৰ কৃষ্ণক কোলে কৰিয়ে নন্দ আপুন গৃহে আসিয়া গৃহিণী যশোদাক তর্জ্জয়ে লাগল।

নন্দ—আহে দাসীকো-দাসী-বান্দী, চণ্ডী গোৱাৰী, ওহি প্রাণপুত্র কৃষ্ণক কমন অপৰাধে গৰুক পাগে যৈচন খাট চোৰ শত্রুক বান্ধয় তোহো সোহি পৰকাৰে বন্ধন কয়লি, তোহাৰি কোন শত্রু। হামু কত তপ কৰিয়ে দেৱক ৰৰে বৃদ্ধ বয়সত কৃষ্ণক পুত্র পাৱল। সোহি প্রাণপুত্র বৃক্ষ পৰিয়ে ক্ষেণেকে মৰি যাই, গোসাঞিক ৰৱেসে এৰাৱল। তুহু কি নিমিতে মানুষী ভেলি। ৰাক্ষসীতো ধিক! আপুন পুধক খাইতে চাৱল, কৃষ্ণক নাখায়া হামাক খাৱ। আহে নাগিনী তোহাক বস্তুৱে নাটল। কোন চাৰ কলস ভাঙ্গল, হামাৰ ঘৰে দধি দুধ লৱণু কে পুচত, নদী বহাইতে পাৰো। তাহেৰ নিমিতে কৃষ্ণক অতয়ে শাস্তি কয়লি। তোহাক আজু মাৰিয়ে প্রাণ লেৱৰো; বহ ৰহ হামাক বাত বুজহ।

সূত্র—ওহি বুলি নন্দে মাৰিতে ধাৱল। দেখিয়ে ৰোহিণী ৰাখল আসিয়া। তদন্তৰ যশোদা নন্দক বোল।

যশোদা—আহে বুঢ়িয়া, কাহেৰ আগে ঐচন ৰাগ দেখাৱত; তোহাৰি ভাৱনা চুৰ কৰব। তোহু হামাৰি ৰাখোৱাল। নিশাভাগে উঠিয়ে কলস কণ্ডিয়ে বাঞ্ছু কা শিকিয়া যুতিয়া কন্ধে কৰিয়ে মলিন বসন পৰিয়ে গোষ্টক চলবি, ধেনু ৰাখিবি, গাই দুহিবি, দধিক ভাৰ বহিবি। হামু কনকটা, ঝলকটা যে যে বস্তু দেৱৰ তাহেক ভোজন কৰবি। তুহু গৃহৰ কোন অধিকাৰ থিক। ইহাৰ ভাল মন্দ তুহু কি জানহ। হামু গৃহেৰ গৃহিনী, সব অধিকাৰ হামাৰ। আহে বুঢ়িয়া, তোহাক কে পুচত, ছি, হামাক মাৰিতে আৱল। হামাক চাতু বুলিতে জনম যাই। আজু ৰাগ চৱল, ছি, ঘিনেসে লাগে। হামু কথা কহিতে জানো, সব লোকে মন্দ বোলব। কি কৃষ্ণক ধুৱাইতে ধুৱাইতে দুখ পাৱত আমাক মাৰিতে আশা কয় থিক। হে ৰোহিণী, তোহো বাধা নাহি কৰবি, হামাক মাৰিয়ে চাহোক, তৰ হামাৰ বোল বুজব।

সূত্র—ওহি পৰকাৰে যশোদা নন্দ চুপ কয়ল। নন্দে দোৱজ মাতিতে নাহি পাৱল। ই কথা ৰহোক। তদনন্তৰে শ্রীকৃষ্ণ যৈচে গোকুলবাসীক নানা বিনোদ কৌতুক ৰসে আনন্দ কৰাৱল তাহে দেখহ শুনহ; নিৰন্তৰে হৰি বোল হৰি।

গীত—ৰাগ কল্যাণ—খৰমান

ধ্রুং।

জয় জয় জগজন তাৰণ কাৰণ
নাৰায়ণ ৰৰ দেৱং।
হৰ চতুৰাণন আদি অমৰগণ
কৰু যাকৰু পদসেৱং॥

পদ।

ৰোস বিৰৰ মহ কোটি কোটি অণ্ড
তাহুৰ সব কৰু ৰেণু।
নিজ জন ৰঞ্জন ভঞ্জন ব্রজ দুখ
মোদি বিনোদিন বেনু॥
কলসি ভাঙ্গল দধিসব নামল
কৰত ভোজন নবনিতং।
ভীতি পলাৱল বান্ধল জননী
অর্জ্জুন ভঞ্জন ধৃতং।
নাচত গাৱত ভাৱ দেখাৱত
হাসত বহু লয় লাসে।

হৰি কহু চৱণ কমল মধু আশে
কহ দীন মাধৱ দাসে॥ ৮॥

সূত্র—ঐচন পৰকাৰে শ্রীকৃষ্ণ গোকুলবাসীক ৱঞ্জীয়ে নানান বিনোদ কৰিয়ে ৰহল থিক। হে লোক, দেখু দেখু পৰম ঈশ্বৰ পুৰুষোত্তম ত্রিগুণ নিয়ন্তা গুণাতীত পৰম দেৱতা জীৱক তৰণ নিমিত্তে আপুনে সাক্ষাত বেকত হুয়া কপট মানুষ চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ কয়ল। ইয়াক শ্রৱণ কীর্ত্তন কৰিয়ে সব লোক সুখে তৰব। অন্যথা যে নির্গুণ দেৱতা সহজে জন্ম কর্ম্ম ৰহিত ঈশ্বৰক ওহি গৰিহিত কর্ম্ম কৰিতে কোন প্রয়োজন থিক। ওহি কৃষ্ণক বালক চৰিত্র মাঠি ভাঙ্গি দধি নাশন, লৱনু ভোজন, উৰল বন্ধন, অর্জ্জুন ভঞ্জন যাত্রা যে সবে শ্রদ্ধায়ে শুনে, শ্রদ্ধায়ে গায়ে, শ্রদ্ধায়ে ভাৱনা কৰয় তাৰা সবৰ শ্রীকৃষ্ণ চৰণে নির্ম্মল ভকতি বাঢ়ব। ইহা জানি কৃষ্ণ চৰণে মন নিবিৰ্ষ কৰিয়ে ডাকি নিৰন্তৰে হৰি বোল হৰি বোল।

চোৰধৰা

শ্রীকৃষ্ণায় নমঃ।

শ্লোক।

কস্তং বাল! বলানুজস্ত্বমিহ কিং? মন্মন্দিবাশঙ্কয়া;
বুদ্ধং তন্নবনীত কুম্ভবিবৰে হস্তং কিমর্থং ন্যসঃ।
কর্ত্তুং তত্র পিপালিকাপণননং; সুপ্তা কিমুদ্বোধিতা বালা?
বৎসগতিং বিবেক্তুমিতি সংজল্পন্ হরিঃ পাতুবঃ।
কুন্দক্রীড়া বিগলিত ঘনস্বেদ মুগ্ধাননশ্রীঃ।
কচ্চিদ্দৃষ্টঃ কুবলয়ঃ-দলশ্যামলঃ কোপিবালঃ!
পৃচ্ছন্ত্যেবং পথি পথি বযৌ ব্যাকুলা নন্দপত্নী।
তীৰে তীৰে তপন-দুহিতুঃ কৃষ্ণমন্বেষয়ন্তী।

অপিচ।

যোলোক ভাৰহৰণায় চক্রী
চক্রে বতাবং বসুদেব গেহে
গোপীজনানন্দকবো মুকুন্দঃ
পায়াৎ স বো যাদব ৰাজসিংহঃ

সূত্র—আহে সামাজিক লোক! যে চৰাচৰ গুরু নাৰায়ণ গোপীজন মধ্যে চোৰ চাতুৰী নানাৰস খেলন কয়েকহো গোপীসবক মনোৰথ পুৰিয়ে যৈছন ক্রীড়া কয়ল, তা দেখহ, শুনহ; নিৰন্তবে হৰি বোল হৰি বোল।

গীত—বসন্ত—তাল যতি

ধ্রুং।

দেখত বে হৰি গোপিনী মেলা।
কৰত চোৰ চাতুৰী বস খেলা॥

পদ।

পৰমানন্দ লীলা পৰকাশী।
বহুবসে বঙ্গল গোকুলবাসী॥
সবৰস সাগৰ নন্দকু লাল।
কহয় মাধর গতি মুকুতি গোপাল॥

সূত্র—হে সামাজিক লোক! এক দিবসে গোপীক শূন্য গৃহ দেখিয়ে শ্রীকৃষ্ণ লৱনু চোৰ কৰিতে পৈশল। তথি গোপ বাহু মেলি দ্বাৰবন্ধ কয়েকহো পৰাক গোপীসব সহিতে শ্রীকৃষ্ণক যৈছে চোৰ ধৰল—তাহেক দেখহ শুনহ, নিৰন্তবে হৰিবোল হৰিবোল।

গীত—অশোৱাৰী—তাল যতি।

ধ্রুং।

আজু কাহা যাসি বোলয়ে গোৱালী।
গেখিয়ে আখি তৰল বনমালী॥

পদ।

দ্বাৰ বেঢ়ল গোপী বাহু প্রচাৰি।
লৱনু চোৰ কৈছে কৰসি মুৰাৰি॥

গোপী—আহে, কানাই! তুহু লৱনু চোৰ কৰিয়ে বাৰম্বাৰ হামাক ভাণ্ডিয়ে যাসি, আজু কাহা যাৱব। বহু বহু হামাক হাতে পড়িলে, তোহাৰি ভাবনা চুৰ কৰহ।

গীত।

পদ।

ঘৰে মহ চোৰ গোৱাৰি ঘন ডাকে।
পৰাক গোৱালী আৱল সব জাকে॥
ধৰল সবহি মিলি হৰিক চোৰ।
মাধর কহ গতি গোবিন্দ মোৰ॥

গোপী—আহে সখি গোৱাৰী সব! হামাৰ মন্দিৰে চোৰ পশিয়ে ঠিক। হামু দ্বাৰ বন্ধ কৰে ৰাখছি। তোহো সব সত্বৰে আৱ। হামাকু মাৰিয়ে চোৰ পলাৱয়।

গোৱালী সব—হে সখি, তোহো দ্বাৰ নাহি ছোৰবি, হামু সব আৱসি।

সূত্র—তদনন্তবে শ্রীকৃষ্ণ লৱনু চোৰ পড়ল দেখিয়ে, গোপীসবক ৰাজমাৰগে আনিয়ে চোৰ চাতুৰী কয়ে যৈছে গোপী সবক ভাঙ্গ কৰাৱল, তাহেক দেখহ শুনহ।

শ্রীকৃষ্ণ—আহে সখীসব! শ্রীদাম, সুদাম, বিশাল, ঋষভ, স্তোক কৃষ্ণ, সুবল, অর্জ্জুন তুহোঁ সব সত্বৰে আৱ। হামাক একেশ্বৰ দেখিয়ে চোৰ বলিয়ে বহুত ঝুণ্টা ঝগড়া কৰইছে।

শিশুসব—আহে গোৱালী সব! হামাৰ স্বামী শ্রীকৃষ্ণক কৈছে কলঙ্ক দেসি। তোৰা সবক হামু ছাড়বো নাহি।

শ্রীকৃষ্ণ—আহে গোৱালী সব! হামো বালক সব সহিতে ৰাজ মাৰগে সহ খেলাইতে ঠিক। তোহো সব হামাক কলঙ্ক দেৱসি।

গীত—বেলোৱাৰ—মান একতাল।

ধ্রুং।

গোৱাৰিণী কৈছন কলঙ্ক হামাৰি।
ৰাজ মাৰগে মহ, ফিৰত বালক সব,
কাহেক চেৰ গৱাঁৰি।

পদ।

আঞ্চোৰে ধৰি, আর আর বুলি,
টানহি বাৰহি বাৰা।
মাৰক আগু আজু নিয়া ভেটব
বুঝ তোহো বাত হামাৰা॥

শ্রীকৃষ্ণ—আহে ঢাণ্ডী গোৱাৰী সব! হামাক কলঙ্ক দিয়ে তোহো সব কি এড়াইতে চায়? তোৰা সবক আজু মাৰক আগু নিয়া ভেটব। হামাক বাত বুঝব!

পদ।

হামুক চোৰ বোলসি তোহো ঢাণ্ডী,
আপুনহি দধি দুগ্ধ খাই।
গোৱাৰি ছোড়য় যব হৰি হোড়য়ে নাহি
মাধর এহু বস গায়॥

শ্রীকৃষ্ণ—আহে গোৱাৰী সব! আপনহি সবে দধি দুগ্ধ খাই হামাক কলঙ্ক দেসি। তোৰা সবক হামু ছোড়বো নাহি।

গোপীসব—আহে কানাই! তোহাক হমু চোৰ নাহি বুলিয়ে। তোহো আপন গৃহে যাৱ। তোহোক হামো সব ছাড়লোঁ।

শ্রীকৃষ্ণ—আহে ঢাণ্ডী গোৱাৰী সব! তোহো যব ছোড়হ, হামো তোহোক নাহি ছোড়ি। তব ছোড়ি যব হামাক কিছু লৱনু দেহ।

গোপীসব—আহে কানাই। তব তোহাক হামো লৱনু দেৱব, যব তোহো নৃত্য কৰহ।

গীত—আশোৱাৰী—তাল যতি।

ধ্রুং।

নাচতু গোবিন্দ গোপিনী আগে।
কৰ পাতি পাতি লৱনু মাগে॥

পদ।

যো কৰকমল ভকত ভয়হাৰী।
সোহি কৰ পাতি মাগে লৱনু মুৰাৰি॥

শ্রীকৃষ্ণ—আহে গোৱালী সব! হামু নৃত্য কৰিয়ে বহুত শ্রম পাৱলোঁ। হামাক কিছু লৱনু দেহ। হামু লৱনু ভোজন কৰিয়ে নৃত্য কৰব।

পদ।

গোৱাৰী বোলয় নীচু নাচ গোপালা।
তব তোই লৱনু দেৱব হামু ভালা॥
লৱনু আশে লাসে গোবিন্দ নাচে।
কৰভৰি গোপী লৱনু যাছে॥

গোপী—আহে কানাই! তুহু যব ভাল কয়ে নৃত্য কৰহ, তব তোহক লবনু দেৱব।

পদ।

লৱনু খায়া নাচে কানাই।
আনন্দে গোপিনী তাল বজাই॥
যো হৰি এ তিনি ভুবন অধিকাৰী।
গোকুল মাজে সোহি লৱনু ভিখাৰী॥
ভকতি অধীন হৰি দিন দয়াল।
কহয় মাধর গতি বাল গোপাল॥

সূত্র—ঐছন প্রকাৰে শ্রীকৃষ্ণ গোপীসবক মনোৰথ পুৰিয়ে নানাবিধ কৌতুক নৃত্য কৰিয়ে আনন্দে তথি ঠিক। তদন্তবে যশোদা আপোন বালক পুত্র ঘৰে নাহি পেখিয়ে পুত্রস্নেহে আকুলিত হয়া, যমুনাক তীৰে তীৰে চায়া বেড়াইতে যৈছে পথিকজনত বাত পুছত, তা দেখহ শুনহ, নিৰন্তবে হৰিবোল হৰিবোল।

যশোদা—আহে পথিকজন! তোহো সব যদি হামাৰ বালক পেখল তব হামাত সত্বৰে কহ।

পথিকজন—হে মাই যশোদে! তোহাৰি বালক কৈছেন ৰূপ?

যশোদা—হে পথিক! হামাৰ বালক যৈছন্ ৰূপ তা শুনহ।

শ্লোক।

কণ্ডুক্রীড়াবিগলিত ঘন স্বেদমুগ্ধানন শ্রিঃ।
কচ্চিৎ দৃষ্টঃ কুবলয়দল শ্যামলঃ কোপিবালঃ॥
পৃচ্ছন্ত্যেবং পথি পথি যযৌ ব্যাকুলা নন্দপত্নী।
তীৱে তীৱে তপন দুহিতুঃ কৃষ্ণমন্বেষয়ন্তী॥

গীত—শ্রী পৱিতাল।

ধ্রুং।

যশোৱা পুছয় পথিকজনে আকুলিত মনে
হামাৱি বালক কেহো দেখিলা নয়নে।

পদ।

ভণ্টা খেলাইতে শ্রমজলে সোহে মুখ।
সুন্দৱ বদন নিৱেখিতে মিলে সুখ॥
কুবলয় দল জিনি সোহে শ্যামতনু।
পথে পথে যশোদা পুছয় পুনু পুনু॥

যশোদা—আহে পথিক! হামাৱি বালক ঐছন ৰূপ, ভণ্টা খেড়ি খেলাইতে শ্রমজলে বদন পঙ্কজ শোভা কৱইছে। পেখিতে পৱম আনন্দ মিলিত।

পথিকজন—হে মাই! ঐছন তোহাৱি বালক হামো নাহি পেখিয়ে।

পদ।

বিহানে বজাইল খেড়ি খেলাইবাৱ তৱে।
ভৈগৈল বিয়াল পুতা এভো নাইল ঘৱে॥
যমুনাৱ তীৱে তীৱে ফিৱে নন্দজায়া।
ভৈল অচেতন সতী পুত্রক নপায়া॥
নয়নে নিগড়ে নীৱ কান্দে যশোমতী।
কাহে গৈলা পাইবোঁ লাগ পুতা যদুপতি॥
ধৱণী লুটিয়া মুকচিত ভয়ো নাই।
কহয় মাধৱ হৱি বিনে গতি নাই॥

সূত্র ওহি প্রকাৱে যশোদা কৃষ্ণক বিচাৱি নপাই পৱম চিন্তায়ে কান্দি কান্দি মুকচিত হুয়া মাটি লোটি পড়ল। তদনন্তৱে এক গোপী আসিকহু যশোদাক আগে কৃষ্ণক বাত যে কহল তাহেক শুনহ।

গোপী—আহে মাই যশোদে! তোহোঁ কি নিমিত্তে এত ক্রন্দন কৱহ।

যশোদা—হে মাই গোৱাৱী! তোহো হামু অভাগিনীত কি পুছহ? হামু অনেক পুণ্য কৱিয়ে দেৱতাক ৱৱে কৃষ্ণক পুতা পাৱলোঁ। সে প্রাণপুত্র কৃষ্ণ খেৱি খেলাইতে বিহানে বজাৱল, বিয়াল ভৈগৈল এখনো নহি পাৱলোঁ। সে প্রাণপুত্রক বিচাৱি নপাই হামাৱি প্রাণ কৈছে ৱহব।

গোপী—হে মাই যশোদে! তোহোঁ ওহি নিমিত্তে ক্রন্দন কৱহ, তোহোঁ তাপ তেজহ, তাপ তেজহ। তোহাৱি বালক হামু দেখলোঁ। তাহেক বাত কহছি, তা শুনহ।

গীত—বড়াৱি একতাল।

ধ্রুং।

তেজহু তাপ শুনহ মেৱি মাই।
হামু দেখলোঁ তেৱি বালক কানাই॥

পদ।

লৱনু চোৱ ধৱি আছয় গোৱালী।
কৱত কানাই চোৱ চাতুৱালী॥
পৱাকহোঁ লোক মানত হৱি সাক্ষী।
হাতক লৱনু গোপিনী মুহে মাখি॥
বোলত কানাই হামু কৈছে চোৱ।
তুহু চুকণী মুখহি সাক্ষী তোৱ॥
লাজল গোপী উত্তৱ নাহি আটে।
দেখলোঁ কানাই জিনল ৱাজৱাটে॥
আঞ্চোৱে ধৱি আনত হৱি টানি।
কাতৱ কৱত গোপী ভঙ্গ মানি॥
শুনিয়ে তাপ তেজল যশোমাই।
কহয় মাধৱ গতি বালক কানাই॥

গোপী—হে মাই যশোদে! তোহো তাপ ত্যজহ, হামু তোহাৱি বালক কানাই দেখলোঁ। এক গোৱালীক লৱনু চোৱ কৱিতে ঘৱ মহ পৈশল। তাহে পেখি সে গোৱালী লৱনুচোৱ ধৱয়ে ঠিক। শ্রীকৃষ্ণ তাহেক উত্তৱ কৱইছে। আহে ঢাণ্ডী হামু কৈছে চোৱ। বালকসনে ৱাজমার্গে ফুৱত। তোহো আপনে দধিখায়া হামাক চোৱ বোলত। তাহে শুনি গোপী পৱাক গোপী সাক্ষী মানত। শ্রীকৃষ্ণ আপন হাতক লৱনু গোপীক মুখে মাখিয়ে বোলত। আহে গোপী সৱ, দেখু, দেখু, আৱৱ সাক্ষীত কমন প্রয়োজন; উনিকৱ মুখহি সাক্ষী। শুনি গোপী লাজ পাৱল। কৃষ্ণক উত্তৱে আণ্টৱে নাহি পাৱি গোপীসব ভঙ্গ মানল। তাহে পেখি শ্রীকৃষ্ণ আঞ্চোলে ধৱি টানি আনত। গোপী কাতৱ কয়ে বোলত। হে কানাই! তোহো হামাক ছোড়হ। তোহাক হামু লৱনু দেৱব। তাহে শুনি শ্রীকৃষ্ণ গোপীক ছাড়ল। গোপী কৃষ্ণক লৱঁনু দেলহ। শ্রীকৃষ্ণ তাহেক ভোজন কৱিয়ে আনন্দে নৃত্য কয়ল। আহে মাই যশোদে! তোহো

কি পুণ্য কয়ে শ্রীকৃষ্ণক পুত্র পাৱল। শ্রীকৃষ্ণ সব গোকুলবাসীক আনন্দ কৱাৱয় ঠিক! অব তোহাৱি কানাই বহুত চোৱ চাতুৱীয়ে গোপীক ভঙ্গ কৱাই নানাবিধ কৌতুক নৃত্য কৱিয় ঠিক। ইহা জানি হে মাই! চিন্তাশোকে ছাড়হ।

সূত্র—তদনন্তৱে যশোদা আপোন পুত্রক শুভ বাত শুনিয়েকহো, গোপীক ভঙ্গ কৱাই নানাবিধ কৌতুক নৃত্য কৱিয়ে ঠিক, ইহা শুনি চিন্তাশোক ত্যজিয়ে পৱম হৱষিত ভেল।

যশোদা—আহে গোৱালী, কোনখানে হামাৱি বালক ঠিক, তথি হামাক নিয়া যাৱ।

গোপী—হে মাই! চলহ, চলহ। হামাৱি সঙ্গে আৱ।

সূত্র—ওহি বুলি গোপী যশোদা গৈয়া গোৱালীসৱক থানে শ্রীকৃষ্ণক দেখাৱল। শ্রীকৃষ্ণ গোপীসৱক মধ্যে নৃত্য কয় ঠিক। আপোন পুত্রক দেখিয়ে যশোদা সৱ শৰীৱ জুড়াৱল। কৃষ্ণক কোলে কয়ে, গলে বান্ধি বদন চুম্বন কয়ে পৱম আনন্দ পাৱল। শ্রীকৃষ্ণ মাৱক স্তনপান কয়ে, মাৱক বদন নিৱিখি কান্দি কান্দি গোপীক সব বৃত্তান্ত শুনাৱল। শুনি যশোদা গোৱাৱীসবক গাৱি দিয়ে যৈছন বোলল, তা দেখহ শুনহ।

যশোদা—আহে ঢাণ্ডী গোৱালীসব! দাসীক দাসী, তোহা সব হামাৱ ওহি বালক শ্রীকৃষ্ণক চোৱ বুলিয়ে কলঙ্ক কৱছি; ছিঃ! তোৱাসবক মুখে ছাৱ পড়োক। হে বাপু কৃষ্ণ! ওহি বান্দীসবক থাৱে আৱৱ নাহি আৱৱি। হামাৱ ঘৱে দধি দুগ্ধ লৱনু কে পুছত? যত খাইতে পাৱ তত হামু দেৱব। তোহাৱি পাৱৱ বালাই লওঁ। আহে বাপু! তোহো হামাৱ কোটি পুরুষক দেৱকো দেৱতা, মাথাক মুকুট, গলাৱ সাতসৱি, বুকৱ শীতল চন্দন।

সূত্র—ওহি বুলি যশোদা, গোৱালীসৱক ঠেঙ্গনা দিয়ে খেদাইকহো আপোন আঞ্চোৱে কৃষ্ণক ধূলা ঝাৱি বুকে বান্ধি কোলে কৱি বদন চুম্বন দিয়ে পৱম আনন্দে আপন গৃহে আনি শীতল জলে স্নান কৱাই পঞ্চামৃত ভোজন কৱাৱল। সুগন্ধ চন্দনে দিব্যবস্ত্র অলঙ্কাৱে ভূষিত কৱাই কৃষ্ণক সুন্দৱ বদন নিৱখিয়ে মোক্ষতো অধিক আনন্দ লভিয়ে পৱম সন্তোষে ৱহল। আহে সভাসদ লোক! শ্রীকৃষ্ণক পৱম কৃপালু গুণ দেখহ। কোটি ব্রহ্মাণ্ডক ঈশ্বৱ হুয়া নন্দক গৃহে বেকত হুয়ে নানান বিনোদ নৃত্য কয়ল। ইহাক শ্রৱণ কীর্ত্তন কৱিয়ে সব লোক সংসাৱ ঘোৱ নিকাৱ তৱৱ। ইহা জানি শ্রীকৃষ্ণ চৱণে শৱণ সাৱ কৱিয়ে নিৱন্তৱে হৱিবোল হৱিবোল।

———

ভূমি লোটোৱা

শ্রীকৃষ্ণায় নমঃ ॥

শ্লোক।

মুগ্ধং লিপিতদুগ্ধং দধিকণদিগ্ধং ঘনাঘনস্নিগ্ধম্।
অসুৱমিৱ তাকিতং কাঞ্চনগোপ বালকং বন্দে ॥

সূত্র—আহে সামাজিক লোক, যে চৱাচৱ গুৰু নাৱায়ণ সৰ্ব্বলোক হিত কাৱণে নন্দক মন্দিৱে বেকত হুয়াকঁহো কপট গোপবেশে পৱম মঙ্গলৰূপ নানান ৱস খেলন কয়কহু যশোৱাক মন সন্তোষিয়ে যৈচন ক্রিড়া কয়ল, তা দেখহ শুনহ। নিৱন্তৱে হৱিবোল ॥

গীত—আসোৱাৱি, পৱিতাল।

ধ্রুং।

খেলত গোবিন্দ যশোৱাক সঙ্গে।
মানৱি ভাৱ দেখাৱত ৱঙ্গে ॥

পদ।

সৃষ্টি স্থিতি লয় কাৱণ যোই।
যাকৱ লীলা জানত নাহি কোই ॥
সোহি মহেশ্বৱ গোপ কুমাৱা।
লোক তাৱণ হেতু কৱত বিহাৱা ॥
যোহি কৃপাময় দেৱক দেৱা।
মুকুতি বিবন্ধন যাকৱ সেৱা ॥
নানান ৱসে খেলে সোহি দয়ালা।
কহয় মাধৱ গতি বাল গোপালা ॥

সূত্র—তদন্তৱ শ্রীকৃষ্ণ এক দিবস সে যশোৱাক মন্দিৱ পশিয়ে খীৱ লৱনু চুৱি কৱি খাৱল। সোহি সময়ে যশোদাক দেখিয়ে ভয়ে জননীক ভাণ্ডিতে যৈচে কপটকয় কান্দিতে লাগল, তা দেখহ শুনহ।

শ্লোক।

নিত্যং নৱনৱনীতং কেন চ পীতং পয়ঃকুম্ভে মুৱাৱি।
ইতি সমুদ্দিশ্য লুঠন্তং ভূমৌ বালং নমামি বালগোপালম্ ॥
এবং ভুতং ভূমৌ লুঠন্তং গোপালং নমামি ॥

সূত্র—সকল নাগৱ চূড়ামণি আপুন হাতক বংশী আঁৱ কৱিয়ে খীৱ লৱনুক ভাণ্ড গড়ায়া মাটি লোটি যৈচে কান্দিতে লাগল তা দেখহ।

গীত—ভাটিয়ালি—একতালি।

ধ্রুং।

ভূমি লুটি কান্দে গোপীনাথ ভাণ্ডিতে মাৱৱে।
চুৱি কৱিয়া খীৱ লৱনু খাৱে, ভাণ্ড নিজৱে ॥

সূত্র—ঐচন ক্রন্দন পেখি যশোৱা পুত্র স্নেহে পৱম আকুল হুয়া পুছত।

যশোদা—আহে বালক, তুহো কি নিমিত্তে মাটি লোটি ক্রন্দন কৱহ।

শ্রীকৃষ্ণ—আহে মায়ি যশোদে, ওহি ভাণ্ডক মধ্যে নৱ নৱনি থৈয়াছিলোঁ, তাহেক কে নিয়া গেল। ওহি ভাণ্ড মধ্যে ঘন খীৱ থৈয়াছিলোঁ তাহেক কেবা খাইলেক।

পদ।

কেবা নিয়া খাইলে মোৱ এনৱ লৱনি।
ওহি বুলি হুমহুমি কান্দে যদুমণি ॥
ঘন খীৱ ফুটি থৈয়াছিলোঁ তাৱো গেলা খায়া।
ওহি বোলি কান্দে কাণু ভাণ্ডটি গড়ায়া ॥

শ্রীকৃষ্ণ—আহে মায়ি, হামু কি কহব। হামাৱ পৱম সুন্দৱ বংশী এথায়ে থৈয়াছিলোঁ, তাহে কে লৈয়া গেল। আৱ হামাৱ কি হৈতে ৱহল।

শদ।

এথায়ে আছিলা বাঁশী কেবা নিল তাৱে।
এতিনি প্রমাদ মোৱ ভৈল একেবাৱে ॥
এহি বুলি গেৱি পাৱি কান্দে যদুৱাই।
কহয় মাধৱ গতি বালক কাণাই ॥

সূত্র—ওহি বুলি জগতক ঈশ্বৱ শ্রীকৃষ্ণ মায়ক ভাণ্ডিয়ে মাটি লোটি ক্রন্দন কয় ৱোষ কৱিয়ে ৱহল। তাহে পেখি

যশোদা পুত্রস্নেহে নানাৱিধ কাকুতি কৱিয়ে যৈচে শান্ত কৱিতে লাগল, তা দেখহ।

গীত—শ্রীযতি।

ধ্রুং।

গোপাল শুনৱে বাপ ৱোষ কৱ দূৱ।
তোমাৱ পাৱৱ বালাই লঞো মঞি বাপেৱ ঠাকুৱ ॥

যশোদা—আহে পুত্তা শ্রীকৃষ্ণ, তোমাৱি পাওতে লাগো। অকণ অধর বালাই সেঞোঁ। ওহি শ্যাম শৱিৱক অৱস্থা দেখিয়ে কৈছে মৱিয়ে নজাঞো। তোহাৱি ঐচন অপমান পেখিয়ে হামাৱ হৃদি সহয়ে নাহি। আহে বাপু ৱোষ তেজহ, উঠহ উঠহ।

পদ।

মাণিক জিনিয়া জলে দুখানি অধৱ।
ৱোষ দুখ ভৱে আতি ভৈ গৈল ঝামৱ ॥
কান্দিতে কান্দিতে পুত্র ৱদ পাইলা দুখ।
নেত্র জলে মলিন সুন্দৱ চান্দ মুখ ॥
হাটে বাটে গেল দাসী সকলে তোহ্মাৱে।
যমুনাৱ গেলো হামু নীৱ ভৱিবাৱে ॥
তোমাৱ বাপ নন্দঘোষ তাঞি নাহি ঘৱে।
সকলো লৱনু খাইলে পোষন বান্দৱে ॥

যশোদা—আহে পুত, তোহাৱি বানৱে সকল লৱনু খাৱল। তুহু হামাত ৱোষ কৱিয়ে মাটি লোটি কৈচন ক্রন্দন কৱস। ওহি মাণিক পুতলি শৱিৱ ধূলি ধুসৱিত ভেল। ইহা দেখি হামাৱ ৱৱি দুখ লাগে। ৱাচু ক্রন্দন চোৱহ চোৱহ।

পদ।

দুর্জ্জন বানৱে দিলে আপুনি আসঙ্গ।
সে খাই লৱনু খানি মোৱে কেনে খঙ্গ ॥
খাইলে খাইলে মাৱিৱো বানৱ পাইলে লাগ।
এখনে কাতৱ কৱো এৱা ৱোষ ৱাগ ॥
তোমাৱ বানৱে খাইলে মোৱ কিৱা ঘাটি।
হামাত ৱোষে ৱাগৱ গাৱে লাগে মাটি ॥
মাণিক পুতলি তনু ধূলায়ে ধুসল।
কান্দিতে ভাগিল গলা হেলায়ে ৱিকল ॥

সূত্র—ওহি বুলি ধূলা ঝাৱি তুলি কোলে কৱিয়ে যশোদা যে বোলল তা শুনহ।

যশোদা—আহে পুতা, হামাৱ মন্দিৱে ধৱি দুগ্ধ লৱনু কোন বস্তু সম্পূর্ণ নাহি থিক; তুহু যত খাইতে পাৱ হামু তাহে দেৱৱ। তুহু ৱোষ দুখ সৱ চোৱহ।

কৃষ্ণ—আহে মায়ি, হামু ক্ষুধায়ে পীড়িত হুয়াছি। হামাক লৱনু দেৱহ।

যশোদা—আঃ অখনে গোৱাল সৱে দধি আনব, তাহেক হামু মথিয়ে নৱিন লৱনু দেৱৱ। চিনি কর্পূৱ মাখিয়ে খীৱৱ লাড়ু দেৱৱো, তুহু তাহেক আনন্দে ভোজন কৱৱি। যদি হামাৱ বচনে সঙ্গাত নাহি যাৱত, তবে পৱাক গোপী সাখী কৱহ।

পদ।

এখনে আনিৱ দুধ মথিৱো আপুনি।
যত পাৱা খাইৱো দিব ঐ নৱ লৱনি ॥
খিৱৱ লাড়ু সাজি দিৱো চিনি কয় মাখি।
সঙ্গাত নাযাৱ পাৱা লোকক কৱ সাখি ॥
এৱোল শুনিয়া হৱি তেজল ৱোদন।
ধূলা ঝাৱি কোলে লৈয়া মায়ে দিলা স্তন ॥
স্তন পান কৱি হাসি তোলে নাৱায়ণ।
কহয় মাধৱে গতি নন্দৱ নন্দন ॥

সূত্র—ওহি ৱেলি যশোৱা কৃষ্ণক কোলে তোলি তৎকাল স্তন পান কৱাইতে শ্রীকৃষ্ণ যশোৱাক যৈচন ভাৱে পৱকাশ কয়ল তা দেখহ।

গীত—শ্যাম—পৱিতাল।

ধ্রুং।

যশোৱা গোপাল কোলে নিছে।
ৱয়ন ভৱি ঘন চুম্বন দিছে ॥

পদ।

কৱহু ভৱি হৱি চান্দ ৱয়ান।
পুৱল মন পয়োধৱ পানে ॥
কৱহু ৱয়নে হেৱি হেৱি হাসে।
জগতক হৱি যশোৱা কোলে ভাসে ॥
সনক সনাতন যা কৱু সেৱা।
যশোৱা কোলে সোহয় সোহি দেৱা ॥
ভপত ৱৎসল হৱি দীন দয়াল।
কহয় মাধৱ গতি বাল গোপাল ॥

সূত্র—ঐচন পৱ কাৱে শ্রীকৃষ্ণ মায়ক ভাণ্ডিৱে লৱনু ভুঞ্জিয়ে কোলে চৱি স্তন পান কৱিয়ে পৱমানন্দে যৈচে লৱনু মাগল তাহেক দেখহ।

গীত—শ্রী—যতিমান।

মাগে লৱনু হৱি যশোৱাকু আগে।
কৱ পাতি বোলয় লৱনু মেৱি লাগে ॥

শ্রীকৃষ্ণ—আহে মাই যশোদে, হামাক তুহু লৱনু দিতে অঙ্গিকাৰ কৰয়ি। সোহি লৱনু হামাক সত্বৰে দেহ। আজু লৱনু নাপায়া তোহাক চাৰব নাহি। তুহু হামাক লৱনু সহিয়ে বাৰম্বাৰ ভাণ্ডি আছ; আজু চাৰব নাহি।

পদ।

পুৰুবে বুলিয়া আছা লৱনু দিবাৰে।
সোহি লৱনু মাই লাগয়ে হামাৰে।
লৱনু নাপাইলে আজি নাচাৰিবো তোৰে॥
গুণি চাৱা বাৰে বাৰে ভাণ্ডি আছা মোৰে॥

যশোদা—আহে বাপু শ্রীকৃষ্ণ, আজু লৱনু গৃহে নাহি, আন দিবসে দেৱবো।

সূত্র—পুনু শ্রীকৃষ্ণ মাৱক আঞ্চোৰে ধৰি বোলে।

শ্রীকৃষ্ণ—আহে মায়ি যশোদে, তোহাৰি বচন সঞ্জাত নাহি; এত বোলি হামাক লৱনু দেৱব নাহি। লৱনু নাপায়া তোহাক কতিহু যাইতে নাহি দেৱবো।

পদ।

মাৱৰ আঞ্চোৰে ধৰি বোলে নাৰায়ণে।
লৱনু নাপায় আদি চাৰিবো কমনে॥
থৈয়াছিল হয়ঙ্গমী হৰি পূজিবাৰে।
এড়াইতে নাপাৰি মাই দিলা আনি তাৰে॥

সূত্র—কৃষ্ণক নিবন্ধ দেখিয়ে হৰিক পূজা নিমিত্ত হয়ঙ্গমী নবিন লৱনু থৈয়াছিল। তাহেক যশোৱা কৃষ্ণক দেলহ। সোহি লৱনু ভোজন কৰিয়ে শ্রীকৃষ্ণ যৈচন নৃত্য কৰত তা দেখহ।

পদ।

নবিন লৱনু পায়া পৰম কৌতুকে।
চৰাচৰ গুৰু হৰি ভুঞ্জিলা উৎসুকে॥
লৱনু ভুঞ্জিয়া নাচে ত্রিজগত পতি।
কহয় মাধব হৰি পদ ৰেণু গতি॥

সূত্র—আহে লৌকাই, যোহি শ্রীকৃষ্ণক চৰনাৰবিন্দ ব্রহ্মাদি দেৱতা সবো সদায়ে সেৱত, মহা মহা যজ্ঞে যাক তুষ্ট কৰাইতে নাহি পাৰত, সোহি পৰমেশ্বৰ ভকতিক বশ্য হুয়া গোৱালীক ধামে লৱনুক মাগিয়ে পৰমানন্দে ভোজন কৰল। ঐচন কৃষ্ণক মহিমা। ইহা জানি কৃষ্ণক মনে ধৰিয়ে নিৰন্তৰে হৰি বোল হৰি।

পিম্পৰা গুচোৱা

শ্রীকৃষ্ণায় নমঃ।

শ্লোক।

কস্তং বাল! বলানুজী; স্তমিহ কিং? মন্মন্দিবাশঙ্কয়া;
বুদ্ধং তন্নবনীত কুম্ভবিবৰে হস্তং কিমর্থং ন্যসঃ।
কর্ত্তুং তত্র পিপীলিকাপনয়নং; সুপ্তা কিমুদ্বোধিতা বালা?
বৎসগতিং বিবেক্তুমিতি সংজল্পন্ হৰিঃপাতুবঃ॥
বদনে নৱনীত গন্ধবাহং, বচনে তস্কৰ-চাতুৰি-ধুৰীণম্।
নয়নে কুহকাস্ত্রমাশ্রয়েহহং, চৰণে কোমল তাণ্ডবং
কুমাৱম্॥

শ্রীগান্ধাৰ—পৰিতাল

ধ্রুং।

এ মোৰ ঘৰে কোন তুমি বোলয় গোৱালী।
বলাইৰ কনিষ্ঠ মঞি বোলে বনমালী॥

গোপী—আহে বালক! হামাৰ মন্দিৰে তুহু কে?

শ্রীকৃষ্ণ—আঃ হামাক নাহি চিনহ! হামু বলভদ্রৰ কনিষ্ঠ ভাই।

পদ।

গোপী বোলে এথা তুমি আইলা কি কাৰণে॥
মোৰ ঘৰ বুলি আইলো বোলে নাৰায়ণে॥

গোপী—আহে বালক! তুহু বলাইক কনিষ্ঠ! আঃ জানল, জানল। কি নিমিত্তে এথা আৱলি থিক!

শ্রীকৃষ্ণ—আহে গোপি, হামু হামাৰ মন্দিৰ বুলি আৱলো, পথ বিছোড়লো।

পদ।

জানিলোঁ আসিলা তুমি ঘৰ নজানিয়া।
লৱনু কলসে কেনে আছা হাত দিয়া॥

গোপী—হে কৃষ্ণ! তুহু ঘৰ নাহি জানি আৱল। ইহাত কোন দোষ নাহি। হামাৰ লৱনু কলস ভিতৰে কৈচন হস্ত নিবেশয়ে থিক।

শ্রীকৃষ্ণ—আঃ হামাক বড় দোষ পাৱল। ওহি পিপীলিকাসব লৱনু নাশ কৰল, ইহাক দূৰ কৰিতে হাত দিয়াছি।

পদ।

হৰি বোলে গোপী বড় দোষ পাইলি বাছ।
পিম্পৰা গুচাইতে লাগি হাত দিয়া আছি॥
গোপী বোলে উপকাৰ কৰি আছ ভাল।
কিসক জগাইলা মোৰ নিদ্রাৰ ছৱাল॥

গোপী—হে কাণাই! তুহু হামাক ভাল উপকাৰ কৰল॥ অঃ নিদ্রাৰ বালক কিসক জগাৱলি!

শ্রীকৃষ্ণ—হে গোৱাৰি! ওহি বালক সমে থেনু ৰাখলোঁ। হামাৰ এক বাছক নাহি পাৱত। তাহেক পুছিতে ওহি বালক জগাৱলো।

পদ।

কাণু বোলে বৎস মঞি বিচাৰি নপাইলো।
তাৰে পুছিবাৰ তৰে ছৱাল জগাইলো॥
গোপী বোলে শুন অৰে টেটন কাণাই।
তোহাৰ মুখত দেখো লৱনু গন্ধাই॥

গোপী—হে কাণাই! তুহু বৰি নাগৰ! হামাক সকল লৱনু খাই ঝুঠা বাত কহইছ। যব তুহু লৱনু নাহি খাৱল তব বচন বুলিতে তোহাৰি বদন হস্তে কৈচন লৱনুক গন্ধ বাঝ হুই!

শ্রীকৃষ্ণ—হে গোৱাৰি! তুহো বৰি দাৰুণ হৃদয়া। আপুন জিহ্বা ৰাখিতে নপাৰি আপোন গৃহে লৱনু খাৱলি। আৱে ভাতাৰক ভয়ে হামাক অপযশ দেৱস। হামাৰ ঘৰে লৱনু কে পুছত, খাইবাক নপাই তোমাৰি ঘৰে চুৰ কয়ে লৱনু খাৱলোঁ।

পদ।

কাণু বলে শুন অৰে গোপী নিদাৰুণি।
তেহোৰ মুখত গন্ধ তঞিসে চুৰুণী॥
শুনিয়া গোপীনি খুজি নপাইলা উত্তৰ।
মিছা মাতি গোপীৰে ভাণ্ডিলা দামোদৰ॥
সকলে কলাৰ গুৰু প্রভু নাৰায়ণ।
গোপীক ভাণ্ডিলা তুমি এ কোন যতন॥

কহয় মাধৱ হৰি চৰণ তোমাৰ।
মিচা মাতিবাৰ হৰি কোন ব্যৱহাৰ॥

সূত্ৰ—হে সামাজিক! শ্রীকৃষ্ণক ঐচন বাণী শুনি গোপী উত্তৰ নাহি পাৱল। পৰম লজ্জিত হুই পুনু শ্রীকৃষ্ণক যে বোলন্থ তা শুনহ।

গোপী—হে কানাই! তোহোক হামু উত্তৰে নাহি পাৱল। আজু তোহাৰি মাৱক আগুসৰ কথা কহিয়ে হামু তোহাক যে জানো তা কৱব।

সূত্ৰ—ওহি বুলি গোপী পাৰাক গোপীসব ডাকিয়ে এক থান হোই সবহি গিয়া যশোদাক আগু কহল।

গোপী—আহে মাই যশোদে! তোহাৰি বালক কাণাই হামাক যে যে অপকাঁৰ কৱত তা শুনহ। হামাক গৃহে দধি দুধ লৱনু ৱহয়ে নাহি। শ্রীকৃষ্ণ বানৰ সহিত সব নাশ কয়ল।

অপৰ গোপী—হে মাই! ওহি কৃষ্ণক কথা কত কহব! হামাৰ সঞ্চিত লৱনু চুৰি কৰি খাই জোখাক ভাণ্ড ভাঙ্গি পেলাৱল।

অপৰ গোপী—হে মাই! ওহি কাণাইক হামু চোৰ ধৱল। হামাক ভাণ্ডিত বহুত উত্তৰ দেলহ। হামাক যে বোলল সে কথা কহিতে হামাৰ সে লাজ। ওহি কানাইক কথা হামু কত কহব! কৃষ্ণক নিমিত্তে হামু ৱহয়ে নাহি পাৰি।

যশোদা—হে বালক যাদৱ! তুহু গোৱালক পাৰা কতিহু যাৱব নাহি। তোহাৰি অপযশ হামু কত সহব। হামু যে কহি তা শুনহ।

গীত—শ্রী—যতি তাল।

ধ্রুং।

নাযায়ো তুমি গোৱালীৰ পাৰা।
কতনো সহিবো মঞি তোমাৰ ঝগড়া।

পদ।

কেহো বোলে চুৰি কৰি খাইলে লৱনি।
সব দধি দুধ খাই বোলে কেহো জনী॥
কেহো বোলে ভাঙ্গিলে জোখাৰ মোৰ ভাণ্ড।
এমন বয়সে তুমি এতমান চাণ্ড॥
মোহোৰ ঘৱৰ দধি মন দেঞো যদি।
প্রতি দিনে দিনে বোৱাইবাৰ পাৱো নদী॥
তথাপি নোৱোৱে হৰি খাইবাক তোমাৱে।
চুৰি কৰিবাৱে যাৱ পাৰাৰ ঘৱে ঘৱে॥
নানান সুৱস কৰি নানান বাখৱে।
যতন কৰিয়া সাজে খাইবাৰ তোমাৱে॥
যত পাৰা মানে খাৱ পেট ভৰি ভৰি।
দুখীৰ ছৱাল যেন ফুৰ চুৰ কৰি॥
আৰ যদি যাৱ তুমি গোৱালীৰ বাৰি।
তেমনে মাৰিবো যেন গাৱে থাকে খাড়ি॥
কহয় মাধৱ মাই গালি পাৰ কাৱে।
ওহিতো নিৱন্তা হৰি আতমা সবাৱে॥

যশোদা—হে পুতা! তোহাৰি বাপ নন্দ সব গোকুলক ৰাজা। হামু তাহেৰ পত্নী। হামাক উদৱে জনমি তুহু ঐচন দুর্জ্জন ভেলি। হামাক গৃহে দধি নাহি, দুধ নাহি, লৱনু নাহি, সন্দেশ নাহি, কোন বস্তু নাহি তোহাক হামু খাইতে নাহি দেসি। তুহু কি ভোজন নাহি নাহি কৱত। কঙ্গালক ছৱাল যৈচন তদ্বৎ বেড়াৱ। আজু তোহাক শিক্ষা দেৱব। গোৱালক পাৰাক যৈচন নাহি যাৱ।

সঙ্গী—হে মাই! তোহো কাহে ঐচন গাৰি দেসি! ওহি জগতক আতমা ব্রহ্মা রুদ্রাদি দেৱতা সবো যাহেৰ আজ্ঞাবাণী পৰম সাদৱে বহত, তাহোক তুহু নিয়ম কৰিয়া চাৱ, উচিত নোহে।

শ্রীকৃষ্ণ—হে মাই! তুহু কতিহো গাৰি নাহি দেৱব। তুহু বাৰম্বাৰ যত অপমান দিয়া আছ, তাহে হামু সহইছি। অব বচনেক বোলো তা শুনহ।

গীত—ভটিয়ালি

ধ্রুং।

আ লো মাই গালি তুমি নাপাৰিবা মোৰে।
যত অপমান মোৰে দিয়া আছা বাৰে বাৰে
ভালে আমি সৈয়া আছো তাৰে॥

পদ।

কোন চাৰ পুৰাতন, সে কড়া দুইৰ ধন,
কলসী ভাঙ্গলো দেখি ৰাগে।
হৈৰাৰ নৰৈল মোৰ যেন পায়া খাট চোৰ
ৰান্ধিলা গৰুৰ লৈয়া পাগে॥
এই অপৰাধ খানি নসৈলা নন্দেৰ ৰাণী
আৱৰ সহিবা তুমি কি।
তোমাৰ লক্ষণ দেখি জগতে জানিলে তুমি
যেন বৰ মানুষৰ ঝি॥
তপ জপ যজ্ঞ যত নাহি দান পুণ্যব্রত
আছিলা জনম আঠুকুৰি।
আমি পুত্র হুয়া আসি সে দোষ কৰিলো দুৰ
আৱে তোমাৰ আমাত চাতুৰি॥

অতি নিদাৰুণ জানি যুৱা কালে হুপজিলো
বৃদ্ধকালে পুত্র ভৈলো এথা।
সামান্য নাৰীয়ো জানে বৃদ্ধ হুয়া নাজানিলি
আপুন পুত্রৰ দায়া বেথা॥
জগৎ ঢাকিয়া ঘোৰ দুর্যশ থাকিল মোৰ
নাকৈলা আমাৰ কোন কাম।
যত উপকাৰ গুণ সকলে ঢাকিল দিয়া
আমাৰ লৱনু চোৰ নাম॥
ৰাজাৰ কুমাৰ হৈয়া গৰু চাৰি খাঞো ভাত
দুর্গম সঙ্কট বনে বনে।
তথাপিতো আমি ভাল বোলাইবাক নপাৰিলো
আৰ ভাল বোলাইবো কমনে॥
সহিয়া থাকিলে ভাল সকলে জগতে বোলে
উচিত বলিতে লাগে দন্দ!
যত বোল মাত মানে সকলে শুনিলোঁ আমি
তথাপিতো আমি ভৈলো মন্দ॥
অপমান সহিবাক নপাৰি পলায়ে যাইবো
কংসৰ নগৰী মথুপুৰী।
আমাক নাপায়া লাগ কান্দিয়া মৰিবা পাচে
সকলো ভাবনা হৈব চুৰি॥
যাহাৰ মায়াৰ অন্ত ব্রহ্মা হৱে নপাৱন্ত
হেন হৰি চাতুৰী খেলাই।
কহয় মাধৱ প্রভু আৰ কিছু হুবুলিয়ো
তোমাৰ জননী দুখ পাই॥

শ্রীকৃষ্ণ—হে মায়ি! তুহু বিস্তৰ নাহি বোলব। হামু তোহাৰি ভৎর্সনা সহব নাহি। কোন চাৰ পুৰাতন কলস ভাঙ্গল কড়া দুইক ধন হানি কয়ল, তাহেক গাৱে নাহি সহল, আৰ কি সহব? তোহাৰি ভাব দেখি সবলোকে জানল তুহু যৈচন বৰ মানুষৰ ঝিয়ৱ! অঃ হে মাই! তুহু জনম আঠুকুৰি হয়ে থিক। হামু পুত্র হুয়া সে দোষ দূৰ কয়লো। অব হামাক আগে চাতুৰি লগায় আঃ কি দাৰুণ হৃদয়! আপুন পুত্রত দায়া নাহি জানত। জগত ঢাকিতে লৱনু চোৰ নাম দেলহ। আৰ হামাক কি কৰিতে কি বহল। অব অপমান সহিতে নপাৰি পলাৱব। তোহাৰি ভাৱনা চুৰ কৰব। হামাক নপাই পাচু কান্দি মৰব।

সঙ্গী—হে পৰমেশ্বৰ। আৰ কিচু নাহি বোলব। তোহাৰি জননী দুখ পাই। তোহাৰি মায়াৰ অন্ত ব্রহ্মা আদি দেৱতা সবো নাহি পাৱত। সামান্যক কি কহব? হে পৰমেশ্বৰ! তোহাৰি অভয় চৰণে কোটি পৰণাম কৰো।

সূত্র—হে সামাজিক লোক, পৰম ঈশ্বৰ শ্রীকৃষ্ণ কৃপা-গুণে অৱতৰি নানা বিনোদ কয়ল। ইহাক শ্রৱণ কীর্ত্তন কৰি সুখে সংসাৰ-তৰব, জানি কৃষ্ণ চৰণে মন থিৰ কৰি নিৰন্তৰে হৰি বোল হৰি।

——

ভোজন ব্যেৱহাৰ

শ্রীকৃষ্ণায় নমঃ।

শ্লোক।

নমঃ শ্রীকৃষ্ণা বাসুদেৱানন্দ শাক্ত।
নমো নাৰায়ণাখিল গুৰো ভগবন্নমস্তে ॥
নমো ব্রহ্মমূর্ত্তি শ্রীহৰে বিশ্বাশোক।
কমল নয়নাচ্যুত নমস্তে নমস্তে ॥

অপিচ।

বেদানামর্থ তত্ত্বজ্ঞং শ্রীশঙ্কৰ ৰূপিনম্।
বন্দে ত্বাং পৰমানন্দং সর্ব্বভূতবিনাশকম্ ॥

ভটিমা।

প্রাতঃ সময়ে যশোৱা জননী
মুখ চুম্বিত শ্যাম জগাৱনকু।
উঠ মেৰি লাল মদন গোপাল
আৱে তৰি গোৱাল বোলাৱনুকু।
অব কটিয়া লেহু মাখন চঙ্কোপৰি
মুকুৰী লেহু বজাৱনকু।
বৃন্দাবনে যাহি আনন্দ কৰু যমুনা তটে
ধেনু চৰাৱনকু ॥
ছোৰি ভৱন চলু নন্দ নন্দন
গোধন চাৰণ কাৰণ ৰে।
দাম সুদাম সখি সব মিলল
আনন্দে গোবিন্দে খেলাৱত ৰে ॥
শত শত বংশ বিমল তৰল
নবীন চলাৱত ৰে।
শিঙ্গা উপাঙ্গ বেণু মহ বাজত
হেৰ গোৱাল বুলাৱত ৰে ॥
গিৰিপতি ধ্যান তেজি অৱধান
মুকুৰিক সান বিমোহিত ৰে।
তোহো জগন্নাথ কি দাস মাধব
মুহ ভৰি ৰাম কহাৱত ৰে ॥

সূত্র—আহে সামাজিক লোক, যে চৰাচৰ গুৰু নাৰায়ণ, যাকেৰি শ্রজনা সয়ল সংসাৰ ব্রহ্মা মহেশ বন্দিত পাদপদ্ম পৰম পুৰুষ পুৰুষোত্তম, সর্ব্বলোক হিত কাৰণে নন্দক মন্দিৰে বেকত হুয়াকহো কপট গোপবেশে পৰম মঙ্গলৰূপ নানাৰসে খেলনা কয়কহু, ব্রজবাসীসবক যৈচন আনন্দ কৰাৱল তা দেখহ শুনহ। নিৰন্তৰে হৰিবোল।

গীত—সিন্ধুৰা—পৰিতাল।

ধ্রুং।

কানু সাজে সাজে কানু সাজে সাজে
শিঙ্গাৰ নিশান বাজে ॥

পদ।

নিশি অৱসানে বাঁশীৰ নিসানে
ডাকয় চিৰি গোপালে।
ভোজন সম্ভাৰ লৈলা ভাই সব
সাজিয়া আইস সকালে ॥
আজু বন মহ কৰব ভোজন
জানিয়া শিশু সকলে।
কৰিয়া যতন সাজি দধি অন
খাইল সবে কুতুহলে ॥
গারে গারে বৎস অনেক সহস্র
চলারে গোৱাল গণে।
কৃষ্ণৰ অসংখ্য বৎস বাটি লৈয়া
চলি গৈলা বৃন্দাবনে ॥
শিঙ্গা বংশী বেত পীত ধৰা নেত
গুঞ্জ গৈরু মৈৰা পাখি।
নটবৰ জিনি আজি যদুমনি
ফিৰে বনে বৎস ৰাখি ॥
হাসিয়া মোহন বংশীটি বজারে
গোৱাল বালক সঙ্গে।
ৰূপে কোটি কাম জিনি বহু ৰসে
খেলনা খেলাই ৰঙ্গে ॥
যাক ব্রহ্মজ্ঞানী ব্রহ্ম বোলি ডাকে
বোলয় পৰম দেৱ।
মায়া বিমুহিত বোলে নন্দসুত
ব্রহ্ম কৰে যাক সেৱ ॥

অনেক জনমে যোগেশ্বৰো যাৰ
নপারে পদধূলাক।
কহয় মাধৱ আখিৰ গোচৰ
ব্রজবাসী দেখে তাক ॥

সূত্র—আহে সামাজিক লোক, শ্রীকৃষ্ণ বৃন্দাবনে নানান নৃত্য কয় যমুনাক বালি পাৱল। পৰম সুকোমল বালি পেখিয়ে শ্রীকৃষ্ণ শিশুসবক যে বোলল, তা শুনহ।

শ্রীকৃষ্ণ—আহে সখিসব, পেখু পেখু, কেমন ৰম্যস্থান; পৰম সুকুমল বালি, পদ্ম গন্ধে ভ্রমৰে আকুল কৰিছে। পদ্মক বেঢ়িয়া ভ্রমৰে গুঞ্জৰে। আহাৰ লগত বৃক্ষে মাতয়। বেলা গৈল। আসা অহিতে ভোজন কৰোহো, পানী পিয়া কাষত বৎস সব চৰোক।

সূত্র—শ্রীকৃষ্ণক বাক্য শুনিয়ে বালক সব ওহি সম্মত বোলল। ওহি বোলি বালকসবে গারে গারে গোৱৎসক জলপান কৰাৱল। আপুনো জল ভোজন কয়ল। পৰম ক্ষুধাতুৰ হুয়া কৃষ্ণক মধ্যে কৰিএ দধি ভাত মেলিয়ে ভোজন কৰত। কাহো সিকিয়া, কাহো পাশন, কাহো পুষ্পপত্র, ফল পল্লৱ নানাবিধ পাত্র বিধান কৰিএ অন্ন ভোজন কৰত। যৈচে পদ্মৰ চকাক পত্রে আৱৰল, পদ্ম কণ্ণিকা ভৈলা নন্দৰ তনয়। গোপশিশুগণ পদ্ম পত্রৰ অন্নয় খায় অন্যোঅন্যে হাস পৰিহাস কৰিএ ভোজন কৰত।

শ্লোক।

বিন্যদ্ বেণুঃ জঠৰঃ পৰমো শৃঙ্গ বেত্রশ্রীকক্ষঃ।
বাম পাণৌ স শ্রয়ত্যলং তৎ ফলন্যাঙ্গুলীষু ॥
তিষ্ঠ মধ্যে স্বপৰসুহৃদো হাসয়ন্নর্ম্মভিঃ স্বৈঃ।
স্বর্গলোকে নিন্যতি বুভুজে যজ্ঞং কৰালৈক কেলিঃ ॥

সূত্র—বাম কাখে শিঙ্গা বেত বংশী বেৰাটিত থৈয়া আঙ্গুলিত ফল বাম হাতে গ্রাস ধৰিএ সুহৃদ কৰিএ শ্রীকৃষ্ণ অন্ন ভোজন কৰত। গগনে দেৱতা গণে কৃষ্ণক ভকতবৎসল গুণ দেখিএ শিৰে কুসুম বৰিষল। তা দেখহ শুনহ, নিৰন্তৰে হৰিবোল।

গীত—ৰাগ বসন্ত—যতিমান।

ধ্রুং।

কৰত গোপাল ভোজন বেৱহাৰা।
গোপ বালক সব চৌভিতি বৈঠল,
পঙ্কজ পত্র আকাৰা ॥

পদ।

তাসু মাজে নন্দ সুত বিৰাজিত
পঙ্কজ কেশৰ সমানা।
কুসুম পাশন পত্র ফল পল্লৱ
কৰ বহু পাত্র বিধানা ॥
তাসু উদৰে থাপি অন্ন ব্যেঞ্জন
বহু বসে চাক সুগন্ধি।
দধি দুগ্ধ লৱনু চোৰ চাতুৰি ৰসে
ভোজন কৰত আনন্দি ॥
বাম কাখে শিঙ্গা বেত বেৰটি মহ
মোহন বংশী বিৰাজে।
বাম পাণি তলে থাপি অন্ন ব্যেঞ্জন
ভোজন কৰত যদুৰাজে ॥
কতিহু কৰতালি বাৱত গাৱত
কতিহু নাচত লয় লাসে।
সুহৃদ সবক হৰি বহু ৰস আনন্দে
ৰঞ্জিত হাস পৰিহাসে ॥
সকলে যজ্ঞ ভাগ ভোজন কৰত যোহি
তাসুকৰ ফলদানা।
সোহি মহেশ্বৰ ভোজন কৰত বনে
ওহি নিগম পৰমানা ॥
গগনে দেৱতাগণে ৰঙ্গ দেখত, শিৰে
ৰৰিষত কুসুম অপাৰ।
মাধৰ মুকুখ মতি জনমে জনমে গতি
হৰি পদ পঙ্কজ হামাৰ ॥

শ্লোক।

নাৰদো ভিক্ষুকব্যাজে বৃন্দাবনং গতস্তদা।
বিষ্ণো বিষ্ণো আশংস্য প্রসাদং বুভুজে মুদা ॥
মুনিৰাজস্ততঃ কৃষ্ণপাদচিহ্নাম্বুজাদিকম্।
বুভুজে শিৰসা স্পৃষ্টা প্রেমাকুলিতমনসা ॥

সূত্র—ঐচন প্রকাৰে শ্রীকৃষ্ণঃ সখিসব সহিতে ভোজন কয় থিক। সোহি সময়ে দেৱঋষি নাৰদ শ্রীকৃষ্ণক বিচাৰি যমুনা তিৰে আসিএঃ শ্রীকৃষ্ণক স্তুতি কয় বোলিতে লাগল ॥

নাৰদ হে প্রভো হামু সপ্ত বৈকুণ্ঠত বিচাৰি তোহাক নাহি পাৱলু অনন্ত সয্যাত বিচাৰি নাহি পাৱলু সুতলে বলিক ঠাই বিচাৰি নাহি পাৱলু। হে স্বামি ত্রিভুবন বিচাৰি যমুনাক তিৰে তোহাৰি পাদচিহ্ন ভেট পাৱলু তোহাক চৰণক দাসক দাস কয়ে হামাকু ভকতি দান দেহু।

তদনন্তৰ সিন্ধুবক বোলল ॥

হে ভাইসব তোৰাসবে কিসক কন্দল কৰহ তোৰাসবে হামাক কিছু প্রসাদ দেহু ভক্ষিএ ভাল-মন্দ তোহাক কহব ॥

সূত্ৰ—ঐচন বানি সুনিএ সিসুসবে প্রসাদ দেলহ নাৱদ প্রসাদ লৈয়া বিষ্ণুস্মৰি শ্রীকৃষ্ণক পদচিহ্ন-পঙ্কজ শিৱে পৱখি প্রণাম কৰিএ প্রসাদ ভুঞ্জ চলিএ গেল ॥

সূত্ৰ—ঐচন পৱকাৱে শ্রীকৃষ্ণ অন্ন ভোজন কৱত তদনন্তৰ তৃণ লোভে বৎসসব বহি দূৱে গেল। তাহেক শ্রীদাম নামে গোপে নিহালি চাৱত।

শ্রীদাম—আহে সখি সব, বৎস সব বিদূৱে গেল। দৃষ্টি গোচৱে নাহি। হামাৱ অন্ন ভোজনে কোণ অভিলাষ থিক।

সূত্ৰ—ওহি শুনি বালক সবে হাতে গ্রাস পেলাইতে চাহে। তাহে পেখি শ্রীকৃষ্ণ নিষেধ কয় বোল।

শ্রীকৃষ্ণ—আহে সখি সব, তোৱা সব অন্ন ভোজনে ছোড়বি নাহি। হামু বৎস বিচাৱি এখনে আনব।

সূত্ৰ—ওহি বোলি শ্রীকৃষ্ণ কাখে শিঙ্গা বেত, হাতে গ্রাস ধৱিয়ে বৎস বিচাৱিতে বৃন্দাবন পৈশল। সোহি সময়ে ব্রহ্মা কৃষ্ণক মহিমা পৱীক্ষা কৰিতে, বৎস বৎসপাল সব চুৱি কৰি নিয়া গেল। শ্রীকৃষ্ণ বৃন্দাবনে বৎস বিচাৱি নাপাই পুন যমুনাক বালি আৱল। অহিতো শিশুসবক নাহি দেখিয়ে ভকত বৎসল শ্রীকৃষ্ণ ভকত স্নেহে আকুল হুয়া যৈচে বিলাপ কয়ল, তা শুনহ।

শ্রীকৃষ্ণ—হা হা ৱাম বৎস সব কাহে গেল। শ্রীদাম সুদাম ভায়া সব কাহে গেল। অন্ন ভোজন আজু বইৱি পৱমাদ ভেল।

গীত—ৱাগশ্রী—যতিমান

ধ্রুং।

অন্ন ভোজন আজু বেৱি পৱমাদ ভেল।
মোৱ ভায়া সব কাহেক গেল ॥

পদ।

নাপাইলো ভায়াৱে উদিশ।
আজু ভায়া গেল কোন দিশ ॥
নদী নদ বিচাৱিলো পর্ব্বত নিজৱা ॥
গহন কাননে হামু ফিৱো একেশ্বৱা ॥
উপৱে উৱয় পাখি তাৱে পুচে কানু।
এপন্থে দেখিলা যাইতে হামাৱি বৎস ধেনু ॥
প্রাণ ভাই বলোৱামে সঙ্গে নাহি মোৱে।
বাচক হৱায়া হামু ফিৱো একেশ্বৱে ॥
গোকুলে যাইতে হামু কি বুলিবো আজি।
নন্দ যশোদা মোৱে মাৱিবে গৱজি ॥
বৃন্দাবন মাজে কৃষ্ণ বসিলা আসনে।
ব্রহ্মাই কৱিলা চুৱি জানিলা ধিয়ানে ॥
কহয় মাধব দাস অতি শিশুমতি।
পৱম আকুল ভৈলা গোপ শিশু প্রতি ॥

ৱাস ঝুমুৱা

শ্রীকৃষ্ণায় নমঃ ॥

গীত—ৱাগ, বেল্লোৱাৱ, ৱূপক।

ধ্রুং।

দেখ জগত গুৰু কানু আৱত।
সঙ্গে সুন্দৰী বাধে বঙ্গে মিলাৱত ॥

পদ।

ৱতন ভূষণ চাৰু অঙ্গে সুহাৱত ॥
বিবিধ আনন্দ বসে ভুবন ভুলায়ত ॥
লহু লহু সুমধুৱ বাংশী বজাৱত।
মাধৱ মুকথ মতি এহুৱস গাৱত ॥

ৱাধা—হে পৱমেশ্বৱ, তোঁহাৱি চৱণক আগু হামু কৱযোড়ি মাগোঁ। হামাক তোহো দান দেহু। তোহাৱি অধৱ মধুপান বিনা হামাক আৱৱি লাগায় নাহি। পৱম সুকোমল তোঁহাৱি চৱণপল্লৱ ভুবন দুর্ল্লভ, হামাৱ স্তন যুগলে যোহি ব্যাধি বাঢ়ত, তাহে ওহি চৱণে দূৱ কৱত জানি তোহাৱি চৱণক নিজ দাসী ভেলোঁ। হামাৱ ওহি আশা বঞ্চনা কৱবি নাহি।

গীত—ৱাগ, বেল্লোৱাৱ—ৱূপক।

ধ্রুং।

হৱিকো আগু ৱাধা আঞ্জুৱি যোড়ি মাগে।
তোহাৱি অধৱ মধু পান বিচুৱি হৱি
হামাকু আৱৱি নাহি লাগে ॥

পদ।

দেৱৱ দুর্ল্লভ দেৱ তুৱা পদ পঙ্কজ
হামাকেৱি কুচযুগ হাৱা।
তাহেক আশে দাসী তেৱা
বঞ্চবি নাহি হামাৱা।
ৱাধাকু বাণী শুনিয়ে হৱি
হাঁসত ভাষত বচন গোবিন্দে।
কহয় মাধৱদীন মেৱি মন মজি
ৱহ হৱিপদ অৱৱিন্দে ॥

কৃষ্ণ—আহে ৱাধে, তেহো যে বোলল, হামু শুনল। হামু বচনেক বোলোঁ তা শুনহ।

গীত—ৱাগ, কল্যাণ—সিন্ধুৱা পৱিতাল।

ধ্রুং।

সুন্দৰী বাধে বাত বুঝ লওঁ তেৱা।
কোটি ব্রহ্মাণ্ড হামু দেৱা
স্কান্ধ বগাৱলি মেৱা ॥

পদ।

যত গোপ কামিনী তেজি সুন্দৰী
ৱাধে সঙ্গ বঢ়াৱলোঁ তেৱা।
সৱকহো ধিক সোভাগিনী মানিয়ে
মান গোড়াৱালি মেৱা ॥
যত স্থীৱ জগতক আতমা গোবিন্দ
আপহি আপ বহৈছা।
কহয় মাধৱ মায় তাহে নজানিয়ে
গৱৱক বসি তেহো কৈছা ॥

ৱাধা—আহে পৱমেশ্বৱ, তেহো যে বোলল হামু শুনল। হামু বচনেক বোলোঁ, তা শুনহ।

গীত—ৱাগ, মাউৱ জ্যোতিমান।

ধ্রুং ॥

যাদৱ হে কৈচন বাত বেগাড়ী।
সকলে নিগমে তেৱি অন্ত নপাৱত
হামু পামৱী গোপী নাৱী ॥

পদ।

তোহো পৱম গুৰু নিখিল ভুবন পতি
মানুষ ভাব তোহাৱি।

চতুৰ বয়ণ তেৰি মায়া বিমোহিত
জানে নাহি যোগ বিচাৰি ॥
তেৰা ঐচন ভাৱ নজানিয়ে
কয়লোঁ গৱৱ নাথ তোয়।
ৰাধা উচিত বাত কহয় মাধৱ দীন
গতি গোবিন্দ পাপ মোয় ॥

ৰাধা—আহে পৱমেশ্বৰ, তোহোঁ জগতক গুৰু নিখিল ভুবন পালক, তোহাৰি অচিন্ত্য মহিমা মানুষ ভাৱ পেখিয়ে, মোহিত ভেলোঁ। পামৰী গোপ নাৰী তোহাক নাহি জানিয়ে স্কান্ধ বগাৱলোঁ। পৱম অপৰাধ আচৰলোঁ। হে নাথ, ওহি অপৰাধ মৱশ গোঁসাই। তোহাৰি চৰণে লাগোঁ। আঞ্চোৰ পাতি কৱযোড়ি মাগোঁ। হামাক তোহো দান দেহু। তোহাৰি অধৰ মধুপান দিয়ে হামাক ৰক্ষা কৱহ। হামু তোহাৰি চৰণক নিজ দাসী ভেলোঁ। মোহোক ছাড়ৰি নাহি ?

সঙ্গী—আহে পৱমেশ্বৰ, ৰাধা উচিত কহৈছে। মায়া মোহিত হইয়া তোহাৰি অতর্ক মহিমা ব্রহ্মাণ্ড ভিতৰে জানহে নাহি। জানি নাথ ৰাধাক অপৰাধ মৱষ স্বামী।

কৃষ্ণ—আহে ৰাধিকে, হামু পৰিহাস কেলি কৌতুক কয়ল। তাহে নাহি বুঝল। দুঃখ ছোড়হ। হামাক শপত উঠহ, উঠহ। পৱম উৎসুকে ৱাস কেলি কৰোঁ গিয়া।

গীত—ৰাগ, কল্যাণ খড়মান।

ধ্রুং।

ব্রজ মঙ্গল ৱস ৱাসে ৱসিক গুৰু
কৱত অনঙ্গ ৱস কেলি।
ৰাধা পূৱত মন সাধু অধৱ মধু
পানে মোহিত মতি ভেলি ॥

পদ।

ঘন ঘন ভুজদোহোঁ মেলি আলিঙ্গত
চুম্বত বয়ন মিলায়।
হৰিকো কণ্ঠে অলিঙ্গি ৱহু ৰাধা
নয়ন বয়ন ধিয়ায় ॥
পৱমানন্দ অনঙ্গ ৱস সাগৱ
তথিয়ে মজি ৱহ মায়।
হৰিকো পৱশৱাসে বিচুৰি ৱহত তনু
মাধৱ দীন গুণ গায় ॥

কোটোৰা খেলোৱা

শ্রীকৃষ্ণায় নমঃ।

শ্লোক

মুৰাৰিং মুকুন্দং সুৱেশাদিবন্দ্যং অৱণ্যে
চৰন্তম্বয়ন্তৈঃ ক্রীড়ন্তং।
বৃহদ্ভানু পুত্র্যাদি গোৱাৰিণীনাং পসাৱং
লুঠন্তং নমস্তে নমস্তে ॥

অপিচ

মুখে মন্দহাসং নখেন্দু প্রকাশং কৱে চাৰুচক্রং
সুৱেশাভিবন্দ্যং।
ভুজঙ্গেশয়ানং ভজে বিশ্বনাথং হৱেৰণ্য-দেৱং
নমস্তে নমস্তে ॥

ভটিমা

হামু চৰম পশুতো পুনু পামৰ কামৰ ঝামৰ নোই।
কলিমল মজ্জল মানস লালস ভাল বিনোদ মতি হোই ॥
পাতকী পাপ তাপ কয়লি হৱলি হামু অধিক।
সবহি বাসনা ভাসনা ছলনা ৱসনা আনুক্ষণিক ॥
ভাৱতে মানৱ সাধৱ ভুকুতি মুকুতি সুখ মিলাই।
কলিকো পৱমা ধৱমা, ৰামক নামক অনুৱতি পাই ॥
বিষয় কাচক বাচক মানিক খানিক সুখময় মানি।
কলিমল ধঞ্জল সঞ্চল পুণ্যক অন্যক মনমথ জানি ॥
যাকেৰি চৰণক শৱণক ভজিয়ে মজিয়ে মধুৱস পানে।
তাকেৰি চাকেৰি দাসক পাশক পাই পৱম সুখমানে ॥
হৃদিগত বান্ধৱ মাধৱ ভাসন শাসন মনে অনুমানি।
চক্রধৰ চাকৰ তাকৰ ৱচনা ৱচনা জানি নাজানি ॥
মতি অনুসাৰিত কাৰিত হৰিকো ৱসিকো লীলা বিহাৰ।
সাধু বুধজন ৰোষমন হৱষ মৱষ দোষ হামাৰ ॥
হামু পামৰ নামৰ অনুৱতি ভকতি মাগো সদাই।
তৱ নিজ দাসক দাসক চাকৰ তাকৰ পদৱজ লাই ॥
হৰিপদ পঙ্কজ পঞ্জৰ অন্তৰ সন্তৰ সঙ্গতি হোই।
তযু ৱস আশে দাসে কহয় ৱাম বোলহু সৱ লোই ॥

সূত্র—আহে সভাসদ লোক, যে জগতক পৱম গুৰু নাৰায়ণ যাহাৰ স্রজনা সয়ল সংসাৰ, সোহি পৱমেশ্বৰ শ্রীকৃষ্ণ ভূমিক ভাৱহৰণ নিমিত্তে কপট গোপবেশে নানা ৱাস খেলন কয়কহো গোৱাৰি সৱক মন সন্তোষিয়ে যে ক্রীড়া কয়ল, তা দেখহ শুনহ ; নিৱন্তৰে হৰিবোল হৰিবোল !

গীত—ৰাগ শ্রী, পৱিতাল।

ধ্রুং।

একদিনা কানাই ধৱিয়া নটবেশ।
সখি সব সমে ভৈল বনত প্রবেশ ॥

পদ।

শ্রীদাম সুদাম সখি কৃষ্ণ বসুদাম।
সুবল অর্জ্জুন ভদ্রসেন বলৰাম ॥
ব্রহ্মাহৱে সেৱে যাৱ অৰুণ চৰণে।
শিশুসমে খেলে সোহি নাৰায়ণে ॥

সূত্র—ঐচন প্রকাৰে কানাই সখিসৱ সহিতে খেলাইতে থিক। সোহি সময়ে ৰাধিকা গোৱাৰীসৱ সহিত দধি দুগ্ধ লৱনুক পসাৰ লৈয়া চলৈছে। তথি ৰাধাসৱ দেখিয়ে ৰাধা যে বোলল, তা দেখহ শুনহ নিৱন্তৰে হৰিবোল হৰিবোল ॥

গীত—ভাটিয়ালি, ৰূপক।

ধ্রুং।

গৃহৰ দ্বাৰ ৰাজহুয়া যান্তে পড়িয়া গেল ৰাধা।
মাৱে বাপে নাম থৈয়া আছে কলঙ্কিনী ৰাধা ॥

সূত্র—ঐচন ৰাধাসৱ নমানি ৰাধে গোপীসৱ সহিতে পথে যাইতে ডাকিয়ে বোলল।

ৰাধা—দেৱৰ দুর্ল্লভ গোপাল বল্লভ প্রসাদ কে লৱে কে লৱে।

ৰালক সৱ—আঃ হামু লে, হামু লে।

সূত্র—ওহি বুলি শিশুসৱে পসাৰ নমাইতে চাহে। তাহে দেখি গোপী সব পুচত।

গোপীসৱ—আহে ৰালক সৱ, হামাৰ পসাৰ নমাইতে চাৱ। তোহে কিবা নাম জাতি তা কহ।

বালকসৱ—তুমি গোৱালনী আমি গোৱাল।
পর্ব্বত বনত খপোহো কাল॥
এনে এনে কত কিনিছো দই।
কে সেবি তোৰ মাৰৰ পুই॥
গোপীসৱ— কি সোধ তঞি গোৱাল জাতি।
একোস্থানে নবঞ্চো ৰাতি॥
দধি দুগ্ধ বিকি ঘৰক যাঞো।
কি সোধ তোৰ মাৰক নাঞো॥

সূত্ৰ—ওহি বুলি গোপীসৱ দধি নাহি বিকিএ যমুনা ঘাটে যাইতে চলল। তাহে পেখি কানাই ষৈছে আগ ভেণ্টল, তাহে দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

পদ।

চলে ৰাধে বাহুৰিয়ে যমুমাৰ ঘাটে।
পেখিয়ে কানাই যাই ভেণ্টল বাটে॥
ঘাটেৰ ঘাটৈয়া হামু পথে মহাদানী।
দান কেন নেদৰে চিকন গোৱাৰিণী॥

গোৱালসৱ—অৰে পসাৰিসৱ ওহি যমুনা ঘাটে নাহি যাৱব, ঘাটক দান দেহু।

গোৱাৰীসৱ—আহে গোপসৱ, হামু সৱ এহি যমুনা ঘাটে নাহি যাৱব। মথুৰা হাটে চলৈছোঁ।

সূত্ৰ—ওহি বুলি গোৱাৰীসৱে যমুনা ঘাটে নজাই মথুৰা হাট চলল। তাহে পেখি পুনু গোৱাল সকলে ওহি কানাইৰ চকি বুলি গোপীসৱক ষৈছে আগ ভেণ্টল, তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

পদ।

যেহিদি যাইবি ৰাধে সেহিদি কানাইৰ চকি।
দান নেদি যাহ যদি লৈবোঁ সকল সখি॥
ভাণ্ডৰ মধ্যে লৈৱোঁ দান এ পাঞ্চ কাওন।
দণ্ডিয়া মাগন লৈবোঁ হাতেৰ কঙ্কন॥

গোৱালসৱ—আহে পসাৰিসৱ, ওহি কানাইক চকি দান নাহি দিয়ে কৈছে চলহ।

সূত্ৰ—ওহি বুলি গোপগণে বাৰম্বাৰ আগুৰিয়ে পথ ভেণ্টল। তাহে পেখি গোপীসৱে যে বোলল তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

পদ।

নিতে আইছু নিতে যাইছু কৰু বিকা কিনা।
ওহি পন্থে কানাইৰ চকি কেহো নাহি শুনা॥

গোপীসৱ—আহে বালকসৱ, ওহি পথে হামু নিতে আৱত; কানাইক চকি কতিহো শুনয়ে নাহি। তবহো যদি জুণ্টা জগৱা কৰহ, তব কংস ৰাজাক দোহাই জানব।

বালকসৱ—আহে গোপীসৱ, তোহাৰি কংস ৰাজা হামাৰি কে?

সূত্ৰ—ওহি বুলি গোপসৱে সৱহি আৱৰি গোপীসৱক বন্দী কয়ল। তাহে পেখি গোপীসৱে ডাকিয়ে বোলল।

গোপীসৱ—আহে জৱৰা বাপ। হামাক গোৱাল সকলে বহুত ঝুণ্টা জগৱা কৰৈছে। তোহোঁ সত্ত্বৰে আৱ।

সূত্ৰ—তাহে শুনিয়ে জৱৰা বাপ হুল হুলি কৰিয়ে ধাৱল। তাহে পেখি বালকসৱে গলে বস্ত্ৰ দিয়া বিগুট কৰি ঘসাৱল। মহা চোট পাই জৱৰা বাপ বেগে পলাৱল। তাহে পেখি শ্ৰীকৃষ্ণ গোপগণ সহিত পুনু গোপীসৱক তৰ্জিতে লাগল। তাহে শুনি গোপীসৱে বোলল।

গোপীসৱ—আহে কানাই তোহো সৱে হামাক ঝুণ্টী নাহি কৰিবি। তোহো ভাল কয় নৃত্য কৰহ। তব তোহাক মন সন্তোষিয়ে দধি দুগ্ধ লৱণু দেৱবো।

সূত্ৰ—আহে লোকাই, গোপীসৱক বাণী শুনিয়ে শ্ৰীকৃষ্ণ গোপসৱ সহিতে ষৈছে নৃত্য কয়ল তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—ৰৱাৰি, এক তালি।

ধ্ৰুং।

কোটোৰা খেলাই হৰিএ ওহি বালকৰ কেলি।
পৰম আনন্দে খেলে গোপশিশু মেলি॥

পদ।

গোটা ঝুমুৰিয়া থৈ আক মোৱা লাক।
খেলাইতে জলমল কৰে সোণাটাৰ খাক॥
গগণে দেৱতাগণে পৰম হৰিষে।
হৰি গুণ গায়া ৰঙে কুসুম ৰৰিষে॥
বৃন্দাবনে কৰে কেলি বৈকুণ্ঠৰ পতি।
কহয় মাধৱ ৰঙ্গা পদে মোৰ গতি॥

গীত—কানাড়া-পৰিতাল।

ধ্ৰুং।

যশোৱা নন্দন বালক মেলে।
পৰম আনন্দে কোটোৰা খেলে।

পদ।

মোৱা জুমুৰা আৱৰ থৈ।
বস্ত্ৰ ওৱৰো সিঞ্চে হাতে লৈ॥
কোটী ব্ৰহ্মাণ্ড ক্ৰীড়াভাণ্ড যাৰ।
কোটোৰা খেলান কমন বিহাৰ॥
অনন্ত আনন্দ ৰসেৰ পতি।
তাহেৰ বালক খেলাসে ৰতি।
ভকত অধীনে হৰি দীন দয়াল।
কহয় মাধৱ গতি বাল গোপাল।

ভূষণ হেৰোৱা

শ্ৰীকৃষ্ণায় নমঃ॥

সূত্ৰ—আহে সামাজিক লোক, যে নন্দ নন্দন শ্ৰীকৃষ্ণ যাহে পাদ পদ্ম ব্ৰহ্মা ৰুদ্ৰো ধ্যানে ধৰয়, সোহি শ্ৰীকৃষ্ণ ভকত গোপীসৱক নানা ৰসে ষৈচে আনন্দ দেলহ; তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

তদন্তৰে শ্ৰীগোপাল মাৱে মাৰিবাৰ ভয়ে পলায়া কদম্ব তলে একা শুতল। তদন্তৰে পানীক যাইতে ৰাধা দেখি যে বোলল তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—ভাটিয়ালী—ৰচক—তালি।

ধ্ৰুং।

গোপাল পলায়া আছা মাৱে মাৰিবাৰ ডৰে।
ভূষণ হৰায়া হৰি ভয়ে নাইসা ঘৰে॥

পদ।

কদম্ব তলে চাৱাল কানাই একা শুতিয়া আছে।
পানী গৈয়া ৰাধা দেখি আইলা হৰি কাছে॥
সূত্ৰ—ৰাধা খেদ কয়কহোঁ বোল।

ৰাধা—হাঁ হাঁ ওহি মাণিক পুতলি শ্ৰীকৃষ্ণক একা দেখিয়ে চোঞা মাৰি অলঙ্কাৰ নেৱব। আঃ হামাক কোন বিধি মিলাৱল।

পদ।

চেঞো নিবে অলঙ্কাৰ কাঢ়িয়া সমুলি।
ভূষণ খসায়া ৰাধা লৈলা এহি বুলি॥
আঁড় কৰিয়া থৈয়া ৰাধা জগাইলা হৰিবে।
পুছে অলঙ্কাৰ কেনে নাহিকে শৰীৰে॥

ৰাধা—আহে কানাই, তোহাৰি শৰীৰে কৈছে ভূষণ নাহি? আঃ জানলো, তোহোঁ ভূষণ হাৰায়া একা শুতি আছা; আজু যশোদা শুনিলে বিকলে মৰব। তোহাক তাৰণা কৰিয়ে খাৱব।

পদ।

ভূষণ হাৰায়া আছা শুতিয়া অকলে।
যশোদা শুনিলে আজু মৰিব বিকলে॥
নমাতিয়া আছা হৰি নপায়া উত্তৰ।
পানী লৈয়া বাহুৰিয়া ৰাধা আইলা ঘৰ॥
যশোদাৰ হাতে নিয়া অলঙ্কাৰ দিয়া।
সকল বৃত্তান্ত ৰাধা কৈলা প্ৰপঞ্চিয়া॥

সূত্ৰ—তদন্তৰে ঐচন ৰাধাক বাণীয়ে শ্ৰীকৃষ্ণ উত্তৰ নাহি পাই মাতিতে নাহি পাৱল। তাহে পেখি ৰাধা পানী ভৰিয়ে ঘৰে আসিকহোঁ যশোদাক আগু গিয়া সব কথা কহল।

ৰাধা—আহে মাঞি যশোদে, তোহাৰি বালক কানাই কদম্বতলে একা শুতি ৰইছে। তাহে পেখি হামো চোঞাক ভয়ে অলঙ্কাৰ আনল। তোহো যে জুৱাই তা কৰহ। হামু যে বোলোহোঁ কানাইক কেৱা মাৰি অলঙ্কাৰ কেৱা লৈয়া গেল হুই।

পদ।

ইসব জানিয়া হৰি ঘৰে নাইসা ভয়।
যশোদা শুধিতে হৰি সবাৰে বাধয়॥
কহয় মাধৱ ঘৰে যায়া নাৰায়ণ।
ৰাধায়ে মাৱৰ হাতে দিয়াছে ভূষণ॥

সঙ্গী—হে নাৰায়ণ তোহো ঘৰে যাৱ। তোহাৰি মাৱৰ হাতে ৰাধা ভূষণ দেলহ! হামু নিষ্টে কহল।

সূত্ৰ—তদন্তৰে ওহি শুনি শ্ৰীকৃষ্ণ মাৱক আগু গিয়া ষৈছে ভূষণ মাগল, তা দেখহ।

কৃষ্ণ—আহে মাঞি, হামাৰ ভূষণ হাৰাল। যব তেহোঁ সৰোত্তৰ পুচহ, তব হামাক দোষ বিচাৰি নাহি পাৱব। হে মাঞি, ষৈচন হামাক দোষ তাহেক বাত কহইছি, তা শুনহ।

গীত—শ্রী—একতালি।

ধ্রুং।

মাঞি ভূষণ হৰালো হামাৰি।
যবহুঁ সৰোত্তৰ পুচত পাৱব
নাহি দোষ বিচাৰি ॥

পদ।

এক গোৱাৰিণী মাতিয়ে হামাকু
দেলহু বুলি মিঠাই।
তাহেক ভোজন কৰিয়ে শয়ণকহোঁ
চেতন হৰাৱলো মাই ॥
শিৱ ফিৰাৱত নয়ন ঢুলাৱত
ঘনে ঘনে আৱত হামি।
জ্ঞান বিৰোহিত হোই কদম্ব তলে
একা শুতাৱলোঁ আমি।
ৰাধা ভূষণ চুৰি কৰিয়েকহো
পুচত বাত হামাৰি।
হামু ঠিক অচেতন হুই
কি কহবো বচন বিচাৰি ॥
কহতু মাধৱ দাস নাৰায়ণ
তুৱা পাৱে শৰণ গোসাঞি ॥
তোমহি অখণ্ডিত জ্ঞান নিৰঞ্জন
ঝুংটা কহিতে যুযুৱাই ॥

কৃষ্ণ—আহে মাঞি যশোদে, এক গোৱাৰিণী হামাক মাতিয়ে মিঠাই দেলহ। তাহে ভোজন কৰিয়ে চেতন হড়াৱলো। হে মাঞি হামাৰ দুখ কি কহব? শিৱ ফিৰাৱত, নয়ন ঢুলাৱত, ঘনে ঘনে হামি আৱত জ্ঞান-বিৰোহিত হুই কদম্ব তলে একা শুতল। হে মাঞি, সোহি সময়ে ৰাধা আসিকহোঁ হামাৰি ভূষণ চুৰিকয় হামাতে বাত পুচত। হামু অচেতন হুই ৰহইচি; কি বচন বিচাৰি কহব! হে মাঞি, হে মাঞি হামাৰি ঐচন দোষ।

সঙ্গী—হে নাৰায়ণ, তুৱা পাৱে শৰণ হামাৰি। তুহোঁ নিৰঞ্জন তোহাৰি অখণ্ডিত জ্ঞান; তুহোঁ জুংটা কহিতে উচিত নোহে।

সূত্র—তদনন্তৰে শ্রীকৃষ্ণ ৰাধাক আগু দেখিয়ে যৈচে চাতুৰিকয়ে লাগল, তা দেখহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—গৌৰী—পৰিতাল।

পদ।

ৰাধাকু আগু গোবিন্দ বোলত চাতুৰি।
তোমহি ৰাধে হামাকেৰি কৈচন
ভূষণ কয়লি চুৰি ॥

পদ।

হামাৰি ওহি নগৰ গোকুল মহ
ৰাধা বাঢ়লি চোৰ।
একা হামু শুতিয়ে ৰহচি
ভূষণ কয়লি চুৰি মোৰ ॥
দিবস সময়ে কহো ৰাজ বাট মহ
সাহস ঐচন তোই।
ৰয়নি সময়ে কহোঁ তোহাৰি ৰাধে
চুৰি কৰিতে কোন হুই।
হামু বিচাৰ কয় দেখলো থাৱৰি
চোড় ৰাধা বিনে নাই।
ঘৰহি ঘৰহি সৱ ফিৰত চকোৱা
ঐচন বাত জনাই ॥
গোপয়ে নাহি পাৰি মেৰি ভূষণ
দেলহ মাৱকু ঠাই।
নন্দনন্দন কহোঁ ঐচন খেলনা
দীন মাধৱে গুণ গাই ॥

কৃষ্ণ—অয়ে ৰাধিকে, তুহো হামাৰ ভূষণ কৈছে চুৰি কয়লি? আঃ হামু আজুসে জানলোঁ হামাৰ নগৰ গোকুল ইহাত ৰাধা চোৰ বাঢ়লি। হামু একলে শুতিয়া আছি, তুহো হামাৰ ভূষণ চুৰি কয়লি। আঃ কি সাহস! দিবস সময়ে ৰাজ মাৰগমহ যদি ৰয়নী সময়ে হোই, তব তোহাৰি চুৰি কৰিতে কোন ভয় থিক। আহে পড়াক লোকসৱ, হামু বিচাৰ কয়ে দেখলো ৰাধা বিনে চোৰ নাহি। আহে বালকসৱ, ওহি বাত ঘৰে ঘৰে কহ, চোৰ ৰাধা বিনে নাহি। অয়ে ৰাধে, হামাৰি ৰতন ভূষণ তাহেক গোপয়ে নাহি পাৰি মাৱক হাতে দেলহ; তোহো যব গোপয়ে পাৰহ তব কি মাৱক হাতে দেহ?

সূত্র—তদন্তৰে কৃষ্ণক অতি বাক্য শুনিয়ে ৰাধা যে বোলল তা দেখহ।

ৰাধা—আহে পৰমেশ্বৰ তুহোঁ বিস্তৰ নাহি বোলব, কাহেক আগে অতয়ে চাতুৰি কৰহ; হামু বচনেক বুলি তা শুনহ।

গীত—আশোৱাৰী—পৰিতাল।

ধ্রুং।

গোবিন্দকো ৰাধা বোলল বাণী।
কায়া লাগি গোৱাৰিক ঠামে
হামাকু দোষ বখানি ॥

পদ।

হোই অচেতন থিক কদম্ব তলে
হামু পাৱলোঁ লাগ।
চোঞা মাৰি ভূষণ নাহি লেলহ
থিক তোহাকেৰি ভাগ ॥
ভূষণ প্রাণ হামু তেৰি ৰাখলোঁ
হামাৰি ঐচন দোষ।
হামু বাত পুচিতে নাহি উত্তৰ
ৰহলি কৈয় থোষ মোষ।
জননীক ভয়ে লুকি দিয়ে ফিৰত
গোৱাৰি কড়ে ৰসমাই।
হামাকু আগু খেলাৱত ঐচন
চাতুৰি ভূষণ পাই ॥
হামু যব চোৰ হঞো কতি দেলহো
তোহাৰি জননীক আগ।
কহতু মাধৱে ৰাধা গোৰিন্দক
প্রেম চাতুৰি অনুৰাগ ॥

ৰাধা—আহে কানাই, তোহো গোৱাৰিক ঠামে লাগি অব হামাক দোষ বখান; তুহোঁ অচেতন হুই কদম্বতলে থিক তব হামু লাগ পাৱলোঁ। তোহাক চোঞা মাৰি ভূষণ নিতে নাহি পাৱল; কিন্তু তোহাৰি ভাগ ঠিক। তোহাৰি ভূষণ প্রাণ হামু ৰাখলোঁ ঐচন দোষ। হামাৰ ভূষণ লৈয়া হামু চলোঁ। হামাক কোন উত্তৰ দেলহ, হামু পুচিতে থোষ মোষ কৰয় অপৰ জননীক ভয়ে গোৱাৰি কড়েৰে লুকি দিয়ে ফিৰত। অৱ ভূষণ পাই হামাকু আগে অত চাতুৰি খেলাৱ। যব হামু চোৰ হঞো তব তোহাৰ জননীক আগে কৈছে ভূষণ দেলোহো, তুহোঁ হামাৰ জুংটা বাট কহ।

সূত্র—তদন্তৰে ৰাধাক বচন শুনিয়ে শ্রীকৃষ্ণ যৈচে মাৱক আগে গোচৰ কয়ে লাগল তা দেখহ শুনহ; নিৰন্তৰে হৰিবোল হৰিবোল।

গীত—ধনশ্রী—একতালি।

ধ্রুং।

মাৱক আগু গোবিন্দ কৰত গোহাৰি
দেখত কৈচন ওহি গোৱাৰি
হামাকু পাৱত গাৰি।

পদ।

হামু বালক চয় খেড়ি খেলাৱত
ভণ্টা কয়লি চুৰি মোৰা।
তাহেক হামু মিনতি বুলি মাগিতে
হামাকু বোলত দুৰ চোৰা ॥
পুচত ঐচন বাত হুই হুই
ওহি বালক সব সাখি।
হামাৰি ঐচন কলঙ্ক গোকুল মহ
আৱৰি কমনে আছোঁ ৰাখি ॥
তুহোঁ যব মাঞি উচিত বুজত নাহি
কহবোঁ পিতাকৈৰি ঠাই।
গোৱাৰিক যশোৱা গাৰি দিয়ে খেদল
মাধৱ এহু ৰস গাই ॥

কৃষ্ণ—আহে মাই দেখত ওহি গোৱাৰিনী হামাত অতয়ে গাৰি পাৱত। হে মাঞি আৱ কথা শুনহ, হামু বালক সব সহিতে ভণ্টা খেলাৱত, হামাৰ ভণ্টা ওহি ৰাধিকে চুৰি কয়ল, তাহেক দেখিয়ে হামু মিনতি বুলি মাগিতে হামাক দুৰচোৰা বোলত; ঐচন বাত হুই হুই পুচত। ওহি বালকসৱ সাখি, ওহি গোকুলক মাজে হামাৰি ঐচন কলঙ্ক বাঢ়ল। হামু কৈছে ইহা ৰাখি আছোঁ। হে মাঞি তুহো যব উচিত নাহি বুঝত তব হামু পিতাক আগে কহব। ইহা জানি তুহো সমুচিত বুজহ।

সূত্র—তদন্তৰে কৃষ্ণক বিনয় বাণী শুনি যশোৱা স্নেহবসে আকুল ভেলা। ৰাধাক গাৰি দিয়ে খেদাৱল।

যশোৱা—অয়ে দাসীক দাসী ঢাণ্ডি গোৱাৰী, হামাৰ প্রাণপুত্র শ্রীকৃষ্ণক ঐচন কলঙ্ক দেৱত। ছিঃ মৰিতে নযাৱ! তোহাৰি ঘৰেৰ কোন হানি কয়ল, তন্নিমিতে কৃষ্ণ অপযশ বোলত। ছিঃ তোহাৰি মুখে চাৰ পৰোক।

সূত্র—আহে সামাজিক লোক, ওহি পৰকাৰে যশোৱা গোৱাৰীক গর্জ্জি খেদাই কৃষ্ণক ধূলা ঝাৰি কোলে কৰিকহোঁ মধুৰ বাণী বুলি আশ্বাস কয় ৰহল। শ্রীকৃষ্ণ পৰম আনন্দ লভিয়ে ৰহল। আহে সামাজিক লোক, পেখু পেখু শ্রীকৃষ্ণ ঐচন ভকতক আনন্দ দিয়ে সৰ্ব্বদা ৰহল। ইহা জানি কৃষ্ণ পাদপদ্ম হৃদয়ে ধৰিয়ে হৰিবোল হৰিবোল।

ৰৰগীত

(১) ৰাগ—কল্যাণ

ধ্রুং ॥ জয় জয় জগজন- -তাৰণ-কাৰণ-
নাৰায়ণ ৰব দেৱং।
হৰ, চতুৰানন আদি অমৰগণ
যাকৰ কৰু পদ সেৱং ॥
পদ ॥ ৰোম বিবৰ মহ কোটি কোটি অণ্ড
তাহৰ সব কৰু ৰেণু।
নিজ জন ৰঞ্জন ভঞ্জন ব্ৰজ দুঃখ
মোদিত বাৰত বেনু ॥
কলসী ভাঙ্গল দধি সব নাশল
কৰত ভোজন নবনীতং।
ভীতি পলাৱল জননী বান্ধল
অৰ্জ্জুন ভঞ্জন ধৃতং ॥
নাচত গাৱত ভাৱ দেখাৱত
হাসত বহু ৰস লাসে।
হৰিকহু চৰণ- -কমল-মধু-আশে
কহয় মাধৱ দীন দাসে ॥

(২) ৰাগ—সিন্ধুৰা

ধ্রুং ॥ জয় জয় ৰাম ৰাঘৱ ৰঘু-কুল-পঙ্কজ দিনকৰ
মুৰাৰী।
যো পদ-কমল সুৰাসুৰে সেৱত সকল ভুৱন
অধিকাৰী ॥
পদ ॥ বালি ঘালি পালি সুগ্ৰীৱ কপি
বাৰিধি বান্ধল সেতু।
নিশাচৰ সাথে দশানন ঘাতন
জগজন মঙ্গল হেতু ॥
জানকী, লক্ষ্মণ, সুগ্ৰীৱ, বিভীষণ,
মাৰুতি সব সৈন্য সাথে।
পুষ্পকযানহি আসি আপোন পুৰী
ভয়ো নৰপতি ৰঘুনাথে ॥
শঙ্খ মৃদঙ্গ মৰজ ধ্বনি বাজত
দুম দুম দুন্দুভি ঢোলে।
পঞ্চ শৰদে শুভ মিলল মহোৎসৱ
জয় জয় ৰাঘৱ বোলে ॥
ব্ৰহ্মা, পুৰন্দৰ, হৰ, মুনি, কিন্নৰ,
—চাৰণ মিলল ৰঙ্গে।
ৰতন সিংহাসনে বসি ৰঘু-নন্দন,
ৰাজত জানকী সঙ্গে ॥
নিত্য নিৰঞ্জন জগজন-কাৰণ—
ৰামৰূপে অৱতাৰা।
ৰঘুপতি চৰণ- -কমল ভৃঙ্গ মাধৱ
কহ—ৰাম গতি হামাৰা ॥
শিৰে শশিমণ্ডল ছত্ৰ সুনিৰ্ম্মল
শ্বেত চামৰ দুহোঁ দোলে।
মিলল মহোৎসৱ পৰম কোলহল
সব লোই মঙ্গল ৰোলে ॥

(৩) ৰাগ—আশোৱাৰী

ধ্রুং ॥ ৰে মন! সেবহুঁ হৰিকহু চৰণা
নিকটে দেখহুঁ নিজ মৰণা।
দেখত—হৰিকহু চৰণ শৰণ বিনে—
—নাহি নাহি ভৱভয়-তৰণা ॥
পদ ॥ চাৰি বেদ, যত পুৰাণ, ভাৰত—
গীতা ভাগৱত চাই।
ওহি সাৰ—বিচাৰ কয় ভাষত
হৰি বিনে তাৰক নাই ॥
সনক সনাতন, মুনি শুক, নাৰদ—
চতুৰ-বয়ন শূলপাণি।
সহস্ৰ-নয়ন আদি—গাৱত হৰিগুণ
সকল নিগম তত্ত্ব জানি ॥
কৃষ্ণ-নাম-যশ পৰম অমিয়া ৰস—
গাৱত পিৱত নিঃশেষং।
পৰম মুকুখ মতি কহয় মাধৱ দীন—
শঙ্কৰ গুৰু উপদেশং ॥

(৪) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ বুঢ়া ভাই! হৰিৰ গুণ গাই নাচা।
কোন দিন ঢলি শৰীৰ পৰয়—
—আৰ কি বাট চাই আছা ॥
পদ ॥ আয়ু দিলে ভাটি হাতে লৈলে লাঠি
হাটিতে নচলে পাৱ।
ভাগিল মাওলী আগ গৈলে ঢলি
ধনু-ফান্দ ভৈলা গাৱ ॥
ছাল সোটা-সোট হাড় গোটা-গোট
কোটৰে লুকাইল আঁখি।
তেজ বল মাংস গাৱত লুকাইল
দেখিতে ন পোৱা সাখী ॥
শুকাই গৈল আত মুখে নাইসে মাত
দান্তৰ নাহি অৱস্থা।
কাস চুল চুল সৰি গৈল চুল
লৰৰৰ কৰে মাথা ॥
ৰীভৎস শৰীৰ আঁখি ঝুৰে নীৰ
তিনি থানে ভৈল বাগ।
কহয় মাধৱ সবেও মৰিব
তথাপি বুঢ়াসে আগ।

(৫) ৰাগ—আশোৱাৰী

ধ্রুং ॥ হৰিপদ-পঙ্কজ পঞ্জৰ মোই।
তা মহ ৰহোঁ হামু ৰাজহংসা হোই ॥
পদ ॥ ৰয়নি দিবসে লিজঞুঁ ৰাম নামা।
প্ৰপন্নজনাশনি পঞ্জৰ ৰামা ॥
আৱত কাল ভুজঙ্গম গৰজি।
হৰিপদে শৰণ লেহুঁ সব ৰৰজি ॥
মাধৱ দাস—দীন, হীন-মতি।
কহত—ৰামচৰণ দুহোঁ গতি ॥

(৬) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ নাৰায়ণ-মায়া জানব কোই।
সুৰপতি, চতুৰ-বয়ন, মুনি, শঙ্কৰ,
—চিন্তিতে আকুল হোই ॥
পদ ॥ অঘট-ঘটন-পটু— চাতুৰী—যো নিত
অনিত সমান সব হোই।
যতয়ে অনিত নিত সম ভাসত
ঐচন চাতুৰী হৰি তোই ॥
কোই কোই সাঞ্চা কোই কোই মিছা
কৰহু নিয়ত নাহি জানি।
সাঞ্চা মিছা সমান কয় ভাষত
মোহ কৰত বেদবাণী ॥
সাঞ্চা মিছা কিছুৱে নাহি জানত
মুকুখ পামৰ মতি-হীনা।
যাহা যাহা গতি-মতি- -তুহুঁ কমলাপতি
—কহত মাধৱ-দাস দীনা ॥

(৭) ৰাগ—শ্ৰী

ধ্রুং ॥ মঞি পাপী কেমনে তৰিবোঁ—হৰি এ।
—তুমি কৰুণা কৰ মোৰে ॥
পাপ মতি মন বাসনা না ছাড়ে
মজিলো সংসাৰ ঘোৰে ॥
পদ ॥ নয়না কামিনীৰূপ ন ছাৱয়,
—ৰসনা এ ষড়ৰস।
গীত-মধুৰ ধ্বনি শ্ৰৱণে ন ছাৱয়,
—চৰমে সুখ-পৰশ ॥
সুগন্ধ শীতল—নাসায়ে ন ছাৱয়,
—কনক কামিনী মনে।
লোভ-মোহ-কাম-ক্ৰোধ-মদ-মান
ন ছাৰে এ সৰ্ব্বক্ষণে ॥
ঈৰিষা অসূয়া হিংসা পৈশুন্য
না গুচে এ তিলে তিলে।
তনুক বেটি তিলে তিলে ধৰি
কাল অজগৰে গিলে ॥
ভৈলোঁ অচেতন, তোমাৰ চৰণ—
ৰিনে নাহি আন গতি।
শীতল চৰণে পশিলো শৰণে
—মাধৱ মুকুখ-মতি ॥

(৮) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ পামৰ মনাই,—কমনে হৰিৰ নাম ৰহলি বিছুৰি।
কবহো চলিতেৰে—লাগয়ে—যমপুৰী।
পদ ॥ কাহাঁ গয়ো মাতা-পিতা—কাঁহা গয়ো ভাই।
ধনজন কাহা গয়ো—সুহৃদ-মনাই ॥
কমনে না পেখো মন আপোন মৰণা।
নিশ্চয় চলিতে লাগে—যমৰ কৰণা ॥
নাম সুমৰিতে ছুটে অন্তকেৰি দায়।
উত্তম অমৰপদ—ঠামহি মিলায় ॥
কহয় মাধৱ-দাস দীন মতি-হীনা।
এ ভৱ তৰবি নাহি ৰাম-নাম বিনা ॥

(৯) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ নাৰায়ণ! কিগুণ জানৱ তোই।
কৰহো কৰুণা নাথ! অধম মোই॥
পদ ॥ সহস্ৰ বয়নে গুণ গাৱত ভিন ভিন
বয়নে কৰত বখানা।
তোহাৰি নাম গুণ যশ মহিয়াক
তবহু অন্ত নাহি জানা॥
মহামুনি চতুৰ— —বয়ন সুৰ শঙ্কৰ
মোহিত যাকেৰি মায়া।
চাৰি বেদ বিচাৰ কয় আৱত
যাকেৰি অন্ত ন পায়া॥
সনক সনাতন আদি যোগিগণ
যাকেৰি মহিমা ন জানা।
হাম মুকুখ মতি কমনে জানব, হৰি
গতি তুহুঁ মাধৱ গানা॥

(১০) ৰাগ—তুৰ-ভাটিয়ালী

ধ্রুং ॥ এ নাথ! তাৰিয়ো তাৰিয়ো তাৰিয়ো যদুমণি।
মজিলোঁ এ ভৱসিন্ধু---তোমাক না জানি॥
পদ। এ ভৱসাগৰ মাজে পড়ি হামু ভাসি।
কাম ক্ৰোধ কুম্ভীৰ মগৰে গিলে আসি॥
শোক মোহ ভয় মহাপাকে তল কৰে।
তৃষ্ণা তৰঙ্গে পায়া সব শ্ৰুতি হৰে॥
চিন্তা নামে বাড়ব অগনি শোষে প্ৰাণ।
নাহিকে তৰণী তুৱা পদ বিনে আন॥
জানিয়া তোমাৰ পাৱে পশিলো শৰণ।
কহয় মাধৱ---গতি অকণ চৰণ॥

(১১) ৰাগ—আশোৱাৰী

ধ্রুং ॥ কৈছে গোৰিন্দ! সেবোহোঁ তোই।
চঞ্চল মন মেৰি থিৰ না হোই॥
পদ ॥ জৈছে পঙ্কজ-দলগত নীৰ।
বিষয়-লুবুধ মন তৈছে অথিৰ॥
ছোৰি পামৰ মতি ৰতি তুৱা পায়।
ৰূপ-ৰস পৰশ শৱদ গন্ধে ধায়॥
কহয় মাধৱ---হৰি কক মেৰি দায়া।
চৰণে শৰণ লেহোঁ---ছোৰহ মায়া॥

(১২) ৰাগ—তুৰ-ভাটিয়ালী

ধ্রুং ॥ কেমনে পাইবোঁ হৰি চৰণ তোৰে।
এ দুঃখ সাগৰে উদ্ধাৰ মোৰে॥
পদ ॥ এ ভৱ আটোপ অৱণ্য মাজে।
কালব্যাধে মৃগে মাৰিতে সাজে॥
হামু পশু মায়া-জালত বন্দী।
নাহি দেখোঁ হামু পলাইতে সন্ধি॥
কাম ক্ৰোধ কুত্তা কামৰি খাই।
বিষয়-বিষ লাগি এজীৱ যাই॥
ৰূপ ৰস আদি এ পঞ্চ বাণে।
হৃদয় মাজে হামু ফুটলো টানে॥
পাপ-পুণ্য ভৈল এ বব ডোৰ।
গলাৰ মাজে ছান্দি বান্ধিল মোৰ॥
কাল ব্যাধে ধৰি লৈ যায় টানি।
ৰাখো ৰাখো মোৰে শাৰঙ্গ-পাণি॥
কালৰোকাল তুমি চাহেৱ হৰি।
নাহি নাহি আৰো তোমাৰ সৰি॥
জানিয়া শৰণ লৈলোঁ তোমাৰ পায়।
দীন মাধৱ দাসে এ ৰস গায়॥

(১৩) ৰাগ—মাহুৰ

ধ্রুং ॥ ৰে মন! ৰাম চৰণ ৰতি লাৱত।
ঝুণ্টা বাত, বিষয়-বিষ ছোৰি
ৰাম অমিয়া-গুণ গাৱত॥
পদ ॥ দুঃখ-ইন্ধন মহ বিষয়-আমিষ ৰস
ওহি ভৱ গহন অনলা।
তেজু তথিয়ে আশ কৈচন লালস-
-মানস-মুগুধ বিৰালা॥
শুন পামক মন মজি ৰহতু ঘন-
-হৰি-ৰস আনন্দ সিন্ধু।
কহয় মাধৱ-ৰাম! তেজু সকল কাম
ৰাম ভকত-জন-বন্ধু॥

(১৪) ৰাগ আশোৱাৰী

ধ্রুং ॥ মজি ৰহু মেৰি মন
হৰিগুণ-অপাৰ আনন্দ-সিন্ধু-ৰস মাজে।
হৰি বিনে আন আশা কৰসি কমন কাজে॥
পদ ॥ যোহি তনু আপোন মানসি মন ভাই।
অন্তকালে সোহি সঙ্গহি ন যাই॥
সব বাণ্টোৱাৰী সুহৃদ নামা হোই।
ইহ পৰলোক হৰত বিত্ত সোই॥
যত দেখো আৱৰি তনয়, বিত্ত, জায়া।
আৱা গমন কাৰণ সব মায়া॥
কহয় মাধৱ শুন মেৰি মন আন্ধা।
হৰি বিনে আৱৰ ছোৰহ সব ধান্ধা॥

(১৫) ৰাগ—আশোৱাৰী

ধ্রুং ॥ ভয়ো ভাই! সাৱধান, যাৱে নাহি ছুটে প্ৰাণ।
গোবিন্দেৰ ফৰমান নিকটে মিলিব জান॥
পদ ॥ জীৱন যৌৱন থোৰ সব মায়াময় ছোৰ।
দুঃখ সৱ কৰ মোৰ হৰি পদে মন যোৰ॥
তেজু সব অভিলাষ দূৰ কক মোহ পাশ।
হৰি পদে কক আশ কহয় মাধৱ দাস॥

(১৬) ৰাগ—গৌৰী

ধ্রুং ॥ সেৱহু মন, মাধৱ, অব—বিছুৰি বিষয়-পাশা।
ভাৰতে পুনু মানৱী তনু—আৱৰি নাহি আশা॥
পদ ॥ দেখত দিন জীৱন ক্ষীণ,
নিকট ভয়ো মৰণা।
গোৱিন্দ পদ— -পঙ্কজ বিনু
তাৰক নাহি আনা॥
মাধৱ দাস কহয়—শুন
পামক মন আন্ধা।
ৰামক নাম লেহ সদায়
ছাৱহো সব ধান্ধা॥

(১৭) ৰাগ—বসন্ত

ধ্রুং ॥ কা কৰোঁ মনুৱা বিষয়-বিলাস।
দুৰ্ল্লভ মানৱী-তনু পুনহু না পাস॥
পদ ॥ ভাৰতে মানৱী তনু তৰণী-উপাম।
দেহো ভৰা কলিকো ধৰম হৰি-নাম॥
গুৰু কেৰৱালি, ৰাম অনুকূল বাৱ।
হৰিগুণ গায়া ভৱ সাগৰ কূলাৱ॥
আশা সকল গৱল কৰ দূৰ।
নাম অমিয়া-পানে মন কৰ পূৰ॥
কহয় মাধৱ-দাস—গতি নাহি আন।
সজ্জন জনৰ সঙ্গ লেহ অগিয়ান॥

(১৮) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ ৰে মন! ৰাম-চৰণ-ধন সেৱনা।
বেদ-বচন শুনি—ৰাম নাম বিনি
নাহি নাহি ভৱকো তাৰণা॥
পদ ॥ বিষয়-বিলাস পাশে বন্দী পড়না
ধৰণা হৰিকো চৰণা।
মানৱ-দেহ নিত নাহি—দেখোৰে
আপোন নিকট ভয়ো মৰণা॥
যাৱে নাহি জীৱ আপোনকেৰি ছুটেৰে
ৰাম-চৰণে লেহু শৰণা।
মাধৱ-দাস মুকুখমতি কহয়ে—
গতি গোবিন্দ দুহো চৰণা॥

(১৯) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ হামাক ৰাম-চৰণে মন লাগু।
মায়াময় সয়ল দুনিয়াই জানি—
—ভৰম তেজি জাগু॥
পদ ॥ ধন জন জীৱন যৌৱন জায়া
কায়া—ঐসব ধান্ধা।
যৈচন বিজুৰী উজুৰী মিলাৱত—
তাহে নাহি দেখো আন্ধা॥
হৰিপদপঙ্কজ ভৱভয়ভঞ্জন—
তাহে চিত্ত চিত লাই।
হৰি কহু চৰণ-পঙ্কজ-ৰজ-কিঙ্কৰ
মাধৱ দীন গুণ গাই॥

(২০) ৰাগ—গৌৰী

ধ্রুং ॥ কমনে বিছুৰি মন—বহু ৰাম—ৰায়া।
ভাৰত ৰৰিষে মানৱী-তনু পায়া॥
পদ ॥ দেৱে নাহি তনু মানৱী পাই।
জনম চিন্তামণি হাতে হৰাই॥
জানি ৰাম-চৰণে কক আশা।
কহত মাধৱ—হৰি দাসকু-দাসা॥

(২১) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ নাৰায়ণ! মাগোঁ চৰণ-ৰতি তেৰা।
এতিনি-ভুৱনে—তুমহি ৰৰঠাকুৰ—
—নাহি জানত মতি মেৰা॥
পদ ॥ ভুৱন চতুৰ্দশ— কায়া ফিৰত মেৰি
ৰেৰিৰেৰি অন্ত না হোই
তাক তাক তাক ই বেৰি নাৰায়ণ
থোৰে কৰুণা কৰ মোই॥
সয়ল পাপী মহ হামু অধিকতম
কমনে তৰিতে মেৰি আশা।
কহয় মাধৱ—হৰি! তুহোঁ পতিত-গতি
ওহি মেৰি পৰম ভৰসা॥

(২২) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ হৰিগুণ কৈছে বিছুৰি মন ৰে!
এ ভৱ-সাগৰে—তেৰি তাৰক ৰে॥
পদ ॥ নিগম নিগূঢ় বাণী-হৰিগুণ সাৰ।
তাহে বিছুৰি ভৱ তৰয়ে ন পাৰ॥

কলি-কলমষ ঘোৰ পয়োধি মনাই।
বিছুৰি গোবিন্দ-গুণ তাৰক নাই॥
কহয় মাধৱ দাস—দীন হীন-মতি।
ইহ পৱলোক মেৰি গোবিন্দ-গতি॥

(২৩) ৰাগ—ভাটিয়ালী

ধ্রুং॥ মোকে দেখিয়ো না কেনে—আহে জগন্নাথ!
মই বৱ পাপেৰ পাপী।
সংসাৰ-কূপত পড়িয়া তোমাৰ চৱণে নধৱো চাপি॥
পদ॥ কত তপসাই নৱতনু পাই—
গোৱাইলোঁ বিষয়-ভুলে।
যেন চিন্তামণি— অমূল্য ৱতন
বিকাইলোঁ কাচেৰ মূলে॥
দেৱে নাহি পাই মানৱী হুইবাৰ
মই পাপী আসিয়া পাইলোঁ।
তোমাৰ ভকতি- -অমিয়া তেজিয়া-
বিষয়-গৱল খাইলোঁ॥
লোভ-মোহ-কাম— ক্রোধ-মদ মান
ই সৱ ৱৈৰীৰ সঙ্গে।
আপোন ইচ্ছায় পাপ-আচৰিয়া—
ৱেড়াইলোঁ মনৰ ৰঙ্গে॥
পৱতিৰী, পৱ- -ধনৰ আশায়
সদায় আকুল ভৈলোঁ।
তুমি মহাধন তোমাক না সেৰি
জনম ৱিফল কৈলোঁ॥
দেহা আলে-জালে গৈলা, পাইলে কালে
প্রাণ কোন দিন উড়ে।
যমৰ যাতনা শুনিয়া হৃদয়—
কম্পিত হৈ গৈলোঁ ৱড়ে॥
তোমাৰ অভয়- -চৱণে শৱণ—
ৱিনে নাহি আন গতি।
তুমি দয়াময় জানিয়া—কহয়
মাধৱ মুকুখ-মতি॥

(২৪) ৰাগ—ভাটিয়ালী

ধ্রুং॥ গোপাল ভাৱিয়ো মন! সকল যতনে।
হৰি ৱিনে কেন আন চিন্তা অকাৰণে॥
পদ॥ অথিৰ জীৱন ধন যৌৱন সকল।
কমল পত্ৰৰ নীৰ যৈচন চঞ্চল॥—
—জানিয়া ভজিও মন ই সৱ তেজিয়া।
সংসাৰ সাগৱে মন নমৰ মজিয়া॥

হৰিৰ মায়াৰ ফান্দে জীৱ হৈল বন্দী।
ইতিনি ভুৱনে পলাইবাৰ নাই সন্ধি॥
গুণি চোৱা মন! তুমি এৱাইবা কমনে।
ফান্দোৱাল গোবিন্দৰ ধৰিও চৱণে॥
নিজপ্রিয়তম হৰি জগত-নিৱাস।
ভজিয়ো চঞ্চল মন তেজিও আলাস॥
কহয় মাধৱ - হৰি অগতিৰ গতি।
মায়াৰ ফান্দ এৱাই পাইবা যদুপতি॥

(২৫) ৰাগ—ভাটিয়ালী

ধ্রুং॥ দয়াৰ ঠাকুৰ হৰি—যদুমণি—ওৱাম!
অধমে তোমাৰ নাম ডাকে।
কৃপা কৱা নাৰায়ণ! আমাৰ চঞ্চল মন—
তোমাৰ চৱণে যেন থাকে॥
পদ॥ এক ৱিপ্র অজামিল মন্দমতি পাপশীল—
পুত্রভাৱে সুমৰি তোমাৰে।
কর্ম্মবন্ধ কৰি নাশ ৱৈকুণ্ঠে পাইলেক ৱাস
ইটো অতি ৱিদিত সংসাৰে॥
তাতো কোটি কোটি গুণ পাপমতি নিদাৰুণ
তোমাৰ নামক কৈলোঁ আশা।
পৱম পতিত আমি পতিত-পাৱন তুমি
ই জানিয়া কৰিলোঁ ভাৱসা॥
ধন্য ধন্য কলিকাল ধন্য নৱতনু ভাল
ধন্য ধন্য ভাৱতৱৰিষে।
তপ-জপ-যজ্ঞ তেজি তোমাৰ চৱণে ভজি
তুৱা নাম ঘুষিয়া হৰিষে॥
সকল নিগমে কয় অতয়ে তোমাক পায়—
আক ভালে জানি নাৰায়ণ।
মাধৱ মুকুখ-মতি সত্যে সত্যে যদুপতি—
তুৱা পাৱে পশিলোঁ শৱণ॥

(২৬) ৰাগ—ভাটিয়ালী

ধ্রুং॥ —হৰি এ ককণাময়!
মঞি পাপী কিনা কাম কৈলোঁ।
এ ভৱ-সাগৱে মজি মৈলোঁ—
অভয় চৱণে না সেৱিলোঁ॥
পদ॥ শৱ সম তনু আপোন মানিলোঁ।
তুমি আত্মা হৰি, তোমাক নজানিলোঁ॥
কিনা মঞি ছাৱ—ৱৱ অগিয়ান।
তোমাক তেজিয়া কৈলোঁ ধনৰ ধিয়ান॥
মঞি ৱৱ পাপীৰ পুনু আগে।
দ্বিজ অজামিল কেৱাগুণে লাগে॥

আৱৰ পাপীক কেৱা গণে।
অধমেৰ মোৰ কি হৈৱ মৱণে॥
আপোনাৰে মঞি নাশিলোঁ আপোনে।
পতিত-পাৱন নাহি তুমি ৱিনে॥
আন কিছু মোৰ নাহিক ভাৱসা।
কহয়—মাধৱ মতি-নাশা॥

(২৭) ৰাগ—শ্রী

ধ্রুং॥ হৰিপদ কমনে ৱিছুৰি ৱহোঁ এ মন পামৱা।
হৰি ৱিনে ঝুণ্টা ওহি সয়াল সংসাৰা॥
পদ॥ হৰিসে আতমা নিজ হৰি বন্ধু মোই।
হৰি ৱিনে সুহৃদ আৱৰি নাহি কোই॥
হৰিপদ সেৱা ৱিনে তেজু সব কাম।
নিগম-নিগঢ় ৱিত্ত—জপ হৰি-নাম॥
কহয় মাধৱ—মন! ছোৰি ভৱ-পাশা।
ভকত-সম্পদ হৰি-পদে কৰু আশা॥

(২৮) ৰাগ—মাঁহুৰ

ধ্রুং॥ হৰিকো নাম নিগমকু সাৰ।
সুমৰি আতি অন্তজাতি—
—পাৱত ভৱনদীপাৰ॥
পদ॥ পাপী অজামিল হৰিকো সুমৰি নাম আভাস।
অতয়ে কর্ম্মক-বন্ধ ছোৰি পাইল ৱৈকুণ্ঠ ৱাস॥
জানি আহে লোক হৰিকো নামে কৰু
ৱিশোৱাস।
সকল ৱেদক তত্ত্ব কহয় মুকুখ মাধৱ-দাস॥

(২৯) ৰাগ—গৌৰী

ধ্রুং॥ ৰাম পৱম-ধন চিন্তহু ভাই।
তনু চিন্তামণি ৱিফলহি হাই॥
পদ॥ ৱিষয়ক সুখ শূকৱকহোঁ পাই।
হৰি-পদ সেৱা মানৱী ৱিনে নাই॥
ঝুণ্টা ঐচন জনম গোঁঞাই।
ৱিষয়-কাচক মূলে মাণিক ৱিকাই॥
ওহি পৱম তত্ত্ব ৱেদক ৱাণী—
কহত মুকুখ-মতি মাধৱ জানি।

(৩০) ৰাগ—ধনশ্রী

ধ্রুং॥ হৰিগুণ গাৱত—মেৰি মনাই।
সুখে ভকত-সঙ্গ মিলাই॥
পদ॥ পতিত-পাৱন হৰিৰ নাম।
তাহে লেহু মুহে অৱিৰাম॥

হৰিগুণ অমিয়া-মাধুৰী ঝুৰে।
ভকত-জন মনোৰথ পুৰে॥
সকল নিগম ৱিচাৰি ৱিধি।
কহল—হৰি ৱিনে নাহি সিদ্ধি॥
কহয় মাধৱ—মুকুখ দীনা।
—গতি নাহি নাহি হৰি ৱিনা॥

(৩১) ৰাগ—ভাটিয়ালী

ধ্রুং॥ কিৰিষি কৱা আলো মনাই—
—হৰিচৱণৰ সেৱা পৱম সুখে।
যতন কৰিয়া হৰিৰ নাম—সদায় ভাৱ মুখে॥
পদ॥ অৰুণ ৱৰণ হৰিৰ চৱণ সদায় চিন্ত মনে।
খৱে না মাৱে, ৱানে নেনে, ফলে ছনে ৱনে॥
হেন কিৰিষি তেজিয়া মনাই কোন কিৰিষি কৱ।
খৱে মাৰিব, ৱানে নিব,—দুঃখ পায়া কেনে মৱ॥
ভাল খেতখানি হৰিৰ চৱণ—ৱতৱ ৱান্ধিয়া
লৈয়ো।
যেমনে ৱুলি তেমন হয়—যতন কৰিয়া ৱৈয়ো॥
হৰিৰ চৱণে যি শস্য ৱুলি—সকলে অৱিনাশী।
যত ৱুলি তত পাই – এ ৱড় কিৰিষি॥
সৱ তেজিয়া লৈয়ো মনাই সন্তেৰ সঙ্গতি।
তৱেসে কিৰিষি ফলে – কহয় মাধৱ মুকুখ-মতি॥

(৩২) ৰাগ—ভাটিয়ালী

ধ্রুং॥ ৱ্যৱসা কৰিয়ো ভাই! —হৰিৰ চৱণ-ধন সাৱ।
অৰুণ-চৱণ ৱিনে ধন নাহি আৱ॥
পদ॥ ৱ্যৱসা কৰিতে পাইলা নৱ-তনু নাৱ।
যাৱে নাই পচে নাৱ—মাণিক ৱেসাৱ॥
ৱত্নেৰ পাইলা দ্বীপ ভাৱতে আসিয়া।
লৈয়ো ৰাম-নাম ভাই! মাণিক ৱাছিয়া॥
কৰিয়ো ৱ্যৱসা হৰি ভকতৰ কাছে।
ৰাম নাম ৱত্নেৰ ভাণ্ডাৰ মেলি আছে॥
যতন কৰিয়া লৈয়ো ভাই! যাৱ যত লাগে।
শীঘিৰ কৰিয়া ভাৱ ৰাম – ভৱা হাট ভাগে॥
সংসাৰ তৰিতে লাগে, নাৱ পচে ঘাটে।
চলিতে নিকট ভৈল ভৱা দিয়ো ঝাটে॥
যি নৰ চতুৰ, মুখে ৰাম নাম ধৱ।
মূল ৱাখি লাভ কৰি ভৱ-নদী তৱ॥
ৰাম নাম লৈয়ো, – আন আশা কৰ দূৱ।
মিছা দিয়া সঞ্চা লৈয়ো তেৱেসে চতুৰ॥
ৰাম নাম ৱত্নে ভৱা দিয়ো তনু নাৱ।
হৰিগুণ গায়া যমেৰ ঘাটি মাৰি যাৱ॥

ভকতৰ ধন হৰি-নামে নৱ-নিধি।
চাৰি বেদ বিচাৰিয়া কৈয়া আছে বিধি ॥
কহয় মাধৱ-দীন দীন মতি-হীনা।
আন ধন অকাৰণ ৰাম-নাম বিনা ॥

(৩৩) ৰাগ—ধনশ্রী

ধ্রুং ॥ শঙ্খ-চকৰ-গদা-পঙ্কজ পাণি
—গৰুঢ়াসন বনমালী গোপাল।
পীতাম্বৰধৰ, শ্যাম-সুন্দৰ হৰি...
...ভকতজনৰ ভয়হাৰী দয়াল ॥

পদ ॥ পৰমানন্দ... পৰম-পুৰুষোত্তম
পৰম কৰুণাৰ্ণৱ-সিন্ধু গোপাল।
কমলাকান্ত কমলদল-লোচন
ভকতজনৰ নিজবন্ধু দয়াল ॥
জগদানন্দ জগতজন জীৱন,
যদুকুল-কুমুদিনী-ইন্দু গোপাল।
মাধৱ দাস-দীন মুকুখ-মতি মাগয়
ভকতি-ৰতি এক বিন্দু দয়াল ॥

(৩৪) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ এ হৰি কৰিয়ো কৰিয়ো মেৰি ককণা মুৰাৰি।
চাৰবো নাহি আক চৰণ তোহাঁৰি ॥

পদ ॥ তুহুঁ নিৰঞ্জন যিটো জগত আধাৰ।
ভাৰ হৰণ হেতু তুহুঁ অৱতাৰ ॥
তাৰৰি লোক বিনোদ পৰকাশি।
তুৱা পদ-কমলে সেৱক ভৈলো আসি ॥
পূৰব বাসনা দূৰ কৰিহ হামাৰি।
বচনে ৰহোক গুণ-নাম তোহাঁৰি ॥
তুৱা কথা শ্ৰৱণে ৰহোক অবিৰাম।
কৰ মেৰি ৰহোক তুহুঁ কয় কাম ॥
তুৱা পদ সুমৰি ৰহোক মন থিৰ।
তোঁহাৰি চৰণ বন্দি ৰহো মোৰ শিৰ ॥
তুৱা নিজ মূৰতি ভকত সৱ ঠাই।
কহ মেৰি বদন—মাধৱ গুণ গাই ॥

(৩৫) ৰাগ—আশোৱাৰী

ধ্রুং ॥ হৰিপদ মোহোৰ পৰম-ধন।
তাহে কমনে ৰহুঁ...বিছুৰি পামৰ মন ॥

পদ ॥ হৰি-পদ-পঙ্কজ ভৱ-ভয় ভঞ্জনৰে।
ভজত-জনৰ নিজধন, মনো-ৰঞ্জনৰে ॥
অভয় চৰণ দুহোঁ সুৰাসুৰ-বন্দনৰে।
এ তিনি ভুৱন-পতি গোপনন্দ-নন্দনৰে ॥

অসাৰ সংসাৰ সৱ ধন-জন-জীৱনৰে।
কহত মাধৱ-দীন·· মন মেৰি নাৰায়ণৰে ॥

(৩৬) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ হৰি মোৰ—এ দীন দয়াল।
কে জানিতে পাৰয় তোমাৰ ঠাকুৰাল।

পদ ॥ নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা ॥
সহজে অকর্ত্তা কর্ম্ম কৰা অপৰ্য্যন্ত।
সোহি কর্ম্মে জীৱৰ কৰম কৰা অন্ত ॥
তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিগুণ হোৱয় জীৱ সোহি গুণ গাই ॥
কহয় মাধৱ—মেৰি ওহি আশা মনে।
সহজ পীৰিতি মাগোঁ তোমাৰ চৰণে ॥

(৩৭) ৰাগ—শ্যামগোড়া

ধ্রুং ॥ —শুনলো পণ্ডিত—
হৰি-পদ-সেৱা-ৰসে থিৰ কৰা চিত ॥

পদ ॥ অনন্ত নিগম-বন গহন অপাৰ।
ভৈল ক্ষীণ বুদ্ধি অর্থ কৰিতে বিচাৰ ॥
তাৰে দেখি মনে দুঃখ লাগয়ে আমাৰ।
কৰিয়ো সাদৰ ইটো উপদেশ সাৰ ॥
তিনিগুণময়-বেদ-বন পৰিহৰা।
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা ॥
উড়ুখলে যাঁৰে বান্ধি থৈয়া আছে টানি।
সোহি বেদ-শিৰোৰত্ন-অর্থ ভজা জানি ॥
যদি হৰি অনন্ত ব্ৰহ্মাণ্ড-অধিকাৰী।
তথাপি ভক্তৰ বশ্য হোৱন্ত মুৰাৰি ॥
তাতেসে বন্ধন হৰি লৈলা যশোদাৰ।
নিৰন্তৰে নিগমৰ এ তত্ত্ব-বিচাৰ ॥
যাৰ মায়া-পাশে বন্দী ব্ৰহ্মা আদি কৰি।
গোৱালীৰ হাতে বন্দী ভৈলা হেন হৰি ॥
ভকতি সমান বলী নাহি নাহি আৰ।
কহয় মাধৱ— গতি নন্দেৰ কুমাৰ ॥

(৩৮) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ আলো ভাই! গোকুল আনন্দ জয় জয়।
---মিলিছে পৰম মহোদয় ॥

পদ ॥ যিটো নিগমৰ গুপ্ত-বিত্ত।
হেন হৰি গোকুলে বিদিত ॥
শুনিতে কৌতুক অনুপাম।
ব্ৰহ্মৰ ৱৰণ ঘণ-শ্যাম ॥

পৰমাত্মা যিটো লক্ষ্মীপতি।
হুৱা আছে গোপৰ সঙ্গতি ॥
মিলিছে বৈকুণ্ঠে মহা-মহোৎসৱ।
সদায়ে আনন্দ হৰি-ৱৱ ॥
গোকুলৰ ভাগ্যৰ মহিমা।
কেৱা কহি কৰিবেক সীমা ॥
কহয় মাধৱ—মূঢ়-মতি।
হৰি পাদ-পদ্মে মোৰ গতি।

(৩৯) ৰাগ—মাহুৰ ধনশ্রী

ধ্রুং ॥ ৰাজকু নন্দ-ৰাজকু নন্দন।
যাকেৰি চৰণ-ৰেণু জগ বন্দন ॥

পদ ॥ শুদ্ধ পৰম ব্ৰহ্ম গোপ-কুমাৰা।
ত্ৰিভুৱন-তাৰণ হেতু অৱতাৰা ॥
কাৰ্ত্তিক ময়ূৰ পুচ্ছ শোহে শিৰে।
মণি-গিৰি-গৈৰিক ৱঞ্জে শৰীৰে ॥
কুন্তল কুটিল অলক-ৰাজি মণ্ডন।
নখমণি চন্দ্ৰ তাপ-তিনি-খণ্ডন ॥
নবীন গুঞ্জামণি হাৰ বিৰাজিত।
স্তৱক-ৰাজ দুহো শ্ৰৱণে বিভূষিত ॥
নানা ৰতন জড়িত অঙ্গ-ভূষণ।
লাৱণ্য-ধাম শ্যাম-তনু শোভন ॥
মুকুতি-বিড়ম্বন লীলা যাঁহাক।
মাধৱ কহ – গতি নন্দ কুমাক ॥

(৪০) ৰাগ—ভাটিয়ালী

ধ্রুং। আলো ভাই! চল আইস যাই বৃন্দাবনে।
দেখোঁ গৈয়া আনন্দ – নয়নে ॥

পদ ॥ সকল বিৰিন্দাবন ছানি।
জয় জয় ৰাম-কৃষ্ণ – ধ্বনি ॥
সুৰভি তেজয় হাম্বাৰাৱ।
বিনোদ মিলিছে ঠাৱে ঠাৱ ॥
ৱঙ্গে বায় শিঙ্গা শঙ্খবেনু।
নাচে হাসে গায়—চাৰে ধেনু ॥
যি ৰস মিলিছে বৃন্দাবনে।
এ সুখ নাহিকে ত্ৰিভুবনে ॥
ৰামকৃষ্ণ নোহন্ত মানুষ ॥
আৰা দুই পৰম পুৰুষ ॥
ব্ৰজেৰ প্ৰজাৰ ভাগ্য ববে।
কহয় মাধৱ—ওহি দৰে ॥

(৪১) ৰাগ—শ্রী

যাদৱ! লীলা তোহাৰি।
ধ্রুং ॥ নিজ সুখ তেজি ভৈলা কেনে বিপিন-বিহাৰী ॥

পদ ॥ গৰুঢ়ৰ স্কন্ধে যোঁহি চৰণ-বিৰাজে।
সোহি পদে ফুৰা কেনে বিজু-বন মাজে ॥
প্ৰৱন্ধে চিন্তিয়া ন পাৱায় যোগী যত।
সোহি পদ শোহে পুতনাৰ হৃদয়ত ॥
লক্ষ্মীদেৱী সেৱে যাক সুকোমল হাতে।
সোহি পদ বিৰাজয় কালী সৰ্প মাথে ॥
কোটি কোটি ব্ৰহ্মা হৰ যাঁহাৰ দুৱাৰে।
সোহি মহেশ্বৰ কেনে বনে ধেনু চাৰে ॥
সকল নিগমগণে যাঁক ন জানয়।
গোৱালী যশোৱা কেনে তাঁহাক বান্ধয় ॥
বিপৰীত লীলা তেৰি জানন ন যায়।
কহয় মাধৱ—হৰি! গতি তুৱা পায় ॥

(৪২) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ হৰি! তেৰি লীলা বিপৰীত।
সুমৰিতে হামাৰ আকুল কৰে চিত ॥

পদ ॥ অনন্ত ব্ৰহ্মাণ্ড-পতি হইয়া আপুনে।
ধৰিলা লৱনু-চোৰা নাম কিবা গুণে ॥
ব্ৰহ্মা হৰে আৰাধে যাঁহাৰ দুই পাৱে।
সে তুমি লৱনু মাগা গোৱালীক ঠাৱে ॥
কাল মায়া কাম্পে যাঁৰ নাম সুমৰণে।
যশোদাৰ ভয়ে তুমি কাম্পা কি কাৰণে ॥
যাঁৰ মায়া পাশে বন্দী সকল সংসাৰ।
সে তুমি বন্ধন কেনে লৈলা যশোদাৰ ॥
যাঁৰ আজ্ঞা পালে চৰাচৰ নিৰন্তৰে।
কেনে ধনু ৰাখা তুমি গোৱালীৰ ঘৰে ॥
গৰুঢ় বাহনে গতি সদায় যাঁহাৰ।
সে তুমি গোপীক বহা ই কোন বিহাৰ ॥
জানিলোঁ কেৱলে তুমি ভকতিৰ বশ্য।
সকল নিগমে প্ৰভু এ বড় ৰহস্য ॥
কহয় মাধৱ দাস—কঠিন পামৰ।
তোমাৰ দাসৰো দাস ভৈলো দামোদৰ ॥

(৪৩) ৰাগ—শ্রী

ধ্রুং ॥ —জয়তি পৰমানন্দ এ নন্দ কুমাৰ।
নিগম-নিগূঢ় হৰি ভয়ো অবতাৰ ॥

পদ ॥ তেজিয়া বৈকুণ্ঠপুৰী এ চিদ্-বিলাস।
কি লাগি কমলাপতি ব্ৰজে কৈলা বাস ॥
কোটি কোটি ব্ৰহ্মাণ্ডৰ তেজিয়া বিভূতি।
কি লাগি হইলা প্ৰভু গোপৰ মুকুতি।
যাঁৰ আজ্ঞা-বাণী ব্ৰহ্মা হৰে শিৰে ধৰে।
সোহি আজ্ঞা পালে কেনে গোৱালীৰ ঘৰে ॥
যাঁৰ পদৰেণু শিৰে ধৰে দিগ্-পাল।
সোহি প্ৰভু ভৈলা কেনে ব্ৰজে ৰাখোৱাল ॥

কহয় মাধৱদাস—দিন মতি-হীনা।
সহজে দয়াল হৰি ভকতি-অধীনা॥

(৪৪) ৰাগ—শ্যামগোড়া

ধ্রুং॥ পৰভাতে সুমৰোঁ গোবিন্দ হৃষীকেশ।
চিদানন্দ মুকুতি—কপট গোপ-বেশ॥
পদ॥ সত্য-সনাতন নিত্য নিৰঞ্জন দেৱা।
অনাদি অনন্ত যোহি বিনে নাহি কেৱা॥
সোহি প্ৰভু নাম ধৰে নন্দকু-নন্দন।
কৰোঁ পৰভাতে তযু চৰণ বন্দন॥
সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাকু বিচাৰি না পায়॥
চতুৰ-বয়ন, ভব, ককু যাক সেৱা।
গোপ-নন্দ ভবনে বেকত সোহি দেৱা॥
অৰুণ নয়ন, নখ অৰুণ বৰণ।
অৰুণ অধৰ, চাৰু অৰুণ চৰণ॥
নীলমণি-নিভ তনু এ জগ-জীৱন।
কহয় মাধৱ—গতি নন্দকু-নন্দন॥

(৪৫) ৰাগ—ৰৰাড়ী।

ধ্রুং॥ হৰিৰ বংশীৰ ভাই! শুনিয়ো কাৰণ।
যিহেতু বাঁশীৰ ৰৱে মোহে ত্ৰিভুবন॥
পদ॥ নিজে বংশী ভৈলা মূল প্ৰকৃতি প্ৰথম।
সাত গুটি বন্ধে সাত প্ৰকৃতি নিয়ম॥
হৰিৰ অধৰে ফুন্ধে পুৰুষ-চৈতন্য।
জড়-বংশী প্ৰকৃতি কৰাৱে প্ৰৱৰ্ত্তন॥
কোমল আঙ্গুলিচয় ৰন্ধ্ৰ মধ্যে চালি।
বহুৰসে বাঁশীটি বজাস্ত বনমালী॥
যিটো নিজ মায়া মোহি আছে চৰাচৰে।
হৰিৰ বাঁশীয়ে ত্ৰিভুৱন মোহ কৰে॥
এহি হেতু বাঁশী নিজ মায়া ভগৱন্ত।
ত্ৰিভুৱন মোহি নিৰবধি বজাৱন্ত॥
মোহন বাঁশীৰ নিজ কৈলোঁ প্ৰয়োজন।
কহয় মাধৱ—মেৰি গতি নাৰায়ণ॥

(৪৬) ৰাগ—শ্ৰী।

ধ্রুং॥ গোধন সঙ্গে ধায়—ৰঙ্গে পঞ্চম গায়।
ঝণকে মঞ্জীৰ পায়—লহু লহু বেণুবায়॥
পদ॥ তনু নৱ জলধৰ পীত অম্বৰ ৰৱ-
মনোহৰ অধৰ সুহাই।
পীতধটি কটি মাজে ঝণকে কিঙ্কিনী বাজে
ৰাজীৱ-লোচন কানাই॥

এ নদী যমুনা কুলে খেলাই কদম্ব মূলে-
মন-মথ-মোহন মুৰাকৰে।
কহয় মাধৱ—হৰি- লীলা নৱ তনু ধৰি
ভকতি নিদান অৱতাকৰে॥

(৪৭) ৰাগ—বেলোৱাৰ।

ধ্রুং॥ দেখোৰে—নয়ন ভৰি লোই।
পৰম পুৰুষ—ৰাম ৰাজা হোই॥
পদ॥ ৰতন সিংহাসনে ৰাজত ৰাম।
তনু সুকুমাৰ দুৰ্ব্বাদল-শ্যাম॥
ৰতন ভূষিত অঙ্গ উজোৰে।
পূৰ্ণচন্দ্ৰজ্যোতি ছত্ৰ উৱৰে॥
পাশ লাস শ্বেত চামৰ দোলে।
মিলিল মহোৎসৱ জয় ৰাম বোলে॥
চৌদিশে মঙ্গল-বাজন বাজে।
কৌতুক ৰঙ্গ কৰত সব ৰাজে॥
সিদ্ধ মুনি শিৰে কুসুম ৰষিষে।
চতুৰ-বয়নে স্তুতি বোলত হৰিষে॥
ৰামক চৰণ-কমল-মধু আশা।
কহত মুকুখ-মতি মাধৱ দাসা॥

(৪৮) ৰাগ—ৰৰাড়ী।

ধ্রুং॥ হৰি কমলাকান্ত কমলদল-লোচন—
—সেৰিত-সুৰ, শিৱং।
আদি পৰম-কাৰণ, পৰমানন্দ—
—পৰমপুৰুষ জগজীৱং॥
পদ॥ মাধৱ মধুৰ মূকুতি মধুসূদন—
দনুজ-দমন-বলশালী।
কঙ্কণ-হাৰ-ৰঞ্জিত মণি কুণ্ডল
—পীত বসন বনমালী॥
কুবলয় কংস কেশী মল্ল মোৰল
—অঘ বক ধেনুক নাশী।
হৰিপদকমল-অমল-মকৰন্দ ৰস
—মাধৱ দীন অভিলাষী॥

(৪৯) ৰাগ—ৰৰাড়ী।

ধ্রুং॥ সোই-সোই-শ্যাম মনোহৰ, দেখিয়ো নয়ন ভৰি।
ব্ৰজেৰ প্ৰজাৰ ভাগ্য-ফল গোটে আছয়
মূকুতি ধৰি॥
পদ॥ শ্যাম নাম নৱ- -অমৃত ৰসেৰ
একপে ভৈল ভাণ্ডাৰ।
গোকুলবাসীৰ নয়ন-উৎসৱ
আনন্দ কুসুম-সাৰ॥

যোহি অঙ্গে গৈয়া দৃষ্টিপাত হয়
তথায়ে স্তম্ভিয়া ৰয়।
কতনা নয়নে পান কৰিবেক
যতেক মাধুৰী বয়॥
দেখিতে দেখিতে নবীন নবীন
কপেৰ লাৱণ্য বলে।
একপ তেজিয়া আৱৰ দেখিয়া
নয়ন মৰে বিকলে॥
লাজে মনোৰথে মূকতি ন ধৰে
কপেৰ দেখি মাধুৰী।
লাৱণ্য দেখিয়া সব চুৰ ভৈল-
বিধিৰ যত চাতুৰী॥
কত জনমৰ ভাগ্যে মিলি আছে
গোকুলেৰ সুমঙ্গল।
একপ লাৱণ্য যি জনে দেখয়
তাৰেসে জন্ম সফল॥
একপ মাধুৰী তেজিয়া আৱৰ
দেখিতে মন ন ধাৱে।
মোৰ নিজ গতি নন্দৰ নন্দন
মুকুখ মাধৱে গাৱে॥

(৫০) ৰাগ—গৌৰী।

ধ্রুং॥ ব্ৰজ-জীৱন, দয়াল, দীন-দয়ালু,—এ নন্দ-কুমাৰ
—মনোমোহনু।
কোমল, কেলি-কলাৰস নাগৰ, মনোহৰ,
শ্যাম—কাম-দহনু॥
পদ॥ নীল মৃণাল- -ললিত ভুজ কোমল
কঙ্কণ কনক-ভূষণ ৰঞ্জনু।
শৰত-সুজাত কমল-কোষ-গঞ্জনু-
-পদযুগ-ভকত-ভীতি-ভঞ্জনু॥
শাৰদ-ইন্দু- -কোটি কচিৰাপন
সুন্দৰ তিলক ৰাজীৱ-লোচনু।
মঞ্জুল মধুৰ- -মূকুতি সুখ সাগৰ
মাধৱ কহ-প্ৰভু ভৱ-মোচনু—
—হৰি দুঃখ-মোচনু॥

(৫১) ৰাগ—শ্ৰী।

ধ্রুং॥ —কানু ভাল মূকুতি-মাধুৰী।
একু সঙ্গে চুৰ কৰে বিধিৰ চাতুৰী॥
পদ॥ শ্যাম তনু শোহে চাৰু কাচ ঢল ঢল।
দেখিয়া মুদ্রিত ভয়ো নীল উতপল॥
গগনে অথিৰ চান্দ কানু মুখ দেখি।
পঙ্কজ ৰহিল জলে নয়ন নিৰেখি॥
পীত বসন শ্যাম-শৰীৰে বিৰাজে।
বিজুলী চঞ্চল ভয়ো নীলমেঘ মাজে॥
সুবলিত ভুজ যুগ দেখি লাজ পায়া।
পাতাল ভিতৰে ৰৈল বাসুকী লুকায়া॥
কপেৰ মাধুৰী হৰি মন শান্ত কৰে।
অমৃত লুকাইয়া ৰৈল দুৰ্গম সাগৰে॥
কানুৰ উপমা দিতে পাৰে কোন জন।
কহয় মাধৱ—গতি নন্দেৰ নন্দন॥

(৫২) ৰাগ—মাহুৰ—ধনশ্ৰী।

ধ্রুং॥ মোহেৰে মন-মদন-গোপালা।
হৃদয়ে হেম-হাৰ—বনমালা॥
পদ॥ মোহন কদম্ব তলে মোহন কানাই।
মোহন মধুৰ বেণু পঞ্চম গাই॥
মোহন বিবিন্দা-বনে মোহন কালিনী।
পেখি মোহন কানু ভুলল গোপিনী॥
বেদশিৰোমণি যাঁৰ চৰণ-বিকাশে।
সো হৰি গোকুল মহ পৰকাশে॥
হৰিকো-চৰণ-ৰেণু অভিলাষা।
কহতু মাধৱ হৰি দাসকু-দাসা॥

(৫৩) ৰাগ—শ্যাম গোড়া।

ধ্রুং॥ সই! বনে বনমালী বেণু বজাৱত, ধেনু চৰাৱত
বঙ্গে।
শৰীৰ নিৰ্ম্মল, ভুৱন উজ্জ্বল কৈল কানু
কাঞ্চা অঙ্গে॥
পদ॥ নয়ন-কমল বয়ন উজ্জ্বল
জিনি কোটি এক-শশী।
সুৰলিত ভুজ দেখিয়া মৃণাল
ৰহিল পঙ্কত পশি॥
এমন সুচান্দ জুড়াৰ টালনি
দেখি নাহি কোনো কালে।
বঙ্কিম, ললিত ভ্ৰূৱ সুৰলিত
দেখিয়া পৰাণ হালে॥
নটবৰ জিনি সুবেশ সাজনি
কপে কোটি কাম জিনে।
হৰিপদ কম- -লৰ মধুকৰ
কহয় মাধৱ-দীনে॥

(৫৪) ৰাগ—ধনশ্ৰী।

ধ্রুং॥ হৰি হাসি বংশী বায়—বঙ্কিম নয়নে চায়।
শিথিল গমনে ধায়—ঝুৰয় নূপুৰ পায়॥

পদ ॥ ৰূপে ভুৱন মোহে—গলে গজমতি লোহে।
অলক তিলক শোহে—বাহুক চাৰিতে ৰোহে ॥
ঈষৎ মধুৰ হাস—শোহে তনু পীত বাস।
কহয় মাধৱ দাস—ছোড় প্ৰভু মোহ-পাশ ॥

(৫) ৰাগ—বেলোৱাৰ।

ধ্ৰুং ॥ —দেখোঁৱে নয়ন দুহোঁ ভৰিয়ে।
আৱত কানু মধুৰ ৰূপ ধৰিয়ে ॥
পদ ॥ উজ্জলিত ৰতন ভূষণ -অঙ্গ-ভঙ্গিয়া।
নটৰ নাগৰ, সাগৰ-ৰস, ৰঙ্গিয়া ॥
সুৰস পঞ্চম পূৰত ৰেণু ধ্ৱনিয়া।
ত্ৰিভুৱন-মোহন সুন্দৰ শিখা-মনিয়া ॥
আৰকত অধৰ মাণিক নিন্দি দশনা ॥
শ্যাম-শৰীৰ পৰিত পীত ৰসনা ॥
কুন্তল কুটিল অলক ঝলমলিয়া।
সুন্দৰ তিলক কপোল ভাল বনিয়া ॥
কুণ্ডল ডগমগী লম্বিত অংসা।
মানস-চাৰু-সৰোৱৰ হংসা ॥
সুন্দৰ থিৰ ললিত গজ-গমনা।
মাধৱ কহ—গতি গোপিনী-ৰমণা ॥

(৫৬) ৰাগ—বেলোৱাৰ।

ধ্ৰুং ॥ ৰিৰিন্দাবনে খেলে যশোৱা-নন্দ-লালনা।
যো হৰি সকল ভুৱন একু পালক—
—সো হৰি বনে বৎস-পালনা ॥
পদ ॥ কোটি মদন জিনি ৰাজত যদুমণি
নৱ-জলধৰ তনু শোহনা।
ত্ৰিবলী-বলিত-অঙ্গ- -ভঙ্গ কচিৰ বঙ্গ-
ৰসিক, ভুৱন মনোমোহনা ॥
ৰাম ললিত ভুজ- -মূলে মিলিত ৰাম-
-কপোল, ভঙ্গুৰ ভ্ৰূৰ চালনা।
ঈষত ঈষত হাসি ৰংশীৰ মধুৰ ধ্ৱনি
মণিময় জুড়া ভালি টালনা ॥
নবীন গুঞ্জাৰ হাৰ, গলে গজ-মুকুতাৰ-
-মালা, কদম্ব কেলি দোলনা।
ৰতন মঞ্জীৰ মণি ঝুৰয় চৰণ মহ
মাধৱ কহ—ভৱ-ভুলনা ॥

(৫৭) ৰাগ—বেলোৱাৰ।

ধ্ৰুং ॥ হেৰহোঁ মাই ! মধুৰ ৰঙ্গ বনাই।
যমুনা-পুলিন-বনে সুৰভি চৰাই ॥
পদ ॥ মদন-দমন মনো-মোহন মাধৱ
শ্যাম কচিৰ তনু শোহে।
শশধৰ-কোটি- -কান্তি ৰুচিৰানন
পেখি ভুৱন-মন মোহে ॥
ত্ৰিৱলিত অঙ্গ- -ভঙ্গ ভ্ৰূৰ সুবলিত
নয়ন কমল-দল গঞ্জে।
কহতু দীন মৰুখ-মতি-মাধৱ
ওহি ভকত-ভয় ভঞ্জে ॥

(৫৮) ৰাগ—বেলোৱ।

ধ্ৰুং ॥ মাই ! হেৰ—গোকুল-চান্দ আৱে।
সকল বালক মাজে, জিনি নটৰৰ সাজে
—হাসিৰসে ভুৱন ভুলাৱে ॥
পদ ॥ শ্যাম-শৰীৰ, পীত- -পট পৰি লম্বিত
কণ্ঠে কদম্ব-মালা লোলে।
ৰূপে কোটি- -মদন মনোমোহন
শিৰে শিখণ্ডক দোলে ॥
ধেনু-পদ-ৰেণু-তনু কৰে কনক-বেণু
লহু লহু পঞ্চম গায়।
কটি-তট-কিঙ্কিণী- পায়ে নুপুৰধ্ৱনি
হৰষে হৰষে ধেনু ধায় ॥
কানুক চান্দ-বয়ন ঘন ঘন হেৰত
গোপিনী দৰশন পায়াৰে।
কহয় মাধৱ—হৰি- -চৰণ শিৰে ধৰি
দীন-বৎসল কৰু দায়াৰে ॥

(৫৯) ৰাগ—আশোৱাৰী।

ধ্ৰুং ॥ আৱত ব্ৰজৰ জীৱন বে হৰি।
ত্ৰিভুৱন—মোহন মধুৰ ৰূপ ধৰি ॥
পদ ॥ বিৰাজিত শ্যামতনু ধেনু-পদ-ৰেণু।
অৰুণ অধৰে পূৰে সুললিত বেণু ॥
বনজ-কুসুম-কোৰি মালা উজ্জলিত।
শৰীৰকু কান্তি সব দিশ প্ৰজ্জলিত ॥
ভ্ৰমৰে ৰঞ্জিত উৰে লোলে বন মালা।
ৰতন ভূষণ সব শৰীৰ উজ্জলা ॥
চৰণ পঙ্কজে মণি মঞ্জীৰকো ধ্ৱনি।
কহয় মাধৱ—মেৰি গতি যদুমণি ॥

(৬০) ৰাগ—মাহুৰ

ধ্ৰুং ॥ শ্যামচান্দমুখ পেখলো মাই।
কদম্ব কান্ধে বহি ফিৰি ফিৰি চাই ॥
পদ ॥ কদম্ব মালা গলে শোভিত ভালি।
এ তিনিভুৱন-মোহন বনমালী ॥

কুণ্ডল ডগমগী ঝলমল মৌৰা।
ঈষত হাসিৰসে মানস চোৰা ॥
অমলকমল-দল-লোচন ৰাতা।
অপৰূপ নিৰমিল কমন বিধাতা ॥
সকল কলাৰস-সিন্ধু নাগৰা।
মাধৱ কহ গতি—গোবিন্দ মোৰা ॥

(৬১) ৰাগ—মাহুৰ।

ধ্ৰুং ॥ দেখত নাগৰ নট-বিলসীয়া-
—বালক মহ কানু সাজতৰি।
ভুৱন সুন্দৰ ৰৰ, শ্যাম মনোহৰ-
—চান্দ কোটি জিনি ৰাজতৰি ॥
পদ ॥ ৰতন ভূষণে চাৰু- -অঙ্গ বিভূষিত
চৰণে মঞ্জীৰ মণি ৰাজতৰি।
ভ্ৰূৰ সুবলিত চাৰু বঙ্কিম লোচন
পেখি মদন কোটি লাজতৰি।
ঈষত মধুৰ হাসি বাঁশী বিনোদিত
মোদিত পঞ্চম গাৱতৰি।
নন্দকু কুমাৰ- -চৰণ যুগ ৰাজীৰ
মাধৱ মন বহু ভৱ-তৰি ॥

(৬২) মাহুৰ—ধনশ্ৰী।

ধ্ৰুং ॥ সাজেৰে সখি ! নন্দকুবালা।
নৱ-ঘন জিনি শোহে তনু কালা ॥
পদ ॥ অধৰ সুধাকৰ পূৰিত ৰেণু।
অঙ্গবিভূষিত গো-পদ ৰেণু ॥
ঝল-মল ময়ূৰ পুচ্ছ শোহে মাথে।
কোটি মদন জিনি গোপিনী-নাথে ॥
নিন্দি ইন্দু কোটি হৰি সাজে।
ঝণকিত কিঙ্কিণী মঞ্জীৰ বাজে ॥
কণ্ঠে কেলি-কদম্বক মালা।
কহত মাধৱ গতি বাল-গোপালা ॥

(৬৩) ৰাগ—মাহুৰ।

ধ্ৰুং ॥ দেখো মাই ! আৱত নন্দ-দুলাল।
নিন্দি নটৰৰ মুকুতি মনোহৰ—
—শ্যাম মদন গোপাল ॥
পদ ॥ ৰাম বাহুত মিলিত মনোৰথ
ললিত ৰাম কপোল।
অধৰ অৰ্পিত কনক বিৰচিত
মধুৰ মুৰৰী অমূল ॥
অধৰ শোণিমা চিবুক শ্যামিমা
বংশী শোভিত ভাল।
প্ৰৱাল মৰকত জড়িত বৈচন
হেম পঙ্কজ নাল ॥
ভ্ৰূৰ উন্নত চাপ মনমথ
নয়ন তছু পঞ্চবাণ।
কহয় মাধৱ মৰম হানি হৰি
হৰল গোপীক প্ৰাণ ॥

(৬৪) ৰাগ—শ্ৰীগান্ধাৰ

ধ্ৰুং ॥ ৰূপে ভুলে গোৱালী—সুন্দৰ বনমালী—
মোহন বনমালী।
কহ-কৈচন স্বামি ! হে হৰি ! হৰি মিলব হামাৰি ॥
পদ ॥ এ শ্যাম-সুন্দৰ তনু হৰি-হৰি এ পীতবসনা।
এ ৰূপে ভুলল মন হে হৰি ! হৰি কোটি-মদনা ॥
এ জগ ভুলাল হাসি হৰি ! হৰি বয়স নবীনা।
কৈচন ধৰব চিত্ত হে হৰি ! হৰি নন্দসুত বিনা ॥
কমল-নয়ন স্বামি হে হৰি ! হৰি সুচান্দ-বয়না।
কহয় মাধৱ—গতি হে হৰি ! হৰি নন্দকু-নন্দনা ॥

(৬৫) ৰাগ—ভাটিয়ালী।

ধ্ৰুং ॥ —গোপাল খেলায় কদম্ব-তলে।
ভুৱন-মোহন মুকুতি-মধুৰ—
—মদন জিনিয়া জ্বলে ॥
পদ ॥ তনু নৱ-ঘন দলিত অঞ্জন—
—জিনিয়া অতি বিৰাজে।
ৰতন ভূষণ কেয়ুৰ কঙ্কণ,
কটিত কিঙ্কিণী বাজে ॥
কৰিয়া সুবেশ বান্ধি আছে কেশ
টালনি কৰিয়া জুড়া।
চৌভিতি বেঢ়িয়া মণি মুকুতাৰ—
মালা, ময়ুৰৰ চূড়া ॥
হাসিয়া খেলায় বোলান বোলায়
অমিয়া যেন ৰৰিষে।
নূপুৰ ঝমকে বাজয় ঠমকে
চলয় মন-হৰিষে ॥
নেতেৰ আঞ্চল কৰে ঝলমল
গাৱে পৰিমল বাসে ॥
ওহি ৰূপে মন- -মজোক হামাৰ
কহয় মাধৱ-দাসে ॥

(৬৬) ৰাগ—বৰাড়ী

ধ্রুং ॥ —কানাই কিনা ৰূপসিয়া।
গোপীৰ হৰিল মন মুচুকি হাসিয়া ॥
পদ ॥ কানাইৰ দেখিয়া ৰূপ হৰিল সুৰতি।
অপমানে মনমথে নধৰে মুকুতি ॥
কানাইৰ দেখিয়া ৰূপ মনত বিকলে।
পূর্ণ শশী থিৰ নোহে গগণ মণ্ডলে ॥
কানাইৰ দেখিয়া দুই নয়ন উজ্জল।
ঝাম্প দিয়া জল মাজে ৰহিল কমল ॥
কানাইৰ দেখিয়া ৰূপ অতি মন লাজে।
মদন লুকায়া ৰৈল হৃদয়ৰ মাজে ॥
কানাইৰ ৰূপৰ উপমাৰ কেৱা ক্ষেম।
এক পুঞ্জ হুৱা আছে গোপিনীৰ প্রেম ॥
সকল জগতে বোলে কানাই কলিয়া।
কালা নোহে—শ্যাম ৰূপ ধৰিছে অমিয়া ॥
অনেক যতনে বিধি চাইল মনে গণি।
আপোন ৰূপেৰ কানু উপমা আপুনি ॥
কানাইৰ দেখিয়া ৰূপ মোহে ত্রিভুবন।
কহয় মাধৱ—গতি নন্দেৰ নন্দন ॥

(৬৭) ৰাগ—আশোৱাৰী

ধ্রুং ॥ মোহন বাৱত মুৰৰী বে কানু।
শুনি ব্রজ ৰমণীক ন সহে পৰাণু ॥
পদ ॥ মধুৰ বাঁশীৰ স্ৱৰে অমিয়া ঝুৰয়।
পাষাণ দ্রবয়—মৃত তরু মঞ্জৰয় ॥
সচেতন সব থিক—অচেতন হোই।
তৰঙ্গিনী সব ৰহু অচলিত তোই ॥
সচৰ অচৰ হয়,—অচৰ চৰ-গতি।
ঐচন মোহন-বেণু পুৰে যদুপতি ॥
ত্রিভুৱন-বিমোহন গোবিন্দক বেণু।
কহয় মাধৱ—গতি কানু-পদ বেনু ॥

(৬৮) ৰাগ—বেলোৱাৰ

ধ্রুং ॥ বিৰিন্দা-বনে খেলত মধুৰ মুৰাৰি।
মোহন মধুৰ হাসি মুৰৰী বজাৱত—
—এ তিনি ভুৱন-অধিকাৰী ॥
পদ ॥ শাৰদ-ইন্দু নিন্দি আনন শোভিত,
ৰঞ্জিত,—মধু মধু হাসে।
অভিনৱ জলধৰ তড়িত-জড়িত যৈছে
তনু শোভিত পীত-বাসে ॥
নয়ন উজৰ, কৰ— —কঙ্কণ, কেয়ুৰ,
বনমালা হৃদয়ে ডোলারে।
চৈধ্যয় ভুৱন ভুলি ৰূপ মিলাৱত
মধুৰ পঞ্চম ৱস গারে ॥
ৰতন জড়িত, মণি— —মঞ্জীৰ ৰঞ্জিত
পদ-পঙ্কজ পৰকাশ।
ভকত পৰম-গতি তাহে মজোক মতি
মাধৱ—এহু অভিলাষ ॥

(৬৯) ৰাগ—গৌৰী

ধ্রুং ॥ কমল-নয়নকে আজু পেখলোঁ মাই—
—গোৱিন্দ পেখিতে নয়ন জুড়াই।
শ্যামল অঙ্গে পিশঙ্গ পিচোৰা
ময়ুৰ মুকুট বনাই ॥
পদ ॥ মৃগমদ মলয়জ- -মিলিত, বহু-ভাজিত—
—চন্দন অঙ্গে চৰাই ॥
হেম জড়িত বহু ৰতণ বিভূষণ
হৰষে চলয়ে যদুৰাই ॥
পঙ্কজ-বয়ন স্মিত অবলোকন
অলক তিলক মুহ শোহে ॥
সব জগবন্দন নন্দকুনন্দন
কহয় মাধৱ—গতি মোহে ॥

(৭০) ৰাগ—শ্রী

ধ্রুং ॥ শ্যাম মনোহৰ হৱয়ে নগৰ-জনে।
হামাৰি জীৱন কানু হাসি হৰলবে
—কালা অঙ্গেৰ তিনি ঠানে ॥
পদ ॥ ভ্রুৱ মদন-ধনু তথিয়ে নিবেশিত
বঙ্কিম নয়নে পঞ্চবাণ।
অমিয়া মধুৰ বাণী মোহ মন্তৰ জপি
ঘনে ঘনে কৰতু সন্ধান ॥
মোহন বংশীৰ সানে হৰল চেতন মন
মৰম ভেদল বৰ টানে।
কহয় মাধৱ—মাই ! কানাই জীৱন বিনে
কভু নাহি ৱহত পৰাণে ॥

(৭১) ৰাগ—কেদাৰ

ধ্রুং ॥ কদম্ব তরু তলে, নবীন-নীৱদ, রুচিৰ সুন্দৰ শ্যাম।
ভুৱন-মোহন, মুকুতি মনোহৰ, কতিহোঁ নাহি উপাম।
পদ ॥ ভ্রুৱ মনোহৰ নয়ন চঞ্চৰ
বয়ন চান্দ উজোৰ ॥

হাসিতে অমিয়া ৰৰিষে পেখি সখি-
জীৱন না ৱহে মোৰ ॥
কতনা যতনে বিধি নিৱমিল
সুন্দৰ কানুক ৰূপ।
পেখিতে লাৱণ্য লাজে ভয়ো পুনু
কোটি মনমথ চুপ ॥
ৰতন ভূষণ যৈছে নিৱমল
গগণে তাৰা শোহায়।
কহয় মাধৱ হামাৰি মজু মন
নন্দ-নন্দন পায় ॥

(৭২) ৰাগ - বেলোৱাৰ।

ধ্রুং ॥ আজু সুপৰভাতে—পেখলোঁ মাই।
নয়নক আনন্দ—কুসুম কানাই ॥
পদ ॥ নৱঘনশ্যাম পীতাম্বৰ জ্যোতি।
কৌস্তভকণ্ঠে হাৰ গজ মতি ॥
শাৰদ-চান্দ কোটি বয়ন বিকাশে।
মদন-চাপ জিনি ভ্রুৱ পৰকাশে ॥
চান্দজ্যোতি জিনি তিলক কপোলে।
কুণ্ডল জলমল অলকা বিলোলে ॥
উতপল-ৰাতা নয়নযুগ শোহে।
ঈষত হাসি ৱসে জগজন মোহে ॥
সুবলিত চান্দ ময়ূৰ পুচ্ছ শিৰে।
গঞ্জয় গজৰাজ গমন গম্ভীৰে ॥
ৰতন মঞ্জীৰ জুৱয় দুহো পায়।
নন্দ-নন্দন গতি—মাধৱে গায় ॥

(৭৩) ৰাগ—কামোদ।

ধ্রুং ॥ আজু গোপীনাথ পেখল আঁখি।
যমুনা তীৰে ফিৰে ধেনু ৰাখি ॥
পদ ॥ শ্যাম শৰীৰে পীতাম্বৰ শোহে।
লাৱণ্য কোটি মননখ মোহে ॥
সুচন্দ্র বয়নে ঈষত হাসি।
নয়ন ৰাতা উতপল পাসি ॥
কপোলে চন্দন তিলক সাজে।
শোভন অলকা পাস্তি বিৰাজে ॥
মাথে ঝলমল ময়ূৰ চুড়া।
কুসুমে ৱঞ্জয় মোহন জুড়া ॥
কদম্ব-কুসুম শ্রৱণ মূলে।
কম্বুকণ্ঠে মণি-কৌস্তভ লোলে ॥
গলে গুঞ্জা মণি-মুকুতা মালা।
কনক ভূষণে ভূষিত কালা ॥
গোপদ-বেণু বিৰাজিত অঙ্গে।
বেণু বজায়ত অঙ্গ ত্রিভঙ্গে ॥
সুস্ৱৰ উচ্চায়া পঞ্চম গারে।
বঙ্কিম নয়নে ভ্রুৱ দুলারে ॥
নবীন পীত ধটি কটি মাজে।
কনক মেখলা কিঙ্কিণী বাজে ॥
নূপুৰ বাজে পদ-অৰবিন্দে।
কহয় মাধৱ—গতি গোবিন্দে ॥

(৭৪) ৰাগ—গৌৰী।

ধ্রুং ॥ গোৱিন্দ মেৰি আৱর্ত—সব গোধন সঙ্গে ধাৱা।
মোহন হৰি হাসি হৰিষে পঞ্চম পূৰিত গায়া ॥
পদ ॥ গোৱজ বৰ শোভিত তনু
উগত মুখ চান্দা।
আকুল ব্রজ-ৱমণীক মন
মিলিত বহু আনন্দা ॥
পৰম পুৰুষ পায় মুহ—
লোচন ভৰি চায়।
গোবিন্দ-পদ-সেৱক দীন
মাধৱ দাসে গায় ॥

(৭৫) ৰাগ—গৌৰী।

ধ্রু ॥ অৱহু মাই !—দেখত মিলত আনন্দা !
বালক সাথে উগত ভয়ো হামাৰি—
-নয়ন-চকোৰ শ্যামচান্দা ॥
পদ ॥ দিবস সৱহু মাই- মাধু বিৰহ তাপে
তপন-তাপিত তনু মোৰা।
অৱ যশোমতী সুত চান্দ শীতল দেহ
কয়ল সয়ল তাপ থোৰা ॥
কমন চতুৰ বিধি- মাধু মধুৰ ৰূপ
নিৱমিল কতহু সানন্দা।
জনমে জনমে গতি ওহি কমল-পদ
কহয় মাধৱ মতি-মন্দা ॥

(৭৬) ৰাগ—বসন্ত।

ধ্রুং ॥ মন ! ভজহোঁ কমলা-পতি,— গতি কোই আন।
—হৰি-পদ সেৱা নিগম-পৰমাণ ॥
পদ ॥ হৰি-পদ-যুগ সেৱা— ভকতি নিশ্চয়।
ওহি মুকুতি—হৰিপদকো লঙ্ঘয় ॥
কমন মুকুখ—দাস-ভাৱকো তেজয়।
হৰি-পদ লঙ্ঘি সুখ:মুকুতি ইচ্ছয় ॥

জানি হামাৰি মন কৰু হৰি-সেৱা।
নিত্য-নিৰঞ্জন হৰি দেৱকু-দেৱা॥
ঐকান্তিক সুখ—হৰি চৰণ-উপাসা॥
কহয় মাধৱ—হৰি দাসকু দাসা॥

(৭৭) ৰাগ—ধনশ্রী।

ধ্রুং॥ হৰি-পদ-পঙ্কজ মেৰি মনাই।
বিত্ত;—চিন্তহুঁ হৃদি মিলাই॥
পদ॥ দুঃখভঞ্জন—ভৱতৰণী—হৰি ভকতৰ এ চিন্তামণি।
হৰি চৰণ শৰণ বিনা—গতি নাহি নাহি মতি হীনা॥
সুৰ শঙ্কৰ যাকৰু সেৱা—দেখস পুনু দেৱকু-দেৱা॥
দীন মাধৱ মুকথমতি—কহে হৰি সে পৰম-গতি॥

(৭৮) ৰাগ—ধনশ্রী।

ধ্রুং॥ নাৰায়ণ! মঞি তেৰি দাসকু-দাসা।
ভৱভয়তাপে তাপিত মন—তোহাৰি চৰণে-
-কৰহোঁ হামু আশা।
পদ॥ কামিনী কনক লুবুধ পামৰ মন
ভুলে পৰল মতি মেৰা।
ৰূপ ৰস পৰশ শৰদ গন্ধে আকুল-
কৰহোঁ ভকতি নাহি তেৰা॥
ক্ষণিক জীৱন ধন যৌৱন জায়া
বিৰকতি তবহু না হোই।
দংশিত কাল-ভুজঙ্গম অঙ্গা
জানি শৰণ লেহ তোই॥
বৈৰী কাম কোৰোধ মদ মৎসৰ
তা সনে ৰতি, মতিহীনা।
পতিত-পাৱন হৰি তুহুঁ ৰহি নাহি আৰ
—কহতু মাধৱ-দাস দীনা॥

(৭৯) ৰাগ—ভাটিয়ালী।

ধ্রুং॥ মোৰ পতিত-পাৱন প্রভু হৰি!—হৱৰে বাপ!
—কিনা গতি হৈল হামাৰে!
দুর্ল্লভ লভিয়া পুনু ভাৱতে মানৱী তনু
নাম লৈতে না পাৰো তোমাৰে॥
পদ॥ স্থাৱৰ জঙ্গম যত কীট পশু পতঙ্গম
জনমিলো কত—নাহি সীমা।
চতুৰাশি নৱকত পাইলো দুঃখ মানা মত
না জানিয়া তোমাৰ মহিমা॥
জানো ভৈল তুৱা দায়া তাতেসে মানৱী কায়া
পাইলো,—তাৰে বিড়ম্বিল বিধি।
কিনো মঞি বুদ্ধি-নাশা বিষয় কাচেৰ আশা
হাততে হৰাইলোঁ নৱনিধি॥
কিনা ভৈল বিয়ামোহ আচৰিলোঁ তুৱা দ্রোহ
ইসে মোৰ পাইল বৰ দুঃখে।
তুৱা ভকতৰ পদ- -ৰেণু সেৱা নকৰিলোঁ
তুৱা নাম ন লৈলোহোঁ মুখে।
বয়স গোঞাঁইলোঁ হেলে, তুৱা ভকতৰ মেলে
—তুৱা কথা নুশুনিলোঁ কাণে।
ওহি অপৰাধে জানো নিয়া মোক যমৰায়
বৰ ৰাগে মাৰিবে পৰাণে॥
গুণিতে গুণিতে চিত্ত কৰিতে না পাৰোঁ থিত
কিনা গতি হৈবেক মৰণে।
তুৱা ভকতৰ ৰাণী শুনি, মনে অনুমানি
তুৱা পদে পশিলোঁ শৰণে॥
কৰা কৃপা কৃপাময় সদায়ে যিমতে ৰয়
তুৱা নাম, সন্তৰ সঙ্গতি।
ন কৰিয়ো মোৰে নাশ ভৈলোহোঁ দাসৰ দাস
কহয় মাধৱ মূঢ় মতি॥

(৮০) ৰাগ—বসন্ত।

ধ্রুং॥ গোপীনাথ! জগ জীৱ স্বামী ৰাম!
সেৱহোঁ তোই।
—হৰি! কৰহু ককণা নাথ!—মোই॥
পদ॥ কলিযুগে নৱতনু ভাৱতে পায়া পুনু
তুৱা গুণ নাম নাহি লিঞোঁ।
পৰম অমিয়া ৰস তেজি তুৱা নাম-যশ
বিষয়-গৰল হামু পিয়োঁ॥
দুর্জ্জয় মনৰ সঙ্গে পাপচয় কৈলো ৰঙ্গে
না কৰিলোঁ তোমাৰ ভকতি।
লোভ মোহ কাম ক্রোধ সঙ্গে বিপু মান মদ
মজিলো সংসাৰে মূঢ়মতি॥
পতিত পাৱন প্রভো! তুৱা পদ-পঙ্কজ
তাহে শৰণ লেহোঁ জানি।
তুৱা জন সঙ্গে নাম লহোঁ মুহে অবিৰাম
কহয় মাধৱ পৰমাণি॥

(৮১) ৰাগ- ভাটিয়ালি।

ধ্রুং॥ মোকে কিনা গতি দিলে গোপাল! তুমি
অগতিৰ গতি।
এ ভৱ-ভঞ্জন তোমাৰ চৰণ, সেবিতে না
কৰোঁ ৰতি॥

পদ॥ আগম পুৰাণ শুনি যত মান
তোমা বিনে নাহি কোই।
তোমাৰ চৰণ কৈলে সুমৰণ
ভৱ নিৱাৰণ হোই॥
এতেক জানিয়া মই মতি-পামৰ
ন ভজোঁ তোমাৰ পাৱ।
এ ভৱ-সাগৱে মজিলোঁ পাথাৰে
ভৰায়া শালৰ নাৱ॥
দূৰিত সাঞ্চিলোঁ আপোন বঞ্চিলোঁ
নাশিলোঁ মনৰ সঙ্গে।
অমিয়া বলিয়া বিষয় গৰল
মই পাপী ভক্ষিলোঁ ৰঙ্গে॥
তোমাৰ ভকতি অমিয়া মাধুৰী
তাৰে না কৈলোঁ আশা।
আনিলোঁ যমৰ- -যাতনা ভুঞ্জিয়া
নাশিলোঁ এ বুদ্ধি-নাশা॥
তুমি প্রিয়তম আতমা পৰম
সুহৃদ এ নিজ-দেৱ।
শাসন, নাশন- -কাৰণ আৱৰ
তোমা বিনে নাহি কেৱ॥
জানিয়া তোমাৰ অভয় অকণ—
-চৰণে শৰণ লৈলোঁ।
কহয় মাধৱ— তোমাৰ দাসৰ-
-দাস অনুদাস ভৈলোঁ॥

(৮২) ৰাগ—ধনশ্রী।

ধ্রুং॥ নাৰায়ণ! সেবেহোঁ চৰণ তোহাঁৰি।
তুহুঁ বিনে আৱৰি সুহৃদ নাহি হেৱহোঁ—
—দয়া কৰহি হামাৰি॥
পদ॥ তুহুঁ কৃপালু ককণাময়-মানস
দয়া কৰ একু ৰাৰা।
নিগম-নিগূঢ়- -সাৰ তেৰি নামা
ৰহু ভৰি বয়নে হামাৰা॥
ভকতি-আনন্দ- -বিন্দু কৰ দানা
মেৰি যতনে তেজি আশা।
পয়ৰহি লাগি শৰণ-একু মাগোঁ
দীন মাধৱ মতি-নাশা॥

(৮৩) ৰাগ—আশোৱাৰী।

ধ্রুং॥ গোপাল কৃপালু ৰাম! ককণা সাগৰ স্বামি।
তুৱা পদ-মকৰন্দ-বিন্দু আশা কৰো হামি॥
পদ॥ ওহি ভৱ-তাপে তাপিত মেৰি মন মন্দা।
মাগোহোঁ সীকৰ—তুৱা পদ-মকৰন্দা॥
জনমে জনমে প্রভো! ওহি মোৰ মন-আশা।
কহয় মাধৱ—হৰি-চৰণ-কমল দাসা॥

(৮৪) ৰাগ—বসন্ত।

ধ্রুং॥ হৰি হেৱৰে বাপ!—পশিলোঁ শৰণে।
নেৰিবা বান্ধৱ!—মোক জীৱনে মৰণে॥
পদ॥ সনক সনন্দ যোগী যাহাকু ধিয়াই
সকল নিগমে যাক বিচাৰি নাপাই॥
সহস্র-বয়নে যাঁকুন পাৱন্ত সীমা।
অধমে জানিবোঁ কেনে তোমাৰ মহিমা॥
আতুৰ ভৈলোহোঁ বৰ বিষয়-বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ-কমলে॥
তোমাৰ চৰণ দুই মোৰ মহাধন।
ভকত জনৰ নিজ তুমি সে জীৱন॥
কৃপাৰ সাগৰ!—কৃপা কৰা একবাৰ।
কাতৰ কৰিয়া লৈলোঁ শৰণ তোমাৰ॥
কৃপা কৰা নাৰায়ণ।—ছোৰ মোহ-পাশ।
কহয় মাধৱ—হৰি-দাসকু-দাস॥

(৮৫) ৰাগ—আশোৱাৰী।

ধ্রুং॥ মেৰো অৱ নাথ!—আতমা নন্দ-লাল॥
ৰৱহি ঠাকুৰ -হৰি!—দীন দয়াল॥
পদ॥ আপোনাহি মানি হৰিক পদে-দাসা॥
শিৱ চতুৰমুহ -কৰ [illegible]
শৰীৰ আতমা মানি সব লোই চোৰ।
জ্ঞানী আতমা আপে-হাৰামহি-খোৰ॥
সেৱক-সেৱহ মানি আত্মা গোবিন্দে।
ৰাখত মন হৰি-পদ-অৰবিন্দে॥
মাধৱ-দাস কহয়—তত্ত্ব ওই।
হৰি বিনে হামাৰি আৱৰ নাহি কোই॥

(৮৬) ৰাগ—সুহাই।

ধ্রুং॥ প্রাণেৰ গোপীনাথ! গোহাৰি কৰহুঁ তুৱা পায়া
প্রাণনাথ!—সেৱক বুলিয়া কৰ দায়া॥
পদ॥ মৰি এ বিষয়-বিষ পানে।
ভকতি-অমিয়া মাগোঁ দানে॥
অজ্ঞান তিমিৰে ভৈলোহুঁ অন্ধ।
ছোৰ প্রভো! ওহি মোৰ বন্ধ॥

কহয় মাধৱ-দাস—দীনে।
প্রেম ভকতি-ৱতি হীনে॥

(৮৭) ৰাগ—আশোৱাৰী।

ধ্রুং॥ মই সেৱোহোঁ ৰাম-চৰণ-দুজা।
কাহে কৰোহঁ হামু আনৰ পূজা॥
পদ॥ ঘটে ঘটে ৰাম ৰিয়াপক হোই।
আত্মা ৰাম বিনে নাহি কোই॥
চৈতন্য ছোৰি কাহে জড়-সেৱা।
ৰাম বিনে নাহি আনৰ দেৱা॥
কহয় মাধৱ—শুনহ নৰ-লোই।
ৰাম বিনে কতি মুকতি না হোই॥

(৮৮) ৰাগ—আশোৱাৰী।

ধ্রুং॥ গোবিন্দ দীন-দয়াশীল স্বামী।
তুহুঁ মেৰি সায়েৰ চাকৰ হামি॥
পদ॥ কাকু কৰিয়া তুৱা চৰণে লাগোঁ।
অকৃণ চৰণে চাকৰি মাগোঁ॥
তেৰি চৰ্ৱণে—মেৰি পৱণাম।
চাকৰি মাগোঁ—নাহি আন কাম॥
আপোন কৰমে জনম যাহাঁ হোই।
তাহাঁ তুৱা চৰণে চাকৰ ৰহুঁ মোই॥
মাধৱ দাস কহয় মতিহীনা—।
গতি মেৰি নাহি তুৱা পদ বিনা॥

(৮৯) ৰাগ—আশোৱাৰী।

ধ্রুং॥ ৰাম গোসাঞি—কৰোহোঁ গোহাৰি।
ৰহু হৃদি-পঙ্কজ-ঠাম হামাৰি॥
পদ॥ মায়া ছোৰি ভকতি কৰু দানা।
কৰোঁ তুৱা চৰণ-পঙ্কজ মধু পানা॥
মাধৱ-দাস কহয়—ৰাম! তেৰা—
যাহাঁ যাহাঁ চৰণ—তাহাঁ শিৰ মেৰা॥

(৯০) ৰাগ—আশোৱাৰী।

ধ্রুং॥ ৰামক বাণী জপহুঁ মন ভাই।
কলিকো কালে আনৰ গতি নাই॥
পদ॥ যাকেৰি বয়নে ৰহত ৰাম-বাণী।
তাকেৰি চৰণ-ৰেণু লেহুঁ জানি॥
ৰাম-চৰণ যোহি কৰত উপাসা।
তাকেৰি হুঁ হামু দাসকু-দাসা॥
মাধৱ-দাস মুকখ-মতি গাই।
ৰহো মন ভকত-চৰণ-ৰেণু লাই॥

(৯১) ৰাগ—আশোৱাৰী।

ধ্রুং॥ চিন্তহুঁ গোবিন্দ, মন মেৰি ভাই।
হৃদয় পঙ্কজে ৰহো ৰাম গোসাঞি॥
পদ॥ জগজন জীৱন ৰহো হৃদি ৰামা।
কোটি কল্পতরু পূৰণ-কামা॥
মাধৱ দীন কহয় মন মোই।
ৰাম বিনে নাহি বান্ধৱ কোই।

(৯২) ৰাগ—ভাটিয়ালী।

ধ্রুং॥ মোকে ইৰাৰ করুণা করা
—নাৰায়ণ করুণা-সাগৰ স্বামী।
তোমাৰ অভয়-চৰণে শৰণ
আশা কৰি আছোঁ আমি॥
পদ॥ সনত-কুমাৰ, নাৰদ, অনন্ত, শঙ্কৰ, শুক, সনন্দে।
তোমাৰ অকৃণ চৰণ-পঙ্কজে সেৱন্ত কত প্রৱন্ধে॥
তাসম্বাক দেখি তোমাৰ চৰণ সেৱিবাক
কৰোঁ আশা।
সিংহৰ গতিক ক্ষুদ্র মূষ হুৱা—ইচ্ছা
কৰোঁ মতি-নাশা॥
ঘোৰ দুৰাচাৰ ভকতৰ নষ্ট নাহি বুলি
আছে বাণী।
মই দুৰাচাৰ তোমাক ভজিতে—আশা
কৰোঁ তাকে জানি॥
তুমি সত্যব্রত—আপোনাৰ নিজ বচনক
সত্য করা।
তোমাৰ দাসৰো দাসৰো কিঙ্কৰ বুলি
মোক প্রভো! ধৰা॥
তোমাৰ অনাদি-অবিদ্যা তিমিৰে অন্ধ
কৰি আছে মোৰে।
তোমাক না জানি—দেহক "মঞি" বুলি
মজিলোঁ এ দুঃখ ঘোৰে॥
সন্তৰ সঙ্গতি, তযু গুণ নাম—পৰম প্রসাদ দিয়া।
কহয় মাধৱ—ইৰাৰ গোবিন্দ! দাস কৰি
মোক নিয়া॥

(৯৩) ৰাগ—সুহাই।

ধ্রুং॥ মই তেৰি দাসকু দাসা,—কৰু করুণা মুৰারি
এভৱ-সাগৰ মহ তাৰক তুৱা চৰণ হামাৰি

পদ॥ না জানোঁ ভকতি হামু পামৰ
মতি পাপকু ধাই।
পতিত-পাৱন তুহু মাধৱ
দেহু চৰণেহি ঠাই॥
ভকত-ৱৎসল দীন বান্ধৱ
গুণ বেদ বখানি।
তুহু বিনে গতি মেৰি নাহি আনৰ
কহয় মাধৱ জানি॥

(৯৪) ৰাগ—মাহুৰ ধনশ্রী।

ধ্রুং॥ ৰাম! তেৰি চৰণ-কমলে ৰতি লাগোঁ,—
মাগোঁ ভকতি গোসাঞি॥
হামু অনাথ—নাথ তুহুঁ গোবিন্দ—
অগতিক-গতি আনৰি কোই নাই॥
পদ॥ নিৰমল ভকতি—ৰাজ তুৱা নাম গুণ,
তা বিনা পতিত তাৰক নাহি কোই।
হামু পতিত—তুমহি একু-পালক
ই বেৰি গোসাঞি বঞ্চবি নাহি মোই॥
তুৱা নিজ-দাস-সঙ্গতি, ৰতি, ভকতি
তৃণ-দশনে মাগোহোঁ প্রভো ৰাম!
তৱ নিজ দাসকু—দাসক লেৱনা
মাধৱ কহয়—আনৰি নাহি কাম॥

(৯৫) ৰাগ—মাহুৰ।

ধ্রুং॥ মন মেৰি! হৰি সঙ্গে মিত বন্ধায়ো।
ঐছন যতন কিয় সব ছোৰি—
-সন্ত-সঙ্গতি ৰতি লায়ো॥
পদ॥ সজ্জন সাথহি একুমিলন কিয়ে
অহর্নিশি হৰি গুণ গায়ো।
তেজিয়া সয়ল মনোৰথ আনৰি
হৰি পদে প্রেম মিলায়ো॥
পুনু পুনু আয়া -গমন এৰায়ো,
মায়া ভৱম বাহুৰায়ো।
কহয় মাধৱ—তৱ হৰি-পদ সেৱা
পৰমানন্দ সুখ পায়ো॥

(৯৬) ৰাগ—সুহাই।

ধ্রুং॥ প্রাণেৰ গোপীনাথ!
গোহাৰি করহুঁ তুৱা পায়া।
প্রাণনাথ! সেৱক বুলিয়া করু দায়া॥
পদ॥ মৰি এ বিষয়-বিষ পানে।
ভকতি-অমিয়া মাগোঁ দানে॥
অজ্ঞান-তিমিৰে ভৈলোহুঁ অন্ধ।
ছোৰ প্রভো! ওহি মোৰ বন্ধ॥
কহয় মাধৱ দাস দীনে।
প্রেম-ভকতি-ৱতি হীনে॥

(৯৭) ৰাগ—সিন্ধুৱা।

ধ্রুং॥ ঐচন মোহন বাল-গোপালা।
কমল-নয়ন স্বামী—এ পীত-বসন—
—গলে গজমতি-মালা॥
পদ॥ মধুৰ মধুৰ ধ্বনি মুৰলী বাৱত
পঞ্চম গাৱত ৱঙ্গে।
ত্রিভঙ্গ ললিত অঙ্গ বেণু করতল
খেলাই বালক সঙ্গে॥
চাঞ্চৰ চিকুৰ মাথে ময়ূৰেৰ-
-পুচ্ছ পৰিধান ভালা।
ঝলমল মণি- মকৰ-কুণ্ডল
শোহে তনু ঘন-কালা॥
হসিত সুন্দৰ চাক অকৃণাধৰ,
মঞ্জীৰ পদ-কমলে।
কোটি মদন-মনো- -মোহন মধুৰ
মূকতি সুন্দৰ জলে॥
সিদ্ধ মুনি সুৰ শঙ্কৰ যাকেৰি
চৰণ ৰেণু ধিয়াই।
কহয় মাধৱ দীন সো হৰি খেলত
বালক সঙ্গে মিলাই॥

(৯৮) ৰাগ—বসন্ত।

ধ্রুং॥ করু হৰি বিৰিন্দা-বিপিন বিহাৰা।
সকল সুৰাসুৰ মুনিগণ, চাৱণ;
—চৰণ-ধিয়াৱত যাঁৰা॥
পদ॥ আভীৰ বালক মিলে গোঁসাই খেলনা খেলে
কালিন্দী-পুলিন নিকুঞ্জে।
শ্যামল সুন্দৰ তনু ৱঞ্জিত কৰ ৰেণু
কর্ণ বিভূষিত গুঞ্জে॥
কুন্দ, কুমুদ, কেলি- -কদম্ব, কুসুমলতী
মালতী মালী তমালে।
করু অঙ্গ ভূষিত চুম্বিত মধুকৰ
সুন্দৰ মদন-গোপালে॥

গোধুলি-ধূসৰ গায় কঞ্জ-নয়নে চায়
চান্দ-বয়নে বেণু বায়।
উৰে হীৰ হেম হাৰ ৰঞ্জিত বনমাল
লহু লহু পঞ্চম গায়॥
মৃদু পদে মঞ্জীৰ ঝুৰয় গম্ভীৰ
ধীৰ-গমন গতি ধায়।
গোপী কুচ-কুঙ্কুম- -ৰঞ্জিত পদযুগ
ৰাজীৰ অধিক শোহায়॥
সকল কলাৰস- -নাগৰ সাগৰ
সুৰশেখৰ যদুৰাই।
তযু পদ-পঙ্কজ- -মধুকৰ মতিহীন
দীন মাধৱে গুণ গাই॥

(৯৯) ৰাগ—তুৰৱসন্ত।

ধ্রুং॥ —প্রাণ গোপাল!
তোমাৰ বিনোদ হৰি জানিব কেমনে।
বৈকুণ্ঠ তেজিয়া কেলি কৰা বৃন্দাবনে॥
পদ॥ সদায়ে ৰমণ যাঁৰ নিজানন্দ সুখে।
সো হৰি বিৰিন্দাবনে ফুৰা কোন দুঃখে॥
ব্রহ্মা হৰে সেৱে যাঁৰ চৰণৰ ৰেণু।
কোন সুখে তুমি প্রভো! চাৰি ফুৰা ধেনু॥
যো তুমি অনন্ত কোটি ব্রহ্মাণ্ডেৰ পতি।
কোন লাভে লৈলা গোপ শিশুৰ সঙ্গতি॥
সৃষ্টি স্থিতি প্রলয় কটাক্ষে মিলে যাৰ।
ই কোন বড়াই তুমি হৰা তুমি ভাৰ॥
তপ জপ যাগ যোগে যি গতি ন পাৱে।
সি গতি লভিল সেবি কাম দ্বেষ ভাৱে॥
কৃপাৰ সাগৰ প্রভো! তুমি হৃষীকেশ।
মাগয় মাধৱে তুৱা পায়ে কৃপা লেশ॥

(১০০) ৰাগ—গৌৰী।

ধ্রুং॥ মোহন মনোহৰ মূকতি মাধৱ
—মোহন বালক সঙ্গিয়া।
নানান ৰসে খেলে ৰসিক শিৰোমণি—
—মদন-মোহে ভ্রূ-ভঙ্গিয়া॥
পদ॥ শাৰদ নিৰমল প্রফুল্ল পঙ্কজ
ৰয়ন সুন্দৰ শোহেয়া।
অলক চঞ্চৰ যৈচে উৰি পৰে
ভ্রমৰ কুল মধু-লোহেয়া॥
বিধিয়ে নিৰমিল যতনা ৰূপ গুণ
যৱহু সৰ এক ঠামুৱা।
সুন্দৰ কানুক ৰূপ একুতিল
তৱহু কৈছে উপমুৱা॥
জগত-তাৰণ- -হেতু ভয়ো হৰি
ৰেকত আনন্দ সিন্ধুৱা।
দীন মাধৱে মাগে পায়ে পৰি
ভকতি ৰতি একু বিন্দুৱা॥

(১০১) ৰাগ—গৌৰী

ধ্রুং॥ ৰে ৰে বিৰিন্দাবন-মনোমোহন গোবিন্দ
—বিজয় নন্দকু লালৰে।
শিঙ্গা শঙ্খ বেণু বায়, ধায় ধেনু-
—সঙ্গে ৰঙ্গে ব্রজ-বালৰে॥
পদ॥ কনক কিঙ্কিণী ঝণকে বাজত
চৰণে মঞ্জীৰ ৰোলেৰে!
কোটি মনমথ- -মোহন মূকতি
হেৰয়ে সুৰ নৰ ভুলেৰে।
অঙ্গ ভঙ্গি দুহোঁ- -চৰণ পল্লৱ
চলায়ে গোপিনী পিউৰে॥
তাধিকা ধিঙ্গা থোগা- মৃদঙ্গ বাজত
নাচে জগ-জীউৰে।
চৌভিতি বালক বেঢ়ি জয় জয়
—কৰত হৰি হৰি বোলৰে।
হৃদয়ে হেম, হীৰ- -হাৰ গজমতি
মুকুখ মাধৱ বোলৰে॥

(১০২) ৰাগ—ধনশ্রী।

ধ্রুং॥ কানাই খেলনে যাই, মোহন মুকুলী যাই
গজেন্দ্র-গমন জিনি ধায় না লো।
পীত ধটি কটি লোলে হাটিতে আঞ্চল দোলে
ৰতন মঞ্জীৰ ঝুৰে পায় না লো॥
পদ॥ কনক কন্দুক হাতে খেলায়ে গোপিনীনাথে
নৱ ঘন জিনি তনু ৰাজে।
চন্দন লেপিত অঙ্গ মনোহৰ ভ্রূৰ-ভঙ্গ
পেখিতে মদন-কোটি লাজে॥
উৰে লোলে গজমতি মাণিক মুখেৰ জ্যোতি
জিনি কোটি পূর্ণিমাক ইন্দু।
হাসিতে অমিয়া ঝুৰে উচ্চয়া পঞ্চম সুৰে
প্রেমৰ মূকুতি সুধা সিন্ধু॥
সুসম কপাল মাজে মলয়-তিলক সাজে
চান্দেৰ উপৰে যেন চান্দ।
নয়ন—পঙ্কজ জোৰ দশন কুন্দেৰ কোৰ
কানু-মুখ ঐচন সুচান্দ॥

ব্রজৰ জীৱন ধন গোকুল কামিনী মনো-
মোহন মূকুতি-মদন।
ভকতি মিনতি হীন কহয় মাধৱ-দীন
গতি মেৰি নন্দৰ নন্দন॥

(১০৩) ৰাগ—সিন্ধুৱা।

ধ্রুং॥ ভাই! দেখো পৰমানন্দ পৰম সাদৰে,
বৈকুণ্ঠেৰ পতি বৃন্দাবন কেলি কৰে॥
পদ॥ কহিতে বিস্ময়—বিপৰীত শুনিবাৰ।
কোথা শুনি আছ ভাই! ব্রহ্মেৰ বিহাৰ॥
অনুমানে কহে যাক সকল নিগমে।
সোহি হৰি কেলি কৰে গোপ-শিশুসমে॥
নিত্য-শুদ্ধ-নিৰঞ্জন নিৰাকাৰ।
শুনিতে কৌতুক বড় তাঁহেৰ বিহাৰ॥
যিতো জগভৰ অন্তর্য্যামী সর্ব্ব-সাখী।
তাঁহেৰ ভূষণ—গুঞ্জা গেরু মৈৰা পাখী॥
যাহাৰ প্রকাশে চৰাচৰ প্রকাশয়।
গোপ বেশে কাছে দেখ সেহি কৃপাময়॥
আত্মাৰ বিনোদ শুনিবাৰ বিপৰীত।
হৰি-পদে মজি ৰহো মাধৱৰ চিত॥

(১০৪) ৰাগ—ধনশ্রী।

ধ্রুং॥ পৰভাতে বিহাৰে চলে মুৰাৰি।
মধুৰ নটবৰ-বেশ ধাৰী॥
পদ॥ শিৰে ময়ুৰেৰ পুচ্ছ লোলে।
কুসুমকণিকাৰ কর্ণ মূলে॥
কনক পিশঙ্গ বসন ভালা।
উৰে লোলে বৈজয়ন্তী মালা॥
অধৰ সুধা বেণু-ৰন্ধ্র পূৰে।
সুৰস পঞ্চম অমিয়া ঝুৰে॥
সঙ্গে অলেখ গোৱালগণ।
দিশ দশ পূৰয় হৰি-কীর্ত্তন॥
নিজপদে ৰঞ্জিত বৃন্দাবনে।
হৰি প্রবেশিলা ৰঙ্গ মনে॥
কহে মুকুখ মাধৱ-দাসে।
হৰি পাদ-পদ্ম-মকৰন্দ আশে॥

(১০৫) ৰাগ—সিন্ধুৱা।

ধ্রুং॥ গোধুলি গোধন বান্ধি নাৰায়ণ,
স্নানিয়া শীতল জলে।
ক্ষীৰ দধি অন্ন কৰিয়া ভোজন,—
অঙ্গ ৰঞ্জি পৰিমলে॥
পদ॥ কর্পূৰ তাম্বুল- -ভূঞ্জি, সুৰভি ফুল-
মালতী বকুল মালা।
সুৰঙ্গ বসন ৰতন ভূষণ,
ভূষিত হইয়া কালা॥
কেশ মনোহৰ মঞ্জীৰ ৰত্নৰ
চৰণ-পঙ্কজ শোহে।
বাইৰ হুৱা পাড়া বহু ৰসে খেড়া
খেলাইতে ভুৱন মোহে॥
রুদ্র, কপিলাস, বিপঞ্চী, ৰৱাৰ
শৰদ, স্বৰমণ্ডলে।
মধুৰ মৃদঙ্গ মন্দিৰা, উপাঙ্গ
বহু বাদ্য সুমঙ্গলে॥
নানা ৰসে লাসে কেহো নাচে হাসে-
কেহো গায় কেহো বায়।
ৰাম নাৰায়ণ সঙ্গে শিশুগণ—
শোহে বিদ্যাধৰ প্রায়॥
নগৰে নগৰে ৰাম দামোদৰে
ফিৰে আনন্দিত মনে।
হুৱা বিমোহিত তেজি গৃহ কৃত্য
চাহে গোপ-গোপীগণে॥
শ্যাম শৰীৰৰ কান্তি মনোহৰ
গোপ পুৰ পৰকাশে।
অনন্ত ৰসৰ ঠাকুৰে খেলায়-
কহয় মাধৱ-দাসে॥

(১০৬) ৰাগ—ৰৱাড়ী।

ধ্রুং॥ ব্রজৰ বালক সঙ্গে ৰঙ্গমনে নাচতু এ সদা-শিৱ।
ওহি অৱতাৰে নিজ যশচয়-প্রচাৰি তাৰিলা জীৱ।
পদ॥ ওহি যেবে নোহে; নিজানন্দ সুখে
সদায়ে ৰমণ যাঁৰ।
সে সুখ তেজিয়া কমন কাৰণে
কৰত নৃত্য-বিহাৰ॥
বেদশিৰোভাগে যন্ত্র মন্ত্র মাজে
যাঁহেৰ পদ বিৰাজে।
সোহি মহেশ্বৰ বনেৰ ভিতৰ
নাচত কমন কাজে॥
অবিদ্যা মোহিত হুৱা জীৱ যত
তৰিতে পন্থ নপাৱে।
মোৰ যশ শুনি সুখে নিস্তৰোক
নাচত এমন ভাৱে॥

জীৱৰ তৰণ- হেতু নাৰায়ণ
বৈকুণ্ঠ তেজিয়া আসি।
কহয় মাধৱ— নানাবিধ ৰসে
প্রচাৰিলা যশৰাশি ॥

(১০৭) ৰাগ—সিন্ধুৰা।

ধ্রুং ॥ কেলি কৰে বৃন্দাবনে মোহন গোপাল।
খেলে সঙ্গে ৰঙ্গে ঢঙ্গে ব্রজেৰ ছৱাল ॥
পদ ॥ বনেৰ মালা গাথী পিন্ধে, মাথে মৈৰাৰ পাখি।
আনন্দে হৰিৰ সঙ্গে ফিৰে ধেনু ৰাখি ॥
কেহো নাচে কেহো হাসে কেহো ৰায় বেণু।
বাঁশীৰ স্বৰে নাম ধৰিয়া ডাকি আনে ধেনু ॥
পঞ্চম উচ্চায়া বেণু বায় যদুমণি।
মদন-শৰে মুকুচি পৰে দেৱৰ ৰমণী ॥
গোপৰ সঙ্গে ধেনু চৰায়ে হৰি জগতৰ পতি।
গগণে দেৱতাগণে কৰে স্তুতি-নতি ॥
অন্যো অন্যে ডাকিয়া বোলে দেখ অমৰগণ।
ত্রিভুৱন জিনি শোভা কৰে বৃন্দাবন ॥
কহয় মাধৱ-দাস—কৰিয়া নিশ্চয়।
জনমে জনমে গতি নন্দেৰ তনয় ॥

(১০৮) ৰাগ—বেলোৱাৰ।

ধ্রুং ॥ বিৰিন্দাবনে ভেটলো এ হৰি—এ গুণেৰ নিধি।
অপৰূপ ৰূপে নয়ন দুহোঁ পুৰল
--- হামাৰি সুপৰসন বিধি ॥
পদ ॥ সতড়িত নীল- নবীন মেঘ জিনিয়ে
তনু শোভিত পীতবাসা।
নিৰমল গগণে তাৰক ঝিকি জিনিয়ে
ৰতন ভূষণ পৰকাশা ॥
সুন্দৰ কেশ- সুবেশ ভাল বনিয়ে
শোভে কুসুম অপাৰা।
প্রফুল্লিত যৈচে নীলগিৰি শিখৰ
পেখি মন মোহিত হামাৰা ॥
ব্রজেৰ বালক মাজে বিনোদ নাগৰ গুৰু
খেলত বহু ৰস ভাৱে।
ৰসেৰ মাধুৰী হৰি ত্রিভুৱন মোহয় ॥
দীন মাধৱ দাসে গাৱে ॥

(১০৯) ৰাগ—নটমল্লাৰ।

ধ্রুং ॥ কানু ৰায়, নাচত ৰঙ্গে,—সঙ্গে ব্রজ ছৱালৰে।
গগণে গন্ধৰ্ব্বগণে গাৱত বাৱত তালৰে ॥
পদ ॥ ঝণকে কিঙ্কিণী বাজে, সাজে নট-বিলাসেৰে।
ঠমকে ঠমকে চলে,—অমিয়া মাধুৰী হাসেৰে ॥
চৰণে মঞ্জীৰ ঝুৰে—উৰে হাৰ দোলনা বে।
চন্দনে লেপিত ভুজ—দোলত ভ্রুৱ চালনা বে ॥
ৰতন ভূষণ চাৰু শ্যামল অঙ্গ শোহাৱে বে।
কহয় মাধৱ—গতি নন্দ-নন্দন পাৱে বে ॥

(১১০) ৰাগ—মল্লাৰ।

ধ্রুং ॥ বাইৰ হুৱা আছে দেখো সই !
সুন্দৰ নন্দেৰ বালা।
হাতে বাঁশী, মুখে হাসি,—গলায় কদম্বেৰ মালা।
পদ ॥ দেখি নাই শুনি নাই এমন ৰৰণ কালা।
শ্যাম-কটি-পীত ধটি উৱৰে মেখলা ॥
খেড়ি খেলাইতে—চলিয়া আছে—মোহন
কদম্ব তলা ॥
ধায়া ধায়া মাৰে কানু গোপ-ছৱালক ঠেলা ॥
কদম্ব তলে দেখো সই !—সব ছৱালৰ মেলা।
নানান বিনোদ-ৰসে পাতিয়া আছে খেলা ॥
হৰিৰ সঙ্গে খেলান খেলে পুণ্য কৰিছে ভালা।
কহয় মাধৱ—গতি—গতি এ ৱাল-গোপালা ॥

(১১১) ৰাগ—নট মল্লাৰ।

ধ্রুং ॥ সব সখি পেখো মদন-গোপাল।
হাৰ কিৰিটি কুণ্ডল মণি শোহে—
—কণ্ঠে কদম্বকু মালা ॥
পদ ॥ কৰতলে বেণু ধেনু আগু চলাৱে
বাছুৰু পাছে পাছে ধায়।
শঙ্খৰ, সুৰ, চতুৰ মুহ নমিয়ে
ওহি চৰণ গুণ গায় ॥
দাম সুদাম বালক সবে ধাৱয়ে
সঙ্গে ৰঙ্গে খেলে দিন ;
কৃষ্ণক দাস- দাস দীন মাধৱ
কহয় ভকতি মতি-হীন ॥

(১১২) ৰাগ—মল্লাৰ।

ধ্রুং ॥ আলো সই ! দেখো সই !—
—বিহাৰে চলিয়া আছে কানু।
শ্যাম তনু শোহে—জিনি কোটি কোটি ভানু ॥
পদ ॥ আভীৰ বালক পাছে,—আগে চলে ধেনু।
সুচান্দ বয়নে বায়—সুমধুৰ বেণু ॥

অকণ অপাঙ্গে চায় – মধুৰ হাসিয়া।
বাঁশীৰ স্বৰে ঝুৰে ধাৰে—সুৰস অমিয়া ॥
কোটি গজৰাজ জিনি—চলে ধীৰে ধীৰে।
কতনা মাধুৰী আছে কালিয়া শৰীৰে ॥
চৌভিতি বালক চলে—জয় জয় বোলে।
কানাইৰ কৌতুক ৰঙ্গে—হৃদয় হিন্দোলে ॥
শ্যাম সুমধুৰ—কোন বিধি নিৰমিল।
দেখি লাজে হৃদি মাজে কাম লুকি দিল ॥
কহয় মাধৱ—শুন গোৱালীৰ ৰীৱ।
ওহি শ্যাম গুণনিধি—জগতেৰ জীৱ ॥

(১১৩) ৰাগ—শ্রী।

ধ্রুং ॥ প্রাণ পীতাম্বৰ বজায় আৱত বেণু।
বালক বেঢ়ি, খেড়ি কৌতুক—
—শোহে তনু ধেনু বেণু।
পদ ॥ চন্দন তিলক অলক চাৰু সুন্দৰ
ভ্রুৱ সুবলিত চাৰু হাসে।
থিৰ বিজুৰী- উজ্জ্বৰ ঘন যৈচন
শ্যাম শোভিত পীত বাসে ॥
বেণু বিষাণ নিসান শত বাজত
ধেনু চলাৱত ৰঙ্গে।
নিৰমল গগণে তাৰক যৈচে জলকে
ৰতন ভূষণ কালা অঙ্গে ॥
কুন্দ কুসুম কেশ ভূষিত সুন্দৰ বেশ
বিনোদ বিমল ৰসসিন্ধু।
কহয় মাধৱ ওহি জগজন-জীৱন
ভকত জনেৰ নিজ বন্ধু ॥

(১১৪) ৰাগ—ভাটিয়ালী।

ধ্রুং ॥ ভাল কালিয়া কাণু খেলন খেলায়।
খেলাৰ মাধুৰী হৰি !—ভূষণ ভুলায় ॥
পদ ॥ লয়লাসে ৰঙ্গা দুই চৰণ চলায়।
কণু ঝুণু কৰিয়া নূপুৰ বাজে পায় ॥
আভীৰ বালকে বেঢ়ি চাপৰি বজায়।
পাক ফিৰি ফিৰিয়া নাচয় যদুৰায় ॥
চন্দনে লেপিত অঙ্গ দোলয়ে গোপাল।
উৰে ঝলমল কেলি-কদম্বকু মাল ॥
গজ মুকুতাৰ হাৰ গাথী গলে লোলে।
পিন্ধন নেতেৰ ধড়া কটি বেঢ়ি দোলে ॥
মোহন কনক বেণু উড়িয়া ধৰে হাতে।
ময়ুৰেৰ চুড়া ঝলমল কৰে মাথে ॥
নেতেৰ আঞ্চল খানি হালয় বাতাসে।
সুহৃদ গোপেৰ মুখ চায়া চায়া হাসে ॥
মানিক জিনিয়া জলে দন্ত দুই পাতি।
দিশ পাশ শোহে শ্যাম শৰীৰৰ কান্তি ॥
বঙ্কিম নয়নে চায়া অমিয়া ৰৰিষে।
মাধৱৰ মন ৰহু একপ হৰিষে ॥

(১১৫) ৰাগ—তুৰৰসন্ত।

ধ্রুং ॥ সই ! দেখো দেখো দেখো—সুন্দৰ কানু—
খেলায় কদম্ব তলে।
কোটি কাম জিনি মধুৰ সাজনী—
চান্দ কোটি জিনি জ্বলে ॥
পদ ॥ গলে গুঞ্জা মণি ভ্রুৱেৰ চালনি।
টালনি জুড়াৰ ছান্দে।
হৰিল গিয়ান ধিয়ানে ৰহলো
বাজিয়া কানাইৰ ফান্দে ॥
হাঁসি আখিভঙ্গে বংশী বায় ৰঙ্গে
ত্রিবলী-বলিত অঙ্গে।
ব্রজেৰ বালক সমান সাজনী
খেলায় কানাইৰ সঙ্গে ॥
এমন মোহন মধুৰ মূকুতি
সৃজিল কমন বিধি।
কতনা পুণ্যেৰ- -ফলে ব্রজমাজে
মিলাইছে গুণেৰ নিধি ॥
সকল সুখেৰ- মাথে ছাৰ দেহু
কানাইৰ নিছনি দিয়া।
কহয় মাধৱ নন্দসুত পাৱে
মজিয়া ৰহোক হিয়া ॥

(১১৬) ৰাগ—তুৰ ভাটিয়ালী।

ধ্রুং ॥ কদম্বতলে সই—শ্যামল সাজে।
বয়ন হেৰি চান্দ সুকষ লাজে ॥
পদ ॥ নীল কুন্তলে বান্ধিছে জুড়া।
চৌভিতি লোলে ময়ূৰ পুচ্ছেৰ চূড়া ॥
মালতী মালা চাৰু শোভিত মাথে।
গেন্দুৱা লুম্ফি লুম্ফি ধৰয় হাতে ॥
বলাইৰ হাতেৰ খসি গেন্দুৱা পৰে।
হাসিৰ খলখলি অধিক চৰে ॥
পানীৰে যাইতে সই দেখিলো গিয়া ॥
কৌতুকে হিন্দোল পাৰে হামাৰ হিয়া ॥
অমিয়া ঝুৰে ধাৰে কানাইৰ ভাৱে।
কতনা মাধুৰী আছে কালিয়া গাৱে ॥

হামাৰ কৰম ফলে মিলাইছে বিধি।
কহয় মাধব হৰি প্রেমেৰ নিধি॥

(১১৭) ৰাগ—শ্যাম

ধ্রুং॥ গোবিন্দ চলয়ে বিৰিন্দাবনে গোপশিশু সঙ্গে—
বজাৱে মোহন বেণু ধেনু ধাৱে ৰঙ্গে॥

পদ॥ সকল বালক মাজে কানাই সুন্দৰ।
ভুৱন মোহন শ্যাম ৰূপ মনোহৰ॥
গগণ মণ্ডল পূৰে শিঙা বেণু ৰোলে।
আভীৰ বালকে বেঢ়ি জয়হৰি বোলে॥
উচ্চায়া পাঞ্চনী—ধায় বৎস-পুচ্ছ ধৰি।
কেহো বোলে ৰাম কেহো বোলে জয় হৰি॥
কেহো গায় কেহো বায় কেহো নাচে হাসে।
ত্রিভুৱন জিনি বৃন্দাবন পৰকাশে॥
ৰেদ-শিৰোমণি যাঁৰ চৰণে বিৰাজে।
সোহি প্রভু গোপ ৰূপে বালকেৰ মাজে॥
ভকতবৎসল হৰি বিনে নাই কোই।
কহয় মাধব—ৰঙ্গাপদে গতি মোই॥

(১১৮) ৰাগ—ধনশ্রী।

ধ্রুং॥ গোবিন্দ আৰে—ভুৱন ভুলাই।
বালক সঙ্গে, ৰঙ্গে যদু-নন্দন
গোধন আগু চলাই॥

পদ॥ গোধূলি-ধূসৰ তনু শ্যামসুন্দৰ বৰ
চঞ্চল নয়ন ডোলাৰে।
শাৰদ-চান্দ-কোটি -ৱয়ন বিৰাজিত
সুমধুৰ মুৰৰী বোলাৰে॥
অঙ্গে পৰিমল গেৰুৱা চৰাৰে
ময়ূৰ মুকুট শিৰে বনিয়ে।
বনজ কুসুম কহোঁ মালা ডোলত
ব্রজ ভুলত বেণু ধ্বনিয়ে॥
শিৰ চতুৰ মুহ যো পদ সেৱত
যোগী যাহাকু ধিয়াই।
সোহি কৃপাল ব্রজহি ৰাখোৱাল
দীন মাধৱে গুণ গাই॥

(১১৯) ৰাগ—ধনশ্রী।

ধ্রুং॥ কানাইৰ কমল মুখ পেখিতে নয়ন সুখ-
কোটি-ইন্দু জিনি পৰকাশে।
শ্যামল সুন্দৰ বৰ নৱ-নীল-জলধৰ
তনু ভাল শোহে পীত বাসে॥

পদ॥ আভীৰ বালক সঙ্গে খেলান খেলায় ৰঙ্গে
ৰহিয়া কদম্ব তৰু তলে।
হাঁসি হাঁসি বংশীবায় বঙ্কিম নয়নে চায়
কদম্বেৰ মালা লোলে গলে॥
অৰুণ চৰণ মাজে মঞ্জীৰ ঝমকে বাজে
সাজে কোটি মনমথ জিনি।
যমুনা পুলিন বনে ধায়া ধায়া ৰঙ্গ মনে
গেণ্ডুৱা খেলায় যদুমণি॥
তেজিয়া বৈকুণ্ঠ সুখ লীলায়ে গোপেৰ ৰূপ
—ধৰি হৰি গোধন চৰায়।
ভকত বৎসল দেৱ নাহি হৰি সম কেৱ
মাধৱ দীন গুণ গায়॥

(১২০) ৰাগ—শ্যাম।

ধ্রুং॥ পৰভাতে শ্যাম কানু ধেনু লৈয়া সঙ্গে।
বাঁশীৰ নিসানে বৃন্দাবনে চলে ৰঙ্গে॥

পদ॥ জগতৰ গুৰু হৰি কাছি গোপ-কাছে।
আভীৰ বালক বেঢ়ি চলে আগে পাছে॥
শিকা বান্ধি চান্দি কান্ধে লৈয়া দধি ভাত।
মাথায়ে চান্দনী জড়ি সাজে জগন্নাথ॥
বাম কাষে শিঙা বেত নেতকৰ চেলি।
বহু ৰসে লাসে বেশে কৰি চলে কেলি॥
অসংখ্য-সহস্র শিশু ধেনু বৎসগণ।
শিঙা-শঙ্খ বেণু ৰৱে পুৰয় গগণ॥
নানান খেলান খেলে বহু ভাৱে গাৱে।
নানান বিনোদ ৰসে ভুৱন ভুলাৱে॥
বৈকুণ্ঠৰ পতি প্রভু বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানু-পদ-ৰেণু॥

(১২১) ৰাগ—ললিত।

ধ্রুং॥ মাই!—খেলত গোপাল গোসাঁই।
কালিন্দি-পুলিন—বনহি যদুনন্দন—
—ফিৰত গউৱা চৰাই॥

পদ॥ গজগতি-গমন চলয় জগ-জীৱন
গোধন আগু বুলাই।
আনন্দে নন্দ-নন্দন পৰম-আনন্দ মন
মোহন বাঁশৰী বজাই॥
সনক সনাতন যতহি যোগীজন
যাঁকেৰি চৰণ ধিয়াই।
সোহি নন্দ-নন্দন গোকুল মহ মিলল-
দীন মাধৱে-গুণ গাই॥

(১২২) ৰাগ—আহৰ।

ধ্রুং॥ —শ্যাম কমল-লোচন।
শিশু সঙ্গে—চলে বৃন্দাৱন॥

পদ॥ সুৰভি চলয় আগ ধায়া ধায়া লয় লাগ
কনক পাঞ্চনী উৰি হাতে।
শ্রৱণে কুণ্ডল ডোলে কুটিল কুন্তল লোলে
ময়ুৰ পুচ্ছ ঝলমল মাথে॥
হালয় সুন্দৰ কটি বিলোলিত পীত ধটি
চৰণে মঞ্জীৰ মণি ঝুৰে।
বাম কপোল বাম- বাহু মূলে আৰোপিয়া
কুঞ্চিত অধৰে বেণু পুৰে॥
নয়ন পঙ্কজ-পাসি মুখে মনোহৰ হাসি
ভ্রূৱযুগ মদনৰ ধনু।
ৱতন ভূষণ চয় চাৰু অঙ্গে উজ্জ্ৱিত
নৱ-ঘন জিনি জলে তনু॥
বৃন্দাবনে ধেনু মেলি শিশু সঙ্গে কৰে কেলি
যোগী যাৰ চৰণ ধিয়ায়।
পৰম মুকুখ মতি কহয় মাধৱ গতি
নন্দ-নন্দন দুহোঁ পায়॥

(১২৩) ৰাগ—ললিত।

ধ্রুং॥ গোপাল খেলে বালক সঙ্গে।
মোহন বেণু পূৰে মন-ৰঙ্গে॥

পদ॥ শ্যাম শৰীৰে শোভে পীতবাস।
ভুৱন ভুলি কয়ো পৰকাশ॥
ঠমকে চলাৱে দুহোঁ অৰুণ পায়॥
ৰুণু ঝুণু কয়ো নূপুৰ বায়॥
হৃদয়ে হাৰ—লোলে গজমতি।
পেখি মোহ ভয়ো—ব্রজ-যুৱতী॥
মাধৱ দাস কহ—শুনহ মুৰাৰি।
ভকতি দান দেহু কৰহোঁ গোহাৰি॥

(১২৪) ৰাগ—সিন্ধুৰা।

ধ্রুং॥ কানু সাজে, কানু সাজে।
শিঙ্গাৰ নিসান বাজে॥

পদ॥ নিশি অৱসানে বাঁশীৰ নিসানে
ডাকয় শ্রীগোপালে।
ভোজন সম্ভাৰ লৈয়া ভাই সব
সাজিয়া আইস সকালে॥
আজু বন মহ কৰব ভোজন
জানিয়া শিশুসকলে।
কৰিয়া যতন সাজি দধি অন্ন
আইল সবে কুতুহলে॥
গাঁৱে গাঁৱে বৎস অনেক সহস্র
চলাৱে গোৱাল গণে।
কৃষ্ণৰ অসংখ্য বৎস বাটি লৈয়া
চলি গৈলা বৃন্দাবনে॥
শিঙ্গা বাঁশী বেত পীত ধড়া নেত
গুঞ্জা গেণ্ডি মৈৰা পাখি।
নটবৰ জিনি সাজে যদুমণি
চলে বনে বৎস ৰাখি॥
হাঁসিয়া মোহন- বাঁশীটি বজাৱে
গোপাল বালক সঙ্গে।
ৰূপে কোটি-কাম- জিনি বহু ৰসে
খেলান খেলায় ৰঙ্গে॥
যাক ব্রহ্ম জ্ঞানী ব্রহ্ম বোলে ভাষে
বোলয় পৰম দেৱ।
মায়া-বিমোহিত বোলে নন্দ-সুত
ব্রহ্মা কৰে যাক সেৱ॥
অনেক জনমে যোগেশ্বৰো যাঁৰ
নপাৱে পদ-ধূলাক।
কহয় মাধৱ— আঁখিৰ গোচৰে
ব্রজবাসী দেখে তাক॥

(১২৫) ৰাগ—বসন্ত।

ধ্রুং॥ কৰত গোপাল ভোজন-ব্যৱহাৰা।
গোপ-বালক সব চৌভিতি বৈঠল—
পঙ্কজ-পত্র আকাৰা॥

পদ॥ তাসু মাজে নন্দ- সুত বিৰাজিত
পঙ্কজ-কেশৰ সমানা।
কুসুম, পাষাণ, পত্র, ফল, পল্লৱ-
কুক বহু পত্র-বিধানা॥
তাসু উৱৰে থাপি অন্ন ব্যঞ্জন
বহু ৰস চাৰু সুগন্ধি।
দধি, দুগ্ধ, লৱনু চোৰ চাতুৰি ৰসে—
ভোজন কৰত আনন্দি॥
বাম কাষে শিঙ্গা, বেত, বেৰটি মহ,
মোহন বাঁশী বিৰাজে।

বাম পাণি-তলে থাপি অন্ন ব্যঞ্জন
ভোজন কৰত যদুবাজে ॥
সুহৃদ সৱক হৰি বহু ৰসে আনন্দে
ৰঞ্জত হাস পৰিহাসে।
কতিহোঁ কৰতালি, বাৱত, গাৱত,
কতোহোঁ নাচত লাসে ॥
সকল যজ্ঞৰ ভাগ ভোজন কৰত যোহি
তাসু কৰত ভলদানা।
সোহি মহেশ্বৰ ভোজন কৰত বনে
ওহি নিগম পৰমানা ॥
গগণে দেৱতা গণে ৰঙ্গে দেখত, শিৰে
বৰিষে কুসুম অপাৰা।
মাধৱ মূকখমতি জনমে জনমে গতি
হৰি-পদ-পঙ্কজ হামাৰা ॥

(১২৬) ৰাগ—শ্রী।

ধ্রুং ॥ অন্ন ভোজনে আজি ৰৰি পৰমাদ ভেল।
—মোৰ ভায়া সব কাহেক গেল ॥
পদ ॥ —ন পাইলোঁ ভায়াৰ উদিশ।
আজু ভায়া গেল কোন্ দিশ ॥
নদী-নদ বিচাৰিলো পৰ্ব্বত নিজৰা।
গহন কাননে হাম ফিৰোঁ একেশ্বৰা ॥
উপৰে উৰয় পাখী—তাৰে পুছে কানু।
এ পন্থে দেখিলা যাইতে হামাৰি বৎস ধেনু ॥
প্রাণ ভাই বলৰাম—সঙ্গে নাহি মোৰে।
বাচক হৰায়া হামু ফিৰোঁ একেশ্বৰে ॥
গোকুল যাইতে হামু কি বুলিবো আজি।
নন্দ-যশোদা মোৰে মাৰিব গৱজি ॥
বৃন্দাবন মাজে কৃষ্ণ বসিলা আসনে।
ব্রহ্মাই কৰিলা চুৰি জানিলা ধিয়ানে ॥
কহয় মাধৱ দাস— অতি শিশু মতি।
পৰম আকুল ভৈলা গোপশিশু প্রতি ॥

(১২৭) ৰাগ—ৰৰাড়ী।

ধ্রুং ॥ কটোৰা খেলায় হৰি এ—ওহি বালকেৰ কেশ্বি।
পৰম আনন্দে খেলে—গোপশিশু মেলি ॥
পদ ॥ গোটা জুমুৰিকা খই আৰু মোৱা লাৰু।
খেলাইতে ঝলমল কৰে সোণাৰ তাৰ খাৰু ॥
গগণে দেৱতাগণে পৰম হৰিষে।
হৰিগুণ গায়া ৰঙ্গে কুসুম ৰৰিষে ॥
বৃন্দাবনে কৰে কেলি বৈকুণ্ঠেৰ পতি।
কহয় মাধৱ—হৰি পদে মোৰ গতি ॥

(১২৮) ৰাগ—কানাৰা

ধ্রুং ॥ যশোৱা নন্দন বালক মেলে।
পৰম আনন্দে কটোৰা খেলে ॥
পদ ॥ মোৱা জুমুৰিকা আৰৰ খই।
বস্ত্র উপৰে সিঞ্চে হাতে লই ॥
কোটি ব্রহ্মাণ্ড ক্রীড়া-ভাণ্ড যাঁৰ।
কটোৰা খেলান কমন বিহাৰ ॥
অনন্ত আনন্দ-ৰসেৰ পতি।
তাহেৰ বালক—খেলানে ৰতি ॥
ভকতি-অধীন দীন-দয়াল।
কহয় মাধৱ—গতি বাল-গোপাল ॥

(১২৯) ৰাগ— ভাটিয়ালী।

ধ্রুং ॥ আলো মাই! তোহাৰ তনয় যদুমণি।
বকাসুৰ বধি হৰি— পৰম আনন্দ কৰি
আইসে ;—শুনা বংশীৰ ধ্বনি ॥
পদ ॥ ভয়ঙ্কৰ বক গোট বজ্রৰ সমান ঠোট
চুম্পি ৰহি আছে সাৱধানে।
বায়ুবেগে আসি ধায় গিলিল কৃষ্ণক পায়
দেখি আমি মৰিলোঁ পৰাণে ॥
তালুত লাগিল হৰি পেলাইল বাহিৰ কৰি
সকল বালকে আছো চায়।
পুনু আসে গিলিবাক ঠোটত ধৰিয়া তাক
চিৰিয়া মাৰিলা যদুৰায় ॥
খানিকো ন ভৈল ঘাৱ কৃষ্ণৰ নীৰজ গাৱ
দেখিয়া কৌতুক পাইলো ৰৰে।
ধেনু বৎস আগ কৰি আনন্দে আসন্ত হৰি
আমি সবে আসিলো লৱৰে ॥
ব্রজত পৰিল জান কৃষ্ণসে সবাৰ প্রাণ
নন্দ ঘৰে আসিলা হৰিষে।
কৃষ্ণমুখ পদ্মমধু নেত্রে পিয়ে ব্রজবধূ
কৃষ্ণশিৰে কুসুম ৰৰষে ॥
দেখি নন্দ যশোদাৰ আনন্দৰ নাহি পাৰ
কৃষ্ণক কোলাত লৈলা তুলি।
মৰি যেন আইল প্রাণ কৰে পুত্র শিৰ ঘ্রাণ
প্রেম-ৰসে মজিল সমুলি ॥
নিজ বৈৰী মাৰি হৰি আসিলা কৌতুক কৰি
দেখি সবে ভৈলা আনন্দিত।
মাধৱ মূকখ মতি কহে—মোৰ হৰি গতি
হৰি পদে নিমজোক চিত ॥

(১৩০) ৰাগ—ভুৱ বসন্ত।

ধ্রুং ॥ দোলায় গোবিন্দ—পৰম আনন্দে—
—ৰতন সিংহাসনে বসি!
কনক-বিৰচিত দোলৰ মণ্ডপ—
—জলয়ে যেন ৰবি শশী ॥
পদ॥ ৰতন ভূষণ জলয় শ্যাম-তনু
ফাগুৰে হুয়া উজ্জলিত।
নবীন মেঘে যেন বিজুৰী সঞ্চাৰ
পেখিতে কাম বিমোহিত ॥
ছত্র চামৰে চৌভিতি ৰঞ্জিত
কনকময় ধ্বজ দণ্ড।
আকাশে দেৱগণে কুসুম ৰষিষয়
ৰজায়া বহু বাদ্য-ভণ্ড ॥
গন্ধর্ব্ব গায়ন বায়ন বিদ্যাধৰে
নাচয় অপ্সৰা গণ।
সিদ্ধ মুনিগণে মহিমা স্তুতি কৰে
কৌতুকে দোলে নাৰায়ণ ॥
পূর্ণ শশী জিনি জলয় চন্দ্রতাপ
মুকুতা মণি সাৰি সাৰি।
উর্দ্ধ দৃষ্টি কৰি পৰম আনন্দে
নিৰিখি যত নৰনাৰী ॥
হৰিৰ দোলৰ মহিমা কৌতুক
কমনে কহি পাৱে সীমা।
আলোক মানুষ দেৱ মুনি গণে
নজানে যাঁৰ মহিমা ॥
দোলৰ উৱৰে মগৰ ভিতৰে
দোলয় ত্রিজগত-পতি।
পৰম মূঢ়মতি কহয় মাধৱ—
—গোবিন্দ পদে মোৰ মতি ॥

(১৩১) ৰাগ—ভাটিয়ালী।

ধ্রুং ॥ ফাগু খেলে করুণাময়—এ নন্দ-কুমাৰ।
দেৱৰ দুর্ল্লভ কেলি ফাগু বিহাৰ ॥
পদ ॥ ফাগু পৰি শ্যামতনু কৰে তিৰি মিৰি।
ৰবিৰ কিৰণে যেন মৰকত-গিৰি ॥
কর্পূৰ কুঙ্কুমে ফাগু অতি সুবাসিত।
গোপ-গোপী সমে খেলে হুৱা আনন্দিত ॥
আউৰে আউৰে ফাগু মাৰে অঞ্জলি ভৰিয়া।
ফাগু ৰসে নাচে হাসে কীর্ত্তন কৰিয়া ॥
ফাগুৰে চৌভিতি দেখি অরুণ ৰৰণ।
প্রভাত কালৰ যেন অরুণ কিৰণ ॥
আনন্দে আকুল লোক ফাগুৰ উৎসৱে।
চৌভিতি পূৰয় হৰি-কীর্ত্তনৰ ৰৱে ॥
ত্রিভুবন জিনি গোপ-পুৰি পৰকাশে।
কহয় মাধৱ—দীন হৰি-পদ-দাসে ॥

(১৩২) ৰাগ—সিন্ধুৰা।

ধ্রুং ॥ ভাই! দেখো কমলাপতি দোলৰ ওপৰে।
বৈকুণ্ঠৰ নাথ—দৌল-ৰসে কেলি কৰে ॥
পদ ॥ দিব্য সিংহাসনে প্রকাশয় দামোদৰে।
নৱনীল মেঘ যেন মেকৰ শিখৰে ॥
শ্যাম শৰীৰত ঝিকি প্যাৰে অলঙ্কাৰ।
নির্ম্মল গগণে যেন জ্যোতি তাৰকাৰ ॥
কিৰীটি কুণ্ডল হাৰ কেয়ূৰ কিঙ্কিনী।
ৰতন নূপুৰ পায় বাজে ৰিণি ঝিনি ॥
সিংহাসন সমে দোলে ত্রিজগত-পতি।
যেন আকাশত ৰবি শশী কৰে গতি ॥
নন্দৰ আনন্দ ৰৰ ৰঙ্গ যশোদাৰ।
জয় হৰি—ৰুলি গোপ-গোপীৰ জোকাৰ ॥
গোকুলে মিলিয়া আছে বৈকুণ্ঠ উৎসৱ।
হৰি পদে গতি মোৰ—কহয় মাধৱ ॥

(১৩৩) ৰাগ—অহিৰ

ধ্রুং ॥ গোবিন্দ চিন্তহুঁ বাল-গোপালং।
ৰতন তলপ মহ শয়নে ৰহতু হৰি—
—পঙ্কজ-নয়ন বিশালং ॥
পদ ॥ কৰ-পঙ্কজযুগে ধৰি পদ-পঙ্কজ
ৰয়ন-পঙ্কজে নিৰেশিতং।
মুনিবৰ কৈছন ছোড়ি অমিয়া, মজু-
—পদ-পঙ্কজ ৰস পীতং ॥
ওহি মন ভাৱে পৰম ৰতি কৌতুকে
নিজ-পদ-পঙ্কজ পানং।
বালক কেলি অমিয়া ৰস সাগৰ
মাধৱ কহ—পৰমাণং ॥

(১৩৪) ৰাগ—সিন্ধুৰা

ধ্রুং ॥ জয় নন্দ-নন্দন পৰমানন্দ—বন্দোঁ বাল
গোপালং।
পদ-পঙ্কজ-ৰজ, অজ বন্দয়—সকল ভুৱন
একু পালং ॥
পদ॥ ৰোম বিৰৰ মহ কোটি কোট অণ্ড
যৈচন অনু পৰমাণি।

নন্দ-নন্দন কতি নাম ধৱত সোহি
ওহি লীলা কোই জানি ॥
দীন-দয়াল জগত-জন-তাৰণ—
—কাৰণ ওহি অৱতাৰা।
পৱম মুকুখ মতি কহয় মাধৱ দীন—
গতি মেৰি নন্দ-কুমাৰা ॥

(১৩৫) ৰাগ—শ্যাম

ধ্রুং ॥ গোৱিন্দ! দুধ পিউ,—দুধ পিউ,—
বলেৱে যশোৱা।
দুধ না খায়া হৰি—বলে ওৱা—ওৱা ॥
পদ ॥ অৰুণ অধৰ মুৰি কান্দে যদুমণি।
চান্দ মুখেৰ বালাই লওঁ বলেৱে জননী ॥
কান্দিতে নেত্ৰৰ নীৰ ধাৰে বহি পৱে!
কমল পত্ৰৰ যেন শিশিৰ নিগৱে ॥
জননীৰ মুখ চায়া কান্দে যদু পতি।
মই যাওঁ—তুমি শোৱা—বলে যশোমতী ॥
পায়ে ধৰোঁ- শিৱে ধৰোঁ—দুধ পিউ হৰি।
মুখে স্তন লৈয়া কান্দে ফুকৰি ফুকৰি ॥
জগতৰ গুৰু—ভাৱ লৈয়া মানৱীৰ।
কান্দিতে আকুলমতি কৈল্যা জননীৰ ॥
কহয় মাধৱ দাস—ৱৰ অগিয়ান।
ওহি ভাৱ সুমৰি—ছুটুক মেৰি প্ৰাণ ॥

(১৩৬) ৰাগ—ললিত

ধ্রুং ॥ যশোমতী পেখিতে নয়ন জুৰাই।
জগজন—জীৱন, ভকত পৱম-ধন—
—হাসি হাসি চৱণ ঘষাই ॥
পদ ॥ কৱহু বৈঠিয়েকহোঁ পেখিয়ে যশোৱা মাই
হাম্ফলি চলে ঘন ঘন।
ভাষতু 'মাই' 'মাই' কৰু খেন বেদ
যশোৱা পেখিতে ঝুৰে মন ॥
যশোৱা সুন্দৰী— কুচকহোঁ ধৰি হৰি—
বয়না কয় স্তন পান।
হাঁসিয়া যশোৱা মাই চুম্বয় ঘনে ঘন
দীন মাধৱে গুণ গান ॥

(১৩৭) ৰাগ—বসন্ত।

ধ্রুং ॥ শুনলো যশোৱা মাই! বচন হামাৰি।
কি পুণ্য কৰিয়া পাইলা তনয় মুৰাৰি ॥
পদ ॥ সুৰাসুৰ মুনি যাৰ চৱণ ধিয়ায়।
সহস্ৰ বয়ন সদা যাঁৰ গুণ গায় ॥
চাৰি ৱেদে বিচাৰি ন পাৱে যাৰ অন্ত।
তোৰ ঘৰে ধেনু ৰাখে হেম ভগৱন্ত ॥
নিত্য নিৰঞ্জন শিৱ পুৰুষ পুৰাণ।
ই তিনি ভুৱনে যাৰ নাহিকে সমান ॥
কোটি ব্ৰহ্মাণ্ডৰ পতি নাথ নাৰায়ণ।
সো হৰি বয়নে তুহোঁ কয়লি চুম্বন ॥
তিনি গুণ হীন প্ৰভু যোহি দামোদৰ।
কোটি ব্ৰহ্মাণ্ড ৱৈঠে যাঁহেৰ উদৰ ॥
যাঁৰ মায়া পাশে বন্দী ই তিনি ভুৱন।
সো হৰি উদৰে তুমি কয়লি বন্ধন ॥
যাঁৰ নাম লৈয়া সুখে তৰে পাপীজন।
সোহি হৰি তোৰ কোলে চড়ি খাইল স্তন ॥
কহয় মাধৱ দীন—শুন হেৰ মাই।
তুহু সম ভাগ্যৱতী—আৰ কেহ নাই ॥

(১৩৮) ৰাগ—শ্যাম।

ধ্রুং ॥ যশোৱা গোপাল কোলে নিছে।
ৱয়ন ভৰি ঘন চুম্বন দিছে ॥
পদ ॥ কৱহু ভৰি হৰি চান্দ বয়ানে।
পূৰল মন পয়োধৰ পানে ॥
কৱহু বয়নে হেৰি হৰি হাসে।
জগতক হৰি যশোৱা কোলে ভাসে ॥
সনক সনাতন যা কৰু সেৱা।
যশোৱা কোলে শোহয় সোহি দেৱা ॥
ভকত-ৱৎসল হৰি দীন দয়াল।
কহয় মাধৱ—গতি বাল-গোপাল ॥

(১৩৯) ৰাগ—আশোৱাৰী

ধ্রুং ॥ খেলত গোবিন্দ যশোৱাক সঙ্গে।
মানৱী ভাৱ দেখাৱত বঙ্গে ॥
পদ ॥ সৃষ্টি স্থিতি লয় কাৰণ যোই।
যাকৰ লীলা জানত নাহি কোই ॥
সোহি মহেশ্বৰ গোপ কুমাৰা।
লোক তাৰণ হেতু কৱত বিহাৰা ॥
যোহি কৃপাময় দেৱক দেৱা।
মুকুতি বিড়ম্বন যাকৰ সেৱা ॥
নানান ৰসে খেলে সোহি দয়ালা:
কহয় মাধৱ—গতি বাল গোপালা ॥

(১৪০) ৰাগ—সিন্ধুৱা

ধ্রুং ॥ আৱে বালক কানু কয়ো পয়োসাৰ।
সঙ্গে যশোৱা মাই কৰত বিহাৰ ॥
পদ ॥ ত্ৰিভুৱন-মোহন মুকুতি সুবেশ।
শ্যাম শৰীৰ নীল কুঞ্চিত কেশ ॥
আৱকত নয়ন বয়নে কচি হাস।
আয়ত নয়ন—পঙ্কজ পৱকাশ ॥
কৱযুগ—কঙ্কণ কেয়ুৰ ৱঞ্জে।
পঙ্কজ চৱণ ভকত ভয় ভঞ্জে ॥
মণিময় মঞ্জীৰ কণু-ঝুণু বোল।
ৰূপে মদন-মোহে মাধৱ বোল ॥

(১৪১) ৰাগ—গৌৰী

ধ্রুং ॥ ভালি নাচে মদন গোপালা।
ৱজায় মোহন ৱেণু গলে ৱনমালা ॥
পদ ॥ অৰুণ চৱণ দুহোঁ ঠমকে চলায়।
ঈষত ঈষত হাসি পঞ্চম গায় ॥
শ্যামল সুন্দৰ চান্দ-ৱয়ন বিকাশ।
কহয় মাধৱ দীন হৰি-পদ-দাস ॥

(১৪২) ৰাগ—নটমল্লাৰ।

ধ্রুং ॥ যাদু ভাল নাচত—নন্দনন্দন গোবিন্দ নাচত
ব্ৰজ নায়ক নাগৰ নাচত—পৱমানন্দ ৱসেৱে।
সুৰাসুৰে যাঁৰ চৱণ পঙ্কজ ৱেণু শিৱে পৱশেৱে ॥
পদ ॥ লাৱণ্য সুন্দৰ কটি ধৰিয়া—এ বাম হাতেৱে।
দক্ষিণ কোমল কৰ থাপিয়া—এ প্ৰভু মাথেৱে ॥
কটিত কিঙ্কিণী বাজে নূপুৰ ঝুৰয় পাৱেৱে।
ঈষত কটাক্ষ হাসি সুন্দৰ ভ্ৰুৱ চলাৱেৱে ॥
নাটেৰ মাধুৰী গোপী মোহন মদন ফান্দেৱে।
যশোমতী নন্দ-নয়ন চকোৰ শ্যাম সুন্দৰ চান্দেৱে ॥
চৌভিতি গোপিনী বেঢ়ি হাতে তালি বজাৱেৱে।
কহয় মাধৱ—হৰি ভুৱন মন ভুলাৱেৱে ॥

(১৪৩) ৰাগ—শ্যাম।

ধ্রুং ॥ তেজৱে কমলাপতি পৱভাত নিন্দ।
তেৰি চান্দ মুখ পেখো উঠৱে গোবিন্দ ॥
পদ ॥ ৰজনী বিদুৰ দিশ ধৱলী ৱৰণ।
তিমিৰ ফাৰিয়া—ৰাজ ৰবিৰ কিৰণ ॥
শতপত্ৰ-বিকশিত ভ্ৰমৰ উড়াই।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই ॥
দাম সুদাম ডাকে তেৰি লৈয়া নাম।
হেৰ দেখ উঠিয়া আসিল বলৰাম ॥
নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভি চাৰিতে লাগে-উঠৱে গোপাল ॥
ক্ষীৰ লৱনু লৈয়ো শিঙা বেত বেণু।
সকালে মেলিয়ো বৎস হাম্বালাৱে ধেনু ॥
কহয় মাধৱ—মাই! কিনু তপসাইলা।
ত্ৰিজগত-পতি হৰি ৰাখোৱাল পাইলা ॥

(১৪৪) ৰাগ—অহিৰ।

ধ্রুং ॥ উঠা উঠা বাপু চান্দ-ৱয়ন।
যশোৱা মাৱে ডাকে ঘনে ঘন ॥
পদ ॥ লহু লহু বহে মলয়া বাৱ।
কোকিলে তেজে সুললিত ৰাৱ ॥
ৰবি পৱশল তিমিৰ নাশি।
সঙ্গহি বালক সব মিলিল আসি ॥
দধি দুগ্ধ ঘৃত ব্যঞ্জন ভাতে।
পাঞ্চনি শিঙ্গা বেত বেণু হাতে ॥
গোবৎস পাল লেহু সঙ্গে কৰি।
উঠা গোষ্ঠে চল ঠাকুৰ মেৰি ॥
যশোৱাকু বাণী গুনি হৃষীকেশ।
বালক সঙ্গে গোষ্ঠে পৱবেশ ॥
দীন মাধৱে—কহয় পৱমাণ।
হৰি বিনে নাহি তাৰক আন ॥

(১৪৫) ৰাগ—কৌ

ধ্রুং ॥ উঠৱে উঠ বাপু! গোপাল হে নিশি
পৱভাত ভেল।
কমল-নয়ন বুলি ঘন ঘন যশোৱা ডাকিতে লৈল ॥
পদ ॥ মোৰ প্ৰাণধন সুচান্দ ৱয়ন
গাৱ চালি তেজ নিন্দ।
সব পুৰুষৰ শিৱৰ ভূষণ
তুমি সে বাপু গোবিন্দ ॥
মোৰ পুত্ৰ বুলি যশোৱা গোৱালী
বুকে বান্ধি কোলে লৈল।
ৱয়ন চুম্বন কৰি ঘনে ঘন
আনন্দে মগন ভৈল ॥
সিদ্ধ মুনি গণে চিন্তিয়া ন পাৱে
সো হৰি যশোৱা কোলে।
ত্ৰিজগত-পতি ভকত মিলল
মুকুখ মাধৱে বোলে ॥

(১৪৬) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ গোপাল গোৱালী পাৰাত নাচে।
চৰণ চলাই নূপুৰ বজাই—
মধুৰ মধুৰ হাসে ॥

পদ ॥ পীত ধটি কটি কাছনি কাছিয়া
আগু পাছু লাসে ধাৱে।
বালকৰ ভাৱ দেখায়া কানাই
গোপীৰ মন ভুলাৱে ॥
দধি বিকি আসি শুনিল গোৱালী
হৰি নাচিবৰ কথা।
পসাৰ পেলাই লৱৰন্তে যাই
কৃষ্ণক বেৰিল তথা ॥
সব গোপী মেলি বাৱে হাত তুলি
বোলে ভাল কৰি নাচা।
হাতে তাৰ খাক দিৱ চিনি লাক
বাপু পূৰি তোৰ বাঞ্ছা ॥
গোপীৰ বচনে বৰ লোভ পাই
নাচল নানান ভাৱে।
কহয় মাধৱ আন গতি নাই
ভজ গোৰিন্দৰ পাৱে ॥

(১৪৭) ৰাগ—মাহুৰ

ধ্রুং ॥ মেৰে মাই—ওহে যশোৱা!
—আজু হামু বৰহি ভুখাৰি।
যো কিছু লৱনু হামকু দেলহ
—নাহি খাৱলো সোহি কথাৰি ॥

পদ ॥ হামু বিহানত খেলি খেলাৱত
আজু কিছুৱে নাহি খাৱতৰি।
তুমহি হামাকু নাহি ডাকল মাই
ভুখহি বৰ দুঃখ পাৱতৰি ॥
খালি উদৰে হৰি হাত নিবেশিয়ে
দেখত বোলত বাণী।
আপোন তনয়কহোঁ দুঃখ দেখিয়ে মাই
নয়নে জুৱাৱত পানী ॥
পুত্ৰ পুত্ৰ বুলি আঞ্চোৰে মুচল
শ্যাম শৰীৰক ধূলি।
মেৰা বাপ বুলি ক্ষীৰ পিয়াৱত
বাহু মেলি কোলে তুলি ॥
ওহি নিজানন্দ সুখহি সম্পন্ন
সো হৰি মানুষ ভাৱতৰি।
যশোৱাকু স্তন পানহি সন্তোষ
দীন মাধৱে গুণ গাৱতৰি ॥

(১৪৮) ৰাগ—ৰৰাড়ী

ধ্রুং ॥ যশোকু আগু বোলত হৰি ভাৱ।
আজু চিনান কৰবো নাহি মাৱ ॥

পদ ॥ ফিৰলোঁ বনে বনে ধেনু বিচাৰি।
তৃণে কাটল সব শৰীৰ হামাৰি ॥
স্নান কৰিতে লাগিয়ে তথি নীৰ।
পুৰৰ হামাকেৰি সকল শৰীৰ ॥
কাকু কৰিয়ে বলহোঁ—শুন মাই।
শুতিয়ে ৰহৰ আজু কিছুৱে ন খাই ॥
তনয়কু বাণী শুনিয়ে বৰ নাৰী।
প্ৰেম পৰশি—নয়নে জুৰে বাৰি ॥
কৰতহ স্নান—শুনহ মেৰি বাপ।
দুঃখিনীক পুত্ৰ কৰবি নাহি তাপ ॥
কোমল লৱনু মাখৱোঁ গাৱে আনি।
কৰাবহেঁ স্নান—সুশীতল পানী ॥
পুৰৰ নাহি—জুৰাৱৰ সব গাৱ।
স্নান কৰিয়া—অমৃত অন্ন খাৱ ॥
মাধৱ কহ—হৰি! গোচৰ হামাৰি।
কাটল কতি ব্ৰহ্ম-শৰীৰ তোহাৰি ॥

(১৪৯) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ ভূমি লুটি কান্দে গোপীনাথ ভাণ্ডিতে মাৱৰে।
চুৰি কৰি ক্ষীৰ লৱনু খাৱে—ভাণ্ড নিজৰে ॥

পদ ॥ কেৰা নিয়া খাইল মোৰ এ নৱ লৱনী।
ওহি বুলি হুম্‌হুমি কান্দে যদুমণি ॥
ঘন ক্ষীৰ ফুটি থৈয়াছিলোঁ—তাৰে গেল খায়া।
ওহি বুলি কান্দে কানু ভাণ্ডিতে গড়াইয়া ॥
এথায়ে আছিল বাঁহী কেৰা নিল তাৰে।
এ তিনি প্ৰমাদ মোৰ ভৈল একেবাৰে ॥
ওলি বুলি গেৰিপাৰি কান্দে যদুৰাই।
কহয় মাধৱ— গতি বালক কানাই ॥

(১৫০) ৰাগ—শ্ৰী

ধ্রুং ॥ গোপাল!—শুনৰে বাপ!—ৰোষ কৰা দূৰ।
তোমাৰ পাৱৰ বালাই লওঁ মই—বাপেৰ ঠাকুৰ ॥

পদ ॥ মাণিক জলিয়া জ্বলে দুখানি অধৰ।
ৰোষ দুঃখ ভৰে অতি ভৈ গৈল ঝামৰ ॥
কান্দিতে কান্দিতে পুত্ৰ বৰ পাইল দুঃখ।
নেত্ৰজলে মলিন সুন্দৰ চান্দ মুখ ॥
হাট বাটে গেল দাসী সকলে তোমাৰে।
যমুনায় গেলো হামু নীৰ ভৰিবাৰে ॥

তোমাৰ বাপ নন্দ ঘোষ তাঞি নাহি ঘৰে।
সকল লৱনু খাইলে পোষণ বান্ধৰে ॥
দুৰ্জ্জন বানৰে দিলে আপুনি আসঙ্গ।
সে খাইল লৱনু খিনি মোৰে কেন খঙ্গ ॥
খাইলে খাইলে—মাৰিবো বানৰ পাইলে লাগ।
এখনে কাতৰ কৰোঁ—এৰা ৰোষ ৰাগ ॥
তোমাৰ বানৰে খাইলে মোৰ কিবা ঘাটি।
হামাত ৰোষে বাগৰ—গাৱত লাগে মাটি ॥
মাণিক পুতলি তনু ধূলায়ে ধূসল।
কান্দিতে ভাগিল গলা—হইল বিকল ॥
এখনে আনিবো দুধ—মথিবো আপুনি।
যত পাৰা খাইবা—দিবো এ নৱ লৱনী ॥
ক্ষীৰৰ লাড়ু সাজি দিবো চিনি খৈ মাখি।
সঞ্জাত ন যাৱ—পাৰাৰ লোক কৰা সাখি ॥
এ বোল শুনিয়া হৰি তেজল ৰোদন।
ধূলা ঝাৰি কোলে লৈয়া মায়ে দিলা স্তন ॥
স্তন পান কৰি হাসি তোলে নাৰায়ণ।
কহয় মাধৱ—গতি নন্দৰ নন্দন ॥

(১৫১) ৰাগ—শ্ৰী

ধ্রুং ॥ মাগে লৱনু হৰি যশোৱাকু আগে।
কৰ পাতি বোলয়—লৱনু মেৰি লাগে ॥

পদ ॥ পূৰবে বুলিয়া আছা—লৱনু দিবাৰে।
সোহি লৱনু মাই লাগয় হামাৰে ॥
লৱনু না পাইলে আজি না চাৰিবো তোৰে।
গুণি চোৱা—বাৰে বাৰে ভাণ্ডি আছা মোৰে ॥
মাৱৰ আঞ্চোৰে ধৰি বোলে নাৰায়ণে।
লৱনু না পায় আজি চাৰিবো কেমনে ॥
থৈয়াছিলা হয়ঙ্গবী হৰি পূজিবাৰে।
এৰাইতে না পাৰি মাই দিলা আসি তাৰে ॥
নৱীন লৱনু পায়া—পৰম কৌতুকে।
চৰাচৰ গুৰু হৰি ভুঞ্জিলা উৎসুকে ॥
লৱনু ভুঞ্জিয়া নাচে—ত্ৰিজগত-পতি।
কহয় মাধৱ—হৰি পদ-ৰেণু গতি ॥

(১৫২) ৰাগ—ৰৰাড়ী

ধ্রুং ॥ মথন মথে যশোমতী মাই।
হৰিগুণ গাৱত—বয়নে মিলাই ॥

পদ ॥ কঙ্কণ হাৰ—কুণ্ডল গণ্ড লোলে।
চৰণ মাজে মণি মঞ্জীৰ ৰোলে ॥
মনোহৰ ক্ষৌম বসন পৰিধানে।
কম্পয় কুচযুগ ৰজ্জু সন্ধানে ॥
উচল খোপা কুসুমে ৰঞ্জি কেশ।
কজ্জল নয়নে,—উজ্জ্বল কৰি বেশ ॥
আগহি নিজ তনয়ক পেখি।
ৰূপ বিনাৱত ময়নে নিৰেখি ॥
মাৱক শ্ৰম দেখিয়ে তুলি হাসি।
মথন দণ্ডে ধৰিল হৰি আসি ॥
তেজল মথন যশোমতী মাই।
মাধৱ মুকুখ দীন-মতি গাই ॥

(১৫৩) ৰাগ—গৌৰী

ধ্রুং ॥ তনপান বিনে ৰসিক গোবিন্দ—
কোঁপিত জননীক লাই।
হামাকু পয়োধৰ পান ছোৱাই—
ক্ষীৰ ৰাখিতে গয়ো মাই ॥

পদ ॥ অৰুণ অধৰ দুহোঁ কোপে কম্পায়ত
—ওষ্ঠ কামুৰি ধৰি দন্ত।
পটাপুত্ৰ হানি—মথনি মাঠি ভাঙ্গিয়ে-
খুপ্পি বৈথল ভগৱন্ত ॥
উৰল উৱৰে চড়ি—লৱনু ভুঞ্জন্ত হৰি
বানৰ সব লৈয়া সাথে।
পিণ্ড লৱনু—বানৰ মাজে খেপল
বানৰে ধৰয় লুম্ফি হাতে ॥
ক্ষীৰ উতাৰি—আসিয়ে মাই দেখল
ভাঙ্গল মথনি মধাই।
সব দধি নাশল—কতিহু পলাৱল
দীন মাধৱে গুণ গাই ॥

(১৫৪) ৰাগ—কামোদ

ধ্রুং ॥ পলাই জগত পতি নন্দজায়া যশোমতী
লড়ু ধৰি পাচে পাচে ধাই।
কৰি আছা অপৰাধ কৰহু নাহিকে বাধ
তাড়ন এড়ান ন যাই ॥

পদ ॥ ভাঙ্গিয়া মথন মাঠি- দধি সৱ কৈল নাঠি
নৱীন লৱনু আছ খায়া।
মাৱৰ উঠিছে ৰাগ না পাই না ছাড়িব লাগ
ভয়ে কম্পে থিৰ নহি কায়া ॥
লাগাল পাইলোঁ মঞি আৰ কতি যাইবি তঞি
কত দুঃখ দিয়া আছা মোৰে।
পলাই আজি যাইবি যথা আমি ধায়া যায়বো তথা
আৰ লাগ না ছাৰিবো তোৰে ॥
মহা মহা যোগি-গণে পৰম নিৰ্ম্মল মনে
চিন্তিয়া না পাই লাগ যাঁৰে।

সবাবে আতমা হৰি হাতে গোপী লড়ু ধৰি
ধায়া ফুৰে তাবে মাৰিবাবে ॥
জননীৰ দুঃখ দেখি হাতে কচালিয়া আঁখি
কান্দিয়া ৰহিলা যেন ডবে।
দেখিয়া যশোদা ৰাণী তনয়ৰ ভয় জানি
ধৰিলা—তেজিয়া বাৰি কবে ॥
যাঁৰ স্মৰণে ডৰি কালো কাম্পে থৰ থৰি
যাঁৰ নামে মুকুতি মিলয়।
জননীক হুৱা ভয় হেন হৰি কম্পয়
দীন মাধৱ দাসে কয় ॥

(১৫৫) ৰাগ-কানাৰা

ধ্রুং ॥ লৱনু-চোৰা বুলি যশোৱা মাই।
গো-কণ্ঠ পাশে বান্ধয় যদুবাই ॥
পদ ॥ পূৰ্ব্বাপৰ অন্ত নাহিক যাঁহাক।
সোহি পৰম গুৰু জগত-আধাৰ ॥
বাহিৰ ভিতৰ যাকেৰি নাই।
গোৱাৰী বান্ধে লৱনু-চোৰা পাই।
গাৱ-সন্ধানে যশোৱা ৰজ্জু আনে।
জোৰয় নাহি আঙ্গুল দুহুঁ মানে ॥
পুনু পুনু ৰজ্জু বিচাৰ কয় আনি।
উদৰে মেৰাই বান্ধয় সতী টানি ॥
তবহু নো জোৰে আঙ্গুল দুহুঁ পাশে।
পেখিয়ে গোপ ৰমণী সব হাসে।
হৰিকহু তত্ত্ব জানয়ে নাহি কোই।
মাধৱ কহ—গতি গোবিন্দ মোই ॥

(১৫৬) ৰাগ—বোলোৱাৰ

ধ্রুং ॥ কল্পিত মাধৱ নয়ন-জুৰাই।
কটি চাপি উড়ুখল বন্ধন কাই ॥
পদ॥ আৰকত কৰতল মাজিত লোৰে।
মন্দ ৰোদন কক নৱনীত চোৰে ॥
নৱনীত কণা শ্যাম অঙ্গ বিৰাজে।
তাৰকগণ যচ গগনকু মাজে ॥
যাহে চৰণ ৰেণু যোগী ন পাই।
ভকতি-বলে তাকু বন্ধন কাই ॥
কহয় মাধৱ দাসে—শুন মেৰি মাই।
ওহি জগত গুৰু সুত কাহাঁ পাই ॥

(১৫৭) ৰাগ—আশোৱাৰী।

ধ্রুং ॥ নাচতু গোবিন্দ গোপিনী আগে।
কৰ পাতি পাতি লৱনু মাগে ॥
পদ ॥ যো কৰ-কমল ভকত-ভয়হাৰী।
সোহি কৰ পাতি মাগে লৱনু মুৰাৰি ॥
গোৱালী বোলয় নীচু নাচ গোপালা।
তৰ তোই লৱনু দেৱৰ হামু ভালা ॥
লৱনু আশে লাসে গোৱিন্দ নাচে।
কৰ ভৰি লৱনু গোবিন্দ যাচে ॥
লৱনু খায়া নাচে কানাই।
আনন্দে গোপিনী তাল বজাই ॥
যো হৰি এ তিনি ভুৱন অধিকাৰী।
গোকুল মাজে সোহি লৱনু ভিখাৰী ॥
ভকতি-অধীন হৰি দীন-দয়াল।
কহয় মাধৱ—গতি বাল-গোপাল ॥

(১৫৮) ৰাগ—কামোদ।

ধ্রুং ॥ নন্দেৰ নন্দন গোপিনী আগে।
কৰ পাতি হৰি লৱনু মাগে ॥
পদ ॥ বোলত বাণী গোৱাৰীক চায়া।
নৱীন লৱনু দেহ গোপ-জায়া ॥
যো হৰি দাতা পদাৰথ চাৰি।
মাগত লৱনু সোহি মুৰাৰি ॥
শিৱ বিৰিঞ্চি কক যাক সেৱা।
লৱনু মাগি ফিৰত সোহি দেৱা ॥
সনক সনাতন যাকু ধিয়াই।
সোহি লৱনু মাগে গোপিনীক ঠাই ॥
অভয় দান কক যোহি হাতে।
গোপিনীক আগে সোহি কৰ পাতে ॥
মুকুতি মিলাৱত যাকেৰি নামে।
মাগয় লৱনু গোৱাৰীক ঠামে ॥
যোহি থিক নিজানন্দ সুখে।
সোহি লৱনু মাগয় কোন দুঃখে ॥
কৰত ভকতি হৰিকো অধীনা।
ওহি ৰস গাৱত মাধৱ দীনা ॥

(১৫৯) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ আলো শুন গোৱালেৰ জায়া—বোলয় গোপালে।
হামাৰ গাৱে ধূলা দিল—তোমাৰ ছৱালে ॥
পদ ॥ কোনো কালে কাৰো হামি বোলো নাহি তই।
একখানি বস্তু পাইলে বাটিয়া খাওঁ মই ॥
মাগিয়া আনো দধি দুগ্ধ তাৰো বণ্টা খায়।
তথাপি তোমাৰ ছৱালে ধূলা দিল গায় ॥
তোমাৰ ছৱাল লৈয়া আমি মাৱৰ আগে যাইবোঁ!
পৰৰ দোষে কেনে আমি আপুনি মাৰণ খাইবোঁ ॥

তুমি সব ভাল জানা আমাৰ মায়েৰ কথা।
শুনিয়া গোপীৰ বৰ লাগি গৈল বেথা ॥
ধূলা ঝাড়ি ঝুড়িয়া বুলিলা প্ৰিয় বাণী।
দধি দুগ্ধ লৱনু খাইবাৰ দিলা আনি ॥
বুন্দা কৰি আনন্দে ভুঞ্জিলা পেট ভৰি।
কহয় মাধৱ—ওহি হৰিৰ চাতুৰি ॥

(১৬০) ৰাগ—বসন্ত

ধ্রুং ॥ দেখত বে হৰি গোপিনী মেলা।
কৰত চোৰ-চাতুৰী ৰস খেলা ॥
পদ ॥ পৰমানন্দ লীলা পৰকাশি।
বহুৰসে বঙ্গল গোকুল-বাসী ॥
সব ৰস-সাগৰ নন্দকু-লাল।
কহয় মাধৱ—গতি মুকুতি গোপাল ॥

(১৬১) ৰাগ—অশোৱাৰী

ধ্রুং ॥ আজু কাহাঁ যাসি বোলয় গোৱালী।
পেখিয়ে আঁখি তৰল বনমালী ॥
পদ ॥ দ্বাৰ বেঢ়ল গোপী বাহু পসাৰি।
লৱনু চুৰি কৈছে কৰসি মুৰাৰি ॥
ঘৰ মহ চোৰ গোৱাৰী ঘন ডাকে।
পাৰাক গোৱাৰী আৱল সৱ জাকে ॥
ধৰল সৱহি মিলি হৰিক চোৰ।
মাধৱ কহ—গতি গোবিন্দ মোৰ ॥

(১৬২) ৰাগ—বেলোৱাৰ।

ধ্রুং ॥ গোৱৰিনী!—কৈছন কলঙ্ক হামাৰি।
ৰাজ মাৰগ মহ—ভিৰত বালক সব।
—কাহেক চোৰ গৱাঁৰি ॥
পদ ॥ আঞ্চোৰে ধৰি আৱ আৱ বুলি—
টানহি বাৰহি বাৰা।
মাৱকু আও আজু—নিয়া ভেটব
বুঝ তুহু বাত হামাৰা ॥
হামাকু চোৰ—বোলসি তুহু ঢাণ্ডী
আপোনহি দধি দুগ্ধ খাই।
গোৱাৰী ছোড়য় যব—হৰি ছোৰয়ে নাহি
—মাধৱ এহু ৰস গাই ॥

(১৬৩) ৰাগ—শ্রী

ধ্রুং ॥ যশোৱা পুছয় পথিকজনে আকুলিত মনে।
হামাৰি বালক—কেৰা দেখিলা নয়নে ॥
পদ ॥ ভণ্টা খেলাইতে শ্রমজলে শোহে মুখ।
সুন্দৰ বদন নিৰেখিতে মিলে সুখ ॥
কুবলয়-দল জিনি শোহে শ্যাম তনু।
পথে পথে যশোৱা পুছয় পুনু পুনু ॥
বিহানে বাজাইল খেড়ি খেলাইবাৰ তবে।
ভৈ গৈল বিয়াল পুতা এভো নাইল ঘৰে ॥
যমুনাৰ তীৰে তীৰে ফিৰে নন্দ-জায়া।
ভৈলা অচেতন সতী পুত্ৰক ন-পায়া ॥
নয়নে নিগৰে নীৰ কান্দে যশোমতী।
কাহেঁ গৈলে পাইবো লাগ পুতা যদুপতি ॥
ধৰণী লুটিয়া মুকচিতু ভৈয়ো মাই।
কহয় মাধৱ—হৰি বিনে গতি নাই ॥

(১৬৪) ৰাগ—ৰবাড়ী

ধ্রুং ॥ তেজহ তাপ—শুনহ মেৰি মাই।
হামু দেখল—তেৰি বালক কানাই ॥
পদ ॥ লৱনু-চোৰ ধৰি আছয় গোৱালী।
কৰত কানাই চোৰ-চাতুৰালী ॥
পাৰাকহোঁ লোক—মানত হৰি সাখী।
হাতক লৱনু গোপিনী মুহে মাখি ॥
বোলত কানাই হামু কৈছে চোৰ।
তুহুঁ চুকণী—মুখহি সাখী তোৰ ॥
লাজল গোপিনী উত্তৰ নাহি আটে।
দেখলোঁ কানাই জিনল ৰাজবাটে ॥
আঞ্চোৰে ধৰি আনত হৰি টানি।
কাতৰ কৰত গোপী ভঙ্গ মানি ॥
শুনিয়ে তাপ তেজল যশো-মাই।
কহয় মাধৱ গতি বালক কানাই।

(১৬৫) ৰাগ—শ্রী

ধ্রুং ॥ না যায়ো না যায়ো তুমি গোৱালীৰ পাৰা।
কতনু সহিবো মঞি তোমাৰ ঝগড়া।
পদ ॥ কেহো বোলে চুৰি কৰি খাইল লৱনী।
সব দধি দুধ খাইল বোলে কেহো জনী ॥
কেহো বোলে ভাঙ্গিলে জোখাৰ মোৰ ভাণ্ড।
এমন বয়সে তুমি এত মান চাণ্ড ॥
মোহোৰ ঘৰেৰ দধি লৱনু দেঞো যদি।
প্ৰতি দিনে দিনে বোৱাইবাৰ পাৰোঁ নদী ॥
তথাপি ন যোৰে হৰি খাইবাৰ তোমাৰে।
চুৰি কৰিবাৰে যায় পাৰাৰ ঘৰে ঘৰে ॥
নানান সুৰস কৰি নানান বাখৰে।
যতন কৰিয়া সাজোঁ খাইবাৰ তোমাৰে ॥

যত পাৰা মানে খাৱ পেট ভৰি ভৰি ॥
দুঃখীৰ ছৱাল যেন ফুৰা চুৰি কৰি ।
আৱৰ যদি যোৱা তুমি গোৱলীৰ বাড়ী ।
তেমনে মাৰিবোঁ যেন গাৱে থাকে খাড়ি ॥
কহয় মাধৱ —মাই গালি পাৰা কাৰে ।
ওহি তো নিয়ন্তা হৰি আতমা সবাৰে ॥

(১৬৬) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ আলো মাই ! গালি তুমি না পাৰিবা মোৰে ।
যত অপমান মোৰে দিয়া আছা বাৰে বাৰে
ভালে আমি সৈয়া আছোঁ তাৰে ॥

পদ ॥ কোন্ চাৰ পুৱাতন সে কড়া দুইৰ ধন
কলসী ভাঙ্গলো দেখি ৰাগে ।
হৈবাৰ ন ৱৈল মোৰ যেন পায়া খাট চোৰ
বান্ধিলা গৰুৰ লৈয়া পাগে ॥
এই অপৰাধ খানি ন সৈলা নন্দেৰ ৰাণী
আৱৰ সহিবা তুমি কি ।
তোমাৰ লক্ষণ দেখি জগতে জানিলে তুমি
যেন বৰ মানুষৰ ঝি ॥
তপ জপ যজ্ঞ যত নাহি দান পুণ্য ব্ৰত
আছিলা জনম আঠুকুৰি ।
আমি পুত্ৰ হুৱা আসি সে দোষ কৰিলো দূৰ
আৱে তোমাৰ আমাত চাতুৰি ॥
অতি নিদাৰুণ জানি যুৱাকালে নুপজিলো
বৃদ্ধকালে পুত্ৰ ভৈলো এথা ।
সামান্য নাৰীয়ো জানে বৃদ্ধ হুৱা না জানিলি
আপোন পুত্ৰেৰ দায়া ব্যথা ॥
জগত ঢাকিয়া ঘোৰ দুৰ্যশ থাকিল মোৰ
না কৈলা আমাৰ কোন কাম ।
যত উপকাৰ গুণ সকলে ঢাকিল দিয়া
আমাৰ লৱনু চোৰ নাম ॥
ৰাজাৰ কুমাৰ হৈয়া গৰু চাৰি খাওঁ ভাত
দুৰ্গম সঙ্কট-ময় বনে ।
তথাপিতো আমি ভাল বোলাইবাক ন পাৰিলো
আৰ ভাল বোলাইবে কোনে ॥
সহিয়া থাকিলে ভাল সকলে জগতে বোলে
উচিত কহিতে লাগে দ্বন্দ্ব ।
যত বোল মাত মানে সকলো শুনিলোঁ আমি
তথাপিতো আমি ভৈলো মন্দ ॥
অপমান সহিবাক ন পাৰি পলায়ে যাইৱো
কংসৰ নগৰ মধুপুৰ ।
আমাক না পায়া লাগ কান্দিয়া মৰিবা পাচে
সকলো ভাৱনা হৈব চুৰ ।
যাঁহাৰ মায়াৰ অন্ত ব্ৰহ্মা হৰে ন পাৱন্ত
হেন হৰি চাতুৰি খেলাই ।
কহয় মাধৱ—প্ৰভু ! আৰ কিছু নুবুলিয়ো
তোমাৰ জননী দুঃখ পাই ॥

(১৬৭) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ গোপাল পলায়া আছে—মায়ে মাৰিৰাৰ ডৰে ।
ভূষণ হাৰাইয়া হৰি— ভয়ে নাইসে ঘৰে ॥

পদ ॥ কদম্ব-তলে ছৱাল কানাই একা শুতিয়া আছে ।
পানী গৈয়া ৰাধা দেখিয়া আইলা হৰিৰ কাছে ॥
চোঞ্চা নিবে অলঙ্কাৰ মাৰিয়া সমূলি ।
ভূষণ খসায়া ৰাধা লৈলা এহি বুলি ॥
আঁৰ কৰিয়া থৈয়া ৰাধা জগাইলা হৰিৰে ।
পুছে অলঙ্কাৰ কেনে নাহিকে শৰীৰে ॥
ভূষণ হাৰায়া আছা শুতিয়া অকলে ।
যশোদা শুনিলে আজি মাৰিব বিকলে ॥
না মাতিয়া আছা হৰি না পায়া উত্তৰ ।
পানী লৈয়া বাহুৰিয়া ৰাধা আইলা ঘৰ ॥
যশোদাৰ হাতে নিয়া অলঙ্কাৰ দিয়া ॥
সকল বৃত্তান্ত ৰাধা কৈলা প্ৰপঞ্চিয়া ॥
ইসব জানিয়া হৰি ঘৰে নাইসে ভয়ে ।
যশোৱা পুছিতে হৰি সবাৰে বাধয়ে ॥
কহয় মাধৱ ঘৰে যোৱা নাৰায়ণ ।
ৰাধাই মাৱৰ হাতে দিয়াছে ভূষণ ॥

(১৬৮) ৰাগ—শ্ৰী

ধ্রুং ॥ মাই ! মাই ! ভূষণ হৰালোঁ হামাৰি ।
যদহু সৰোতৰ পুছত— নাহি পায়ব
দোষ বিচাৰি ॥

পদ ॥ এক গোৱাৰিণী মাতি হামাকু
দেলহ বুলি-মিঠাই ।
তাহেক ভোজন কৰিয়ে শয়নকহোঁ
চেতন হৰাৱলোঁ মাই ॥
শিৰ ফিৰাৱত নয়ন ঢুলাৱত
ঘন ঘন আৱত হামি ।
জ্ঞান-বিৰহিত হোই কদম্ব তলে
একা শুতাৱলোঁ আমি ॥
ৰাধা ভূষণ চোৰি কৰিয়েকহোঁ
পুছত বাত হামাৰি ।

হামু থিক অচেতন হোই
কি কহবোঁ বচন বিচাৰি ॥
কহত মাধৱ- দাস—নাৰায়ণ !
তুৱা পায়ে শৰণ গোসাঞি ।
তুমহি অখণ্ডিত- -জ্ঞান, নিৰঞ্জন
ঝুণ্টা কহিতে নো যোৱাই ॥

(১৬৯) ৰাগ—গৌৰী

ধ্রুং ॥ ৰাধাকু আগু হৰি বোলত চাতুৰি ।
—তুমহি ৰাধে ! হামাকেৰি কৈচন—
—ভূষণ কয়লি চুৰি ॥

পদ ॥ হামাৰি ওহি নগৰ গোকুল মহ
ৰাধা বাঢ়লি চোৰ ।
একা হামু শুতিয়ে ৰহলহি
ভূষণ কয়লি চুৰি মোৰ ॥
দিবস সময়েকহোঁ ৰাজ-বাট মহ
সাহস ঐচন তোই ।
ৰজনী সময়েকহোঁ তোহাৰি ৰাধে
চুৰি কৰিতে কোন হুই ॥
হামু বিচাৰ কয় দেখলো আৱৰি
চোৰ ৰাধা বিনু নাই ।
ঘৰহি ঘৰহি সব ফিৰত চকোৱা
ঐচন বাত জনাই ॥
গোপয়ে নাহি পাৰি মেৰি ভূষণ
দেলহ মাৱকু ঠাই ।
নন্দ নন্দনকহোঁ ঐচন খেলনা
দীন মাধৱ-দাস গাই ॥

(১৭০) ৰাগ—আশোৱাৰী

ধ্রুং ॥ গোবিন্দকু ৰাধা বোলত বাণী
—খায়া গালি গোৱাৰীক ঠামে
হামাকু দোষ বখানি ॥

পদ ॥ হোই অচেতন থিক কদম্বতলে
হামু পাৱলোঁ লাগ ।
চোঞ্চা মাৰি ভূষণ নাহি লেলহ-
থিক তাহাকেৰি ভাগ ॥
ভূষণ, প্ৰাণ, হামু তেৰি ৰাখলোঁ
হামাৰি ঐচন দোষ ।
হামু বাত পুছিতে নাহি উত্তৰ
ৰহলি কয় থোষমোষ ॥
জননীক ভয়ে লুকি দিয়া ফিৰত
গোৱাৰীক ডেৰা সোমাই ।
হামাকু আগু খেলাৱত ঐচন
চাতু ভূষণ পাই ॥
হামু যব চোৰ- -হওঁ কতি দেলহোঁ
তোহাৰি জননীক আগ ।
কহত মাধৱ ৰাধা-গোবিন্দক
প্ৰেম চাতুৰি অনুৰাগ ॥

(১৭১) ৰাগ—ধনশ্ৰী

ধ্রুং ॥ মাৱক আগু গোবিন্দ কৰত গোহাঁৰি ।
—দেখত কৈচন গোৱাৰিণী
—হামকু পাৱত গাৰি ॥

পদ ॥ হামু বালকচয় খেলি খেলাৱত
ভণ্টা কয়লি চুৰি মেৰা ।
তাহেক হামু মিনতি বুলি মাগোঁ
হামাকু বোলত—দূৰ চোৰা ॥
পুছত ঐচন বাত হুই হুই
ওহি বালক সব সাখী ।
হামাৰি ঐচন কলঙ্ক গোকুল মহ
আৱৰি কমন আছোঁ ৰাখি ॥
তুহুঁ যব মাই উচিত বুজত নাহি
কহবো পিতাকেৰি ঠাই ।
গোৱাৰীক যশোৱা গাৰি দিয়ে খেদল
মাধৱ—এহু ৰস গাই ॥

(১৭২) ৰাগ—বেলোৱাৰ

ধ্রুং ॥ দেখ জগত-গুৰু কানু আৱত ।
সঙ্গে সুন্দৰী ৰাধে বঙ্গে মিলাৱত ॥

পদ ॥ ৰতন ভূষণ চাৰু অঙ্গে সুহাৱত ।
বিবিধ আনন্দ-ৰসে ভুৱন ভুলাৱত ॥
লহু লহু সুমধুৰ ৱংশী বজাৱত ।
মাধৱ মুকুথ-মতি—এহু ৰস গাৱত ।

(১৭৩) ৰাগ—বেলোৱাৰ

ধ্রুং ॥ হৰিকো আগু ৰাধা আঞ্জুৰি যোড়ি মাগে ।
তোহাৰি অধৰ-মধু পান বিচুৰি হৰি—
—হামাকু আৱৰি নাহি লাগে ॥

পদ ॥ দেৱৰ দুৰ্লভ দেহ, তুৱা পদ-পঙ্কজ
হামাকেৰি কুচযুগ হাৰা ।
তাহেক আশে দাসা তেৰা
বঞ্চৱি নাহি হামাৰা ॥
ৰাধাকু বাণী শুনিয়ে হৰি
হাসত, ভাষত বচন গোবিন্দে ।

কহয় মাধৱ দীন মেৰি মন মজি
ৱহ হৰি-পদ-অৰবিন্দে ॥

(১৭৪) ৰাগ—কল্যাণ—সিন্ধুৰা

ধ্রুং ॥ সুন্দৰী ৰাধে ! ৰাত বুঝলয়োঁ তেৰা
কোটি ব্রহ্মাণ্ড হামু দেৱা
স্কন্ধ বগাৱলি মেৰা ॥
পদ ॥ যত গোপ-কামিনী তেজি সুন্দৰী-
ৰাধে ! সঙ্গ ৰঢ়াৱলোঁ তেৰা ।
সবকহু অধিক সৌভাগিনী মানিয়ে
মান গুড়াৱল্লি মেৰা ॥
যত জীৱ জগতক আতমা গোবিন্দ
আপহি আপ ৰহৈছা ।
কহয় মাধৱ—মাই ! তাহে ন জানিয়ে
গৰব কৰসি তুহুঁ কৈছা ॥

(১৭৫) ৰাগ—মাহুৰ

ধ্রুং ॥ যাদৱ ! কৈছন ৰাত বিগাৰী ।
সকল নিগমে তেৰি অন্ত ন পাৱন্ত
হামু পামৰী গোপ-নাৰী ।
পদ ॥ তুহুঁ পৰম গুৰু নিখিল ভুবন-পতি
মানুষ ভাৱ তোঁহাৰি ।
চতুৰ বয়ন তেৰি মায়া-বিমোহিত
জানে নাহি যোগ বিচাৰি ॥
তেৰা ঐচন ভাৱ ন জানিয়ে
কয়লোঁ গৰব নাথ ! তোয় ।
ৰাধা-উচিত-ৰাত —কহয় মাধৱ দীন-
গতি গোবিন্দ—পাপী মোয় ॥

(১৭৬) ৰাগ—কল্যাণ

ধ্রুং ॥ ব্রজ-মঙ্গল-ৰস- -ৰাসে ৰসিক গুৰু
কৰত অনঙ্গ ৰস কেলি ।
ৰাধা পূৰত মন সাধু, অমৰ-মধু—
-পানে মোহিত মতি ভেলি ॥
পদ ॥ ঘন ঘন ভুজ দুহুঁ- -মেলি আলিঙ্গত
চুম্বত বয়ন মিলায় ।
হৰিকো কণ্ঠে -আলিঙ্গি ৰহু ৰাধা
নয়ন বয়ন ধিয়াই ॥
পৰমানন্দ অনঙ্গ- -ৰস সাগৰ
তথিয়ে মজি ৰহু মায় ।
হৰিকো পৰশ-ৰসে ৰিচুৰি ৰহত তনু
মাধৱ-দীন গুণ গায় ॥

(১৭৭) ৰাগ—শ্রী

ধ্রুং ॥ গোকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়াৰি ।
উগত সূৰ—দূৰ গয়োৱে—মুৰাৰি ॥
পদ ॥ হামাৰি জীৱন দূৰ গয়োৱে গোবিন্দ ।
নয়নে নে দেখো আৰু পদ-অৰবিন্দ ॥
ৰবি বিনে দিন নোহে—জল বিনে মীন ।
হৰি বিনে গোপীৰ জীৱন ভৈল ক্ষীণ ॥
ধৰণী লুটিয়া গোপী ফুকাৱে সঘন ।
কহয় মাধৱ—গতি নন্দেৰ নন্দন ॥

(১৭৮) ৰাগ—সুহাই

ধ্রুং ॥ সখিহে ! চলে কানু বিৰিন্দাবনে ।
বয়ন-চান্দেৰ সুধা—নয়ন-চকোৰ দুহোঁ
—পিয়া থাকো হেন লয় মনে ॥
পদ ॥ বংশী অধৰে ধৰি নয়ন-আঞ্চোৰ ভৰি
প্রেম-ৰসে ৰৰিষে অমিয়া ।
মাণিক মুখেৰ কান্তি দশন মোজিত পান্তি
প্রাণ মেৰি হৰত হাসিয়া ॥
ভুবন মোহন ৰূপ পেখিতে মদন চুপ
হামু সখি ! ৰিৰহিনী নাৰী ।
না দেখিতে তনু ক্ষীণ কহয় মাধৱ দীন-
মতি—গতি, মুকুতি মুৰাৰি ॥

(১৭৯) ৰাগ—ভাটিয়ালী

ধ্রুং ॥ আলো ! মই কি কহবো দুঃখ ।
পৰাণ নিগৰে নে দেখিয়া চান্দ-মুখ ॥
পদ ॥ কত পুণ্যে লভিলোঁ গুণেৰ নিধি শ্যাম ।
ৰঞ্চিয়া নিলেক নিকৰুণ বিধি ৰাম ॥
শ্যাম কানু বিনে মোৰ ন ৰহে জীৱন ।
'হা শ্যাম !—বুলিতে আকুল কৰে মন ॥
দিবস ন যাই সুখে,—ন যাই ৰয়নী ।
চান্দ, চন্দন, মন্দ-পবন ৰৈৰিণী ॥
কোথা যাওঁ—কোথা থাকোঁ—কিবা কৰে মন ।
কানাইৰ নেওছনি দেও সব বন্ধুজন ॥
শ্যাম বন্ধু বিনে জীৱনৰ কিবা কাজ ।
ৰিৰহ অনল জ্বলে হৃদয়ৰ মাজ ॥
না জানোঁ দাৰুণ বিধি কি কৰে বিপত্তি ।
কহয় মাধৱ—ৰাঙ্গা পদে মোৰ গতি ॥

(১৮০) ৰাগ—কৌ

ধ্রু ॥ প্রাণনাথ ! ন কৰা বঞ্চিত ।
তোহাঁৰি ৰিয়োগ আগি দহে মোৰ চিত্ত ॥
—এ বন্ধু মাধৱ হে !

পদ ॥ পতি সুত সুহৃদ সোদৰ বন্ধু জন ।
সব সুখ তেজি তেৰি ভজিলোঁ চৰণ ॥
সোহি প্রাণনাথ—তুহুঁ যাহা কাহাঁ লাগি ।
ন ৰহে জীৱন মোৰ তেৰি-লাগি আগি ॥
সব তেজি তোহাঁৰি চৰণে কৈলো আশ ।
ভকত-ৰৎসল স্বামী ন কৰা নৈৰাশ ॥
বিনে তুহুঁ ৰহব জীৱন নাহি মোই ।
তুহুঁ বিনে হামাৰি বান্ধৱ নাহি কোই ॥
হাস্য নিৰীক্ষণ, তেৰি মধুৰ আলাপ ।
সুমৰি সুমৰি মেৰি মিলে হৃদি তাপ ॥
ধৰণী লুটিয়া গোপী কৰত ক্রন্দন ।
কহয় মাধৱ—গতি নন্দেৰ নন্দন ॥

(১৮১) ৰাগ—কৌ

ধ্রুং ॥ চলৰে চল বন্ধু উদ্ধৱ হে ।
সুমৰি গোকুল, মন দহে—
—গোপী আকুল হামু বিৰহে ॥
পদ ॥ সুমৰি সুমৰি মন ঝুৰয় ঘন ঘন
ধৰিতে না পাৱে হিয়াৱে ।
হামাত নিতে নিত চুম্পি প্রাণ চিত
সয়ল গোপিণী ধৰে জীৱৰে ॥
পুত্র পৰিৱাৰ ছাড়ল নিৰন্তৰ
হামাতে কয় পতি-আশা ।
মাধৱ দাস দীন কহয়—ভকতি হীন
মই হৰি দাসকুঁ-দাসা ॥

ভটিমা

(১)

জয় গুরু শঙ্কর সর্ব্ব গুণাকর
যাকেরি নাহি উপাম।
তোহারি চরণক রেণু শত কোটি
বারেক করোহোঁ প্রণাম॥
দরশিত সুন্দর গৌর কলেবর
যৈসন সুর পরকাশ।
সকল সভাসদ রঞ্জন যাকেরি
দরশনে পাপ বিনাশ॥
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহন গম্ভীর ধীর মতি।
আয়ত কমল নয়ন বর সুন্দর
বয়ন চাঁদকহো জ্যোতি॥
লীলা গজমতি গমন বিলোকন
বাণী মেঘ গম্ভীর।
পাষণ্ড মর্দ্দন কলিকো কালে
যাকো সম নাহি ধীর॥
যোহি নারায়ণ মায়া বিস্তারি
কর ত্রিজগত নিরমাণ।
সনক সনাতন যোগী যাকেরি
মহিমা করহু নজান॥
সকল চরাচর পালনকারী
যো হরি দেরক দেরা।
চতুরবয়ন শিব সুরপতি যাকেরি
কর নিত চরণহি সেরা।
চারি বেদ শিরোমণি মাঝে
যাকেরি চরণ বিকাশ।
সোহি দেরক কয়লি কলিকো
শঙ্কর দের পরকাশ॥
ত্রিভুবন বন্দন দৈবকী নন্দন
যো হরি মারল কংস।
জগজন তারণ দের নারায়ণ
শঙ্কর তাকেরি অংশ॥
মায়া নর তনু ধরি হরি ভকতি
কয়লি বহু পরচার।
সব নর পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধার॥
অর দিশি চারি বেদ বিচারি
বেকত কর হরিনাম।
যাকেরি বয়নে মিলাই গাই
পাই মনোরথ কাম॥
পণ্ডিত মানী বেদ বখানি
গরব কয়লি সব চূর।
গীত কবিত্ব গুণ শঙ্কর দেরর
কীরিতি গয়ো বহুদূর॥
শ্রীযশ দান মান ভূত দায়
সরগুণ সম্পন্ন ঠিক।
ভকতক ভকতি দানে কর গুরু
দায়া তনয় অধিক॥
হরিক মুকুতি সুকৃতি মম মগন
মজ্জন আনন্দ সিন্ধু।
ঐসন নিরমল হৃদয়ে বিকাশিত
ভকত-কুমুদকুল-ইন্দু॥
নিজ কুল তারি ভকতি বিস্তারি
বান্ধল হরিগুণ সেতু।
কলিযুগে পাপ পয়োধিক সব নর
তারণ কারণ হেতু॥
ভকতি ভাণ্ডার দ্বার সব ছোরি
মুকুতি কয়লি উদাস।
এক শরণ হরি নাম ধরম কহো
রাজা কর পরকাশ॥
কি কহব শঙ্কর দেররর মহিমা
জানি অন্ত নপাই।

যাকেরি চরণক রেণু শিরে পরশি
মুকুতি সুখ সুখে পাই॥
মাধর দীন মুকুখমতি কহয়
বাণী শুন সব লোই।
বিনে গুরু চরণ ভকতি মুকুতি
মুকুতি করহু ন হোই॥
ওহি পরম তত্ত্ব বেদকো বাণী
জানি নর নকর বিরাম।
ধরমক করমক গরবক ছোরি
ডাকি বোলহু রাম রাম॥১॥

(২)

জয় জয় জগ- জীবন যাদব
কৃষ্ণ দেরক দেব।
কমল-সম্ভর করত যাকর
চরণ-রজ নিত সেব॥
জননী সমতুল যোহি পুতনীক
মোক্ষ পদ কর দান।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
মঞ্চ বিঘটিয়ে চক্র বাতক
যোহি লেলহ প্রাণ।
ভঞ্জি তরুবর যোহি অঘরক
বৎস কর নিরযাণ॥
কালী সর্প দর্প দূর কয়
রহ্নি কয়লি পান।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
পতনী সরকহুঁ মানে বিপ্রক
করম মদ কর দূর।
মখ ভঙ্গে দেব-রাজক
গরবক কয়লি চূর॥
তুলি মন্দর বারি বরিষণ
রাত ভয় কর ত্রাণ।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
বিরিন্দারন মহ শরদ শশিনী
রজনী গোপীনী সঙ্গ।
বিবিধ রতি রস দরশিয়ে কহুঁ
মদন মান কর ভঙ্গ॥
মারি যক্ষক যোহি দেব হরি
কয়লি গোপিনীক ত্রাণ।
সোহি দয়াশীল দের কর
অমল ভকতি বিধান॥
কেশী কুবলয় মল্ল মুষ্টিক
কংস কূট চাণুর।
সল্ল তোসল্ল ঘাতি ক্ষিতি কণ্ঠ
ভয় কয়লি দূর॥
মাতু পিতুক বন্ধ ছোড়ি
দুঃখ কর নিরযাণ।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
যোহি যাদব দেব নিরমিল
নগর সাগর মাজ।
তারি সন্তক দৈত্য দানর
সাধি দেরক কাজ॥
বীর শম্বর নরক মতি মন্দ
শূর কর নিরযাণ।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
সাল্ল পৌণ্ডর্ক দ্বিবিদ জরাসুত
বাণ বিদুরথ ঘালিয়ে।
মারি শিশুপাল কৌরব নাশি
পাণ্ডর পালিয়ে॥
আপন গুণ যশ ধরম শিরোমণি
থাপি গয়ো নিজ থান।
সোহি দয়াশীল দেব কর
অমল ভকতি বিধান॥
অহে সামজিক বুদ্ধ জন
বাণী কর সাবধান।
ওহি কলিকো কালে নাহি নাহি
ধরম নাম সমান॥
কালে মলমতি কয়লি সবাকো
নাহি ধরমক চিত।
পতনী ধন জন লোভে মল মতি
ভেলি পাষণ্ড রীত॥
ওহি বাণী সোই নোই
থির মন কয় দেখ।
বিজুরী সঞ্চার জীবন যৌবন
সবহু নীরত রেখ॥
জানি হরি পদ হৃদয়ে ধরি কহু
জপহু রামক নাম।
মুকুখ মাধর দীন কহয়ী
ডাকি বোলহু রাম রাম॥

(৩)

জয় জয় জীব সনাতন শিব।
সুৰাসুৰ দেৱ কৰু সব সেব॥
তুহোঁ বিনে কেৱ।
নাহি আন দেৱ॥
দীন কহুঁ নাথ।
যোড়ি যোড় হাত॥
কিছু পৰণাম।
তুৱা গুণ নাম॥
আতি অনুপাম।
নাহিকে উপাম॥
সোহি মুহে নাম।
ৰহু অবিৰাম॥
গোসাঞী গোপাল।
কৰু মেৰি ঐসন দায়াল কৃপাল॥
দয়াল সয়ল।
ভুবন বিনোদ॥
বিলাস বিহাৰ।
যাহেৰ উদাৰ॥
চৰিত্র পবিত্র।
পতিত পবিত্র॥
শ্রৱণ বয়ন মিলাই।
পাৱত চাৰি পদাৰথ লোই॥
অব সোহি দেবক দেব মুৰাৰি।
ভক্ত ভয়হাৰী॥
ভয়ো অবতাৰ।
ক্ষিতি কহু ভাৰ সয়ল উতাৰ॥
কয়লি গোবিন্দ যশোমতী লাল।
নয়ন বিশাল॥
ভ্রূব যুগ গঞ্জি মদনকু চাস।
সুবঙ্গ বয়ন সুচান্দ সুহাস॥
শোভে দন্ত মৌক্তি।
পীতাম্বৰ জ্যোতি॥
শৰীৰ সুশ্যাম।
সুমঙ্গলধাম॥
উপাম বিহীন।
ৰতন বিভূষণ॥
কিৰীট কেয়ূৰ উজোৰ।
কঙ্কন বিজোৰ॥
কনক ঝনক ৰতন মঞ্জীৰ।
ঝুৰাৱত উৰে হেম হাৰ॥
হীৰা গজমতি।
উন্নত ৰূপ পেখাই ভূলত চিতি॥
অনঙ্গক দেব বিমল।
কমল চৰণ যুগল॥
সুৰাসুৰ নাগ নিসেবিত।
লক্ষ্মী নিবাসিত॥
ভকত ভয় ভঞ্জন।
ভাৰক ৰঞ্জন॥
চিত্ত বিনোদন।
জগ জন জীবন॥
নাথ তোহাৰ।
চৰণ কমল সংসাৰত সাৰ॥
সাৰঙ্গ নিবাস।
তোহো জগবাস॥
নকৰ নৈৰাশ।
হামু দাসকো দাস॥
জনমে জনমে ওহি মন কাম।
কহয় মাধৱ— সেৱক পাল গোপাল॥

(৪)

জয় জয় কৃষ্ণ কৰহুঁ বহু সেব।
জয় জয় দৈবকী নন্দন দেব॥
জয় জয় যোহৰি সত্য স্বৰূপ।
জয় জয় নির্গুণ আতমা ৰূপ॥
জয় জয় গুণ তিনি মায়া বিতাৰি।
জয় জয় সৃষ্টি স্থিতি লয় কাৰী॥
জয় জয় নির্গুণ মুকুতি মুৰাৰি।
জয় জয় বিৰিন্দা বিপিন বিহাৰী॥
জয় জয় লীলাপঙ্কজ ধাৰী।
জয় জয় তাপত্রয় অপহাৰী॥
জয় জয় কালিন্দী কুলচাৰী।
জয় জয় ৰঞ্জন গোপকুমাৰী॥
জয় জয় গিৰি মন্দৰ ধাৰী।
জয় জয় গোকুল জন উপকাৰী॥
জয় জয় কৃষ্ণ মুকুতি অবতাৰী।
জয় জয় কুবলয় জীবনহাৰী।
জয় জয় মধু মুৰ নৰক বিদাৰী।
জয় জয় ক্ষিতিতল ভাৰ উতাৰি॥
জয় জয় শঙ্খ চক্র গদা পাণি।
জয় জয় পীত বসন পৰিধানী॥

জয় জয় সকল নিগম নিৰমাণী।
জয় জয় নিজ জন মুকুতি নিদানি॥
জয় জয় জগত জনক নিজ ধাম।
জয় জয় জগ জন পূৰণ কাম॥
জয় জয় যোহি ৰহুত নিজঠাম।
জয় জয় যাকেৰি গুণ অনুপাম॥
জয় জয় ভকত ৰোচন ৰাম।
জয় জয় ভকত পূৰণ কাম॥
জয় জয় যাকেৰি চৰিত উদাম।
জয় জয় তাৰক যাহেৰি নাম॥
জয় জয় নীল ইন্দিবৰ শ্যাম।
জয় জয় সঙ্গহি গোপ সুদাম॥
জয় জয় গৰুড়াসন বনমালী।
জয় জয় মর্দ্দন বিষধৰ কালী॥
জয় জয় দনুজদলন বলশালী।
জয় জয় অঘ বকাসুৰ ঘালী॥
জয় জয় দুর্জ্জন দুষ্ট নিকালী।
জয় জয় সজ্জন জন প্রতিপালী॥
জয় জয় ভকতক মুকুতি নিদানি।
জয় জয় ৰৱদ ৰৱদ ৰৱ দানী॥
জয় জয় নন্দ তনয় ৰৱ বেশী।
জয় জয় মর্দ্দন দানব কেশী॥
জয় জয় নাশন বীৰবৰ কংস।
জয় জয় পালন যদুবৰ বংশ॥
জয় জয় ৰিপু মৃগ দাৰণ সিংহ।
জয় জয় কৰ্ক্কিণী পঙ্কজ ভৃঙ্গ॥
জয় জয় ভকত কুমুদ কুল ইন্দু।
জয় জয় জগজন জীবন বন্ধু॥
জয় জয় ত্রিজগত জন উপকাৰী।
জয় জয় দুর্গম দুস্তৰ তাৰী॥
জয় জয় সুৰ ৰিপু যুপথ নাশী।
জয় জয় ৰঞ্জন গোকুল বাসী॥
জয় জয় ভব ভয় ভঞ্জন হেতু।
জয় ভব সাগৰ তাৰণ সেতু॥
জয় জয় নিজ গুণ লুবুধ গোপাল।
জয় জয় পঙ্কজ নয়ন বিশাল॥
জয় জয় যাকেৰি বহু অবতাৰ।
জয় জয় যাকেৰি পৰম বিহাৰ॥
জয় জয় যাকেৰি চৰিত্র উদাৰ।
জয় জয় যো হৰি জগত আধাৰ॥
জয় জয় যোহি জগত আদি মূল।
জয় জয় যোহেৰি নাহি সমতুল॥
জয় জয় জীবেক চৈতন্য দাতা।
জয় জয় যো হৰি জগত বিধাতা॥
জয় জয় যোহৰি জগত বিয়াপী।
জয় জয় যোহৰি পাবন পাপী॥
জয় জয় যোহৰি নিজ অবতাৰী।
জয় জয় কেশৰ শৰণ তোহাৰি॥
কহয় মুকুখ মতি মাধৱ দীন।
ভকতি মিনতি মতি সকল বিহীন॥
মাগো ভকতি ৰতি নাহি আন কাম।
ঘনে ঘনে বয়নে বোলহুঁ ৰাম নাম॥

(৫)

জয় জয় জগত জনক যদু নন্দন বন্দন
শিব সুৰ ধাতা।
জয় জয় জগ জন জীবন যাদব
ভকত মুকুতি পদ দাতা॥
জয় জয় কমলাকান্ত কমল দল
কোমল পদ পৰকাশী।
জয় জয় সজ্জন ৰঞ্জন গঞ্জন
দানব দৈত্য বিনাশী॥
জয় জয় পাপী পতিত জন পাবন
ভাবন ওহি সংসাৰ।
জয় জয় ভব ভয় ভঞ্জন ৰঞ্জন
তাৰক চৰিত্র উদাৰ॥
জয় জয় মধু মুৰ নৰক নিবাৰণ
কুবলয় ধেনুক নাশী।
জয় জয় গিৰি ধৰ ধাৰণ কাৰণ
তাৰণ গোকুলবাসী॥
জয় জয় কংস কেশী বক অন্তক
শন্তক তাৰণ হেতু।
জয় জয় পীতাম্বৰ- ধৰ সুন্দৰ
অভয় চৰণ ভবসেতু॥
জয় জয় পূতনী কাতন পাতন
ঘাতন কালী নিকালী।
জয় জয় নন্দ নন্দন বিৰিন্দাবন চাৰী
বহু বলশালী॥
জয় জয় ৰাম ৰমন সীতাপতি
বালী বানৰ ঘালী।
জয় জয় ৰাৱণ ৰাক্ষস দাৰণ
শন্ত বিভীষণ পালী॥

জয় জয় সৃষ্টি কৰতা হৰতা
পাতা দেৱক দেৱা।
জয় জয় নখ মণি মণ্ডন কান্তি
ভ্রান্তি খণ্ডক সেৱা॥
জয় জয় কৰুণা- সিন্ধু বন্ধু
সেবক পালন কাৰী।
জয় জয় শঙ্খ চকৰ কৌমুদী
লীলাপঙ্কজ ধাৰী॥
জয় জয় মধুৰী মুৰতি মাধৱ
মায়া ধমন অমাদি।
জয় জয় দামোদৰ ৱৰ দায়ক
নায়ক বেদক বাদী॥
জয় জয় মল্ল বিমোড়ন কাৰী
হাৰী পাতক ৰাশি।
জয় জয় ভকত- বৎসল মন পূৰণ
কুবুজী কংসক দাসী॥
শুন সাধু জন ওহি নাৰায়ণ
বহু হৃদি পঙ্কজ ঠাম।
কলি মল মোষণ ৰামক বাণী
জানি নকৰ বিৰাম॥
ভাৰত-ৱৰিষে জনম চিন্তামণি
নৱতনু বিফলেহি যাই।
বয়নে হৰিকো নাম মিলাই
চাৰি পদাৰথ পাই॥
মাধৱ দীন হীন মতি কহই
ছোৱহু যব সব কাম।
হৃদয়ে হৰিকো চৰণ মিলাই
ডাকি বোলহু ৰাম ৰাম॥

(৬)

জয় জয় জগত-জীৱন
জয় যাদব দেৱ।
তোহাৰি চৰণক ৰেণু শত কোটি
ৰাৱ পৰি কৰো সেৱ॥
জগত আদি বেদ বাদী
শিৱ পুৰুষ পুৰাণ।
সুৰ শঙ্কৰ চৰণ কিঙ্কৰ
মহিমা তবহোঁ নজান॥
ভ্রূৱ ভঙ্গে চলিত মায়া
অণ্ড কৰ নিৰমাণ।
ৰোম কূপে কৰত আয়া যাত
ৰেণু পৰমান॥
চাৰি বেদক ৰতন চুড়ামনি
চৰণ বিকাশ।
জয় জয় জগত জীৱন
জয় জগত নিবাস॥
ভকত ৱৎসল জগত জীৱন
জপ যাকেৰি নাম।
দুঃখ মোচন কৰত পূৰণ
ভকত জন মন কাম॥
দনুজ দাৱণ ভকত জনকো
বন্ধু মুকুতি নিদান।
তোহাৰি চৰণে মাগো হৰি কৰ
প্রেম ভকতি বিধান॥
জগত নায়ক মুকুতি দায়ক
জয় জগত আধাৰ।
শ্রৱণ কীৰ্ত্তন ভকত যাকেৰি
চাৰি বেদকো সাৰ॥
হামু পাপী তেঁহো হৰি পুনু
পতিত পাবন নাম।
ছোড়ি মায়া কৰ্ম্ম দায়া
নাহি মোহি আন কাম॥
গুণেৰ নাগৰ করুণা সাগৰ
কৰহোঁ কাতৰ তোই।
পাৱে পড়ি তেৰি ভকতি মাগো
কৰহু করুণা মোই॥
অন্ত্য জাতি তৰত আতি
স্মৰণে যাকেৰি নাম।
জয় জয় হৰি তোহাৰি চৰণে
কৰহোঁ বহু পৰণাম॥
এ ভৱ ভঞ্জন ভকত ৰঞ্জন
অরুণ পদ পৰকাশ।
অভয় চৰণে শৰণ মাগোঁ
কৰহু দাসকো দাস॥
বিষয় বিষধৰ দংশিত তনু মেৰি
নাহি চেতন গিয়ান।
কাকু কৰি তেৰি চৰণে মাগো
ভকতি অমিয়া দান॥
দীন দয়াশীল কেশৰ সোহি
মোহ কৰ দূৰ।
ভকত সঙ্গতি ভকতি দানে
মোহি মন কৰ পুৰ॥

দীন মাধৱ দাস কহয়
ছোড়ি সব অব কাম।
আহে সমাজিক লোক সব
ডাকি বোলহু ৰাম ৰাম॥

(৭)

জয় জগ জীব সনাতন দেৱ।
ব্রহ্মা শিৱ চৰণে কৰ সেৱ।
পাতক যাতক যাকেৰি নাম।
তোহাৰি চৰণে কৰহু প্রণাম॥
নীল শৰীৰ জলদ কৰ ভাস।
পীত পটাম্বৰ কৰ পৰকাশ॥
অৰবিন্দ নিন্দি চৰণ কৰ কান্তি।
পদপঙ্কজতল অলকত পান্তি॥
ধ্বজ যব পঙ্কজ অঙ্কুশ ভাসে।
পেখিতে বজ্র ভকত ভয় নাশে॥
ইন্দু নিন্দি নন্দ চান্দ পৰকাশ।
ভকতক হৃদয় তাপ কৰ নাশ॥
ৰতন উজল্টি আঙ্গুলি দশ মাজে।
পদ পঙ্কজ মহ মঞ্জীৰ বাজে॥
উৰু কৰি কৰ দুহোঁ বলিত সমান।
বহুল নিতম্ব কটি ডমৰুক ঠাম॥
কিঙ্কিণী কনক লম্বি চিৰ পীত।
কচিৰ কাঞ্চী কতি ৰতন জৰিত॥
মনোহৰ নাভি সৰোকহ গঞ্জে।
উদৰে ললিত ৰেখা তিনি ৰঞ্জে॥
সিংহ বন্ধ কন্ধ বহল বক্ষ মাজে।
কমল শ্রীৱৎস পান্তি বিৰাজে॥
পদ নখ পৰশি বনহু মালা শোহে।
ভ্রমৰে কেলি কৰত মধু লোহে॥
গজ মতি হাৰ পেচন্দাৰ লোলে।
পেখিতে রূপ ভুৱন মন ভুলে॥
জগতক জীব সবহু একু ঠাম।
কণ্ঠে কৌস্তুভ মণি অনুপাম॥
চতুৰ উজৰ কৰ বৰ ভুজদণ্ড।
যৈসে নীল মৃণালখণ্ড॥
বলয়া কঙ্কন কেয়ূৰ হাতে॥
শঙ্খ চক্র গদা পঙ্কজ হাতে।
কিশলয় কৰ চাক অঙ্গুলি পান্তি।
ৰতন অঙ্গুলি নখ চান্দ কৰ কান্তি॥
নিন্দি ইন্দু কোটি বয়ন বিকাশ।
মোতিম দশন মন্দ কৰ হাস॥
আয়ত নেত্র কমল দল পাসি।
মদনক ধেনু সম ভ্রূৱ প্রকাশী॥
নাসা তিল কুসুম সম শোহে।
চাৰু চিবুক মন আলোভ লোহে॥
মকৰ কুণ্ডল দুহোঁ লম্বিত কর্ণ।
তাম্বু ৰশমি গণ্ড পাণ্ডুৰ বর্ণ॥
অলকা কুটিল তিলক কৰ কান্তি।
পেখিতে ভকতৰ তাপ উপশান্তি॥
ৰতন চূড়ামণি কিৰীটি উজ্জ্বল।
তাম্বু বিকশিত বদন কমল॥
শিৱ ছত্রাকৃত কুঞ্চিত কেশ।
কোটি মদন মন মোহন বেশ॥
মাধৱ কহ তুৱা দাসকো দাস।
ঐসন রূপ হৃদয়ে কৰ বাস॥
কাকু কৰিয়ে তুৱা চৰণাহি লাগোঁ।
মুকুতি সুকতি ভকতি এক মাগোঁ॥
ভকত ৱৎসল কৰ ঐসন দায়া।
চৰণে শৰণ লেহোঁ ছোড়হ মায়া॥
ভকত সঙ্গে বহু মুহভৰি নাম।
ভো সামাজিক বোল ৰাম ৰাম॥২৪॥

(৮)

জয় জয় কৃষ্ণ দেৱ আদি মূল।
নাহি নাহি দেৱ যোহি সমতুল॥
যোহি ৱহত হৃদি পঙ্কজ ঠাম।
সোহৰি চৰণে কৰহোঁ পৰণাম॥
জগত জনক শিৱ পুৰুষ পুৰাণ।
মায়াগুণ তিনি কয় নিৰমাণ॥
সৃষ্টি স্থিতি লয় লীলা কাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
মৎস্য কুর্ম্ম আদি যাকেৰি অংশ।
যোহি জনম ভেলি যদুবৰ বংশ॥
দৈবকী জঠৰে যোহি কৰতু বাস।
সোহি কৰত মুকুতি পৰকাশ॥
চতুৰ বয়ন সুৰ শঙ্কৰ দেৱ।
যাকেৰি চৰণে কৰত নিত্য সেৱ॥
দৈত্য দনুজ কুল নাশন কাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
যাকেৰি তনু নীল জলদক ভাস।
তথি কৰ পীত বসন পৰকাশ॥
শঙ্খ চক্র গদা পঙ্কজ ধাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥

Total page - 360

সত্য সনাতন যাকেৰি কায়া।
যোহি অধীন কৰত নিত্য মায়া॥
সনক সনাতন যাকক সেৱা;
মুকুতি বিধান কৰত সোহি দেৱা।
ব্রজ কুল কুমুদ ইন্দু বনমালী।
যোহি পয়ো ভবে মর্দ্দন কালী॥
পূতনিকা তন শোষণ কাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
ধেনুক অঘ বক কেশী বিনাশি।
ৰাখল অনুদিনে গোকুল বাসী॥
যোহি শৰট বিঘটন কাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
গোপদৱেণু বিভূষিত অঙ্গ।
কয়লি যোহি ইন্দ্রমখ ভঙ্গ॥
বাম হাতে গিৰি মন্দৰধাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
কুবলয় কংস কেশী মল্ল মোড়।
মাতু পিতু যোহি বন্ধন ছোড়॥
যোহি যদুকুল পালনকাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি॥
সোহি শূৰ মুৰ নৰক নিবাৰি॥
কক লীলা ক্ষিতি ভাৰ উতাৰি॥
ৰিপু যূথপ যোহি কক নিকযাণ।
সোহি কৰত নিত্য মুকুতি বিধান॥
কক্মিণী ৰমণ প্রিয়দ বলৰাম।
গোপ ৰমণী জন পূৰণ কাম॥
যাকেৰি নাম পাপ কক নাশ।
সো হৰি কৰত মুকুতি পৰকাশ॥
শালু শিশুপাল যো কক শাতি।
সুদক্ষিণ বাণ জৰাসন্ধ ঘাতি॥
ক্ষিতিকো ভাৰ কয় নিৰযাণ।
সোহি কৰত নিত্য মুকুতি বিধান॥
নৰহৰি মৎস্য কূকম হলীৰাম।
সীতাপতি বৌদ্ধ বঁৰাহক নাম॥
কলকী বামন ভৃগুপতি অৱতাৰ।
সো হৰি কৰত মুকুতি পৰচাৰ॥
ভো ভো সাধু সভাসদ লোই।
কক সাৱধান বচন একু মোই॥

হৰি বিনে দেৱ নাহি নাহি আন।
শাস্ত্র বিচাৰি দেখু পৰমাণ॥
ভাৰতবৰিষে জনম নৰ কায়ী।
যাকেৰি বিহি বড় বাঞ্ছিত পাই॥
বিফল জীবন জনম গৱাই।
বিষয় কাঁচক মোলে মানিক বিকাই॥
কলি কল্মষ ঘোৰ পয়োধি উতাৰ।
ভয়ো হৰি ভকতি ধৰম পৰচাৰ॥
সকল ধৰম কহু ৰাজা জানি।
সব কাম ছোড়ি জপহু ৰাম বাণী।
হৰি গুণ নাম ধৰম অনুপাম।
যাকেৰি থিৰ মন মুকুতিক কাম॥
কয় মন থিৰ জপহু ৰাম ৰাম।
মাধৱ কহ ডাকি বোলহুঁ ৰাম॥

(৯)

প্রাতু সময়ে যশোৱা জনন
মুখ চুম্বিত শ্যাম জগাৱনকো।
উঠ মেৰে লাল মদন গোপাল
আৱে তেৰে গোৱাল বলাৱনকো॥
অব ৰুটীয়া লেহু মাখন চঞ্চ পূৰি
মুৰৰী লেহু শ্যাম বজাৱনকো।
বৃন্দাবনে যাহি আনন্দ কক
যমুনা তটে ধেনু চৰাৱণকো॥
ছোড়ি ভুবন চলহু নন্দনন্দন
গোধন চৰণ কাৰণ বে।
দাম সুদাম সখা সব মিলত
আনন্দে গোবিন্দ খেৰি খেলাৱত বে॥
শত শত বৎস বিমল
নবীন চবীন লাৱত বে।
শিঙ্গা উপাঙ্গ বেণু মুহ বাজত
হেৰি গোৱাল ভুলাৱত বে॥
গিৰিপতি ধ্যান তেজি অবধান
মুৰৰীক সান বিমোহিত বে।
ভূহুঁ জগন্নাথকি দাসকি মাধব
মুহ ভৰি বাম কহাৱত বে॥৩১



SAF4995
HANGALDAI COLLEGE CENTRAL LIBRARY